# জীৱন-বৃত্ত

ড. ভবেন্দ্ৰ নাথ শইকীয়া

অসম বুক হাইভ
পাণবজাৰ, গুৱাহাটী-১

*JEEVAN BRITTA : An Autobiography of Dr. Bhabendra Nath Saikia, Published by Assam Book Hive, Panbazar, Guwahati-1.*

প্ৰকাশক : অসম বুক হাইভ
চেঞ্চেলৰ কমাৰ্ছিয়েল বিল্ডিং
হেম বৰুৱা পথ, পাণবজাৰ, গুৱাহাটী-১
ফোন নং ঃ ২৬০৬৬৯১

দ্বিতীয় প্ৰকাশ : মে', ২০০৬ চন

বেটুপাত- অংকন : বেণু মিশ্ৰ

মূল্য : ১৭৫.০০ টকা মাত্ৰ

মুদ্ৰক : নৰ্থ ইষ্ট প্ৰিণ্টাৰ্ছ
উত্তৰ শৰণীয়া (লালমাটি), গুৱাহাটী-৩
ফোন ঃ ২৬৬৩৮০৩

# জীৱন-বৃত্ত

এই কিতাপখনৰ কথাখিনি 'প্ৰান্তিক' নামৰ আলোচনীখনৰ চৌচল্লিছটা সংখ্যাত ধাৰাবাহিকভাৱে ছপা হৈছিল। ১৯৯৭ চনৰ ডিছেম্বৰ মাহত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হিউষ্টন নগৰত মই কথাখিনি লিখিবলৈ আৰম্ভ কৰিছিলো। ১৯৯৮ চনৰ মাৰ্চ মাহৰ পৰা জুলাই মাহৰ মাজ ভাগলৈকে,— এইছোৱা সময়ত লিখা কামটো গুৱাহাটীত কৰিছিলো। তাৰ পাছত, ১৯৯৮ চনৰ জুলাই মাহৰ শেষ ভাগৰ পৰা ডিছেম্বৰ মাহৰ শেষ ভাগলৈকে কামটো আকৌ হিউষ্টনত কৰিছিলো। ১৯৯৯ চনৰ জানুৱাৰি মাহৰ পৰা নৱেম্বৰলৈকে এইছোৱা সময় গুৱাহাটীত লিখি কিতাপখনৰ কাম সম্পূৰ্ণ কৰিছিলো। 'প্ৰান্তিক'ত প্ৰতিটো খণ্ডৰ শেষত সেইটো খণ্ড লিখি শেষ কৰাৰ তাৰিখটো দিয়া হৈছিল; কিন্তু কিতাপখনত সেই তাৰিখবোৰ দিয়া নহ'ল। লেখাখিনিত মাজে-মাজে প্ৰবাসত থাকি লিখাৰ উল্লেখ আছে কাৰণে এই কথাখিনি কৈ থলো।

যিসকল পত্ৰলেখকে মই অনবধানতাবশতঃ কৰা ভুলকেইটামান দেখুৱাই দিলে, সেইসকলক মই ধন্যবাদ জনাইছোঁ।

শ্ৰী প্ৰদীপ বৰুৱা আৰু প্ৰান্তিকৰ কাৰ্যালয়ৰ তেওঁৰ সহকাৰীসকলে আলোচনীখনত, আৰু পাছত কিতাপ আকাৰে জীৱন-বৃত্ত ছপাই উলিওৱাৰ কামত স্নেহ, আগ্ৰহ আৰু নিষ্ঠাৰে মোক সহায় কৰিছিল। কিতাপখন প্ৰথম প্ৰকাশ কৰিছিল লয়াৰ্চ বুক ষ্টলে। দ্বিতীয় প্ৰকাশৰ দায়িত্ব অসম বুক হাইভৰ ধীৰাজ গোস্বামীক দিয়া হ'ল।

১৮।২। ২০০৩

# এক

বৃত্ত এটা আঁকিলে যেতিয়া বৃত্তটো সম্পূৰ্ণ হ'বৰ হয়, তেতিয়া ৰেখাডালৰ ভ্ৰমণ কৰি থকা মূৰটো এৰি থৈ অহা মূৰটোৰ ওচৰ চাপি আহে। এনেকুৱা লাগে যেন ভ্ৰমণ শেষ হৈ অহাৰ লগে-লগে ৰেখাডালৰ শেষ মূৰটোৱে প্ৰথম মূৰটো দেখিবলৈ আৰম্ভ কৰিছে! মানুহৰ জীৱন-বৃত্তৰ বেলিকাও কথাটো এনেকুৱাই হয় যেন লাগে। এটা বয়সত নিজৰ কথা ভাবিবলৈ ল'লেই প্ৰথমতে সৰুকালৰ কথা মনলৈ আহে। যেন এডাল ৰেখাৰ শেষ মূৰটোৰ,— সেই তাহানিয়েই এৰি থৈ অহা প্ৰথম মূৰটোৰ ওচৰ চাপি যোৱাৰ বাহিৰে গত্যন্তৰ নাই;— যদিহে নক্সাটো বৃত্ত হয়।

কিন্তু ভ্ৰমণৰ অন্তত আমি সেই গুৰুত্বপূৰ্ণ, অতি মৰমৰ সৰুকালটোৰ কিমান কি দেখিবলৈ পাওঁ? আমাৰ কিমান কি মনত পৰে? আনহাতে,—আমোদজনক কথা হ'ল,— বৃত্তটো অঁকা শেষ হোৱাৰ পাছত কোনটো তাৰ আৰম্ভণি, কোনটো মাজ, কোনটো শেষ,— তাৰ কোনো চিন নাথাকে। ৰেখাডালৰ ওপৰৰ প্ৰতিটো বিন্দুৰে গুৰুত্ব সমান। প্ৰতিটো বিন্দুৰে বৃত্তটোৰ প্ৰতি বৰঙণি সমান; প্ৰতিটো বিন্দুৰে ভূমিকা একে। সেই ফালৰ পৰা চাবলৈ গ'লে মোৰ জীৱন-বৃত্তৰ কাহিনী যিকোনো এঠাইৰ পৰা আৰম্ভ কৰিব পাৰোঁ। কিন্তু মই সৰুকালৰ পৰাই আৰম্ভ কৰিম; কাৰণ ৰেখাডালৰ দুয়োমূৰ লগ লাগি এতিয়াও বৃত্তটো সম্পূৰ্ণ হোৱা নাই; সকলো অংশ একাকাৰ হৈ যোৱা নাই। এতিয়া প্ৰথম মূৰটোৰ ওচৰ চাপি আহিছোঁ, আৰু সেইটো দেখা পাইছোঁ। গতিকে সেই আৰম্ভণিৰ কথাৰেই আৰম্ভ কৰিম।

কিন্তু এই যে সৰুকালৰ কিমান কি মনত পৰে বুলি সন্দেহ প্ৰকাশ কৰিছোঁ, সেই বিষয়েও মোৰ এটা বক্তব্য আছে। মই অকল সৰুকালৰ কথা কিছুমানহে পাহৰিছোঁ নে? যোৱা মাহৰ মনত থাকিবলগীয়া সকলো কথা মনত আছেনে? পৰহি আগবেলাটো কেনেকৈ কটালো সম্পূৰ্ণ মনত আছেনে? কলিকতাত একেলগে পঢ়া পৰেশৰ উপাধিটো কি আছিল? পাহৰিছোঁ; কিন্তু তেওঁৰ হাতৰ আখৰবোৰৰ চেহেৰা মনত আছে। এতিয়াও কিজানি ক'ৰবাত দেখিলে এয়া পৰেশৰ আখৰ বুলি কৈ দিব পাৰিম। গোপীনাথ বৰদলৈ ঢুকুউৱাৰ খবৰ পায়েই কটন-হোষ্টেলৰ পৰা কোবাকুবিকৈ তেখেতৰ ঘৰলৈ গৈছিলো। সেই ঘৰটো কোনখিনিত আছিল এতিয়া কোনোমতেই মনত নপৰে। কিন্তু তেনেই

সৰুতে, অ-আ ক-খ পঢ়িবলৈ লোৱাৰ আগতেই, এদিন কলঙৰ পানীত এডাল সৰু সাপে সাঁতোৰা দেখিছিলো। সাপডালৰ কেৰমেৰনি আৰু পানীৰ জিলমিলনিৰ দৃশ্যটো এতিয়াও ইচ্ছা কৰিলেই স্পষ্টকৈ দেখিবলৈ পাওঁ। কি পাহৰিছোঁ, কি কেতিয়াও আঁতৰ হ'ব নোৱৰাকৈ মনত সোমাই আছে,— ক'ব নোৱাৰোঁ। এতিয়া,—এইযে এফালৰ পৰা মনত পেলাবলৈ চেষ্টা কৰিম,— এতিয়াহে তাৰ হিচাপ ওলাব। এনেকুৱা সময়তে এটা বৃত্তাকাৰ সুৰংগৰ কথাও মনলৈ আহে। আৰম্ভণি বুলিবলৈও এডোখৰ ঠাই নাই; শেষ বুলিবলৈও এডোখৰ ঠাই নাই। যিডোখৰ ঠাইত থিয় হওঁ, সেইখিনিতে অলপ পোহৰ, দূৰলৈ আন্ধাৰ। পিছফালে এটা ভ্ৰাম্যমাণ স্মৃতিৰ বন্তি;— কেতিয়া জ্বলে কেতিয়া নুমায় ঠিক নাই। জ্বলিলেও, তাৰ পোহৰ ক'ত পৰে, ক'ত নপৰে ঠিক নাই।

এনেকুৱা স্মৃতিৰ বন্তিৰ পোহৰত যেতিয়া অতীতক চাবলৈ চেষ্টা কৰা হয়, তেতিয়া এটা নীতি ঠিক কৰি লোৱা উচিত। মই ঠিক কৰি লোৱা নীতিটোৰ মূল কথা হৈছে,— সত্য আৰু শুদ্ধতাৰ ক্ষেত্ৰত সততা। যোৱা ভালেমান বছৰ মই নিয়মীয়াকৈ ডায়েৰি লিখিছোঁ। সেই বছৰবোৰৰ কথাত ডায়েৰিবোৰে বৰ সহায় কৰিব। কিন্তু ডায়েৰিয়ে নাসামৰাকৈ বহু বছৰ থাকি গ'ল। সেই বছৰবোৰৰ কথাৰ সত্যতা আৰু শুদ্ধতা ৰক্ষা কৰাটো এটা পবিত্ৰ ধৰ্ম ৰক্ষা কৰাৰ নিচিনা কাম।

কিমান বেছি সৰু হৈ থকা সময়ৰ কথা মনত পেলাব পাৰোঁ, সেই চেষ্টাটো মই কেতিয়াবা এনেয়ে কৰি থাকোঁ। বৌৱে ঢেঁকীত পিঠাগুড়ি খুন্দিছে; মই ঢেঁকীটোৰ নেজত, বৌৰ ভৰিখনৰ ঠিক আগতে, দুয়োফালে দুখন ভৰি দি বৌৱাত উঠাব নিচিনাকৈ বহি লওঁ। ঢেঁকীৰ ছেৱে-ছেৱে উঠা-নমা কৰি থাকোঁ। তাতেই আনন্দ। কিন্তু নেজৰ ফালে মোৰ ওজনটো পৰাৰ কাৰণে খুবলিটোত থোৰাটোৰ চাবটো ভালকৈ নপৰে। তেনেকুৱা হ'লে চাউল গুড়ি হওঁতে বেছি সময় লাগে। গতিকে বৌৱে মোক উঠি যাবলৈ কৈ থাকে; মই নুঠো। কিন্তু পিঠাগুড়ি খুন্দা কামটোও যাতে সুকলমে আগবাঢ়ে, তাৰ বাবে থোৰাটো খুবলিত পৰাৰ আগে-আগে মই গাটো অলপ দাঙি দিওঁ। তেতিয়া চাবটো অলপ ভালকৈ পৰে। পিঠাগুড়ি খুন্দাৰ শেষৰ ফালে গুড়ি-চালনীৰ ওপৰত যিখিনি আধাখুন্দা চাউল ৰৈ যায়, সেইখিনি কেতিয়াবা বৌৱে আকৌ পিঠাগুড়ি উলিয়াবলৈ গুড়ি নকৰে; সেইখিনি খুবলিত দি, তাত নিমখ দি, অলপ সময় খুন্দে। পিঠাগুড়ি খুন্দিবলৈ চাউলখিনি আগতে পানীত কোমলাই লোৱা হয়েই; এতিয়া আৰু অকণমান পানী দি খুন্দাৰ পাছত বস্তুখিনি মুঠি মাৰি-মাৰি লাডু কৰিব পৰা ধৰণৰ হয়। সেই লাডুক আমি মকুৱা বুলিছিলো। শব্দটো তেতিয়াৰ পৰা আজিলৈকে মই কাৰো

মুখত শুনা নাই; আৰু মকুৰা বোলা বস্তুটো খোৱাও নাই। আজি চন্দ্ৰকান্ত অভিধান মেলি দেখিলো,— মকুৰা মানে আধাখুন্দা, গুটি-গুটি হৈ থকা। এই অৰ্থটো ওচৰে-পাঁজৰেই আছে; কিন্তু মকুৰা মানে মই আজিলৈকে সেই ঢেঁকীশালত নিমখ-জলকীয়া দি বনোৱা আধাখুন্দা পিঠাগুড়িৰ (আধাখুন্দা চাউলৰ ?) লাডুৰ কথাহে বুজি আহিছোঁ।

সেই ঢেঁকীশালতে এদিন বৌৱে ধান বানি থাকোঁতে মই ছেঁগুল এযোৰ লাগে বুলি পেনপেনাই থকা মনত পৰে। লাগে মানে— দোকানৰ পৰা কিনি আনি দিয়াৰ কথা কোৱা নাছিলো; বনাই দিয়াৰ কথা কৈছিলো। দোকানৰ পৰা কিবা এটা কিনি আনি দিয়াৰ বাবে আমনি কৰাৰ কথা সেই সময়ত মোৰ মনলৈ অহাৰ কথাই নাছিল। মোৰ পেনপেননিত অতিষ্ঠ হৈ বৌৱে ধান বানিবলৈ এৰি চকোৱাত ওলমি থকা তামোলৰ ঢকুৱা এখন আনি, তাৰ পৰা মোৰ ভৰিৰ জোখেৰে খৰমৰ নিচিনা দুটা টুকুৰা কাটি উলিয়াইছিল, আৰু তাত ফুটা কৰি, নাৰিকলৰ ৰছী লগাই এযোৰ ছেঁগুল বনাই দিছিল।

সেই যে ঢেঁকীশালৰ ধান, সেই ধান আহিছিল কাছমাৰিৰ ফালৰ কোনোবা এখন পথাৰৰ পৰা। তাত আমাৰ অলপমান খেতি-মাটি আছিল। সেইখিনি কাৰোবাক আধি দিয়া হৈছিল। আমাৰ ভাগৰ ধানখিনি ডাঙৰি-আকাৰে গৰুগাড়ীত তুলি ঘৰলৈ অনা হৈছিল। ধান দুবিধ আছিল;— এবিধৰ নাম ককুৱা, ইবিধৰ নাম মাগুৰী। ককুৱা ধানৰ চাউলবোৰ ৰঙচুৱা আছিল; মাগুৰীৰ চাউল বগা আছিল। চোতালত দ'মাই থোৱা ডাঙৰিবোৰৰ ওপৰত উঠি খেলোঁতে ককুৱা ধানৰ শুঙে বিন্ধাৰ কাৰণে গোটেই গাটো খজুৱাইছিল। জাৰৰ দিন হ'লেও খেলা কামটো শুদা গাৰেই কৰিছিলো। ডাঙৰিবোৰ মৰণা মাৰোঁতে গৰুৰ পিছে-পিছে ঘূৰি থকাটো মোৰ কাৰণে এটা ফুৰ্তিৰ কাম আছিল। বাকোঁহোঁতে-বাকোঁহোঁতে গোটেই গাটো ফপৰীয়া হৈ গৈছিল।

ককুৱা ধানখিনিৰে বৌহঁতে উখোৱা চাউল কৰিছিল। আমাৰ এটা ধান সিজোৱা ডাঙৰ কেৰাহী আছিল। পিছ চোতালত উধান পাতি গধূলি পৰত সেই কেৰাহীটোত ধান সিজোৱা হৈছিল। ধানৰ মাজত মোৱা-আলু, শেলুক আদি সিজিবলৈ সুমুৱাই দিয়া হৈছিল। এই মোৱা-আলু বস্তুটোও সৰুকাল পাৰ হোৱাৰ পাছত ক'তো দেখা নাই আৰু খোৱাও নাই। কাৰোবাৰ মুখত বা অভিধানৰ পাতত মোৱা-আলুৰ যিটো বৰ্ণনা পাওঁ — মাজে-মাজে সন্দেহ হয়,— আমি যিটো আলুক মোৱা-আলু বুলিছিলো, সেইটোক অইনে মোৱা-আলু বোলে বা নোবোলে! আমি মোৱা-আলু বোলা বস্তুটো আছিল গড়ে প্ৰায় ছয় ইঞ্চি দীঘল; তাৰ ব্যাস আছিল প্ৰায় দুই ইঞ্চি। সকলো আলু সমান নাছিল। বাকলিবোৰ আছিল নিমজ, মুগা বৰণীয়া। আলুটোৰ গাত অ'ত-ত'ত দুই-এডাল চুটি-চুটি শিপা লাগি আছিল। বালিৰ মাজত সুমুৱাই সিজালে এই আলুবিধ খাবলৈ বেছি ভাল লাগিছিল। আমাৰ বাৰীখনৰ সীমাৰ কাষে-কাষে কাঠ-আলু আৰু মোৱা-আলুৰ

ভেটি আছিল। ঢেঁকীশালত ওলোৱা তুঁহবোৰ সেই ভেটিবোৰত দিয়া হৈছিল। আদাৰ ভেটিতো তুঁহ দিয়া হৈছিল। এসময়ত পিতায়ে খেতি-মাটিডোখৰ বেচি দিলে। কাৰণ থকা মাটিডোখৰ পিতায়ে যিজন মানুহৰ পৰা বাকীকৈ লৈছিল, সেই মানুহজনে পইচাখিনিৰ কাৰণে ৰৰকৈ তাগিদা দিছিল। খেতি-মাটি বেচি পোৱা পইচাৰে পিতায়ে থকা মাটিৰ দাম দি দিলে। প্ৰায় ছাৰে ছকঠা মাটি; দাম তিনিশ পোন্ধৰ টকা। তাৰ পাছৰ পৰা কাঠ-আলু, মোৱা-আলু, আদাৰ ভেটিত আৰু তুঁহ নপৰিল।

এই যে মাগুৰী ধান, ককুৱা ধানৰ শুং, মকুৱা, মোৱা-আলু আদিৰ কথা কৈ গৈছোঁ, ইয়াৰ পৰা আমাৰ ঘৰটো কোনোবা এখন গাঁৱত আছিল বুলি ধাৰণা হয় নে কি? হ'ব পাৰে। কিন্তু আঁচলতে কথাটো তেনেকুৱা নহয়। আমাৰ ঘৰৰ পৰা দুই ফাৰ্লংমান গ'লেই একালৰ লেখক আৰু প্ৰসিদ্ধ উকীল মহীচন্দ্ৰ বৰাৰ ঘৰ; আৰু অলপ আগুৱালেই একালৰ মন্ত্ৰী মতিৰাম বৰাৰ ঘৰ; আৰু অলপ আগুৱাই বাঁওফালে ঘূৰিলেই বুৰঞ্জীবিদ ড. সূৰ্যকুমাৰ ভূঞাৰ পৈতৃক ভেটি। ৰাজ্যখনৰ বহু মানুহৰ বাবে পৰিচিত কাৰণে এই তিনিগৰাকী লোকৰ নাম উদাহৰণস্বৰূপে উল্লেখ কৰিলো। এখেতসকলৰ বাসস্থান আৰু আমাৰ চুবুৰিটো সামৰি লোৱা এই অঞ্চলটো নগাঁও নগৰৰ এটা গুৰুত্বপূৰ্ণ অঞ্চল— ফৌজদাৰীপটি। (মোৰ গোটেই জীৱনটো পট্টি (Patty) বুলি কওঁতে আৰু লিখোঁতেই গ'ল, এতিয়াহে অভিধানৰ শাসনত পৰি পটি বুলি লিখিছোঁ। অলপ আগতে যে শেলুক বুলি লিখিছোঁ, সেয়াও অভিধানৰ শাসনত পৰি লিখিছোঁ। আমাৰ মুখত লাগি থকা শব্দটো হ'ল শেলেকু। 'বুৰে পতি শেলেকু' বুলিলে যিটো ছন্দ বা সুৰ উপভোগ কৰোঁ, 'বুৰে পতি শেলুক' বুলিলে সেইটো উপভোগ নকৰোঁ। এইবোৰ ভুল হ'ব পাৰে; কিন্তু আমাৰ কিছুমান মানুহে যে দুপৰীয়াক দিপৰীয়া, পুতেকক পিতেক বুলি কয়, সেইবোৰ ভুল আৰু আমাৰ শেলেকুজাতীয় ভুলবোৰত এবিধ নিৰ্মল ৰস আছে।)

এই নগৰখনৰ আমোলাপটি, খৃষ্টানপটি, বেংগলীপটি, ঢাকাইপটি, কেঞাপটি আদি নামবোৰৰ সৃষ্টি কেনেকৈ হ'ল, সেই কথা সহজে ক'ব পাৰি, নাইবা নক'লেও ধাৰণা কৰিব পাৰি; কিন্তু ফৌজদাৰীপটিৰ নিচিনা অসাধাৰণ নাম এটাৰ সৃষ্টি কেনেকৈ হ'ল, সেই বিষয়ে মই আজিলৈকে জানিব নোৱাৰিলো। কিন্তু এনেকুৱা এটা নামৰ সৃষ্টি আচম্বিতে, কোনো কাৰণ নোহোৱাকৈ হ'ব নোৱাৰে। পলমকৈ হ'লেও, কাৰণটো জানিবই লাগিব বুলি মনটো বান্ধি থৈছোঁ।

প্ৰসংগক্ৰমে কথা এটা কৈ থওঁ। আমি একোটা শব্দ বা নাম কেনেকৈ হেৰুৱাওঁ, কথাটোৰ লগত তাৰ সম্পৰ্ক আছে। ওপৰত মই কেঞাপটি নামটো উল্লেখ কৰিছোঁ। ১৯৫৭ চনত শিৱসাগৰ কলেজত চাকৰি কৰি থকা সময়ত এখন নাটকত মই কেঞা শব্দটো ব্যৱহাৰ কৰিছিলো। মাৰোৱাৰীৰ দোকান বা গুদাম বুজাবলৈ লিখিছিলো,—

কেএগগোলা। ৰাধেশ্যাম আগৰৱালা নামৰ ছাত্ৰ এজনে আখৰাৰ সময়ত মোক একাষৰীয়াকৈ লগ ধৰি অতি নম্ৰভাৱে কৈছিল, "ছাৰ, কেএগ শব্দটো আমাৰ মানুহে বেয়া পায়।" তেতিয়াৰে পৰা আজিলৈকে মই মাৰোৱাৰী মানুহ বুজাবলৈ কেএগ শব্দটো ব্যৱহাৰ কৰা নাই। অভিধানত আছে,— কেএগ মানে মাৰৱাৰ দেশৰ বেপাৰী; কেএগপটি মানে সৰহীয়াকৈ কেএগৰ দোকান থকা ঠাই। কিন্তু অভিধানত শব্দ এটা থকাও এক কথা, আৰু তাক ব্যৱহাৰ কৰাও এক কথা। ভাষা আৰু শব্দৰ প্ৰতি অভিধানৰ দায়িত্ব আছে; কিন্তু শব্দ ব্যৱহাৰ কৰোঁতাৰ সামাজিক সংস্কৃতিৰ প্ৰতিও দায়িত্ব আছে। কিন্তু এইটো কথাও ঠিক যে এসময়ত কেএগপটি বুলিলে আমি নগাঁও নগৰৰ যিটো অঞ্চলৰ কথা বুজিছিলো, আজি মাৰোৱাৰীপটি বুলিলে সেইটো অঞ্চলৰ কথা নুবুজিবও পাৰোঁ। তদুপৰি, কেএগপটি নামটোৰ লগত জড়িত থকা বুৰঞ্জীমূলক সত্য আৰু সৌন্দৰ্যকণৰো গুৰুত্ব আছে। কিন্তু সমাজ-সম্পৰ্কীয় কিছুমান প্ৰাচীন চিন্তা-ভাবনা, ধ্যান-ধাৰণাৰ কাৰণে সেই গুৰুত্ব উপলব্ধি কৰাত আমাৰ গণ্ডগোল হয়। এই গণ্ডগোল নোহোৱা হ'লে কেএগপটি কিয়, মেতৰপটি নামটো সলোৱাৰো কোনো প্ৰয়োজন নহ'লহেঁতেন।

আগৰ কথালৈ উভতি আহোঁ। ফৌজদাৰীপটিৰ একাষে থকা আমাৰ চুবুৰিটোও মিউনিছিপেলিটিৰ ভিতৰুৱা আছিল। ৰাস্তাত পানী দিয়া মিউনিছিপেলিটিৰ গাড়ীখনে আমাৰ চুবুৰিৰ ধূলিময় ৰাস্তাটোতো পানী দিছিল। আজিকালি পে'ট্ৰল কঢ়িওৱা গাড়ীৰ নিচিনা, আকাৰত কিছু সৰু গাড়ী এখন;— তাৰ টেংকটোত পানী থাকে; পিছফালে মাটিৰ সমান্তৰালকৈ এডাল দীঘল নলী থাকে; নলীডালত বহুত ফুটা থাকে; গাড়ীখন চলি গ'লে সেই ফুটাবিলাকেদি পানী পৰি গৈ থাকে। চুবুৰিটোৰ ইমূৰৰ পৰা সিমূৰলৈ গাড়ীখনে দুবাৰ অহা-যোৱা কৰিলে ৰাস্তাটোত ভালকৈ পানী দিয়া হৈ যায়। আমি কেতিয়াবা চখতে গাড়ীখনৰ পিছে-পিছে দৌৰোঁ আৰু ফুটাবোৰেদি ওলোৱা পানীৰে হাত ধোওঁ। কেতিয়াবা ৰাস্তাটোৰেদি ছাইকেলত উঠি ৰঙা টুপী পিন্ধা চিপাহী যায়; গোটেই চুবুৰিটোৰ কুকুৰবোৰে পাৰে মানে ভুকে আৰু চিপাহীৰ খেদা লয়।

মিউনিছিপেলিটিৰ গাড়ীয়ে ৰাস্তাত পানী দিয়া আৰু আমাৰ ঘৰৰ ককুৱা ধান ৰ। মকুৱাৰ কাহিনীৰ মাজত সময়ৰ ব্যৱধান থাকিব পাৰে, কিন্তু সেই ব্যৱধানে চুবুৰিটোৰ মৌলিক চৰিত্ৰৰ বিশেষ পৰিবৰ্তন ঘটোৱা নাছিল। নগৰখন বা ফৌজদাৰীপটিৰ অংশ হোৱা সত্ত্বেও আমাৰ চুবুৰিটোৰ অৱস্থাটো পয়ালগা ধৰণৰ আছিল। যিকোনো এটা দৃশ্য বা যিকোনো এঘৰ মানুহৰ বৰ্ণনা দিলেই সেই বৰ্ণনা আজিকালিৰ কোনোবা ভিতৰুৱা, দৰিদ্ৰ গাঁৱৰ দৃশ্য বা ঘৰৰ বৰ্ণনা যেন শুনা যাব। অৱশ্যে তেতিয়াৰ দিনত নগৰৰ মাজ-মজিয়াৰ আঢ্যৱন্ত মানুহ এঘৰৰ বৰ্ণনাও 'গাঁৱলীয়া' চৰিত্ৰৰ পৰা বৰ বেছি আঁতৰি যোৱা

নাছিল। (মানুহ আৰু প্ৰকৃতিৰ এনেকুৱা কিছুমান মৌলিক গুণ বা দোষ আছে,— যিবোৰে গাঁও-নগৰৰ সীমা নামানে। ১৯৯৭ চনৰ এই শেষৰ মাহটোতো গুৱাহাটী মহানগৰৰ মাজ-মজিয়াৰ 'নিগাজি' মানুহ কিছুমানৰো এনে শুদ্ধ বৰ্ণনা লিখিব পৰা যায়,— যি বৰ্ণনা 'খেচ গাঁৱলীয়া' মানুহৰ বৰ্ণনাৰ লগত মিলি যাব পাৰে।) আমাৰ চুবুৰিটোৰ জীৰ্ণ-শীৰ্ণ অৱস্থাটোৰ বাবে দায়ী আছিল মানুহবোৰৰ আৰ্থিক দুৰৱস্থা আৰু শিক্ষা-দীক্ষাৰ অভাৱ। নগৰখনৰ একাষৰ, প্ৰায় তিনিফালে হাবিয়ে আগুৰি থকা, পোন্ধৰ ঘৰমান মানুহৰ এই চুবুৰিটোৰ, দেশখনৰ লক্ষ-লক্ষ চুবুৰিৰ তুলনাত কিবা বৈশিষ্ট্য আছে বুলি মই দাবী নকৰোঁ; কিন্তু এটা গছ পুলিৰ লগত প্ৰথম মাটিকণৰ যেনে সম্পৰ্ক, চুবুৰিটোৰ লগত মোৰ তেনে সম্পৰ্ক কাৰণেই যিমানে ভাবোঁ, সিমানে ঠাইডোখৰ মোৰ মানত বেছি বিচিত্ৰ হৈ গৈ থাকে। কেতিয়াবা একান্তমনে, গভীৰভাৱে চেষ্টা কৰোঁ,— কিমান বেছি দূৰলৈ দেখা পাওঁ। আটাইতকৈ বেছি দূৰত যিবোৰ দৃশ্য দেখোঁ, সেইবোৰ অস্পষ্ট, ছঁয়ামঁয়া; কিন্তু আকৰ্ষণ-শক্তিসম্পন্ন আৰু মোহনীয়। — ঠানুৰাম বুঢ়াৰ ঘৰৰ দুৱাৰখন কাণি-দুৱৰীকৈ মেলা আছে। ভিতৰত ঠানুৰাম বুঢ়া আৰু ওচৰতে অইন এজন বুঢ়া মাটিত লেপেটা কাঢ়ি বহি আছে। তেওঁলোকৰ সমুখত এটা মাটি-চাকি জ্বলি আছে। ঠানুৰাম বুঢ়াই নলী এডালেৰে পাণ এখিলা ফুৱাইছে। — কেনেকৈনো সেইটো দৃশ্য চাবলৈ পালো মনত নাই। পাছত জানিছিলো,— বুঢ়াইঁতে সেয়া পাণ পুৰি কানি-টিকিৰা খাইছে।

ছঁয়ামঁয়া দৃশ্যৰ পম খেদি থাকিলে সময়ৰ অপব্যয় হ'ব। নিৰ্ভুলকৈ দৃশ্যবোৰ বৰ্ণাবও নোৱাৰিম, নিৰ্দিষ্টকৈ একো ক'বও নোৱাৰিম। গতিকে ছঁয়ামঁয়া অঞ্চলৰ ইফাললৈ আহোঁ।

কিছুমান মানুহ, প্ৰকৃতিয়ে দিয়া কিছুমান উপাদান, কিছুমান জড় পদাৰ্থ,— এই সকলোৱে মিলিহে একোখন ঠাইৰ পৰিচয় সম্পূৰ্ণ কৰে। আমাৰ চুবুৰিটোৰ কিছুমান মানুহ মোৰ কাৰণে যিমান আপোন আৰু আমোদজনক, কিছুমান অন্যান্য বস্তুও সিমানেই আপোন আৰু আমোদজনক ৰূপত মোৰ স্মৃতিৰ সম্পদ হৈ আছে। এজোপা বেলগছ, ওচৰতে এজোপা অমৰা গছ;— ওপৰত ইজোপাৰ পাতে সিজোপাৰ পাত চুই থাকে। ওচৰতে এজোপা খেজুৰ গছ। এয়া ত্ৰিছৰ দশকৰ মাজভাগৰ কথা। তেতিয়াই খেজুৰ গছজোপাৰ গুৰিৰ শিপাই সৃষ্টি কৰা ঢিপটোত একে সময়তে চাৰি-পাঁচটা মানুহ বহিব পাৰে। এতিয়াহে ভাবোঁ,— সেইজোপা কিমান পুৰণি গছ জানি থ'ব লাগিছিল। এই গছ তিনিজোপাৰ ওচৰতে এটা চৰকাৰী কুঁৱা। বৰষুণৰ বাহিৰে সেই কুঁৱাটোৱেই চুবুৰিটোৰ মানুহখিনিৰ বাবে পানীৰ একমাত্ৰ উৎস। এই কুঁৱা, খেজুৰ গছ, অমৰা গছ আৰু বেলগছৰ ঠাইডোখৰ চুবুৰিটোৰ,— আৰু মোৰ শৈশৱৰ 'সাংস্কৃতিক কেন্দ্ৰ'

আছিল। সঁচা কথা ক'বলৈ গ'লে কুঁৱাটো আৰু গছকেইজোপাই মোক ইমানেই আচ্ছন্ন কৰি ৰাখিছিল যে সেইখিনিতে থকা নামঘৰটো তেতিয়া কেনে ৰূপত আছিল এতিয়া মনত পেলাব নোৱাৰোঁ। অৰ্থাৎ আছিল যদিও নামঘৰটোৱে সেই কালত মোৰ মনত সাঁচ বহুৱাব পৰা নাছিল। অৱশ্যে চিৰাচৰিত অৰ্থত নামঘৰটোহে চুবুৰিটোৰ সাংস্কৃতিক কেন্দ্ৰ হ'ব লাগিছিল, আৰু পাছলৈ হৈছিলো। ই চুবুৰিটোৰ মাজেৰে যোৱা ৰাস্তাটোক এটা নাম দিছিল;— কীৰ্তন ঘৰ ৰ'ড। ফৌজদাৰীপটিৰ কাষৰীয়া কিন্তু ভিতৰুৱা এই দৰিদ্ৰ চুবুৰিটো বুজাবলৈ বহু দিনলৈকে কীৰ্তন ঘৰ ৰ'ড নামটো ব্যৱহাৰ কৰি থাকিবলগীয়া হৈছিল।

মোৰ শৈশৱৰ 'সাংস্কৃতিক কেন্দ্ৰ'টোৰ অমৰা গছজোপা আৰু তাৰ গুটিৰ প্ৰতি মোৰ বৰ বেছি আগ্ৰহ নাছিল। কেতিয়াবা কোনোবাই ফমুটিয়াই সবাই দিয়া ফুল খাইছিলো;— কেতিয়াবা দুই-এটা গুটি। কিন্তু খেজুৰ আৰু বেলজোপা মোৰ,— আমাৰ, বৰ আপোন সম্পদৰ নিচিনা আছিল। ৰাতি পকা বেল সৰি থাকে; বাদুলিয়ে পকা খেজুৰ সবায়; দোকমোকালি চুবুৰিটোৰ যি যিমান সোনকালে যায়, সিয়েই সিমান বেছিকৈ সেইবোৰ বুটলিব পাৰে। কোমল নোহোৱা, ক'লা নপৰা পৈণত খেজুৰবোৰ ঘৰত নিমখ-পানীত ডুবাই থওঁ, পাছদিনা কোমল হৈ ক'লা পৰি যায়;— মানে ভালকৈ পকি যায়। খেজুৰৰ মঙহখিনিৰ মাজত থকা বগা গুটিটো শিলহেন টান;— কেতিয়াবা মুখখনক কামত লগাই ৰাখিবলৈ সেইটোকে বহুত পৰ চোবাই-চোবাই গুড়ি কৰোঁ। পকা বেল কেঁচাই-কেঁচাই বা পুৰি নোখোৱা নহয়, মাজে-মাজে খাইছিলো; কিন্তু আমাৰ ঘৰখনৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছিল বেলৰ আঠাৰ সৈতে। পুৰণি কাগজৰ টুকুৰা জোৰা দি-দি চিলা বনোৱা, চিলা উৰুউৱা সূতাত চিচাৰ গুড়িৰে মাঞ্জা দিয়াৰ পৰা আৰম্ভ কৰি ক্লাছ টে'নৰ কিতাপ-বহীৰ ওপৰত লেবেল লগোৱালৈকে নানান কামত, সুদীৰ্ঘ কাল ধৰি এই গছজোপাই আমাক আঠাৰ যোগান ধৰি আছিল। গছত বেল নথকা দিনত ভাতৰ আঠাৰে কাম চলাইছিলো; কিন্তু জোৰৰ ফালৰ পৰা ভাতৰ আঠাই কেঁচা বেলৰ আঠাৰ কাষেই চাপিব নোৱাৰিছিল।

মাজতে দুটামান শব্দৰ কথা। 'চিলা'টো আমাক লিখিত ভাষাই পাছত শিকোৱা শব্দ। যেতিয়া ঘৰত নিজে চিলা বনাইছিলো, ৰাস্তাত দৌৰি-দৌৰি বা খনাজানৰ ওচৰৰ মুকলি ঠাইত উৰাইছিলো, তেতিয়া বস্তুটোক আমি গুদ্দি বুলিছিলো। যি দুডাল বাঁহৰ কাঠীয়ে (বা কামিয়ে) কাগজখন ফিটকৈ ৰাখিছিল, সেই দুডালক কামানি বুলিছিলো। ধেনুভিৰীয়াডালক ঘেৰ কামানি আৰু পোনডালক চিধা কামানি। চিলা উৰুউৱা এটা ল'ৰাই আকাশতে নিজৰ চিলাৰ সূতাৰে আইন এটা ল'ৰাৰ চিলাৰ সূতা কাটি দিব পাৰে।

এয়া চিলা কটা-কটি খেল। লোকৰ সূতা কাটিবলৈ আঠা, কাচৰ গুড়ি আদি সানি নিজৰ সূতা 'চোকা' কৰি লোৱা হয়। এই কামটোক আমি মাঞ্জা দিয়া বুলিছিলো। গুদ্দি, কামানি, মাঞ্জা,— এই শব্দকেইটা অসমীয়া অভিধানৰ শব্দ নহ'ব পাৰে; কিন্তু মোৰ শব্দৰ ভঁৰালৰ পৰা শব্দকেইটা বিসৰ্জন দিয়াটো টান কাম।

আন্ধাৰ হৈ থাকোঁতেই ককাইদেউহঁতে (নৃপেন আৰু নগেন ককাইদেৱে), পাছলৈ ময়ো, হাতত চাকি বা লেম আৰু বাচন লৈ যে খেজুৰ-বেল বুটলিবলৈ গৈছিলো,— বস্তুবোৰ খাবলৈ পোৱাৰ লোভত যোৱা নাছিলো; গোটোৱাৰ লোভত গৈছিলো। চুবুৰিটোৰ অইনতকৈ আগতে গ'লে যে বেছিকৈ গোটাব পাৰিম, সেইটোৱেই এটা চখ আছিল। বস্তুবোৰ হয়তো পাছত কাৰোবাক দিয়েই দিছিলো, তথাপি গোটাইছিলো।

মই শেষ নিশা বিছনা এৰি যাব পৰা হোৱাৰ আগতে, এদিন ককাইদেউহঁতে বোলে খেজুৰ বুটলিবলৈ গৈ যখিনী দেখিছিল। নিজ চকুৰে। কৃষ্ণ পক্ষ। চুবুৰিটোত শেষ নিশাৰ জোনাক। খেজুৰ বুটলি থাকোঁতে হঠাতে ককাইদেউহঁতে দেখিলে,— লক্ষীৰাম ককাইটিহঁতৰ ঘৰৰ আগৰ হাবিখনৰ পৰা দুজনী গাভৰু ছোৱালী কান্ধত ধৰাধৰিকৈ ৰাস্তাটোৰ মাজলৈ ওলাই আহিছে। দুয়োজনীৰে গাত বগা কাপোৰ। সিহঁতে ৰাস্তাটোৰ মাজত থিয় হৈ ককাইদেউহঁতক হাত-বাউল দি মাতিলে আৰু অলপ পাছতে খিলখিলকৈ হাঁহি হাবিৰ মাজলৈ সোমাই গ'ল। ককাইদেউহঁত থৰ লাগিল; কেইমুহূৰ্তমান বোবা হৈ থিয় হৈ থাকিল; তাৰ পাছত ঘৰলৈ দৌৰ মাৰিলে। ঘৰ পায়েই দুয়ো অচেতন হোৱাদি হ'ল; তাৰ পাছত দুয়োৰে তীৰকঁপে জ্বৰ উঠিল। মূৰত পানী দিবলগীয়া অৱস্থা। সেই জ্বৰ কেইবাদিনলৈকে আছিল।

ককাইদেউহঁতে সেই দুজনী কি দেখিছিল থিৰাংকৈ কোৱাৰ উপায় নাই; কিবা এটা দেখাটো ঠিক। পাছৰ জীৱনত যেনেকুৱা ঠাই যখিনী থকাৰ উপযোগী বুলি শুনিছিলো, তেনেকুৱা ঠাই সেই কালত আমাৰ চুবুৰিটোত ঢেৰ আছিল। মানুহতকৈ যখিনীৰ উপযোগী ঠাই বেছিয়েই আছিল যেন মনত পৰে। আমাৰ ঘৰৰ উত্তৰে মহৰী বাবুৰ (ৰামজয় সৰকাৰ) ঘৰ; তেওঁৰ চৌহদৰ সিফালেই সেইখন ককাইদেউহঁতক হাত-বাউল দিয়া যখিনী দুজনী থকা হাবিখন। অইন গছে এৰি দিয়া ঠাইখিনি চোৰাত গছেৰে ভৰা। ৰাস্তাটোৰ কাষে-কাষে বুঢ়া চোৰাতৰ আগ হাউলি থাকে। আমাৰ ঘৰৰ পিছফালেও এখন ডাঠ হাবি। সেই হাবিৰ মাজেদি চুবুৰিটোৰ মানুহক সময়ৰ জাননী দিয়া শিলঘাট-চাপৰমুখ ৰে'লখন অহা-যোৱা কৰে। চুবুৰিটোৰ দক্ষিণফালে খনাজানলৈকে সেইখনো এখন ডাঙৰ হাবি। ৰাস্তাটোৰ সিপাৰৰ মানুহকেইঘৰৰো পিছফালবোৰ গছ-গছনিৰে ভৰা। চিনাকি গছৰ ভিতৰত ভেলেউ, মজ, সোণাৰু, স'ৰা আদিয়েই বেছিকৈ আছিল। খনাজানৰ ফালে কেইজোপামান জৰথ গছ আছিল। সেই গছবোৰত থোপাথোপে

বুটমাহৰ নিচিনা গুটি লাগিছিল। ফাকুৱাৰ আগদিনা আমি তেনেকুৱা গুটি সৰহকৈ গোটাই আনি পানীত তিয়াই থৈছিলো। পাছদিনা পানীখিনি ৰঙা হৈ পৰিছিল। তাৰে আমি ৰং খেলিছিলো। আমাৰ ঘৰৰ পিছফালে থকা ভেলেউ গছজোপা চুবুৰিটোৰ আটাইতকৈ ওখ গছ আছিল। আগফালে ঘৰটোৰ প্ৰায় গাতে লাগি আছিল এজোপা বৰ-আম আৰু এজোপা টিলিকি আম। এই হাবি, এই গছ আমাৰ দিনবোৰৰ লগত নানা ধৰণে সাঙোৰ খাই পৰিছিল। মোৰ বিশ্বাস,— সেই সাঙোৰৰ প্ৰভাৱে কাহানিও মোৰ মনৰ লগ এৰা নাই। কেঁচুৱাতে দিয়া কিছুমান বেজিয়ে যে গোটেই জীৱনলৈ কিছুমান সুফল দি থাকে, কথাটো তেনেকুৱা হৈছে।

অকল হাবি আৰু গছেই নে? তাৰ মাজে-মাজে বা তলে-তলে থকা মানুহবোৰেও এখন সৰু জন-অৰণ্যৰ সৃষ্টি কৰিছিল। একো-একোজন মানুহ সেই ভেলেউ, সোণাৰু, জৰথৰ দৰেই বিচিত্ৰ আৰু অবিস্মৰণীয় আছিল। জীৱনত এই বিশাল পৃথিৱীখনৰ কিমান মানুহক লগ পালো, কিমানক পাহৰিলো;— কিন্তু সেই অকণমান জন-অৰণ্যখনৰ কেইজনমান মানুহক এতিয়াও মন কৰিলেই দেখা পাওঁ আৰু সুখ-দুখ-আনন্দৰ অনুভূতিত চকু মুদ খাই আহে।

যিটো ঘৰত ঠানুৰাম বুঢ়াইঁতে কানি-টিকিৰা পুৰি খাইছিল, সেই ঘৰটোৰ শেষ গৃহস্থ আছিল দীন আৰু ভূমিধৰ ককাইটি। বেঙা আৰু কেঁৰা শব্দ দুটাৰ যিকোনো এটাৰ ব্যৱহাৰ নকৰাকৈ চুবুৰিটোৰ প্ৰায় কোনেও দীন ককাইটিৰ কথা নকৈছিলেই। দীন বেঙা বা দীন কেঁৰা। মানুহটোৰ মাত-কথা সঁচাকৈয়ে পৰিষ্কাৰকৈ নুফুটিছিল, চকু দুটা কেঁৰা আছিল আৰু মগজত বুদ্ধি থকাৰ চিন নাছিল। সৰু-সৰু ল'ৰা-ছোৱালীইঁতেও কেতিয়াবা "অ'ই বেঙা, অ'ই কেঁৰা"— বুলি পিছে-পিছে গৈ মানুহটোক জোকাইছিল; আৰু, —সাধাৰণতে যি হয়, —কেতিয়াবা মানুহটোৱে উভতি, কেইখোজমান দৌৰি, দলি এটা বুটলি লোৱাৰ নিচিনা কৰিছিল। চুবুৰিটোৰ ইমূৰৰ লক্ষীৰাম ককাইটিৰ ভনীয়েক এজনী আছিল। তায়ো কেঁৰী আৰু আজলী আছিল। দেখাতো আগঢ়ী আছিল। গতিকে তৈতিয়াৰ দিনৰ 'বিয়াৰ বয়স' পাৰ হৈ যোৱাৰ পাছতো তাইৰ বিয়া হোৱা নাছিল। কেঁৰীৰ বাহিৰে তাইৰ অইন নাম কি আছিল পাহৰিলো। এদিন চুবুৰিৰ মানুহ কেইজনমানে লগ লাগি ঠিক কৰিলে,— দীন আৰু কেঁৰীৰ বিয়া পাতি দিয়া যাওক। কথাটো শুনি দীন ককাইটি আৰু কেঁৰী বাইটিৰ কেনেকুৱা লাগিছিল, সেইটো জনাৰ উপায় এই পৃথিৱীত কাৰো নাছিল। মানুহবোৰে সিহঁতক যি কৰিবৰ্লৈ কৈছিল সিহঁতে তাকে কৰিছিল। এদিন বিয়াৰ দিন পৰিল। কেঁৰা-কেঁৰী, বেঙা-বেঙীৰ বিয়া;— গতিকে খুচি মতে নতুন নিয়ম কৰা হ'ল। গধূলিৰ পাছত বহুত মানুহে ঢোলে-দগৰে খোজ কাঢ়ি গৈ কইনাক খোজ কঢ়াই দৰাৰ ঘৰলৈ লৈ আহিল। ঢোলে-দগৰে মানে— ল'ৰাকেইটামানে ওৰে বাটে কেৰাছিন তেলৰ

খালী টিন দুটা কোবাই গৈছিল। দৰাৰ ঘৰত চন্দ্ৰতাপ তৰা হৈছিল। তাৰ তলত অভ্যাগতসকলক মুড়ি আৰু ফিকা চাহেৰে আপ্যায়িত কৰা হৈছিল। আমাৰ ঘৰৰ মুখে-মুখে ৰাস্তাৰ সিপাৰৰ লিলু ককাইটি (লম্বোদৰ দাস) বিয়াৰ পুৰোহিত হৈছিল। তেওঁ পিন্ধি থকা চুৰিয়াখনৰ ইটো আগ উদং গাটোত মেৰিয়াই লৈ ব্ৰাহ্মণৰ ভেশ ধৰিছিল; আৰু কোনোবাই তেওঁৰ পোন্ধত ৰছী এডালেৰে জীয়া ভেকুলী এটা বান্ধি থৈছিল।

দুদিনমানৰ পাছতে কেঁৰী বাইটি নিজৰ ঘৰলৈ গুচি গৈছিল আৰু আগৰ নিচিনাকৈ বেল গছজোপাৰ তলেদি কুঁৱাটোৰ পৰা নিজৰ ঘৰলৈ পানী কঢ়িয়াইছিল। বাটত দীন কেঁৰাক ল'ৰা-ছোৱালীহঁতে আগৰ নিচিনাকৈয়ে জোকাইছিল; কেতিয়াবা কেঁৰীৰ চকুৰ আগতে। হঠাতে ল'ৰা-ছোৱালীহঁতে কেঁৰাক এৰি কেঁৰীক ধৰিছিল,—"কেঁৰী-মেৰি বাঁহৰ পাত, কেঁৰীয়ে নাখায় শুদা ভাত; ব'ল কেঁৰী হাটে যাওঁ, কেঁৰীক বেচি লাড়ু খাওঁ।"

ৰাইজে যে সিহঁতৰ বিয়া পাতি দিছিল, সেই কথাৰ কোনো চিন কেঁৰা-কেঁৰীৰ আচৰণত দেখা নগৈছিল।

এদিন কেঁৰীৰ অসুখ হ'ল। ঘৰৰ চিকিৎসাই বলে নোৱাৰিলে কাৰণে এদিন তাইক চৰকাৰী হস্পিটেললৈ লৈ যোৱা হ'ল। তাতো তাইৰ অসুখ ভাল হোৱাৰ কোনো লক্ষণ দেখা নগ'ল। মৰণলৈ বাট চাই তাই বিছনাত পৰি থাকিল। চুবুৰিৰ কোনোবা-কোনোবাই এদিন দীনক জোৰকৈ ধৰিলে, "ঘৈণীয়েৰে কেতিয়া চকু মুদে ঠিক নাই। তই এবাৰ তাইক নাচাৱগৈ কিয়?" দীন গ'ল হস্পিটেললৈ। কেঁৰী প্ৰায় অচেতন হৈ আছিল। এজনে তাইৰ কাণৰ ওচৰলৈ মুখ নি ক'লে, "কোন আহিছে চাচোন। দীন, দীন আহিছে।" কেঁৰীয়ে হেনো লগে-লগে চকু মেলিলে আৰু থৰ লাগি দীনৰ চকুলৈ চাই ৰ'ল। কোনোবা এজনে দীনক ক'লে, "মুখত পানী অকণ দে।" দীনই কেঁৰীক পানী এচামুচ খুৱাই দিলে। পানীচামুচ গিলি কেঁৰীয়ে যে চকু মুদিলে,—আৰু নেমেলিলে।

অমুকে পানী এচামুচ মুখত দিয়াৰ পাছতেই অমুকে চকু মুদিলে,—এনেকুৱা কথা পাছৰ জীৱনত বহুত শুনিছোঁ; কিন্তু কেঁৰীয়ে দীনৰ হাতৰ পানীটোপালে বাট চাই থকা বুলি আমাৰ চুবুৰিৰ মানুহবোৰে কৈ থকা কথাষাৰৰ আগত সেই কথাবোৰ তল পৰি যায়। তাৰ পাছৰ দিনবোৰত দীন ককাইটিক অ'ত-ত'ত জুপুকা মাৰি বহি থকা দেখিছিলোঁ। ল'ৰা-ছোৱালীবোৰে মানুহটোক জোকাবলৈ এৰি দিছিল। মোৰ কাৰণে বৰ আচৰিত কথা,—এই মানুহটো কেতিয়া কেনেকৈ চুবুৰিটোৰ পৰা নাইকিয়া হ'ল,— মোৰ মনত নাই। এতিয়াও খেজুৰ গছজোপাৰ গুৰিত বা নাদটোৰ পাৰৰ পকাত মানুহটোৱে জুপুকা মাৰি বহিয়েই আছে যেন লাগে।

গধূলিৰ পাছত অলপ সময়ৰ কাৰণে চুবুৰিটো নিজম পৰে। মাছৰ পাইকাৰী ব্যৱসায় কৰা অম্ব হালদাৰে এইখিনি সময়ত তেওঁৰ জুপুৰিটোৰ বাঁহৰ চাংখনত লেপেটা কাঢ়ি

আৱামেৰে বহি লৈ কলগানটোত গান শুনে। "তিলেক দাড়াও তোমায় দেখি"— এইটোৱেই অন্ন হালদাৰৰ কলগানে মোৰ মনত সুমুৱাই দিয়া প্ৰথম বাংলা গান। কিন্তু অন্ন হালদাৰৰ কলগান বাজক নাবাজক,— গধূলিৰ কিছু পাছত চুবুৰিটোত নিয়মীয়াকৈ শব্দৰ সৃষ্টি কৰিছিল বজাৰৰ পৰা ঘৰলৈ উভতি যোৱা বেপাৰীবোৰে। শিয়ালমাৰী, চকীটুপ, বৈদ্যটুপ আদি ঠাইৰ পৰা ঘাইকৈ নিজ-নিজ খেতিৰ শাক-পাচলি বেচিবলৈ খেতিয়ক-বেপাৰীহঁতে দিনৰ দুইমান বজাৰ পৰাই চুবুৰিটোৰ মাজেৰে বৰবজাৰলৈ কোব লয়। মূৰত পাচি বা কান্ধত ভাৰ লৈ বেগ দিয়া বেপাৰীহঁতৰ তেতিয়া কোনোবাই কথা এযাৰ সুধিলে উত্তৰটো দিবলৈও সময় নাই। কিন্তু ৰাতি যেতিয়া ঘৰুৱা বজাৰখিনিৰে পাতল হৈ ঘৰলৈ ওভতে তেতিয়া তেওঁলোকৰ ডিঙিলৈ ক্ৰমে প্ৰাণ আৰু শক্তি উভতি আহে। তেওঁলোকে চিএৰি-চিএৰি গান গায়; বহুত আগে-আগে যোৱা মানুহৰ লগত চিএৰি-চিএৰি কথা পাতে। তেওঁলোকৰ সৰহভাগেই মৈমনসিঙীয়া মানুহ। তেওঁলোকে নিজৰ ভাষাও কয়, অসমীয়া ভাষাও কয়। তেওঁলোকৰ লগত অসমীয়া মানুহো থাকে। এই দুটা ভাষাৰ সংমিশ্ৰণ আৰু সমন্বয়ত যি মাধুৰ্যৰ সৃষ্টি হৈছিল, সেই মাধুৰ্য মই কীৰ্তনঘৰ ৰ'ড এৰালৈকে অন্তৰেৰে উপভোগ কৰিছিলো। সেই মাধুৰ্যৰ আভাস নোপোৱা, আজিৰ সংখ্যালঘুৰ ৰাজনীতি কৰা মানুহবোৰ বৰ দুৰ্ভগীয়া।

এই মানুহবোৰৰ কণ্ঠস্বৰ নাইকিয়া হোৱাৰ পাছত দূৰৰ পৰা যাৰ কণ্ঠস্বৰ ভাহি আহে, তেওঁৰ কথা ক'বলৈকে চুবুৰিটোৰ 'গধূলিৰ পাছৰ শব্দ'ৰ বৰ্ণনা দি লৈছোঁ। মানুহজনৰ নাম পাহিৰাম। এখন গামোচা পিন্ধে, এখন গামোচা গাত লয়;— গোটেই বছৰটো তেওঁৰ সেইটোৱেই সাজ। চুবুৰিটোত তেওঁৰ নিজৰ ঘৰ নাই; কিন্তু থাকিবলৈ ঠাইৰ অভাৱ নাই। দীন ককাইটি আৰু মতিৰাম দেদাই,— এওঁলোকৰ ঘৰৰ মাজতে থকা দুটামান ঘৰৰ চালিৰ তলত চৌকা এটাৰ ব্যৱস্থা হ'লেই তেওঁৰ থকাৰ ব্যৱস্থা হৈ গৈছিল। আগবেলা তেওঁ কুমলীয়া বাঁহৰ এপোলা তমাল তুলিছিল। আৰু পাছবেলা সেইখিনি লৈ বৰবজাৰৰ মাছ বজাৰলৈ গৈছিল। তেতিয়াৰ দিনত কাৱৈ-গৰৈ-সাচিম-ভাঙনৰ পৰা আৰম্ভ কৰি ডাঙৰ বৌ-বৰালিলৈকে, আনকি বজাৰতে কাটি বেচা ডাঙৰ মাছৰ খুতুৰাও বেপাৰীয়ে গ্ৰাহকক তমালত সী দিছিল। তমালত সী দিয়া একুৰি কাৱৈ মাছ বা দুকুৰিটা কুৰি মাছ গ্ৰাহকে হাতত ওলোমাই লৈ যোৱা দৃশ্যটোৰ এক সুকীয়া সৌন্দৰ্য আছিল। পাহিৰাম ককাইটিয়ে বেপাৰীবিলাকক তমাল দিছিল আৰু তাৰ সলনি বেপাৰীয়ে তেওঁক দুটামান মাছ দিছিল। এনেকৈ পোৱা মাছখিনি সমুখত লৈ তেওঁ বেপাৰীহঁতৰ মাজতে এঠাইত বহিছিল আৰু সেইখিনি বেচি যি পাইছিল তাৰে পেট পুহিছিল। গাত লোৱা গামোচাখনৰ মূৰত এটা টোপোলা আৰু হাতত প্ৰায়েই এপইচা দামৰ এচিটা ৰঙালাও লৈ তেওঁ ঘৰলৈ উভতিছিল। চুবুৰিটোত সোমোৱাৰ আগে-আগে তেওঁ মুক্ত

কণ্ঠেৰে গীত গাবলৈ আৰম্ভ কৰিছিল। তেওঁৰ ভঁৰালত গীত মাত্ৰ তিনিটা নে চাৰিটাহে আছিল। তাৰে এটাৰ প্ৰথম শাৰীটো আছিল,—"সপোনে সমাজিকে, কিনো মই দেখিলো, দেখিয়ে লাগিলে বহুতে ভয়ে।" — মোৰ বিশ্বাস, গীতকেইটা তেওঁ নিজে ৰচনা কৰিছিল আৰু সুৰো নিজেই দিছিল। মানুহটোৰ জীৱনৰ একমাত্ৰ চখ আছিল ভাওনা চোৱা। গতিকে তেওঁৰ গীতৰ ভাষাত এবিধ ভাওনা-ভাওনা ব্যাকৰণ আছিল। কিন্তু তেওঁৰ গীতৰ মূল্যবান সম্পদ আছিল সুৰটো। বিলাপৰ নিচিনা সুৰেৰে, মুক্ত কণ্ঠেৰে, অন্তৰৰ সমগ্ৰ অনুভূতি কামত লগাই গোৱা তেওঁৰ গীতে নিজান চুবুৰিটো জিনি পেলাইছিল। এটা ভৰি চুটি কাৰণে দুপিয়াই-দুপিয়াই খোজ কঢ়া, চুবুৰিৰ কোনো-কোনো লোকৰ মতে নপুংসক, এই ক'লা বৰণৰ মানুহটো কেতিয়া শেষবাৰৰ কাৰণে চুবুৰিটোৰ পৰা গুচি গ'ল গম নাপালো। এই মানুহটোক হিচাপত নধৰাকৈ মোৰ সৰুকালৰ চুবুৰিটোৰ ছবিখন সম্পূৰ্ণ কৰা সম্ভৱ নহয়। মানুহটোক লৈ আমি ৰচনা কৰা— "ভেঁপোঁপোঁ ভেঁপোঁপোঁ পাহিৰামৰ বেহেলা"— নামৰ গীতটো তেওঁৰ কথা মনত পৰিলেই মোৰ কাণ আৰু মনত বাজিবলৈ ধৰে।

মাছৰ ব্যৱসায়ী হিচাপে পাহিৰাম ককাইটি অতি দৰিদ্ৰ ব্যৱসায়ী আছিল। বাঁহৰ তমালখিনিৰ বাহিৰে তেওঁৰ মূলধন একো নাছিল। কিন্তু চুবুৰিটোৰ অসমীয়া মানুহকেইঘৰৰ মাজে-মাজে যশোহৰ জিলাৰ পৰা অহা অন্ন হালদাৰ, ভজহৰি, ক্ষেপা আদিয়ে ঘৰ সাজি থাকিবলৈ লৈছিল, আৰু ভাল আয়োজনেৰে ভালকৈ মাছৰ ব্যৱসায় কৰিছিল। তেওঁলোকৰ উপস্থিতিয়ে চুবুৰিটোৰ চৰিত্ৰক এটা বৈশিষ্ট্য প্ৰদান কৰিছিল। তেওঁলোকে ছাইকেল আৰু গৰুগাড়ীৰে ওচৰে-পাঁজৰে থকা বিলবোৰৰ পৰা মাছ আনি নগৰৰ বজাৰত পাইকাৰী হিচাপত বেচিছিলহি। ভজহৰিয়ে মাছ কঢ়িওৱা গৰুগাড়ী বিলৰ পৰা গোটেই ৰাতিটো আহি-আহি দোকমোকালিত ঘৰ পাইছিলহি। আমি পুৱা গাড়ীখনৰ মাছ চাবলৈ গৈছিলো। ছৈ দিয়া গৰুগাড়ীৰ ভিতৰত দুয়োকাষে দুডাল বাঁহৰ পৰা ওলমি থকা ডাঙৰ-ডাঙৰ চিতল, বৌ, ঢেকেৰা আদি, আৰু মাজত ধানখেৰৰ ওপৰত মজলীয়া মাছৰ দ'ম,— সেই দৃশ্য পাছৰ জীৱনত কেতিয়াও ক'তো দেখা নাছিলো। চুবুৰিৰ মানুহে ঘৰতে মাছ কিনিবলৈ গ'লে ভজহৰিয়ে কম দামতে দিছিল। এদিন আমাৰ পিতায়ে এক অনা দি এটা চিতল মাছ কিনি আনিছিল।

এই 'পিতায়ে' শব্দটো ওলাওঁতেই মনলৈ অহা কথা এটা কৈ থওঁ। আমি 'দেউতা'ক পিতাই আৰু 'মা'ক বৌ বুলি মাতিছিলো। স্কুললৈ যোৱাৰ পাছত যেতিয়া অইন ল'ৰাবোৰে মাক-বাপেকক মা আৰু দেউতা বুলি মাতে বুলি জানিছিলো, তেতিয়া মোৰ লাজ লাগিছিল। একাষৰীয়া আৰু দুখীয়া মানুহবোৰেহে মাক-বাপেকক বৌ-পিতাই বুলি মাতে নে কি? কিন্তু সেইবুলি আমি ভাই-ককাইকেইটাই কোনোদিনেই সম্বোধন দুটা

সলাবলৈ চেষ্টা কৰা নাছিলো। পাছলৈ এসময়ত প্ৰত্যয় জন্মিছিল,— কিহৰ লাজ? অভিধান মতে বৌ হ'ল পুত্ৰই মাকক কৰা সম্বোধন; পিতা হ'ল জন্ম দিওঁতা। অৱশ্যে পিতাৰ পিছত ই এটা লাগি পিতাই হৈ যোৱা প্ৰক্ৰিয়াটো, অকল আমাৰ ঘৰতে নহয়,— অসমৰ গাঁৱে-ভূঁয়ে দেদাই, জেঠাই, মোমাই আদিৰ শাৰীতে, বা আই, বোপাই, ভাই, ককাই, বাই, মাই আদিৰ বলতে সম্পন্ন হ'ল বুলি ধৰি ল'লো। আজিকালিও, যিসকলে মাকক মা বুলি মাতে, তেওঁলোকৰ বহুতে— 'মায়ে মোক ক'লে', 'মায়ে মোলৈ বহুদিন চিঠি দিয়া নাই'— ইত্যাদি বুলি কয় আৰু লিখে। মাকক 'মাই' বুলি মাতিলেহে ওপৰৰ বাক্য দুটাত মায়ে বুলি কোৱা আৰু লিখাটো শুদ্ধ। গতিকে দেখা যায়, সম্বোধনৰ ক্ষেত্ৰত অসমীয়া ভাষাত ই আখৰটোৰ এটা আমোদজনক ভূমিকা আছে।

আগৰ কথালৈ উভতি আহোঁ। এই অন্ন হালদাৰ, ক্ষেপাইত পাছলৈ চুবুৰিটোৰ স্থায়ী অংগ হৈ পৰিছিল। চুবুৰিটোৰ অসমীয়া মানুহকেইঘৰ কৈৱৰ্ত সম্প্ৰদায়ৰ আছিল যদিও পাহিৰাম ককাইটিৰ বাহিৰে তেওঁলোকৰ কোনেও মাছ নেবেচিছিল। নগৰখনৰ কৈৱৰ্ত মানুহখিনি 'মাছমৰীয়া' আৰু 'মাছ-নমৰীয়া' নামৰ দুটা খেলত বিভক্ত আছিল। আচলতে এই নাম দুটাই যথাক্ৰমে বজাৰত মাছ বেচা আৰু মাছ নেবেচা মানুহকহে সূচাইছিল। একোটা বৃত্তিক সমাজে সন্মান নকৰাৰ কাৰণেই হওক, বৃত্তিটোৰ সামাজিক দৃষ্টিভংগীৰ কাৰণেই হওক, বা মাছৰ ব্যৱসায়ৰ বৃত্তিটোৰ প্ৰতি বিৰূপ মনোভাব সৃষ্টি হোৱাৰ কাৰণেই হওক, কৈৱৰ্ত সম্প্ৰদায়ৰ এচাম লোকে বজাৰত মাছ বেচা লোকসকলক নিজৰ খেলত গ্ৰহণ নকৰিছিল। নিজে খাবলৈ মাছ মাৰি অনা বা বিল-ঘাট ডাকি লৈ মহাজন বা মহলদাৰ হিচাপে মাছৰ ব্যৱসায় কৰাটো মাছ-নমৰীয়াসকলৰ কাৰণে দায় ধৰিব পৰা কাম নাছিল, কিন্তু বজাৰত মাছ বেচা কামটো দায় লগোৱা কাম আছিল। নিজে খাবলৈ মাছ গোটোৱাৰ ক্ষেত্ৰতো মাছ-নমৰীয়াসকলে জাল পৰিহাৰ কৰিছিল। আনকি,— কোনোবাই কিজানি সম্প্ৰদায়টোৰ লগত জড়িত কৰি বেয়া চকুৰে চায়,— এই ভয়ত পাছলৈ এওঁলোকে বৰশী বাবলৈও সংকোচ কৰিছিল। এসময়ত মই নিজেই কোৱা মনত পৰে,— "ইস, তৰুণৰাম ফুকনেও দেখোন বৰশী বায়!" সেই সময়ত কাকত-আলোচনীত তৰুণৰাম ফুকনে বৰশী বোৱাৰ খবৰ আৰু ছবি ছপা হৈছিল।

কালক্ৰমত অন্ন হালদাৰ, ক্ষেপাইত যেতিয়া চুবুৰিটোৰ অংগ হৈ পৰিছিল, তেতিয়া মাছমৰীয়া খেল আৰু মাছ-নমৰীয়া খেল,— এই নাম দুটা চুবুৰিটোৰ ইতিহাসৰ উপাদানত পৰিণত হৈছিল। হয়তো অসমৰ বহু চুবুৰিৰ ইতিহাসৰ লগত এই ইতিহাসৰ মিল আছে।

বৰশীৰে ঘৰত খাবলৈ মাছ ধৰা কথাটোৰ প্ৰসংগত মোৰ স্মৃতিৰ লগত আমাৰ ঘৰৰ মুখে-মুখে থকা মহোধৰ জেঠোৰ ঘনিষ্ঠ সম্পৰ্ক আছে। পুতেকহঁতে ঘৰ চলোৱাৰ দায়িত্ব লোৱাৰ আগতে জেঠোৱে মলা-ধঁপাত বনাই গৰুগাড়ীৰে নি ৰূপহী হাটত

বেচিছিলগৈ। বৰশীৰে মাছ ধৰাটো তেখেতৰ চখ আছিল আৰু তেখেতৰ মাছ ধৰা প্ৰণালীটোৰ এটা বৈশিষ্ট্য আছিল। প্ৰয়োজনীয় বস্তু-বাহানি লৈ তেখেত এৰাতি বা দুৰাতিৰ কাৰণে কোনোবা এখন বিললৈ বুলি ওলাই যায়। বিলৰ পাৰত তেখেতে এডাল লিকলিকিয়া বাঁহৰ গুৰিটো জোঙা কৰি লয়। বিলৰ মাজৰ বোকাত গুৰিটো জোৰেৰে হেঁচি দিলে বাঁহডাল যিমানলৈকে পোত যায়, তাৰ কিছু ওপৰত তেখেতে খলিহৈ অলপমান ফটাকানিৰে (গছত কলম ধৰাৰ নিচিনাকৈ) বান্ধি দিয়ে, আৰু তাৰ পাছত বাঁহডাল পুতি দিয়ে। বাঁহডালৰ আগটো পানীৰ ওপৰত ওলাই থাকে। তাৰ কিছু দূৰতে কলগছৰ ভূৰ এখনৰ ওপৰত বৰ-বৰশী, টোপ, নিজৰ খোৱাবস্তু, ছাতি আদি লৈ জেঠো বহি থাকে। মাছৰ কাৰণে খলিহৈ আকৰ্ষণীয় বস্তু। সিহঁতে খলিহৈৰ টোপোলাটোত খুন্দিয়াবলৈ ধৰে। সৰু-সুৰা মাছে খুন্দিয়াই থাকিলে বিশেষ একো নঘটে; কিন্তু যেতিয়া ডাঙৰ মাছে টোপোলাটোত খুন্দা মাৰে, তেতিয়া বাঁহডালৰ আগটো লৰিবলৈ ধৰে। অভিজ্ঞতাৰ বলত জেঠোৱে অনুমান কৰে,— আগটো কেনেকৈ লৰিলে তলৰ মাছটো কেনেকুৱা হ'ব পাৰে। সেই মতে তেখেতে এসময়ত ভাল টোপ লগাই বৰ-বৰশী এটা বাঁহডালৰ ওচৰেদি খলিহৈৰ টোপোলাটোৰ ওচৰলৈকে নমাই দিয়ে। ইতিমধ্যে খলিহৈৰ গোন্ধত কি খাওঁ-কি খাওঁ কৰি থকা মাছে ওচৰতে টোপটো পালে সাউৎকৈ গিলি পেলায়। জেঠোৰ এই প্ৰণালীটোৰ নাম আছিল 'চাট দিয়া'। ডাঙৰ-ডাঙৰ বৌ-ঢেকেৰা ধৰাৰ প্ৰতি আগ্ৰহ আছিল কাৰণে জেঠোৱে কেৱল এই প্ৰণালীৰেহে মাছ ধৰিছিল।

মোৰ শৈশৱৰ চুবুৰিটোত মহোধৰ জেঠোৱেই আটাইতকৈ বয়সীয়া আৰু নিৰ্জু মানুহ আছিল। চুটি-চাপৰ, অল্পভাষী মানুহজনৰ পিঠিত এটা অৰ্ধগোলাকাৰ, নিমজ টেমুনা আছিল। সেইকাৰণে উতনুৱা ডেকাহঁতে তেখেতক ভেলেউগুটি নাম দিছিল। তেখেতৰ বিছনাখন বাটৰ ফালে থকা খিৰিকি এখনৰ কাষতে আছিল। জীৱনৰ শেষৰ দিনখিনি তেখেত প্ৰায়েই খিৰিকিখনৰ ওচৰত তিনিমূৰীয়া হৈ, চকু মুদি বহি থাকিছিল। এতিয়া ভাবিলে দৃশ্যটো এখন পুৰণি, মূল্যবান ছবি যেন লাগে।

চুবুৰিটোৰ সাধাৰণ, দৰিদ্ৰ অথচ বিচিত্ৰ ৰূপটোৰ লগতে যিটো বস্তুৱে মোৰ অনুভূতিক সমৃদ্ধ কৰিছিল, সেইটো আছিল সংগীত। বিশেষকৈ চুবুৰিটোৰ ৰাতিৰ সংগীত। ভাবিলে এনেকুৱা লাগে যেন সহজ-সৰল সংগীতে বনৰীয়া অথচ কেতিয়াও আঁতৰি নোযোৱা বহুৰঙী চৰাই এটাৰ নিচিনাকৈ চুবুৰিটোত উৰি ফুৰিছিল। পাহিৰাম ককাইটিৰ গীত সৰল, গ্ৰাম্য (rustic),আৰু মানুহটোৰ নিঠৰুৱা অৱস্থাৰ লগত মিলি যোৱা এক ধৰণৰ কৰুণতাৰে ভৰা আছিল; কিন্তু চুবুৰিটোৰ মানুহক মুগ্ধ কৰিব পৰা 'ৰাতিৰ গান' গাইছিল *ৰাধাশ্যাম নামৰ ল'ৰা এটাই। ৰাধাশ্যাম বাঙালী ল'ৰা আছিল; কিন্তু অসমীয়া ক'লে* তাক বাঙালী বুলি ধৰাৰ উপায় নাছিল। সি মতিৰাম দেদাইৰ পুতেক তেপু (তপেশ্বৰ

দাস) ককাইটিৰ চিলাইৰ দোকানত কাম কৰিছিল। তাৰ ঘৰ আছিল অইন এঠাইত; কিন্তু দোকান সামৰি সি প্ৰায় সদায় ৰাতি তেপু ককাইটিৰ ঘৰলৈ আহিছিল, আৰু চুবুৰিটোৰ মাজেৰে খোলা মাতেৰে আধুনিক আৰু লোকগীত গাই-গাই খোজ কাঢ়িছিল। তাৰ মাত বন্ধ বা নুশুনা নোহোৱালৈকে আমি আমাৰ কথা-বতৰা বন্ধ কৰিছিলো। হাটে-বজাৰে মনোমোহা গীত গাই ফুৰা কিছুমান মানুহ কেৱল পইচা খোজা মানুহ হিচাপেই হেৰাই যায়। ৰাধাশ্যাম তেনেকৈ হেৰাই যাবলগীয়া মানুহ নাছিল। তাৰ মাত আৰু সুৰৰ কথা মনত পৰিলে এতিয়াও ভাবোঁ,— সি গায়ক হ'ব লাগিছিল।

চক্ৰেশ্বৰ ভিনিহিৰ ঘৰৰ আগেদি গ'লে শুনো,— ভিনিহিৰ মাজু জীয়েক ভেদীয়ে কাম কৰোঁতে চিঞৰি-চিঞৰি গান গাই থাকে। এনে শুৱলা মাত! এনে মনোৰম সুৰ! সিহঁতৰ ঘৰৰ আগতে বৈ থাকিবলৈ মন যায়। অম্ল হালদাৰৰ কলগানৰ লগত পাছলৈ যোগ হৈছিল লিলু ককাইটিৰ কলগান।— "কাৰ অধৰৰ হেঙুলেৰে বোলালি ওঁঠ গাল ৰূপহী, সাঁজকুঁৱৰী তোৰ।" — এইটো আছিল লিলু ককাইটিৰ কলগানত শুনা, মোৰ মনত থাকি যোৱা গীত। গান শুনিবলৈ গৈ মই কলগান বজা কোঠালিটোৰ দুৱাৰমুখতে বহি থাকোঁ। এখন ৰেকৰ্ডৰ দুয়োপিঠি বজোৱাৰ পাছত ছাউণ্ডবক্সৰ পিনটো সলাব লাগে। গান শুনাৰ লগতে সেই সলাই পেলাই দিয়া পিনবোৰ গোটোৱাটোও মোৰ বৰ চখৰ কাম আছিল।

গধূলিৰ পাছত নামঘৰটোৰ পৰা ভাহি আহিছিল কীৰ্তন-ঘোষাৰ সুৰ; নাম-প্ৰসংগৰ ধ্বনি। কেতিয়াবা কেইবাখনো গাঁৱৰ ভকতে আহি ওৰে নিশা পালনাম গায়। কেতিয়াবা কোনোবা এখন গাঁৱৰ ৰাইজে নামঘৰটোত ভাওনা এখন কৰি যায়। এই সকলোবোৰে চুবুৰিটোৰ নাৰী-পুৰুষ প্ৰায় সকলোৰে মন আৰু কণ্ঠত এৰি থৈ যায় সংগীত। দৰিদ্ৰ চুবুৰিটোক ধনী কৰি তোলে এক সাংগীতিক সংস্কৃতিৰে। ৰাতি লেপ-কেঁথাৰ তলত সোমাই ময়ো কেইবাঘৰেও শুনাকৈ চিঞৰোঁ,—"আজি বনমালী ধেনু লৈ ওলালি, বালিতে খপিলি ৰাতি হৰি হে'।"—

এই যে তেপু ককাইটিৰ কথা কৈছিলো, তেওঁৰ সাংগীতিক দিশটো মোৰ কাৰণে বৰ আমোদজনক আছিল। মনত পৰাৰে পৰা তেওঁক মই *দৰ্জি* হিচাপেই পাইছিলো। তেওঁলোকৰ ঘৰৰ আগফালৰ মুকলি ঠাইডোখৰত পোতা আছিল এযোৰ পেৰেলেল বাৰ, আৰু দুটা ওখ খুঁটাৰ মূৰৰ চ'তিৰ পৰা ওলমি আছিল এযোৰ ৰিং। তেপু ককাইটিয়ে সন্ধিয়া দোকানৰ পৰা আহি বগা লংপেন্ট বগা গেঞ্জি পিন্ধি, মণিবন্ধত ৰুমাল মেৰিয়াই লয়, আৰু পেৰেলেল বাৰ আৰু ৰিঙত জিমনাষ্টিক খেলৰ অনুশীলন কৰে। মই তেওঁলোকৰ পদুলিত বহি চাই থাকোঁ। সেই কালতে এই খেল খেলিবলৈ তেপু ককাইটিয়ে ক'ৰ পৰা, কাৰ পৰা দিহা-পৰামৰ্শ-প্ৰেৰণা পাই হ'ল,— সেই কথা ভাবি মই

আজিও অবাক হওঁ। গোটেই বছৰটো নিয়মীয়াকৈ অনুশীলন কৰাৰ পাছত ককাইটিয়ে সা-সৰঞ্জাম, সাজ-পাৰ, সহকাৰী আদি লৈ শিলঘাটৰ অশোকাষ্টমী মেলাত পেৰেলেল বাৰ আৰু ৰিঙৰ খেল দেখুৱাবলৈ যায়। সেই কামটো তেওঁ ব্যৱসায়িক ভিত্তিত কৰে। সেইখন মেলাৰ বাহিৰে বছৰটোৰ অইন কোনো দিনত, ক'তো তেওঁ কিয় ব্যৱসায়িক ভিত্তিত খেল প্ৰদৰ্শন নকৰিছিল— মই নাজানো। কেতিয়াবা ককাইটিয়ে খালী গাৰেও অনুশীলন কৰিছিল। তেওঁৰ ক'লা শৰীৰটোৰ বুকু, বাহু আদিৰ ফিন্দ খাই থকা মাংসপেশীবোৰ অ'ৰ-ত'ৰ পৰা অহা পোহৰত চিকচিকাই থাকিছিল।

লাহে-লাহে তেপু ককাইটিৰ শৰীৰ চৰ্চাৰ পৰিমাণ কমি আহিল। কাৰণ তেওঁ দোকানৰ পৰা আহিয়েই সংগীত চৰ্চা কৰিবলৈ ল'লে। শাস্ত্ৰীয় সংগীতৰ চৰ্চা। হাৰমনিয়াম এটা লৈ তেওঁ ঘৰতে অভ্যাস কৰে। ওচৰত বহেহি শিয়ালমাৰীৰ আলি উপাধিৰ ডেকা এজন। আলিয়ে আগতে গাখীৰৰ ব্যৱসায় কৰিছিল। বৰ চাফ-চিকুণ চুৰিয়া-পাঞ্জাবী পিন্ধাটো তেওঁৰ এটা বৈশিষ্ট্য আছিল। সেই কালত নগাঁও নগৰৰ ডেকাহঁতে 'গোৱোৱা লেটাই' চুৰিয়া পিন্ধাৰ এটা 'সদনাম' আছিল । আলিয়ে সেই সদনাম বজাই ৰাখিছিল।

লাহে-লাহে তেপু ককাইটি আৰু আলি কেপ্টেইন (ইক্ৰামুল মজিদ), দুৰ্গা ভূঞা আৰু তাৰিকুদ্দিন আহমদৰ কাষ চাপিছিল। এই যশস্বী গায়ককেইজনৰ গানৰ মজলিছত দুয়ো নিয়মীয়াকৈ যোগ দিবলৈ ধৰিছিল। এওঁলোক দুজনৰ কণ্ঠৰ গুণ বৰ ওপৰ খাপৰ নাছিল; কিন্তু তেওঁলোকৰ শাস্ত্ৰীয় সংগীত শিকাৰ আগ্ৰহৰ কথা মনত পৰিলে মোৰ তেওঁলোকলৈ শ্ৰদ্ধা ওপজে। কেতিয়াবা তেপু ককাইটিয়ে তেওঁলোকৰ ঘৰতো বৰ উলহ-মালহেৰে মজলিছৰ আয়োজন কৰিছিল আৰু তালৈ নগৰখনৰ গায়ক-বাদক হিচাপে স্বীকৃতি পোৱা ভালেমান লোক আহিছিল। ক'তো মজলিছ নবহা দিনত ককাইটিয়ে ঘৰতে, একান্তমনে, বৰ পৰিশ্ৰম কৰি ৰেৱাজ কৰিছিল। কণ্ঠৰ প্ৰয়োজনীয় গুণৰ অভাৱতেই হওক, চিলাই মেছিন-কেঁচী-বেজি-সূতাৰ মাজত সোমাই থকাৰ কাৰণেই হওক,— তেপু ককাইটিয়ে স্বীকৃত গায়কৰ ঠাই নাপালে; কিন্তু আমাৰ চুবুৰিটোলৈ ইক্ৰামুল মজিদৰ খেয়াল, দুৰ্গা ভূঞা-তাৰিকুদ্দিনৰ ৰাগপ্ৰধানৰ ধ্বনি তেপু ককাইটিয়েই আনিছিল আৰু তেওঁ নিজেও শাস্ত্ৰীয় সংগীতৰ সংস্পৰ্শত এজন সংস্কৃত মানুহ হৈ উঠিছিল। তেওঁ মাজে-মাজে আমাৰ ঘৰতো বহিছিলহি।

আমাৰ ঘৰখনত গীত-মাত-নাটকৰ এবিধ গুটি সিঁচিছিল পিতায়ে। সেই গুটিবোৰ হয়তো সাধাৰণ আছিল; কিন্তু আমাৰ কাৰণে উপকাৰী আছিল। তেখেতে বৰগীত গাব পাৰিছিল; কীৰ্তন আৰু নামঘোষা সুৰ লগাই পাঠ কৰিব পাৰিছিল। তেখেতে কেইটামান বৰগীতহে গাইছিল। সেইকেইটা তেখেতৰ মুখস্থ আছিল। তেখেতে যি সুৰত বৰগীতকেইটা গাইছিল, যি সুৰত পুথি পঢ়িছিল, সেই সুৰবোৰ মোৰ মনত আৰু কাণত বহি গৈছিল। পাছৰ জীৱনত, আজিও,— কোনোবাই সেংহ বৰগীতকেইটা গোৱা শুনিলে যদি সুৰৰ

তাৰতম্য কাণত পৰে, তেনেহ'লে এওঁলোকে ভুলকৈ গাইছে বুলি ধৰি লওঁ। কেইবাটাও কাৰণত মোৰ ধাৰণা হৈছিল,— পিতাইৰ সুৰ নিৰ্ভুল আছিল। তেখেতৰ সুৰৰ তুলনাত আজি কোনোবাই কণ্ঠৰ সামান্য আধুনিক লহৰ প্ৰয়োগ কৰিলেও সি মোৰ কাণত ধৰা পৰে। কীৰ্তন-নামঘোষাৰ ক্ষেত্ৰতো তেখেতৰ সুৰ নিভাঁজ, শুদ্ধ আছিল বুলি মই বিশ্বাস কৰোঁ।

তেখেতে মাজে-মাজে বাংলা গীতো গাইছিল। আমাৰ ঘৰত 'বাঙালীৰ গান'ৰ প্ৰায় পাঁচশ পৃষ্ঠাৰ কিতাপ এখন আছিল। কিতাপখনৰ আৰম্ভণি আৰু শেষৰ পাতবোৰ নাছিল। বাকীবোৰ পাতো উৰলি যাওঁ-যাওঁ হৈছিল। পিতায়ে সেইখন কিতাপৰ ভালেমান গীত গাইছিল। প্ৰায়বোৰ গীতেই আছিল ভক্তিমূলক, আধ্যাত্মিক। গধূলিৰ পাছত, কাপোৰ লগোৱা আৰামী-চকীখনত বহি তেখেতে মাজে-মাজে গাইছিল,—"হৰি দিনতো গেলো সন্ধ্যা হলো, পাৰ কৰো আমাৰে।" এই গীতবোৰ মই আন কাৰো মুখত কেতিয়াও শুনা নাছিলো। কলিকতাত এম্. এছ্. ছি. পঢ়ি থাকোঁতে এদিন প্ৰাচী ছিনেমা হলত পথেৰ পাঁচালী চাবলৈ গৈছিলো। দৰ্শক তেনেই কম। ওপৰত মোকে ধৰি মাত্ৰ দহজন। মই সমুখৰ চকীখনত ভৰি মেলি দি আধাশোৱাৰ নিচিনাকৈ বহি লৈছিলো। এসময়ত শুনিলো,— বাৰাণ্ডা এখনৰ মাটিত ভৰি মেলি বহি থকা দুৰ্গাৰ বুঢ়ীমাকে ভগা-ভগা মাতেৰে গাইছে, "হৰি দিনতো গেলো সন্ধ্যা হলো—।"

মই জিকাৰ খাই উঠিলো। পোন হৈ বহিলো। সেই একে সুৰ। গোৱাৰ ধৰণো একে।

পথেৰ পাঁচালীৰ সেই দৃশ্যটোৰ লগত মই আটাইতকৈ বেছি আত্মীয়তা অনুভৱ কৰোঁ। সেই এটা শাৰীৰ সুৰেই পিতাইৰ কণ্ঠৰ সুৰৰ শুদ্ধতাৰ প্ৰতি মোৰ বিশ্বাস বঢ়াই দিছিল।

পিতাইৰ নিজৰ মুখে আৰু অইন লোকৰ মুখে শুনা মতে, তেখেতে ভাওনাৰ দুটা অংক বা দৃশ্যৰ মাজত খুহুটীয়া অভিনয় কৰিছিল। সেই অভিনয় কি পৰ্যায়ৰ আছিল জনাৰ উপায় নাই; কিন্তু ওচৰ-চুবুৰীয়া বুঢ়া-মেথা, বা গাঁৱৰ পৰা অহা বয়সীয়া অতিথি-ভকতক সমুখত বহুৱাই লৈ তেখেতে যিধৰণে, যিবোৰ কথা কৈছিল, তাৰ পৰা আমি কিছু কথা অনুমান কৰিব পাৰিছিলো। ধৰ্ম সম্পৰ্কীয় বিষয়ত তেখেতে উদাত্তকণ্ঠে নিজৰ মত প্ৰতিপন্ন কৰি সমুখত বহি থকা শ্ৰোতাকেইজনৰ— "হয় হয়, পণ্ডিতে ঠিকেই কৈছে"— আদায় কৰিছিল। (নগাঁৱৰ মোক্তাৰ প্ৰাইমেৰি স্কুলত শিক্ষকৰ কাম কৰিছিল কাৰণে পিতাইক বয়সীয়াসকলে পণ্ডিত বুলি মাতিছিল।) কিন্তু তেখেতৰ 'অভিনয় প্ৰতিভা'ৰ পৰিচয় পোৱা গৈছিল— যেতিয়া তেখেঁতে তেখেতৰ গুণমুগ্ধ, লিখা-পঢ়া নজনা, প্ৰায় সমবয়সীয়া কেইজনমানক বহুৱাই লৈ গল্প কৈছিল। সেই গল্পবোৰক আজিকালিৰ ভাষাত 'গুল' বুলিব পাৰি; কিন্তু তেখেতে কৈ যাওঁতে সেইবোৰৰ সত্যতা

সম্পৰ্কে সন্দেহ কৰিবলৈ শ্ৰোতাসকলৰ উপায়ো নাছিল, সাধ্যও নাছিল। ক'ৰ পৰা তেখেতে সেই উদ্ভট গল্পবোৰ যোগাৰ কৰিছিল, তেখেতেহে জানিছিল। এজন সদাগৰে এদিন মাটিত লাগোঁ-লাগোঁ হৈ থকা ফুল এপাহ শুঙিলে। ফুলপাহৰ মাজত তেনেই সৰু ভেকুলী-পোৱালি এটা সোমাই আছিল। সদাগৰৰ নিশাহৰ লগত ভেকুলী গৈ তেওঁৰ মগজ পালেগৈ। তাৰ পাছৰ পৰা সদাগৰৰ মূৰৰ বিষ। দিনে-দিনে বিষৰ প্ৰকোপ বাঢ়ি গ'ল। পাছলৈ তেওঁ দিনে-নিশাই চিঞৰি গগন ফালিবলৈ ধৰিলে। বহুত বেজ-কবিৰাজে তেওঁৰ মূৰৰ বিষ ভাল কৰিবলৈ আহি ফেইল মাৰিলে। শেষত আহিল ভাটীৰ ফালৰ এক বৰ ডাঙৰ বেজ। বেজে সদাগৰৰ মূৰত নিজৰ কাণখন লগাই বহু সময় ধৰি কিবা শুনিলে। এসময়ত তেওঁৰ চকু-মুখ দেখিয়েই বুজা গ'ল,—ধৰিলে, তেওঁৰ বেমাৰ ধৰি পেলালে। লগে-লগে চিকিৎসা আৰম্ভ। জোলোঙাৰ পৰা ছুৰী এখন উলিয়াই বেজে সদাগৰৰ লাওখোলাটোৰ চাৰিওকাষ কাটি-কাটি সেইটো মূৰৰ পৰা খুলি আনিলে। দেখা গ'ল,— ভেকুলী-পোৱালিটোৱে মগজৰ ঘিউখিনিৰ একেবাৰে মাজত কামোৰ মাৰি ধৰি আছে। মগজৰ তেল খাই-খাই ইতিমধ্যে সি ডাঙৰ হৈছে। বেজে দেখিলে,— সি মগজৰ ঘিউত ইমান জোৰে কামোৰ মাৰি ধৰি আছে যে তাক টানি এৰুৱাই আনিলে ঘিউ ফুটি যাব আৰু সদাগৰ মৰি যাব। কি কৰা যায়? অলপ সময় চিন্তা কৰি বেজে সদাগৰৰ ঘৈণীয়েকক ক'লে,—এবাটি পানী আনক। ঘৈণীয়েকে আনিলে পানী। সদাগৰৰ মগজটোৰ ওচৰলৈ পানীবাটি নি বেজে পানীত আঙুলিৰে কুলুক-কুলুককৈ শব্দ কৰিবলৈ ধৰিলে। যেই পানীৰ মাত শুনিলে, সেই মগজৰ ঘিউ এৰি ভেকুলীটো একে জাঁপে বাটিৰ পানীত পৰিলহি। তাৰ পাছত বেজে লাওখোলাটো আকৌ সদাগৰৰ মূৰত ফিট কৰি দিলে।

মচুৰ দাইল চকুৰ কাৰণে অপকাৰী; আনহাতে শুদা ভৰিৰে দুবৰিবনৰ ওপৰত খোজ কঢ়াটো চকুৰ কাৰণে ভাল বুলি পিতায়ে ক'ৰবাত শুনিছিল। ভাল কথা। যি ধৰণে শুনিছিল সেই ধৰণেই অইনক ক'ব লাগে (যদি অগত্যা ক'ব লাগেই)। কিন্তু নহয়; এই কথাখিনিৰে এটা গল্প তৈয়াৰ কৰিব লাগিব। এজন মানুহে সদায় শুদা ভৰিৰে নৈৰ পাৰৰ দুবৰিডৰাৰ ওপৰেদি খোজ কাঢ়ি কামলৈ অহা-যোৱা কৰে। কিছুদিনৰ পাছত তেওঁৰ চকু ইমান ভাল হ'ল যে তেওঁ দিনতে আকাশত তৰা দেখিবলৈ ধৰিলে। কি হ'ব এতিয়া? গ'ল তেওঁ ডাক্তৰৰ ওচৰলৈ। ডাক্তৰে সকলো কথাৰ বুজ লৈ পৰামৰ্শ দিলে,—"এমাহলৈ দুয়ো সাঁজতে মচুৰ দাইল খোৱা।" যি পৰামৰ্শ, সেই মতে কাম। দিনে-দিনে আকাশত দিনৰ তৰা কমি আহিল। এমাহৰ পাছত কেৱল ৰাতিৰ তৰাহে থাকিলগৈ।

এইবোৰ গল্প যিসকলে সঁচা কথা বুলি বিশ্বাস কৰি হাঁ-কৈ মুখ মেলি নেপেলাইছিল, সেইসকলৰ পিতাইৰ শ্ৰোতা হোৱাৰ যোগ্যতাই নাছিল। এনেকুৱা শ্ৰোতা সমুখত লৈ

তেখেতে এনে কিছুমান পদ্য, সাঁথৰ আদি 'পৰিবেশন' কৰিছিল— যিবোৰৰ ভাষা, শব্দ আৰু চৰিত্ৰ মোৰ কাৰণে আজিও বৰ আমোদজনক।

অংখিৰ মধ্যে পংখীৰ বাসা
জলকে দিল শূলে
চাৰ পায়েৰ উপৰ নিপায় পড়ল
দুই পায়ে নিল ডালে।

এইটো এটা সাঁথৰ। ইয়াৰ উত্তৰ? ইয়াৰ উত্তৰ দিয়াৰ সাধ্য শ্ৰোতাসকলৰ কাৰো নাই বুলি পিতায়ে নিজেই জানে। গতিকে অলপ সময় তেওঁলোকৰ মুখলৈ "ক'ত পাৰিবা তোমালোকে!"— ধৰণৰ দৃষ্টিৰে চাই থাকি নিজেই বীৰদৰ্পে উত্তৰ দিবলৈ আৰম্ভ কৰে। সাধাৰণতে সাঁথৰৰ উত্তৰ এটা শব্দ,— বৰ বেছি এটা বাক্য হ'ব পাৰে। কিন্তু তেখেতৰ উক্ত সাঁথৰৰ উত্তৰ সাঁথৰটোতকৈও বহু বেছি দীঘল ঃ

শ্মশানত এটা মানুহৰ লাওখোলা পৰি আছে। লাওখোলাটোৰ চকুৰ কোটৰত (অংখিৰ মধ্যে) এটা চৰায়ে বাহ সাজিছে। ওচৰৰ দুবৰিবনৰ মূৰত নিয়ৰৰ টোপাল জিলিকিছে। সেয়া পানীক শূলত দিয়া হৈছে। অলপ দূৰত থকা নৈখনত এটা মৰা গৰু (চাৰিঠেঙীয়া) ওপঙি আছে। গৰুটোৰ গাৰ ওপৰত এটা অকণমানি মাছে (ঠেং নথকা ঃ নিপায়) ছটফটাই আছে। অলপ পাছতে চৰাই এটাই (দুঠেঙীয়া) ছোঁ মাৰি আহি মাছটো লৈ গছৰ ডালত পৰিলগৈ।

এয়া হ'ল সাঁথৰৰ উত্তৰ!

শ্ৰোতাসকল যেতিয়া সজ-কথা, ধৰ্ম-কথা শুনাৰ প্ৰতি আগ্ৰহী ধৰণৰ হয়, বা আলোচনাই যেতিয়া সেই ধৰণৰ কথাৰ ফালে বাট লয়, তেতিয়া পিতায়ো কীৰ্তন-নামঘোষা আদি কিতাপৰ কথাৰ মাজলৈ সোমাই যায়। সেইটো স্বাভাৱিক কথা। কিন্তু তাৰ মাজতে তেখেতে নিজৰ ভাণ্ডাৰৰ পৰা এনেকুৱা একোটা কথা উলিয়াই দিছিল,— যাৰ উৎসৰ কথা ভাবি আজিও মই বিস্ময় অনুভৱ কৰোঁ। উদাহৰণ ঃ আকৌ সেই ফুলৰে কথা। এপাহ ফুলৰ বুকুত পৰি এটা পোকে মৌ খাই আছিল। পূজাৰীয়ে ফুলপাহ নি ভক্তক দিলেগৈ। ভক্তই সেইপাহ শিৰত লৈ গংগাত গা ধুলেগৈ। ফুলপাহৰ লগতে সামান্য পোকটোৱো গংগাস্নান হ'ল। এই কথাখিনি প্ৰকাশ কৰিবলৈ পিতায়ে ব্যৱহাৰ কৰা পদফাকি আছিল ঃ

সজৰ লগত সজ সংগতি, মধুক কৰিলো পান; বিক্ৰমাদিত্য ৰজাৰ শিৰত উঠি গংগাত কৰিলো স্নান।

বৰ সুন্দৰ পদ। কিন্তু ইয়ালৈ বিক্ৰমাদিত্য ৰজা কেনেকৈ আহিল, সেই কথা মই আজিলৈকে নাজানিলো।

তেখেতৰ কথাৰ এই 'অভিনৱ' ভাণ্ডাৰৰ সৃষ্টি তেখেতৰ পাণ্ডিত্যৰ কাৰণেই (অৰ্থাৎ তেখেত পাঠশালাৰ পণ্ডিত আছিল কাৰণেই) হৈছিল বুলি শ্ৰোতাসকলে ধৰি লৈছিল। কথাবোৰ মনত পেলালে মই কিন্তু এতিয়া বিশ্বাস কৰোঁ,— ভাণ্ডাৰৰ অভিনৱত্বৰ উপৰি তেখেতৰ কণ্ঠস্বৰ, কোৱাৰ ধৰণ আৰু অংগী-ভংগীত এক ধৰণৰ অভিনয়-সৌন্দৰ্য আছিল।

এদিন তেখেতে দিন দুপৰতে ভিখাৰীৰ ছদ্মবেশ ধৰি গুণাভিৰাম বৰুৱাৰ চকুক প্ৰতাৰণা কৰিছিল। বৰুৱাদেৱে তেখেতৰ অভিয়নত দুগ্ধ হৈ তেখেতক এটা মেজিক লেণ্টাৰ্ন আৰু পাঁচ বাকচ্‌ ৰঙীন শ্লাইড উপহাৰ দিছিল। সেইখিনি বিদেশত নিৰ্মিত উচ্চমানৰ বস্তু আছিল। লেণ্টাৰ্নটোত দুখন শক্তিশালী লেনছ আছিল। পোহৰৰ উৎস আছিল চাফা কেৰাছিন তেলেৰে জ্বলোৱা এটা নিৰ্দিষ্ট আকাৰৰ লেম। (তেতিয়াৰ দিনত চাফা কেৰাছিন আৰু ৰঙা কেৰাছিন নামৰ দুবিধ কেৰাছিন তেল আছিল। সাধাৰণতে কম দামী ৰঙা তেল চাকিত, আৰু বেছি দামী চাফা তেল লেমত ব্যৱহাৰ কৰা হৈছিল।) লেমটোৰ কাৰণে লেণ্টাৰ্নটোৰ ভিতৰত নিৰ্দিষ্ট ঠাই আছিল,— যাতে লেমৰ শিখাটোৰ পৰা প্ৰথমখন লেনছৰ দূৰত্বৰ সাল-সলনি ঘটিব নোৱাৰে। দ্বিতীয়খন লেনছ অগা-পিছা কৰি পৰ্দাত ছবি 'ফ'কাছ' কৰিব পৰা গৈছিল। ছবিবোৰ আছিল ডাঙৰ-ডাঙৰ শ্লাইডৰ ৰূপত। প্ৰায় চৈধ্য ইঞ্চি দীঘল, চাৰি ইঞ্চি বহল একোখন কাচৰ ওপৰত পোহৰ সৰকিব পৰা ৰঙেৰে চাৰিখনকৈ ছবি অঁকা আছিল। কাচখন কাঠৰ ফ্ৰে'মেৰে বন্ধোৱা আছিল। সেইখন লেণ্টাৰ্নটোত থকা এটা ফাঁকেদি পাৰ কৰি দিলে পৰ্দাত এখন-এখনকৈ চাৰিখন ছবি ওলাই গৈছিল। গুণাভিৰাম বৰুৱাই দিয়া বস্তুখিনিৰ লগত এখন বগা পৰ্দাও আছিল।

সেই লেণ্টাৰ্নটোক আমি ছায়াবাজীৰ বাকচ্‌ বুলিছিলো, আৰু দৰ্শকক ছবি দেখুউৱা কামটোক ছায়াবাজী বুলিছিলো। নগৰখনত এনেকুৱা বস্তু কাৰো হাতত নাছিল। বিয়া-সবাহ, উছৱ আদিত কোনো-কোনো লোকে পিতাইক ছায়াবাজী দেখুৱাবলৈ মাতিছিল। সময়-সুবিধা-মন-মেজাজ মিলিলে পিতায়ে কিছুমান নিমন্ত্ৰণ গ্ৰহণ কৰিছিল। আমি ভাই-ককাইকেইটাই আগে-ভাগে গৈ উপযুক্ত ঠাইত পৰ্দাখন তৰি, বাকছটো বহুৱাই, লেমটো জ্বলাই সকলো সাজু কৰি থৈছিলো। পৰ্দাৰ এইফালে আমি, সিফালে দৰ্শক। আমি এখন-এখনকৈ শ্লাইড পিতাইৰ হাতত দি যাওঁ, পিতায়ে ছবি দেখুৱাই যায় আৰু মুখেৰে বৰ্ণনা দি যায়। যেনে,— এটা বাকছৰ বাৰখন শ্লাইডত যিছুখৃষ্টৰ জীৱনকাহিনী অঁকা আছিল;— পিতায়ে এফালৰ পৰা ছবিবোৰ দেখুৱাই কাহিনীটো সাধু কোৱাৰ সুৰেৰে কৈ গৈছিল। কেইখনমান শ্লাইড 'ডবল গ্লাছ'ৰ আছিল। সেইকেইখনৰ এখন কাচ ইফাল-সিফাল কৰি

পৰ্দাৰ ছবিক লৰচৰ কৰাব পৰা গৈছিল। যেনে,— এটা কুকুৰাই তলমূৰ কৰি আছে; দুই নম্বৰ কাচখন টানি দিলেই কুকুৰাটো আকাশৰ ফালে চাই থকা হৈ যায়। লগে-লগে পিতায়ে কুকুৰাৰ ডাক দিয়ে,— কুকুকুউ-কু-উ-উ! প্ৰদৰ্শনী শেষ কৰিবলৈ সদায় এখন বিশেষ শ্লাইড দেখুউৱা হৈছিল। সেইখনত এডাল হেণ্ডেল আছিল। হেণ্ডেলডাল ঘূৰালে ফ্ৰে'মটোৰ ভিতৰৰ দুখন কাচ বিপৰীত দিশত ঘূৰিবলৈ ধৰে; আৰু পৰ্দাত ওলায় কেন্দ্ৰৰ পৰা ৰশ্মি বিকিৰণ কৰি থকা এটা ৰঙীন সূৰ্য। তাৰ লগত তুলনীয় দৃশ্য মই বহু বছৰৰ পাছত অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ পৰ্দাতহে দেখিবলৈ পাইছিলো।

এই ছায়াবাজীৰ বাকছটো মোৰ জীৱনৰ কাৰণে এটা হিচাপত ধৰিবলগীয়া বস্তু আছিল। এসময়ত বিয়াই-সবাহে ছায়াবাজী দেখুউৱা ঘটনা শেষ হৈছিল; ছায়াবাজীৰ লেমটো আমি পঢ়ামেজত ব্যৱহাৰ কৰিবলৈ লৈছিলো; কিন্তু বাকছটো আমি ভাই-ককাইকেইটাই, বিশেষকৈ নৃপেন ককাইদেউ আৰু মই, অন্য কামত ব্যৱহাৰ কৰিবলৈ লৈছিলো। ছায়াবাজীয়ে আমাক ছায়া নাটৰ (shadow play) ধাৰণা দিছিল। মোৰ স্কুলীয়া জীৱনৰ শেষৰ ফালে, বাহিৰৰ পৰা অহা ইণ্ডিয়ান পিপলছ থিয়েটাৰ এছ'ছিয়েশ্যনৰ (IPTA) এটা দলে নগাঁৱত ছায়ানাট প্ৰদৰ্শন কৰিছিল। সেই ছায়ানাট দেখি আমি উদ্বুদ্ধ হৈছিলো, আৰু নিজে নগাঁৱত প্ৰথমতে ছায়ানাট উপস্থাপন কৰিবলৈ লৈছিলো। সেই সময়ত মহীচন্দ্ৰ বৰাৰ জ্যেষ্ঠপুত্ৰ মণি বৰাই কিছুমান সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰাৰ নেতৃত্ব বহন কৰিছিল। সেই অনুষ্ঠানবোৰৰ লগত আমি ঘনিষ্ঠভাৱে জড়িত হৈছিলো। বিশেষকৈ ছায়ানাটৰ কাৰিকৰী দিশটো নৃপেন ককাইদেউ আৰু মই চম্ভালিছিলো। ছায়ানাট উপস্থাপনত আমি বাহিৰৰ পৰা অহা দলতকৈ এটা দিশত আগবাঢ়িব পাৰিছিলো;— কাৰণ আমাৰ হাতত ছায়াবাজীৰ সৰঞ্জামখিনি আছিল। কাচত হাতেৰে আখৰ লিখি শ্লাইড তৈয়াৰ কৰি আমি পৰ্দাত পৰিচয়লিপি প্ৰদৰ্শন কৰিব পাৰিছিলো। ছায়াবাজী বাকছৰ লেমটোৰ ঠাইত ইতিমধ্যে ইলেকট্ৰিক বাল্ব বহিছিল। ছায়ানাটৰ কাহিনী, কমেণ্টেৰি আদি ৰচনা কৰিছিল মণি বৰাই। সেইবোৰত প্ৰতিফলিত হৈছিল দ্বিতীয় মহাযুদ্ধ, স্বাধীনতা সংগ্ৰাম, পুঁজিপতি-সাম্ৰাজ্যবাদীৰ শোষণ ইত্যাদিৰ দৃশ্য। কংকালসাৰ মানুহে অন্ন-বস্ত্ৰৰ বাবে হাহাকাৰ কৰে; শোষণকাৰীৰ প্ৰকাণ্ড হাত দুখনে সিহঁতক খেদি ফুৰে; সমদলে অহা মানুহৰ সমুখত থিয় হয় বেয়'নেটধাৰী দৈত্যকায় চিপাহী; আকাশত গৰ্জন কৰে শত্ৰুৰ উৰাজাহাজে, ফাঁচিকাঠত ওলমে কুশল কোঁৱৰ; স্তব্ধ হয় জয়দ'ল—! অভিনেতা-অভিনেত্ৰীয়ে বগা পৰ্দাৰ ওচৰত অংগী-ভংগীৰে অভিনয় কৰে; হাৰমনিয়ামত মণি বৰাৰ আঙুলি চলে; তেওঁৰ গম্ভীৰ কণ্ঠই অবিৰতভাৱে পৰিবেশন কৰে গীত আৰু কমেণ্টেৰি, আৰু নৃপেন ককাইদেউ আৰু মই ডাঠ কাগজত কটা মডেল, গছৰ ঠাল-ঠেঙুলি আদিৰ মাজত হাতত ছায়াবাজীৰ বাকছ বা অন্য লাইট লৈ দৌৰাদৌৰি কৰোঁ।

আমাৰ ছায়ানাট অনুষ্ঠানৰ গুণৰ স্বীকৃতিৰ নমুনা আছিল গুৱাহাটীত বহা ষ্টুডেণ্টছ ফেডাৰেশ্যনৰ বছৰেকীয়া অধিবেশনৰ সাংস্কৃতিক কাৰ্যসূচীত ছায়ানাট প্ৰদৰ্শন কৰিবলৈ পোৱা নিমন্ত্ৰণ। মণি বৰাৰ নেতৃত্বত আমি সেই নিমন্ত্ৰণ ৰক্ষা কৰিছিলো। নগাঁৱৰ পৰা গৈ আমি সন্ধিয়াৰ অনুষ্ঠানৰ কামত ব্যস্ত হৈ থকা কাৰণে মূল অধিবেশনৰ বিশেষ খা-খবৰ ৰাখিব পৰা নাছিলো; কিন্তু শুনিছিলো— সেইখন অধিবেশনতে জ্যোতিপ্ৰসাদ আগৰৱালাই 'পোহৰলৈ' নামৰ ভাষণ আগবঢ়াইছিল। তেতিয়াৰ দিনত একোটা ছায়ানাট অনুষ্ঠান পৰিবেশন কৰাটো ককাইদেউ আৰু মোৰ কাৰণে বৰ কষ্টকৰ কাম আছিল। সেই ৰাতিৰ কেৱল তিনিটা কথা মোৰ মনত পৰে ঃ পৰ্দাত উৰাজাহাজ এখন উৰোঁতে দৰ্শকৰ হাত-চাপৰিৰ প্ৰচণ্ড শব্দ হৈছিল; আমাৰ দলৰ লগত নগাঁৱৰ পৰা যোৱা, বয়সত মোতকৈ ডাঙৰ ছোৱালী এজনীয়ে মোৰ পিঠিত চপৰিয়াই 'চাব্বাচ বাপকা বেটা' বুলি কৈছিল, আৰু অনুষ্ঠানৰ শেষত, ৰাতি এঘাৰমান বজাত ককাইদেউ আৰু মই পাণবজাৰৰ পৰা ৰে'লৰ আলিয়েদি ভৰলুমুখলৈ খোজ কাঢ়িছিলো। ককাইদেউৰ হাতত আছিল ছায়াবাজীৰ বাকচটো। নগাঁৱৰ পৰা নিমন্ত্ৰিত দল হিচাপে আহিছিলো যদিও গুৱাহাটীত থকা-মেলাৰ বন্দবস্ত আমি নিজে-নিজে কৰিব লাগিছিল। আমি দুটা ভৰলুমুখৰ মানুহ এঘৰত আলহী হৈছিলো। সেই ৰাতি আমি লঘোনে আছিলো।

আমাৰ চুবুৰিটোৰ, আৰু আমাৰ ঘৰখনৰ সংগীত-নাটক আদিৰ লগত সম্পৰ্ক থকা পৰিবেশৰ কথা কৈ-কৈ এইখিনি পালোহি। পালোহিয়েই যেতিয়া, এই সম্পৰ্কীয় আৰু দুটামান কথা কৈ থওঁ। তেপু ককাইটি যেতিয়া শাস্ত্ৰীয় সংগীতৰ সাধনাত মগ্ন আছিল, তেতিয়া আমাৰ ঘৰত এযোৰ হাৰমনিয়াম-তবলা গোট খাইছিল। এই যন্ত্ৰকেইটাৰ আকৰ্ষণতে তেপু ককাইটি কেতিয়াবা আমাৰ ঘৰলৈ আহিছিল, আৰু তেওঁৰ কথামতেই মই তবলাত কাহাৰবা আৰু দাদৰা বজাবলৈ চেষ্টা কৰিছিলো।— "বনদেৱী যত সখী বনত আমি নাচিছোঁ; নাচি-নাচি হালি-জালি প্ৰেম-মালা গাঁথিছোঁ"— নামৰ গান এটা এসময়ত আমাৰ চুবুৰিটোত বৰ জনপ্ৰিয় আছিল। গানটোৰ সুৰটো বৰ সৰল আছিল। মই হাৰমনিয়ামটোত সেই সুৰটোকে তুলিবলৈ চেষ্টা কৰি-কৰি ভাগৰি পৰিছিলো। এসময়ত নগেন ককাইদেউৰ বন্ধু মুকুল বৰুৱা গীত-মাত-থিয়েটাৰ সম্পৰ্কীয় কথাত আমাৰ নিয়মীয়া অতিথি হৈছিল। আমাৰ ঘৰৰ সমুখৰ কোঠালিটোৰ বিছনাখনত তেখেতে হাৰমনিয়ামটো আগত লৈ লেপেটা কাঢ়ি বহি লৈছিল। এবাৰ ককাইদেউহঁতৰ উদ্যোগত, চুবুৰিটোৰ সকলোৰে সহযোগত, নামঘৰৰ কাষৰ মুকলি ঠাইখিনিত 'বসন্তসেনা' নামৰ নাটকখনৰ অভিনয়ৰ আয়োজন কৰা হৈছিল। মুকুল বৰুৱা আছিল সেই নাট্যানুষ্ঠানৰ সংগীত পৰিচালক। তেখেতে শিকোৱা, শৰতৰ জোনালী নিশা সম্পৰ্কীয় গান এটা মই মঞ্চত মালবিকা নে মদালসাৰ ভেশ ধৰি গাবলগীয়া হৈছিল। সেয়াই আছিল মুকুল

বৰুৱাৰ লগত মোৰ প্ৰথম সান্নিধ্য। তাৰ প্ৰায় তিৰাল্লিছ বছৰৰ পাছত মুকুল ককাইদেৱে মোৰ 'কোলাহল' নামৰ চলচ্চিত্ৰখনৰ সংগীত পৰিচালনা কৰিছিল। সেয়াই আছিল তেখেতৰ লগত মোৰ শেষ সান্নিধ্য। মাজৰ সান্নিধ্যৰ কথালৈ যথাসময়ত আহিব পাৰিম।

ছায়াবাজীৰ বাকছ, বৰগীতৰ সুৰৰ পৰা আৰম্ভ কৰি 'সজৰ লগত সজ সংগতি'ৰ বক্তৃতালৈকে বহুত বস্তু, বহুত কথাৰ কাৰণে মই পিতাইৰ ওচৰত কৃতজ্ঞ। মই ভাবোঁ,— পাহিৰাম ককাইটিৰ পৰা মুকুল বৰুৱালৈকে, নামঘৰৰ ভকতৰ পৰা ৰাধাশ্যামলৈকে বিভিন্নজনে সংগীতৰ পৰশ বোলোৱা সেই দৰিদ্ৰ চুবুৰিটোত মোৰ বাল্যকাল সমৃদ্ধ কৰিবলৈ ঠিক পিতাইৰ নিচিনা ধনহীন, মাটিৰ লগত গভীৰ সম্পৰ্ক থকা, ক্লাছ ছেভেনলৈকে পঢ়া 'পণ্ডিত' মানুহ এজনৰেই প্ৰয়োজন আছিল। সেই মানুহজন ধনৰ দুখীয়া নোহোৱা হ'লে পাছলৈ মই বহুত বস্তুৰ দুখীয়া হ'লোহেঁতেন। ঘৰ এৰি কটন কলেজৰ হোষ্টেলত ভৰি দিয়াৰ পাছৰে পৰা জীৱনৰ এটা নতুন পৰ্যায় আৰম্ভ হ'ল। সেইটো, আৰু তাৰ পাছৰ পৰ্যায়বোৰত বহু মানুহ, বহু বস্তু, বহু ঠাইৰ কথাই জীৱনক গঢ় দিছে; আজিও সেই প্ৰক্ৰিয়া চলি আছে; কিন্তু বিভিন্ন গঢ় গ্ৰহণ কৰিবলৈ জীৱনক যিটো মূল গাঁথনি লাগে, সেইটোৰ সৃষ্টি,— মোৰ বিচাৰত,— মোৰ ক্ষেত্ৰত, —ঘৰত থাকোঁতেই হ'ল। মাতৃভাষাৰ উদাহৰণ দি এই কথাটোৰ অৰ্থ মুকলি কৰিব পাৰি। মাত ফুটাৰ পৰা মেট্ৰিক পাছ কৰি ঘৰ এৰালৈকে,—এইখিনি সময়ত আই-বোপাই, ভাই-ককাইৰ মাজত থাকি মাতৃভাষাটো যিটো ৰূপত শিকিলো, মোৰ কাৰণে সেইটোৱেই মাতৃভাষা-শিক্ষাৰ মূল গাঁথনি। মোৰ জীৱনৰ সামগ্ৰিক ৰূপটোৰ ক্ষেত্ৰতো এই কথা খাটে।

এইযে ক'লো, মানুহজন ধনৰ দুখীয়া নোহোৱা হ'লে পাছলৈ মই বহুত বস্তুৰ দুখীয়া হ'লোহেঁতেন, ইয়াৰ অন্য এটা অৰ্থ হ'ল,— তেখেত ধনৰ দুখীয়া নোহোৱা হ'লে এই পৃথিৱীখনৰ এটা দিশ মই নেদেখিলোৱেইহেঁতেন; আৰু সেইটো ঘটনাই মোক বেছি অসম্পূৰ্ণ কৰি ৰাখিলেহেঁতেন। নিৰ্দিষ্ট উপাৰ্জনৰ বাট নথকা মানুহজনে পৰিয়ালটোৰ ভৰণ-পোষণৰ বাবে যি সংগ্ৰাম কৰিছিল, সেই সংগ্ৰামৰ সহযোগী হ'বলৈ পোৱাটো মোৰ সৰু কালটোৰ বাবে পৰম সৌভাগ্যৰ কথা আছিল।

উদাহৰণস্বৰূপে তেখেতে পতা বাৰীখনৰ কথাকে ক'ব পাৰি। টানৰ দিনত যেনিবা দাইল-তেলৰ যোগাৰ নহ'ল, কেৱল চাউল আৰু নিমখকণহে যোগাৰ হ'ল;— তেনেকুৱা দিনতো যাতে শুদা ভাত খাব নালাগে, তাৰ বাবে তেখেতে পিছফালৰ বাৰীখন সদায় সাজু কৰি ৰাখিছিল। কিন্তু কেৱল খাদ্যৰ যোগান ধৰাৰ বাবেই যে বাৰীখন পতা হোৱা নাছিল, সেইটোও ঠিক। তাৰ প্ৰমাণ,—বাৰীখনত এনেকুৱা কিছুমান বস্তু আছিল যিবিলাক খাদ্য হিচাপে আমাৰ পেটলৈ নগৈছিল। কামটোৰ বাবে তেখেতৰ

এক ধৰণৰ তীব্ৰ নিচা আছিল। কথাবোৰ সাধাৰণ আৰু সৰু হ'ব পাৰে, কিন্তু সেই সৰু-সৰু কথাবোৰ, আৰু বাৰীখনত পিতায়ে কাম কৰাৰ ধৰণটোৱে দিয়া শিক্ষা মোৰ কাৰণে মূল্যবান সম্পদ। আমি বিছনাত থাকোঁতেই মানুহজনে দা-কোৰ-খন্তি লৈ বাৰীত সোমায়। চাহ খাবলৈ চিঞৰি থাকিব লাগে। দুপৰীয়া ভাত খাবলৈ চিঞৰি থাকিব লাগে। দূৰৰ পৰা মাত এটা আহে, "গৈছোঁ; এই হ'লেই আৰু।" কেতিয়াবা আন্ধাৰ হোৱাৰ পাছত 'গৈছোঁ' বোলা মাতটোৰ পৰাহে ধৰিব পাৰি— মানুহজন কোনখিনিত আছে। বাৰীখনত হোৱা সৰ্বসাধাৰণৰ চিনাকি পাচলিবোৰৰ বৰ্ণনা দিয়াৰ প্ৰয়োজন নাই; কিন্তু হেঁদালিৰ পৰা ওলমি থকা আঠ ইঞ্চিমান দীঘল, সেউজীয়া ৰঙৰ, পাহ কটা চাৰিসিৰীয়া উৰহী, সীমাৰ গছকেইজোপামানত বগাই থকা লতাত লগা লং-পাচলি, চাৰি ইঞ্চিমান দীঘল, দুয়ো মূৰ জোঙা ধুন্দুলি,— এইবোৰ বস্তু ঘৰ এৰাৰ পাছৰ যোৱা পঞ্চাছ বছৰত মই এদিন নে দুদিনহে ক'ৰবাত দেখিছোঁ। চিনাকি পাচলিৰ ভিতৰত এটা বস্তুৰ কথা মোৰ মনলৈ আহি থাকে। বাৰীখনত এবিধ দুষ্প্ৰাপ্য সঁচৰ ভাতকেৰেলা আছিল। পৈণত ভাতকেৰেলা একোটা প্ৰায় চাৰি ইঞ্চি দীঘল হৈছিল আৰু তাৰ মাজডোখৰৰ ব্যাস প্ৰায় চাৰে তিনি ইঞ্চি হৈছিল। সৰুতে ভাতকেৰেলাটোৰ গাটো গোলেই হৈ থাকিছিল, কিন্তু পৈণত হ'লে সামান্য চাৰিচুকীয়াৰ নিচিনা হৈ পৰিছিল। একেবাৰে বুঢ়া নোহোৱালৈকে বস্তুটোৰ ৰং কোমল সেউজীয়া হৈ আছিল। তেতিয়াৰ দিনতো আমাৰ বাৰীৰ বাহিৰে নগৰখনৰ আন কাৰোবাৰ বাৰীত সেই সঁচৰ ভাতকেৰেলা আছিল বুলি জনা নাছিলো। আজিকালি সেই সঁচটোৱেই নাইকিয়া হ'ল যেন পাওঁ।

কইনাক গা ধুৱাবলৈ মুথা আৰু গাঁঠিয়ণ বিচাৰি নগৰখনৰ বহু ঠাইৰ পৰা মানুহ আহিছিল আমাৰ ঘৰলৈ। (অভিধানত আছে,— মুথা পানীত বা দ ঠাইত হয়। হ'ব পাৰে; কিন্তু বাম ঠাইতো হয়; কাৰণ আমাৰ বাৰীৰ মুথা হোৱা ঠাইডোখৰ দ নাছিল।) বৰবজাৰৰ ওচৰৰ কবিৰাজ এজনে ঔষধ তৈয়াৰ কৰিবলৈ আমাৰ বাৰীৰ পৰা পনৌনৌৱাৰ লতা নিয়মীয়াকৈ নি আছিল। অৱশ্যে ফুলকবি, বন্ধাকবি, গাজৰ আদিৰ নিচিনা 'অভিজাত' পাচলিৰ লগত আমাৰ বাৰীখনৰ সম্পৰ্ক নাছিল।

বাৰীখনত মই হাড়ভগা পৰিশ্ৰম কৰিব লগা হোৱা নাছিল; কিন্তু পিতাইৰ হুকুমমতে কিছুমান বলে পৰা কাম কৰি গোটেই জীৱনৰ বাবে সৰু-সৰু, কিন্তু স্মৰণীয় অভিজ্ঞতা সঞ্চয় কৰিছিলো। ৰাতিপুৱা শুই উঠি বঙালী এৰাৰ দাঁতোন আনিবলৈ যাওঁতে দেখোঁ,— উঁইচিৰিঙাই জলকীয়া পুলি দুটামান কুটি থৈছে!— বিচাৰ উঁইচিৰিঙাৰ গাঁত! ঢাল গাঁতত দুবাল্টিমান পানী! অলপ পাছত গাঁতটোৰ সিটো মূৰত উঁইচিৰিঙাৰ মূৰটোৱে দেখা দিয়ে। তাৰ পাছত সি আৰু যায় ক'লৈ! বাৰীখনত সম্পদ যিমান, তাৰ তুলনাত চাৰিওকাষৰ বেৰা আছিল বৰ দুৰ্বল। বাঁহৰ যোগাৰ কম। ঘন-ঘনকৈ ৰোৱা বঙালী

এৰাৰ গছ, পথালিকৈ বন্ধা কামি,— সেয়াই হ'ল বেৰা। কামি পচে; খৰি লুৰি ফুৰা ল'ৰা-ছোৱালীয়ে তাৰে দুডোখৰমান লৈ যায়; বেৰাত ফাঁক পালেই গৰু সোমায়। একেজনী গৰুৱেই বাৰে-বাৰে আমনি কৰিলে তাইক ধৰিবলৈ পিতায়ে ফান্দ পাতে। পঘা এডালৰ এমূৰে চোঁচনি গাঁঠি দি, গাঁঠিটোৰ মেৰটো তেখেতে গৰু সোমোৱা বাটৰ দুয়োকাষৰ বগালী এৰা গছত তমালেৰে এনেকৈ লগাই থয় যাতে গৰুৰ মূৰটো সেই মেৰটোৰেদি সোমাই আহিবই। পঘাডালৰ ইটো মূৰ শকত বগালী এৰা গছ এজোপাৰ গুৰিত বান্ধি থ'লেই ফান্দ পতা কাম শেষ। বেছিভাগ ক্ষেত্ৰতে ফান্দত গৰু পৰেই। গৰুজনী আমি আগফালৰ গুলচ ফুলৰ গুৰিত বাটৰ মানুহে দেখাকৈ বান্ধি থওঁ, আৰু তাইক নিবলৈ অহা মানুহক পিতায়ে ভালকৈ এজাৰণ দিয়ে। জাৰণৰ মূল কথা ঃ গাখীৰ খাবলৈ গৰু পুহিছা, এৰাল দি নাৰাখা কিয়?

বাৰীখনত হোৱা পাচলিবোৰ আমি ঘৰৰ মানুহকেইটাই খাই টুকুৱাব পৰা পৰিমাণৰ নাছিল। সেই কথা ওচৰ-চুবুৰীয়াই জানিছিল। কাৰোবাৰ ঘৰৰ সৰু ছোৱালী একোজনী প্ৰায়েই দুপৰীয়া আমাৰ পিছ চোতালত থিয় হৈছিলহি ঃ তাইৰ মাকে পাচলি অলপমান খুজি পঠিয়াইছে। গৃহস্থৰ মন ভালে থাকিলে সিহঁতে লাও এটিটা, উৰহী কেইচিৰামান, বা লাইশাক এমুঠি পাইছিল; মন বেয়া হৈ থাকিলে পন্নকচুৰ ডাঙৰ-ডাঙৰ ঠাৰি কেইডালমান বা মধুসোলেং এমুঠি পাইছিল। যাবৰ সময়ত সিহঁতে প্ৰায়েই পিতাইৰ কথা এষাৰ শুনিছিল ঃ "মাৰে চৌকাত চৰুটো তুলি দি পাচলি বিচাৰি পঠিয়াব? বাপেৰক সুধিবিচোন,— ঘৰত লগাই খাব পাৰে নে নোৱাৰে?" পিতাইৰ মুখখন টান বুলি ওচৰ-চুবুৰীয়া সকলোৱে জানিছিল। পিছে তেনেকৈ গালি খাই যোৱা ছোৱালীকে তাইৰ মাকে কেইদিনমানৰ পাছত আকৌ পাচলি নিবলৈ পঠাইছিল।

মাজৰ এছোৱা সময়ত আমি কিছুমান পাচলি বজাৰত বেচিবলৈ নিছিলো।


একোঘৰ মানুহৰ বাৰীখনৰ একোডোখৰ ঠায়ে মানুহঘৰৰ মানত কেতিয়াবা এক 'ঐতিহাসিক গুৰুত্ব' লাভ কৰে। আমাৰ কাৰণে তেনেকুৱা ঠাইডোখৰ আছিল 'লেচু-তল'। ভিতৰত কৰিব নোৱাৰা বা কৰিবলৈ ভাল নলগা বহু কাম আমি লেচু-তলত কৰিছিলো। (অভিধান মতে সংশ্লিষ্ট ফলবিধৰ নাম লিচু। কিন্তু সেই কালত লেচু শব্দটো আমাৰ মনত এনেকৈ সোমাই গৈছিল যে এতিয়া লিচু শব্দটো ব্যৱহাৰ কৰিলে মোৰ কথাখিনিৰ সুৰটোৱেই— অন্ততঃ মোৰ কাণত— কটা যাব। এনেকুৱা লাগে যেন এই পৃথিৱীত সেইবিধ ফল দিয়া সমগ্ৰ গছ লিচি বা লিচু গছ হ'লেও আমাৰ ঘৰৰ জোপা আছিল লেচু গছ!) ককাইদেৱে হাতোৰাহেৰে ক'ত খৰি ফালিছে? লেচু-তলত। পিতায়ে হাতত বিচনী লৈ ক'ত জিৰণি লৈছে? লেচু-তলত। কুকুৰ-পোৱালিটো ক'ত বন্ধা আছে? লেচু-তলত। ঘন পাতৰ ছাঁ পৰি থকা চাফ-চিকুণ ঠাইখিনি থকা-ঘৰৰ কাষতে

হোৱা বাবেই এনে হ'বলৈ পাইছিল। পিছ চোতালখন সৰাৰ লগতে বৌৱে কেতিয়াবা লেচু-তলখনো সাৰি থৈছিল। বছৰৰ ফলখিনিৰ বাহিৰেও লেচুজোপাই আমাক আমৰলি পৰুৱা, নানান চৰাই, ডালে-ডালে লাগি থকা লাঁৰ (Lac) চেকুৰা, বাদুলিৰ আচৰণ আদি ভালেমান বস্তুৰ জ্ঞান দিছিল। লেচুৰ ঠাৰিৰ ফালৰ বাকলিৰ দুডাল-এডাল কাঁইট ৰঙচুৱা হ'লেই আমি ৰাতি বাদুলি খেদা কাম আৰম্ভ কৰিব লাগিছিল। গৃহস্থই খাবলৈ পোৱা পাঁচশ লেচুৰ বাহিৰে বাকী গোটেইখিনি বেপাৰীক গছতে পাইকাৰী দৰত বেচি দিলে লেচু ৰখাৰ কামটো বেপাৰীয়েই কৰিলেহেঁতেন; কিন্তু সিহঁতে যিমান পইচা দিব খোজে, আমি নিজে বজাৰলৈ নি বেচিলে তাৰ চাৰিগুণ পইচা পাওঁ। সেইখিনি পইচা এৰি দিয়াৰ উপায় আমাৰ নাছিল। গতিকে আমিয়েই লেচুৰখীয়া হৈছিলো। ৰাতি বাদুলি খেদাৰ দিনখিনি আমাৰ বাবে এবিধ উৎসৱৰ দিনৰ নিচিনা আছিল। চাৰি পইচামানৰ ভজা বুট, ফিকা চাহ আৰু ধাৰলৈ অনা কেৰম ব'র্ড এখন সেই উৎসৱৰ সম্বল আছিল। চুবুৰিৰে সৰুপাই ওৰফে বলখোৱা নামৰ ল'ৰা এটা আমাৰ (ভাই-ককাইকেইটাৰ) সহযোগী আছিল। কেৰম খেলি, চাহ-বুট খাই আমি ডেৰ-দুই বজালৈকে বাদুলি খেদিছিলো; তাৰ পাছৰ সময়খিনিত কামটো পিতায়ে কৰিছিল। আগনিশা আমাক চাহৰ যোগান ধৰিব লাগিছিল কাৰণে বৌ শেহনিশা উঠিছিল। আমাৰ ঘৰখনৰ পৰম্পৰা ৰক্ষা কৰি বাদুলি খেদাৰ কামটোতো আমি নতুন কৌশল প্ৰয়োগ কৰাৰ চেষ্টা কৰিছিলো। সেই সময়ত বাদুলি খেদাৰ প্ৰচলিত পদ্ধতিটো আছিল এনেকুৱা ঃ কেৰাছিন তেলৰ খালী টিন এটাৰ মাজত গধুৰ বস্তু ওলমাই এটা ঘণ্টা সজা হয়। সেই ঘণ্টাটো গছজোপাৰ মাজত, ওপৰ ভাগত ওলমাই থোৱা হয়। ঘণ্টাটো বজাবলৈ এডাল দীঘল ৰছী লগোৱা হয়। লেচুৰখীয়াই সেই ৰছীডাল টানি ঘটংঘটং শব্দ তোলে, আৰু সেই শব্দ শুনি বাদুলি আঁতৰি যায়। কোনো-কোনোৱে গছজোপাৰ মাজভাগত জ্বলি থকা লেম এটাও ওলমাই থয়। কিন্তু আমাৰ ধাৰণা হৈছিল,— বাদুলিয়ে টিনৰ ঘণ্টাৰ শব্দলৈ কেৰেপ নকৰা হৈ আহিছে;— গতিকে নতুন কিবা এটা কৰিব লাগিল। ভবা মতেই কাম। শকত বাঁহ এডালৰ গুৰিফালটোৰ দহ হাতমান দুফালকৈ ফলা হয়। যিখিনিলৈকে ফলা হ'ল, সেইখিনিতে এটা মজবুত বান্ধ দিয়া হয়;— যাতে বাঁহডাল আপোনা-আপুনি আৰু ফাটি যাব নোৱাৰে। সেইটো হ'ল এটা প্ৰকাণ্ড টকা। এতিয়া বাঁহডাল গছজোপাৰ মাজত থিয় কৰি, ফলা দুফালৰ এফাল ডালকেইটামানৰ লগত লৰচৰ কৰিব নোৱৰাকৈ বন্ধা হয়। ইটো ফালৰ আগত এটা ফুটা কৰি তাত এডাল ৰছী লগোৱা হয়, আৰু তাৰ ইটো মূৰ আমি কেৰম খেলা চালিখনৰ খুঁটা এটাত বান্ধি থোৱা হয়। ৰছীডাল চাৰিহাতমান গাৰ ফালে টানি এৰি দিলেই টকাটোত ধমকৈ এটা শব্দ হয়। আচম্বিতে হোৱা সেই শব্দলৈ সাধাৰণতে বাদুলিয়ে কেৰেপ নকৰাকৈ থাকিব নোৱাৰে। তথাপি যদি বাদুলিয়ে

কোনোবা ঠাইত লেচুৰ থোকত মৰকামোৰ মাৰি ধৰি আছে বুলি সন্দেহ হয়, তেনেহ'লে আমি দ্বিতীয় উপায় এটাত ধৰোঁ। লেচুৰ বতৰ অহাৰ আগতে আমি দুখন গুলটি বনাই থওঁ; খনাজানৰ পৰা আলতীয়া মাটি আনি তাৰে শ-শ বাটলু গুটি বনাই শুকুৱাই পকা কৰি থওঁ। সন্দেহজনক ঠাইৰ পাতৰ মাজেদি ঝৰঝৰাই যোৱাকৈ দুটামান বাটলু গুটি মাৰি পঠিয়ালে বাদুলি (যদি থাকে) উৰি যায়।

উঁইচিৰিঙা মৰাৰ পৰা বজাৰত লেচু বেচালৈকে এই কামবোৰ ভাত-কাপোৰৰ বাবে কৰা সংগ্ৰামৰ অংশ আছিল যদিও কামবোৰে আমাৰ মনৰ আনন্দ হৰণ কৰিব নোৱাৰিছিল; আমাৰ দেহক দিলেও মনক কষ্ট দিব নোৱাৰিছিল। বৰঞ্চ কামবোৰক আমি আনন্দ-উপভোগৰ কাৰ্যসূচী হিচাপে গ্ৰহণ কৰিছিলো। এইটো সম্ভৱ হৈছিল পিতাইৰ নেতৃত্বৰ কাৰণে। মানুহজনে আমাক খটুৱাইছিল, কিন্তু আমাক শোষণ নকৰিছিল। আমি যাতে আগবাঢ়িব পাৰোঁ, তেখেতে যেন সেই উদ্দেশ্যেহে আমাক সহকৰ্মী কৰি লৈছিল। এই অতি সাধাৰণ মানুহজনৰ মনৰ যিটো গুণে আমাক সৰ্বাধিক উপকৃত কৰিছিল, সেইটো আছিল তেখেতৰ শিক্ষাৰ প্ৰতি থকা স্পৃহা। উদং ঘৰখনৰ মাজত থিয় হৈও তেখেতে বাৰে-বাৰে এটা কথা উচ্চাৰণ কৰিছিল,— "শিক্ষা। মোক শিক্ষা লাগে। তহঁতৰ শিক্ষাৰ কাৰণে মই দৰকাৰ হ'লে ভিক্ষাও কৰিম।" শিক্ষা আৰু ভিক্ষা;— শব্দ দুটাৰ ধ্বনিৰ মিল থকাৰ কাৰণে বাক্যটো নাটকীয় যেন শুনা যায়; কিন্তু পিতায়ে যি কৈছিল,—কওঁ বুলি কৈছিল; শব্দ দুটাৰ অৰ্থ বুজি কৈছিল; বাক্যটো অন্য ধৰণে, অনাটকীয় কৰি কোৱাৰ তেখেতৰ উপায় নাছিল। দৰাচলতে মানুহজনে এসময়ত,—এদিন হ'লেও,—আক্ষৰিক অৰ্থত ভিক্ষা কৰিছিল। হাতত জোলোঙা এটা লৈ ঘৰে-ঘৰে একোমুঠি চাউল বিচৰাও ভিক্ষা, পুৰণি ছাত্ৰৰ ঘৰৰ পৰা দুপৰীয়াৰ সাঁজটোৰ কাৰণে আধাসেৰ চাউল খুজি অনাও ভিক্ষা। কি কৰা হ'লে মানুহজনে ভিক্ষা কৰিবলগীয়া নহ'লহেঁতেন? এটা উদাহৰণ : তেতিয়া মই ক্লাছ ফাইভত পঢ়োঁ। পাঠশালাৰ শিক্ষাৰ শেষত হোৱা বৃত্তি পৰীক্ষাত মই এটা বৃত্তি পাইছিলো। মাহে তিনি টকাকৈ। সেই বৃত্তি ক্লাছ ফাইভলৈকে চলি আছিল।

বৃত্তিৰ কথা ওলাওঁতেই লগৰীয়া কথা দুটা কৈ লওঁ। যিদিনা বৃত্তিৰ খবৰটো শিলঙৰ পৰা আহি আমাৰ ঘৰ পাইছিলহি, সেইদিনা আবেলি পিতায়ে ফূৰ্তিতে কেইজাইমান 'গাইথা' ফুটাইছিল। গাইথা বস্তুটো আৰু শব্দটোৰ প্ৰচলন পাছলৈ মোৰ চকুত পৰা নাই। বস্তুটোৰ থূলমূল বৰ্ণনা এনে ধৰণৰ : হাতেৰে মুঠি মাৰি ধৰিব পৰা, নাল থকা, দুহাতমান দীঘল এডাল লোহাৰ চেপেনা। চেপেনাৰ লোহা দুডালৰ এডালৰ মূৰত লগোৱা থাকে পাঁচ আঙুলমান দীঘল এটা লোহাৰ চুঙা, আৰু ইডালৰ মূৰত থাকে চুঙাটোৰ ভিতৰত খাপ খাই পৰিব পৰা এটুকুৰা দীঘলীয়া লোহা। (বৰ্ণনাটো বুজিবৰ বাবে ঢেঁকীৰ খুৱলি আৰু থোৰাটোৰ কথা মনলৈ আনি ল'ব পাৰি।) নিৰ্দিষ্ট পৰিমাণৰ বাৰুদ আৰু য-খাৰ



তাঁৰৰ ৰিং। আগুৰাই দিলে খুবলি আৰু থোৰা খাপ খাই পৰে।

কাগজত পুৰিয়া বান্ধি চুঙাটোৰ তলিলৈ সুমুৱাই দিয়া হয়। তাৰ পাছত থোৰাটো চুঙাটোত সুমুৱাই দি নালটোৰ ফালৰ পৰা তাঁৰৰ ৰিং এটা চুঙা আৰু থোৰাটোৰ ফালে চোঁচোৰাই দিলে সেই দুটা খাপ খাই পৰে। তাৰ পাছত গাইথাটোৰ থোৰা থকা মূৰটো ডাঙৰ শিল, গছৰ গুৰি আদি টান বস্তুত জোৰেৰে মাৰি দিলে প্ৰচণ্ড শব্দ হয়। এই গাইথা নামৰ যন্ত্ৰটো কোনো-কোনোৱে নিজৰ সম্পত্তি হিচাপে ৰাখে, কোনো-কোনোৱে ভাৰালৈ দি ব্যৱসায় কৰিবলৈ ৰাখে। আমি সৰুতে মূৰত চুঙা থকা পুৰণি চাবি এটা কাঠ এটুকুৰাত থিয়কৈ বহুৱাই লওঁ; দুটা দিয়াচলাই কাঠীৰ খাৰ বাকছটোৰ গাত থকা খাৰৰ কাগজেৰে মেৰিয়াই পুৰিয়া কৰি চাবিৰ চুঙাটোত সুমুৱাই দিওঁ; তাৰ পাছত চুঙাটোত গজাল এটা সুমুৱাই গজালৰ টুপটোত গধুৰ বস্তু এটাৰে মাৰ মাৰি দিলেই থাচকৈ শব্দ এটা হয়। এইটো আছিল গাইথাৰ ক্ষুদ্ৰ সংস্কৰণ। মোৰ বৃত্তিৰ খবৰ অহা দিনা পিতায়ে আমাৰ 'সাংস্কৃতিক কেন্দ্ৰ'টোৰ অমৰা আৰু বেল গছৰ গুৰিত গাইথা ফুটাইছিল।

দ্বিতীয় কথাটো হ'ল,— বৃত্তিৰ টকা প্ৰথমতে সাত মাহৰ একেলগে পাইছিলো। একেছখন এটকীয়া নতুন-নতুন নোট। নগাঁও গৱৰ্ণমেণ্ট হাইস্কুলৰ পৰা ওপৰ জেপটোত খামোচ মাৰি ধৰি গোটেই বাটটো প্ৰায় দৌৰি-দৌৰিয়েই ঘৰলৈ আহিছিলো আৰু আমাৰ ঘৰৰ 'ওখ পীৰা' নামে খ্যাত পীৰাখনত নোটবোৰ সজাই থৈ চাই আছিলো। একেলগে ইমান টকা সেয়াই প্ৰথমে চুই পাইছিলো, আৰু সেয়া মোৰ 'নিজৰ উপাৰ্জন'ৰ টকা আছিল।

এতিয়া মূল কথাটোলৈ আহোঁ। বৃত্তি পাইছিলো কাৰণে মই স্কুলত মাহেকীয়া মাচুল দিব নালাগিছিল; কিন্তু খেলা-ধূলাৰ বাবে (গে'ম ফিজ) বছৰে এটকা দিব লাগিছিল। সেই টকাটো সময়মতে দিব নোৱাৰাৰ বাবে মোক চাৰি অনা ফাইন কৰা হৈছিল। পিতায়ে আঠ অনা যোগাৰ কৰি বাকীখিনিৰ কাৰণে বাট চাই আছিল। অৱশেষত ঢাকাইপটিৰ হানিফ নামৰ ব্যৱসায়ী এজনৰ পৰা পিতায়ে আঠ অনা পইচা পালে, আৰু ফাইনৰ চাৰি অনা পইচা মাফ কৰি দিবলৈ স্কুলৰ হে'ড মাষ্টৰলৈ এখন দৰখাস্ত লিখিলে। আমাৰ এগৰাকী দূৰ সম্পৰ্কীয় বৰপিতাই সেই সময়ত আঢ্যৱন্ত ব্যৱসায়ী আছিল। তেখেত আগফালৰ বাৰাণ্ডাৰ চকীত বহি সুদৃশ্য গুৰগুৰীৰ পৰা নলিচাৰে ধঁপাত খোৱা, চুৰিয়াৰ ওপৰত দীঘল কোট, ভৰিত পাম্পশু পিন্ধি, হাতত ছাতি লৈ গহীন-গহীনকৈ খোজ পেলোৱা মানুহ আছিল। পিতায়ে কথা প্ৰসংগত (পইচা চাৰি অনা পোৱাৰ

আশাত?) দৰখাস্তখন সেই বৰপিতাইক দেখুৱালে। দৰখাস্তখন পঢ়ি উঠি বৰপিতায়ে হেনো ক'লে, "চাৰি অনা পইচাৰ কাৰণে এনেকুৱা এখন দৰখাস্ত লিখিবলৈ তোমাৰ লাজ নালাগিলনে? তোমাৰ নালাগিলেও আমাৰে লাজ লাগে দিয়া! ল'ৰা পঢ়াব নোৱাৰা যদি— দৰ্জিৰ দোকান, গেলামালৰ দোকান,— সেইবোৰত তাক সুমুৱাই নিদিয়া কিয়?" পিতায়ে ঘৰলৈ আহিয়েই দুখৰ সুৰেৰে আমাক কথাকেইষাৰ কৈছিলহি।

সেই বৰপিতাইজনৰ পৰামৰ্শমতে কাম কৰা হ'লে, পিতায়ে হয়তো ভিক্ষা কৰিব লগা নহ'লহেঁতেন, কিন্তু আজি মই ক'ত কি কৰিলোহেঁতেন, কি হ'লোহেঁতেন ক'ব নোৱাৰোঁ।

তাৰ পাছত পিতাইৰ কণ্ঠত ক্ষোভ ফুটি উঠিছিল। সেই ক্ষোভৰ আঁৰত একেখিনি কথাই আছিল ঃ তইঁতে পঢ়ি যা। দৰকাৰ হ'লে মই ভিক্ষা কৰিম।

পাঠশালাৰ পণ্ডিত আছিল কাৰণে পিতায়ে মোক তেনেই সৰু থাকোঁতেই ঘৰতে পঢ়াবলৈ লৈছিল। সেই পঢ়াবোৰৰ ভিতৰত কেৱল— কক্কোল এবিধ গছৰ গুটি, উকীলে মক্কেলৰ গোচৰ চলায়, বৈকুণ্ঠ মাকৰ বৰ মৰমৰ ল'ৰা আছিল,— এই ধৰণৰ বাক্য কেইটামান মনত আছে। পাছত এদিন তেখেতে মোক মোক্তাৰ স্কুলৰ ওপৰ শ্ৰেণী এটাত নাম লগাই দিছিল। তেখেতে সেইখন স্কুলতে চাকৰি কৰিছিল; পিছে যক্ষ্মা বেমাৰ হৈছে বুলি এদিন স্কুলখনৰ সৰ্বেসৰ্বা নুৰুদ্দিন উকীলে (তেতিয়াৰ দিনত মুক্তিয়াৰসকলকো সাধাৰণ মানুহে উকীল বুলিছিল) পিতাইক কামৰ পৰা অব্যাহতি দিছিল। মনৰ দুখত পিতাই পুৰীলৈ গুচি গৈছিল। মই তেতিয়া কেঁচুৱা। কোনোবা এটা ষ্টেছনত পিতাইক ৰে'লৰ গাৰ্ডে নমাই দিয়ে; ষ্টেছনতে পৰি থাকি পাছৰ ৰে'ল এখনত তেখেত আকৌ উঠে; আকৌ গাৰ্ডে ক'ৰবাত নমাই দিয়ে; আকৌ উঠে;— এনেকৈয়ে বোলে তেখেত পুৰী পাইছিলগৈ। জগন্নাথ মন্দিৰৰ চৌহদত কিছুদিন কটোৱাৰ পাছত এদিন বোলে এজন পাণ্ডাই পিতাইক ক'লে,— "ঘৰত ল'ৰা-তিৰোতা এৰি থৈ ইয়াত এনেকৈ থাকিলে তোমাৰ ধৰ্ম নহ'ব। উভতি যোৱাগৈ।" সেই কথা শুনিয়েই পিতাই উভতি আহিছিল। আহোঁতে লৈ আহিছিল জগন্নাথৰ প্ৰসাদ (শুকান ভাত) আৰু কিছুমান শামুক। (বহুদিনৰ পাছত আমি সেই শামুকবোৰৰ মাজৰ পৰা নখৰ নিচিনা ধাৰ থকা সৰু-সৰু শামুকবোৰ বাছি লৈ পিঠি খজুউৱাৰ কামত ব্যৱহাৰ কৰিছিলো।)

প্ৰসংগক্ৰমে ঃ পিতায়ে আমাৰ কাঠৰ বাকছটোত আটোম-টোকাৰিকৈ বন্ধা টোপোলা এটা উলিয়াই তাত থকা কাগজৰ পুৰিয়া এটা মেলি আমাক এবিধ বগা বস্তু দেখুৱাই কৈছিল,— সেয়া বোলে পুৰীৰ পৰা অনা সাগৰৰ গোট মৰা ফেন। লগতে থকা অইন এটা পুৰিয়া খুলি দেখুৱাই কৈছিল,— সেয়া বোলে গোট মৰা বাঘৰ গাখীৰ। পোৱালিয়ে এখন ওহাৰেৰে গাখীৰ খালে অইন এখন ওহাৰেৰে চিৰচিৰকৈ গাখীৰ মাটিত পৰি থাকে। পাছত সেইখিনি গাখীৰ তাতে গোট মাৰিব পাৰে। তেনেকুৱা গোট মৰা গাখীৰ অকণমান কোনোবাই পিতাইক দিছিল। কথাবোৰ সঁচা নে মিছা প্ৰমাণ কৰাৰ সময় আৰু

সুবিধা নাপালো। পুৰিয়াকেইটাৰ লগতে পিতায়ে বাঘৰ নখ এটা আৰু গাহৰিৰ দাঁত এটাও থৈছিল। সেইকেইটা যে খাঁটি বস্তু, সেই বিষয়ে আমাৰ সন্দেহ নাছিল।

আচলতে পিতাইৰ যক্ষ্মা হোৱা নাছিল। চাকৰিৰ পৰা আঁতৰোৱাৰ কাৰণে নুৰুদ্দিন উকীলৰ ওপৰত তেখেতৰ ক্ষোভ সদায় আছিল; কিন্তু স্কুলখনক নিজৰ স্কুল বুলি বৰ ভাল পাইছিল কাৰণে মোক তেখেতে সেইখন স্কুলতে নাম লগাই দিছিল। মোৰ স্কুলীয়া জীৱনৰ প্ৰথম শিক্ষক আছিল লোকনাথ তামুলী ছাৰ আৰু লক্ষ্মীকান্ত শৰ্মা ছাৰ। তামুলী ছাৰ হে'ড মাষ্টৰ, শৰ্মা ছাৰ ছেকেণ্ড মাষ্টৰ। স্কুলখনত দুগৰাকী মৌলবী ছাৰ আছিল। তেখেতসকলে সকলো শ্ৰেণীৰ ল'ৰাকে আৰবী পঢ়াইছিল। তামুলী আৰু শৰ্মা ছাৰে সকলোকে বাকী সকলো বিষয় পঢ়াইছিল। স্কুলখনত মুছলমান ল'ৰা বেছি আছিল। আমাৰ শ্ৰেণীটোৰ ত্ৰিছটামান ল'ৰাৰ ভিতৰত পাঁচটা হিন্দু ল'ৰা আছিলো। আমি পাঁচটাক এখন বেঞ্চত একেলগে বহিবলৈ দিয়া হৈছিল। আৰবী পঢ়োৱাৰ সময়ত বাকী সকলো ল'ৰা ওচৰৰ 'আৰবী কোঠালি'টোলৈ গুচি গৈছিল; আমি পাঁচটাই আঁক-বাঁক কৰি, কথা পাতি, সেইখিনি সময় নিজৰ ঠাইতে বহি থাকিছিলো। চুবুৰিৰ বাহিৰত স্কুলীয়া জীৱনৰ প্ৰথম বন্ধু; তাতে একেখন বেঞ্চতে বহোঁ; সেইকাৰণে এই চাৰিজন ল'ৰাৰ কথা মোৰ বৰকৈ মনত পৰে। কচলুখোৱাৰ ডিম্বেশ্বৰ, মাধৱ আৰু প্ৰফুল্ল, আৰু মৰিকলঙৰ টংকেশ্বৰ। এওঁলোকৰ ভিতৰত মাধৱৰ (মাধৱ শৰ্মাৰ) খবৰ পাছত একেবাৰে নাপালো। তেওঁৰ মূল ঘৰ দক্ষিণপাটৰ ফালে আছিল; কচলুখোৱাত মোমায়েকৰ ঘৰত থাকি পঢ়িছিল। টংকেশ্বৰ শৰ্মাক চাকৰি কৰা কালত নগাঁৱৰ কাচাৰীৰ চৌহদত কেইবাদিনো লগ পাইছিলো। প্ৰফুল্ল বৰাই অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। আৰু ডিম্বেশ্বৰ? এবাৰ নগাঁৱৰ ঘৰলৈ যাওঁতে গধূলি ফুৰিবলৈ ওলাই ছিভিল হস্পিটেলৰ কাষৰ ৰাস্তাটোৰেদি খোজ কাঢ়িছোঁ। ৰে'লৰ আলিৰ ক্ৰছিংটোৰ ওচৰতে থকা তামোল-ছিগাৰেটৰ সৰু দোকান এখনৰ ওচৰত মানুহ এটাই জুপুকা মাৰি বহি আছে। মই ওচৰ পাওঁতে মানুহটোৱে মোৰ ফালে চালে। তই, — তই ডিম্বেশ্বৰ?— ওঁ। আঁঠুমূৰীয়া চুৰিয়া, গাত গেঞ্জি এটা। দাঁত কেইবাটাও সৰিল; দেখাত প্ৰায় সোলাই হ'ল। অবিশ্বাস্য। —তই এতিয়া কি কৰি আছ ডিম্বেশ্বৰ?— মাটি অলপমান আছে, তাতে খেতি-বাতি কৰি আছোঁ আৰু।

আমাৰ লগৰ কাকো মই এনেকুৱা বুঢ়া হোৱা দেখা নাই। অসুখেই তাক এনেকুৱা কৰিলে নে কি? এই ডিম্বেশ্বৰৰ হাতৰ আখৰ স্কুলখনৰ ভিতৰতে সকলোতকৈ ভাল আছিল। স্কুল চাবলৈ অহা ইন্সপেক্টৰে তাক পিঠিত চপৰিয়াই প্ৰশংসা কৰিছিল। (স্কুল চাবলৈ অহা সকলো বিষয়াকে আমি ইন্সপেক্টৰ বুলি জানিছিলো। ইন্সপেক্টৰ, ডেপুটি ইন্সপেক্টৰ— এইবোৰ ভাগ-বিভাগৰ কথা আমাক কোনেও কোৱা নাছিল।) ডিম্বেশ্বৰে খাগৰি-কলমেৰে আখৰ লিখিছিল। তাকে দেখি ময়ো পাখি-কলম এৰি খাগৰি-কলম লৈ চাইছিলো; কিন্তু মোৰ হাতৰ আখৰ ডিম্বেশ্বৰৰ হাতৰ আখৰৰ ওচৰ চাপিব নোৱাৰিছিল।

কি উদ্দেশ্য লৈ স্কুল কর্তৃপক্ষই আমি পাঁচটাক বেলেগ বেঞ্চত বহিবলৈ দিছিল ক'ব নোৱাৰোঁ; কিন্তু সেই বেলেগ বেঞ্চখনে আমাক বাকীবোৰ বেঞ্চৰ ল'ৰাইতৰ পৰা আঁতৰ কৰি ৰাখিব নোৱাৰিছিল। মহিউদ্দিন, ইস্রাইল (চেনা বাপু), ওৱাজেদ, আবুল লেইচ (বাপু), নজিৰুদ্দিন, ইৰছাদ,— এইবোৰ ল'ৰাৰ লগত দীঘলীয়া সময়ৰ বাবে, ল'ৰালিৰ সৰলতাপূৰ্ণ ঘনিষ্ঠ সংস্ৰৱ ঘটাৰ ফলত মোৰ মনৰ, মোৰ দৃষ্টিভংগীৰ যি উপকাৰ হ'ল, সেই কথা সুঁৱৰি মই মোক্তাব স্কুলত নাম লগাই দিয়াৰ বাবে পিতাইৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰোঁ। আমোদজনক কথা,— আমাৰ কীৰ্তনঘৰ ৰ'ডৰ চুবুৰিটোৰ গাতে লাগি থকা চুবুৰিটোৰ শ্ৰেষ্ঠ সম্পদ হ'ল নগৰখনৰ পুৰণি মছজিদবোৰৰ এটা। শতকৰা আশীভাগমান ক্ষেত্ৰত আমি সেই চুবুৰিটোৰ মাজেদি, সেই মছজিদটোৰ আগেদি আমাৰ চুবুৰিটোৰ পৰা বাহিৰৰ পৃথিৱীখনলৈ ওলোৱা-সোমোৱা কৰোঁ। মোকছেদ ককাইটিৰ দাইল-তেলৰ দোকানেই আমাৰ আটাইতকৈ ওচৰৰ দোকান। মতিফৰ, বাপজান, নুৰুল হকহঁত আমাৰ খেলাৰ লগৰীয়া। এইটো পৰিবেশত ডাঙৰ হোৱাৰ পাছত মোক্তাব স্কুলৰ ওৱাজেদ, বাপুহঁতৰ সান্নিধ্যই পাছৰ দিনবিলাকত মোৰ সমুখত এখন ডাঙৰ সমাজৰ পৰিচয় উন্মুক্ত কৰিছিল। আজি নগাঁৱৰ ঢাকাইপটি, শিয়ালমাৰী, আমিনপটিৰ বুলিয়েই নহয়, সমগ্ৰ অসমৰ মুছলমান সমাজৰ কথা মই সেই পৰিচয়ৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰোঁ।

মোক্তাব স্কুলৰ বন্ধুহঁতৰ কথা ওলাওঁতে বাপুক (আবুল লেইচক) কেন্দ্ৰ কৰি দুটামান কথা কৈ থ'বৰ মন গৈছে। বাপু দেখিবলৈ ধুনীয়া, ভাল স্বাস্থ্যৰ ল'ৰা আছিল; কিন্তু মোক্তাব স্কুলৰ পৰ্যায়ত সি পঢ়া-শুনাত বৰ ভাল নাছিল। তামুলী ছাৰে তাক 'সুন্দৰ গাধা' নাম দিছিল। তাৰ ককায়েক বটুৰ স্বাস্থ্যও পালোৱানৰ নিচিনা আছিল। তেওঁ ঘৰত শিয়াল পোহাৰ নিচিনা কিছুমান অসাধাৰণ কাম কৰিছিল। বাপুহঁতৰ দেউতাক গেৰেলা মিস্ত্ৰি নামে জনাজাত আছিল। তেওঁ বন্দুক বনোৱা আৰু মেৰামত কৰাৰ কাম কৰিছিল। চুৰিয়া এখন পিন্ধি, খালী গাৰে মাটিত লেপেটা কাঢ়ি বহি বন্দুকৰ কাম কৰি থকা এই শকত-আৱত পেটুৱা মানুহজন অকল ঢাকাইপটিৰে নহয়, সমগ্ৰ নগৰখনৰে এক জনপ্ৰিয় চৰিত্ৰ আছিল। পিতায়ে এখেতৰ পৰাই গাইথা ধাৰলৈ নিছিল। ডেকা বয়সত বাপুৰ চৰিত্ৰতো কিছুমান বৈশিষ্ট্যই দেখা দিছিল। মই নগাঁৱলৈ গ'লে কেতিয়াবা দেখা পাওঁ;— অসম চৰকাৰৰ বিক্ৰিকৰ বিভাগত কাম কৰা বাপুৱে এখন সৰু হুড খোলা গাড়ী চলাই চহৰখনত ভ্ৰমি ফুৰিছে। মুখামুখি হ'লে সি সংসাৰৰ একোৱে স্পৰ্শ নকৰা যেন মনেৰে, উদাস-উদাস ভাবেৰে কথা কয়;— কি আৰু হ'ব ভাই! বোম্বাইলৈকে যাওঁগৈ নে কি!

এদিন শুনিলো বাপুক কুকুৰে কামুৰিলে; সি বেজি নল'লে, আৰু জলাতংক ৰোগত পৰি ঢুকাল। বাপুৰ মৃত্যুক মই এক সুন্দৰ গাধাৰ মৃত্যু বুলি মৰমেৰে আৰু দুখেৰে সোঁৱৰোঁ।

# দুই

মোক্তাব স্কুলৰ বছৰকেইটাত কি পঢ়িলো, স্কুলৰ কিতাপ-বহীৰ পৰা কি শিকিলো, সেইবোৰ কথা সুকীয়াকৈ মনলৈ নাহে। এতিয়া মোৰ ধাৰণা হয়,— মোৰ ল'ৰালিৰ ধেমালি আৰু পাঠশালাৰ পঢ়া-শুনা বেলেগ কৰিব নোৱৰাকৈ সানমিহলি হৈ গৈছিল। পাছৰ জীৱনত বহুদিন শিক্ষা-জগতৰ লগত জড়িত হোৱাৰ পাছত ল'ৰা-ছোৱালীহঁতৰ পাঠশালাৰ দিনবোৰ যেনেকুৱা হোৱা উচিত বুলি ধাৰণা হৈছিল, মোৰ নিজৰ পাঠশালাৰ দিনবোৰ তেনেকুৱাই আছিল। পঢ়া-শুনাৰ ভৰ অনুভৱ কৰাৰ কথা মনত নপৰে। কান্ধত ভাৰ লৈ যোৱা মানুহজনৰ খোজৰ ছন্দ আৰু বাঁওকান্ধৰ দুয়ো মূৰে ওলমি থকা পাচি দুটাৰ হেন্দোলনিৰ সমন্বয় ঘটিলে যেনেকৈ মানুহজনে কান্ধত ভৰ কমকৈ অনুভৱ কৰে, কথাটো তেনেকুৱাই আছিল। খোজত ধেমালিৰ আনন্দৰ ছন্দ আছিল কাৰণেই পঢ়া-শুনাৰ ভৰ অনুভৱ নকৰিছিলো;— কান্ধত অনবৰত ভাৰখন লৈ থকা সত্ত্বেও। সেইকাৰণে মোক্তাব স্কুলৰ দিনবোৰৰ কথা মনত পেলালে পঢ়া-শুনাৰ কথা যিমান মনলৈ আহে, তাতকৈ বেছি মনলৈ আহে আনন্দ বুটলিব পৰা সৰু-সৰু কথাবোৰ। হে'ড মাষ্টৰে ব'ৰ্ডত পকোৱা আখৰেৰে শালিধান-আহুধানৰ ৰচনা লিখি দিয়ে, আমি ৰচনা বহীত গোট-গোট আখৰেৰে সেইবোৰ টুকি লওঁ; গৰমৰ বন্ধত আঢ়ৈ কুৰিমান অংক ঘৰত কৰি নিবলৈ দিয়ে; স্কুল খুলিবলৈ সাদিনমান থাকোঁতে অংকবোৰ কৰিবলৈ আৰম্ভ কৰোঁ;—আৰু? পঢ়া-শুনাৰ কথা দেখোন আৰু একো মনতেই নপৰে। কিন্তু ইন্সপেক্টৰে স্কুল চাবলৈ অহাৰ দুদিনমানৰ আগতে যে ছাৰসকলে আমাক গোটেই চৌহদটোৰ কোৰশলা বন উঘালিবলৈ লগাই দিয়ে, আৰু আমি মহা আনন্দ-উৎসাহেৰে কামটোত লাগি যাওঁ, সেইটো কথা কিন্তু ঘনে-ঘনে মনত পৰে। ইমানেই পৰিষ্কাৰকৈ মনত পৰে যে কথাটো ভাবিলে এতিয়াও হাতৰ তলুৱা দুখন চেকচেকাই থকা যেন অনুভৱ কৰোঁ। তেতিয়া কিন্তু কোৰশলা বন উঘালোঁতে-উঘালোঁতে উঠা হাতৰ তলুৱাৰ চেকচেকনিক গ্ৰাহ্যই নকৰিছিলো। যিকেইটা ল'ৰাৰ স্কুললৈ পিন্ধি যোৱা কাপোৰ মাত্ৰ এযোৰ, সেইকেইটাই ইন্সপেক্টৰ অহাৰ আগদিনা (বন্ধ বা দেওবাৰ নপৰিলে) কাপোৰ ধুবলৈ ছুটী পাইছিলো। সেইটোও এটা আনন্দৰ কথা আছিল। স্কুলৰ বাকৰি চাফা, মজিয়া চাফা, আমাৰ সাজ-পাৰ, দাঁত-নখ চাফা;—আমি 'ৰাজহাড় পোন কৰি' ৰহি থাকিবলৈ চেষ্টা কৰোঁ; —

তেনেকুৱা সময়তে যে তামুলী ছাৰে চুকত আউজাই থোৱা চেকনীকেইডাল নিজ হাতেৰে আলমাৰিটোৰ পিছফালে লুকুৱাই থৈছিলগৈ, সেই দৃশ্যটো এতিয়াও চকুৰ আগৰ পৰা ভাহি আহে। স্কুলত শিক্ষকে চেকনী ব্যৱহাৰ কৰাৰ বিৰুদ্ধে সুদীৰ্ঘ কাল ধৰি,— আজিও তৰ্ক-বিতৰ্ক চলি আছে। সেই ত্ৰিছৰ দশকতে তামুলী ছাৰে ইন্সপেক্টৰৰ চকুৰ পৰা চেকনী আঁৰ কৰি থোৱাৰ পৰা বুজিব পাৰি,—চেকনীৰ ব্যৱহাৰ তেতিয়াও অনুমোদিত বা আদৰণীয় ব্যৱস্থা নাছিল। কিন্তু চেকনীৰ যে প্ৰয়োজন আছিল, সেইটো সত্যটো আমি ল'ৰাইতেই প্ৰতিপন্ন কৰিছিলো। কিতাপ, বহী, কলম, পেনছিল, কলম-পেনছিল থোৱা বাঁহৰ চুঙা, দোৱাত, চিলঠ মচা ফটাকানিৰ টোপোলা, ব'ৰ্ড, চকমাটি, হে'ডমাষ্টৰ, ছেকেণ্ড মাষ্টৰ, চেকনী, আমি,— এই সকলোৰে লগ লাগি গঠন কৰা পৰিয়ালটো মোৰ মানত এটা সুখী পৰিয়াল আছিল। মই এতিয়াও বিশ্বাস কৰোঁ,— চেকনীডাল পৰিয়ালটোৰ গুৰুত্বপূৰ্ণ সদস্য আছিল।

তামুলী ছাৰে চেকনী কাটি আনিবলৈ তৃতীয় শ্ৰেণীৰ দুটা ল'ৰাক এঘণ্টামানৰ কাৰণে ছুটী দিছিল। সিহঁতে ওচৰৰে মৰিকলং-কচলুখোৱা অঞ্চলৰ কাবোবাৰ বাৰীৰ পৰা কাটি অনা চেকনীবোৰ যেতিয়া চুকাইছিল, তেতিয়া অইন দুটা ল'ৰাক সেই কাম কৰিবলৈ পঠোৱা হৈছিল। মালিক নামৰ টেঙৰ, অঘাইটং ল'ৰা এটাই এবাৰ তাৰ লগৰীয়াটোক সৈমান কৰি, চেকনীবোৰৰ গাঁঠিবোৰত কটাৰীৰে দকৈ ৰেপি-ৰেপি ঘা লগাই দিছিল। তামুলী ছাৰে সেই চেকনীৰে কাৰোবাক এচাট মাৰে, চেকনী দুটুকুৰা হয়। নতুন এডাল লৈ আকৌ এচাট মাৰে, সেইডালো দুটুকুৰা হয়। আকৌ অইন এডাল লৈ খঙৰ ভমকত জোৰেৰে চাটটো মাৰে, এইবাৰ চেকনী তিনি টুকুৰা হয়। কথাটো কি? ছাৰে বেত এডাল পৰীক্ষা কৰি ৰহস্যটো ধৰা পেলালে। স্বাভাৱিকতে, তাৰ পাছত দুডাল চেকনী মালিকৰ পিঠিত টুকুৰা-টুকুৰ হ'ল।

আমাৰ লগৰ কোনোবা ল'ৰাৰ ঘৰত কিবা আনন্দৰ ঘটনা ঘটিলে, কিবা সকাম-নিকাম হ'লে, বা কিবা মনস্কামনা পূৰ্ণ হোৱাৰ বাবে কিবা এটা সৎ কাম কৰিবলগীয়া হ'লে, ঘৰৰ গৃহস্থই কেতিয়াবা আমাৰ স্কুলখনৰ সকলো ল'ৰাকে কল, মিঠাই আদি খুৱায়। ডাঙৰ-ডাঙৰ পাচিত কাগজেৰে ঢাকি তেওঁলোকে খোৱাবস্তুবোৰ লৈ আহে আৰু আধাঘণ্টা ছুটীত আমাৰ মাজত বিলাই দিয়ে। আমাৰ কাৰণে সেইটো বৰ আনন্দৰ দিন আছিল।— "কাইলৈ অমুকৰ দেউতাকহঁতে কল খুৱাব" বুলি খবৰটো ওলালেই আমি বৰ ফূৰ্তি পাইছিলো। পাছদিনা বহা ঠাইৰ পৰা খিৰিকিয়েদি ঘনে-ঘনে বাটলৈ চাই আছিলো, আৰু মূৰত পাচি লৈ অহা মানুহ দেখিলেই 'আহিল-আহিল' বুলি গুণগুণনি তুলিছিলো।

এতিয়া ভাবিলে তেনেই সৰু-সৰু লগা সেই কথাবোৰৰ আনন্দ আছিল আমাৰ মন-প্ৰাণ ভৰাই ৰাখিব পৰা আনন্দ; আৰু সেই আনন্দৰ লগত একাকাৰ হৈ গৈছিল স্কুলৰ

বাহিৰৰ বোকা-পানী, ধূলি-বালি, গছতল, বাঁহতলৰ আনন্দ। সেই আনন্দৰ মাজেদি কেতিয়া কেনেকৈ মোক্তাব স্কুলৰ দিনবোৰ পাৰ হৈ-হৈ শেষ হৈ গৈছিল মনত নপৰে।

এদিন আগবেলা ওচৰৰ চুবুৰিটোৰ নুৰুল হকৰ লগত খোজ কাঢ়ি গৈ-গৈ নগাঁও গৱৰ্নমেণ্ট হাইস্কুলৰ ওচৰ পালোগৈ। দূৰৰ পৰা দেখিলো,—স্কুলখনৰ বাকৰিত আমাৰ বয়সীয়া বহুত ল'ৰা গোট খাই আছে। কিনো হৈছে? দুয়ো স্কুলৰ গেটেদি সোমাই গ'লো। গম পালো,—ক্লাছ থ্রিত এডমিশ্যনৰ কাৰণে পৰীক্ষা লোৱা হ'ব। কেতিয়া? এই এতিয়াই; অলপ পাছতে পৰীক্ষা আৰম্ভ হ'বই। আক-তাক খুজি আমি দুয়ো একোখিলা কাগজ আৰু একোডাল পেনছিল যোগাৰ কৰিলো, আৰু পৰীক্ষা লোৱাসকলৰ ওচৰলৈ গৈ, নাম লিখাই, পৰীক্ষা দিবলৈ বহিলো। দুপৰীয়া ঘৰলৈ উভতি আহোঁতে পিতাইহঁতে ইমানপৰ ক'লৈ গৈছিলি বুলি আগভেটা দি ধৰোঁতে সগৰ্বে উত্তৰ দিছিলো,—গৱৰ্নমেণ্ট হাইস্কুলত এডমিশ্যনৰ পৰীক্ষা দি আহিলো।

সেইদিনা নুৰুল হকৰ লগত সেইফালে ফুৰিবলৈ নোযোৱা হ'লে সেইখন স্কুলত পঢ়িবলৈ পালোহেঁতেন নে নাপালোহেঁতেন, মই নিশ্চয়কৈ ক'ব নোৱাৰোঁ।

মোৰ হাইস্কুলৰ দিনখিনিক মই দুটা ভাগত ভগাব পাৰোঁ। প্ৰথম ভাগৰ চাৰিটা বছৰ মোৰ কাৰণে বৰ বৈচিত্ৰ্যপূৰ্ণ বুলি বিবেচনা কৰোঁ। সেয়া দ্বিতীয় মহাযুদ্ধৰ সময়, ভাৰতৰ স্বাধীনতা আন্দোলনৰ গুৰুত্বপূৰ্ণ সময়, আমাৰ ঘৰখনৰ দাৰিদ্ৰ্যৰ চূড়ান্ত পৰ্যায়ৰ সময়, আৰু মোৰ মন আৰু বুদ্ধিয়ে এটা বেলেগ ৰূপ পোৱাৰ সময়। এই সময়খিনিৰ কথা তাৰিখ-মাহ-বছৰ ধৰি একাদিক্ৰমে কোৱাৰ এতিয়া উপায় নাই; এটা সামগ্ৰিক আভাস দিয়াৰহে উপায় আছে।

এইখিনি সময়ত আমাৰ ঘৰৰ উত্তৰ সীমাৰ চৌহদটোত বাস কৰা ৰামজয় চৰকাৰৰ 'পৰিয়াল'টোৱে কেইটামান দিশত মোৰ মন আৰু কাম-বনৰ গতিবিধিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। ৰামজয় চৰকাৰে নগাঁৱৰ কাচাৰীত তৰণীৰ কাম কৰিছিল। কিয় ক'ব নোৱাৰোঁ, তেওঁ চুবুৰিটোত মহৰীবাবু নামেহে জনাজাত আছিল। চুবুৰিটোৰ বহু মানুহে তেওঁৰ আচল নামটো নাজানিছিলেই। তেওঁ নিগাজি ঘৰ পাতিছিল শিলঘাটৰ পশ্চিমে থকা আমবাগানত; আৰু জীৱিকাৰ বাবে আমাৰ ঘৰৰ ওচৰৰ মাটিডোখৰত ঘৰ সাজি থাকিবলৈ লৈছিল। মাটিডোখৰৰ মাজতে তেওঁ থকা ওখ ভেটিৰ ডাঙৰ ঘৰটো, আৰু তাৰ দুয়োকাষে সাত-আঠটামান জুপুৰি। সেই জুপুৰিবোৰত ৰূপহীৰ পৰা আমবাগানলৈকে এই অঞ্চলৰ দহটামান ল'ৰা থাকে। ৰাধা, ৰবীন, প্ৰদ্যোত, মধু, ধীৰেন আদি। সিহঁতে গৱৰ্নমেণ্ট হাইস্কুল, বেংগলী হাইস্কুল আদিত পঢ়ে, আৰু মহৰীবাবু হ'ল সিহঁতৰ অভিভাৱক। অভিভাৱক মানে মাহেকে-পষেকে ছুটীৰ দৰখাস্তত চহী দিয়া অভিভাৱক নহয়, নিজৰ পুতেক-জীয়েক অজিত-চাৰুহঁতক যেনেকৈ চকু দিয়ে, তেনেকৈয়ে চকু দিয়া অভিভাৱক।

ওখ-পাখ, শকত-আৱত, ক'লা, পেটুৱা মানুহজনৰ চকু দুটা আছিল ডাঙৰ-ডাঙৰ, মাতটো আছিল চোকা। ল'ৰাইঁতে মানুহজনক বাঘ দেখাদি দেখিছিল। কোনোবা এটা জুপুৰিত যদি পঢ়া বন্ধ কৰি ল'ৰাইঁতে খিকিন্দালি কৰে, আৰু সেই খিকিন্দালিৰ শব্দ যদি মহৰীবাবুৰ কাণত পৰে, তেনেহ'লে তেওঁৰ টেংটেঙীয়া মাতৰ ধমকি আমাৰ ঘৰৰ পৰাই শুনো ঃ "এ-ই......! কি হৈছে ৰে?"

এই ল'ৰাইঁতৰ খোৱা-বোৱাৰ ব্যৱস্থাও হৈছিল মহৰীবাবুৰ পাগঘৰতে। মহৰীবাবুৰ বিধবা, নিঃসন্তান নবৌৱেক আছিল 'পৰিয়াল'টোৰ পাগঘৰৰ হৰ্তা-কৰ্তা। মহৰীবাবুৰ নিচিনাই ক'লা ৰঙৰ, শকত-আৱত, চুটি চুলিৰ, বগা থানৰ শাৰী পিন্ধা এই মানুহজনীয়ে প্ৰায় অকলেই সকলোৰে কাৰণে ৰন্ধা-বঢ়া কৰিছিল আৰু স্কুল-কাচাৰীৰ সময়মতে সকলোকে ভাতৰ যোগান ধৰিছিল। কেতিয়াবা দেখোঁ,— ৰাতিপুৱাই ৰাধা-মধুহঁতৰ দুটা ওলাই গ'ল খনাজানৰ ফালে; কিছু সময়ৰ মূৰত কান্ধত একোবোজা বনৰীয়া ক'লা কচুৰ দীঘল-দীঘল ঠাৰি লৈ উভতি আহিল; পাগঘৰ আৰু থকা ঘৰৰ মাজৰ চোতালখনত কাঠৰ গড় এডালৰ ওপৰত থৈ সিহঁতে ঠাৰিবোৰ ডোখৰ-ডোখৰ কৰিলে, তাৰ পাছত জেঠীমাই ডাঙৰ কেৰাহী এটাত সেইখিনি তেল-নিমখ-হালধি, এসোপামান বটা শুকান জলকীয়া দি সিজালে। হৈ গ'ল সেই সাঁজৰ কাৰণে ভাতৰ লগৰ তৰকাৰী! (মহৰীবাবুৰ নবৌৱেকক অজিত, চাৰু, ৰাধাহঁত সকলোৱে, লগতে আমিও জেঠীমা বুলি মাতিছিলো।)

চাৰে আঠমান বজাত মহৰীবাবুৱে আগচোতালৰ পৰা 'আয় ৰে' বুলি চিঞৰ এটা মাৰি কলঙত গা ধুবলৈ খোজ লয়। পিছে-পিছে ল'ৰাজাক। গা ধুই আহিয়েই এটাইমখা পাগঘৰৰ মজিয়াত গোল হৈ বহে; জেঠীমাই সিহঁতক ভাত-তৰকাৰী দিয়ে; ভাত খাই উঠি সিহঁতে নিজৰ-নিজৰ কাঁহী নিজে ধুই থয়। তাৰ পাছত এসময়ত মহৰীবাবু কাচাৰীলৈ আৰু ল'ৰাহঁত নিজ-নিজ স্কুললৈ ওলাই যায়।

ঘৰৰ কাষতে এই যে কেৱল পঢ়া-শুনা কৰিবলৈ গোট খাই থকা এজাক ল'ৰাই মহৰীবাবুৰ তত্ত্বাৱধানত সুশৃংখল জীৱন যাপন কৰিছিল, এই কথাটোৱে আমাৰ জীৱনকো স্পৰ্শ কৰিছিল। পথ-প্ৰদৰ্শক, তত্ত্বাৱধায়ক হিচাপে তেতিয়া পিতায়েই আমাৰ কাৰণে যথেষ্ট আছিল যদিও মহৰীবাবুৰ 'টোল'টোৰ পৰিবেশটো আমাৰ কাৰণে সহায়ক হৈছিল। ৰাতি পঢ়িবলৈ বহাৰ পাছত চকু মুদ খাই আহিলে পিতায়ে কৈছিল, "সৌবোৰ ল'ৰাই বাৰিষাৰ বেঙে মতাদি টেপটেপাই পঢ়ি আছে; আমাৰ কেইটাৰহে মুখৰ মাত নাই! কিতাপ মেলিয়েই টোপনিয়াবৰ হ'লেই!" তাৰ পাছত তেখেতে পাগঘৰৰ ফাললৈ গৈ বৌক কৈছিল,— "ইহঁতক আজি ভাত নিদিবা। চকুত জলকীয়া লগাই দিয়া।"

মধুহঁতৰ গোটেই দলটোৱে সঁচাকৈয়ে মাত উলিয়াই পঢ়িছিল। কোনোবা-কোনোবাই 'ভাৰতৰ উত্তৰে হিমালয় পৰ্বত'-জাতীয় সাধাৰণ বাক্য একোটাকে বহবাৰ চিঞৰি-

চিঞৰি পঢ়ি মুখস্থ কৰিছিল। ইমানবোৰ ল'ৰাই বিভিন্ন স্বৰেৰে পঢ়াৰ কাৰণে শব্দবোৰ সঁচাকৈয়ে এজাক বেঙে একেলগে মতা শব্দৰ লগত তুলনা কৰিব পৰা বিধৰ হৈছিল। কিন্তু সেই শব্দই আমাক বৰ সহায় কৰিছিল। সেইবোৰ আমাক 'সাৰে ৰখা' শব্দ আছিল।

শিলঘাট-চাপৰমুখ ৰে'লখন পাৰ হৈ যোৱা, ঘৰৰ ছাঁটোৰে চোতালত দি থোৱা চিন এটা চোৱা,— এইবোৰেই সাধাৰণতে আমাক স্কুললৈ যাবলৈ ওলোৱাৰ সময়ৰ সংকেত দিছিল; কিন্তু পাছলৈ আমি মহৰীবাবু গা ধুবলৈ যোৱা সময়ৰ ওপৰতে ভাৰসা কৰিবলৈ লৈছিলো। পিছে স্কুললৈ ওলাই যোৱা সময়ৰ বাবে আমাৰ আৰু এটা বৰ আমোদজনক সংকেত আছিল। সেই কালত নগাঁৱৰ ছোৱালী হাইস্কুলত পঢ়া ছোৱালীবিলাকক স্কুললৈ অনা-নিয়া কৰা কেইজনীমান চকিদাৰণী আছিল। একোজনী চকিদাৰণীয়ে তেওঁৰ ভাগত পৰা অঞ্চলটোৰ ছাত্ৰী থকা ঘৰবোৰৰ সমুখত ছাত্ৰীজনীৰ নাম ধৰি ডাঙৰকৈ চিঞৰ একোটা মাৰি ওলাই আহিবলৈ কৈ যায়। সকলোকে জাননী দি হোৱাৰ পাছত তেওঁ ওভতা-যাত্ৰা আৰম্ভ কৰে। এইবাৰ ছোৱালীহঁত ঘৰৰ আগফালে ওলাই থাকে আৰু চকিদাৰণীৰ আগে-আগে সিহঁতে খোজ লয়। ফৌজদাৰীপটিলৈ এজনী চকিদাৰণী আহে। এসময়ত দেখা যায়,— ফৌজদাৰীপটিৰ ছোৱালীখিনিয়ে জুম পাতি-পাতি ওচৰা-উচৰিকৈ স্কুললৈ গৈ আছে, আৰু একেবাৰে শেষত চকিদাৰণীজনী গৈ আছে। স্কুল ছুটীৰ পাছতো চকিদাৰণীজনীয়ে সকলোকে ঘৰে-ঘৰে থৈ যায়। আমাৰ চুবুৰিটোত সোমাই মহৰীবাবুৰ ঘৰৰ সমুখ পালেই চকিদাৰণীজনীয়ে 'অ' বিলাসী' বুলি দীঘলীয়াকৈ চিঞৰ এটা মাৰে, আৰু সেই চিঞৰটো শুনিলেই আমিও স্কুললৈ যাবলৈ লৰালৰি কৰোঁ।

চকিদাৰণীজনীয়ে বিলাসী বুলি যাক মাতিছিল, তেওঁৰ আচল নাম আছিল বিলাসমণি মৈত্ৰ। মহৰীবাবুৰ ঘৰৰ চৌহদৰ ভিতৰতে, পিছফালে দুটা সৰু-সৰু ঘৰ সাজি পঢ়িবলৈ লৈছিল লক্ষ্মীকান্ত মৈত্ৰৰ পৰিয়ালটোৱে। বিলাসমণি, মহেন্দ্ৰ আৰু সুৰধুনী আছিল লক্ষ্মীকান্তৰ ভায়েক-ভনীয়েক। বিলাসমণি আৰু মহেন্দ্ৰই পাছলৈ এম. বি. বি. এছ. পাছ কৰিছিল। লক্ষ্মীকান্ত মৈত্ৰ নগাঁৱৰ বেংগলী হাইস্কুলৰ শিক্ষক আছিল। এসময়ত তেওঁলোক আমাৰ চুবুৰিৰ পৰা হয়বৰগাঁৱলৈ উঠি গৈছিল। চল্লিছৰ দশকত আমাৰ চুবুৰীয়া হিচাপে পোৱা এই পৰিয়ালটোৰ বিষয়ে এইখিনি কথা কোৱাৰ কাৰণ হ'ল, সত্তৰৰ দশকৰ এটা আন্দোলনৰ সময়ত লক্ষ্মীকান্ত মৈত্ৰ নাইকিয়া হৈছিল। আজিলৈকে তেওঁৰ খবৰ পোৱা নগ'ল। এওঁ ঘৰৰ কাষতে থাকি আমাৰ স্কুলীয়া জীৱনৰ ওপৰত চকু ৰখা মানুহ আছিল। মনত পেলালে তেওঁৰ শিক্ষকসুলভ মাতটো এতিয়াও শুনিবলৈ পাওঁ।

মহৰীবাবুৰ 'ঢোল'টোৰে মোক দিয়া আটাইতকৈ ডাঙৰ সুবিধাটো আছিল সৰুকালতে বাংলা ভাষাটোৰ লগত সম্পৰ্ক স্থাপন কৰাৰ সুবিধা। শিয়ালমাৰীৰ বেপাৰীহঁতৰ সান্নিধ্যলৈ সঘনে আহি থকা কাৰণে আমি এক ধৰণৰ বাংলা ভাষাৰ লগত সম্পৰ্ক

স্থাপন কৰিছিলোৱেই; কিন্তু লিখিত বাংলা ভাষাৰ ক্ষেত্ৰত আমাক প্ৰভূত পৰিমাণে সহায় কৰিছিল মধু, বাধা, প্ৰদ্যোতহঁতে। তেওঁলোকে স্কুলত, কিতাপৰ পৰা আৰু আমাৰ পৰা যিমান আগ্ৰহেৰে অসমীয়া শিকিছিল, আমিও তেওঁলোকৰ পৰা সিমান আগ্ৰহেৰে বাংলা শিকিছিলো। সমুখত কিতাপ-শিক্ষক লৈ বহি-বহি শিকাৰ কথা কোৱা নাই; খেলোঁতে, ফুৰোঁতে এনেয়ে কথা পাতোঁতে শিকাৰ কথা কৈছোঁ। ভাষাটো বুজাৰ ফলত অসমীয়া বাহিৰা কিতাপৰ লগতে বাংলা কিতাপ পঢ়াৰ প্ৰতি মোৰ ধাউতি বাঢ়িছিল। প্ৰথমতে পঢ়িবলৈ লৈছিলো বাংলা ডিটেকটিভ উপন্যাস। শশধৰ দত্তৰ মোহন সিৰিজৰ তেতিয়ালৈকে প্ৰকাশিত প্ৰায়বোৰ কিতাপ ক্লাছ ফাইভ-ছিক্সৰ বছৰ দুটাতে পঢ়ি শেষ কৰিছিলো। লগতে পঢ়িছিলো কলিকতাৰ দেব সাহিত্য কুটীৰে প্ৰকাশ কৰা ডিটেকটিভ উপন্যাস কিছুমান। ভাষাটো আয়ত্তলৈ অহাৰ কাৰণে ডিটেকটিভ উপন্যাসৰ বাহিৰে পঢ়াৰ অন্যান্য সামগ্ৰীলৈকো হাত মেলিব পাৰিছিলো। দ্বিতীয় মহাযুদ্ধই ভয়ংকৰ ৰূপ ধাৰণ কৰি থকা অৱস্থাত,— সেই যে মোক দৰ্জিৰ দোকান বা গেলামালৰ দোকানৰ কামত সুমুৱাই দিয়াৰ পৰামৰ্শ দিয়া বৰপিতাইজন,— তেখেতসকলৰ ঘৰৰ আগফালৰ বাৰাণ্ডাত বহি নিয়মীয়াকৈ বাংলা বাতৰিকাকত এখনত যুদ্ধৰ খবৰ পঢ়িছিলো।

সেইবোৰ কিতাপ-পাতি পঢ়াৰ কাৰণেই নে কি, সেই সময়ত মোৰ নিজৰ ফালৰ পৰাও কিবাকিবি লিখিবলৈ মন গৈছিল। ফলস্বৰূপে ক্লাছ ফাইভত থাকোঁতে আখৰ গন্তি কৰি-কৰি, জোৰ-জবৰদস্তি কৰি 'খায়'ৰ লগত 'হায়' মিলাই দিয়াজাতীয় পদ্য এটা লিখিছিলো। পদ্যটোৰ বিষয়বস্তু আছিল টাউনীয়া লোকৰ ধুন-পেচ। এদিন পিতায়ে তেখেতৰ ওচৰত গোট খোৱা গুণমুগ্ধ বন্ধুসকলক পদ্যটো মাতি শুনাইছিল। পদ্যটোৰ জীৱনকাল সিমানতে অন্ত পৰিছিল। সেইবোৰ যিয়েই নহওক, সেইটোৱেই কিন্তু আছিল মোৰ জীৱনৰ প্ৰথম 'মৌলিক ৰচনা'!

স্কুল সম্পৰ্কীয় সৰু কথা এটা কৈ থওঁ। মোৰ নিজৰ অভিজ্ঞতাৰ পৰা ধাৰণা হৈছে,— হাইস্কুললৈ অহা-যোৱা কৰা বাটটো আৰু সেই যাত্ৰা দুটা (যোৱা আৰু অহা) সকলোৰে জীৱনৰ বাবে বৰ প্ৰিয় হোৱা উচিত। জীৱনত অন্য কোনো এটা বাটেৰে ইমান বেছিদিন অহা-যোৱা কৰা নাই; যি ফালেই চাওঁ সেইফালেই নতুন কিবা এটা দেখা পোৱাৰ দৃষ্টি, আৰু যি দেখোঁ তাতে আনন্দ পোৱাৰ মন পাছলৈ নাথাকিল;— এইবোৰ কাৰণেই হ'বলা হাইস্কুললৈ অহা-যোৱা কৰা বাটটো আৰু সেই যাত্ৰা দুটা মোৰ কাৰণে বৰ মৰমৰ হৈ থাকিল। মহেন্দ্ৰ-প্ৰদ্যোতহঁতৰ লগত ওলাই যাওঁ; দুটা চাৰিআলি পাৰ হোৱাৰ পাছত শচীন, খুদু (অৰুণীন্দ্ৰ চন্দ্ৰ বৰা), তপেন, প্ৰদীপহঁত আমাৰ লগ লাগে। চকিদাৰণীৰ আগে-আগে ছোৱালীহঁত গৈ থাকে। হাতত কাগজৰ জাপ একোটা লৈ মহীচন্দ্ৰ বৰা, মতিৰাম বৰা, ৰাধিকামোহন গোস্বামী, বিমলা বৰা, যোগসিং ছেত্ৰী

আদি উকীলসকলৰ কোনোবা-কোনোবা কাচাৰীলৈ গৈ থাকে। আমাৰ স্কুলৰ ৰজনী মহন্ত ছাৰ, প্ৰাণনাথ শৰ্মা ছাৰে কেতিয়াবা আমাৰ ওচৰে-ওচৰে খোজ কাঢ়ে;— সেইখিনি সময়ত আমি বাটৰ কাষে-কাষে মনে-মনে খোজ কাঢ়োঁ। ডবল-পোষ্ক মাৰি চুৰিয়া পিন্ধা আৰু মূৰত পাগুৰি মৰা মহীকান্ত মহন্ত ছাৰ ছাইকেলত আহে; আমি সসম্ভ্ৰমে বাট এৰি দিওঁ। ছোৱালী হাইস্কুলৰ হে'ডমাষ্টৰ জোনাৰাম বৰা সদায় একে সময়ত, একে ধৰণৰ সাজ (চুৰিয়া আৰু দীঘল হাতৰ ছাৰ্ট) পিন্ধি, একেটা খোজেৰে বাটৰ কাষে-কাষে গৈ থাকে। কাচাৰী পোৱাৰ আগতে ৰামদাস বৰুৱা ওৰফে ধন বৰুৱা ওৰফে বৰুৱাবাবুৰ দোকানখন পাওঁ। সৰু গুমটি এটাত বেদানা, আপেল, মছলা, চুপাৰি আদিৰ এখন বিচিত্ৰ ধৰণৰ দোকান। যিদিনাই মই অকলশৰীয়া হৈ পৰোঁ, সেইদিনা বৰুৱাবাবুৰ দোকানৰ কাষ চাপোঁ। নুখুজিলেও বৰুৱাবাবুয়ে বয়াম এটাৰ পৰা মছলা অকণমান উলিয়াই দিয়ে। হাইস্কুলৰ আটাইখিনি দিনত, যেতিয়াই মই বৰুৱাবাবুৰ দোকানলৈ গৈছোঁ, তেতিয়াই তেখেতে দুটা ধৰা বন্ধা প্ৰশ্ন সোধে, আৰু মই ধৰা-বন্ধা উত্তৰ দিওঁ। তেখেতে সোধে, "তোমাৰ নাম কি বেন?" মই কওঁ, "ভবেন।" তেখেতে সোধে,— "ভাত কিহেৰে খালা? হাঁহেৰে নে মাহেৰে?" মই কওঁ,— "ঘাঁহেৰে।"

উল্লেখযোগ্য,—সৰু দোকান এখন দি বহি থকা বৰুৱাবাবু নগৰখনৰ এক সম্ভ্ৰান্ত পৰিয়ালৰ বৈশিষ্ট্যপূৰ্ণ, আদৰণীয় চৰিত্ৰৰ মানুহ আছিল।

আৰম্ভণিতে মহেন্দ্ৰ, প্ৰদ্যোতহঁতৰ লগত স্কুললৈ অহা-যোৱা কৰিছিলো যদিও পাছলৈ ফৌজদাৰীপটিৰ তপেন দত্ত, প্ৰদীপ দত্ত আৰু বিজয় ভূঞা মোৰ নলে-গলে লগা বন্ধু হৈ পৰিছিল। এওঁলোক ঢেৰ টকা-পইচা থকা, ভাল ঘৰ-দুৱাৰ থকা মানুহৰ ল'ৰা আছিল। (বিজয় ভূঞা ড. সূৰ্যকুমাৰ ভূঞাৰ কনিষ্ঠ পুত্ৰ আছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত ড. ভূঞা ডাঙৰীয়াই আমিৰুদ্দিন নামৰ এজন আঢ্যৱন্ত লোকৰ ঘৰ ভাৰালৈ লৈছিল। ঘৰটো আমি স্কুললৈ অহা-যোৱা কৰা বাটতে পৰিছিল।) আমোদজনক কথা, এই তিনিওজন বন্ধুৱে পাছলৈ চাহ-বাগিচাৰ মেনেজাৰ পৰ্যায়ৰ কাম কৰিছিল। স্কুলৰ পৰা আমি তিনিও প্ৰায়েই একেলগে ঘৰলৈ উভতিছিলো; কিন্তু এসময়ত, ঘৰ পোৱাৰ পাছত, মোৰ সময় আৰু তেওঁলোকৰ সময় বেলেগ হৈ পৰিছিল।

সেই সময়ত পিতাইৰ লগ লাগি মই কিছুদিন পঢ়া-শুনা, খেলা-ধূলাৰ বাহিৰৰ কিছু কাম কৰিবলগীয়া হৈছিল। আমি নগাঁৱৰ বৰবজাৰত এখন দোকান দিবলৈ লৈছিলো। শাৰী-শাৰীকৈ থকা পাচলিৰ দোকানবোৰৰ মাজতে এডোখৰ ঠাইত পাঁচ ফুটমান দীঘল, চাৰি ফুটমান বহল থৈলা এখন পাৰি লওঁ,— তাৰ ওপৰতে পাতোঁ আমাৰ দোকানখন।

পিতাই দুইমান বজাতে বজাৰলৈ ওলাই যায়। গাঁৱৰ পৰা অহা খেতিয়ক-বেপাৰীৰ পৰা তেখেতে যিমান পাৰে কম দামত জলকীয়া, আদা আৰু অন্যান্য বস্তু যি পায়, এসেৰমানকৈ কিনি লয়। বজাৰৰ ডাঙৰ বেপাৰীৰ পৰা নহৰু আৰু পিঁয়াজো দুসেৰমান কিনে। ইফালে ঘৰত বৌৱে বাৰীৰ মধুসোলেং, পদিনা, ভাতকেৰেলা আদি মুঠি বান্ধি-বান্ধি পাচি এটাত সজাই থয়। মই স্কুলৰ পৰা গৈ, বৌৱে যি দিয়ে তাকে খাই, পাচিটো মূৰত লৈ বজাৰলৈ যাওঁগৈ। থৈলাখনৰ ওপৰত আদা, জলকীয়া, পিঁয়াজ, নহৰুৰ এক অনা-এক অনাৰ ভাগ সজাওঁ; ওচৰতে ঘৰৰ পৰা নিয়া বস্তুখিনি থওঁ; তাৰ পাছত লেপেটা কাঢ়ি বহি গ্ৰাহকৰ মুখলৈ চাই থাকোঁ। পিতায়ে সন্তাত কিবা পাই নে কি চাবলৈ আকৌ এবাৰ গাঁৱৰ পৰা অহা বেপাৰী বহা অঞ্চলটোত ঘূৰা পকা কৰেগৈ; আৰু গছৰ আগৰ ৰ'দ নাইকিয়া হোৱাৰ পাছত মোৰ ওচৰত বহেহি। তেতিয়া গ্ৰাহকৰ ভিৰ বঢ়াৰ সময় হয়।

আমাৰ মূলধন তেনেই কম আছিল। বেচিবলৈ উলিয়াই থোৱা বস্তুও কম আছিল। সেইকাৰণে বিক্ৰীও হৈছিল বৰ কম। যিখিনি পইচা হাতলৈ আহে, তাৰে অলপ পাছদিনা বস্তু কিনিবলৈ ৰাখি, বাকীখিনিৰে ঘৰৰ কাৰণে চাউল-পাত কিনো। যুদ্ধৰ সময়। বস্তু-বাহানিৰ দাম বাঢ়ি গৈ আছে। যিদিনা পইচাৰ জোৰা মাৰিব পাৰোঁ, সেইদিনা দুসাঁজৰ জোখাৰে চাউল কিনো; যিদিনা নোৱাৰোঁ সেইদিনা ৰাতিৰ সাঁজৰ কাৰণে মিঠা আলু বা মুড়ি কিনো। অতি দুখৰ দিনতো মই লঘোনে থাকিবলগীয়া হোৱাৰ কথা মনত নপৰে। ভাত নহ'লেও কিবা নহয় কিবা এটা পেটত পৰিছিল। কিন্তু মই ধৰিব পাৰিছিলো,— স্কুলৰ পৰা আহি আমি যে দুটামান ভাত খাওঁ, সেইকেইটা বচাবলৈ বৌ কেতিয়াবা লঘোনে আছিল।

বজাৰত দোকান দিয়া কামটোৰ প্ৰতি মোৰ বৰ উৎসাহ আছিল আৰু কামটো কৰি আনন্দও পাইছিলো। পিতাই দোকানত বহি থকা সময়ত কেতিয়াবা মই উঠি গৈ বজাৰখনত ঘূৰি ফুৰিছিলো। ঢাকা-চট্টগ্ৰামৰ মানুহে পৰঠা বনোৱাৰ পৰা আৰম্ভ কৰি মেহৰাবৰ দোকানত মেছিনেৰে বটলত চ'ডাপানী-মিঠাপানী ভৰোৱালৈকে নানান কাণ্ড-কাৰখানা চাই ফুৰিছিলো আৰু উভতি আহি পিতাইক সুধিছিলো,—আমি দ'ম দ'ম আলু-পিঁয়াজেৰে আমাৰ দোকানখন সৌবোৰ দোকানৰ নিচিনাকৈ ডাঙৰ কৰিব পাৰিমনে? পিতায়ে উত্তৰ নিদিছিল।

*বজাৰত কেৱল এটা কথাত মই অলপ অসুবিধা পাইছিলো। স্কুলৰ লগৰ ল'ৰাক বজাৰত দেখিলে মই থৈলাখনত বহি থাকিবলৈ বেয়া পাইছিলো। সিহঁতে মোক দেখাৰ আগতেই মই বহাৰ পৰা উঠি ওচৰতে ইফাল-সিফাল কৰি থাকিছিলো। এদিন প্ৰদীপ দত্তই তেনেকৈ ইফাল-সিফাল কৰি থকাৰ পৰা মোক দোকানখনলৈ মাতি নি চাৰি অনা দি চাৰিভাগ জলকীয়া কিনিছিল। সিহঁতৰ ঘৰত জলকীয়াখিনিৰ প্ৰয়োজন সঁচাকৈয়ে*

আছিল নে নাছিল সেই সম্পৰ্কে মোৰ সন্দেহ জন্মিছিল। মোৰ ধাৰণা হৈছিল,— মোক সহায় কৰিবলৈহে সি জলকীয়াখিনি কিনিছিল। (এই প্ৰদীপ দত্তই পাছলৈ,— মই কলিকতাত এম. এছ. ছি. পঢ়ি থাকোঁতে দুশ টকা দি মোক সহায় কৰিছিল আৰু সন্ধ্যাৰাগ, অনিৰ্বাণ আৰু অগ্নিস্নান চলচ্চিত্ৰ নিৰ্মাণৰ সময়ত যথাক্ৰমে বিছ হাজাৰ, বিছ হাজাৰ আৰু চল্লিছ হাজাৰ টকা ধাৰলৈ দিছিল। কিছুদিনৰ আগতে অসুখীয়া গাৰে হঠাতে আমেৰিকালৈ যাবলৈ ওলাওঁতে সি মোক সুধিছিল— পইচা লাগিব নে কি? মই কৈছিলো, —এতিয়া নালাগে দে।)

এবাৰ মই পইচা উপাৰ্জনৰ বাবে অইন এটা কামত ধৰিছিলোঁ। বৰবজাৰতে মাল্লিক নামৰ এজন মানুহৰ এখন মনোহাৰী মালৰ দোকান আছিল। সেই দোকানখনত আমাৰ চুবুৰিৰে মানুহ এজনে বস্তু বেচা কাম কৰিছিল। তেওঁ এদিন মোক ক'লে,— তেওঁ মোক কিছুমান কেঁচাবন্ধা বহী দিব, মই বেচিব লাগিব; বেচি যি পাওঁ তাৰ তিনি ভাগৰ দুভাগ তেওঁ পাব, এভাগ মই পাম। সেই সময়ত আমাৰ স্কুলৰ ওচৰৰ জুবিলি পথাৰ আৰু চাৰিওকাষে থকা ৰাস্তাবোৰত বহুতো মিলিটেৰিৰ গাড়ী গোট খাইছিল। সাধাৰণতে গাড়ীৰ কনভয়বোৰ গুৱাহাটীৰ ফালৰ পৰা আহি ৰাতিটো সেই অঞ্চলত ৰৈছিলহি, আৰু ৰাতিপুৱাই উজনি অসমৰ ফালে গুচি গৈছিল। গাড়ীবোৰত উঠি অহা সৈন্যবোৰ বগা আৰু ক'লা ছালৰ আছিল। মই ভাবিছিলো,— এই বিদেশী সৈন্যবোৰৰ লিখা কামৰ বাবে নিশ্চয় বহীৰ প্ৰয়োজন হ'ব। তদুপৰি মিলিটেৰিয়ে বোলে আঠ অনা দামৰ বস্তু এটকা দি কিনে। গতিকে মানুহজনে দিয়া বহীবোৰ মই মিলিটেৰিক বেচাই ভাল হ'ব। এই ভাবি, মানুহজনৰ পৰা বহী এসোপা লৈ সন্ধিয়া সময়ত মিলিটেৰিৰ গাড়ীৰ কাষে-কাষে ঘূৰিবলৈ ল'লো। কেইবাদিনো ঘূৰিলো। কোনো-কোনো সৈন্যই বহী এখন লৈ পাত লুটিয়াই চালে; কোনোবাই কিবা ক'লে;— একো নুবুজিলো; এদিন এজন সৈন্যই মোক ওচৰতে বহুৱাই লৈ পইচা থোৱা বেগ এটাত লগাই থোৱা সন্দ্ৰ মেমবালী এজনীৰ ফটো এখন দেখুৱালে;— কিন্তু বহী কোনেও কেতিয়াও নিকিনিলে। মই আশা এৰা নাছিলো। আৰু কেইদিনমান চেষ্টা কৰিম বুলি ভাবিছিলো। কিন্তু এনেতে এদিন সেই মনোহাৰী মালৰ দোকানৰ মালিক ককাইটি আমাৰ ঘৰ ওলালহি। তেওঁ মোক বহীবোৰৰ কথা সুধিলে। মই সকলো ভাঙি-পাতি ক'লো। তেতিয়া তেওঁ ক'লে,— আমাৰ চুবুৰিৰ মানুহটোৱে বহীবোৰ তেওঁৰ দোকানৰ পৰা চুৰ কৰি আনিছে। বহীবোৰ মই লগে-লগে তেওঁক দি দিলো। ভাগ্যে এখনো বহী বেচিব পৰা নাছিলো!

আমাৰ ঘৰত এটা ৰূপোৱালী ৰঙৰ, সম্ভ্ৰান্ত চেহেৰাৰ গুৰুৱী আছিল। সেইটোৱে কোনে কেতিয়া ধঁপাত খাইছিল ক'ব নোৱাৰোঁ; পিতায়ে কিন্তু নাখাইছিল। বস্তুটো অন্যান্য

লাংখালিংখি বস্তু কিছুমানৰ মাজত সোমাই আছিল; কোনেও তালৈ মন-কাণ কৰা নাছিল। কিন্তু এদিন পিতাইৰ বস্তুটোৰ ওপৰত চকু পৰিল। জাঁজৰ মাজৰ পৰা উলিয়াই আনি চাওঁ টেঙাৰে (চাঙেৰী, টেঙেচী টেঙা) ঘহোঁতে গুৰগুৰীটো চিকচিকাই উঠিল। তাৰ পাছত তেখেতে ওচৰৰ চুবুৰিৰ মতিফৰৰ বাপেকক সেইটো বেচি দিলে। দুসাঁজৰ চাউলৰ দাম ওলাল। তাকে দেখি এদিন লাংখালিংখিবোৰৰ মাজৰ পৰা পুৰণি হাতোবাহ, দা আদি লোহাৰ বস্তু কিছুমান উলিয়াই মোনাত ভৰাই লৈ বৰবজাৰৰ ওচৰে পাঁজৰে থকা কমাৰৰ দোকানে-দোকানে ঘূৰি ফুৰিলো। শেষত এজন কমাৰে ছ অনাত বস্তুখিনি কিনি ল'লে। সেই ছ অনা পইচাই সেইদিনা বৰ সকাহ দিছিল।

আগতে যে কৈছিলো— পিতায়ে এদিন ভিক্ষা কৰাৰ কথা,— ঘটনাটো সেইছোৱা সময়তে ঘটিছিল। দুপৰীয়াৰ সাঁজৰ কাৰণে কি কৰা যায় তাকে ভাবি-চিন্তি থাকি এসময়ত তেখেত ওলাই গৈছিল আৰু দুপৰীয়া পুৰণি ছাত্ৰ দুজনৰ ঘৰৰ পৰা চাউল লৈ উভতি আহিছিল।

সেইছোৱা সময়ত আমাৰ থকা আৰু খোৱা দুয়োটাৰে অৱস্থা বেয়া হৈছিল। দুকুঠলীয়া টিনৰ চালিৰ, বাতাম নোহোৱা বেৰৰ মূল [illegible] কোনোমতে আলহী-অতিথি, বাটৰুৱা আদিৰ আগত আমাৰ মান-সম্মান ৰক্ষা কৰিছিল; কিন্তু সেইটোৰ লম্বভাৱে থকা খেৰীঘৰটোৱে আমাৰ নিজৰ আগতে নিজৰ সম্মান ৰক্ষা কৰিব পৰা নাছিল। সেইটো ঘৰৰ এটা কোঠালিত পিতাই, বৌ আৰু মই শুইছিলো। বৰষুণ আহিলে মই আৰু বৌ শোৱা বিছনাখনত পানী পৰিছিল। মনত আছে,—এদিন ৰাতি বৌৱে বিছনাৰ পৰা কাপোৰ-কানি কোঁচাই, ছাতি এটা মেলি বহি লৈছিল আৰু ছাতিটোৰ তলতে মোক হাত-ভৰি কোঁচাই শুই থাকিবলৈ কৈছিল। মই শুইছিলো আৰু লগে-লগে মোৰ টোপনিও আহিছিল।

বৌৰ কথা এতিয়ালৈকে বিশেষ একো কোৱা হোৱা নাই। এইজনী এজনী লিখা-পঢ়া নজনা, কাণেৰে কম শুনা, অতি সাধাৰণ মানুহ আছিল। অতি সাধাৰণ, ঘৰ-ধৰা মানুহ হিচাপেই এই মানুহজনীয়ে মোক যিবোৰ অভিজ্ঞতাৰে সমৃদ্ধ কৰিছিল, সেইবোৰ অভিজ্ঞতা জীৱনত কেতিয়াও আন কাৰোবাৰ পৰা আহৰণ কৰাৰ সম্ভাৱনা নাছিল। আগতেই উল্লেখ কৰি থৈছোঁ, এইজনী মানুহে ঢেঁকী দিওঁতে মই ঢেঁকীৰ নেজত বহি খেমালি কৰি সময় কটাইছিলো। বেৰী লগোৱা খোৱা আৰু বেৰী নলগোৱা খোৱা ঢেঁকীত কেতিয়া লগোৱা হয়, কি দোষত আৰৈ চাউল খুৰলিত বেছিকৈ ভাগে, কণাই গুড়ি আৰু সান্দহৰ পাৰ্থক্য কি,— এই ধৰণৰ কথা বিধিনি জানিছিলো, সেই মানুহজনীৰ পৰাই জানিছিলো। এতিয়া সেইবোৰ নিতান্ত অলাগতিয়াল, তুচ্ছ কথা যেন লাগে; কিন্তু কথাবোৰ যে জানিছিলো, আৰু সেইজনী মানুহৰ পৰাই যে জানিছিলো, মোৰ জীৱন-

বৃত্তত সেইবোৰো একো-একোটা আনন্দ প্ৰতিফলিত কৰা বিন্দু। গধূলি পৰত ডাঙৰ কেৰাহী এটাত যে ককুৱা ধান সিজোৱাৰ কথা কৈছিলো,— কেতিয়া কেৰাহীৰ তলৰ জুইকুৰা নুমুৱাব লাগে, ধানকেইটামান লিৰিকি-বিদাৰি চাই সেই কথাটো ঠিক কৰিছিল এই মানুহজনীয়ে। মানুহজনীয়ে এদিন ৰাতি খুদ চাউল দি সূতা সিজায়, পাছদিনা লেচু-তলত বৰ-চেৰেকীৰ পৰা সৰু চেৰেকীলৈ আনি সূতাৰ সৰু নেচা কৰি শুকুৱায়; সেই সূতা বাৰটামান উঘালৈ তোলে; এদিন ৰাতিপুৱাই তাঁতবাটি কৰে, দুপৰীয়া বাঁচ ভৰায়, পাছদিনাৰে পৰা ব তোলে; এদিন কাপোৰ বৈ শেষ কৰি শাল উদং কৰে;— এই গোটেই কামখিনি মানুহজনীয়ে অকলে কৰে; পিতাই বা ককাইদেৱে কেৱল বাঁচ ভৰোৱাৰ পাছত টোলোঠাত তাঁতখন মেৰিয়াবৰ সময়ত ইমূৰৰ ডাংডাল ধৰি দিয়ে। এখন চাদৰ বা এখন গামোচাৰ দীঘ ঠিক কৰিবলৈ যে সূতাৰ ওপৰত চিয়াঁহীৰ দাগ একোটা দিব লাগে, সেই কামটো কৰিবলৈ মই বৰ আগ্ৰহেৰে বৈ থাকোঁ। কনিষ্ঠ সন্তানটো সাধাৰণতে মাকৰ বেছি সময়ৰ লগৰীয়া হয়। আমাৰ ক্ষেত্ৰত এই কথাটো একেবাৰে সঁচা আছিল। সেই কাৰণেই হ'বলা, সেই সূতা সিজোৱাৰ পৰা আৰম্ভ কৰি ব-খিনি খুলি শাল শেষ কৰালৈকে এই গোটেই প্ৰক্ৰিয়াটো মই নিচেই ওচৰৰ পৰা চোৱাৰ সুবিধা পাইছিলো। গামোচা, ৰিহা আদি ঠেক পুতলৰ কাপোৰৰ তাঁত হ'লে কেতিয়াবা চথতে কেইমোৰমান বৈয়ো পাইছিলো; বৌক প্ৰকৃত সহায় কৰাৰ নামত মাজে-মাজে মহুৰা ফুৰাই দিছিলো। বৌৱে কাপোৰ বোৱা কামত ধৰিলে আমাৰ আলপৈচান ধৰাৰ কামত অলপ খেলি-মেলি হয় কাৰণে ঘৰত সূতা সোমালেই মই পেটে-পেটে বেয়া পাইছিলো। বৌ তাঁতৰ পাটত বহি থকা সময়খিনিত কেতিয়াবা বিৰক্ত হৈছিলো। বিশেষকৈ কোনোবা এখন গামোচা বা চাদৰত ফুল বাছিব লাগিব বুলি ক'লে বৰ বেয়া পাইছিলো। কিন্তু আমনি লগা হ'লেও ফুল বছা কামটো মই বৌ বহা বেঞ্চখনৰ এটা মূৰে বহি লৈ মন দি চাইছিলো। সমুখত পুৰণি গামোচা বা চাদৰৰ পৰা ফালি ৰখা চানেকীটো পেলাই লৈ, সূতা গণি-গণি দীঘল-দীঘল কাঠী সুমুৱাই যোৱা; তাৰ পাছত কাঠীৰ ঠাইত শলি, শলিৰ ঠাইত ছিৰি—! আন্তৰিক আগ্ৰহ নাথাকিলে এনেকুৱা কামৰ কাৰণে ধৈৰ্য গোটোৱা সহজ কাম নহয়।

এসময়ত সূতাৰ অভাৱত, আৰু তাৰ পাছত বৌৰ স্বাস্থ্যৰ কাৰণে বেৰত ওলমাই থোৱা তাঁতৰ সঁজুলি মাটিলৈ ননমা হ'ল। তাৰ পাছত কেনেকৈ যে এপদ-এপদকৈ সেই সঁজুলিবোৰ নাইকিয়া হৈ গ'ল, ভাবিলে আচৰিত হ'ব লাগে। সময়ৰ সোঁতত জামুক'লীয়া ৰং ধৰা, পিছল-পিছল ছিৰি-শলিবোৰ, টোলোঠা দুটা, দোৰপতিযোৰ, ব-তোলা চুঙাটো, ফুল বছা কাঠীবোৰ;— কোনেও ধ্বংস কৰোঁ বুলি ধ্বংস নকৰে;— কিন্তু এখন ঘৰৰ পৰা যে এই বস্তুবোৰ নাইকিয়া হৈ যায়,— এই প্ৰক্ৰিয়াটোৱেই এটা

বৰ আমোদজনক, স্বাভাৱিক প্ৰক্ৰিয়া। মই যে এদিন চোত্তালৰ পৰা বোন্দাকেঁচু এডাল আঁতৰাবলৈ অইন একো নাপাই ওচৰৰে বেৰত ওলমি থকা মুঠিটোৰ পৰা শলি এডাল উলিয়াই লৈছিলো,— প্ৰক্ৰিয়াটো চাগৈ সিমান অনাড়ম্বৰভাৱেই আৰম্ভ হৈছিল! এদিন শলি এডাল যেনেকুৱা বাটেৰে গ'ল, অইন এদিন টোলোঠা এটাও চাগৈ তেনেকুৱা বাটেৰেই গুচি গ'ল।

শোটা-বাঢ়নী, হেঁতা-টাৰু, কলহ্-বাল্টি, চাবোন-খাৰণি সকলো চণ্ডালি তিনিটা স্কুলীয়া ল'ৰা ডাঙৰ কৰা বৌৰ পৰা, এখন সংসাৰত এজনী মানুহে অকলে কিমান কাম কৰিব পাৰে, তাৰ এটা স্পষ্ট ধাৰণা মই পাই থৈছিলো। যেতিয়া পঢ়িব লাগে কাৰণে কলঙত গা ধুবলৈ যাবলৈ সময় নাপাইছিলো, নাদৰ পাৰলৈ যাবলৈ সময় নাপাইছিলো, তেনেকুৱা দিনত এইজনী মানুহে কলহ-বাল্টিৰে নাদৰ পৰা পানী কঢ়িয়াই সেই ধান সিজোৱা ডাঙৰ কেৰাহীটো আমাৰ কাৰণে পানীৰে ভৰাই থৈছিল।

আমি লাহে-লাহে, স্বাভাৱিকতে, নগৰীয়া জীৱনৰ মাজলৈ সোমাই গৈছিলো; কিন্তু বৌৰ জৰিয়তে সেই সৰু কালতে গাঁৱৰ জীৱনৰ যি অভিজ্ঞতা অৰ্জন কৰিছিলো, সেয়েই মোৰ গোটেই জীৱনৰ কাৰণে অতুলনীয়, আপুৰুগীয়া সম্পদ হৈ ৰৈছিল।

বৌৰ ঘৰ আছিল পূৰণিগুদাম আৰু চামগুৰিৰ মাজৰ ভীমৰগাঁও নামে এখন গাঁৱত। পাঠশালা আৰু হাইস্কুলৰ তলৰ শ্ৰেণীৰ দিনবোৰত আমি বছৰত দুবাৰমানকৈ ভীমৰগাঁৱলৈ গৈ আছিলো। ফৌজদাৰীপটিৰ পৰা দহ মাইলমান দূৰৰ সেই গাঁওখনলৈ কৰা ভ্ৰমণটোৱেই মোৰ কাৰণে বৰ বিচিত্ৰ আছিল। কেতিয়াবা গৈছিলো বাছত; কেতিয়াবা ৰে'লত। যদি বাছত যাবলৈ ঠিক কৰা হয়, তেনেহ'লে ঘৰৰ কোনোবাই গৈ আগদিনাই বাছৰ মালিক বা ড্ৰাইভাৰ-হেণ্ডিমেনক কৈ আহিব লাগে;—পাছদিনা বাছখন যথাসময়ত পদুলিমুখত ৰৈ থাকেহি। নগৰখনৰ বিভিন্ন বাটেদি ঘূৰি-পকি বাছখন যেতিয়া পূৰণিগুদামৰ ফালে আগ বাঢ়িছিল, তেতিয়া মোৰ প্ৰধান চিন্তাটো আছিল— মোৰ লগৰ কোনোবা ল'ৰাই মোক বাছত উঠি যোৱা দেখিছে নে নাই? মই যদি কাৰোবাক দেখোঁ, তেনেহ'লে হাত জোকাৰি-জোকাৰি, চিঞৰি-চিঞৰি তাক মাতিছিলো। মই বাছত উঠি ক'ৰবালৈ গৈছোঁ,— এনে এটা ঘটনা লগৰ কোনেও নেদেখিব,— সেইটো বেয়া পাবলগীয়া কথা আছিল। পাছত স্কুললৈ যোৱাৰ দিনা,— যিটোৱে মোক দেখিছিল, সি মোক মোৰ বাছ-ভ্ৰমণৰ বিষয়ে সোধালৈ বৰ আগ্ৰহেৰে বাট চাই আছিলো। সেয়া মোক্তাৰ স্কুলৰ দিনৰ কথা।

যেতিয়া ৰে'লত যোৱাটো ঠিক কৰা হৈছিল; তেতিয়া ঘৰৰ পৰা নগাঁও ষ্টেছনলৈ দুটা ঘোঁৰাই টনা বাগীত গৈছিলো। ভাৰা বৰ বেছি চাবি অনা আছিল। নগাঁও ষ্টেছনৰ পৰা পূৰণিগুদাম ষ্টেছনলৈ প্ৰায় সাত মাইল। যিমান বেছি সময় ৰে'লত উঠি থাকিবলৈ পাওঁ, সিমানে ভাল পাওঁ কাৰণে মই পিতাই বা ককাদেউই তক ঘনে-ঘনে সুধিছিলো,—

"আমি আধাতকৈ বেছি আহিলো নে কম আহিলো?" আধাতকৈ বেছি যাবলৈ আছে বুলি জানিলে বৰ ভাল পাইছিলো।

কেতিয়াবা পুৰণিগুদাম ষ্টেছনলৈ মোমাইহঁতে গৰুগাড়ী লৈ আহিছিল, কেতিয়াবা ষ্টেছনৰ পৰা ভীমৰগাঁৱলৈ সেই দুমাইলমান বাট খোজ কাঢ়িছিলো। সেয়াই মোৰ জীৱনৰ প্ৰথম খোজকঢ়াৰ আটাইতকৈ দীঘল বাট। বাটটো শেষ নহয়-নহয় লাগিছিল। ভৰি বিষাই গৈছিল।

আমাৰ একেবাৰে নিজৰ মোমাই বাপাৰাম আৰু চেনাৰাম মোমাইৰ বাহিৰেও ভীমৰগাঁওখন সম্পৰ্কীয় মোমাইৰে ভৰি আছিল;— থানেশ্বৰ, গোপাল, ৰবিৰাম, মঘুৰা, গেন্ধেলা,—। কিছুমান মোমাই মোৰ সমনীয়াই আছিল। ভীমৰগাঁৱত থকা দিনকেইটাত সিহঁতৰ লগতে গোটেইখনত পিনপিনাই ফুৰিছিলো আৰু কেতিয়াবা আবেলি চৰকাৰী ৰাস্তাতে ৰবাব টেঙাৰে ফুটবল খেলিছিলো।

চৰকাৰী ৰাস্তাটোৰ একাষে ঘৰবোৰ আৰু ইকাষে এখন হাবি। হাবিখন পাৰ হ'লেই কলং নদীখন। হাবিখনৰ মাজে-মাজে কেইবাটাও লুংলুঙীয়া বাট। গাঁওখনৰ মানুহে ৰাস্তাটো পাৰ হৈ সেই লুংলুঙীয়া বাটবোৰেদি কলঙৰ পানীলৈ আহে। প্ৰতিটো বাটৰ মূৰত একোটা গা-ধোৱা, কাপোৰ-ধোৱা ঘাট। ৰাতিপুৱা পোহৰ হোৱাৰ পাছতে ঘাইকৈ বোৱাৰী আৰু বয়সীয়া তিৰোতা মানুহখিনি ঘাটলৈ আহে। আমাৰ ডাঙৰ মামীয়ে পুৱাই কলঙত গা ধুই ঘৰলৈ পানী কঢ়িয়ায়; তাৰ পাছত গোটেই ঘৰটোৰ মজিয়া মচে, তাৰ পাছতহে আমাৰ কাৰণে চাহ-জলপানৰ আয়োজন কৰে। তাৰ পাছত খৰাহীত দিনৰ সাঁজৰ চাউল-দাইল (মাহ) খিনি লৈ মামী আকৌ এবাৰ ঘাটলৈ যায় আৰু সেইবোৰ নৈৰ পানীৰে ধুই, একলহ পানীৰে উভতি আহে। (চন্দ্ৰকান্ত আৰু হেমকোষ— এই দুয়োখন অভিধানৰ এখনতো মামী শব্দটো নাই। দুয়োখন অভিধানৰ মতে, মোমায়েকৰ ভাৰ্যা বুজোৱা শব্দটো হ'ল 'মাই'। মই কিন্তু মোমায়েকৰ ভাৰ্যাক 'মাই' বুলি মতা আৰু মামী বুলি নমতা মানুহ লগ পোৱা নাই। মই লগ নোপোৱাটো ডাঙৰ কথা নহয় আৰু তাৰ পৰা একো সিদ্ধান্তও কৰিব নোৱাৰি; কিন্তু মামী শব্দটো অসমীয়া অভিধানত অন্তৰ্ভুক্ত হ'বলগীয়া শব্দ বুলি মই বিশ্বাস কৰোঁ।)

হাবিখনত ঢেৰ লেটেকু আৰু চোৱা গছ আছিল। কোনোবাবাৰ গৈ দেখোঁ, গছবোৰত থোপাথোপে লেটেকু লাগি আছে। চোৱা গছবোৰৰ তল গুটিৰে ভৰি আছে। সেইবোৰ বোলে মেচেকাই খাই উলিয়াই দিয়া গুটি। সেইকাৰণে সেইবোৰ আমি নাখাইছিলো। হাবিখনত ঢেৰ বান্দৰো আছিল। কিছুমান বান্দৰে মানুহৰ ফালে চোঁচাও লৈছিল।

গাঁৱৰ ওচৰতে থকা মাটিৰ বাহিৰেও আমাৰ মোমাইহঁতৰ দূৰত এখন পাম আছিল। খেতিৰ কামৰ কাৰণে আতাই-মোমাইহঁতে বছৰটোৰ কিছুদিন পামত আছিলগৈ। এবাৰ

আমি তাত থকা সময়তে ডাঙৰ মোমায়ে ঘাটত এখন মাৰনাও লগাইছিলহি। নাওখন পামৰ্ত্ত-হোৱা ৰঙালাওৱে ভৰি আহিছিল। পুৱা নমান বজাৰ পৰা তিনিটা মানুহে ৰঙালাও কটিয়াবলৈ আৰম্ভ কৰি গধূলিৰ আগে-আগে কামটো শেষ কৰিছিল। ময়ো সৰু-সৰু ৰঙালাও কেইবাটাও কটিয়াই দিছিলো। সেই দিনটো কৃষিকৰ্মই মোমাইহঁতক দিয়া সুখৰ দিনৰ নমুনা আছিল। তাৰ প্ৰায় আঠ বছৰৰ পাছতো, ডাঙৰ মোমায়ে মোৰ মেট্ৰিক পৰীক্ষাৰ বাবদ দিবলগীয়া মাচুলৰ সোতৰটা টকা দি মোক সহায় কৰিছিল। কিন্তু তাৰ পাছত লাহে-লাহে মোমাইহঁতৰ সুখৰ দিনৰ খবৰ নোপোৱা হৈ আহিলো। চেনাৰাম মোমায়ে খেতি এৰি পুলিচৰ চাকৰি লৈছিল। চাকৰি জীৱনৰ বেছিভাগ সময় তেওঁ দেৰগাঁৱত কটাইছিল। বহুদিনৰ মূৰত চিপাহী সাজ পিন্ধা, প্ৰৌঢ় মানুহজনক লগ পাওঁতে সুধিছিলো,—"মোমাই, দেৰগাঁৱত আপুনি কি ডিউটি কৰে?" মোমায়ে মিচিকিয়া হাঁহি এটা মুখত লৈ সৰু মাতেৰে কৈছিল, "পেৰেড ভী কৰোঁ, বিকুল ভী বজাওঁ।"

ভীমৰগাঁৱৰ চেনাৰাম মোমাইৰ মুখত যে এই 'ভী' শব্দটো ওলাইছিল, সেইটো মোৰ কাৰণে তাৎপৰ্যপূৰ্ণ আছিল। শব্দটোৱে এটা পৰিবৰ্তন সূচাইছিল আৰু সেই পৰিবৰ্তনে মোমাইহঁতৰ ঘৰখনৰ ক্ষেত্ৰত এটা অৱক্ষয়ৰ ৰূপ ধাৰণ কৰিছিল।

মোমাইহঁতৰ ঘৰৰ পৰা চামগুৰিৰ ফালে ডেৰ ফাৰ্লংমান দূৰত বাটৰ সোঁফালে পুখুৰী বুলিব পৰা এটা ডাঙৰ খাল আছিল। এবাৰ গৈ দেখিছিলো,—খালটোৰ পাৰত বহি ৰুদ্ৰ ককাই বৰশী বাই আছে। মোৰ ধাৰণা, ৰুদ্ৰ ককাৰ বয়স আমাৰ নগেন ককাইদেউ, নৃপেন ককাইদেউৰ বয়সৰ মাজতে হ'ব। হাফপেণ্ট আৰু কামিজ পিন্ধি থকা ল'ৰাজনে মোক মৰম কৰি ওচৰতে বহুৱাই লৈছিল আৰু অলপ সময় কথা পতাৰ পাছতে মোক গান গাবলৈ কৈছিল। প্ৰথমতে লাজ কৰি নাই-নাগাওঁ কৰাৰ পাছত মই এটাৰ পাছত এটাকৈ কেইবাটাও গান গাই গৈছিলো।—"হিয়া নাওখনি বাই যা তই, মন-নাৱৰীয়া অ'—", "গান মোৰ কাঢ়ি লৈ, হিয়াখনি ভাঙি থৈ যায় গুচি দূৰলৈ কোন"—। ৰুদ্ৰ ককাইদেৱে মন দি মোৰ গান শুনি আছিল। সেয়াই ৰুদ্ৰ ককাইদেউৰ লগত মোৰ প্ৰথম যোগাযোগ। পাছলৈ তেখেতৰ লগত মোৰ যোগাযোগৰ অধ্যায়টো অলপ দীঘলীয়া হৈছিল। যথা সময়ত সেই অধ্যায়টোলৈ আহিব পাৰিম। মই গান গোৱাৰ কথা ওলাল কাৰণে এটা কথা কৈ থওঁ। গায়কে গান গোৱা সম্পৰ্কে মোৰ নিজা এক বিচাৰ আছে; গান গোৱা কৰ্ম-সম্পৰ্কে মোৰ এটা স্পষ্ট ধাৰণা আছে। সেই বিচাৰ আৰু ধাৰণাৰ সমুখত মই গান গোৱা কথাষাৰ লাজৰ কথা। কিন্তু এটা বয়সলৈকে গানৰ নামত মোৰ মুখৰ পৰা কোঠালিৰ ভিতৰত বা পিকনিকৰ নিচিনা মুকলি-পাতল পৰিবেশত যি ওলাইছিল, তাত শ্ৰোতাসকলৰ কাৰণে অইনফালে মুখ ঘূৰাই মুখ টিপি হাঁহা, ফিচিঙা-ফিচিং কৰা, বা 'হ'ব-হ'ব' বুলি চিঞৰিব পৰাৰ উপাদান নাছিল।


বৌৰ কথাৰ লগতে ভীমৰগাঁৱৰ কথা কৈ থোৱাটো মোৰ কাৰণে এটা প্ৰাসংগিক কাম; কাৰণ ভীমৰগাঁও আৰু মোমাইহঁত মোৰ কাৰণে এক ধৰণৰ শিশু-সাৰথি আছিল।

বিছনাত বৰষুণৰ পানী পৰাৰ দুখ মোৰ কাৰণে চাৰিবেৰৰ ভিতৰৰ উপৰুৱা দুখ আছিল। সৰু ল'ৰাৰ যে ডাঙৰৰ সমানে জাৰো নালাগে গৰমো নালাগে, মোৰ ক্ষেত্ৰত কথাটো তেনেকুৱাই আছিল। এতিয়া উপলব্ধি কৰোঁ সেইবোৰ সাংসাৰিক দুখৰ লগত মোৰ মনৰ সম্পৰ্ক কচুপাতৰ লগত পানীৰ সম্পৰ্কৰ নিচিনা আছিল। জাৰকালিৰ মাজনিশা একোটা সৰু ল'ৰাই যে কেৱল ফটা চোলা এটা পিন্ধি তাঁওনা চাই আপ্লুত হৈ থাকে কথাটো তেনেকুৱাই আছিল। তদুপৰি সেই কালছোৱাত বাহিৰৰ জগতখনত যি উত্তেজনা, সেই উত্তেজনাৰ এটা ৰূপে মোকো স্পৰ্শ কৰি আছিল। আমাৰ স্কুলৰ চৌহদটো মিলিটেৰিয়ে লৈছে; গতিকে আমাৰ স্কুল বহিছে ৰাতিপুৱা-ৰাতিপুৱা বেংগলী হাইস্কুলত। সেইটোও এটা উত্তেজনাৰ কথা। স্কুললৈ গৈছোঁ, বাটতে এদল মানুহে কৈছে,— উভতি যোৱা। স্কুললৈ নাযাবা। পিকেটিং, বয়কট। ৰাজহুৱা ঠাইত চৰকাৰে ইংৰাজীৰ ভি আৰু ডব্লিউ আখৰটোৰ আকৃতিৰ ট্ৰেঞ্চ খনাইছে; চৰকাৰৰ জাননী মতে আমিও চোতালত দীঘলীয়া গাঁত খানিছোঁ; স্কুলত আমাক শিকোৱা হৈছে— বোমা পৰিলে কি কৰিব লাগিব; সেই গাঁতবোৰত সোমাই কেনেকৈ বহি থাকিব লাগিব। এদিন ৰাতি আঠমান বজাত আকাশত এটা গুমগুমনি উঠিল; আমি বাটলৈ ওলাই আহিলো। আকাশেদি এটা তৰা গৈ আছে। এৰোপ্লেন। সেয়াই এৰোপ্লেনৰ লগত মোৰ জীৱনৰ প্ৰথম সম্পৰ্ক। তাৰ পাছত দিনে-ৰাতিয়ে নগৰখনৰ ওপৰেদি এৰোপ্লেন গৈয়েই থাকে। এদিন এখন এৰোপ্লেনে নিচেই তলেদি ঘৰ-দুৱাৰ কঁপাই কেইবাবাৰো ঘুৰা-পকা কৰিলে; তাৰ পাছত চকুৰ আগতে এৰোপ্লেনখনৰ পৰা পেৰাছুট এটা নামি আহিল। শ-শ মানুহে হয়বৰগাঁৱৰ ফালে দৌৰ ল'লে। পাছত শুনিলো জীৱন্ত পাইলটসহ পেৰাছুটটো খুটিকটীয়াৰ ওচৰত পৰিছিল, আৰু এৰোপ্লেনখন কেইমাইলমান দূৰত পৰি বিধ্বস্ত হৈছিল। এনেকুৱা পৰিবেশৰ লগত মিহলি হৈ গৈছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ কাৰ্যসূচী। বিশেষ একো নুবুজোঁ, কিন্তু কোনোবাই মাতিলেই 'প্ৰছেছন কৰিবলৈ' দৌৰ মাৰোঁ। সেই সময়ৰ আন্দোলনৰ কথা ভাবিলে দুঘৰ মানুহৰ কথা মোৰ বৰকৈ মনত পৰে। আমাৰ ঘৰৰ অলপ দূৰতে থকা সুধাংশু বাবুৰ ঘৰখন স্বাধীনতা আন্দোলনৰ এটা কাৰ্যালয় যেন লাগিছিল। সুধাংশু বাবুৰ জীয়েক আবু আৰু চতুৰে সমদলৰ সমুখ ভাগত থাকি মুক্তকণ্ঠে দেশপ্ৰেমৰ শ্ল'গান উচ্চাৰণ কৰিছিল। ইখন ঘৰৰ মানুহজনৰ নাম আছিল ইছলাম খাঁ। এযোৰ অতি সাধাৰণ পায়জামা-পাঞ্জাবি পিন্ধি ঘূৰি-ফুৰা এই দুখীয়া মানুহজনে কংগ্ৰেছৰ কামৰ বাহিৰে আৰু কি কৰিছিল আমি নাজানিছিলো।

ঘৰৰ ভিতৰত দুখ আৰু বাহিৰৰ উত্তেজনা,— এইবোৰৰ মাজতে দিন কটাইছিলো সঁচা, কিন্তু এইবোৰেই মোক সম্পূৰ্ণৰূপে গিলি পেলাইছিল নে? হাইস্কুলৰ প্ৰথম চাৰি বছৰ,— সেয়াতো মোৰ শিশুকালৰ বৰ গুৰুত্বপূৰ্ণ দিন। কিন্তু শিশু হিচাপে মই কি কৰিলো? শিশুৰ যে খেলা-ধূলা-আনন্দৰ এখন বিশাল জগত আছে, মোৰ বেলিকা সেইখন জগতৰ কি হ'ল? আমোদজনক কথা,— মোৰ এখন বৰ আপোন, বংচঙীয়া খেলৰ জগত আছিল। আমিও অইন দহটা ল'ৰাৰ নিচিনাকৈ চিলা, মাৰ্বল গুটি, বাঁহৰ হিলৈ আদি লৈয়েই খেলৰ পথাৰখনত ভৰি দিছিলো; হিলৈৰ 'গুলী'ৰ কাৰণে নিম-গুটি আৰু জামু-ফুল বিচাৰি ওচৰৰ হাবিকেইখনত ঘূৰি ফুৰিছিলো, নাপালে ফটা কাগজ চোবাই-চোবাই তাৰেই গুলী তৈয়াৰ কৰিছিলো; কিন্তু সেইবোৰ খেল অতি সোনকালে মোৰ কাৰণে পুৰণি হৈ গৈছিল। নতুন খেল কি উলিয়াব পৰা যায় সেই ধান্দাই মনত বাহ লৈছিল। লাহে-লাহে মোৰ খেলবোৰ এক ধৰণৰ কাৰুকাৰ্যত পৰিণত হৈছিল। সেইবোৰ তুচ্ছ কথা বুলি বাদ দিবলৈ মন যায়; কিন্তু আজিৰ সৰু-সৰু ল'ৰা-ছোৱালীহঁতক আমাৰ কেইটামান খেলৰ আভাস দিবলৈও মন যায়। পিতায়ে বেৰ বান্ধিবলৈ কামি চাঁচে। চাঁচোতে যে মিহি-মিহি চোঁচবোৰ ওলায়, তাৰে ডাঙৰ পাতিনেমু এটাৰ সমান গোল এটা কৰোঁ। সেই গোলটো জুই ফুউৱা চুঙাটোৰ এটা মূৰেদি চাৰি ইঞ্চিমান ভিতৰলৈ ভৰাই দিওঁ। চুঙাটো বাৰ-চৈধ্য ইঞ্চিমান দীঘল। তাৰ পাছত প্ৰায় চুঙাটোৰ সমানে দীঘল মিহি কাঠী এডালৰ এটা আগত অকণমান ফটাকানি মেৰিয়াই, ফটাকানিকণ কেৰাছিন তেলত জুবুৰিয়াই দিওঁ। তাৰ পাছত তাত জুই লগাই, চুঙাটোৰ ইটো মূৰেদি কাঠীডাল সুমুৱাই ভিতৰৰ চোঁচখিনিত জুই লগাই দি কাঠীডাল উলিয়াই আনো। চোঁচখিনি জ্বলিবলৈ ধৰাৰ অলপ পাছতে চুঙাটোৰ পৰা ৰে'লৰ উকিৰ নিচিনা শব্দ ওলায়। সেই শব্দটো উলিয়াব পৰাটোৱেই আনন্দৰ কথা। পাছলৈ বেলেগে চুঙা এটা কাটি লৈ, নিজে বাঁহ চুঁচি চোঁচ তৈয়াৰ কৰি লৈছিলো।



ধনু-কাঁড় লৈ খেলাটো আমাৰ কাৰণে সাধাৰণ খেল হৈ পৰিছিল; গতিকে কাঁড় মৰাৰ নতুন খেল এটা খেলিবলৈ লৈছিলো। এই খেলটো অইন কোনেও খেলা দেখা নাই কাৰণে, লুপ্ত হৈ যোৱাৰ ভয়ত, বৰ্ণাই থওঁ। আমি শকত ইকৰা এডালৰ গুৰি ফালৰ পৰা দুফুট তিনি ইঞ্চিমান দীঘল টুকুৰা এটা কাটি লওঁ। টুকুৰাটো এনেকৈ কাটোঁ যাতে মিহি মূৰটোৰ পৰা সাত ইঞ্চিমান আঁতৰত এটা গাঁঠি পৰে। সেই গাঁঠিটোৰ বাহিৰে




ইকৰা টুকুৰাৰ বাকী গাঁঠিকেইটা চুঁচি নিমজ কৰি লওঁ আৰু মোটা ফালৰ আগটো মাটিত খোঁচ খাব পৰাকৈ জোঙা কৰি লওঁ। তাৰ পাছত তাৰ মিহি ফালৰ আগটো চাৰিফালকৈ, ছয় ইঞ্চিমানলৈ ফালোঁ। তাৰ পাছত চাৰিটা সমান আকৃতিৰ, পুৰঠ লেচুপাত ছিঙি আনো। পাতকেইটাৰ আগ-গুৰি তেৰেছাকৈ কাটি লওঁ আৰু ইকৰাটুকুৰাৰ ফালি লোৱা মূৰটোৰ চাৰিভাগৰ প্ৰতিটো ভাগতে এটাকৈ পাত সুমুৱাই দিওঁ। তাৰ পাছত পাতকেইটাৰ ওপৰ আৰু তলত ইকৰাটুকুৰাত সূতাৰে একোটাকৈ গাঁঠি দিওঁ,— যাতে পাতকেইটাই লৰচৰ কৰিব নোৱাৰে। এইডাল এডাল নতুন ধৰণৰ কাঁড় হ'ল। এতিয়া আমি চাৰে তিনিফুটমান দীঘল মিহি ৰছী এডালৰ এটা মূৰে এটা গাঁঠি দি লওঁ। সেই মূৰটোৰে পাতবোৰৰ তলতে থকা ইকৰাৰ গাঁঠিটোৰ ওপৰত পাক এটা দি ৰছীডালৰ মূৰৰ গাঁঠিটোৰ সহায়ত ফাঁচ এটা লগাই লওঁ। ইটো মূৰ হাতত মেৰিয়াই লওঁ আৰু ৰছীডাল ফিট কৰি, কাঁড়ডাল সেইখন হাতেৰেই ধৰি দূৰলৈ মাৰি পঠিয়াওঁ। আজিকালিৰ জেভেলিনৰ নিচিনাকৈ ধেনুভিৰীয়া বাটেদি কাঁড়ডাল বহু দূৰত পৰেগৈ।

গুলঞ্চ ফুল এপাহৰ ঠাৰিত খৰিকা এডাল সুমুৱাই, সেই খৰিকাডাল ইকৰা বা মৰাঠাৰি এডালৰ আগত বহুৱাই চকৰি বনোৱা, আৰু সেই চকৰিটো বাতাত দৌৰি-দৌৰি ঘূৰোৱা এটা সাধাৰণ খেল। ফুল নাপালে আমি কাগজেৰে চকৰি বনাইছিলো। সেইটোও সাধাৰণ কথা। তেনেহ'লে অসাধাৰণ চকৰি এটা বনাব নোৱাৰিনে? কিয় নোৱাৰি? তিনিফুটমান দীঘল বাঁহৰ মজবুত কামি দুডাল মাজতে খাঁজ কাটি যোগ চিনটোৰ নিচিনাকৈ বান্ধি লওঁ। লোহাৰ গেজেং এডাল জুইত খণ্ডাকৈ গৰম কৰি তাৰে যোগচিনটোৰ মাজত এটা, আৰু কামি দুডালৰ ওপৰত ছয় ইঞ্চিমানৰ আঁতৰে-আঁতৰে কিছুমান ফুটা কৰোঁ। মাজৰ ফুটাটোৰ বাহিৰে বাকী ফুটাবোৰত পাঁচ ইঞ্চিমান দীঘল একোটুকুৰা ইকৰা সুমুৱাই দিওঁ। প্ৰত্যেক টুকুৰা ইকৰাৰ আগত আলপিন লগোৱা কাগজৰ চকৰি একোটা লগাই দিওঁ। তাৰ পাছত বাঁহৰ মাৰি এডালৰ এটা মূৰ সৰুকৈ চাঁচি লৈ সেই মূৰটো যোগচিনটোৰ মাজৰ ফুটাটোৰেদি সুমুৱাই দিওঁ। এতিয়া মাৰিডাল হাতত লৈ বাতাত দৌৰিলে বিছ বা চাৰিবছটা চকৰি একেলগে ঘূৰে। কেতিয়াবা গোটেই

যোগচিনটোও লাহে-লাহে ঘূৰে। এনেকুৱা চকৰি এটা লৈ ৰাস্তাত দৌৰি থাকোঁতে এদিন শিয়ালমাৰীৰ গুৱাল এজনে এটকা দি সেইটো কিনিব খুজিছিল। লোহাৰ গেজেণ্ডৰে বাঁহত ফুটা কৰা কামত মোক সহায় কৰিছিল নৃপেন ককাইদেৱে।

সেই সময়ত নগাঁৱৰ মানুহ এঘৰত আমি এখন 'ফেন' দেখিছিলো। কেৰাচিন তেলৰ লেম এটা জ্বলাই দিলে এসময়ত ফেনখন ঘূৰিবলৈ ধৰে আৰু ওচৰ-পাঁজৰত বহি থকা মানুহে ফেনৰ বতাহ পায়। ককাইদেউ আৰু মই ঘৰতে এখন হাতেৰে চলোৱা 'ফেন' সাজিবলৈ ল'লো। টিনপাতৰ ঘৰটোৰ মুখৰ কোঠালিটোৰ চুকত এখন পঢ়া-মেজ আছিল। সেইখনৰ তলত ফিট কৰিলো বাঁহৰ স্প'ক লগোৱা এটা ছাইকেলৰ চকা। মূৰৰ ওপৰৰ চ'তি-মাৰলিত বান্ধিলো




ডাঠ কাগজেৰে বনোৱা ফেন। ফেনৰ গুৰিত থকা কাঠৰ ৰিল (ববিন), আৰু ছাইকেলৰ চকাটো সংযুক্ত কৰা হ'ল দুটা ববিনৰ ওপৰেদি পাৰ কৰা এডাল ৰছীৰে। মই মেজৰ তলত সোমাই হাতেৰে চকাটো ঘূৰাওঁ, ওপৰত ফৰফৰকৈ ফেনখন ঘূৰিবলৈ ধৰে। এইটো কাণ্ড আমাৰ খেলৰ পৰ্যায়তে পৰিছিল; কাৰণ এটাই মেজৰ তলত সোমাই চকা ঘূৰাই থাকিব, আইন এটাই চকীত বহি বতাহ খাব, সেইটো ব্যৱহাৰিক দিশৰ পৰা সম্ভৱপৰ কথা নাছিল।

ক্লাছ ছিক্স পাওঁতে মোৰ খেলা-ধূলাৰ পথাৰলৈ ছাঁয়াবাজীৰ লেনছ দুখনো আহিছিল। আগফালৰ বাঁহৰ দুৱাৰখনৰ ফুটাত এখন লেনছ-ফিট কৰি তেল ঘঁহা কাগজৰ ওপৰত ৰাস্তাৰ দৃশ্যৰ প্ৰতিবিম্ব চোৱাৰ চেষ্টা কৰিছিলো। ইখন লেনছেৰে বেলিৰ পোহৰ থুপ খুৱাই তুলা জ্বলাইছিলো।

সেই বছৰতে মোৰ গোটেই গাত ঘা হৈছিল। বৰআই বুলি বৌইতে আইসবাহ পাতিছিল, "খৰিচা পকনী, মাগুৰ মাছ শুকনী"— এইবোৰ ব্যৱস্থাও কৰিছিল। সবাহত চুবুৰিৰ তিৰোতাসকলে গাইছিল,—"আই আহিবৰে হ'ল বহুদিন, কৈলাসখন হৈ আছে শুদা; যাবা কি নোযোৱা আই ভগৱতী মহাদেউ পালেহি খেদা।"— আই কৈলাসলৈ

উভুতি গৈছিল নে নগৈছিল ক'ব পৰা নাছিলো; কিন্তু বহুদিনলৈ মোৰ ঘাবোৰ শুকুৱা নাছিল। বৰ কষ্ট পাইছিলো। তাৰ পাছতে মোৰ স্কুলৰ কিতাপ পঢ়াৰ জঁক উঠিছিল। মাজনিশালৈকে, কেতিয়াবা তিনিমান বজাতে উঠি চাকি জ্বলাই পঢ়িবলৈ লৈছিলো। ক্লাছ থ্রিৰ পৰা যেতিয়ালৈকে মই ক্লাছত দ্বিতীয় আছিলো; হয়বৰগাঁৱৰ প্ৰমোদ (প্ৰমোদ দাস) প্ৰথম আছিল। ছিক্সৰ পৰা ছেভেনলৈ মই প্ৰথম হৈ প্ৰমোছন পালো। প্ৰমোদৰ আগত মোৰ নিজকে দোষী-দোষী লাগিছিল। এদিন তাৰ লগত ছোৱালী হাইস্কুলৰ ফালে ফুৰিবলৈ যাওঁতে সুধিছিলো, "মই ফাৰ্ষ্ট হোৱা কাৰণে তই বেয়া পালি নে কি?" সি নাই পোৱা বুলি কৈছিল।

ক্লাছ ছেভেনলৈ প্ৰমোছন পোৱাৰ কিছুদিনৰ আগৰে পৰা মনটোত কিবা দুখ-দুখ লাগিছিল। ক্লাছ থ্রিৰ পৰা ছিক্সলৈ, আৰু ছেভেনৰ পৰা টেনলৈ,— মোৰ কাৰণে এই দুটা কেৱল মাইনৰ আৰু হাইস্কুল হিচাপে ভাগ কৰা শিক্ষা-সম্পৰ্কীয় ভাগ নাছিল; এই দুটাই যেন জীৱনটোৰো, —সূক্ষ্ম পাৰ্থক্য থকা,— দুটা ভাগ সূচাইছিল। কি সেই পাৰ্থক্য,—বুজাবলৈ বৰ টান; কিন্তু সেই পাৰ্থক্যই যেন শৰীৰ-মন দুয়োকে স্পৰ্শ কৰিছিল। এটা নতুন ভাগত প্ৰবেশ কৰাৰ কাৰণে যিমান আনন্দ আৰু উত্তেজনা অনুভৱ কৰিছিলো, পুৰণি ভাগটো এৰি থৈ অহাৰ কাৰণে তাতকৈ বেছি দুখ অনুভৱ কৰিছিলো। বছৰেকীয়া পৰীক্ষা দি ক্লাছ একোটা এৰিবৰ সময়ত প্ৰতিবাৰেই দুখ লাগিছিল, এবছৰে বহি অহা ঠাইডোখৰৰ ডেস্কত ছুৰী-কটাৰীৰ আগেৰে নিজৰ নামটো কাটি থৈ আহিবলৈ মন গৈছিল; কিন্তু ক্লাছ ছিক্স এৰি অহাৰ দুখখিনি বেলেগ ধৰণৰ, গভীৰ ধৰণৰ আছিল। ভাবিলে এতিয়াও দুখ-দুখ লাগে। এতিয়া উপলব্ধি কৰোঁ,— সেইটো এটা 'কাল' এৰি থৈ অহাৰ দুখ আছিল। সেই কালটোৰ শেষৰ সীমা বুজাবলৈ একো নাছিল কাৰণে বছৰেকীয়া পৰীক্ষাই নিৰ্ধাৰণ কৰা সীমাটোকে চাগে মনটোৱে ক'ব নোৱাৰাকৈয়ে সেই কালটোৰো সীমা বুলি ধৰি লৈছিল। এৰি থৈ অহা সেই কালটো আছিল এটা মুকলি মনৰ কাল, সকলোতে কেৱল আনন্দ পোৱাৰ কাল। এনেকুৱা এটা কাল,— যিটোত কথা বুজাও হৈছিলো, কিন্তু বেছি বুজাৰ কোনো প্ৰয়োজন নাছিল। কি নাপাওঁ সেইটো ভালকৈ জানিছিলো কাৰণেই নে কি,— যি পাইছিলো তাৰ আনন্দতেই মন ভৰপূৰ হৈ উঠিছিল। মই ক্লাছ থ্রিৰ বি ছেক্সনত পঢ়িছিলো। মোক কিছুদিনৰ কাৰণে সেইটো ছেক্সনৰ কেপ্টেইন পতা হৈছিল। সেইটো কম আনন্দৰ কথা আছিল নে? প্ৰথম ক্লাছটোলৈ শিক্ষক অহাৰ আগতে শিক্ষকসকল বহা কোঠালিটোৰ পৰা কেপ্টেইন বুকখন আনি ক্লাছৰুমত থকা শিক্ষকৰ মেজখনত থ'বহি লাগে;— সেইটো আছিল কেপ্টেইনৰ কাম কম ডাঙৰ কাম নে? সেইটো কামৰ কাৰণেই—"মই কেপ্টেইন"— এনেকুৱা এটা

ভাবেৰে ঘৰত ৰাতিপুৱা অসময়তে খদমদম লগাই দিছিলো আৰু আচল সময়ৰ আধাঘণ্টামানৰ আগতে স্কুলত উপস্থিত হৈছিলোগৈ। স্কুল ছুটীৰ পাছত সপ্তাহটোৰ কেইবাদিনো আমি ড্ৰিল কৰিব লাগিছিল। স্কুলৰ বাকৰিত আমি সকলোৱে শাৰী পাতি থিয় হওঁ; এজন শিক্ষকে সমুখত থিয় হৈ হুকুম দিয়ে,— এটেন—ছন, ৰাইট্ এবাউট টাৰ্ন, ফৰৱাৰ্ড মাৰ্চ, লেফট-ৰাইট-লেফট-ৰাইট—। হাত আৰু ভৰি চলোৱাৰ কত ৰকমৰ যে হুকুম! ড্ৰিলৰ কাৰণে আমাৰ প্ৰত্যেকেই একোডাল বাঁহৰ লাঠী যোগাৰ কৰিব লাগিছিল। সেই লাঠীডালক আমি 'ৱান' বুলিছিলো। 'ৱান'টোনো কি শব্দ তাৰ বিচাৰ স্কুলীয়া জীৱনত কেতিয়াও কৰা নাছিলো। ধৰি লৈছিলো— ৱান মানে ড্ৰিল কৰা লাঠী। বহু দিনৰ পাছতহে বুজিছিলো, আচল শব্দটো আছিল wand. লাঠীবোৰৰ দৈৰ্ঘ্য ল'ৰাটো কিমান ওখ তাৰ ওপৰত নিৰ্ভৰ কৰিছিল। লাঠীডালৰ এটা মূৰ মাটিত থ'লে ইটো মূৰে থিয় হৈ থকা ল'ৰাটোৰ কাণৰ ল'তি চুব লাগিব;— সেইটো ল'ৰাৰ ল্যাঠীডালৰ দৈৰ্ঘ্যৰ জোখ সেইটোৱেই। সেই লাঠীডাল যোগাৰ কৰা আৰু সাৱধানে ৰখা,— সেইটোও মোৰ কাৰণে আনন্দৰ কাম আছিল। স্কুলৰ বাহিৰৰ জগতখনত নিমাখিত হৈ থাকিবলগীয়া হৈছিলো যদিও ক্লাছৰুমৰ ভিতৰত মই 'চহকী' ছাত্ৰৰ 'সন্মান' উপভোগ কৰিছিলো। সেইটো মোৰ কাৰণে আটাইতকৈ বেছি আনন্দৰ কথা আছিল। ক্লাছ ফাইভত এদিন মতলিব ছাৰে কেপ্টেইন বুকখনেৰে মোক উধাই-মুধাই মৰিয়াইছিল। সেই মাৰকো মই মোৰ আনন্দ আৰু সন্মানৰ ভিতৰুৱা কৰি ল'ব পাৰিছিলো;— কাৰণ মই জানিছিলো— আচলতে মতলিব ছাৰে মোক কিমান মৰম কৰিছিল। সেই বছৰ থূলেশ্বৰ মহন্ত ছাৰ আমাৰ ড্ৰইং মাষ্টৰ আছিল। গলধনলৈকে পৰা চুলি, দীঘল নাক, ডাঙৰ-ডাঙৰ চকুৰে সেই ওখ-পাখ মানুহজনৰ চেহেৰাটোৱে মোৰ মনত এক বিশেষ ধৰণৰ সাঁচ বহুৱাইছিল। তেখেতে দোষী ল'ৰাক দিয়া শাস্তিৰ ধৰণটো আইন শিক্ষকৰ শাস্তিৰ লগত নিমিলিছিল। তেখেতে ল'ৰাটোক তেখেতৰ সমুখৰ মেজখনৰ তলত মূৰ সুমুৱাই থিয় হৈ থাকিবলৈ দিছিল। তেখেতৰ শ্ৰেণীত মই এদিন শনিবাৰে গান গাবলগীয়া হৈছিল;—সেই জিলু ককাইটিহঁতৰ ঘৰৰ কলগানত শুনা গান,— "কাৰ অধৰৰ হেঙুলেৰে......";

এই যে ল'ৰামতীয়া আনন্দৰ সময়ছোৱা আৰু নাথাকিব, সেই আশংকাতে আগৰে পৰাই দুখ লাগিছিল; আৰু ছেভেনলৈ উঠাৰ পাছত দেখিলো,— হয়ো;— সেই সময়ছোৱাৰ বহু ৰং আমাৰ কাৰণে নাইকিয়া হৈ গ'ল। আমি যেন কিবা সাবালক হ'লো, এনে এটা ভাবে মনটোক চুই থাকিবলৈ ধৰিলে। তেতিয়াৰে দিনত নগাঁৱৰ ছাৰ্কিট হাউছটো (আৱৰ্ত ভৱন) আছিল আমাৰ স্কুলৰ ওচৰতে। ছাৰ্কিট হাউছৰ ফালৰ চুকটোত স্কুলৰ চৌহদৰ তাঁৰৰ বেৰখনত সৰু ল'ৰা সৰকিব পৰা এটা ফুটা আছিল। বাম খালটোত নামি আমি প্ৰায়েই সেই ফুটাটোৱেদি স্কুল-চৌহদত সোমাই ক্লাছ-ৰুমলৈ 'শৰ্ট কাট' কৰিছিলো। ছেভেনলৈ উঠাৰ পাছত গাটো সেই ফুটাটোৱেদি সৰকিব পৰা হৈয়েই আছিল, কিন্তু

মনটোৱে সৰকিবলৈ বাধা পোৱা হৈছিল। স্কুলৰ বাহিৰৰ জগতখনতো কিছুমান কথা, কিছুমান ঘটনা মোৰ কাৰণে অলপ দূৰৰ কথা, দূৰৰ ঘটনা যেন লাগি আহিল। ৰে'লৰ আলিৰ কিনাৰে-কিনাৰে যে ঢেঁকীয়া বুটলিছিলো, বনৰীয়া কেৰেলাৰ লতা লিৰিকি থাকোঁতে পূৰঠ কেৰেলা একোটা চকুত পৰিলেই যে আনন্দ পাইছিলো,— সেইবোৰ ঘটনা, সেইবোৰ আনন্দৰ মাজলৈ উভতি যাবলৈ নাপাম যেন লাগিল। সময়-সুবিধা পালে চুবুৰিটোৰ ৰাস্তাত, উদং হৈ থকা মাটিত বা কাৰোবাৰ ঘৰৰ ভেটি বান্ধিবলৈ বিহাৰী বনুৱাই খনা খালত নামি আমি এজাক ল'ৰা-ছোৱালীয়ে খেলিছিলোঁ। আমি ল'ৰাবোৰ হাঁৰিলে ছোৱালীবোৰে আমাক গোবৰৰ মেডেল দিম বুলি জোকাইছিল। এদিন আমাৰ খেলৰ পৰা সিহঁত নোহোৱা হৈ গ'ল।

এতিয়া উপলব্ধি কৰোঁ, স্কুলৰ কিতাপ-বহীৰ মাজত সেই যে প্ৰথমবাৰৰ বাবে এলজেব্ৰা আৰু সংস্কৃতৰ কিতাপ-বহী সোমাইছিল, সেইবোৰ যেন জীৱনটোৰ বাবে একোটা প্ৰতীকহে আছিল। পাক লগোৱা এলজেব্ৰা, মাধুৰ্যভৰা সংস্কৃত!

সেই সময়ত, এটা অতি গুৰুত্বপূৰ্ণ যোগাযোগ সূচাই, আমাৰ ঘৰখনতো এটা ঘটনা ঘটিল। ১৯৪২ চনত নৃপেন ককাইদেৱে মেট্ৰিক পাছ কৰিছিল;— এতিয়া (১৯৪৪ চনত) তেখেত নগাঁৱত ডেপুটি কমিশ্যনাৰৰ অফিছত কেৰাণীৰ চাকৰি এটাত সোমাল। লগে-লগে ঘৰখনৰ আৰ্থিক অৱস্থাটোৱে এটা নতুন জীৱন পালে। সেই সময়ত এক শ্ৰেণীৰ চৰকাৰী চাকৰিয়ালে মাহে-মাহে ফ্ৰি-ৰেশ্যন পাইছিল। ককাইদেউৰ ফ্ৰি-ৰেশ্যনৰ কাৰ্ডখন লৈ আমি বৰবজাৰলৈ গৈছিলো। সেই যে 'গাল সোমোৱা' বটলত মিঠাপানী-ছ'ডাপানী ভৰোৱা মেছিনৰ দোকানখন, সেইখন দোকানৰ মালিকে কিছুমান চাকৰিয়ালক ফ্ৰি-ৰেশ্যন দিয়াৰ দায়িত্ব পাইছিল। ফ্ৰি-ৰেশ্যনৰ ভিতৰত নিৰ্দিষ্ট পৰিমাণৰ চাউল, দাইল, নিমখ, চেনি, খোৱাতেল আদি প্ৰয়োজনীয় বস্তুখিনি আছিল। প্ৰথম দিনা বলে পৰা বস্তুখিনিৰ টোপোলাটো বাঁওকান্ধত আৰু খোৱাতেলৰ বটলটো সোঁহাতত ওলোমাই লৈ আহি যেতিয়া চুবুৰিত সোমাওঁ, তেতিয়া এনেকুৱা লাগিছিল— যেন দুয়োকাষৰ ঘৰবোৰৰ পৰা মানুহবোৰে ওলাই-ওলাই চাওক,— কিমান ডাঙৰ বটলত মই কিমান খোৱাতেল আনিছোঁ! কাৰণ তাৰ আগলৈকে আমি মোকছেদ ককাইটিৰ দোকানৰ পৰা এক ছটাক-দুই ছটাক খোৱাতেল কিনিছিলো;— বটলটো আছিল হস্পিটেলৰ পৰা 'মিকছাৰ' ঔষধ আনিবলৈ নিয়া চেপেটা, 'জবাকুসুম'-মাৰ্কা বটলৰ নিচিনা।

সেই নতুন জীৱনটোৰ কাৰণে আমি নৃপেন ককাইদেউৰ ওচৰত কৃতজ্ঞ আছিলো। তেখেতে ঘৰখন ধৰাৰ কাৰণে কিছুমান প্ৰয়োজনীয় কামত খৰচ কৰিবলৈ মই বহু শক্তি ৰাহি কৰিব পাৰিছিলো।

ক্লাছ ছেভেনৰ পৰা ক্লাছ টে'নলৈকে,— সেই সময়ছোৱাত মই এটা দীঘলীয়া যাত্ৰাৰ বাবে নিজকে সাজু কৰিবলৈ সুবিধা পোৱা এটা মুকলি প্ৰশিক্ষণ শিবিৰত বাস কৰিছিলো

বুলিব পাৰি। শিবিৰৰ মুখ্য কাম— পাঠ্যক্ৰমক কেন্দ্ৰ কৰি লিখা-পঢ়া কৰা;— সেইটোক মোৰো মুখ্য কাম বুলি লোৱাত মোৰ অসুবিধা হোৱা নাছিল; কাৰণ ইতিমধ্যে পঢ়া আৰু জনাৰ প্ৰতি অনবৰত এটা 'ভোক' অনুভৱ কৰিছিলো। সেই ভোকৰ সমুখত পাঠ্যপুথিৰ কথাবোৰৰ পৰিমাণ বৰ বেছি নাছিল। সেইকাৰণে মোৰ কিতাপৰ মাজত 'বাহিৰা' কিতাপৰ ভিৰ লাহে-লাহে বেছি হৈ আহিছিল। লহ্বীবাবুৰ চৌহদৰ প্ৰভাৱে আৰম্ভ কৰা বাংলা কিতাপৰ আমদানিৰ পৰিমাণ সেই কালছোৱাত বহুত বেছি বাঢ়িছিল; কিন্তু সেই কিতাপৰ মাজত ডিটেকটিভ উপন্যাসৰ সংখ্যা কমিছিল আৰু সামাজিক গল্প-উপন্যাসৰ সংখ্যা বাঢ়িছিল। অসমীয়া-বাংলা ভালেমান কিতাপ পঢ়াৰ কাৰণে আনন্দ পাইছিলো;— কিন্তু এতিয়া ভাবোঁ,— সেই সময়ত কিছুমান কিতাপ 'পঢ়ি শেষ কৰি' থোৱাটো বেয়া কাম হ'ল। ক্লাছ ছেভেনত শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ চৰিত্ৰহীন নামৰ উপন্যাসখন পঢ়ি কিমান কি বুজিলো? সাবিত্ৰী আৰু উপেন— এই নাম দুটাৰ বাহিৰে পাছলৈ একো মনত নাথাকিল। কিন্তু সেই যে পঢ়ি শেষ কৰি থ'লো, সেই কাৰণেই জীৱনত দ্বিতীয়বাৰ আৰু সেই উপন্যাসখন পঢ়া নহ'ল।

ক্লাছ ফাইভত পদ্য লিখাৰ নিচিনা কামৰ প্ৰতি যি উৎসাহে দেখা দিছিল, সেই উৎসাহে অলপ গহীন-গম্ভীৰ ৰূপত দেখা দিলে ক্লাছ এইটলৈ প্ৰমোচন পোৱাৰ পাছত। গহীন-গম্ভীৰ মানে,— এইবাৰ গদ্যত হাত দিয়াৰ উৎসাহে দেখা দিলে। প্ৰথম উপলক্ষ্য আছিল স্কুলৰ ভিতৰতে পতা ৰচনা প্ৰতিযোগিতা। বিষয়বস্তুৰ কথা পাহৰিলো, কিন্তু মোৰ মূল বক্তব্যটোৰ কথা মনত আছে : বাহিৰৰ কিছুমান ৰাজ্যৰ লগত যেৰ মাৰিব পৰাকৈ তৎক্ষণাৎ অসমৰ উন্নতি হ'ব লাগে। সেই ৰচনা লিখাৰ বহুদিনৰ আগতেই মোৰ মগজুত অসমৰ উন্নতি সম্পৰ্কে সোমোৱা ধাৰণাটো আছিল,—বাংলা কাকতৰ ছবিত দুয়ো কাষে ওখ-ওখ ঘৰবোৰেৰে কলিকতাৰ যিবোৰ ৰাস্তা দেখোঁ, নগাঁৱৰ ৰাস্তাবোৰো তেনেকুৱা হ'ব লাগে। এসময়ত জয়শ্ৰী ছিনেমা হলৰ কাষৰ ৰাস্তাটোৰ সিটো পাৰে যেতিয়া গোপাল ৰয়ে (অভিনেতা খগেন ৰয়ৰ দেউতাকে) দুমহলীয়া ঘৰ এটা সজালে, তেতিয়া সেই ঘৰটো আৰু ছিনেমা হলটোৰ মাজত থিয় হৈ ভাবিছিলো,— হৈ আহিছে, নগাঁওখন কলিকতাৰ নিচিনা হৈ আহিছে। অসমীয়া ভাষাৰ ক্ষেত্ৰতো তেতিয়া মোৰ ধাৰণা আছিল,— আমি যেনেকৈ ইংৰাজী শিকোঁ, ইংলেণ্ডৰ ল'ৰা-ছোৱালীবোৰেও তেনেকৈ অসমীয়া শিকে। ইংৰাজী কিতাপৰ কিবা এটা টান পালেই ভাবিছিলো,— ইংলেণ্ডৰ ল'ৰা-ছোৱালীবোৰেও চাগে অসমীয়া পঢ়োঁতে কিমান কথাত টান পায়। একালৰ সেই অবোধ অসমীয়া প্ৰেমৰ অৱশিষ্ট অংশ এটাই ক্লাছ এইটত লিখা ৰচনাতো ভুমুকি মাৰিছিল, কিন্তু লাহে-লাহে সেই অংশটোৰো পৰিবৰ্তন ঘটিছিল।

গদ্য-ৰচনাৰ প্ৰতি আগ্ৰহ জন্মিছিল যদিও এটা কথা কিন্তু মই মন কৰিছিলো। যেতিয়াই মনলৈ দুখৰ ভাব আহিছিল বা মনত কষ্ট পাইছিলো, তেতিয়াই পদ্যৰ আশ্ৰয় লোৱাৰ কথা মনলৈ আহিছিল। এটা উদাহৰণ দিওঁ। ১৯৪৬ চনত মহাত্মা গান্ধী অসমলৈ আহিছিল। তেখেত গুৱাহাটীত থকা দিনকেইটাত নগাঁৱৰ পৰা দলে-দলে মানুহ গুৱাহাটীলৈ গৈ আছিল। মোৰো মহাত্মা গান্ধীক চাবলৈ বৰ মন গৈছিল। এদিন শুনিলো,— কাইলৈ ঢেৰ মানুহ যাব; মতি বৰাৰ ঘৰৰ ওচৰৰ চাৰি-আলিটোৰ পৰাও গুৱাহাটীলৈ বিনা পইচাৰ বাছ্ যাব। পাছদিনা মই ৰাতিপুৱাই সেই চাৰি-আলিটোলৈ আহি বাছখনৰ ওচৰত ৰৈ থাকিলো। হাতত পুৰণি ছুৰেটাৰ এটা। চাওঁতে-চাওঁতে বাছখন যাত্ৰীৰে ভৰি পৰিল। মই কিমানক কাকুতি কৰিলো, কোনেও মোক উঠিবলৈ নিদিলে। বাছখন চলি যোৱাৰ পাছতো মই চাৰি-আলিটোতে অলপ সময় ৰৈ থাকিলো। গোটেই দিনটো মনটো মৰি থাকিল। ৰাতি পঢ়িবলৈ বহি পঢ়া এৰি পদ্য এটা লিখিবলৈ ল'লো। বিষয়বস্তু— মইযে গান্ধীক দেখা নাপালো। তেখেত চাগৈ এতিয়া 'শুভ্ৰ' চন্দ্ৰতাপৰ তলত, সমুখত ধূপ-ধূনা-বন্তি লৈ বহি আছে আৰু মই দুৰ্ভগীয়াইহে কেৰাছিন তেলৰ লেম আগত লৈ কিনিকি জুৰিবলগীয়া হৈছোঁ! বাৰশাৰীমানৰ পাছত পদ্য অৱশ্যে বেছি আগনাবাঢ়িল।

গদ্য-পদ্যৰ এই জোৱাৰে অলপ শাম কটাৰ পাছত মনলৈ প্ৰায়েই এটা ভাব আহি আছিল, — অসমীয়া ভাষাৰ কাৰণে নিজ হাতে কিবা এটা দৰকাৰী কাম কৰিব লাগে। ক্লাছ নাইনত এই ভাব অনুসৰি কাম কৰিবলৈ ওলালো। সহপাঠী প্ৰমোদ দাসক লগত লৈ ঠিক কৰিলো,— স্কুলখনৰ কাৰণে এখন অসমীয়া আলোচনী উলিয়াম। আলোচনীখনৰ নামো ঠিক কৰিলো,— উদয়। শিক্ষকসকলৰ অনুমতি লৈ আমি দুয়ো ক্লাছে-ক্লাছে ঘূৰিলো আৰু সকলোকে তিনি অনাকৈ পইচা দিবলৈ অনুৰোধ কৰিলো। যি তিনি অনা দিব, তেওঁ পাছত উদয়ৰ দাম দিব নালাগে। স্কুলখনত যদি একে ঘৰৰে দুজন বা তাতকৈ বেছি ল'ৰাই পঢ়ে, তেনেহ'লে তেওঁলোকৰ ডাঙৰজনে পইচা দিলেই হ'ব; উদয়ো অৱশ্যে তেওঁলোকে একপিহে পাব। সকলো ল'ৰা পইচা দিবলৈ সন্মত হৈছিল আৰু মাহেকীয়া মাছুলৰ লগতে উদয়ৰ তিনি অনাকৈ মাছুল লোৱাৰ ব্যৱস্থা কৰা হৈছিল। প্ৰবন্ধ-পাতি ঠিক-ঠাক কৰাৰ লগতে মই নিজেও গল্প এটা লিখি উলিয়াইছিলো। নাম 'পথ নিৰূপণ'। সৰু ল'ৰা এটাই কণা বাপেকৰ হাতত ধৰি-ধৰি ৰে'লত ভিক্ষা খুজি ফুৰে। মদগৰ্বী মানুহ এটাই তাক ভিক্ষাতো নিদিলেই, বৰঞ্চ কণা বুঢ়াক আঘাতহে হানিলে। ল'ৰাটোৰ মনত প্ৰতিশোধৰ জুই দপদপকৈ জ্বলি উঠিল। অইন এটা ষ্টেছনত সি শুই থকা মানুহটোৰ চকু দুটা খোঁচ মাৰি ফুটাই দিলে।

ড. বিৰিঞ্চি কুমাৰ বৰুৱাৰ ভায়েক ক্ষীৰোদ কুমাৰ বৰুৱাৰ (ক্ষীৰ বৰুৱাৰ) শেৱালি প্ৰিন্টিং প্ৰেছ নামৰ ছপাশালটো তেতিয়া আমাৰ স্কুলৰ ওচৰতে আছিল। তাতে উদয়

ছপা কৰা হৈছিল। ছপাকামৰ তত্ত্বাৱধান স্কুল-কর্তৃপক্ষই কৰিছিল। কেইবাদিনো আধাঘণ্টাৰ ছুটীত মই শেৱালি প্রেছলৈ গৈ থিৰিকিৰে ছপা কৰা মেছিনটো চাই আছিলোগৈ। নগাঁৱৰ 'পুথিঘৰ' নামৰ ছপাশাল আৰু কিতাপৰ প্রতিষ্ঠানটোৰ প্রতিষ্ঠাতা, আৰু পাছলৈ বৰদোৱাৰ শংকৰদেবৰ জন্মস্থানৰ লগত সুদীর্ঘ কাল জড়িত হৈ থকা কমল চন্দ্র বড়াই চলাই থকা ট্রেডল মেছিনটোৰ ফালে চায়েই মই উত্তেজিত হৈছিলো আৰু আনন্দ পাইছিলো;— সেয়া উদয় ছপা হৈ আছে; মোৰ গল্পটো ছপা হৈ আছে।

উদয়ৰ বেটুপাতত মোৰ আৰু প্রমোদৰ নাম 'ছাত্র সম্পাদক' হিচাপে ছপা হৈছিল। সম্পাদক হিচাপে ছপা হৈছিল আমাৰ সংস্কৃতৰ শিক্ষক হৰিশ্চন্দ্র ভট্টাচার্যৰ (পাছলৈ নাট্য সাহিত্যৰ আলোচক-গৱেষক ড. হৰিশ্চন্দ্র ভট্টাচার্য) নাম। প্রথম সংখ্যা উদয়ত ঠাইৰ অভাৱত মোৰ গল্পটো ছপা নহ'ল। বৰ হতাশ হৈছিলো। দ্বিতীয় সংখ্যাত হ'ল। সেইটো সংখ্যাৰ তিনিটা কপি মই যোগাৰ কৰিছিলো, আৰু বহুদিনলৈ এটা কপি হাতত বা কাষলতিৰ তলত সুমুৱাই লৈ ফুৰিছিলো। কাৰোবাৰ লগত কথা পাতিলে সুবিধা পালেই কথা নি-নি সেই সংখ্যাৰ উদয়ত পেলাইছিলোগৈ আৰু আলোচনীখন আগবঢ়াই দি সুধিছিলো— এইখন দেখিছেনে?•

ক্লাছ টেনত থাকোঁতে উদয়ত মোৰ আৰু এটা গল্প ছপা হৈছিল : '৩৫৪ কোটি টকা আৰু ছ অনা'। বাতৰি-কাকতত পঢ়িছিলো,— অসমৰ চাহ-বাগিচাৰ পৰা মালিকৰ বছৰি লাভ হয় ৩৫৪ কোটি টকা, আৰু একোজন চাহ-বনুৱাই দিনে মজুৰি পায় ছ-অনা। এনেহেন তথ্য অথলে যাবলৈ দিব নোৱাৰি বুলি ঠিক কৰিলো। লিখিলো এটা গল্প। ৰাতি দূৰৰ পৰা বাঁহীৰ করুণ সুৰ ভাহি আহে;— সেই বাঁহীৰ মাতৰ লগত নিশ্চয় কাৰোবাৰ কিনিনি মিহলি হৈ যায়;— পাহৰিলো যদিও মোৰ বিশ্বাস—কথাবোৰ এনেকুৱাই আছিল। তেতিয়ালৈকে মই চাহ-বাগিচা ভালকৈ দেখাই নাছিলো। যি দেখিছিলো— চলন্ত ৰে'লৰ পৰা দেখিছিলো।

সেই গল্প দুটাৰ কথা ভাবিলে মোৰ আৰু এটা কথা মনলৈ আহে। গল্প দুটাৰ পাণ্ডুলিপিখিনি বৰ 'ফুটফুটীয়া' আছিল। অর্থাৎ ডটেৰে (dot) ভৰপূৰ আছিল। যেনে,— সি গৈ থাকে ডট ডট ডট ডট। এবাৰ উভতি চায় ডট ডট ডট ডট। ডট ডট ডট ডট আৰ কপালৰ পৰা এটোপাল ঘাম বৈ আহে ডট ডট ডট ডট।

কাৰ গল্প পঢ়িনো মই সেই ডটসোপা দিবলৈ শিকিছিলো ক'ব নোৱাৰো। কিন্তু এইটো ঠিক যে ডট দিয়া কাৰবাৰটো মই নিজে আবিষ্কাৰ কৰা নাছিলো। (ওপৰৰ বাক্যকেইটা মোৰ সেই গল্প দুটাৰ বাক্য নহয়; উদাহৰণৰ বাক্যহে।)

নিজৰ মনেৰে ভাবি-ভাবি গদ্য-পদ্য লিখা, গান গোৱা, কিবা বাজনা বজোৱা, ছবি আঁকা— এইবোৰ যে একেখন চালিৰ তলতে থকা একে পৰিয়ালৰে বিদ্যা, তাৰ প্রমাণ

মই মোৰ নিজৰ আগ্ৰহৰ মাজতে পাইছিলো। আমাৰ একে শ্ৰেণীৰ ব্ৰজনাথ ফুকনে (মত্যু নাম চিকুণ) ছবি আঁকে বুলি শুনিছিলো, কিন্তু সেই বিদ্যাত তেওঁ কিমান আগবাঢ়িছিল জনা নাছিলো। কিন্তু এদিন ক্লাছত তেওঁৰ বহীৰ মাজত তেওঁ অঁকা ৰঙীন ছবি এখন দেখি মই মুগ্ধ হৈ গ'লো। কোনোবাই হাতেৰেই অঁকা হওক, ছপা কৰাই হওক, চালে চকুৰোৱা ছবি অ'ত-ত'ত ভালেমান দেখিছোঁ, কিন্তু ইমান ধুনীয়া এই ছবিখন চিকুণে নিজে আঁকিছে? তাৰ পাছত এদিন মোৰ অনুৰোধ ৰক্ষা কৰি চিকুণে মোক তেওঁ অঁকা ছবি কিছুমান দেখুৱাইছিল। চিকুণ আৰু তেওঁ অঁকা ছবিবোৰ,—এই দুয়ো মিলি মোক সেই বিদ্যাটোত মনোযোগেৰে হাত দিবলৈ উৎসাহ যোগাইছিল। প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীৰ ঘৰত থকাৰ দৰে বাৰটামান ৰং থকা চেপেটা ৰঙৰ বাকচ এটা আৰু ব্ৰাছ দুডালমান আমাৰ ঘৰতো আছিল। নৃপেন ককাইদেৱে সেই বস্তুকেইটাৰ যিমান পাৰে সদ্ব্যৱহাৰ কৰিছিল। মই অঁকাৰ ভিতৰত 'ছিনেৰি' আঁকিছিলো;— দূৰত নীলা পৰ্বত, পৰ্বতৰ দুটা শৃংগৰ মাজেদি ভুমুকি মৰা ৰঙা বেলি, আকাশত তিনিটামান চৰাই, ওচৰত নৈৰ পাৰত হেলনীয়া নাৰিকল গছ, নৈৰ পানীৰ বুকুত দুটা নাৱৰীয়াৰে এখন নাও, আৰু পানীত নাও আৰু বেলিৰ প্ৰতিবিম্ব! তাতকৈ আগুৱাব পৰা নাছিলো। চিকুণৰ ছবি দেখি নতুন উদ্যমেৰে বিদ্যাটো চৰ্চা কৰিবলৈ লৈছিলো; কিন্তু এসময়ত ডাঙৰ মেলাত লগৰীয়া হেৰোৱাৰ নিচিনাকৈ ৰঙৰ টেমা আৰু ব্ৰাছ হেৰাই গৈছিল। কুমুদেশ্বৰ বৰঠাকুৰৰ গোলাই ছিৰিজৰ যিকেইখন কিতাপ নগাঁৱৰ পুথিঘৰে প্ৰকাশ কৰিছিল সেইকেইখনৰ বেটুপাতৰ ছবিখন, ঘনকান্ত গগৈৰ সোণৰ নাঙল নামৰ উপন্যাসখনৰ বেটুপাতৰ ছবিখন, লগুনৰ পৰা 'সঞ্জয়' নাম লৈ লিখা গল্পকেইটাৰ ('এই বন্দৰৰ আবেলি' নামৰ কিতাপত সন্নিবিষ্ট) ওপৰত থকা ছবিখন, থিয়েটাৰৰ ছেটিংছৰ গছ অঁকা,— চিত্ৰশিল্পৰ পথাৰত মোৰ দৌৰ সিমানতে শেষ হৈছিল। কিন্তু এই প্ৰসংগটো উলিওৱাৰ অন্য এটা কাৰণ আছে।

চিত্ৰশিল্প চৰ্চাৰ ক্ষেত্ৰত যি হ'ল হ'ল, কিন্তু সেই চৰ্চাৰ ফলত মই অন্ততঃ কাগজত ভালকৈ প'ষ্টাৰ লিখিব পৰা হ'লো। (প্ৰসংগক্ৰমে ঃ তাৰ আগতেই মই স্কুলৰ হাতৰ কামৰ পৰীক্ষাত টিনপাতৰ ওপৰত NO ADMISSION বুলি ছাইন ব'ৰ্ড লিখা কাম কৰিছিলো। সেইটো পৰীক্ষাত যেয়ে যি কাম ভাল পায় তাকে কৰিব পাৰিছিল। কোনোবাই খৰাহি ব'ব, কোনোবাই ছাইকেল মেৰামতি কৰিব, কোনোবাই ছাইন ব'ৰ্ড লিখিব, কোনোবাই মাটিৰে পুতলা সাজিব;—কিন্তু সকলো কাম পৰীক্ষকৰ (শিক্ষকৰ) সমুখত কৰিব লাগিছিল। স্কুলৰ পথাৰখনত,—মুকলিত সেই পৰীক্ষা পতা হৈছিল। পাচি-খৰাহি বোৱা ল'ৰাই ঘৰতে কাঠীখিনি তুলাই আনিব পাৰিছিল, কিন্তু বোৱা কামটো আৰম্ভণিৰে পৰা পৰীক্ষকৰ সমুখত কৰিব লাগিছিল।)

মই যে ভালকৈ প'ষ্টাৰ লিখিব পাৰোঁ, সেই কথাটো আমাৰ স্কুলৰ অসম ছাত্ৰ সন্মিলনৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা ওপৰ শ্ৰেণীৰ ছাত্ৰসকলে জানিব পাৰিছিল। দ্বিতীয় মহাযুদ্ধ শেষ হওঁ-হওঁ,— তেতিয়াৰ পৰা আমি মেট্ৰিক পৰীক্ষা দিয়ালৈকে,— এই সময়ছোৱাত (১৯৪৫-৪৮) নগাঁও নগৰখনত আমি ফণী বৰা, সুচেন ভূএগ্ৰা, পদ্ম ভূএগ্ৰা, কেঁহোৰাম হাজৰিকা আদি বাঁওপন্থী যুব আৰু ছাত্ৰনেতাসকলৰ প্ৰভাৱ প্ৰত্যক্ষভাৱে অনুভৱ কৰিছিলো। ফণী বৰাই ফৌজদাৰীপটিৰ বিনোদ বৰাৰ চৌহদৰ সৰু খেৰী ঘৰ এটাত থাকি পঢ়া-শুনা আৰু ৰাজনীতি ক্ষেত্ৰৰ কাম কৰিছিল। তেখেতৰ সমসাময়িক সোঁপন্থী ৰাজনৈতিক কৰ্মী ছত্ৰসিং টেৰণেও ফৌজদাৰীপটিৰে তেনেকুৱা এটা জুপুৰিত বাস কৰিছিল। পদ্ম ভূএগ্ৰাৰ ঘৰো ফৌজদাৰীপটিতে আছিল। গীত-মাতৰ অনুষ্ঠানৰ নেতৃত্ব দিয়া মণি বৰাও অসম ছাত্ৰ সন্মিলনৰ (তেতিয়া ছাত্ৰ ফেডাৰেশ্যন বা ষ্টুডেণ্টছ ফেডাৰেশ্যন, — এই দুটা নামহে জনপ্ৰিয় আছিল) কৰ্মী আছিল। এওঁলোকৰ বেছিভাগেই আমাৰ স্কুলৰ ওপৰ শ্ৰেণীৰ ছাত্ৰ আছিল। এওঁলোকৰ কোনোবাই এদিন মোক প'ষ্টাৰ লিখাৰ কাম এটা দিছিল। ছোৱালী হাইস্কুলৰ বাকৰিত অসম ছাত্ৰ সন্মিলনৰ অধিবেশন বহিছিল। শ্ৰীমান প্ৰফুল্ল গোস্বামী আছিল সেই অধিবেশনৰ মুখ্য বক্তা। মোৰ মনত পৰে— ভাষণৰ মাজত তেখেতে উদাত্ত কণ্ঠেৰে কৈছিল,— আজি দেউতাকে যদি চেনি লুকুৱাই থৈ ক'লা ব্যৱসায় কৰে, তেনেহ'লে তেওঁৰ পুতেকেই চিএগ্ৰি-চিএগ্ৰি সেই কামৰ প্ৰতিবাদ কৰিব লাগিব।— লগে-লগে জাউৰিয়ে-জাউৰিয়ে হাত চাপৰি পৰিছিল। মঞ্চৰ পিছফালে আঁৰি থোৱা দীঘল কাপোৰখনত মই লিখা চাৰিখন প'ষ্টাৰ জিলিকি আছিল।

মনত পৰে,— অসম ছাত্ৰ সন্মিলনৰ অধিবেশন উপলক্ষে আমাৰ স্কুলৰ হল ঘৰটোত পতা সাংস্কৃতিক অনুষ্ঠানত তেতিয়াৰ সৰু ল'ৰা কৃষ্ণমূৰ্তি হাজৰিকাই চিকাৰী-নৃত্য প্ৰদৰ্শন কৰি দৰ্শকক মুগ্ধ কৰিছিল। পাছদিনা বাহিৰৰ পৰা অহা প্ৰতিনিধি কেইজনমানে তেওঁক ঘৰৰ পৰা মতাই আনি মৰম আৰু প্ৰশংসা কৰিছিল। আমাৰ স্কুলৰ সমুখৰ চিৰিত তেওঁক বহুৱাই লৈ এজন প্ৰতিনিধিয়ে ফটো তুলিছিল।

প'ষ্টাৰ লিখাৰ জৰিয়তে ষ্টুডেণ্টছ ফেডাৰেশ্যনৰ কাষ চপাৰ পাছত ছায়ানাট আৰু আমাৰ ঘৰৰ ছায়াবাজীৰ বাকছৰ জৰিয়তে সংগঠনটোৰ মাজত সোমাই পৰিছিলো। ফণী বৰা, সুচেন ভূএগ্ৰা, পদ্ম ভূএগ্ৰা আদিৰ বক্তৃতা আৰু পৰিচালনা শক্তিয়ে মোক প্ৰভাৱিত কৰিছিল। 'সাংস্কৃতিক' কাৰ্যসূচীৰ অধীনত মই যথেষ্ট পৰিশ্ৰম কৰিছিলো যদিও সংগঠনটোৰ তাত্ত্বিক আৰু ৰাজনৈতিক দিশৰ কথা-বতৰাৰ প্ৰতি মন-কাণ দিয়া নাছিলো। কেৱল নেতাসকলৰ বক্তৃতা শুনি যি বুজিছিলো সিমানেই। মোৰ ধাৰণা আছিল,— ষ্টুডেণ্টছ ফেডাৰেশ্যনেই তেতিয়াৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সৰ্বাধিক প্ৰভাৱ বিস্তাৰ কৰা সংগঠন আছিল। কিন্তু এসময়ত আমাৰ লগৰে কিৰণ বৰা, মুকুট শৰ্মা আদি ছাত্ৰ-

কংগ্ৰেছৰ সদস্য হ'ল। আমাৰ স্কুলৰ বাৰুৰিতে এদিন ছাত্ৰ-কংগ্ৰেছৰ এখন সভা বহিল। মনত পৰে— সেই সভাত ৰুদ্ৰ বৰুৱাই এটা গীত গাইছিল। মই জনাত সেয়াই নগৰৰ অনুষ্ঠানত তেওঁৰ গীত পৰিবেশনৰ প্ৰথম কাৰ্যসূচী আছিল। গীতটো গাওঁতে তেওঁ বিব্ৰত, অপ্ৰস্তুত হৈছিল।

সেই সময়ৰ পৰাই এটা কথাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰচাৰ লাভ কৰিবলৈ ধৰিলে : ষ্টুডেণ্টছ ফেডাৰেশ্যনৰ সদস্যসকল কমিউনিষ্ট। কমিউনিজমৰ বিষয়ে তেতিয়া মোৰ ধাৰণা স্পষ্ট হোৱা নাছিল, আৰু ছাত্ৰ ফেডাৰেশ্যনৰ আদৰ্শ-মতবাদত কমিউনিজম কিমান আছিল সেই কথাও নাজানিছিলো। এদিন কেঁহোৰাম হাজৰিকাক নগাঁৱৰ বৰবজাৰত লগ পাওঁতে সুধিছিলো,— হয়নে, ছাত্ৰ ফেডাৰেশ্যনৰ মানুহবোৰ বোলে কমিউনিষ্ট? তেওঁ কৈছিল,— "মই তোমাক কথাবোৰ এদিন বুজাই ক'ম।" তাৰ পাছত তেওঁৰ লগত কথা পতাৰ সুবিধা নহ'ল। মই কথাবোৰ অন্য উৎসৰ পৰা বুজিবলৈ চেষ্টা কৰিলো। (কেঁহোৰাম হাজৰিকা পাছলৈ কমিউনিষ্ট পাৰ্টি অব ইণ্ডিয়াৰ প্ৰাৰ্থী হিচাপে অসম বিধানসভাৰ সদস্য হৈছিল)। স্কুল এৰাৰ পাছত ছাত্ৰ সংগঠনৰ বাবে বা ৰাজনৈতিক দলৰ বাবে কাম কৰাৰ সময়-সুবিধা পোৱা নাছিলো, কিন্তু ফণী বৰা, দধি মহন্তৰ নিচিনা ৰাজনৈতিক কৰ্মী কেইগৰাকীমানৰ প্ৰতি সদ্ভাব পোষণ কৰিছিলো। এই কথাখিনিৰ লগত সম্পৰ্ক থকা এটা ঘটনাৰ কথা এতিয়াই কৈ থওঁ। পাছত কোৱাৰ সুবিধা নোলাবও পাৰে। মই তেতিয়া কটন কলেজত বি. এছ. ছি. পঢ়োঁ। বন্ধত ঘৰলৈ আহিছোঁ। এদিন দেখোঁ— আগফালৰ কোঠালিৰ মেজখনৰ ওপৰত দীঘল লেফাফা এটা পৰি আছে। লেফাফাটোৰ মুখ বন্ধ, ভিতৰত এজাপ কাগজ। ওপৰত লিখা আছে— কণবাপু। কোন কণবাপু? আমাৰ ঘৰত কণবাপু নামৰ কোনো নাই। নগেন ককাইদেউৰ ঘৰত মতা নাম বাপুকণ। বাপুকণটোকে কণবাপু বুলি কোনোবাই ভুলকৈ লিখিব পাৰে;— গতিকে খুলি চোৱাই যাওক— ভিতৰত কি আছে। কপালো কপাল,—ঠিক সেই সময়তে নৃপেন ককাইদেউৰ জৰিয়তে আমাৰ ঘৰৰ লগত চিনাকি হোৱা মাণিক দাদা (উপাধিটো পাহৰিলো) সেইখিনিত উপস্থিত হ'লহি। লেফাফাটোৰ ভিতৰৰ কাগজখিনি উলিয়াই দেখোঁ,— সেইখিনি কমিউনিষ্ট পাৰ্টি অব ইণ্ডিয়াৰ কথা থকা ছাইক্ল'ষ্টাইল কৰা কাগজ। এইখিনি আকৌ কোনে কালৈ পঠিয়ালে? মাণিক দাদাই 'চাওঁ' বুলি কাগজখিনি মোৰ পৰা খুজি নিলে, পাত লুটিয়াই চালে, তাৰ পাছত মুখখন গম্ভীৰ কৰি লেফাফা-কাগজ সকলো জেপত ভৰাই ল'লে। ক'লে,— এইখিনি তোমাক মই পাছত দিম। তাৰ পাছত কেইবাদিনো মাণিক দাদাই মোক লগ ধৰি আথে-বেথে সোধে,— কণবাপু কোন? কোৱাচোন কাৰ কাৰণে আহিছিল এই কাগজবোৰ? নক'লে কিন্তু তোমাৰ অপকাৰো হ'ব পাৰে। তুমি ভাল ছাত্ৰ, তোমাৰ ভৱিষ্যৎ— হেন-তেন— ইত্যাদি। হাৰে! এইটো-

কি কথা? ক'ৰ লেফাফা, কেনেকৈ আমাৰ ঘৰলৈ আহিল, মই একো নাজানো;— কি আকৌ মোৰ ভৱিষ্যৎ!

পাছত গম পালো মাণিক দাদা চৰকাৰৰ চোৰাংচোৱা। এদিন গুৱাহাটীৰ কাফে-ডি-লাক্সত ফণী বৰা ককাইদেউক লগ পাওঁতে কথাবোৰ ক'লো। তেখেতে ক'লে,— সেইখন যিমানদূৰ সম্ভৱ বৰজহাৰ নবীন বৰা নামৰ ডেকা এজনৰ বাবে পঠোৱা হৈছিল। মই বোলোঁ,— হৈছিল যদি হৈছিল; কিন্তু মোকতো আগতে কৈ থ'ব লাগে!

প্ৰায় ছবছৰৰ পাছত, মই যেতিয়া ইংলেণ্ডলৈ যাবলৈ পাছপ'ৰ্টৰ কাৰণে দৰখাস্ত কৰোঁ, তেতিয়া মোৰ অতীতটো সম্পৰ্কে পুলিছৰ ৰিপ'ৰ্ট এটাৰ প্ৰয়োজন হৈছিল। খবৰ লৈ গম পালো,—ৰিপ'ৰ্টত পুলিছে লিখিছে,— এসময়ত এওঁ কমিউনিষ্ট পাৰ্টি অৱ ইণ্ডিয়াৰ প্ৰাইভেট প'ষ্ট-বক্স আছিল; এতিয়া অৱশ্যে এওঁৰ তেনেকুৱা কাৰ্যকলাপ নাই।

প'ষ্টাৰ লিখা, দুখনমান কিতাপৰ বেটুপাতৰ বিসৰ্জনযোগ্য ছবি অঁকা, থিয়েটাৰৰ ছেটিংছৰ গছত ৰং দিয়া আদিতে আবদ্ধ থাকি মোৰ ছবি অঁকা বিদ্যা শেষত লুপ্ত হ'ল যদিও, সেই বিদ্যা আয়ত্ত কৰিবলৈ চেষ্টা কৰাটোৱেই মোৰ কাৰণে প্ৰয়োজনীয় অভিজ্ঞতা আছিল। পাছৰ জীৱনত সেই অভিজ্ঞতাই মোক সহায় কৰিছিল। অকল সেইটো বিদ্যাই নহয়, হাইস্কুলৰ শেষৰ বছৰকেইটাত মই কেইবাটাও বিদ্যালৈ হাত মেলিছিলো, কিন্তু সেই মেলা হাত আজিও মেলা হৈয়েই থাকি গ'ল। পিছে এই যে মেল খাই থাকিল, এইটোৱেই মোৰ কাৰণে যথালাভ। মনে বিচৰা ভাল বস্তুৰ প্ৰতি হাত সদায় মেল খাই থকাই ভাল। চিত্ৰাংকনৰ নিচিনাকৈ সংগীতৰ প্ৰতিও মোৰ হাত মেল খায়েই থাকিল। সেই সময়ত নগাঁৱৰ সংগীত-শিক্ষাৰ ক্ষেত্ৰখনত সুশীল বানাৰ্জী এজন মনত ৰাখিবলগীয়া শিক্ষক আছিল। নগৰখনৰ সকলোৱে তেখেতক সুশীল ঠাকুৰ বুলিয়েই জানিছিল। তেখেতৰ ছাত্ৰ-ছাত্ৰী পাছলৈ কিমান ডাঙৰ কণ্ঠশিল্পী বা বাদ্যযন্ত্ৰশিল্পী হৈছিল, সেইটো তেখেতৰ কৃতিত্বৰ জোখ নাছিল; কিন্তু মাটিৰ পৰ্যায়ত, গজালিৰ পৰ্যায়ত তেখেতে শাস্ত্ৰীয় সংগীতৰ যি পৰিবেশ সৃষ্টি কৰিছিল, সেইটোহে তেখেতৰ কৃতিত্বৰ জোখ আছিল। সাধাৰণ শিক্ষাৰ ক্ষেত্ৰত একোটা অঞ্চলত পাঠশালা এখনৰ যি গুৰুত্ব, শাস্ত্ৰীয় সংগীতৰ ক্ষেত্ৰত সুশীল ঠাকুৰৰ 'স্কুল'খনে সেই গুৰুত্ব দাবী কৰিব পৰা ধৰণৰ আছিল। তেখেতৰ ছাত্ৰ-ছাত্ৰীয়ে একোটা অনুষ্ঠানত বিভিন্ন বাদ্যযন্ত্ৰৰে যি 'ঐক্যতান বাদন' পৰিবেশন কৰিছিল, সি আছিল অতি সৰল, সাংগীতিক বিচাৰত শুদ্ধ আৰু শ্ৰোতাক আনন্দ দিব পৰা বিধৰ। চেতাৰ, বেহেলা, এচৰাজ, বাঁহী, তবলা আদিৰে পৰিবেশন কৰা সুশীল ঠাকুৰৰ সেই শাস্ত্ৰীয় সুৰৰ অনুষ্ঠানৰ শব্দ আৰু দৃশ্য মনৰ পৰা আঁতৰাই নিব পৰাকৈ তেনেকুৱা অনুষ্ঠানৰ পয়োভৰ পাছলৈ নোহোৱাই হ'ল। সুশীল ঠাকুৰে তেখেতৰ সক্ৰিয় জীৱনৰ সুদীৰ্ঘ কাল ফৌজদাৰীপটিতে কটাইছিল। খেৰ-বাঁহৰ এটা

সাধাৰণ ঘৰত তেখেতে নিৰলস জীৱন যাপন কৰিছিল। সেই ঘৰটোৰ পৰা ৰাতিপুৱা-গধূলি ওলাই থকা তবলা-চেতাৰৰ শব্দই মোক বৰ আকৰ্ষণ কৰিছিল; কিন্তু ঘৰটোৰ ভিতৰ সোমাবলৈ উপায় কৰিব নোৱাৰিছিলো। ঘৰটোৰ ওচৰে-পাঁজৰে ঘূৰি-পকি থকাৰ ফলত সেইকালতে সংগীতৰ ক্ষেত্ৰত মোৰ মনত যি ৰুচিৰ সৃষ্টি হৈছিল, সিয়েই গোটেই জীৱনলৈ মোৰ কাৰণে লাভজনক বস্তু হৈ ৰৈছিল। সেই কাৰণে বেৰৰ বাহিৰৰ ছাত্ৰ হিচাপেই মই সুশীল ঠাকুৰৰ কথা মনত পেলাওঁ।

কিন্তু যিটো বস্তুলৈ মন মেলাটো মোৰ বাবে যুক্তিযুক্ত নাছিল, উৎসাহৰ আতিশয্যত তেনেকুৱা বস্তুলৈ মন মেলাৰ ঘটনাও ঘটিছিল। তেতিয়া আমাৰ স্কুলৰ এটা নিয়ম আছিল ঃ একোটা অঞ্চলৰ পোন্ধৰ-বিছজনমান ছাত্ৰই লগ লাগি দৰখাস্ত কৰিলে, ক'ত খেলিব সেইটো জনালে, স্কুল কৰ্তৃপক্ষই তেওঁলোকক এটা ফুটবল দিছিল। এবাৰ আমি কীৰ্তন ঘৰ ৰোডৰ ছাত্ৰইঁতে কৰিলো এখন দৰখাস্ত। মই তেতিয়া ক্লাছ টে'নত। দৰখাস্তত কেপ্টেইনৰ নামো দিব লাগে। বাকীবোৰে কোৱাৰ কাৰণে দিলো ময়েই কেপ্টেইন বুলি লিখি। পালো ফুটবল। খনাজানৰ কাষৰ পথাৰখনত স্কুল ছুটীৰ পাছত খেলিবলৈ ল'লো। দলটোৰ বেছিভাগেই মহৰীবাবুৰ টোলটোৰ ল'ৰা। ফুটবলটো নগাঁও গৱৰ্নমেণ্ট হাইস্কুলৰ সম্পত্তি হ'লেও খেলিবৰ সময়ত ডছন হাইস্কুল, বেংগলী হাইস্কুল,— সেইবোৰ বাছ-বিচাৰ নাছিল। কেপ্টেইন হিচাপে মোৰ প্ৰধান কাম আছিল বলটো আমাৰ ঘৰত ৰখা, আৰু পাম কমিলে পাম দি টনটনীয়া কৰা। এই পাম দিয়াটো কিন্তু বৰ জঞ্জালৰ কাম আছিল। দিবলৈ বেয়া পোৱা মানুহক কাকুতি কৰি খুজি অনা ছাইকেলৰ পামেৰেই ফুটবল পাম কৰিছিলো; কিন্তু ব্লাডাৰটোৰ নলীডাল ভিতৰ সুমুৱাই বলটোৰ মুখখন কেতিয়াও গাটোৰ লগত মিলি যোৱাকৈ বান্ধিব নোৱাৰিছিলো। ফলত আমাৰ বলটো কেতিয়াও ঘূৰণীয়া নাছিল;— মুখখন টেমুনা এটাৰ নিচিনাকৈ ওলাই আছিল। বল খেলি মই যিমান আনন্দ পাইছিলো, হাতে-ভৰিয়েই তাতকৈ বহুত বেছি দুখ পাইছিলো। মই বল কিক কৰিলে সি মাটিৰ পৰা কেতিয়াও ওপৰলৈ নুঠিছিল; সদায় চুঁচৰি গৈছিল। সেইবোৰ যি নহওক, খেল চলি আছিল। কিছুদিনৰ পাছত এদিন আমাৰ স্কুলত শিক্ষক এগৰাকীক বিদায় দিয়াৰ সভা এখন পতা হৈছিল। মই বিদায়-সম্ভাষণ হিচাপে কিছু কথা লিখি সেই সভাত পাঠ কৰিছিলো। পাছদিনা ৰেজিবুদ্দিন আহমদ ছাৰে মোক মাতি নি কেইটামান কথা ক'লে। কথাকেইটাৰ সাৰমৰ্ম হ'ল,— এইযে তুমি কালি মিটিঙৰ কাৰণে কথাখিনি লিখিলা আৰু সেইখিনি মিটিঙত পঢ়িলা, সেইটো ভাল কাম হৈছে। লিখা, পঢ়া দুয়োটা ভাল হৈছে। তুমি এনেকুৱা কামতে মন দিয়া। ফুটবল দলৰ কেপ্টেইন হোৱাটো বাদ দিয়া। সেইটো তোমাৰ কাম নহয়।

ছাৰে সেই উপদেশটো দিওঁতে অন্যান্য কথাৰ লগতে নিশ্চয় মোৰ গাটোলৈকো মন কৰিছিল। সেই সময়ত মোৰ গাত খেলুৱৈৰ কোনো লক্ষণ নাছিল। ছাৰে তেনেকৈ কোৱাৰ পাছতে মই ফুটবল খেল বাদ দিলো। সঁচাসঁচি ফুটবল তাৰ পাছত আৰু মই কাহানিও হাত, ভৰি একোৰে চুই পোৱা নাই। টেলিভিছনত ১৯৯৪ চনৰ বিশ্বকাপৰ ফুটবল খেল চাই থাকোঁতে এদিন মোৰ ৰেজিবুদ্দিন ছাৰৰ কথাখিনিলৈ মনত পৰিছিল। গভীৰ নিশা,— অকলে টেলিভিছন চাই বহি আছিলো কাৰণেই নে কি, — তেখেতৰ চেহেৰাটো কথা কোৱাৰ ভংগীৰ সৈতে মোৰ চকুৰ আগত ভাহি উঠিছিল। তেখেতৰ মাতটোও শুনা যেন লাগিছিল। তেখেতে আমাক ইংৰাজী পঢ়াইছিল। The Assam Tribune কাকতৰ Letters to the Editor শিতানত তেখেতে লিখা ভালেমান গুৰুত্বপূর্ণ চিঠি প্ৰকাশ পাইছিল। সেইটো শিতানৰ জৰিয়তে তেখেতে সুদীর্ঘ কাল ধৰি পাঠক-পাঠিকাৰ লগত সম্পৰ্ক ৰক্ষা কৰিছিল।

এই যে খনাজানৰ পথাৰত ফুটবল খেলাৰ কথা ক'লো, এই খনাজান নামটো মই আগতে কেইবাটাও প্ৰসংগত উল্লেখ কৰিছোঁ। এই নামটোৱে সামৰি লোৱা ঠাইডোখৰ আমাৰ শৈশৱ আৰু কৈশোৰৰ লগত ইমান ঘনিষ্ঠভাৱে জড়িত যে সেই কালছোৱাৰ কথা ক'লে মাজে-মাজে সেই নামটো কথাৰ মাজলৈ আহিবলৈ বাধ্য। একোজন পৰম সুহৃদৰ নিচিনাকৈ প্ৰকৃতিৰ একোটা অংশ, একোটা দৃশ্য, আনকি একোটা শব্দয়ো আজীৱন মনৰ ঘৰলৈ অহা-যোৱা কৰি থাকে। খনাজান মোৰ তেনেকুৱা প্ৰকৃতি-সুহৃদ। পঞ্চাছ বছৰমানৰ মূৰত শেষবাৰৰ যেতিয়া ঠাইডোখৰলৈ গৈছিলো, তেতিয়া আগতে ক'ত কি আছিল সহজেই ধৰিব পৰা নাছিলো। আৰু কেইবছৰমানৰ পাছত হয়তো ক'ত কি আছিল মনত পেলাব পৰা মানুহো নোহোৱা হ'ব। কীর্তন ঘৰ বোৱেদি দক্ষিণৰ ফালে গৈ চাৰিআলিটো পাৰ হ'লেই ৰাস্তাৰ দুয়োকাষে হাবি। খনাজান অঞ্চল আৰম্ভ। বাঁওকাষৰ হাবিখন শেষ হ'লেই আমি ফুটবল খেলা বহল পথাৰখন। আচলতে পথাৰখনৰ মাজৰ এটা সৰু অংশতহে আমি বল খেলিছিলো। পথাৰখনৰ সিমূৰে কলঙলৈ বৈ যোৱা খনাজানটো। জানটোৰ ওপৰত এখন লোহাৰ দলং। দলঙৰ সিপাৰে আকৌ হাবি। সেই হাবিৰ সিপাৰেই মৰিশালি আৰম্ভ; খনাজান অঞ্চল শেষ। খনাজান এৰি থৈ ৰাস্তাটো ম'হমৰীয়া, ডাকৰঘাট, বৰজহা, দক্ষিণপাট, তুলসীমুখ আদি গাঁৱলৈ গুচি গৈছে। দলংখন পাৰ হৈ সোঁফালে ঘূৰি জানটোৰ লগে-লগে লুংলুঙীয়া বাটেদি কলং আৰু খনাজান লগ লগা ঠাইখিনিলৈ যাব পাৰি। যাওঁতে হাবিৰ মাজত পাই যাওঁ অকলশৰীয়া এটা ঘৰ। সেইটোৰ নাম চামৰা-গুদাম। তাতে থাকি মানুহ কেইজনমানে জীৱ-জন্তুৰ ছাল শুকুৱায় আৰু সেইবোৰৰ ব্যৱসায় কৰে।

বাৰিষাত গোটেই পথাৰখন আৰু জানটো পানীৰে একাকাৰ হৈ পৰে। হাবিৰ মাজলৈকে পানী সোমায়। দূৰৰ ৰে'লৰ আলি আৰু আি অহা-যোৱা কৰা ৰাস্তাটোৰ

মাজৰ এই বিস্তীৰ্ণ অঞ্চলটোৰে চাই আমি সাগৰ দেখাৰ আনন্দ উপভোগ কৰোঁ। কলগছৰ ভুৰ বা নাৱত উঠি মাছমৰীয়াহঁতে মাছ মাৰে;— কৰতি, মোৱা, পুঠি আদি মাছেৰে জাল বগা হৈ আহে। খনাজানটো ডাকি লোৱা মাছমৰীয়াই গোটা বাঁহ পুতি, তাত বাঁহৰ কাঠীৰে তৈয়াৰ কৰা বান বান্ধি দলংখনৰ তলতে জানটো ভেটি লয়। দুয়োপাৰে দুটামানকৈ ফাঁক ৰাখি তাত তেওঁলোকে বাঁহৰ কাঠীৰে সজা 'যন্ত্ৰ' পাতি থয়। এই যন্ত্ৰবোৰত মাছ সোমালে ওলাব নোৱাৰে। (এইবোৰক চেপা বা ঠুহা বুলিব নোৱাৰি।) ৰাতিপুৱা-গধূলি মাছমৰীয়াই দুবাৰ যন্ত্ৰবোৰ পাৰলৈ তুলি আনি তাৰ পৰা নাৰ, বাত, কুঢ়ি, কান্ধুলি, কৰতি, পুঠি, শিঙৰা আদি মাছ উলিয়ায়। জানৰ পানীৰ প্ৰবল সোঁতৰ বিপৰীতে ডাঙৰ-ডাঙৰ মাছ উজাই আহে। মাছমৰীয়াই বানৰ খুঁটাত ইমূৰৰ পৰা সিমূৰলৈ পানীৰ ওপৰত ওলাই থকাকৈ জাল তৰি থয়। আমি দলঙৰ ওপৰৰ পৰা চাই থাকোঁতেই একোটা প্ৰকাণ্ড ৰৌ মাছে বান পাৰ হ'বলৈ জাঁপ মাৰি জালত পৰি ছটফটায়। মাছমৰীয়াই নাৱেৰে গৈ মাছটো ধৰি আনে; গালেদি নাৰিকলৰ ৰছী সুমুৱাই তাৰ মুখত বান্ধ দিয়ে; তাৰ পাছত পাৰত পুতি থোৱা বাঁহৰ খুঁটাত ৰছীডালৰ ইটো মূৰ বান্ধি মাছটো পানীত জীয়াই থয় (বজাৰ বা গ্ৰাহকৰ হাতলৈ যোৱাৰ সময় নোহোৱালৈকে)।

বৰশীৰে ডাঙৰ মাছ ধৰাৰ চখ থকা কিছুমান মানুহে ঠাই বুজি খুঁটি-বৰশী পাতে। এই বৰশীৰ ছিপডাল মাত্ৰ পাঁচহাতমান দীঘল। সেইডালৰ গুৰিটো মাটিত গোঁজ মাৰি তেওঁলোকে সহজে নমৰা কাৱৈ-শিঙীজাতীয় সৰু জীয়া মাছ টোপ হিচাপে বৰশীত গাঁঠি থয়। মাছটোৱে পানীৰ উপৰিভাগতে অস্থিৰভাৱে সাঁতুৰি থাকে, আৰু কেতিয়াবা ৰৌ, বৰালি আদি ডাঙৰ মাছে সিহঁতক বৰশীৰ সৈতে গিলি থয়। ঢাকাইপটি অঞ্চলৰ মাৰোৱাৰী মানুহ কেইজনমান সদায় পুৱাই হাতত চিকচিকীয়া পিতলৰ ঘটি একোটা লৈ বাহিৰ ফুৰিবলৈ খনাজানৰ হাবিলৈ আহে। তেওঁলোকে বৰশীত গাঁঠি দিয়া জীয়া টোপবোৰ দেখি মনত দুখ পায় আৰু ওচৰে-পাঁজৰে থকা মানুহক মাছবোৰ এৰি দিবলৈ পইচা যাচে। খুঁটি-বৰশী পোতা মানুহবিলাকে বৰশীটো ৰখি নাথাকে; মাজে-মাজে আহি চাই যায়হি। কেতিয়াবা একোটা ডাঙৰ মাছ বৰশীত লাগি থাকে; গৰাকীয়ে গমেই নাপায়। এদিন আমি তেনেকুৱা বৰশীত লাগি থকা কণামুচৰি এটা ধৰি আনি কেইদিনমান পুহিছিলো; কিন্তু ডিঙিত বৰশীৰ ঘা লগাৰ কাৰণেই হ'বলা, কেইদিনমানৰ পাছতে চৰাইটো মৰি থাকিল। যিখিনি ঠাইত কণামুচৰিটো বৰশীত লাগি আছিল, আজিকালি তাত ঘৰ-বাৰী হ'ল।

নিৰ্জন-নিঃসংগ সময়ত সেই অঞ্চলটোৰ কথা ভাবিলে মাজনিশা ৰেজিবুদ্দিন আহমদ ছাৰৰ চেহেৰাটো চকুৰ আগলৈ অহা আৰু তেখেতৰ মাতটো শুনাৰ নিচিনা অৱস্থা এটাৰেই সৃষ্টি হয়।

লিখা-মেলা, ছবি আঁকা, গান-বাজনা আৰু ফুটবলৰ মাজেৰে বেজিবুদ্দিন ছাৰক কথাৰে আহিছিলো; কিন্তু অকল বেজিবুদ্দিন ছাৰেই নহয়, স্কুলখনৰ প্ৰায় সকলো শিক্ষকৰে চেহেৰা আৰু কণ্ঠস্বৰ চকু মুদি চেষ্টা কৰিলেই দেখিবলৈ পাওঁ;— কাৰোবাৰ স্পষ্টকৈ, কাৰোবাৰ অস্পষ্টকৈ। স্কুলত সোমায়েই হে'ডমাষ্টৰ হিচাপে কিছুদিনলৈ দেখিছিলো ভূপেন্দ্ৰ মোহন সেন ছাৰক। কেৱল মনত পৰে— তেখেতৰ মিঠাবৰণীয়া মুখখন, চামৰাৰ পেটি এডালে আৱৰি ৰখা অলপ ডাঙৰ পেটটো। আন এগৰাকী হে'ডমাষ্টৰ ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ চেহেৰাটো মনলৈ আহে;— ওখ-পাখ, শকত-আৱত মানুহজন; কথাৰ মাজতে নাটকীয় সুৰত একোষাৰ কি বচন গায়, কবিতা আবৃত্তি কৰে। এখেতক হাফপেণ্ট পিন্ধা অৱস্থাতো স্কুলৰ চৌহদত দেখা মনত পৰে। কন্দ্ৰ ভূঞা, কমলা শইকীয়া, ৰজনী মহন্ত, নাৰায়ণ মহন্ত, মহীকান্ত মহন্ত, পূৰ্ণানন্দ দেৱ গোস্বামী, প্ৰাণনাথ শৰ্মা, হেম শৰ্মা, ভোগেশ্বৰ শৰ্মা, দুৰ্গেশ্বৰ বুজৰবৰুৱা, কৃষ্ণ দাস বৰুৱা,—এইসকল লোক কেৱল শিক্ষক, অভিভাৱক আৰু পথপ্ৰদৰ্শকৰূপেই নহয়, একোটা চৰিত্ৰ হিচাপেও মোৰ মনত জীয়াই আছে। ঘৰৰ বাহিৰত এইসকল লোকেই মোৰ জীৱনৰ প্ৰথম পিতৃস্বৰূপ অভিভাৱক, পথপ্ৰদৰ্শক আছিল বুলি ভাবোঁ। (পাঠশালা স্কুলৰ শিক্ষকসকলৰ বিষয়ে আমাক পিতায়ে কৈছিল ঃ চকু মুদ খাই থকা চৰাই-পোৱালিৰ চকু ফুটোৱাৰ নিচিনাকৈ পাঠশালাৰ পণ্ডিতসকলে আমাৰ চকু ফুটায়; প্ৰথম-প্ৰথম শিক্ষাৰ পৃথিৱীখন চাব পৰা কৰে। কথাটো মই মানি চলিছোঁ। সেই শিক্ষকসকলক মই দৃষ্টিদাতা হিচাপে মান কৰোঁ।)

আনৰ বিচাৰত এই শিক্ষকসকলো নিশ্চয় 'দোষে-গুণে' মানুহ আছিল; কিন্তু এখেতসকলৰ কাৰো কোনো দোষৰ কথা মোৰ মনত নোসোমাইছিল। কিয় নোসোমাইছিল? এইটো এটা গুৰুত্বপূৰ্ণ কথা। ইয়াৰ একমাত্ৰ কাৰণ আছিল,— তেখেতসকলে আমাৰ আগত একমাত্ৰ শিক্ষক হিচাপে দেখুৱাবলগীয়া গুণখিনিহে পাৰ্যমানে উন্মুক্ত কৰিছিল; আৰু তেখেতসকলৰ দোষৰ খবৰ লোৱাটো আমাৰ মনোবৃত্তিৰ সাত ঢাপৰ বাহিৰৰ কাম আছিল। তেখেতসকল আৰু আমাৰ উভয়ৰে যুটীয়া প্ৰচেষ্টাৰ ফলত আমি তেখেতসকলৰ ভালখিনি দেখিয়েই স্কুলীয়া জীৱন সমাপ্ত কৰিলো। তেখেতসকলৰ প্ৰত্যেককে একোটা ভিতৰুৱা নাম দি, সেই নামবিলাকক্ষে পদ্য ৰচনা কৰা,— আমাৰ এইবোৰ কামে তেখেতসকল বা আমাৰ কাৰো প্ৰকৃত চৰিত্ৰ প্ৰতিফলিত নকৰিছিল। আমি সৰুতে ফাকুৱাৰ দিনা পানীলাও এটাৰ ডিঙিটো কাটি লৈ তাত কটাৰীৰ আগেৰে ওভোতাকৈ 'গৰু' শব্দটো কাটি লৈছিলো, আৰু চিয়াঁহী লগাই সেইটোৰে যাকে পাওঁ তাৰে চোলাৰ পিঠিত চাব দি ফুৰিছিলো। যাৰ পিঠিত চাবটো পৰিছিল, তেওঁ গৰু হোৱাৰ প্ৰশ্নই নাছিল, আৰু আমি তেওঁক গৰু বুলি ভবাৰো প্ৰশ্ন নাছিল। আমাৰ শিক্ষকসকলৰ ভিতৰুৱা নামেৰে পদ্য লিখা কামটো এই নিৰ্দোষ কামটোৰ লগতে তুলনা কৰিব পাৰি।

এই সকলো ভিতৰুৱা নামৰ ভিতৰত সংস্কৃতৰ শিক্ষক হেম শৰ্মা ছাৰৰ 'বোপা' নামটো প্ৰায় মুকলি হৈ পৰিছিল। কোনে কেতিয়া কিয় ছাৰক এই নামটো দিছিল মই নাজানো; কিন্তু প্ৰথমৰ পৰাই আমি তেখেতক বোপা মাষ্টৰ বুলি জানিছিলো। মই সংস্কৃত বিষয়টো ভাল পাইছিলো, আৰু তেখেতে বৰ ভালকৈ পঢ়াইছিল কাৰণেই হ'বলা,— তেখেতক মই বৰ ভাল পাইছিলো। কিন্তু তেখেতৰ চেহেৰাটো মনত পেলাব খুজিলে ক্লাছৰুমত দেখা মানুহজনৰ চেহেৰাতকৈ সৰস্বতী গোসাঁনীৰ সমুখত, শুদা গাত চাদৰ এখন লৈ লেপেটা কাঢ়ি বহি পূজা কৰা, আৰু ত্বং সৰস্বতী নিৰ্মল বৰ্ণে ইত্যাদি বুলি স্পষ্ট মাতেৰে 'অঞ্জলি প্ৰদান' কৰা মানুহজনৰ চেহেৰাটোহে মোৰ চকুৰ আগলৈ আহে। স্কুলৰ সৰস্বতী পূজাত মই শৰ্মা ছাৰৰ বাহিৰে আন পুৰোহিত কোনো বছৰে দেখা নাছিলো।

সৰস্বতী পূজা আমাৰ স্কুলৰ আটাইতকৈ ডাঙৰ বছৰেকীয়া অনুষ্ঠান আছিল। পূজা-অৰ্চনা ভাগটোৰ প্ৰতি মোৰ বিশেষ আগ্ৰহ নাছিল। সকলোৰে মাজত সোমাই অঞ্জলি ল'ব লাগে লৈছিলো। কিন্তু সেই দিনটোত কিছুমান কাম নিষ্ঠাৰে কৰিছিলো। সেইবোৰ কৰিবলৈ কোনে শিকাইছিল— মনত নপৰে। যিমানেই জাৰ নহওক, পুৱাই গা ধুইছিলো। (ৰাতিপুৱা কলঙৰ পানী নাদৰ পানীতকৈ গৰম হৈ থাকে; গতিকে মাঘ বিহু আৰু সৰস্বতী পূজাৰ দিনা গা ধুবলৈ প্ৰায়েই কলঙলৈ গৈছিলো।) তাৰ পাছত পুৰণা খবৰ-কাগজ গুচাই মেজত নতুন খবৰ-কাগজ পাৰিছিলো। কিতাপ-বহী জাৰি-জোকাৰি নতুনকৈ সজাইছিলো। দোৱাত-কলম চাফা কৰিছিলো। (পাছলৈ যেতিয়া ফাউণ্টেইন পে'ন হ'ল, তেতিয়া পে'নটো ধুই চিয়াঁহীৰ সলনি, সেই দিনটোৰ কাৰণে, তাত গাখীৰ ভৰাই থৈছিলো।) তাৰ পাছত স্কুললৈ গৈছিলো আৰু গোটেই দিনটো স্কুলতে কটাইছিলো। সেইদিনা লিখা-পঢ়া কৰিব নাপায় বুলি জানিছিলো। অঞ্জলি নোলোৱাকৈ একো খাব নাপায় বুলি কোনোবাই শিকাই দিয়াৰ কাৰণে পানী এটোপাও নাখাইছিলো। সেইদিনা পাছবেলা স্কুলৰ বাকৰিত বহি যিখিনি বস্তু খাইছিলো, সেইখিনি বস্তুৱে দিয়া তৃপ্তিৰ তুলনীয় তৃপ্তি নাই বুলিয়েই ধাৰণা হৈছিল। খিচিৰি, বাকলি নুগুচোৱাকৈ দুফাল-দুফালকৈ কটা 'খাছীয়া' আলু আৰু বন্ধাকবিৰ তৰকাৰী, বেঙেনা ভাজি আৰু বিলাহীৰ অম্বল,— বস্তু সিমানেই। পাছলৈ জীৱনটোত তেনেকুৱা বা তাতকৈ ভাল খিচিৰিয়েই খাই পোৱা নাই নে, তৰকাৰী-ভাজিয়েই খাই পোৱা নাই? নিশ্চয় পাইছোঁ। তথাপি, সেই হাইস্কুলৰ সৰস্বতী পূজাৰ খিচিৰি-তৰকাৰী-ভাজি কেতিয়াও তল পৰিব নোখোজে। সেইবোৰৰ গোন্ধেই বেলেগ।

পাছলৈ সৰস্বতী পূজাৰ নামত মোৰ আগ্ৰহ জন্মিছিল ডেকৰেশ্যন,— সাজ-সজ্জাৰ প্ৰতি। তেতিয়াৰ সাজ-সজ্জাত বাঁহ লাগি থকা মাটিৰ চপৰাৰে সজা পৰ্বত, খেজুৰ পাত

আদিৰ পয়োভৰেই বেছি আছিল। নতুন কিবা এটা কৰাৰ ধান্দাত এবাৰ গোসাঁনী সাজি থাকোঁতেই খনিকৰক ক'লো,— সৰস্বতীৰ কিৰীটিটোৰ মাজতে ফুটা এটা ৰাখিব লাগে। পূজাৰ দিনা পুৱাই সেই ফুটাটোত টৰ্চলাইটৰ বাল্ব এটা নীলা ছেলফেন পেপাৰেৰে মেৰিয়াই ফিট কৰি দিলো আৰু গধূলি হ'লেই দুটা বেটাৰিৰে জ্বলোৱাৰ বন্দবস্ত কৰি ৰাখিলো। এনেয়ে সন্ধিয়া য'ৰে গোসাঁনী ত'তে এৰি থৈ ঘৰলৈ যোৱাৰ কথা; কিন্তু সেইবাৰ গোসাঁনীৰ কিৰীটিত বাল্বটো জ্বলোৱা কাৰণেই যিমান পৰলৈকে গোসাঁনী চোৱা মানুহ আহি থাকিল, সিমান পৰলৈকে মণ্ডপৰ সমুখতে বহি থাকিলো। কামটো যে মই কৰিছিলো, সেই কথাটো দৰ্শকসকলৰ যিমানক পাৰোঁ পাকে-প্ৰকাৰে জনাই থাকিলো।

সৰস্বতী পূজাৰ দিনা অঞ্জলি নোলোৱালৈকে একো নোখোৱা, পে'নত গাখীৰ ভৰোৱা,— সেইবোৰ অভ্যাস পাছলৈ বাদ পৰিছিল; কিন্তু মোৰ ডেকৰেশ্যনৰ নিচাটো বছৰে-বছৰে বাঢ়ি গৈছিল। কটন কলেজৰ হোষ্টেল, কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ হোষ্টেল, নগাঁৱৰ সেউজীয়া সমাজ, আনকি লেকচাৰাৰ হোৱাৰ পাছতো শিৱসাগৰ কলেজত মহা উদ্যমেৰে সৰস্বতী পূজাৰ মণ্ডপ সজোৱাৰ কাম কৰিছিলো। ডেকৰেশ্যনৰ পেটাৰ্নটো সকলোতে পিছে মোটামুটি সেই একেই আছিল। কাঠৰ ফ্ৰেমত পিছবৰ্ড মাৰি সজা গছ এজোপা, বাঁহৰ ঢাৰি আৰু কপাহেৰে সজা উৰন্ত মেঘৰ চপৰাকেইটামান, এচপৰা মেঘত আউজি থকা পঞ্চমীৰ জোন (ডাঠ কাগজেৰে সজা জোনৰ ভিতৰত পঁচিছ ৱাটৰ বাল্ব)!— শিৱসাগৰ কলেজ-চৌহদত গোটেই নিশা কাম কৰিছোঁ; পুৱা আঠ বাজি গ'ল— কাম শেষ হোৱাই নাই। তেনে সময়তে পিয়নে টেলিগ্ৰাম এখন দি গ'ল। শ্বিলঙৰ পৰা অভিনয়-শিল্পী চন্দ্ৰ ফুকন ককাইদেৱে পঠোৱা টেলিগ্ৰাম ঃ তুমি বিদেশত গৱেষণাৰ বাবে চৰকাৰৰ বৃত্তি পাইছা। এই প্ৰসংগটোৰ সবিশেষ পাছলৈ থ'লো।

সেইদিনা যে কাম শেষ কৰি মণ্ডপটোৰ পৰা আঁতৰি আহিলো, তাৰ পাছত আৰু সৰস্বতী পূজাৰ ডেকৰেশ্যনৰ কাম কেতিয়াও কৰা নাই। উল্লেখযোগ্য,—সৰস্বতীক কেন্দ্ৰ কৰি সাজ-সজ্জাৰ প্ৰতি যি অনুৰাগ, আমাৰ ঘৰত তাৰ প্ৰথম প্ৰকাশ ঘটিছিল নগেন ককাইদেউৰ কামত। কণফুল নামৰ বন্ধু এজনৰ লগ লাগি তেওঁ এবাৰ হাতেৰে সৰস্বতীৰ মূৰ্তি সাজিছিল। মোৰ মনত পৰে,—হাঁহ, পদুমফুল, বীণা, সৰস্বতীৰ গা, কাপোৰ ইত্যাদি মোটামুটি ঠিকেই আছিল, কিন্তু গোসাঁনীজনাৰ মুখখন কেইবাবাৰো সালসলনি কৰাৰ পাছতো ভাল দেখা নগৈছিল। সাঁচত গঢ়া মুখৰ লগত তেওঁলোকৰ হাতে গঢ়া মুখে ফেৰ মাৰিব পৰা নাছিল।

স্কুলৰ কথালৈ উভতি আহোঁ। ভূগোল-বুৰঞ্জী-ব্যাকৰণ কৌমুদী-ডেভিড কপাৰফিল্ড-কবিতা কুঞ্জ, আনন্দ-উল্লাস, মেল-মিটিং, মৰম-কাজিয়া আদিৰে বিচিত্ৰ হৈ উঠা দিনবোৰত

সচৰাচৰ ঘটা ঘটনাবোৰৰ ফাঁকে-ফাঁকে ভুমুকি মৰা অকণ-অকণ ঘটনা কিছুমানে মনটো কিছু সময়ৰ বাবে আচ্ছন্ন কৰি ৰাখিব খোজে। ক্লাছ এইটত থাকোঁতে আমাৰ লগৰ বগীৰামে পাঁচমাইলমান দূৰৰ গাঁৱৰ ঘৰৰ পৰা ছাইকেল মাৰি স্কুললৈ আহিছিল। সি এটা বক্স-কেমেৰা কিনিছিল আৰু মোনাত ভৰাই সেইটো কেইদিনমান স্কুললৈ লৈ আহিছিল। আমাৰ ক্লাছৰে প্ৰদীপ দত্তই সেইটো কেমেৰাৰে মোৰ এখন ফটো তুলি দিছিল। কলঙৰ ফালৰ লোহাৰ গে'টখনত আউজি তোলা সেইখনেই মোৰ জীৱনৰ প্ৰথম ফটো। চাই থাকিলে ফটোখনে এটা দীঘল সাধুকথা ক'ব যেন লাগিছিল।

আমাৰ স্কুলৰ প্ৰায়বোৰ কোঠালিতে ৰছীৰে টনা পাংখা আছিল। একোটা কোঠালিত ছিলিঙৰ পৰা ওলোমাই থোৱা দুখন বা তিনিখন দীঘল-দীঘল পাংখা ৰছীৰে জোঁটোৱা আছিল। গৰমৰ দিনত কেইমাহমানৰ কাৰণে পাংখাটনা মানুহ নিয়োগ কৰা হৈছিল। আমাৰ পিছফালৰ বেৰখনৰ কাষত এখন টুল থোৱা হৈছিল আৰু তাতে বহি 'পাংখাৱালা'ই ৰছীডাল টানি-টানি আমাক বতাহ খুৱাইছিল। পাংখাৱালাবোৰৰ বেছিভাগেই কিছু সময়ৰ মূৰে-মূৰে কলমটিয়াইছিল। তেওঁলোকে ছুটী ল'লে আমি পাল পাতি পাংখা টানিছিলো। কেতিয়াবা ফূৰ্তিতে ইমান জোৰে টানিছিলো যে ডেস্কৰ কিতাপ-বহীয়ে উৰি যাওঁ-উৰি যাওঁ কৰিছিল। কেতিয়াবা প্ৰচণ্ড গৰমত একোটা ল'ৰা স্কুলতে ফিট হৈ গৈছিল। লগে-লগে সেইদিনালৈ স্কুল ছুটী দি দিয়া হৈছিল। তেনেকুৱা গৰম দিনত স্কুলৰ ওপৰ শ্ৰেণীৰ অঘাইতং ল'ৰাকেইটাই তলৰ শ্ৰেণীৰ ল'ৰাক উচটাইছিল,—অ'ই, তই ফিট হৈ দেছোন;— স্কুল ছুটী পাম!

মোক্তাব স্কুলত যে কোনোবা ল'ৰাৰ মাক-দেউতাকহঁতে কিবা উপলক্ষ্যত স্কুলখনৰ সকলো ল'ৰাকে কল-মিঠাই খুৱাইছিল, আমি ক্লাছ টে'নত থাকোঁতে সেই শ্ৰেণীৰে, কিন্তু বেলেগ ধৰণৰ ঘটনা এটা ঘটিছিল। আমাতকৈ তলত পঢ়া ৰূপহীৰ ফালৰ ল'ৰা এটাৰ অকস্মাতে মৃত্যু হৈছিল। কেইদিনমানৰ পাছত ল'ৰাটোৰ ককায়েক এজনে স্কুলৰ প্ৰত্যেকটো কোঠালিতে সোমাই কৈছিল ঃ আমাৰ ভাইটো ঢুকাল। সি যদি তোমালোকৰ কাৰোবাৰ পৰা পইচা বা অইন কিবা বস্তু ধাৰলৈ লৈছিল, তেনেহ'লে কোৱা। আমি সেইবোৰ ওভোতাই দিম। সি যদি কাৰোবাৰ ওচৰত ধৰুৱা হৈ থাকে, তেনেহ'লে তাৰ আত্মাই শান্তি নাপাব।— কথাখিনি কৈ মানুহজনে চকুপানী মচিছিল।

আমাৰ লগৰ পূৰ্ণ কলিতাই গণেশ গগৈৰ কবিতা বৰ ভাল পাইছিল। তাৰ সেই আগ্ৰহ, আৰু তাৰ লগত থকা মোৰ বন্ধুত্বৰ কাৰণেই মোৰো সেই সময়তে গগৈৰ কবিতা কিছুমান পঢ়া হৈছিল। পূৰ্ণই বহী এখনত গোট-গোট আখৰেৰে গগৈৰ সুৰৰ কবিতা লিখিছিল।

মাজে-মাজে স্কুললৈ মেজিক দেখুউৱা আৰু বিভিন্ন জীৱ-জন্তুৰ মাত মতা (কেৰিকেচাৰ কৰা) মানুহ আহিছিল। সেইবোৰ চাবৰ কাৰণে আমি গাইপতি এক অনাকৈ

পইচা দিব লাগিছিল। সেইবোৰৰ কাৰণে তিনিটামান পিৰিয়ড বাতিল কৰা হৈছিল। এদিন এজন মেজিছিয়ানে হল ঘৰটোত সকলোৰে আগত থিয় কৰাই লৈ মোৰ পেটৰ পৰা বাৰটামান বৰশী উলিয়াই দেখুৱাইছিল। সেইদিনা মই বৰ লাজ পাইছিলো।

আমাৰ স্কুলীয়া জীৱন শেষ হৈ অহাৰ সময়ছোৱা কেইবাটাও কাৰণত গুৰুত্বপূৰ্ণ আছিল। দেশখনক স্বাধীন কৰাৰ শেষ পৰ্যায়ৰ কামবোৰ আৰম্ভ হৈছিল। কংগ্ৰেছ, কমিউনিষ্ট, মুছলিম লিগ আদি বিভিন্ন দলৰ ক্ৰিয়া-কাণ্ডৰে দেশখন ভৰপূৰ হৈ থকাৰ সময়ত মেট্ৰিক পৰীক্ষাৰ চিন্তাই আমাক স্পৰ্শ কৰিবলৈ লৈছিল। সেইটো পৰ্যায়ত স্কুলীয়া ছাত্ৰ হিচাপে আমাৰ কৰিবলগীয়া বিশেষ একো নাছিল। ১৯৪৭ চনৰ ১৪ আগষ্টৰ ৰাতি আমি ট্ৰাকত উঠি স্বাধীনতা উপভোগ কৰিবলৈ ওলাইছিলো। কোনে ট্ৰাকবোৰৰ ব্যৱস্থা কৰিছিল খবৰ লোৱা নাছিলো। প্ৰথমতে নগাঁও নগৰৰ পৰা ৰহালৈ, তাৰ পৰা উভতি একেবাৰে শিলঘাটলৈ। শিলঘাটৰ পৰা ওভতোঁতে ৰাতি পুৱাইছিল। কিছুদূৰ আহিয়েই আমাৰ ট্ৰাকখন বেয়া হৈছিল। কেইবাঘণ্টাও বাটৰ কাষতে বহি আছিলো। ভোকত তৰণি নাপাই এঘৰ মানুহৰ বাৰীত থকা ৰবাব টেঙা খাইছিলো। আমি যেতিয়া নগৰ পাওঁহি তেতিয়া পোন্ধৰ আগষ্টৰ পাছবেলা আৰম্ভ হৈছিল। আমাৰ স্কুলৰে ক্লাছ ফাইভৰ বি ছেক্সনৰ কোঠালিটোত আমাৰ কাৰণে মিঠাই সজাই থোৱা আছিল। অৰ্থাৎ কোনোবাই আমাৰ খবৰ ৰাখিছিল।

অসমত আমিয়েই স্বাধীন ভাৰতৰ প্ৰথম প্ৰবেশিকা (মেট্ৰিক) পৰীক্ষাৰ্থী হ'লো। আৰু এটা গুৰুত্বপূৰ্ণ কথা হ'ল,— আমি আমাৰ নতুন বিশ্ববিদ্যালয়,— গুৱাহাটী বিশ্ববিদ্যালয়ৰো প্ৰথম প্ৰবেশিকা পৰীক্ষাৰ্থী হ'লো। এই পৰীক্ষাটোৰ কাৰণে বাছনি পৰীক্ষা হৈ যোৱাৰ পাছত কিতাপ-বহীৰ বাহিৰে পৃথিৱীৰ অন্যান্য বস্তুৰ লগত মোৰ সম্পৰ্ক কমি আহিল। এটা কথাৰ কাৰণে পঢ়া-শুনাৰ হেঁচাটো হিচাপতকৈ অলপ বেছি হ'ল। মোৰ এডিশ্যনেল ছাবজেক্ট আছিল মেকানিকছ। নাইন-টেনৰ বছৰ দুটাত বিষয়টোৰ লগত সন্তোষজনক সম্পৰ্ক স্থাপন কৰিব নোৱাৰিলো। বাছনি পৰীক্ষাৰ পাছত প্ৰবেশিকা পৰীক্ষাৰ 'ফৰ্ম ফিল-আপ' কৰিবৰ সময়ত হে'ডমাষ্টৰ প্ৰাণনাথ শৰ্মা ছাৰক অনুৰোধ কৰিলো— ছাৰ, মোক মেকানিকছৰ সলনি ছায়ন্স ল'বলৈ দিব লাগে। ছাৰে ক'লে,— এতিয়া? টেষ্টৰ পাছত? এতিয়া তুমি ইমান কম সময়ৰ ভিতৰত নিজে পঢ়ি ভাল নম্বৰ পাব পাৰিবা? লেটাৰ পাবা? মই ক'লো— পাম ছাৰ। ছাৰে সন্মতি দিলে আৰু মই এডিশ্যনেল ছাবজেক্ট ছায়ন্স বুলি ফৰ্ম ফিল-আপ কৰিলো। এখন অসমীয়া আৰু এখন বাংলা কিতাপ যোগাৰ কৰি লৈ নতুন বিষয় এটা পঢ়িবলৈ আৰম্ভ কৰিলো। এইটো বিষয়ৰ কাৰণেই মোৰ ওপৰত হিচাপতকৈ বেছি হেঁচা পৰিছিল। অতীতৰ কথা মনত

পৰা প্ৰক্ৰিয়াটো বৰ আমোদজনক। বিজ্ঞানৰ সেই কিতাপ দুখনৰ কথা ভাবোঁতে অসমীয়া কিতাপখনৰ লেখককেইজনৰ মাজৰ পৰা ড. হিৰণ্য চন্দ্ৰ ভূঞা ছাৰৰ নামটো মনলৈ আহিছে, আৰু বাংলা কিতাপখনৰ লেখক হিচাপে এটা অসাধাৰণ নাম মনত পৰিছে ঃ কুদাদত-এ-খুদা!

নিজৰ মেজখনত পঢ়ি-পঢ়ি আমনি লাগিলে আমাৰ ঘৰৰ চৌহদতে থকা জুপুৰি দুটাৰ এটালৈ হাতত কিতাপ-বহী লৈ ওলাই যাওঁ। সেই দুটা জুপুৰিৰ এটাত আছিল অইন এজন প্ৰবেশিকা পৰীক্ষাৰ্থী— জনাৰ্দন শইকীয়া। কিছু সময় তেওঁৰ লগত কথা পাতোঁ, পঢ়োঁ, আকৌ কথা পাতোঁ,— সেইটোৱেই আছিল এটা ‘চেঞ্জ’,—আমনি আঁতৰোৱাৰ উপায়। জন্যাৰ্দনৰ ঘৰ আছিল নগৰখনৰ পৰা প্ৰায় ছমাইল দক্ষিণে কলঙৰ পাৰৰ ঘাঁহী গাঁৱত। তেওঁৰ ভাল গুণৰ ভিতৰৰ এটা আছিল,— তেওঁ ছবি আঁকিব পাৰিছিল। মই ব্ৰজ ফুকনৰ চিত্ৰাংকন বিদ্যাৰ দ্বাৰা অনুপ্ৰাণিত হৈ ছবি অঁকাৰ চেষ্টা কৰিছিলো; কিন্তু এদিন দেখিলো,—জনাৰ্দনৰ বহীৰ মাজতো এজাপ ৰঙীন ছবি; প্ৰতিখন ছবি মোৰ ক্ষমতাই বলে পৰাতকৈ বহুত বেছি গধুৰ। ঘাঁহী গাঁৱৰ ঘৰতে জনাৰ্দনে ইমান ভাল ছবি আঁকিবলৈ শিকিলে! তেওঁ মোৰ সহপাঠী; আমাৰ ঘৰৰ চৌহদতে থাকি তেওঁ পঢ়া-শুনা কৰিছিল,— কিন্তু তেওঁক মই মনত ৰাখিছিলো ঘাইকৈ তেওঁৰ ছবি অঁকা বিদ্যাটোৰ কাৰণে। প্ৰবেশিকা পৰীক্ষাৰ পাছত আমি এৰা-এৰি হৈছিলো। তেওঁক আৰু কেতিয়াও লগ নাপালো, আৰু চিত্ৰাংকন বিদ্যাত পাছলৈ তেওঁ কিমান ব্যুৎপত্তি অৰ্জন কৰিছিল, তাৰো খবৰ নাপালো।

প্ৰসংগক্ৰমে ঃ এইযে কাৰোবাৰ ঘৰৰ চৌহদত জুপুৰি একোটা সাজি গাঁৱৰ ল'ৰাইতে নগৰৰ স্কুলত পঢ়া-শুনা কৰে, এওঁলোকৰ স্কুলীয়া জীৱন এক সুকীয়া অধ্যয়নৰেই বিষয় হ'ব পাৰে। আমাৰ ঘৰৰ ওচৰৰ মহৰীবাবুৰ টোলটোৰ কথা, ফণী বৰা আৰু ছত্ৰসিং টেৰণে নগৰৰ জুপুৰিত থাকি পঢ়া-শুনা কৰাৰ কথা মই আগতেই উল্লেখ কৰিছোঁ। ফৌজদাৰীপটি অঞ্চলটোত তেনেকুৱা জুপুৰি ভালেমান আছিল। আমাৰ চুবুৰিটোতে চাৰিটা আছিল। ল'ৰাৰ দেউতাক বা অইন সম্বন্ধীয় মানুহে এদিন মাটিৰ গৰাকীৰ অনুমতি লৈ যায়হি; তাৰ পাছত এদিন তেওঁ গৰুগাড়ীত খেৰ-বাঁহ, বেত-সূত-তমাল আদি বোজাই কৰি লৈ আহে; লগত আহে গাঁৱৰে তিনিজনমান মানুহ। সকলোৱে লগ লাগি দিনটোৰ ভিতৰতে ঘৰটো সাজি উলিয়ায়। দহ হাতমান দীঘল, সাত হাতমান বহল মূল ঘৰটো, এমূৰে ছহাতমান বহল পাগঘৰৰ চালি এখন; এজনৰ কাৰণে সজা ঘৰটোৰ আকাৰ সাধাৰণতে সিমানেই। কেইদিনমানৰ পাছত টালিয়ে-টোপোলাই ছাত্ৰজন সোমায়হি। তেওঁ সংসাৰখন থান-থিত লগাই লোৱাৰ পাছত দেখা যায়,— বাঁহেৰে সাজি লোৱা এখন বিছনা, এখন কাঠৰ মেজ, এখন চকী, এখন পীৰা, দুটা ৰন্ধা বাচন, এটা বাল্টি, দুযোৰ কাঁহী-বাটি, এটা পিয়লা, এটা গিলাছ, এখন হেঁতা, এখন চামুচ,— সম্পত্তি

বুলিবলৈ প্ৰায় সিমানেই। শনিবাৰে তেওঁলোক খোজ কাঢ়ি ঘৰলৈ যায়গৈ; দেওবাৰে আবেলি বা সোমবাৰে পুৱাই চাউল-পাত, পাচলি, জলপান, আনকি কোনো-কোনোৱে খৰি পৰ্যন্ত লৈ উভতি আহে। এওঁলোকৰ ৰন্ধন প্ৰক্ৰিয়াবোৰ বৰ আমোদজনক আছিল। কোনোবাই তেলতে দাইলখিনি অলপ পৰ ভাজি, আধাচৰুমান পানী ঢালি দি পঢ়া মেজত বহিছিলহি; কোনোবাই দাইল-চাউল-পাচলি-নিমখ-জলকীয়া একেলগে বহাই দি বিছনাত দীঘল দি পৰি জিৰণি লৈছিল; বেছিভাগেই বেৰৰ ইকৰা কেইডালমান ভাঙি উলিয়াই লোৱা ফুটাৰে ভাতৰ নিসনি বাহিৰলৈ উলিয়াই দিছিল। আমাৰ চৌহদৰ জুপুৰিত থাকি স্কুলীয়া জীৱন শেষ কৰা লীলা শইকীয়া (জনাৰ্দনৰ ককায়েক) আৰু যোগেন দাসে নেফাত শিক্ষকৰ চাকৰি কৰিবলৈ গুচি গৈছিল আৰু গোটেই চাকৰি জীৱন তাতে কটাইছিল। নেফাত শিক্ষকে পোন্ধৰ-বিছ মাইল বাট খোজ কাঢ়ি-কাঢ়ি স্কুললৈ ল'ৰা গোটাই অনাৰ যে কাহিনী শুনো, এওঁলোকেই আছিল তেনেকুৱা কাহিনীৰ নায়ক। লীলা ককাইদেউৰ মুখত এবাৰ শুনিছিলো,— এই সপ্তাহত যদি তেওঁ ঘূৰি-ঘূৰি পাঁচটা ল'ৰা যোগাৰ কৰি আনিছিল, পাছৰ সপ্তাহত স্কুল আকৌ খালী হৈ গৈছিল। এই লীলা ককাইদেৱে এদিন তেওঁৰ পাগঘৰত ৰান্ধি মোক মুৰগীৰ মাংস খুৱাইছিল। সেয়াই মোৰ জীৱনৰ প্ৰথম মুৰগী মাংস খোৱা। মুৰগীটো ককাইদেৱে কলগুৰ ফালৰ পৰা আহোঁতে এৰী কাপোৰৰ তলত লুকুৱাই আনিছিল।

ওচৰৰে অইন এটা ঘৰত থাকি পঢ়া-শুনা কৰিছিল জালুগুটি গাঁৱৰ ইলাৰাম দাসে। আমাৰ ঘৰখন তেওঁৰো বৰ আপোন-আপোন আছিল। বহু বছৰৰ পাছত যেতিয়া মই তেওঁৰ খবৰ পাওঁ, তেতিয়া তেওঁ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম, বাণী আৰু দৰ্শন অধ্যয়ন কৰি এগৰাকী বৈষ্ণৱ নেতা হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। মই নিজে তেওঁৰ সভাৰ শ্ৰোতা হোৱাৰ সুবিধা পোৱা নাই; কিন্তু বিভিন্নজনৰ মুখত তেওঁৰ বাকশক্তি আৰু জ্ঞানৰ বিষয়ে অকুণ্ঠ প্ৰশংসা শুনিবলৈ পাইছোঁ।

স্কুলীয়া ল'ৰাৰ জুপুৰিৰ পাগঘৰত 'একসিদ্ধ' ৰন্ধা-বঢ়াৰ দৃশ্যবোৰৰ কথা ভাবোঁতে সৰুতে দেখা আৰু এজনী মানুহৰ ৰন্ধন-প্ৰক্ৰিয়া এটাৰ কথা মনত পৰিছে। তেওঁৰ নাম আছিল দীঘলী। আমাৰ চুবুৰিটোৰ সকলোৰে প্ৰিয় দীঘলী বাই। তেওঁ ডাকবঙলাৰ ফালৰ পৰা নগৰত গাখীৰ বেচিবলৈ আহে। মূৰত এটা এন্ধাৰি, তাৰ ওপৰত এটা মাটিৰ কলহ; তাত গাখীৰ। খোজ কাটোঁতে বাইৰ হাতে মূৰৰ কলহৰ খবৰ নাৰাখে। কেতিয়াবা নগৰতে গধূলি হ'লে বাই ঘৰলৈ ঘূৰি নাযায়; আমাৰ চুবুৰিৰ মতিৰাম দেদাইৰ ঘৰতে ৰাতিটো কটায়। এদিন দেখিলো,—চালি এখনৰ তলত থকা চৌকা এটাত বায়ে ভাত ৰান্ধিবলৈ লৈছে। চাউলৰ লগতে তেওঁ বজাৰৰ পৰা দহ ইঞ্চিমান দীঘল বৰালি পোৱালি এটা লৈ আহিছিল। চৌকাটোৰ ভিতৰত তেওঁ মাছটো ঘূৰণীয়াকৈ বহুৱাই দিলে। তাৰ পাছত চৰু এটাত ভাতৰ বাবে চাউল-পানী সাজু কৰি ল'লে। তাৰ পাছত

জুই ধৰি চৌকাত ভাত বহাই দিলে। কিছু সময়ৰ পাছত ওপৰ মহলাত ভাত আৰু তলৰ মহলাত পোৰা মাছ একেলগে সাজু হৈ গ'ল। তাৰ পাছত মতিৰাম দেদাইৰ ডাঙৰ জীয়েক পাইতিলিয়ে নিমখ অকণমান, কেঁচা জলকীয়া এটা আৰু খোৱাতেল অকণমান দিলে;— লগে-লগে দীঘলীবাইৰ ৰাজভোগ সম্পূৰ্ণ হৈ গ'ল। (প্ৰসংগক্ৰমেৰ ভিতৰতে প্ৰসংগক্ৰমে ঃ জীৱনত মই অসমীয়া তিৰোতাৰ নানা ধৰণৰ নাম শুনিছোঁ, কিন্তু পাইতিলি নামটো দ্বিতীয় মানুহ এজনীৰ বেলিকা কেতিয়াও নুশুনিলো। কি উৎসৰ পৰা এই নামটোৰ সৃষ্টি হ'ব পাৰে আজিলৈকে ধৰিব নোৱাৰিলো। পাইতিলি!)

পঢ়ামেজলৈ উভতি আহোঁ। ৰাতিক দিন, দিনক ৰাতি কৰি পঢ়াৰ দিন পৰিছে। সেই তাহানি গধূলিতে টোপনিওৱাৰ কাৰণে চকুত জলকীয়া দিম বোলা পিতায়ে এতিয়া মাজে-মাজে কয়,— হ'ব দে। শো এতিয়া। এদিন শেষনিশা চাৰিমান বজাতে উঠি পঢ়ি আছোঁ; সাতমান বজাত ওচৰৰে ছোৱালী এজনীয়ে বাটৰ পৰা মাতিলে,— পুতুল!

ওলাই গ'লো। কি হ'ল?— মহাত্মা গান্ধীক কোনোবাই গুলীয়াই হত্যা কৰিলে। নগৰখনৰ মাজত এটা প্ৰছেছন আৰম্ভ হৈছে।

দুই মিনিটমানৰ ভিতৰতে ঘৰৰ পৰা ওলাই নগৰৰ মাজ অঞ্চললৈ দৌৰ ল'লো। গৈ-গৈ খৃষ্টানপটিৰ গিৰ্জা ঘৰটোৰ ওচৰত প্ৰছেছনটোক লগ পালো। অসংখ্য মানুহ। কিন্তু প্ৰত্যেকটো মানুহ যেন আজন্ম বোবা! মানুহবিলাকে যেন ভৰিৰ শব্দ হ'ব বুলিও ভয় খাইছে।

আমাৰ স্কুলৰ চৌহদৰ জুবিলি পথাৰৰ ফালৰ চুকটোত মন্দিৰৰ চেহেৰাৰ এটা সৰু ঘৰ আছিল। তাতে গান্ধীজীৰ চিতাভস্ম থকা পাত্ৰ এটা স্থাপন কৰি দিনে-নিশাই প্ৰাৰ্থনা, কীৰ্তন, ধৰ্মগ্ৰন্থ পাঠ আদিৰ আয়োজন কৰা হৈছিল। সদায় আবেলি কিছু সময়ৰ কাৰণে হ'লেও তাত বহি থকাটো মই অৱশ্যকৰ্তব্য বুলি ধৰি লৈছিলো। এখন পঢ়া শেষ কৰি অইন এখন বাতৰিকাকত বিচাৰি চহৰখনত ঘূৰি ফুৰিছিলো। কোন এই নাথুৰাম? গান্ধীজীক সি কিয় মাৰিলে?

সেই সময়ত মোৰ এজন ডেকা মানুহলৈ বাৰে-বাৰে মনত পৰিছিল। মধ্য প্ৰদেশৰ পৰা অহা সেই ডেকাজনে নগাঁৱত অতি সাধাৰণভাৱে থাকিবলৈ লৈছিল। পুৱাই খাকী হাফপেণ্ট এটা পিন্ধি তেওঁ কামলৈ ওলাইছিল। কি কাম? কামটো হ'ল— চুবুৰিয়ে-চুবুৰিয়ে কিশোৰ আৰু ডেকা ল'ৰা গোটাই তেওঁলোকক লাঠীখেল শিকোৱা। নৃপেন ককাইদেউৰ লগত মানুহজনে বন্ধুত্ব স্থাপন কৰিছিল আৰু আমাৰ ঘৰলৈ প্ৰায়েই আহিছিল। পাছত শুনিছিলো,— তেওঁ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ কৰ্মী আছিল। গান্ধীজীক হত্যা কৰাৰ পাছত যেতিয়া ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ কথাৰে বাতৰিকাকত ভৰি-ভৰি আহিছিল, তেতিয়া মোৰ সেই ডেকাজনলৈ মনত পৰিছিল। কাৰণ তেওঁৰ বাহিৰে সেই সংঘটোৰ লগত জড়িত কৰিব পৰা মানুহ মোৰ কাৰণে আৰু কোনো নাছিল।

সেই প্ৰথম স্বাধীনতা দিৱসৰ নিচিনাকৈ আকৌ শিলঘাটলৈ যোৱা ট্ৰাকত উঠিলো। এইবাৰ কেৱল ৰামধুন গাই বা মনে-মনে। ব্ৰহ্মপুত্ৰত গান্ধীজীৰ চিতাভস্ম বিসৰ্জন দিবলৈ। মোৰ মনত থকা দৃশ্যটো হ'ল ঃ নদীৰ পাৰে-পাৰে অসংখ্য মানুহ; বিভিন্ন দিশৰ পৰা ভাহি আহিছে ৰামধুনৰ শব্দ; নৈৰ বুকুত ভালেমান নাও আৰু পানীত ওপঙি উঠা-নমা কৰি আছে শ-শ গেন্দা ফুলে। উভতি আহোঁতে আমাৰ ট্ৰাকখনত উঠি অহা কাৰো মুখত মাত নাছিল বুলিলেই হয়। মানুহবিলাকে ৰামধুনটোও যেন গান্ধীজীৰ চিতাভস্মৰ লগতে উটুৱাই দি আহিছিল।

এদিন প্ৰবেশিকা পৰীক্ষা আৰম্ভ হোৱাৰ দিনটো উপস্থিত হ'লহি। মই বিশ্ববিদ্যালয়ৰ যিমান পৰীক্ষা দিলো, তাৰ ভিতৰত প্ৰবেশিকা পৰীক্ষাটো দিবলৈকে আটাইতকৈ নিৰ্ভয়ে ওলাইছিলো। আচলতে ভয় কৰিবলৈ উপায় পোৱা নাছিলো, আৰু ভয় খুৱাবলৈ ঘৰখনত কোনো নাছিল। বৌ অসুখত শয্যাশায়ী হৈ পৰি আছিল। নৃপেন ককাইদেৱে ৰন্ধা-বঢ়া কৰি ভাত, দাইল, আলুপিটিকা আৰু সিজোৱা কণী এটা কাঁহীত সজাই দিছিল। ফাৰ্ষ্ট পেপাৰ আৰু ছেকেণ্ড পেপাৰৰ মাজৰ সময়খিনিত কিবা খাবলৈ সিকি এটা দিছিল। আগদিনা আবেলিয়েই স্কুললৈ গৈ ছিট চাই আহিছিলো। ক্লাছ ফ'ৰৰ বি ছেক্সনৰ খিৰিকিৰ কাচৰ মাজেদি দেখি আহিছিলো,— পিছফালৰ ডেস্ক এখনত ৰোল নম্বৰ ৩১ বুলি লেবেল লগোৱা আছিল।

পৰীক্ষাৰ আটাইকেইদিন আমাৰ কোঠালিটোত ডিউটি কৰা ইনভিজিলেটৰৰ উপৰি স্কুলৰ প্ৰায়সকল বয়োজ্যেষ্ঠ শিক্ষকে মোৰ পিছফালে অকণমান সময় থিয় হৈ কি লিখিছোঁ চাই গৈছিল। মনত পৰিলে তেখেতসকলৰ সেই কামকণ মোৰ প্ৰতি থকা মৰম আৰু আস্থাৰ চিন বুলি আজিও আনন্দ অনুভৱ কৰোঁ। মনত পৰে,— সংস্কৃতৰ পৰীক্ষাৰ দিনা নগেন কটকী নামৰ এগৰাকী ইনভিজিলেটৰে (এখেতক পাছত মই মেজিষ্ট্ৰেট হিচাপে লগ পাইছিলো) ঘনে-ঘনে মোৰ লিখা কামটো চাই আছিল। কোনোবা এঠাইত মই ৰামঃ বনং জগাম বুলি লিখিছিলো; ৰিভাইজ কৰিবৰ সময়ত বনংটো কাটি বনায় কৰি দিলো। পৰীক্ষাৰ শেষত মই বহীখন দিওঁতে তেখেতে কৈছিল,— বনং জগামটোৱেই শুদ্ধ আছিল; কাটি বনায় কৰিলা কিয়? তেখেতৰ সেই আগ্ৰহৰ কথা আজিও শ্ৰদ্ধাৰে সোঁৱৰো। স্কুলখনৰ শিক্ষক আৰু ইনভিজিলেটৰসকলে চকু দি থকা আনজন পৰীক্ষাৰ্থী আছিল লক্ষ্মীনন্দন বৰা। সি ক্লাছ নাইনত আমাৰ স্কুলত নাম লগাইছিলহি আৰু এ-ছেক্সনত পঢ়িছিল। (লক্ষ্মীনন্দনক মই তই-তই বুলি সম্বোধন কৰোঁ। সেইকাৰণে 'সি' বুলি কৈছোঁ। তাৰ কথা 'তেওঁ' বুলি ক'লে নিজৰ কাণতে আখজা-আখজা লাগে।)

দুয়োবেলা পৰীক্ষা থকা দিনকেইটাত মাজৰ ছুটীৰ সময়ত অকলে-অকলে কাচাৰীৰ বাকৰিলৈ গৈ সুমথিৰা টেঙা এটা কিনি খাইছিলো। কিন্তু আগতেতো আধাঘণ্টা ছুটীত

স্কুলৰ প্ৰা ওলাই গ'লে লগে-ভাগে গৈছিলো! পৰীক্ষাৰ কেইদিন কিয় অকলে যাবলগীয়া হৈছিল? এতিয়া ভাবি-ভাবি পাইছোঁ,— যাৰ লগত মোৰ ঘনিষ্ঠতা আছিল, সিহঁতৰ চাগৈ দুটা পৰীক্ষাৰ মাজৰ সময়খিনিৰ কাৰণে খোৱা-বোৱাৰ বেলেগ ব্যৱস্থা আছিল।

যিদিনা পৰীক্ষা শেষ হ'ল, সেই দিনটো এটা দুখৰ দিন আছিল বুলি আজিও অনুভৱ কৰোঁ। স্কুলঘৰটোৰ গম্বুজটোৰ ভিতৰফালে ওপৰত এটা ঘণ্টা আঁৰি থোৱা আছিল। ঘণ্টাটোৰ পৰা বেৰেদি তললৈ নামি অহা ৰছী এডালত টান মাৰি দিলেই ঘণ্টাটো বাজিছিল। গম্বুজটোৰ তলৰ সেইডোখৰ ঠাই মোৰ স্কুলীয়া জীৱনৰ ঘৰটোৰ বাটচ'ৰা যেন লাগিছিল। শেষৰ পৰীক্ষাটো দি মই মনে-মনে বহু সময় সেইখিনি ঠাইতে থিয় হৈ আছিলো। আৰু যে কেতিয়াও একেটা অধিকাৰ, একেটা দাবী, একেটা আপোন ভাবেৰে সেই ঠাইডোখৰত থিয় হ'বলৈ নাপাম, সেই ভাবটো তেতিয়াই মোৰ মনলৈ আহিছিল আৰু জীৱনৰ এটা ডাঙৰ অধ্যায় সামৰি পেলোৱাৰ দুখ অনুভৱ কৰিছিলো।

তাৰ পাছৰ দিনবিলাক বৰ মুকলি-মুকলি লাগিছিল। ঘৰুৱা কামখিনিৰ বাহিৰে কৰিবলৈ একো নাই! একো নাই? কিয় হ'ব? উলিয়াই ল'লেই কাম ওলায়। ঠিক কৰিলো— এখন কিতাপ লিখোঁ। কি কিতাপ? সেই যে ক্লাছ ফাইভৰ পৰা ডিটেকটিভ উপন্যাস পঢ়িবলৈ আৰম্ভ কৰিছিলো, তেনেকুৱা উপন্যাসৰ ধান্দা এটাই প্ৰথম-প্ৰথম মগজত প্ৰবেশ কৰিলে। তেতিয়ালৈকে প্ৰকাশিত অসমীয়া ডিটেকটিভ উপন্যাসৰো বেছিভাগেই পঢ়িছিলো; কিন্তু অসমীয়া উপন্যাসবোৰত যে ডাঙৰ-ডাঙৰ অট্টালিকাৰ কথা নাই, অমুক ষ্ট্ৰিট, তমুক ষ্ট্ৰিট বোলা ডাঙৰ-ডাঙৰ ৰাস্তাৰ নাম নাই, টেলিফোন, দামী-দামী বিদেশী গাড়ী আদিৰ ব্যৱহাৰ নাই, সেইটো কথা মোৰ পছন্দ হোৱা নাছিল। গতিকে ঠিক কৰিলো,— লিখিম এখন ডিটেকটিভ উপন্যাস; কিন্তু সেইখনৰ ঘটনাবোৰ এনে এখন কাল্পনিক মহানগৰত ঘটিব, যিখন প্ৰকাণ্ড-প্ৰকাণ্ড ঘৰ, ষ্ট্ৰিট, সুদৃশ্য মটৰ গাড়ী, টেলিফোন আদিৰে ভৰপূৰ। লিখা আৰম্ভ কৰিলো। কেতিয়াবা নিজৰ মেজত, কেতিয়াবা জনাৰ্দনে এৰি থৈ যোৱা জুপুৰিটোৰ মেজত বহি, পৰীক্ষাৰ ৰিজাল্ট ওলোৱাৰ আগতেই উপন্যাস লিখি শেষ কৰি পেলালো। নাম দিলো 'আতংকৰ শেষত'। কপি-ছপি কৰি ছপাশাললৈ পঠাব পৰাকৈ পাণ্ডুলিপি সাজু কৰি পেলালো। কিন্তু ছপাব কোনে? এসময়ত 'উদয়' আলোচনীখনৰ লগত সম্বন্ধ থকা কমল চন্দ্ৰ বড়াই ইতিমধ্যে পুথিঘৰ প্ৰেছ প্ৰতিষ্ঠা কৰিছিল আৰু কিতাপ প্ৰকাশ কৰিবলৈ লৈছিল। মই তেখেতক পাণ্ডুলিপিখন গতাই দিলো। দুখনমান ছবিও আঁকি দিলো। তাৰ পাছত আৰু কিতাপখন সম্পৰ্কে মোৰ কৰিবলগীয়া বিশেষ একো নাথাকিল। দিন গৈ আছে, গৈ আছে; মই গৈ কটন কলেজৰ ফ'ৰ্থ ইয়েৰ পালোগৈ, তেনেতে এদিন কলিকতাৰ কাত্যায়নী মেছিন প্ৰেছৰ পৰা আতংকৰ শেষত ছপা কিতাপৰ আকাৰত নগাঁও পালেহি। এই ঘটনাটোৰ পৰা হোৱা

মোৰ একমাত্ৰ লাভটো হ'ল,— প্ৰকাশক শ্ৰীবড়াই মোক চাৰিশ টকা আৰু কিতাপ কিছুমান দিলে। বেচিব পাৰোঁ যদি সেইখিনি পইচাও মোৰ। কিতাপখিনিৰ আধা মই মোৰ কলেজীয়া জীৱনৰ বন্ধু নৃপেন (পাঠান) হাজৰিকাৰ ঘৰত, আৰু বাকী আধা কটন কলেজৰ ছেকেণ্ড ব্লকৰ চুকত থকা পাণদোকানখনত থৈ দিলো। পাছত আৰু কিতাপখিনিৰ খবৰ ল'ব নোৱাৰিলো,— কাৰণ তাৰ পাছতে মই গুৱাহাটী এৰিলো। কিন্তু সেইযে নগদ চাৰিশ টকা, সেই টকাখিনিৰ বলতে মই এম. এছ. ছি. পঢ়িবলৈ কলিকতালৈ যাত্ৰা কৰিব পাৰিলো। মোৰ জীৱনৰ প্ৰতি আতংকৰ শেহৰত কিতাপখনৰ সেইটো এটা গুৰুত্বপূৰ্ণ বৰঙণি।

দস্যু অমল, হেম চন্দ্ৰ বৰুৱা ষ্ট্ৰিট, মিৰাণ ষ্ট্ৰিট, চিঙ্ক ডিটেকটিভ মিষ্টাৰ যোশী, বিখ্যাত ধনী কোটিপতি ৰায়বাহাদুৰ অমৰেন্দ্ৰ চলিহা, ৰ'লছ ৰয়েছ গাড়ী, আমেৰিকাৰ পৰা অহা মহামূল্যবান ৰত্ন আদিৰে সমৃদ্ধ সেই কিতাপখন পাছলৈ মই মোৰ বস্তু নহয় বুলি বৰ্জন (disown) কৰিলো। কেৱল স্মৃতিচিহ্ন হিচাপে এটা ফটাছিটা কপি হাতত ৰাখি থলো। আশা কৰিলো,— কিতাপখন যেন অইন সকলো ঠাইৰে পৰা লুপ্ত হৈ যাওক। লুপ্ত হৈ গ'লো বোধকৰোঁ। কিন্তু এতিয়া মই ভাবিছোঁ,—নহয়; মোৰ হাতত থকা কপিটোকে ব্যৱহাৰ কৰি কিতাপখন আকৌ ছপাই উলিয়াওঁ। নিতান্ত ছপাৰ ভুলখিনি আঁতৰোৱাৰ বাহিৰে এটা শব্দও ইফাল-সিফাল নকৰোঁ। ঠিক পঞ্চাছ বছৰৰ আগতে মই কি লিখিছিলো, মোৰ ভাষা, বানান, প্ৰকাশভংগী আদি কেনেকুৱা আছিল, তাৰ নমুনা কাৰোবাক লাগে যদি পোৱাৰ ব্যৱস্থা কৰি দিওঁ। লাজ কিহৰ? কটন কলেজত মোৰ ডিটেকটিভ উপন্যাসৰ প্ৰতি থকা আগ্ৰহৰ কথা জানি এজন বন্ধুৱে কৈছিল,— ডিটেকটিভ উপন্যাস লিখা কাম বাদ দিয়ক। সামাজিক গল্প-উপন্যাসত ধৰক। কথাটো মই আজিও পাহৰা নাই; কিন্তু ডিটেকটিভ উপন্যাস-গল্পৰ প্ৰতি আকৰ্ষণ লুপ্তও কৰিব পৰা নাই। বৰঞ্চ মাজতে যে আকাশবাণীৰ কাৰণে অন্ধকূপ নাম দি এলানি অনাতাঁৰ ডিটেকটিভ নাটক লিখিছিলো, মাজে-মাজে সেই নাটকলানি পাঠ্য ৰূপলৈ সলনি কৰি প্ৰকাশ কৰিবলৈহে মন যায়। সাহিত্যৰ কাঠীৰে জুখিলে ডিটেকটিভ উপন্যাসৰ মান যিমানেই নোলাওক, এইবোৰ উপন্যাসত মগজৰ যিটো কচৰৎ হয়, সেইটো মোৰ কাৰণে লোভনীয় বস্তু। এতিয়াও। ডিটেকটিভ উপন্যাস পঢ়া অৱশ্যে কেতিয়াবাই বাদ দিলো। সময়ৰ অভাৱত।

দেশখনে স্বাধীনতা লাভ কৰাৰ পাছৰ পৰা নগাঁও এৰালৈকে— এই সময়ছোৱাত ৰংগমঞ্চৰ পিছফালে থাকি কিছুমান কাম কৰিবলগীয়া হৈছিল। কামবোৰৰ আভাস বা বৰ্ণনা আগতে দি থৈছোঁ। কিন্তু এইছোৱা সময়তে এদিন হঠাতে মই আমোলাপটি থিয়েটাৰ-ঘৰৰ (নগাঁও নাট্য মন্দিৰৰ) মঞ্চত 'অভিনেতা' হিচাপে ওলাই দিলো। একাংক নাটক;— নিজে লিখা;— নাম 'ভাগ বাটোৱাৰা'। ভাৰতখন যে দুভাগ হ'ল, নাটকৰ

মূল বিষয় সেইটো। চৰিত্ৰ দুটা। ইটো চৰিত্ৰত অভিনয় কৰিছিল (স্বৰ্গীয়) সংগীত-শিল্পী মুকুল বৰুৱাৰ ভায়েক মুনীন বৰুৱাই। নাটকো যি, অভিনয়ো সেই। বিছ মিনিটমানৰ নাটকখন শেষ হোৱাৰ পাছত থিয়েটাৰ-ঘৰৰ পিছ দুৱাৰেদি সোমাই বৰ আশাৰে দৰ্শকৰ কাষ চাপিলো,— কেনেকুৱা বা হ'ল! শুনাৰ ভিতৰত শুনিলো,—মুনীনে যে পায়জামা পিন্ধি অভিনয় কৰিছে, তাৰ মাটিত বহাৰ ভংগীবোৰ দৃষ্টিকটু হৈছে। তাৰ বাহিৰে যদি কাৰোবাৰ মুখত এষাৰ কথা শুনিলোহেঁতেন! সেই বিখ্যাত মঞ্চখনত অভিনেতা হিচাপে সেয়াই আছিল মোৰ প্ৰথম প্ৰবেশ আৰু শেষ প্ৰস্থান। তাৰ পাছত তাৰ মঞ্চ-ছোঁ ঘৰ অঞ্চলত এবাৰ সোমাইছিলো দৃশ্যসজ্জাৰ কামত। কিন্তু সেই থিয়েটাৰ ঘৰটোত আটাইতকৈ বেছি আনন্দ উপভোগ কৰিছিলো দৰ্শক হিচাপে, পিছফালৰ দুৱাৰেদি সোমাই। তাত মই চোৱা প্ৰথমখন নাটক আছিল চন্দ্ৰগুপ্ত। ন মান বজাত অভিনয় আৰম্ভ হৈছিল, শেষ নিশা শেষ হৈছিল। দুটা দৃশ্যৰ মাজত বহুত সময় বহি থাকিবলগীয়া হৈছিল। আগশাৰীৰ দৰ্শকৰ মূৰৰ ওপৰত ওলমি থকা এটা কাঠৰ বাকছৰ ভিতৰত ডে'-লাইট এটা (কলডিলৰ নিচিনা চিমনি থকা) ওলোমাই থোৱা হৈছিল। বাকছটোৰ এখন দুৱাৰ দাঙি দিলে মঞ্চত পোহৰ পৰে, ইখন দাঙি দিলে দৰ্শকৰ ফালটোত পোহৰ পৰে। দুৱাৰ দুখন ৰছীৰে দঙা-মেলা কৰা হৈছিল। অভিনয় চলি থাকিলে মঞ্চত পোহৰ, দৰ্শকৰ অঞ্চলটোত আন্ধাৰ। এনেকুৱা ব্যৱস্থাৰেই সেই মঞ্চত যি নাট্যাভিনয় উপস্থাপন কৰা হৈছিল, সি এই দেশখনৰ নাট্যাভিনয়ৰ ইতিহাসৰ মূল্যবান সম্পদ। বৰদা শৰ্মা, জগত বেজবৰুৱা, চন্দ্ৰ ফুকন, সাৰদা বৰদলৈ আদিৰ পৰা আৰম্ভ কৰি খিল শৰ্মা, নৰেশ (দুলু) বেজবৰুৱা, জিতেন শৰ্মা, অহীন্দ্ৰ শৰ্মা, বকুল শইকীয়া আদিলৈকে যিসকলৰ অভিনয় মই নিজে সেইখন মঞ্চত দেখিছিলো, সেইসকলে মোৰ নাট্য-অভিজ্ঞতা বিপুলভাৱে সমৃদ্ধ কৰিছিল। নাট্যাভিনয়ৰ ইতিহাসে সেই নাটঘৰ, সেই অভিনেতা-অভিনেত্ৰী-নাট্যকাৰ আৰু সংশ্লিষ্ট কলা-কুশলীসকলৰ যথোপযুক্ত হিচাপ ৰখাটো নিতান্ত প্ৰয়োজনীয় কাম। মই কেৱল সময়ে-সময়ে মোৰ জীৱন-বৃত্তত সংশ্লিষ্ট বিন্দুকেইটাহে বহুৱাই যাব পাৰিম।

কিন্তু আমোলাপটিৰ থিয়েটাৰ ঘৰৰ নাট্যাভিনয়ৰ বহু আগতেই মোৰ মনত নাটক আৰু অভিনয় সম্পৰ্কে ধাৰণা সুমুউৱাৰ প্ৰাথমিক শিক্ষক হিচাপে কাম কৰিছিল ফৌজদাৰীপটিৰ দুৰ্গাপূজাৰ চালিৰ তলৰ যাত্ৰা-অভিনয়ে। সেই শিক্ষক আছিল অতুলনীয়। সেই যাত্ৰা-অভিনয়ৰ দলবোৰ ক'ৰ পৰা আহিছিল আমি নাজানিছিলো। পূজা-সমিতিৰ ছেক্ৰেটেৰি-প্ৰেছিডেণ্ট কেশৱ শইকীয়া, বিনোদ বৰা আদিয়েই দলবোৰৰ লগত বন্দবস্ত কৰিছিল। হাৰমনিয়াম, ঢুলুকী, ক্লেৰিঅ'নেট আদি সমুখত লৈ লেপেটা কাঢ়ি বহি লোৱা বাদ্যযন্ত্ৰীসকলৰ পিছতে আমি আমাৰ বহা ঠাই অধিকাৰ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো। আমাৰ পিছতে চকী-বেঞ্চত গণ্য-মান্য মুনিহসকল বহিছিল, আৰু

তেখেতসকলৰ পিছফালে বহিবলৈ ঠাই নোপোৱাসকল থিয় হৈ আছিল। চালিখনৰ প্ৰায় মাজেদিয়েই বাঁহৰ চিকজাল তৰি মানুহ বহা ঠাইখিনি দুভাগ কৰা হৈছিল। চিকজালৰ আঁৰত তিৰোতা মানুহ বহিছিল। কাহিনী কেনেকৈ আগ বাঢ়িছে, ৰজা-ৰাণী-মন্ত্ৰী-যুৱৰাজৰ পাছৰ দৃশ্যত কি গতি হ'ব, সেইবোৰৰ প্ৰতি আমাৰ আগ্ৰহ নাছিল; আমাৰ প্ৰধান আগ্ৰহ আছিল,— কাৰোবাৰ খুব খং উঠিব লাগে, আৰু সেই খঙৰ পৰিণতি স্বৰূপে যুদ্ধ লাগিব লাগে। আনকি মাজনিশা আমাৰ লগৰ কোনো-কোনোৱে "যুদ্ধ লাগিলে জগুৱাই দিবি" বুলি কৈ গায়ে-মূৰে কাপোৰ লৈ শুই থাকিছিল। নাটক আৰু অভিনেতাসকলে আমাৰ চাহিদা পাৰ্যমানে পূৰণ কৰিছিল। সম্পূৰ্ণ বগা, বুকুলৈকে পৰা ডাঢ়ি লগোৱা বৃদ্ধ মহাৰাজ বা ঋষিৰ যেতিয়া খং উঠে,—তেতিয়া তেওঁৰ কণ্ঠস্বৰৰ কি কঁপনি! সেই কঁপনি যিমানে বাঢ়ে আমি সিমানে ফূৰ্তি পাওঁ। আজিকালি সেই অভিনেতাসকলৰ কথা ভাবিলে মনত এক মৰম আৰু শ্ৰদ্ধাৰ ভাব ওপজে। শ-শ দৰ্শকৰ কাৰণে তেওঁলোকে তেওঁলোকৰ কণ্ঠস্বৰক তেনেকৈ প্ৰশিক্ষিত কৰিব ল'ব পৰাটো এটা প্ৰশংসনীয় কাম আছিল। একোখন যুদ্ধ লাগি যোৱাৰ পাছত, বা বৰ বেছি খং-ৰাগ থকা দৃশ্য এটা চোৱাৰ পাছত কেতিয়াবা মৰো লগৰ ল'ৰাৰ মাজতে শুইছিলো। কেতিয়াবা পিতায়ে বিচাৰি-বিচাৰি তাৰ পৰাই মোক "বল, ঘৰলৈ যাবৰ হ'ল" বুলি জগুৱাই মাতি নিছিল। মনটো বৰ বেয়া লাগিছিল। " আৰু অকণমান চাওঁ" বুলি কৈ চাইছিলো;— কিন্তু লাভ নহৈছিল। তেতিয়া ৰাতি এক-ডেৰ বাজিছিল।

ফৌজদাৰীপটিৰ পূজাঘৰৰ ৰং-বৰণ, চৰিত্ৰ বছৰে-বছৰে সলনি হৈ আহিছিল। কুঞ্জ দাসৰ খোল আৰু হৰি ভূঞাৰ তালৰ চেৱে-চেৱে 'আৰতি' কৰা কণ-কণ ছোৱালী, অঞ্চলটোৰ আঢ্যৱন্ত ঘৰৰ ল'ৰাই চখতে দিয়া মংস-পৰঠাৰ দোকান, যাত্ৰাৰ সলনি আধুনিকতাৰ পৰশ পোৱা নাটক, বলি দিয়া প্ৰথাৰ বিলোপ সাধন,— এইবোৰ সময়ৰ লগে-লগে আগবাঢ়ি অহা পৰিবৰ্তনৰ উপাদান আছিল। সেই পৰিবৰ্তিত ৰূপটোৰ মাজলৈ উভতি আহিবলৈ পাছত সুবিধা উলিয়াই ল'ব পাৰিম। কিন্তু এই বলি দিয়া প্ৰথাটোৰ কথা এতিয়াই কৈ থোৱাটো প্ৰয়োজনীয়। ফৌজদাৰীপটি আৰু পুলিছ লাইন,— এই দুয়ো ঠাইৰ পূজাঘৰত ছাগলী বলি দিয়াৰ ব্যৱস্থা আছিল। সপ্তমীৰ দিনা কম, অষ্টমীৰ দিনা বেছি, আৰু নৱমীৰ দিনা বহুসংখ্যক ছাগলী বলি দিয়া হৈছিল। আমি নিৰ্বোধ আছিলো কাৰণে ক'ত কোন দিনা বেছি ছাগলী বলি দিয়া হয় সেইটোৰ হিচাপ কৰাত ব্যস্ত আছিলো আৰু ফৌজদাৰীপটিত বেছি ছাগলী কটা গ'লে 'আমি জিকিলো' বুলি

ভাবিছিলো। কাঠৰ বলিশালখনৰ অলপ দূৰতে ছাগলীবোৰ গৰাকীয়ে লৈ বৈ থাকে; বলিকটীয়াৰ সহায়কাৰী মানুহটোৱে এটা ছাগলী আনি মূৰটো শালত সুমুৱাই দি শলা এডাল মাৰি দি মূৰটো লৰচৰ কৰিব নোৱৰা কৰি ৰাখে, তাৰ পাছত বলিকটীয়াই দুৰ্গা গোসাঁনীৰ হাতত থকা দাখনৰ নিচিনা দা এখনেৰে একে ঘাপে ছাগলীটোৰ মূৰটো গাৰ পৰা আঁতৰাই দিয়ে। এটা-দুটাকৈ নৱমীৰ দিনা চল্লিছ-পঞ্চাছটা। শেষৰ ছাগলীটোৰ গাটো সহায়কাৰী মানুহটোৱে শালৰ পৰা উলিয়াই মূৰৰ ওপৰেদি ঘূৰাই দিয়ে; তাৰ তেজ চাৰিওফালে ছিটিকি পৰে; আমি দূৰলৈ দৌৰোঁ।

শুনিলো, যেতিয়াৰ পৰা মাৰোৱাৰীসকলে পূজাৰ পুঁজিলৈ বৰঙণি দিবলৈ ধৰিলে, তেতিয়াৰ পৰা এটা বন্দবস্ত হ'ল,— ছাগলী বলি দিয়া বন্ধ।

# তিনি

সেই ঢেঁকীৰ নেজত বহি ধেমালি কৰাৰ দিনৰে পৰা আতংকৰ শেষত লিখালৈকে এই সময়ছোৱা যিখন বিশাল বিশ্ববিদ্যালয়ত ছাত্র হিচাপে বাস কৰিলো, সেই বিশ্ববিদ্যালয়খন এৰি এদিন কলেজত পঢ়িবলৈ ওলালো। কটন কলেজত।

এদিন মেট্রিক পৰীক্ষাৰ ৰিজাল্ট ওলাইছে বুলি শুনি খবৰ-কাগজ বিচাৰি বৰবজাৰ পাইছিলোগৈ। তাৰে চাহৰ দোকান এখনৰ সমুখত কেইজনমান মানুহে দি আছাম ট্রিবিউন নামৰ কাকতখন চাই আছিল। দুজনৰ মাজেদি মূৰটো সুমুৱাই দেখিলো তেওঁলোকে নগাঁও কেন্দ্ৰৰ ৰিজাল্টকে চাই আছে। "ময়ো পৰীক্ষা দিছিলো। ৰোল নম্বৰ থাৰটি ওৱান"— বুলি কোৱাত তেওঁলোকেও মোক সহায় কৰিবলৈ আগ্রহ প্রকাশ কৰিলে। অলপ পাছতে ময়েই প্রথমে দেখিলো,— ফাৰ্ষ্ট ডিভিজনৰ ঘৰত থাৰটি ওৱানটো;— সংখ্যাটোৰ ওচৰতে ষ্টাৰ এটাও ছপা কৰা আছে। আৰু একো চাবলৈ নাই;— চিধা দৌৰিলো ঘৰলৈ। পাছতহে খবৰ পালো,— মই সংস্কৃত, ভূগোল আৰু ছায়ন্সত লে'টাৰ পালো। হে'ডমাষ্টৰৰ আগত যে ছায়ন্সত লে'টাৰ পাম বুলি কৈ দিছিলো, সেই কথাটোৰ মান ৰক্ষা পৰাত বৰ ভাল পালো। আমাৰ স্কুলৰ লক্ষ্মীনন্দন বৰায়ো ষ্টাৰ পাইছিল।

ইতিমধ্যে মই ছায়ন্স পঢ়িম বুলি ঠিক কৰি থৈছিলো। সেই সিদ্ধান্তৰ প্রথম কাৰণ আছিল,— ছায়ন্স পঢ়িলে বহুত বিস্ময়জনক কথা জানিবলৈ পাম বুলি ধাৰণা হৈছিল; দ্বিতীয়তে ,ছায়ন্স পঢ়াটো গৌৰৱ কৰিবলগীয়া কথা বুলি ভাবিছিলো, আৰু তৃতীয়তে, "চোকা ল'ৰাই ছায়ন্স পঢ়িব লাগে" বোলা ধাৰণা এটা সেই সময়ত প্রচলিত আছিল আৰু সেই ধাৰণাই মোকো স্পর্শ কৰিছিল। সেই সময়ত নগাঁৱৰ একমাত্র কলেজ নগাঁও কলেজত বিজ্ঞান-শাখাটো তেনেই চালুকীয়া অৱস্থাত আছিল। তদুপৰি কটন কলেজৰ বাহিৰে অন্য কলেজত পঢ়াৰ কথা মনলৈ অহাও নাছিল, আৰু সেইখন কলেজত পঢ়িবলৈ হ'লে খৰচ-পাতিৰ জোৰা কেনেকৈ মাৰিম, সেইটো চিন্তায়ো মোক পিছলৈ টনা নাছিল। স্কলাৰশ্বিপ এটাতো পামেই চাগে! কিবা নহয় কিবা উপায়তো ওলাই থাকিবই!

এযোৰ পায়জামা-চার্ট পিন্ধি, এযোৰ পায়জামা-চাৰ্ট আৰু গামোচা এখন খবৰ কাগজেৰে মেৰিয়াই হাতত লৈ এদিন কটন কলেজলৈ বুলি নগাঁও এৰিলো। মানুহৰ

জীৱনত নিজৰ ঠাইখন যে কেনেকৈ 'এৰা পৰে', কোন দিনা যে সেই 'এৰা'ৰ প্ৰক্ৰিয়াটো আৰম্ভ হয়, সাধাৰণতে সকলোৱে তাৰ হিচাপ নাৰাখে। এতিয়া ভাবিলে মই বুজোঁ,— সেইযে খবৰ কাগজেৰে মেৰিওৱা টোপোলাটো লৈ ঘৰৰ পৰা হয়বৰগাঁও ষ্টেছনলৈ বুলি ওলাই আহিলো, সেইটোৱেই গোটেই জীৱনৰ কাৰণে মোৰ ঘৰ এৰা, নিজৰ ঠাইখন এৰাৰ প্ৰক্ৰিয়াৰ আৰম্ভণি আছিল। সেইটো ইমান গুৰুত্বপূৰ্ণ যাত্ৰা আছিল বুলি সেইদিনা কল্পনাই কৰা নাছিলো। "এৰা" মানে কি আৰু;— যেতিয়াই বন্ধ পাইছিলো, সময় পাইছিলো, সুবিধা পাইছিলো, ঘৰ বুলি, নিজৰ ঠাই বুলি সেইখন ঠাইলৈকে গৈ আছিলো; গৈ থাকিমো; তথাপি,— তথাপি ঠাইখনৰ লগত থকা সম্পৰ্কৰ ধীৰে-ধীৰে ঘটা পৰিবৰ্তনটো বৰ ডাঙৰ পৰিবৰ্তন। এই পৰিবৰ্তনৰ যন্ত্ৰটোৰ এডাল তাঁৰত এটা দুখৰ সুৰ বাজি থাকে। কিন্তু এই পৰিবৰ্তনৰ লগতো তুলনা কৰিব নোৱাৰি। তেওঁৰ পৰিবৰ্তনৰ যন্ত্ৰটোতো এবিধ দুখৰ সুৰ বাজে; কিন্তু এডাল তাঁৰত বাজে।

হয়বৰগাঁও ষ্টেছনৰ পৰা ৰে'লেৰে চাপৰমুখ ষ্টেছনলৈ। তাত খবৰ লৈ গম পালো,— গুৱাহাটীলৈ যোৱা ৰে'ল বোলে ৰাতি আঠমান বজাতহে চাপৰমুখ পাবহি। তেতিয়া চাৰিমানহে বাজিছে। প্ৰায় নিৰ্জন-নিৰ্জীৱ ষ্টেছনটোৰ প্লেটফৰ্মত অ'ত বহি ত'ত বহি, মাজে-মাজে খোজ কাঢ়ি সময় কটাবলৈ ধৰিলো। পাঁচ বজাৰ অলপ পাছতে উজনিৰ ফালৰ পৰা এখন মালগাড়ী আহি ষ্টেছনটোত ৰ'লহি। মোৰ এটা কাম ওলোৱা যেন পালো। ইঞ্জিনটোৰ পৰা আৰম্ভ কৰি একেবাৰে শেষৰ গাৰ্ডৰ দবাটোলৈকে ৰে'লখন চাবলৈ ঠিক কৰিলো। কামটো কৰি আছোঁ,— এনেতে দেখিলো, সিফালৰ পৰা বগা কোট পিন্ধা গাৰ্ডজন আহি আছে। ওচৰ পাওঁতে দেখিলো— মানুহজন চিনাকি। তেৰোঁ মোক চিনি পালে; সুধিলে,—"নিপেনৰ ভায়েক নোহোৱা জানো?" মই ক'লো,— হয়। ক'লৈ যাওঁ কিয় যাওঁ সেইবোৰ সুধি-মেলি শেষত তেওঁ ক'লে,— "যোৱা যদি এইখন ৰে'লতে মোৰ লগতে বলা।"— মইতো ভালেই পালো।

গাৰ্ডৰ দবাটোৰ খোলা ঠাইডোখৰত বহি চাপৰমুখৰ পৰা গুৱাহাটীলৈ যাত্ৰা আৰম্ভ কৰিলো। বৰ ভাল লাগিছিল সেই দবাটোত ভ্ৰমণ কৰি। গুৱাহাটী পোৱাৰ আগতে বৰষুণ আহিছিল। এছাৰেকণিত গাৰ কাপোৰ অলপ-অলপ তিতিছিল। গুৱাহাটী ষ্টেছনত দুয়োহাত যুৰি প্ৰণাম জনাই ককাইদেউৰ বন্ধুজনৰ পৰা বিদায় ল'লো। কটন কলেজৰ হোষ্টেললৈ যাম বুলি ভাবি আহিছিলো। ৰাতি আঠমান বাজিল। বৰষুণ দি আছে। কাওবাও কৰোঁতে ৰিক্সাবালা এজনে মোক নিবলৈ ৰাজী হ'ল। তেওঁ কটন কলেজৰ হোষ্টেল চিনি পায় বুলিও ক'লে। আহি-আহি এঠাইত ৰিক্সা ৰখাই তেওঁ ক'লে,—এয়াই কটন কলেজৰ হোষ্টেল। আপুনি এই ফালেদিয়েই সোমাই যাওক।— অ'ৰ-ভ'ৰ পৰা অহা পোহৰত দেখিলো,— লোহাৰ ৰডেৰে সজা ওখ-দীঘল ফেন্স এখন; তাৰে দুডাল

ৰড বেঁকা কৰি মানুহ সৰকিব পৰা কৰি থোৱা আছে। ৰিক্সাৱালাক ভাৰাৰ পইচা দি, কিনকিনীয়া বৰষুণ মূৰত লৈ, প্ৰথমতে খালটোত নামি, তাৰ পাছত সেই ৰড দুডালৰ মাজৰ ফাঁকটোৰেদি কটন কলেজৰ চৌহদত প্ৰবেশ কৰিলো। পাছৰ চাৰি বছৰত থাৰ্ড আৰু ফ'ৰ্থ ব্লকৰ মাজত থকা সেই ফাঁকটোৰেদিয়েই অসংখ্যবাৰ ওলোৱা-সোমোৱা কৰিছোঁ;— ৰাতি মূল গে'টত চকীদাৰে তলা মাৰি থোৱা, পাণবজাৰ, ব্ৰহ্মপুত্ৰৰ পাৰৰ ফালে 'শ্বৰ্ট কাট' কৰা আদি বিভিন্ন কাৰণত। সেইটো এটা অত্যন্ত প্ৰয়োজনীয় আৰু জনপ্ৰিয় ফাঁক হিচাপেই পৰিগণিত হৈছিল। কিন্তু ৰিক্সাৱালাজনে যে সেই ৰাতি মোক সেই ফাঁকটোৰেদিয়েই কটনৰ চৌহদলৈ (জীৱনলৈ) সুমুৱাই দিলে, সেই কথাটো ভাবি আজিও আমোদ অনুভৱ কৰোঁ। তাঁকো মালগাড়ীত উঠি অহাৰ পাছত!

ফিল্ডখন পাৰ হৈ চুচুক-চামাককৈ এটা ঘৰৰ মাজৰ মুকলি ঠাইডোখৰত উঠিলোগৈ। পাছত জানিছিলো,— সেই ঠাইডোখৰ আছিল ফ'ৰ্থ ব্লকৰ কৰিড'ৰ। এজন ল'ৰাক সুধিলো,— "ফাৰ্ষ্ট ইয়েৰত পঢ়িবলৈ অহা নগাঁৱৰ ল'ৰা ক'ত আছেহি জানেনে?" নগাঁৱৰ পৰা কোনোবা-কোনোবা কটন কলেজৰ ছিট বিচাৰি আহিছে বুলি মই নগাঁৱতে শুনিছিলো, আৰু তেওঁলোকৰ কোনোবা এজনক লগ পামেই পাম;— সেই ভাৰসাতে নগাঁৱৰ পৰা যাত্ৰা আৰম্ভ কৰিছিলো। ল'ৰাজনে ক'লে,—"সৌটো ব্লক পাৰ হৈ তাৰ সিফালৰ ব্লকটোতে নগাঁৱৰ পৰা অহা ল'ৰা আছে বুলি শুনিছোঁ। তাতে খবৰ কৰক।" থাৰ্ড ব্লক পাৰ হৈ মই ছেকেণ্ড ব্লকলৈ আহিলো। কোঠালিবোৰৰ দুৱাৰবোৰ খোলা আছিল। এটা কোঠালিত মোৰ প্ৰশ্নটো এজন ল'ৰাক আকৌ সুধিলো; তাৰ পাছতে এটা কোঠালিত দেবক দেখিলো। দেব প্ৰসাদ নাথ। আমাৰ একে ছেক্সনৰে ল'ৰা। স্কুলৰ ঘনিষ্ঠ বন্ধুবোৰৰ এজন। ফাৰ্ষ্ট ডিভিজনত পাছ কৰি কেইদিনমানৰ আগতে কটন হোষ্টেললৈ আহিছে। সি মোক ক'লে,—"তইঁত ষ্টাৰ পোৱাবিলাকৰ কাৰণে ছিট ৰাখি থোৱা আছে। তইঁত ৰ চিন্তা নাই।" তাৰ পৰামৰ্শমতে মই অলপ পাছতে ছেকেণ্ড মেছৰ ছুপাৰিণ্টেণ্ডেণ্ট দণ্ডেশ্বৰ গঁগৈ ছাৰৰ অফিছ-কোঠালৈ গ'লো। কেই আষাৰমান কথাৰ আদান-প্ৰদান হোৱাৰ পাছত ছাৰে হাঁহি এটা মুখত লৈ ক'লে, "নগাঁৱৰ ল'ৰাৰ বেছিভাগ নিউ হোষ্টেলতহে থাকে!" মই ক'লো, "পঢ়া-শুনাত ভাল ল'ৰাবোৰ ছেকেণ্ড মেছত থাকে বুলি শুনি আহিছোঁ।" ছাৰে এইবাৰ খোলাকৈ হাঁহিলে। কথাষাৰ মই নগাঁৱতে কটনত পঢ়ি যোৱা ছাত্ৰৰ মুখত শুনাটো সঁচা। ৰিক্সাৱালাজনে যে মোক মোটামুটি ঠিক ঠাইতে নমাই দিছিলহি, সেইটোও এটা ভাল যোগাযোগৰ ঘটনা আছিল। ছাৰৰ কথাৰ পৰা বুজিব পাৰিলো,— মই কলেজতো ছিট পাম, হোষ্টেলতো ছিট পাম;— মই আশা কৰা-মতে ছেকেণ্ড মেছতে। দেবৰ আলহী হিচাপে ৰাতিৰ সাঁজ ভাত খাই, তাৰ বিছনাতে শুই হোষ্টেল জীৱন আৰম্ভ কৰিলো। (এই দেবই অসম চৰকাৰৰ নগৰ পৰিকল্পনা বিভাগৰ মুখ্য বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰিছে।)

ফিজিকছ, কেমিষ্ট্ৰি, মেথেমেটিকছ আৰু বায়'ল'জি লৈ আই. এছ. ছি. পঢ়িম আৰু ছেকেণ্ড মেছত থাকিম বুলি ফৰ্ম ফিল-আপ কৰি দুদিনমানৰ পাছত ঘৰলৈ উভতিলো। হোষ্টেলত থাকি কটন কলেজত পঢ়াৰ কথা;—ন্যূনতম আয়োজনখিনিতো কৰিব লাগিব! কেইদিনমানৰ পাছতে মই ৰে'লত উঠি ডিব্ৰুগড়লৈ গ'লোঁগৈ। হৰেন ককাইদেউৰ ওচৰলৈ।

আমাৰ পিতায়ে প্ৰথম গৰাকী ভাৰ্যাৰ বিয়োগ ঘটাৰ পাছত আমাৰ বৌক বিয়া কৰাইছিল। তেখেতৰ প্ৰথম বিবাহৰ ফালৰ আছিল দুটি সন্তান;— হৰেন ককাইদেউ আৰু বেণীমাই বাইটি। এখেতসকলৰ জীৱনৰ আদিভাগ মোৰ জন্মৰ বহু আগতেই শেষ হৈছিল। হৰেন ককাইদেউৰ লগত মোৰ জীৱনৰ প্ৰথম সম্পৰ্কৰ কথা ভাবিলে মানুহজনৰ চেহেৰা মনলৈ নাহে; অইন দুটা অকণ-অকণ দৃশ্যহে ছয়াময়াকৈ দেখা যেন লাগে। গোৱালপাৰা নগৰৰ শিৱচৰণ দাসৰ (শিৱ পেস্কাৰ) ঘৰত তেখেতৰ বিয়া হৈছিল। সেই বিয়ালৈ পিতাই আৰু বৌ গৈছিল। তেতিয়া মোৰ বয়স বৌয়ে মোক এৰি থৈ যাব পৰা ধৰণৰ নাছিল; গতিকে তেখেতসকলে মোকো লৈ গৈছিল। সেই ভ্ৰমণৰ এছোৱা আমি ব্ৰহ্মপুত্ৰইদি জাহাজত উঠি গৈছিলো। জাহাজৰ মজিয়াত পাৰি দিয়া পাটী এখনত খালী গাৰে শোওঁতে মোৰ গাত পাটীৰ কাঠীবোৰৰ সাঁচ বহিছিল। ইমান দীঘলীয়া এটা ভ্ৰমণৰ মাজৰ সেই সাঁচবোৰৰ কথাহে কিয় মনত থাকিল ক'ব নোৱাৰোঁ। আনটো দৃশ্য হ'ল,— বিয়া ঘৰত ৰাতি হোমৰ থলীত পিতায়ে বগা পাগুৰি এটা মাৰি বহি আছিল। এই দুটা দৃশ্যৰ বাহিৰে আৰু একো মনলৈ নাহে। যেতিয়া মই হৰেন ককাইদেউক প্ৰথমবাৰলৈ দেখা মনত পৰে, তেতিয়া মোৰ ঢেঁকীৰ নেজত বহি খেলাৰ দিন চলি আছে। এদিন আগফালে খেলি আছোঁ,—দেখোঁ,—বাটেদি ওখ-পাখ দাৰোগা এজন আহি আছে। খাকী হাফপেণ্ট, খাকী ছোলা, মূৰত হেট, ভৰিত বুটজোতা—। আহি আছে, আহি আছে; আহি-আহি মানুহজনে আমাৰ ঘৰৰ জপনাখনৰ ফালে ঘূৰিয়েই দিলে, আৰু মোৰ ফালে চাই মিচিকিয়াই হাঁহিলে। মই দৌৰ মাৰি ভিতৰলৈ গৈ ভয় খোৱা মাতেৰে বৌক ক'লোঁগৈ,—"আমাৰ ঘৰলৈ দাৰোগা এটা আহিছে।" অলপ পাছতে দাৰোগা পিছ চোতাল পালেহিয়েই। বৌয়ে ওলাই আহি— "অ' হৰেন! কেতিয়া আহিলা?"— বুলি অভ্যৰ্থনা জনালে।

হৰেন ককাইদেৱে পুলিছৰ চাকৰি লৈ বংগদেশৰ ৰাজসাহীত প্ৰশিক্ষণ লৈছিল আৰু চাকৰি জীৱনৰ প্ৰথম ভাগ ছিলেট জিলাৰ মৌলবীবাজাৰ, হবিগঞ্জ, সাতনা, কৰিমগঞ্জ আদি ঠাইত চাকৰি কৰিছিল। মোৰ সৰুকালৰ কথা কওঁতে নৃপেন ককাইদেউৰ তুলনাত যে নগেন ককাইদেউৰ কথা কম ওলাইছিল, তাৰ কাৰণ হ'ল সেই কালছোৱাত নগেন ককাইদেৱে হৰেন ককাইদেউৰ লগত থাকি পঢ়া-শুনা কৰিছিল। হাইস্কুলৰ শেষৰ

শ্ৰেণীকেইটা পঢ়িবলৈ তেখেতে যেতিয়া নগাঁৱলৈ উভতি আহিছিল, তেতিয়া তেখেতে সলসলীয়াকৈ আৰু শুদ্ধকৈ 'ছিলেটী' ভাষা ক'ব পাৰিছিল।

মই যেতিয়া কটন কলেজত পঢ়িবলৈ যো-জা কৰোঁ, হৰেন ককাইদেউ তেতিয়া ডিব্ৰুগড়ত। কলেজত নাম লগোৱাৰ প্ৰথম হেঁচাটো চম্ভালিবলৈ সহায় বিচাৰি মই তেখেতৰ ওচৰ ওলাইছিলোঁগৈ। তেখেতে মোক এটা নতুন ট্ৰাংক, এখন পুৰণি তুলি, এখন বিছনা চাদৰ আৰু নগদ এশ টকা দিলে। সেইবাৰ কটন হোষ্টেললৈ আহি মই ছেকেণ্ড ব্লকত নিজৰ বিছনা পাৰিলোহি।

বিজ্ঞানৰ বিস্ময়কৰ ক্ৰিয়া-কাণ্ডৰ বিষয়ে জনাৰ যি হেঁপাহ লৈ কলেজৰ ক্লাছৰুমত সোমাইছিলো, সেই হেঁপাহক সজীৱ কৰি ৰখা (অন্ততঃ মোৰ ক্ষেত্ৰত) প্ৰথম অধ্যাপকগৰাকী আছিল কেমিষ্ট্ৰি বিভাগৰ ইন্দুভূষণ স ৰকাৰ। প্ৰথম ক্লাছটোতে তেখেতে এটা বিকাৰৰ (beaker) তৰল পদাৰ্থ অইন এটাত ঢালি পদাৰ্থবিধৰ ৰং সলনি কৰি দিলে; টেষ্ট টিউব এটাত কিবা ঢালি দিলে,— টিউবটোৰ পৰা ধোঁৱা ওলাই গ'ল; নুমাই যাব খোজা জুইশলাৰ কাঠী এডাল গেছজাৰ এটাৰ মুখত ধৰিলে,—কাঠীডালৰ আগটো ভমককৈ জ্বলি উঠিল;—আচৰিত হ'বলগীয়া কথাই! বিজ্ঞান বিজ্ঞানেই বুলি এক উত্তেজনা অনুভৱ কৰি সেইদিনা তেখেতৰ প্ৰথম ক্লাছটোৰ পৰা ওলাই আহিছিলো।

এইযে এটা ক্লাছ শেষ হ'লেই সেই কোঠালিটো এৰি থৈ বেগাবেগিকৈ পাছৰ ক্লাছ হোৱা কোঠালিটোলৈ যাব লাগে, দিনটো একেটা কোঠালিতে বহি থাকিব নালাগে, সেইটোৱেই স্কুলৰ তুলনাত কলেজৰ প্ৰথম আমোদজনক পাৰ্থক্য বুলি অনুভৱ কৰিছিলো আৰু ঘটনাটো উপভোগ কৰিছিলো। ব'টেনিৰ ক্লাছৰ পাছতে যেতিয়া ইংলিছৰ ক্লাছ পৰিছিল, তেতিয়া দীঘলীপুখুৰীৰ পাৰৰ ব'টেনি ডিপাৰ্টমেণ্টৰ পৰা পাণবজাৰৰ নিউ আৰ্টছ বিল্ডিঙলৈ হোষ্টেলৰ মাজে-মাজে প্ৰায় দৌৰিছিলোৱেই।

ক্লাছৰুমত প্ৰথম অৱস্থাৰ বিস্ময়, উত্তেজনা, পাৰ্থক্যৰ উপলব্ধি আদি মনত জীণ যাবলৈ বেছি দিন নালাগিল। কিছুদিনৰ ভিতৰতে বিভিন্ন ব্যক্তিত্বৰ অধ্যাপকসকল, বাসু এণ্ড চাটাৰ্জী, লাডলি মোহন মিত্ৰ আদিৰ পাঠ্যপুথি, ফিজিক্স-কেমিষ্ট্ৰিৰ গেলেৰি আদিয়ে সৃষ্টি কৰা শিক্ষা-সমাজ এখনৰ স্বাভাৱিক আৰু সাধাৰণ সদস্য হৈ পৰিলো। কিন্তু এইযে হোষ্টেলৰ সমাজখন,— এই সমাজখন প্ৰত্যেকদিনেই মোৰ কাৰণে অসাধাৰণ, নিত্য-নতুন হৈ থাকিল। মই ভাবোঁ,— মই যে পাছৰ জীৱনত, এতিয়াও,— কিতাপ আৰু মানুহ সমান গুৰুত্বৰে, বৰঞ্চ কিতাপতকৈ মানুহক বেছি গুৰুত্বৰে অধ্যয়ন কৰাৰ পক্ষপাতী হ'লো, কটন হোষ্টেলতেই এই দৃষ্টিভংগীৰ জন্ম হৈছিল। সেই চাৰি বছৰ হোষ্টেলৰ সলনি এটা লাইব্ৰেৰিত বাস কৰা হ'লে মই বেছি লাভবান হ'লোহেঁতেন বুলি নাভাবোঁ। প্ৰতিজন ছাত্ৰই, প্ৰতিটো ঘটনাই কিবা নহয় কিবা ধৰণত মোক সমৃদ্ধ কৰিছিল।

ছেকেণ্ড আৰু থাৰ্ড ব্লক লগ লাগি ছেকেণ্ড মেছ হৈছিল। ৰাতি ভাত খোৱাৰ ঘণ্টা পৰিলে এই দুয়োটা ব্লকৰ বাৰাণ্ডাইদি ডাইনিং হললৈ দৌৰা ল'ৰাৰ ভৰিৰ খৰমৰ শব্দ,— মোৰ বিশ্বাস,— জামাতুল্লা চাৰিআলিলৈকে শুনা গৈছিল। (সেই সময়ত জামাতুল্লাৰ দোকানখন পাণবজাৰৰ এখন পৰিচয়সূচক দোকান আছিল।) হোষ্টেলত এনেয়ে থকা সময়খিনিত সকলো ল'ৰাই কাঠৰ খৰম নিপিন্ধিছিল; বহুতে মটৰৰ টায়াৰৰ ছেণ্ডেল আৰু নাকৰ ফুটাৰ নিচিনা দুটা ফুটা থকা ৰবৰৰ ছেণ্ডেল এবিধো পিন্ধিছিল; কিন্তু ভাত খাবলৈ দৌৰোঁতে খৰমৰ শব্দই অন্যান্য পাদুকাৰ শব্দ জিনি পেলাইছিল। বাৰাণ্ডাৰ পৰা নামি, কঁঠালগছৰ তলেদি দৌৰি ডাইনিং হলৰ ছিৰিৰ ওচৰত ল'ৰাহঁতে দৌৰ শেষ কৰিছিল। দীঘল ডাইনিং হলটো কাঠৰ খুঁটাৰ জেওৰা এখনেৰে প্ৰায় পাঁচ-তিনি অনুপাতত ভাগ কৰা আছিল। ডাঙৰ ভাগটো ছেকেণ্ড মেছৰ আৰু সৰু ভাগটো ফাৰ্ষ্ট মেছৰ ভাগত আছিল। ভাতৰ ঘণ্টা বজোৱাৰ আগতে বুঢ়া ঠাকুৰ, বগা ঠাকুৰহঁতৰ সহকাৰী দেউকী-মিলিয়াহঁতে পকী-মজিয়াত চাৰিশাৰী পীৰা পাৰি, পীৰাৰ আগে-আগে কাঁহৰ কাঁহী আৰু গিলাছ একোটা সজাই থৈছিল। ল'ৰাহঁতে গৈ পীৰাত বহাৰ পাছতে ঠাকুৰ-দেউকীহঁতে খাদ্য পৰিবেশন আৰম্ভ কৰিছিল। ল'ৰাহঁতে এনেকৈ দৌৰাৰ প্ৰধান কাৰণ তিনিটা আছিল। প্ৰথম কাৰণ আছিল ভোক আৰু দ্বিতীয় কাৰণ আছিল লোভ বা খঁক। তৃতীয় কাৰণটোৰ অলপ দীঘলীয়া বৰ্ণনাৰ প্ৰয়োজন। ফাৰ্ষ্ট বেটছত (batch) খোৱাসকলে দিনৰ ভাগতে সাৰি-মচি থোৱা শুকান মজিয়া পাইছিল। তেওঁলোকে খাই যোৱাৰ পাছত পীৰাবোৰ তুলি, মজিয়াখন সাৰি-ধুই ছেকেণ্ড বেটছৰ কাৰণে সাজু কৰিব লাগিছিল। ছেকেণ্ড বেটছে খাই যোৱাৰ পাছত আকৌ থাৰ্ড বেটছৰ কাৰণে। কিন্তু এই দুটা বেটছৰ কাৰণে মজিয়াখনৰ অৱস্থা সন্তোষজনক নাছিল। ঠাকুৰ-দেউকীহঁতে খোজ কাঢ়োঁতে থেপেক-থেপেক শব্দ হৈছিল। ওচৰেদি খোজ কাঢ়ি ভাত-তৰকাৰী বিলাই যাওঁতে তেওঁলোকৰ ভৰিৰ তলৰ পৰা অহা পানীৰ ছিটিকনি মোৰ ভাতৰ কাঁহীত যে কেতিয়াও নপৰিছিল, সেইটো মই জোৰ দি ক'ব নোৱাৰিছিলো। মজিয়াৰ থেপথেপনিৰ বাহিৰেও ছেকেণ্ড-থাৰ্ড বেটছত ডাইনিং হলটোত প্ৰকট হোৱা গোন্ধটো সকলোৰে বাবে গ্ৰহণযোগ্য নাছিল। জাৰকালিৰ বন্ধা কবি আৰু মূলা তৰকাৰীৰ গোন্ধটো বেছ প্ৰবল আৰু আজিও নাকত লাগি থকা ধৰণৰ আছিল। এইটো কাৰণত ফাৰ্ষ্ট বেটছতে ভাত খোৱাটো বহুতৰ বাবে অপৰিহাৰ্য আছিল। কিছুমান ল'ৰাই ঘণ্টাৰ শব্দলৈ বাট নাচাই আগে-ভাগে পীৰা দখল কৰি বহি থাকিছিলগৈ। প্ৰথম বছৰৰ জড়তা আঁতৰ হোৱাৰ পাছত ময়ো সেই সকলো ধৰণৰ লৰা-ঢপৰাত যোগ দিছিলো। কিন্তু দুৱাৰমুখৰ পৰা ডিঙি মেলি-মেলি চাই ক'তো খালী পীৰা এখন দেখা নাপাই সেমেনা-সেমেনি কৰি উভতি আহিবলগীয়া হ'লে বৰ লাজ পাইছিলো।

ডাইনিং হলত যে— "এইবোৰ কি খাবলৈ দিছ?" বুলি কিছুমান ল'ৰাই কাঁহী-বাটি দলিয়াইছিল, সেই কথাটোত মই বৰ আচৰিত হৈছিলো। হোষ্টেলৰ খাদ্য মই কেতিয়াও বেয়া পোৱা নাছিলো। ইমানদিনে ঘৰত যি খাই ডাঙৰ হৈছিলো, তাতকৈ সেই খাদ্য তলখাপৰ নাছিল। গতিকে ভাবিছিলো,— যিবিলাকে ভাত-তৰকাৰী বেয়া বুলি কাঁহী-বাটি দলিয়ায়, তেওঁলোকে চাগৈ ঘৰত এনেকুৱা বস্তু নাখাইছিল। কিন্তু পাছত মই ঠিক কৰিছিলো; মই ভৱা কথাটো শুদ্ধ নহয়। কাঁহী-বাটি নদলিয়াবলৈ যিটো সাংস্কৃতিক খাদ্যৰ প্ৰয়োজন, সেইটো তেওঁলোকে উপযুক্ত পৰিমাণত খাবলৈ পোৱা নাছিল; সেইটোহে বোধকৰোঁ শুদ্ধ কথা আছিল।

আবেলিৰ লুচি-ভাজি কিন্তু প্ৰায় সকলোৰে কাৰণে বৰ আকৰ্ষণীয় খাদ্য আছিল। তিনিখন লুচি আৰু সৰু-সৰুকৈ কটা শুকান আলুভাজি। মোলায়েম সুৰত, অইনে নুশুনাকৈ অনুৰোধ কৰিলে কেতিয়াবা দেউকীইঁতে এখন-দুখন লুচি বেছিকৈও দিছিল। লুচি খাবৰ সময়ত ছেকেণ্ড ব্লক থাৰ্ড ব্লক— দুয়োটা ঘৰৰ মূধচত কেইবাটাও চিলনী পৰিছিলহি। সিহঁতে কেতিয়াবা বাৰাণ্ডাইদি গৈ থকা ল'ৰাৰ হাতৰ প্লে'টৰ পৰাও থাপ মাৰি লুচি লৈ গৈছিল।

শিক্ষা-সমাজ আৰু হোষ্টেল-সমাজ,— এই দুয়োখন সমাজৰ লগত মোটামুটিভাৱে খাপ খাই পৰাৰ পাছত ধান্দা হ'ল,— অন্যান্য ক্ৰিয়া-কৰ্মও আৰম্ভ কৰা দৰকাৰ। স্বাভাৱিকতে গল্প লিখাৰ কথাই মনলৈ আহিল। পলম কৰাৰ কোনো যুক্তি নেদেখিলো। লিখি পেলালো এটা গল্প। সেইটো গল্পতো, 'ডট-ডট-ডট' বৰ কম নাছিল। আমাৰ মেছৰ মনিটৰ আছিল চতুৰ্থ বাৰ্ষিকৰ যোগেশ দাস (পাছলৈ সাংবাদিক, অধ্যাপক, সাহিত্যিক আদি।) তেখেতক গল্পটো পঢ়ি চাবলৈ অনুৰোধ কৰিলো। ভয়ে-ভয়ে কেনে পালে বুলি সোধাত তেখেতে কি-কি শব্দ উচ্চাৰণ কৰিলে এতিয়া মনত নপৰে; কিন্তু বুজাৰ ভিতৰত ইয়াকে বুজিলো যে সেইটো বস্তুৰ সপক্ষে ক'বলগীয়া বিশেষ একো নাই। থাকিলো মনে-মনে। কিছুদিনৰ পাছতে কটন কলেজ ষ্টুডেণ্টছ ইউনিয়ন ছছাইটিয়ে বছৰেকীয়া সাহিত্য-প্ৰতিযোগিতা ঘোষণা কৰিলে। এইবাৰ অলপ ছিৰিয়াছ হ'লো। এসপ্তাহমানৰ আজৰি সময় খৰচ কৰি গল্প এটা লিখি উলিয়ালো। নাম—'শান্তিৰ বুকুৰ ধুমুহা'!

ফলাফল ঘোষণা আৰু বঁটা বিতৰণীৰ দিনা মঞ্চৰ পৰা ঘোষণা কৰা হ'ল,— মই তৃতীয় পুৰস্কাৰ পালো। আমাৰ হোষ্টেলৰে কুঞ্জ গগৈয়ে প্ৰথম পুৰস্কাৰ পালে। ছাৰ্টিফিকেট আনিবলৈ মঞ্চৰ ফালে আগবাঢ়ি যাওঁতে বাটতে মহেশ ভূঞাই (পাছলৈ কেমিষ্ট্ৰিৰ অধ্যাপক, স্কুল ইন্সপেক্টৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ, প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অধ্যক্ষ) ধেমালি কৰি কাণে-কাণে ক'লে,— "কটনিয়ানত নামটো উঠিল আৰু!"

কটনিয়ানত নামটোতো উঠিলেই, বৰঞ্চ তাতকৈ ডাঙৰ ঘটনাও ঘটিল। সেই সময়ত হ্ৰেন ককাইদেৱে ফিংগাৰ প্ৰিণ্টৰ ট্ৰেইনিং ল'বলৈ কলিকতালৈ গৈছিল। তেখেতে মোৰ গল্পটো নি একেবাৰে আৱাহনৰ সম্পাদক ড. দীননাথ শৰ্মাৰ হাতত পেলাই দিলেগৈ। কিছুদিনৰ পাছত আৱাহনৰ পাতত দেখিলো,— শান্তিৰ বুকুৰ ধুমুহা! গোটেই অসমত চলা, জনপ্ৰিয়, গুৰুত্বপূৰ্ণ আলোচনীত ছপা হোৱা সেইটোৱেই মোৰ প্ৰথম লেখা। মই গল্পটোৰ ভিতৰৰ সবিশেষ পাহৰিলো, আৰু মনত পেলাবলৈ চেষ্টাও নকৰোঁ।

কিন্তু সেইটো প্ৰতিযোগিতাৰ বতৰতে মোৰ ওপৰেদি এটা দুৰ্যোগ পাৰ হৈ গ'ল। সাহিত্যৰ বাহিৰে আবৃত্তি প্ৰতিযোগিতাতো নাম দিছিলো। আবৃত্তিৰ বাবে নিৰ্দিষ্ট কৰা কবিতাটো আছিল 'ত্ৰয়োদশ শতিকাৰ সোণৰ অসম'। দীঘলীয়া কবিতা। তেতিয়াৰ দিনৰ প্ৰতিযোগিতাত কিতাপ মেলি লৈ আবৃত্তি কৰা প্ৰথাৰ প্ৰচলন নাছিল। গতিকে কেইবাদিনো ধৰি কবিতাটো উৰাই-ঘূৰাই মুখস্থ কৰিলো। ক'ৰবাত হঠাতে লাগি ধৰিলে মনত পেলাই দিবলৈ প্ৰমটাৰ হিচাপে ল'লো হিমেন বৰঠাকুৰক (পাছলৈ ইঞ্জিনিয়াৰ, নাট্যকাৰ)। প্ৰতিযোগিতাৰ দিনা পৰিল মোৰ পাল; গ'লো মঞ্চলৈ উঠি; মাতটো যিমান পাৰোঁ গম্ভীৰ কৰিবলৈ চেষ্টা কৰি আৰম্ভ কৰিলো আবৃত্তি;— কিন্তু অলপ পাছতে, আঠ-দহশাৰীমান মতাৰ পাছতে মই বৈ গ'লো;— তাৰ পিছৰ শাৰী কি আছিল ?— কি আছিল ? তৎক্ষণাৎ কাণ-মূৰ গৰম হৈ উঠিল। উইংছৰ কাষৰ পৰা হিমেনে কিবা কৈছে;— জোৰে কৈছে,— কিন্তু মোৰ কাণত একো নোসোমাল। মই সম্মুখৰ ফালে শূন্য দৃষ্টিৰে চাই আছোঁ;— লাহে-লাহে বহু মানুহৰ গুণগুণনিয়ে মোৰ কাণত এটা গুমগুমনিৰ সৃষ্টি কৰিলে;—আৰু এসময়ত মই যন্ত্ৰই চলোৱা মানুহৰ নিচিনাকৈ উইংছৰ আঁৰলৈ গুচি গ'লো।

তাৰ পাছত কেইবাদিনো ডাইনিং হলৰ বাহিৰে ক'লৈকো ওলোৱা নাছিলো। পাছত হিমেনে কৈছিল,— এই কথাই কথা নহয়। নিজৰ ওপৰতে প্ৰতিশোধ ল'বলৈ ছিৰিয়াছলি কিবা এটা কৰা। লাজ, অপমান, হিমেনৰ কথাখিনি,— এই এটাইবোৰ মোৰ মনত বহুদিনলৈ এক ধৰণৰ চাঞ্চল্য সৃষ্টি কৰি আছিল।

দ্বিতীয় বাৰ্ষিকত থাকোঁতে যেতিয়া আকৌ সাহিত্য প্ৰতিযোগিতাৰ কথা ঘোষণা কৰা হ'ল, তেতিয়া অসমীয়া ৰচনা প্ৰতিযোগিতাত যোগ দিবলৈ সিদ্ধান্ত ল'লো। ৰচনাৰ বিষয় আছিল—'নলিনী কাব্যৰ সুৰ'। নলিনী বালা দেৱীৰ কবিতা যিমান পাৰিলো বিচাৰি-বিচাৰি পঢ়িলো। তুলনা কৰিবলৈ, উদ্ধৃতি দিবলৈ অন্যান্য কবিৰ কবিতা পঢ়িলো। কলেজৰ পঢ়া-শুনাৰ লেঠা মাৰি প্ৰায় এমাহ মই সেই কামটোৰ লগত পৰিশ্ৰম কৰিলো। *লেখাটোৰ মান যিয়েই নহওক, বা মোৰ বক্তব্য-মন্তব্যৰ গ্ৰহণযোগ্যতা যিমানেই নহওক, সেই কিতাপ-পাতি গোটাই পৰিশ্ৰম কৰাৰ ধৰণটো মোৰ কাৰণে উপকাৰী আছিল।* (ৰচনাখনে সেইবাৰ প্ৰথম পুৰস্কাৰ পাইছিল আৰু কটনিয়ানত সেইখন ছপাও হৈছিল।)

সেই কালত ষ্টুডেণ্টছ ইউনিয়নৰ অনুষ্ঠানবোৰ তেতিয়াৰ এডমিনিষ্ট্ৰেটিভ বিল্ডিং, ছয় নম্বৰ ব্লক আৰু সাত নম্বৰ ব্লকৰ মাজৰ মুকলি ঠাইখিনিত ৰভা আৰু মঞ্চ সাজি অনুষ্ঠিত কৰা হৈছিল। এসময়ত নগাঁৱত যে সুশীল ঠাকুৰৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বাদ্যযন্ত্ৰৰে ঐক্যতান বাদন পৰিৱেশন কৰিছিল, তেনেকুৱা অনুষ্ঠান বহুত দিনৰ মূৰত আকৌ দেখিছিলো কটন কলেজৰ সেই অস্থায়ী মঞ্চত;— পৰিবেশক আৰু পৰিচালক আছিল ব্ৰজেন বৰুৱা। (প্ৰসংগক্ৰমে ঃ ব্ৰজেন বৰুৱাৰ ভায়েক নিপ বৰুৱাক বেছিভাগ মানুহে চলচ্চিত্ৰ পৰিচালক বুলি জানে; বহুতে ফুটবল খেলুৱৈ বুলিও জানে; কিন্তু মই তেওঁক প্ৰথম জানিছিলো বাঁহীবাদক হিচাপে। এই প্ৰসংগত নগাঁৱৰ তাৰিকুদ্দিন আহমদৰ কথাও উল্লেখ কৰিব পাৰি। অসমৰ বেছিভাগ মানুহে তেখেতক 'ইমান ধুনীয়া মুকুতাৰ মালা'-খ্যাত গায়ক বুলিয়েই জানে, কিন্তু আমি প্ৰথম তেখেতক জিলাখনৰ আগশাৰীৰ ফুটবল খেলুৱৈ বুলিহে জানিছিলো।) সেই মঞ্চত সংগীতৰ অনুষ্ঠান পৰিবেশন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত দেখিছিলো লক্ষহীৰা বৈশ্য সাউদ (পাছলৈ লক্ষহীৰা দাস. অধ্যাপিকা, কবি), কুইনী হাজৰিকা (পাছলৈ সুদক্ষিণা শৰ্মা; এওঁ কটন কলেজৰ ছাত্ৰী নাছিল), বিশ্বজিত বৰুৱা (গুৱাহাটী মেডিকেল কলেজৰ অৰ্থপেডিকছ বিভাগৰ অধ্যাপক), নীলিমা ভূঞা (নীলিমা বৰুৱা), তুলতুল ভৰালী (তুলতুল বৰুৱা, লেখিকা) আদিক। পাছলৈ গল্পলেখক হিচাপে পৰিচিত হোৱা ৰোহিণী কাকতীয়ে বজাইছিল আজিকালি মঞ্চৰ পৰা প্ৰায় অদৃশ্য হৈ যোৱা বাদ্যযন্ত্ৰ— এছৰাজ। তেতিয়াৰ গায়িকা শীলা ঘোষ, হিমানী ৰয় আদি ক'লৈ গ'ল, নাজানো। ছেকেণ্ড ইয়েৰ নে থাৰ্ড ইয়েৰত থাকোঁতে— সঠিককৈ মনত পৰা নাই,— মণিৰাম দেৱান নাটকৰ দৃশ্য এটা মঞ্চস্থ কৰিবলৈ মই মণিৰাম দেৱানৰ ভাও লৈছিলো। হলৰয়ড চাহাবৰ ভাও লৈছিল গোলাঘাটৰ পুণ্যব্ৰত বৰুৱা নামৰ সহপাঠী এজনে। প্ৰিন্সিপালৰ কোঠালিৰ ওচৰৰ অফিছ-কোঠালিটোৰ চকী এখনত চুৰিয়া-চাপকন পিন্ধি, পাগুৰি মাৰি, বচন আওৰাই বহি আছোঁ,— মনত পৰাৰ ভিতৰত এতিয়া সেইটো দৃশ্যহে মনত পৰে।

পঢ়া-শুনাৰ ক্ষেত্ৰত মোৰ তুৰি-মুৰি কৰাৰ উপায় নাছিল; কিন্তু পঢ়া-শুনা মোটামুটিভাৱে ঠিকে ৰাখি আৰু কি-কি কৰিব পৰা যায়, সেই চিন্তাটো সঘনে মোৰ মনলৈ আহি আছিল। তেপু ককাইটিয়ে আমাৰ ঘৰত তবলা বজোৱা দিনৰে পৰা যে সেই বাদ্যযন্ত্ৰটোৰ প্ৰতি মোৰ এটা আগ্ৰহ থাকি গৈছিল, সেই আগ্ৰহটোৱে কটন কলেজৰ হোষ্টেলত থাকোঁতে আকৌ পোখা মেলিলে। ষ্টুডেণ্টছ ইউনিয়ন ছছাইটিয়ে সজা মঞ্চখন, সেই মঞ্চত থিয় হোৱা কটনিয়ানসকলৰ সাংগীতিক গুণ, আমাৰ হোষ্টেলতে থকা নৃত্যশিল্পৰ ছাত্ৰ প্ৰসন্ন গোস্বামীৰ কাৰ্যসূচী,— এইবিলাকেও মোক ৰবকৈ উচটাইছিল। সেই সময়ত ভাস্কৰ নাট্য মন্দিৰৰ ওপৰ মহলাত চেতাৰবাদক সুন্দৰ বৰদলৈয়ে সংগীত-শিক্ষাৰ প্ৰতিষ্ঠান

'এটা স্থাপন কৰিছিল। এদিন মই ওলালোঁগৈ তেখেতৰ ওচৰত। তবলা শিকিম। তেখেতে মোক আগ্রহেৰে গ্রহণ কৰিলে আৰু সপ্তাহত দুদিনকৈ আবেলি-আবেলি যাবলৈ ক'লে। চলিল কিছুদিন তেৰে কেতে তাক তাক। হোষ্টেলত প্রেকটিছ কৰিলো পঢ়া টেবুলৰ কাঠত। কিন্তু কেনেকৈ সেই অধ্যায়টো ৰামধেনুৰ ৰং ক্রমে পাতল হৈ অদৃশ্য হোৱাৰ নিচিনাকৈ অদৃশ্য হৈ গ'ল মনত নপৰে। লাভৰ ভিতৰত থাকিল টেবুলত তবলা বজোৱাৰ অভ্যাস আৰু সুন্দৰ বৰদলৈ ছাৰৰ লগত হোৱা পৰিচয়।

এইযে প্রসন্ন গোস্বামীৰ কথা ক'লো (এওঁ পাছলৈ ডিব্রুগড় আৰু গুৱাহাটী মেজিকেল কলেজৰ পেথল'জি বিভাগৰ অধ্যাপক হৈছিল), এওঁৰ কিছুমান গুণে মোক মুগ্ধ কৰিছিল আৰু উদ্বুদ্ধও কৰিছিল। এওঁৰ দেউতাক আছিল সত্রীয়া নৃত্য-গীতৰ শিল্পী জীৱেশ্বৰ গোস্বামী। দেউতাকৰ তত্ত্বাৱধানত এওঁ স্কুলীয়া দিনতে সত্রীয়া নৃত্যৰ শিক্ষা লৈছিল। ছেকেণ্ড মেছৰ পৰাই এবাৰ তেওঁ জয়পুৰত বহা ভাৰতীয় জাতীয় কংগ্রেছৰ অধিবেশনৰ সাংস্কৃতিক অনুষ্ঠানত 'দশাৱতাৰ' নৃত্য প্রদর্শন কৰিবলৈ গৈছিল। হোষ্টেলৰ কিছুমান ল'ৰাই কথাটোত গুৰুত্ব দিয়া নাছিল; মই কিন্তু অবাক হৈছিলো;— বা! প্রসন্নই ইমান দূৰৰ, ইমান ডাঙৰ সভাত নাচিবগৈ! মনত পৰে,— ৰাতি ভাত-পানী খাই উঠাৰ পাছত কেইবাদিনো প্রসন্নক মই ছেকেণ্ড ব্লকৰ ডনবস্ক'ৰ ফালে থকা মুৰৰ বাৰাণ্ডাখনলৈ মাতি নিছিলো; তেওঁক নাচৰ ভংগী কিছুমান দেখুৱাবলৈ কৈছিলো, আৰু ভংগীবোৰ মোৰ গাৰে তুলি ল'ব পাৰোঁনে কি তাৰ চেষ্টা কৰিছিলো!

সেই সময়ছোৱাত (১৯৪৮-৫০) কঁকাললৈকে গাটো বস্তাৰ ভিতৰত সুমুৱাই দৌৰা (Sac race) আৰু মাৰাথন দৌৰ প্রতিযোগিতাত প্রসন্নক চেৰ পেলাব পৰা প্রতিযোগী দেখা নাছিলো। অন্য প্রতিযোগীয়ে বস্তাটো দুয়ো হাতেৰে ধৰি, দুয়োখন ভৰি লগ লগাই জঁপিয়াই-জঁপিয়াই দৌৰে; কিন্তু প্রসন্নই বস্তাটোৰ ভিতৰতে দুয়োখন ভৰি চলাই সাধাৰণতে মুকলিত দৌৰাৰ নিচিনাকৈ দৌৰে; কেৱল খোজবোৰ চুটি-চুটি হয়, কিন্তু বৰ খৰ-খৰ হয়। মাৰাথন দৌৰ প্রতিযোগিতাত প্রসন্নই যিটো বেগেৰে দৌৰ আৰম্ভ কৰিছিল, প্রায় সেইটো বেগেৰেই শেষ কৰিছিল। জজফিল্ডত আমি যেতিয়া প্রতিযোগীসকল উভতি অহালৈ বৈ থাকোঁ, তেতিয়া দেখোঁ,— সৌৱা প্রসন্ন আহিছে। তেওঁৰ পিছত কোন আহিছে চাবলৈ বেছ কিছু সময় বৈ থাকিব লাগে। তেতিয়া অৱশ্যে সেই মাৰাথন দৌৰ চাৰিবছ মাইলৰ ওচৰা-উচৰি আছিল বুলি মোৰ ধাৰণা নহয়। বেডমিণ্টনত সেই সময়ত প্রসন্ন গোস্বামী আৰু দুর্গা বৰাকে আমি কটন কলেজৰ,—কটন কলেজৰ কিয়, সমগ্র অসমৰে শীর্ষস্থানীয় খেলুৱৈ বুলি জানিছিলো। পাণবজাৰৰ কাফে ডিলাক্সৰ মালিক আৰু পাছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেণ্টিনখনৰ পৰিচালক বৰদা শর্মাও আগশাৰীৰ বেডমিণ্টন খেলুৱৈ আছিল, কিন্তু কাফে ডিলাক্স চলাই তেওঁ খেলৰ বাবে যিমান সময়-

শক্তি খৰচ কৰিব লাগে, সিমান কৰিব নোৱাৰিছিল। সদৌ অসম ভিত্তিত পতা প্ৰতিযোগিতাত আমি যেতিয়া এইকেইজন খেলুৱৈক সমৰ্থন কৰি চিঞৰিবলৈ ক'টৰ কাষত গোট খাইছিলো, তেতিয়া ধেলিয়া নামৰ ডিব্ৰুগড়ৰ পৰা অহা প্ৰতিযোগী এজনে আমাৰ মনত সংশয়ৰ সৃষ্টি কৰিছিল।

প্ৰসন্নই যে মাৰাথন দৌৰৰ অনুশীলন কৰিবলৈ দোকমোকালিতে হোষ্টেলৰ পৰা ওলাই দৌৰিছিল, দুদিনমান তেওঁৰ লগতময়ো গৈছিলো। হোষ্টেলৰ পৰা ওলাই নৈৰ পাৰেদি ভৰলুমুখলৈ, তাৰ পৰা উভতি আহি দীঘলীপুখুৰীৰ তিনি কাষে এপাক মাৰি হোষ্টেল। কি উদ্দেশ্য বা উৎসাহত যে মই সেই কাম কৰিছিলো, আজিও সঠিককৈ ভাবি উলিয়াব নোৱাৰোঁ। চকুত পৰা কামৰ যিটোকে ভাল বুলি ভাবিছিলো, সেইটোতে এখুন্দা মাৰি চোৱাৰ প্ৰবৃত্তিটোৰ বাবেই সেই কাম কৰিছিলো বুলি ধাৰণা এটাহে কৰিব পাৰোঁ। সেই সময়ত মোৰ দেহাৰ যিটো অৱস্থা, তালৈ চাই প্ৰসন্নৰ লগত দোকমোকালিতে দৌৰিবলৈ ওলোৱাটো মোৰ নিজৰ বাবেই হাস্যকৰ কথা হোৱা উচিত আছিল। এই সম্পৰ্কে মোৰ কাৰণে মই নিজেই কৌতুক এটা সৃষ্টি কৰি লৈছিলো। আমাৰ কলেজৰ হোষ্টেলবিলাকৰ ভলিখেলৰ দল কেইটামান বৰ শক্তিশালী (তেতিয়াৰ দিনত, অসমৰ মানত) আছিল। কস্মপলিটান হোষ্টেলৰ তিলক গগৈ, থাৰ্ড মেছৰ অক্ষয় ঠাকুৰীয়া আৰু কৃপা দাস, আমাৰ মেছৰ চন্দ্ৰ গগৈ আৰু দেৱী গোহাঁই,— এওঁলোক আছিল ওখ-পাখ, হৃষ্ট-পুষ্ট, দক্ষতাসম্পন্ন খেলুৱৈ। (পাছলৈ অসমৰ মন্ত্ৰী হোৱা তিলক গগৈ অসমৰ শকত-আৱত, ওখ-পাখ লোকসকলৰ মাজত সদায় লেখত ল'বলগীয়া হৈয়েই আছিল।) মোৰ কৌতুকটো আছিল ঃ ধৰি লোৱা হওক— কোনোবা এটা গ্ৰহৰ প্ৰাণীবোৰৰ কাৰণে পৃথিবীৰ মানুহৰ মাংস অতি প্ৰিয় খাদ্য। বৰ ডাঙৰ উছৱ-অনুষ্ঠান, পূজা-পাৰ্বণ উপলক্ষে তেওঁলোকে পৃথিবীলৈ আহি মানুহ কিনি লৈ যায়। কেতিয়াবা যদি তেওঁলোক মানুহ কিনিবলৈ ছেকেণ্ড মেছত নামেহি, আৰু বাছি-বাছি চন্দ্ৰ গগৈ আৰু দেৱী গোহাঁইক কিনে, তেনেহ'লে দোকানীয়ে মোক লগতে ফাও হিচাপে দি দিব। কস্মপলিটান হোষ্টেলৰ অকল তিলক গগৈক কিনিলেও দি দিব। এনেকুৱাই আছিল মোৰ দেহাৰ সৌষ্ঠৱ! ছেকেণ্ড ব্লকৰ ল'ৰাইতৰ গা ধোৱা চৌবাচ্চাটো আছিল ডনবস্ক'ৰ ফালৰ বাস্তাৰ পৰা দেখি থকা। প্ৰথম অৱস্থাত ভালেমান দিনলৈ মই গা ধোৱা সময়টো সাৱধানে নিৰ্বাচন কৰিবলগীয়া হৈছিল,— দেহাটোক কিমান বেছি মানুহৰ দৃষ্টিৰ পৰা ৰক্ষা কৰিব পাৰি— সেই উদ্দেশ্যে।

ছেকেণ্ড ইয়েৰলৈ উঠাৰ পাছৰ পৰাই ছিনেমাৰ বতাহে মোক সঘনে স্পৰ্শ কৰিবলৈ লৈছিল বুলি মনত পৰে। জীৱনত মই চোৱা প্ৰথমখন ফিল্ম আছিল 'জংগল কী ৰাণী'। মোক্তাৰ স্কুলত পঢ়ি থাকোঁতেই নগাঁৱৰ বেংগলী পটি নাট্য মন্দিৰৰ অস্থায়ী ছিনেমা

হল এটাত সেইখন ফিল্ম চাইছিলো। তাৰ পাছত কটন কলেজলৈ বুলি নগাঁও এৰালৈকে এই সুদীৰ্ঘ কালছোৱাত ফিল্ম চোৱাৰ আগ্ৰহ আৰু সুবিধাৰ মাজত নানা ধৰণৰ সংঘাতেই চলি আছিল। থাৰ্ড ক্লাছ আৰু ছেকেণ্ড ক্লাছৰ টিকেটৰ দাম যথাক্ৰমে দহ পইচা আৰু চৈধ্য পইচা থকাৰ কালৰ সংঘাতৰ ধৰণটোৰ কথা ভাবিলে এতিয়া আনন্দ লাগে। পইচা যোগাৰ কৰাতকৈ টান কাম আছিল পিতাইৰ 'পাৰ্মিছন' আদায় কৰা। আমি বৌক কুটুৰিছিলো,— তই কচোন পিতাইক। সেই কামটো কৰিবলৈ বৌৰ সাহস নাছিল। গতিকে ছিনেমা আৰম্ভ হ'বলৈ পাঁচঘণ্টামান থাকোঁতেই আমি পিতাইৰ ওচৰে-পাঁজৰে ঘূৰা-পকা কৰি তেখেতৰ চকুত পৰাকৈ,তেখেতে ভাল পোৱা কাম কৰিবলৈ আৰম্ভ কৰিছিলো। তাৰ মাজতে চেলু চাই ছিনেমা চাবলৈ যোৱাৰ কথাটো উলিয়াইছিলো। তেখেতে কথাষাৰ নুশুনাৰ নিচিনাকৈ নিজৰ কামত ব্যস্ত আছিল; কিন্তু শুনিছিল ঠিকেই। শেষত যেতিয়া সময় কমি আহিছিল, তেতিয়া আমি দুঃসাহস গোটাই, পৰিষ্কাৰ মাতেৰে প্ৰস্তাৱটো উত্থাপন কৰিছিলো ঃ বহুদিন টকি চাবলৈ যোৱা নাই; আজি যাওঁ নে? তেখেতে কৈছিল, "মই মানা কৰিলে জানো নোযোৱাকৈ থাকিবি? এনেয়ে মোক সোধাৰ নামটো কৰ কিয়?"— আমি বুজিছিলো,—সেয়াই পাৰ্মিছন। কিন্তু "যা" বোলা চিধা কথাষাৰ তেখেতৰ মুখৰ পৰা কোনোদিনেই নোলাইছিল। ছিনেমা চাই আহি ঘৰ সোমোৱাৰ পাছত তেখেতৰ মুখৰ পৰা প্ৰায় সদায় শুনা কথাষাৰ আছিল,—"টকি চাই চাগৈ পেট ভৰি আহিছে নহয়? এতিয়াতো ভাত নাখালেও হ'ব!"

জয়মতী আৰু ইন্দ্ৰমালতী চোৱাৰ সুবিধা আমি পোৱা নাছিলো। জয়মতীয়ে মুক্তি লাভ কৰাৰ প্ৰায় পঞ্চাছ বছৰৰ পাছত মঙলদৈত ছবিখনৰ কিছু দৃশ্য ড. ভূপেন হাজৰিকাই নতুনকৈ সম্পাদনা কৰি উলিওৱা প্ৰিণ্ট এটাত দেখিছিলো। মনোমতীৰ পৰা ছিৰাজলৈকে— চল্লিছৰ দশকত নিৰ্মিত এটাইকেইখন ফিল্ম বৰ হেঁপাহেৰে চাইছিলো। সেইছোৱা সময়ৰ ফিল্মৰ কথা ভাবিলে হিন্দী ফিল্ম শকুন্তলা আৰু কিসমৎ, বাংলা ফিল্ম শহৰ থেকে দূৰে আৰু উদয়েৰ পথে, আৰু অসমীয়া ফিল্ম মনোমতী আৰু ছিৰাজৰ কথাই বেছিকৈ মনলৈ আহে। আমি কটন কলেজলৈ অহাৰ পাছৰ সময়ছোৱাতে ভাৰতবৰ্ষত দিলীপ কুমাৰ, ৰাজকাপুৰ, দেবানন্দ, মধুবালা, নাৰ্গিছ, সুৰাইয়া আদিয়ে সৃষ্টি কৰা হিন্দী ফিল্মৰ জনপ্ৰিয়তাৰ অভিযানে প্ৰবল ৰূপ ধাৰণ কৰিছিল। অসমীয়া আৰু বাংলা ফিল্মৰ লগত অসমীয়া দৰ্শকৰ গভীৰ আত্মীয়তা থাকিলেও সেই আত্মীয়তা হিন্দী ফিল্মৰ অভিযানৰ সমুখত দুৰ্বল বুলি পৰিগণিত হৈছিল। ছিনেমাৰ প্ৰতি নিৰাসক্ত হৈ থাকিব পৰা হ'লে কথাটো বেলেগ আছিল, কিন্তু যিহেতু নোৱাৰিছিলো, গতিকে হিন্দী ফিল্মৰ অভিযানৰ প্ৰভাৱৰ পৰা বাচি থাকিবও নোৱাৰিছিলো। সময়, সুবিধা আৰু সামৰ্থ্যৰ অভাৱত আগ্ৰহ অনুসৰি ফিল্ম চাব নোৱাৰিছিলো, কিন্তু ফিল্ম-সম্পৰ্কীয়

আলোচনী পঢ়াটো ছেকেণ্ড ইয়েৰত থাকোঁতেই মোৰ এটা নিচাত পৰিণত হৈছিল। সেই সময়ত বোম্বাইৰ পৰা প্ৰকাশিত, বাবুৰাও পেটেলে সম্পাদনা কৰা ফিল্ম-ইণ্ডিয়া নামৰ আলোচনীখন প্ৰখ্যাত আৰু জনপ্ৰিয় আছিল। (এই কথাখিনিত ফিল্ম, চলচ্চিত্ৰ, কথাছবি, বোলছবি আদি শব্দৰ মাজৰ ফিল্ম শব্দটো মই বিশেষ কাৰণত ইচ্ছা কৰি ব্যৱহাৰ কৰিছোঁ।)

সেইছোৱা সময়তে, আমাৰ ছেকেণ্ড মেছৰ ওচৰতে ছিনেমা সম্পৰ্কীয় ঘটনা এটা ঘটিছিল। এতিয়া যিডোখৰ ঠাইত পুলিছৰ অফিছ-ঘৰটো আছে, সেইডোখৰ ঠাইত থকা আহল-বহল খেৰী ঘৰ এটাত মহিন্তা উপাধিৰ বাঙালী মানুহ এজনে সপৰিয়ালে বাস কৰিছিল। ছেকেণ্ড মেছৰ ল'ৰাইঁতৰ লগত তেখেতে এটা ভাল সম্পৰ্ক বজাই ৰাখিছিল। কিছুমান জ্যেষ্ঠ ল'ৰাই 'মহিন্তাদা' বুলি তেখেতৰ ঘৰলৈ সোমাই গৈছিল। (থাৰ্ড ইয়েৰ-ফৰ্থ ইয়েৰত পঢ়োঁতে আমিও মাজে-মাজে সেই কামটো কৰিছিলো) সেই মহিন্তাৰ এবাৰ চখ হ'ল,— তেওঁ এখন ফিল্ম নিৰ্মাণ কৰিব। ফিল্মৰ নাম হ'ব 'জৱানী কী জয়যাত্ৰা' আৰু পৰিচালক হ'ব প্ৰমথেশ বৰুৱা। এদিন তেখেতে আঁচনিখন উদ্বোধন কৰা অনুষ্ঠান এটাৰ আয়োজন কৰিলে। সেই অনুষ্ঠানত প্ৰমথেশ বৰুৱা উপস্থিত হ'লহি। ভিতৰত মেল-মিটিং, খোৱা-বোৱা কি হ'ল আমি গম নাপালো, কিন্তু ঘৰটোৰ আগফালে যে গ্ৰুপ ফটো এখন তোলা হৈছিল, সেই দৃশ্যটো আমি হোষ্টেলৰ বাৰাণ্ডাৰ পৰা আজিকালিৰ শ্বুটিং চোৱাৰ নিচিনাকৈ চাই আছিলো। বহি থকাসকলৰ সোঁমাজত প্ৰমথেশ বৰুৱা, তেখেতৰ কাষত মহিন্তাদা, আৰু ওচৰে-পাঁজৰে বহি, থিয় হৈ অনুষ্ঠানলৈ অহা মুখিয়ালসকল আৰু মহিন্তাদাৰ পৰিয়ালৰ মানুহ।

'জৱানী কী জয়যাত্ৰা' ফিল্মখনৰ কাম কাগজ-কলমৰ মাজতে আবদ্ধ থাকি এদিন লুপ্ত হৈ গ'ল। ১৯৫২ চনত বিছনা-পাতি লৈ শেষবাৰৰ কাৰণে ছেকেণ্ড মেছৰ পৰা ওলাই অহাৰ সময়ত মহিন্তাদাক মাত লগাবলৈ গৈছিলো। প্ৰমথেশ বৰুৱা থকা সেই ফটোখন তেখেতসকলৰ বহা-কোঠালিৰ এচুকত সযতনে সজাই থোৱা আছিল। প্ৰমথেশ বৰুৱাৰ ছবি মই ভালেমান দেখিছোঁ; কিন্তু তেখেতৰ কথা ভাবিলে মহিন্তাদাৰ ঘৰৰ ফটোখনত ডিঙিত মালা এধাৰ পিন্ধি বহি থকা মানুহজনৰ চেহেৰাটোহে মনলৈ আহে।

*নানা ধৰণৰ কাণ্ড-কাৰখানাত জড়িত হোৱাৰ কাৰণে মন নানা দিশত বিক্ষিপ্ত হ'ব খুজিলেও মনক লাগাম লগাই পঢ়াৰ মেজলৈ যথাসময়ত ওভোতাই অনা কামটো ছেকেণ্ড মেছৰ ঐতিহ্য আৰু চৰিত্ৰই নিজেই কৰিছিল। আমাৰ আগৰ বছৰৰ আই. এছ. ছি পৰীক্ষাত আমাৰ মেছৰ শৈলধৰ গগৈ (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদৰ পৰা অৱসৰ লোৱা) প্ৰথম হৈছিল; আমাৰ পাছৰ বছৰৰ মেট্ৰিকত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান পোৱা সৰোজ ঘোষ, শৈলেন শীল আৰু বিজয় খাটনিয়াৰ আমাৰ মেছৰে বাসিন্দা*

হৈছেহি; আমাৰ লগৰ ভবেশ ঠাকুৰীয়াই আই. এছ. ছিত প্ৰথম হ'বই বুলি ধৰি লৈছোঁ; আৰু দুজনমানে 'ষ্টেণ্ড' কৰাৰ কথা আছে; প্ৰথম বছৰৰ মনিটৰ যোগেশ দাস আৰু পাছৰ বছৰৰ মনিটৰ মহেন্দ্ৰ বৰুৱাই কোনে ক'ত কি কৰিছে তাৰ খবৰ ৰাখিয়েই আছে; দণ্ডেশ্বৰ গগৈ ছাৰে বাৰাণ্ডাইদি হোষ্টেল পৰিভ্ৰমণ কৰিয়েই আছে,— সেই হেন হোষ্টেলত অকল নলিনী কাব্যৰ সুৰ, তেৰে কেতে তাক তাক, ৰাজকাপুৰ-নাৰ্গিছ আদিক লৈয়েই ব্যস্ত থাকিব পাৰিনে? নোৱাৰি।

মাজতে বন্ধনীৰ ভিতৰৰ কথাৰ নিচিনাকৈ কথা এটা কৈ থওঁ। এইযে শৈল গগৈৰ কথা ক'লো, তেখেতৰ লগত পাছৰ জীৱনত মোৰ কেইবা ঠাইতো সম্পৰ্ক ঘটিছিল; কিন্তু ছেকেণ্ড মেছত তেখেতৰ লগত ঘটা সম্পৰ্কৰ মনত ৰাখিবলগীয়া নমুনা এটা আছিল,— মই তেখেতৰ বায়'লজিৰ প্ৰেক্টিকেল বহীখনত ডাঙৰকৈ মিছামাছৰ ছবিখন আঁকি দিছিলো। তেখেতে যে সেইটো নিজে আঁকিব নোৱাৰিছিল সেইটো নহয়, কিন্তু মই আঁকি দিয়াৰ কাৰণে তেখেতে অইন বেছি গুৰুত্বপূৰ্ণ কাম কৰিবলৈ সময় পাইছিল। মই আজিও ভাবোঁ, তেখেতক কৰা সেই সহায়কণত কোনো ধৰণৰ শৈক্ষিক অনৈতিকতাৰ প্ৰশ্ন নাছিল। বৰঞ্চ ভাবোঁ,— কিতাপৰ ছবি চাই-চাই, বহু সময় খৰচ কৰি আঁকিবলগীয়া ছবি কিছুমান প্ৰেক্টিকেল বহীত সন্নিবিষ্ট কৰাৰ নিয়মটোৱেই পৰিহাৰ কৰিব লাগে।

লিখিলে এই 'বাহিৰা' কথাবোৰ দীঘল হৈ গৈ থাকে; কিন্তু আচলতে সাৰে থকাৰ বেছি-ভাগ সময় 'কি কৰিবলৈ ইয়াত আছোঁহি?'— এই চিন্তাইহে মোক মেৰিয়াই ধৰি আছিল। আৰু সেইটো চিন্তা মানেই কলেজৰ পঢ়া-শুনাৰ চিন্তা। কিন্তু এইটোও ঠিক যে অনবৰতে কলেজৰ কিতাপ-বহীৰ লগতে লাগি থকাৰ প্ৰবৃত্তি মই মোৰ মাজত অনুভৱ কৰা নাছিলো, আৰু কোনো ধৰণৰ 'কলেজীয়া বতাহ'ৰ স্পৰ্শও অনুভৱ কৰা নাছিলো। বিভিন্ন বিষয়ৰ প্ৰতি আগ্ৰহ আৰু মূল কামটোৰ প্ৰতি থকা দায়িত্ব,— এইবোৰৰ ঠেলা-ঠেলি, যুঁজ-বাগৰৰ মাজতে আই. এছ. ছি পৰীক্ষা দি ঘৰলৈ গুচি গ'লো। যথাসময়ত খবৰ পালো— ফাৰ্ষ্ট ডিভিজনত পাছ কৰিছোঁ। সিমানেই। ঠিক কৰিলো— ফিজিক্সত অনাৰ্ছ লৈ কটন কলেজতে বি. এছ. ছি পঢ়িম। ট্ৰাংকটো আৰু বিছনাখন লৈ এদিন ওলালোহি ছেকেণ্ড মেছত। দেখোঁ— ছেকেণ্ড মেছ শূন্য! শূন্য মানে,—ল'ৰা ঢেৰ আছে, কিন্তু মোৰ ঘনিষ্ঠ বন্ধু-বান্ধৱ কোনো নাই। কেৱল ফাৰ্ষ্ট মেছত ৰত্ন বৰুৱাক (পাছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ Controller of Examinations) লগ পালো। খবৰ লৈ গম পালো— কোনোবা যাব যাদবপুৰলৈ, কোনোবা যাব খড়গপুৰলৈ, কোনোবা যাব বেনাৰছলৈ আৰু সৰহভাগ যাব ডিব্ৰুগড়ত ডাক্তৰী পঢ়িবলৈ। দুবছৰে যাৰ লগত উঠা-বহা, আলাপ-আলোচনা, বং-ৰহইচ কৰি 'কটন কলেজৰ জীৱন' এটা গঢ়ি তুলিলো, তেওঁলোকেই যদি নাই, তেনেহ'লে মই ইয়াত জীৱন কটাম কেনেকৈ? তেওঁলোকৰ অনুপস্থিতিয়েতো এক নিৰস, শূন্যতাৰ ইংগিত দিয়ে! ওহোঁ; তেনেকুৱা দুটা বছৰ মই

ইয়াত কটাব নোৱাৰিম। লগে-লগে ঠিক কৰিলো,— যিহেতু বন্ধু-বান্ধবৰ সৰহভাগ,— প্ৰসন্ন গোস্বামী, বলীন গগৈ, লক্ষী দত্ত, লালমোহন সিং আদি গৈছে ডাক্তৰী পঢ়িবলৈ, গতিকে ময়ো ডাক্তৰী পঢ়িম। বিছনা-পাতি হোষ্টেলতে এৰি এদিন গধূলি ৰে'লত উঠিলো। চাপৰমুখ ষ্টেছনত কেইঘণ্টামান কটাই শেষ নিশা হয়বৰগাঁৱলৈ যোৱা ৰে'লত উঠিলো। মনত পৰে, সেই ৰাতি চাপৰমুখ ষ্টেছনত পুৰিৰ লগত খোৱা ৰঙালাও-ভাজিৰ মাজত আধাখোৱা বিড়িৰ টুকুৰা এটা পাইছিলো। হয়বৰগাঁও ষ্টেছনৰ পৰা খোজকাঢ়ি পুৱতি নিশা ঘৰ পালোগৈ। নৃপেন ককাইদেৱে দুৱাৰ খুলি দিয়াৰ লগে-লগে ক'লো,— "মই কটনত বি. এছ. ছি নপঢ়োঁ, ডিব্ৰুগড়ত ডাক্তৰী পঢ়িম।" ককাইদেৱে সুধিলে,— "তই যে গল্প-ছল্প কিবাকিবি লিখাৰ কথা ভাব, ডাক্তৰী পঢ়িলে জানো সেইটো কাম কৰিব পাৰিবি?" মই ক'লো,— "পাৰিম। ললিত বৰুৱাই ডাক্তৰ হৈয়ো কিমান লিখা-পঢ়া কৰিছে।"— ললিত বৰুৱা মানে— 'ইলা ভনীটিলৈ মুকলি চিঠি' নামৰ কিতাপখন লিখি প্ৰখ্যাত হোৱা নগাঁৱৰে ড. ললিত কুমাৰ বৰুৱা। ককাইদেৱে আৰু একো নক'লে।

সেইদিনা আছিল ১৪ তাৰিখ। পাছদিনা অসম মেডিকেল কলেজত এডমিশ্যন ফৰ্ম জমা দিয়াৰ শেষ দিন। কাকত-পাতি কি ক'ত লাগে জানিবলৈ অন্ততঃ ফৰ্মখনতো লাগে! সাতমান বজাত ছাইকেলখন লৈ ওলালো। ভাগ্য ভাল,— মেডিকেল কলেজৰ ছাত্ৰ টিকেন বৰকটকীৰ হাতত পুৰণা, ব্যৱহাৰ কৰি থোৱা ফৰ্ম এখন পালো। সেইখন টাইপ কৰাই, ফিল-আপ কৰি, প্ৰয়োজনীয় কাকত-পাতি কিছুমান গোটাই উঠোঁতে দিনৰ একমান বাজিল। শেষ কাম,—দৰখাস্তখনত ডেপুটি কমিশ্যনাৰৰ চহী এটা ল'ব লাগে। ককাইদেৱে ডি. ছিৰ অফিছতে কাম কৰে। তেখেতে মোক ডি. ছিৰ কোঠাত সোমোৱাৰ ব্যৱস্থা কৰি দিলে। মই ডি. ছিক মোৰ উদ্দেশ্যৰ কথা কোৱাৰ পাছত মোৰ দৈহিক 'সৌষ্ঠৱ' দেখিয়েই হ'বলা, তেখেতে পোনে-পোনে সুধিলে, "তোমাক ডাক্তৰী পঢ়িবলৈ কোনে কৈছে?"— মই ক'লো, " মই নিজে ঠিক কৰিছোঁ।" কাগজখিনি লুটিয়াই-বগৰাই তেখেতে সুধিলে, "কোন ডিভিজনত পাছ কৰিছা?" ক'লো— ফাৰ্ষ্ট ডিভিজনত। এই শব্দ দুটা শুনিহে তেখেত ক্ষান্ত হ'ল। তেখেতৰ চহীটো লৈ ওলাই আহোঁতে দুই বাজোঁ-বাজোঁ। খবৰ লৈ গম পালো,—নগাঁৱৰ পৰা ৰে'লেৰে গৈ চাপৰমুখত ডিব্ৰুগড়লৈ যোৱা ৰে'ল ধৰাৰ উপায় নাই। সময় উকলি গ'ল। একমাত্ৰ উপায়,— বাছেৰে কামপুৰ ষ্টেছনলৈ গ'লে ৰে'লখন ধৰাৰ চেষ্টা কৰিব পাৰোঁ। তাকে কৰিলো। কামপুৰ ষ্টেছনত অলপ সময় ৰোৱাৰ পাছত ৰে'লখন আহিল। যিটো দবাত উঠিলো, সেইটোত বহি আছে ছিৰাজ,— আমাৰ লগৰে, শিয়ালমাৰীৰ ল'ৰা। সিও মেডিকেল কলেজত ফৰ্ম দিবলৈ যাব। মই তাক ক'লো,— ভাই মই লবেজান হৈ পৰিছোঁ। মই শোওঁ; নিজে-নিজে সাৰ নাপালে নজগাবা। সঁচাকৈয়ে, পাছদিনা দোকমোকালি পৰতহে সাৰ পালো।

এই 'জগা' শব্দটোৰ বিষয়ে মোৰ দুআষাৰ ক'বলগীয়া আছে। কিছুমান শব্দ আৰু সেইবোৰৰ ব্যৱহাৰ আমি সৰুতে ঘৰত যিটো ৰূপত শিকিছিলো, সেইটো ৰূপতে মুখত আৰু কলমৰ আগত আহি থাকে। পাছত তাৰে কিছুমান ভুল বুলি জানি মুখ আৰু কলমৰ পৰা আঁতৰালো; কিন্তু কেইটামান শব্দ এতিয়াও আপোনাআপুনি মুখলৈও আহে, কলমলৈও আহে। 'জগুৱা'টো তেনে এটা শব্দ। 'জগাই দিয়া'ই শুদ্ধ বুলি অভিধানে কয়; এই বিষয়ে বহুদিনৰ আগতে প্ৰান্তিকৰ পাততে আলোচনা এটা হোৱাও মনত পৰে; তথাপি এই 'জীৱন-বৃত্ত'ৰে এঠাইত মোৰ কলমৰ আগেদি 'জগুৱাই' ৰূপটো ওলাই গৈছে আৰু এই কথাটোলৈ মোৰ দৃষ্টি আকৰ্ষণ কৰি যোৰহাটৰ তৰাজানৰ অচ্যুত বৰুৱাই প্ৰান্তিকলৈ এখন চিঠিও লিখিছে। 'পঠা' আৰু 'পঠিয়া'— এই দুইটা ৰূপ যেনেকৈ শুদ্ধ, তেনেকৈ 'জগা' আৰু 'জগুৱা'ও শুদ্ধ হ'ব বুলি এসময়ত মই নিজকে প্ৰবোধ দিছিলো। কিন্তু যিহেতু 'জগুৱাই' ৰূপটোৰ সমৰ্থনত মই কোনো শক্তিশালী উপাদান নাপালো, গতিকে পলমকৈ হ'লেও এই অভ্যাসটো বিসৰ্জন দিবলৈ বদ্ধপৰিকৰ হৈছোঁ। নিজৰ মাতৃভাষাটোৰ সকলো শব্দ আৰু সেইবোৰৰ ব্যৱহাৰ শুদ্ধ ৰূপত মুখ আৰু কলমৰ আগলৈ অনাৰ প্ৰক্ৰিয়াটোৰ শেষেই নাই যেন লাগে। অলপ আগতে যে 'লবেজান' শব্দটো লিখিলো, সেই শব্দটো ইমানদিনেতো 'লেবেজান' বুলিয়েই জানি আহিছিলো! আজি হঠাতে শব্দটো চন্দ্ৰকান্ত অভিধানত আছে নে নাই চাওঁতেহে দেখিলো,— লেবেজান নহয়, লবেজান।

ষ্টেছনৰ পৰা বাহিৰে-বাহিৰে মেডিকেল কলেজলৈ গ'লো। অফিছ খোলাৰ লগে-লগে ছিৰাজ আৰু মই ফৰ্ম জমা দিলো; তাৰ পাছত সেইদিনাৰ ৰে'লতে ঘৰলৈ উভতিলো। ঘৰত কেইটামান কাম-বন নোহোৱা, নিৰুদ্বেগ দিন কটোৱাৰ পাছতহে কটন কলেজৰ কথাবোৰ মনত পৰি থাকিবলৈ ধৰিলে। অংক পঢ়োৱা শিব ঘোষ ছাৰে ব'ৰ্ডত যে একে পাকতে, প্ৰায় কম্পাছৰে অঁকাৰ নিচিনা বৃত্তবোৰ আঁকে! ব'টেনিৰ অতুল দত্ত ছাৰৰ গলগলীয়া, চোকা মাতটো!— তেখেতে উচ্চাৰণ কৰা চ্চাংগইটেংগা শব্দটো! জুঅ'লজিৰ কালীনাথ শৰ্মা আৰু দেৱীচৰণ মহন্ত ছাৰৰ হাইড্ৰা, ভেকুলীৰ ডাইজেষ্টিভ ছিষ্টেমৰ ছবিবোৰ! ফিজিক্সৰ প্ৰেমতোষ শ্যাম ছাৰৰ ফিটফাট সাজ আৰু চিকচিকাই থকা পাম্পশ্ব! কেমিষ্ট্ৰি লেবৰেটৰিৰ পিছফালৰ বাৰাণ্ডাত থকা কিপছ এপাৰেটাছৰ পৰা ওলোৱা এইচ-টু-এছৰ গোন্ধ-! নিউ আৰ্টছ বিল্ডিঙত চন্দ্ৰ কলিতা ছাৰে pun-অৰ উদাহৰণ হিচাপে— *When a woman looses her husband, she pines for a second* বোলা বাক্যটো কৈ নিঃশব্দে মৰা হাঁহিটো-!

গ'ল। চমু হ'লেও, জীৱনৰ নতুন ধৰণৰ সুন্দৰ সময় এছোৱা গুচি গ'ল। মনটো গধুৰ-গধুৰ লাগি থাকে। উপায় নাই। পাম চাগৈ ডিব্ৰুগড়তো আৰু এছোৱা নতুন সময়।

ট্ৰাংকটো আৰু বিছনাখন নিবলৈ এদিন ছেকেণ্ড মেছলৈ আহিলো। ছেকেণ্ড ব্লকৰ বাৰাণ্ডাত ভৰি দিয়েই মই অবাক! যোৱা দুবছৰৰ ঘনিষ্ঠ বন্ধুহঁতৰ কেইবাটায়ো হৈ-হৈকৈ মোক 'আদৰিবলৈ খেদি' আহিল! সিহঁতে কটনতে পঢ়িব। আগতে ভাবিছিল অইন ক'ৰবাত পঢ়াৰ কথা, কিন্তু পাছত সিদ্ধান্ত সলনি কৰিলে। খবৰ লৈ গম পালো,— প্ৰসন্ন গোস্বামীহঁতে ডাক্তৰী পঢ়িব ঠিকেই, কিন্তু আমাৰ মেছৰ ঘন দত্ত, ভবেশ ঠাকুৰীয়া, গিৰীশ শৰ্মা বৰুৱা, থাৰ্ড মেছৰ প্ৰবোধ শৰ্মা আদি ইমানবোৰ বন্ধুৱে কটনতে পঢ়িব যে মই বন্ধুহীন হোৱাৰ কোনো প্ৰশ্নই নাই; বৰঞ্চ এই সকলোকে এৰি থৈ ডিব্ৰুগড়লৈ গুচি যোৱাটোহে বিবেচনা কৰিবলগীয়া প্ৰশ্ন! অন্য কাৰো সহায় নোলোৱাকৈ বিবেচনা নিজে-নিজেই কৰিলো। কৰি "এক স্থিৰ সিদ্ধান্তত উপনীত হ'লো"। মই ডাক্তৰী নপঢ়ো। ফিজিক্সত অনাৰ্ছ লৈ কটন কলেজত বি. এছ. ছি পঢ়িম। সিদ্ধান্ত মতেই কাম। আকৌ ছেকেণ্ড ব্লকৰ বাৰ নম্বৰ কোঠালিত বিছনা।

পাছত খবৰ পাইছিলো, অসম মেডিকেল কলেজৰ ন'টিছব'ৰ্ডত ইণ্টাৰভিউলৈ মতা ল'ৰা-ছোৱালীৰ তালিকাবোৰৰ এখনৰ প্ৰথমতে মোৰ নামটো আছিল।

যথা সময়ত বি. এছ. ছি মহলাৰ ক্লাছ আৰম্ভ হ'ল। পূজাৰ বন্ধ আহিল। বন্ধৰ পাছত হোষ্টেললৈ উভতি এদিন গধূলি দণ্ডেশ্বৰ গগৈ ছাৰৰ অফিছ-ৰুমলৈ গ'লো। কি হ'ল?— "ছাৰ মই ফিজিক্সৰ সলনি ফিল'ছফিত অনাৰ্ছ লৈ আৰ্টছ পঢ়িব খুজিছো।" — কিয়?— "ফিল'ছফি ছাবজেক্টটোৰ প্ৰতি মোৰ ইণ্টাৰেষ্ট জন্মিছে।"— ছাৰে ক'লে,— "এতিয়া ফিজিক্সকে পঢ়ি থাকা। ফিল'ছফি পাছত পঢ়িবা।" কিছুদিনৰ ভিতৰতে ফিল'ছফিৰ ধান্দাটো মগজৰ পৰা ওলাই গ'ল।

কিন্তু এই ধান্দাটো মোৰ মূৰত সোমাইছিল কেনেকৈ? সোমাইছিল— ললিত দলেৰ লগত বেছিকৈ হলি-গলি কৰাৰ কাৰণে। ললিত চন্দ্ৰ দলে। পাছলৈ ৰাজনীতিত যোগ দি মৃত্যুৰ আগতে এওঁ অসমৰ ই-কংগ্ৰেছৰ সভাপতি হৈছিল। ললিত দলেক অকল আমি ছেকেণ্ড মেছৰ ল'ৰাইতেই নহয়, বোধকৰোঁ গোটেই কলেজখনৰ যিমানে চিনি পাইছিল, সকলোৱে খুৰা বুলি মাতিছিল। আমাৰ মেছৰ ঘনিষ্ঠ মহলৰ প্ৰায় সকলোৱে খং আৰু বিৰক্তিৰ সময়ত তেওঁৰ কথা আঁৰত বুঢ়া বুলি উল্লেখ কৰিছিল। তেওঁ আমাতকৈ বয়সত বেছ ডাঙৰ আছিল। তেওঁ নিজে কোৱা মতে, ১৯৪১ চন মানতে তেওঁ মেট্ৰিক পাছ কৰিছিল আৰু সোনকালে বিয়া-বাৰু কৰাই সংসাৰ আৰম্ভ কৰিছিল। কিন্তু কিছুদিনৰ পাছতে কিবা এক বৈৰাগ্য ভাবৰ বশবৰ্তী হৈ তেওঁ হোনো গেৰুৱা বসন পিন্ধি, ঘোঁৱা এটাত উঠি তিব্বতৰ ফালে গুচি গৈছিল। বহুত দিনৰ পাছত তেওঁ ঘৰলৈ উভতি আহিল, আৰু তাৰ কিছুদিনৰ পাছত কটন কলেজৰ ছাত্ৰ হ'লহি। ললিত দলেৰ কাহিনী কোৱাৰ যিটো ধৰণ, সেই ধৰণলৈ চাই উক্ত কাহিনীটো সঁচা নে মিছা ধৰাৰ

উপায় নাছিল; গতিকে এতিয়া ভাবিলে মই মোৰ ভাষাত সেইটোক "সঁচাও নহয় মিছাও নহয়"ৰ শাৰীত থৈ দিওঁ। সেইবোৰ যিয়েই নহওক,— এইটো কথা সঁচা যে ললিত দলেই আমাৰ খুৰা সম্বোধনৰ উপযোগী বয়সত আমাৰ লগ লাগিছিলহি। খুৰাৰ মুখস্থ কৰাৰ শক্তিটো বৰ প্ৰবল আছিল। ইংৰাজী কবিতা আৰু নাটকৰ বচন মুখস্থ মাতি তেওঁ আমাক মুগ্ধ কৰিব পাৰিছিল। কলেজৰ তৰ্ক-প্ৰতিযোগিতা বা তৰ্ক-অনুষ্ঠানত তেওঁ বৰ আকৰ্ষণীয় আৰু গুৰুত্বপূৰ্ণ অংশগ্ৰহণকাৰী আছিল। কটন কলেজ এৰাৰ পাছত তেওঁৰ লগত বহুদিন মোৰ যোগাযোগ নাছিল। শুনিছিলো,— তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ এম. এ. মহলাত নাম লগাইছিল। সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এম. এ. মহলাৰ কাৰ্যকলাপ দীঘলীপুখুৰীপাৰৰ এটা চৌহদতে কেন্দ্ৰীভূত আছিল। এসময়ত উজনি অসমৰ কোনোবা এটা সমষ্টিৰ পৰা নিৰ্বাচিত হৈ খুৰা অসম বিধানসভালৈ আহিছিল। বহুদিনৰ মূৰত মই এদিন তেওঁক তেওঁৰ শ্বিলঙৰ অফিছ্-ৰুমত লগ ধৰিছিলো। তেতিয়া তেওঁ অসম চৰকাৰৰ পাৰ্লিয়ামেণ্টেৰি ছেক্ৰেটেৰি। কিছুমান মানুহে নিজৰ ঘনিষ্ঠ মানুহক লগ পালেই কিছুমান অৰ্থহীন শব্দ বা বাক্য মাতি অভ্যৰ্থনা জনায় বা আনন্দ প্ৰকাশ কৰে। এইবোৰ চাবলৈ গ'লে ল'ৰামতীয়া আনন্দ; কিন্তু কেতিয়াবা প্ৰাপ্তবয়স্ক লোককো সেই আনন্দই এৰা নিদিয়ে। উদাহৰণস্বৰূপে চলচ্চিত্ৰ আৰু নাটকৰ শিল্পী আৰু লেখক কুলদা কুমাৰ ভট্টাচাৰ্যই মোক লগ পালেই মতা বাক্যটো হ'ল ঃ "দিছ্ ফাইটেণ্টো ইয়েল' গেছ্ ৱাটাৰ্, বাক্ দি চেডৱে ইস্তাকিন্ লছ্।" এইটো বাক্যৰ কিবা অৰ্থ আছে বুলি মই নাজানো। আজিকালিও তেওঁ মোলৈ ফোন কৰিলে "মই কুলদা ভট্টই কৈছোঁ" বুলি নকয়, "ইস্তাকিন লছ" বুলি কয়। ললিত দলেই মোক দেখিলেই উচ্চাৰণ কৰা বাক্যটো আছিল ঃ "ঝুগ-ঝুগ ঝাগ-ঝাগ, ঝুগ-ঝুগ ঝাগ-ঝাগ, ঝুগ-ঝুগ ঝাগ-ঝাগ ঝাও, কাৱৈ মাছে মাগুৰ মাছে ভাজি-ভাজি খাওঁ।" সেই কটন কলেজৰ ছেকেণ্ড মেছত উচ্চাৰণ কৰা কথাষাৰ খুৰাই পাৰ্লিয়ামেণ্টেৰি ছেক্ৰেটেৰিৰ আসনৰ পৰা উচ্চাৰণ কৰোঁতে মই পুলকিত হৈছিলো। সেইদিনা তেওঁ সোনকালে অফিছৰ পৰা ওলাইছিল; মোক লগত লৈ প্ৰথমতে বজাৰলৈ গৈছিল; তাত এজোকা শিঙি মাছ কিনিছিল, আৰু ঘৰলৈ গৈয়েই শ্ৰীমতী দলেৰ আগত মাছখিনি থৈ কৈছিল,—"এইখিনি এতিয়া ভাজা। ইয়াক খুৱাব লাগে।"

ললিত দলে খুৰাই কি ৰাজনীতি কৰিছিল, সেইবোৰ বেলেগ কথা; কিন্তু ছেকেণ্ড মেছৰ 'বন্ধু' হিচাপে তেওঁক মই বৰ ভাল পাইছিলো। পাছলৈ সুবিধা নোলাবও পাৰে বুলি ভাবি এতিয়াই তেওঁৰ বিষয়ে এইখিনি কথা কৈ থ'লো।

এই খুৰায়েই থাৰ্ড ইয়েৰৰ ক্লাছ আৰম্ভ হোৱাৰ পাছতে মোৰ আগত ফিল'ছফিৰ গুণ-গান গাবলৈ আৰম্ভ কৰিছিল। এই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ ৰহস্য কি? আমি কোন? তই মোক দেখিছ কাৰণেহে মই আছোঁ, নে মই আছোঁ কাৰণেহে তই মোক দেখিছ?

(খুৰাৰ লগত মোৰ সম্বোধনৰ সম্পৰ্ক প্ৰথমৰে পৰাই তই-তই আছিল।) আমাৰ, এই বিশ্বব্ৰহ্মাণ্ডৰ শেষ ক'ত, কেতিয়া?— খুৰাৰ মতে ওপৰৰ এটা স্তৰত ফিজিক্স আৰু ফিল'ছফি একাকাৰ হৈ যায়গৈ। যদি সেয়ে হয়, তেনেহ'লে চাৰ্জ, পটেনছিয়েল, লেটেণ্ট হিট, গ্ৰেভিটেশ্যনৰ জটিল অংকৰ মাজেৰে গৈ এদিন ফিল'ছফিৰ লগ লগাতকৈ দেখোন এতিয়াৰ পৰাই ভাবৰ সাগৰেদি সাঁতুৰি-সাঁতুৰি গৈ এদিন ফিজিক্সক লগ ধৰাই ভাল!

সেইটো পৰ্যায়ত ছায়ন্স এৰি আৰ্টছ আৰু ফিজিক্সৰ অনাৰ্ছ এৰি ফিল'ছফিৰ অনাৰ্ছ লোৱাটো কলেজ-বিশ্ববিদ্যালয়ৰ নিয়ম-কানুন অনুসৰি সম্ভৱ আছিল নে নাছিল খবৰ ল'বলৈকে নহ'ল; দণ্ডেশ্বৰ গগৈ ছাৰৰ বাক্য দুটাৰ বলতে প্ৰসংগটো তল পৰিল; কিন্তু ললিত খুৰাৰ বক্তৃতাবোৰৰ মৰ্ম গোটেই জীৱনলৈ মনত থাকি গ'ল।

আমি বি. এছ. ছি পঢ়িবলৈ আৰম্ভ কৰাৰ সময়ছোৱাতে দেশখনৰ কাৰণে দুটা গুৰুত্বপূৰ্ণ ঘটনা ঘটিল। ১৯৫০ চনৰ আগষ্ট মাহৰ ছয় তাৰিখে পুৱাই হোষ্টেলত খবৰ ওলাল,—গোপীনাথ বৰদলৈ ঢুকাল। লগে-লগে কাপোৰ-কানি সলাই আমি এদল ল'ৰা তেখেতৰ ঘৰলৈ গ'লো। কোনফালেদি গ'লো, ক'ত আছিল তেখেতৰ ঘৰটো,— সেইবোৰ এতিয়া মনত নপৰে। গোপীনাথ বৰদলৈ জীৱন্ত মানুহজনক মই দেখা নাছিলো। তেখেতক সেইদিনা অন্তিম শয়নতহে দেখিলো। তেতিয়ালৈকে মোৰ যি কৰ্মজীৱন, সেই কৰ্মজীৱনত বৰদলৈ ডাঙৰীয়াৰ মুখামুখি হোৱা বা তেখেতৰ সংস্পৰ্শলৈ অহাৰ কথাই নাছিল; কিন্তু দূৰৰ পৰা দিয়া তেখেতৰ নেতৃত্বত মাত্ৰ এদিন এটা কাম কৰিছিলো বুলি ক'ব পাৰোঁ। স্কুলত থাকোঁতেই এদিন মহেশ চন্দ্ৰ দেৱগোস্বামী ছাৰৰ পিছে-পিছে নগাঁৱৰ আমোলাপটিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে ধনগণি তুলিবলৈ ঘূৰি ফুৰিছিলো। মনত পৰে, মুকুট শৰ্মাইতৰ (পাছলৈ অসমৰ মন্ত্ৰী) ঘৰৰ ওচৰতে থকা গহনা গঢ়া দোকান এখনৰ গৰাকীজনে দেৱগোস্বামী ছাৰৰ হাতত আধলি এটা দিছিল। গোপীনাথ বৰদলৈয়ে সেই ধনগণি তোলা অভিযানৰ গুৰি ধৰিছিল বুলি জানি আমি উদ্বুদ্ধ হৈছিলো। সেই ৬ আগষ্টৰ ৰাতিপুৱা গোপীনাথ বৰদলৈক দেখি উপলব্ধি কৰিব পৰা নাছিলো,— কেনেকুৱা চৰিত্ৰ আৰু গুণৰ অধিকাৰী পুৰুষ এজনে অন্তিমশয্যা গ্ৰহণ কৰিছে। তাৰ পাছত যিমানেই দিন গৈ আছে, সিমানেই তেখেতৰ চৰিত্ৰ আৰু গুণৰ কথা উপলব্ধি কৰি আহি আছোঁ। আজিকালি আটাইতকৈ বেছিকৈ উপলব্ধি কৰিবলৈ লৈছোঁ।

দ্বিতীয়টো ঘটনা ঘটিল তাৰ ন দিনৰ পাছতে। ১৫ আগষ্ট। সন্ধিয়া এপাক ফুৰি পাণবজাৰৰ পৰা হোষ্টেললৈ উভতিছোঁ। নাগপোতা (নাককটা) পুখুৰীৰ পাৰ পাইছোঁহি, এনেতে মূৰৰ ওপৰৰ বিজুলীতাঁৰৰ ইডালৰ গাত সিডাল লাগি ফিৰিঙতি ওলাবলৈ

ধৰিলে। খোজ কাঢ়ি আছিলো কাৰণে প্ৰথমতে কি হৈছে ধৰিব পৰা নাছিলো; কিন্তু অলপ পাছতে গম পালো,—ভূমিকম্প! বৈ দিলো। কেই মুহূৰ্তমানৰ পাছতে বাটৰ কাষতে বহিয়েই দিলো। জোকাৰণি বেছিহে হৈ আহিল! নাগপোতা পুখুৰীৰ পানীয়ে হোলোকনি খাই ৰাস্তাটো বুৰাই পেলালে। এবাৰ পানী ৰাস্তাটোৰ ওপৰেদি সিপাৰৰ ৰয়ছ ষ্ট'ৰছৰ বেৰৰ ওচৰলৈকে যায়, তাৰ পাছত উভতি আহে। আকৌ যায়, আকৌ উভতি আহে। এই পানীৰ কাৰণে আমি থিয় হ'বলৈ বাধ্য হ'লো। ইতিমধ্যে বাটৰ কাষৰ, দোকান-পোহাৰ আদিৰ লাইট নুমাই গৈছিল। আমি জোকাৰণি চলি থকা অৱস্থাতে হোষ্টেললৈ লৰ ল'লো। যেতিয়া হোষ্টেলত সোমালো, তেতিয়া জোকাৰণি বন্ধ হৈছে। কি প্ৰচণ্ড ভূমিকম্প— তাকে আলোচনা কৰি আছোঁ,— আহিল আকৌ এটা জোকাৰণি! এইটো সৰু। আধাঘণ্টামানৰ পাছত আকৌ এটা। সেই ৰাতি আমি কোঠালিৰ দুৱাৰ বন্ধ কৰা নাছিলো। ৰাতিটোৰ ভিতৰত কেইবাবাৰো বাহিৰলৈ ওলাই আহিছিলো। বৰ ডাঙৰ ভূমিকম্প বুলি সেই ৰাতি আমি এক বয়সোচিত উত্তেজনা অনুভৱ কৰিছিলো; কিন্তু প্ৰকৃততে সেই ভূমিকম্পটো কিমান বিপৰ্যয়মূলক, ধ্বংসাত্মক আছিল, সেইটো দিন যোৱাৰ লগে-লগে কাকত-আলোচনী আদিত প্ৰকাশিত তথ্যপাতিৰ পৰাহে উপলব্ধি কৰিছিলো। সেইবোৰ তথ্য এতিয়া বিচাৰিলেই পোৱা যায় আৰু সেইবোৰৰ আলোচনা মোৰ এই লেখাৰ বৃত্তৰ মাজত সুমুৱাৰ প্ৰয়োজনো নাই। কিন্তু ভূমিকম্পটোৰ লগত জড়িত থকা এটা ঘটনাই মোক বিস্মিত কৰিছিল! ভূমিকম্পটো হোৱাৰ কিছুদিনৰ পাছৰ পৰা ব্ৰহ্মপুত্ৰইদি গছৰ টুকুৰা কিছুমান উটি অহা আৰম্ভ হৈছিল, আৰু বহুত দিনলৈ,— এবছৰতকৈও বেছি দিনলৈ,— টুকুৰাবোৰ আহিয়েই আছিল। টুকুৰাবোৰৰ ব্যাস সাধাৰণতে ডেৰ হাতমান আছিল আৰু সেইবোৰ দীঘলে আঠহাতমান আছিল। সেইবোৰৰ ছাল-বাকলি নাছিল; গাটো নিমজ আৰু মুগা বৰণীয়া আছিল। কি শক্তিৰ প্ৰভাৱত একোজোপা প্ৰকাণ্ড গছৰ মূল গাছোৱা (কাণ্ড ছোৱা) তেনেকুৱা টুকুৰালৈ পৰিবৰ্তিত হৈছিল ভাবি আচৰিত হৈছিলো। সাধাৰণ মানুহে সেই টুকুৰাবোৰক কেৰাছিন-কাঠ বুলিছিল আৰু বহু মানুহে বহু দিনলৈ নৈৰ বুকুৰ পৰা সেই কাঠ ধৰি আনি ব্যৱহাৰ কৰিছিল আৰু তাৰ ব্যৱসায়ো কৰিছিল। যিমান দিনলৈ যিমান কেৰাছিন-কাঠ উটি আহি আছিল, সেইবোৰলৈ চাই ধাৰণা হৈছিল,— ক'ৰবাত নিশ্চয় এখন বিৰাট অৰণ্য ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছিল।

এই দুটা ঘটনাৰ পাছতে মোৰ ব্যক্তিগত কলেজীয়া জীৱনলৈ উল্লেখ কৰিবলগীয়া ঘটনা এটা আনিলে কটন কলেজ ষ্টুডেণ্টছ ইউনিয়নৰ বাবে হোৱা নিৰ্বাচনে। যিহেতু মই ছেকেণ্ড ইয়েৰত থাকোঁতেই 'নলিনী কাব্যৰ সুৰ' লিখি প্ৰথম পুৰস্কাৰ পাই থৈছোঁ, আৰু যিহেতু কলেজ আৰু হোষ্টেলৰ নানা ধৰণৰ ক্ৰিয়া-কাণ্ডৰ জৰিয়তে মই অন্ততঃ চুকভেকুলী নহওঁ বুলি প্ৰতিপন্ন কৰি থৈছোঁ, গতিকে কিছুমান বন্ধুৱে সিদ্ধান্ত কৰিলে,—

মই কটনিয়ান নামৰ আলোচনীখনৰ সম্পাদক হোৱাৰ যোগ্য। যেতিয়াই কথাটো মোৰ কাণত পৰিল, তেতিয়াই ময়ো ঠিক কৰিলো,— হয়, মই এই কামৰ বাবে যোগ্য। বিলম্ব নকৰি নামি দিলো নিৰ্বাচনৰ পথাৰত।

সেই বছৰ নিৰ্বাচন cumulative system মতে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰা হৈছিল। সেই পদ্ধতি মতে,— প্ৰতিজন ভোটদাতাৰ ষোলটাকৈ ভোট থাকিব,— কাৰণ ইউনিয়নৰ সদস্যৰ সংখ্যা আছিল ষোল। এজন ভোটদাতাই এজন প্ৰাৰ্থীকে ষোলটা ভোট দি দিব পাৰে, বা এজন প্ৰাৰ্থীক দুটা, অইন এজনক চৈধ্যটা দিব পাৰে, বা এজনক সাতটা,অইন এজনক নটা দিব পাৰে,— মুঠতে তেওঁ তেওঁৰ ইচ্ছা মতে ষোলটা ভোট ব্যৱহাৰ কৰিব পাৰে। প্ৰাৰ্থীসকলৰ কোনে কিমান ভোট পালে, সেই তালিকাখনৰ প্ৰথম ষোলজন হ'ব ইউনিয়নৰ সদস্য। এই ষোলজনৰ ভিতৰত ইউনিয়ন ছেক্ৰেটেৰি কোন হ'ব, কোনে কোনটো বিভাগৰ দায়িত্ব পাব সেইটো ঠিক কৰাৰ এটা সুকীয়া পদ্ধতি আছিল।

ছেকেণ্ড মেছৰ ছাত্ৰসকলৰ ভোটৰ কাৰণে মই চিন্তা কৰিবলগীয়া হোৱা নাছিল; বৰঞ্চ মই যে জিকিব লাগিবই, সেইটোহে বোধকৰোঁ সৰহভাগ ল'ৰাৰে চিন্তা আছিল। কিন্তু অকল আমাৰ মেছৰ ভোটখিনিৰেই মইতো নিজ্জিকিবও পাৰোঁ! গতিকে পাঁচদিনমান গধূলি-গধূলি অইন মেছত 'কেনভাছ'ৰ অভিযান চলিল। নিৰ্বাচনৰ আগদিনা গধূলি গাড়ী এখনত লাউড স্পিকাৰ ফিট কৰি কেইজনমানে হোষ্টেলবোৰৰ ওচৰৰ ৰাস্তাইদি 'প্ৰচাৰ-অভিযান' চলালে। ছাত্ৰীবাৰী আৰু ড. সূৰ্য্যকুমাৰ ভূঞা ছাৰৰ ঘৰৰ ওচৰত থকা ছোৱালী হোষ্টেলটোও সেই অভিযানৰ পৰা বাদ নপৰিল। বন্ধুবৰ্গই মাইক্ৰ'ফোনৰ সমুখত উদাত্তকণ্ঠে উচ্চাৰণ কৰা প্ৰধান বাক্য আছিল সেই একেটাই : "যিজনে যোৱা বছৰ নলিনী কাব্যৰ সুৰ লিখি.....".

এদিন গধূলি নিউ হোষ্টেলত কেনভাছ কৰিবলৈ মোৰ লগত গৈছিল নাৰায়ণপুৰৰ কোষেশ্বৰ। কোষেশ্বৰ শইকীয়া। প্ৰথমতে গৈ আমি যিটো কোঠাত সোমালো, সেই কোঠাত থকা এটা ল'ৰাই মোক ভোট দিবই। তাক লগত লৈ অইনবোৰ কোঠালৈ যাম বুলিহে তাত সোমাইছিলো। দুৱাৰৰ ফালে পিঠি দি টুল এখনত ল'ৰা এটা বহি আছিল। সি বহি থকা অৱস্থাত টুলখনৰ যিখিনি ঠাই দুয়োফালে ওলাই আছিল, তাত ভৰি দুখন দি, কোষেশ্বৰে ল'ৰাটোৰ কান্ধৰ ওপৰত বহি ল'লে; লৈ সুধিলে, "তইঁতৰ হোষ্টেলৰ চল্লিছটা ল'ৰাৰ পূৰা ভোট ভবেনে পোৱাৰ ব্যৱস্থা কৰিবি নে নকৰ?"

ঠিক সেই সময়তে যিটো ল'ৰাই গামোচাৰে ডিঙি-মুখ মচি-মচি কোঠাটোলৈ সোমাই আহিল, সিহে আমাৰ বন্ধুটো। কোষেশ্বৰ যাৰ কান্ধৰ ওপৰত বহি আছে, তেওঁ আমাৰ বন্ধুৰ আলহী। আলহীক বহিবলৈ কৈ আমাৰ বন্ধুৱে হাত-মুখ ধুবলৈ গৈছিল।

কোঠালিটোৰ পৰা ওলাই আহি কোযেশ্বৰক কৈছিলো, "এনেকৈ কেনভাছ কৰি তই মোক ইলেকশ্যনত জিকাবি!"

কোনে কিমান ভোট পালে, সেইখন তালিকাত মোৰ নাম দ্বিতীয় স্থানত আছিল। এতিয়া কটনিয়ানৰ সম্পাদক হোৱা যায় কেনেকৈ? যিজন জেনেৰেল ছেক্রেটেৰি হ'ব, তেওঁৰ ওপৰতে নির্ভৰ কৰিব কোনে কি বিভাগ পাব। জেনেৰেল ছেক্রেটেৰি হ'বলৈ ওলাল দুজন। জীৱন চক্রৱর্তী আৰু প্রবোধ শর্মা। আমি গম পালো,—জীৱন চক্রৱর্তীক সমর্থন কৰিব আঠজনে, প্রবোধ শর্মাক সমর্থন কৰিব ছজনে। সেই ছজনৰ ভিতৰত ময়ো এজন। আমি প্রবোধক ক'লো,— আমাৰ দলটো বঢ়াবলৈ চেষ্টা কৰা। সিপক্ষৰ মেম্বাৰ কেইজনমানক লগ ধৰা। তেওঁ বোলে—নাথিং ডুইং। মই কিয় খাতিৰ কৰিবলৈ যাম? জেনেৰেল ছেক্রেটেৰি হোৱাৰ যোগ্যতা মোৰ কিমান, সেইটো মেম্বাৰবোৰে নাজানে নে কি?

জীৱন চক্রৱর্তী জেনেৰেল ছেক্রেটেৰি হ'ল। তেওঁৰ সমর্থকসকলৰ যেয়ে যি বিভাগ বিচাৰিলে, সেই বিভাগকে পালে। বাকী থকা সাতটা বিভাগ থাকিল প্রবোধ শর্মাৰ পার্টিৰ বাবে। কোনে কোনটো লোৱা লোৱা!

মই ডিবেটিং ছেক্রেটেৰি হ'লো। কটনিয়ানৰ সম্পাদক হ'ল চিদানন্দ বৰুৱা। এদিন ৰাতি ভাত-পানী খাই উঠাৰ পাছত ফার্ষ্ট ব্লকলৈ গৈ চিদা বৰুৱাক বাৰাণ্ডালৈ মাতি আনি দীঘলীয়া বক্তৃতা এটা দিলো। বক্তৃতাৰ সাৰমর্ম ঃ বহুত দিনৰে পৰা সাহিত্যৰ প্রতি মোৰ বৰ আগ্রহ। কটনিয়ানৰ সম্পাদক হৈ নতুন ৰূপৰ কটনিয়ান এখন প্রকাশ কৰাৰ সপোন বহু দিনৰ পৰা দেখি আছিলো। বৰুৱাই যদি কটনিয়ানৰ সম্পাদকৰ বাবটো এৰি দিয়ে, তেনেহ'লে মোৰ সপোন দিঠকত পৰিণত হোৱাৰ সম্ভাৱনা আছে। মোৰ বক্তৃতা মন দি শুনাৰ পাছত বৰুৱাই তেওঁৰ উত্তৰ-বক্তৃতাটো দিলে। সেইটোৰ সাৰমর্ম ঃ বহুত দিনৰে পৰা সাহিত্যৰ প্রতি তেওঁৰ বৰ আগ্রহ। কটনিয়ানৰ সম্পাদক হৈ নতুন ৰূপৰ কটনিয়ান এখন........

বৰ দুখৰ ভাব এটা লৈ নিজৰ কোঠালৈ উভতি আহিছিলো। এনেকুৱা লাগিছিল,— পাছৰ বছৰত আকৌ ইলেকশ্যনত উঠিম; কটনিয়ানৰ সম্পাদক হৈহে এৰিম। পিছে সময়ে সেই উষ্মা আঁতৰাই লৈ গ'ল। আনন্দৰে স্মৰণ কৰিব পৰা দুখ অকণমান অৱশ্যে থাকি গ'ল।

প্রবোধ শর্মা মিউজিক ছেক্রেটেৰি হ'ল। মোৰ হিচাপত তেওঁ ঠিক ঠাইতে পৰিল। আমাৰ মেছৰে ৰঞ্জিত বৰুৱা ক্রিকেট ছেক্রেটেৰি হ'ল। প্রসংগক্রমে ঃ প্রবোধ শর্মাই অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ মুখ্য অভিযন্তা আৰু সদস্য পদৰ পৰা অৱসৰ গ্রহণ কৰিছে। চিদানন্দ বৰুৱা ডিফুৰ উপায়ুক্ত, আৰু ৰঞ্জিত বৰুৱা ফার্টিকেমৰ সঞ্চালক

পৰিচালক হোৱালৈকে জানো। আমাৰ ইউনিয়নখনৰ বাকী সদস্যসকলৰ লগত পাছলৈ যোগাযোগ নোহোৱা হ'ল।

ডিবেটিং ছেক্রেটেৰি হিচাপে ধৰা-বন্ধা যিখিনি কাম কৰিব লাগে, তাতকৈ বেছি একো কৰিব নোৱাৰিলো। 'কলেজ-সপ্তাহ'ৰ লগত যিখন বছৰেকীয়া তর্ক প্রতিযোগিতা পাতিছিলো, তালৈ অধ্যক্ষ হিচাপে নিমন্ত্রণ কৰি আনিছিলো হেম বৰুৱা ছাৰক (শিক্ষক, লেখক, পাছলৈ লোকসভাৰ সদস্য)। সেই উপলক্ষেই তেখেতৰ লগত মোৰ প্রথম চিনাকি হৈছিল। ইউনিয়নৰ ফালৰ পৰাও সেই বছৰটোত কলেজৰ কিছুমান অভাৱ-অভিযোগৰ বিষয়ে শ্বিলঙত মুখ্যমন্ত্রী বিষ্ণুৰাম মেধিক লগ ধৰি এখন স্মাৰকপত্র দিয়াৰ নিচিনা 'ৰুটিন' কামৰ বাহিৰে বিশেষ কিবা ঐতিহাসিক গুৰুত্ব থকা কাম কৰাৰ কথা মনত নপৰে। তথাপি, ইউনিয়নৰ মেম্বাৰ হ'লে ৰুটিন কাম কিছুমানকেতো কৰি থাকিবলগীয়া হয়। সেইবোৰে জানো পঢ়া-শুনাৰ সময় বা মনৰ একাগ্রতাক টনাটনি নকৰে? নিশ্চয় কৰে। কিছুদিনৰ ভিতৰতে হাতে-হাতে তাৰ প্রমাণ পালো।

ক্লাছ কিছুদিন চলাৰ পাছত আমি তিনিমহীয়া-ছমহীয়া পৰীক্ষাৰ নিচিনা পৰীক্ষা এটা দিছিলো। অনার্ছৰ পৰীক্ষাত মই নম্বৰ বৰ কম পালো। হিৰণ্য ভূঞা ছাৰে (ড হিৰণ্যচন্দ্র ভূঞা) আমাক Optics অর্থাৎ পোহৰবিজ্ঞান পঢ়াইছিল। তেখেতে বাঁওহাতে কাগজ অলপমান আৰু সোঁহাতে চকমাটি এটুকুৰা লৈ লাহে লাহে ইফালৰ পৰা সিফাললৈ অহা-যোৱা কৰি কথা কৈ থাকিছিল, আৰু মাজে-মাজে মেজখনৰ এচুকত আধা-বহাৰ নিচিনা কৰিছিল। তেনেকৈ অহা-যোৱা কৰি থাকোঁতে এদিন তেখেতে হঠাতে পোহৰৰ কথা এৰি, হাতৰ কাগজখিনিৰ ফালে চাই শব্দ এটা উচ্চাৰণ কৰিলে, "ভবেন্দ্র নাথ!" অকল মই কিয়, ক্লাছৰ সকলো ল'ৰা-ছোৱালীয়ে চমক খালে : হঠাতে এইটো কি শব্দ? কেইমুহূর্তমানৰ পাছত মই নিশ্চিত হ'লো,— ছাৰে মোকেই মাতিছে। থিয় হ'লো। ছাৰে সুধিলে, "তুমি অনার্ছ ৰাখিব খোজা নে?" মই ক'লো, "খোজোঁ ছাৰ।" ছাৰে খোজ কাঢ়ি-কাঢ়ি পঢ়াবলৈ আৰম্ভ কৰিলে। অলপ পাছত হঠাতে তেখেতে আকৌ সুধিলে, "ভবেন্দ্র নাথ, তুমি এতিয়াও অনার্ছ ৰাখিব খোজা নে?" অলপ পাছত ছাৰে তৃতীয়বাৰ কথাটো সুধিলে। সেইবাৰ 'এতিয়াও' শব্দটোৰ ওপৰত তেখেতে আৰু জোৰ দিলে। মই সেইবাৰো "খোজোঁ ছাৰ" বুলি ক'লো; কিন্তু প্রথমবাৰ তেখেতে কথাটো সোধোঁতে মই যে কথাটোত এটা পাতল ভাব সোমাই আছে বুলি ভাবিছিলো, সেই ভাবটো মোৰ মনৰ পৰা নাইকিয়া হৈ গ'ল। বুজিলো, "ভবেন্দ্র নাথ" বোলোঁতে তেখেতৰ কণ্ঠত যি নাটকীয়তাই ঠাই পাইছিল, মূল বক্তব্যৰ মাজত সেই নাটকীয়তা সমূলঞ্চে নাছিল। তেখেত কিমান ছিৰিয়াছ আছিল, সেই কথাৰ প্রমাণ সেইদিনাই পালো। তেখেতে মোৰ এটা লিখা-পৰীক্ষা ল'ব বুলি ক'লে। সেই পৰীক্ষা পাছ কৰিব পাৰিলেহে মই অনার্ছ

ৰাখিব পাৰিম, নহ'লে নোৱাৰিম। এসপ্তাহৰ পাছত লিখা-পৰীক্ষাটো দিছিলো। সেইটো পৰীক্ষাৰ ফলাফল চোৱাৰ পাছত ভূঞা ছাৰে মোক আৰু একো কোৱা নাছিল; কিন্তু সেই গোটেই ঘটনাটো মোৰ কাৰণে এটা প্ৰচণ্ড জোকাৰণিৰ নিচিনা আছিল। মোৰ শিক্ষা-জীৱন আৰু চাকৰি-জীৱনৰ কিছুমান গুৰুত্বপূৰ্ণ সময়ৰ লগত ভূঞা ছাৰৰ প্ৰত্যক্ষ সম্পৰ্ক আছে। উক্ত জোকাৰণিৰ সময়খিনি সেই সময়বোৰৰ তালিকাখনৰ আৰম্ভণি বুলিব পাৰি। সেই পৰীক্ষাটো লৈ ছাৰে মোৰ বৰ উপকাৰ কৰিলে। দুটা বছৰ কলেজখনত কটোৱাৰ পাছত তৃতীয় বছৰত ছাত্ৰসকল বহুত দিশত অভিজ্ঞ হয়, 'পকা' হয়; তেওঁলোক এচাম ছাত্ৰৰ মানত জুনিয়ৰ হ'লেও দুচাম ছাত্ৰৰ মানত ছিনিয়ৰ হয়; ডিগ্ৰি ফাইনেল পৰীক্ষালৈ বহুত দিন থাকে কাৰণে তেওঁলোকৰ ওপৰত পঢ়া-শুনাৰ হেঁচাটোও কম হৈ থাকে। এইবোৰ কাৰণতে তৃতীয় বছৰৰ সময়খিনিকেই কলেজীয়া জীৱনৰ আটাইতকৈ 'ভাল' সময় বুলি ধৰা হয়। সেইকাৰণেই 'ইউনিয়ন' সম্পৰ্কীয় কামো থাৰ্ড ইয়েৰৰ ল'ৰা-ছোৱালীৰ ভাগতে পৰে। কথাবোৰ ঠিকেই। কিন্তু এই ভাল, মুকলি সময়, বয়সৰ অৱস্থা, নতুন-নতুন বন্ধু-বান্ধৱ, অভিযানৰ আকাংক্ষা, ইউনিয়নৰ মেম্বাৰ হোৱা ইত্যাদি-ইত্যাদি ঘটনাই জীৱনটোক নিশ্চয় এটা গতি দিয়ে; পিছে গতি যিমান প্ৰয়োজনীয় বস্তু, সেই গতিৰ দিশো সিমানে প্ৰয়োজনীয় বস্তু। ভূঞা ছাৰে কোৱা কথা আৰু তেখেতে লোৱা পৰীক্ষাটোৱে মোৰ গতিক এটা দিশ দিলে।

কিন্তু গতি আৰু দিশ ঠিকে ৰাখিও মনটোক কলেজীয়া জীৱনৰ সম্পদেৰে পৰিপুষ্ট কৰি তুলিবলৈ আমাৰ চাৰিওফালে বহু উপাদান আছিল। কীৰ্তনঘৰ ৰোডৰ আমাৰ চুবুৰিটোৰ নামঘৰৰ ওচৰৰ খেজুৰ, বেল, অমৰা গছ আৰু নাদটো থকা ঠাইডোখৰ যেনেকৈ মোৰ সৰু কালৰ 'সাংস্কৃতিক কেন্দ্ৰ' আছিল, ছেকেণ্ড মেছত তেনেকৈ কৰিড'ৰত থকা টেবল টেনিছৰ ব'ৰ্ডখনক-মই আমাৰ সাংস্কৃতিক মঞ্চ বুলি জ্ঞান কৰিছিলো। তেতিয়া আমাৰ মেছৰ পৰা যোগেশ দাস গ'ল, চন্দ্ৰ প্ৰসাদ শইকীয়া গ'ল, শৈল গগৈ, কুল গগৈ গ'ল, আহিল হোমেন বৰগোহাঞি, বীৰেন্দ্ৰ নাথ দত্ত। টেবল টেনিছৰ ব'ৰ্ডৰ ওচৰত আমি চুচুক-চামাক কৰাৰ দিন গ'ল। বৰঞ্চ ক'ব পাৰি,—ব'ৰ্ডখন আমাৰ দখললৈ আহিল। মেছৰ কমনৰুমটো আমাৰ কাৰণে নামতহে আছিল; আলাপ-আলোচনা, তৰ্ক-বিতৰ্ক, গান-বাজনা আদিৰ অনুষ্ঠান আমি টেবল টেনিছৰ ব'ৰ্ডখনতে সম্পন্ন কৰিছিলো। ৰঞ্জিত বৰুৱাৰ কাৰণে ব'ৰ্ডখন আছিল উৎকৃষ্ট ডাইনা-ডুগি। কিন্তু সেই মুকলি মঞ্চত শেহতীয়া হিন্দী ফিল্মৰ গানহে পৰিবেশন কৰা হৈছিল। বীৰেন দত্তৰ গান শুনিবলৈ আমি কোঠালিৰ ভিতৰলৈ যাব লগা হৈছিল। কিন্তু কৰ্তৃপক্ষই ব'ৰ্ডখন যি উদ্দেশ্যে হোষ্টেলক দিছিল, সেই উদ্দেশ্যও সম্পূৰ্ণৰূপে ৰক্ষা কৰা হৈছিল। অকল আমাৰ মেছতে নহয়, সকলো মেছতে,—ছুডমাৰ্ছন হলতো,— সেই সময়ত টেবল

টেনিছ খেলৰ অনুকূলে এটা উৎসাহজনক পৰিবেশ বিৰাজ কৰিছিল। বৰ্তমানৰ অসমৰ ক্ৰীড়াক্ষেত্ৰৰ নেতৃস্থানীয় ব্যক্তি ফণী শৰ্মা, দুলু সেনাপতি, দুলাল দত্ত আৰু স্বৰ্গীয় দেবেন শৰ্মা আদি সেই সময়ৰ ভাল টেবল টেনিছ খেলুৱৈ আছিল। (দেবেন শৰ্মাই পাছলৈ আধুনিক গীত আৰু ভজন গায়ক হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল, আৰু অকালতে মৃত্যু বৰণ কৰিছিল।) টেবল টেনিছৰ আজিৰ যি ক্ৰীড়াশৈলী, তেতিয়া সেই শৈলীৰ আদিপাঠহে আৰম্ভ হৈছিল বুলিব পাৰি। আমাৰ মেছত ডালিম গগৈ, বীৰেন গগৈ, ৰঞ্জিত বৰুৱা আদিক আমি আগশাৰীৰ খেলুৱৈৰ আসন দিছিলো; আৰু আমি কিছুমানে 'টুকটাক' খেলুৱৈ হিচাপে স্বীকৃতি লাভ কৰিছিলো। তেতিয়াৰ দিনৰ সঠিক ষ্টাইলৰ খেলেই হওক, 'টুকটাক' খেলেই হওক, উল্লেখযোগ্য কথাটো আছিল,— কলেজখনৰ কোনো ঠাইৰে কোনো ব'ৰ্ড পাছবেলা অব্যৱহৃত হৈ নাছিল।

এই যে বীৰেন গগৈৰ কথা ক'লো, এখেতৰ সূত্ৰ ধৰি এতিয়াই কিছু কথা কৈ থ'বলৈ মন গৈছে। বীৰেন গগৈ, কুল গগৈ, ৰাম গগৈ, লক্ষ্মণ গগৈ আৰু গোলোক গগৈ,— এই পাঁচোজন ভাই-ককাই আমাৰ হোষ্টেলৰ বাসিন্দা আছিল। আগতেই কৈছোঁ,— কুল গগৈয়ে গল্প লিখিছিল। ৰাম গগৈ আৰু লক্ষ্মণ গগৈ যঁজা আছিল। দুয়োৰে চেহেৰা ইমান একে আছিল যে এজনে চাহৰ দোকানত বাকী খালে দোকানীয়ে পাছত ইজনক পইচা সাধিছিল। এইটো কথা মই কল্পনা বা অতিৰঞ্জিত কৰি কোৱা নাই। তেনেকুৱা ঘটনা সঁচাকৈয়ে ঘটিছিল।

ৰাম গগৈয়ে পাছলৈ কবি হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। তেখেতক মই শেষবাৰলৈ লগ পোৱা ঘটনাটো মোৰ কাৰণে স্মৰণীয়। তেতিয়া মই গুৱাহাটী বিশ্ববিদ্যালয়ত চাকৰি কৰোঁ। ৯২ নম্বৰ ঘৰত থাকোঁ। এদিন পুৱাবেলা, আঠমান বজাত গগৈ আমাৰ ঘৰ ওলালহি। কিমান দিনৰ মূৰত দেখাদেখি,— মনত নপৰে। কলেজ এৰাৰ পাছত সেয়াই প্ৰথম দেখাদেখি নে কি। ক'ৰ পৰা আহিল গগৈদেউ? কি খবৰ? গগৈয়ে কেইটামান প্ৰাথমিক কথাৰে পাছত আচল কথাটো উলিয়ালে। তেখেতে উজনি অসমৰ এখন স্কুলত চাকৰি কৰিছিল। এতিয়া তেখেত সেই চাকৰিত নাই। কিন্তু চাকৰি এটাৰ তেখেতৰ বৰ প্ৰয়োজন হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ মডেল স্কুলৰ বাবে শিক্ষক লাগে বুলি বিজ্ঞাপন দিয়া হৈছিল। গগৈয়ে সেই চাকৰিৰ বাবে দৰখাস্ত কৰিছিল। কৰ্তৃপক্ষই তেখেতক ইণ্টাৰভিউলৈ মাতিছে। ইণ্টাৰভিউ আজি। গগৈয়ে জনা মতে সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিষয়া কেইগৰাকীৰ লগত মোৰ সম্পৰ্ক ভাল। গতিকে মই যদি তেখেতসকলক গগৈৰ হকে দুআষাৰ কৈ দিওঁ, তেনেহ'লে তেখেতৰ উপকাৰ কৰা হয়।

মই অলপ সময় মনে-মনে থাকিলো। মোৰ পৰিবাৰ প্ৰীতিয়েও সেই চাকৰিটোৰ কাৰণে দৰখাস্ত কৰিছে। ইণ্টাৰভিউলৈ মতা চিঠিখন পোৱা দিনৰে পৰা আজি পুৱা

অলপ আগলৈকে,—আমি দুয়ো ইণ্টাৰভিউত ব'ৰ্ডৰ সদস্যসকলে কি-কি সুধিব পাৰে, কোনটো প্ৰশ্নৰ উত্তৰ কি হ'লে ভাল আৰু শুদ্ধ হ'ব, সেইবোৰকে মাজে-মাজে আলোচনা কৰি আছিলো। এম. এ. পাছ কৰা প্ৰাৰ্থী,— তেওঁ চাকৰিটো পায়ো যাব পাৰে। কিন্তু এই পৃথিৱীত অন্ততঃ এজনতো মানুহ আছে,— যিজনে বিশ্বাস কৰে যে সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত মোৰ ভাল সম্পৰ্ক আছে, আৰু মই এজন প্ৰাৰ্থীৰ হৈ দুআষাৰ কৈ দিলে তেওঁ চাকৰিটো পাই যাব পাৰে! তদুপৰি,— তাতকৈ ডাঙৰ কথাটো হ'ল,— এটা পৰিয়ালৰ মূল মানুহ হিচাপে গগৈৰ চাকৰিটোৰ যিমান প্ৰয়োজন বুলি তেখেতৰ মুখৰ পৰাই গম পালো, তাৰ তুলনাত প্ৰীতিৰ প্ৰয়োজন বৰ কম।

অতি কম সময়ৰ ভিতৰতে এইখিনি কথা ভাবি লৈ মই গগৈক ক'লো,—"গগৈদেউ, মই কাৰোবাক দুআষাৰ কৈ দিলে আপোনাৰ কিবা লাভ হ'ব নে নহয়, সেইটো মই ক'ব নোৱাৰোঁ। কিন্তু মই এটা সহায় আপোনাক কৰিব পাৰোঁ। মোৰ পৰিবাৰো সেই চাকৰিটোৰ প্ৰাৰ্থী। তেৱোঁ ইণ্টাৰভিউ আছে কাৰণে আজি অইন দিনাতকৈ আগেয়ে গা-পা ধুই সাজু হৈছে। মই আপোনাক কথা দিলো,— তেওঁ আজি ইণ্টাৰভিউ দিবলৈ নাযায়।"

চাকৰিটো ৰাম গগৈয়ে পোৱা নাছিল। তথাপি, তেখেতৰ লগত শেষবাৰলৈ দেখা হওঁতে মই তেখেতক এক ধৰণে সহায় কৰিব পাৰিছিলো বুলি তৃপ্তি অনুভৱ কৰোঁ। ১৯৯৪ চনত ৰাম গগৈৰ মৃত্যু হয়। মোৰ কাৰণে সেই মৃত্যু অভাৱনীয় আছিল।

এনেকৈয়ে, কটন কলেজ বা হোষ্টেলৰ সমাজখনৰ একোটা চৰিত্ৰই যে জীৱনৰ বাটৰ বিভিন্ন ঠাইত মুখামুখি হৈ আনন্দ, বিষাদ, গৌৰৱ আদিৰ অনুভূতি জগায়, সেই ঘটনাবোৰৰ কাৰণে মোৰ সেই সমাজখনৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ মন যায়। কোনবোৰ ঘটনা মোৰ কাৰণে আপোন হৈ পৰে, সেইটো নিশ্চয় মোৰ মানসিক গাঁথনিৰ ওপৰতে নিৰ্ভৰ কৰে। উদাহৰণ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম সমাবৰ্তন দীঘলীপুখুৰী পাৰৰ আইন কলেজ চৌহদত বেছ আড়ম্বৰেৰে পতা হৈছিল। সেই সমাবৰ্তনলৈ ড. সৰ্বপল্লী ৰাধাকৃষ্ণন মুখ্য অতিথি হিচাপে আহিছিল। তেখেতক সেইবাৰেই প্ৰথম দেখিলো। সেইটো স্মৰণ কৰিবলগীয়া কথা। কিন্তু সেই পণ্ডিতজনে তেখেতৰ ভাষণত কি ক'লে, উপাচাৰ্য সন্দিকৈ ডাঙৰীয়াই কি ক'লে, সেইবোৰ একো মনত নোসোমাল। কিন্তু অভিবৰ্তন অনুষ্ঠানৰ সময়ত মই মণ্ডপৰ ভিতৰতে আছিলো। কেনেকৈ থাকিবলৈ পালো? ভলণ্টিয়াৰ কাৰণে। মইনো কি কাম কৰিছিলো? ধুনীয়াকৈ সজোৱা মঞ্চখনৰ পিছফালে আঁৰি থোৱা ক'লা কাপোৰখনত যে ৰূপালী ৰঙেৰে বৰ ডাঙৰকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতীকচিহ্নটো আঁকা আছিল, সেইটো অঁকাৰ কাম কৰিছিলো। শশ ৰায়বৰুৱাই নগেন গোস্বামী (এখেতে অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা বিভাগৰ ডাইৰেক্টৰ

পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছে) আৰু মোক সেইটো কামত লগাইছিল। গতিকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্ত্তনৰ কথা মনত পৰিলে এতিয়া মোৰ তৎক্ষণাৎ চকুৰ আগলৈ আহে সেই শশ ৰায়বৰুৱা নামৰ মানুহজন। চিত্ৰাংকন বিদ্যা চৰ্চা কৰা শশ ৰায়বৰুৱা সেই সময়ৰ কটন কলেজৰ সকলোৱে চিনি পোৱা, আমোদজনক চৰিত্ৰৰ ছাত্ৰ আছিল। পাছত শুনিছিলো, শশ ৰায়বৰুৱা আছিল অসমবাণী নামৰ সাপ্তাহিক কাকতখনৰ গুৰি ধৰোঁতাসকলৰ এজন, আৰু তেখেতেই আছিল কাকতখনৰ জনপ্ৰিয় 'মোমাইদেউ'। তাৰ পাছত—নাই, নাই,—শশ ৰায়বৰুৱাৰ নামেই নুশুনো। ক'লৈ গ'ল? বহুত দিনৰ মূৰত শুনিলো,—তেখেতে অৰুণাচলত চাকৰি কৰে। আকৌ বহুত দিনৰ মূৰত বাতৰিকাকতত পঢ়িলো— শশ ৰায়বৰুৱা ঢুকাল। ক'ৰ মানুহ, কেনেকৈ, ক'ত যে হেৰাই যায়, ভাবিলে মনটো গধুৰ-গধুৰ লাগে।

অন্য এটা উদাহৰণঃ ১৯৫১ চন। কটন কলেজৰ সোণালী জয়ন্তী উৎসৱ। নোবেল বঁটা বিজয়ী বিজ্ঞানী ছাৰ চন্দ্ৰশেখৰ ভেংকট ৰমন আহিছে মুখ্য অতিথি হিচাপে। কলেজৰ অধ্যক্ষৰ বাসভৱনৰ বাহিৰৰ মুকলি ঠাইত সজা মঞ্চত অধ্যাপক ৰমনে বক্তৃতা দিছে। দূৰৰ পৰা ডিঙি মেলি মানুহগৰাকীক চাই লৰালৰিকৈ নিজৰ কামলৈ উভতিলো। কি কাম? প্ৰদৰ্শনীৰ ভলণ্টিয়াৰৰ কাম। মোৰ ভাগত পৰা কামটো আছিল ট্ৰাম গাড়ী চলাই দেখুউৱা। ফিজিক্স গেলেৰিৰ বাৰাণ্ডাত দীঘলকৈ ট্ৰামৰ লাইন বহুউৱা হৈছে; লাইনৰ মাজত এখন সৰু ট্ৰামগাড়ী; মই চুইছ এটা টিপি দিওঁ; গাড়ীখন ইমূৰৰ পৰা সিমূৰলৈ চলি যায়; অইন এটা চুইছ টিপি দিওঁ,— গাড়ীখন সিমূৰৰ পৰা ইমূৰলৈ উভতি আহে। মাজে-মাজে অনুসন্ধিৎসু দৰ্শকক বুজাওঁ,— ইয়াৰ ভিতৰত এটা ইলেকট্ৰিক মটৰ.....। সেই সোণালী জয়ন্তী প্ৰদৰ্শনীৰ ভালেমান দিনৰ পাছত আমি ফিজিক্সৰ অনাৰ্ছৰ ল'ৰা-ছোৱালীখিনি scientific excursion-অৰ নামত কলিকতালৈ গৈছিলো। মোৰ সেয়ে কলিকতালৈ প্ৰথম যোৱা। প্ৰথমবাৰৰ বাবে ট্ৰামগাড়ীত বহোঁতে মোৰ বাৰে-বাৰে সেই প্ৰদৰ্শনীৰ ট্ৰামগাড়ীৰ কথা মনত পৰিছিল।— ইয়াত জন্ম হৈয়েই মানুহ সঁচাসঁচি ট্ৰামত উঠে, আৰু আমি এতিয়াও প্ৰদৰ্শনীত ট্ৰামগাড়ীৰ পুতলা দেখুৱাই থাকোঁ!

আমোদজনক কথা,—কটন কলেজৰ সোণালী জয়ন্তী উৎসৱৰ কথা মনত পেলালে সেই ট্ৰামগাড়ীৰ পুতলা আৰু কলিকতাত প্ৰথম ট্ৰামগাড়ীত উঠাৰ কথাহে আগে-ভাগে মোৰ মনলৈ আহে।

মূঠৰ ওপৰত অলপ আগতে কোৱা কথা এবাৰ আকৌ দোহাৰোঁ,—কোনবোৰ ঘটনা মোৰ কাৰণে আপোন হৈ পৰে, সেইটো নিশ্চয় মোৰ মানসিক গাঁথনিৰ ওপৰতে

নির্ভৰ কৰে। কাৰোবাৰ কাৰণে নধৰ্তব্য, তুচ্ছ যেন লগা ঘটনা একোটা মোৰ মনৰ পৰা আঁতৰি যাবই নোখোজে; আনহাতে বহুতে ডাঙৰ ঘটনা বুলি ভবা একোটা ঘটনা মোৰ সচৰাচৰ ঘটি থকা 'ৰুটিন' ঘটনা যেন লাগে। আজিকালি ভাবোঁ, তেতিয়াৰ দিনত নির্দোষ আনন্দ দিব পৰা সাধাৰণ ঘটনাবোৰ মোৰ কাৰণে আকৰ্ষণীয় আছিল। সেইবোৰে এতিয়াও মোক অনন্দ দিয়ে। আমাতকৈ এক শ্ৰেণী ওপৰত পঢ়া, ছেকেণ্ড মেছৰে বাসিন্দা ইন্দু হাজৰিকা আছিল ওখ-পাখ, সুন্দৰ স্বাস্থ্য আৰু চেহেৰাৰ অধিকাৰী। তেওঁৰ গাৰ ৰংটোও আছিল আকৰ্ষণীয়;—ৰঙচুৱা বগা। বহল বুকু, সুঠাম বাহুৰে পালোৱান যেন লগা হাজৰিকাই ঘাইকৈ ফুটবল খেলি সুনাম অর্জন কৰিছিল। এদিন ৰাতি ভাত-পানী খাই উঠাৰ পাছত দেখোঁ, ছেকেণ্ড ব্লকৰ চাৰিওকাষে থকা বাৰাণ্ডাখনেদি মহেন্দ্ৰ শৰ্মাই দুপদুপকৈ দৌৰিছে, পিছে-পিছে ইন্দু হাজৰিকা। ঘটনাটো কি? হাজৰিকাৰ মুখৰ ভাবৰ পৰা বুজি পালো,— ঘটনাটো 'ছিৰিয়াছ ধৰণৰ ধেমালি'ৰ পৰ্যায়ৰ। তেওঁ মহেন্দ্ৰ শৰ্মাক তাৰ (শৰ্মাৰ) কৃতকৰ্মৰ কাৰণে আজি এশিকনি দিব। ফুটবল খেলুৱৈ ইন্দু হাজৰিকাৰ পৰা মহেন্দ্ৰ শৰ্মাই দৌৰি সাৰিব পাৰিব? অলপ পাছতে ধৰিলে হাজৰিকাই তাক গবা মাৰি। লাগিল দৰৰা-দৰৰি। অলপ পাছত হঠাতে মহেন্দ্ৰ শৰ্মাই বাৰাণ্ডাৰ পকা মজিয়াত লেপেটা কাঢ়ি বহি দিলে। লগে-লগে তাৰ মুখৰ মাতো নাইকিয়া হ'ল। হাজৰিকাই তেতিয়াও তাক টনা-আঁজোৰা কৰিয়েই আছিল; কিন্তু অলপ পাছতে তেৰোঁ বুজিলে,— বেলেগ ধৰণৰ কিবা এটা হৈছে। কি হৈছে? ঘটনাস্থলীত উপস্থিত হোৱা আমি সকলোৱে সুধিলো,— কি হ'ল মহেন্দ্ৰ? মহেন্দ্ৰই নামাতে। আমি সোধোঁহে সোধোঁ, সি নিমাত। অলপ পাছত সি হাতৰ অংগী-ভংগীৰে বুজালে,—তাক কাগজ-কলম লাগে। লৰালৰিকৈ ওচৰৰ কোঠালি এটাৰ পৰা কাগজ-কলম আনি দিলো। সি কাগজত লিখি দিলে,— তাৰ লগুণডাল ছিগি গ'ল। গতিকে সি কথাও ক'ব নোৱাৰে, লৰচৰো কৰিব নোৱাৰে। এইটোতো মহা মস্কিলৰ কথা হ'ল! সি এতিয়া বাৰাণ্ডাত নিবোকা হৈ লেপেটা কাঢ়ি বহিয়েই থাকিব নে কি? অলপ পাছত সি আকৌ লিখি দিলে,— কাৰোবাৰ লগুণৰ পৰা যদি এগুণ খুলি আনিব পৰা যায়, তেনেহ'লে সেই গুণ পিন্ধি সি সদ্যহতে উঠিবও পাৰিব, কথা ক'বও পাৰিব। আমি লগালো বিচাৰ-খোচাৰ। কোনে দিব নিজৰ লগুণৰ পৰা এগুণ খুলি? গাত লগুণ থকা ল'ৰা আছে কেইবাজনো; কিন্তু এই এগুণ খুলি দিয়া কাণ্ডটো সম্পৰ্কে তেওঁলোকৰ কোনো জ্ঞান নাই, আৰু এই ৰাতিখন সেইবোৰ কৰিবলৈ তেওঁলোকে ভয়ো কৰিলে। আমি ছেকেণ্ড মেছ এৰি থাৰ্ড মেছ পালোগৈ। শেষত ৰমা বেজবৰুৱাই মহেন্দ্ৰক উদ্ধাৰ কৰিবলৈ সন্মত হ'ল। তেওঁ খুলি দিয়া গুণডাল দুয়োহাতৰ আঙুলিত এটা বিশেষ ধৰণে মেৰিয়াই মহেন্দ্ৰই কিছু সময় জপ কৰিলে; তাৰ পাছত লাহেকৈ উঠি, বৰ গম্ভীৰ খোজেৰে, মুখেৰে

একো শব্দ নকৰাকৈ নিজৰ কোঠালৈ গুচি গ'ল। ইন্দু হাজৰিকাৰ লগৰ ল'ৰাইঁতে তেওঁক ককৰ্থনা কৰিলে,— এই ৰাতিখন সেই কাণ্ডটো কৰি ইমানবোৰ ল'ৰাক তেওঁ কষ্ট কিয় দিব? হাজৰিকাই কিন্তু কোনোমতেই দোষটো গাত পাতি নল'লে। তেওঁৰ এক কথা,— মহেন্দ্ৰই নিজে নিজৰ লগুণ ছিঙিছে; তেওঁৰ হাত লগুণত লগাই নাছিল।

শেষবাৰৰ বাবে যাদবপুৰ ইঞ্জিনিয়াৰিং কলেজত পঢ়ি থকা অৱস্থাত হাজৰিকাক লগ পাইছিলো। তাৰ পাছত আমি গ'লো এফালে, তেওঁ গ'ল এফালে। বহুত বছৰৰ মূৰত ইন্দু হাজৰিকাৰ নামত হোৱা ফুটবল প্ৰতিযোগিতাখনৰ পৰা গম পাইছিলো,— সেই ওখ-পাখ, বহল বুকুৰ পালোৱানহেন মানুহজন এই পৃথিৱীৰ পৰাই গুচি গ'ল। এবছৰমানৰ আগতে দিল্লীৰ অসম ভৱনত এজনী ছোৱালীয়ে মোৰ পৰিবাৰক এটা কামত সহায় কৰি দিছিল। পৰিচয় লৈ জানিছিলো,— তেওঁ ইন্দু হাজৰিকাৰ জীয়েক। ছোৱালীজনীৰ লগত কথা পাতি থাকোঁতে ছেকেণ্ড মেছৰ ইন্দু হাজৰিকাৰ চেহেৰা, খোজ-কাটল, কথা কোৱাৰ ভংগী সকলো চকুৰ আগত ভাহি উঠিছিল।

এই যে মহেন্দ্ৰ শৰ্মা,—, মানুহ এনেয়ে তাৰ পিছত লাগিছিল নে? নালাগিছিল। সিও কম নাছিল। এদিন আবেলি, হোষ্টেল প্ৰায় খালী; ল'ৰাইঁত ফুৰিবলৈ গৈছে। মই নিজৰ কোঠালিত কিবা কাম কৰি আছোঁ। হঠাতে উত্তেজিত মহেন্দ্ৰ কোঠালিটোত সোমালহি— "তই কিন্তু বাধা নিদিবি ভৱেন। মই আজি ডাঙৰ কাম কৰিম। প্ৰিয় গগৈক হত্যা কৰিম।" কথাখিনি কৈয়েই সি যি বেগেৰে আহিছিল, সেই বেগেৰেই ওলাই গ'ল। হত্যা? ময়ো ওলাই গৈ মহেন্দ্ৰৰ কোঠালি পালোগৈ। দেখোঁ,— সি কঁকালত টানকৈ গামোচা এখন বান্ধি, তাৰ ব্যক্তিগত সম্পত্তি নেপালী 'খুকুৰি'খন তাত খুঁচি লৈছে। ডবল লেংটি মাৰি পিন্ধা চুৰিয়া, গাত দীঘল হাতৰ গেঞ্জি, কঁকালত টঙালি আৰু তাত খুকুৰি! হত্যাকাৰীৰ কষ্টিউম-মেকআপ কমপ্লিট! মোক দেখিবলৈহে পালে, লগে-লগে সি ক'লে, "তই মোক নধৰিবি কিন্তু।" নধৰোঁ বাৰু; কিন্তু কথাটো কি? কথাটো হ'ল, পাগঘৰৰ ওচৰত, তাতকৈ দুবছৰৰ জুনিয়ৰ প্ৰিয় গগৈয়ে তাক অপমান কৰিলে। ইমানেই তীব্ৰ সেই অপমান যে হত্যাহে তাৰ একমাত্ৰ উপযুক্ত প্ৰত্যুত্তৰ। গতিকেই, মই তাক বাধা দিব নালাগে। কিন্তু সিও জানে আৰু ময়ো জানো যে মোৰ নিচিনা তিনিটামানেও তাৰ নিচিনা গাঠলু, শক্তিমান ল'ৰা এটাক ধৰি ৰাখিব নোৱাৰে,— যদি সঁচাকৈয়ে হত্যা কৰাৰ বাসনাৰে উন্মত্ত হৈ উঠে। তথাপি মই তাক আগভেটি ধৰি আকুল কণ্ঠেৰে ক'লো,— "মহেন্দ্ৰ, এনেকুৱা নকৰিবি ভাই। হোষ্টেলত এতিয়া কোনো নাই। সকলো আহক। ইয়াৰ বিচাৰ হ'ব। প্ৰিয় গগৈয়ে শাস্তি পাবই লাগিব। কিন্তু তই যদি এতিয়া তেওঁক আক্ৰমণ কৰ, তেনেহ'লে কি ঠিক,—তেৱোঁ তোক কাটি পেলাব পাৰে। বৰ ডাঙৰ ঘটনা হ'ব ভাই। দে, খুকুৰিখন দে।"— এই বুলি মই তাৰ কঁকালৰ পৰা খুকুৰিখন লৈ ওচৰতে

থকা ৰাস্তাৰ ফালৰ বাগিচাখনলৈ দলিয়াই দিলো। টঙালিৰ পৰা খুকুৰিখন উলিয়াই আনোতে সি মোক বাধা দিয়াৰ বিশেষ গম নাপালো; কিন্তু তাৰ পাছতে সি বাৰাণ্ডাখনৰ ইফালৰ পৰা সিফাললৈ অহা-যোৱা কৰি গৰ্জিবলৈ ধৰিলে,— "তই এইটো কি কাম কৰিলি? আজি মই তাক,—আজি মই তাক— !" কিছু সময়ৰ পাছত সি তাৰ কোঠালিত সোমাই বিছনাখনত বহিল আৰু একেথৰে মজিয়ালৈ চাই গভীৰ চিন্তাত নিমগ্ন হ'ল। মোৰ ধাৰণা হ'ল,— হত্যাকাণ্ডটো লাহে-লাহে দূৰলৈ,— বহু দূৰলৈ আঁতৰি গৈছে। এসময়ত মই নিজৰ কোঠালিলৈ উভতি আহিলো। কিছু সময়ৰ পাছত মহেন্দ্ৰ মোৰ ওচৰলৈ আহিল। সি ছাৰ্ট-পেণ্ট পিন্ধি ক'ৰাবলৈ যাবলৈ ওলাই আহিছে যেন লাগিল। সি শান্ত মাতেৰে মোক ক'লে, "তই আজি মোৰ বৰ উপকাৰ কৰিলি ভবেন।" অলপ পৰ মনে-মনে থাকি সি ক'লে, "কিন্তু মোৰ খুকুৰিখন তই ক'ত পেলালি? সেইখন মোৰ বৰ মৰমৰ খুকুৰি।" মই ক'লো, "খুকুৰি নেহেৰায় যা। ৰাতিপুৱা পুলিয়াই বিচাৰি দিব।"

এবাৰ বৰ্নিহাটত পিকনিক খাবলৈ যাওঁতে কাৰোবাৰ বন্দুক এটা মহেন্দ্ৰৰ হাতত পৰিছিল। এজোপা বৰ ওখ গছৰ একেবাৰে আগৰ ডাল এটাত বহি থকা কপৌ এটা মহেন্দ্ৰই একে গুলীতে নমাই আনিছিল। গুলী মৰাৰ তেনেকুৱা নিচান মই আজিলৈকে দ্বিতীয়বাৰ দেখা নাই।

কেইবাটাও কাৰণত মহেন্দ্ৰ মোৰ কাৰণে আমোদজনক আৰু প্ৰিয় বন্ধু আছিল। এইবিলাকনো লিপিবদ্ধ কৰিবলগীয়া ঘটনা নে? এইবিলাকৰ নো কি গুৰুত্ব আছে? নাই, একো নাই। কিন্তু লিখিছোঁ নিজৰ মনক আনন্দ দিবৰ কাৰণে। যেন মই নিজকে বহুত দিনৰ মূৰত লগ পাই নিজৰ লগতে পুৰণি দিনৰ কথা পাতিছোঁ। এই অকণ-অকণ কথাবিলাক চিৰদিনৰ কাৰণে হেৰাই যাব বুলি ভাবিলে মনটো বেয়া লাগে।— পবিত্ৰ বৰাই ছেকেণ্ড ব্লকৰ টেবল টেনিছ ব'ৰ্ডখনৰ পৰা অলপ দূৰতে থকা আমগছজোপাত উঠি, তাৰ পৰা ঘৰটোৰ চালেদি বগাই ওপৰলৈ উঠিছে। দুয়োফালে দুটা ভৰি দি তেওঁ ছেকেণ্ড ব্লকটোৰ মূধত ঘোঁৰাত বহা দি বহি লৈছে। তেনেকুৱা অৱস্থাৰেই জঁপিয়াই-জঁপিয়াই তেওঁ ডনবস্ক'ৰ ফালৰ মূৰটো পালেগৈ। উদ্দেশ্য? উদ্দেশ্য অতি মহান। মেট্ৰিক পৰীক্ষা আৰম্ভ হোৱাৰ দিন। বাটেদি পৰীক্ষাৰ্থীসকল ৰে'ল-ষ্টেছনৰ ফালৰ পৰা ব্ৰহ্মপুত্ৰৰ ফাললৈ যাবলৈ আৰম্ভ কৰিছে। পবিত্ৰ বৰাই তেওঁলোকক 'গুড-লাক' জনাব। মাটিৰ পৰা জনালে তেওঁৰ শুভেচ্ছা যিমান কাৰ্যকৰী হ'ব, ছেকেণ্ড ব্লকৰ মূধৰ পৰা জনালে তাতকৈ বহু বেছি কাৰ্যকৰী হ'ব। হয়ো হয়। তেওঁৰ গুড-লাকবাণীৰে পৰিপুষ্ট চিঞৰে সকলো পৰীক্ষাৰ্থীৰ চকু-মুখত অলপ সময়ৰ কাৰণে হ'লেও আনন্দ বিয়পাইছিল। প্ৰথম দিনা মেট্ৰিক পৰীক্ষা দিবলৈ অহা পৰীক্ষাৰ্থীৰ মুখত হাঁহি-ফুটোৱা

ধেমালি কথা? পবিত্র বৰাই সেই কামটো সুচাৰুৰূপে সম্পন্ন কৰিছিল। কিন্তু এই যে পৰীক্ষাৰ্থীসকলৰ অকৃপণ সঁহাৰি, সেই সঁহাৰিয়ে তেওঁক প্ৰয়োজনতকৈ বেছি পৰিমাণে উদ্বুদ্ধ কৰিছিল। আবেলি যেতিয়া পৰীক্ষাৰ্থীসকল উভতিবৰ সময় হ'ল, তেতিয়া তেওঁ আকৌ উঠিল আমগছত, তাৰ পৰা ছেকেণ্ড ব্লকৰ মুধত, আৰু মুধেদি বগাই উপস্থিত হ'ল একেবাৰে বাটৰ কাষৰ মূৰত। এক ধৰণৰ যোগাযোগেই বুলিব লাগিব,— সেইদিনাও সেই সময়ত হোষ্টেল প্ৰায় খালী। ল'ৰাইঁত ফুৰিবলৈ গৈছে। আমাৰ ব্লকত মই, থাৰ্ড ব্লকত কোষেশ্বৰ,— এনেকৈয়ে চাৰিজনমান হোষ্টেলত আছোঁ। পবিত্র বৰাই এইবাৰ চিএওৰি-চিএওৰি খবৰ ল'লে,— কেনে হ'ল? ভাল হৈছে নে পৰীক্ষা? নহ'ব কিয়? মোৰ গুড-লাক অথলে যাব নে?— তাৰ পাছত তেওঁ সকলোকে অভয় দিলে আৰু বাকী কেইদিনৰ কাৰণে ভালকৈ পঢ়া-শুনা কৰিবলৈ উপদেশ দিলে। পৰীক্ষাৰ্থী গৈ শেষ হোৱাৰ পাছত পবিত্র বৰা আমগছৰ ফালে উভতি আহিল। মুধৰ পৰা আমগছৰ ডালত ভৰি লগালৈকে,— এইছোৱা তেওঁ চালেদি চুঁচৰি আহিব লাগে, কিন্তু কিয় জানো, — তেওঁ হঠাতে থিয় হৈ খোজ কঢ়াৰ সিদ্ধান্ত ল'লে। যেই থিয় হৈ দিলে, সেই বাটৰ খুঁটাৰ পৰা ঘৰটোলৈ অহা বিজুলী-সৰবৰাহৰ তাঁৰ এডাল তেওঁৰ ডিঙিতে লাগিল। তাঁৰকেইডাললৈ তেওঁ মনেই কৰা নাছিল। চিএঞৰ এটা মাৰি তেওঁ চালৰ ওপৰতে বাগৰি পৰিল। আমজোপাৰ ডাল কিছুমানে চালখনৰ তলৰ ভাগটো ঢাকি ধৰি আছিল। বাগৰি আহি পবিত্র বৰা সেই ডাল-পাতৰ মাজতে লাগি ধৰিলেহি। তেতিয়া তেওঁৰ মুখৰ মাত নাছিল। আমি হুৰা-দুৰা লগালো। পাগঘৰত কাম কৰা মানুহ দুজনমানো দৌৰি আহিল। আমাৰ পৰামৰ্শমতে তেওঁলোকৰ এজনে এবাল্টি পানী লৈ চালত উঠিল আৰু গছৰ ডালত লাগি থকা অৱস্থাতে পবিত্র বৰাৰ মূৰত পানী এবাল্টি ঢালি দিলে। ইতিমধ্যে বাটৰ সিপাৰৰ শুক্লা ৰায়হঁতৰ ঘৰৰ পৰাও কোনোবা-কোনোবা আহিল; মহিন্তা দাদাও ওলাই আহিল। হোষ্টেলৰ কেইজনমানে বিশেষ কৌশল কৰি অজ্ঞান অৱস্থাত থকা পবিত্র বৰাক নমাই আনিলে। এতিয়া এওঁক ক'লৈ নিয়া যায়? হোষ্টেলততো এনেকুৱা অৱস্থাৰ ল'ৰাক চিকিৎসা কৰাৰ কোনো সুবিধা নাই! মহিন্তা দাদাই ক'লে,— এওঁক আমাৰ ঘৰলৈ লৈ আহা। আমি হাতেৰেই সৰগ ঢুকি পোৱাদি পালো। কেইজনমানে দাংকোলাকৈ পবিত্র বৰাক মহিন্তা দাদাৰ ঘৰলৈ লৈ গ'ল। তেখেতৰ ঘৰৰ মানুহখিনিয়ে শুশ্ৰূষা কৰাৰ ফলত বৰাৰ অৱস্থা ভাললৈ আহিল। আধা ঘণ্টামানৰ পাছত কুহুমীয়া গাখীৰ এগিলাছ খাই তেওঁ তাতে শুলে। ৰাতি দহমান বজাত দুজন ল'ৰাৰ লগত খোজ কাঢ়ি তেওঁ হোষ্টেললৈ উভতিল। তেওঁৰ ডিঙিত বিজুলী সৰবৰাহ কৰা তাঁৰডালে এটা ডাঙৰ দাগ বহুৱাইছিল। দাগটো তেওঁৰ গোটেই জীৱনলৈ নহ'লেও বহুদিনলৈ থাকি যাব বুলি আমাৰ সন্দেহ হৈছিল।

বাটৰ সিপাৰৰ শুক্লা ৰায়ৰ কথা যে ক'লো, তেওঁ ভাৰতীয় গণনাট্য সংঘৰ (I.P.T.Aৰ) কৰ্মী আছিল। গুৱাহাটীত সংঘই আয়োজন কৰা অনুষ্ঠানসমূহৰ আলোক-সম্পাতৰ দায়িত্বত আছিল শুক্লা ৰায়। পাছলৈ, বিশেষকৈ চলচ্চিত্ৰ নিৰ্মাণৰ লগত সম্পৰ্ক ঘটাৰ পাছত, আলোক-সম্পাতৰ লগত জড়িত ভালেমান কলা-কুশলীৰ সংস্পৰ্শলৈ আহিছোঁ; কিন্তু গুৱাহাটীত মোৰ লগত চা-চিনাকি হোৱা সেই ক্ষেত্ৰৰ প্ৰথম মানুহজন আছিল শুক্লা ৰায়। মোৰ নিজৰে তেনেকুৱা কামৰ প্ৰতি আগ্ৰহ, আৰু ভাৰতীয় গণনাট্য সংঘৰ লগত এটা সম্পৰ্ক আছিল কাৰণে শুক্লা ৰায়, আৰু তেওঁৰ জৰিয়তে তেওঁলোকৰ গোটেই ঘৰখন মোৰ আপোন যেন হৈ পৰিছিল। শুক্লা ৰায়ে গহনা গঢ়াৰ পৈতৃক বৃত্তিত লাগিব পৰা নাছিল; সেই বৃত্তিত লাগিছিল ভায়েক ভানু ৰায়। ভানু ৰায়ৰ কথাটো উল্লেখ কৰি থোৱাৰ কাৰণ হ'ল, পাছত ঘটা দুটা সৰু-সৰু স্মৰণীয় ঘটনাৰ লগত এওঁ জড়িত আছে।

শুক্লাহঁতৰ ঘৰৰ পৰা কিছু পূৱলৈ থকা এখন ঘৰৰ আৰু এজন ল'ৰাৰ লগত কটন কলেজত পঢ়া দিনখিনিতে বন্ধুত্বৰ সম্পৰ্ক স্থাপিত হৈছিল। তেওঁৰ নাম অনিল দাস। তেওঁ মঞ্চ আৰু চলচ্চিত্ৰৰ অভিনেতা, আৰু ৰূপসজ্জাৰ শিল্পী হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছে।

এদিন দেখিলো, অনিল দাসহঁতৰ ঘৰৰ ওচৰতে নতুনকৈ সজা ঘৰ এটাৰ এটা কোঠালিত এখন ৰেস্তোঁৰা খোলা হৈছে আৰু ৰেস্তোঁৰাখনৰ কাউণ্টাৰত বহি আছে প্ৰিয় ককাইদেউ। নগাঁৱৰ প্ৰিয় বৰুৱা। এখেতক আমি সৰুৰে পৰা নৃত্য পৰিবেশন কৰা দেখিছিলো। নগাঁও নগৰৰ তেতিয়াৰ দিনৰ 'নৃত্যশিল্পী' বুলিলে প্ৰিয় বৰুৱা আৰু কৃষ্ণমূৰ্তি হাজৰিকাৰ কথাই প্ৰথমে আমাৰ মনলৈ আহিছিল। সেই প্ৰিয় ককাইদেৱে কটন হোষ্টেলৰ সমুখত ৰেস্তোঁৰা খুলিছে! মই মাজে-মাজে গৈ তেখেতৰ ওচৰত বহিবলৈ লৈছিলো। দোকানখনত গ্ৰাহকৰ ভিৰ একেবাৰে নাছিল। পইচা থাকিলে মই কেতিয়াবা চপ এটা খাইছিলো, নাথাকিলে এনেয়ে ককাইদেউৰ লগত কথা পাতি থাকিছিলো। কেইমাহমানৰ মূৰত ৰেস্তোঁৰাখন উঠি গ'ল। বহুদিনৰ পাছত এটা আচৰিত হ'বলগীয়া যোগাযোগ ঘটিছিল। অসম বিধানসভাৰ অধ্যক্ষ দেৱকান্ত বৰুৱাৰ শ্বিলঙৰ বাসভৱনত, অধ্যক্ষগৰাকীৰ প্ৰাইভেট ছেক্ৰেটেৰি হিচাপে প্ৰিয় ককাইদেৱে মোক মনত ৰাখিবলগীয়া কাম এটাত সহায় কৰি দিছিল। যথা সময়ত সেইটো প্ৰসংগলৈ আহিব পৰা যাব।

মূঠৰ ওপৰত, হোষ্টেলত থাকিলেও ওচৰ-চুবুৰীয়াৰ কাৰোবাৰ-কাৰোবাৰ লগত মোৰ ভাল সম্পৰ্ক আছিল। ব্যৱসায়ৰ জৰিয়তে স্থাপিত হোৱা সম্পৰ্ক কিছুমানো বন্ধুত্বত পৰিণত হৈছিল। যেনে— তেতিয়াৰ দিনত প্ৰথম আবিৰ্ভূত হোৱা ডাঙৰ-ডাঙৰ (ডবল ছাইজৰ !) গৰম-গৰম ছিঙাৰাৰ জৰিয়তে ওচৰৰে চাহৰ দোকানৰ মালিক ডেকাৰ

লগত বন্ধুত্ব; ভুজিয়া-বুন্দিয়া ইত্যাদিৰ জৰিয়তে আনন্দ ভাণ্ডাৰৰ জিলিকাৰাম দাসৰ লগত বন্ধুত্ব, চপ আৰু অমলেটৰ কাৰণে কাফে ডিলাক্সৰ বৰদা শৰ্মাৰ লগত বন্ধুত্ব,— ইত্যাদি। জিলিকাৰামৰ লগত অকল মোৰ বা মোৰ ঘনিষ্ঠ কেইজনৰে নহয়, কটন কলেজৰ সমগ্ৰ ছাত্ৰ-শিক্ষক-কৰ্মচাৰী সমাজৰে এটা আপোন-আপোন সম্পৰ্ক আছিল। তেওঁৰ আচল নামটো জিলিকাৰাম আছিল যদিও সকলোৱে চমুকৈ জিল্কাৰাম বুলিয়েই তেওঁৰ নামটো উচ্চাৰণ কৰিছিল। তেওঁ কিছুদিন কটন কলেজত চাকৰি কৰিছিল; পাছত চাকৰি এৰি আনন্দ ভাণ্ডাৰ আৰম্ভ কৰিছিল। সেই কালত ৰেডিঅ'ৰ অতি জনপ্ৰিয় অনুষ্ঠান আছিল ৰেডিঅ' ছিলʼনে প্ৰচাৰ কৰা ভাৰতীয় হিন্দী চলচ্চিত্ৰৰ গানৰ অনুষ্ঠানবোৰ। কলেজ বন্ধৰ দিনা দিনৰ এক-দুই বজাৰ সময়ছোৱা আমি কেইজনমানে ঘাইকৈ গান শুনাৰ উদ্দেশ্যে জিলিকাৰামৰ দোকানত বহিছিলোগৈ। হোষ্টেলত থকা দিনখিনিত তাৰ বাহিৰে ৰেডিঅʼৰ গান শুনাৰ উপায় নাছিল। এনেয়ে বহি থকা বেয়া দেখি কাৰণে আমি আটাইতকৈ কম খৰচৰ বস্তু একোপ্লেট বুন্দিয়াৰ অৰ্ডাৰ দিছিলো, আৰু লাহে-লাহে, এটা-এটাকৈ বুন্দিয়া খাইছিলো। (কেতিয়াবা শেষৰ বুন্দিয়াটো চামুচত সহজে তুলিব নোৱাৰি প্লেটখনত তাক চামুচেৰে খেদি লৈ ফুৰিছিলো আৰু শেষত বাঁওহাতৰ আঙুলিৰে ভেটা দি চামুচত তুলি লৈছিলো; তথাপি তাক নেৰিছিলো।)

নাগপোতা পুখুৰীৰ অলপ দূৰতে, ইফালে ৰয়ছ ষ্ট্ৰʼৰছ, সিফালে গুৱাহাটী ডায়েৰি নামৰ ডাঙৰ দোকানখন, মাজতে মাত্ৰ দহফুটমান বহল এটা দীঘলীয়া কোঠালি। আগৰ ৰাস্তাৰ কাষৰ অংশটোত কানু বাবুৰ কিতাপ-আলোচনীৰ দোকান— People's Book Forum, আৰু ভিতৰৰ অংশটোত বৰদাৰ কাফে ডিলাক্স। দুটা সৰু-সৰু 'কেবিন', তাৰ পাছত এযোৰ টেবল-বেঞ্চ থকা এটা 'ছেকেণ্ড ক্লাছ' কোঠালি। কেবিনত ভদ্ৰলোক-ভদ্ৰমহিলাৰ ভিৰ হʼলে আমি সেইটো কোঠালিত বহোঁ। কটন কলেজৰ শেষৰ ফালৰ দিনবোৰতে কাফে ডিলাক্সৰ লগত সম্পৰ্ক হৈছিল যদিও দোকানখনৰ লগত মোৰ সেই সম্পৰ্ক গভীৰ হৈছিল কলেজ এৰাৰ পাছৰ পৰা ১৯৫৮ চনৰ ছেপ্টেম্বৰ মাহলৈকে,— এই কালছোৱাত। সেই কালছোৱাত কাফে ডিলাক্স মোৰ কাৰণে যোগাযোগ-কেন্দ্ৰ, জিৰণি চʼৰা, বিনোদন-কেন্দ্ৰ, ভোজনালয়, আলোচনা-কেন্দ্ৰ, পাঠাগাৰ,— এই সকলোৰে সান-মিহলি ঠাই আছিল। শিৱসাগৰ কলেজত শিক্ষকৰ চাকৰি পাইছোঁ;— জীৱনৰ প্ৰথম চাকৰি,— কলেজ কৰ্তৃপক্ষৰ পৰা টেলিগ্ৰামখন কি ঠিকনাত আহিল? কাফে ডিলাক্সৰ ঠিকনাত। অমুকক লগ পাব লাগে;— কʼত লগ পাম? কাফে ডিলাক্সত। বাছলৈ ডেৰ ঘণ্টা সময় আছে;— সময়খিনি কʼত কটাম? কাফে ডিলাক্সত। এবাৰ ওচৰৰ গুৱাহাটী ডায়েৰিৰ পৰা কেইখিলামান ফুলছকেপ কাগজ কিনি আনি 'ছেকেণ্ড ক্লাছ' কোঠালিটোত বহি এটা গল্পও লিখিছিলো। উচ্চশিক্ষাৰ কাৰণে লণ্ডনলৈ বুলি অসম এৰিবলৈ নতুন

চোলা এটা পিন্ধি লৈছিলো সেই 'ছেকেণ্ড ক্লাছ' কোঠালিটোতে। বৰদা শৰ্মা সেই কালৰ প্ৰসিদ্ধ কমিউনিষ্ট নেতা গৌৰীশংকৰ ভট্টাচাৰ্যৰ সম্পৰ্কীয় আছিল; তেওঁ নিজে কটন কলেজৰ ছাত্ৰ আছিল; তেওঁৰ দোকানৰ লগতে থকা কানুবাবুৰ দোকানত পোৱা গৈছিল বাঁওপন্থী সংবাদ-সাহিত্যৰ কিতাপ আলোচনী;— এইবোৰ কাৰণতে কাফে ডিলাক্স এক বিশেষ মৰ্যাদাসম্পন্ন দোকানত পৰিণত হৈছিল। ভবানন্দ দত্ত, হেমাংগ বিশ্বাস, ভূপেন হাজৰিকা, দিলীপ শৰ্মা, কেশৱ মহন্ত, হীৰেন ভট্টাচাৰ্য আদি যশস্বী লোকৰ লগত মোৰ সম্পৰ্ক এই কাফে ডিলাক্সতে ঘটিছিল বুলিব পাৰোঁ। কমিউনিষ্ট নেতা গৌৰীশংকৰ ভট্টাচাৰ্য, ফণী বৰা, দধি মহন্ত, দুলাল খাউণ্ড, পোৱাল বৰুৱা আদিক তাতে মাজে-মাজে লগ পাইছিলো। পাছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হোৱা ড. দেৱপ্ৰসাদ বৰুৱাক আমি প্ৰথমতে ছেকেণ্ড মেছৰ বাসিন্দা হিচাপেই পাইছিলো; কিন্তু মাজতে ৰাজনৈতিক কাৰণত তেখেত 'অন্তৰ্ধান' হৈছিল। তেখেতক আকৌ লগ পাইছিলো কাফে ডিলাক্সত। মোৰ ধাৰণা,— অসমৰ সাহিত্য-সংস্কৃতি-চিন্তা-চৰ্চাৰ এটা উজ্জ্বল অধ্যায়ৰ আৰম্ভণিৰ লগত সক্ৰিয়ভাৱে জড়িত ভালেমান লোকে কাফে ডিলাক্সৰ কথা আনন্দেৰে সোঁৱৰে।

প্ৰসংগক্ৰমে ঃ কাফে ডিলাক্সৰ কাষতে থকা ৰয়ছ ষ্ট'ৰছৰ বিক্ৰেতাৰ চকীখনত বহি থকা মানুহজনক আমি পাণবজাৰৰ এক বিশেষ চৰিত্ৰ বুলি গণ্য কৰিছিলো। বয়সীয়া, ওপাজুৰীয়া, চছমা পিন্ধা মানুহজনে অনবৰত এখন কিতাপ বা কাকত পঢ়ি থাকিছিল। দোকানলৈ গ্ৰাহক গ'লে তেখেতে কিতাপ-কাকত আঁতৰাই চছমাৰ ফাঁকেদি এনেকৈ চাইছিল— যেন গ্ৰাহকে বিচাৰি অহা বস্তুটো দোকানখনত নাথাকিলেই ভাল!

কলেজৰ ভিতৰলৈ উভতি আহোঁ। কলেজীয়া বন্ধু-বান্ধৱৰ আমোদজনক ঘটনা কিছুমানৰ কথা কৈ আছোঁ যদিও আমাৰ দিনত দুই-এটা 'ছিৰিয়াছ' ঘটনাও ঘটিছিল। আমি ষ্টুডেণ্টছ্ ইউনিয়ন পতাৰ আগৰ বছৰত জেনেৰেল ছেক্ৰেটেৰি আছিল মহেন্দ্ৰ বৰা (লেখক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক, অসম সাহিত্য সভাৰ সভাপতি)। মাছুল বঢ়োৱাৰ প্ৰতিবাদ কৰিবলৈ তেখেতে আৰু কিছু ছাত্ৰ লগত লৈ অনশন ধৰ্মঘট কৰিছিল। আমি কটোৱা চাৰিটা বছৰৰ ভিতৰত কৰ্তৃপক্ষৰ বিৰুদ্ধে কৰা সেইটোৱেই ডাঙৰ আন্দোলন আছিল। এদিন গুৱাহাটী ৰে'ল-ষ্টেছনত কটনৰ ছাত্ৰক কোনোবাই বেয়া ব্যৱহাৰ কৰিলে; খবৰ পায়েই হোষ্টেলৰ এজাক ল'ৰা দৌৰি-দৌৰি ষ্টেছনলৈ গৈ 'কে'ছ মিটমাট' কৰিলে; এদিন ডাকঘৰত কটনৰ ল'ৰাক কেন্দ্ৰ কৰি লাগিল এটা গণ্ডগোল; গ'লো আমি দৌৰি ডাকঘৰলৈ;— এনেকুৱা সৰু-সুৰা ঘটনা মাজে-মাজে ঘটি আছিল; কিন্তু আমাৰ ইউনিয়নৰ দিনবোৰৰ শেষৰ ফালে ফাঁচী বজাৰত তুলনামূলকভাৱে এটা ডাঙৰ ঘটনা ঘটিছিল। সেইদিনা আছিল ঝুলন-যাত্ৰা। আমাৰ মেছত ৰাতি কিষ্টৰ

আয়োজন। (মাছ্-মাংসৰে বিশেষভাৱে খোৱাৰ আয়োজনটোক আমি feast বুলিছিলো। এতিয়াও ভোজ শব্দটোৱে হোষ্টেলৰ সেই feast-অক সম্পূৰ্ণৰূপে প্ৰতিনিধিত্ব নকৰে যেন লাগে।) প্ৰায়বোৰ ল'ৰা সন্ধিয়া ঝুলন-যাত্ৰা চাবলৈ গ'ল। ঠাকুৰহঁতে ৰন্ধা কাম প্ৰায় শেষ কৰিছে, এনেতে খবৰ আহিল,—ফাঁচী বজাৰত সাংঘাতিক গণ্ডগোল। ধনুকা মিলৰ মানুহে কটনৰ ল'ৰাক লক্ষ্য কৰি গুলী চলালে। কিছুমান ছাত্ৰ আহত, কিছুমান নিখোজ! অতি কম সময়ৰ ভিতৰতে কটন কলেজৰ ল'ৰাৰে ধনুকা মিলৰ ওচৰৰ বাটটো ভৰি পৰিল। পুলিছ আহিল। থাৰ্ড মেছৰ ভৱতাৰণ দাস আহত হৈছিল; তেওঁক হস্পিটেললৈ নিয়া হৈছিল। (শ্ৰীদাসে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্যালয়ৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছে।) আচলতে তেওঁৰ বাহিৰে কাৰো আঘাত বিশেষভাৱে চিকিৎসা কৰিবলগীয়া নাছিল যদিও, ধনুকা মিলৰ মানুহে এজন ছাত্ৰক মিলৰ ভিতৰত লুকুৱাই থৈছে বুলি খবৰ এটা বিয়পি পৰাত ছাত্ৰসকলৰ উত্তেজনাই তীব্ৰ ৰূপ ধাৰণ কৰিছিল। ৰাতি দহমান বজাত কামৰূপৰ এছ. পি-এ এটা প্ৰস্তাৱ দিলে,— চাৰিজনমান ছাত্ৰ তেখেতৰ লগত ধনুকা মিলৰ ভিতৰলৈ যাব লাগে। আৰু তেওঁলোক তেখেতৰ অনুসন্ধানৰ সাক্ষী হৈ থাকিব লাগে। ছাত্ৰসকল সন্মত হ'ল। এছ. পিৰ লগত আৰু কোন-কোন গৈছিল এতিয়া মোৰ মনত পৰা নাই; কিন্তু প্ৰবোধ শৰ্মা আৰু মই গৈছিলো। কলঘৰৰ ভিতৰত সেই ৰাতি আমি দুইমান বজালৈকে আছিলো। মন কৰিবলগীয়া কথা, সেই ৰাতি ঠাকুৰহঁতে ফিষ্ট উপলক্ষে ৰন্ধা বস্তুবোৰ ৰন্ধা চিনেই থাকি গৈছিল।

কলঘৰৰ ভিতৰত ছাত্ৰ এজনক বন্দী কৰি থোৱা কথাটো মিছা আছিল। কিন্তু কলঘৰৰ মানুহে যে গুলী চলাইছিল, আৰু গুলীতেই হওক বা আন কিহবাতেই হওক, ভৱতাৰণ দাস যে আহত হৈছিল, সেই কথাকেইটাৰ কাৰণেই মকৰ্দমাটো কিছু দিনলৈ চলি আছিল। মনত পৰে,— গুৱাহাটীৰ কাচাৰীত হোৱা চিনাক্তকৰণৰ কামৰ (identification parade) পৰা মই আৰু দুলাল বৰুৱা (পাছলৈ ৰাজনৈতিক নেতা, অসমৰ মন্ত্ৰী) একেলগে উভতি আহিছিলো। কাচাৰীৰ বাকৰিত গাড়ী এখনৰ ভিতৰত বহি থকা 'বিৰোধী পক্ষ'ৰ পেটুৱা মানুহ এজনক দেখি দুলালে হাতত থকা কাগজৰ নুৰা এটা দাঙি মোক সুধিছিল,— দিওঁনে কি ইয়াৰ পেটতে খোঁচ এটা!

লাহে-লাহে বাহিৰৰ জগতখনৰ দৃশ্য, শব্দ আদি আমাৰ কাৰণে নিষ্প্ৰভ, ক্ষীণ হৈ আহিল। হোষ্টেলৰ যিবোৰ কোঠালিত পৰীক্ষাৰ্থী থাকে, সেইবোৰ কোঠালি থকা অঞ্চলৰ বাৰাণ্ডাত, খৰমৰতো কথাই নাই, অন্যান্য জোতা-ছেণ্ডেলেৰেও ডাঙৰ শব্দৰ সৃষ্টি কৰাটো আপোন-আপুনি নিষিদ্ধ হ'ল। পৰীক্ষা আহিল। বি. এছ. ছি ফাইনেল পৰীক্ষা। ফুৰা-চকা কমিল। কিন্তু চোৱা সমূলঞ্চে বন্ধ হ'ল। থাৰ্ড ইয়েৰ-ফ'ৰ্থ ইয়েৰত

মোৰ ফিল্ম চোৱাৰ কোব বৰ বাঢ়িছিল। টিকেটৰ পইচা দিয়া বন্ধুৰ সংখ্যাও বাঢ়িছিল। গুৱাহাটীৰ এটাইকেইটা হলৰ ফিল্মকেইখন চাই হোৱাৰ পাছত এদিন মালীগাঁৱৰ অৰুণা হলতো ফিল্ম চাবলৈ গৈছিলো আৰু খোজ কাঢ়ি হোষ্টেললৈ উভতি আহিছিলো। এতিয়াৰ যিটো চৌধুৰী টকিজ, সেইটোত এদিন বেলকনিত বহি থকা মাত্ৰ আমাৰ তিনিজন দৰ্শকৰ কাৰণে এখন ফিল্ম চলোৱা (project কৰা) হৈছিল। বেলকনিটোৰ একাষে বাঁহৰ হলাৰে বেৰ দিয়া এটা কোঠালি আছিল। 'ইণ্টাৰভেল'ত এজনী তিৰোতাক কাষত একলহ পানী লৈ সেই কোঠালিটোলৈ সোমাই যোৱা দেখিছিলো। তাৰ পাছত আকৌ ফিল্ম চলি থাকোঁতে সেই কোঠালিটোৰ পৰা কেৰাহীৰ তেলত পাচলি পেলাই দিয়াৰ চেন-চেন শব্দ ওলাই আহিছিল।

ফিল্ম চোৱাটোৰেই যে মোৰ নিচাৰ নিচিনা হৈ পৰিছিল তেনে নহয়; ফিল্মৰ কাৰণে গল্প যুগুত কৰা কথাটোও মগজত সোমাইছিল। এবাৰ বন্ধত ঘৰলৈ যাওঁতে শ্ৰীকৃষ্ণা টকিজৰ মালিক কাশীপ্ৰসাদ বিহানীক লগ ধৰি সুধিছিলো,— মই ছিনেমাৰ কাৰণে গল্প এটা লিখিছোঁ। বৰ বঢ়িয়া গল্প। বোম্বাইৰ কাৰোবালৈ পঠাব খোজোঁ। আপুনি সহায় কৰিব নে?— তেখেতে অতি কম কথাৰে মোক বুজালে,— সেইবোৰ ধান্দা মই মগজৰ পৰা উলিয়াই পেলাব লাগে। মই বোম্বাইলৈ গল্প পঠোৱা ধান্দাটো বাদ দিলো, কিন্তু গল্পটো এদিন 'চমজদাৰ' শ্ৰোতাক কৈহে এৰিলো। সেই যে তেপু ককাইটিৰ লগত শাস্ত্ৰীয় সংগীতৰ চৰ্চা কৰিছিল শিয়ালমাৰীৰ মুছলমান ডেকাজন (তেওঁৰ নাম আছিল চাহেদ আলি। নামটো আগতে উল্লেখ কৰা নাছিলো।), তেওঁৰ ভায়েক ইমান আলিয়ে কান্ধত ভাৰ লৈ ঘৰে-ঘৰে গাখীৰ বেচি ফুৰিছিল। আমাৰ ঘৰৰ লগত তেওঁৰ ঘনিষ্ঠতা আছিল। পাছলৈ তেওঁ গাখীৰ বেচিবলৈ এৰি ছাইকেল মেৰামতি কৰা দোকান এখন খুলিছিল। ঘৰত থকা দিনকেইটাত মই মাজে-মাজে তেওঁৰ দোকানতে বহিছিলোগৈ। এদিন তেওঁকে গল্পটো ক'লো। বিয়াৰ বহুত দিনৰ পাছলৈকে সন্তানৰ মুখ নেদেখা এজন মানুহে শিশু-প্ৰদৰ্শনী এখনৰ পৰা দ্বিতীয় পুৰস্কাৰ পোৱা (ছোৱালী) কেঁচুৱা এটা চুৰ কৰি লৈ গ'ল। দূৰৰ ঠাই এখনত নতুনকৈ ঘৰ পাতি মানুহহালে ছোৱালীজনী ডাঙৰ কৰিলে। এদিন ছোৱালীজনী আহিল নগৰত পঢ়িবলৈ। দৈবক্ৰমে নিজৰ ককায়েকৰ লগতে তাইৰ চিনাকি হ'ল। তাৰ পাছত বিৰাট বিপৰ্যয়, তুমুল সংঘাত। ... একেবাৰে শেষত পুলিছৰ গাড়ীখন দূৰলৈ গুচি যায়, আৰু দূৰৰ পৰা 'সমাপ্ত' আখৰকেইটা আগুৱাই আহি ৰৈ যায়। গল্প শুনি ইমান আলি অভিভূত। তেওঁৰ যদি পইচা থাকিলহেঁতেন, তেনেহ'লে তেতিয়াই তেওঁ ফিল্মখন নিৰ্মাণ কৰেই! ওচৰতে ছাইকেল মেৰামতি কৰি থকা ইদুলে মাজে-মাজে কাম বন্ধ কৰি গল্প শুনিছিল; আৰু ইমান আলিয়ে তাক বাৰে-বাৰে কামৰ কথা মনত পেলাই দি আছিল। (উল্লেখযোগ্য : এই ইদুলে পাছত 'মৰমতৃষ্ণা' নামৰ অসমীয়া চলচ্চিত্ৰখন প্ৰযোজনা কৰিছিল।)

কাশীপ্ৰসাদ বিহানীৰ পৰামৰ্শই যিয়েই নকৰক, ফিল্মৰ ধান্দা মগজৰ পৰা সাময়িকভাৱে হ'লেও সম্পূৰ্ণৰূপে বহিষ্কাৰ কৰিলে পৰীক্ষাৰ চিন্তাই।

স্কুলৰ বছৰেকীয়া পৰীক্ষাই হওক, বি. এছ্. ছি ফাইনেল পৰীক্ষাই হওক, 'পৰীক্ষাৰ কাৰণে' পঢ়িবলৈ লোৱাৰ আয়োজন সেই একেই। সম্ভৱ হ'লে মেজখনৰ 'পজিছন'টো সলনি কৰি লোৱা, টেবুলত পাৰি লোৱা খবৰ-কাগজখিনি সলাই লোৱা বা কাপোৰখন জাৰি-জোকাৰি ঘূৰাই পৰা, কিতাপ-বহীখিনি অলপ বেলেগকৈ সজাই লোৱা, আৰু তাৰ পাছত নিজকে হুকুম দিয়া,— "আজিৰ পৰা আৰু ৰক্ষা নাই।"

ছেকেণ্ড মেছৰ ব্লক দুটাৰ ক'ৰিডৰৰ এফালৰ কোঠালিবোৰত পৰীক্ষাৰ্থী, অৰ্থাৎ ছেকেণ্ড আৰু ফ'ৰ্থ ইয়েৰৰ ল'ৰা, আৰু ইফালৰ কোঠালিবোৰত ফাৰ্ষ্ট আৰু থাৰ্ড ইয়েৰৰ ল'ৰাক থাকিবলৈ দিয়াটো এটা সাধাৰণ নিয়ম আছিল। পৰীক্ষাৰ্থীৰ কোঠালিত তিনিজনকৈ ল'ৰা;— এজন ফ'ৰ্থ ইয়েৰৰ, দুজন ছেকেণ্ড ইয়েৰৰ। ছেকেণ্ড ব্লকত প্ৰচলিত এটা অলিখিত নিয়ম হ'ল ঃ ছুপাৰিণ্টেণ্ডেণ্ট দণ্ডেশ্বৰ গগৈ ছাৰৰ ঘৰৰ একেবাৰে ওচৰৰ এক নম্বৰ কোঠালিটোত আটাইতকৈ ঠাণ্ডা আৰু চোকা ল'ৰা থাকিব; তাৰ পৰা ক'ৰিডৰৰ ফালৰ কোঠালিবোৰত ক্ৰমান্বয়ে কম ঠাণ্ডা আৰু কম চোকা ল'ৰা থাকিব। সেই হিচাপতে নে কি হিচাপত ক'ব নোৱাৰোঁ, মই ফ'ৰ্থ ইয়েৰত চাৰি নম্বৰ কোঠালিত থাকিবলৈ পালো। ৰুমমেট শিৱসাগৰৰ নিতাইপুখুৰীৰ তাৰা নাথ কোঁৱৰ আৰু চেৰেকাপাৰৰ তিলকান্ত বৰুৱা। ঠাণ্ডা-গৰমৰ ফালৰ পৰা এওঁলোক দুয়ো এক নম্বৰ কোঠালিত ঠাই পাবলগীয়া ল'ৰা আছিল। গতিকে যেতিয়া মই নিজকে "আজিৰ পৰা ৰক্ষা নাই" বুলি হুকুম দিলো, তাৰ পাছৰ পৰা কোঠালিটোত পঢ়া আৰু শোৱাৰ বাহিৰে অন্য কাম বেছি আৰু একো নাথাকিল। কেতিয়াবা আমি পঢ়ি থাকোঁতেই ভুটুংকৈ মোৰ তেতিয়াৰ অতি ঘনিষ্ঠ বন্ধু নৃপেন্দ্ৰ চন্দ্ৰ হাজৰিকা ওলায়হি; কোঠালিত সোমায়েই তেওঁ জোতা খুলি বিছনাত পেট পেলাই পৰি লয়, আৰু পঢ়িবলৈ লয়। তেৰোঁ ফিজিক্স অনাৰ্ছৰ পৰীক্ষাৰ্থী। পল্টন বজাৰত থকা নিজৰ ঘৰত পঢ়ি-পঢ়ি আমনি লগাৰ কাৰণে, বা আমাৰ হোষ্টেলৰ পঢ়া-শুনাৰ পৰিবেশটো ভাল কাৰণে, বা দুই-এটা কথা সোধা-সুধি কৰি পঢ়িব পাৰিব কাৰণে তেওঁ চাগে আমাৰ কোঠালৈ গুচি আহিছিল। কটন কলেজৰ দিনবোৰৰ শেষৰ ফাললৈ গুৱাহাটীৰ ভালেমান স্থানীয় ল'ৰাৰ লগত মোৰ ঘনিষ্ঠতা হৈছিল। তেওঁলোকৰ ভিতৰত উপেন ভূঞা (উপেন্দ্ৰ নাথ ভূঞা ঃ এওঁ আই. এ. এছ্ বিষয়া হিচাপে অসম চৰকাৰৰ সচিব পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছে) আৰু নৃপেন হাজৰিকাৰ লগত পাছৰ জীৱনৰ ভালেমান দিনলৈ মোৰ ঘনিষ্ঠ সম্পৰ্ক চলিয়েই আছিল। উপেন ভূঞাৰ কথা মোৰ শিৱসাগৰৰ দিনখিনিৰ কথা কওঁতে ওলাব; কিন্তু নৃপেন হাজৰিকাৰ কিছু কথা এতিয়াই কৈ থ'বলৈ মন গৈছে। এওঁৰ ঘৰত মতা নাম হ'ল পাঠান। (এওঁৰ

কথা এটা প্ৰসংগত মই আগতে উল্লেখ কৰি থৈছোঁ।) এই নামটো নক'লে বহু মানুহে মই কাৰ কথা কৈছোঁ ধৰিবই নোৱাৰিব যেন পাওঁ। পাঠানৰ জৰিয়তেই তেওঁলোকৰ ঘৰখনৰ নগা, মিৰি, মোগল, অঁকা, দফলা, ইৰাণী আৰু জাপানীৰ লগত মোৰ ঘনিষ্ঠতা হৈছিল; কিন্তু তেখেতসকলৰ সকলোৰে ভাল নামময়েই নাজানিছিলো। প্ৰখৰ বুদ্ধি, ৰসাল কথোপকথন আৰু মুক্ত আচৰণৰ বাবেই মই প্ৰথমে পাঠানৰ প্ৰতি আকৃষ্ট হৈছিলো। তৎক্ষণাৎ কৈ দিয়া তেওঁৰ একোটা কথাই মোক আনন্দ দিছিল। এটা উদাহৰণ ঃ এদিন আবেলি মই তেওঁৰ লগত তেওঁলোকৰ ঘৰলৈ গৈছোঁ। আগফালৰ বাৰাণ্ডাৰ হেলনীয়া আৰামী চকীখনত তেওঁৰ দেউতাক গোলাপ হাজৰিকা বহি আছে। তেখেতৰ আঁঠুটো বগা কাপোৰেৰে বান্ধি থোৱা (বেণ্ডেজ কৰা) আছে। ভিতৰলৈ গৈ মই পাঠানক সুধিলো, "দেউতাকৰ আঁঠুত কি হ'ল?" তেওঁ লগে-লগে ক'লে, "গৌলাপ নহয়,— সেইকাৰণে কলম দিছে। নতুন গোলাপ-পুলি এটা কৰিব।"

চাকৰি-জীৱন আৰম্ভ কৰাৰ পাছত দুয়ো নিজৰ-নিজৰ বাট বুলিবলৈ লওঁতে আঁতৰা-আঁতৰি হৈ গ'লো। বহুত দিনৰ মূৰে-মূৰে আমাৰ দেখাদেখি হয়। কিন্তু চিফ ইঞ্জিনিয়াৰ পদৰ পৰা অৱসৰ গ্ৰহণ কৰা এই মানুহজনৰ জীৱনটো মোৰ কাৰণে ইমান বিচিত্ৰ, ইমান ৰোমাঞ্চকৰ যে মই যদি সময় পালোহেঁতেন আৰু তেওঁ যদি মোক অনুমতি দিলেহেঁতেন তেনেহ'লে মই তেওঁৰ জীৱন-বৃত্তৰ মাজত থকা বীৰ, অদ্ভুত, হাস্য, শান্ত, কৰুণ আদি কেইবাটাও ৰসৰ কথা লিখিব পাৰিলোহেঁতেন। মোৰ এই লেখাত যথা সময়ত তেওঁৰ কিছু কথা ওলাই থাকিব; কিন্তু সদ্যহতে দুটা কথা উল্লেখ কৰি থওঁ। বহুত দিনৰ আগতে এদিন পাঠানহঁতৰ ঘৰলৈ গৈছিলো,— তেওঁক এবাৰ লগ ধৰোঁ বুলি। গৈছোঁও কেইবা বছৰৰ মূৰত। আগফালৰ বাৰাণ্ডাত বহি আমি দুয়ো কথা পাতি আছিলো। হঠাতে তেওঁ বন কৰা ল'ৰা এজনক মাতি ক'লে,— "মোৰ মেজতে ইমান ডাঙৰ কিতাপ এখন আছে লৈ আহচোন।" ল'ৰাজনে কিতাপখন আনিলে। পাঠানে কিতাপখন মোৰ ফালে আগবঢ়াই দিলে। এ. ছি. ভক্তিবেদান্ত স্বামী প্ৰভুপাদই ৰচনা কৰা Bhagavad-Gita As It is নামৰ কিতাপখন। টাইটল পে'জৰ প্ৰথম পৃষ্ঠাতে কঁপা-কঁপা আখৰেৰে লিখা আছে Presented to Bhaben Saika– Pathan 5-1-93. (Saikia নহয় Saika)। তেওঁ কেতিয়া এই কথাখিনি লিখি কিতাপখন থৈ দিছিল, কিয় সেই কাম কৰিছিল, সেইবোৰ মই ধাৰণা কৰিব নোৱাৰোঁ। তেওঁ মোক দিবলৈ ভাগৱত-গীতা এখন থৈ দিছে,— কথাটো মোৰ কাৰণে অবিশ্বাস্য আৰু অকল্পনীয় আছিল। মই সেইদিনা তেওঁৰ তালৈ যোৱাৰ কথাও নাছিল। কিবা মন গ'ল,— হঠাতে গৈছিলো।

তাৰ পাছত তেওঁৰ লগত আৰু মোৰ যোগাযোগ হোৱা নাই। দুসপ্তাহমানৰ আগতে হঠাতে এদিন সন্ধিয়াৰ পাছত তেওঁ মোলৈ ফোন কৰিছিল। মই তেওঁৰ মাতটো ধৰিবই

পৰা নাছিলো। দুৰ্বল শব্দবিলাক তেওঁৰ ডিঙিৰ পৰা বৈ-বৈ ওলাইছিল। আমাৰ মাজত দহটামান বাক্যৰ আদান-প্ৰদান হৈছিল। তেওঁৰ অসুখ। চোৱাচিতা কৰিবলৈ বন কৰা মানুহ এজন আছে। আৰু কোনো নাই। শেষত তেওঁ ক'লে,— "আপোনাৰ অসুখৰ খবৰটোৱে মোক effect কৰিছে।" মোৰ অসুখৰ খবৰ শুনি নানাজনে নানা ধৰণৰ কথা প্ৰকাশ কৰিছে, কিন্তু পাঠানৰ কথাষাৰৰ লগত কাৰো কথাৰ মিল নাই।

হোষ্টেলত আছিলো যদিও পঢ়া-শুনাৰ কথা যি আলোচনা কৰিবলগীয়া আছিল, পৰীক্ষাৰ আগৰ দিনখিনিত ঘাইকৈ পাঠানৰ লগতে কৰিছিলো।

এদিন পৰীক্ষা শেষ হৈ গ'ল। কাৰ পৰীক্ষা কেতিয়া শেষ হ'ল তাৰ হিচাপ ৰখা নাছিলো; কিন্তু আমি যেতিয়া প্ৰেকটিকেল পৰীক্ষা শেষ কৰোঁ, তেতিয়া হোষ্টেলৰ বেছিভাগ খাট খালী। চাৰিটা বছৰত কতবাৰ কলেজ বন্ধ হৈছে, কতবাৰ কিমান খালী খাট দেখিছোঁ,— কিন্তু সেইবাৰৰ খালী খাটবোৰৰ চেহেৰা বৰ বেলেগ-বেলেগ লাগিছিল। এইবোৰ খাট আকৌ কেতিয়াও কাৰো বিছনাই নাঢাকিব যেন লাগিছিল। হয়তো! ছেকেণ্ড মেছৰ খাটবিলাকৰ সেইটোৱেইতো মই দেখা শেষ দৃশ্য। তাৰ পাছৰ বছৰত, বা বছৰবোৰত কোনখন খাটত কোনে বিছনা পাৰিলে, সেইবোৰ কথাৰ লগত মোৰতো কোনো ঘনিষ্ঠতা নাথাকিল!

আমাৰ লগৰ ল'ৰাবোৰো গৈ-গৈ এদিন নোহোৱা হ'ল। একেবাৰে শেষত এদিন মই নাৰায়ণপুৰৰ কোষেশ্বৰক শুক্ৰেশ্বৰ ঘাটত বিদায় দিছিলো। পায়জামা আৰু আমাৰ সকলোৰে পৰিচিত গেৰুৱা ৰঙৰ দীঘল পাঞ্জাবিটো পিন্ধি সি নাওখনৰ মাজত থিয় হৈ আছিল। 'মিক্সাৰ পকাই' ছিগাৰেট খোৱাটো তাৰ এটা প্ৰিয় অভ্যাস আছিল। নাৱৰ বুকুতো মিক্সাৰ হুপি-হুপি সি এখন হাত জোকাৰি-জোকাৰি মোৰ পৰা বিদায় লৈছিল। চকুৰে মনিব পৰা হোৱালৈকে সি হাত জোকাৰিয়েই আছিল। ৰে'ল-ষ্টেছনত, বাছ-ষ্টেছনত কিমান ল'ৰাক "কটনৰ জীৱন শেষ" বুলি বিদায় দিলো, কিন্তু কোষেশ্বৰে বিদায় লোৱা দৃশ্যটোহে আজিও মই চকু মুদিলেই দেখিবলৈ পাওঁ।

বহু বছৰৰ মূৰত নাৰায়ণপুৰৰ পৰা কোষেশ্বৰৰ শ্ৰাদ্ধৰ ছপা কৰা চিঠি এখন পাইছিলো। কাষত তাৰ পুতেকে লিখিছিল, "খুৰাদেউ, দেউতাৰ মুখত শুনিছিলো,— আপুনি দেউতাৰ বন্ধু আছিল। শ্ৰাদ্ধলৈ আহিলে ভাল পাম।"

প্ৰসংগক্ৰমে, মোৰ কটনৰ শেষ বছৰৰ ৰুমমেট তিলকান্ত বৰুৱাক মই শিৱসাগৰ কলেজত কাম কৰোঁতে সহকৰ্মী হিচাপে পাইছিলো। এদিন অকলে বৰপুখুৰীৰ পাৰৰ বেঞ্চ এখনত বহি গুণগুণাই থাকোঁতে ওচৰতে ভমককৈ ওলাইছিলহি তাৰা কোঁৱৰ। তেওঁ তেতিয়া জুনিয়ৰ ইঞ্জিনিয়াৰৰ চাকৰি কৰিছিল। তেওঁৰ লগত সেয়াই মোৰ শেষ

দেখাদেখি। তেওঁ অকালতে ইহ সংসাৰ ত্যাগ কৰিছিল বুলি খবৰ পাইছিলো। কথাবোৰ সহ্য কৰিবলৈ বৰ টান লাগে।

কেতিয়াবা ৰাতি টেবল টেনিছ ব'ৰ্ডখনৰ ওপৰত অকলে বহি থাকোঁ। কথা এষাৰ পাতিবলৈ লগ নাই। পাঠানো ৰাতিটোৰ কাৰণে ঘৰলৈ যায়গৈ। কিযে নিৰ্জনতা! ইমানবোৰ কোঠালিৰ এটাতো লাইট নজ্বলে। সেইযে বৰঘুণীয়া বতৰত বেঁকা লোহা দুডালৰ ফাঁকেদি কটন কলেজত সোমাইছিলো! কিযে বিচিত্ৰ দিনবোৰ পাৰ হৈ গ'ল! কোন মুহূৰ্তত কি মনলৈ আহে, কি পাহৰি যাওঁ ঠিক নাই। ৰায়হান শ্বাহ ছাৰে সৰু-সৰু মাতেৰে কোৱা কথাবোৰ! ড. বাণীকান্ত কাকতী ছাৰে খুক-খুক-খুককৈ মৰা, কিন্তু বহু দূৰলৈকে শুনা হাঁহিটো! আমাৰ লগৰ ভূপতি ডেকা অংকত বৰ চোকা আছিল। তাকো যে ৰাধাকান্ত দাস ছাৰে ক্লাছত ডবিয়াইছিল! এদিন ভূপতিয়ে ছাৰে কৈ যোৱা কথাবোৰ বুজি গৈছিল কাৰণে মূৰ দুপিয়াই শলাগি আছিল; ছাৰে ঘোপাকৈ তাৰ ফালে চাই সুধিছিল, "বাজনা বজাইছা?"

এটা কথা স্বীকাৰ কৰি থওঁ। ড. বাণীকান্ত কাকতীক আমি কটন কলেজৰ প্ৰিন্সিপাল হিচাপে পাইছিলো। কিন্তু অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত তেখেত কোন আছিল, তাৰ উমান সেই দিনখিনিত পোৱা নাছিলো।

হোষ্টেল প্ৰায় খালী হৈ যোৱাৰ পাছতো মই থাকি যাবলগীয়া হৈছিলো,— ডেকা আৰু জিলিকাৰামৰ দোকানত বিছুটকামান দিবলৈ বাকী আছিল কাৰণে। মেছৰ পাগঘৰ ছাত্ৰৰ কাৰণে বন্ধ হৈ গৈছিল। পাণবজাৰৰ সৰু-সুৰা হোটেলত যিমান পাৰোঁ কম পইচাৰে চাহ-ভাত খাই দিনকেইটা কটাইছিলো। একমাত্ৰ আশা, — পাঠানে মোক উদ্ধাৰ কৰিব। শেষত তেওঁ কামটো কৰিলেও। তেওঁ বাঁওহাতৰ আঙুলিত বায়েকৰ সোণৰ আঙঠি এটা পিন্ধি আছিল। সেই যে হোষ্টেলৰ সন্মুখৰ শুক্লা ৰায়ৰ ভায়েক ভানু ৰায়, তেওঁক আঙঠিটো বন্ধকত দি পাঠানে টকা ত্ৰিছটা লৈ মোক দিলে। ডেকা আৰু জিলিকাৰামৰ দোকানৰ ধাৰ মাৰিলো, আৰু পাছদিনাই টেবল টেনিছ ব'ৰ্ডখন চুই, হাতখন কপালত লগাই, ছেকেণ্ড ব্লকৰ ছিৰিয়েদি ঘৰলৈ বুলি নামি আহিলো। আমাৰ হোষ্টেলত ভালকৈ মাত নুফুটা কৰ্মচাৰী এজন আছিল। তেওঁৰ প্ৰথম কাম আছিল হাতত বহী এখন লৈ সদায় কোঠালিয়ে-কোঠালিয়ে কাৰ-কাৰ অসুখ হৈছে তাৰ খবৰ লৈ ফুৰা। অসুখ হোৱা ল'ৰাই সেই বহীখনত লিখিব লাগে তেওঁৰ কৈছে;— কাহ, জ্বৰ, মূৰৰ বিষ, পেটৰ অসুখ—। সেই বহীখন লৈ তেওঁ ওচৰতে থকা কটন কলেজৰ হস্পিটেলখনলৈ যায়; ডাক্তৰে বহীখন চাই ঔষধ দিয়ে, আৰু তেওঁ ঔষধ আনি অসুখীয়া ল'ৰাক বিলাই দিয়ে। তেওঁৰ দ্বিতীয়টো কাম আছিল কোন-কোন ল'ৰাই অসুখৰ খাদ্য (sick diet) খাব, তাৰ হিচাপ নি পাগঘৰৰ ঠাকুৰক দাখিল কৰা।

ছেকেণ্ড মেছ এৰাৰ সময়ত সেই কৰ্মচাৰীজনে আধা ফুটা মাতেৰে মোক বিদায়-সম্ভাষণ জনাইছিল।

হিৰণ্য ভূঞা ছাৰৰ আগত নিজৰ সম্মানটো ৰক্ষা কৰি ছেকেণ্ড ক্লাছ অনাৰ্ছ লৈ বি. এছ. ছি পাছ কৰিলো। তাৰ পাছত ? অলপ দূৰ সম্পৰ্কীয় ককাইদেউ এজনে এদিন মোৰ কাণ চোবাইছিল,— পঢ়া-শুনা ঢেৰ কৰিলা; গ্ৰেজুৱেট হ'লা; এতিয়া চাকৰি-বাকৰিকে বিচাৰা। আগতেই পঢ়া-শুনা এৰি দিয়া হ'লে মনৰ গাঁথনি কেনেকুৱা হ'লহেঁতেন নাজানো, কিন্তু বি. এছ. ছি. পাছ কৰাৰ পাছত মোৰ ধাৰণা হ'ল,— ইমান দূৰ আহি ৰৈ যাব নলগীয়া হ'লে ভাল। আৰু অলপ—। অন্ততঃ বি. এছ. ছি.ৰ ঢাপটো পাৰ হোৱাৰ পাছত সমুখৰ বাটটোৰ যিখিনি মনিব পৰা হৈছোঁ, সেইখিনি আগুৱাই যাব পাৰিলে! ইফালে গুৱাহাটী বিশ্ববিদ্যালয়ত ফিজিক্সত এম. এছ. ছি পঢ়াৰ ব্যৱস্থা হোৱা নাই। গতিকে আটাইতকৈ ওচৰৰ সম্মানীয় বিশ্ববিদ্যালয়— কলিকতা বিশ্ববিদ্যালয়ৰ কথা ভবাৰ বাহিৰে উপায় নাছিল। ভাৰত চৰকাৰে অনুসূচিত সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে দিয়া যিটো বৃত্তি মই যোৱা চাৰি বছৰে পাই আছিলো, সেইটোতো পামেই চাগে! নাপাবলগীয়া কামতো একো কৰা নাই! নিশ্চয় পাম। এইখিনিতে এটা কথা কৈ থওঁ। ভাৰত চৰকাৰৰ উক্ত বৃত্তিৰ আঁচনিখনে দেশখনৰ যিসকল লোকক সৰ্বাধিক উপকৃত কৰিলে, যিসকল লোকে সেই আঁচনিখৰ অধীনত পোৱা প্ৰতিটো পইচা কামত লগাই শিক্ষা আহৰণৰ চেষ্টা কৰিলে, সেইসকলৰ ভিতৰত ময়ো এজন। মোৰ জীৱনৰ প্ৰতি সেই আঁচনিখনৰ বৰঙণিৰ কথা মই কৃতজ্ঞতাৰে সোঁৱৰোঁ। আঁচনিখনে মোক মোৰ জীৱনটো গঢ়াত এনেকৈ সহায় কৰিলে যে মোৰ ছোৱালী দুজনীৰ ক্ষেত্ৰত মই কাহানিও সেই আঁচনিৰ কথা মনলৈ নানিলো। মই উপলব্ধি কৰিলো,— আঁচনিখনে মোক ইমান সহায় কৰিলে যেতিয়া, মই এতিয়া মোৰ ছোৱালীহঁতক নিজে সহায় কৰা উচিত। আৰু ছোৱালীহঁতেতো নিজৰ বিদ্যা-বুদ্ধি-কৰ্মৰে নিজকে সহায় কৰিব লাগিবই। একেটা উৎসৰ পৰা পুৰুষানুক্ৰমে সহায় নোলোৱাকৈ থাকিব পাৰিলে ভাল। তেতিয়া সেই সহায় অইন প্ৰকৃত অভাৱগ্ৰস্ত সাহায্যপ্ৰাৰ্থীলৈ যোৱাৰ সম্ভাৱনা থাকে।

# চাৰি

আগতেই কৈ থৈছোঁ, ১৯৪৮ চনত লিখা 'আতংকৰ শেষত' নামৰ কিতাপখন নগাঁৱৰ 'পুথিঘৰে' ১৯৫২ চনত ছপা কৰি উলিয়ালে, আৰু 'পুথিঘৰ'ৰ মালিক শ্ৰীকমল চন্দ্ৰ বড়াই মোক চাৰিশ টকা দিলে। সেইখিনি টকা মোৰ হাতত পৰাৰ যেন তাতকৈ ভাল সময় নাছিল। কলিকতাৰ হাৰ্ডিঞ্জ হোষ্টেলত থকা মহেন্দ্ৰ বৰাৰ্কৈ কলিকতা বিশ্ববিদ্যালয়ৰ এম. এছ. ছি. ক্লাছত নাম লগোৱাৰ সময় আৰু অন্যান্য কিছু কথা জানিবলৈ মই এখন চিঠি লিখিছিলো। চিঠিখনৰ উত্তৰ আহিল। পঢ়ি চাই দেখোঁ,— সময় নায়েই। আচলতে ময়েই তেখেতলৈ চিঠিখন লিখাত পলম কৰিছিলো। লাগিল লৰা-ঢপৰা। বস্তু-বাহানি যি আছে তাকে সামৰি ১৯৫২ চনৰ আগষ্ট মাহত ঘৰ এৰিলো। এইবাৰ আৰু দূৰলৈ বুলি। আমাৰ ঘৰৰ কাষৰ,—একালৰ মহৰীবাবু থকা ঠাইত নতুনকৈ সজা ঘৰ এটাৰ দুটা কোঠালি ভাৰা লৈ কলিকতাৰ ঔষধ কোম্পানি এটাৰ এজেণ্ট এজনে ব্যবসায় আৰম্ভ কৰিছিল। প্ৰবাসত আমাৰ ঘৰখনকে মানুহজনে আপোন কৰি লৈছিল। তেওঁ মোক কলিকতা সম্পৰ্কে দিহা-পৰামৰ্শ দি শেষত চকুপানী মচি থকা বৌক অভয় দিলে,— আমি কলিকতাৰ মানুহ। কোনো চিন্তা নকৰিব। আমি আছোঁ। পিতাইক সেৱা কৰোঁ; পিতায়ে কেৱল মোৰ মূৰৰ চুলিখিনিত হাত ফুৰাই দিয়ে; মুখেৰে একো নকয়। বৌক সেৱা কৰোঁ,—অস্ফুট মাতেৰে বৌৱে সদায় সেই একে কেইষাৰ কথাকে কয় ঃ "চিৰঞ্জীৱী হ। মনোবাঞ্ছা পূৰ্ণ হওক। এই নামে নাম নহয়, আৰু নাম আছে।"

কেনেকৈ কেতিয়া বৌৱে এই বাক্যকেইটা আশীৰ্বাদৰ কাৰণে ঠিক কৰি লৈছিল ক'ব নোৱাৰোঁ। প্ৰথম অৱস্থাত বাক্যকেইটা মোৰ আবেগৰ ওপৰেদি পাৰ হৈ গুচি গৈছিল; কিন্তু লাহে-লাহে সেইকেইটাই মোৰ মনত থিতাপি ল'লে । এতিয়া উপলব্ধি কৰোঁ,— বৌৰ আৰু ক'বলৈ থাকিলনো কি? মোৰ যদি মনোবাঞ্ছা ভাল হয়, আৰু সেই মনোবাঞ্ছা যদি পূৰ্ণ হয়, তেনেহ'লে মোক আৰু লাগে কিটো? আজিও, যেতিয়াই মনোবলৰ অভাৱ অনুভৱ কৰোঁ, যেতিয়াই শুভেচ্ছাৰ প্ৰয়োজন হয়, তেতিয়াই মই এই বাক্যকেইটা স্মৰণ কৰোঁ।

গুৱাহাটীলৈ আহি দুই-এজনৰ লগত কথা পাতি বুজিলো, ৰে'লত গ'লে কলিকতাৰ কামত মোৰ পলম হ'ব পাৰে। গতিকে ঠিক কৰিলো— এৰোপ্লেনত যাম। ভাৰা যাঠি

টকামান লাগিব। ভাৰত এয়াৰৱেইজৰ ডাকোটা প্লেনত উঠিলো। সেইদিনাই জীৱনত প্ৰথম প্লেনত উঠি পালো। প্লেনখন আগৰতলাত নামিল। কোনোবাই আমাক এয়াৰপ'ৰ্টৰ ৰেস্তোঁৰাখনলৈ যাবলৈ ক'লে। তাত আমাক ভাৰত এয়াৰৱেইজ কৰ্তৃপক্ষই 'লাঞ্চ' খুৱাব। এখন মেজত মই অকলে বহিলো। চুচুক-চামাককৈ। বেয়াৰা এজনে 'ছুপ' এবাটি দি গ'ল। সঁচাকৈয়ে কৈছোঁ,— মই ভাবিছিলো,—সেয়াই 'লাঞ্চ'। কথাটো ভাল পোৱা নাছিলো। লাহে-লাহে খাবলৈ ল'লো। এসময়ত বেয়াৰাজনে সসম্ভ্ৰমে ক'লেহি, "প্লেন যাবলৈ বেছি সময় নাই চাহাব। অলপ লৰালৰি কৰক।" তাৰ পাছতে তেওঁ কেইবাটাও বাচনত ভাত, মুৰগী মাংস, দাইল, ভাজি আদি সমুখত থ'লেহি। মই ভাত-মাংসত হাত দিয়াৰ অলপ পাছতে ঘোষণা কৰা হ'ল,— এৰোপ্লেন যাবৰ সময় হ'ল। উঠি গুচি আহিলো। আজিও এনেকুৱা লাগে, যেন আগৰতলালৈ গৈ এৰি থৈ অহা বস্তুখিনি খাই আহিমগৈ!

টেক্সিৱালাৰ সহায়ত কলুটোলা ষ্ট্ৰিটত থকা হাৰ্ডিঞ্জ হোষ্টেল ওলালোগৈ। মোৰ লক্ষ্য ব্যক্তি আছিল মহেন্দ্ৰ বৰা। কিন্তু মোক আগ্ৰহেৰে সহায় কৰিবলৈ আগবাঢ়ি আহিল মহেশ ভূঞা (তেখেতে তেতিয়া কলিকতা বিশ্ববিদ্যালয়ত কেমিষ্ট্ৰিৰ এম. এছ.ছি. পঢ়ি আছিল)। বাৰাণ্ডাত প্ৰফুল্ল গোবিন্দ বৰুৱাকো (বৰ্তমানৰ The Assam Tribune কাকতৰ সম্পাদক) লগ পালো। মহেশ ভূঞা আৰু মহেন্দ্ৰ বৰাই কলিকতাৰ প্ৰথম পাঠ হিচাপে মোক হাৰ্ডিঞ্জ হোষ্টেলৰ চমু বুৰঞ্জী ক'লে। ইয়াত এশ আঠটা ছিৰি আছে। এইটো আচলতে ওকালতি পঢ়া ছাত্ৰৰ হোষ্টেল আছিল। ধনী-ধনী মানুহৰ জোঁৱায়েকসকলে ইয়াত ছাত্ৰ হিচাপে বাস কৰিছিল। তেওঁলোকৰ বহুতে দীঘল নলী লগোৱা গুৰগুৰীৰে ধপাত খাইছিল। এইবোৰ কাৰণতে এই হোষ্টেলটো 'জামাই বাবুৰ হোষ্টেল' নামে জনাজাত আছিল।

কিছু সময়ৰ পাছতে ভূঞাই মোক হেৰিছন ৰ'ডত, শিয়ালদহ ষ্টেছনৰ অলপ দূৰতে থকা ইম্পিৰিয়েল লজ নামৰ হোটেল এখনলৈ লৈ আহিল। তাতে ইতিমধ্যে লক্ষ্মীনন্দন বৰা আৰু কৃষ্ণ বৰাকো তেখেতসকলে থকাৰ ব্যৱস্থা কৰি দিছিল। (পাছলৈ কেমিষ্ট্ৰিৰ শিক্ষক হোৱা কৃষ্ণ বৰাই উচ্চতৰ মাধ্যমিক পৰিষদৰ অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰি অসম জাতীয় বিদ্যালয় নামৰ প্ৰতিষ্ঠানটোৰ কামত আত্মনিয়োগ কৰিছে।) পাঁচমহলীয়া হোটেলখনৰ ছাদত পাগঘৰ আৰু কেইটামান ছালি-ঘৰ;— সেই ছালিঘৰতে আমি থাকিবলৈ ল'লো। ইয়াৰ আগতে এয়কাৰম্যনৰ নামত কলিকতালৈ আহোঁতে মাটিৰ মহলাতে থাকি উভতি গৈছিলো বুলিব লাগে;— এইবাৰ প্ৰথম পাঁচমহলীয়া ঘৰ এটাৰ ছাদৰ পৰা কলিকতা মহানগৰৰ ৰূপৰ আভাস এটা পালো। বেলি মাৰ গৈছে। দূৰ-দূৰলৈকে অসংখ্য ঘৰৰ ছাদৰ পৰা পাক খাই-খাই ওপৰলৈ ধোঁৱা উৰিছে। আমাৰ

হোটেলৰ ছাদৰ পৰাও উৰিছে। মানুহবোৰে ৰাতিৰ কাৰণে চৌকাত (চুলাত) কয়লা জ্বলাইছে। বহুতো ঘৰৰ ৰেলিঙৰ পৰা তেতিয়াও শুকাবলৈ দিয়া কাপোৰ ওলমি আছে; কিছুমান ঘৰৰ ৰেলিঙত ভৰা দি গৃহস্থ-গৃহিণী, বোৱাৰী-জীয়ৰীয়ে তলৰ যান-বাহন, মানুহৰ সোঁত চাইছে। তলত ট্ৰামগাড়ীৰ বাবে টানি থোৱা ইলেকট্ৰিছিটিৰ তাঁৰৰ লগত ট্ৰামগাড়ীৰ ওপৰৰ দণ্ডডালৰ মূৰত থকা চকাটো ঘঁহনি খোৱাৰ ফলত মাজে-মাজে চৰক-চৰকৈ ফিৰিঙতি ওলাইছে। মোৰ পৰা অলপ দূৰতে, পাগঘৰৰ দুৱাৰমুখত বহি ওৰণি লোৱা মানুহ এজনীয়ে ৰাতিৰ সাঁজৰ কাৰণে পাছলি কুটিছে।

ক'ত যে কেনেকৈ জীৱনৰ নতুন অধ্যায় একোটা আৰম্ভ হয়, ভাবিলে আচৰিত হ'ব লাগে।

এনেকৈ হোটেলৰ ছাদততো বেছি দিন থাকিব নোৱাৰি! গতিকে পাছদিনাই থকা ঠাইৰ সন্ধান কৰিলো। প'ষ্ট গ্ৰেজুৱেট হোষ্টেলত ঠাই পোৱা-নোপোৱাটো পঢ়িবলৈ ঠাই পোৱা-নোপোৱাৰ ওপৰত নিৰ্ভৰ কৰিব; কিন্তু আমাক এতিয়াই কম খৰচৰ, ন্যূনতম সুবিধাখিনি থকা ঠাই এডোখৰ লাগে। আবেলি হোটেললৈ খোজ কাঢ়ি আহি থাকোঁতে দেখিলো,— হোটেলখনৰ ওচৰতে ৰাস্তাটোৰ সিপাৰে ঘৰ এটাৰ দুৱাৰত এখন সৰু ছাইনব'ৰ্ড। তাত লিখা কথাখিনিৰ পৰা বুজিলো, ঘৰটোত এখন নতুন হোটেল খোলা হ'ব। সোমাই গৈ দেখিলো,— হয়, নতুনকৈ চূণ-তেল দি ঘৰটো হোটেলৰ কাৰণে সাজু কৰা হৈছে। মালিকজনে ক'লে, "আপোনালোকে ইচ্ছা কৰিলে কাইলৈৰ পৰাই ইয়াত থাকিব পাৰে।"

পাছদিনাই আমি বস্তু-বাহানি লৈ সেইটো ঘৰলৈ গ'লো। খাট, আলনা আৰু চকী-মেজেৰে কোনোমতে দুটা কোঠালি থাকিব পৰা কৰা হৈছে। কৃষ্ণ বৰা অইন ঠাইলৈ গ'ল; মই আৰু লক্ষ্মীনন্দনে তাত থাকিবলৈ ল'লো। আমাৰ লগ লাগিলহি প্ৰবোধ শৰ্মা। তেওঁ কলিকতা ওলাইছেহি ৰেডিঅ' ফিজিক্স পঢ়িবলৈ। হোটেলখনৰ ৰান্ধনি ঘৰটোত ৰন্ধা-বঢ়াৰ কাম আৰম্ভ কৰা হোৱাই নাই। গতিকে মালিকে নিজৰ ঘৰত ৰন্ধা ভাত-তৰকাৰী টিফিন কেৰিয়াৰত ভৰাই আমাক দুয়োবেলা যোগান ধৰি থাকিল। এই ঘৰটোৰ সপক্ষে থকা এটা ভাল কথা আছিল,— পুৰা ৰাস্তাৰ ফালৰ দুৱাৰখন খুলিলেই সিপাৰে ছাত্ৰ-ছাত্ৰীয়ে সজীৱ কৰি ৰখা প্ৰসিদ্ধ সুৰেন্দ্ৰ নাথ কলেজখন (আগৰ ৰিপন কলেজ) দেখিবলৈ পাইছিলো।

বি. এছ. ছি. পৰীক্ষাৰ নম্বৰৰ ভেটিত নে কিহৰ ভেটিত ক'ব নোৱাৰোঁ,— মই, লক্ষ্মীনন্দন, (শ্ৰীমতী) সৰোজ দত্ত আৰু তুলতুল ভৰালীয়ে (পাছলৈ বৰুৱা) প্ৰেছিডেন্সি কলেজত ঠাই পালো। (সৰোজ দত্তই মেট্ৰিক পৰীক্ষাৰ পৰা বি. এছ. ছি. পৰীক্ষালৈকে এটাইকেইটা পৰীক্ষাতে মেধাবী ছাত্ৰী হিচাপে কৃতিত্ব প্ৰদৰ্শন কৰিছিল; পাছলৈ অসম

চৰকাৰৰ শিক্ষা বিভাগৰ শীৰ্ষস্থানীয় বিষয়াৰ আসন গ্ৰহণ কৰিছিল, আৰু অকালতে মৃত্যু বৰণ কৰিছিল।) প্ৰথমতে ভাবিছিলো, ছায়েন্স কলেজত ছিট নোপোৱাটো বেয়া কথা হ'ল হ'বলা; কিন্তু পাছলৈ সেই ভাবটো নাইকিয়া হ'ল। নামত দুটা বেলেগ প্ৰতিষ্ঠান হ'লেও প্ৰেছিডেন্সি আৰু ছায়েন্স কলেজৰ থিয়'ৰি ক্লাছ একেলগে হয়। আমি ছায়েন্স কলেজত হোৱা ক্লাছবোৰলৈ বাছত উঠি বা কেতিয়াবা গলিয়ে-গলিয়ে বাট চমুৱাই খোজ কাঢ়ি যাওঁ, আৰু আমাৰ কলেজত হোৱা ক্লাছবোৰলৈ ছায়েন্স কলেজৰ ল'ৰা-ছোৱালীহঁত আহে। প্ৰেকটিকেল নিজৰ-নিজৰ কলেজত বেলেগে-বেলেগ হয়।

কিছুদিনৰ পাছতে ১/ এ মহাৰাণী স্বৰ্ণময়ী ৰ'ডত থকা প্ৰেছিডেন্সি কলেজৰ প'ষ্টগ্ৰেজুৱেট হোষ্টেলত মই আৰু লক্ষ্মীনন্দনে ঠাই পালো। ঘৰটো কোনোবা আঢ্যৱন্ত লোকৰ বাসভৱন আছিল; কলেজে ভাৰালৈ লৈ তাতে হোষ্টেল পাতিছে। বাংলা উপন্যাস কিছুমানত যে বড় বৌ, মেজ বৌ, ছোট বৌ, ঠাকুৰপো আদিয়ে পিনপিনাই ফুৰা এবিধ প্ৰাচীন ঘৰৰ বৰ্ণনা পাওঁ, এই ঘৰটো সিমান প্ৰাচীন নাছিল; কিন্তু ঘৰটোত প্ৰাচীন আৰু আধুনিক ঘৰৰ মাজৰ কালছোৱাৰ এক আভিজাত্য আছিল। ঘৰটোৰ আৰ্হি, আকাৰ-আয়তন, মাৰ্বলৰ ব্যৱহাৰ আদিয়ে গৰাকীৰ ধন আৰু ৰুচি দুয়োৰে পৰিচয় বহন কৰিছিল। পশ্চিম সীমাত বিৰাট চৌহদৰে কোনোবা জমিদাৰ পৰিয়ালৰ দুমহলীয়া প্ৰকাণ্ড ঘৰ এটা, পূব সীমাত চতুৰ্থ শ্ৰেণীৰ ছিনেমা হল এটা, উত্তৰ সীমাত ৰাধাবাজাৰ ট্ৰাম ডিপো,— মাজৰ এই ঘৰটোত চিৰ পৰিচিত হোষ্টেলৰ পৰিবেশৰ সলনি এটা ঘৰুৱা পৰিবেশৰ নতুনত্ব পাম বুলি আশা কৰি 'কলিকতীয়া জীৱন' আৰম্ভ কৰিলো।

মহাৰাণী স্বৰ্ণময়ী ৰ'ডত থকা কাৰণে এই হোষ্টেলটোক আমি চমুতে স্বৰ্ণময়ী হোষ্টেল বুলিয়েই কৈছিলো। হোষ্টেলটোৰ যিটো কোঠালিত মই প্ৰথমে থাকিবলৈ পাইছিলো, সেইটো আছিল প্ৰথম মহলাৰ মাজভাগতে থকা ডাঙৰ কোঠালিটো। এইটো একালত গৃহস্থসকলৰ ড্ৰইংৰুম আছিল যেন অনুমান হৈছিল। অইনবোৰ কোঠালি যেনেকৈ চকী-মেজ আদিৰে হোষ্টেল হিচাপে সজোৱা হৈছিল, এইটো তেনেকৈ সজোৱা হোৱা নাছিল; তাত কেৱল কেইখনমান তক্তাপোছ থৈ দিয়া আছিল। তাৰে এখনত মই বিছনা পাৰি লৈছিলো। এই কোঠালিটোৰ বিষয়ে মোৰ মনত ৰাখিব লগীয়া দুটা ওপৰঞ্চি কথা আছে। প্ৰথম কথাটো হল : এইটো কোঠালিৰ সেই খাটখনতে পেট পেলাই পৰি লৈ মই ৰণভংগ নামৰ গল্প এটা লিখিছিলো। ড. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সম্পাদনা কৰা ৰামধেনুত ছপা হোৱা সেইটোৱেই মোৰ প্ৰথম গল্প আছিল। অন্য এখন ৰচনাত মই লিখিছোঁ— সাহিত্য সম্পৰ্কীয় কিবাকিবি লিখা-মেলাৰ ক্ষেত্ৰত এই গল্পটোৰ লগে-লগে মোৰ 'ল'ৰালি'ৰ অধ্যায়টো শেষ হ'ল বুলিব পাৰি। 'ল'ৰালি' শেষ হওক-নহওক, এটা যে নতুন অধ্যায় আৰম্ভ হ'ল, সেইটো হ'লে ঠিক।

দ্বিতীয় কথাটো ভালেমান দিনৰ পাছৰ। তেতিয়া আমি যথাযোগ্য কোঠালিত বিছনা লৈছোঁ। ডাঙৰ কোঠালিটোৰ খাটকেইখন এনেয়ে থাকে। এদিন গুৱাহাটীৰ পৰা বাপু (অভিনেতা আৰু টিপ্পনীকাৰ তছদ্দুক ইউছুফ) আৰু মোৰ সৰুকালৰে বন্ধু ভাইটি (বিজয় ভূএগ্রা) স্বৰ্ণময়ী হোষ্টেল ওলালহি। তেওঁলোকে ক'লে,— আজি ৰাতি আমি ইয়াতে থাকিম। আমি তোমাৰ গেষ্ট। মই বোলোঁ— থাকা। আৰ-তাৰ পৰা কাপোৰ-কানি কিছুমান যোগাৰ কৰি সেই খালী হৈ থকা কোঠালিটোৰ খাট দুখনত তেওঁলোকৰ কাৰণে বিছনা পাৰি দিলো; আৰু এসময়ত— "তোমালোক শোৱা, গুডনাইট" বুলি কৈ মই নিজৰ কোঠালিলৈ গুচি গ'লো। পুৱা সোনকালে উঠি আলহীৰ খবৰ ল'বলৈ আহি দেখোঁ,— দুয়ো কাপোৰবোৰ মাটিত পাৰি তাৰ ওপৰত কোঁচ-মোচ খাই পৰি আছে। কথাটো কি? উৰহ। খাটবোৰত ইমান উৰহ যে গোটেই ৰাতি তেওঁলোকে বোলে পাঁচমিনিট সময়ো থিৰেৰে থাকিব পৰা নাছিল। শেষত উপায় নাপাই— দোকমোকালি সময়ত তেওঁলোক মাটিলৈ নামি আহিছিল। বন্ধুত্বৰ সুৰ অক্ষুণ্ণ ৰাখিলে যদিও, তেওঁলোকে মোক বৰ গালি পাৰিলে। এনেকুৱা বিছনাত তুমি আমাক শুবলৈ দিয়া?

যোৱা ১৫ জুলাই তাৰিখে বিজয় ভূএগ্রাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত মেট্রিক পৰীক্ষা পাছ কৰা প্ৰথম দলটোৰ ল'ৰা-ছোৱালীহঁতৰ সন্মিলন এখন পতাৰ কথা আলোচনা কৰিবলৈ তেওঁৰ ঘৰতে কেইজনমানক গোট খুৱাইছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্বৰ্ণজয়ন্তী উপলক্ষে এই সন্মিলনখন পতা ভাল হ'ব বুলি তেওঁৰ ধাৰণা হৈছে। এই বিষয়ে টেলিফোনেৰে মোৰ লগত যোগাযোগ কৰোঁতে আচল কথাৰ শেষত মই তেওঁক সুধিছিলো, — স্বৰ্ণময়ীৰ উৰহৰ কামোৰৰ কথা মনত আছে নে ভাইটি? তেওঁ ক'লে,— সেই কথাটো মনত পৰিলে তেওঁ বোলে এতিয়াও মোক গালি পাৰে। বাপুৱেও তেওঁৰ মৃত্যুৰ আগলৈকে বহুবাৰ মোৰ আগত কথাটো কৈ আমোদ পাইছিল।

ছায়েন্স কলেজ আৰু প্ৰেছিডেন্সি কলেজ,— দুয়োখন কলেজেই আমাৰ হোষ্টেলৰ পৰা খোজ কাঢ়ি যাব পৰা দূৰতে আছিল। কেতিয়াবা কিবা কাৰণত বাছত গৈছিলো যদিও বেছিভাগ দিনতে হাতত কিতাপ-বহী লৈ তাহানি কীৰ্তনঘৰ ৰ'ডৰ ঘৰৰ পৰা নগাঁও গৱৰ্নমেণ্ট হাইস্কুললৈ যোৱা ঘটনাৰে পুনৰাবৃত্তি ঘটাইছিলো। প্ৰেছিডেন্সি কলেজলৈ যোৱা বাটটো মোৰ প্ৰিয়, আমনি নলগা বাট আছিল। হোষ্টেলৰ পৰা ওলাই আপাৰ ছাৰ্কুলাৰ ৰ'ড পাৰ হৈয়েই বৈঠকখানা ৰ'ডত (ঠেক গ'লি) সোমাওঁ। সেইটোক কিতাপ-বহী-কেলেণ্ডাৰ বন্ধা দপ্তৰীৰ গ'লি বুলিব পাৰি। সেই গ'লি এৰি, হেৰিছন ৰ'ড পাৰ হৈ আকৌ কিতাপৰ দোকানৰ ৰাজ্য এখনতে সোমাওঁ। সেই ৰাজ্যৰ দাঁতিতে প্ৰেছিডেন্সি কলেজ। প্ৰেছিডেন্সি কলেজত আমাক পঢ়াইছিল ড. কুলেশ চন্দ্ৰ কৰ আৰু ৰাজেন্দ্ৰলাল সেনগুপ্তৰ নিচিনা সেই কালৰ গৱেষণা আৰু অধ্যাপনাত সুনাম অৰ্জন কৰা পণ্ডিতে।

ইফালে ছায়ন্স কলেজত পঢ়াইছিল ড. সত্যেন্দ্র নাথ বসু, ড. শিশিৰ কুমাৰ মিত্ৰ, ড. বি. ডি. নাগচৌধুৰী, ড. শ্যামাদাস চাটাৰ্জী আদি বিখ্যাত বিজ্ঞানী আৰু অধ্যাপকে। মোৰ বিশ্বাস,— এখেতসকলৰ জ্ঞান-গৰিমাৰ সঠিক আভাস এম. এছ. ছি. মহলাৰ ছাত্ৰ হিচাপে দুটা বছৰৰ ভিতৰত কিছুসংখ্যক ক্লাছ-লেকচাৰ শুনি পাব নোৱাৰি;— তাৰ বাবে এখেতসকলৰ অধীনত গৱেষণা কৰাৰ সুবিধা পাব লাগে। সেই কালত স্কুল-কলেজ-বিশ্ববিদ্যালয়ত আঞ্চলিক ভাষাৰে পাঠদান কৰাৰ কথাটো ওলোৱা নাৰ্ছিল যদিও সত্যেন বোস ছাৰে আমাক ৰিলেটিভিটি পঢ়াওঁতে যিমান পাৰে বাংলা ভাষা ব্যৱহাৰ কৰিছিল। নাগচৌধুৰী ছাৰ পাছলৈ ভাৰত চৰকাৰৰ আণৱিক-বিজ্ঞান ক্ষেত্ৰৰ উপদেষ্টা হৈছিলগৈ। শ্যামাদাস ছাৰে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰি যাদবপুৰ বিশ্ববিদ্যালয়ত কাম লৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা ল'বলৈ তেখেত এবাৰ গুৱাহাটীলৈ আহিছিল। সাধাৰণ ছাত্ৰ হিচাপে মোৰ প্ৰতি থকা তেখেতৰ সম্ভাৱ আৰু মৰমৰ কথা মই বৰ শ্ৰদ্ধা আৰু আগ্ৰহেৰে সোঁৱৰোঁ। নাগচোধুৰী ছাৰক তেখেতৰ কৰ্মজীৱনৰ অতি ব্যস্ত আৰু উজ্জ্বল সময়ছোৱাতো এদিন লগ পাইছিলো। তেখেতৰ মনৰ পৰা মই যে হেৰাই যোৱা নাই, সেই কথাটো লক্ষ্য কৰি সেইদিনা বৰ আনন্দ পাইছিলো। কৃতী ছাত্ৰ হিচাপেও নহয়, বেয়া গুণৰ কাৰণেও নহয়,— কিবা এটা কাৰণত মোৰ শিক্ষক এজনে মোক মনত ৰাখিছে,— এইটো এজন ছাত্ৰৰ কাৰণে বৰ আনন্দৰ কথা। বহুদিনৰ পাছত অনাতাঁৰ নাটকৰ বিচাৰক-মণ্ডলীৰ সদস্য হিচাপে গৈ দিল্লীত আন এগৰাকী সদস্য দীপালী নাগচৌধুৰীক লগ পাইছিলো। শস্ত্ৰীয় সংগীতৰ এই যশস্বী শিল্পীগৰাকী আছিল নাগচৌধুৰী ছাৰৰ পৰিবাৰ। তেখেতৰ মুখতে সেইবাৰ নাগচৌধুৰী ছাৰলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছিলো। এই সৰু-সৰু যোগাযোগবোৰ একো সময়ত মনৰ পাৰত বালিচন্দাৰ নিচিনাকৈ চিকমিকাই উঠে।

ক্লাছ আৰম্ভ হোৱাৰ কিছুদিনৰ ভিতৰতে একেলগে পঢ়া ল'ৰাজাকৰ মাজৰ বিমল চাটাৰ্জী, সুনীল ৰায়, হিমাংশু সাহা, নৃপেশ ঘোষ আৰু দিলীপ সেন,— এইকেইজন মোৰ ঘনিষ্ঠ বন্ধু হৈ পৰিছিল। ঘনিষ্ঠ মানে, সময়ে-অসময়ে আমাৰ হোষ্টেললৈ আহি, মোৰ বিছনাত ভৰি তুলি বহি, সিহঁতে ঘণ্টাৰ পাছত ঘণ্টা কথা পাতি কটাই দিব পাৰিছিল। সিহঁতৰ ভিতৰত বিমল আৰু দিলীপ বাংলা সাহিত্যৰ প্ৰতি— বিশেষকৈ গল্প আৰু উপন্যাস সাহিত্যৰ প্ৰতি গভীৰভাৱে আকৃষ্ট আছিল। ইতিমধ্যে সুবোধ ঘোষ, সন্তোষ ঘোষ, নৰেন্দ্ৰ নাথ মিত্ৰ, বিমল কৰ, হৰিনাৰায়ণ চট্টোপাধ্যয় আদি সেই কালৰ আগশাৰীৰ লেখকসকলৰ ৰচনা মই মনোযোগেৰে পঢ়িবলৈ লৈছিলো। যিবোৰ ৰচনা মই পঢ়া নাই, কিন্তু পঢ়া উচিত, সেইবোৰৰ খবৰ দি বিমল আৰু দিলীপে মোক সহায় কৰিছিল। একোজন লেখক বা তেওঁলোকৰ ৰচনাৰ বিষয়ে সিহঁতে কৰা আলোচনাৰ ধৰণটো মোৰ

কাৰণে বৰ আকৰ্ষণীয় আছিল। নৃপেশৰ আগ্রহ আছিল পুৰণি ধৰণৰ,— বিশেষকৈ শচীন দেব বৰ্মনৰ গীতবোৰৰ প্ৰতি। ফুটপাথেদি খোজ কাঢ়ি যাওঁতেও সি কেতিয়াবা 'নিশীথে যায় ফুল বনে ৰে ভোমৰা'— জাতীয় গান গুণগুণাইছিল। সুনীল আৰু হিমাংশু এইবোৰ ক্ষেত্ৰত বৰ বেছি আগৰণুৱা নাছিল; কিন্তু 'আড্ডা'ৰ যিকোনো ধৰণৰ আলোচনাত অংশগ্ৰহণ কৰি সৰব হৈ থাকিব পৰাৰ ক্ষমতা সিহঁত দুয়োৰে আছিল। সুনীলৰ ঘৰ আছিল তেতিয়াৰ কলিকতাত দুৰ্নাম থকা মেছুয়াবাজাৰ অঞ্চলত। আমোদজনক কথা,— মেছুয়াবাজাৰৰ সন্মান বজাই ৰাখিব পৰা কিছুমান গুণ সি আয়ত্ত কৰি লৈছিল। এদিন আমি প্ৰেকটিকেল কৰি আছোঁ; সুনীলে ছিগাৰেট এটা খাই আহোঁ বুলি যন্ত্ৰপাতি এৰি থৈ কলেজ-স্কোৱাৰৰ ফালে ওলাই গ'ল। আধাঘণ্টামানৰ পাছত বেগাবেগিকৈ লেবৰেটৰিত সোমাই সি এনেকৈ কাম কৰিবলৈ ধৰিলে যেন সি বহুত সময় ধৰি কামকে কৰি আছে! কিন্তু তাৰ চকু-মুখৰ উত্তেজনা মই ধৰিব পাৰিছিলো। সুধিলো, — কি হ'ল? সি চেপা মাতেৰে ক'লে,— পাণৰ দোকানত মানুহ এটাৰ সৈতে তাৰ কাজিয়া লাগিছিল; ছোডা-পানীৰ বটল এটাৰে মানুহটোৰ মূৰতে এক কোব মাৰি, দৌৰি-দৌৰি সি লেবৰেটৰিত সোমাইছেহি।

মোৰ বিছনাখনৰ বাহিৰেও আমাৰ আড্ডাটো বহিছিল প্ৰেছিডেন্সি কলেজৰ আৰ্টছ আৰু ছায়েন্স বিল্ডিঙৰ মাজত থকা ঘাঁহনিত আৰু কলেজৰ মুখে-মুখে, ৰাস্তাৰ সিপাৰে থকা কফি-হাউছত। সেই সময়ত বংগদেশত সেইখন কফি-হাউছৰ আড্ডাই এক প্ৰসিদ্ধি লাভ কৰিছিল। আমাৰ আড্ডাই নিশ্চয় সেই প্ৰসিদ্ধিলৈ একো বৰঙণি যোগোৱা নাছিল; কিন্তু ব্যক্তিগতভাৱে মই সেই আড্ডাবোৰৰ পৰা উপকৃত হৈছিলো। আজি অমুক, কাইলৈ তমুক,— এনেকৈ বিভিন্ন দিনত বিমলহঁতৰ বেলেগ-বেলেগ বন্ধুৱে আমাৰ আড্ডাত যোগ দিছিল; আৰু তেওঁলোকৰ বহুতো মোৰ কাৰণে একোজন ভাল বক্তা আছিল।

ফিফ্‌থ্ ইয়েৰৰ মাজভাগত এদিন সুনীলক ক'লো,— মোৰ মুভি কেমেৰাৰ কাম শিকিবলৈ বৰ মন। কলিকতাত ছিনেমেটʼগ্ৰাফিৰ স্কুল-কলেজ কিবা আছেনে?

দুদিনমানৰ পাছত সি খবৰ আনিলে,— উত্তৰ কলিকতাৰ হাতীবাগান নে ক'ত প্ৰমথেশ বৰুৱা ফিল্ম ইনষ্টিটিউট নামৰ প্ৰতিষ্ঠান এটা আছে। মই তাৰ হাতে-ভৰিয়ে ধৰাদি ধৰিলো,— সঠিক ঠিকনাটো উলিয়াই তই মোক এদিন তালৈ লৈ ব'ল। এদিন ক্লাছ শেষ হোৱাৰ পাছত সি আৰু হিমাংশু ওলাল মোক প্ৰমথেশ বৰুৱা ফিল্ম ইনষ্টিটিউট দেখুৱাবলৈ। গৈ-গৈ আমি যিডোখৰ ঠাই পালোগৈ, তাতে বোলে দ্বিতীয় মহাযুদ্ধৰ সময়ত বোমা এটা পৰিছিল। গলিয়ে-গলিয়ে আক-তাক সুধি-সুধি আমি শেষত কাঠৰ দুমহলীয়া পুৰণিকলীয়া ঘৰ এটা পালোগৈ। একেবাৰে শেষত যিজন মানুহক সুধিছিলো,

তেওঁ কৈছিল,— সেইটো ঘৰতে ছিনেমা সম্পৰ্কীয় কিবাকিবি হয়। আমি ঘৰটোৰ ওপৰ মহলালৈ উঠি গ'লো। তাত দুজনী ছোৱালী বহি আছে। ওচৰৰ মেজ এখনত থকা দুজাপ কিতাপ-বহী দেখি ধাৰণা হ'ল,— ছোৱালী দুজনীয়ে স্কুলৰ ওপৰ শ্ৰেণীত পঢ়ে। গায়ে-গাৰিয়ে কিন্তু তেওঁলোক কলেজৰ ওপৰ শ্ৰেণীত পঢ়াৰ যোগ্য। কোঠাটোৰ এটা চুকত এটা হাৰমনিয়াম আৰু এযোৰ তবলা। প্ৰমথেশ বৰুৱা ফিল্ম ইনষ্টিটিউটটো ক'ত আছে সুধিবলৈ মানুহ বিচাৰি সুনীলে ইফালে-সিফালে ভুমুকা-ভুমুক কৰিছে, এনেতে ভাহি আহিল ওচৰৰ কোঠালি এটাৰ পৰা মতা মানুহৰ তৰ্জন-গৰ্জনৰ শব্দ ঃ কি হৈছে ইয়াত? ভদ্ৰ মানুহৰ চুবুৰিত এইবোৰ কি কাণ্ড? ইয়াত এইবোৰ নচলিব। আজিয়েই এইবোৰ নিৰ্লজ্জ কাৰবাৰ বন্ধ হ'ব লাগিব। নহ'লে আমি পুলিছক খবৰ দিম। যিবোৰ ঠাইত এনেকুৱা কাণ্ড চলে, তোমালোক তালৈ নোযোৱা কিয়? আমি ল'ৰা-তিৰোতা লৈ শান্তিৰে বাস কৰিছোঁ। তোমালোক ইয়াত সোমাইছাহি কিয়?

প্ৰতি মুহূৰ্ততে ভদ্ৰলোকৰ কণ্ঠৰ জোৰ বাঢ়ি গৈ থাকিল। ছোৱালী দুজনীয়ে সভয়ে আমাৰ চকুলৈ চালে। মেছুৱাবাজাৰৰ বীৰত্বৰে বিভূষিত সুনীলে মুখৰ ভিতৰতে নিজকে কোৱাদি, কিন্তু আমি দুয়ো শুনাকৈ ক'লে,— কেটে পড়। আমি সুৰসুৰকৈ কাঠৰ ছিৰি বগাই নামি আহিলো। কিছুদুৰ বেগাই খোজ কঢ়াৰ পাছত যেতিয়া বহল ৰাস্তা এটা পালোহি,তেতিয়াহে হিমাংশুৰ মুখ খুলিল। কথাটো কি? কাণ্ডটো কি?

কথা কি, কাণ্ড কি, আজিলৈকে ধৰিব নোৱাৰিলো। কলিকতাত থকা দিনখিনিত কেৱল এটা কথাই জানিলো,— সেইখন মহানগৰত প্ৰমথেশ বৰুৱাৰ নামৰ বা অইন কোনো নামৰ ফিল্ম ইনষ্টিটিউট নাই। ফিল্ম নিৰ্মাণ সম্পৰ্কীয় যি আছে, তাৰ বেছিভাগ টালিগঞ্জ বোলা অঞ্চলটোতে থুপ খাই আছে।

ছিনেমেট'গ্ৰাফি শিকাৰ ধান্দা সদ্যহতে বিসৰ্জন দিলো। কিন্তু কিবা এটাতো শিকিব লাগিল! আবেলিৰ সময়খিনি নাযায়-নুপুৱায় লাগে। চৌৰংগীলৈকেনো কিমান গৈ থাকিম? আড্ডাকেনো কিমান মাৰিম? হোষ্টেলৰ চৌহদত ভলিখেলৰ ব্যৱস্থা এটা আছে। কোনোবা-কোনোবাই খেলে। কিন্তু সেই বিদ্যাৰ লগত মোৰ ৰাহি-যোৰা নাহে। প্লেয়াৰ কম পৰিলে কোনোবাই জোৰকৈ মোক মাতি লৈ যায়;— আৰু কয়,— তুমি অইন একো কৰিব নালাগে, কেৱল কুঠাৰ মাৰিবা। কুঠাৰ মৰা মানে,— দুয়োখন হাত নমস্কাৰ কৰাৰ ভংগীৰে লগ লগাই, হাতৰ গাদিৰে বলটোক মাৰ শোধোৱা। কিন্তু তেনেকৈ মাৰিলে বল কোনফালে যায় ঠিক নাই। যাব নলগীয়া ফালে গ'লে যি কেইটাই কুঠাৰ মাৰিলেই হ'ব বুলি উচটাই মাতি নিয়ে, সিহঁতেই মোক গালি পাৰে। এনেকৈ খেলিব পাৰি নে কি? মাত্ৰ এদিন দহোটা আঙুলি মেলি, সঁচাসঁচি খেলুৱৈৰ নিচিনাকৈ বলটো মাৰিবলৈ চেষ্টা কৰিছিলো;— সেইদিনাই বাঁও হাতৰ বুঢ়া আঙুলিটোৱে বৰ

বেয়াকৈ মোচোকা খালে। আজি প্ৰায় পঞ্চল্লিছ বছৰেও সেই আঙুলিটোৰ গুৰিটো সম্পূৰ্ণ সুস্থ নহ'ল। সেইদিনাৰ পৰা মই ভলি খেলাৰ নাম লোৱা নাই।

কিন্তু কৰা যায় কি? সেই যে গুৱাহাটীৰ ভাস্কৰ নাট্য-মন্দিৰত সুন্দৰ বৰদলৈ ছাৰৰ স্কুলত তবলাত তেৰেকেতে তাক-তাক বজাবলৈ শিকিছিলো, এতিয়া তাৰে পিছৰখিনি শিকাটোৱেই ভাল কাম হ'ব বুলি ভাবিলো। খা-খবৰ কৰি জানিব পাৰিলো,— শিয়ালদহ ষ্টেছনৰ অলপ দূৰতে, প্ৰাচী ছিনেমা হলৰ ওচৰত এখন মিউজিক স্কুল আছে। কেৰামতুল্লাৰ শিষ্য এজনে তাত তবলা শিকায়। সপ্তাহত দুদিনকৈ। মাছুল মাহে পাঁচ টকা। এদিন ওলালোগৈ স্কুলখনত। পুৰণি জৰাজীৰ্ণ ঘৰ এটাৰ দ্বিতীয় মহলাৰ কোঠালি এটাত সংগীত শিক্ষাৰ দান আৰু গ্ৰহণ চলি আছে। গোৱাই গাইছে, বজোৱাই বজাইছে। সংগীতৰ কোলাহল! সেইদিনাই স্কুলখনত নাম লগাই কেৰামতুল্লাৰ শিষ্যৰ ছাত্ৰ হ'লো। পাছদিনাই তবলা এযোৰ কিনিলো। ৰুমমেট ৰমণী ঘোষ আৰু মলয় ৰায় নথকা সময়ত বিছনাৰ ওপৰত তবলা বজুৱাই লৈ 'ঘোৰ প্ৰেকটিছ' কৰাত লাগিলো। কিছুদিনৰ ভিতৰতে মোৰ ধাৰণা হৈছিল,— শিক্ষকজন সঁচাকৈয়ে গুণী মানুহ আছিল। মোৰ ধাৰণা যে সঁচা, তাৰ প্ৰমাণ পাইছিলো এবাৰ বন্ধত নগাঁৱলৈ আহোঁতে। ধন বৰুৱাৰ দোকানৰ আগতে মোৰ প্ৰিয় বন্ধু, তেতিয়াৰ দিনতে তবলা-বাদনত কৃতিত্ব প্ৰদৰ্শন কৰা শিল্পী বিবেকানন্দ ভট্টাচাৰ্যক লগ পালো। কথাই-কথাই মই মোৰ তবলা-শিকাৰ কথা উলিয়ালো, আৰু শিক্ষকজনে কি শিকাইছে তাৰ নমুনা হিচাপে অলপ গাই শুনালো ঃ ধাগিনা ধা তেৰেকেতে ধাগিনা ধা তেৰেকেতে ধা ধা তেৰেকেতে—। বিবেকাই কথাবোৰ মন দি শুনিলে, আৰু জেপৰ পৰা কাগজ-পেনছিল উলিয়াই বোলটো লিখি ল'লে। তেতিয়াই মই বুজিলো,— জৰাজীৰ্ণ ঘৰত বহা স্কুলৰ শিক্ষক হ'ল কি হ'ল,— মোৰ শিক্ষকৰ গুৰুত্ব আছে।

পাছে মইহে মোৰ শিক্ষাৰ মান ৰাখিব নোৱাৰিলো। এদিন আবেলিৰ সময়খিনি নাযায়-নাযায় যেন লাগিছিল; এতিয়া সেই সময়খিনি কোনফালে পাৰ হৈ যায় ধৰিবই নোৱৰা হ'লো। কলেজৰ কাম, কলিকতাৰ বিশালতা আৰু বৈচিত্ৰ্য, আৰু মোৰ মনৰ ক্ৰিয়া-কাণ্ডই একেলগে হাত দিলে মোৰ সময়ৰ ভঁৰালত। যিদিনা তবলাৰ স্কুললৈ যাব লাগে, সেইদিনাই হয়তো 'আৱাহন'ৰ সম্পাদক ড. দীননাথ শৰ্মাৰ ওচৰলৈ যোৱাটোকহে ডাঙৰ কাম বুলি ভাবিলো। কোনটোতকৈ কোনটো কামক বেছি গুৰুত্ব দিব লাগে, সেই কথাটোত মই প্ৰায়েই অসুবিধাত পৰিছিলো। ফলত, সেই তেপু ককাইটিৰ দিনৰ পৰা কলিকতাৰ এই শিক্ষকজনৰ দিনলৈকে,—এই সুদীৰ্ঘ কালৰ প্ৰচেষ্টা এটাৰ গতি সিমানতে ৰুদ্ধ হ'ল। কিন্তু থাপ মাৰি-মাৰি যিকণ শিকিলো, সেইকণ অথলে নগ'ল, পাছৰ জীৱনত সেইকণ বিদ্যাই মোক দুদিনমান বৰগছ নোহোৱা ঠাইৰ এৰাগছ হোৱাত সহায় কৰিলে।

ৰমণী, মলয় আৰু তেওঁলোকৰ ওচৰলৈ সঘনে অহা বল্টু সেনগুপ্ত নামৰ ডেকা এজনে প্ৰবোধ শৰ্মাই গোৱা 'চাপৰি চাপৰি, তুলি যাওঁ বাবৰি, পুৰণি ক'লীয়া কচু'—শীৰ্ষক গীতটো শুনিবলৈ বৰ ভাল পাইছিল। প্ৰবোধক দেখিলেই সিহঁতৰ মনত সেই গীতটো শুনাৰ হেঁপাহ জাগুৰ খাই উঠিছিল, আৰু লগে-লগে মোলৈ চমন আহিছিল,—মই প্ৰবোধৰ লগত তবলা 'সংগত' কৰিব লাগে! কেতিয়াবা ভৰ দুপৰীয়া, কেতিয়াবা মাজনিশা। প্ৰবোধে কেতিয়াবা আনন্দ মনেৰে, কেতিয়াবা অনিচ্ছা সত্ত্বেও গীতটো গাই যায়, আৰু মই নিজৰ মনৰ অৱস্থা অনুসৰি ধা-ধিন-না না-তিন-না কৰি থাকোঁ। ৰমণীহঁতৰ কাৰণে মই অপৰিহাৰ্য তবলচী! (প্ৰসংগক্ৰমে ঃ প্ৰবোধে কলিকতা বিশ্ববিদ্যালয়ত ৰেডিঅ' ফিজিক্স পঢ়া বাদ দি খড়গপুৰত ইঞ্জিনিয়াৰিং পঢ়িবলৈ লৈছিল; কিন্তু মাজে-মাজে আমাৰ হোষ্টেললৈ আহি আছিল; —কেতিয়াবা অকলে, কেতিয়াবা পাঠান হাজৰিকাৰ লগত। ৰমণীহঁতৰ চকুত পৰিলে প্ৰবোধে 'চাপৰি-চাপৰি'— নোগোৱাকৈ সাৰি যাব নোৱাৰিছিল।) লণ্ডনৰ ইম্পিৰিয়েল কলেজৰ ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে পতা এক অনুষ্ঠানত কমল হাজৰিকাই 'চেনাই মই যাওঁ দেই' গীতটো গাইছিল আৰু তবলা বজোৱাৰ সেই বিদ্যাৰেই মই তেওঁৰ লগত 'সংগত' কৰিছিলো;—সেইদিনা অকল ডুগিটোৰেই;—মাটিৰ কলহ বজোৱাৰ কায়দাত! এৰা গছেই বৰগছ হ'বলৈ পোৱাৰ এই চুটি-চুটি সময়বোৰক মই অৱহেলা কৰিব নোখোজোঁ।

এই প্ৰসংগত অইন এটা কথা মোৰ মনলৈ আহিছে। কমল হাজৰিকাই লণ্ডনত উক্ত গীতটো বহুবাৰ গোৱা মই শুনিছোঁ; তবলা নহ'লেও তেওঁ বিচৰা মতে, ঠিক ঠাইত, ঠিক লয়ত চাপৰি বজাইছোঁ;— গতিকে স্ৰষ্টাজনে নিজে গোৱা গীতটোৰ সুৰৰ লহৰ মোৰ কাণত সহজে আঁতৰাব নোৱৰাকৈ লাগি আছে। পাছত যেতিয়া গীতটো দীপালী বৰঠাকুৰৰ কণ্ঠত ৰেকৰ্ডত শুনো, তেতিয়া কিছুমান সূক্ষ্ম পাৰ্থক্য মোৰ কাণত ধৰা পৰে। এই পাৰ্থক্যৰ কাৰণে গীতটো অধিক সুশ্ৰাব্য আৰু সুন্দৰ হৈছে,—নে তাৰ ওলোটাটো হৈছে, সেইটো মই ক'ব নোখোজোঁ; কিন্তু পাৰ্থক্য যে ঘটিছে, সেইটোহে ক'ব খুজিছোঁ। বহু গীতৰ ক্ষেত্ৰত এনে ঘটনা ঘটে; কিন্তু এই গীতটো বেছ জনপ্ৰিয় কাৰণে উদাহৰণ হিচাপে কথাটো উল্লেখ কৰি থ'লো।

অলপ আগতে 'আবাহন'ৰ কথা উল্লেখ কৰিছিলো। অইন প্ৰসংগলৈ আঁতৰি যোৱাৰ আগতে সেইটো প্ৰসংগৰ দুটামান কথা কৈ থওঁ। 'শান্তিৰ বুকুৰ ধুমুহা' নামৰ গল্পটো যে আবাহনত ছপা হৈছিল, তাৰে সূত্ৰ ধৰি এদিন 'শক্তিশেল' নামৰ গল্প এটা হাতত লৈ গণেশ চন্দ্ৰ এভিনিউত থকা ড. দীননাথ শৰ্মাৰ ঘৰত উপস্থিত হ'লোগে। বিপত্নীক সম্পাদকগৰাকীয়ে সেইটো ঘৰতে পুতেক দীপক শৰ্মা আৰু দুজনী জীয়েক,—বেবি আৰু ছনাক লৈ বাস কৰে, আৰু আবাহনৰ অফিচো সেইটোৱেই। ডাঙৰ পুতেক দিলীপ

শৰ্মা (সংগীতৰ প্ৰতি গভীৰ শ্ৰদ্ধা থকা গায়ক আৰু শিক্ষক) গুৱাহাটীত থাকে। কিমান সৰুতে আৱাহন দেখিছিলো আৰু পঢ়িছিলো, সঠিককৈ ক'ব নোৱাৰোঁ; কিন্তু আলোচনীৰ ক্ষেত্ৰত এই নামটোৱে আমাৰ ছাত্ৰ-জীৱনৰ সৰ্বাধিক কাল সৰ্বাধিক শক্তিৰে আচ্ছন্ন কৰি ৰাখিছিল বুলি ক'ব পাৰোঁ। সেই আৱাহনৰ অফিছত উপস্থিত হৈ আলোচনীখনৰ সম্পাদকগৰাকীৰ মুখামুখি হওঁতে এক পুলক অনুভৱ কৰিছিলো। ড. শৰ্মাই মোক বৰ মৰমেৰে আদৰি লৈছিল। পাছৰ সংখ্যা আৱাহনতে 'শক্তিশেল' ছপা হৈছিল। কিছুদিনৰ ভিতৰতে মোৰ ধাৰণা হৈছিল,— মানুহগৰাকীয়ে বৰ কষ্টৰ মাজেৰে আলোচনীখন উলিয়াই আছে। তেখেতক সহায় কৰাটোক এটা কৰ্তব্য বুলি ভবাই উচিত। কিন্তু সময়-সুবিধা উলিয়াই গল্প একোটা লিখি দিয়াৰ বাহিৰে অইন ধৰণে সহায় কৰাৰ মোৰ উপায় নাছিল। গতিকে তাকে কৰিবলৈ চেষ্টা কৰিলো। শক্তিশেলৰ পাছত ৰত্নদাহ, ৰত্নদাহৰ পাছত বন্দীমুক্তি,— এইকেইটা গল্প লিখি তেখেতক দিলো। তাৰ পাছত কিন্তু মই উপলব্ধি কৰিলো,— মই আৱাহনক যিমান সহায় কৰিলো, আৱাহনে মোক তাতকৈ বেছি সহায় কৰিলে। ৰত্নদাহ গল্পটো ছপা হোৱাৰ পাছত ভবানন্দ দত্ত ছাৰে গুৱাহাটীৰ পৰা মোলৈ এখন চিঠি লিখিছিল। চিঠিখনৰ কথাখিনি মোৰ কাৰণে বৰ উৎসাহজনক আছিল। মোৰ গল্প সম্পৰ্কে জ্যেষ্ঠ, গুণী লোকৰ পৰা পোৱা সেইখনেই প্ৰথম চিঠি আছিল।

এম. এছ. ছি. পঢ়ি থকা কালছোৱা সাহিত্যৰ ছাত্ৰ হিচাপেও মোৰ কাৰণে বৰ গুৰুত্বপূৰ্ণ সময় আছিল। আৱাহনৰ নিচিনাকৈ ৰামধেনুৱেও সেই সময়খিনিত মোক সহায় কৰিছিল। সেইছোৱা সময়তে আৱাহনৰ জীৱন-শক্তি চকুত পৰাকৈ টুটি আহিছিল। কিন্তু সম্পাদক ড. শৰ্মা আৰু দীপক শৰ্মাৰ লগত ঘৰুৱা সম্বন্ধৰ নিচিনা সম্বন্ধ এটা বজাই ৰখাৰ বাহিৰে মই অইন একো কৰিব পৰা নাছিলো। কৰাৰ উপায়ো নাছিল। এদিন আবেলি দীপক শৰ্মাই খবৰ এটা দিবলৈ প্ৰায় উধাতু খাই অহাৰ দৰেই স্বৰ্ণময়ী হোষ্টেল পালেহি। কি খবৰ? কেইদিনমান আগতে গুৱাহাটীত দিলীপ শৰ্মাৰ লগত যশস্বী গায়িকা কুইনী হাজৰিকাৰ বিয়া হৈ গ'ল। আজি তেওঁলোক কলিকতা পাইছেহি। বাতৰিটো মোৰ কাৰণে অভিনৱ। তৎক্ষণাৎ কাপোৰ-কানি সলাই দীপক শৰ্মাৰ লগতে তেওঁলোকৰ ঘৰলৈ গ'লো। সাধাৰণ সাজ-পাৰ পিন্ধি 'দৰা-কইনা' মোৰ আগলৈ ওলাই আহিল। মই হিয়া উবুৰিয়াই অভিনন্দন জনালো। ড. দীননাথ শৰ্মাৰ কলিকতাৰ বাসভৱনত কুইনী হাজৰিকা সুদক্ষিণা শৰ্মা হোৱা প্ৰক্ৰিয়াটোৰ বোধকৰোঁ ময়েই প্ৰথম নিমন্ত্ৰিত প্ৰবাসী অসমীয়া সাক্ষী হ'লো।

আৱাহনৰ নিচিনা যুগসৃষ্টিকাৰী আলোচনী এখনৰ মৃতপ্ৰায় অৱস্থাটো ইমান ওচৰৰ পৰা দেখাৰ পাছত সাধাৰণতে প্ৰবাসৰ পৰা নতুন অসমীয়া আলোচনী এখন প্ৰকাশ

কৰাৰ প্ৰস্তাৱ উত্থাপিত হ'লে ভয় খোৱাৰেই কথা; কিন্তু উৎসাহৰ আতিশয্যই কেতিয়াবা সেই ভয় গিলি থয়। মোৰ ক্ষেত্ৰত তেনে এক ঘটনা ঘটিছিল। কলেজ ষ্ট্ৰিট আৰু হেৰিছন ৰ'ডে কটাকটি কৰা চাৰিআলিৰ ওৱাই. এম, ছি. এ বিল্ডিংটোৰ এটা অংশত আছিল অম্বিকা নাথ বৰা। তেখেত আছিল কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক। তেখেতৰ ঘৰতে মাজে-মাজে প্ৰবাসী অসমীয়াসকলৰ সভা বহিছিল। কলিকতাত পঢ়িবলৈ লোৱাৰ পাছত মই যোগ দিয়া সেয়াই আছিল প্ৰথম প্ৰবাসী অসমীয়াৰ সভা। তাৰ পাছত ইখন-সিখনকৈ ভালেমান সভা, দুই-এখন 'সাংস্কৃতিক অনুষ্ঠান', বটেনিকেল গাৰ্ডেনত পতা মাঘ বিহু আদিৰ অংশগ্ৰহণকাৰী হ'লো। এইবোৰ কৰি থাকোঁতেই মগজত খেলালে,— এটা চিন থাকি যোৱা কাম কৰা যাওক। কলিকতীয়া অসমীয়াসকলৰ তৰফৰ পৰা এখন তিনিমহীয়া আলোচনী প্ৰকাশ কৰা যাওক। এনেকুৱা প্ৰস্তাৱ এটা গ্ৰহণ কৰোৱাটোনো কি টান কাম? এখন সভাত প্ৰস্তাৱ গৃহীত হ'ল। আলোচনীখন উলিওৱাৰ কামটোৰ মই গুৰি ধৰিব লাগে। আলোচনীৰ নাম এটাও দিলো,—মণিকূট। কলিকতাৰ ধনী-ধনী অসমীয়া ব্যৱসায়ীসকলকে আৰম্ভ কৰি সকলো অসমীয়াই মুক্তহস্তে ধন দান দিব; অসমৰ ডাঙৰ-ডাঙৰ অসমীয়া ব্যৱসায়ীসকলৰ পৰা বিজ্ঞাপনৰ বাবদ টকা পাম, ইতিমধ্যে অলপ-অচৰপ সাহিত্যকৰ্মৰ জৰিয়তে যিসকল অসমীয়া লেখক-লেখিকাৰ লগত সামান্য হ'লেও পৰিচয় ঘটিছে, খুজিলেই সেইসকলৰ পৰা গল্প-কবিতা-প্ৰবন্ধ পাম; গতিকে কিহৰ চিন্তা? মণিকূট উলিওৱাহে কথা! এমাহমানৰ আজৰি সময়খিনি সমূলঞ্চে খৰচ কৰি বেছ কষ্ট কৰিলো। গল্প-কবিতা-প্ৰবন্ধ, বিজ্ঞাপন আদিৰ বাবে স্বৰ্ণময়ী হোষ্টেলত বহি-বহি ভালেমান চিঠি লিখিলো আৰু কলিকতাত থকা অসমীয়া ব্যৱসায়ীসকলক লগ ধৰিবলৈ টলৌ-টলৌকে ঘূৰিলো। তাৰ পাছত লাহে-লাহে আচল ছবিখন চকুৰ আগত পৰিষ্কাৰ হৈ আহিল। যিজন মানুহে এহেজাৰ টকা দান দিয়াটো কোনো কথাই নহয় বুলি ভাবিছিলো, তেওঁ "কাম আগবাঢ়িলে" এশ টকামান দিয়াৰ কথা ক'লে। দুমাহমান বাট চালো, কোনো বিজ্ঞাপনদাতাৰ পৰা মোৰ চিঠিৰ উত্তৰ নাহিল। নগাঁৱৰ পৰা মহিম বৰাই গল্প এটা আৰু যোৰহাটৰ পৰা যতি নাৰায়ণ শৰ্মাই প্ৰবন্ধ এটা পঠালে।

এই মুহূৰ্তত, বিদেশত বহি, মনত পেলাবলৈ চেষ্টা কৰোঁতে-কৰোঁতে মনত পৰিছে,— মহিম বৰাৰ গল্পটোৰ নাম আছিল— 'এচেৰেঙা স্মৃতিৰ জোনাক'। এই নামটোৰে আশ্ৰয় লৈ কওঁ,— আমাৰ মণিকূট প্ৰকাশৰ সমগ্ৰ প্ৰচেষ্টাটো পাছৰ জীৱনত কেতিয়াবা স্মৃতিৰ জোনাকত মনিব পৰা হৈ উঠে; তাৰ পাছত আকৌ হেৰাই যায়।

সাহিত্য-কৰ্মই উজুটি-মুজুটি খাই হ'লেও জানিবা গতি এটা পালে; কিন্তু ছিনেমাৰ কি হ'ব? ছিনেমা নিৰ্মাণ সম্পৰ্কীয় কাণ্ড-কাৰখানাবোৰ যাইকৈ টালিগঞ্জতে থূপ খাই

আছে বুলি জনাৰ পাছতো সেইখন মহানগৰৰ মাজ-মজিয়াতে নিৰুদ্বেগ থৈ থকাটো মোৰ বাবে সম্ভৱপৰ নাছিল। সেই অঞ্চলত ভৰি দিয়াৰ ভদ্ৰজনোচিত সুযোগ এটা বিচাৰি আছিলো। এদিন হঠাতে সেই সুযোগে দেখা দিলে। সুনীল গাংগুলী নামৰ পৰিচালক এজনে অসমীয়া আৰু বাংলা দুয়ো ভাষাতে সতী বেউলা নামৰ ফিল্ম এখন পৰিচালনা কৰিব। সংলাপকে মুখ্য কৰি অসমীয়াখনৰ কিছুমান দিশৰ তত্ত্বাৱধান কৰিব নাট্যকাৰ প্ৰবীণ ফুকনে। প্ৰযোজকে মেডেন ষ্ট্ৰিটৰ তিনি নম্বৰ ঘৰত তেখেতক সহকাৰীসকলৰে সৈতে বাহৰ পাতি দিছে। (Madan Street-অৰ Madan টোক সকলোৱে কিয় মেডেন বুলি উচ্চাৰণ কৰিছিল মই নাজানো।) ফিল্মখনৰ সংগীত পৰিচালনা কৰিব ড. ভূপেন হাজৰিকাই। এদিন খবৰ পালো, ফুকন ককাইদেৱে মোক মাতি পঠাইছে। ঠেং দাঙিয়েই আছিলো; মাৰিলো দৌৰ। ককাইদেৱে ক'লে,— ফিল্মখনৰ কামত মই অলপ সহায় কৰি দিব লাগে। কৰিম। নিশ্চয় কৰিম। কিন্তু মইনো ফিল্মৰ কাম জানো কিটো? গতিকে ধৰি ল'লো,— চিত্ৰনাট্য, সংলাপ আদি কপি কৰি দিয়াৰ নিচিনা কামেই হ'ব চাগৈ। হওক। ফিল্মৰ কামতো!

শ্যুটিং আৰম্ভ হোৱাৰ পাছত এদিন ককাইদেৱে ষ্টুডিঅ'লৈ যাবলৈ ক'লে। গ'লো। ইন্দ্ৰপুৰী ষ্টুডিঅ'। জীৱনত প্ৰথম ষ্টুডিঅ'ৰ চৌহদত ভৰি দিলো। শ্যুটিং ফ্ল'ৰ দেখিলো, ছাউণ্ড ভেন দেখিলো, মেক-আপ লৈ সাজ-পাৰ পিন্ধি ইফাল-সিফাল কৰি ফুৰা অভিনেতা-অভিনেত্ৰী দেখিলো। সতী বেউলাৰ অসমীয়া ফিল্মখনত চান্দ সদাগৰৰ অভিনয় কৰিব ফণী শৰ্মাই আৰু বাংলাখনত কৰিব ছবি বিশ্বাসে। ছবি বিশ্বাসে অভিনয় কৰি আঁতৰি আহে, ফণী শৰ্মাই সোমাই গৈ সেইখিনিকে অসমীয়া সংলাপেৰে অভিনয় কৰে। ওচৰৰ এখন ফ্ল'ৰত অইন এখন ফিল্মৰ শ্যুটিং চলি আছে। তাৰ পৰা মাজে-মাজে ওলাই আহে উত্তম কুমাৰ আৰু কাবেৰী বসু। প্ৰথম দিনটো সঁচা অৰ্থতে ইন্দ্ৰপুৰীত কটোৱা যেন লাগিল।

পিছে প্ৰেছিডেন্সি কলেজ আৰু ছায়েন্স কলেজৰ ক্লাছ খতি কৰি ইন্দ্ৰপুৰীত বিহাৰ কৰি থকাটো মোৰ পক্ষে সম্ভৱ নাছিল। মনৰ লাগাম টানি ধৰিলো। কিন্তু কেইদিনমানৰ পাছতে ফুকন ককাইদেৱে একেৰাহে দুদিন মোৰ ক্লাছ খতি কৰাই দিলে। এদিন সন্ধিয়া মেডেন ষ্ট্ৰিটৰ বাহৰত তেখেতে মোক ক'লে,— পাছদিনা মই চান্দ সদাগৰৰ সাতজন পুতেকৰ এজনৰ ভূমিকাত অৱতীৰ্ণ হ'ব লাগে। তাৰ মানে ফিল্ম এক্টৰ? উত্তেজিত আৰু নাৰ্ভাছ নিশ্চয় হ'লো, কিন্তু বৰ উচ্ছ্বসিত নহ'লো। প্ৰথম কথা,— মোৰ চিৰি-চেহেৰা সম্পৰ্কে মোৰ পৰিষ্কাৰ ধাৰণা এটা আছিল। দ্বিতীয় কথা,— লখিন্দৰক বাদ দি চান্দ সদাগৰৰ যিকেইজন পুতেক থাকিল, তেওঁলোকৰ এজনৰ ভাও ল'বলৈ ফুকন ককাইদেৱে এই প্ৰবাসত বাৰু হাত মেলিয়েই মোৰ বাহিৰে পায় কাক? ককাইদেউক

সুধিলো,— ডায়লগ আছে নে কি? সংলাপ? ককাইদেৱে ক'লে,— আছে। —সেয়া! মই ঠিক ধৰিছোঁ। সংলাপ আছে কাৰণেই মোৰ ফিল্ম-এক্টৰ হোৱাৰ সৌভাগ্য ঘটিল; নহ'লে বাংলা ফিল্মখনৰ ককাই-ভাই কেইজনৰেই অসমীয়াখনৰো কাম চলাই দিব পৰা গ'লহেঁতেন।

পাছদিনা প্ৰায় ন বজাতে ইন্দ্ৰপুৰীত হাজিৰ হ'লোগৈ। এঘাৰমান বজাত মোক মে'ক-আপমেনৰ সমুখত বহুৱাই দিয়া হ'ল। তেওঁ মোৰ মুখত ৰং-বৰণ সানি, গলধনলৈকে পৰা চুলিৰ উইগ এটা পিন্ধাই দিলে। তাৰ পাছত কষ্টিউম। কষ্টিউম হ'ল,— চুৰিয়া আৰু শুদা গাত চাদৰ। চুৰিয়াখনৰ ৰং এনেকুৱা লেতেৰা কিয়? সেইখন বোলে ফিকা চাহত ডুবাই তেনেকুৱা কৰা হৈছে। ব্ৰেক এণ্ড হোৱাইট ফিল্মৰ কাৰণে সেইটো ৰংহে বোলে উপযোগী। পৰ্দাত বগাই দেখা যাব।

চান্দ সদাগৰৰ পুত্ৰৰ ৰূপ ধৰি শুটিং চাই, অ'ত-ত'ত বহি থাকোঁতে গধূলি হ'ল। এসময়ত মে'ক-আপমেনজনে মোক তেওঁৰ মেজলৈ মাতি নি ক'লে,— তেওঁ মোৰ মে'ক-আপ খুলি দিব। আজি মোৰ শুটিং নহ'ব। সময় নিমিলিল।

পাছদিনা আকৌ যথা সময়ত ইন্দ্ৰপুৰীত উপস্থিত। আকৌ সেই ৰং-বৰণ, দীঘল চুলি, শুদা গাত চাদৰ ইত্যাদি। আজি পিছে গধূলিলৈকে বাট চাবলগীয়া নহ'ল; 'লাঞ্চ'ৰ পাছতে মোৰ শুটিঙৰ পাল পৰিল। ফুকন ককাইদেৱে বুজাই দিলে,— আমি তিনিটা ককাই-ভাই বাহিৰৰ পৰা আহি পাগঘৰৰ দুৱাৰমুখত থিয় হ'ম। মই আগত, মোৰ পিছত দুটা ভাই। ককাই-ভাইবোৰৰ বাকীকেইটাক কেমেৰা-এংগলৰ পৰা দেখাই নাযাব; গতিকে সিহঁত নায়েই। দুৱাৰমুখত থিয় হৈ মই মজিয়াৰ ফালে চাই, হাঁহি এটা মাৰি, প্ৰফুল্ল মনেৰে ক'ব লাগিব,— "বাঃ! পায়সৰ বৰ ভাল গোন্ধ ওলাইছে!" কথাষাৰ কৈয়েই মই সিফালে পায়স আছে বুলি ধৰি লৈছোঁ, সেইফালে দুখোজমান আগবাঢ়িব লাগে। বাচ, সেইটো শ্বটত কাম সিমানেই।

এবাৰ ৰিহাৰ্ছেল, এবাৰ মনিটৰ, এটা টে'ক। একেবাৰতে অ'.কে।

পায়সত বিহ দিয়া আছিল। গতিকে পাছৰ শ্বটটোত আমি ককাই-ভাই আটাইকেইটা মৰি, মজিয়াত পৰি থাকিব লাগে। সিমানেই। ফিল্মখনত মোৰ ভাবো সিমানেই। ফ্ল'ৰত উপস্থিত থকা টেকনিছিয়ানজাতীয় এজনে মোক কৈছিল,— আপোনাৰ অভিনয় ভাল হৈছে।

বাংলা ফিল্মখন চোৱাৰ সুবিধা পোৱা নাইছিলো; অসমীয়াখন চাইছিলো। বেয়া হৈছিল। বেউলা-লখিন্দৰ ভুৰত উটি গৈ থাকে, দূৰত জাহাজ এখনৰ চিমনিয়েদি ধোঁৱা ওলাই থাকে। ড. ভূপেন হাজৰিকাই দিয়া গীতৰ সুৰবোৰ আকৰ্ষণীয় হৈছিল। আৱাহন আলোচনীত মই ছদ্মনাম[illegible]ৰ সমালোচনা এটা লিখিছিলো। তাত ড. হাজৰিকাৰ

গীতৰ সুৰ "হাবিৰ বতাহে হাবিতে নাশিলে" বুলি লিখিছিলো। মোৰ মানত সেইটোৱেই সঁচা কথা আছিল।

মুঠৰ ওপৰত, ছিনেমাৰ জগতত মোৰ প্ৰথম প্ৰবেশ ঘটিছিল অভিনেতা হিচাপে।

বিভিন্ন ধৰণৰ কিতাপ-পাতিৰ প্ৰতি আগ্ৰহ থকা কাৰণে মনোবিজ্ঞান, স্বপ্নতত্ত্ব, টেলিপেথি আদি বিষয়ৰ কিতাপৰ সংস্পৰ্শলৈও মই আহিছোঁ; কিন্তু সেইবোৰ বিষয়ৰ যিবোৰ কথা বৈজ্ঞানিক তথ্য-পাতিৰ দ্বাৰা সমৰ্থিত নহয়, সেইবোৰক প্ৰশ্ৰয় নিদিওঁ। মানুহৰ চিন্তা, মানুহৰ মনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ লগত সপোনৰ এক ধৰণৰ সম্পৰ্ক থাকিব পাৰে বুলি বিশ্বাস কৰোঁ; কিন্তু সেই যে তাহানিৰে পৰা কলিকতীয়া ডাইৰেক্টৰি পঞ্জিকাত ছপা হৈ আহিছে,— সপোনত অমুক দেখিলে বাস্তৱত অমুক হ'ব, অমুক-অমুক বাৰৰ শেষৰাতিৰ সপোন ফলিয়াবই, সেইবোৰৰ ওপৰত কাহানিও গুৰুত্ব দিয়া নাছিলো। কিন্তু মোৰ জীৱনৰে সপোন সম্পৰ্কীয় এটা ঘটনাই মোৰ কাৰণে অবিস্মৰণীয় ৰূপ ধাৰণ কৰিলে। কেনেকুৱা মানসিক যোগাযোগ বা ক্ৰিয়াৰ কাৰণে ঘটনাটো সম্ভৱ হ'ল, সেইটো আজিও মই থিৰাং কৰিব নোৱাৰিলো।

সৰুকালতে, এদিন বাৰীৰ সীমাত পিতাইৰ লগত বহি কাঠ আলু খান্দি থাকোঁতে, পিতায়ে হাতেৰে চিপৰাঙো চলাই আছে, মুখেৰে নানা ধৰণৰ কথাও কৈ আছে; আৰু মই গাঁতৰ পৰা পাৰলৈ মাটি উলিয়াই আছোঁ। কথাৰ মাজতে পিতায়ে ক'লে,— সপোনত দাঁত সৰা দেখিলে আপোন মানুহ হানি হয়। ওপৰ পাৰিৰ দাঁত সৰা দেখিলে নিজতকৈ বয়সত ডাঙৰ মানুহ ঢুকায়, আৰু তলৰ পাৰিৰ দাঁত সৰা দেখিলে বয়সত সৰু মানুহ ঢুকায়। গ'ল কথা গুচিল। তাৰ পাছত চৈধ্যটামান বছৰ পাৰ হৈ গ'ল। এই চৈধ্য বছৰৰ মাজত আৰু কাৰোবাৰ-কাৰোবাৰ মুখত কেতিয়াবা শুনিছিলো,— সপোনত দাঁত-চুলি সৰা দেখা বেয়া।

সতী বেউলাৰ শ্বুটিং চলি থকাৰ সময়তে এদিন ৰাতিপুৱা টোপনিৰ পৰা সাৰ পোৱাৰ অলপ পাছতে মোৰ মনত পৰিল,— যোৱা ৰাতি সপোনত মই মোৰ আগদাঁত এটা সৰি পৰা দেখিলো। অলপ সময়ৰ কাৰণে বৰ অস্থিৰ অনুভৱ কৰিলো। তাৰ পাছত দুশ্চিন্তাটো মনৰ পৰা আঁতৰ কৰিবলৈ চেষ্টা কৰিলো। — এইবোৰ কথাৰ কোনো গুৰুত্ব নাই। এইবোৰ মানুহে 'কোৱা কথা'। ক্লাছ কৰিবলৈ গ'লো। ক্লাছতো মাজে-মাজে কথাটো মনলৈ আহি থাকিল। [illegible] লগে-লগে সপোনত দেখা দৃশ্যটো যেন বেছিহে পৰিষ্কাৰ হ'বলৈ ধৰিলে। আবেলি হোষ্টেলতো অশান্তি লাগি থাকিল। মনত পৰিল,— এনেকুৱা অমংগলীয়া চিন্তা-ভাবনাই দেখা দিলে বৌহঁতে নামঘৰত চাকি এগছ দিয়ে; চিন্তা-ভাবনাৰ কাৰণটো অলপ বেছি ডাঙৰ হ'লে খোৱা তেলৰ সলনি ঘিউৰ চাকি দিয়ে; আৰু বৰ বেছি ডাঙৰ যেন হ'লে শৰাই এখন আগবঢ়াই থয়। আগবঢ়াই

থয় মানে,— যেতিয়া পা-পইচা আৰু আনুষংগিক কথাবোৰৰ সুবিধা হ'ব, তেতিয়া সবাহখন পাতিব বুলি তামোল-পাণ এটাৰে গোসাঁইক প্ৰতিশ্ৰুতি দি থয়। মোৰো তেনেকুৱা কিবা এটা কৰিবৰ মন গ'ল। কিন্তু ইয়াততো নামঘৰ নাই! কি কৰা যায়? শৰাই এখন আগবঢ়াই থোৱাৰ নিচিনা কাম এটা কৰি আশ্বস্ত হোৱাৰ লক্ষণ নেদেখিলো। সন্ধিয়াৰ সময়ত ওলাই গ'লো। কলেজ ষ্ট্ৰিটত এটা কালীমন্দিৰ আছে। দুটা ডাঙৰ-ডাঙৰ ঘৰৰ চেপত সোমাই থকা সৰু মন্দিৰ। তালৈ গৈ পূজাৰী যেন লগা মানুহ এজনক টকা এটা দি মোৰ নামত চাকি এগছ দিবলৈ ক'লো। সেইটো প্ৰথা কালীমন্দিৰত আছে নে নাই, পূজাৰীয়ে মোৰ কথাৰ অৰ্থ কি বুজিলে, সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰি হোষ্টেললৈ উভতিলো। বৈঠকখানা ৰ'ডত এটা সৰু মছজিদ আছে। তাৰ বাৰাণ্ডাতে থিয় হৈ থকা মানুহ এজনক সিকি এটা দি মছজিদটোত মোৰ হৈ মমবাতি এডাল জ্বলাবলৈ ক'লো। মছজিদ থকা চুবুৰি এটাৰ ওচৰৰ চুবুৰিটোতে ডাঙৰ হৈছিলো কাৰণে নামঘৰত চাকি দিয়া আৰু মছজিদত মমবাতি দিয়া সমপৰ্যায়ৰ কাম বুলি জানিছিলো।

পাছদিনা সতী বেউলাৰ শ্যুটিং চাবলৈ টালিগঞ্জলৈ গুচি গ'লো। মনৰ পৰা সপোনটোৰ কথা আঁতৰি গ'ল। সন্ধিয়াৰ আগে-আগে হোষ্টেল সোমাইছোঁহি,— কমমেট হেমন্ত ভট্টাচাৰ্যই (পাছলৈ কটন কলেজৰ কেমিষ্ট্ৰিৰ অধ্যাপক) ক'লে,— আপুনি ক'লৈ গৈছে জনা হ'লে আপোনাক বিচাৰিয়েই গ'লোহেঁতেন। আপোনাৰ টেলিগ্ৰাম এখন আছে। লগে-লগে তেখেতে টেলিগ্ৰামখন মোৰ হাতত দিলে।— Father serious Come sharp.

ভট্টাচাৰ্যই পৰামৰ্শ দিলে,— এৰোপ্লেনত যাওকগৈ। মোৰ লগত তেখেতো ওলাল চিত্তৰঞ্জন এভিনিউৰ ইণ্ডিয়ান এয়াৰ লাইনছৰ অফিছলৈ। পাছদিনা পুৱাৰ কাৰণে সাতষষ্ঠি টকা দি টিকেট এখন কিনিলো। ভট্টাচাৰ্যই কিছু পইচা ধাৰলৈ দিলে।

নগাঁৱৰ ষ্টেট ট্ৰেন্সপৰ্ট অফিছৰ পৰা ৰিক্সাৰে ঘৰলৈ যাওঁতে উদগ্ৰীৱ হৈ ইফালে-সিফালে চিনাকি মানুহ দেখোঁ নে কি চাই গ'লো। প্ৰথমতে দেখিলো মদন আগৰৱালাক (পাছলৈ আৰ. ডি. ষ্ট'ৰছ নামৰ দোকানসমূহৰ মালিক)। সুধিলো,— আমাৰ ঘৰৰ কিবা খবৰ জানেনে? তেওঁ ক'লে,— তুমি যোৱাচোন ঘৰলৈ।

সেইদিনা পিতাইৰ তিলনি। যি ৰাতি সপোনত দাঁতটো সৰা দেখিছিলো, তাৰ পাছ ৰাতিয়েই পিতাইৰ মৃত্যু হৈছিল। সেইদিনা ভাদ মাহৰ শেষ দিন আছিল। ওচৰৰ নামঘৰত ৰাতি বাইজে ভাদমহীয়া নাম সামৰিছিল। নৃপেন ককাইদেউ নামঘৰলৈ গৈছিল। নগেন ককাইদেউ আছিল নগৰৰ পৰা দূৰত। বৌৰ অসুখ। তেওঁ বিছনাত পৰি আছিল। ৰাতিৰ সাঁজ ভাত বহাবলৈ আহিছিল চুবুৰিৰে ইন্দি নামৰ ছোৱালীজনী। সেইবোৰ দিনত ৰাস্তাটোৰ সিপাৰৰ ইন্দি, মেৰি, মইনাহঁত আছিল মাত দিলেই আহি আমাক ঘৰুৱা কামত

সহায় কৰা অকণ-অকণ ছোৱালী। ইন্দিক পিতায়ে ৰহৰ দাইল ৰান্ধিবলৈ ক'লে; পাছলি যি আছিল তাৰে ভাজি এখন কৰিবলৈ ক'লে; তাৰ পাছত তেখেতে এনেয়ে দীঘল দিওঁ বুলি বিছনাত পৰিল। এবাৰ উঠি গৈ তেখেতে ইন্দিক দাইলত পানী বেছিকৈ নিদিবলৈ পৰামৰ্শও দিলে। এসময়ত ইন্দিয়ে ৰন্ধা কাম শেষ কৰি ভাত বাঢ়িবনে কি সুধিবলৈ পিতাইৰ ওচৰলৈ আহিল। তেতিয়া মানুহজনৰ গাত জীৱ নাছিল। নামঘৰত ৰাইজে নাম সামৰি উঠিছিলহে;— খবৰটো পাই সকলো আমাৰ ঘৰলৈ আহিল।

সেইদিনাই আবেলি পৰত খনাজানৰ সিফালৰ মৰিশালিখনলৈ গৈ পিতাইক খৰি দিয়া ঠাইডোখৰ চাই আহিলোঁগৈ। ধনহীন, মাটিৰ লগত গভীৰ সম্পৰ্ক থকা, ক্লাছ ছেভেনলৈকে পঢ়া আমাৰ পাঠশালাৰ 'পণ্ডিত' মানুহজন অকস্মাতে নাইকিয়া হৈ গ'ল। পিতাইৰ নাম আছিল বিদুৰ চন্দ্ৰ শইকীয়া। বিদুৰ। বৰ কম প্ৰচলিত নাম। নামটোৱে মানুহজনক শুৱাইছিল। দিন যোৱাৰ লগে-লগে মানুহজনে নিজকে নামটোৰ লগত বেছিকৈ খাপ খুৱাই গৈ আছিল।

পিতাইৰ কোনো ধৰণৰ অসুখৰ আগতীয়া খবৰ মই পোৱা নাছিলো। তথাপি যে সপোনটো দেখিছিলো, আৰু সেই সপোনটো যে সেই সৰু কালতে ঠিক পিতাযে নিজে কোৱামতেই ফলিয়ালে, এইটো মোৰ কাৰণে অবিস্মৰণীয় বিস্ময়জনক কথা। আৰু উল্লেখযোগ্য কথা,— মই সপোনটো পাতলভাৱে লোৱা নাছিলো। তথাপি মই কওঁ,— মই দেখা সপোনটো আৰু পিতাইৰ মৃত্যু,— এই যোগাযোগটোক যেন কোনেও গভীৰ গুৰুত্বৰে গ্ৰহণ নকৰে। মোৰ লগত পিতাইৰ এটা অতি নিবিড়, আত্মিক যোগাযোগ আছিল কাৰণেই হয়তো ঘটনাটোৰ ৰূপটো এনেকুৱা হ'ল, অইনৰ ক্ষেত্ৰত এনেকুৱা ঘটনা নঘটিবও পাৰে।

পিতাইৰ শ্ৰাদ্ধ উপলক্ষে ককাইদেউহঁতে এখন ভাওনাৰ আয়োজন কৰিছিল। ওচৰৰে গাঁও এখনৰ ৰাইজে আগফালৰ ৰভাতলিত ভাওনা কৰিছিলহি। সেই সময়ত এই অনুষ্ঠানটোক সকলোৱে পিতাইৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ উপযুক্ত অনুষ্ঠান বুলি মান্য কৰিছিল।

চুলি অলপ দীঘল হোৱাৰ পাছত কলিকতালৈ উভতিলো। ইতিমধ্যে সতী বেউলাৰ শুটিং শেষ হৈছিল। নোহোৱা হ'লেও মই সেইখন ফিল্মৰ খবৰ ল'বলৈ টালিগঞ্জলৈ নগ'লোহেঁতেন। সেই যে চুৰিয়া পিন্ধি, শুদা গাত চাদৰ লৈ অভিনয় কৰিছিলো, নগাঁৱৰ ঘৰত দহাৰ দিনালৈকে প্ৰায় তেনেকুৱা সাজেৰেই থাকিবলগীয়া হোৱা কাৰণে, বা টালিগঞ্জৰ পৰাই আহি দুঃসংবাদৰ টেলিগ্ৰামখন পাইছিলো কাৰণে,— সেইফালে যাবলৈ উৎসাহ অনুভৱ নকৰিলো। পৰীক্ষাও লাহে-লাহে আগুৱাই আহিছিল। হঠাতে এনেকুৱা লাগিল যেন মই মোৰ মনৰ ডেউকাৰ পাখি কিছুমান চুটিকৈ কাটি পেলালো। এম.এছ.

ছি পাঠ্যক্ৰমৰ কিতাপ, ন'ট আৰু অন্যান্য কিতাপ-কাগজৰ লগত বেছি সময় খৰচ কৰাৰ প্ৰৱণতা এটা অনুভৱ কৰিলো। কলেজলৈ যোৱাৰ বাহিৰে ঘূৰা-পকা যিমান পাৰোঁ কমালো। ৰুমমে'ট হেমন্ত ভট্ট আৰু সুজিত সেনগুপ্তক এদিন ক'লো,— পঢ়োঁ দিয়ক। পঢ়োঁ মানে পৰীক্ষাৰ কাৰণে মূৰ গুঁজি পঢ়া আৰম্ভ কৰোঁ। তেখেতসকলেও ক'লে,— ঠিক আছে, পঢ়োঁ। পিছে আৰম্ভ কৰিলো যদিও ঠিক মতে মূৰ গোঁজা নহ'ল। কেতিয়াবা সোমাই থাকি আমনি লাগিল, কেতিয়াবা পঢ়াত, আনকি গল্প-কিতাপতো মন নবহিল, আৰু কেতিয়াবা মনটো বেয়া লাগি থাকিল। কিছুদিন সন্ধিয়া-সন্ধিয়া কলেজ স্কোৱাৰৰ চাৰিওফালে দুপাকমান ঘূৰি বেঞ্চত বহি থকা কৰিলো, কেতিয়াবা কোনোবা প্ৰসিদ্ধ গায়ক গায়িকাই অংশগ্ৰহণ কৰা সংগীত-অনুষ্ঠান চাই কেইঘণ্টামান কটাই দিলো।

সংগীত অনুষ্ঠানৰ কথা ওলাল কাৰণে এই বিষয়ে দুটামান কথা কৈ থওঁ। আমি কলিকতাত পঢ়ি থকাৰ সময়ছোৱা বাংলা আধুনিক গীতৰ সোণালী দিনবোৰৰ এটা অংশ আছিল বুলি মই বিশ্বাস কৰোঁ। ধনঞ্জয় ভট্টাচাৰ্য, সতীনাথ মুখোপাধ্যায়, শ্যামল মিত্ৰ, উৎপলা সেন, আলপনা বন্দোপাধ্যায আদি গায়ক-গায়িকাসকলে আধুনিক গীতক সৃষ্টিধৰ্মী কলাৰ পৰ্যায়লৈ উন্নীত কৰি তাক সাধনাৰ উপাদান হিচাপে ব্যৱহাৰ কৰিছিল। গীতৰ কথা আৰু সুৰ— দুযোৰে ওপৰত গুৰুত্ব দি, দুয়োৰে পাৰস্পৰিক নিৰ্ভৰশীলতাক যথাযোগ্য মৰ্যাদা প্ৰদান কৰি তেওঁলোকে মনোমোহা গীতৰ সৃষ্টি কৰিছিল। তেওঁলোকে সাধাৰণ মানুহৰ মাজত থকা আধুনিক গীতৰ জনপ্ৰিয়তাৰ ধাৰণাটোৰ অপব্যৱহাৰ নকৰিছিল, বৰঞ্চ ক'ব পাৰি,— তেওঁলোকৰ কামে আধুনিক গীতৰ জনপ্ৰিয়তাক এক সংস্কৃত ৰূপ প্ৰদান কৰিছিল। এই প্ৰসিদ্ধ গায়ক-গায়িকাসকলৰ কাৰ্যসূচী থকা ডাঙৰ-ডাঙৰ অনুষ্ঠানবোৰত এটা কথা লক্ষ্য কৰিছিলো : গীতৰ অনুষ্ঠানৰ মাজে-মাজে অন্তৰ্ভুক্ত কৰা ভানু বানাৰ্জী, জহৰ ৰায়ৰ নিচিনা কৌতুক অভিনেতাৰ কাৰ্যসূচীয়ে অনুষ্ঠানৰ সৌষ্ঠৱ সামান্য পৰিমাণেও হানি কৰা নাছিল;—বৰঞ্চ এই অভিনেতাসকলো নিজৰ কামৰ জৰিয়তে অনুষ্ঠানৰ সামগ্ৰিক সৌষ্ঠৱ ৰক্ষা কৰাৰ প্ৰতি সচেষ্ট আছিল। এওঁলোক সকলোৰে শিল্পকৰ্ম একেডাল শিল্পগুণৰ সূতাৰে গঁথা আছিল; আৰু সেইধাৰ মালা সেই সময়ৰ পশ্চিম বংগৰ মনোৰম সম্পদ আছিল। যাদবপুৰ ইঞ্জিনিয়াৰিং কলেজৰ চৌহদত মাজনিশালৈকে এওঁলোকৰ অনুষ্ঠান চাই এদিন মই ইন্দু হাজৰিকা শচী শৰ্মাহঁতৰ আলহীও হৈছিলো। (শচী শৰ্মাই পাছলৈ যোৰহাট ইঞ্জিনিয়াৰিং কলেজত অধ্যাপনা কৰিছিল আৰু কলেজখনৰ অধ্যক্ষ প্ৰদত থকা অৱস্থাতে তেওঁৰ মৃত্যু হৈছিল। সংশ্লিষ্ট মানুহ দূৰে-দূৰে থাকিলেও যিবোৰ বন্ধুত্ব অক্ষুণ্ণ, অম্লান হৈ থাকে, শচীৰ লগত মোৰ তেনেকুৱা বন্ধুত্ব আছিল।)

আমাৰ হোষ্টেলৰ কোঠালিটোলৈ উভতি আহোঁ। কিছুদিনৰ পাছত ভট্ট আৰু সুজিত বাবুৱে কোঠালিটোত যিটো গম্ভীৰ, পৰীক্ষা-পৰীক্ষা পৰিবেশৰ সৃষ্টি কৰিলে, সেই পৰিবেশ গ্ৰহণ আৰু ৰক্ষা কৰিবলৈ মই বাধ্য হ'লো। ভট্ট আচলতে আগৰ বছৰত আমাৰ হোষ্টেলতে থাকি পাছ কৰি ওলাই যোৱা যোগেন বৰুৱাৰ একে বিষয়ৰে সহপাঠী আছিল; কিন্তু বিশেষ কাৰণত তেওঁ আগৰ বছৰ পৰীক্ষা নিদি আমাৰ সহপাঠী হৈছিল। (যোগেন বৰুৱা যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰৰ সঞ্চালকৰ আসনত অধিষ্ঠিত হৈছিল, আৰু মৃত্যুৰ আগলৈকে সেই আসনৰ অধিকাৰী আছিল।) বিশ্ববিদ্যালয়ৰ পৰীক্ষাত কিমান নম্বৰ পাই পৰীক্ষা পাছ কৰিছিল, সেইটো বেলেগ কথা, কিন্তু ব্যক্তিগত পৰ্যায়ত ভট্ট বৰ বুদ্ধিমান আৰু সুবিবেচক মানুহ আছিল। স্বৰ্ণময়ী হোষ্টেলত তেওঁৰ পৰা পোৱা দুবছৰীয়া বন্ধুত্ব মোৰ কাৰণে স্মৰণ কৰিবলগীয়া বিষয়।

ফিজিক্সৰে ছাত্ৰ সুজিত বাবুৰ ঘৰ আছিল চট্টগ্ৰামত। তেওঁ চৰকাৰৰ লগত কিবা বন্দবস্ত এবিধ কৰি 'ফৰেইন'ত পঢ়িবলৈ আহিছিল। আমি সৰুৰে পৰা নগাঁৱৰ বৰবজাৰত হোটেল চলোৱা, 'স্পেছিয়েল' পৰঠা বনোৱা 'চাটগঞা' মানুহৰ সংশ্ৰৱলৈ আহিছিলো; পাছৰ জীৱনত দেশে-বিদেশে বিভিন্ন ঠাইত সেই অঞ্চলৰ মানুহক লগ পাইছোঁ; আৰু তেওঁলোকৰ ভাষাটো মূলতঃ বাংলা ভাষা বুলিয়েই জানি আছিলো; কিন্তু সেই ভাষাৰ ৰূপ কেনেকুৱা, সেইটো সুজিত বাবুৰ পৰাহে প্ৰথম গম পালো। 'আইন এক্কান ঘূইৰা আয়'— মানে মই অকণমান ফুৰি আহোঁগৈ। 'আইন আজুআ ৰাতুআ গত কৰ দিয়ম'— মানে মই আজি ৰাতি গাত কাপোৰ ল'ম।

(এইযে 'পৰঠা বনোৱা' বুলি লিখিলো, ইয়াৰ 'বনোৱা' শব্দটোৰ বিষয়ে এটা কথা কৈ থওঁ। 'সঁফুৰা' নামৰ আলোচনীখন সম্পাদনা কৰাৰ সময়তো মই সৰু-সৰু ল'ৰা-ছোৱালীহঁতৰ কাৰণে এটা টোকা লিখি 'বনা' শব্দটো কোনো-কোনো ক্ষেত্ৰত ব্যৱহাৰ কৰিছিলো। ঘৰ সজা, ভাত ৰন্ধা ইত্যাদি ক্ষেত্ৰত বনা শব্দটো আমি ব্যৱহাৰ নকৰোঁ, কিন্তু কিছুমান কামৰ ক্ষেত্ৰত এই শব্দটো ব্যৱহাৰ নকৰিলে আমাৰ অসুবিধা হয়। এই শব্দটো বৰ্জনীয় শব্দ নহয়; কেৱল ইয়াক ভুলকৈ প্ৰয়োগ কৰিব নালাগে। অভিধান মতেও বনা মানে—কৰ, তৈয়াৰ কৰ।)

মই নিজেও, আৰু হেমন্ত ভট্টও, নিজৰ-নিজৰ বিছনা, মেজ, কিতাপ-বহী, কাপোৰ-কানি আদি ছিজিল লগাই থোৱাৰ কামত বৰ অপৰিপাটি নাছিলো; কিন্তু সুজিত বাবুৰ পাৰিপাট্য দেখি আমি তবধ মানিছিলো। মেজত পৰা কাপোৰখন চাৰিওফালে সমানে ওলমি থাকিব লাগিব; বহীবোৰৰ জাপটোত প্ৰতিখন বহীৰ চুক-কোণ মিলি থাকিব লাগিব; মেজৰ ওপৰত কলম-পেনছিল সমান্তৰাল হৈ থাকিব লাগিব; বিছনা-চাদৰ

অনবৰত ফিট হৈ থাকিব লাগিব। তেওঁৰ বিছনাত আমি ধপকৈ বহি ঘপকৈ উঠি গুচি অহা নচলিব; উঠি অহাৰ সময়ত বিছনা-চাদৰখন ফিট কৰি থৈ আহিব লাগিব। তেওঁ মুখেৰে আমাক একো নক'ব পাৰে, কিন্তু তেওঁ প্ৰতিপালন কৰা পৰিবেশটোৱেই আমাক হুকুম দিয়ে,— অ'ই, বিছনা-চাদৰ ঠিক কৰি থৈ যা! লোকৰ পৰা অনা ন'ট তেওঁ ফুলছকেপ কাগজত, বাঁওফালে কাঠ পেনছিলেৰে মাৰ্জিন টানি, সৰু-সৰু, গোট-গোট আখৰেৰে কপি কৰে, আৰু এটা-এটা প্ৰশ্নৰ উত্তৰৰ পাতকেইখিলা চুকত বেজি-সূতাৰে গাঁঠি দি, চুক-কোণ মিলাই জাপি থৈ যায়। পৰীক্ষালৈ সাদিন আছে, তেতিয়াও তেওঁ সৰু-সৰু, গোট-গোট আখৰেৰে ন'ট কপি কৰিয়েই থাকে! আমি ধৰি লৈছিলো,— তেওঁ ন'ট কপি কৰা মানেই পঢ়া। কেতিয়াবা তেওঁ পুৱাই গা-পা ধুই, ধোবাই ধোৱা লুঙি আৰু ধকধকীয়া গেঞ্জি পিন্ধি মেজৰ সমুখত বহি লয়, নতুন ফুলস্কেপ কাগজ ভাঁজ কৰি কেঁচীৰে সাৱধানে দীঘলে-বহলে প্ৰায় দুই-ইঞ্চি জোখৰ টুকুৰা কিছুমান কাটে, আৰু সেইবোৰ চুক-কোণ মিলাই জাপি থৈ দিয়ে। সেইবোৰেৰে তেওঁ ঘাইকৈ উৰহ মাৰে। বিছনা, মেজ বা ওলোমাই থোৱা কাপোৰত উৰহ দেখিলেই তেওঁ দুটুকুৰা কাগজ হাতত লয়; এটুকুৰা কাগজক কোৰ হিচাপে ব্যৱহাৰ কৰি উৰহটো ইটুকুৰা কাগজত তুলি লয়, তাৰ পাছত অতি সাৱধানে, হোমিওপেথিকৰ গুড়ি-ঔষধ বন্ধাৰ নিচিনাকৈ উৰহটো পুৰিয়া বান্ধি বাৰাণ্ডালৈ ওলাই যায়, আৰু ভলি খেলা পথাৰৰ ফালে সেইটো দলিয়াই দিয়ে। উৰহৰ বাহিৰে অইন পোক-পৰুৱা দেখিলেও তেওঁ তৎক্ষণাৎ কাগজৰ টুকুৰা তুলি লয়।

অতি অমায়িক, নিৰ্জু স্বভাৱৰ এই মানুহজন আমাৰ কোঠালিটোৰ কাৰণে শান্তিৰ প্ৰতীকৰ নিচিনা আছিল। ভট্ট আৰু মোক লগ পাবলৈ অহা অসমীয়া আলহী-অতিথিৰ সংখ্যাটো স্বাভাৱিকতে ডাঙৰ আছিল। কোঠালিৰ ভিতৰত আলহীৰ গিজগিজনি বেছি হ'লেই সুজিত বাবুৱে সদায় কোঠালিৰ বাহিৰত কাম উলিয়াই লৈছিল।

ড. মহেশ্বৰ নেওগ ছাৰৰ লগত মোৰ প্ৰথম কথা-বতৰা এইটো কোঠালিতে হৈছিল। দিল্লীত অনুষ্ঠিত হ'বলগীয়া আন্তঃবিশ্ববিদ্যালয় যুব মহোৎসবলৈ বুলি অহা গুৱাহাটী বিশ্ববিদ্যালয়ৰ দলটো কলিকতা পাইছিলহি। দলটোৰ তত্ত্বাৱধায়ক অধ্যাপক হিচাপে আহিছিল নেওগ ছাৰ। কলিকতাত অলপ সময় পাই মোৰ এজন চিনাকি ল'ৰাৰ সৈতে তেখেত আমাৰ কোঠালিলৈ আহিছিল। আমি তেখেতসকলক ব্ৰজমোহন মহান্তিয়ে যোগান ধৰা আমাৰ হোষ্টেলৰ 'মাৰ্কামৰা' কে'ক আৰু চাহ খুৱাইছিলো। আচৰিত কথা,— নেওগ ছাৰ কাৰ লগত আহিছিল, সেই কথাটো এতিয়া মোৰ মনত পৰা নাই। কিন্তু তেওঁ নানা হ'লে নেওগ ছাৰ নিজে ওচৰলৈ আহিব;— সেইটো মোৰ বিশ্বাস নহয়। কাৰণ তেতিয়া মই সিমানৰ মানুহ হোৱাই নাছিলো।

নেওগ ছাৰক কলিকতাত পাছৰ বছৰত মই আকৌ লগ পাইছিলো। সেইবাৰ তেখেত ডক্টৰেট ডিগ্ৰিৰ বাবে মৌখিক পৰীক্ষা দিবলৈ কলিকতালৈ আহিছিল আৰু আইডিয়েল হোমত আছিলহি। পাছৰ জীৱনত মই ভাষা-বিষয়ক ভালেমান কথা নেওগ ছাৰৰ লগত পাতিছিলো, কিন্তু মোৰ মনত আছে,— মই তেখেতক এই বিষয়ৰ প্ৰথম প্ৰশ্নটো সেইবাৰ কলিকতাত সুধিছিলো। প্ৰশ্নটো আছিল,— 'কিজানি',— আমিযে কওঁ—"সি কিজানি গমেই পোৱা নাই!"— এই কিজানি শব্দটোৰ উদ্ভৱ কেনেকৈ হ'ল? বাংলাৰ— 'কি জানি?'— শব্দ দুটাৰ লগত 'কিজানি'ৰ কিবা সম্পৰ্ক আছে নে কি? ছাৰে নাই বুলি কৈছিল। সেইবাৰ ছাৰে ঘৰৰ কাৰোবাৰ কাৰণে চেতাৰ এখন কিনিব; মই চিৎপুৰ ৰ'ডৰ দোকানৰ পৰা চেতাৰ এখন কিনাত ছাৰক সহায় কৰি দিছিলো।

এই কোঠালিটোত বাস কৰা কালতেই মোৰ ছাত্ৰ-জীৱনৰ পঢ়া-শুনা ক্ষেত্ৰৰ একমাত্ৰ বিপৰ্যয়টো ঘটিছিল। পঢ়া-শুনাত অলপো গাফিলতি কৰা নাছিলো। আগৰ বছৰ ফাৰ্ষ্ট ক্লাছ পোৱা উৰিষ্যাৰ ছাত্ৰ প্ৰভাকৰ মহাপাত্ৰৰ প্ৰায় আটাইখিনি ন'ট মই পাইছিলো। লগৰ চোকা-চোকা ল'ৰাহঁতৰ ন'টো প্ৰচুৰ পৰিমাণে গোটাই লৈছিলো। পৰীক্ষা বুলিলে পৃথিৱীখনৰ বাকী সকলো একাষৰীয়াকৈ থ'ব পৰা মোৰ যিটো অভ্যাস, সেই অভ্যাসক কামত খটুৱায়েই পঢ়া-শুনা কৰিছিলো। এম. এছ. ছি. ক্লাছত নাম লগোৱাৰ পাছত,— দুবছৰৰ মূৰত এইটোৱেই একমাত্ৰ আৰু শেষ পৰীক্ষা। পাঁচ শ নম্বৰৰ পাঁচখন থিয়'ৰি পেপাৰৰ পৰীক্ষা একেৰাহে হ'ব। সোমবাৰে আৰম্ভ, শুকুৰবাৰে শেষ। গতিকে এম. এছ. ছি মহলাৰ সমগ্ৰ পাঠ্যক্ৰমৰ পৰীক্ষাৰ বাবে সাজু হোৱা প্ৰক্ৰিয়াটোৱে স্বাভাৱিকতে দেহ-মনৰ ওপৰত প্ৰচণ্ড হেঁচাৰ সৃষ্টি কৰিছিল। কিন্তু হেঁচাতো অকল মোৰ দেহ-মনৰ ওপৰতে পৰা নাছিল, সকলো পৰীক্ষাৰ্থীৰ ওপৰতে পৰিছিল। এনেকুৱা ৰুটিনেৰেই আমাৰ আগৰ হাজাৰ-হাজাৰ পৰীক্ষাৰ্থীয়ে এম. এছ. ছি পাছ কৰি গৈছিল। যাৰ প্ৰেকটিকেল পেপাৰ নাছিল, অৰ্থাৎ যাৰ আঠোখনেই থিয়'ৰি পেপাৰ আছিল, তেওঁলোকে দেওবাৰটোৰ বাহিৰে কোনো বিৰতি নাপাইছিল। আমি ধৰি লৈছিলো,— একেৰাহে থিয়'ৰি পেপাৰকেইখন শেষ কৰি দিয়াটো পৰীক্ষাৰেই এটা অংগ আছিল। ভয় যথেষ্ট খাইছিলো, কিন্তু প্ৰিপেয়াৰেশ্যন বেয়া হোৱা বুলি ভবা নাছিলো।

প্ৰথম দিনা। প্ৰেছিডেন্সি কলেজৰ কোনোবা এটা কোঠালিত বহিছোঁ পৰীক্ষা দিবলৈ। প্ৰশ্নকাকতৰ বিৰুদ্ধে ক'বলৈ একো নাই। পঢ়াৰ ভিতৰতে এশ নম্বৰৰ উত্তৰ দিব পৰা প্ৰশ্ন আছে। সহজে আৰু সোনকালে শেষ কৰিব পৰা প্ৰশ্ন এটাকে ধৰিলো। আধাপৃষ্ঠামান কথা লিখাৰ পাছত ডিডাকশ্যন আৰম্ভ কৰিলো। তৃতীয় পৃষ্ঠাৰ আৰম্ভণিতে বৈ গ'লো। ইয়াৰ পাছত? ইয়াৰ পাছত কি কৰিব লাগিব? মনলৈ নহা হ'ল। এইটো একো ডাঙৰ কথা নহয়। কেই মুহূৰ্তমানৰ পাছতেই গাঁঠি খোল খাই যাব। কিন্তু মুহূৰ্তবোৰ যিমানে

যাবলৈ ধৰিলে, সিমানে মই বেছি নজনা হৈ যাবলৈ ধৰিলো। কিবা এশাৰী লিখোঁ,— নহয়, এনেকৈ নহ'ব। কাটোঁ। আকৌ এশাৰী লিখোঁ,— কাটোঁ। এইবোৰ কথা বহুবাৰ, নোচোৱাকৈ, লিখি-লিখি অভ্যাস কৰি থৈছোঁ,— কিন্তু এতিয়া এনেকুৱা লাগিছে যেন মই প্ৰথমবাৰহে এইটো ডিডাকশ্যন কৰিবলৈ চেষ্টা কৰিছোঁ। লাহে-লাহে কাণ-মূৰ গৰম হৈ আহিল। অলপ সময় যুঁজি সেইটো প্ৰশ্ন এৰিলো। তিনিটামান পৃষ্ঠা খালীকৈ এৰি থৈ আইন এটা প্ৰশ্ন ধৰিলো। কেইশাৰীমান লিখাৰ পাছত মই অনুভৱ কৰিলো,— এইবোৰৰ মই একো নাজানো। কোনো কথা মোৰ মনলৈ নাহে। মগজটো যেন খালী হৈ গ'ল। বা-মৰলীৰ নিচিনাকৈ ঘূৰি থকা এক উত্তাপৰ বাহিৰে তাত যেন আৰু একো নাথাকিল।

এঘণ্টা পাৰ হ'ল কি নহ'ল, ইনভিজিলেটৰৰ হাতত বহীখন দি মই ওলাই আহিলো। কলেজ ষ্ট্ৰিটৰ ফুটপাথত ভৰি দিয়েই মহম্মদ তাহেৰক দেখিলো। (ড তাহেৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক, আৰু পাছত অসমৰ মাধ্যমিক শিক্ষা পৰিষদৰ অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছে।) তেখেতক ওচৰৰে বসন্ত কেবিনলৈ মাতি নিলো আৰু দোকানৰ ল'ৰা এটাক চাহ-মিঠাই দিবলৈ ক'লো। পৰীক্ষা নিদি গুচি অহাৰ কথাটো চমুকৈ কৈ মই তেখেতৰ আগত সাহিত্যৰ কথা উলিয়ালো। কথাবোৰৰ সবিশেষ মোৰ মনত নপৰে, কিন্তু সাৰাংশটো বোধকৰোঁ এনেকুৱা আছিল ঃ বিশ্ববিদ্যালয়ৰ পঢ়া-শুনা, পৰীক্ষা আদিয়ে মোক জীৱনত সহায় কৰিব পাৰে, কিন্তু প্ৰকৃত সাহিত্য-কৰ্মই মোক এক মহত্ত্ব, এক বিশালতাৰ আভাস দিব পাৰে। মই বুজিছিলো,— তাহেৰক কথাবোৰ মই সম্পূৰ্ণ প্ৰকৃতিস্থ অৱস্থাত কোৱা নাছিলো। বোধকৰোঁ কথাবোৰ আবোল তাবোলৰ নিচিনা আছিল।

হোষ্টেলৰ পাগঘৰৰ কৰ্মী ব্ৰজ-গণেশহঁতে অবাক হৈ মোৰ মুখলৈ চালে। ছাত্ৰ থকা সকলো কোঠালি শূন্য। কেৱল মোৰ বিছনাত মই। ছাত্ৰসকলে পৰীক্ষাঘৰত প্ৰশ্নৰ উত্তৰ লিখি আছে। ইয়াতকৈ নিৰ্জন-নিস্তব্ধ দুপৰীয়াৰ কথা সেইটো হোষ্টেলত মই কল্পনাই কৰিব নোৱাৰোঁ। বিছনাত পৰাৰ পাছতহে লাহে-লাহে মই বাস্তৱ জগতখনলৈ উভতি আহিলো। কি হ'ল? কিয় এনেকুৱা হ'ল? বৌক, ককাইদেউহঁতক কি বুলি কম? খড়গপুৰৰ পাঠান-প্ৰবোধহঁতৰ পৰা আৰম্ভ কৰি গোটেই ৰাজ্যখনত সিঁচৰতি হৈ থকা অসংখ্য বন্ধু-বান্ধৱক কি কম?— এওঁলোকক বাৰু কিবা এটা ক'লো;— কিন্তু বছৰটো? আৰু এটা বছৰ—? হঠাতে মনলৈ আহিল,— এখন পেপাৰত শূন্য পালেও, বাকী চাৰিখন পেপাৰৰ নম্বৰেৰেওতো পাছ কৰাটো সম্ভৱ! সেই ভাবটো মনলৈ অহাৰ লগে-লগে বিছনাতে বহি লৈ ছেকেণ্ড পেপাৰৰ ন'ট পঢ়িবলৈ আৰম্ভ কৰিলো। পৰীক্ষা শেষ কৰি আহি লক্ষ্মীনন্দন প্ৰমুখ্যে প্ৰায় সকলো পৰীক্ষাৰ্থীয়ে খবৰ ল'লে— কি হ'ল? মই ক'লো,— যি হ'ল হ'ল; কাইলৈ ছেকেণ্ড পেপাৰৰ পৰীক্ষা দিম।

কিন্তু ৰাতি বেছি হৈ অহাৰ লগে-লগে মোৰ মনৰ জোৰ কমি আহি এসময়ত নাইকিয়া হৈ গ'ল। অসম্ভৱ। চাৰিখন পেপাৰেৰে পাঁচখন পেপাৰৰ নম্বৰ ধৰা কামটো কৰাৰ মোৰ শক্তিয়েই নাই। ৰাতি এঘাৰমান বজাৰ পাছত ছেকেণ্ড পেপাৰৰ কাগজ-পাতি সামৰি দুখন দীঘল-দীঘল চিঠি লিখিলোঁ! এখন নৃপেন ককাইদেউলৈ, ইখন পাঠানলৈ। ককাইদেউলৈ লিখা চিঠিখনত মই কিমান কষ্ট কৰিছিলোঁ, হঠাতে কি হ'ল, ভৱিষ্যতৰ কথা ভাবিছোঁ— ইত্যাদি বিষয়ে বহু কথা লিখি মাজতে লিখিছিলোঁ,— পিতাই ঢুকাওঁতেই আশংকা হৈছিল,— এইবাৰ মোৰ কিবা এটা বিঘিনি ঘটিব। সেই আংশকা মতেই বিঘিনিটো ঘটিল।

সেই কথাষাৰ মই মোৰ নিজৰ দোষ পাতলাবৰ কাৰণে বা ৰেহাই পোৱাৰ উপায় (excuse) হিচাপে ব্যৱহাৰ কৰিছিলোঁ, নে কথাষাৰৰ লগত মোৰ আন্তৰিক সম্পৰ্ক আছিল, সেইটো মই থিৰাংকৈ ক'ব নোৱাৰিম।

মোৰ চিঠিৰ উত্তৰ হিচাপে পাঠানে লিখিছিল,— খড়গপুৰলৈ গুচি আহক। ইয়াত কেইদিনমান থাকিলে মনটো ভাল লাগিব। নগ'লোঁ। কিছুদিনৰ পাছত নগাঁৱলৈ গুচি আহিলোঁ। গৰমৰ বন্ধতেই হওক বা পূজাৰ বন্ধতেই হওক, ঘৰত থকা দিনখিনিৰ বেছিভাগ সাধাৰণতে গান-বাজনা-থিয়েটাৰ আদিৰ লগত সম্পৰ্ক থকা কামত খৰচ কৰিছিলোঁ। এইবাৰ তেনেকুৱা কামৰ প্ৰতি কোনো আগ্ৰহ অনুভৱ নকৰিলোঁ। ইয়াৰ আগৰবাৰ,— পিতাই ঢুকাওঁতে ঘৰলৈ আহোঁতেও দুখ লাগিছিল, কিন্তু এইবাৰ দুখতকৈ মানসিক কষ্টৰ হেঁচা বেছি আছিল। কিবা এক ধাৰাবাহিকতাৰ মৃত্যু হোৱা যেন লাগিছিল। যি হয় সকলো ভালৰ কাৰণেই হয়;— এটা বছৰনো কি?— কিজানি এই বছৰটো লোকচান হোৱাৰ কাৰণে পাছলৈ কিবা লাভেই হয়,— এনেকৈ নানা ধৰণে নিজকে বুজাবলৈ চেষ্টা কৰিলোঁ; কিন্তু লগতে এইটো কথাও পৰিষ্কাৰকৈ বুজিলোঁ যে সময়ৰ লোকচান লোকচানেই। এই লোকচান হ'ব নালাগিছিল। এটা নতুন বছৰৰ নতুন পৰিবেশৰ লগত খাপ খুউৱাৰ মানসিক শক্তি সম্পৰ্কীয় চিন্তাৰ উপৰিও টকা-পইচাৰ চিন্তাই মোক হেঁচি ধৰিছিল। মোক পঢ়িবলৈ আজৰি কৰি দি ককাইদেউহঁতে ঘৰ চলাইছে;— তেখেতসকলৰ ওপৰত অতিৰিক্ত হেঁচা এটা দিয়াৰ ইচ্ছা মোৰ একেবাৰে নাছিল। কেন্দ্ৰীয় চৰকাৰে স্কলাৰশ্বিপটো আৰু এবছৰৰ কাৰণে দিবনে চাঁগে? যদি নিদিয়ে? এবছৰৰ কাৰণে কিবা সহায় পাওঁ নে কি সুধিবলৈ বুলি এবাৰ শ্বিলঙলৈ গৈ বিত্তমন্ত্ৰী মতিৰাম বৰাকো লগ ধৰিলোঁ। যি বুজিলোঁ, অসম চৰকাৰৰ পৰা কিবা সহায় পালেও, বহুদিনৰ পাছতহে পাম; মোক লগা সময়ত নাপাম। এদিন ঠিক কৰিলোঁ,— নগাঁৱত সোমাই থাকিলে নহ'ব। অগত্যা যিখিনি পইচা নহ'লে নহয়, সেইখিনি ককাইদেউহঁতৰ পৰা লৈ এদিন কলিকতালৈ উভতিলোঁ। এইবাৰ তলৰ মহলাৰ দুখন বিছনা থকা

কোঠালি এটাত ঠাই পালো। ৰুমমেট হ'ল নগাঁৱৰ দেৱপ্ৰসাদ নাথ। হোষ্টেল-জীৱন আৰম্ভ কৰিছিলো কটন কলেজৰ ছেকেণ্ড ব্লকত দেৱৰ বিছনাত; আৰু হোষ্টেল-জীৱনৰ শেষ দিনখিনিও কটাব লাগিব দেৱৰ লগত একেটা কোঠালিতে। আমোদজনক যোগাযোগ!

প্ৰথমতে প্ৰেছিডেন্সি কলেজৰ অফিছত খবৰ কৰিলো,— স্কলাৰশ্বিপটো আকৌ পামনে? হে'ডক্লাৰ্কে ক'লে,— এনেকুৱা-এনেকুৱা ছাৰ্টিফিকেট দিয়া,—পাবা। স্কুলীয়া বন্ধু প্ৰদীপ দত্তই ইতিমধ্যে যোৰহাটৰ ওচৰৰ চাহ-বাগিচা এখনত এছিষ্টেণ্ট মেনেজাৰৰ চাকৰি আৰম্ভ কৰিছিল। তালৈ লিখিলো,— দুশমান টকা দিব পাৰিবিনে? সি লগে-লগে টকা দুশ পঠাই দিলে। কিছুদিনৰ পাছতে স্কলাৰশ্বিপটো পাইছোঁ বুলিও খবৰ আহিল। নিশ্চিন্ত হ'লো। ঘৰৰ পৰা আহোঁতে ভাবি আহিছিলো,—স্কলাৰশ্বিপ নাপালে উপাৰ্জনৰ ৰাস্তা কেইটামন উলিয়াই লম; এতিয়া পিছে তেনেকুৱা ৰাস্তাৰ প্ৰয়োজন নহ'ল।

উপাৰ্জনৰ ৰাস্তাৰ কথা যে ভাবিব পাৰিছিলো, তাৰ কাৰণ আছে। স্বৰ্ণময়ীলৈ অহাৰ পাছত প্ৰথম বছৰটোত পইচাৰ বৰ টনাটনি হৈছিল। সেই যে 'আতংকৰ শেষত' কিতাপখন ছপা কৰিছিল কাত্যায়নী মেছিন প্ৰেছে,— এদিন শিবনাৰায়ণ দাস লেনত থকা সেই প্ৰেছটোত ওলাইছিলোগৈ। প্ৰেছৰ মালিক প্ৰকাশ চন্দ্ৰ সৰকাৰক সুধিছিলো,— প্ৰুফ চোৱাৰ নিচিনা কিবা কাম আছে নে কি? তেখেতে কৈছিল,— এতিয়া নাই; কেতিয়াবা ওলালে খবৰ দিব। খবৰ এটা তেখেতে সঁচাকৈয়ে দিয়াইছিল। ওখ-পাখ, দীঘল পাঞ্জাবি-পায়জামা পিন্ধা, দেখাত কাবুলীহেন মানুহ এজন এদিন আমাৰ কোঠালিত ওলাইছিলহি। তেওঁক সৰকাৰবাবুৱে মোৰ ওচৰলৈ পঠাই দিছিল। 'গাৰ্হস্থ্য হোমিওপেথিক চিকিৎসা' নামৰ বাংলা ভাষাৰ কিতাপ এখন অসমীয়ালৈ অনুবাদ কৰি দিব লাগে। মানুহজনে কাগজেৰে মেৰিয়াই অনা কিতাপ এখন উলিয়াই দিলে। তিনি শ পয়সত্তৰ পৃষ্ঠাৰ কিতাপ। অনুবাদ কৰাৰ বাবদ তেওঁ মোক পৃষ্ঠাই প্ৰতি এটকাকৈ দিব। কামটো থাপ মাৰি লোৱাদি ল'লো। প্ৰথমতে ভাবিছিলো,— দিনে পাঁচ পৃষ্ঠাকৈ কৰি আঢ়ৈ মাহত কামটো শেষ কৰি দিম; পিছে নোৱাৰিলো;— প্ৰায় চাৰে তিনিমাহ লাগিল। মানুহজনৰ সম্পূৰ্ণ নাম নাজানিলো; কেৱল খান বুলিয়েই জানিলো। তেওঁ জেকেৰিয়া ষ্ট্ৰিটৰ নাখোদা মছজিদৰ ওচৰত থাকে। অনুবাদ কৰা কিছু পৃষ্ঠা গোট খালে সেইখিনি দিবলৈ আৰু প্ৰাপ্য পইচাখিনি আনিবলৈ মই তেওঁৰ তালৈ যাওঁ। দোকান-পোহাৰেৰে ভৰা, অপৰিষ্কাৰ অঞ্চলৰ ঘৰ এটাৰ, প্ৰায় দহফুট-দহফুট দীঘল-বহল কোঠালি এটাত মানুহজন অকলে থাকে। বিছনা এখনৰ বাহিৰে কোঠালিটোত একো নাই। বেৰৰ গজালত পাঞ্জাবি এটা ওলমি থাকে; এটা পাঞ্জাবি তেওঁৰ গাত থাকে। তেওঁৰ মাতৃভাষা পাঞ্জাবি; কিন্তু তেওঁ শিখ নহয়। ক'ৰ মানুহ, ক'ত সোমাই আছেহি,—আৰু জীৱিকা উপাৰ্জনৰ বাবে

তেওঁ অসমীয়া ভাষাত গাৰ্হস্থ্য হোমিওপেথিক চিকিৎসাৰ কিতাপ প্ৰকাশ কৰিব! আৰু তেওঁক সহায় কৰিছোঁ মই? নে তেওঁ মোক সহায় কৰিছে? কেতিয়াবা পৃষ্ঠাখিনি দি পইচাৰ কথা ক'লে তেওঁ অপৰাধ স্বীকাৰ কৰাৰ সুৰত হাতত পইচা একেবাৰে নাই বুলি কয়। তেনেকুৱা দিনত, হাতত পইচা নাই কাৰণেই যে মই অতিৰিক্ত পৰিশ্ৰম কৰি পৃষ্ঠাখিনি যুগুতাই আনিছিলো, সেইবোৰ কথা নোকোৱাকৈ তেওঁৰ কোঠালিটোৰ পৰা ওলাই আহোঁ।

পাছত শুনিছিলো, কিতাপখন ছপা হৈ ওলাইছিল। মই আজিলৈকে কিতাপখন দেখা নাই। অনুবাদক হিচাপে কিতাপখনত মোৰ নাম থাকিবনে কি?— সেই বিষয়ে খান চাহাবৰ লগত কোনো দিনে কোনো কথা ওলোৱা নাছিল। নাযো চাগৈ। কিন্তু তিনিশ পয়সত্তৰ টকাৰ বাহিৰেও, বেলেডোনা, নাক্সভূমিকা, পালছেটিলা আদিৰ বিষয়ে সাধাৰণ জ্ঞান অৰ্জন কৰিবলৈ খান চাহাব বা কাত্যায়নী মেছিন প্ৰেছৰ মালিক সৰকাৰবাবুৱে মোক যি সুবিধা দিলে তাৰ বাবে তেওঁলোকৰ ওচৰত মই কৃতজ্ঞ। আৰু, উল্লেখ কৰিবলগীয়া কথা,— 'আতংকৰ শেষত' কিতাপখনে এম. এছ. ছি পঢ়াৰ ক্ষেত্ৰত মোক আওপকীয়াকৈ হ'লেও,— দ্বিতীয়বাৰৰ বাবে সহায় কৰিলে। গতিকে দ্বিতীয়বাৰৰ বাবে কিতাপখনৰ ওচৰত মই কৃতজ্ঞ।

স্কুলত কিবা কাৰণত এটা বছৰ লোকচান হ'লে এটা ল'ৰাইনো কেনেকৈ আকৌ তাৰ তলৰ শ্ৰেণীৰ ল'ৰাবোৰৰ লগত একেলগে বহে, একেবোৰ কিতাপকেনো আকৌ কেনেকৈ পঢ়ে, নতুন বহী যোগাৰ কৰি তাত আকৌ একেবোৰ কথাকেনো কেনেকৈ লিখে,— এইবোৰ কথা ভাবি আচৰিত হৈছিলো। এম. এছ. ছি পৰীক্ষা এবাৰ নিদিয়া কথাটোৰ লগত স্কুলৰ সেই কথাটো তুলনা নকৰাকৈও থাকিব পাৰি; কিন্তু মোৰ ক্ষেত্ৰত মই এই দুটা কথাৰ মাজত বৰ বেছি পাৰ্থক্য মেদেখিলো। এটা বছৰ গ'ল, ঘনিষ্ঠ বন্ধুইত আগুৱাই গ'ল, কোনো উত্তেজনা অনুভৱ নকৰাকৈ আকৌ একেসোপাকে পঢ়িব লাগিব; আগৰ বছৰ আহি যোৱা বুলি কিবা প্ৰশ্ন যদি বাদ দিছিলো, সেইবোৰ এইবাৰ পঢ়িব লাগিব; শিক্ষকসকলৰ লগত থকা সম্পৰ্কৰ সেই সতেজতা নাথাকিব;— মুঠৰ ওপৰত এক উদ্যমহীন, নিৰাশজনক অৱস্থা। তথাপি, মনলৈ বল আনি লাহে-লাহে নিজকে এটা নতুন বছৰত 'পুনৰ-সংস্থাপন' কৰিলো। এদিন দেখা গ'ল,— বন্ধু-বান্ধৱৰ নাম-ঠিকনা-চৰিত্ৰ সলনি হ'ল, কিন্তু সংখ্যাটো বৰ বেছি সলনি নহ'ল। অসমীয়া ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত হেমন্ত ভট্টাচাৰ্য, লক্ষ্মীনন্দন বৰা আদি গ'লগৈ, কিশোৰী মোহন পাঠক (বৰ্তমানে তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য), সূৰ্যকান্ত শৰ্মা (গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূকম্প বিভাগৰ অধ্যাপক), অনিল কুমাৰ গোস্বামী (কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ), ৰমেশ দাস (অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত শিক্ষাধিকৰ্তা), ধীৰাজ দাস (অসম

চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক) আদি থাকিল। ফিজিক্সৰ ছাত্ৰীসকলৰ ভিতৰত সৰোজ দত্ত গ'লগৈ, তুলতুল ভৰালী থাকিল। কিবা কাৰণত এখেতেও পৰীক্ষা দিব পৰা নাছিল। উল্লেখযোগ্য কথা,— কটন কলেজত সৰোজ দত্ত আৰু তুলতুল ভৰালীৰ লগত আমি একেলগে পঢ়িছিলো যদিও, ফিজিক্সৰ অনাৰ্ছৰ ক্লাছত আমি মাত্ৰ চৈধ্যজন ছাত্ৰ-ছাত্ৰী আছিলো যদিও, তাত তেখেতসকলৰ লগত মোৰ কেতিযাবাহে দুই-এটা নিতান্ত প্ৰয়োজনীয় কথাৰ আদান-প্ৰদান হৈছিল। সহপাঠী বন্ধুৰ সম্পৰ্কটো আমাৰ মাজত কলিকতাতহে গঢ়ি উঠিছিল। সৰোজ দত্তৰ লগত এদিন মই তেখেতৰ পৰা ত্ৰিছ টকা ধাৰলৈ ল'ব পৰা পৰ্যায়ৰ বন্ধুত্ব হৈছিল। কটন কলেজত অন্য বিষয় পঢ়া, আৰু কলেজীয়া কালতে গল্প লিখিবলৈ আৰম্ভ কৰা নিৰুপমা তামুলীৰ (পাছলৈ নিৰুপমা বৰগোহাঞি, সাহিত্যিক) লগতো প্ৰথম কথা-বতৰা কলিকতাত পঢ়িবলৈ যোৱাৰ পাছতহে হৈছিল। শেষৰ বছৰটো প্ৰেছিডেন্সি কলেজৰ লেবৰেটৰিত কটনৰ দিনৰে সহপাঠী হিচাপে একেলগে থাকি যোৱা কাৰণে তুলতুল ভৰালী মোৰ ছাত্ৰ-জীৱনৰ আটাইতকৈ ঘনিষ্ঠ সহপাঠী বান্ধৱীত পৰিণত হৈছিল। সেই বন্ধুত্ব পাছলৈ মোৰ বাবে সহায়ক হৈছিল কাৰণে প্ৰসংগটো উল্লেখ কৰি থ'লো।

আমাৰ লগৰ ফাৰ্ষ্ট ক্লাছ পাই পাছ কৰি যোগেশ মুখাৰ্জীৰ হাওড়াত থকা ঘৰলৈ গৈ তেওঁৰ ন'টবোৰ আনি এছোৱা নিৰুত্তাপ, কষ্টকৰ সময়ৰ বাবে সাজু হৈছোঁ, এনেতে এদিন তেজপুৰৰ হীৰেন চৌধুৰী আমাৰ কোঠাত ওলালহি। হীৰেনক পাণবজাৰৰ কাষে ডিক্সুত প্ৰথম লগ পাইছিলো, আৰু বৰ কম সময়ৰ ভিতৰতে তেওঁৰ লগত মোৰ ঘনিষ্ঠতা হৈছিল। তেওঁৰ বুদ্ধিদীপ্ত কথা-বতৰা মোৰ কাৰণে বৰ আকৰ্ষণীয় আছিল। তেওঁ আমাক যিমানবোৰ কৌতুকপূৰ্ণ কথা (গুল) কৈছিল, তাৰ বেছিভাগ তেওঁৰ মাকৰ গাতে জাপি দিছিল। যেনে ঃ এদিন আমাৰ মাই দূৰ সম্পৰ্কীয় নবৌ এজনীক বিয়া এখনত লগ পাই সুধিলে, "বোৱাৰী, বিহুৰ সময়ত মোৰ চিঠি পাইছিলা?" নবৌয়ে আচৰিত হৈ ক'লে, "ক'তা? নাই পোৱা আইতা!" তেতিয়া মাই ক'লে, " এৰা, এইবাৰ বিহুত মোৰ কালৈকো চিঠি লিখিবলৈকে নহ'ল।" কেৱল টুথব্ৰাছডাল জেপত লৈয়েই যিকেইজন ল'ৰাই অসম ভ্ৰমণ কৰি ফুৰিব পাৰে, হীৰেনক আমি তেওঁলোকৰে এজন বুলি মুখৰ আগতে প্ৰশংসা কৰিছিলো। তেওঁৰ কণ্ঠস্বৰ গম্ভীৰ, শক্তিশালী আৰু অভিনয়ৰ বাবে উপযোগী আছিল।

হীৰেন কলিকতালৈ আহিছিল পিয়লি ফুকন ফিল্মখনৰ সৰু পিয়লিৰ ভাৱত অভিনয় কৰিবলৈ। বহুত দিনৰ মূৰত তেওঁৰ লগত আকৌ টালিগঞ্জলৈ। এইবাৰ ফণী শৰ্মাক বহুত বেছি সক্ৰিয় ৰূপত দেখা পালো। ইভা আচাওক প্ৰথম লগ পালো। কিয় ক'ব নোৱাৰোঁ, এইবাৰ শুটিঙতকৈ ড. ভূপেন হাজৰিকাৰ পৰিচালনাত অনুষ্ঠিত গীতৰ আখৰা

আৰু ৰেকৰ্ডিঙত বেছি মনোযোগ দিলো। মোৰ মতে, গায়িকা হিচাপে গুণদা দাসে (পাছলৈ গুণদা কৌৰ) সেই সময়ত তেওঁৰ জীৱনৰ শীৰ্ষস্থানত অৱস্থান কৰিছিল। সেইকেইদিনৰ ভিতৰতে তেওঁৰ সংগীতৰ প্ৰতি থকা শ্ৰদ্ধা, গায়িকা হিচাপে থকা গুণ আৰু ব্যক্তিগত সৰলতাই মোক মুগ্ধ কৰিছিল। বহু প্ৰচলিত কৌতুক-গল্প এটাৰ সহায় লৈ এইখিনিতে ব্যক্তিগত কথা এটা কৈ থওঁ। দৰমহাৰ পইচাৰে টানিটুনি মাহটোৰ বিছদিনমান চলিব পৰা সাধাৰণ কৰ্মচাৰী এজনক মাহৰ শেষত কোনোবা এজনে এশটকীয়া নোট এখন ভঙাই দিব পাৰিবনে সুধিলে। কৰ্মচাৰীজনে ম্লান হাঁহি এটাৰে ক'লে,—"Thank you for the compliment." মোৰ হাতত যে এশটকীয়া নোটৰ ভঙনীয়া থাকিব পাৰে বুলি আপুনি ভাবিব পাৰিলে,— তাৰ বাবে আপোনাক ধন্যবাদ। এদিন সমবেত কণ্ঠৰ গীত এটাৰ (অহ'হ' মহ'হ', দেশৰ হকে মৰোঁ অ') আখৰাৰ আগে-আগে ভূপেন দাদাই মোক সুধিলে,— "ক'ৰাছটো তুমিও গাবা নে কি?" মই Thank you for the compliment-অৰ সুৰতেই ক'লো,—"গীতটোৰ ৰেকৰ্ডিং নষ্ট কৰে কিয় দাদা?" ভূপেন দাদাই অৱশ্যে কোনো অৱলম্বন নোহোৱাকৈ মোক কথাটো সোধা নাছিল। সতী বেউলাৰ শুটিঙৰ সময়ত আমি মাজে-মাজে কিছু সময় একেলগে কটোৱাৰ সুবিধা পাইছিলো। লগ পাই থকাৰ সেই পৰ্যায়টো সেইবাৰলৈ শেষ হৈছিল হাওড়া ষ্টেছনত,— তেখেত ৰাছিয়ালৈ বুলি ৰে'লত উঠোঁতে। সেই সময়ছোৱাৰ একোটা সৰু-সৰু অংশত গীতৰ কথা আৰু গুণগুণানি মিহলি হৈ আছিল। সেইবোৰ সময়ৰ কথা মনত পেলায়েই ভূপেন দাদাই মোক সেই গীতটোৰ ৰেকৰ্ডিং নষ্ট কৰাৰ প্ৰস্তাৱ দিছিল যেন পাওঁ।

হীৰেন চৌধুৰীৰ কাম শেষ হোৱাৰ পাছত তেওঁ অসমলৈ উভতি গ'ল আৰু তাৰ পাছত ময়ো টালিগঞ্জলৈ যোৱা বাদ দিলো। ছাত্ৰ অৱস্থাত ফিল্ম ষ্টুডিঅ'লৈ যোৱা সিমানতে শেষ।

স্বৰ্ণময়ী হোষ্টেলৰ এইটো কোঠালিত এদিন আৰু এজন হীৰেনে মোক লগ ধৰিছিলহি। হীৰেন শৰ্মা। এওঁ শাস্ত্ৰীয় সংগীতৰ পৰম ভক্ত আছিল আৰু কলিকতাত চিন্ময় লাহিড়ীৰ পৰা কণ্ঠ সংগীত শিকিবলৈ কলিকতালৈ আহিছিল। কেৱল সংগীত শিকিবলৈকে, নিজৰ খৰচত, ইমান দীঘলীয়া সময়ৰ বাবে কলিকতালৈ অহা মানুহ মই তেতিয়ালৈকে পোৱা নাছিলো। শৰ্মা পোন্ধৰ দিনমানৰ মূৰে-মূৰে মোৰ ওচৰলৈ আহি আছিল, আৰু যি শিকিছিল তাকে গাই শুনাইছিল। তেখেতৰ চেষ্টা আৰু ঐকান্তিকতাৰ প্ৰতি শ্ৰদ্ধা জন্মিছিল। মোৰ প্ৰথম সন্তান সংগীতাই সৰুতে শাস্ত্ৰীয় সংগীত শিকিছিল। প্ৰথমতে জালুকবাৰীত, পাছত গুৱাহাটীৰ পাণবজাৰৰ সংগীত কাননত। এসময়ত খবৰ পালো,— হীৰেন শৰ্মাই নিজৰ ঘৰতে কিছুমান ল'ৰা-ছোৱালীক সংগীত শিকাবলৈ

লৈছে। তেতিয়া এদিন সংগীতাক নি তেওঁৰ ছাত্ৰী কৰি দিছিলোগৈ। সেয়া শৰ্মাক স্বৰ্ণময়ীত লগ পোৱাৰ প্ৰায় বিছ বছৰৰ পাছৰ কথা।

এই দুয়োজন হীৰেনৰে অকাল মৃত্যু মোৰ কাৰণে বৰ বেদনাদায়ক ঘটনা। মই তেওঁলোকক মৰমেৰে সুঁৱৰি থাকোঁ।

মোৰ মানত এটা প্ৰায় নিৰুত্তাপ বছৰৰ যিকণ বৈচিত্ৰ্য আছিল, তাকো সামৰি-সুতৰি এদিন আকৌ পৰীক্ষালৈ সাজু হ'লো। মোৰ প্ৰধান চেষ্টা আছিল প্ৰথম দিনটো আৰু ফাৰ্ষ্ট পেপাৰখনে যাতে মোক কোনোমতে টলাব নোৱাৰে। নোৱাৰিলে। পৰীক্ষা পাৰ হৈ গ'ল। ঠিক কৰিলো,— ৰিজাল্ট লৈহে কলিকতা এৰিম। কিমান দিন বাট চাবলগীয়া হ'ল সঠিককৈ মনত নাই, কিন্তু বৰ সোনকালে ৰিজাল্ট ওলাল। কাৰোবাৰ মুখত ৰিজাল্ট ওলাইছে বুলি গম পায়েই ছায়ন্স কলেজলৈ দৌৰিলো। এটা কোঠালিত শ্যামাদাস চাটাৰ্জী ছাৰক পালোগৈ। তেখেতে কাগজ এখন চাই ক'লে, Second class. Satisfied?"

সন্তুষ্ট নহৈ আৰু কি হ'ম? যিমানৰ মানুহ সিমানতহে থাকিম। পাছত মাৰ্কশ্বিটত দেখিছিলো,— মোৰ এটা বছৰ অতিৰিক্তভাৱে খৰচ কৰোৱা ফাৰ্ষ্ট পেপাৰত এসত্তৰ নম্বৰ পাইছিলো। ফাৰ্ষ্ট ক্লাছৰ নম্বৰ। সেইটো কথাতে সন্তুষ্ট হোৱাৰ চেষ্টা কৰিছিলো।

কেইদিনমানৰ পাছতে ঘৰলৈ উভতিলো। হোষ্টেলৰ পিয়ন মলিন, ভাত বিলোৱা মানুহ গণেশ, চাহৰ যোগান ধৰা মানুহ ব্ৰজ মহান্তি— তিনিও শিয়ালদহ ষ্টেছনলৈ মোক ৰে'লত তুলি দিবলৈ আহিছিল। মলিনে প্লেটফৰ্মত, শেষ মুহূৰ্তত মোক ভৰি চুই সেৱা কৰিছিল। মোৰ সেই বয়সৰ ভৰিকো যে কোনোবাই সেৱা কৰিবলৈ চুব পাৰে, মোৰ ধাৰণাই নাছিল। মই আবেগত বিহ্বল হৈছিলো। এই মানুহকেইটাক মই বৰ ভাল পাইছিলো।

চাহৰ যোগান ধৰা মানুহ ব্ৰজমোহন মহান্তিৰ কথা কেইবাটাও কাৰণত মোৰ বেছিকৈ মনত পৰি থাকে। প্ৰথম মহলাৰ বাৰাণ্ডাত কয়লাৰ চৌকা এটা, ওচৰতে মিটছে'ফৰ নিচিনা সৰু আলমাৰি এটা;— সেয়াই ব্ৰজুৰ ব্যৱসায়ৰ সামগ্ৰী। আগবেলা-পিছবেলা চৌকা জ্বলে, দুপৰীয়া তিনি ঘণ্টামান নুমাই থাকে। সেইখিনি সময়ত আলমাৰিটোৰ ওচৰত প্ৰায়েই বোন্দা মেকুৰী এটা শুই থাকে। পিছবেলা ব্ৰজই চৌকাটো জ্বলালেই আমাৰ মনটো ভাল লাগি যায়,— সোনকালে চাহ আৰু তেওঁৰ সেই মাৰ্কামৰা কে'কটো খাবলৈ পোৱাৰ আশাত। কেতিয়াবা ব্ৰজ আহি মোৰ বিছনাৰ কাষত মাটিতে বহেহি আৰু তেওঁৰ ঘৰ-সংসাৰ, উৰিষ্যাৰ গাঁও-ভূঁই, কলিকতীয়া জীৱনৰ দুখ-সুখ ইত্যাদি নানা ধৰণৰ বিষয় উলিয়াই তেওঁৰ বক্তব্য প্ৰকাশ কৰে। কেতিয়াবা তেওঁ হঠাতে আধ্যাত্মিক ভাৱত উথলি উঠে। তেনে অৱস্থাত থাকোঁতেই এদিন তেওঁ মোক বুজালে,— "বুজিছে বাবু, ঈশ্বৰ সকলোৰে গাঁত আছে। সব ঘটে নাৰায়ণ, বসন্তি অনাদি কাৰণ।"

সব ঘটে? বসন্তি? আমি যে বৰগীতত সৰুৰে পৰা শুনি আহিছোঁ,— ঈশ স্বৰূপে হৰি, সব ঘটে বৈঠহ—! উৰিষ্যাৰ এজন অতি সাধাৰণ, অৰ্ধশিক্ষিত মানুহ ব্ৰজমোহন মহান্তিৰ কথাত এই মিল আবিষ্কাৰ কৰি সেইদিনা মই বিস্মিত হৈছিলো।

ৰে'লে শিয়ালদহ ষ্টেছন এৰাৰ পাছত জীৱনৰ আৰু এটা অধ্যায় শেষ কৰি কলিকতা এৰিলো বুলি দুখ লাগিছিল। এইয়ে আঠ টকাৰ টিকেট কিনি তৃতীয় শ্ৰেণীত বহি গুৱাহাটী-শিয়ালদহৰ মাজত অহা-যোৱা কৰোঁ, ব্ৰহ্মপুত্ৰ পাৰ হওঁ, মণিহাৰিঘাটত গংগাৰ বালিচৰত মুটিয়াৰ পিছে-পিছে দৌৰোঁ, খেৰৰ চালিৰ তলত মহা তৃপ্তিৰে ডাঙৰ-ডাঙৰ ভাঙন মাছৰ জোলেৰে মোটা-মোটা উখোৱা চাউলৰ ভাত খাওঁ, ফেৰিত পাৰ হৈ সিপাৰে আকৌ দৌৰোঁ; বহিবলৈ ঠাই নাপালে নিজৰ ট্ৰাংকটোৰ ওপৰতে ৰাতিটো কটাই দিওঁ,— এৰি থৈ অহাৰ পাছত সেইবোৰ সৰু-সৰু ঘটনাও কম মূল্যবান যেন লাগেনে? সেই জবচাৰনক-ৰবাৰ্ট ক্লাইভৰ পৰা ড. বিধান চন্দ্ৰ ৰায়লৈকে, বংকিমচন্দ্ৰ-ৰবীন্দ্ৰনাথৰ পৰা জীবনানন্দলৈকে, জগদীশ বসুৰ পৰা সত্যেন বসুলৈকে নানা শ্ৰেণীৰ, নানা স্তৰৰ বহু বিশিষ্ট লোকে গৰকা এই বিশাল মহানগৰখনে, ইয়াৰ বিস্তীৰ্ণ ৰাজপথৰ পৰা সংকীৰ্ণ গলিলৈকে, সুউচ্চ অট্টালিকাৰ এটিকৰ পৰা তলৰ লেতেৰা ফুটপাথলৈকে ব্যাপ্ত হৈ থকা জন-অৰণ্যৰ ভিতৰৰ বিচিত্ৰ লীলা-খেলাই মনক,— মনক কিয় জীৱনটোকে, — এটা বেলেগ মাত্ৰা (dimension) দিয়ে। নাইবা,— অনেকেও ক'ব পাৰি,— এই মহানগৰখনে আমাৰ কাৰণে বাহিৰৰ জগতখনৰ বিশালতা আৰু বৈচিত্ৰ্য চাব পৰা এখন ডাঙৰ খিৰিকিৰ কাম কৰে। ইয়ালৈ আকৌ হয়তো আহিম, কিন্তু সেইবাৰ এইখন কলিকতা নাপামহি। প্ৰকাণ্ড মহানগৰখন দেখাত একেই থাকিব, কিন্তু আপোন-আপোন লগা সূত্ৰ কিছুমান হেৰাই যাব। স্বৰ্ণময়ীয়ে বা কি ৰূপ লয়? তপন, ৰমণী, মলয় সৌৰীনহঁত,— কোন বা ক'ত থাকেগৈ!

—বয়োজ্যেষ্ঠ বাসিন্দা তপন বন্দোপাধ্যায়ে শুদা গাৰে কোঠালিয়ে-কোঠালিয়ে ঘূৰি ফুৰে। তেওঁ লিখা 'কবিগুৰুৰ ৰক্তকৰবী' নামৰ কিতাপ এখন অলপতে ছপা হৈ ওলাইছে। তেওঁ আশা কৰে— হোষ্টেলৰ ল'ৰাহঁতে কিতাপখনৰ বিষয়ে দুআষাৰ কওক; কিন্তু কোনেও একাষাৰো নকয়। ৰমণী-মলয়হঁতে মানুহজনক বুঢ়া বুলি অলপ-অলপ কাণত পৰাকৈয়ে ঠাট্টা-মস্কৰা কৰে; তেওঁ কিন্তু শুনিলেও সেইবোৰ গাত পাতি নলয়;

— আপোনমনে সংগীতশূন্য কণ্ঠেৰে ৰবীন্দ্ৰসংগীত গোৱাৰ চেষ্টা কৰে।

— ৰমণী পালোৱানৰ ওচৰলৈ তেওঁৰে নিচিনা ওখ-পাখ, শকত-আৱত কমলা নামৰ ছোৱালী এজনী আহে। তেওঁ সোনকালে যোৱাৰ লক্ষণ নেদেখিলে ৰমণীৰ ৰুমমেটহঁত ওলাই আহে, আৰু বাহিৰত কৃত্ৰিম তৰ্জন-গৰ্জন কৰি থাকে। কমলা য়োৱাৰ পাছত তেওঁলোকে যেতিয়া ৰমণীক "এইবোৰ কি হৈছে" বুলি খেৰখেণ্ডাই ধৰে, তেতিয়া

ৰমণীয়ে গম্ভীৰ মাতেৰে— "হিংসাকুৰীয়া, পৰশ্ৰীকাতৰহঁত, মনে-মনে থাক" বুলি শাসন কৰে। (প্ৰায় পাঁচ বছৰৰ মূৰত এদিন সন্ধিয়া চৌৰংগীৰ মানুহৰ ভিৰৰ মাজত হঠাতে ৰমণীক লগ পাইছিলো। কুশল-সংবাদ বিনিময়ৰ পাছত মই দ্বিধাহীনভাৱে সুধিছিলো,— কমলাৰ খবৰ কি? তেওঁ কৈছিল,— তেওঁক মই বিয়া কৰিলো। কথাটো শুনি বৰ আনন্দ পাইছিলো।)

—ৰমণী আৰু মোৰ প্ৰথম বছৰৰ ৰুমমেট মলয় ৰায়ে নামত জিঅ'লজি পঢ়ে, কিন্তু দিনে-নিশাই ফৰৱাৰ্ড ব্লক (মাৰ্ক্সিষ্ট) দলৰ কামত ঘূৰি ফুৰে। এদিন ৰাতি মলয় হোষ্টেললৈ নাহিল। পাছদিনাও তেওঁৰ কোনো খবৰ নাই। চিন্তাৰ বিষয়। ছুপাৰিণ্টেণ্ডেণ্ট মজুমদাৰে ওপৰৱালালৈ খবৰ পঠালে; ওপৰৱালাই পুলিছলৈ খবৰ পঠালে। তৃতীয় দিনা, যি সাজ পিন্ধি গৈছিল সেই সাজেৰেই, শুকান মুখ, শুকান চুলি লৈ মলয় হোষ্টেল ওলালহি। অশান্তি সৃষ্টিকাৰী ৰাজনৈতিক কাণ্ড কৰা কাৰণে পুলিছে তেওঁক ধৰি নি জেলত ভৰাই থৈছিল। আমি তেওঁক সুধিলো,— পলিটিকছ কৰিছা কৰা, কিন্তু গণ্ডগোল কৰা কিয়? তেওঁ চোকা মাতেৰে উত্তৰ দিলে, "আমি তলত চিঞৰি-চিঞৰি বক্তৃতা দি থাকিম, আৰু দুমহলাত বহি বিধান ৰায়ে পোনা মাছৰ মূৰ খাই থাকিব, তেনেকুৱা পলিটিকছ আমাৰ দ্বাৰা নহ'ব।" (পোনা মাছ বুলি মলয়ে মজলীয়া আকৃতিৰ ৰৌ-মাছ বুজাইছিল।) এওঁ ৰাজনীতি সম্পৰ্কে পঢ়া-শুনা কৰা, গৰম তেজৰ ল'ৰা আছিল। পঢ়া-শুনাৰ ক্ষেত্ৰত তেওঁৰ মতি-গতি ভাল নহয় বুলিয়েই আমাৰ সকলোৰে ধাৰণা হৈছিল; কিন্তু আমাৰ চকুৰ আগতে এম. এছ. ছি পৰীক্ষাত তেওঁ ফাৰ্ষ্ট ক্লাছ পাইছিল।

— হোষ্টেলটোৰ আটাইতকৈ ভলভলীয়া, কথাচহকী ল'ৰা সৌৰীনে ভাত খাবলৈ লেপেটা কাঢ়ি বহি লৈ দাইলখিনি গোটেইখিনি ভাতৰ ওপৰত ঢালি দিছিল; আটা-ময়দা মৰাৰ নিচিনাকৈ ভাতকাঁহী ফেনেকিছিল; দাইল আৰু ভাত ভালকৈ মিহলি হ'ল বুলি বিশ্বাস হোৱাৰ পাছত তেওঁ সেই মণ্ডটোৰে এটা টিপ সাজিছিল, তাৰ পাছত টিপটো এফালৰ পৰা খহাই খাবলৈ আৰম্ভ কৰিছিল আৰু ডাঙৰ-ডাঙৰকৈ এফালৰ পৰা সকলোৰে লগত কথা পাতিছিল। মই মেছ-মেনেজাৰ হওঁতে এদিন বজাৰত গণেশক ক'লো,— বিলাহী আৰু আলুৰে ভাল তৰকাৰী হয়। আমি অসমত এনেকুৱা তৰকাৰী মাজে-মাজে খাওঁ। আজি ৰাতি তেনেকুৱা তৰকাৰীকে দিওঁ দিয়া। গণেশে বোলে,— দিয়ক। কিনিলো এসোপা বিলাহী? ঠাকুৰে সুধিলে,— এই তৰকাৰী বন্ধাৰ প্ৰণালীটো কি? মই বোলোঁ— প্ৰণালী-শ্ৰণালী একো নাই; তোমাক ফাইনেলি যিমান তৰকাৰী লাগিব, সেই আওাজমতে আধা বিলাহী, আধা আলু লোৱা, তেলত শুকান জলকীয়া কেইটামান আৰু পাঁচফোৰণ ভাজি লোৱা, আৰু তাত বিলাহী-আলু পোলাই দি সিজাই

দিয়া। বাঙালীসকলে বিলাহীৰ চেনি-গুড় দিয়া টক বা অম্বল হেঁপাহেৰে খোৱা দেখিছোঁ। ভাবিছিলো,— সেই লাইনতে মোৰ স্পেছিয়েল তৰকাৰীখনেও আদৰেই পাব। কিন্তু ল'ৰাইঁত ভাতৰ পাতত বহাৰ পাছত যিটো দৃশ্যৰ সৃষ্টি হ'ল, সেইটো দেখাৰ পাছত মোৰ আৰু মূৰ তুলিবলৈ সাহ নোহোৱা হ'ল। বিলাহী টেঙা বুলি জানো; কিন্তু সেইদিনা মোৰ কপালতে বৰ-থেকেৰাহেন টেঙা বিলাহীখিনি পৰিব বুলিনো মই কেনেকৈ জানো? আঁৰ চকুৰে দুই-এজনলৈ চাই বুজিলো,— এই কম্বিনেশ্যনৰ তৰকাৰী কোনোবা বাঙালীয়ে ক'ৰবাত খাই পালেও অন্ততঃ সেই ল'ৰাকেইজনৰ সাতপুৰুষৰ কোনেও খাই পোৱা নাছিল। এনেকুৱা বস্তু কাঁহীৰ কিনাৰত অকণমান আচাৰ বা চাটনি হিচাপে লৈ এটা আঙুলিৰে মাজে-মাজে মুখত দিব পাৰি; কিন্তু তৰকাৰী বিলোৱা হেঁতাৰ দুহেঁতা দুহেঁতা? ফুলকবি-বন্ধাকবি-আলু ইত্যাদিৰ মূল তৰকাৰীখনৰ পৰিবৰ্তে? তথাপি, মই সন্মুখতে আছোঁ কাৰণে ভদ্ৰতাৰ খাতিৰতে বা নিজৰ সহনশক্তিৰ গুণতে হওক, সকলোৱে অইন যি আছে তাৰেই খাবলৈ ধৰিলে, কিন্তু এই যে সৌৰীন বাবু, তেওঁ মনে-মনে নাথাকিল। স্পেছিয়েল তৰকাৰীখিনি যিমান পাৰে কাঁহীৰ কাষলৈ ঠেলি তেওঁ ভাতৰ ঢিপটোৰ কাৰণে নিৰাপদ ঠাই উলিয়াই ল'লে, আৰু ঢিপটো খহাওঁতে গৰগৰাই থাকিল। এবাৰ তেওঁ মোক সুধিলেও,— এটা কি হলো ভবেন বাবু? মই মনে-মনে বোলোঁ,— কিটা হলো তুমিতো দেখিছাই! মুখ ফুটাই ক'লো,— "মই নতুন ধৰণৰ তৰকাৰী এখনৰ কথাই ভাবিছিলো; কিন্তু ভবামতে নহ'ল।" ভলি খেলোঁতে বলটো কেতিয়াবা দেৱাল পাৰ হৈ জমিদাৰৰ চৌহদত পৰেগৈ, সৌৰীন বাবুৱে টেঁটু ফালি চিঞৰে,— কোকিলা, বলটো দিয়া; মইনা, বলটো দিয়া। মানুহঘৰৰ প্ৰথম মহলাৰ বাৰাণ্ডাত দুজনী সোতৰ-ওঠৰ বছৰীয়া ছোৱালী দেখোঁ। তেওঁলোকৰ নাম কি, আমাৰ কাৰো জনাৰ কোনো উপায় নাই। সৌৰীন বাবুৱে নাম দি লৈছে,— মিঠা বৰণীয়াজনী কোকিলা, বগাজনী মইনা। বৰ আমোদজনক মানুহ। (স্বৰ্ণময়ীৰ বাঙালী বন্ধুহঁতৰ ভিতৰত এওঁৰ লগতেই মোৰ ৰাহিযোৰা আটাইতকৈ ভাল যেন পাওঁ। কলিকতাত এৰা-এৰি হোৱাৰ পাঁচ বছৰমানৰ পাছত লণ্ডনতো তেওঁক লগ পাইছিলো; আজি দুবছৰমানৰ আগতে গুৱাহাটীৰ বৰঝাৰ বিমান-বন্দৰতো লগ পাইছিলো;— সেই একেই প্ৰাণশক্তি, একেই গলগলীয়া মাত,— "এইযে ভবেন বাবু, কি খবৰ?"—

আৰু মোৰ স্থানীয় বন্ধু সুনীল, হিমাংশু, বিমল, নৃপেশ, দিলীপহঁত? পাছৰ বছৰতে সিহঁতক লগ নোপোৱা হৈ আহিছিলো। পাঁচ বছৰমানৰ পাছত এবাৰ হিমাংশুক শিৱসাগৰত লগ পাইছিলো। সি অ'. এন. জি. ছিত চাকৰি লৈছে। তাৰ পাছত আৰু তাৰ খবৰ পোৱা নাই। দহ বছৰমানৰ পাছত মুম্বাইৰ টাটা ইনষ্টিটিউট অব ফাণ্ডামেণ্টেল ৰিছাৰ্চত বিমলক লগ পাইছিলো। সি তেতিয়া তাৰ ছাইণ্টিষ্ট। সুনীল, নৃপেশ আৰু দিলীপক দেখা নাই।

গুৱাহাটীত পৰীক্ষা ল'বলৈ আহোঁতে শ্যামাদাস ছাৰে কৈছিল,— নৃপেশে যাদবপুৰ বিশ্ববিদ্যালয়ত চাকৰি কৰে। তাৰ ভনীয়েক দিলীপৰ লগত গুচি গ'ল কাৰণে নৃপেশে আজিকালি দিলীপক বেয়া পায়।

— বিবেকানন্দ ৰ'ডৰ অক্সফ'ৰ্ড মিশ্যন হোষ্টেলত স্কুলৰ সহপাঠী তপেন দত্ত আৰু মাধৱানন্দ মহন্ত, আৰু কেইবাজনো অসমীয়া ল'ৰা থাকে। সময় পালে মাজে-মাজে তেওঁলোকক লগ পাবলৈ যাওঁ। এদিন আম্বেলি গৈ দেখোঁ,— হোষ্টেলটো নিৰ্জন। পাগঘৰৰ কৰ্মীশ্ৰেণীৰ এজনক লগ পাই সুধিলো,— ক'লৈ গ'ল? তপেন মাধৱানন্দহঁত? মানুহজনে ক'লে,— ল'ৰা এজন পানীত ডুবি মৰিল, সকলো তালৈ গৈছে।— ক'ৰ ল'ৰা? কোন ল'ৰা? মানুহজনে ক'লে,— অসমৰ ল'ৰা; নামটো তেওঁ নাজানে। অসমৰ ল'ৰা? কোনোবা ল'ৰা উভতি আহে বুলি বহু সময় বাট চালো। আন্ধাৰ হ'ল। কোনো নাহিল। হোষ্টেললৈ উভতি গ'লো। পাছদিনা ৰাতিপুৱাই আকৌ সেইটো হোষ্টেললৈ গ'লো। পোনে-পোনে তপেনৰ কোঠালৈ গ'লো। কোন ঢুকাল? দেৱকুমাৰ দাস, শ্বিলঙৰ,— নলিনী কুমাৰ দাসৰ ল'ৰা। (আমাৰ পৰিচিত অভিনেতা আৰু বেহেলাবাদক বিজয় শংকৰৰ ককায়েক। শ্বিলঙৰ দেৱকুমাৰ মেম'ৰিয়েল হল এওঁৰ নামতে নিৰ্মাণ কৰা হৈছে।)

— হোটেল ৰয়েল। মজলীয়া পৰিমাণৰ পা-পইচা থকা অসমীয়া মানুহৰ প্ৰিয় হোটেল। আমাৰ হোষ্টেলৰ পৰা গলিয়েদি খোজ কাঢ়িলে দহ মিনিটৰ বাট। তাতে গীতিকাৰ-কবি উমেশ চন্দ্ৰ চৌধাৰী আছেহি। তেখেত অসুস্থ। আমি খা-খবৰ কৰি থাকিলো। এদিন দোকমোকালিতে খবৰ পালো— তেখেত ঢুকাল। প্ৰথম মহলাৰ পৰা চিৰিয়েদি তেখেতৰ দেহাটো নমাই আনোতে মযো ধৰিছিলো। জীৱনত সেয়াই মই প্ৰথম মৃতদেহ চুইছিলো। এক অভিনৱ অনুভূতি;— চেঁচা, গধুৰ, কঠিন—!

—আৱাহনৰ সম্পাদক ড. দীননাথ শৰ্মাৰ ঘৰত লগ পোৱা সেই মানুহজন,—চুটি-চুটি ডাঢ়িয়ে ঢকা গালেৰে বগা মানুহজন;— ধুনীয়া, শান্ত, অল্পভাষী।— শুভো ঠাকুৰ। চিত্ৰশিল্পী। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ পৰিয়ালৰ মানুহ। ড. শৰ্মাৰ ডাঙৰজনী ছোৱালী আৰতি ঠাকুৰৰ গিৰিয়েক। ক'ত বা আছে সেই মানুহজন!

গধূলিৰ ৰে'লত বহি খিৰিকিৰে দূৰলৈ চাই থাকিলে যেনেকুৱা হয়—! হঠাতে কিছুমান চাকি-বন্তিয়ে পোহৰ কৰি ৰখা ঠাই এৰোকোডোখৰ পাৰ হৈ যায়, তাৰ পাছত আকৌ সকলো পাতল আন্ধাৰত ডুবি যায়। বেছিভাগ ঠাই আন্ধাৰতে ডুব গৈ থাকে।

আৰু,—লাহে-লাহে আন্ধাৰ ঘন হৈ আহে। হঠাতে কি মনত পৰে, তাৰ ওপৰত নিজৰ কোনো নিয়ন্ত্ৰণ নাই।

মুঠৰ ওপৰত, ঘৰৰ পৰা আঁতৰত, আটাইতকৈ বেছি দিন থকা দ্বিতীয়খন মহানগৰ কলিকতা সেইবাৰলৈ এৰিলো। মনত লাগি আহিল মোৰ নিজৰ এখন সৰু কলিকতা। উল্লেখযোগ্য কথা,— আমি অসমৰ পঞ্চাছৰ দশকটোৰ কীৰ্তি-কলাপৰ কথা ভাবি যেনেকৈ আনন্দ অনুভৱ কৰোঁ, তেনেকৈ কলিকতাৰ বাবেও (বা বাঙালীসকলৰ বাবেও) কেইছোৱামান আনন্দৰ সময় আছে। আমি তেনেকুৱা এছোৱা সময়তে কলিকতাত থাকিবলৈ পাইছিলো।

# পাঁচ

ঘৰ পোৱাৰ পাছত স্বাভাৱিকতে প্ৰথম চিন্তা হ'ল,— এতিয়া উপাৰ্জনৰ বাট উলিয়াব লাগে। মোৰ আগ্ৰহ আছিল কলেজৰ শিক্ষকৰ চাকৰিৰ প্ৰতি। কিন্তু খা-খবৰ লৈ গম পালো,— গৰমৰ বন্ধৰ সময়তহে কলেজবোৰত নতুন শিক্ষক লোৱাৰ বতৰ আৰম্ভ হয়। এইখিনি দিনত কি কৰোঁ তাকে ভাবি আছোঁ, এনেতে ওলাল এটা কাম। চাকৰি নহয়; কাম। 'পুথিঘৰ'ৰ কমল চন্দ্ৰ বড়াই 'অৰুণাচল' নামৰ এটা সাহিত্য-সংকলন প্ৰকাশ কৰিব। যুগল দাস আৰু মহিম বৰা সম্পাদক। মই তেখেতসকলৰ লগত কাম কৰিব লাগে। প্ৰবন্ধ-পাতি গোটোৱা আৰু চোৱাৰ পৰা ছপা কৰোৱালৈকে— সকলো কামত সহায় কৰিব লাগে। লগে-লগে সন্মত হ'লো। ঢাকাইপটিত থকা পুথিঘৰৰ মুখে-মুখে, ৰাস্তাটোৰ সিপাৰে, দুটা ঘৰৰ মাজত কোনোমতে মানুহ এটাই খোজ কাঢ়ি যাব পৰা বাট এটা আছে; সেই বাটেদি গ'লে এটা দহফুট-দহফুটমান জোখৰ কোঠালি পায়। সেইটোৱেই হ'ল মোৰ কামৰ কোঠালি। ইতিমধ্যে প্ৰকাশক-সম্পাদকসকলে কিছুমান গল্প-প্ৰবন্ধ গোটাইছিলেই; মই সেইবোৰ পঢ়ি, বাক্য আৰু বানান পোনোৱা কাম আৰম্ভ কৰি দিলো। লোকৰ লেখা চাই-মেলি ছপাৰ বাবে সাজু কৰি দিয়া কামটো জীৱনত প্ৰথমবাৰৰ বাবে সেইটো কোঠালিতে আৰম্ভ কৰিলো। মহিম বৰাৰ লগত মই কলিকতাৰ পৰা প্ৰস্তাৱিত 'মণিকূট'ৰ প্ৰসংগত যোগাযোগ কৰিছিলোৱেই; এইবাৰ তেখেতক ঘনিষ্ঠভাৱে লগ পালো।

যুগল ছাৰে মোক পোন-পোনে পঢ়োৱা নাছিল,— কিন্তু মোৰ মনত পৰে,— মই যেতিয়া নগাঁও গৱৰ্নমেণ্ট হাইস্কুলত নাম লগাওঁ, তেতিয়া তেখেত সেইখন স্কুলৰ শিক্ষক আছিল। মই তেখেতক নগাঁৱৰ জুবিলি ফিল্ডত (এতিয়াৰ নুৰুল আমিন ষ্টেডিয়ামৰ খেল-পথাৰত) প্ৰতিযোগিতামূলক ফুটবল খেল খেলা দেখিছোঁ। দ্বিতীয় মহাযুদ্ধৰ সময়ত তেখেতে টেক্সটাইল বা যোগান বিভাগৰ এনে এটা চাকৰি কৰিছিল,— যিটো চাকৰিৰ বলত তেখেতে কাপোৰৰ পাৰ্মিট দিব পাৰিছিল। (সেই সময়ত কিছুমান প্ৰয়োজনীয় কাপোৰ দুষ্প্ৰাপ্য আছিল আৰু চৰকাৰী পাৰ্মিট পালেহে উচিত মূল্যত সেইবোৰ কাপোৰ পোৱা গৈছিল।) আমাৰ নৃপেন ককাইদেৱে তেখেতৰ পৰা দুখন চুৰিয়াৰ পাৰ্মিট আনিছিল। পাছত তেখেতক মই মূৰ্তি গঢ়া দেখিছোঁ; নগাঁৱৰ গোপাল প্ৰধান আৰু ব্ৰজ ফুকনক মূৰ্তি গঢ়িবলৈ শিকোৱা দেখিছোঁ; আমোলাপটি নাট্য মন্দিৰৰ

মঞ্চত অভিনয় কৰা দেখিছোঁ আৰু ছবি আঁকা দেখিছোঁ। পাছলৈ তেখেতে মঞ্চৰ বাবে পূৰ্ণদৈৰ্ঘ্যৰ নাটক ৰচনা কৰিছিল। মূল চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতো তেখেতে অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ প্ৰদৰ্শনী বিভাগটোৰ পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰিছিল। ১৯৫৮ চনত জালুকবাৰীত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনৰ প্ৰদৰ্শনীত Pageants of Assam নামেৰে যিটো মণ্ডপ নিৰ্মাণ কৰা হৈছিল, সেইটোৰ দায়িত্বত যুগল দাস ছাৰ আছিল। সেই সময়ত মই জালুকবাৰীতে আছিলো কাৰণে ছাৰে মোক মতাই নি মণ্ডপসজ্জাৰ কিছুমান কামত লগাই দিছিল। মানুহগৰাকীৰ লগত যে এসময়ত মোৰ এই পৰ্যায়ৰ ঘনিষ্ঠতা হৈছিল, তাৰ আৰম্ভণি অৰুণাচলক কেন্দ্ৰ কৰি পুথিঘৰৰ মজিয়াতে হৈছিল।

কমল বড়াৰ আঁচনিখন ডাঙৰ আছিল। সেই সময়ৰ প্ৰতিষ্ঠিত লেখক প্ৰায় সকলোৰে লেখা সামৰি তেখেতে চাৰিশ পৃষ্ঠামানৰ বৃহৎ সংকলন এটাৰ কথা ভাবিছিল। তেখেতে ভবা মতে কিছু কাম হৈছিলো। কিন্তু পৰিশ্ৰমৰ আচল ধুমুহাটো পাৰ হৈছিল মোৰ ওপৰেদি। প্ৰবন্ধ-পাতিৰ টোপোলা সামৰি, ঢাকাইপটিৰ দহফুটীয়া কোঠালিটোৰ পৰা ওলাই এদিন মই গুৱাহাটী পালোহি। কমল বড়াই কমাৰপটিৰ কামাখ্যা হোটেলত মোৰ থকাৰ বন্দবস্ত কৰি দিলে। ছপা কাম হয় পাণ্ডুৰ শান্তিদূত প্ৰেছৰ পৰা কমাৰপটিৰ জয়ন্তী প্ৰেছলৈকে কেইবাটাও প্ৰেছত। যেতিয়াই যিটো প্ৰেছতে প্ৰুফ সাজু হোৱাৰ খবৰ পাওঁ, তেতিয়াই সেইটো প্ৰেছলৈ দৌৰোঁ। এদিন শান্তিদূত প্ৰেছত সন্ধিয়াতে সোমালো;— কম্পজিটৰে অলপমান প্ৰুফ দিয়ে, চাওঁ; এঘণ্টামানৰ পাছত আকৌ অলপমান দিয়ে, চাওঁ,— এনেকৈয়ে ৰাতি পুৱাই গ'ল। সুখৰ কথা, শান্তিদূত (দৈনিক) কাকতৰ সম্পাদক কমল গগৈও সেই নিশা নিজৰ কামত লাগি উজাগৰে আছিল, আৰু আমি মাজে-মাজে কথা পাতি আমনি আঁতৰাইছিলো। কাকতখনৰ ফৰ্মা সাজু হ'লে খবৰ দিবলৈ কৈ মেছিনমেন ওচৰতে থকা ঘৰলৈ গৈছিলগৈ; পুৱা চাৰে তিনিমান বজাত গগৈ আৰু মই তেওঁক জগাই মাতি আনিছিলোগৈ। মনত পৰে— ৰাতিপুৱা কাম সামৰি প্ৰেছ এৰিব খুজিছোঁ, এনেতে প্ৰেছৰ চোতালত গাড়ী এখন ৰ'লহি। গাড়ীৰ পৰা নামিল 'সৰাপাত' ফিল্মৰ পৰিচালক আনোৱাৰ হুছেইন আৰু সংগীত পৰিচালক মুকুল বৰুৱা। শান্তিদূত কাকতত ফিল্মখনৰ বিষয়ে লিখা কথাখিনিৰ বিষয়ে তেখেতসকলে সম্পাদকৰ লগত কথা পাতিব খোজে।

প্ৰকাশকে সংকলনটো আনুষ্ঠানিকভাৱে প্ৰকাশ কৰাৰ দিন ঠিক কৰি পেলাইছিল; গতিকে গুৱাহাটীত মোৰ দিন-ৰাতি একাকাৰ হৈ গৈছিল। সেই সময়ত চেনিকুঠীৰ এটা ঘৰৰ এফাল ভাৰা লৈ থাকিবলৈ লৈছিল নকুল দাসে (পাছলৈ অসমৰ ই-কংগ্ৰেছৰ সভাপতি আৰু মন্ত্ৰী)। মই কামাখ্যা হোটেল এৰি এদিন তেখেতৰ লগত থাকিবলৈ

লৈছিলো। সেই ঘৰটোৰ পৰা আধা ফাৰ্লংমান দূৰতে দপ্তৰীৰ কাৰখানা এটা আছিল। মই সেই কাৰখানাত ছপা হোৱা ফৰ্মাবোৰ গোটাবলৈ আৰম্ভ কৰিছিলো। বেটুপাতৰ সম্পূৰ্ণ দায়িত্ব প্ৰকাশকে লৈছিল। বেটুপাতৰ ছবিখন আছিল— এজন শিল্পীয়ে শিলত লক্ষ্মীনাথ বেজবৰুৱাৰ মূৰ্তিটো কাটি উলিয়াইছে। প্ৰথমবাৰ ছবিখন দেখি যুগল ছাৰ, মহিম বৰা— এখেতসকলৰ ধাৰণা হ'ল,— বেজবৰুৱাৰ বুকু হাতুৰী-বটালিৰে আঘাত কৰিছে বুলিহে কোনো-কোনোৱে ভুল বুজিব। গতিকে ছবিখন নতুনকৈ আঁকোৱা হৈছিল।

যিদিনা সংকলনটো প্ৰকাশ কৰা হ'ব, তাৰ আগদিনা আঠজন দপ্তৰীয়ে গোটেই নিশা অবিৰতভাৱে কাম কৰিছিল। মই অকণমান সময় শোওঁ, তাৰ পাছত দপ্তৰীৰ কাৰখানাত বহোঁগৈ; আকৌ অকণমান শোওঁহি, আকৌ যাওঁ। পাছদিনা পুৱা আঠমান বজাত কমল বড়া দলে-বলে উপস্থিত হৈছিলহি। পাণবজাৰৰ দুমহলীয়া ঘৰ এটাৰ ওপৰ মহলাৰ কোঠালি এটাত এশকপিমান আঠা নুশুকোৱা সংকলনেৰে শুভমুক্তি অনুষ্ঠানটো সম্পন্ন কৰা হৈছিল। অনুষ্ঠানৰ পুৰোহিত আছিল হেম বৰুৱা। অৰুণাচলৰ কপি মোৰ হাতত নাই। প্ৰকাশৰ এবছৰমানৰ পাছৰে পৰা নাই। আজিও ভাবোঁ,— সেইটো এটা মূল্যবান সংকলন আছিল।

প্ৰসংগক্ৰমে ঃ যেতিয়া কাম আগ বাঢ়ি-বাঢ়ি সংকলনটোৰ প্ৰথমৰ পৃষ্ঠাকেইটা ছপাবৰ সময় উপস্থিত হৈছিল, তেতিয়া মই সম্পাদকৰ শাৰীলৈ প্ৰমোছন পাইছিলো।

হাতত নিৰ্দিষ্ট কাম নাথাকিলে সময় কেনেকৈ পাৰ হয় তাৰ হিচাপ নাথাকে; পাছলৈ সেই সময়খিনিৰ কামৰ কথা ভালকৈ মনতো নাথাকে। অৰুণাচল ১৯৫৬ চনৰ বহাগ বিহুৰ আগে-আগে ওলাইছিল; মোৰ কাৰণে তাৰ পাছৰ চাৰি মাহমান আছিল সেই তেনেকুৱা নিৰ্দিষ্ট কাম নথকা সময়। সেইখিনি দিন কি কৰি কটাইছিলো ভালকৈ মনত নপৰে। বেছিভাগ সময় চাকৰি-বাকৰিৰ খবৰ কৰি গুৱাহাটীতে কটাইছিলো। সেই সময়ত দুৰ্গেশ্বৰ বৰঠাকুৰ আৰু বিষ্ণুপ্ৰসাদ খাউণ্ডে উজান বজাৰত মেছ এটা পাতি থাকিবলৈ লৈছিল। (বৰঠাকুৰে তেতিয়া ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াত চাকৰি কৰিছিল। পাছত তেখেতে আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰত যোগ দিছিল। বিষ্ণু খাউণ্ড পঞ্চাছৰ দশকৰ শেষ আৰু ষাঠিৰ দশকৰ আৰম্ভণিৰ কালছোৱাৰ শিল্প-সাহিত্য-সংগীত-অনুৰাগী যুবসমাজখনৰ এজন উদ্যমী কৰ্মী আছিল। পাছত ব্যৱসায়-সংক্ৰান্ত কামত তেখেত সেইখন সমাজৰ পৰা আঁতৰি গৈছিল।) মই তেখেতসকলৰ মেছৰ বাসিন্দা হৈ কিছুদিন কটাইছিলো। গুৱাহাটী মেডিকেল কলেজৰ ৰেডিঅ'ল'জি বিভাগত কাম কৰা বৰুৱা উপাধিৰ ডেকা এজনো সেই মেছটোৰ বাসিন্দা আছিল। এই মুহূৰ্তত তেখেতৰ নামটো

মোৰ মনত পৰা নাই। আমাৰ আটাইকেইজনৰে প্ৰকৃতিৰ উমৈহতীয়া উপাদান কেইবিধমানৰ কাৰণে মেছটো বৰ আনন্দময় হৈছিল। পাছৰ দিনবোৰত আকাশবাণীৰ মজিয়াত বৰঠাকুৰৰ লগত বহু দিন ধৰি মৰমৰ বান্ধোনত বান্ধ খাই আছিলো; কিন্তু সেইখন মজিয়াও উজান বজাৰৰ সেই মেছটোৰ মজিয়াখনৰে বিস্তৃতি আছিল যেন লাগিছিল। পাছৰ বয়সত আমি ইজনে সিজনক ডাঙৰীয়া বুলি মাতিছিলো। অন্তিম শয্যাত শুই থকা অৱস্থাত এই মানুহজনক দেখি অহা ভালেমান দিন হ'ল. এতিয়াও তেখেতৰ মুখখন মনত পেলালে প্ৰথমতে "হেৰি ডাঙৰীয়া" মাতষাৰ শুনা যেন লাগে।

চাকৰিৰ খা-খবৰ কৰিবলৈ বুলি গুৱাহাটীত 'ওপঙি' থকা সেই সময়খিনিত কাফে ডিলাক্সৰ নিয়মীয়া 'সদস্য' হৈছিলো; ভালেমান যশস্বী লোকৰ ঘনিষ্ঠ সংস্পৰ্শলৈ আহিছিলো আৰু কেইবাজনো সমনীয়াৰ লগত বন্ধুত্বৰ পাতনি মেলিছিলো। কেনেকুৱা লোকৰ সংস্পৰ্শলৈ আহিছিলো, তাৰ আভাস আগতে দি থৈছোঁ। সমনীয়াসকলৰ ভিতৰত হীৰেন ভট্টাচাৰ্যই তেতিয়া 'চিত্ৰবন' নামৰ আলোচনী এখন প্ৰকাশ কৰিছিল। ওচৰৰ গুৱাহাটী ডায়েৰিৰ পৰা কাগজ কিনি আনি যে কাফে ডিলাক্সৰ ভিতৰৰ 'ছেকেণ্ড ক্লাছ' কোঠালিটোত বহি গল্প এটা লিখাৰ কথা কৈছিলো, সেইটো চিত্ৰবনৰ কাৰণে লিখিছিলো। গল্পটোৰ নাম আছিল 'বনবাস'। উল্লেখযোগ্য,— এই গল্পৰ কাহিনীটো পাছত (আশীৰ দশকত) আৱাহন থিয়েটাৰৰ বাবে লিখা 'নীলকণ্ঠ' নামৰ নাটকৰ আধাৰ হিচাপে ব্যৱহাৰ কৰিছিলো। এতিয়া মোৰ মনত পৰিছে;— কাফে ডিলাক্সৰ সেইটো কোঠালিতে বহি মই আৰু এটা গল্প লিখিছিলো। সেইটো গল্প পঢ়িবলৈ লৈয়েই মই আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ মাইক্ৰ'ফোনৰ লগত প্ৰথমবাৰৰ বাবে সম্পৰ্ক স্থাপন কৰিছিলো। গল্পটোৰ নাম কি আছিল, কাহিনী কি আছিল,—একো মনত নাই।

হীৰেন ভট্টাচাৰ্যৰ কথা ওলাল কাৰণে তেখেতৰ বিষয়ে দুটামান কথা কৈ থওঁ। মই যেতিয়া তেখেতক কাফে ডিলাক্সত প্ৰথম লগ পাওঁ, তেতিয়া তেখেতে কবিতা লিখে বুলি মই নাজানিছিলো। কিন্তু শব্দ আৰু বাক্যৰ ব্যৱহাৰৰ ক্ষেত্ৰত তেখেতৰ বুদ্ধি আৰু মনৰ গতিৰ যি তীব্ৰতা, সেই তীব্ৰতা তেখেতৰ লগত মোৰ বন্ধুত্বৰ আৰম্ভণিৰ,— মোৰ ফালৰ পৰা,—প্ৰধান কাৰণ আছিল। তেখেতে কথাৰ মাজতে হঠাতে কৈ দিয়া একোষাৰ কথাই মোক বৰ আনন্দ দিছিল। তেখেতৰ কথাবোৰক মই ঘাইকৈ দুটা ভাগত ভগাই লৈছিলো। প্ৰথম ভাগৰ কথাবোৰ তৎক্ষণাতে সৃষ্টি কৰা কৌতুকৰ শাৰীত পৰে। যেনে ঃ এদিন মই তেখেতক ক'লো, "আপুনি বৰকৈ কাহি আছে। দেখাতো আপোনাক বৰ দুৰ্বল যেন লাগিছে। ডাক্তৰৰ লগত কথা পাতি এক্স-ৰে' ফটো এখন ল'লে ভাল হয় নে কি?" তেখেতে ক'লে, "মোৰ নিচিনা আৰু দুজনমান বিচাৰোঁ বৰ। পালে গ্ৰুপ এক্স-ৰে' লম। গাইপতি খৰচ কম হ'ব।" দ্বিতীয় ভাগৰ কথাবোৰত বৈশিষ্ট্য আছিল

শব্দৰ অৰ্থ আৰু কৌতুকপূৰ্ণ ব্যৱহাৰ। উদাহৰণ ঃ ভালেমান দিনৰ পাছৰ কথা। তেতিয়া মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফিজিক্স ডিপাৰ্টমেণ্টৰ লেকচাৰাৰ আছিলো। এদিন খবৰ ওলাল,— মই 'ৰিডাৰ' হ'লো। সেইদিনাই আবেলি ভট্টাচাৰ্যক লগ পালো। (ইতিমধ্যে গল্প-নাটক আদি লিখাৰ বাবে মোক লেখক হিচাপেও গণ্য কৰা হৈছিল।) ৰিডাৰ হোৱাৰ খবৰটো দিয়াৰ লগে-লগে ভট্টাচাৰ্যই ক'লে, "A writer became a reader? আপুনি লিখিবলৈ এৰি পঢ়িবলৈ নল'ব। আমাৰ লোকচান হ'ব।"

আমি সাধাৰণতে "ঘোঁৰাৰ ঘাঁহ কটা" কথাষাৰ অবাবত অদৰকাৰী কাম কৰি সময় খৰচ কৰা বুজাবলৈ ব্যৱহাৰ কৰোঁ। "তুমি কি ঘোঁৰাৰ ঘাঁহসোপা কাটিছা?"— মানে তুমি কোনো দৰকাৰী কাম কৰা নাই। হীৰেন ভট্টাচাৰ্যই আভিধানিক অৰ্থত ঘোঁৰাৰ ঘাঁহ কটাৰ কাহিনী এটা আছে। এদিন মাক-দেউতাকে তেখেতক এটা প্ৰয়োজনীয় ঘৰুৱা কাম কৰিবলৈ কিছু টকা দিলে। কিছু বুলি কৈছোঁ যদিও ধনৰ পৰিমাণটো বেছ ডাঙৰ আছিল। টকাখিনি লৈ তেখেত আহিব লাগে গুৱাহাটী নগৰৰ মাজ-মজিয়াৰ ফালে, গ'ল গুৱাহাটী-শ্বিলং ৰাস্তাইদি যোৱাবাটৰ ফালে। সেই সময়তে, শ্বিলঙৰ ৰে'ছ ক'ৰ্ছৰ দৌৰৰ বাবে অনুপযোগী হৈ পৰা তেজীঘোঁৰা এটা গুৱাহাটীত বেচিবলৈ বুলি মানুহ এটাই খোজ কঢ়াই লৈ আহি আছিল। ভট্টাচাৰ্যই প্ৰথমতে ক'ৰ ঘোঁৰা, কি কথা, কি বতৰা সেইবোৰ সুধি, দাম-দৰ কৰি শেষত জেপত থকা ধনেৰে ঘোঁৰাটো কিনিয়েই পেলালে। মানুহটোৱে ঘোঁৰাটো আনি ভট্টাচাৰ্যহঁতৰ চিৰিয়াখানৰ ৰাস্তাৰ ঘৰত পইচাই দিলে। কি কৰিব ভট্টাচাৰ্যই এই মস্ত ঘোঁৰাটোৰে? খুৱাই-বুৱাই, টনকিয়াল কৰি আকৌ ৰে'ছত লগাব। সেই উদ্দেশ্যে ভট্টাচাৰ্যই ঘোঁৰাটোক দুয়ো সাঁজতে তিওৱা বুট খুৱাবলৈ ধৰিলে। এদিন গুৱাহাটীতে হোৱা ঘোঁৰা-দৌৰ প্ৰতিযোগিতা এটাত বোলে ঘোঁৰাটোক দৌৰিবলৈও দিয়া হ'ল। প্ৰতিযোগিতাটোত সেই সঁচৰ ঘোঁৰাৰ নাম-গোন্ধেই নাছিল। গতিকে ভট্টাচাৰ্যৰ ঘোঁৰা চকুৰ পলকতে নিৰ্দিষ্ট সীমা পাৰ হৈ কোনোবাখিনি পালেগৈ; চোৱাৰীহে আধা বাটতে উফৰি পৰি থাকিল।

ঘোঁৰাটোক পুনৰ ৰে'ছত লগোৱাৰ পৰিকল্পনা কাৰ্যকৰী কৰাটো ভট্টাচাৰ্যৰ বাবে সম্ভৱপৰ নহ'ল; কিন্তু তাকতো বহুৱাই-বহুৱাই বুট খুৱাই থাকিব নোৱাৰি। তাকতো কিবা এটা কামত লগাই বুটৰ খৰচখিনি উলিয়াব লাগিল! সেই উদ্দেশ্যে ভট্টাচাৰ্যই চালক সমন্বিতে এখন ঘোঁৰাগাড়ী যোগাৰ কৰিলে। গাড়ীখন হ'ল আমি সচৰাচৰ দেখি থকা মাল কঢ়িওৱা গাড়ী; ঘোঁৰা হ'ল প্ৰকাণ্ড, ওখ-পাখ। গতিকে ঘোঁৰাটো জুঁটি দিলে গাড়ীখন মাটিৰ লগত পঞ্চল্লিছ ডিগ্ৰিমান কোণ কৰা কামানৰ নিচিনা হৈ পৰে;— অনবৰত উলাৰ হোৱা অৱস্থাতেই থাকে। তথাপি, চালকজনে মাল-বস্তু ৰছীৰে বান্ধি, কিবা কায়দা-কিটিপ কৰি গাড়ীখনেৰে 'ভাৰা মাৰিবলৈ' সাজু হ'ল। দুটা নে তিনিটা দিন

ভালে-কুশলে গ'ল; কিন্তু তাৰ পাছত এদিন ফাঁচী বজাৰৰ দোকান-পোহাৰ মানুহ-দুনুহেৰে গিজ খাই থকা ঠেক ৰাস্তা এটাত,— ঘোঁৰাটোৱে ভয়েই খালে নে তাৰ খঙেই উঠিল, — সি বিশ্বাশবদে দৌৰি গৈ ৰাস্তাৰ কাষৰ দোকান এখনৰ শ্ব'কেছৰ আয়না বিদীর্ণ কৰি তাৰ ভিতৰলৈ সোমাই গ'ল। যথোচিত ক্ষতিপূৰণ ভৰি ভট্টাচাৰ্যই সেই যাত্ৰালৈ ৰক্ষা পালে, কিন্তু তেখেতৰ ঘোঁৰাগাড়ীৰ ব্যৱসায় সিমানতে বন্ধ হ'ল।

বুটমাহৰ কথাই নাই, পাছলৈ ঘাঁহ সংগ্ৰহ কৰা কামটোৱেও ভট্টাচাৰ্যৰ সমুখত সমস্যা হিচাপে থিয় দিলে। এদিন তেখেতে আগফালৰ বাৰীত নিজ হাতেৰে কাচিৰে ঘাঁহ কাটিবলৈ ল'লে। বাটেদি যোৱা মানুহে সোধে,— "ভট্ট, কি কৰিছে?" ভট্টাচাৰ্যই উত্তৰ দিয়ে, "ঘোঁৰাৰ ঘাঁহ কাটিছোঁ।"

ইমান সঁচা কথা, অথচ মানুহবোৰে ভাবি যায়,— ভট্টই ধেমালি কৰিছে, বা মানুহজনৰ কিবা কথাত খং উঠি আছে।

এসময়ত ভট্টাচাৰ্যই কিবা উপায়েৰে ঘোঁৰাটো হস্তান্তৰ কৰি মুক্ত হ'ল। তাৰ কিছুদিনৰ পাছত এদিন ডাঙৰ-দীঘল অজগৰ সাপ এডাল গাত মেৰিয়াই অনা মানুহ এটাই পদূলিত থিয় হৈ খবৰ ল'লে,— হীৰেন ভট্টাচাৰ্য বাবু ঘৰত আছে নে কি? ভট্টাচাৰ্য ঘৰত নাছিল। ঘৰৰ অইন মানহে কিয় বিচাৰিছে বুলি সোধাত মানুহটোৱে ক'লে,— তেখেতে জীৱ-জন্তু কিনে বুলি শুনিছোঁ। সাপডাল কিনিব নে কি সুধিবলৈ আহিছিলো।

সাহিত্য আৰু চিত্ৰশিল্প জগতৰ ৰসজ্ঞসকলে হীৰেন ভট্টাচাৰ্যক সেইবোৰ জগতৰ যথাস্থানত প্ৰতিষ্ঠা কৰিছে আৰু কৰিব। মোৰ বিচাৰ-বুদ্ধিৰে ময়ো সেইবোৰ জগতত তেখেতৰ কাৰণে একোডোখৰ ঠাই নিৰ্দিষ্ট কৰিম; কিন্তু মোৰ মানত,—একে সময়তে,— এই বন্ধুজন আৰু এখন বিচিত্ৰ জগতৰ বাসিন্দা হৈ থাকিব।

য'ত হীৰেন ভট্টাচাৰ্যক প্ৰথম লগ পাইছিলো, সেই কাফে ডিলাক্সলৈ উভতি আহোঁ। বন্ধুত্বৰ আনন্দ, সামান্য সাহিত্যকৰ্মৰ আনন্দ,— এইবোৰেই গুৱাহাটীহেন চহৰত মোক ওপঙাই ৰখাটো লাহে-লাহে অসম্ভৱ হৈ আহিছিল। কি কৰা যায় ভাবিবলৈ লৈছোঁ, এনেতে এদিন কাফে ডিলাক্সৰ মালিক বৰদা শৰ্মাই কাগজ এখন পিছফালে লুকুৱাই ধৰি ক'লে,— "আপুনি চাকৰি পাইছে। কিমান দৰমহা লাগে কওক।" মোৰ সেইবোৰ ধেমালি কৰাৰ ধৈৰ্য নাছিল। থাপ মাৰি কাগজখন নিজৰ হাতলৈ আনিলো। শিৱসাগৰ কলেজৰ ভাইছ প্ৰিন্সিপাল পৰাগধৰ চলিহাৰ নাম থকা টেলিগ্ৰাম। মোক তেখেতসকলে ফিজিক্সৰ লেকচাৰাৰৰ চাকৰি দিছে। দৰমহাৰ নিৰিখটোও জনাই দিছে।

১৯৫৬ চনৰ ১৫ আগষ্টৰ দিনা শিৱসাগৰ নগৰ পালোগৈ। হোটেলৰ কথা কওঁতে ৰিক্সাৱালাই মোক অৰিয়েণ্ট নামৰ হোটেল এখনলৈ লৈ গ'ল। কোঠালি এটাত থান-

থিত লোৱাৰ পাছত গম পালো,— স্থানীয় ডেকা শিক্ষক যাদৱ ঠাকুৰে প্ৰফুল্ল শৰ্মা নামৰ ডেকা এজনৰ লগ লাগি এই পুৰণি, অসম আৰ্হিৰ, কাঠৰ মজিয়াৰ ঘৰটো ভাৰালৈ লৈ হোটেলখন আৰম্ভ কৰিছে। ঘৰ-দুৱাৰৰ অৱস্থা যিয়েই নহওক, মানুহ দুজনৰ আদৰ-অপ্যায়নত মই আনন্দ পালো।

পাছদিনা জীৱনৰ প্ৰথম চাকৰিত যোগ দিবলৈ ওলালো। প্ৰফুল্ল শৰ্মাই ক'লে,— ষ্টেট ট্ৰেন্সপ'ৰ্ট অফিছৰ আগত বৈ থাকিলেই মই শিৱসাগৰ কলেজলৈ যোৱা বাছ পাম। সেইখন কেৱল কলেজৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আদি কঢ়িওৱা বাছ। ট্ৰেন্সপ'ৰ্ট অফিছৰ সন্মুখৰ তামোল-পাণৰ দোকান এখনৰ কাষ চাপি দোকানীজনক বাছখনৰ বিষয়ে আকৌ সুধি ল'লো। মই যে কলেজখনত শিক্ষক হিচাপে যোগ দিবলৈ আহিছোঁ, তেওঁক সেই কথাটোও ক'লো;— আনন্দতে আৰু তেওঁৰ পৰা সহায়ৰ সুৰ থকা উত্তৰ পোৱাৰ আশাত। তেওঁ মোক সেইখিনিতে ৰ'বলৈ ক'লে। অলপ পাছত এজনী ছোৱালী অলপ দূৰতে ৰ'লহি;— তাৰ পাছত আহিল এজন ল'ৰা। তেওঁ ছোৱালীজনীক মাত লগাই দোকানীজনক কিবা এটা ক'লে। মই মন কৰিলো,— দোকানীজনে সাউৎকৈ ল'ৰাজনক এটা ইংগিত দিলে। মোৰ এনেকুৱা লাগিল,— ল'ৰাজনে যেন ছিগাৰেট এটা কিনিব খুজিছিল, আৰু দোকানীজনে তেওঁক বাৰণ কৰিলে। নহ'বও পাৰে। অলপ পাছত ল'ৰাজন মোৰ ওচৰলৈ আহিল। তেওঁ চিনাকি দিলে;— তেওঁৰ নাম ইউছুফ। মোৰ চাকৰি জীৱনত প্ৰথম ছাৰ বুলি মতা ছাত্ৰ।

বহু বছৰৰ পাছত গুৱাহাটীত তেওঁক অসম চৰকাৰৰ ছেলছটেক্স বিভাগৰ ছুপাৰিণ্টেণ্ডেণ্ট হিচাপে লগ পাইছিলো।

অলপ পাছতে কিনকিনকৈ বৰষুণ আহিল। ইউছুফে ছোৱালীজনীৰ হাতৰ পৰা ছাতিটো লৈ মোক দিলে। ছোৱালীজনীৰ নাম কুইন বেগম।

প্ৰায় ত্ৰিছ বছৰৰ পাছত এদিন পাঠশালাত আবাহন থিয়েটাৰৰ আখৰা-মঞ্চত প্ৰযোজক কৃষ্ণ ৰয়ে ছোৱালী এজনী চিনাকি কৰাই দিলে,— এওঁ চালমা ছিদ্দিকী; — আমাৰ এই বছৰৰ মুখ্য অভিনেত্ৰী। অলপ পাছত ছোৱালীজনীয়ে মোক লগ ধৰি ক'লে, "মোৰ মাক আপুনি চিনি পাইছিল। মাৰ নাম কুইন বেগম আছিল।"

হয় নে কি? কুইন বেগম মোৰ চাকৰি জীৱনত লগ পোৱা প্ৰথম ছাত্ৰী আছিল। শিৱসাগৰ নগৰত মই পোৱা প্ৰথমজাক বৰষুণৰ পানী তেওঁৰ ছাতিটোৱে মোৰ মূৰত নপৰাকৈ ৰাখিছিল। ক'ত আছে তেওঁ এতিয়া?

নাই। তেওঁ ঢুকাল।

কি বিচিত্ৰ এই সংসাৰ! কাক যে ক'ত লগ পাওঁ! কোন যে কলৈ যায়! কোন যে ক'ত থাকে!

শিৱসাগৰ কলেজত সেই বছৰেই প্ৰথম বিজ্ঞানৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ ব্যৱস্থা কৰা হৈছিল। তাৰ বাবে যিটো ঘৰ নিৰ্মাণ কৰা হৈছিল, সেইটোৰ নাম দিয়া হৈছিল তান্তিয়া বিজ্ঞান মন্দিৰ। বিজ্ঞান শাখাৰ বাবে শিৱসাগৰত প্ৰথমে উপস্থিত হৈছিলগৈ আমাৰে সহপাঠী, গণিতৰ শিক্ষক মহেন্দ্ৰ বৰ্মণ, তেওঁৰ পাছতে মই। আগবেলা মই চাকৰিত যোগ দিলো, পাছবেলা তান্তিয়া বিজ্ঞান মন্দিৰ উদ্বোধন কৰা সম্পৰ্কীয় সভা এখন বহিল। প্ৰিন্সিপাল পদ্মধৰ চলিহা আৰু ভাইছ প্ৰিন্সিপাল পৰাগধৰ চলিহাই কেনেকুৱা কাণ্ড-কাৰখানাৰ লগত মোৰ সম্পৰ্ক আছে সেই বিষয়ে অলপ জানিছিল; গতিকে বিজ্ঞান মন্দিৰটো উদ্বোধনৰ সাজ-সজ্জা সম্পৰ্কীয় কামৰ দায়িত্ব তেখেতসকলে মোৰ ওপৰত ন্যস্ত কৰিলে। কৰিলেই যেতিয়া, নতুন কিবা এটাতো কৰিব লাগিব! ইলেকট্ৰিকেল কাৰবাৰ কৰাৰ সুবিধা নাছিল; গতিকে মটৰৰ টিউবৰ ৰবৰত ধৰিলো। নিৰ্দিষ্ট দিনা, নিৰ্দিষ্ট সময়ত মুখ্যমন্ত্ৰী বিষ্ণু মেধি ডাঙৰীয়াই কেঁচীৰে ফিটা এডাল কাটি দিলে, লগে-লগে ৰবৰৰ ফিটাৰ কৌশলে ধুনীয়া আঁৰকাপোৰ এখন আঁতৰাই দিলে। তান্তিয়া বিজ্ঞান মন্দিৰ মুকলি হৈ গ'ল। ৰাতি ঘৰটোৰ ভেটিত কুইন বেগমহঁতে শাৰী-শাৰীকৈ বন্তি জ্বলালে।

কলেজীয়া বিজ্ঞান শিক্ষাৰ প্ৰথম স্তৰৰ মাত্ৰ এটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পঢ়াব লাগে;— কামৰ বোজা তেনেই কম। অতি নিষ্ঠাৰে শিক্ষকৰ কৰ্তব্য পালন কৰাৰ পাছতো হাতত ঢেৰ সময় থাকে। মই এক শান্ত, নিৰুদ্বেগ পৰিবেশ অনুভৱ কৰিলো। জয়সাগৰৰ পাৰতে কলেজখন; জয়দ'লৰ কাষেদি, ৰংঘৰৰ আগেদি, দিখৌ নৈ পাৰ হৈ কলেজলৈ অহা-যোৱা কৰোঁ। মাজে-মাজে শিৱদ'ল পাৰ হৈ বৰপুখুৰীৰ চাৰিওফালে এপাক ফুৰোঁ। তান্তিয়া বিজ্ঞান মন্দিৰৰ যিটো কোঠালিত মই বহোঁ, তাৰ খিৰিকিখনৰ সমুখত এখন বিস্তীৰ্ণ পথাৰ। সেইখনেই জেৰেঙা পথাৰ। দূৰত খাল, বিল, জান— কিবা আছে হ'বলা,— কেতিয়াবা জাকৈয়া ছোৱালীয়ে জাকে বোৱা দেখোঁ। কটন কলেজত একেলগে পঢ়া ঈশ্বৰ গোহাঁয়ে ঠিকাদাৰী কৰে; তেওঁ তেওঁৰ ছাইকেলখন কেতিয়াবা মোক দি যায়; সেইখন চলাই মই কলেজলৈ যাওঁ। পৰাগ চলিহাৰ ইঞ্জিন লগোৱা 'ভটভটী' ছাইকেল এখন আছিল; কেতিয়াবা সেইখনেৰেও কলেজলৈ অহা-যোৱা কৰিবলৈ পাইছিলো। বেছিভাগ দিনত বাছেৰে অহা-যোৱা কৰিছিলো। কালীপ্ৰসাদ মেম'ৰিয়েল হলৰ চাৰিআলিত বাছৰ কাৰণে বৈ থাকোঁ। অলপ পাছতে ছাইকেল চলাই পদ্মধৰ চলিহা আহে; চাৰিআলিৰ ওচৰতে থকা শইকীয়াৰ ঘৰৰ আগফালৰ কোঠালিটোত ছাইকেলখন থৈ তেখেত ওলাই আহে; ওচৰৰে চাহৰ দোকানখনৰ পৰা পানী এগিলাছ লৈ বাঁহৰ দলংখনৰ ওপৰত উঠি মুখখন কুলকুলি কৰে (ঘৰত খাই অহা তামোলখন মুখৰ পৰা নাইকিয়া কৰে); প্ৰায়েই দলংখনৰ ওপৰত থিয় হৈয়েই ছিগাৰেট এটা আৰু

চাহ এপিয়লা খায়; তাৰ পাছত তামোল এখন খায়; তাৰ পাছত বাছত উঠিবলৈ আহে। মই ড্ৰাইভাৰৰ কাষ চাপি দিওঁ, তেখেত মোৰ ওচৰতে বহে। তেখেতে কাণেৰে কম শুনে; সেইকাৰণেই হ'বলা,— মুখখন মোৰ বাঁওকাণৰ ওচৰলৈ আনি কথা কয়;— ঘাইকৈ কলেজৰ আৰু সাহিত্যৰ কথা। কলেজখনৰ প্ৰশাসন, প্ৰগতি, শ্ৰীবৃদ্ধি,— প্ৰায় সকলো দিশ পৰাগ চলিহাৰ তত্ত্বাৱধান আৰু নিয়ন্ত্ৰণত থাকে। প্ৰতিষ্ঠানটোৰ জন্ম আৰু জীৱনৰ লগত যে মানুহজনৰ আটাইতকৈ ঘনিষ্ঠ সম্পৰ্ক, সেই কথা মই কিছুদিনৰ ভিতৰতে উপলব্ধি কৰিছিলো। (মনত পৰে, শিৱসাগৰ কলেজৰ কাৰণে বৰগুণি তুলিবলৈ যোৱা পৰাগ চলিহাক বহু দিনৰ আগতে এদিন নগাঁৱত লগ পাইছিলো।) আজৰি সময়ত চলিহাই 'সেউজীয়া সমাজ' নামৰ নিজে প্ৰতিষ্ঠা কৰা সংগীত-বিদ্যালয়খনৰ কাম-বন চোৱাচিতা কৰে। মানুহজনক মই সম্পূৰ্ণ খেলৰ সাজ পিন্ধি টেনিছ খেলা দেখিছোঁ; হাৰমনিয়াম বজাই গলগলীয়া মাতেৰে গোৱা শুনিছোঁ— "পোহৰ বিচাৰি যাওঁ—" ব'ৰ্ডি ৰ'ডত লীলা গগৈৰ ছাইকেলৰ পৰা নামে; ৰাস্তাৰ কাষত থিয় হৈ বহু সময় কথা পাতোঁ। গগৈৰ ছাইকেলত ওলমি থকা মোনাত কাগজ-পাতিও থাকে, বজাৰৰ বস্তুও থাকে। প্ৰবীণ গায়ক প্ৰফুল্ল বৰুৱা (পাছলৈ লোকসভাৰ সদস্য) আৰু অভিনেতা ফুনু বৰুৱাক লগ পাওঁ,— গীত-মাত-নাটকৰ কথা ওলায়; কলেজত বীৰেন বৰকটকী, প্ৰফুল্ল বৰুৱাক (হেম বৰুৱাৰ ভায়েক) লগ পাওঁ, অ'ৰিয়েণ্ট হোটেলৰ অফিছ-ৰুমত যাদৱ ঠাকুৰ, বিভূতি চলিহাক লগ পাওঁ,— তেখেতসকলৰ লগতো সেই একে সুৰৰ কথা। অতি কম সময়ৰ ভিতৰতে মোৰ এনেকুৱা লাগিল যেন মই যিখন শিৱসাগৰ নগৰ দেখিছোঁ, সেই গোটেইখনতে ৰংঘৰৰ ছাঁ পৰি আছে। লাহে-লাহে মোৰ বিজ্ঞানৰ জ্ঞান আৰু চৰ্চা তাত্তিয়া বিজ্ঞান মন্দিৰৰ ভিতৰতে আবদ্ধ হৈ পৰিল, আৰু মই মানুহটো যেন কালীপ্ৰসাদ মেম'ৰিয়েল হলৰ মঞ্চলৈ ওলাই আহিলো। প্ৰফুল্ল বৰুৱাই যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' উপন্যাসৰ আধাৰত নাটক লিখে, আমি কালীপ্ৰসাদ হলত মঞ্চস্থ কৰোঁ। মই 'ভগা ডেউকাৰ ছাঁ' নামৰ নাটক লিখোঁ, সকলোৱে মিলি মঞ্চস্থ কৰোঁ। অভিনেতা-অভিনেত্ৰীৰ অভাৱ নাই, দৰ্শকৰো অভাৱ নাই। ইভা আচাওক প্ৰথম লগ পাইছিলো কলিকতাৰ ইন্দ্ৰপুৰী ষ্টুডিঅ'ত চলচ্চিত্ৰৰ অভিনেত্ৰী হিচাপে, এতিয়া লগ পালো শিৱসাগৰ কলেজৰ ছাত্ৰী আৰু আমাৰ নাটকৰ অভিনেত্ৰী হিচাপে। ইভাৰ লগতে অভিনয় কৰিবলৈ ওলাই আহিল বিমলা কাকতী, বীণা কটকী আদি ছাত্ৰীসকল। মই অপৰিহাৰ্য আছিলো নাটকৰ দৃশ্যসজ্জাৰ ক্ষেত্ৰত। কালীপ্ৰসাদ হলৰ সেই সৰু মঞ্চখনত শোৱা-কোঠালি, কাৰাগাৰৰ পৰা আকাশৰ জোনলৈকে,—দৃশ্যসজ্জাৰ তেনেকুৱা আয়োজন আগতে হোৱা নাছিল বুলি স্থানীয় মানুহৰ মুখত শুনিবলৈ পাইছিলো : সেই কামত মোৰ লগত আছিল মাখন, বলাই, কানাই, হাৰিছ, ধীৰেন আদি

ছাত্ৰ কেইজনমান। অক্লান্ত কৰ্মী বুলিলে যি বুজা উচিত, এওঁলোক আছিল তেনেকুৱা কৰ্মী।

সেই সময়ত দীপালী বৰঠাকুৰে গায়িকা হিচাপে শিৱসাগৰত স্বীকৃতি লাভ কৰিবলৈ লৈছে। তেওঁতকৈ বয়সত সৰু,—ফুনু গোস্বামী নামৰ ছোৱালী এজনীৰ কণ্ঠও মোৰ মানত প্ৰতিশ্ৰুতিপূৰ্ণ আছিল। তেওঁ নাচিছিলো। নাচ আৰু অভিনয়— দুয়োখন ক্ষেত্ৰতে প্ৰতিভাৰ পৰিচয় দিছিল স্কুলৰ ছোৱালী কমলা শৰ্মাই। এওঁ আমি আয়োজন কৰা প্ৰায় সকলো অনুষ্ঠানৰ লগত জড়িত আছিল। (প্ৰায় চল্লিছ বছৰৰ পাছত কালসন্ধ্যা নামৰ চলচ্চিত্ৰখনত অভিনয়ৰ কাৰণে সাগৰিকা গোস্বামীক লওঁতে গম পালো— তেওঁ কমলাৰ জীয়েক।) অনুপমা ভট্টাচাৰ্য, শিৱ ভট্টাচাৰ্যৰ ছোৱালী ৰুণুমী, ভবেশ ঠাকুৰ,— এওঁলোকো সেই সময়তে নৃত্য-গীতৰ জগতখনলৈ আগবাঢ়ি আহিছিল। কলেজৰ ছাত্ৰ-ছাত্ৰী তুষাৰ গোহাঁই, শেৱালি বৰদলৈ আদিয়েও নগৰখনৰ গীত-মাতৰ পৰিবেশটো ৰমণীয় কৰি ৰখাত সহায় কৰিছিল।

এই পৰিবেশটোৱে সহায় কৰাৰ কাৰণেই হ'বলা, পৰাগ চলিহাই এদিন বহুদিনৰ পৰা সাঁচি ৰখা এখন আঁচনিৰ কথা মোৰ আগত ব্যক্ত কৰিলে। 'সোণ-ৰূপ নেওচি' নামৰ নিজে ৰচনা কৰা কাহিনী এটাৰে তেখেতে এখন ফিল্ম নিৰ্মাণ কৰিব খোজে। এজন মাৰোৱাৰী ব্যৱসায়ীয়ে ধনৰ যোগান ধৰিবলৈও আগবাঢ়িছে। মই যদি সহায় কৰোঁ, তেনেহ'লে তেখেতে অনতিপলমে কামটোত আগবাঢ়িব খোজে। ফিল্মৰ নামত এনেয়ে মোৰ মন উৰুলীকৃত, তাতে এই প্ৰস্তাৱ! মই সাউৎকৈ গ্ৰহণ কৰিলো।

ইতিমধ্যে মই অৰিয়েণ্ট হোটেল এৰিছিলো। মোৰ কটন কলেজৰ সহপাঠী বন্ধু উপেন্দ্ৰ নাথ ভূএগ্ৰা আৰু মই একেদিনাই শিৱসাগৰত চাকৰিত যোগ দিছিলো। তেওঁ এ. ছি. এছ. পৰীক্ষা পাছ কৰি মেজিষ্ট্ৰেটৰ চাকৰি পাইছিল আৰু প্ৰথম-প্ৰথম শিৱসাগৰৰ কাচাৰীত কাম লৈছিল। মই যিমান দিন হোটেলখনত আছিলো, উপেন সিমান দিন তেওঁৰ খুৰায়েকৰ ঘৰত আছিল। এদিন আমি দুয়ো চাৰিগুৰ জীৱ দুৱৰাই শিৱসাগৰ নগৰৰ ওচৰা-উচৰিকৈ সজোৱা ঘৰ দুটাৰ এটাৰ আধা ভাৰালৈ লৈ একেলগে থাকিবলৈ ল'লো। ইটো ঘৰ খালী হৈ আছিল; সেইটো পৰাগ চলিহাই 'সোণ-ৰূপ নেওচি'ৰ কাৰণে ভাৰালৈ ল'লে। ঘৰটোৰ সমুখত ডাঙৰ ছাইনব'ৰ্ড এখনো লগোৱা হ'ল ঃ সৌমাৰ চিত্ৰ। মই ইপিনে চিত্ৰনাট্য লিখিবলৈ আৰম্ভ কৰিলো, সিপিনে পৰাগ চলিহাই সৌমাৰ চিত্ৰৰ অফিছত আবেলি-আবেলি কমলা, ৰুণুমী, ফুনুকে মুখ্য কৰি এজাক ল'ৰা-ছোৱালী গোটাই 'জাপি নৃত্য'ৰ আখৰা আৰম্ভ কৰিলে। ইৰিণা ঐ বিৰিণা, কেকমণি পুৰীয়া— শীৰ্ষক গীত এটাৰ সুৱলা সুৰে নৃত্যৰ ছন্দ নিয়ন্ত্ৰণ কৰিলে।

চিত্ৰনাট্য লিখাৰ মোৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল। তেতিয়ালৈকে যিকণ শুটিং দেখিছিলো আৰু পৰ্দাত ফিল্ম চাই যি জ্ঞান হৈছিল, তাৰ বলতে এজাপ কাগজ লৈ

চিত্ৰনাট্য লিখি গ'লো। চকু মুদি ভাবোঁ,— দৃশ্যটো কেনেকুৱা হ'ব লাগিব,— তাৰ পাছত লিখোঁ।—গাঁৱৰ ধূলিয়ৰি বাটেদি ধনীৰ দুলালী গাড়ীত উঠি আহিছে। দৃশ্যটোৰ এটা শ্বট কেনেকুৱা হ'ব? ড্ৰাইভাৰৰ ছিটত কেমেৰা। পৰ্দাত দেখা যাব দুলালীৰ মুখৰ এফাল। যিখন কাণ দেখা যায়, সেইখনৰ পৰা ওলমি থাকিব দামী ইয়েৰিং। গাড়ী চলি থাকিব, ইয়েৰিং লৰি থাকিব; পিছফালৰ কাচৰ মাজেদি দেখা যাব ধূলি উৰিছে, আৰু ধূলিৰ মাজে-মাজে দৌৰিছে এজাক কণ-কণ ল'ৰা-ছোৱালী।—

লিখা কাম আগবাঢ়িল; লগে-লগে অভিনেতা-অভিনেত্ৰী, সংগীত পৰিচালক, কেমেৰামেন আদিৰো খা-খবৰ লোৱা কাম আৰম্ভ হ'ল। ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজৰ ড. গজনবীয়ে এটা গুৰুত্বপূৰ্ণ চৰিত্ৰৰ অভিনয় কৰাৰ বন্দবস্ত হ'ল। তেওঁ আহি এৰাতি সৌমাৰ চিত্ৰৰ অফিছত থাকি গ'ল। সংগীত পৰিচালনাৰ দায়িত্ব দিয়া হ'ল ৰুদ্ৰ বৰুৱাক। তেখেতেও আহি, দুদিন থাকি, ফিল্মখনৰ সংগীত সম্পৰ্কীয় কথাবোৰ বুজি গ'ল। এদিন অন্যান্য শিল্পীৰ সন্ধানত গাড়ী এখন লৈ পৰাগ চলিহা আৰু মই এক ভ্ৰমণত ওলালো। প্ৰথমতে সোমালো যোৰহাটৰ পুষ্প বৰাৰ (পাছলৈ পুষ্প ভূঞা, নৃত্যশিল্পী) ঘৰত। যোৰহাটৰ পৰা আহিলো নগাঁৱলৈ। তাত সেই সময়ৰ ৰূপৱতী অভিনেত্ৰী বকুল শইকীয়া আৰু অভিনেতা জ্ঞানদা বৰাৰ লগত যোগাযোগ কৰিলো। তাৰ পাছত গ'লো তেজপুৰলৈ। তাত দিলীপ সিংহ-অজিত সিংহৰ ভনীয়েক বীণা সিংহৰ লগত কথা-বতৰা পাতিলো। কিছুদিনৰ আগতে আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱৰ বাবে দল বাছিবলৈ গুৱাহাটীত পতা এক প্ৰতিযোগিতাত 'বিভ্ৰাট' নামৰ একাংক নাটক এখনত বীণা সিংহই ভাল অভিনয় কৰিছিল। তেওঁৰ খবৰ ল'বলৈ যোৱাৰ কাৰণ আছিল সেইটোৱেই।

এইখিনি যা-যোগাৰ কৰাৰ পাছত এদিন মই কেমেৰামেনৰ ব্যৱস্থা কৰিবলৈ কলিকতা পালোগৈ। পোনে-পোনে নলীন দুৱৰাক লগ ধৰিলো। তেখেতৰ লগতে দুৰাতি থাকিলোও। ফিল্মখনৰ কাহিনী, ইতিমধ্যে আমি কৰা আয়োজন,— সকলো কথা তেখেতক ক'লো। তেখেতৰ লগত বন্দবস্ত পকা হ'ল। সেই সময়ত তেখেতৰ নিজা ৩৫ মি.মি. কেমেৰা এটা আছিল। তেখেতৰ ইউনিটত সহায়কাৰী হিচাপে থাকিবলৈ বনমালী নামৰ মানুহ এজনৰ লগতো বন্দবস্ত কৰা হ'ল। দুৱৰাই কোৱা মতে, এই বনমালীয়ে কেমেৰা ইউনিটৰ লগত কাম কৰি-কৰি ইমান অভিজ্ঞতা অৰ্জন কৰিছে যে ক'ৰবাত ট্ৰলিৰ অভাৱ হ'লে, অথচ অগত্যা সৰু-সুৰা ট্ৰলি শ্বট ল'বলগীয়া হ'লে বনমালীৰ কান্ধতে কেমেৰা থোৱা হয়। বনমালীয়ে নিৰ্দিষ্ট গতিত খোজ কাঢ়ি থাকে, কেমেৰামেনে শ্বট লৈ থাকে।

দুৱৰাৰ লগত থাকোঁতে দ্বিতীয় দিনা পুৱাই এটা দুৰ্ঘটনাও ঘটিল। ৰাতি বিছনাখন ফেনৰ বতাহ পোৱাকৈ কোঠালিটোৰ মাজৰ ফালে অলপ টানি লৈছিলো; পুৱা আগৰ

ঠাইলৈ টানি আনোতে স্প্ৰিং লগোৱা গধুৰ তুলিখন খাপৰ পৰা এৰাই মোৰ বাঁও ভৰিখনৰ ওপৰতে পৰিল। বুঢ়া আঙুলিৰ নখটোত অসহনীয় যন্ত্ৰণা অনুভৱ কৰিলো। বনমালীয়ে দৌৰি গৈ ক'ৰাবাৰ পৰা বৰফ আনি আঙুলিটোত জাপি দিলে। পাছবেলা লেঙেৰাই-লেঙেৰাই গৈ বুঢ়া আঙুলি ওলাই থকা ছেণ্ডেল-শ্চু এযোৰ কিনি ল'লো। এই সৰু কথাটো কোৱাৰ কাৰণ হ'ল,— মোৰ সেই বুঢ়া আঙুলিৰ নখটো আজিও অস্বাভাৱিক হৈ আছে। (প্ৰায় একচল্লিছ বছৰৰ পাছতো), আৰু নখটোৱে মোক 'সোণ ৰূপ নেওচি'ৰ কথা সোঁৱৰাই থাকে।

কলিকতাৰ পৰা ওভতোঁতে ভাবি আহিলো,— এইবাৰ ফিল্মখন নিৰ্মাণৰ কাৰ্যসূচী তৈয়াৰ কৰি সেইমতে কাম আৰম্ভ কৰিব লাগিব। কিন্তু শিৱসাগৰ পায়েই মই হতবাক হ'লো। পৰাগ চলিহা আৰু আমাৰ কলেজৰে ইকনমিকছৰ শিক্ষক মুহিৰাম শইকীয়াক (পাছলৈ ভাৰতৰ মন্ত্ৰী) পুলিছে গ্ৰেপ্তাৰ কৰিলে। কিয় ? তেখেতসকল বোলে কলেজৰ ঘৰৰ নিৰ্মাণ-সামগ্ৰীৰ কিবা গণ্ডগোলৰ লগত জড়িত। গোটেই নগৰখনত, নগৰখন কিয়, গোটেই জিলাখনৰ মানুহৰ মাজত হুলস্থূল। শিৱসাগৰৰ ছাব ডিভিজনেল অফিছাৰ সাইগলে তেখেতসকলক জামিনতো নিদিয়ে। শেষত যোৰহাটৰ ডেপুটি কমিশ্যনাৰ ভাগাইৱালাক দৰখাস্ত দিয়া হ'ল। যিদিনা যোৰহাটৰ পৰা হুকুম এটা অহাৰ কথা, সেইদিনা বৰপুখুৰীৰ পাৰ লোকে লোকাৰণ্য। মোৰ মনত আছে, সেইদিনা পাছবেলা মই কাচাৰীৰ কোঠালি এটাৰ বেঞ্চ এখনত বিমৰ্ষ হৈ থকা মুহিৰাম শইকীয়াৰ লগত বহি আছিলো।

চলিহা-শইকীয়া জামিনত ওলাই আহিল। মকৰ্দমাটোৱে তেখেতসকলক দোষী সাব্যস্ত কৰিব নোৱাৰিলে। মানুহৰ মুখত শুনা কথা,— পৰাগ চলিহাৰ মেজাজৰ যে এবিধ আত্মসন্মানসূচক উগ্ৰতা আছে, সেই উগ্ৰতাই সাইগলক হেনো ক'ৰবাত আঘাত দি থৈছিল। তাৰে ফল হিচাপে সৃষ্টি হৈছিল এই ঘটনাৰ। সেইবোৰ যিয়েই নহওক,— এই ঘটনাটোৰ কাৰণে সমূলঞ্চে ধ্বংস হ'ল সোণ-ৰূপ নেওচিৰ আঁচনি। এদিন সৌমাৰ চিত্ৰৰ ছাইনবৰ্ডখন নামি আহিল। মই চিত্ৰনাট্যৰ কাগজৰ জাপটো চলিহাক গতাই দিলো।

চলিহাই আজিও লগ পালে মোক কয়,— শইকীয়া, সেই কাগজখিনি মই তেনেকৈয়ে আলমাৰিত থৈ দিছোঁ।

প্ৰসংগক্ৰমে ঃ অলপ আগতে যে মই 'ভগা ডেউকাৰ ছাঁ' নামৰ নাটক এখন লিখাৰ কথা কৈছিলো, সেইখনৰ নাম প্ৰথমতে দিছিলো— 'ভঙা ডেউকাৰ ছাঁ।' সেই নামেৰে কেইখনমান প'ষ্টাৰো লিখা হৈ গৈছিল। এনেতে এদিন প্ৰিন্সিপাল পদ্মধৰ চলিহাই ক'লে,— ভঙা ডেউকাৰ ছাঁ নামটো শুদ্ধ হোৱা নাই নহয়। ভগা ডেউকাৰ ছাঁহে হ'ব লাগে! মই লগে-লগে বুজিলো,— তেখেতে ঠিক কথা কৈছে। কিন্তু ভুলটো বিনা বাক্যব্যয়ে স্বীকাৰ কৰিবলৈ মন নগ'ল। কৈ চালো,— হয়, এনেয়ে যদি ক'ৰবাত পৰি

থকা ডেউকা এডোখৰ পাওঁ, তেনেহ'লে সেইডোখৰক ভগা ডেউকাই বুলিম। কিন্তু মোৰ নাটকখনত ডেউকাখন সমাজে ভাঙিলে। সমাজে ভঙা ডেউকা;— এই অৰ্থত মই ভঙা বুলি লিখিছোঁ। ডেউকাখন যে আপোনা-আপুনি ভগা নাই, সমাজে ভাঙিছে, সেইটো বুজাবলৈ চেষ্টা কৰিছোঁ। সমাজে ভঙা ডেউকাৰ ছাঁ— এইটো হ'ল নাটকখনৰ সম্পূৰ্ণ নাম। সমাজে শব্দটো উহ্য ৰাখিছোঁ।

গাৰ জোৰেৰে ভাষাৰ ভুল এটাক শুদ্ধ কৰিব পাৰি নে? তাকো পদ্মধৰ চলিহাৰ সমুখত? প্ৰিন্সিপাল চলিহাই 'সেইবোৰ বুদ্ধি নাখাটিব' বুলি বুজাবলৈ হাতো জোকাৰিলে, মূৰো জোকাৰিলে। মই প'ষ্টাৰকেইখন সলনি কৰাৰ ব্যৱস্থা কৰিলো।

কথাৰ মাজতে ওলোৱা সৰু কথা একোটাই কেতিয়াবা কেতিয়াবা কিমান ডাঙৰ ঘটনাৰ সৃষ্টি কৰে, তাৰ অতি উৎকৃষ্ট উদাহৰণ এটা মোৰ হাতত আছে বুলি মই গৰ্ব কৰোঁ।

'সোণ-ৰূপ নেওচি' অধ্যায়টোৰ কিছু আগলৈ উভতি যাওঁ। তেতিয়া মই অৰিয়েণ্ট হোটেলতে থাকোঁ। যাদৱ ঠাকুৰইতে প্ৰথমতে যিটো কোঠালিত মোক থাকিবলৈ দিছিল, পাছত সেইটোৰ পৰা নি ওচৰৰ মানুহঘৰৰ আগফালৰ কোঠালি এটা ভাৰালৈ লৈ তাত থাকিবলৈ দিলে। ইতিমধ্যে বন্ধু-বান্ধৱৰ সংখ্যাটো ডাঙৰ হৈছিল। পাছবেলা ঘৰত থকা সময়খিনিত কাৰোবাৰ নহয় কাৰোবাৰ পদাৰ্পণ ঘটিছিলেই বুলিব পাৰি। ঘৰত থকা বুলি গম পালে বাটেদি যোৱা বন্ধু-বান্ধৱে কেতিয়াবা এনেয়ে মাত লগাই যাওঁ বুলিও সোমাই গৈছিল। তেনেকৈয়ে এদিন অফিছৰ পৰা ঘৰলৈ উভতি যাওঁতে মাত লগাওঁ বুলি সোমাই আহিল শিৱসাগৰতে নতুনকৈ হোৱা বন্ধু গুৰুপ্ৰসাদ বৰুৱা। তেখেতে পি. ডব্লিউ. ডিত চাকৰি কৰে। কথাৰ মাজতে তেখেতে সুধিলে,— অসম চৰকাৰে বিদেশত পঢ়া-শুনা কৰিবলৈ স্কলাৰশ্বিপ দিয়াৰ কথা ঘোষণা কৰিছে,— আপুনি গম পাইছে নে নাই?

নাই পোৱা। মই নতুন ঠাইত অতি সোনকালে পোৱা থিয়েটাৰ-ভাওনা, নাচ-গান, লিখা-মেলাৰ পৰিবেশত ডুবি গ'লো; বাতৰি-কাকতৰ বিজ্ঞাপনৰ পৃষ্ঠা চাবলৈ বাদেই দিলো;— সেইবোৰ কথা কেনেকৈ গম পাওঁ? সুধিলো,— আপুনি ক'ত গম পালে?

গেজেটত।— তাৰ পাছত বৰুৱাই উপযাচি ক'লে, গেজেটত এপ্লিকেশ্যন ফৰ্মখনো ছপা কৰি দিয়া আছে; মই কাইলৈ সেইখনৰ তিনি কপি টাইপ কৰি আনি আপোনাক দিম।

বৰুৱাই কথাটোত যিমান গুৰুত্ব দিলে, মই বোধকৰোঁ তাৰ পাঁচ ভাগৰ এভাগো গুৰুত্ব নিদিলো। মোৰ বোধকৰোঁ ভাবটো এনেকুৱা আছিল,— চৰকাৰে চৰকাৰৰ কাম কৰি থাকক, মইতো চাকৰি-বাকৰি কৰি মহাসুখে আছোঁৱেই!

পাছদিনা বৰুৱাই সঁচাকৈয়ে নিজ হাতে তিনি কপি ফৰ্ম টাইপ কৰি আবেলি পৰত মোক হোটেলৰ কোঠালিতে দি গ'ল। ফৰ্ম কেইকপি হাতত পৰাৰ পাছতহে মই কথাটো গম্ভীৰভাবে চিন্তা কৰিবলৈ ল'লো। মাহটো কি আছিল সঠিককৈ মনত নাই, কিন্তু তাৰিখটো মনত আছে,— বাৰ তাৰিখ। মনত থকাৰ কাৰণ হ'ল,—দৰখাস্ত গৈ শ্বিলঙৰ ডি. পি. আইৰ অফিছ পোৱাৰ শেষ তাৰিখ হ'ল পোন্ধৰ। ঠিক কৰিলো—দৰখাস্ত কৰিমেই। লগে-লগে ফৰ্ম ফিল-আপ কৰিবলৈ ল'লো। ছাৰ্টিফিকেট, মাৰ্ক-শ্বিট আদি নানা ধৰণৰ বহুতো কাগজ-পাতি লাগে; একে দিনৰ ভিতৰতে সকলো সাজু কৰিলো। দুজন হাকিমৰ ছাৰ্টিফিকেট লাগে; —উপেন ভূঞাতো লগতে আছেই;— আৰু আমি থকা ঘৰটোৰ অলপ দূৰতে— আমোলাপটিত থাকে নগাঁৱৰ হয়বৰগাঁৱৰ আইন এজন হাকিম। বিমল কুমাৰ পণ্ডিত। তেখেতৰ লগতো মোৰ সম্পৰ্ক ভাল আছিল। গতিকে হাকিমৰ ছাৰ্টিফিকেটৰ সমস্যাও অদৃশ্য হ'ল। তেতিয়া হৰেন ককাইদেৱে শ্বিলঙত চাকৰি কৰে। তেখেত পুলিছ বিভাগৰ ফিংগাৰপ্ৰিণ্ট এক্সপাৰ্ট। দৰখাস্তখন মই তেখেতলৈ পঠাই দিলো। লগৰ চিঠিখনত লিখিলো,— কাইলৈ দৰখাস্ত গৈ অফিছ পাবই লাগিছিল;— হয়তো এদিন বা দুদিন পলম হ'ব; সেইকাৰণে আপোনালৈ পঠালো;— ডি.পি. আইৰ অফিছে যদি পলম হোৱাৰ কাৰণে নলওঁ-নথওঁ কৰে, তেনেহ'লে আপুনি যি পাৰে কৰিব। মইতো চৈধ্য তাৰিখে ডাকত দিছোঁৱেই!

শেষ তাৰিখ পাৰ হৈ যোৱা সম্পৰ্কীয় কোনো ঘটনা নঘটিল; কিন্তু দৰখাস্তখন ডি. পি. আইৰ অফিছত পৰাৰ আগতে এটা গুৰুত্বপূৰ্ণ ঘটনা ঘটিল। দৰখাস্তখনত মই বিদেশত কি পঢ়িমগৈ সেই শিতানৰ এক নম্বৰত লিখিছিলো ছিনেমেট'গ্ৰাফি, আৰু দুই নম্বৰত লিখিছিলো পি. এইচ. ডি. ডিগ্ৰিৰ কাৰণে ফিজিক্সৰ কোনো এটা ভাগৰ গৱেষণা। হৰেন ককাইদেৱে এক নম্বৰৰ কথাখিনি কাটি দিলে আৰু তলৰ দুইটো এক কৰি দৰখাস্তখন জমা দিলে। দৰখাস্তখন জমা দি উঠি ককাইদেৱে কথাটো মোক জনাইছিল। যি হয় সকলো ভালৰ কাৰণেই হয় বুলি ভবাৰ যি অভ্যাস মই ইতিমধ্যে গঢ়ি তুলিছিলো, ককাইদেউৰ সিদ্ধান্তটো সেই অভ্যাসটোৰে গ্ৰহণ কৰি থৈ দিলো।

দিন পাৰ হৈ গৈ থাকিল। সৰস্বতী পূজা আহিল। কলেজত সৰস্বতী পূজা। কানাই, বলাই, মাখনহঁতক লগত লৈ গোসাঁনী-মণ্ডপৰ ডেকৰেশ্যনত ধৰিলো। এই কথাটো আগতে চমুকৈ উল্লেখ কৰি থৈছোঁ। গছ, ডাৱৰ, পঞ্চমীৰ জোন— এইবোৰৰ ব্যৱস্থা কৰোঁতে-কৰোঁতে ৰাতি পুৱাই গ'ল। এসময়ত জয়া ছাত্ৰীনিবাসৰ কেইজনীমান ছোৱালীয়ে ভক্তিভাবৰ সাজ-পাৰ পিন্ধি, মেলা চুলিৰে পূজালৈ বুলি ওলাই আহি মণ্ডপ পালেহিয়েই, আমাৰ ডেকৰেশ্যনৰ কাম হোৱাই নাই। লৰালৰিকৈ বাকী থকা কামকণ শেষ কৰিবলৈ চেষ্টা কৰিছোঁ, এনেতে পিয়ন এজনে ক'লেহি,— আপোনাক ছাৰে মাতিছে। ছাৰে মানে

পৰাগ চলিহাই। আঠমান বজাতে তেখেতৰ ধপধপী ছাইকেলৰ মাত শুনিছিলো। গ'লো তেখেতৰ অফিছ্-ৰুমলৈ। বহিবলৈ দিয়াৰ পাছত তেখেতে নিঃশব্দে টেলিগ্ৰাম এখন মোৰ ফালে আগবঢাই দিলে।—অসম চৰকাৰে তোমাক বিদেশত উচ্চশিক্ষাৰ কাৰণে বৃত্তি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।— টেলিগ্ৰামখন পঠাইছে শ্বিলঙৰ পৰা অভিনেতা চন্দ্ৰ ফুকনে। তাৰ পাছত তেখেতে লিখিছে— I hope you will be a rare bird in our horizon.

গোটেই নিশা টোপনি খতি কৰি কাম কৰি আছোঁ; চকু পুৰিছিল; মূৰটো বাঁইজাঁই কৰি আছিল,— এনে সময়ত এইখন টেলিগ্ৰাম! হঠাতে,— কেইমুহূৰ্তমানৰ কাৰণে মোৰ এখন নতুন জগতত সোমোৱাৰ নিচিনা লাগিল। মই হতবাক হৈ বহি ৰলো। কেইমুহূৰ্তমানৰ পাছত পৰাগ চলিহাৰ ফালে চালো। তেখেত গম্ভীৰ মুখেৰে অইন ফালে চাই বহি আছে। টেলিগ্ৰামখনে এদিন মই শিৱসাগৰ কলেজ এৰি যোৱাটো সূচায়। তেখেতৰ মুখলৈ চাই থাকোঁতে মোৰ ধাৰণা হৈছিল,— সেই কথাটো তেখেতৰ বাবে আনন্দদায়ক নাছিল।

তাৰ পাছত কেতিয়া কি হ'ল, সেইবোৰ কৈ যাম; কিন্তু এই মুহূৰ্তত কৈ থবলগীয়া কথাটো হ'ল,— তাৰ পাছত যে লাহে-লাহে মোৰ জীৱনৰ পথ আৰু গতি সলনি হৈ গ'ল, মই যে নিজকে গঢ়াৰ আৰু এটা সুবিধা পালো, এই সকলো সম্ভৱ হ'ল গুৰুপ্ৰসাদ বৰুৱা নামৰ মানুহজনৰ কাৰণে। তেখেত যদি সেইদিনা আবেলি অৰিয়েণ্ট হোটেলৰ মোৰ কোঠালিলৈ আহি গেজেটত ওলোৱা খবৰটোৰ কথা নক'লেহেঁতেন, পাছদিনা যদি তেখেতে ফৰ্ম তিনিকপি টাইপ কৰি আনি নিদিলেহেঁতেন, তেনেহ'লে আজি হয়তো মই এটা বেলেগ মানুহ হ'লোহেঁতেন। বৰুৱাৰ হয়তো কেতিয়াও মনলৈকে অহা নাই,— তেখেতে মোৰ জীৱনৰ বাবে কিমান গুৰুত্বপূৰ্ণ কাম এটা কথাৰ চলতে কৰি থলে। মই কিন্তু আজিও উভতি চালেই মানুহজনক দেখিবলৈ পাওঁ;— তেখেতৰ খোজটো দেখিবলৈ পাওঁ, স্পষ্টকৈ মাতটো শুনিবলৈ পাওঁ।

এটা কথা মই কিছুদিনলৈ মিলাব পৰা নাছিলো। চন্দ্ৰ ফুকন ককাইদেৱে এই খবৰটো দিবলৈ পালে কেনেকৈ? পাছত গম পাইছিলো,—ডি. পি. আইৰ অফিছত বহা মিটিঙত সিদ্ধান্তটো লোৱাৰ দিনাই হিৰণ্য ভূঞা ছাৰে কথাটো ফুকন ককাইদেউক কৈছিল, আৰু ফুকন ককাইদেৱে উত্তেজনা ধৰি ৰাখিব পৰা নাছিল।

খবৰটো পোৱাৰ পাছতো কলেজত বা শিৱসাগৰৰ সমাজত আগৰ নিচিনাকৈয়ে কাম-বন কৰি থাকিলো; কিন্তু মোৰ মনলৈ কিছুমান চিন্তা আহি থাকিবলৈ ধৰিলে। ক'ত গৱেষণা কৰিমগৈ, বিষয় কি হ'ব, কেতিয়া যাব লাগিব, এইবোৰৰ ব্যৱস্থা চৰকাৰে কৰিব বুলি গম পালো। কিন্তু মোৰ লগতভো ভাৰত বা অসম চৰকাৰৰ সম্বন্ধে যোগাযোগ

হৈ থাকিব লাগিব? তদুপৰি, মই এম. এছ. ছি পাছ কৰোঁতে ফিজিক্সৰ পঢ়া-শুনা যিমানলৈকে কৰিছিলো, তাৰ সামান্য ওপৰ স্তৰৰ কিছু পঢ়া-শুনাতো কৰিব লাগিব! মোৰ ধাৰণা হ'ল,— এইবোৰৰ কাৰণে মই গুৱাহাটীত থাকিলে সুবিধা হ'ব।

গৰমৰ বন্ধত গুৱাহাটীলৈ আহি ড. সূৰ্যকুমাৰ ভূঞাক লগ ধৰিলো। তেখেত তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাইছ-চেঞ্চেলৰ। তেখেতক ক'লো,— এই-এই কাৰণত মই গুৱাহাটীত থকাটো প্ৰয়োজনীয়; গতিকে কিছুদিনৰ কাৰণে গুৱাহাটীত এটা চাকৰি পালে মোৰ বৰ সুবিধা হয়। তেখেতে মোক বিশ্ববিদ্যালয়ৰ ফিজিক্স ডিপাৰ্টমেণ্টৰ চাকৰিৰ কাৰণে দৰখাস্ত এখন দিবলৈ ক'লে। তেতিয়াৰ দিনত লেকচাৰাৰ চাকৰি পাবলৈ হ'লে প্ৰাৰ্থী এম. এছ. ছি পৰীক্ষাত ফাৰ্ষ্ট ক্লাছ পোৱা হ'ব লাগিব; ছেকেণ্ড ক্লাছ পোৱা প্ৰাৰ্থী হ'লে তেওঁৰ ডক্টৰেট ডিগ্ৰি থাকিব লাগিব। বিজ্ঞানৰ বিষয় কিছুমানত ছেকেণ্ড ক্লাছ পোৱা প্ৰাৰ্থীয়ে ডেমনষ্ট্ৰেটৰৰ চাকৰি পাব পাৰে। গতিকে মই ডেমনষ্ট্ৰেটৰৰ চাকৰিৰ কাৰণে দৰখাস্ত এখন কৰিলো। কিছুদিনৰ পাছতে চাকৰি পাইছোঁ বুলি খবৰো পালো।

গৰমৰ বন্ধৰ পাছত কলেজ আৰু নগৰখনৰ পৰা বিদায় ল'বলৈ বুলি শিৱসাগৰলৈ গ'লো। সেই কামটো মোৰ কাৰণে সহজ নাছিল। গৰমৰ বন্ধৰ পাছৰ দিনকেইটা বাদ দিলে কলেজখনত মই মাত্ৰ এঘাৰ মাহ চাকৰি কৰিছিলো; কিন্তু কলেজ আৰু নগৰখনৰ লগত হোৱা সম্পৰ্কটোৰ ফালৰ পৰা মই তাত বহু বেছি দিন চাকৰি কৰিছিলো যেন লাগিছিল। সেইখিনি দিনত মই নিজে ভাল পোৱা কামবোৰ কৰিছিলো; তেনেকুৱা কাম ভাল পোৱা মানুহখিনি মোৰ ওচৰ চাপি আহিছিল, আৰু কলেজতেই হওক, নগৰখনতেই হওক,— সেইখিনি মানুহেই বিভিন্ন দিশৰ নেতৃত্ব বহন কৰিছিল;—সেইবোৰেই কলেজ আৰু নগৰখনৰ লগত এটা ভাল সম্পৰ্ক হোৱাৰ মূল কাৰণ বুলি মোৰ ধাৰণা হৈছিল। তদুপৰি, যিমান দিন থাকিলে সাধাৰণতে সম্পৰ্কৰ দুই-এটা ক্ষতি হ'বলৈ আৰম্ভ কৰে, মই সিমান দিন নাথাকিলোৱেই।

ঠাইখন এৰি আহিবলৈ ওলাই মই ভাবিছিলো,— আৰু কিছুদিন থাকি যোৱা হ'লে মই জড়িত থকা দুটামান প্ৰচেষ্টাৰ পৰিণতিৰ আভাস লৈ যাব পাৰিলোহেঁতেন। যেনে,— তান্তিয়া বিজ্ঞান মন্দিৰটোৱে যাতে অতি সোনকালে শৈশৱকাল শেষ কৰে, তাৰে বাবে অলপ চেষ্টা কৰিছিলো। (পাছলৈ কলেজৰ মানুহখিনিয়ে ধেমালিতে মোক তান্তিয়া বিজ্ঞান মন্দিৰৰ সৰ্বাধিনায়ক বুলিছিল।) মন্দিৰটোৰ প্ৰথম দল ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত কেনেকুৱা ফল দেখুৱায়, সেইটো চাবলৈ বৰ মন আছিল। গিৰিজা প্ৰসাদ বৰুৱাই নাট্য মন্দিৰত ঘূৰাব পৰা মঞ্চ এখন নিৰ্মাণ কৰাৰ কথা মোৰ লগত আলোচনা কৰিছিল আৰু আমি এটা কৌশলৰ আঁচনি প্ৰস্তুত কৰিছিলো। আঁচনিখন কাৰ্যকৰী হোৱাৰ সম্ভাৱনা আছেনে নাই, চাই আহিবলৈ মন আছিল।

অমুক তাৰিখে মই যামগৈ বুলি পৰাগ চলিহাৰ বাহিৰে কাকো কোৱা নাছিলো। অহাৰ দিনা ৰাতিপুৱা কেনেবাকৈ তুষাৰ গোহাঁয়ে কথাটো গম পাইছিল। তেওঁ আৰু এজন ল'ৰাৰ লগ লাগি ধোবাৰ তাত থকা মোৰ কাপোৰখিনি কিছু সময়লৈ লুকুৱাই থৈছিল,— মই যেন সেইদিনাৰ বাছখন ধৰিব নোৱাৰোঁ। শিৱসাগৰ এৰাৰ আগতে মোৰ লগত কথা পতা সেইজনেই শেষ ছাত্ৰ আছিল। ষ্টেট ট্ৰেন্সপ'ৰ্ট অফিছত গাড়ীত উঠাৰ সময়ত মোক বিদায় সম্ভাষণ জনাইছিল অফিছটোৰ মুৰব্বী বিষয়া অৱনী বৰুৱাই। আছাম ষ্টেট ট্ৰেন্সপ'ৰ্ট কৰপৰেশ্যনৰ মহলটোত শান্ত, জনপ্ৰিয় বিষয়া হিচাপে পৰিচিত, ব্যক্তিগত পৰ্যায়ত মোৰ পৰম হিতাকাংক্ষী এই অৱনী বৰুৱাই একালত বেহেলা বজাইছিল। পাছলৈ বেহেলা বজোৱাত কৃতিত্ব অৰ্জন কৰা যামিনী গোহাঁই প্ৰথমতে অৱনী বৰুৱাৰ ছাত্ৰ আছিল।

এইবিলাক কথাৰ উপৰিও,— ইমান বছৰৰ পাছত আজি,—ইমান দূৰৰ পৰা সেই ঠাইখনলৈ মনত পেলালে চকুৰ আগলৈ কি যে আহে তাৰ কোনো লাগ-বান্ধ নাই। টুকুৰা-টুকুৰ, অসংলগ্ন দৃশ্য, অসংলগ্ন কথা! এই যদি দেখিলো দিখৌ দলঙৰ পৰা লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিয়ালৰ চৌহদটো; পাছ মুহূৰ্ততে দেখিলো হস্পিটেলখনৰ আগৰ সেই দৃশ্যটো। মানুহেৰে ঠাইডোখৰ ভৰি পৰিছে। ভিতৰত মানুহটোৰ অৱস্থা কি হৈছে, সেই খবৰটো পাবলৈ সকলো উদগ্ৰীৱ। ওচৰৰে কোনোবা এখন গাঁৱৰ খালত মানুহটোৱে পলৰে মাছ ধৰিছিল। এবাৰ পলত কেইবাটাও কাৱৈ মাছ ধৰা পৰিল। মানুহটোৱে ধৰিলে এটা। ডাঙৰ, পূৰঠ মাছ। কঁকালত খালৈ-চালৈ নাছিলেই নে কি, মানুহটোৱে মাছটো মুখেৰে কামুৰি ধৰিলে। তাৰ পাছত সি যেতিয়া অইন এটা মাছ ধৰিবলৈ পলৰ ভিতৰত হাত চলাইছে, তেতিয়া হঠাতে মুখৰ মাছটোৱে উচাল মাৰি ভিতৰলৈ সোমাই গৈ ডিঙিত লাগি ধৰিলগৈ। কাৱৈ মাছৰ পাখিৰ কাঁইট ওভোতাকৈ লাগি ধৰাৰ কাৰণে ফিছাত ধৰি তাক সহজে উলিয়াই আনিব পৰা নগ'ল। ওচৰ-চুবুৰীয়াই মানুহটোক আনি হস্পিটেল্গ পোৱালেহি। চিকিৎসাকাৰীয়ে চাই থাকোঁতেই মাছটো নিজৰ শক্তিৰে আগুৱাই গৈ থাকিল আৰু এসময়ত মানুহটোৰ ডিঙিত তাৰ ফিছাখনো অদৃশ্য হৈ গ'ল। মানুহটোক বচাব পৰা নগ'ল।

—কিবা কামত গৈ ভিতৰুৱা গাঁও এখনৰ মানুহ এঘৰত দুপৰীয়াৰ ভাত-সাঁজ খাইছিলো। অঁতাই-পিটাই লোৱা মজিয়াত কাঠৰ পীৰা এখনত লেপেটা কাঢ়ি বহি লৈছো। সমুখত ডাঙৰ কাঁহী এখনত মই জোৰকৈ চাৰিসাঁজমানত শেষ কৰিব পৰা পৰিমাণৰ বগুচুৱা ভাত, ওচৰতে সৰু বাটি এটাত আধাবাটিমান দাইল, ভাতৰ কাষত সিজোৱা হাঁহকণী এটা, কণীটোৰ সমান আয়তনৰে বগালাও ভাজি অকণমান, নিমখ অলপমান আৰু পকা জলকীয়া দুটা। যদি মই গোটেইখিনি ভাত খাব লাগে, তেনেহ'লে

মোৰ হিচাপত চাৰিভাগৰ তিনিভাগ নিমখেৰেই খাব লাগিব। ওচৰতে গৃহস্থও বহিছে। তেখেতৰ সমুখতো সেই একেই সম্ভাৰ; কেৱল ভাতৰ কাষত কণীটো নাই। আদৰ-সাদৰ, আগ্ৰহ, অভ্যাস আৰু নিঃকিন অৱস্থাৰ এক স্মৰণীয় সংমিশ্ৰণ। কলেজত কিবা অনুষ্ঠান শেষ হওঁতে ৰাতি হ'ল। বীৰেন বৰকটকী, প্ৰফুল্ল বৰুৱা আৰু মই ছাইকেল মাৰি ঘৰলৈ উভতিছোঁ। জোনাক ৰাতি। বাটত আমাৰ বাহিৰে মানুহ-দুনুহ আৰু নাই বুলিলেই হয়। বাটৰ দুয়োকাষে মুকলি পথাৰ। হঠাতে বৰকটকীৰ কথাত ৰস নিগৰিবলৈ ধৰিলে। অলপ পাছতে কথাতকৈ ৰসৰ পৰিমাণ বেছি হৈ গ'ল। ৰংঘৰৰ সমুখৰ নিজান বাটত আমাৰ আনন্দ আৰু জোনাক একাকাৰ হৈ গ'ল। এসময়ত ওচৰ চাপি অহা লোকালয়ৰ চাকি-বন্তিয়েহে যেন আমাক সোঁৱৰাই দিলে,— অ'ই, প্ৰফেছাৰ মানুহ, মনে মনে!

—খাকী হাফপেণ্ট এটা পিন্ধি হাতত বিচনী এখন লৈ উপেন ভূএগ্ৰাৰ খুৰায়েক ডিম্বেশ্বৰ ভূএগ্ৰা কেতিয়াবা আমাৰ ভাৰাঘৰৰ পদূলিত থিয় হয়হি। তেখেতৰ স্মৃতিশক্তিৰ প্ৰাবল্য মোৰ কাৰণে বৰ আকৰ্ষণীয় বস্তু আছিল। আমাৰ লগৰ সৰোজ দত্ত ১৯৪৮ চনৰ মেট্ৰিক পৰীক্ষাত সপ্তমেই হৈছিল নে অষ্টমেই হৈছিল; মই পাহৰিবলৈ আৰম্ভ কৰিছিলো, তেখেতে কিন্তু সঠিকভাৱে কৈ দিছিল,— অষ্টম। (উল্লেখযোগ্য,— তেখেতৰ পুত্ৰ মহেশ ভূএগ্ৰা আৰু যোগেশ ভূএগ্ৰাও বিস্ময়কৰভাৱে সেই গুণৰ অধিকাৰী। মহেশ ভূএগ্ৰাৰ কথা আগতে মই কৈ থৈছোঁ। যোগেশ ভূএগ্ৰাই ভাৰত চৰকাৰৰ লোকপিয়ল বিভাগৰ উচ্চপদস্থ বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰিছে।) প্ৰবাসত কেতিয়াবা একোঘৰ মানুহ আপোন হৈ পৰে। মহেশ ভূএগ্ৰাৰ লগত থকা সহৃদয়তা আৰু উপেন ভূএগ্ৰাৰ লগত থকা বন্ধুত্বৰ ফলতেই মহেশ ভূএগ্ৰাহঁতৰ ঘৰখন মোৰ আপোন হৈ পৰিছিল। তেখেতসকলৰ ভাই-ভনীসকলৰ এজনী— অকণমানিয়ে আজিৰ পৰা কেইবছৰমানৰ আগতে পুত্ৰ-কন্যা-স্বামীৰে পৰিপূৰ্ণ ঘৰ এখন এৰি থৈ আচম্বিতে এই পৃথিৱী ত্যাগ কৰিছিল। ঘটনাটো এতিয়াও মোৰ বাবে অবিশ্বাস্য হৈ আছে।

— আমাৰ ভাৰাঘৰৰ সমুখতে আমাৰ কলেজৰে ইকনমিকছৰ লেকচাৰাৰ প্ৰফুল্ল ভূএগ্ৰাৰ ঘৰ। ৰাতিপুৱা-গধূলি তেখেতৰ ঘৰৰ পিৰালিত, ওচৰৰ মুকলি ঠাইডোখৰত ভালেমান ছাইকেল থিয় কৰাই থোৱা থাকে। ছাত্ৰসকল আহে ভূএগ্ৰাৰ পৰা টিউছন ল'বলৈ। সেই দৃশ্যটো দেখিলেই মোৰ সদায় বহুদিনৰ আগতে দেখা এটা দৃশ্যলৈ মনত পৰিছিল। আমি হাইস্কুলত পঢ়ি থকা দিনত নগাঁৱৰ গাৰ্লছ হাইস্কুলৰ হে'ডমাষ্টৰ জোনাৰাম বৰা আছিল প্ৰসিদ্ধ, নিৰ্ভৰযোগ্য, শ্ৰদ্ধাভাজন প্ৰাইভেট টিউটৰ। তেখেতসকলৰ ঘৰৰ আগফালৰ এটা কোঠালিত, টিউছন ক্লাছ থকাৰ দিনা, সদায় সন্ধিয়াতে এটা মেন্থল লাইট জ্বলিছিল। ইলেকট্ৰিছিটি নথকা দিনত খিৰিকিৰে ওলাই অহা মেন্থল লাইটৰ পোহৰে বাটটোও ছেগা-চোৰোকাকৈ পোহৰাই ৰাখিছিল কাৰণে আন্ধাৰ ৰাতি বাটৰুৱাৰ সুবিধা

হৈছিল। বাটত ছেগা-চোৰোকা পোহৰ, ঘৰটোৰ আগফালে এসোপা ছাইকেল,— চল্লিছৰ দশকত প্ৰাইভেট টিউছনে সৃষ্টি কৰা তেনেকুৱা দৃশ্য দ্বিতীয় ঠাইত মই দেখা নাছিলো। জোনাৰাম বৰা ছাৰে অংক পঢ়াইছিল। নগাঁৱৰ প্ৰাইভেট টিউছন আৰু অংকৰ কথা ওলাওঁতে বেলেগ পদ্ধতিৰে টিউছন কৰা অইন এগৰাকী শিক্ষকৰ কথা মোৰ মনলৈ আহিছিল। কচলুখোৱাৰ দুৰ্গেশ্বৰ বৰা নামৰ সেই শিক্ষকগৰাকীয়ে অংক বিষয়টো বৰ ভাল পাইছিল আৰু তেখেতে টিউছন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ কৃতকাৰ্যতাৰ ক্ষেত্ৰত' তেখেতৰ কান্ধত বিশেষ দায়িত্ব উঠি আছে বুলি চিন্তা কৰিছিল। নানা ধৰণে চিন্তা কৰি মেট্ৰিক পৰীক্ষাত আহিব পৰা অংক এটা ধৰা পেলাব পাৰিলেই তেখেতে ছাইকেল মাৰি ছাত্ৰৰ ঘৰ ওলাইছিলগৈ, আৰু বাটতে যদি ছাত্ৰজনক লগ পাইছিল, তেনেহ'লে ছাইকেলৰ পৰা নামি জেপৰ পৰা কাগজ-কলম উলিয়াই লৈছিল। তেতিয়াৰ দিনত বহু লোকে ছাইকেলৰ চেইনত লাগি নষ্ট হয় বুলি সৰু-গাঁঠিৰ ওচৰত লংপেণ্টৰ্ত এবিধ ক্লিপ মাৰিছিল। তেনেকুৱা ক্লিপ মাৰি, চোলাৰ ওপৰ জেপত চাৰি ৰঙৰ চিয়াহীৰ চাৰিটা ফাউণ্টেন পে'ন লৈ, ৰাজহাড় পোন কৰি ছাইকেল চলাই ছাত্ৰক লগ ধৰি ফুৰা সেই শিক্ষকগৰাকী নগাঁও নগৰৰ এগৰাকী মন কৰিবলগীয়া মানুহ আছিল।

ক'ৰবাৰ পৰা কোনোবাখিনি পালোগৈ। আকৌ শিৱসাগৰ কলেজলৈ উভতি আহোঁ। — ইংৰাজীৰ অধ্যাপক বৈদ্যনাথন। প্ৰাণশক্তিৰে ভৰপূৰ। ক্ৰিকেটৰ প্ৰতি মানুহজনৰ বৰ আগ্ৰহ। বগা ছাৰ্ট, বগা পেণ্ট পিন্ধি, ছাত্ৰ-শিক্ষক যাকে গোটাব পাৰে তাৰে লগত কলেজৰ বাকৰিতে তেওঁ প্ৰবল উচ্ছ্বাসেৰে ক্ৰিকেট খেলে। প্ৰায় এক্কৈছ বছৰৰ মূৰত,— ১৯৭৮ চনত, — মাদ্ৰাজৰ ছেফায়াৰ ছিনেমা হলত ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ইণ্ডিয়ান পেনোৰামা শাখাৰ চলচ্চিত্ৰ 'সন্ধ্যাৰাগ' প্ৰদৰ্শন কৰিবলৈ লোৱা হৈছে। আধা-আন্ধাৰৰ মাজেদি মানুহ এজন মোৰ ওচৰলৈ আগুৱাই আহিল। তেওঁ সুধিলে, "মনত আছেনে? বৈদ্যনাথন.—শিৱসাগৰ কলেজত যে—?"

তেওঁ তেতিয়া দক্ষিণ ভাৰতৰ কোনোবা এখন নগৰত থাকে আৰু কেইবাখনো বাতৰি-কাকতৰ কাৰণে চলচ্চিত্ৰ, নাটক আদিৰ আলোচনামূলক প্ৰবন্ধ লিখে। কাষৰ চকীখনতে বহি লৈ, শ্ব' আৰম্ভ হোৱাৰ আগৰ সময়খিনিত তেওঁ সুধি গ'ল,— পৰাগ কেনে আছে? মিহিৰ বৰুৱা কেনে আছে? পতিত পাৱন দাস কেনে আছে? সেই যে এন ছি. ছিৰ অফিছাৰ,— কি নাম আছিল তেওঁৰ?—শশী দত্ত? — নহয়, নহয়, ইজন—। হিতেশ্বৰ বৰঠাকুৰ?— ইয়েছ। হাও ইজ হি?

পৰাগ চলিহা আৰু মুহিৰাম শইকীয়াক মাজে-মাজে লগ পাইছিলো, কিন্তু বাকীসকলৰ সঠিক খবৰ সেইদিনা মই বৈদ্যনাথনক দিব পৰা নাছিলো। মোৰ অৱস্থাও তেতিয়া বৈদ্যনাথনৰে নিচিনা। — কেনে আছে তেওঁলোক? আজিও জানিবৰ মন যায়,—

কেনে আছে তেওঁলোক? কেনে আছে তান্তিয়া বিজ্ঞান মন্দিৰ?

শিৱসাগৰৰ পৰা আহি কেইদিনমানৰ পাছতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফিজিক্স ডিপার্টমেণ্টৰ চাকৰিটোত সোমালো। কটন কলেজৰ সহপাঠী ভূপতি ডেকা তেতিয়া মেথেমেটিকছৰ লেকচাৰাৰ। জালুকবাৰীৰ ন নম্বৰ ঘৰটোৰ এফালত থাকে। মই তাক ক'লো, "তোৰ লগতে ময়ো থাকোঁ দে। মইতো নিজৰ'নামত ঘৰ এফাল নাপাম!" সি ক'লে, "থাক।" তাৰ লগতে থাকি চাকৰি কৰিবলৈ আৰম্ভ কৰিলো। কোনোমতে থান-থিত লাগিল বুলি ক'ব পৰা হোৱাৰ পাছত এদিন ভাবিলো,— মই যে চাকৰিটোত যোগ দিলোহি, সেই কথাটো জনাবলৈ এবাৰ ভাইছ-চেঞ্চেলাৰ ড. ভূঞা ছাৰক লগ ধৰা ভাল। এইটো সৌজন্যমূলক কাম। গ'লো। তেখেতৰ অফিছ্-কোঠালিত সোমাই নমস্কাৰ জনাই ক'লো, "মই জইন কৰিলো ছাৰ।" তেখেতে এবাৰ মূৰ তুলি মোৰ ফালে চাইছিল; এতিয়া তলমূৰ কৰি লিখিবলৈ আৰম্ভ কৰি ক'লে, "হ'ব যোৱা।" মই লগে-লগে বুজিলো,— তেখেতে মোক বেয়া পাইছে; আৰু বেয়া পোৱাৰ কাৰণ,— মই নিশ্চয় চাকৰিত যোগ দিয়েই তেখেতক দেখা কৰিব লাগিছিল। গতিকে নম্ৰ সুৰেৰে ক'লো, "মই ছাৰ আপোনাক আগতেই দেখা কৰিব লাগিছিল, কিন্তু—।" মোৰ কৈফিয়তলৈ বাট নাচাই তেখেতে তলমূৰকৈ লিখি-লিখিয়েই ক'লে, "হ'ব যোৱা।" মই কিবা এটা ক'ব খুজিছিলো;— শব্দটোৰ আৰম্ভণিটো মুখৰ পৰা ওলোৱাৰ লগে-লগে তেখেতে মূৰ তুলি, মোৰ চকুলৈ চাই ক'লে, "হ'ব যোৱা।" সেইবাৰ কোঠালিটোৰ পৰা ওলাই অহাৰ বাহিৰে মোৰ উপায় নাছিল। পাছত মোৰ ভাব হৈছিল,— মই বোধকৰোঁ তেখেতক ঘৰত লগ ধৰিব লাগিছিল। ইয়াৰ আগতে যিকেইদিন মোৰ তেখেতৰ লগত দেখা হৈছিল, তেখেতৰ ঘৰতে হৈছিল। আমাৰ মাজৰ সম্পৰ্কটো অফিছিয়েল ধৰণৰ নাছিল। অলপ-অচৰপ লিখা-মেলা কৰিবলৈ লৈছোঁ আৰু তেখেতৰ সৰু পুতেক বিজয় ভূঞাৰ (ভাইটিৰ) মই বন্ধু,— এই দুটা কাৰণত তেখেতৰ লগত সম্পৰ্কটো যেনেকুৱা হ'ব লাগে, তেনেকুৱাই আছিল। আৰু ভাইটিৰ লগত সম্পৰ্কটো কিমান দিনৰ? সেই দ্বিতীয় মহাযুদ্ধৰ দিনৰ। ৰিণিকি-ৰিণিকি এটা অনুষ্ঠানৰ কথা মনত পৰে। বায়েক কমলী ভূঞাই চোলা-চুৰিয়া পিন্ধি, মূৰত পাগুৰি মাৰি, ক'লা ৰঙেৰে গোঁফ আঁকি লৈ দেউতাক হৈছে, ভাইটি পুতেক হৈছে। দুয়ো মঞ্চত ঘূৰি ফুৰিছে। আগে-আগে দেউতাক, পিছে-পিছে পুতেক। পুতেকে গায়,— "আজিও থিয়েটাৰ চাম দেউতা, আজিও থিয়েটাৰ চাম।" বাপেকে হাত-মূৰ জোকাৰি গায়,— "পইচাৰ বৰ টান, পইচাৰ

নলবি নাম, পইচা বিনে নহয় সকাম।"— পুতেকে লগে-লগে ৰিপিট কৰে— "আজি থিয়েটাৰ চাম।"— তাৰ কিছুদিনৰ পাছতে ভাইটি আমাৰ লগৰীয়া হৈছিল।

চাওঁতে-চাওঁতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাকৰিটোত প্ৰায় এবছৰেই পাৰ হ'ল। পঢ়া-শুনা-গৱেষণা কৰিবলৈ ক'লৈ যাব লাগিব, কেতিয়া যাব লাগিব, সেই খবৰবোৰ চৰকাৰৰ পৰা আহিব। মাজে-মাজে খবৰ পাওঁ,— অসম চৰকাৰে সেই বিষয়ে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি আছে। গতিকে মই বাট চাই থাকিলো; চাকৰিৰ লগতে কিছু পঢ়া-শুনা কৰিলো, আৰু অভ্যাসবশতঃ নাচ-গান থিয়েটাৰৰ লগতো অলপ-অচৰপ সম্পৰ্ক ৰাখিলো। সেইছোৱা সময়তে জালুকবাৰীত নিখিল ভাৰত কংগ্ৰেছৰ অধিবেশন বহিছিল। গাড়ীয়ে-গাড়ীয়ে বাঁহ পৰাৰ পৰা ভাৰতৰ মূধাফুটা কংগ্ৰেছী নেতাসকলৰ গমনাগমন, জনসমুদ্ৰৰ সৃষ্টি আৰু এদিন গোটেই অঞ্চলটো মৰিশালিহেন হৈ পৰালৈকে,— এই সমগ্ৰ ঘটনাৱলী নিচেই কাষৰ পৰা,— কিছু পৰিমাণে মাজৰ পৰাও চোৱাৰ সুবিধা পাইছিলো। সেই গোটেই ঘটনাবোৰৰ সাক্ষী হিচাপে বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ গেষ্ট হাউছটোৰ অলপ দূৰতে পথাৰৰ মাজত এটা পকী স্তম্ভ বহুদিনলৈ থিয় হৈ আছিল। স্তম্ভটোৰ ওপৰত এটুকুৰা লোহাৰ ৰড গুলাই আছিল। সেই ৰডটুকুৰা মহাত্মা গান্ধীৰ অস্থায়ী মূৰ্তি এটাৰ অৱলম্বন আছিল।

এদিন খবৰ আহিল, লণ্ডন বিশ্ববিদ্যালয়ৰ অধীনৰ ইম্পিৰিয়েল কলেজ অৱ ছায়ন্স এণ্ড টেকন'লজিত মোৰ কাৰণে ঠাই ঠিক কৰা হৈছে। অক্টোবৰ মাহৰ (১৯৫৮ চনৰ) এক তাৰিখে তাত উপস্থিত হ'বগৈ লাগে। হাতত সময় কম। লৰা-ঢপৰা লাগিল। প্ৰথম প্ৰথম নগাঁৱলৈ গৈ পাছপ'ৰ্টৰ কাৰণে দৰখাস্তৰ ব্যৱস্থা কৰিলো। সময়ৰ টনাটনিৰ কথাটো বুজাই দিয়াত পুলিছৰ লোকে তেখেতসকলৰ ৰিপ'ৰ্টখন সোনকালে লিখি দিলে; কেৱল সেইযে কৈছিলো,— এসময়ত এওঁ কমিউনিষ্ট পাৰ্টি অৱ ইণ্ডিয়াৰ প্ৰাইভেট প'ষ্টবক্স আছিল,— সেই বাক্যটো লিখি দিলে।

তাৰ পাছত ধৰিলো টকাৰ সমস্যাটোত। চৰকাৰে অহা-যোৱা, বিদেশত থকা-খোৱা, পঢ়াৰ খৰচ আদি দিব; সেইবোৰ যথা সময়ত পাম, কিন্তু মোৰতো নিজৰো আয়োজন এটা লাগিল! কাপোৰ-কানি, ইটো-সিটো! অন্ততঃ এহেজাৰমান টকা! প্ৰায় দুবছৰ চাকৰি কৰি যি বচাব পাৰিলো, তাৰে ফৌজদাৰীপটিৰ ঘৰখনক যিমান পাৰো সহায় কৰিলো। সকলোৱে মিলি ঘৰটো কোনোমতে নৱৌ এজনী সোমাব পৰা কৰিবলৈ চেষ্টা কৰিলো। তাৰ পাছত এদিন নৃপেন ককাইদেউৰ বিয়া পতা হ'ল। মনত পৰে,— গুৱাহাটীৰ কাষে ডিলাস্থত বহি মই বিয়াখনৰ কাৰণে প্ৰয়োজনীয় পাটৰ-মুগাৰ কাপোৰৰ পৰামৰ্শ লৈছিলো ড. ৰেণু দেৱীৰ পৰা (পাছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ এডুকেশ্যন

ডিপাৰ্টমেণ্টৰ অধ্যাপিকা।) প্ৰয়োজনৰ সময়ত আকৌ সেই 'পুথিঘৰ'ৰ মালিক কমল চন্দ্ৰ বড়া উপস্থিত হৈছিলহি। তেখেতে গহনাখিনি গঢ়োৱাৰ কামত ধনেৰে সহায় কৰিছিল।

মুঠতে মোৰ হাতত গোট খাই থকা পইচা একেবাৰে নাছিল। ঠিক কৰিলো, অসম চৰকাৰকে খোজোঁ। এদিন শ্বিলং ওলালোগৈ। দেৱকান্ত বৰুৱা তেতিয়া অসম বিধান সভাৰ স্পিকাৰ। তেখেতক মই হাইস্কুলত পঢ়ি থাকোঁতেই মোক্তাব স্কুলত বহা এখন সভাত বক্তৃতা দিয়া দেখিছিলো; তাৰ পাছত আৰু তেখেতৰ মুখামুখি হোৱা মনত নপৰে। কিন্তু লোকৰ মুখে শুনিছিলো,— তেখেতে মোৰ বিষয়ে বোলে কিছু কথা জানে। পুৱাবেলা আঠমান বজাতে তেখেতক তেখেতৰ চৰকাৰী ঘৰত্তে লগ ধৰিলো। ক'লো,— মোক যোৱাৰ আয়োজনৰ কাৰণে এহেজাৰ টকা লাগে। ধাৰলৈ দিলেও হ'ব, উভতি আহি ঘূৰাই দিমহি। তেখেতে কাৰোবাক মাতি ভিতৰলৈ খবৰ পঠালে। ভিতৰৰ পৰা ওলাই আহিল প্ৰিয় বৰুৱা। সেই যে কটন কলেজৰ হোষ্টেলৰ সমুখত ৰেস্তোঁৰা এখন খুলিছিল, সেই প্ৰিয় ককাইদেউ। বুজিলো,— তেখেত এতিয়া স্পিকাৰৰ প্ৰাইভেট ছেক্ৰেটেৰি। বৰুৱা ডাঙৰীয়াই কিবা ক'লে, প্ৰিয় ককাইদেৱে লিখি ল'লে। পাঁচ মিনিটমানৰ পাছতে প্ৰিয় ককাইদেৱে টাইপ কৰা চিঠি এখন বৰুৱা ডাঙৰীয়াৰ সমুখত থলেহি। বৰুৱা ডাঙৰীয়াই চিঠিখনৰ তলত চহী কৰি ক'লে,— এইখন ফকৰুদ্দিন চাহাবক দিবাগৈ। প্ৰিয় ককাইদেৱে লেফাফাও সাজু কৰি আনিছিল। ইমান ততাতৈয়াকৈ মোক সহায় কৰা কাৰণে দুয়োকে অন্তৰেৰে ধন্যবাদ জনাই চিঠিখন লৈ গুচি আহিলো।

শ্বিলঙত আছিলোগৈ মোৰ ঘনিষ্ঠ বন্ধু নিত্যা ভূঞাৰ লগত। তেওঁ তেতিয়া এটা মেছত আছিল আৰু মই তেওঁৰ বিছনাখনৰে এফাল অধিকাৰ কৰিছিলো। তেওঁ কাম কৰিছিল ছেক্ৰেটেৰিয়েটৰ ৰিছেপশ্যন কোঠালিত,— এছিষ্টেণ্ট ৰিছেপশ্যনিষ্ট হিচাপে। ৰিছেপশ্যনিষ্ট আছিল ধীৰেন শৰ্মা। এওঁলোকৰ সহায়ত সেইদিনাই দুপৰীয়া ফকৰুদ্দিন আলি আহমদ ডাঙৰীয়াক তেখেতৰ অফিছ-কোঠালিত দেখা কৰিলো। তেখেত তেতিয়া অসমৰ বিত্তমন্ত্ৰী। দেৱকান্ত বৰুৱাই লিখা চিঠিখন পঢ়ি উঠি তেখেতে মোক সুধিলে, "দৰখাস্ত লায়া?"

মই "আনিছোঁ" বুলি দৰখাস্তখন আগুৱাই দিলো। তেখেতে দৰখাস্তখনৰ কাষত কিবা লিখিবলৈ ল'লে আৰু মোক পাছত 'দফতৰ'ত খবৰ কৰিবলৈ ক'লে। আলি আহমদ ডাঙৰীয়াৰ মুখৰ সেই প্ৰথম শব্দ দুটায়েই মোৰ মনত থাকি গ'ল : দৰখাস্ত লায়া?

শ্বিলঙৰ পৰা উভতি আহোঁতে ভাবি আহিলো,— স্বয়ং দেৱকান্ত বৰুৱা ডাঙৰীয়াই লিখা চিঠি পঢ়ি ফকৰুদ্দিন আলি আহমদ ডাঙৰীয়াই মোৰ দৰখাস্তৰ কাষত টোকা লিখি দিলে যেতিয়া, সেই এহেজাৰ টকা পোৱাৰ বেলিকা মোৰ আৰু কোনো চিন্তা নাই।

নিত্যা ভূঞাক খবৰ কৰি থাকিবলৈ কৈ আহিছোঁ; তেওঁ খবৰ কৰি থাকিব; আৰু এদিন মই পইচাখিনি লৈ যামহি। কিন্তু কথাবোৰ সিমান সহজ নহ'ল। কিছুদিনৰ পাছত আকৌ এবাৰ শ্বিলঙলৈ গৈ গম পালো,— টকা এহেজাৰৰ বিপৰীতে মই বন্ধক হিচাপে কি আগ বঢ়াম, বিত্তমন্ত্রীৰ দফতৰত সেই বিষয়ে প্রশ্ন উত্থাপিত হৈছে, আৰু তাৰ পাছত মোৰ দৰখাস্ত কাগজৰ দ'মত সোমাইছে। নিত্যা ভূঞাৰ লগ লাগি দ'মৰ মাজৰ পৰা দৰখাস্তখন উলিয়ালো, আৰু মোৰ যে বন্ধকত থবলৈ একো নাই, মোক টকা এহেজাৰ ধাৰলৈ দিয়া কামটো যে চৰকাৰে মোক সহায় কৰা কাম হিচাপেহে কৰাটো বিচাৰিছোঁ, সেইখিনি কথাকে আৰু এখন দৰখাস্ত ৰূপত লিখি সেইখন দফতৰত দি গুচি আহিলোঁ।

এইখিনিতে মনলৈ অহা দুটা কথা কৈ থওঁ। প্রথম কথাটো হ'ল,— আমি আমাৰ ছাত্র জীৱন আৰু পাছৰ কর্মজীৱনৰো বহু দিন ফকৰুদ্দিন আলি আহমদ ডাঙৰীয়াৰ নামটোৰ প্রথম অংশটো ফকৰুদ্দিন বুলিয়েই উচ্চাৰণ কৰিছিলো। সেইকাৰণে, তাহানিৰ কথা লিখোঁতে ফকৰুদ্দিন বুলিয়েই লিখিছোঁ। কেতিয়াৰ পৰা নামটো ফকৰুদ্দিনৰ সলনি ফখৰুদ্দিন হিচাপে প্রচলিত হ'বলৈ ধৰিলে,— সঠিককৈ মনত নাই। ফখৰুদ্দিন নামটোৱেই যদি শুদ্ধ, তেনেহ'লে কাৰ ত্রুটিৰ ফলত আমি ইমান দিনে ভুল কৰি থাকিলো, সেইটোও নাজানো।

দ্বিতীয় কথাটোৰ বিষয়বস্তুটো হ'ল,— শ্বিলঙৰ সেই প্রধান ছেক্রেটেৰিয়েট ভৱনটোৰ 'ৰিছেপশ্যন' কোঠালিটো। শ্বিলঙৰ লগত মোৰ সম্পর্ক ক্ষীণ। যিকেইদিন তালৈ গৈছোঁ, সেই দিনকেইটাৰ দিনৰ ভাগটোৰ আজৰি সময়খিনি ছেক্রেটেৰিয়েট অঞ্চলৰ অফিছবোৰত কাম কৰা ঘনিষ্ঠ বন্ধু-বান্ধৱসকলৰ কোঠালিয়ে-কোঠালিয়ে ঘূৰি ফুৰিছিলো আৰু বেছিভাগ সময় সেই ৰিছেপশ্যন কোঠালিটোতে কটাইছিলো। ধীৰেন শর্মা আৰু নিত্যা ভূঞাই চাকৰি কৰিছিল, মই এচুকৰ চকী এখনত কাকো আমনি নকৰাকৈ মনে-মনে বহি কোঠালিটোৰ ভিতৰৰ কাণ্ড-কাৰখানাবোৰ চাই আছিলো। মোৰ হিচাপত এই পৃথিৱীৰ মাটি, পানী, আকাশৰ প্রতি ইঞ্চি ঠাইৰে কিবা নহয় কিবা এক বৈচিত্র্য আছেই; কেতিয়া কোনে কোনকণ ঠাইৰ কি বৈচিত্র্য উদ্ধাৰ কৰে তাৰ কোনো ঠিকনা নাই। কিন্তু ধীৰেন শর্মা আৰু নিত্যা ভূঞাৰ আমোলৰ সেই ৰিছেপশ্যন কোঠালিটোৰ যি বৈচিত্র্য কেইদিনমানৰ ভিতৰতে মোৰ চকুত পৰিছিল, তালৈ চাই মই ভাবোঁ,— মোতকৈ বেছিকৈ দেখা কোনোবাই সেই কোঠালিটোৰ জীৱন আৰু ইতিহাস লিপিবদ্ধ কৰি ৰখা হ'লে ভাল আছিল। সেই লেখাখিনিয়ে অসম আৰু শ্বিলঙৰ সম্পর্কৰ যি ইতিহাস, সেই ইতিহাসৰ কেইটামান বাৰেবৰণীয়া ছবি থকা পৃষ্ঠাৰ যোগান ধৰাৰ সম্ভাৱনা আছিল। দহ-বাৰ ফুটীয়া কোঠালিটোত কেতিয়াবা এঘণ্টামানৰ ভিতৰতে যেন দুখ-দুর্দশা, অপায়-অমংগলৰ মাজত ডুব গৈ থকা সমগ্র অসমখনে আত্মপ্রকাশ কৰে; কেতিয়াবা যেন

গোটেই দিনটো ৰাজ্যখনৰ ৰাইজৰ আচল প্ৰতিনিধিৰে কোঠালিটো ঠাহ খাই থাকে। কেতিয়াবা এজন লোক কোঠালিটোত সোমোৱাৰ লগে-লগে শৰ্মা-ভূএগ্ৰাই চকীৰ পৰা উঠাৰ আভাস দি সসম্ভ্ৰমে তেখেতক অভ্যৰ্থনা জনায় আৰু প্ৰয়োজনীয় কথা আৰু কামেৰে সহায় কৰে;— কেতিয়াবা এজন লোকে শৰ্মা-ভূএগ্ৰাকে অসমৰ হৰ্তা-কৰ্তা -বিধাতা বুলি বুকুত থুঁতৰি লগাই প্ৰণাম জনায়; তেখেত আজি কিয় শ্বিলঙলৈ আহিবলগীয়া হ'ল সেই কথা আদ্যোপান্ত বিৱৰি কয়, আৰু তেখেতৰ মনোবাঞ্ছা পূৰ্ণ কৰিবলৈ শৰ্মা-ভূএগ্ৰাক মিনতি কৰে। যিগৰাকী মন্ত্ৰীক দেখা কৰিবলৈ তেখেত কালি আবেলি শ্বিলং পাইছেহি, সেই মন্ত্ৰীগৰাকী হয়তো আজি পুৱা ভৈয়ামলৈ নামি গৈছে;— ঘূৰি-পকি সাদিনমানৰ মূৰতহে আকৌ তেখেতৰ অফিছ্-কোঠালিত বহিবহি। সেইটো কথা শুনাৰ পাছত মানুহজনে শৰ্মাক কৰযোৰে অনুৰোধ কৰিলে,— “আপুনিয়েই কিবা এটা কৰক ছাৰ!”

এদিন মন্ত্ৰী এগৰাকীক লগ পাবলৈ অহা অইন এজন লোকৰ সন্দেহ হ'ল,— তেখেতক লগ পাবলৈ মন্ত্ৰীগৰাকী সাজু হৈ আছে, শৰ্মাইহে তেখেতক প্ৰবেশপত্ৰখন নিদি বাধাৰ সৃষ্টি কৰিছে। শৰ্মাই তেখেতক বুজালে,— “মন্ত্ৰীগৰাকী এখন মিটিঙত আছে; তেখেতৰ প্ৰাইভেট ছেক্ৰেটেৰিয়ে মোক কৈছে, আজি অফিছত তেখেতৰ কাকো লগ পোৱাৰ উপায় নাই। গতিকে আজি আপুনি--।” — মিছা। মানুহজনৰ মতে এইবোৰ মিছা কথা। তেখেত আহিছে বুলি গম পালে মন্ত্ৰীগৰাকীয়ে দহোবন কাতি কৰি থৈ তেওঁক মাতি পঠাবই। গতিকে তেখেতে নিজে এবাৰ টেলিফোনত পোনে-পোনে মন্ত্ৰীগৰাকীৰ লগত কথা পাতি চাব খোজে। শৰ্মাই বুজালে,— এতিয়া সেইটো কামো কোনোমতে সম্ভৱ নহয়। মানুহজনো আঁকোৰগোজ । তেখেতে ফোনত মন্ত্ৰীগৰাকীৰ লগত কথা পাতিবই। এসময়ত শৰ্মাই চুকত থকা অইন এটা ফোনলৈ আঙুলিয়াই ক'লে,—“কৰক তেনেহ'লে ফোন।” মানুহজনে ফোনটো দাঙি কথা কোৱা ফালটো কাণত লগাই ৰৈ থাকিল। মই অস্ফুট মাতেৰে শৰ্মাক ক'লো,—“এঃ! কিয় মানুহজনক এনেকৈ শাস্তি দিছে?” শৰ্মাই ক'লে,—“আপুনি দেখা নাইনে ইমানকৈ বুজাই কোৱাৰ পাছতো কেনেকৈ অঁকৰা লগাদি লাগি আছে? থাকক দিয়ক; তেনেকৈয়ে ফোন কৰি থাকক!”

বিচিত্ৰ আছিল কোঠালিটোৰ ইতিহাস। উল্লেখযোগ্য কথা,— অন্ততঃ মোৰ চকুত,— সেই বৈচিত্ৰ্যত অশোভনীয় উগ্ৰতা নাছিল; সি কাৰুণ্য, সৰলতা, অসহায়তা, উত্তেজনা, আনন্দ আদিৰ আৱৰণেৰে ঢাক খোৱা আছিল। মানুহৰ সৌজন্যবোধ, চৰকাৰ নামৰ প্ৰতিষ্ঠানটোৰ প্ৰতি থকা ন্যূনতম শ্ৰদ্ধা আদিৰ বাবেই তেনে এটা অৱস্থা সম্ভৱপৰ হৈছিল। শ্বিলঙৰ সেই এটা কোঠালি বেছিকৈ দেখিছিলো কাৰণে মই সেইটোৰ কথাকে

কৈছোঁ; কিন্তু মোৰ ধাৰণা,— অকল সেইটো কোঠালিৰেই নহয়, অসম আৰু শ্বিলঙৰ গভীৰ সম্পৰ্ক সূচোৱা বহুতো কোঠালিৰ ৰঙীন ইতিহাস নিলিখা হৈ থাকি গ'ল।

টকা এহেজাৰৰ কাৰণে দ্বিতীয়বাৰ শ্বিলঙলৈ যোৱাৰ পাছত মই উপলব্ধি কৰিলো,— সময় কমি আহিছে; মই টকাখিনিৰ কাৰণে চৰকাৰৰ ওপৰত ভাৰসা কৰি থকা উচিত নহ'ব। তদুপৰি, প্ৰথমতে মই যে এহেজাৰ টকাৰেই লণ্ডনলৈ যোৱাৰ আয়োজন সম্পূৰ্ণ কৰিব পাৰিম বুলি হিচাপ কৰিছিলো, সেই হিচাপ ভুল আছিল। দিনে-দিনে মোৰ যিমানবোৰ পাৰ্থিৱ বস্তু নাই বুলি অনুভৱ কৰি আহিছিলো, তালৈ চাই মই হিচাপ কৰি পালো,— মোক আৰু এহেজাৰমান টকা লাগিবই। গতিকে ভৈয়ামতে কেনেকৈ পইচাখিনি যোগাৰ কৰিব পাৰোঁ, সেই চিন্তা-ভাবনা কৰিবলৈ ল'লো। তেনেতে এদিন গুৱাহাটীত যুগল দাস ছাৰক লগ পালো। কথা প্ৰসংগত মোৰ পইচাৰ সমস্যাটোৰ কথা ওলাল। তেখেতে ক'লে,— "মই এখন চিঠি লিখি দিম, সেইখন লৈ তুমি চন্দ্ৰ ফুকনক লগ ধৰিবা।"

চন্দ্ৰ ফুকন তেতিয়া কুঠৰীত আছে বুলি গম পালো। এদিন ওলালোগৈ কুঠৰী। ফুকন ককাইদেউৰ পৰা বুজিলো,— চিঠিখনত যুগল দাস ছাৰে মোক এহেজাৰ টকা দিবলৈ ফুকন ককাইদেউক অনুৰোধ কৰিছে। ফুকন ককাইদেৱে মোক এটা দিন দি সেই দিনত তেখেতক লগ ধৰিবলৈ ক'লে। মই সেইমতে আকৌ গ'লো। সেইবাৰ তেখেতে মোক এহেজাৰ টকা দিলে। (টকাখিনি ফুকন ককাইদেউৰ নে যুগল দাস ছাৰৰ, সেই কথা মই সঠিকভাৱে নাজানিছিলো। বিদেশৰ পৰা আহি গুৱাহাটীত থাকোঁতে যুগল দাস ছাৰক দুটা কিস্তিত টকাখিনি ওভোতাই দিছিলো।) টকাখিনি পোৱাৰ ফলত নিঃসন্দেহে মোৰ তৎক্ষণাৎ কিছু বৈষয়িক লাভ হ'ল; কিন্তু লগতে আৰু এটা ডাঙৰ লাভ হ'লঃ মই ফুকন ককাইদেউক দুদিন,— প্ৰতিদিনেই বহু সময়ৰ কাৰণে,—অকলশৰীয়াকৈ লগ পালো। তাৰ আগলৈকে— মঞ্চত পিয়লি ফুকন আৰু দৰ্শকৰ মাজত মই,— ফুকন ককাইদেউৰ লগত মোৰ সম্পৰ্কটো প্ৰায় তেনেকুৱাই আছিল; গতিকে এই দুদিন মাজত মেজ এখন লৈ তেখেতৰ মুখামুখি হ'বলৈ পোৱাটো মোৰ কাৰণে লাভ আৰু আনন্দৰ কথা হ'ল। সেইছোৱা কালত তেখেতে মাহটোৰ বেছি দিন নগাঁও নগৰৰ আমোলাপটিৰ ঘৰৰ সলনি কুঠৰীৰ ঘৰত থাকিবলৈ লৈছিল। কুঠৰীৰ আহল-বহল মাটি এডৰাত তেখেতে আনাৰসৰ খেতি কৰাই, সেই আনাৰসেৰে স্কোৱাছ্ আদি তৈয়াৰ কৰাৰ কাৰখানা এটা পাতিছিল। সহায় কৰিবলৈ তেখেতৰ লগত আছিল চিত্ৰ আৰু মঞ্চশিল্পী ব্ৰজ ফুকন। মই যেতিয়া তেখেতক লগ পাবলৈ যাওঁ, তেতিয়া তেখেতৰ ব্যৱসায়টোৰ আবেলি আৰম্ভ হৈছে। এইবোৰ বৈষয়িক কথাৰ ওপৰত মই এতিয়া গুৰুত্ব দিব খোজা

নাই। কিন্তু সেই দুটা দিনৰ কথা মনত পেলালে মোৰ চকুৰ আগলৈ আহে কুঠৰীৰ ঘৰটোৰ পৰিৱেশটো আৰু মোক স্পৰ্শ কৰা দুটামান মোহনীয় বৈশিষ্ট্যৰে চন্দ্ৰ ফুকন মানুহজন। চৰকাৰী ৰাস্তাৰ পৰা কিছু দূৰত শকত-শকত কাঠৰ খুঁটাৰে খেৰী ঘৰটো। মূল ঘৰটোৰ আগফালে চ'ৰাঘৰৰ নিচিনা এখন মুকলি বাৰাণ্ডা। (ঘৰবোৰৰ এনেকুৱা অংশক আমি সাধাৰণতে, ভুলে-শুদ্ধই, পৰ্টিক' বুলি কওঁ।) সেই বাৰাণ্ডাৰ মাজতে এখন বৰ ডাঙৰ উপবৃত্তাকাৰ মেজ। মেল-মিটিঙৰ ঠাইৰ কথা বেলেগ, কিন্তু মানুহৰ থকা-ঘৰত ইমান ডাঙৰ মেজ তেতিয়ালৈকে মোৰ চকুত পৰা নাছিল। মেজখনৰ চাৰিওকাষে কেইখনমান গধুৰ-গধুৰ চকী। তাৰে এখনত বহি মই দুয়োদিনেই ফুকন ককাইদেউ ওলাই অহালৈ অপেক্ষা কৰিছিলো। দূৰৰ বাটেদি এখন মটৰগাড়ী পাৰ হৈ গ'ল, ক্লান্ত গতিৰে মানুহ এজনে ছাইকেল মাৰি গুচি গ'ল, ক'ৰবাত দুই-এটা চৰায়ে মাতিলে;— তাৰ বাহিৰে যেন সকলো নিশ্চল, নিস্তব্ধ। সেই নিশ্চলতা-নিস্তব্ধতাই যেন বাৰাণ্ডাখনৰ খুঁটাকেইটা, মেজখনৰ আকৃতি আৰু মোৰ নিঃসংগতাক এক অনিৰ্বচনীয় গাম্ভীৰ্য প্ৰদান কৰিছিল। লগে-লগে ফুকন ককাইদেউৰ একাকিত্বৰ কথাও মনলৈ আহিছিল। সেই আমোলাপটিৰ নাট্যমন্দিৰ, ছিৰাজউদ্দৌলা, পিয়লি ফুকন, শোণিতকুঁৱৰী, বিপ্লৱীৰ জগতখন এৰি থৈ মানুহজনে যে কুঠৰীৰ এই নিৰ্জনতাৰ মাজত দিন কটাবলৈ আহে, সেই কথাটোৱে মোক বিস্মিত কৰিছিল। এসময়ত যেতিয়া নিমাওমাও ঘৰটোৰ পৰা মানুহজন ওলাই আহি মোৰ মুখামুখিকৈ মেজখনৰ সিফালৰ চকীখনত বহিছিলহি, তেতিয়া এক মুহূৰ্তৰ কাৰণে মোৰ মানুহজনক স্বনিৰ্বাসিত ৰাজন্য যেন লাগিছিল। তাৰ পাছত, মানুহজনৰ চেহেৰা, গাৰ ৰং. কণ্ঠস্বৰ, কথনভংগী,— সকলোৱে মিলি এক মোহময় ৰাজসিক নাটকীয়তাৰ সৃষ্টি কৰিছিল। নগাঁৱলৈ উভতি যোৱাৰ বাছ দুঘণ্টামানৰ আগতে নাহে। সেইকাৰণে দুয়োদিনেই মই ফুকন ককাইদেউৰ লগত দীঘলীয়া কথা পতাৰ সুবিধা পাইছিলো। মই বিশেষভাৱে মন কৰিছিলো,— বাছৰ সময় নোহোৱালৈকে মোক 'ৰখি থাকিবলগীয়া' হোৱাৰ কাৰণে তেখেতে আমনি পোৱা নাছিল। বেছিভাগ সময় কথা তেখেতেই কৈ আছিল, আৰু কথা কৈ তেখেতে ভাল পাইছিল।

ফুকন ককাইদেউৰ সেই চাৰি ঘণ্টামানৰ কথা শুনাৰ আগলৈকে,— মোৰ বিচাৰ-বুদ্ধি মতে,— নগাঁও নগৰৰ ফৌজদাৰীপটিৰ গায়ক দুৰ্গাপ্ৰসাদ ভূঞাক মই এগৰাকী বৰ ভাল সদালাপী ব্যক্তি (conversationalist) বুলি মান্য কৰিছিলো। সদালাপী শব্দটোৱে মই বুজাব খোজা গুণটো ঠিককৈ বুজাব পৰা নাই যেন লাগিছে। মই বুজাব খুজিছোঁ,— দুৰ্গা ভূঞা ককাইদেৱে কথা কৈ গ'লে আমি শুনি বৰ আনন্দ পাইছিলো। সময় কেনি পাৰ হৈছিল আমি তাৰ খবৰ নাৰাখিছিলো। বিষয়বস্তু যিয়েই নহওক, তেখেতৰ শব্দ, বাক্য, প্ৰকাশভংগী, কথা কোৱাৰ সুৰ আৰু কথাৰ লগত সাঙোৰ খাই

পৰা অভিনয়ে এক দুষ্প্ৰাপ্য ৰসৰ সৃষ্টি কৰিছিল। কিন্তু চন্দ্ৰ ফুকন ককাইদেউৰ কথা শুনাৰ পাছত মই এগৰাকী বেলেগ পৰ্যায়ৰ সদালাপী ব্যক্তি আৱিষ্কাৰ কৰিলো বুলি ভাবিছিলো। আজিও বিশ্বাস কৰোঁ,— ফুকন ককাইদেউ মই আজিলৈকে লগ পোৱা শ্ৰেষ্ঠ সদালাপী ব্যক্তিসকলৰ মাজৰ এজন আছিল। গম্ভীৰ, পৰিষ্কাৰ মাতটোৰে, কোনো ধৰণৰ নাটকীয়তাৰ প্ৰকাশ নঘটোৱাকৈ, এটাৰ পাছত এটাকৈ বিষয়বস্তু নিৰ্বাচন কৰি তেখেতে ধীৰ-সুস্থিৰে এনেকৈ কথাবোৰ কৈ গৈছিল যে সেয়া শুনিবলৈ পোৱাটো মোৰ কাৰণে বৰ আনন্দৰ কথা হৈছিল। তেখেতৰ মন্তব্য, সিদ্ধান্ত আদি শুদ্ধ নে অশুদ্ধ আছিল, সেইটো মই বিচাৰ কৰিবলৈ লোৱা নাছিলো; কিন্তু তেখেতৰ কথাৰ লগত বুদ্ধিমত্তা আৰু ৰসৰ যি সাবলীল মিশ্ৰণ ঘটিছিল, সি মোক অভিভূত কৰিছিল। উদাহৰণ ঃ এটা বিষয় সম্পৰ্কে বক্তব্য-মন্তব্য আদি প্ৰকাশ কৰাৰ পাছত এক মুহূৰ্ত মনে-মনে থাকি হঠাতে তেখেতে ক'লে, "বুইছা ভবেন, জৱাহৰলাল নেহৰুৰ ভুল হ'ল— তেওঁ গোটেই পৃথিৱীখনকে ভাৰত বুলি ভাবিলে, আৰু আমাৰ মতি বৰাৰ ভুল হ'ল— তেখেতে নগাঁওখনকে অসম বুলি ভাবিলে।" (নগাঁৱৰ মতিৰাম বৰা স্বাধীনোত্তৰ অসমৰ এগৰাকী বিচক্ষণ ৰাজনৈতিক নেতা আৰু প্ৰভাৱশালী মন্ত্ৰী আছিল।) তাৰ পাছত অইন এটা বিষয়ে কৈ থাকোঁতে মানুহৰ চকুৰ কথা ওলাল। সেই প্ৰসংগত তেখেতে হঠাতে সুৰ সলনি কৰি ক'লে,— "মই এক শ্ৰেণী মানুহ দেখিছোঁ,— সিহঁতৰ চকুৰ expression-অৰ কোনো variation নাই বুইছা? চৰাই এটা গুলীয়াবৰ সময়ত সিহঁতৰ চকুত যি expression, প্ৰেমিকাক প্ৰেম নিবেদন কৰাৰ সময়তো সেই একেই expression!"

ফুকন ককাইদেউৰ গুৰুগম্ভীৰ, তত্ত্বগধুৰ কথা আৰু চিন্তাৰ দিশটোলৈ মই যোৱা নাই, কিন্তু উচ্চ পৰ্যায়ৰ conversationalist হিচাপে তেখেতে যে মোক বৰ কম সময়ৰ ভিতৰতে প্ৰত্যক্ষভাৱে স্পৰ্শ কৰিছিল, সেই কথাটোহে কৈছোঁ। মোৰ ধাৰণা,— কৌতুকৰসবোধসম্পন্ন আৰু বুদ্ধিমান মানুহৰ কাৰণে ফুকন ককাইদেউ আদৰণীয় 'সদালাপী' আছিল।

ফুকন ককাইদেউৰ লগত সেই দিন দুটাৰ আগলৈকে মোৰ সম্পৰ্ক অভিনেতা-দৰ্শকৰ সম্পৰ্কৰ নিচিনা আছিল বুলি আগতে কৈছোঁৱেই; অথচ বিদেশত পঢ়িবলৈ যোৱাৰ বাবে চৰকাৰৰ বৃত্তি পোৱাৰ খবৰটো এই মানুহজনেই মোক শ্বিলঙৰ পৰা টেলিগ্ৰামেৰে প্ৰথমে দিছিল; আৰু এই মানুহজনৰ পৰাই মোৰ বিদেশযাত্ৰাৰ আয়োজনৰ বাবে প্ৰথম পইচাখিনি পালো;— এইবোৰ মোৰ কাৰণে মনত ৰাখিবলগীয়া যোগাযোগ।

তাৰ কিছুদিনৰ পাছতে চৰকাৰৰ চিঠি এখন আহিল। চিঠিৰ লগত এৰোপ্লেনৰ টিকেট দুখন। এখন গুৱাহাটীৰ পৰা কলিকতালৈ, আৰু ইখন কলিকতাৰ পৰা লণ্ডনলৈ যাবৰ বাবে। চাব্বিছ ছেপ্টেম্বৰৰ দিনা গুৱাহাটী, আৰু উনত্ৰিছ ছেপ্টেম্বৰৰ দিনা কলিকতা এৰিব

লাগে। এৰোপ্লেনৰ টিকেট পালো, ইফালে দেশ এৰিবৰ বাবে অপৰিহাৰ্য বস্তু পাছপ'ৰ্টখনেই পোৱা নাই! অস্থিৰ, উৎকণ্ঠিত হ'বলগীয়া কথা। পিছে মই ভাবিলো,— কিবা নহয় কিবা এটাতো ঘটিবই! পাছপ'ৰ্টখনৰ কাৰণেই মই ৰৈ যাবলগীয়া হ'ব নে? নিশ্চয় নহয়। অন্ততঃ কলিকতালৈ যাওঁগৈ, গৈয়েই তাৰ পাছপ'ৰ্ট অফিছত খা-খবৰ কৰিম। সদ্যহতে প্ৰথম কাম,— নগাঁৱৰ পৰা বিদায় লোৱা। মোৰ যিখিনি ব্যক্তিগত সামগ্ৰীৰে ইমানদিনে গুৱাহাটী-শিৱসাগৰ-নগাঁও কৰি আছিলো, সেইবোৰৰ লণ্ডনলৈ যোৱাৰ যোগ্যতা আছিল বুলি ধাৰণা নহ'ল। সেইবোৰ পৰিত্যাগ কৰিলো। কাপোৰ-কানি, ছুটকেছ যি লাগে, কলিকতাত কিনিম। কোনোমতে কলিকতালৈকে নিবলৈ সাহ কৰিব পৰা বেগ এটা আছিল, সেইটোকে লৈ যাত্ৰা আৰম্ভ কৰিবলৈ ওলালো। বেগটোৰ ভিতৰত মূল্যবান সম্পদ বুলিবলৈ পিঠাৰ টোপোলা এটা আছিল। সেইটো ফৌজদাৰীপটিৰ মিলাদেৱ গোস্বামীৰ ঘৰৰ কোনোবা এজনে মোক দিছিল,— লণ্ডনত পঢ়ি থকা সুৰেন্দ্ৰ মোহন গোস্বামীক (মিলাদেৱ গোস্বামীৰ পুত্ৰসকলৰ এজন) দিবগৈ লাগে।

এইবাৰ বহুদিনলৈ ঘৰলৈ আহিব নোৱাৰাকৈ বহু দূৰলৈ যোৱাৰ কথা। ৰিক্সা এখনত মোৰ লগতে বহি বৌও চৰকাৰী ট্ৰেন্সপ'ৰ্ট অফিছলৈ আহিল আৰু অফিছ-ঘৰৰ বাৰাণ্ডাৰ মাটিতে বহি থাকিল,— ভিতৰৰ চকী এখনত বহিলে মই যোৱাৰ সমগ্ৰ দৃশ্যটো সম্পূৰ্ণকৈ দেখিবলৈ নাপাব কাৰণে। ককাইদেউহঁতে বাছৰ টিকেট, বাছৰ 'ভাল ছিট' আদিৰ ব্যৱস্থা কৰিছিল। সেইযে সৰুতে নগেন ককাইদেউৰ লগ লাগি সৰস্বতীৰ মূৰ্তি গঢ়িছিল,— সেই কণফুল বৰাই তেতিয়া ষ্টেট ট্ৰেন্সপ'ৰ্ট বিভাগৰ জাগীৰোডৰ অফিছত চাকৰি কৰিছিল। মই যাবলগীয়া বাছখনতে তেখেতো জাগীৰোডলৈ যাব। তেখেতে ককাইদেউহঁতক কৈছিল,— চিন্তা নকৰিবা। এইজন আজি আমাৰ স্পেছিয়েল পেছেঞ্জাৰ। মই জাগীৰোডলৈকে এওঁক আগুৱাই দিম। ষ্টেছনটোত গোট খোৱা যাত্ৰী-অযাত্ৰী লোকসকলৰ কিছুমানে মোৰ যে এই যাত্ৰা লণ্ডনত শেষ হ'বগৈ, সেই কথা গম পাইছিল। তেখেতসকলৰ কোনো-কোনোৱে মোৰ লগত কথা পাতিবলৈ লৈছিল। কথা পাতি থাকোঁতেই কেতিয়া বাছখনে ষ্টেছন এৰিলে আমি গমেই নাপালো। অলপ পাছত বাছখনৰ কণ্ডাক্টৰজনে ৰিক্সা এখনত উঠি আহি মোৰ বিচাৰ লগালে। বাছখন কলঙৰ দলঙৰ ইমূৰে ৰখাই থোৱা হৈছে,— মোৰ কাৰণে। চকুপানী-আশীৰ্বাদৰ পৰ্ব ঘৰতে শেষ হৈছিল; তথাপি দৌৰ মাৰি গৈ বৌক আকৌ এবাৰ সেৱা কৰিলো;— বৌৱে আকৌ বিৰবিৰকৈ সেই তিনিটা বাক্যৰ আশীৰ্বাদখিনি দিলে। তাৰ পাছত মই কণ্ডাক্টৰ উঠি অহা ৰিক্সাখনতে উঠিলো বাছ ধৰিবলৈ। দলঙৰ মুখত বাছখন ৰখোৱা কামটো সম্পন্ন কৰিছিল কণফুল ককাইদেৱে। মই বাছত উঠোঁতে তেখেতে সুধিলে, "ক'ত আছিলা তুমি? তুমি বাছত উঠা নাই বুলি আমি ভবাই নাছিলো! এইখিনি পাওঁতেহে মন কৰিলো—।" বাছৰ বাকী যাত্ৰীসকলে আমনি পোৱা ঘটনা এটা ঘটাৰ বাবে মোৰ

লাজ লাগিল। এনেকৈনো মানুহে বিলাতযাত্ৰা আৰম্ভ কৰিব লাগেনে? আজিও মই ভাবোঁ, কম পৰিমাণৰেই হওক, বেছি পৰিমাণৰেই হওক,— নাটকীয়তাৰ পৰশ নোপোৱাকৈ মোৰ জীৱনটোৰ কোনো সন্ধিক্ষণেই পাৰ হৈ যোৱা নাই হ'বলা!

গুৱাহাটী পাই পাঠান হাজৰিকা আৰু প্ৰবোধ শৰ্মাৰ লগত মোৰ শেহতীয়া অৱস্থাটোৰ বিষয়ে আলোচনা কৰিলো! শেহতীয়া অৱস্থানো কি আৰু। মোক আৰু এহেজাৰ টকা লাগে, আৰু যিমান পাৰোঁ সোনকালে মই কলিকতালৈ যাব লাগে। তেওঁলোক দুয়ো তেতিয়া নতুন চাকৰিয়াল; দিওঁ বুলি এহেজাৰ টকা উলিয়াই দিব পৰা চাকৰিয়াল এজনো হোৱা নাই। দুয়োৰে কথাৰ সুৰ আৰু মুখৰ ভাব হ'ল,—দেখা যাওকচোন কি কৰিব পৰা যায়! কথা প্ৰসংগত তেওঁলোকৰ মুখৰ পৰাই গম পালো,— জালুকবাৰীত মই যাৰ লগত আছিলো, সেই ভূপতি ডেকাৰ বোলে এটা দুৰ্ঘটনা ঘটিল। সি অসুস্থ হৈ আছে। কথাটো শুনি বেয়া লাগিল। শ্বিলং-কুঠৰী-ঘূৰাঘূৰি-পৰ্বটো আৰম্ভ হোৱাৰ লগে-লগে বিশ্ববিদ্যালয়ৰ চাকৰিটো ইস্তফা দি মুকলি হৈ লৈছিলো। তাৰ পাছত জালুকবাৰীলৈ যোৱাই নাই। সেইদিনা আবেলিৰ পাছত কৰিবলগীয়া কামো একো নাছিল। গতিকে ভূপতিৰ খবৰকে লৈ আহোঁগৈ বুলি গ'লো জালুকবাৰীলৈ। মই যিটো কোঠালিত আছিলো, এতিয়া ভূপতিয়ে সেইটো কোঠালিত থাকিবলৈ লৈছে। সি বিছনাত পৰি আছে। মই ওচৰৰে চকী এখনত বহি কেনেকৈ কি হ'ল খবৰ ল'লো। কথা পাতি থাকোঁতে হঠাতে এবাৰ চকুত পৰিল,— ওচৰৰ মেজখনৰ কিতাপ-বহীৰ মাজত মোৰ নাম আৰু সেই ঘৰটোৰ ঠিকনা লিখা খাকী ৰঙৰ লেফাফা এটা পৰি আছে। এইখননো ক'ৰ চিঠি? খুলি চাওঁ,— ভিতৰত পাছপ'ৰ্টখন! কলিকতাৰ পাছপ'ৰ্ট-অফিছে পঠিয়াইছে। বিস্ময় আৰু আনন্দত মই হতবাক হৈ গ'লো। মুহূৰ্তৰ ভিতৰতে এক গধুৰ দুশ্চিন্তা মোৰ মনৰ পৰা অন্তৰ্হিত হৈ গ'ল।

বিস্ময়ৰ সুৰেৰেই ভূপতিক সুধিলো,— এইখন কেতিয়া আহিছিল? সি ক'লে,— হ'ল কেইদিনমান। মই বুজিলো,— তাৰো দোষ নাই। লেফাফাটো ক'ৰ পৰা আহিছে, ভিতৰত কি থকাটো সম্ভৱপৰ, সেইবোৰলৈ সি মন কৰা নাই। সি নিজেই অসুস্থ হৈ আছে। আৰু মই যদি আজি তাৰ খবৰ ল'বলৈ নাহিলোহেঁতেন, তেনেহ'লে পাছপ'ৰ্টখন ইয়াতে পৰি থাকিলহেঁতেন, আৰু মই কেইদিনমানৰ পাছত সেইখন বিচাৰি কলিকতাৰ অফিছ ওলালোগৈহেঁতেন। আৰু মইতো কলিকতালৈ বুলি গুৱাহাটী এৰাৰ আগতে ভূপতিৰ ওচৰলৈ অহাৰ কথা নাছিলেই! মনত ৰাখিবলগীয়া যোগাযোগ।

ভূপতিৰ ওচৰলৈ যোৱাৰ পৰা মোৰ আৰু এটা লাভ হ'ল। তাৰ চামৰাৰ বেগটো মোৰ চকুত পৰিল। ডাঙৰ, বহুত বস্তু সোমাব; সহজে দাঙি নিব পৰা যাব, আৰু দেখাই-শুনাই বিলাত-ভ্ৰমণৰ বাবে উপযোগী। মই তাক ক'লো, "তোৰ এই বেগটো মই লৈ যাওঁ দে। কথা দিছোঁ,— বিদেশ ভ্ৰমণ কৰাই তাক এদিন তোক যেনে আছে তেনে

অৱস্থাতে ওভোতাই দিম। এইখিনি দিন তই মোৰ বেগটোৰেই কাম চলাই থাক। তোৰ বেগটোৰ নিচিনা বেগ এটা কিনিব পাৰিমেই বুলি এতিয়া মই সাহ কৰিব পৰা নাই। অথচ এনেকুৱা এটা বেগ নহ'লেই নহ'ব যেন পাওঁ। গতিকে—।"

ভূপতিয়ে অলপ কেৰো-যেঁহো কৰিলে। স্বাভাৱিক। তাৰ অৱস্থাত পৰা হ'লে ময়ো কৰিলোহেঁতেন। কিন্তু অলপ পাছতে সি বেগটো দিবলৈ মান্তি হ'ল। (বেগটো মই ভূপতিক বিদেশৰ পৰা ঘূৰি আহি ওভোতাই দিবলগীয়া নহ'ল। এবছৰমানৰ পাছত সিও লণ্ডনলৈ গৈছিল। ইম্পিৰিয়েল কলেজতে সি গৱেষণাৰ ব্যৱস্থা কৰিছিল। মই যিটো ঘৰত আছিলো, তাৰে এটা কোঠালিত তাৰ থকা-মেলাৰ ব্যৱস্থা কৰি দিছিলো, আৰু তাতে তাক বেগটো ওভোতাই দিছিলো।)

পাছপ'র্টখন হাতত পৰাৰ পাছতে মই কাৰ্যসূচী সলনি কৰিলো। কলিকতালৈ চাব্বিছ তাৰিখে নগ'লেও হ'ব। সেই ৰাতিয়েই পাঠানক ক'লো,— আপুনি এয়াৰ লাইনছৰ অফিছলৈ গৈ কলিকতালৈ যোৱাৰ তাৰিখটো চাব্বিছৰ সলনি সাতাইছ কৰাই থব; মই টকাৰ খবৰ কৰিবলৈ শ্বিলঙলৈ যাওঁ। পুৱাই যাম, গধূলি উভতি আহিম।

পাছদিনা শ্বিলঙত নিত্যা ভূঞাৰ পৰা যি খবৰ পালো, তাৰ সাৰাংশ হ'ল,— চব কাম ঠিক ৰাস্তাইদি আগবাঢ়িছে, টকাখিনি মই পামেই। কিন্তু আজিয়েই মোৰ হাতত টকাখিনি পৰিব, সেইটো সম্ভৱ নহয়। তেনেহ'লে কেতিয়া পৰাটো সম্ভৱ? মইতো এইখন ৰাজ্যত আৰু দুদিনহে আছোঁ।

ছখিলা ফুলস্কেপ ছাইজৰ বগা কাগজৰ তলৰ অংশত একোটাকৈ চহী কৰি সেই কেইখিলা নিত্যাৰ হাতত দি ক'লো,—পইচাখিনি তুমি উলিয়াবা, উলিয়াই পাঠানলৈ পঠাই দিবা। তাৰ বাবে অথৰিটি-ছথৰিটি যি লাগে এইবোৰ কাগজত লিখি ল'বা। মই পাঠানহঁতকে পইচা যোগাৰ কৰিবলৈ কওঁগৈ আৰু নিজেও যি পাৰোঁ কৰোঁগৈ।

পাঁচিছ আৰু চাব্বিছ ছেপ্টেম্বৰ,— এই দুয়োটা দিন গুৱাহাটীত নিষ্ফল দিন হিচাপে কটালো। সাতাইছ তাৰিখে দিনৰ চাৰে দহ বজাত কলিকতালৈ প্লে'ন উৰিব। আঠমান বজাতে ভূপতিৰ বেগটো লৈ মই পাণবজাৰৰ কাফে ডিলাক্সলৈ আহিলো। তাতে বহি পাণবজাৰৰ দোকানবোৰ খোলালৈ বাট চালো। খোলাৰ লগে-লগে এখন দোকানৰ পৰা চোলা এটা কিনিলো। কাফে ডিলাক্সৰ 'ছেকেণ্ড ক্লাছ' কোঠালিটোত সোমাই পিন্ধি থকা চোলাটো বেগত সুমুৱালো আৰু নতুন চোলাটো পিন্ধি ল'লো। তাৰ পাছত পইচা সম্পৰ্কীয় শেষ-সংবাদ সংগ্ৰহ কৰিবলৈ পাঠানহঁতৰ ঘৰলৈ গ'লো। পাঠান ঘৰত নাই। চাৰে ন বাজিলেই। কি'কৰা যায়? প্ৰবোধৰ ঘৰলৈ বুলি ৰিক্সাত উঠিলো। ডাঙৰ ৰাস্তাটো পাইছোঁহি, এনেতে সৌফালৰ পৰা এখন আৰু বাঁওফালৰ পৰা এখন জীপ গাড়ী আহি মোৰ সমুখতে মুখামুখি হৈ ৰৈ গ'ল। তাৰে এখনত পাঠান আৰু ইখনত প্ৰবোধ।

প্ৰবোধে নামি আহি মোক টকা পাঁচশ দিলে। পাঠানে মাতিলে— আহক, উঠক, দেৰি হৈছে।

পাঠানৰ ওচৰত বহাৰ লগে-লগে তেৱোঁ মোক টকা পাঁচ শ দিলে। তাৰ পাছত তেওঁ তীব্ৰ গতিৰে বিমান বন্দৰৰ ফালে গাড়ী চলাবলৈ ধৰিলে। অলপ দূৰ গৈ তেওঁ সুধিলে,— "বস্তু-বাহানি চব লগতে আছে নহয়?" মই ক'লো,— "মোৰতো বস্তু একো নাযেই। চব কলিকতাতহে কিনিমগৈ।"

বিমান বন্দৰৰ ঘৰটোত সোমোৱাৰ লগে-লগে কাণত পৰিল,— লাউডস্পিকাৰৰ পৰা ওলাই আছে— বি. এন ছইকীয়া— বি. এন. ছইকীযা—। মই দৌৰি চে'ক-ইন কাউণ্টাৰলৈ গ'লো। ক'লো,— মই বি. এন. ছইকীয়া। কাউণ্টাৰত থকা মানুহ দুজনৰ দুযো প্ৰায় ওপৰা-উপৰিকৈ ক'লে,—"আপুনি দৌৰক। আপোনাৰ কাৰণে প্লেন ৰৈ আছে।" —"মোৰ এই বেগটো জোখা-মেলা কিবা কৰিব লাগিব নে কি?" — "সেইবোৰ একো কৰিব নালাগে। আপুনি দৌৰক।"— এজন মানুহৰ কণ্ঠত ধমকিৰ সুৰ ফুটি উঠিল।

ঘৰটোৰ পৰা পথাৰৰ ফালে ওলাই, মোৰ লেতেৰা চোলা আৰু পিঠাৰ টোপোলাটো থকা ভূপতি ডেকাৰ বেগটো লৈ মই আক্ষৰিক অৰ্থত ৰৈ থকা এৰোপ্লেনখনৰ ফালে দৌৰিবলৈ ধৰিলো। সেই দৌৰা সময়খিনিত কাণত পৰি থাকিল একমাত্ৰ পাঠানৰ চিঞৰ,— "তাতে থাকি নাযাব। উভতি আহিব। আহোঁতে লগত মেম নানিব।"

কথাখিনি পাঠানে কামৰূপ জিলাৰ কোনো-কোনো অঞ্চলৰ মানুহে ব্যৱহাৰ কৰা শব্দ আৰু সুৰেৰে কৈছিল। লণ্ডনলৈ বুলি দীঘলীয়া সময়ৰ কাৰণে অসমৰ মাটি এৰাৰ সময়ত মোৰ কাণত কাৰ কণ্ঠৰ কি শুভেচ্ছাবাণী সোমাইছিল সেই কথা বৰ মৰমেৰে সোঁৱৰোঁ, আৰু সেই দিনটোৰ নিঠৰুৱা অৱস্থাৰ কথা ভাবি এক ধৰণৰ আনন্দ পাওঁ।

কলিকতা পাই, সেইদিনা গধূলিয়েই লাইট হাউছ ছিনেমা হলৰ ওচৰৰ দোকান এখনত দুযোৰ গৰম কোট-পেণ্টৰ অৰ্ডাৰ দিলো। ম'ষ্ট আৰ্জেণ্ট। কাইলৈ ট্ৰায়েল দিমহি, পৰহিলৈ পুৰা ডেলিভাৰি দিবই লাগিব। তাৰ পাছত বাকীবোৰ বস্তু কিনাত লাগিলো। সেইবোৰৰ ভিতৰত এবিধ বস্তুৰ কথা মোৰ মনলৈ আহি থাকে। কোনোবাই কৈছিল,— ইংলেণ্ডত কপাহী কাপোৰৰ বৰ দাম; সেইকাৰণে মই লীলা নামৰ দোকান এখনৰ পৰা পোন্ধৰটা চোলা কিনি পেলাইছিলো। সেইটো মোৰ কাৰণে অভাৱনীয় কাম আছিল। একোটা চোলাৰ দাম দহ টকাৰ পৰা যোল টকাৰ ভিতৰত আছিল। কামটো কৰি পিছে মই লাভবানেই হৈছিলো। কাৰণ, লণ্ডনত থকা দিনখিনিত মই চোলা কিনিব লগীয়াতো হোৱা নাছিলোৱেই, বৰঞ্চ অসমলৈ উভতি অহাৰ পাছতো কিছুদিনলৈ সেই চোলাৰেই দিন কটাইছিলো।

কলিকতাত আৰু এটা ডাঙৰ কাম আছিল,— কিছু ভাৰতীয় টকা পাউণ্ডলৈ সলনি কৰি লোৱা। লণ্ডন পোৱাৰ লগে-লগেতো মোক খৰচ কৰিবলৈ পাউণ্ড-ছিলিং লাগিব! চৰকাৰৰ পৰা বৃত্তিৰ টকা বা কেতিয়া পাওঁ! এই কামটোত মোক ড. ভূপেন দাসে বৰ সহায় কৰিলে। মই আইডিয়েল হোম নামৰ হোটেলখনত আছিলোঁগৈ। সেই হোটেলৰ ওচৰৰে এখন ফাৰ্মাছিত ড. দাসে কাম কৰিছিল। (এখেত গুৱাহাটীৰ অধ্যাপিকা আৰু সমাজকৰ্মী সমীৰণ দাসৰ ভায়েক আছিল।) তেখেতে মোৰ লগত দুদিন ধৰি ৰিজাৰ্ভ বেংক, ষ্টেট বেংক আদিত বহুত ঘূৰা-পকা কৰিলে। শেষত উনত্ৰিছ তাৰিখে বাৰমান বজাত মই প্ৰথম পাউণ্ড আৰু দহ ছিলিঙৰ নোট দেখা পালো আৰু চুই পালো।

হোটেললৈ উভতিয়েই বস্তু-বাহানি সামৰি, খাই-বৈ, নতুন চোলা, নতুন কোট-পেণ্ট পিন্ধি, নতুন টাই মাৰি সাজু। তিনি বজাত দমদম এয়াৰপৰ্ট পাবগৈ লাগে। হোটেলৰ কোঠালিত মোক বিদায় দিবলৈ গোট খাইছিল মোৰ খুৰাদেউৰ ল'ৰা বিনয় শইকীয়া (পাছলৈ Geological Survey of India ৰ Director), কনক মেধি (পাছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষক), ভৱ দত্ত (পাছলৈ পুলিছ-বিষয়া), ড. ভূপেন দাস, দুল ফুকন, ৰমেন ফুকন, (বৰ্তমানে হোটেল ব্যৱসায়ৰ লগত জড়িত বিষয়া) আৰু তেওঁৰ বন্ধু এজন গোট খাইছিল। দুল ফুকনে কওঁ-নকওঁকৈ কৈছিল,—"ভবেনদা, টাইডালৰ গাঁঠিটো অলপ ঠিক কৰি দিওঁনে?" মই—"এ হ'ব দিয়া" বুলি কথাটো পাতলাই দিছিলো। তাৰ মানে তেতিয়া মই টাইৰ গাঁঠিটো ভালকৈ মাৰিব নাজানিছিলো। এওঁলোকৰ কেইজনমান মোৰ লগত দমদমলৈকে আহিছিল।

এসময়ত সন্ধ্যা নামিল। স্কাই মাষ্টাৰ শ্ৰেণীৰ এৰোপ্লেন এখনত আমাক উঠিবলৈ দিয়া হ'ল। তাৰ এঘণ্টামানৰ পাছত প্লেনখন আকাশলৈ উঠিল। তলত কলিকতা মহানগৰৰ বুকুৰ হাজাৰ-হাজাৰ আলোকবিন্দুৱে এক অপৰূপ দৃশ্যৰ সৃষ্টি কৰিলে। তেতিয়ালৈকে মই আকাশৰ পৰা ৰাতিৰ মহানগৰৰ দৃশ্য দেখা নাছিলো; গতিকে সেই দৃশ্য মোৰ কাৰণে অবিস্মৰণীয় আছিল। এৰোপ্লেনখন এবাৰ এঢলীয়া হ'ল,— দিগবলয়ৰ সৈতে সমগ্ৰ আলোকবিন্দু উঠি আহি যেন আকাশৰ তৰাৰ লগত মিলি গ'ল;— তাৰ পাছত আকৌ নামি গ'ল। অলপ পাছতে আলোকবিন্দুৰ সংখ্যা সৰু হৈ আহিল; প্লেনৰ গতি স্থিৰ হ'ল, আৰু এসময়ত খিৰিকিয়েদি দেখিলো,— বাহিৰত গভীৰ অন্ধকাৰ। আকাশত দুই-এটা তৰা; মাটিত পোহৰৰ চিন নাই। সেই অন্ধকাৰৰ ফালে চাই থাকোঁতে যেন মই লাহে-লাহে উত্তেজনাৰ মাজৰ পৰা ওলাই আহিলো। এতিয়াহে যেন মই বাস্তৱৰ কথাবোৰ ভাবিবলৈ সময় পালো। মই ক'লৈ আহিছোঁ? কি কৰিবলৈ আহিছোঁ? পাৰিমনে কামবোৰ কৰিব? লণ্ডন মহানগৰ! ক'ত বা থাকিমগৈ! সুৰেন্দ্ৰমোহন গোস্বামী আৰু যশস্বী ফুটবল খেলুৱৈ ৰত্নহাস গোস্বামীলৈ দুখন চিঠি লিখাৰ বাহিৰে লণ্ডনত

ভৰি দি কি কৰিম সেই বিষয়ে একো ভবা নাছিলো। আহিলোৱেই যেতিয়া কিবা এটা নিশ্চয় হ'ব বুলি ভয় আৰু দুশ্চিন্তা তল পেলাবলৈ চেষ্টা কৰিলোঁ। এসময়ত সেইবোৰ তল পৰিল, কিন্তু বহুদিনৰ কাৰণে যে নিজৰ ঠাইখন, নিজৰ মানুহবোৰ এৰি থৈ আহিলো, সেই দুখটোৱে এতিয়াহে মোক গভীৰভাৱে স্পৰ্শ কৰিলে। কিমান দিনৰ কাৰণে বা আহিছোঁ! ক'ৰ মানুহ, ক'লৈযে আহিছোঁ! প্ৰতিবাৰ ক'ৰবালৈ বুলি ঘৰ এৰিছোঁ, প্ৰতিবাৰেই এক অনিশ্চয়তা, নিঃসংগতাৰ কাৰণে দুখ অনুভৱ কৰিছোঁ। যিমানে বেছি দূৰলৈ গৈছোঁ, সিমানে সেই দুখ বেছি গভীৰ হৈছে। মোৰ জীৱনত এতিয়ালৈকে এইটোৱেই আটাইতকৈ দূৰলৈ যোৱাৰ ঘটনা; কিন্তু ঘৰত, অসমৰ মাটিত লৰা-ঢপৰা, দুশ্চিন্তা, উত্তেজনাৰ মাজত সেই দুখৰ শিপা আৰু গা-গছ পোত খাই গৈছিল; কেৱল ওপৰৰ পাতবোৰহে লৰিছিল। এতিয়া এই অন্ধকাৰৰ মাজেদি নিষ্কৰ্মা হৈ গৈ থাকোঁতে সেই দুখৰ শিপা আৰু গা-গছ যেন লাহে-লাহে উন্মুক্ত হৈ আহিল। মেট্ৰিক পৰীক্ষা দি আঁতৰি আহোঁতে যিখন জগত এৰি থৈ আহিছিলো, এতিয়া এৰি থৈ অহা জগতখন তাতকৈ বহু ডাঙৰ হ'ল; সেই জগত কলিকতাৰ পৰা শিৱসাগৰলৈকে বিস্তৃত হ'ল;— তথাপি এনেকৈ দূৰলৈ আঁতৰি আহিবৰ সময়ত জন্মৰ ঠাইডোখৰ সেই জগতখনৰ মধ্যবিন্দু হৈ মনত জিলিকি উঠে। আগতে যে নিজৰ ঠাইখন এৰাৰ প্ৰক্ৰিয়া এটাৰ কথা কৈছিলো, সেই প্ৰক্ৰিয়াটো পৰ্যায়ক্ৰমে আগবাঢ়ি আছে বুলি উপলব্ধি কৰিলো। মনত পৰে,— এয়াৰ-হ'ষ্টেছসকলে ৰাতিৰ আহাৰ পৰিবেশন কৰাৰ আগলৈকে মই আমাৰ ঘৰখন, কীৰ্তন ঘৰ ৰ'ড, ফৌজদাৰীপটি আদিৰ কথা ভাবি তন্ময় হৈ আছিলো। তেতিয়া যিবোৰ কথা যিটো ৰূপত মনলৈ আহিছিল, চল্লিছ বছৰৰ পাছত আজি লিখিবৰ সময়ত সেইবোৰ ঠিক তেনেকৈ সজোৱাটো সম্ভৱ নহয়; কিন্তু যেতিয়াই নিলিখোঁ, কথাখিনি সদায় বৃত্তৰ ভিতৰৰ কথাই হ'ব। বৃত্তৰ ভিতৰৰ কথাবোৰৰ বৈশিষ্ট্য হৈছে সেইবোৰে মোৰ লগত লুকাভাকু খেলিব পাৰে, কিন্তু সিহঁত নেহেৰায়। সিহঁত ব্যক্তিগত নিৰাপদ পুখুৰীত নাম ধৰি-ধৰি এৰি দিয়া পোহনীয়া মাছৰ নিচিনা। এটা মুহূৰ্তত যদি অমুক ওপৰলৈ উঠিছে, অইন এটা মুহূৰ্তত তমুক ওপৰলৈ উঠিছে। মই আশা কৰোঁ,— কথাবোৰৰ স্বাস্থ্য মোৰ স্বাস্থ্যৰে নিচিনা, আৰু সিহঁতৰ আয়ুস মোৰ আয়ুসৰে সমান।

গতিকে, চল্লিছ বছৰৰ আগৰ সেই নিশা মোৰ মনৰ মাজেদি কি পাৰ হৈ গৈছিল, সেই কথা আজি কোৱাত অসুবিধা নাই। একোটা নতুন পৰিস্থিতিত, নতুন পৰিবেশত, নিৰলে সময় কটাবলৈ পালে মই ক'ৰ মানুহ, ক'লৈ আহিলো— এই প্ৰশ্নটো প্ৰায়েই মোৰ মনলৈ আহে; আৰু সেই প্ৰশ্নৰ সূত্ৰ ধৰিয়েই এৰি অহা জগতখনৰ মধ্যবিন্দুৰ আশে-পাশে বিচৰণ কৰি এক ধৰণৰ দুখ মিহলি হৈ থকা তৃপ্তি পাওঁ।— দোকমোকালিতে উঠি কপাহী চাদৰ এখন গাত মেৰিয়াই লৈ 'গোসাঁনী চাবলৈ' যাওঁ। ফৌজদাৰীপটিৰ

পূজাথলীৰ এমূৰে চালি-ঘৰ এটা সাজি তাতে খনিকৰে দুৰ্গা-গোসাঁনী সাজে। আজি খেৰৰ জুমুঠি বন্ধা শেষ হ'ল, কাইলৈৰ পৰা মাটি লিপা হ'ব, এদিন দুৰ্গা, সৰস্বতী, লক্ষ্মী আৰু কাৰ্তিকৰ মূৰ লগোৱা হৈ গ'ল;— এনেকৈ দিনে-দিনে কেনেকৈ কাম আগবাঢ়ি যায়, দোকমোকালিতে গৈ সেয়া চাই অহাটো আনন্দৰ কাম আছিল। যিদিনা খনিকৰে গোসাঁনীসকলৰ চকুৰ মণিকেইটা আঁকিব, সেইটো আমাৰ কাৰণে বৰ আগ্ৰহৰ দিন আছিল। মণি অঁকা কামটো চাবলৈও আমাৰ বৰ হেঁপাহ আছিল; কিন্তু সময়-সুবিধা নিমিলাৰ কাৰণে চাবলৈ নপাইছিলো। পাছদিনা গোসাঁনীসকলে শান্ত-সৌম্য দৃষ্টিৰে আমালৈ চাইছিল। তেতিয়া আমি ভাবিছিলো,— হয়, কোনোবাই যে কয় চকুৰ মণিকেইটা দিলেই গোসাঁনীয়ে জীৱ পায়, কথাটো সঁচা।

কেইবছৰমানৰ পাছত চালি-ঘৰ সাজি পূজাথলীতে মূৰ্তি গঢ়াৰ ব্যৱস্থাটো নাইকিয়া হ'ল। ডিমৰুগুৰিৰ ফালে কোনোবা এঠাইত সজা গোসাঁনী পঞ্চমী বা ষষ্ঠীৰ দিনা পূজাথলীলৈ দাঙি অনাৰ ব্যৱস্থা হ'ল। উদ্যোক্তাসকলৰ পইচাৰ জোৰ বেছি হ'লে গোসাঁনীৰ আকাৰ ডাঙৰ হয়, কম হ'লে সৰু হয়। সেই সময়লৈ আমি দেৱ-দেৱীসকলৰ চেহেৰা-পাতিতকৈ অসুৰটোৰ চেহেৰা-পাতিৰ ওপৰত বেছি গুৰুত্ব দিয়া কৰিছিলো। অসুৰটোৰ মুখখন যিমানে কদাকাৰ, ভয়াবহ হৈছিল, আমাৰ বাবে গোসাঁনী সিমানে ভাল হৈছিল। ওচৰৰ পুলিছ লাইনৰ অসুৰটোতকৈ আমাৰ ফৌজদাৰীপটিৰ অসুৰটো বেছি কদাকাৰ, বেছি ভয়াবহ হোৱাটো আমি বাঞ্ছা কৰিছিলো; কিন্তু নহৈছিল। কিন্তু অকল আমি ল'ৰা মানুহবোৰেই অসুৰটো তেনেকুৱা হোৱাটো বিচাৰিছিলো নে? এই প্ৰসংগত এটা আমোদজনক সংলাপ মোৰ মনত পৰে। কোনোবা এবছৰ আবেলি পৰত খনিকৰে গোসাঁনী আনি থৈছেহি। আমি এজাকে বেৰি ধৰি গোসাঁনী চাইছোঁ। উদ্যোক্তাসকলৰ মুখিয়াল বিনোদ বৰাই চুৰিয়া আৰু গেঞ্জি পিন্ধি ৰভা সজা কামৰ তদাৰক কৰি ফুৰিছে। এবাৰ তেখেত আমাৰ মাজলৈ আহিল। অলপ সময় গোসাঁনীৰ ফালে চাই থাকি তেখেতে আমাকে ভেকাহি মৰাৰ নিচিনাকৈ ক'লে, "এইডাল অসুৰ হ'ল নে কি? এইডাল দেখোন মোৰ নিচিনাই নহ'ল!"

বিনোদ বৰাৰ ঘৰটো পূজাথলীৰ লগতে। পূজাৰ কেইদিন সন্ধিয়া তেখেতসকলৰ ঘৰত এজাক সৰু-সৰু ছোৱালী গোট খায়। মাক-বায়েকহঁতে সিহঁতক ঘৰতে নাচৰ সাজ পিন্ধাই, মুখত ৰং-বৰণ সানি তাত থৈ যায়হি। এসময়ত তাৰ পৰা আৰতি নাচৰ 'শোভাযাত্ৰা'টো ওলায়। একেবাৰে আগত ডিঙিত খোল আঁৰি লৈ কুঞ্জ দাস, তেওঁৰ পিছতে হাতত তাল লৈ হৰি ভূএগ্ৰা, আৰু তেওঁৰ পিছতে নাচনীহঁতৰ দীঘল শাৰী। কুঞ্জ দাসে হাঁহি মুখেৰে, গোটেই গাটো নচুৱাই খোল বজাই-বজাই আগুৱাই যায়; তেওঁৰ খোলৰ ছেৱে-ছেৱে ডেৰ কুৰি-দুকুৰি নাচনীয়ে নাচি-নাচি আগ বাঢ়ে। দৰ্শকৰ মাজে-মাজে , গোসাঁনীৰ আগেদি নিৰ্দিষ্ট কৰি থোৱা বাটেদি তেওঁলোকে নাচি-নাচি ঘূৰি থাকে।

আনুষ্ঠানিক আৰতি পুৰোহিতে যেনে ধৰণে কৰিব লাগে তেনে ধৰণে যথা সময়ত সম্পন্ন কৰে; কিন্তু ছোৱালীহঁতৰ এই আৰতি হ'ল এটা 'সাংস্কৃতিক অনুষ্ঠান;— ফৌজদাৰীপটিৰ দুৰ্গাপূজাৰ কাৰ্যসূচীৰ 'বিশেষ অনুষ্ঠান'!

এইযে আগে-আগে খোল বজাই যায় মানুহজন,— কুঞ্জ দাস,— এই মানুহজনক আমাৰ চুবুৰিৰ মানুহখিনিৰ ইতিহাসৰ এটা সৰু অধ্যায়ৰ গুৰুত্বপূৰ্ণ চৰিত্ৰৰূপে চিহ্নিত কৰিব পাৰি। মানুহজনে খোলৰ উপৰিও তবলা বজায়; হাৰমনিয়াম বজাই গানো গায়। গান গাবলৈ ভাল পাইছিল আৰু কণ্ঠত গান আছিল কাৰণেই মানুহজনে ডিঙিত ৰুমাল মাৰি কইনাঘৰৰ হোমৰ থলীৰ বৈঠকত বা নিজৰ বিছনাখনত বহি অকলে প্ৰাণ ভৰি গান গাইছিল।— গোলাপী সখী আজি মন হ'ল উচাটন, মধুনিশা সপোনত মূৰুতি হেৰায়,— সেই শ্ৰেণীৰ গান। মানুহজনৰ গাত গায়ক হোৱাৰ আকাংক্ষা থকাৰ কোনো লক্ষণ দেখা নগৈছিল। তেওঁৰ ভায়েক হেৰম্ব ককাইটিয়ে তেওঁতকৈ বেছি ভালকৈ গান গাইছিল। এসময়ত দেখা গৈছিল,— হেৰম্ব ককাইটিয়ে ডিঙিত হাৰমনিয়াম আঁৰি লৈ গান গাই-গাই চহৰখনৰ জনসমাগম হোৱা ঠাইত বিড়িৰ কেনভাছ কৰি ফুৰিছিল। কেনভাছৰ খাতিৰত কেতিয়াবা তেওঁ ঘাগৰি পিন্ধি ছোৱালীৰ ভেশো ধৰিছিল। বিড়িৰ গুণ বখানি গোৱা গানেই হওক, গভীৰ প্ৰেমৰ গানেই হওক, কৃষ্ণ-যশোদাৰ গীতেই হওক,— হেৰম্ব ককাইটিৰ গান আৰু হাৰমনিয়াম বাদনে আমাক মুগ্ধ কৰিছিল। এদিন হঠাতে মানুহজন চুবুৰিটোৰ পৰা নাইকিয়া হ'ল। শুনা গ'ল,— হাৰমনিয়ামটোৰে সৈতে হেৰম্ব ককাইটি ৰে'লত উঠিল আৰু অসম এৰি পশ্চিমলৈ গুচি গ'ল। তাৰ পাছত তেওঁৰ খবৰ আজিলৈকে কোনেও নাপালে। প্ৰায় পচপন্ন বছৰৰ পাছত,— আজিও,— হেৰম্ব ককাইটিৰ কথা মনত পেলালে এনেকুৱা লাগে যেন গভীৰ নিশা, বহু দূৰেদি উকিয়াই-উকিয়াই ৰে'ল এখনৰ শব্দ ক্ৰমাৎ নাইকিয়া হৈ গ'ল। উল্লেখযোগ্য,— আগতে যে চুবুৰিটোৰ ৰাধাশ্যাম, তেপু ককাইটিহঁতৰ গানৰ কথা কৈছিলো, তেওঁলোকৰ কণ্ঠত গানে থিত লোৱাৰ আগতেই হেৰম্ভ ককাইটি নিৰুদ্দেশ হৈছিল। কুঞ্জ আৰু হেৰম্ব ককাইটিৰ নিচিনাকৈ তেওঁলোকৰ দেউতাক মথুৰা দেদাইৰো এটা চখ আছিল। তেওঁ প্ৰতি বছৰে ল'ৰা দুটাক লগত লৈ ঘৰতে দৌল-উৎসৱ পাতিছিল। আগচোতালৰ মাজতে তেওঁলোকে মাটিৰে খলপা-খলপকৈ ছহাতমান ওখ দৌল এটা সাজিছিল। উৎসৱৰ দিনা নামঘৰটোৰ ওচৰৰ পৰা বহু লোকে সমদলে গীত গাই-গাই মথুৰা দেদাইৰ ঘৰৰ ফালে আগ বাঢ়িছিল। নিয়মমতে আমি অকণ-অকণ ল'ৰাবোৰে সমদলৰ মানুহৰ গালৈ ফাকু ছটিয়াব লাগে; কিন্তু ফাকুৰ অভাৱত বাটৰ ধূলিৰেই অঞ্চলটো ধুঁৱলি-কুঁৱলি কৰি পেলাইছিলো। মাজ বাটতে এদল মানুহে দীঘল ভলুকা বাঁহ এডালেৰে সমদলটোক ভেটা দি ধৰিছিল। বাঁহডালৰ দুফালে থকা মানুহখিনিৰ মাজত কথা কটাকটি হৈছিল।

সেই সময়খিনি উৎসৱটোৰ আটাইতকৈ আনন্দৰ সময় আছিল। হেঙাৰ আঁতৰাৰ পাছত ৰাইজ মথুৰা দেদাইৰ চোতালত সোমাইছিল। আৰু দৌলৰ কাষত নাম-কীৰ্তন কৰি উৎসৱ সামৰিছিল। মোৰ ধাৰণা,— সেই উৎসৱটোৱেই কুঞ্জ আৰু হেৰম্ব ককাইটিৰ মনত সংগীতৰ বীজ সিঁচিছিল।

সাধাৰণ বিচাৰত এওঁলোক নাম-গোন্ধ ওলাব নলগীয়া, ক্ষুদ্ৰ-ক্ষুদ্ৰ, নগণ্য প্ৰাণী আছিল; কিন্তু মোৰ ল'ৰালিৰ বিশ্ববিদ্যালয়খনত এওঁলোক একো-একোজন শিক্ষক আছিল।

এসময়ত মথুৰা দেদাইৰ ভেটি উছন হৈছিল। কুঞ্জ ককাইটিয়ে চুবুৰি এৰিছিল। পাছলৈ তেওঁক সতকাই দেখা পোৱা নগৈছিল; কিন্তু দুৰ্গাপূজাৰ আৰতি-অনুষ্ঠানটোত খোল বজাবলৈ তেওঁ ঠিক সময়ত ওলাইছিলহি। এই কামটো তেওঁ ধৰ্ম-কৰ্মৰ অংগ হিচাপে কৰা নাছিল; সংগীত-সংস্কৃতিৰ প্ৰতি থকা এক গভীৰ আসক্তিৰ বাবে এটা আনন্দময় কৰ্তব্য হিচাপে কৰিছিল। প্ৰসংগক্ৰমে ঃ অকল কুঞ্জ ককাইটিয়েই কিয়, ফৌজদাৰীপটিত দুৰ্গাপূজা উদযাপনৰ গুৰি ধৰোঁতাসকলৰ পৰা সাধাৰণ কৰ্মীলৈকে প্ৰায় সকলোৱেই এই উদযাপনৰ কামটো এটা আনন্দময় কৰ্তব্য হিচাপেই কৰিছিল বুলি ভাবোঁ। তেখেতসকলৰ ভিতৰত দুৰ্গাদেৱীৰ প্ৰকৃত ভক্ত কোন আছিল আমি নাজানিছিলো। আজিও নাজানো। এইখন পূজা প্ৰথমতে বৰ্তমানৰ পূজাথলীৰ কিছু দূৰত ৰবিলাল ভূএগ্ৰাৰ (ড. সূৰ্য্য কুমাৰ ভূএগ্ৰাৰ দেউতাক) ঘৰৰ চৌহদত তেখেতসকলৰ উদ্যোগতে পতা হৈছিল। তেখেতসকল দুৰ্গাদেৱীৰ ভক্ত আছিল নে নাছিল, সেইটোও আমি নাজানিছিলো। আৰু,— আমাৰ নিচিনাবোৰৰ কাৰণে দুৰ্গাপূজাৰ লগ্নত আনন্দ-ফূৰ্তিৰ বাহিৰে আৰু একোৰে সম্পৰ্ক নাছিল। সেইকাৰণে দশমীৰ দিনা গোসাঁনী তুলি নিয়াৰ পাছত শূন্য মণ্ডপটোলৈ চাই, কেইদিনমানৰ পাছতে যে লক্ষ্মীপূজা হ'ব সেইটো কথাৰে আমি মনক সান্ত্বনা দিছিলো। (লক্ষ্মীপূজাৰ দিনা সন্ধিয়াৰ পাছত লোকৰ ঘৰলৈ, বিশেষকৈ টিনৰ চাল থকা ঘৰলৈ দলি মৰাটো আমাৰ বাবে ফূৰ্তিৰ কাম আছিল। যিটো ঘৰলৈ দলিয়াওঁ , সেইটো ঘৰৰ পৰা বোলে লক্ষ্মী ওলাই গুচি গৈছিল)। আনহাতে, দশমীৰ দিনটো সম্পূৰ্ণৰূপে উপভোগ কৰিবলৈ আমি বিশেষ আয়োজন কৰিছিলো। আমি ভাই-ককাইকেইটাই ৰাতিপুৱাই কোৰ-চিপৰাং আৰু বাঁহৰ খুঁটিকেইটামান লৈ কলঙৰ পাৰলৈ গৈছিলো, আৰু নদীৰ পানী ভালকৈ দেখি থকা ঠাই এডোখৰ বাছি লৈ তাত ছহাত-চাৰিহাতমান জোখৰ চালি এখনৰ কাৰণে খুঁটি পুতিছিলো। ঘাঁহনিৰ ওপৰত ককাইদেউইঁতে কোৰেৰে NNS আখৰকেইটা কাটি, সেইডোখৰ যে নৃপেন্দ্ৰ নাথ বা নগেন্দ্ৰ নাথ শইকীয়াৰ ঠাই, সেইটো সাব্যস্ত কৰি থৈ আহিছিল। ডেৰমান বজাত বাহিৰৰ মানুহক দেখুৱাব পৰা বিছনাচাদৰ, গাত লোৱা চাদৰ, কঠ-পাটী, তামোল-পাণ,

গিলাছ আদি লৈ ঘৰখনৰ এটাইকেইটা প্ৰাণী কলঙৰ পাৰলৈ গৈছিলো; আগবেলা সাজি থৈ যোৱা জঁকাটোত চাদৰেৰে চালি এখন আৰু তিনিফালে বেৰ দি এটা 'ঘৰ' সাজি তাৰ ভিতৰত ঘাঁহনিৰ ওপৰত কঠ-পাটী পাৰি লৈছিলো। এই ব্যৱস্থা ঘাইকৈ পিতাই আৰু বৌৰ কাৰণে কৰা হৈছিল। কেতিয়াবা চিনাকি মানুহ দুই-এজনো তাতে বহিছিলহি। কাচাৰী ঘৰৰ সমুখৰ পৰা গৱৰ্নমেণ্ট হাইস্কুলৰ সমুখলৈকে,— কলংপাৰৰ এই গোটেই অঞ্চলটো দশমীৰ দিনা সৰু-ডাঙৰ, ধনী-দুখীয়া চালি-ঘৰেৰে ভৰি পৰিছিল। এই ঘৰবোৰৰ বাসিন্দাৰ উপৰিও হাজাৰ-হাজাৰ 'অঘৰী' মানুহেৰে কলংপাৰ ঠাহ খাই পৰিছিল। সেইদিনা নগৰখনৰ আনবোৰ ৰাস্তা প্ৰায় জনশূন্য হৈ পৰিছিল। নৈখনৰ সিপাৰৰ অৱস্থাও একেই হৈছিল। দুইমান বজাৰ পৰা উদ্যোক্তাসকলে ডাঙৰ-ডাঙৰ মাৰনাৱত তুলি দুৰ্গা গোসাঁনীক কলঙৰ বুকুত ফুৰাইছিল। নগাঁৱৰ ফালৰ মানুহে গোসাঁনীক দেখাকৈ নাওবোৰ একোৰাৰ ভটিয়াই আহে, তাৰ পাছত ঘূৰি, হয়বৰগাঁৱৰ ফালৰ মানুহে দেখাকৈ উজাই যায়। গোসাঁনীৰ আশে-পাশে থাকে ঢুলীয়া আৰু কালীয়া। সেই কালিৰ সুৰ শুনিলেই সেইদিনা গোসাঁনীয়ে কান্দিছে যেন লাগিছিল। পোহৰ থকালৈকে নাওবোৰে তেনেকৈয়ে অহা-যোৱা কৰি থাকিছিল, আৰু গধূলিৰ পাছত এফালে যে গৈছিলগৈ আৰু উভতি নাহিছিল। গোসাঁনী বিসৰ্জন দিবলৈ কলঙৰ দ ঠাই বিচাৰি নাওবোৰ গুচি গৈছিল আৰু আমিও চালিঘৰ ভাঙি ঘৰমুৱা হৈছিলো।

ৰাস্তাটোৰ সিপাৰে কাচাৰীৰ বাকৰিত সেইদিনা ৰাতিপুৱাৰে পৰা এখন বৰ ডাঙৰ বজাৰ বহিছিল। নগৰখনৰ নিয়মীয়া বজাৰকেইখন সেইদিনা নামতহে খোলা আছিল বুলিব পাৰি। নগৰখনৰ চাৰিওকাষৰ গাঁওবোৰৰ— বিশেষকৈ মৈমনসিঙীয়া খেতিয়কসকলে আগতীয়াকৈ কৰা জাৰৰ দিনৰ শাক-পাচলি, নৈ-বিলৰ মাছ-পুঠি, মিঠাই, মাংস-পৰঠা, আধা পকা সুমথিৰা আদিৰে দশমীৰ বজাৰখন ভৰি পৰিছিল। গোসাঁনী চাই থকাৰ মাজতে এবাৰ উঠি গৈ কেইটামান সুমথিৰা, দুমুঠিমান ঢেকীয়া শাক আৰু ছটামান বুন্দিয়া লাৰু কিনাটো আমাৰ পিতাইৰ কাৰণে এটা নিয়মৰ নিচিনা আছিল।

তেতিয়া সেইবোৰ কৰি, দেখি, শুনি যি আনন্দ পাইছিলো, পাছলৈ,— আজিও,— সেইবোৰৰ কথা ভাবিয়েই তাতকৈ বেছি আনন্দ পোৱা যেন লাগে;— লগতে পিছে দশমীৰ দিনা বজা কালি-পেঁপাৰ সুৰটোও শুনি থাকোঁ।

ফৌজদাৰীপটিৰ সেই পূজাথলী সদায় পূজাথলীয়েই হৈ থকা নাছিল। দিন যোৱাৰ লগে-লগে আমাৰ সমুখত আনন্দ আহৰণৰ নতুন-নতুন বাটো মুকলি হৈছিল। বয়সীয়াসকলৰ সমৰ্থন, আৰু ডেকা আৰু চেমনীয়াসকলৰ উদ্যোগত গোসাঁনীৰ মণ্ডপৰ ঠাইত পাছলৈ মাজে-মাজে অস্থায়ী মঞ্চই দেখা দিছিল। সেই মঞ্চই বিচিত্ৰ মন আৰু

গুণৰ অধিকাৰী ল'ৰা-ছোৱালীহঁতৰ কাৰণে প্ৰয়োজনীয় মুকলি মঞ্চৰ কাম কৰিছিল। যি মঞ্চত ওৱাজেদ আৰু জাহানৰ লগতে ময়ো,—"অ' গোবিনকাই, আমি বোলে স্বাধীন হ'লো ভাই"— শীৰ্ষক মই নিজে লিখা আৰু সুৰ দিয়া গান এটা নাচি-নাচি গাব পাৰিছিলো, সেই মঞ্চ প্ৰকৃত অৰ্থত মুকলি হ'বই লাগিব। (মোক্তাব স্কুলৰ মোৰ সহপাঠী ওৱাজেদ আৰু ঢাকাইপটিৰে ল'ৰা জাহান পাছলৈ স্থানীয় অনুষ্ঠানবোৰৰ বাবে প্ৰযোজনীয় গায়ক হিচাপে স্বীকৃত হৈছিল।) অইন এবছৰ তেনে এক অস্থায়ী মঞ্চতে অধ্যাপক যোগেন চেতিয়াই অনুবাদ কৰি উলিওৱা 'বোন্দাপৰ' নামৰ একাংক নাটক এখনত ভাৰা আদায় কৰিবলৈ অহা ঘৰৰ মালিক এজনৰ অভিনয় কৰিছিলো। চৰিত্ৰ মতে মানুহজনে কথাৰ মাজতে বিড়ি এটা জ্বলাই খাব লাগে। বিড়ি মই কেতিয়াও খোৱা নাছিলো। সেইদিনা অভিনয়তো নাখাম বুলি ঠিক কৰি লৈছিলো। জেপৰ পৰা বিড়ি মুঠি আৰু দিয়াচলাই উলিওৱাৰ পৰা নাটক শেষ হোৱালৈকে— এই গোটেই সময়খিনি বিড়িৰ ধোঁৱা মুখত নোসোমাবলৈ অভিনয়ৰ কিমান কৌশল প্ৰয়োগ কৰিব পাৰি তাৰ বাবে চেষ্টা কৰিছিলো।

এনেকৈয়ে। এনেকৈয়ে সেই ৰাতি বাহিৰৰ গভীৰ অন্ধকাৰলৈ চাই গৈ থাকোঁতে এৰি অহা জগতখনৰ মধ্যবিন্দুৰ পৰা ঢেৰ কথা লাগ-বান্ধ, আগ-গুৰি নোহোৱাকৈ ওলাই আহিছিল। তাৰ বাবে সেই সময়খিনি বৰ উপযুক্ত আছিল।

# ছয়

দোকমোকালি পৰত প্লে'নখন কিছু সময়ৰ কাৰণে বেইৰুটত নামিছিল। সাগৰৰ পাৰতে এয়াৰপ'ৰ্টটো। চাৰিওফালে অস্ত্ৰধাৰী সৈন্যই পহৰা দি আছিল। গহীন-গম্ভীৰ পৰিবেশ। যেন যি কোনো মুহূৰ্ততে শত্ৰুৰ আক্ৰমণৰহে আশংকা কৰা হৈছে! আমাক প্লে'নৰ পৰা নামিবলৈ দিয়া হৈছিল। বিদেশৰ মাটিৰ লগত মোৰ ভৰিৰ সেয়াই প্ৰথম সম্পৰ্ক। তাৰ পৰা প্লে'ন গৈ পেৰিছত নামিছিল। তাতো আমাক নামিবলৈ দিয়া হৈছিল। ইতিমধ্যে বেইৰুটত সহযাত্ৰী বাঙালী ডেকা এজনৰ লগত কথা পাতিছিলো। তেওঁ বহুদিন ধৰি লণ্ডনতে আছে। যোৱা মাহত ঘৰলৈ আহিছিল, এতিয়া লণ্ডনলৈ উভতিছে। পেৰিছতো তেওঁৰ লগত একেখন মেজতে চাহ খাবলগীয়া হৈছিল। মই ভাবিলো,— লণ্ডনত নামি অইন উপায় নাপালে এওঁৰে সহায় লম। কথাটো তেওঁক কৈ থ'লো।

সন্ধিয়া সময়ত লণ্ডনৰ ক্ৰয়ডন এয়াৰপ'ৰ্টত নামিলোগৈ। মোৰ বস্তু-বাহানি ক'ত পাম, ইযাৰ পৰা কেনেকৈ ক'লৈ যাব লাগিব, সেইবোৰৰ কাৰণে ডেকাজনৰ লগে-লগে থাকিলো। এসময়ত শুনিলো,— এয়াৰপ'ৰ্টৰ পাবলিক এড্ৰেছ ছিষ্টেমৰ জৰিয়তে মোৰ নামটো ঘোষণা কৰা হৈছে, আৰু মোক এটা কাউণ্টাৰলৈ যাবলৈ কোৱা হৈছে। গ'লো। কাউণ্টাৰৰ ভদ্ৰলোক এজনে মোক এখন চিঠি দিলে।—"মই তোমাৰ কাৰণে লণ্ডনৰ ছিটি অফিছত ৰৈ থাকিম। —ৰত্নহাস গোস্বামী।"—মুহূৰ্তৰ ভিতৰতে মনৰ পৰা এটা ডাঙৰ দুশ্চিন্তা আঁতৰ হৈ গ'ল। ডেকাজনৰ কাষতে বহি বাছ এখনত এয়াৰপ'ৰ্টৰ পৰা লণ্ডন মহানগৰলৈ আহিলো। বাছৰ ভাৰা গাইপতি পাঁচ ছিলিংকৈ। মোৰ হাতত দহ ছিলিঙৰ নোট এখন আছিল। ডেকাজনৰ ভাৰাটোও ময়ে দি দিলো।

ছিটি অফিছত বাছৰ পৰাই ৰত্নহাস গোস্বামীক দেখা পালো। মোৰ মুখেদি হাঁহি ওলাই আহিল। গোস্বামীয়ে খবৰ ল'লে,— কিবা অসুবিধা হৈছিল নে কি? মই ক'লো— নাই হোৱা। সৌ ডেকাজনে সহায় কৰিছে। ডেকাজনৰ বাছভাৰাটো যে ময়েই দিলো, কথাই-কথাই সেই কথাটোও মোৰ মুখেদি ওলাই গ'ল। লগে-লগে গোস্বামীয়ে আচৰিত হৈ সুধিলে, "কিয় দিলা?" মই ক'লো,— "দিলো আৰু! আমি এনেকৈ ইজনে-সিজনৰ ভাৰা দিওঁৱেই।" তেওঁ ক'লে, "অসমত দিয়া দিয়া, কিন্তু ইয়াততো কথাটো বেলেগ! তুমি বাৰু নাজানা, কিন্তু সেই ল'ৰাটোতো ইয়াতে থকা ল'ৰা! সিতো ল'ব নালাগিছিল!" তাৰ পাছত তেওঁ ডেকাজনৰ উদ্দেশ্যে গালিৰ ভাষা আৰু সুৰত দুটামান বাক্য উচ্চাৰণ কৰিলে।

গোস্বামী যিটো অঞ্চলত থাকে, এখন টেক্সিৰে তেওঁ মোক সেইটো অঞ্চলৰ হোটেল এখনলৈ লৈ গ'ল। বাটত তেওঁ ক'লে,— সুৰেন গোস্বামীয়েও মোৰ চিঠি পাইছে; কিন্তু তেওঁৰ ৰাতি ক্লাছ থাকে; সেইকাৰণে তেওঁ এতিয়া আহিব নোৱাৰিলে; কাইলৈ পুৱাই মোক লগ ধৰিবলৈ আহিব।

হোটেলৰ কোঠালিত বস্তু-বাহানি থোৱাৰ পাছতে গোস্বামীয়ে ক'লে, "ভাগৰ লাগিছে নে কি? নাই লগা যদি ব'লা, মোৰ ৰুমটো দেখুৱাই আনোগৈ।"—মই ক'লো,— "বলক।"

দুয়ো গোস্বামীৰ ঘৰৰ ফালে খোজ কাঢ়িলো। গোস্বামীয়ে অসমৰ খা-খবৰ সুধি গ'ল, মই কৈ গ'লো; কিন্তু কথাৰ মাজে-মাজে মই বাট-পথ, দোকান-পোহাৰ, মানুহ-দুনুহ চাবলৈ ল'লো। মই যে লণ্ডনৰ বাটত খোজ কাঢ়িছোঁ, সেই কথাটোৱে মোক পুলকিত কৰি ৰাখিছিল।

এমাইলমান খোজ কঢ়াৰ পাছত এটা ঘৰৰ সমুখত গোস্বামী ৰ'ল। জেপৰ পৰা চাবি উলিয়াই তাৰে এটা কোঠালিৰ দুৱাৰ খুলি তেওঁ মোক বহিবলৈ দিলে, আৰু কোঠালিটোৰ ভিতৰতে দুকাপ চাহ কৰিবলৈ ল'লে। মই স্বাভাৱিক ঔৎসুক্যেৰে কোঠালিটোৰ মজিয়াৰ কাৰ্পেটৰ পৰা আৰম্ভ কৰি বস্তু-বাহানিবোৰ চাবলৈ ধৰিলো। এই সময়তে দুজন মানুহে একে সময়তে একেটা কথাকে ভবাৰ আমোদজনক ঘটনা এটা ঘটিল। অসমত থাকোঁতে গোস্বামীক চিনি পোৱা ভালেমান মানুহৰ মুখতে শুনিছিলো,— তেওঁ বোলে লণ্ডনত 'মেম' বিয়া কৰালে। আনকি মই তেওঁলৈ চিঠি দিয়া বুলি যাক-যাক কৈছিলো, তেওঁলোকেও সন্দেহ প্ৰকাশ কৰিছিল,— ৰত্নহাস বোধকৰোঁ এতিয়া তোমাক সহায় কৰিব পৰা অৱস্থাত নাই। সঁচা কথা ক'বলৈ গ'লে তেনেকুৱা এটা সন্দেহ মোৰ মনতো সোমাইছিল। গতিকে এতিয়া এই কোঠাটোত বহি বস্তু-বাহানিবোৰ চাওঁতে মোৰ চকুৱে আৰু এখন দুৱাৰ, অৰ্থাৎ আৰু এটা কোঠালিৰ সন্ধান কৰিছিল। এইটো কোঠালিত নাই যেতিয়া সিটো কোঠালিত কোনোবা—? কিন্তু গোস্বামীয়েতো মোৰ আগতে চাবিৰে দুৱাৰ খুলিছে! এনেকৈ ভাবি থাকোঁতেই গোস্বামীয়ে হঠাতে সুধিলে, "তুমি বাৰু অসমত মোৰ কথা একো শুনি অহা নাইনে?"

মই ক'লো,— "আহিছোঁ। আপুনি ইয়াৰ ছোৱালী এজনী বিয়া কৰালে বুলি শুনি আহিছোঁ।"

গোস্বামীয়ে আহত কণ্ঠেৰে ক'লে, " চোৱাচোন। এইটো কোঠালিতে মই থাকোঁ। তুমি দেখিছানে কাৰোবাক? ইয়াত তিৰোতা মানুহ থকাৰ কিবা লক্ষণ দেখিছানে?" মই নাই দেখা বুজাবলৈ মূৰ জোকাৰিলো। তেওঁ সুধিলে, "তেনেহ'লে মানুহবোৰে কিয় আচল খবৰ নোলোৱাকৈ ইমান ডাঙৰ কথা এটা উলিয়ায়?"

লণ্ডনত ভৰি দিয়াৰ দিনাই ৰত্নহাস গোস্বামীয়ে মোক যিটো প্ৰশ্ন সুধিলে, তাৰ সন্তোষজনক, গ্ৰহণযোগ্য উত্তৰ আজিও মই চমুকৈ দিব নোৱাৰিম। অকল ৰত্নহাস গোস্বামীয়েহে যে এদিন মোক সেই প্ৰশ্নটো সুধিছিল এনে নহয়; যুগ-যুগ ধৰি অলেখ মানুহে নানাজনক সেই প্ৰশ্নটো সুধিয়েই আছে।

লণ্ডনত মোৰ বাবে প্ৰথম প্ৰয়োজনীয় প্ৰতিষ্ঠান দুটা হ'ল ইম্পিৰিয়েল কলেজ অৱ ছায়েন্স এণ্ড টেকন'ল'জি আৰু ভাৰত চৰকাৰৰ হাই কমিছনাৰৰ অফিছটো। প্ৰথমটোত মই গৱেষণা-সংক্ৰান্ত কাম কৰিম, আৰু দ্বিতীয়টোৱে মোক তাত থকা সময়খিনিত ভৰণ-পোষণ দিব। ৰত্নহাস গোস্বামীয়ে সেই ৰাতিয়েই মোক প্ৰতিষ্ঠান দুটালৈ যোৱাৰ বাটৰ কথা বুজাই দিলে। প্ৰিন্স কনছৰ্ট ৰ'ডত ইম্পিৰিয়েল কলেজ আৰু অলডউইচত হাই কমিছনাৰৰ অফিছ। নটিংহিল গে'টৰ বাছষ্টপৰ পৰা ৫২ নম্বৰ দুমহলীয়া বাছেৰে যাত্ৰা আৰম্ভ কৰিব লাগিব।

এক অক্টোবৰৰ দিনা পুৱা নমান বজাতে কলেজৰ কেমিকেল ইঞ্জিনিয়াৰিং বিভাগৰ ঘৰটো বিচাৰি উলিয়ালোগৈ। মোৰ গৱেষণাৰ কাম যদিও ফিজিক্সৰ ভাগৰ, মই যিটো লেবৰেটৰিত কাম কৰিম সেইটোৰ নাম হ'ল এপ্লাইড ফিজিকেল কেমিষ্ট্ৰি লেবৰেটৰি। সেইটো আছে কেমিকেল ইঞ্জিনিয়াৰিং বিভাগৰ ঘৰটোত। আৰু যিগৰাকী বিজ্ঞানীৰ তত্ত্বাৱধানত কাম কৰিম, তেখেতকো সেইটো ঘৰতে পাম। তেখেতৰ নাম হ'ল ড. হেৰি উইলমেন। এইবোৰ কথা মই চৰকাৰৰ চিঠিৰ পৰা আগতীয়াকৈ জানিব পাৰিছিলো। প্ৰথম মহলালৈ উঠি গৈ লেবৰেটৰিটো বিচাৰি উলিয়ালো। ড. উইলমেনৰ নামৰ ফলক এখন থকা কোঠালিটোও দেখিলো। তেতিয়ালৈকে লেবৰেটৰিলৈ কোনো অহা নাই। মই দীঘল কৰিড'ৰটোত খোজ কাঢ়ি সময় কটালো। অলপ পাছত নীলা ৰঙৰ কোট-পেণ্ট পিন্ধা, ওখ, পাতল গাৰ মানুহ এজন দীঘল-দীঘল খোজ পেলাই ক'ৰিডৰটোৱেদি আগুৱাই আহিল আৰু ড. উইলমেনৰ নাম লিখা দুৱাৰখন খুলি ভিতৰ সোমাবলৈ লৈ মোৰ ফালে চাই থমকি ৰ'ল। অক্টোবৰৰ এক তাৰিখে যে ভাৰতৰ ছাত্ৰ এজন তেখেতৰ ওচৰলৈ আহিব, সেই কথা নিশ্চয় তেখেতেও জানিছিল। দুখোজমান মোৰ ফালে আগুৱাই আহি তেখেতে প্ৰথমতে গুড মৰ্নিং বুলি কৈ সুধিলে— মই ছাইকীয়া হওঁনে? মই হওঁ বুলি ক'লো। তেখেতে মোক কোঠালিটোৰ ভিতৰলৈ মাতি নি বহিবলৈ দিলে। কোঠালিটো সৰু। কিতাপ-কাগজ আদিৰে ঠাহ খাই আছে। লেবৰেটৰিৰ লগৰে কাম কৰা কোঠালিৰ নিচিনা চেহেৰা। মাত্ৰ এক মিনিটমানৰ ভিতৰতে মই কেতিয়া পালোহি, ক'ত আছোঁ,— এই ধৰণৰ কথা কেইটামান সোধাৰ পাছতে তেখেতে কাগজ এখন টান মাৰি সমুখলৈ আনি, ওপৰ জেপৰ পৰা পেনছিল এডাল উলিয়াই momentum

আৰু wavelength-অৰ সম্পৰ্ক ঘটোৱা de Broglieৰ সমীকৰণৰ বিষয়ে আলোচনা আৰম্ভ কৰিলে। মই বুজিলো সেই আলোচনাৰ উদ্দেশ্য আছিল,— মই কিমানলৈকে শিকি-বুজি গৈছোঁ, তাৰ এটা আভাস লোৱা। কুৰি মিনিটমানৰ আলোচনাৰ অন্তত তেখেতে মোক লেবৰেটৰিলৈ লৈ আহিল। ইতিমধ্যে লেবৰেটৰিত কেইজনমান শ্বেতকায় ডেকা গোট খাইছিল। ড. উইলমেনে মোক তেওঁলোকৰ লগত চিনাকি কৰি দিলে। সেইদিনা এজনৰ বাহিৰে তেওঁলোকৰ কাৰো নাম মোৰ মগজত নোসোমাল। এজন ডেকাক ড. উইলমেনে মোৰ লগতে ওচৰৰে অইন এটা কোঠালিলৈ লৈ আহিছিল। তেওঁৰ নামটোৱেই মনত থাকিল ঃ জন হাৰ্ভে। সেইটো কোঠালি যন্ত্ৰপাতিৰে ভৰা আছিল। মেজৰ ওপৰত থিয় কৰি ৰখা চাৰিটা ওখ-ওখ যন্ত্ৰ দেখুৱাই ড. উইলমেনে কৈ গ'ল,— এই চাৰিটা হ'ল ইলেকট্ৰন ডিফ্ৰেকশ্যন কেমেৰা। আমি এইকেইটাৰ নাম দিছোঁ এ, বি, ছি আৰু ডি.। জন হাৰ্ভেই এইটো,— এই ডি নামৰ কেমেৰাটোত কাম কৰে। তুমিও এইটো কেমেৰাতে কাম কৰিবা। জনে তোমাক প্ৰাথমিক কথাবোৰ শিকাই দিব।

ড. উইলমেনে তীব্ৰ গতিৰে কথাবোৰ আগুৱাই নিলে। সেয়াই আৰম্ভ। তাৰ পাছৰ দিনবোৰত কোনোদিনেই এই বিজ্ঞানীজনৰ গতিৰ তীব্ৰতা হ্ৰাস হোৱা নেদেখিলো। আৰু ময়ো আপ্ৰাণ চেষ্টা কৰিছিলো— তেখেতৰ গতিৰ লগত নিজকে খাপ খুৱাবলৈ। এই লেবৰেটৰিটোত মই কি বিষয় লৈ কাম কৰিছিলো, সেইবিলাকৰ সবিস্তাৰ বৰ্ণনা বিষয়টোৰ লগত সম্পৰ্ক থকা বা বিজ্ঞান অধ্যয়ন কৰা লোকৰ বাহিৰে আনৰ বাবে আকৰ্ষণীয় বা প্ৰয়োজনীয় হোৱাৰ সম্ভাৱনা নাই। গতিকে, গৱেষণাৰ কামৰ অধ্যায়টো য্যাতে একেবাৰে উকা হৈ নাথাকে, তালৈ লক্ষ্য কৰি এটা আভাসহে দি থ'ব পাৰি। সেইটো কাম এতিয়াই কৰি থওঁ। উল্লিখিত ইলেকট্ৰন ডিফ্ৰেকশ্যন কেমেৰাটোৰে পদাৰ্থৰ আণৱিক গঠন অধ্যয়ন কৰিব পাৰি। যিবিধ পদাৰ্থ অধ্যয়নৰ বাবে লোৱা হয়, তাৰ বিশেষভাৱে প্ৰস্তুত কৰা নমুনা (specimen) এটা কেমেৰাটোৰ ভিতৰত নিৰ্দিষ্ট ঠাইত থোৱা হয়। তাৰ পাছত কেমেৰাটোৰ ভিতৰখন প্ৰায় বায়ুশূন্য কৰা হয়। তাৰ পাছত তাৰ ওপৰ অংশত থকা এন'ড-কেথ'ডৰ অঞ্চলটোত পঞ্চাছৰ পৰা সত্তৰ হাজাৰ ভল্টৰ বিদ্যুৎশক্তি প্ৰয়োগ কৰি অতি শক্তিশালী ইলেকট্ৰনৰ ৰশ্মি এটা সৃষ্টি কৰা হয়। চুম্বক ক্ষেত্ৰৰ দ্বাৰা সেই ৰশ্মিটো নিয়ন্ত্ৰণ কৰি পদাৰ্থৰ নমুনাটোৰ ওপৰত পৰিবলৈ দিয়া হয়। ৰশ্মিটো নমুনাটোৰ মাজেদি পাৰ হৈ নাযায়; হেলনীয়াকৈ পৰি চুচৰি যোৱাৰ নিচিনাকৈ গুচি যায়। তেনে কৰোঁতেই ৰশ্মিটোৰ ইলেকট্ৰনবোৰৰ অপবৰ্তন (diffraction) ঘটে। এই অপবৰ্তনৰ চৰিত্ৰৰ লগত নমুনাটোৰ পদাৰ্থৰ গঠনৰ সম্পৰ্ক থাকে। অপবৰ্তন ঘটাৰ পাছত ইলেট্ৰনৰ ৰশ্মিটো কেমেৰাটোৰ তল ভাগত থকা ফট'গ্ৰাফিক

প্লেটত পৰেগৈ। সেই প্লেটত ধৰা পৰা চিত্ৰ অধ্যয়ন কৰি নমুনাটোৰ গঠন আৰু আচৰণ সম্পৰ্কীয় কিছুমান তথ্য উদঘাটন কৰিব পাৰি। মোক টিন, এণ্টিমনি, ৰূপ আৰু বিছমাথ ধাতুৰ নমুনাৰে কাম কৰিবলৈ দিয়া হৈছিল। বায়ুশূন্য ঠাইত কাচৰ ওপৰত অতি পাতল চামনি (film) পেলাই ধাতুবোৰৰ নমুনা প্ৰস্তুত কৰিব লাগিছিল। বিভিন্ন বেধৰ (thickness) নমুনা বিভিন্ন উষ্ণতাত গৰম কৰি সেইবোৰ প্ৰজেকশ্যন মাইক্ৰ'স্প'প আৰু ইলেকট্ৰন ডিফ্ৰেকশ্যন কেমেৰাত নানা ধৰণে পৰীক্ষা কৰিব লাগিছিল। গতিকে মোৰ কামটো আছিল— electron diffraction study of thin films condensed from vapour in vacuum; আৰু শেষপৰ্যন্ত মোৰ থিছিছখনৰ নামটো হৈছিলগৈ— The structure, aggregation and melting of metal and other films condensed from vapour.।

মই আগতে কিছুমান আমোদজনক যোগাযোগৰ কথা কৈ আহিছোঁ। মোৰ গৱেষণাৰ কামৰ ক্ষেত্ৰতো এটা যোগাযোগ আবিষ্কাৰ কৰি মই আমোদ পাওঁ। বিদেশত উচ্চশিক্ষাৰ বাবে বৃত্তিৰ দৰখাস্ত কৰোঁতে মই এক নম্বৰ বিষয় হিচাপে নিৰ্বাচন কৰিছিলো ছিনেমেট'গ্ৰাফি, আৰু দুই নম্বৰত ৰাখিছিলো ফিজিক্সৰ কোনো এটা বিষয়ৰ গৱেষণা। দৰখাস্ত চৰকাৰৰ হাতত পৰাৰ আগতেই এক নম্বৰ বিষয়টো কটা পৰিছিল। কিন্তু পাছত ফিজিক্সৰ বিষয় এটা লৈ গৱেষণা কৰোঁতেও মই সদায় কেমেৰা আৰু ফিল্মৰ লগতে লাগি থাকিবলগীয়া হ'ল। হ'ব পাৰে এই কেমেৰা আৰু ফিল্মৰ লগত সেই কেমেৰা আৰু ফিল্মৰ কোনো সম্পৰ্ক নাই; কিন্তু উভয় ক্ষেত্ৰৰে অতি গুৰুত্বপূৰ্ণ বস্তু দুটাৰ নাম একে;— এইটো কম আমোদজনক যোগাযোগ নে?

আগৰ কথালৈ উভতি আহোঁ। প্ৰথম দিনা কলেজৰ পৰা হোটেললৈ ওভতোঁতে নটিংহিল গে'ট ষ্টেছনৰ ওচৰত বাছৰ পৰা ঠিকেই নামিলো, খোজ কাঢ়ি হোটেলখনৰ ফালে ঠিকেই আগ বাঢ়িলো; কিন্তু অলপ দূৰ অহাৰ পাছতে কোন ফালে গ'লে হোটেলখন পামগৈ ধৰিব নোৱৰা হ'লো। কিছু সময় ইফালে-সিফালে ঘূৰা-পকা কৰাৰ পাছত সিফালৰ পৰা আহি থকা বুঢ়ী এগৰাকীক সুধিলো,— হোটেলখনলৈ কোন ফালে যাব লাগে জানে নে কি? বুঢ়ীগৰাকীয়ে আঙুলিৰে দেখুৱাই বুজাই দিলে,— এইফালে গৈ, সেইফালে ঘূৰি, সেইফালে গ'লেই হোটেলখন পাবাগৈ। মই সেইমতে আগ বাঢ়িলো। গৈ-গৈ এখন সৰু পাৰ্ক পালো। তাৰ পাছতো বুঢ়ীগৰাকীয়ে কোৱা মতে ৰাস্তা নিমিলে। আগৰ ঠাইলৈ উভতি আহি আকৌ যাত্ৰা আৰম্ভ কৰিলো। এইবাৰো সেই একেই কথা। আকৌ উভতিলো, আকৌ আগবাঢ়িলো,— এনেকৈয়ে ভালেমান সময় গ'ল। সুধিবলৈ বাটত মানুহ-দুনুহো নাই। ইফালে আন্ধাৰ হৈও আহিছে। কি কৰা যায় ভাবিছোঁ, এনেতে দেখিলো,— সেই বুঢ়ীগৰাকী আহি আছে। এইবাৰ তেওঁৰ

হাতত বস্তুৰে ভৰা বেগ এটা। তেখেতে নিশ্চয় বজাৰ কৰি উভতি আহিছে।— "তুমি এতিয়াও হোটেলখন বিচাৰি পোৱাই নাই নে কি?"— মোৰ ভাও-ভংগী দেখি তেখেতে সুধিলে। মই ক'লো,—"নাই পোৱা।"—এইবাৰ বুঢ়ীগৰাকীয়ে মোৰ লগে-লগে আহি এনে এডোখৰ ঠাইত মোক থিয় কৰালে,—য'ৰ পৰা হোটেলখনৰ নিয়ন লাইটৰ ছাইনব'ৰ্ডখন দেখি থাকি।

নতুন ঠাইৰ বাট-পথ চিনি পোৱাৰ ক্ষেত্ৰত মই কেঁচা; সেইটো মই জানো; কিন্তু সেইবুলি হোটেলখনৰ ওচৰতে এনেকৈ আধা ঘণ্টা ঘূৰি ফুৰিলো;— কথাটোত,— বিশেষকৈ বুঢ়ীগৰাকীৰ আগত, বৰ লাজ পালো।

পাছদিনা কিন্তু অলডউইচৰ ইণ্ডিয়া হাউছ ঠিকমতেই উলিয়ালোগৈ। পিছে সেইদিনা গান্ধীজয়ন্তীৰ কাৰণে ইণ্ডিয়া হাউছ্ বন্ধ। কথাটো মই নাজানিছিলো। আগফালৰ দুৱাৰৰ ওচৰত লগাই থোৱা নটিছখন পঢ়ি গুচি আহিলো। পাছদিনা গৈ ড. এছ্. জি. ছাথায়ে নামৰ বিষয়া এজনক লগ ধৰিলো। তেখেতেই আছিল চৰকাৰৰ বৃত্তিৰে সেইখন দেশত পঢ়া-শুনা-গৱেষণা কৰা শিক্ষাৰ্থীসকলৰ তত্ত্বাৱধায়ক বিষয়া। তেখেতে মোক প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিলে আৰু লগতে ক'লে,— টকা-পইচাৰ কাৰণে মই কোনো অসুবিধাত পৰিব নালাগে। মাহটোৰ পইচাৰ কাগজখন দুই-তিনি তাৰিখৰ ভিতৰতে মোৰ নামত কলেজলৈ পঠিওৱা হ'ব।

সঁচাকৈয়ে,— মই তাত থকা দিনখিনিত প্ৰতি মাহৰ প্ৰথম সপ্তাহত তেত্ৰিছ পাউণ্ড ছয় ছিলিং আঠ পেন্সৰ কাগজ এখন মোৰ নামত আহি আছিল আৰু মই সেইখন কলেজলৈ অহা-যোৱা কৰা বাটতে পৰা লয়ডছ্ বেংকত জমা দিছিলো। ইণ্ডিয়া হাউছৰ ফালৰ পৰা কোনো অসুবিধা হোৱা নাছিল কাৰণে মোৰ গৱেষণাৰ কাম শেষ হৈ অহাৰ সময়তহে ড. ছাথায়েক আকৌ দেখা কৰাৰ প্ৰয়োজন হৈছিল। ইণ্ডিয়া হাউছলৈ পিছে সময়-সুবিধা পালে মাজে-মাজে গৈছিলো দুটা কামত। প্ৰথম কাম,— কোনো বিশেষ কাৰণত ভাৰতৰ বাতৰিকাকত আৰু আলোচনীৰ পৰা বাতৰি আৰু তথ্য সংগ্ৰহ কৰা, আৰু দ্বিতীয় কাম,—তাত থকা কেণ্টিনখনত এসাঁজ ভাত খোৱা। নিজে ৰন্ধা, বন্ধু-বান্ধৱে ৰন্ধা আৰু হোটেলৰ ৰান্ধনিয়ে ৰন্ধা নানা ধৰণৰ নানা স্বাদৰ খাদ্য সেই দেশত খাই পাইছিলো, কিন্তু সেইবোৰৰ ভিতৰত ইণ্ডিয়া হাউছৰ কেণ্টিনখনৰ দুপৰীয়াৰ ভাতসাঁজৰ এক সুকীয়া আকৰ্ষণ আছিল। আমি যে সাধাৰণতে কওঁ,— আমাৰ ৰাজহুৱা ভোজবোৰৰ দাইল-তৰকাৰি-ভাজি আদিৰ গোন্ধেই বেলেগ,— ইণ্ডিয়া হাউছৰ ভাতকাঁহীৰ বেলিকাও সেই ধৰণৰ কথা এষাৰ ক'ব পাৰি। সৰহীয়াকৈ ৰন্ধা হয় কাৰণেই নে কি,— সেই খোৱা কোঠালিটোত সোমালেই এটা 'ভোজ-ভোজ-গোন্ধ' পোৱা যায়। পিছে শাক-পাচলি মাছ-মঙহ কি ৰন্ধা হৈছে, সেয়া খাবলৈ কেনে হৈছে,— সেইবোৰ বিচাৰ কৰিবলৈ

পোৱাৰ আগতেই ভাতকাঁহীয়ে যিটো চেহেৰা লয়, সিও বৈশিষ্ট্যপূৰ্ণ। লণ্ডনত থাকোঁতেই লিখা, মোৰ 'এই বন্দৰৰ আবেলি' নামৰ কিতাপখনত সন্নিবিষ্ট 'ক্লান্তি নামে' নামৰ গল্পটোত সেই বৈশিষ্ট্যৰ বৰ্ণনাটো এনেকৈ দিয়া আছেঃ "এই কাঁহী লণ্ডন চহৰৰ ইণ্ডিয়া হাউছৰ ভাত। তলৰ পৰা চীনামাটিৰ পিৰিচখন আঁতৰাই তাৰ ঠাইত কলপাত এখন পাৰি দিলে, আৰু ছুৰী-কাটাচামুচ কেইপাত আঁতৰাই পেলালেই ভাতখিনিৰ চেহেৰা যি কোনো গঞা ৰাইজৰ ন-খোৱা ভোজ বা চেমনীয়া ল'ৰাৰ সোণাপুৰৰ পিকনিকৰ ভাতৰ নিচিনা হৈ পৰিব। কেৱল এটা কথা;— ৰাইজৰ ভোজত বা সোণাপুৰৰ পিকনিকত যিকেইজনে ভাত-তৰকাৰি বিলায়, তেওঁলোকৰ খাবলৈ বহাসকলৰ প্ৰতি এটা আদৰ বা শ্ৰদ্ধাৰ ভাব থাকে; কলপাতখনৰ ওপৰত ভাতৰ একাষে যদি কিবা এবিধ দিলে, আনবিধ ইকাষে অলপ সাৱধানে বাকি দিয়ে। ইণ্ডিয়া হাউছত খোৱাজনৰ প্ৰতি দিয়াজনৰ শ্ৰদ্ধা-আদৰ থকাৰ কোনো প্ৰয়োজন নাই। সেই কাৰণেই হ'বলা, দাইলৰ তলত ভাত, তৰকাৰিৰ তলত দাইল সমানে অদৃশ্য হৈ যায়।"— বৰ্ণনাটো শুদ্ধ আছিল।

এইখিনিতে শব্দ সম্পৰ্কীয় কথা এটা কৈ থওঁ। চন্দ্ৰকান্ত আৰু হেমকোষ অভিধানত তৰকাৰি শব্দটোৰ অৰ্থ যথাক্ৰমে শাক-পাচলি আৰু পাচলি বুলি দিয়া আছে। আমি কিন্তু সৰুৰে পৰা অলপ পানী ৰাখি শাক-পাচলি ৰান্ধিলে যিটো বস্তু হয়, সেইটোকহে তৰকাৰি বুলি আহিছোঁ। সেই বস্তুটো বুজাবলৈ আঞ্জা শব্দটোও ব্যৱহাৰ কৰোঁ; কিন্তু কমকৈ কৰোঁ। মাছৰ আঞ্জা, মাংসৰ আঞ্জাৰ নিচিনাকৈ আমি মাছ-তৰকাৰি, মাংস-তৰকাৰি বুলিও কওঁ; কিন্তু ঘাইকৈ শাক-পাচলিৰে ৰন্ধা, অলপ পানী থকা (থুপথুপীয়া) বস্তুটোকহে তৰকাৰি বুলি কওঁ। কিন্তু "বজাৰৰ পৰা তৰকাৰি কিনি আনিলো" বা "বাৰীখনত এই বছৰ তৰকাৰি ভাল নহ'ল"— এনেকৈ কেতিয়াও নকওঁ।

প্ৰথম যিদিনা ইণ্ডিয়া হাউছলৈ গৈছিলো, সেইদিনাই আবেলি হোটেল এৰি, ওচৰৰে Chepstow Place বোলা ঠাই এডোখৰত ৰত্নহাস গোস্বামীয়ে ঠিক কৰি দিয়া ঘৰ এটালৈ আহিলো। এমাহমানৰ বাহিৰে মই লণ্ডনত থকা গোটেই সময়খিনি,— প্ৰায় দুবছৰ তিনিমাহ,— সেইটো ঘৰতে কটালো। ঘৰটোৰ ভিতৰতে কোঠালি সলাইছিলো; কিন্তু ঘৰটো এৰা নাছিলো। ভাৰা কম কাৰণে মাজতে এমাহমান লগতে লাগি থকা ঘৰ এটাৰ চাৰি মহলাৰ কোঠালি এটালৈ গৈছিলো; কিন্তু তাত থাকি বেয়া পালো। ঘৰৰ মালিকনী বুঢ়ীৰ নিয়ম-কানুন বৰ কাৰা। বিশেষকৈ মোক লগ পাবলৈ আহি কোনোবাই বে'ল বজালে বুঢ়ীয়ে সমুখৰ দুৱাৰখন খুলি দিয়া কামটো কৰি বৰ আমনি পায়। সেই কথাটো এদিন তেওঁ মোৰ আগত প্ৰকাশো কৰিলে। আকৌ আগৰ ঘৰটোলৈ গুচি আহিলো। এইটো ঘৰৰ মালিক হ'ল দ্বিতীয় মহাযুদ্ধত ঘূৰ্ণীয়া হোৱা

পোলেণ্ডৰ সৈন্যসকলৰ কল্যাণৰ হকে কাম কৰা প্ৰতিষ্ঠান এটা। ঘৰটোৰ কোঠালিবোৰ ভাৰা দি যি লাভ হয় সেইখিনি প্ৰতিষ্ঠানটোৱে নিজৰ কাৰ্যসূচীৰ বাবে খৰচ কৰে। ঘৰটোৰ তত্ত্বাৱধায়কজনৰ নাম হ'ল কামিনস্কি। তেওঁ নিজে মহাযুদ্ধত ঘূণীয়া হোৱা মানুহ। চুটি-চাপৰ, খীণ-মীণ এই অবিবাহিত, প্ৰৌঢ় মানুহজন লণ্ডনত মোৰ 'ঘৰুৱা বন্ধু' আছিল। ৰাস্তালৈ ওলাই যোৱা দুৱাৰখনৰ কাষতে এটা সৰু কোঠালি;— সেইটোৱেই কামিনস্কিৰ অফিছ। লাইট নজ্বলালে কোঠালিটো দিনতে অন্ধকাৰ হৈ থাকে। কম পোহৰৰ টেবল লাইট এটা জ্বলাই মানুহজনে মূৰটো কাগজ-বহী একেবাৰে ওচৰলৈ নি হিচাপ-পাতি লিখি থাকে। ওচৰৰ কোঠালি এটাতে তেওঁৰ শোৱাৰ ব্যৱস্থা। এই দুটা কোঠাৰ পৰা সেই দুবছৰ তিনিমাহে মানুহজনক মই বাহিৰলৈ ওলোৱা নেদেখিলো। মই নথকা সময়ত বা ৰাতি ওলাই যায় বুলিও মোৰ সন্দেহ নহয়। মাক-বাপেক, ভাই-ককাই, — নিজৰ বুলিবলৈ মানুহজনৰ কোনো নাছিল। মাজে-মাজে কেইগৰাকীমান আদবয়সীয়া তিৰোতা মানুহে তেওঁৰ লগত মেল মাৰিছিলহি। এদিন মই সুধিলো,— মিষ্টাৰ কামিনস্কি, তোমাৰ ইমানবোৰ বান্ধৱী আছে; তেওঁলোকৰে এগৰাকীৰে ঘৰ নাপাতা কিয়? কামিনস্কিয়ে তেওঁৰ বিশেষ ধৰণৰ উচ্চাৰণ আৰু ব্যাকৰণবৰ্জিত ইংৰাজীৰে ক'লে,— এশজনী বান্ধৱী থাকিলেও লাভ নাই। কিয় বুলি সোধোঁতে তেওঁ ক'লে,—বৈবাহিক জীৱন যাপন কৰাৰ বাবে প্ৰয়োজনীয় দৈহিক সামৰ্থ্য তেওঁৰ নাই। মহাযুদ্ধখনে তেওঁক কেইবাটাও দিশত পংগু কৰি থৈ গৈছিল।

পোলিছ প্ৰতিষ্ঠানটোৱে কামিনস্কিক বৰ কম পইচা দিছিল। দিনৰ পাছত দিন তেওঁক একেযোৰ কাপোৰেৰেই দেখিছিলো। কেৱল খৃষ্টমাছ ইভৰ দিনা সন্ধিয়া তেওঁ এযোৰ ক'লা ছুট পিন্ধিছিল। সেইদিনা মই তেওঁক এবটল বিয়েৰ উপহাৰ দিছিলো। মানুহজনে উৎফুল্ল হৈ আন্তৰিকতাৰে থেংক ইউ— থেংক ইউ কৰিছিল।

সেইটো ঘৰৰ যিটো কোঠালিত প্ৰথম সোমাইছিলোহি, সেইটো বৰ ডাঙৰ কোঠালি আছিল। তাৰ এখন বেৰত ইমান ডাঙৰ আয়না এখন লগোৱা আছিল যে নিজৰ প্ৰতিবিম্বটো নেদেখাকৈ কোঠালিটোত থিয় হোৱাৰ ঠাই প্ৰায় নাছিলেই। সিমান ডাঙৰ আয়না তেতিয়ালৈকে মই দেখা নাছিলো। এসময়ত আয়নাখনৰ ফালে চাই থাকোঁতে তাত বৃটিছৰ বুৰঞ্জী আৰু ভাৰতত তেওঁলোকৰ দুশ বছৰীয়া শাসনৰ ছবি প্ৰতিফলিত হোৱা যেন লাগিছিল। কোঠালিটোত এটা টেলিফোনো আছিল। পাছদিনা পুৱা সাৰ পাই খিৰিকিয়েদি বাহিৰলৈ চাই ছয়মান বাজিছে বুলি অনুমান কৰিছিলো। নিশ্চিত হ'বলৈ কামিনস্কিলৈ ফোন কৰিছিলো। তেওঁ কৈছিল,— চাৰে আঠ বাজিছে। তেতিয়ালৈকে মোৰ লগত হাতঘড়িৰ সম্বন্ধ ঘটাই নাছিল।

সপ্তাহে চাৰে তিনি পাইণ্ড ভাৰা দি সেইটো কোঠালিত থকাটো মোৰ কাৰণে সম্ভৱপৰ নাছিল। খালী হোৱাৰ লগে-লগে কামিনস্কিয়ে মোক এটা সৰু কোঠালি দিলে।

তাৰ পাছত ইটো কোঠালি, সিটো ঘৰ,— এনেকৈ কিছুদিন কটালো। শেষত— ১৯৫৯ চনৰ ১৪ ফেব্ৰুৱাৰিৰ দিনা 'স্থায়ী' কোঠাটোলৈ আহিলো। স্থায়ী মানে— তাৰ পাছত আৰু কোঠালি নসলালো।63 Chepstow Place- অৰ Room no. 26A,– সেইটোৱেই লণ্ডনত থকা বাকী দিনখিনিৰ বাবে মোৰ স্থায়ী ঠিকনা হৈ ৰ'ল। এখন স্প্ৰিং লগোৱা কোমল বিছনা, শিতানৰ ফালে ছিলিঙৰ পৰা ওলমি থকা সূতা এডালৰ মূৰত বগা টুপ এটা লাগি থাকে;— সেইটো বে'ড ছুইচ, এটা আলমাৰি, এখন সৰু মেজ, এখন চকী, এটা গেছৰ চৌকা,— তাতে কোঠালিটো গৰম কৰাৰো ব্যৱস্থা আছে, হাত-মুখ ধোৱা বেছিন এটা আৰু পেলনীয়া বস্তু পেলাবলৈ বাচন এটা,— কোঠালিটোত বস্তু সিমানেই। তিৰোতা এগৰাকীয়ে সদায় কোঠালিটো সৰা-মচা কৰি যায়, সপ্তাহত এদিন বিছনা-কাপোৰ সলাই দি যায়;— আৰু এই সকলোৰে বাবদ প্ৰতি শনিবাৰে কামিনস্কিৰ হাতত মই দুই পাউণ্ড দহ ছিলিং জমা দিওঁ।

ইতিমধ্যে ৰন্ধা-বঢ়াৰ বাচন-বৰ্তন, হেঁতা-চামুচ সকলো গোট খাইছিল;— এইবাৰ মোৰ প্ৰয়োজনীয় আৰু চখৰ বস্তু কেইটামান গোটাবলৈ ল'লো। পৃথিৱীৰ সৰু গ্ল'ব এটা, স্মিথ-এলাৰ্ম টেবল ঘড়ি এটা, ৰেডিঅ' এটা—। ঘড়িৰ কথা ওলাওঁতে মনত পৰিল ঃ লণ্ডনত উপস্থিত হোৱাৰ কিছুদিনৰ পাছতে জাৰ পৰিবলৈ আৰম্ভ কৰিছিল। বাটে-পথে মানুহবোৰৰ সাজ-পাৰ দেখি অনুভৱ কৰিছিলো,— অ'ভাৰকোট এটা নহ'লে মই চলিব নোৱাৰিম। ইফালে পইচাৰ কথাও আছে। মোৰ সমস্যাটো বুজি সুৰেন দাদাই এদিন মোক ছেকেণ্ড-হেণ্ড বস্তুৰ বজাৰ এখনলৈ লৈ গ'ল। তাত ক'লা, ডবহা অ'ভাৰকোট এটা কিনিলো। লগতে Oris কোম্পানিৰ হাতঘড়ি এটা। সেইটোৱেই মোৰ জীৱনৰ প্ৰথম হাতঘড়ি। কিছুদিন যোৱাৰ পাছত ছেকেণ্ড-হেণ্ড ৰেকৰ্ড-চেঞ্জাৰ এটাও যোগাৰ কৰিলো। একেলগে দহখন ৰেকৰ্ড জাপি দিলে এখন-এখনকৈ বাজি থাকে। এইটো কিনিলো অৰবিন্দ কুণ্ডু নামে বন্ধু এজনৰ পৰা। ৰেকৰ্ড চেঞ্জাৰটোৰ লগতে তেওঁ তেওঁৰ তাত থকা ৰেকৰ্ডখিনিও দিলে। সুশ্ৰাব্য বাংলা গানৰ ৰেকৰ্ড।— জীবনের এই পান্থশালায় পথিক তুমি এলে, যাবাৰ বেলায় ভালোবাসা ৰেখে গেলে—। কোঠালিটোৰ বতাহখিনিয়ে এটা নতুন জীৱন পালে।

মোক এই বস্তুখিনি বিক্ৰি কৰাৰ উপৰিও আৰু দুটামান কাৰণত অৰবিন্দ কুণ্ডুৰ কথা মোৰ মনত পৰি থাকে। এওঁ গোৱালপাৰাৰ ল'ৰা। কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ মহাৰাণী স্বৰ্ণময়ী ৰ'ডত থকা হোষ্টেলত এওঁ আমাতকৈ এবছৰৰ আগতে অহা বাসিন্দা আছিল। অসমীয়া ছাত্ৰখিনিক এওঁ আপোন জ্ঞান কৰিছিল আৰু বিপদে-আপদে সহায় কৰিছিল। মানুহজনক মই ভাল পাইছিলো। পিছে এদিন তেওঁ মোক এটা ভাল শিক্ষা দিলে। কোনোবা এটা দেওবাৰে তেওঁ মোক তেওঁৰ বে'লছাইজ পাৰ্কত

থকা কোঠালৈ দুপৰীয়াৰ সাঁজ খাবলৈ মাতিলে। গ'লো। স্বৰ্ণময়ী হোষ্টেলৰ আন এজন বাসিন্দা,— সেই যে গোটেই কাঁহী ভাত প্ৰথমতে ফেনেকি লয়, সেই সৌৰীন চক্ৰৱৰ্তীও তাত উপস্থিত হ'লহি। আমাৰ বাহিৰে আছিল অৰবিন্দ কুণ্ডুৰ বন্ধু এজন আৰু ইউৰোপীয় ছোৱালী এজনী। একমান বজাত সকলোৱে ভাৰতীয় প্ৰণালীৰে ৰন্ধা খাদ্য পৰম তৃপ্তিৰে খালো। তাৰ পাছত কুণ্ডুৱে আলমাৰিৰ পৰা তেনেই সৰু-সৰু কাচৰ গিলাছ কেইটামান আৰু সৰু, সুদৃশ্য বটল এটা উলিয়ালে। সেই কামটো কৰোঁতে তেওঁ আমাক বুজাই থাকিল,— বটলত থকা পানীয়বিধৰ নাম হ'ল ছুখ্‌ট্ৰ'জ। অতি উৎকৃষ্ট, বৰ দামী ফৰাছী মদ। সাধাৰণতে এই মদ চাহ-চামুচৰ তিনি বা চাৰি চামুচৰ বেছি খাব নালাগে। তাৰ পাছত তেওঁ মেজৰ ওচৰলৈ আহি গিলাছকেইটাত অলপ-অলপ মদ বাকি দিলে। সেউজীয়া ৰঙৰ, গ্লিছাৰিনৰ নিচিনা ডাঠ পদাৰ্থ। তেতিয়ালৈকে কোনো দিনেই মই মদ মুখত দিয়া নাছিলো। কথাটো কুণ্ডুক ক'লো। তেওঁ মোৰ কথাটো পাতলাই দি উচ্চ কণ্ঠেৰে ক'লে,—"তোমাক মই এলাপেচা মদ দিয়া নাই নহয়! ছুখ্‌ট্ৰ'জ ছুখ্‌ট্ৰ'জ! বেলেগ ফেমিলিৰ বস্তু। খাই চোৱা।"

খালো। তেনেই অকণমান। চাহ-চামুচৰ তিনি চামুচমান। দহ মিনিটমানৰ পাছতে কোনে কি কৈছে মোৰ কাণত নোসোমোৱা যেন লাগিল। তাৰ পাছত কি হ'ল মই ক'ব নোৱাৰোঁ। যেতিয়া সাৰ পালো, তেতিয়া চাৰে চাৰি বাজিছে। কোঠালিটোত কুণ্ডুৰ বাহিৰে কোনো নাই। তেওঁ মই সাৰ পোৱালৈ বাট চাই কিতাপ এখন পঢ়ি আছে।

মুঠৰ ওপৰত গান-বাজনা, কিতাপ- আলোচনী, কথা-বতৰা আদিৰ ফালৰ পৰা কোঠালিটো যাতে নিজৰ দেশখনৰ ওচৰ চাপি থাকে, তাৰ সকলো বন্দবস্ত কৰিবলৈ চেষ্টা কৰিলো। কুণ্ডুৱে দিয়া ৰেকৰ্ড কেইখনৰ উপৰি অসমীয়া গানৰ ৰেকৰ্ড কেইখনমানো যোগাৰ কৰিলো। ইয়ালৈ অহাৰ আগে-আগে 'অসম-বাণী' নামৰ সাপ্তাহিক কাকতখনে পতা চুটি গল্প প্ৰতিযোগিতা এটাত মই শিক্ষাগুৰু নামৰ গল্প এটাৰ বাবে প্ৰথম পুৰস্কাৰ পাইছিলো। এবছৰলৈ মই বিনামূলীয়াকৈ কাকতখন পাই থাকিম,— সেয়ে আছিল পুৰস্কাৰ। গতিকে লণ্ডনত ভৰি দিয়াৰ কিছুদিনৰ পাছৰ পৰা প্ৰতি সপ্তাহে 'অসম বাণী'খন পাবলৈ ধৰিলো। আনন্দবাজাৰ গোষ্ঠীৰ লণ্ডন অফিছৰ লগত 'দেশ' আলোচনীখন নিয়মীয়াকৈ পোৱাৰ ব্যৱস্থা কৰিলো। অসমৰ পৰা বিভিন্নজনে বিভিন্ন কিতাপ-আলোচনী সময়ে-সময়ে পঠাই আছিল। থূলমূলকৈ এয়া হ'ল গান-বাজনা কিতাপ-আলোচনীৰ কথা।

কথা-বতৰাৰ ফালৰ পৰা কেতিয়াবা লণ্ডনতেই আছোঁ নে অসমতেই আছোঁ, সেইটো পাহৰি যোৱা যেন অৱস্থা হৈছিল। মই থকা ঘৰটো এটা চাৰিআলিৰ চুকতে। সেই

চাৰিআলিটোত থিয় হৈ চিঞৰ মাৰিলে শুনা দূৰত্বতে থাকে অনিল শৰ্মা (পাছলৈ গুৱাহাটীৰ বেৰিষ্টাৰ), বাচা (জীতেন) বৰুৱা (এসময়ৰ যোৰহাটৰ লেখত ল'বলগীয়া ক্ৰিকেট খেলুৱৈ) আৰু জয়ন্ত মাধৱ (এতিয়া ভাৰতৰ উত্তৰ-পূৰ্ব অঞ্চলৰ উন্নয়নৰ হকে প্ৰতিষ্ঠা কৰা বেংক এটাৰ চেয়াৰমেন)। ওচৰৰে হ'লেও পাৰ্কত থাকে সুৰেন দাদা; দহ মিনিট খোজ কাঢ়িলেই ৰত্নহাস গোস্বামীৰ কোঠালি, আৰু প্ৰায় সিমান দূৰৰে পৰচেষ্টাৰ স্কোৱাৰত থাকে শৰত কুমাৰ বৰুৱা (পাছলৈ অসমৰ ডাইৰেক্টৰ, টেকনিকেল এডুকেশ্যন)। শৰত বৰুৱা থকা ঘৰটোতে এসময়ত আছিলগৈ শৈলধৰ গগৈ (পাছলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য) আৰু মই থকা ঘৰটোতে আছিলহি ভূপতি ডেকা (পাছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ ৰিডাৰ)। সুৰেন দাদা থকা ঘৰটোতে থাকি কলিকতাৰ প্ৰসূন মজুমদাৰ নামৰ ল'ৰা এজনে ইঞ্জিনিয়াৰিং পঢ়িছিল। তেওঁ অসমীয়া ল'ৰাখিনিৰ লগৰে এজন হৈ পৰিছিল। বিপৰীত ফালে, আমাৰ ঘৰটোৰ পৰা অলপ দূৰতে আছিল যোৰহাটৰে আন এজন জীতেন (ৰজা) বৰুৱা (বেৰিষ্টাৰ)। আমাৰ অঞ্চলটো অসমীয়া মানুহৰ ঘনবসতি অঞ্চল আছিল কাৰণে মহানগৰখনৰ বিভিন্ন অঞ্চলৰ পৰা এইটো অঞ্চললৈ অসমীয়া মানুহৰ সোঁত বৈছিল। অঞ্চলটোৰ পৰা দূৰৰ এঠাইত আছিল যদিও কুলদা কুমাৰ ভট্টাচাৰ্য (চলচ্চিত্ৰ পৰিচালক, লেখক) দীঘলীয়া সময় এছোৱাৰ বাবে মোৰ ঘনিষ্ঠ সংগী আছিল। সেই সময়ত ডায়েৰি লিখাটো মোৰ অপৰিহাৰ্য কামৰ ভিতৰত পৰা নাছিল যদিও ১৯৫৯ চনৰ বছৰটোৰ কিছু কথা পকেট-ডায়েৰি এখনত লিখি গৈছিলো। সেইখনৰ পাত লুটিয়ালে মন কৰোঁ,— অসমীয়া মানুহ লগ নোপোৱা দিন বৰ কমেইহে আছিল। তদুপৰি, মোৰ মনত পৰে,— মোৰ কোঠালিটোত বন্ধু-বান্ধৱৰ সমাগমৰ মাত্ৰাটো অলপ বেছি আছিল। উদাহৰণ ডায়েৰিৰ পাতৰ পৰাই দিওঁ ঃ

১৮ জানুৱাৰি, দেওবাৰ। জয়ন্তই ময়ে একেলগে খালো। মোৰ তাতে। শৰত বৰুৱা, প্ৰসূন, কুলদা, জয়ন্ত, ৰত্নহাস, দুলাল বৰকটকী, প্ৰভাস গোস্বামী, কমল হাজৰিকা, শংখ বৰুৱা। গোটেই দিনটো গান শুনিলো। (কেৱল অভ্যাগত সম্পৰ্কীয় কথাহে উল্লেখ কৰিছোঁ। বাকী কথা যি দুই-এটা আছে বাদ দিছোঁ।) তেনেই সৰু ডায়েৰি কাৰণে কথাবোৰ লিপিবদ্ধ কৰা ভাষাটো টেলিগ্ৰাফিক আছিল। দুলাল বৰকটকী আৰু শংখ বৰুৱা পাছলৈ অসমৰ মেডিকেল কলেজৰ অধ্যাপক হৈছিল। প্ৰভাস চন্দ্ৰ গোস্বামীয়ে এগৰাকী অৰ্থনীতিবিদ হিচাপে, আৰু ভবেন পাঠকে শিক্ষাবিদ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছিল।

২৪ জানুৱাৰি, শনিবাৰ। দুই বজাৰ পাছতে ৰত্নহাস, জয়ন্ত, কৰুণা মেধি, প্ৰভাস গোস্বামী, ভবেন পাঠক, প্ৰসূন মজুমদাৰ, সুৰেন গোস্বামী আৰু কুলদা আহিল। এয়া শনিবাৰ-দেওবাৰৰ উদাহৰণ; কিন্তু অন্যান্য বাৰতো কোনোবা নহয় কোনোবা অসমীয়া

মানুহ আহিছেই, নাইবা কাৰোবাক নহয় কাৰোবাক অইন ঠাইত লগ পাইছোঁৱেই। তদুপৰি, মোৰ কোঠালিত বন্ধু-বান্ধৱে ভাত খোৱাৰ পৰ্বটোও সঘনে অনুষ্ঠিত হৈছিল। সেই পৰ্বৰ ফলস্বৰূপেই হ'বলা, ভেৰা ছাগলীৰ মাংস আৰু সৰিয়হ দি মেকৰল আৰু হেৰিং মাছৰ তৰকাৰি ৰন্ধাত মই ওস্তাদ বুলি এটা জনৰৱে অসমীয়াসকলৰ মাজত গা কৰি উঠিছিল। অৱশ্যে শনি-দেওবাৰে বা বন্ধৰ দিনা কোনোবাই কাৰোবাক নিমন্ত্ৰণ কৰি ৰান্ধি-বাঢ়ি খুউৱাটো আমাৰ বাবে এটা জনপ্ৰিয় কাম আছিল। ময়ো মাজে-মাজে ইজন-সিজনৰ ঘৰত খাবলৈ গৈছিলো। এই সংক্ৰান্তত ছেগাচোৰোকাকৈ কিছুমান আমোদজনক কথা মনত পৰে। কালীনাথ শৰ্মা ছাৰ ভাৰতলৈ যাবলৈ আহি সুৰেনদাৰ তাত আছেহি। সেই সময়তে মোকো সুৰেনদাই ভাত খাবলৈ মাতিলে। গৈ দেখোঁ,— শৰ্মা ছাৰে নিজে ভাত ৰন্ধাৰ দায়িত্ব লৈছে। দাইল বহাবলৈ তেখেতে বাচনটো চৌকাৰ ওপৰত তুলি দিছে। বাচনৰ মুখলৈকে পানী, তলিত দাইল। তাত দুচামুচমান হালধি দি তেখেতে পুৰণি হিন্দী ফিল্মৰ গান এটা গাই-গাই ডাঙৰ চামুচ এখনেৰে পানী আৰু দাইলখিনি লৰাই আছে। মই বোলোঁ—"ছাৰ, এতিয়াই, চেঁচা পানীতে হালধি দি দিলে?" ছাৰে বোলে,— "এইটোৱেই আচল নিয়ম।" ছাৰে ৰন্ধা ভাতসাঁজ খাই সেইদিনা বৰ তৃপ্তি পালো। এদিন ৰাতিৰ সাঁজ খাবলৈ গৈছিলো কুলদা ভট্টাচাৰ্যৰ ঘৰলৈ। তেওঁৰ লগত ছিলেটৰ ল'ৰা এজন থাকে। ৰান্ধিছিল সেই ল'ৰাজনে। খাবলৈ মজিয়াত লেপেটা কাঢ়ি বহি লৈছিলো। ল'ৰাজনে ক'ৰবাৰ পৰা মোৱা-পুঠি জাতীয় সৰু মাছ যোগাৰ কৰিছিল। দাইল-ভাজিৰ বাহিৰেও সৰু মাছেৰেই তেওঁ তিনিখন বেলেগ-বেলেগ সোৱাদৰ জলা দিয়া তৰকাৰি ৰান্ধিছিল। সেই ৰাতি মই ইমান বেছিকৈ খাইছিলো যে ৰাতি ঘৰলৈ ওভতোঁতে ৰে'লত উশাহ লওঁতে অস্বস্তি অনুভৱ কৰিছিলো। বিছনাত দীঘল দি কিছু সময় পৰি থকাৰ পাছতহে অলপ সকাহ পাইছিলো। তেনেকুৱা অতিভোজনৰ ঘটনা মোৰ জীৱনত দ্বিতীয়বাৰ ঘটা নাই। বিছনাত পৰি কিন্তু মই সেই ৰান্ধনি ল'ৰাজনৰ কথাহে ভাবি আছিলো। তৰোৱাল বনোৱা কাৰখানা এটাত সপ্তাহত সাত পাউণ্ড উপাৰ্জন কৰি তেওঁ মাকলৈ টকা পঠিয়ায় আৰু নিজে ইঞ্জিনিয়াৰিং পঢ়ে। ডায়েৰিত মই তেওঁৰ বিষয়ে লিখিছিলো,— "নিজকে লৈ ব্যস্ত থকা অত্যন্ত নিৰ্জু ল'ৰা...। কথাই-কথাই লাজ কৰে। কামৰ বাহিৰে একোৰে ভু নাপায়।" ক'লা ৰঙৰ, শকত-আৱত সেই ল'ৰাজনৰ জীৱন-সংগ্ৰামৰ কাহিনী মোৰ বাবে আদৰণীয় আছিল।

যিটো কামৰ কাৰণে মই এইখন মহানগৰলৈ আহিলো, সেইটোৰ বাহিৰেও মোৰ ভালেমান বিষয়ৰ প্ৰতি আগ্ৰহ আছিল। মূল কামটোৰ ক্ষতি নোহোৱাকৈ মই সেইবোৰ বিষয়ৰ কাৰণে সময় উলিয়াইছিলো। সেইবোৰ কথাৰ সবিশেষ নতুনকৈ লিখাৰ সলনি

ডায়েৰিখনৰ অ'ৰ-ত'ৰ পৰা শাৰী কিছুমান উদ্ধৃত কৰিলেই কথাবোৰৰ এটা আভাস পোৱা যাব যেন লাগে। তাকো কৰোঁ।

৩ জানুৱাৰি ঃ সুৰেন গোস্বামী আৰু মজুমদাৰৰ লগত Nut Cracker (ballet) চাবলৈ গ'লো।

১৭ জানুৱাৰি ঃ ৰাতিপুৱাৰ পৰা বিহু-বিহু লাগিছে। ...৬ বজাত N. K. ৰেস্তোঁৰালৈ গ'লো। সম্পাদক হ'লো। (সেই ৰেস্তোঁৰাখনৰ এটা কোঠাত লণ্ডনৰ অসমীয়া মানুহখিনিয়ে সেইদিনা বিহু পাতিছিল। মোক তেওঁলোকে নতুন বছৰটোৰ কাৰণে সম্পাদক পাতিছিল।)

২২ জানুৱাৰি ঃ কিঙৰ লগত ভিক্টোৰিয়াত Physical Society ৰ প্ৰদৰ্শনী চাবলৈ গ'লো।

৩১ জানুৱাৰি ঃ Rebecca নামৰ ফিল্মখন চালো। লৰেন্স অলিভিয়েৰ আৰু জ'ন ফণ্টেইনক বৰ ভাল লাগিল।

২ ফেব্ৰুৱাৰি ঃ "দুটা বস্তুৰ সময়-অসময় নাই— প্ৰেম আৰু মৃত্যু। ... অশ্বত্থেৰ মত ছায়া নেই, মায়েৰ মত মায়া নেই" (অচিন্ত্য কুমাৰ)।

২৮ ফেব্ৰুৱাৰি ঃ এক বজাত ফুটবল খেল চাবলৈ গ'লো। Arsenal vs. United Manchester. আৰ্ছেনালে অপূৰ্ব খেল দেখুৱালে। ৩-২ গ'লত জিকিল।

৯ মাৰ্চ ঃ গধূলি কলেজত নাটক চালো। Taming of the shrew. নায়ক এলেনৰ অভিনয় আৰু নায়িকা কৰ্নব্ৰাথৰ grace চাবলগীয়া।

১৫ মাৰ্চ ঃ ২-১৫ মিটিঙলৈ গ'লো। সতীশ চন্দ্ৰ কাকতীৰ অভ্যৰ্থনাৰ্থে সৰু মিটিং। ১৭ জন মানুহ।

৬ মে' ঃ খোৱাবোৱাৰ পাছত কলেজৰ পৰা ইংলেণ্ড আৰু ইটালিৰ ফুটবল খেল চাবলৈ গ'লো। ৰেম্বলিত। অতি সুন্দৰ ব্যৱস্থা।

২৩ মে' ঃ কুলদাৰ লগত লৰ্ডছলৈ। India vs M. C. C ভাৰতৰ ফাষ্ট বাউলিঙৰ অভাৱ পৰিষ্কাৰ।

২৮ মে' ঃ ড. উইলমেনে টিকেট এখন দি Chelsea ত ফুলৰ প্ৰদৰ্শনী চাবলৈ পঠিয়ালে। শৰত বৰুৱাকো লগ ধৰিলো। বৰ ভাল লাগিল। ফুলৰ কাৰণে মানুহে যে কিমান কি কৰিব পাৰে!

১৩ জুন ঃ ৰাতিপুৱাই ৰাণীক চাবলৈ গ'লো। ইমান ধুনীয়া march past আগতে দেখা নাই। বিশেষকৈ বেণ্ড আৰু সাজপাৰ। প্ৰিন্সেছ মাৰ্গাৰেট, ৰাণী এলিজাবেথ আৰু কুইন মাদাৰক দেখিলো।... শৰত বৰুৱাৰ লগত ভাত খাই Wild Straberry নামৰ ফিল্মখন চালো।

১৮ জুন ঃ কলেজলৈ নগৈ লৰ্ডছত ভাৰত আৰু ইংলেণ্ডৰ দ্বিতীয় টেষ্ট চাবলৈ গ'লো।

২০ জুন ঃ টেষ্ট মেচ চাবলৈ গ'লো। মাঞ্জৰেকাৰ আউট হওঁতে বেয়া লাগিল। ইংলেণ্ড ৮ উইকেটত জিকিল। এইবাৰ কিন্তু ভাৰতে ভাল খেলিছে।

২৬ জুন ঃ কৃষ্ণানে ইমান ভাল খেলিও অলমিড'ৰ লগত হাৰিল। মনটো বেয়া লাগিছে। আবেলি মহেন্দ্ৰ মোহন চৌধুৰীক লগ ধৰিবলৈ গ'লো।

২৮ জুন ঃ আবেলি মহেন্দ্ৰ মোহন চৌধুৰীক অভ্যৰ্থনা জনোৱা মিটিঙলৈ গ'লো। মোৰ নিজৰে অলপ পলম হ'ল।

৮ জুলাই ঃ কালি বৃটিছ অ'ভাৰছিজ ক্লাবত টেবল টেনিছ খেলিলো।

২৬ জুলাই ঃ Hampton Court চাবলৈ গ'লো। অষ্টম এডৱাৰ্ডৰ বাসভৱন।

৩০ জুলাই ঃ খোৱাবোৱাৰ পাছত কুলদাৰ লগত Surreyৰ লগত ভাৰতৰ ক্ৰিকেট খেল চাবলৈ গ'লো। অভেলত। লৰ্ডছ বেছি ভাল।

৮ আগষ্ট ঃ ৰাতিপুৱা ৮-৩০ বজাত জয়ন্ত, বৰকটকী আৰু তেওঁৰ পৰিবাৰৰ লগত, বৰকটকীৰ মটৰত ষ্ট্ৰেটফ'ৰ্ড-আপন-এভন আৰু অক্সফ'ৰ্ডলৈ গ'লো। শ্যেক্সপিয়েৰৰ জন্ম ঠাইত থিয় হৈ থাকোঁতে ক্ৰিষ্ট'ফাৰ মাৰ্লোৰ কথা বৰকৈ মনলৈ আহিছিল। (দুলাল বৰকটকী আছাম টি কম্পেনিৰ বিষয়া আছিল। তেখেতৰ পৰিবাৰ গল্পলেখিকা স্নেহদেৱীৰ কন্যা আছিল। দুয়ো কিছুদিনৰ কাৰণে লণ্ডনত আছিলগৈ। তেখেতসকলে তাত ঘূৰা-পকা কৰিবলৈ এখন গাড়ী পাইছিল। সেইছোৱা সময়ত তেখেতসকলে মোৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰাখিছিল। তেখেতসকলৰ যহতে শ্যেক্সপিয়েৰৰ ঘৰটো, ভিতৰৰ কোঠালিবোৰ, জুহালখন, জুহালৰ ওপৰত ওলমি থকা পানী গৰম কৰা বাচনটো, নাট্যকাৰ-কবিগৰাকীৰ হাতৰ আখৰ আদি দেখিবলৈ পাইছিলো।)

ৰামনাথন কৃষ্ণানে ভাল খেলিও অলমিড'ৰ হাতত পৰাজিত হোৱাৰ কথাটো যে চমুকৈ ডায়েৰিত লিখি থৈছিলো, তাৰ লগত মনত থকা কথা অলপমান যোদ দি থব খুজিছোঁ। উইম্বলডনৰ ক'ৰ্টত কৃষ্ণানে যিছোৱা সময়ত সৰ্বোৎকৃষ্ট খেল প্ৰদৰ্শন কৰিছিল, সেইছোৱা সময়তে আমি লণ্ডনত আছিলো। তেওঁৰ খেল চাবলৈ গৈয়েই উইম্বলডনৰ ছেণ্টাৰ ক'ৰ্টত সোমাইছিলো। সেই সময়ত উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ এটা উল্লেখযোগ্য 'পাৰ্শ্বজ্যোতি' আছিল মহিলাসকলৰ,— বিশেষকৈ আদবয়সীয়া আৰু বৃদ্ধ মহিলাসকলৰ টুপীৰ অঘোষিত প্ৰতিযোগিতা। বিভিন্ন ধৰণৰ কাৰু-কাৰ্য খটোৱা, বিভিন্ন আকৃতিৰ, বিভিন্ন ৰঙৰ হেট পিন্ধাটো মহিলা-দৰ্শকসকলৰ বহুতৰে চখৰ কাম আছিল। কেৱল ছেণ্টাৰ ক'ৰ্ট বা এক নম্বৰ ক'ৰ্টৰ গুৰুত্বপূৰ্ণ খেল চোৱাই নহয়, থিয়ে-থিয়ে খেল চাবলগীয়া অন্য ক'ৰ্টবোৰৰো আশে-পাশে ঘূৰা-পকা কৰি দৰ্শকসকলে সমগ্ৰ অঞ্চলটোক এক মনোমোহা উৎসৱৰ চৰিত্ৰ প্ৰদান কৰিছিল। প্ৰতিযোগিতাৰ আৰম্ভণিৰ সময়ছোৱাত এই কাষৰীয়া ক'ৰ্টবোৰতো প্ৰসিদ্ধ খেলুৱৈৰ খেল চাবলৈ পোৱা গৈছিল। তেনেকুৱা

কৰ্ট এখনতে এদিন মই ৰড লে'ভাৰৰ খেল নিচেই ওচৰৰ পৰা চোৱাৰ সুবিধা পাইছিলো। প্ৰসিদ্ধিৰ জখলা বগাবলৈ আৰম্ভ কৰা ৰড লে'ভাৰক তেতিয়া দেখাত সৰু ল'ৰাৰ নিচিনা লাগিছিল।

'নিচেই ওচৰৰ পৰা দেখা'— কথাটো ওলাওঁতে অইন এটা দৃশ্য বৰ্ণাই থওঁ। মই নিচেই ওচৰৰ পৰা দেখা অতি বিখ্যাত মানুহ এগৰাকী হ'ল— ছাৰ উইনষ্টন চাৰ্চিল। এদিন কিবা কামত চেৰিং ক্ৰছ অঞ্চলৰ ৰাস্তা এটাইদি গৈ আছোঁ; ৰঙা লাইট জ্বলাৰ কাৰণে মোৰ সমুখৰ ঘাই ৰাস্তাটোৰেদি অহা-যোৱা কৰি থকা গাড়ীবোৰ ৰৈ গ'ল। গাড়ীয়ে মই গৈ থকা সৰু বাটটো ভেটি ধৰাৰ কাৰণে ময়ো ৰৈ গ'লো। মোৰ ঠিক সমুখতে, নিচেই কাষতে এখন ক'লা গাড়ী ৰ'লহি। প্ৰথমতে মই গাড়ীখনৰ ওপৰত একো গুৰুত্ব দিয়া নাছিলো; কিন্তু হঠাতে চকুত পৰিল ভিতৰৰ মানুহজন। মোৰ ফালে পৰা খিৰিকিখনৰ ওচৰত আউজি বহি আছে চাৰ্চিল। মুখত সেই ফটোত দেখা ধৰণৰ ছিগাৰ এটা। দূৰৰ চাৰিআলিত সেউজীয়া লাইট নজ্বলালৈকে মই মানুহগৰাকীক চাই থাকিলো। মানুহগৰাকীয়ে সমুখৰ ফালে দূৰলৈ চাই একান্তমনে ছিগাৰ হুপি আছিল।

চাৰ্চিলক বাৰু আকস্মিকভাৱে দেখিলো; কিন্তু এনেয়েও তাত থকা সময়ছোৱাত বিভিন্ন ক্ষেত্ৰৰ 'বিখ্যাত মানুহ' চোৱাৰ মোৰ এটা হেঁপাহ আছিল। ডায়েৰিৰ ২৭ আগষ্টৰ ঘৰত লিখা আছে,—"আইজেনহাৱাৰ আৰু মেকমিলানক চাবলৈ ডেৰ ঘণ্টা সময় থিয় হৈ থাকিলো। দেখিলো।" ইম্পিৰিয়েল কলেজৰ ওচৰৰে হাইড পাৰ্কৰ কাষেদি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি আৰু বৃটিছ প্ৰধানমন্ত্ৰীগৰাকী যাব বুলি শুনি কাম এৰি বাটৰ কাষত অলেখ মানুহৰ লগত থিয় হৈ আছিলোগৈ। এখন খোলা গাড়ীত দুয়োগৰাকী ৰাষ্ট্ৰনেতা থিয় হৈ পাৰ হৈ গৈছিল। এইখিনি কথা লিখোঁতে মনত পৰিল;— কলিকতাত পঢ়ি থকা কালৰ শেষৰ ফালে ৰাছিয়াৰ প্ৰেছিডেণ্ট আৰু প্ৰধানমন্ত্ৰী বুলগানিন আৰু ক্ৰুশ্চভ সেইখন মহানগৰলৈ অহাৰ কথা। মোৰ ধাৰণা,— ভাৰতত বিদেশী ৰাষ্ট্ৰনেতাক আদৰাৰ সেইটোৱেই সৰ্ববৃহৎ ঘটনা। তেখেতসকলক দেখা পাম বুলি নিৰ্ধাৰিত সময়ৰ বহুত আগতেই চিত্তৰঞ্জন এভিনিউৰ সুবিধাজনক ঠাই এডোখৰত থিয় হৈ আছিলোগৈ। তেখেতসকলৰ কনভয়টো আহিছে বুলি খবৰ এটা ওলোৱাৰ লগে-লগেই কি হ'ল মই ততকে ধৰিব নোৱাৰিলো;— মানুহৰ প্ৰচণ্ড হেঁচা,— মোৰ উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম,— কোনোবাই মোক ওপৰলৈ তুলি ধৰিলে; হাত কিছুমানে মানুহবোৰৰ মূৰৰ ওপৰেদি মোক পাৰ কৰি লৈ গ'ল, আৰু শেষত ফুটপাথত লাগি থকা ঘৰ এটাৰ বেৰৰ কাষত নমাই দিলে। বেৰত আউজি দেখিলো কেৱল প্ৰচণ্ড ঠেলা-হেঁচাত ব্ৰতী হোৱা মানুহবোৰৰ পিঠি। ক্ৰুশ্চভ-বুলগানিন সেই বাটেদি নাহিলেই। বিশাল জনতাৰ ভিৰৰ পৰা বচাবলৈ তেখেতসকলক অইন বাটেদি লৈ যোৱা হ'ল।

ডায়েৰিৰ ৩০ আগষ্টৰ ঘৰত অংগাৰ নামে ঠাইৰ মাখন হুছেইনৰ ঘৰত ভাত খোৱাৰ কথা লিখা আছে। প্ৰখ্যাত মানুহ চোৱাৰ লগত সম্পৰ্ক আছে কাৰণে এই কথাখিনিৰ সহায় লৈছোঁ। মাখন হুছেইনৰ আচল নাম নজমল হুছেইন। আমাৰ নৃপেন ককাইদেউইঁতৰ সহপাঠী। মনত পৰে,— নগাঁৱৰ জুবিলি পথাৰত পতা দৌৰ-প্ৰতিযোগিতাত দৌৰি, দৌৰৰ শেষত মাখন ককাইটি বেহুঁচ হৈ পৰিছিল। বহুত বছৰৰ মূৰত লণ্ডনত তেখেতৰ লগত মোৰ দেখা হ'ল। তেখেতে তেতিয়া তাতে বেৰিষ্টাৰি কৰে। মোক তেখেতে ভায়েকৰ নিচিনাকৈ মৰম কৰিবলৈ ল'লে। এদিন তেখেতে হঠাতে মোক সুধিলে,— "ফিজোক লগ ধৰিবা?" ফিজোক? কোন ফিজো? নগা বিদ্ৰোহী নেতা—? হয়, তেখেতেই। ক'ত লগ পাম?— মাখনকাই ক'লে,— "ওলাবা মোৰ লগত।" (মাখন ককাইটিৰ পৰা সম্বোধনটো মাখনকাই হ'ব লাগিছিল; কিন্তু বলোকাই, মনেশ্বৰকাই আদিৰ কাইটোৱে বলো আৰু মনেশ্বৰক যি পৰ্যায়ৰ মানুহ বুলি সূচায়, মাখন ককাইটি সেই পৰ্যায়ৰ মানুহ নহয়। আমোদজনক কথা,— এনে ক্ষেত্ৰত কাইৰ ই-টো বাদ দি কেৱল কা-টো ৰাখিলে মাখন ককাইটিৰ নিচিনা মানুহৰ পৰ্যাযৰ কোনো হেৰফেৰ নহয়। এই সূত্ৰটো মোক কোনে কেতিয়া শিকালে ক'ব নোৱাৰোঁ। এই সূত্ৰমতে মই মাখন ককাইটিক মাখনকা বুলি মাতিছিলো।)

এদিন মাখনকা চেপষ্টাও প্লেছৰ মোৰ কোঠালিলৈকে আহিল আৰু এ. জেড ফিজোক লগ পোৱাই দিবলৈ লৈ গ'ল। কোন অঞ্চললৈ গ'লো, মোৰ মনত নাই। কেৱল মনত আছে,—এটা বহু-মহলীয়া ঘৰ;— ঘৰটোত সোমালেই চকুত পৰে নানান প্ৰতিষ্ঠানৰ নাম-ফলকে বেৰ এখন প্ৰায় সম্পূৰ্ণকৈ অধিকাৰ কৰি আছে। আমি লিফটেৰে ঘৰটোৰ আটাইতকৈ ওপৰৰ মহলাটোলৈ উঠিলো; তাৰ পাছত চিৰিয়েদি এটিকলৈ উঠিলো। ফিজো থাকে এটিকত। মাখনকাই মোক যিটো কোঠালৈ লৈ গ'ল, তাতে ফিজো বহি আছে। সেইটো তেখেতৰ অফিছ-কোঠালি যেন লাগিল। মেজখনৰ একাষে থিয়-থিয়কৈ কিছুমান ফাইল থোৱা আছে। ফাইলবোৰত একোখন ফ্লেগ লগোৱা আছে, আৰু সেই ফ্লেগবোৰত লিখা আছে ইৰান, ইৰাক আদি দেশৰ নাম। ফিজো মানুহজন মিঠা বৰণীয়া, খীণ, চছমা পিন্ধা। কথাৰ মাজতে পাঁচমিনিটমানৰ মূৰে-মূৰে তেখেতে চছমাযোৰ খুলি আঙুলিৰে, এক বিশেষ কায়দা কৰি, বাঁও চকুটো চাফা কৰে। মোৰ এনেকুৱা লাগিছিল যেন তেখেতে চকুৰ গোলকটোৰ কাষেদি আঙুলিটো ভিতৰলৈ সুমুৱাই দিছিল। অলপ পাছতে আকৌ চকুটোৰ পৰা পানী ওলাবলৈ আৰম্ভ কৰিছিল।

মানুহজনে তেখেতৰ বিদ্ৰোহ, আন্দোলন আদিৰ বিষয়ে নিজৰ মত ব্যক্ত কৰি গৈছিল। সেইবোৰ প্ৰায় সকলোৱে জনা কথা আছিল; কিন্তু তেখেতে কোৱা দুটা কথা মোৰ কাৰণে নতুন আছিল। প্ৰথম কথাটো হ'ল : অসমৰ এগৰাকী মুখ্যমন্ত্ৰীয়ে

তেখেতক অসমৰ মুখ্যমন্ত্ৰী হ'বলৈ আহ্বান জনাইছিল; কিন্তু সেই টোপ গিলিবলৈ তেখেত অসন্মত হৈছিল। দ্বিতীয় কথাটো হ'লঃ ভাৰত চৰকাৰ আৰু অসম চৰকাৰে নগা ডেকাসকলক নিধন কৰাৰ বাবে এটা পৰিকল্পনা হাতত লৈছিল। সেই পৰিকল্পনা অনুযায়ী ভাৰতীয় সৈন্যসকলক নগা গাভৰুৰ প্ৰতি অশালীন ব্যৱহাৰ কৰিবলৈ কোৱা হৈছিল। কাৰণ সেই কাম কৰিলেই নগা ডেকাসকল ক্ষুব্ধ হৈ বাটলৈ ওলাই আহিব; এসময়ত তেওঁলোক উগ্ৰ হৈ উঠিব, আৰু সেই উগ্ৰতাৰ সুযোগ লৈয়েই সৈন্যসকলে ডেকাসকলক হত্যা কৰিব। ফিজোৰ এই কথা দুটাৰ সত্যতা প্ৰমাণ কৰাৰ কোনো সুবিধা পাছলৈ মই উলিয়াব নোৱাৰিলো।

আগশাৰীৰ বৃটিছ ৰাজনৈতিক নেতাসকলক দেখা আৰু তেখেতসকলৰ বক্তৃতা শুনাৰ চখ পূৰাবলৈ সময়-সুবিধা পালে,— বিশেষকৈ দেওবাৰে,— ওচৰে-পাঁজৰে হোৱা ৰাজহুৱা সভাত উপস্থিত হৈছিলোঁগৈ। তেনেকুৱা উল্লেখযোগ্য সভা এখনৰ কথা ১৯৬০ চনৰ ডায়েৰিৰ ২৭ মাৰ্চৰ ঘৰত লিখি থোৱা আছে। দক্ষিণ আফ্ৰিকাৰ শ্বাৰ্পভিল নামে ঠাইত এক ধৰণৰ গণহত্যা সংঘটিত হৈছিল। তাৰ প্ৰতিবাদত ইংলেণ্ডৰ লেবাৰ পাৰ্টিয়ে ট্ৰাফালগাৰ স্কোৱাৰত এক প্ৰতিবাদ সভাৰ আয়োজন কৰিছিল। সভাত বাৰবাৰা কাছল, এন্থনি গ্ৰিনউড, জে'মছ গ্ৰিফিথ, জে'মছ কালাঘান আদিয়ে বক্তৃতা দিছিল। সেই সময়ৰ ইমানবোৰ শীৰ্ষস্থানীয় ৰাজনৈতিক নেতাক একেখন মঞ্চতে দেখা, আৰু এটা নিন্দনীয়, শোকাৱহ ঘটনাৰ বিৰুদ্ধে তেখেতসকলৰ বক্তব্য শুনিবলৈ পোৱাটো মোৰ কাৰণে লাভজনক ঘটনা আছিল।

প্ৰসংগক্ৰমেঃ ১৯৬০ চনৰ বছৰটোত মই নিয়মীয়াকৈ ডায়েৰি লিখিব পৰা নাছিলো। পকেট ডায়েৰি এখনত মাজে-মাজেহে কিছু কথা টুকি ৰাখিছিলো। নিয়মীয়াকৈ নিলিখাৰ বাবে এতিয়া অনুতাপ কৰোঁ। ডায়েৰিবোৰ পঢ়িলে উপলব্ধি কৰোঁ,— যিমান কথা মনত আছে, তাতকৈ বেছি কথা পাহৰিলো। উক্ত সভাখনৰ বিষয়ে লিখা কথাখিনিৰ শেষত লিখা আছে,— "মই বৰ সোনকালে গৈছিলো,— টেলিভিশ্যন-ৰেডিঅ'ৰ কাৰবাৰ চাবলৈ।" এইটো তেনেই সৰু কথা; কিন্তু কথাটোৱে মোক সেই সময়ত মোৰ মনটোৱে কেনেকৈ একে সময়তে বিভিন্ন দিশত কাম কৰিছিল, সেইটো কথা মনত পেলাই দিয়ে। ৰেডিঅ'ৰ কাৰিকৰী দিশটোৰ নামত তেতিয়ালৈকে গুৱাহাটীৰ ষ্টুডিঅ'ৰ মাইক্ৰ'ফোনত চুটি গল্প এটা পঢ়ি পাইছিলো, আৰু টেলিভিশ্যন প্ৰথম দেখিছিলো ইম্পিৰিয়েল কলেজৰ ষ্টুডেণ্টছ কমনৰুমত। এই দুটা মাধ্যমৰ বিষয়ে পাঠ্যপুথিৰ কিছু জ্ঞান আহৰণ কৰিছিলো, সেইটো বেলেগ কথা; কিন্তু বাস্তৱত মাধ্যম দুটাৰ কাণ্ড-কাৰখানা কেনেকুৱা, সেইবোৰ চাবলৈ আৰু জানিবলৈ মোৰ আগ্ৰহ আছিল। সেইকাৰণে সেইদিনা ট্ৰাফালগাৰ স্কোৱাৰৰ সভাখনলৈ নিৰ্দিষ্ট সময়ৰ বহু আগেয়েই গৈছিলো। বিশেষকৈ বৃটিছ ব্ৰডকাষ্টিং কৰপৰেশ্যনৰ

ৰেডিঅ' আৰু টেলিভিশ্যনে প্ৰচাৰ কৰা অনুষ্ঠান কিছুমানৰ কাৰিকৰী দিশটো মোৰ কাৰণে কৌতূহল-উদ্দীপক আছিল। এদিন খবৰ পালো,— এখন প্ৰদৰ্শনীত বি. বি. ছিয়ে নিজৰ কাৰ্য-কলাপৰ কিছু অংশ প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছে। গ'লো চাবলৈ। আচলতে সেইখন কিতাপ, ফুল, যন্ত্ৰ-পাতি আদি কেইবাটাও শাখাৰ প্ৰদৰ্শনী আছিল; বি. বি. ছিয়ে তাতে নিজৰ মণ্ডপ এটা পাতিছিল। তেওঁলোকে কেইবাটাও অনুষ্ঠান সেই মণ্ডপৰ পৰা প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিছিল। তাৰে এটা অনুষ্ঠানৰ নামটোৰ অৰ্থ আছিল,— বি. বি. ছিৰ মিউজিক লাইব্ৰেৰিক প্ৰত্যাহ্বান জনোৱা। একোজন দৰ্শক কোঠালিটোলৈ সোমাই যায়, গৈ তাত বহি থকা বি. বি. ছিৰ কৰ্মীজনক কয়,— মই অমুকটো গান শুনিব খোজোঁ। সকলো শ্ৰোতাৰ লগতে কথাবাৰ বহু মাইল দূৰত থকা বি. বি. ছিৰ লাইব্ৰেৰিৰ কৰ্মীসকলেও লগে-লগে শুনে। এতিয়া সেই কৰ্মীসকলৰ কাম হ'ল,— কিমান সোনকালে পাৰি দৰ্শকজনক গানটো শুনাই দিয়া। সেইটোৱেই প্ৰত্যাহ্বান। মই চাই থকা প্ৰায় পঞ্চল্লিছ মিনিট সময়ৰ ভিতৰত যিকেইজন দৰ্শক কোঠালিটোলৈ সোমাল, তেওঁলোকে শুনিবলৈ বিচৰা গানটো শুনাই দিবলৈ বি. বি. ছিয়ে কাৰো ক্ষেত্ৰতে ত্ৰিছ ছেকেণ্ডতকৈ বেছি সময় লোৱা নাছিল। অথচ, মোৰ ধাৰণা, এই দৰ্শকসকলে বি. বি. ছিক শ'লঠেকত পেলাবলৈ অপ্ৰচলিত গানহে শুনিবলৈ বিচাৰিছিল। কোঠালিটোৰ দুখন বেৰৰ বেছিভাগ কাচৰ আছিল। গতিকে বহু দৰ্শকে বাহিৰৰ পৰাই ভিতৰৰ ঘটনাবোৰ চাই থাকিব পাৰিছিল আৰু বাহিৰত থোৱা ৰেডিঅ'ৰ জৰিয়তে কথা আৰু গান শুনি থাকিব পাৰিছিল। ওচৰৰে অইন এটা কাচৰ বেৰৰ কোঠালি আছিল বাতৰি-প্ৰচাৰৰ কোঠালি। সেই সময়ত বি. বি. ছিৰ বাতৰি-পঢ়োঁতাসকলৰ ভিতৰত প্ৰায় সদায় শুনি থকা এটা নাম আছিল ৰবিন বয়ল। মই পেভিলিয়নটোৰ অনুষ্ঠান চাই থকাৰ মাজতে ছয় বাজিছিল। ছয় বাজিবলৈ দহ ছেকেণ্ডমান থাকোঁতে ৰবিন বয়ল কোঠালিটোলৈ সোমাই আহি বাতৰি পঢ়িবলৈ আৰম্ভ কৰিছিল।

এইবোৰ সৰু ল'ৰা-ছোৱালীৰ উপভোগ্য বিষয় যেন লাগিব পাৰে। কিন্তু মই সৰু ল'ৰা-ছোৱালীৰ মন এটা লৈয়েই সেইবোৰ চাই ফুৰিছিলো। অকল সেইদিনাৰ সেই প্ৰদৰ্শনী কিয়,— সেইখন দেশত থকা দিনখিনিত লেবৰেটৰিৰ বাহিৰৰ যিকোনো বস্তু চোৱাৰ সময়ত মই মোৰ ভিতৰত এটা শিশুসুলভ মনৰ উপস্থিতি অনুভৱ কৰিছিলো। আৰু প্ৰায়েই তেনে মনৰ লগত খাপ খোৱা ধৰণৰ আনন্দ-বিস্ময় উপভোগ কৰিছিলো।

ৰেডিঅ'-টেলিভিশ্যনৰ কথা কওঁতে এটা কথা মনত পৰিছে। কলেজৰ কমনৰুমৰ বাহিৰে টিভি চোৱাৰ মোৰ কোনো উপায় নাছিল। কিন্তু ভাৰতীয় দল জড়িত থকা ক্ৰিকেট বা ভাৰতীয় খেলুৱৈ জড়িত থকা টেনিছৰ বাহিৰে অইন কোনো অনুষ্ঠান কলেজৰ কাম খতি কৰি নাচাইছিলো। তেনে অৱস্থাতে এদিন এটা ঘটনা ঘটিল। ৰাতি

আঠমান বজাত শুনিলো,— কোনোবাই মোৰ কোঠালিৰ দুৱাৰত টক-টক কৰিছে। দুৱাৰখন খুলি দেখোঁ,— সমুখত কোনো নাই। কৰিড'ৰটোৱেদি ইফালে-সিফালে চাই দেখোঁ,— বাঁওফালে কাষৰ কোঠালিটোৰ দুৱাৰমুখত শকত-আৱত, পকামূৰীয়া বুঢ়ী এগৰাকী। চকুৱে-চকুৱে পৰাৰ লগে-লগে তেখেতে মোক হাত-বাউল দি মাতিলে, আৰু মাতিযেই ভিতৰলৈ সোমাই গ'ল। মই আচৰিত হৈ কথাটো কি বুজিবলৈ চেষ্টা কৰিলো, তাৰ পাছত তেখেতৰ কোঠালৈ সোমাই গ'লো। গৈ দেখোঁ, বুঢ়ী বিছনাত বহি আছে। তেখেতে মোক ছোফা এখনলৈ আঙুলিয়াই বহিবলৈ দিলে। কোঠালিটো মোৰ কোঠালিটোতকৈ ডাঙৰ আৰু মোটামুটিভাৱে সুসজ্জিত। মই বহাৰ পাছত তেখেতে সুধিলে,— মই ভাৰতৰ নে কি? মই ক'লো,— হয়। তেখেতে ক'লে,— তেখেতৰ দেউতাকে পুনাত,—সৈন্য বিভাগৰ বিষযা হিচাপে চাকৰি কৰিছিল। তেতিয়া তেখেত (বুঢ়ী) ন-দহ বছৰীয়া ছোৱালী আছিল। ভাৰতীয় শব্দৰ ভিতৰত লিম্বু-পানী (লিম্বু মানে নেমু) শব্দটো তেখেতৰ এতিয়াও মনত আছে।

পৰিচয়-পৰ্ব শেষ হোৱাৰ পাছত বুঢ়ীগৰাকীয়ে সৰু মাতেৰে ক'লে, "মই তোমাক এটা কথা কওঁ। কথাটো তুমি কাকো নক'বা।" মই ক'লো,—"নকওঁ বাৰু।" তেখেতে ক'লে, "মোৰ গাটো বেয়া। মাজে-মাজে মই হঠাতে অসুস্থ হৈ পৰোঁ। যেতিয়া অসুস্থ হওঁ, তেতিয়া কেই ছেকেণ্ডমানৰ ভিতৰতে মই বেহুঁচ হৈ পৰোঁ। কিন্তু অসুস্থ হোৱাৰ অলপ আগতে মই ধৰিব পাৰোঁ,— অসুখটো আহিছে, ধৰিবহি এতিয়া। এতিয়ালৈকে মই কোনোমতে চম্ভালি আছিলো, কিন্তু এতিয়া ভাবিছোঁ,—মই কাৰোবাৰ সহায় পোৱাৰ ব্যৱস্থা কৰি ল'ব লাগে। সেইকাৰণে আজি তোমাক মাতি আনিছোঁ। কেতিয়াবা যদি মই 'অসুখটোৱে ধৰিবহি এতিয়া' বুলি গম পাওঁ, তেনেহ'লে মই তোমাৰ দুৱাৰত টক-টক কৰি শুই থাকিমহি। তুমি অনুগ্ৰহ কৰি লৰালৰিকৈ আহিবা। যদি তুমি দেখা যে ইতিমধ্যে মই অচেতনৰ নিচিনা হ'লোৱেই, তেনেহ'লে তুমি,— সোঁফালে চোৱাচোন"—

তেখেতে মোক বেৰৰ ফালে দেখুৱাই দিলে। যিখিনিলৈ দেখুৱালে, সেইখিনিত এখন ৰেক আছে। তেখেতে কৈ গ'ল,—"দেখিছা নহয়,— সেয়া এক আৰু দুই বুলি লিখা আছে? সেয়া লগতে ঔষধৰ বড়ি আছে। মোক অচেতন যেন দেখিলে তুমি প্ৰথমতে এক নম্বৰ বডি এটা খুৱাই দিবা। দহ মিনিটমান চাবা। যদি মোৰ হুঁচ অহা যেন নেদেখা, তেনেহ'লে দুই নম্বৰ বডি এটা খুৱাই দিবা। তাৰ পাছত অনুগ্ৰহ কৰি আধাঘণ্টামানৰ পাছত এবাৰ মোক চাই যাবাহি। যদি তেতিয়াও মোৰ অৱস্থা একেই দেখা, তেনেহ'লে সেয়া,— নম্বৰটো লিখা আছে,—ডাক্তৰলৈ ফোন কৰিবা।"

আকৌ এবাৰ ৰেকখনলৈ চাই মন কৰিলো,— এক নম্বৰ ঔষধ, দুই নম্বৰ ঔষধ, ডাক্তৰৰ টেলিফোন নম্বৰ লিখা কাগজ আৰু টেলিফোনটো বুঢ়ীয়ে একে শাৰীতে সজাই থৈছে।

মই কামখিনি ঠিক মতে কৰিম বুলি বুঢ়ীক কথা দিলো। তাৰ পাছত তেখেতে সুধিলে, "তুমি টেলিভিশ্যন নোচোৱা জানো?" মই বোলোঁ,— চাওঁ। তেখেতে ক'লে, "তেনেহ'লে যেতিয়াই মন যায় আহিবা, ইয়াতে চাবাহি।" মোক বিদায় দিবৰ পৰত তেখেতে আকৌ গোপন কথা কোৱাৰ সুৰেৰে ক'লে, "মোৰ অসুখৰ কথাটো তুমি কিন্তু কাকো নক'বা।"

অনুমান কৰিলো,—বুঢ়ীগৰাকীৰ বয়স পয়সত্তৰ, আশী,— এনেকুৱাই হ'ব। "ইমান বয়স হৈছে, অথচ মোৰ স্বাস্থ্য কিমান ভালে আছে দেখিছা?"— এনেকৈ আত্মপ্ৰসাদ লভিবলৈ চেষ্টা কৰাটো হেনো বহু বৃদ্ধৰ অভ্যাস। বুঢ়ীগৰাকীকো মোৰ সেই শ্ৰেণীৰ মানুহ যেন লাগিল। তেখেতৰ অসুখ আছে বুলি মোৰ বাহিৰে কোনেও জানিব নালাগে। সেইবোৰ যিয়েই নহওক, কাষৰ কোঠালিতে টেলিভিশ্যন চোৱাৰ সুবিধা এটা ওলোৱাৰ কাৰণে মোৰ বৰ ভাল লাগিছিল। প্ৰসূন মজুমদাৰে এদিন ধেমালি কৰি কৈছিল,— "তুমি বুঢ়ীক ভালকৈ শুশ্ৰূষা কৰা। তেওঁ টেলিভিশ্যনটো তোমাক দি যাব পাৰে।" মোৰ সন্মুখত বুঢ়ীগৰাকীৰ জীৱনৰ নিঃসংগতা সম্পৰ্কীয় এটা কৰুণ অধ্যায় মুকলি হৈ পৰিছিল যদিও মই তেখেতক কোনোদিনেই ঔষধ খুৱাবলগীয়া হোৱা নাছিল। তেখেতৰ টেলিভিশ্যনটোৱে,— বিশেষকৈ ৰোম অলিম্পিকৰ সময়ত, মোক বৰ সহায় কৰিছিল।

আকৌ ডায়েৰিৰ পাতৰ আশ্ৰয় ল'বলৈ উভতি আহোঁ। মোৰ বিভিন্ন ধৰণৰ চখ আৰু বিখ্যাত মানুহ দেখাৰ কথা কৈ আছিলো। মোৰ লগৰ জিম কিং নামৰ গৱেষক ছাত্ৰজনৰ থিয়েটাৰ চোৱাৰ বৰ চখ আছিল। তেওঁৰ চখে মোৰ উপকাৰ সাধিছিল। লুক আফটাৰ লুলু নামৰ নাটকখনত ভিভিয়ান লি নামৰ বিখ্যাত অভিনেত্ৰীগৰাকীয়ে অভিনয় কৰে, পিটাৰ অ'টুলে মাই ফেয়াৰ লেডিত অভিনয় কৰে। বেষ্ট ছাইড ষ্ট'ৰি জনপ্ৰিয় নাটক,— এইবোৰ খবৰ জিমেই মোক দিয়ে আৰু বেছিভাগ থিয়েটাৰ চোৱাৰ ব্যৱস্থাও তেৱেঁই কৰে। [অৱশ্যে মোৰ বিশেষ আগ্ৰহ থকা ফিল্ম-থিয়েটাৰ মই অকলেও চাইছিলো। যেনে,— শ্যেক্সপিয়েৰৰ জন্মস্থান চোৱাৰ পাছত টেমছ নদীৰ সিপাৰে থকা অ'ল্ড ভিক নামৰ প্ৰাচীন থিয়েটাৰ ঘৰটোত শ্যেক্সপিয়েৰৰ নাটক এখন চাবলৈ বৰ মন গৈছিল। এদিন অকলে গৈ চাইছিলো। (তাকে কৰিবলৈ যাওঁতে টেমছ নদীৰ সুৰংগৰেও অহা-যোৱা কৰিবলৈ পাইছিলো।) সেইদিনা নাট্যাভিনয়তকৈ প্ৰাচীন থিয়েটাৰ-ঘৰটোৰ ভিতৰৰ ৰেহ্-ৰূপে মোক বেছি আকৰ্ষণ কৰিছিল।]

জিমহঁতৰ লগত থিয়েটাৰ চাবলৈ যোৱাৰ লগত এটা সৰু অথচ আচৰিত হ'বলগীয়া ঘটনা জড়িত আছে। সেইদিনা শুকুৰবাৰ (২২।১।৬০)। সপ্তাহৰ শেষ কাৰণে বেষ্ট ছাইড ষ্ট'ৰি নামৰ নাটকখন চাই জিম বাহিৰে-বাহিৰে তেওঁৰ ঘৰলৈ যাবগৈ। এটা সৰু

ছুটকেছত প্ৰয়োজনীয় বস্তুখিনি লৈ তেওঁ হোষ্টেলৰ পৰা ওলাই আহিল। এঠাইত পল, পিটাৰ আৰু মই তেওঁৰ লগ লাগিলো। তাৰ পাছত ডবল ডেকাৰ বাছ এখনত উঠি থিয়েটাৰ চাবলৈ গ'লো। থিয়েটাৰঘৰৰ ভিতৰ সোমাই বহিছোঁ, নাটক আৰম্ভ হ'বলৈ কেইমিনিটমান আছে, এনেতে জিমৰ মনত পৰিল,— তেওঁ ছুটকেছটো বাছতে এৰি থৈ আহিল। তৎক্ষণাৎ ওলাই গৈ তেওঁ বাছ-কম্পেনিৰ অফিছলৈ, আৰু বাছত কোনোবাই এৰি থৈ যোৱা বস্তু গোটাই ৰখা অফিছলৈ ফোন কৰিলে। তাৰ পাছত তেওঁ আমন-জিমনকৈ বহি থাকিলহি। থিয়েটাৰৰ কিমান কি তেওঁৰ মগজত সোমাল তেওঁহে জানে। মাজতে তেওঁ আকৌ এবাৰ ফোন কৰিবলৈ ওলাই গৈছিল। চাৰে নমান বজাত নাটক শেষ হ'ল। বাহিৰলৈ ওলায়েই জিমে আকৌ ফোন কৰিলে। কোনো সুসংবাদ নাই। তেওঁৰ মুখখন গম্ভীৰ হৈ পৰিল। তেওঁ ঠিক কৰিলে,— তেওঁ ঘৰলৈ নাযায়; হোষ্টেললৈকে উভতি যাব। নাটক চোৱাৰ আনন্দ আমাৰ মনতো লেশমানো লাগি নাথাকিল। কিন্তু ৰাতিটোৰ কাৰণে কিবা এটা পেটত পেলাব লাগিবতো! গতিকে কেউটাই গধুৰ মনেৰে এখন ৰেস্তোঁৰা বিচাৰিবলৈ ল'লো। দোকান-পোহাৰ ইতিমধ্যে বন্ধ হৈছিল। ৰাস্তা নিজম পৰিছিল। অলপ সময় ঘূৰা-পকা কৰাৰ পাছত এখন সৰু ৰেস্তোঁৰা খোলা পালো। তাত আকৌ কে'ক আৰু কফিহে পোৱা যায়। তাকে খালো। খাই-বৈ যেতিয়া ওলাওঁ, তেতিয়া প্ৰায় চাৰে দহ বাজি গৈছে। ৰাস্তা একেবাৰে নিৰ্জন। কুঁৱলী পৰিছে। আমাৰ বাহিৰে পথচাৰী নায়েই। জাৰৰ দিনৰ এই ৰাতিখন বাছ নাপালে কি হ'ব? সকলোৰে ঠিক কৰিলো,— কিডাল হ'ব আৰু! খোজ কাঢ়ি গৈ থাকিম। এই বুলি সৰু ৰাস্তাটোৰেদি আহি ডাঙৰ ৰাস্তাত ভৰি দিছোঁ, এনেতে দেখোঁ অলপ দূৰৰ বাছ ষ্টপত ডবল ডেকাৰ এখন। যি নম্বৰৰ বাছেই নহওক, এইটো ৰাস্তাইদি যোৱা বাছ আমাৰ কলেজৰ ওচৰেদি যাবই। বৰ সকাহ পালো। কিন্তু বাছখনৰ ফালে আগ বাঢ়িছোঁ, এনেতে বাছখন চলিবলৈ আৰম্ভ কৰিলেই। চাৰিটা মানুহৰ সমবেত চিঞৰে ৰাস্তাৰ কুঁৱলী ফালি পেলোৱাৰ উপক্ৰম কৰিলে। কিন্তু একো লাভ নহ'ল। বাছৰ গতি ক্ৰমবৰ্ধমান হ'ল। আচম্বিতে আমাৰ মাজৰে কোনোবা এটাই চিঞৰিলে— দৌৰ! লগে-লগে চাৰিও প্ৰাণপণে দৌৰিবলৈ ধৰিলো। দৌৰি-দৌৰি বাছখন ধৰিলোগৈ। এটা-এটাকৈ সকলোৰে জঁপিয়াই বাছত উঠিল। মই পিছ পৰিছিলো; দুটাই ধৰি মোক টানি তুলি ল'লে। এটাইকেইটাৰে ফোঁপনি উঠিছিল। মুকলি ঠাইডোখৰত থিয় হৈয়েই চাৰিওটাই ফোঁপাই আছোঁ,— এনেতে জিমৰ চকুত পৰিল,— তেওঁৰ ছুটকেছটো। য'ত যেনেকৈ থৈছিল, ত'তে ঠিক তেনেকৈয়ে আছে।

জীৱনৰ বাবে মনত ৰৈ যোৱা এটা অবিশ্বাস্য ধৰণৰ ঘটনাৰ অংশীদাৰ হ'লো।

ডায়েৰি দুখনৰ ভালেমান ঠাইত আৰ্ট গেলেৰিলৈ যোৱাৰ কথা লিখা আছে। আৰ্ট গেলেৰি মানে ট্ৰাফালগাৰ স্কোৱাৰৰ নিচেই ওচৰতে থকা নেশ্যনেল আৰ্ট গেলেৰি। লণ্ডনৰ চাবলগীয়া বস্তুবোৰৰ যিবোৰ চাবলৈ সময়-সুবিধা পাইছোঁ, সেইবোৰ এবাৰ গৈ চাই আহিছোঁ; কিন্তু মই যেতিয়া সময় পাইছোঁ, হাতত কাম নাইকিয়া বুলি অনুভৱ কৰিছোঁ, আৰু নিজকে অকলশৰে পাইছোঁ, তেতিয়াই হয় সেই আৰ্ট গেলেৰিটোলৈ গৈছোঁ, নহয় কেনছিংটন গাৰ্ডেনত ঘূৰি ফুৰিছোঁ। আৰ্ট গেলেৰিটোৰ বেৰবোৰত সুখ-দুখ, শান্তি-অশান্তি, আনন্দ-বেদনাৰে ভৰা একোখন বৈচিত্ৰ্যপূৰ্ণ পৃথিৱীৰ নিৰৱে ওলমি থকা যেন লাগিছিল। ৰাফেল, বটিছেলি, টিছিয়ান, লিঅ'নাৰ্ড' দা ভিঞ্চি, ৰুবেনছ, ভেন ডাইক, ৰেইনল্ডছ, গেইনছব'ৰ', টাৰ্নাৰ, কনষ্টেবল আদি চিত্ৰশিল্প জগতৰ প্ৰাচীন 'মহানায়ক'সকলৰ ছবিবোৰৰ যিকোনো এখনৰ সমুখত থিয় হৈ বাহিৰৰ পৃথিৱীৰ কথা পাহৰি যাব পাৰিছিলো। প্ৰবেশমূল্যৰ প্ৰয়োজন নোহোৱা সেই ভৱনটোত সোমালে সময় পাৰ হৈ গৈ থকাৰ কথা মনলৈ নাহিছিল। একেখন ছবিৰ সমুখত বহুবাৰ থিয় হৈও আমনি নালাগিছিল। প্ৰায়েই দেখা গৈছিল,— একোজন বিশেষজ্ঞই ছাত্ৰ-ছাত্ৰীৰ দল একোটা লগত লৈ এখন ছবিৰ ওচৰলৈ গৈছে; ছাত্ৰ-ছাত্ৰীসকলে নিজে কঢ়িয়াই নিয়া ফ'ল্ডিং চেয়াৰ খুলি বহিছে, আৰু বিশেষজ্ঞজনে ছবিখন বিশ্লেষণ কৰিবলৈ লৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ পিছফালে থিয় হৈ সেই বিশ্লেষণ শুনি অভিভূত হৈছিলো। এদিন তেনেকুৱা দলৰ ছাত্ৰ এজনৰ পৰা জানিছিলো,— একোখন ছবি বিশ্লেষণ কৰা কামটোত তেওঁলোকৰ বিশেষজ্ঞগৰাকীয়ে তিনি-চাৰি দিন খৰচ কৰিছে।

মূঠৰ ওপৰত আজি যদি মোক কোনোবাই এদিনৰ কাৰণে লণ্ডনলৈ নি কয়,— তুমি মাত্ৰ তিনিটা বস্তু চাই উভতি যাব লাগিব, তেনেহ'লে মই চেপষ্টাও প্লে'ছৰ মই থকা কোঠালিটো, ইম্পিৰিয়েল কলেজৰ মই কাম কৰা লেবৰেটৰিটো, আৰু নেশ্যনেল আৰ্ট গেলেৰি চাই গুচি আহিম।

কেনছিংটন গাৰ্ডেনত ঘূৰি ফুৰাৰ কথা কৈছিলো। ইম্পিৰিয়েল কলেজৰ বিষয়ে ক'বলগীয়া ভালেমান উল্লেখযোগ্য কথাৰ এটা হ'ল,— এই প্ৰতিষ্ঠানটো লণ্ডন মহানগৰৰ এডোখৰ বৰ গুৰুত্বপূৰ্ণ ঠাইত অৱস্থিত। কলেজৰ সমুখতে ৰয়েল এলবাৰ্ট হল। সেই হলৰ কাষেদিয়েই আমাৰ অহা-যোৱা। ডাঙৰ ৰাস্তাটো পাৰ হ'লেই কেনছিংটন গাৰ্ডেন। সেই গাৰ্ডেনখন পাৰ হৈ আহিলে নটিংহিল গে'ট অঞ্চল পাওঁ; আৰু কিছুদূৰ খোজ কাঢ়িলেই চেপষ্টাও প্লে'ছ। গতিকে সময় থাকিলে কলেজলৈ এই গাৰ্ডেনৰ মাজেদি খোজ কাঢ়িয়েই অহা-যোৱা কৰিব পাৰোঁ। আৰ্ট গেলেৰিলৈ যাবলৈ মোৰ বাবে যিটো অৱস্থাৰ প্ৰয়োজন, ঠিক সেইটো অৱস্থাৰ সৃষ্টি হ'লে, অথচ দূৰলৈ যোৱাত কিবা অসুবিধা থাকিলে, মই কেনছিংটন গাৰ্ডেনলৈ গৈছিলো। এদিন কুলদা ভট্টাচাৰ্য মোৰ লগত

গৈছিল, কিন্তু সেই দিনটোৰ বাহিৰে সদায় অকলে। বিভিন্ন আকৃতিৰ গছ, বিস্তীৰ্ণ সেউজীয়া ঘাঁহনি, সৰাপাত, বিলৰ পানী, বেঞ্চত বহি জিৰণি লোৱা বৃদ্ধ, প্ৰণয় পাশত আবদ্ধ হোৱা তৰুণ-তৰুণী, ঘাঁহনিত দীঘল দি পৰি ৰ'দ লোৱা নাৰী-পুৰুষ, তেওঁলোকৰ মাজে-মাজে খেলি ফুৰা শিশু, একোডোখৰ নিৰৱ-নিৰ্জন ঠাই,—এই সকলোৱে মিলি বছৰৰ বিভিন্ন সময়ত, দিনটোৰ বিভিন্ন সময়ত কেনছিংটন গাৰ্ডেনক বিচিত্ৰ শোভা দান কৰিছিল। আৰ্ট গেলেৰিৰ বেৰত যে একোখন পৃথিৱী ওলমি থকা যেন লগাৰ কথা কৈছিলো, তাৰ বিপৰীতে এই গাৰ্ডেনখনলৈ,— কোনো-কোনো নিৰ্জন মুহূৰ্তত,— প্ৰাচীন, বিখ্যাত চিত্ৰকৰৰ একোখন ছবি নামি অহা যেন লাগিছিল।

আমাৰ কলেজৰ লেবৰেটৰিটো, মোৰ মেজখন, মোৰ কলম, লেবৰেটৰিৰ বন্ধু-বান্ধৱ,— এইবোৰক কেন্দ্ৰ কৰিও মোৰ একোখন সৰু-সৰু সংসাৰ আছে। মই ভাবোঁ,— সোনকালে মই সেইকেইখন সংসাৰলৈ উভতি যোৱা ভাল। গতিকে, যিকেইটা কথা মনত পেলোৱাটো উচিত বুলি ভাবোঁ, সেইকেইটা কথা জীৱন-বৃত্তৰ মাজলৈ আনি ডায়েৰি দুখন একেবাৰে আঁতৰাই থোৱাই ভাল। ডায়েৰি দুখনে কথা বঢ়াই গৈ থকাৰ আশংকা আছে। গতিকে চমুৱাওঁ।

১৫ অক্টোবৰ, ১৯৫৯ : কলেজৰ পৰা বাহিৰে-বাহিৰে আমাৰ ক্লাবৰ সভাপতি ড. গংগা প্ৰসাদ বৰুৱাৰ সৎকাৰলৈ গ'লো। গীতা পাঠ কৰা হ'ল। সৰ দুখ লাগিল এই অসমীয়া মানুহজনৰ কাৰণে। অসমীয়া মানুহ মাত্ৰ আঠ জন। বিহুত আঠত্ৰিছজন গোট খাইছিল।

১৬ অক্টোবৰ : কালি এটা কথাত ভাল লাগিছিল। শ্মশানলৈ যাবৰ সময়ত লেভিনে হোষ্টেলৰ পৰা ক'লা টাই এডাল আনি দিছিল।

২৩ জানুৱাৰি, ১৯৬০ : অসম ক্লাবৰ বিহু। ... আনন্দ।

২২ মাৰ্চ : কলেজত এছিয়ান নাইট। মই প্ৰদীপ নাথ আৰু কমল হাজৰিকাৰ লগত আঁৰৰ পৰা, আৰু পাকিস্তানৰ জাফৰৰ লগত মঞ্চত বহি তবলা বজালো।

(প্ৰদীপ নাথ নগাঁৱৰ ল'ৰা আছিল। তেওঁ বেহেলা বজাইছিল। কমল হাজৰিকাই 'চেনাই মই যাওঁ...' গীতটো গাইছিল। প্ৰথমতে আঁৰৰ পৰা আৰু পাছত মঞ্চলৈ আহি তবলা বজোৱাৰ কাৰণ হ'ল, প্ৰথম অৱস্থাত 'তবলা-বাদক' (এৰাগছেই ৰবগছ!) বহিবলৈ মঞ্চত একো নাছিল; পাছত জাফৰে সতৰঞ্চি এখনৰ ব্যৱস্থা কৰিছিল।)

২৬ মাৰ্চ : পাটনিত Head of The River চাবলৈ গ'লো। তিনিশখন নাৱৰ প্ৰতিযোগিতা। ইম্পিৰিয়েল কলেজৰ ছখন।

২ এপ্ৰিল : মৰ্টলে'কত অক্সফৰ্ড আৰু কেমব্ৰিজৰ নাওবোৱা প্ৰতিযোগিতা চাবলৈ গ'লো। ভীষণ উত্তেজনা। ৰেডিঅ' আৰু টেলিভিছনৰ বিপুল আয়োজন। উত্তেজনাত

কেমব্রিজৰ সমৰ্থক ছোৱালী এজনীয়ে মোৰ পিঠিতে ভুকুৱাই দিলে। প্ৰিন্সেছ মাৰ্গাৰেট কেমব্রিজৰ ফলীয়া মটৰ লাঞ্চ এখনত উঠি আহিছিল।

(অক্সফৰ্ড আৰু কেমব্রিজ বিশ্ববিদ্যালয়ৰ নাওবোৱা প্ৰতিযোগিতা ইংলেণ্ডৰ ক্ৰীড়া সম্পৰ্কীয় কাৰ্যসূচীৰ এটা লেখত লবলগীয়া বছৰেকীয়া অনুষ্ঠান।)

৫ এপ্ৰিল ঃ জেনেৰেল ডিগল আজি লণ্ডনলৈ আহিছে। অভ্যৰ্থনাৰ বিৰাট আয়োজন। ৰাতি ১০ বাজি ১৫ মিনিট যোৱাত বাকিংহাম পেলেছত আতচবাজী চাবলৈ গ'লো। এনেকুৱা আতচবাজী আগতে মই দেখা নাই।

৬ জুলাই ঃ বিশ্বদেৱ শৰ্মাৰ লগত ৰয়েল এলবাৰ্ট হলত বলছ'ই বেলে চালো।

(বিশ্বদেৱ শৰ্মা অসম মন্ত্ৰীসভাৰ সদস্য আছিল। তেখেত লণ্ডনত থকা দিনকেইটাত তেখেতক অলপ সহায় কৰিবলগীয়া হৈছিল।)

১২ জুলাই ঃ আজি জ্ঞানদা কাকতী, পাজী দাস আৰু প্ৰভাত মুখাৰ্জীক লগ পালো।

১৬ জুলাই ঃ ৰাতি এঘাৰ বজাত জ্ঞানদা কাকতী, পাজী দাস আৰু বেৰি সৰ্বাধিকাৰীক লগ পালো।

('পূবেৰুণ' নামৰ অসমীয়া চলচ্চিত্ৰখন বাৰ্লিন চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈছিল। সেই মহোৎসৱত যোগ দিয়াৰ পাছত চলচ্চিত্ৰখনৰ মুখ্য অভিনেত্ৰী শ্ৰীমতী কাকতী আৰু প্ৰযোজক শ্ৰী দাস লণ্ডনলৈ গৈছিল। বেৰি সৰ্বাধিকাৰী একালৰ প্ৰখ্যাত ক্ৰিকেট কমেণ্টেটৰ আছিল। তেখেতক সেইদিনা শ্ৰীমতী কাকতী আৰু শ্ৰীদাসৰ লগত কিয় পালো ক'ব নোৱাৰোঁ।)

অলপ আগতে কোৱা মতে— মোৰ লেবৰেটৰিৰ সংসাৰখনৰ কথালৈ আহোঁ। ইংৰাজ জাতিৰ ইতিহাস, চৰিত্ৰ আদিৰ বিষয়ে আলোচনা-বিশ্লেষণ কৰা অলেখ ৰচনা আছে; সেইবোৰৰ লগত অধ্যয়নপুষ্ট, তত্ত্বগধুৰ কথা যোগ দিয়াৰ ইচ্ছা মোৰ নাই, আৰু সেই দিশত মই একো কৰাও নাছিলো; কিন্তু এই লেবৰেটৰিৰ সংসাৰখনে মোক ইংৰাজ জাতিটো সম্পৰ্কে যি জ্ঞান দিছিল, সেই জ্ঞানক মই সৰ্বাধিক গুৰুত্ব দিছিলো।

নিঃসন্দেহে, আমাৰ লেবৰেটৰি-পৰিয়ালটোৰ মুৰব্বী, অভিভাৱক আৰু পথ-প্ৰদৰ্শক আছিল ড. হেৰি উইলমেন। "আজি ড. উইলমেন লেবৰেটৰিলৈ অহা নাই",— এইটো আমাৰ কাৰণে বিস্ময়কৰ কথা আছিল। কোনজন ছাত্ৰই কোনদিনা কি কাম কৰিছে, এই সপ্তাহটোত কাৰ কাম কিমান আগ বাঢ়িল,— এইবোৰ খবৰ মানুহজনে আমাৰ মাজত থাকি নিজে সংগ্ৰহ কৰিছিল। মই জানিবা মেজৰ সমুখত থিয় হৈ কিবা এটা কৰি আছোঁ;— দীঘল-দীঘলকৈ খোজ পেলাই মানুহজন মোৰ ওচৰত থিয় হ'বহি আৰু হুঁ-হুঁ কৈ দুটা সৰু শব্দ উচ্চাৰণ কৰিব। সেই শব্দ দুটাৰ অৰ্থ হ'ল— কি কৰিছা? মই

উত্তৰ দিয়াৰ কোনো প্ৰয়োজন নাছিল;— কাৰণ তেখেতে দেখিয়েই বুজিছিল,— মই কি কৰি আছোঁ। মানুহজনৰ কোটৰ জেপকেইটাত কলম-পেনছিলৰ বাহিৰেও সৰু স্কে'ল এডাল, ছুৰী-কটাৰী এখন, মেগনিফাইং লেনছ এখন,— ইত্যাদি আহিলা কিছুমান থাকেই। কেতিয়াবা তেখেতে হঠাতে মেগনিফাইং গ্লাছখন উলিয়াই মই পৰীক্ষা কৰি থকা বস্তু এটা তুলি লৈ জুপিবলৈ ধৰে, বা স্কে'লডাল উলিয়াই জোখ-মাখ কৰে। তাৰ পাছত ক'বলগীয়া কিবা থাকিলে কয়, নাথাকিলে আকৌ "হুঁ" শব্দ এটা কৰি আঁতৰি যায়। এই হুঁ-টোৰ অৰ্থ হ'ল—"কৰা, কৰি যোৱা"।

মোৰ ধাৰণা,— কৰি গৈ-গৈ মই কি পামগৈ সেইটো তেখেতে তেতিয়াই বুজিছিল। অকল মোৰেই নহয়, তেখেতৰ তত্ত্বাবধানত গৱেষণা কৰা আমাৰ পৰিয়ালটোৰ আঠোজন ছাত্ৰৰে কামতকৈ তেখেতৰ চিন্তা আগবঢ়া আছিল। এই আঠজন ছাত্ৰৰ গৱেষণা তেখেতৰ জীৱনৰ সেইছোৱা কালৰ বিজ্ঞান-সাধনাৰ ঘাই উপজীব্য আছিল। এই সাধনাত মানুহজন যেনেকৈ নিমগ্ন আছিল, তাক্লে চাই বুজিব পাৰিছিলো,— আমাৰ আগৰ সকলো চামৰে ছাত্ৰৰ ক্ষেত্ৰত এই কথাটো সত্য আছিল, আৰু আমাৰ পাছৰ ছাত্ৰসকলৰ ক্ষেত্ৰতো সত্য হৈ থাকিব।

এই যে আঠজন ছাত্ৰৰ কথা কৈছোঁ, তেওঁলোকৰ সাতজন হ'ল,— জন গডাৰ্ড, জন হাৰ্ভে, পিটাৰ লেভিন, ব্ৰায়ান এভিয়েণ্ট, পিটাৰ ডবছন, জিম কিং, কঠৌটি কুমাৰ মহাৰাজা আৰু আঠ নম্বৰ জন হ'লো মই। প্ৰথমতে মই কঠৌটি কুমাৰ মহাৰাজাৰ বিষয়ে কিছু কথা কৈ এটা কাম শেষ কৰি থওঁ। এওঁ অন্ধ্ৰপ্ৰদেশৰ ডেকা। দেখাই-শুনাই ধুনীয়া। মোতকৈ এবছৰমানৰ আগতে তেওঁ এইটো লেবৰেটৰিত কাম কৰিবলৈ লৈছিল। কিন্তু এই বছৰত তেওঁ অইনে ছমাহত কৰা কামৰ সমানো কাম কৰিছিল নে নাই সন্দেহ। তেওঁ ৰাতি ৰেস্তোঁৰা এখনত চাকৰি কৰে। কেতিয়াবা দোকমোকালি পৰলৈকে কাম কৰিব লাগে। তেনেকৈ চাকৰি কৰি বহুতেই গৱেষণাৰ কাম কৰে; কিন্তু মহাৰাজাৰ আটাইতকৈ ডাঙৰ মস্কিলটো হ'ল,— বিলিয়াৰ্ড আৰু স্নুকাৰ খেলৰ প্ৰতি তেওঁৰ প্ৰচণ্ড নিচা। কলেজলৈ আহি পোনে-পোনে লেবৰেটৰিলৈ অহাৰ সলনি তেওঁ যায় ষ্টুডেণ্টছ কমন ৰুমলৈ। বিলিয়াৰ্ড-স্নুকাৰৰ কিউডাল হাতত পৰিলেই তেওঁ পৃথিবীৰ অন্যান্য সকলো কথা পাহৰি যায়। দুদিনৰ মূৰত ভুটুংকৈ লেবৰেটৰিত ওলাবহি, হাঁহি মুখেৰে হাই-হুইকৈ কোন কেনে আছে খবৰ ল'ব, নিজৰ ঠাইডোখৰলৈ গৈ এঘণ্টামান কিবাকিবি কৰিব,—"এই আহিছোঁ" বুলি ওলাই যাব, তাৰ পাছত হয়তো আকৌ দুদিনলৈ তেওঁৰ খবৰেই নাই। এদিন তেওঁ যন্ত্ৰ এটা তেওঁৰ বস্তুৰে বন্দী কৰি থৈ গুচি গ'ল। পাছদিনা যন্ত্ৰটো অইন এজনক লাগে কাম কৰিবলৈ। কিন্তু মহাৰাজাৰতো দেখাদেখিয়েই নাই। শেষত ড. উইলমেনে নিজে প্ৰিন্স কনৰ্ষ্ট ৰ'ড পাৰ হৈ, স্নুকাৰ টেবল থকা কোঠালিটোলৈ

গৈ মহাৰাজাক ধৰি আনিলেগৈ। মোতকৈ বহু আগৰে পৰা মহাৰাজাক দেখি থকা হাৰ্ভে-লেভিনহঁতে মহাৰাজাক ৰাজা বুলি মাতে। তেওঁলোকৰ মতে ৰাজা বুদ্ধিমান মানুহ। এতিয়ালৈকে তেওঁ যিখিনি কাম কৰিছে, সেইখিনি উলাই কৰিবলগীয়া নহয়। সেইখিনি জুকিয়াই পেলালেও অন্ততঃ কাম কিমান আগ বাঢ়িছে তাৰ এটা আভাস পোৱা যায়। কিন্তু মানুহটোৱে তাকে নকৰে।

মই কেতিয়াবা অকলে পালে মহাৰাজাক সোধোঁ,—"তুমি কিয় গাত লাগি কাম নকৰা? সময় কেনেকৈ গৈ আছে দেখিছা নে নাই?"

মহাৰাজাই বীৰদৰ্পে ঘোষণা কৰে, " কৰিম কৰিম। তুমি চাই থাকিবা,— চব ঠিক হৈ যাব।"

১৯৬১ চনৰ জানুৱাৰি মাহত মই যেতিয়া শেষবাৰৰ কাৰণে লেবৰেটৰিটোলৈ গৈ সকলোকে মাত লগাই আহোঁ, তেতিয়াও মহাৰাজা তাত নাছিল। কিন্তু মই জানিছিলো,— হয়তো তেওঁ পাছদিনাই ভুটুংকৈ সেইখিনিত ওলাবহি। তেওঁ পাছত কেতিয়া কি কৰিলে, একো খবৰ নাপালো। মনত পৰে,— সেইখন দেশৰ কিবা খেলত ভাৰতীয় লোকৰ পৰাজয় হ'লে মই যেতিয়া দুখ প্ৰকাশ কৰোঁ, তেতিয়া মহাৰাজাই সদায় একেটা কথাকে কয়,— "ইহঁতে গাৰ জোৰ বঢ়াব লাগে। বিফ,— বিফ খাব লাগে।" মুকলি, চাফা মনৰ, পৃথিৱীখনক সহজভাৱে লোৱা ফূৰ্তিবাজ ডেকা আছিল কণ্ঠেটি কুমাৰ মহাৰাজা। মোৰ এনেকুৱা লাগে,— এইজন মানুহৰ জীৱনত যেন কেতিয়াও দুখ নহ'ব। নহওক বুলি আশাও কৰোঁ।

আমাৰ পৰিয়ালটোৰ উপগ্ৰহৰ নিচিনা আৰু এজন সদস্য আছিল। তেখেতৰ নাম আছিল এইচ. আই. মেথিউজ। চুটি-চাপৰ, প্ৰায় পচপন্ন বছৰীয়া যেন লগা এই মানুহজনে আমাৰ লেবৰেটৰিৰ ভিতৰতে থকা সৰু কোঠালি এটাত গৱেষণাৰ কাম কৰিছিল। সেই কোঠালিটোত এটা ইলেকট্ৰন মাইক্ৰ'স্ক'প আছিল। যন্ত্ৰটো মেথিউজৰ বাহিৰে আন কোনেও ব্যৱহাৰ নকৰিছিল। তেখেতৰ একমাত্ৰ পুত্ৰ-সন্তানটোৰ কেনছাৰ ৰোগত মৃত্যু হৈছিল। তাৰ পাছৰ পৰাই তেখেতে ইলেকট্ৰন মাইক্ৰ'স্ক'পটো লৈ কাৰ্বনৰ লগত কেনছাৰ ৰোগৰ সম্পৰ্ক বিচাৰি গৱেষণা কৰিবলৈ লৈছিল। বৰ কম কথা কোৱা মানুহজন নিজৰ সময়সূচী অনুসাৰে লেবৰেটৰিলৈ আহে, নিঃশব্দে মূৰ দুপিয়াই আমাক সম্ভাষণ জনায়, দুৱাৰৰ তলা খুলি তেখেতৰ কোঠালিত সোমায়, আৰু দুৱাৰখন বন্ধ কৰি দিয়ে। কেতিয়াবা আবেলি, কেতিয়াবা সন্ধিয়াৰ পাছত দুৱাৰৰ তলা বন্ধ কৰি তেখেত নিঃশব্দে গুচি যায়। মানুহজনৰ চকু-মুখ, খোজ-কাটল সকলোকে এক বিষণ্ণ গাম্ভীৰ্যই আচ্ছন্ন কৰি ৰাখে। প্ৰায় দুবছৰ ইমান ওচৰা-উচৰিকৈ থকা সত্বেও মেথিউজ চাহাবৰ লগত মোৰ মাত্ৰ দুদিন মনত ৰাখিব লগীয়াকৈ কথাৰ আদান-প্ৰদান হৈছিল;

আৰু সেই দুদিনৰ কথাই তেখেতৰ মনটোৰ বিষয়ে মোক এটা আভাস দিছিল। এদিন হঠাতে তেখেতে মোক ক'লে,— পেনিছিলিন আবিষ্কাৰ কৰি নোবেল বঁটা পোৱা বিজ্ঞানী ছাৰ আলেকজেণ্ডাৰ ফ্লেমিঙৰ সহযোগী ড. চেইনৰ সম্মানাৰ্থে ইম্পিৰিয়েল কলেজত এক ভোজমেলৰ আয়োজন কৰা হৈছে। ভোজমেলত অংশগ্ৰহণ কৰাসকলৰ বাবে টিকেটৰ বন্দবস্ত কৰা হৈছে। মেথিউজ চাহাবে অনুষ্ঠানটোক সহায় কৰাৰ উদ্দেশ্যে দুখন টিকেট কিনিছে। দ্বিতীয় টিকেটখনেৰে তেখেতে মোক ভোজমেলখনলৈ লৈ যাব খোজে। মই আগ্ৰহেৰে তেখেতৰ প্ৰস্তাৱটো গ্ৰহণ কৰিলো। ভোজসভালৈ গ'লো, বিজ্ঞানীজনৰ চমু বক্তৃতাটো শুনিলো, তাৰ পাছতে ৱেইট্ৰেছকেইজনীয়ে খাদ্য পৰিবেশন কৰিবলৈ ল'লে। মেথিউজ আৰু মই ওচৰা-উচৰিকৈ বহিছিলো। আমাৰ সমুখত থোৱা খাদ্যৰ প্লেটকেইখনলৈ চাই মেথিউজৰ দৃষ্টি থৰ হৈ গ'ল। কেইমুহূৰ্তমান মোৰ প্লেটখনলৈ চাই তেখেতে ক'লে,— "মই দুঃখিত।"

দুঃখিত? কিয়?

তেখেতে ক'লে,— "মই লাঞ্চত মুৰগী মাংস দিব বুলি ভাবিছিলো, কিন্তু এয়া ষ্টেইকহে!"

ষ্টেইক (Steak) মানে মাংস বা মাছৰ চকলো হয়; কিন্তু সাধাৰণতে সেইখন দেশৰ ভোজনালয়ত ষ্টেইক শব্দটোৱে গৰু-মাংসৰ উৎকৃষ্ট অংশৰ চকল বুজায়। এনেকুৱা চকলৰে প্ৰস্তুত কৰা খাদ্য বহুতৰে বাবে উচ্চমানৰ আৰু প্ৰিয়। মই ক'লো, "সেইটো একো ডাঙৰ কথা নহয়। খাবলৈ এয়া অন্য বস্তু আছে নহয়!" "তথাপি"— বুলি মেথিউজে তলমূৰ কৰিলে। খাই-বৈ, সভা ভংগ হোৱাৰ পাছত আমি লেবৰেটৰিলৈ উভতি আহিলো। লেবৰেটৰিতো, হঠাতে নিজৰ কোঠালিটোৰ পৰা ওলাই আহি তেখেতে ক্ষমা-প্ৰাৰ্থনাৰ সুৰেৰে মোক ক'লে, "তাত গৰু-মাংস পৰিবেশন কৰা হ'ব বুলি জনা হ'লে মই তোমাক কেতিয়াও তালৈ নিনিলোহেঁতেন।" সাধাৰণতে ইংৰাজ লোকে কোনো এটা কথা এবাৰ পৰিষ্কাৰকৈ ক'লেই কোৱা হৈ গ'ল বুলি ধৰে। মেথিউজে খোৱাৰ মেজত এবাৰ দুখ প্ৰকাশ কৰিলে যেতিয়া কথা সিমানতে শেষ হ'ব লাগিছিল; কিন্তু যিটো কথাত মই গুৰুত্বই দিয়া নাছিলো, সেইটো কথাতে তেখেত ইমান অনুতপ্ত হৈছে,— ঘটনাটো দেখি এই নিৰ্বাকপ্ৰায়, আত্মসমাহিত মানুহজনৰ ভিতৰখনৰ এটা নতুন পৰিচয় পাইছিলো। এয়া হ'ল মেথিউজ চাহাবৰ লগত আদান-প্ৰদানৰ প্ৰথম দিনটোৰ কথা। দ্বিতীয় দিনটো ১৯৬০ চনৰ মাজভাগৰ কোনোবা এটা দেওবাৰ আছিল। তেতিয়া মই লেবৰেটৰিৰ কাম আগুৱাবলৈ প্ৰাণপণে চেষ্টা কৰিছোঁ। চৰকাৰৰ বৃত্তি দুবছৰৰ বাবে বুলি কোৱা আছে। ছেপ্টেম্বৰৰ ৩০ তাৰিখে দুবছৰ শেষ হ'ব। সাধাৰণতে দুবছৰত পি. এইচ. ডি. ডিগ্ৰিৰ কাৰণে গৱেষণাৰ কাম শেষ নহয়।

অন্য ছাত্ৰৰ ক্ষেত্ৰত বাৰ মাহলৈকে বৃত্তিৰ মিয়াদ বঢ়াই দিয়াৰ কথা শুনিছোঁ। কিন্তু মোৰ ক্ষেত্ৰত যদি মিয়াদ নাবাঢ়ে, তেতিয়া কি হ'ব? কম বিপদত পৰিমনে? গতিকে, বিপদৰ সম্ভাৱনা আঁতৰ কৰিবলৈ, ৰাতিপুৱাৰ পৰা ৰাতিলৈকে খাটিবলৈ লৈছিলো। সেই দেওবাৰটোত ৰান্ধি-বাঢ়ি খাই বাৰমান বজাত লেবৰেটৰিলৈ আহিছিলো। ফৰকাল বতৰ। কেনছিংটন গাৰ্ডেনত তেতিয়া শ-শ মানুহে ৰ'দত গা ধুবলৈ লৈছে। লেবৰেটৰিত আমাৰ লগৰ কোনো নাই। থকাৰ কথাও নহয়। কাম কৰি আছোঁ, দুইমান বজাত মেথিউজ সোমাই আহিল। তেখেতৰ চকু-মুখ দেখি ধাৰণা হ'ল,— তেখেতে মোক লেবৰেটৰিৰ ভিতৰত আশা কৰা নাছিল। দুৱাৰৰ তলাটো খুলি, মোৰ ওচৰলৈ আহি তেখেতে সুধিলে, "ইয়াত কি কৰিছা?"

মই ক'লো, " কাম কৰিছোঁ।"

তেখেতে ক'লে, "বাহিৰখন বৰ ধুনীয়া হৈছে। বৰ ভাল বতৰ। বৰ ভাল ৰ'দ। আজি দেওবাৰ। এনেকুৱা দিনত, এনেকুৱা বতৰত তুমি বাহিৰত ঘূৰি ফুৰিব লাগে, আনন্দ কৰিব লাগে, দিনটো উপভোগ কৰিব লাগে। আজি কাম নকৰিলে নহয় জানো?"— কথাখিনি কৈ মেথিউজ কোঠালিটোৰ ভিতৰলৈ সোমাই গ'ল আৰু দুৱাৰখন বন্ধ কৰি দিলে। বন্ধ দুৱাৰখনলৈ চাই মই অলপ সময় বৈ থাকিলো। এনেকুৱা লাগিল যেন মেথিউজৰ নিজলৈ বাহিৰখন, ভাল বতৰ আৰু দেওবাৰ বুলিবলৈ একো নাছিল।

আমাৰ লেবৰেটৰিৰ মূল কোঠালিটোৰ একাষে এখন ডাঙৰ চাৰিচুকীয়া মেজ আছিল। সেইখনেই আমাৰ লিখা-পঢ়া কৰা, আলোচনা কৰা, মেল মৰা, ফূৰ্তি কৰা, চাহ-কফি খোৱা, কাজিয়া কৰা আদি বিভিন্ন কামৰ আশ্ৰয় আছিল। কেতিয়াবা সকলো নিজ-নিজ কামত ইমান ব্যস্ত হৈ থাকে যে কোঠালিটোত মানুহ থকাৰ উমানেই পোৱা নাযায়। কেতিয়াবা দেখা যায়, এটাইমখাই চিএৰ-বাখৰ কৰি তাচ খেলি আছে; নাইবা কফিৰ কাপ আগত লৈ তৰ্ক কৰিছে। ড. উইলমেনে ডেকাইঁতে তাচ খেলাটো ভাল নাপাইছিল। তেখেত সোমাই আহিলেই ডেকাইঁতে কথা বন্ধ কৰি, লাহে-ধীৰে তাচখিনি সামৰি, নিজৰ-নিজৰ কামত ধৰিছিল। এদিন ড. উইলমেনে মেজৰ পৰা জাপি থোৱা তাচপাতখিনি তুলি ল'লে; চুকত থকা জাবৰ পেলোৱা বাচনটোৰ ওপৰত তাচখিনি ধৰি সকলোলৈকে চাই মুখ টিপি হাঁহি এটা মাৰিলে, আৰু তাৰ পাছত তাচখিনি বাচনটোত পৰিবলৈ এৰি দিলে। সেইযোৱেই অৱশ্যে লেবৰেটৰিটোত থকা একমাত্ৰ তাচ নাছিল। জন হাৰ্ভে, পিটাৰ লেভিন, মহাৰাজা, জিম কিং— এওঁলোকৰ তাচ খেলৰ প্ৰতি বৰ আগ্ৰহ আছিল।

যাইকৈ গৱেষণাৰ কামৰ বাবে লেবৰেটৰিটোত এটা গেছৰ চৌকা আছিল। চৌকাটোৰ ওচৰৰে বেৰত কোনদিনা কোনে কফি তৈয়াৰ কৰিব, তাৰ এখন তালিকা লগাই থোৱা

আছিল। কাচৰ দীঘল মুখৰ গোল ফ্লাস্ক এটা কফি তৈয়াৰ কৰাৰ বাচন হিচাপে ব্যৱহাৰ কৰা হৈছিল। কেতিয়াবা একোটা বিশেষ উপলক্ষ্যত সেই ফ্লাস্কটোত কফিৰ সলনি 'ককটেইল' প্ৰস্তুত কৰা হৈছিল। এই কামটো প্ৰায়েই ব্ৰায়ানে কৰিছিল। কিতাপ এখন চাই-চাই, কেইবাটাও বটলৰ পৰা বিভিন্ন ৰঙৰ পানীয় ঢালি, মিশ্ৰণটো তেওঁ ফ্লাস্কটোত উতলাইছিল, আৰু শেষত আপেলৰ টুকুৰা কেইটামান তাত পেলাই দি প্ৰস্তুত-প্ৰণালী সম্পূৰ্ণ কৰিছিল। এদিন আবেলি, ড. উইলমেন ঘৰলৈ যোৱাৰ পাছত, তেনেকুৱা 'ককটেইল' খাই এটাইমখাই লেবৰেটৰিৰ ভিতৰতে নৃত্য আৰম্ভ কৰিছিল। তাৰ পাছত গৱেষণাৰ কামত ব্যৱহাৰ কৰা পানীৰ বটল হাতত লৈ ইটোৱে সিটোৰ গাঁলৈ পানী ছটিয়াই গোটেই লেবৰেটৰিটো পেনপেনিয়া কৰি পেলাইছিল। শেষত সকলোৱে ব্ৰাছ, বাঢ়নী আৰু ফটাকানিৰে মজিয়া, চকী-মেজ, যন্ত্ৰ-পাতি আদি সকলো মচি লেবৰেটৰিটো আগৰ নিচিনা কৰি থৈ ঘৰাঘৰি গৈছিলগৈ।

ইম্পিৰিয়েল কলেজৰ 'জেজেবেল' (Jezebel) নামৰ এখন ঐতিহ্যমণ্ডিত গাড়ী আছিল। গাড়ী মানে,— সেইখন বহু বছৰৰ আগতে জুই নুমুৱাবলৈ ব্যৱহাৰ কৰা গাড়ী আছিল। গাড়ীখনৰ গাটোৰ বহু অংশ পিতলৰ আছিল। সমুখত আঁৰি থোৱা আছিল এটা ডাঙৰ পিতলৰ ঘণ্টা। গাড়ীখন চিকচিকিয়া আৰু সকলো দিশৰ পৰা সুস্থ অৱস্থাত ৰখাৰ দায়িত্ব প্ৰতি বছৰে একোদল বেলেগ-বেলেগ ছাত্ৰক দিয়া হৈছিল। প্ৰতি বছৰে ইম্পিৰিয়েল কলেজৰ আটাইতকৈ সুন্দৰী ছোৱালীজনীক 'কুইন অব জেজেবেল' সন্মানেৰে সন্মানিত কৰা হৈছিল; আৰু তেওঁক এদিন জেজেবেলখনৰ সমুখত বহুৱাই কলেজ চৌহদৰ চাৰিওফালে ঘূৰাই লৈ ফুৰোৱা হৈছিল। আমাৰ লেবৰেটৰিৰ পল পৰ্জেছ্ এবছৰৰ বাবে জেজেবেলৰ দায়িত্বত আছিল। সেই বছৰটোত তেওঁৰ উত্তেজনাৰ ভাগ আমিও পাইছিলো। কলেজখনৰ ফিনিক্স (Phoenix) নামৰ এখন সাদিনীয়া, চাৰিপৃষ্ঠীয়া কাকত আছিল। সেইখনৰ লগতো আমাৰ লেবৰেটৰিটোৰ কেইবাজনো ঘনিষ্ঠভাৱে জড়িত আছিল। মুঠৰ ওপৰত মই ক'ব খোজা কথাখিনিৰ সাৰাংশ হৈছে,— মহাৰাজাৰ কাণ্ড-কাৰখানাবোৰ এটা হিচাপত চৰম পৰ্যায়ৰ আছিল, কিন্তু এই ব্ৰায়ান-জিমহঁতো লেবৰেটৰিৰ বাহিৰৰ জগতখনৰ পৰা ছাত্ৰসুলভ, যুৱসুলভ আনন্দ আহৰণ কৰাৰ ক্ষেত্ৰত বৰ সক্ৰিয়, প্ৰাণশক্তিৰে ভৰপূৰ,— আনহাতে লেবৰেটৰিৰ কামৰ প্ৰতি অত্যন্ত শ্ৰদ্ধাশীল, দায়িত্বজ্ঞানসম্পন্ন ডেকা আছিল। এদিন তেওঁলোকে মোক ক'লে,— "ব'লা।" ক'লৈ? মল সাৰিবলৈ। মানে?

মানেটো হ'ল,—ৰাণী এলিজাবেথৰ ভনীয়েক প্ৰিন্সেছ মাৰ্গাৰেটৰ বিয়া। আমাৰ কলেজখন হ'ল 'ইম্পিৰিয়েল' কলেজ; ইয়াৰ 'ভিজিটৰ' হ'ল স্বয়ং ৰাণী এলিজাবেথ। গতিকে তেখেতৰ ভনীয়েকৰ বিয়াত ইম্পিৰিয়েল কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে নামটো ৰাখিবলৈ

হ'লেও কিবা এটা কৰা দৰকাৰ। কি কৰা যায়? বাকিংহাম পেলেছৰ পৰা কইনা যিটো বাটেৰে বিয়াৰ কাৰণে গিৰ্জালৈ যাব, সেইটো বাটৰ নাম হ'ল The Mall. ঠিক কৰা হৈছে,— ইম্পিৰিয়েল কলেজৰ ল'ৰাহঁতে সেই মলৰ এছোৱা সাৰি চাফা কৰি থৈ আহিব। বিয়ালৈ কেইবাদিনো আছে; কিন্তু কলেজৰ ল'ৰাৰ প্ৰগ্ৰেমটো আজিয়েই ধাৰ্য কৰা হৈছে।

দুপৰীয়া খাই-বৈ উঠাৰ পাছতে প্ৰিন্স কনছৰ্ট ৰ'ডত কেইবা শও ছাত্ৰ গোট খালে। প্ৰত্যেকৰ হাতত দীঘল নাল লগোৱা বাঢ়নী নাইবা ব্ৰাছ। এসময়ত সকলোৱে হাতৰ আহিলা কান্ধত লৈ মল অভিমুখে শোভাযাত্ৰা আৰম্ভ কৰিলে। মলত উপস্থিত হোৱাৰ লগে-লগে তেওঁলোকে ৰাস্তাটো সাৰিবলৈ ধৰিলে। সাৰিবলৈ ৰাস্তাত জাবৰ-জোঁথৰ নায়েই; তথাপি ডেকাহঁতে ৰাস্তাত বাঢ়নী-ব্ৰাছ চোঁচোঁৰাই দৌৰি ফুৰিবলৈ ধৰিলে। এসময়ত তেওঁলোকৰ দৌৰা-দৌৰিবোৰ অলপ বিশৃংখল যেন দেখা গ'ল। এনে সময়তে বাকিংহাম পেলেছৰ ফালৰ পৰা এদল অশ্বাৰোহী চিপাহী ল'ৰাহঁতৰ ফালে খেদি অহাৰ নিচিনাকৈ আগুৱাই আহিল। লগে-লগে ল'ৰাহঁতে ফাহিচিটিকা দিলে। মোৰ লগৰকেইটা কোন ফালে গ'ল তৰ্কিবই নোৱাৰিলো। কিছু দূৰ দৌৰি, এটা ডাঙৰ ৰাস্তাত ওলাই, বাছত উঠি কলেজলৈ গুচি আহিলো।

বিয়াৰ দিনতো মই মলৰ কাষত থিয় হৈ কইনা-দলটোৰ শোভাযাত্ৰা চাবলৈ গৈছিলোৱেই, তাৰ আগতেও কেইবাদিনো অকলে মলত ঘূৰা-পকা কৰি আয়োজনবোৰ চাই ফুৰিছিলো। ৰাস্তাটোৰ দুয়োপাৰ মহা আড়ম্বৰেৰে সজোৱা হৈছিল; দৰা-কইনাৰ নামৰ প্ৰথম আখৰ দুটা থকা মখমলৰ বেনাৰবোৰ অনা হৈছিল অষ্ট্ৰেলিয়াৰ পৰা; — কিন্তু মই এইবোৰতকৈ বেছি আগ্ৰহেৰে লক্ষ্য কৰিছিলো অইন এটা দৃশ্য। গোটেই ইংলেণ্ডৰ পৰা, ইংলেণ্ডৰ বাহিৰৰ পৰাও বিয়াখন,— মানে শোভাযাত্ৰাটো চাবলৈ অগণন মানুহ আহিব। বহু মানুহে দুদিনৰ আগৰ পৰাই ৰাস্তাটোৰ দুয়োকাষৰ বননিত বিছনা পাৰি থাকিবলৈ ল'বহি। গতিকে সেই বননিৰ সিপাৰে শাৰী-শাৰীকৈ অস্থায়ী গা-ধোৱা ঘৰ আৰু শৌচাগাৰ সজোৱা হৈছিল, আৰু খোৱা-পানীৰ ব্যৱস্থা কৰা হৈছিল। বিয়াৰ দিনা ভাল ঠাই এডোখৰত থিয় হ'বলৈ পোৱাৰ আশাৰে ৰাতিপুৱাই গৈ দেখিছিলো,—সঁচাকৈয়ে,— বননিৰ ওপৰত শাৰী-শাৰী বিছনা; ৰেডিঅ' বাজিছে, গ্ৰামোফোন বাজিছে, কোনোবাই গাইছে, কোনোবা শুয়েই আছে,— কোনোবাই গা ধুই উঠি চুলি আঁচুৰিছে।

সেইদিনা আবেলিয়েই দৰা-কইনা ব্ৰিটেনিয়া নামৰ জাহাজ এখনত উঠি কেৰিবিয়ান সাগৰ অভিমুখে গুচি গৈছিল। জাহাজখনত মূল যাত্ৰী বুলিবলৈ সেই দুজনেই আছিল। বৰ ডাঙৰ বিয়া এখনৰ যিমানখিনি সাধাৰণ মানুহ হিচাপে চাব পাৰি,— চাই থলো।

সেই বছৰতে আমাৰ লগৰে ব্ৰায়ান এভিয়েণ্টৰ বিয়াখনো খালো। কইনাজনীক আমি আগৰে পৰাই চিনি পাওঁ। পিটাৰ লেভিন, জিম কিং আদিৰ বাগদত্তা বা বান্ধৱীসকল

শুকুৰবাৰে আবেলি পৰত প্ৰায়েই লেবৰেটৰিলৈ আহিছিল। কেতিয়াবা ব্ৰায়ানৰ বাগদত্তাও আহিছিল। এই ছোৱালীহঁতৰ ভিতৰত চকুত লগা চেহেৰাৰ, শান্ত, অমায়িক ছোৱালী আছিল পিটাৰ লেভিনৰ বান্ধৱীজনী। বাঁওহাতৰ কিলাকুটিৰ ভাঁজত বেতেৰে সজা, নাও আকৃতিৰ বাস্কেট এটা ওলমাই তেওঁ ধীৰ খোজেৰে লেবৰেটৰিলৈ আহিছিল আৰু পিটাৰক লগত লৈ ওলাই গৈছিল। এই ছোৱালীজনীৰ বিষয়ে এইখিনি কথা কৈ থোৱাৰ কাৰণ আছে। ব্ৰায়ানৰ বিয়াৰ কথালৈ আহোঁ। প্ৰায় তিনিমাহমানৰ আগতেই এদিন কলেজৰ কেণ্টিনত দুপৰীয়াৰ সাঁজ খাওঁতে ব্ৰায়ানক সুধিছিলো,—"তুমি দেখোন কেইবাদিনো কেৱল ছেণ্ডউইচ খাইছা। কথাটো কি?" তেওঁ কৈছিল,—"বিয়াৰ কাৰণে পইচা বচাইছোঁ।"— তাৰ পাছত তেওঁ ক'লে,— সিফালে ছোৱালীজনীয়েও পইচা বচাইছে। দুয়োৱে পইচা গোটাইহে তেওঁলোকে বিয়াখন পাতিব।

বিয়াৰ আগে-আগে আমি সাতজনে ঠিক কৰিলো,— গাইপতি এক পাউণ্ডকৈ তুলিম; তাৰে ব্ৰায়ানক উপহাৰ এটা দিম। এজনে ব্ৰায়ানক সুধিলে,—"সাত পাউণ্ডৰে কিনিব পৰা বস্তু তোমাক কি লাগে কোৱা।" ব্ৰায়ানে ক'লে, "ৱাইন গ্লাছৰ ছে'ট এটাকে দিবা।"

এদিন আমি তিনিটা দোকান এখনলৈ গ'লো; সাত পাউণ্ডৰ ভিতৰতে পোৱা ৱাইন গ্লাছৰ ছে'ট এটা বাছি উলিয়ালো, তাৰ পাছত পইচা, আমাৰ নামৰ তালিকা এখন, ব্ৰায়ানৰ ঘৰৰ ঠিকনা আৰু বিয়াৰ তাৰিখটো দি গুচি আহিলো।

বিয়াৰ আগদিনা আবেলি আমাৰ কোন কেনেকৈ বিয়ালৈ যাব তাৰ ব্যৱস্থা পকা কৰা হ'ল। ব্ৰায়ানৰ ঘৰ কাৰ্ডিফৰ সিফালে সাগৰৰ পাৰৰ সৰু নগৰ এখনত। ঠিক হ'ল মই পুৱা পাঁচ বজাতে নটিংহিল গে'ট ষ্টেছনৰ ওচৰত থিয় হৈ থাকিম, জন গডার্ডে তেওঁৰ গাড়ীত মোক লৈ যাব। আহোঁতে কিন্তু মই ৰে'লত উভতি আহিব লাগিব; কাৰণ গডার্ড সেইদিনা লণ্ডনলৈ উভিত নাহে। অলপ পাছত পল পৰ্জেছ লেবৰেটৰিলৈ সোমাই আহিল। মই তেওঁক সুধিলো,—"তুমি কেনেকৈ যাবা? নিজৰ গাড়ীৰে?" তেওঁ ক'লে, "মই নাযাওঁ।" "কিয়?" "মোক বিয়ালৈ নিমন্ত্ৰণ কৰা নাই।"

নিমন্ত্ৰণ কৰা নাই? একেটা কোঠালিতে এটা পৰিয়ালৰ নিচিনাকৈ দিন কটাইছোঁ, পৰ্জেছে উপহাৰ কিনিবলৈ এক পাউণ্ড পইচাও দিছে,— অথচ তেওঁক বিয়ালৈ মতা নাই? কিয়?

পৰ্জেছে ক'লে, "ব্ৰায়ানে এশজন মানুহ মাতিব বুলি ঠিক কৰিছে। মই সেই এশজনৰ ভিতৰত নপৰিলো। মই ইহুদি।"

পৰ্জেছ ইহুদি বুলি মই নাজানিছিলো। হ'লেই জানিবা ইহুদি, সেইবুলি—। মই অবাক হ'লো।

পাছদিনা গডার্ডৰ গাড়ীৰে গৈ দহমান বজাত ব্ৰায়ানৰ নগৰখন পালোগৈ। আগৰ বন্দবস্ত মতে পোনে-পোনে গিৰ্জালৈ গ'লো। আমি গৈ পাওঁতে গিৰ্জাত বিয়াৰ কাম

আৰম্ভ হৈছে। ক'লা ছুট পিন্ধা, ব' টাই মৰা কটীয়া ব্ৰায়ানৰ চেহেৰাই বেলেগ হৈ গৈছে! আমি বহি দূৰৰ পৰা অনুষ্ঠানটো চালো। চুটি অনুষ্ঠান। অনুষ্ঠান শেষ হোৱাৰ লগে-লগে এজনে ঘোষণা কৰিলে,— এতিয়া দৰা-কইনা হনিমুনৰ কাৰণে ইটালিলৈ যাব। ৰে'লৰ সময় হ'লেই। গতিকে তেওঁলোক ইয়াৰ পৰা বাহিৰে-বাহিৰে ষ্টেছনলৈ যাবগৈ। নিমন্ত্ৰিতসকল যেন অনুগ্ৰহ কৰি অভ্যৰ্থনা গ্ৰহণ কৰিবৰ বাবে অমুক হললৈ যায়।

ঘোষণা শেষ হোৱাৰ পাছতে দৰা-কইনা মানুহবোৰৰ মাজেদি, আমাৰ কাষেদিয়েই ওলাই গুচি গ'ল। মোৰ ব্ৰায়ানৰ চকুৱে-চকুৱেও নপৰিল।

তাৰ পাছত আমি অভ্যৰ্থনাৰ আয়োজন কৰা হলটোলৈ গ'লো। তাৰ কাষৰীয়া কোঠালি এটাত দৰা-কইনাই পোৱা উপহাৰবোৰ প্ৰদৰ্শনৰ বাবে সজাই থোৱা হৈছিল আৰু অভ্যাগতসকলে সেইবোৰ চাইছিল। আমি দিয়া ৱাইন গ্লাছৰ ছে'টটোত দোকানীয়ে আমাৰ নাম লিখা সুদৃশ্য কাৰ্ড এখন ওলমাই দিছিল। উপহাৰ চোৱাৰ পাছত আমি মূল হলটোলৈ গ'লো। তাত খাদ্য পৰিবেশনৰ বাবে মেজবোৰ সজাই থোৱা হৈছিল। কোনখন মেজত কোন-কোন বহিব, সেয়া একোখন কাগজত লিখি মেজখনতে থৈ দিয়া আছিল। বিচাৰি-বিচাৰি আমি এখন মেজত আমাৰ চাৰিজনৰ নাম পালোগৈ। সকলো অতিথি বহাৰ পাছত হলটোৰ মাজৰ মেজ এখনৰ ওপৰত থিয় হৈ এজন ডেকাই দৰা-কইনালৈ অহা শুভেচ্ছাপত্ৰবোৰ পাঠ কৰিবলৈ ধৰিলে। প্ৰতিখন চিঠি বা কাৰ্ড পঢ়াৰ পাছত মানুহজনে দৰা-কইনাৰ বিষয়ে একোটা ৰসাল মন্তব্য দি গ'ল আৰু সমবেত সকলোৱে গিৰ্জনি মাৰি-মাৰি হাঁহিলে। এই পৰ্বটো শেষ হোৱাৰ পাছত খাদ্য পৰিবেশন কৰা হ'ল। আমি যেতিয়া ব্ৰায়ানৰ 'বিয়া খাবলৈ' ল'লো, তেতিয়া ব্ৰায়ান সপৰিবাৰে ইটালিলৈ বুলি ৰে'লত গৈ আছিল।

ইংলেণ্ডত মই ভাগ লোৱা তৃতীয়খন বিয়াৰ অভিজ্ঞতাটো বৰ বিস্ময়জনক আছিল। সেইখন আছিল আমাৰ লগৰে পিটাৰ লেভিনৰ বিয়া। তেওঁ ক'ত, কেতিয়া, কেনেকৈ বিয়াখন পাতিব, সেই বিষয়ে আমাক একো কোৱা নাছিল; কেৱল এদিন ক'লে,— " মোৰ বিয়া উপলক্ষে কাইলৈ তোমালোক সকলোকে মই বিয়েৰ খুৱাম।" সিমানেই? এৰা। সিমানেই।

পাছদিনা আমি নিজৰ পইচাৰে দুপৰীয়াৰ সাঁজ খাই ষ্টুডেণ্টছ কমন-ৰুমৰ 'বাৰ'খনলৈ গ'লো। এটা চুকত গোলকৈ সকলো বহিলো। তাৰ পাছত পিটাৰে বিয়েৰৰ ব্যৱস্থা কৰিলে। বিয়েৰ খাই-খাই বিভিন্নজনে বিভিন্ন ধৰণৰ গল্প ক'বলৈ ধৰিলে। এসময়ত মেলখন আনন্দময় হৈ উঠিল। তেনে অৱস্থাতে দেখা গ'ল,—যিজনী ছোৱালীক আমি পিটাৰৰ প্ৰণয়িনী বুলি জানো, যিজনী ছোৱালীয়ে পিটাৰক বিচাৰি আমাৰ লেবৰেটৰিলৈ যায়, যাৰ লগত বিয়া হোৱাৰ কাৰণে আমি ইয়াত বহি বিয়েৰ খাইছোঁ বুলি মই ভাবি

আছোঁ, সেইজনী ছোৱালী কোঠালিটোলৈ সোমাই আহিল। কিলাকুটিৰ ভাঁজত সেই বেতৰ বাস্কেটটো, সেই খোজ, সেই মুখভংগী। কোঠালিটোৰ সকলো মানুহে মূৰ তুলি তেওঁলৈ চালে। বিয়েৰ বেচা মানুহ এজন লৰালৰিকৈ ছোৱালীজনীৰ ফালে আগবাঢ়িল। এই কোঠালিটোত ছোৱালীৰ প্ৰবেশ সম্পূৰ্ণভাৱে নিষেধ। মানুহজনে ছোৱালীজনীক ওলাই যাবলৈ ক'লে। ছোৱালীজনীয়ে তেওঁৰ কথা নুশুনি আমাৰ ফালে আহি পিটাৰৰ ওচৰত থিয় হ'লহি। পিটাৰে বহাৰ পৰাই তেওঁৰ ফালে চালে। ছোৱালীজনীয়ে বাস্কেটটোৰ পৰা উপহাৰৰ নিচিনাকৈ বন্ধা কিতাপ এখন উলিয়াই পিটাৰক দিলে। পিটাৰে অনুচ্চ কণ্ঠেৰে কিবা এটা ক'লে, ছোৱালীজনীয়েও কিবা এটা উত্তৰ দিলে, আৰু তাৰ পাছতে তেওঁ আচম্বিতে পিটাৰৰ গালত এটা চৰ মাৰিলে। চৰটো মাৰিয়েই, গুণগুণকৈ দুটামান শব্দ উচ্চাৰণ কৰি ছোৱালীজনী লৰালৰিকৈ ওলাই গ'ল।

আটাইতকৈ বিস্ময়জনক কথা,— ছোৱালীজনী ওলাই যোৱাৰ পাছত জিম, ডবছনহঁতে ছোৱালীজনী অহাৰ আগতে যিটো গল্প কৈ আছিল, অলপ স্তিমিত সুৰত হ'লেও, সেই গল্পটোকে আৰম্ভ কৰিলে। কোঠালিটোৰ অইন মানুহবোৰেও নিজ-নিজ কাম আৰু কথাত ধৰিলে। তাৰ পাছতো, কোনো দিনেই জিম, ডবছনহঁতে সেই ঘটনাটোৰ বিষয়ে কথা পতা নুশুনিলো। পিটাৰ লেভিনেও স্বাভাৱিকভাৱে লেবৰেটৰিৰ কাম কৰি থাকিল।

আমাৰ লগৰ হাৰ্ভে আৰু গডাৰ্ডৰ মই তেওঁলোকক লগ পোৱাৰ আগতেই বিয়া হৈছিল। জিমৰ তেওঁৰে নিচিনা ওখ-পাখ বান্ধৱী এগৰাকী আছিল। তেওঁলোকৰ বিয়া হ'ল নে নহ'ল খবৰ নাপালো। পিটাৰ ডবছন এই ক্ষেত্ৰত অলপ উদাস প্ৰকৃতিৰ ল'ৰা আছিল। তেওঁ স্থায়ী বান্ধৱীৰ কথাটোত গুৰুত্ব নিদিছিল। এদিন তেওঁ টেলিফোন ডাইৰেক্টৰিখন চাই, লেবৰেটৰিৰ চুকত থকা টেলিফোনটো দাঙি, নাৰ্ছৰ হোষ্টেল এটাৰ লগত যোগাযোগ কৰি কোৱা শুনিছিলো,— আজি আমাৰ কলেজত নাচ আৰু ভোজৰ অনুষ্ঠান এটা আছে। মোৰ বান্ধৱী নাই। আপোনালোকৰ দুজনী আহিব পাৰিবনে?— এনেকৈয়ে চলি আছিল পিটাৰ ডবছন।

টেলিফোন আৰু ডবছনৰ কথা ওলাওঁতে অইন এটা কথা মনত পৰিল। এদিন টেলিফোনটো বাজিল। ময়ে ধৰিলো। কোনোবাই ডবছনক বিচাৰিছে। ডবছনে ফোনটো লৈ হেল্লো বুলি ক'লে, কিন্তু তাৰ পাছতে তেওঁ নিমাত হৈ ৰ'ল। ফোনটো থৈ আমাৰ ওচৰলৈ আহি তেওঁ ক'লে,— তেওঁৰ দেউতাক ঢুকাল। আমি সমবেদনা জনালো। অলপ পাছতে ডবছন গ'লগৈ। পাছদিনা তেওঁ নাহিল। তাৰ পাছদিনা যথাসময়ত তেওঁ লেবৰেটৰিলৈ আহিল আৰু স্বাভাৱিকভাৱে কাম কৰিবলৈ ধৰিলে। আগদিনা তেওঁৰ দেউতাকৰ সংকাৰকাৰ্য সম্পন্ন কৰা হ'ল, আৰু সেই অধ্যায় সিমানতে শেষ হ'ল।

এই যে ক'লো,—পৰ্জেছ ইহুদি কাৰণে ব্ৰায়ানে ঘনিষ্ঠ বন্ধু হোৱা সত্ত্বেও তেওঁক বিয়ালৈ নামাতিলে, সেই ধৰণৰ আৰু এটা ঘটনা ঘটা দেখিছিলো। এবাৰ বৰদিনত জিমে

মোক তেওঁলোকৰ ঘৰত দুৰাতি থাকিবলৈ মাতিলে। ৰিজেণ্ট ষ্ট্ৰিটৰ বৰদিন দেখিছোঁ, কিন্তু ঘৰৰ ভিতৰত কেনেকৈ বৰদিন পালন কৰা হয় সেইটো চোৱাৰ সুবিধা ল'লো। জিম, তেওঁৰ মাক আৰু দেউতাক,— তিনিওলৈ সৰু-সৰু উপহাৰ তিনিটা কিনি লৈ গ'লো জিমৰ লগত ষ্টেফ'ৰ্ড বোলা ঠাইখনত থকা তেওঁলোকৰ ঘৰলৈ। ইতিমধ্যে মই জানিছিলো— সেইখন দেশত আলহীয়েও ঘৰুৱা কাম-বনত গৃহস্থক সহায় কৰিব লাগে। গতিকে ৰাতিৰ সাঁজ খোৱা-বোৱাৰ কাৰণে বাচন-বৰ্তন উলিয়াই মেজখন সজোৱাৰ কামত জিমক সহায় কৰি দিলো। জিমৰ দেউতাকে ডাঙৰ হাঁহ এটা গোটে-গোটে ৰ'ষ্ট কৰি থৈছিল। সেইটোকে তেখেতে মূল খাদ্য হিচাপে পৰিবেশন কৰিলে। খাই-বৈ উঠাৰ পাছত তেখেতে কাঁহী-বাটি ধুলে, জিমে মচিলে আৰু মই আলমাৰিত আগৰ নিচিনাকৈ সজাই থৈ গ'লো। জিমৰ মাকে পাগঘৰ সামৰিলে। এই ঘৰুৱা কামখিনি হৈ যোৱাৰ পাছত আমি নগৰখনৰ গিৰ্জাঘৰ এটাৰ বৰদিনৰ বিশেষ প্ৰাৰ্থনা-সভালৈ যোৱাৰ কথা। পিন্ধি-উৰি ওলাইছোঁ, এনেতে ঘৰুৱা সাজত থকা জিমৰ মাকে মোক ক'লে,—"মই শোৱাৰ আগতে তোমাৰ বিছনাৰ তুলিখনৰ চুইছটো অন কৰি থম। তুমি আহি যদি তুলিখন বেছি গৰম হৈ থকা পোৱা, তেনেহ'লে চুইছটো অফ কৰি দিবা।"

"আপুনি শুব মানে? আপুনি গিৰ্জালৈ নাযায়?"

নাযায়। জিম আৰু জিমৰ দেউতাক ৰোমান কেথলিক; মাক প্ৰটেষ্টাণ্ট। সেইটো গিৰ্জালৈ তেখেত নাযায়।

জিমহঁতৰ ঘৰত দুৰাতি আছিলো। সেইখিনি সময়ৰ ভিতৰত মোৰ মনত বৈ যোৱা কথাটো আছিল,— ৰাতিপুৱা চাৰে ছয়-সাত বজাৰ ভিতৰতে, বিছনাৰ কাষে-কাষে সকলোকে চাহ আৰু বিস্কুট দি যোৱাৰ দায়িত্বটো আছিল জিমৰ দেউতাকৰ। এই কথাটোক মই আদৰ্শ হিচাপে গ্ৰহণ কৰিছিলো, আৰু পাছলৈ নিজৰ জীৱনত,— যেতিয়াই প্ৰয়োজন হৈছিল আৰু পাৰিছিলো,— পালন কৰিছিলো। সৰু কথা, কিন্তু এখন সৰু সংসাৰৰ কাৰণে মৰম লগা কথা।

জিম-ব্ৰায়ান-লেভিনহঁতৰ লগত এটা পৰিয়ালৰ সদস্যৰ নিচিনাকৈ যিমানেই ঘনিষ্ঠ হৈ নাথাকোঁ, তেওঁলোকৰ জীৱন-যাত্ৰাৰ লগত সমানে খোজ মিলোৱাত মোৰ কিছুমান অসুবিধা আছিল। মই সময়মতে ঘৰলৈ উভতি যাব লাগিব,— এই চিন্তাটোৱে সদায় মোৰ কাৰণে এক অশৰীৰী গাৰ্জেনৰ নিচিনাকৈ কাম কৰিছিল। লেবৰেটৰিৰ কামৰ মৌলিক চৰিত্ৰ আমাৰ সকলোৰে কাৰণে একে আছিল; কিন্তু লণ্ডন, ইংলেণ্ড আৰু মানুহ সম্পৰ্কে মোৰ যি দৃষ্টিভংগী, জিম-ব্ৰায়ান-লেভিনহঁতৰ দৃষ্টিভংগী তেনেকুৱা হোৱাৰ সম্ভাৱনা স্বাভাৱিকতেই নাছিল। তদুপৰি লণ্ডনত থকা সময়ছোৱাত মোৰ গল্প লিখাৰ

আগ্ৰহটো প্ৰবল আছিল। প্ৰাণশক্তিৰ তীব্ৰতা আৰু মনৰ সতেজতাৰ কাৰণেই বোধকৰোঁ আগ্ৰহ অনুসৰি অলপ কামো কৰিব পাৰিছিলো। ঘৰত (থকা কোঠালিটোক ঘৰ বুলিয়েই কৈছোঁ) পঢ়া-শুনা, বন্ধু-বান্ধৱৰ ভিৰ, বাহিৰৰ পৃথিৱীখনৰ নানা ধৰণৰ ঐশ্বৰ্যৰ আকৰ্ষণ, লেবৰেটৰিত কামৰ হেঁচা,— এইবোৰৰ কথা ভাবিলে গল্প লিখাৰ কাৰণে সময় নাই যেনেই লাগিব পাৰে; কিন্তু সঁচা কথাটো হ'ল,—কামৰ মাজে-মাজে ঢেৰ সময় সোমাই থাকে। (এই বাক্যটো মই অইন এঠাইতো ব্যৱহাৰ কৰিছোঁ। সেই তাহানিৰে পৰা এতিয়ালৈকে মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ,— কামৰ মাজে-মাজে ঢেৰ সময় সোমাই থাকে।) অকলশৰীয়া নিৰোগী ডেকা মানুহ; ল'ৰা-তিৰোতাৰ চিন্তা নাই, টকা-পইচাৰ চিন্তা নাই, এনে অৱস্থাত 'সময় নাই'ৰ নিচিনা ঘটনা এটা ঘটে কেনেকৈ? দিনটোৰ চৌবিছটা ঘণ্টা কম সময় নে? বহুত সময়। অন্ততঃ গল্প লিখিবলৈ সময়ৰ টনাটনি অনুভৱ কৰিলেও অভাৱ অনুভৱ কৰা নাছিলো। গৱেষণাৰ কামৰ শেষ পৰ্যায় পাওঁতেহে শৰীৰ আৰু মনৰ ব্যস্ততাৰ কাৰণে গল্প লিখা কামটো তল পেলাইছিলো। যোগেশ দাস, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, তিলক হাজৰিকা, হীৰেন ভট্টাচাৰ্য আদিৰ পৰা গল্পৰ কাৰণে অনুৰোধ পালে, সেই অনুৰোধ ৰক্ষা কৰাটো অৱশ্যকৰ্তব্য বুলি ভাবিছিলো। প্ৰহৰী, বৃন্দাবন, বন্দীশাল, লাজ লাগে আদি গল্প তাত থাকোঁতেই লিখা। অসমবাণীলৈ পঠোৱা লাজ লাগে গল্পটো বাটতে হেৰাইছিল। গল্পটোৰ মূল কথাখিনি মোৰ কাৰণে মৰমৰ আছিল কাৰণে পাছত গল্পটো আকৌ লিখি উলিয়াইছিলো। ১৯৫৯ চনৰ জুলাই মাহৰ ১৮ তাৰিখৰ ডায়েৰিত লিখা আছে,— "লাজ লাগে গল্পটো লিখিছোঁ।... কিন্তু এইটো মানুহৰ অভ্যাসেই,—নলগা মাছটো সদায় ডাঙৰ। আগতে হেৰোৱা গল্পটো ভাল আছিল যেন লাগিছে।" সেইবাৰ গল্পটো নন্দ তালুকদাৰলৈ ৰেজিষ্টাৰ্ড ডাকযোগে পঠাইছিলো। নন্দ তালুকদাৰলৈ কিয় পঠাইছিলো পাহৰিলো।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আলোচনীৰ সম্পাদক ইমৰান শ্বাহলৈ পঠোৱা গল্পটোৰ বিষয়ে ডায়েৰিখনত লিখা আছে,— "আজি... আবৰ্জনা পষ্ট কৰিলো। আঠ ছিলিং ছয় পেনি। গল্পটোৰ নাম লৈ বহুত চিন্তা কৰিলো। মোৰ মতে আটাইতকৈ ভাল নামটো হ'লহেঁতেন— সূচ্যাগ্ৰ মেদিনী। কিন্তু... নামটো পাঠকে অনুধাবন কৰিব নে নকৰে— ভাবিলো।" মনলৈ এই সন্দেহ অহাত সূচ্যাগ্ৰ মেদিনী নামটো বাদ দিলো। অইন এটা নাম ভাবি উলিয়াই ছবি এখন আঁকিবলৈ ল'লো। (গল্পটোৰ নাম থকা ছবিখন ময়েই আঁকি দিম বুলি ঠিক কৰিছিলো।) ছবিখনত নামটোৰ প্ৰথম আখৰ 'আ'টো লিখাৰ পাছত নামটো ভাল নালাগিল। কিছুসময় বৈ গল্পটোৰ নাম 'আবৰ্জনা' হ'ব বুলি ঠিক কৰিলো আৰু ছবিখন সম্পূৰ্ণ কৰিলো। (সেইখনক ছবি নুবুলি নক্সা বোলাই ভাল।) প্ৰহৰী গল্পটোৰ বেলিকাও নামটো লৈ "হাহাকাৰত পৰিছিলো" বুলি ডায়েৰিত লিখা আছে।

'গল্পৰ কুকি' নামৰ সংকলন এটাৰ সম্পাদক যোগেশ দাসলৈ "আজিৰ ডাকত গল্পটো পঠাবই লাগে", কিন্তু নামটো ঠিক কৰিব পৰা নাই। গল্পটো লিখি শেষ কৰাৰ পাছত 'এনিশাৰ তিনি প্ৰহৰ' নামটো মনলৈ আহিছিল; কিন্তু 'ষষ্ঠী বিভক্তিযুক্ত' দীঘলীয়া নামটো পচন্দ নহ'ল। শেষত ডাকঘৰৰ কাউণ্টাৰত গল্পটোৰ ওপৰত প্ৰহৰী নামটো লিখি লেফাফাৰ মুখ বন্ধ কৰিছিলো।

মই ব্যৱহাৰ কৰা দুটা যন্ত্ৰ,—ইলেকট্ৰন ডিফ্ৰেকশ্যন কেমেৰাটো আৰু স্পেছিমেন তৈয়াৰ কৰা যন্ত্ৰটোৰ ভিতৰখন যিমান বেছি সম্ভৱ বায়ুশূন্য কৰি ল'ব লাগে। এই কামটো কৰিবলৈ কমেও দুঘণ্টা সময় ভেকুৱাম পাম্প আৰু ডিফিউশ্যন পাম্প চলাই ৰাখিব লাগে। সেইখিনি সময় মেজত বহি অংক, জোখ-মাখ, পঢ়া-শুনা আদি কৰিব পাৰোঁ, আৰু কৰোঁও; কিন্তু সদায় সেইবোৰ কামকে কৰি ভাল নালাগে আৰু কৰাৰ প্ৰয়োজনো নাই। গতিকে দুটা বছৰৰ সেইখিনি সময়ৰ শতকৰা প্ৰায় বিছ ভাগ সময় মই লিখা কামত ব্যৱহাৰ কৰিছিলো। কি লিখিছিলো, সেই সম্পৰ্কে ব্ৰায়ানহঁতে থূলমূলভাৱে জানিছিল। যেয়েই যি নকৰক, কামৰ সময়ত মেজখনত কোনেও কাকো আমনি নকৰিছিল। ঘৰতো, লিখোঁ বুলিলে সময়ে বাধা দিব নোৱাৰিছিল।

লিখিবৰ সময়ত দূৰৰ পৰা নিজৰ দেশখন আৰু নিজৰ মানুহবোৰক বেছি ভালকৈহে দেখি বুলি মোৰ বিশ্বাস জন্মিছিল। চকু মুদিলেই নিজৰ ঠাইখনৰ যাকে চাব খোজোঁ তাকে অতি পৰিষ্কাৰকৈ দেখা পাইছিলো। লগে-লগে সেই মানুহবোৰৰ চৰিত্ৰ আৰু তেওঁলোকক বেৰি-ধৰি থকা কাহিনী কিছুমানো উদ্ধাৰ কৰি ল'ব পাৰিছিলো। গতিকে সেই ঠাই আৰু সেই মানুহকে আশ্ৰয় হিচাপে লৈ লিখা-মেলা কৰিছিলো; কিন্তু একে সময়তে লণ্ডনত দেখা আৰু লগ পোৱা কিছুমান ভাৰতীয় মানুহৰ চৰিত্ৰ আৰু জীৱনে মোক গভীৰভাৱে আকৃষ্ট কৰিছিল, আৰু তেওঁলোকে মোক কিছুমান কাহিনী কল্পনা কৰাত সহায় কৰিছিল। সেই কাহিনীবোৰৰ আশ্ৰয় লৈ মই কেইটামান গল্প লিখিছিলো; কিন্তু কিয় ক'ব নোৱাৰোঁ, তেতিয়া গল্পকেইটা মোৰ নিজৰ নামত প্ৰকাশ কৰিবলৈ মন নগৈছিল। সেইকেইটা গল্পৰ কাৰণে মই 'সঞ্জয়' নাম লৈছিলো, আৰু গল্পকেইটা অসমবাণী কাকতলৈ পঠাইছিলো। গল্পকেইটাৰ ওপৰত ছপা কৰা নক্সাখনো আঁকি পঠাইছিলো। সেই দিনখিনিতে টুকি ৰখা কেইটামান কথাৰ সহায় লৈ দেশলৈ উভতি অহাৰ পাছত আৰু দুটামান গল্প লিখিছিলো। গল্পকেইটা 'এই বন্দৰৰ আবেলি' নামৰ কিতাপ এখনত সন্নিবিষ্ট কৰা হৈছে। সেই ধৰণৰ গল্প লিখাৰ অধ্যায়টো সিমানতে শেষ হৈ থাকিল কাৰণে আজিও দুখ অনুভৱ কৰোঁ। কিছুমান কাহিনী লিখিবলৈ থাকি গ'ল বুলি উপলব্ধি কৰোঁ। এতিয়া উৰলি যোৱা ন'টবুকত এটা-দুটা শাৰীৰে বৰ্ণাই থোৱা একোটা চৰিত্ৰ দেখা পাওঁ; কিন্তু সেইবোৰক ঘেৰি ৰখা ঐশ্বৰ্যবোৰ বিস্মৃতিৰ অন্ধকাৰত লুকাই গ'ল।

অন্ততঃ কেইটামান চৰিত্ৰৰ বৰঙণি যে হেৰাই নগ'ল, সেইকাৰণে 'এই বন্দৰৰ আবেলি'ৰ কাহিনী কেইটামান মোৰ বৰ প্ৰিয়।

এনেকৈয়ে দিনবোৰ পাৰ কৰি-কৰি এসময়ত গৱেষণাৰ শেষৰ সময়খিনিত উপস্থিত হ'লোহি। এই সময়খিনিৰ কাৰণে কিমান হেঁপাহেৰে বাট চাইছিলো, আৰু কিমান কষ্টৰে সময়খিনি ওচৰ চপাই আনিছিলো, তাৰ শুদ্ধ আভাস দিবলৈ মই কেইখনমান চিঠিৰ সহায় ল'ব পাৰোঁ। বিদেশ যাত্ৰাৰ সময়তে মই ঠিক কৰি লৈছিলো,— বিশেষ অসুবিধা নহ'লে প্ৰতি সপ্তাহে ঘৰলৈ এখনকৈ চিঠি দিম। দিছিলো। ঘৰলৈ উভতি অহাৰ পাছত এদিন দেখিলো, পঢ়িব নজনা বৌয়ে লেফাফাৰে সৈতে কিছুমান চিঠি কাগজ এখনেৰে মেৰিয়াই মূৰৰ শিতানৰ সৰু বাকচ্ এটাত থৈ দিছে। চিঠিখিনি মই লৈ আহিলো।

এই চিঠিখিনিৰ কথালৈ অহাৰ আগতে অইন এটা কথা কৈ লওঁ। কেতিয়া কেনেকৈ সোমাল ক'ব নোৱাৰোঁ,— এই চিঠিখিনিৰ মাজতে ড. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই মোলৈ লিখা চিঠি এখন পাইছোঁ। চিঠিখনৰ মূল কথাখিনি উল্লেখ কৰি ড. ভট্টাচাৰ্যক শ্ৰদ্ধাৰে সুঁৱৰিব খুজিছোঁ। ১৪।৫।৫৯ তাৰিখৰ চিঠিখনত তেখেতে লিখিছিল ঃ

আপোনাৰ ৯।৫।৫৯ তাংৰ চিঠি আৰু গল্প পালো। আপোনাৰ "বন্দীশাল" যথা সময়ত ওলাইছে আৰু পাঠকসকলেও ভাল পাইছে।...

আপোনাৰ গল্পটো বাটতে হেৰোৱাটো দুখৰ কথা; এনে যাতে নহয় তাৰ ব্যৱস্থা কৰিব। সুৰেন মেধিয়েও জাৰ্ম্মানীৰ পৰা গল্প পঠাইছে। সিদিনা মহম্মদ তাহেৰ আহি আপোনাৰ "ৰামধেনু" পঠিওৱাৰ ব্যৱস্থা কৰি গৈছে।

আপোনাৰ 'বৃন্দাবন'ত নিজৰাক ভাল লাগিল। আশাকৰোঁ তাইক সকলোৱে মৰম কৰিব। বৃন্দাবনতকৈ তাইৰ আকৰ্ষণহে বেছি যেন লাগিল। গল্পটোৰ দৈৰ্ঘ্যৰ সকলো দোষ সৰস আৰু সূক্ষ্ম বৰ্ণনাই নাশ কৰিছে। আপোনাৰ শলাগ ল'লো।

বিলাতৰ বস্তু পঠিয়াব। মোৰ চেনেহ ল'ব। জ্ঞান অৰ্জ্জনৰ সাধনা সাৰ্থক হওক। ইতি।

এতিয়া মই ঘৰলৈ লিখা চিঠিখিনিৰ কথালৈ আহোঁ। ককাইদেউ-নবৌহঁতলৈ লিখা এই চিঠিবোৰ ভাত-মাছ খোৱা ঘৰুৱা কথা, লণ্ডনৰ বতৰ, বাঙালীৰ দুৰ্গা পূজা, অসমৰ সাম্প্ৰদায়িক গণ্ডগোল, লণ্ডনৰ অসমীয়া সমাজ, অনিল ৰতন বৰঠাকুৰ কেতিয়া লণ্ডনলৈ আহিল, কুলদা ভট্টাচাৰ্য কেতিয়া জাৰ্মেনিলৈ গ'ল, ভূপতি ডেকা কেনে আছে,— ইত্যাদি ইত্যাদি নানান কথাৰে ভৰি আছিল; কিন্তু মই কেৱল মোৰ গৱেষণাৰ কামৰ গতি-বিধিৰ আভাস দিয়া বাক্যকেইটাহে এই লেখাত ব্যৱহাৰ কৰিম।

১৯৬০ চন সোমোৱাৰ লগে-লগেই মই ধৰি লৈছিলো— সেইটোৱেই লণ্ডনত মোৰ শেষ বছৰ। গতিকে ২৫।১।৬০ তাৰিখৰ চিঠিতে লিখিছিলো ঃ কলেজৰ কাম ঠিকমতে

কৰিছোঁ। ইয়াত মই পলম কৰাৰ কথা আপোনালোকে নাভাবিবই। শেষ হোৱাৰ দিনাই জাহাজত উঠিম। কামখিনি কেৱল ভালে-ভালে গ'লেই হয়। বৰ খাটিব লাগে।"

৪।৪।৬০ তাৰিখে লিখিছিলো ঃ "কামত যথেষ্ট আগ বাঢ়িছোঁ। এই মাহটোৰ আধা দিন ইষ্টাৰৰ কাৰণে কলেজ বন্ধ থাকিব। এই বন্ধৰ ভিতৰতে যিমান পাৰোঁ আগুৱাই ল'বলৈ চেষ্টা কৰিম। যন্ত্ৰ-পাতিৰ কাম শেষ কৰিহে কেইদিনমান জিৰণি লম বুলি ভাবিছোঁ। তাৰ পাছত থেচিচ লিখাৰ কাম আৰম্ভ কৰিম।... এতিয়াৰ হিচাপ মতে ঠিক সময়ত শেষ কৰিব পাৰিম বুলি ভাবিছোঁ।"

২৯।৫।৬০ তাৰিখে লিখিছিলো ঃ "কামৰ ইমান হেঁচা পৰিছে যে আজি দুসপ্তাহমানৰ পৰা ৰাতি দহ-এঘাৰ বজাৰ আগতে কলেজৰ পৰা ওলাব পৰা নাই। যাওঁ পুৱা চাৰে আঠ বজা মানত।"

৬।৬।৬০ তাৰিখে লিখিছিলো ঃ "কেই সপ্তাহমান কামৰ কাৰণে চিঠিবোৰ প'ষ্ট কৰাত ইফাল-সিফাল হৈছে।...অসুবিধা হৈছে— মই কলেজ সোমোৱাৰ পিচত ডাকঘৰ খোলে, আৰু ওলোৱাৰ বহু আগতে বন্ধ হয়।"

২০।৬।৬০ তাৰিখে লিখিছিলো ঃ "...কলেজৰ যন্ত্ৰ-পাতিৰ কামৰ পৰা ওলাই এতিয়া লাইব্ৰেৰীৰ কামত লাগিছোঁ। এতিয়া আগত লাইব্ৰেৰীৰ পঢ়া-শুনাৰ হেঁচা এটা আছে; কিন্তু তাৰ কাৰণে ভয় কৰা নাই; কাৰণ শাৰীৰিক কষ্ট কম" (হ'ব)।

(চিঠিকেইখনৰ ভাষা আৰু বানানত মই এতিয়া হাত ফুৰোৱা নাই।)

তেতিয়ালৈকে মই ভাবি আছিলো,— ৩০ ছেপ্টেম্বৰ,— অৰ্থাৎ দুবছৰৰ ভিতৰতে কাম সম্পূৰ্ণ কৰি দেশলৈ ওভতাটো সম্ভৱ কৰিম। কিন্তু দুবছৰৰ গৱেষণা সম্পূৰ্ণ নহ'লে লণ্ডন বিশ্ববিদ্যালয়ে থেছিছ জমা দিবলৈ নিদিয়ে। গতিকে ড. উইলিমেনৰ পৰামৰ্শ মতে ছেপ্টেম্বৰৰ আগ ভাগতে থেছিছ জমা দিয়াৰ বিশেষ অনুমতি বিচাৰি এপ্ৰিলৰ ২৭ তাৰিখেই এখন দৰখাস্ত কৰিলো। কিন্তু অশেষ পৰিশ্ৰম কৰিও ভবামতে কাম শেষ কৰিব নোৱাৰিলো। তিনিমাহলৈ বৃত্তি বঢ়াই দিবলৈ অনুৰোধ কৰি ইণ্ডিয়া হাউছৰ ড. ছাথায়েলৈ দৰখাস্ত কৰিবলৈ বাধ্য হ'লো। মোৰ অনুৰোধৰ সপক্ষে ড. উইলমেনে দৰখাস্তখনৰ লগত যিখিনি কথা লিখিছিল, কাঠ পেনছিলেৰে কৰা তাৰ খচৰাটো মোৰ হাতত এতিয়াও আছে। তেখেতে লিখিছিল ঃ

**I recommend that this extension of the scholarship be granted, in order to allow Mr. Saikia to complete his interesting and useful research work and to prepare and submit his Ph. D thesis to the University of London. It is confidently expected that this extension will enable him to be successful in gaining the Ph. D. Degree.**

ভবামতে কাম শেষ নোহোৱাৰ প্ৰধান কাৰণ আছিল দুটা। প্ৰথমটো হ'ল,— গৱেষণাৰ বিষয়টোৱেই নিজেই কিছু কাম বঢ়াই দিছিল। আৰু দ্বিতীয় কাৰণটো হ'ল,— যন্ত্ৰ-পাতিৰ কাম শেষ হোৱাৰ পাছত লাইব্ৰেৰিৰ কাম, লিখা কাম আৰু থেছিছখন প্ৰস্তুত কৰাৰ কাম মই যিমান দ্ৰুতগতিৰে টুটিব বুলি ভাবিছিলো, সিমান দ্ৰুতগতিৰে টুটাটো অসম্ভৱ আছিল। ২৪।১০।৬০ তাৰিখে ঘৰলৈ লিখা চিঠি মতে,— "লিখা আৰু টাইপ কৰা কাম একেলগে চলি আছে। শেষত বস্তু-বাহানিবোৰ জুকিয়াই-মেলি, ছপাই-বন্ধাই উলিয়াওঁতে যথেষ্ট সময় লাগিছে।"

১৪।১১।৬০ তাৰিখৰ চিঠি মতে, "মই বৰ্ত্তমান আটাইতকৈ বেছি খাটিবলগীয়া সময়ত আছোঁ। লেবৰেটৰিত ভালেমান ৰাতিলৈকে থাকিব লগীয়াত পৰিছোঁ।... ইয়াত ঠাণ্ডা পৰিছে যদিও মই এইবাৰ অনুভৱ কৰিব পৰা নাই। কাৰণ আমাৰ লেবৰেটৰীবোৰ গৰম কৰিবৰ সুন্দৰ ব্যৱস্থা (আছে), আৰু মই তাতে বেচিভাগ সময় থাকোঁ।"

২১।১১।৬০ তাৰিখৰ চিঠি মতে, "মোৰ থেচিচখন প্ৰায় ২০০ পৃষ্ঠাৰ লিখা আৰু ৫০ পৃষ্ঠাতকৈ বেছি ছবিৰ হ'ব। কমেও সাত-আঠ কপি কৰিব লাগিব। মই ষ্টেনছিল কৰাইছোঁ। বৌক কব— মই অন্ততঃ একপি লগত নিম। অসম্ভৱ কামৰ জুমুৰিত মই মূৰ তুলিব পৰা নাই।"

মোৰ জীৱনৰ গুৰুত্বপূৰ্ণ ঘটনাবিলাকৰ লগত যে কিবা নহয় কিবা এবিধ আমোদজনক, বিস্ময়জনক বা নাটকীয় ঘটনা জড়িত থাকেই বুলি আগতে কৈ থৈছোঁ, থেছিছখন প্ৰস্তুত কৰা আৰু বিশ্ববিদ্যালয়ত জমা দিয়াৰ ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম নহ'ল। বৃত্তিৰ মিয়াদ তিনিমাহলৈ সহজে বাঢ়িল। গতিকে ৩১ ডিছেম্বৰৰ ভিতৰতে থেছিছ জমা দিয়াই নহয়, মৌখিক পৰীক্ষাও শেষ হ'বই লাগিব,— এই কথাত মই বদ্ধপৰিকৰ হ'লো। আৰু মোৰ কাৰণে বৰ আনন্দৰ কথা,— ড. উইলমেনেও এনে ধৰণে কাম কৰিবলৈ ধৰিলে যেন ৩১ ডিছেম্বৰৰ আগতে মোৰ ডক্টৰেট ডিগ্ৰি সম্পৰ্কীয় কামবোৰ শেষ কৰাটো তেখেতৰহে দায়িত্ব। তেখেতে বিশ্ববিদ্যালয়লৈ চিঠি লিখিলে,— মোৰ থেছিছখন যথা সময়ত জমা দিয়া হ'ব, কিন্তু বিশেষ পৰিস্থিতিৰ কাৰণে বিশ্ববিদ্যালয়ে আগতীয়াকৈ পৰীক্ষক (external examiner) নিযুক্ত কৰিব লাগে আৰু মৌখিক পৰীক্ষাৰ (viva voce) দিন আৰু সময় ঠিক কৰিব লাগে। চিঠিৰ লগতে তেখেতে লিখিলে,— মোৰ গৱেষণাৰ বিষয়বস্তু কি,— যাতে সেই অনুসৰি বিশ্ববিদ্যালয়ে পৰীক্ষক নিযুক্ত কৰিব পাৰে।

বিশ্ববিদ্যালয়ৰ পৰা উত্তৰ আহিল— ২২ ডিছেম্বৰৰ পাছবেলা দুই বজাত ড. উইলমেনৰ কোঠালিতে মোৰ মৌখিক পৰীক্ষা হ'ব। বাহিৰৰ পৰা অহা পৰীক্ষকগৰাকী হ'ব প্ৰফেছৰ (শ্ৰীমতী) লনছডেইল। এই সম্পৰ্কে ড. উইলমেনে মোক কোৱা কথা এষাৰ মনত পৰে ঃ "খৃষ্টমাছৰ আগতে মৌখিক পৰীক্ষাটো হৈ গ'লে তুমি মুকলি মনেৰে খৃষ্টমাছ উপভোগ কৰিব পাৰিবা।"

পৰীক্ষক, পৰীক্ষাৰ দিন-বাৰ, সময়, ঠাই সকলো ঠিক হ'ল, এতিয়া মোৰ কাম হ'ল— থেছিছখন বিশ্ববিদ্যালয়ত জমা দিয়া। তলৰ মহলাত কাম কৰা কৰ্মচাৰী এজনে টাইপ ৰাইটাৰত ষ্টেনছিল কাটি আছে; মই তল-ওপৰ কৰিছোঁ, প্ৰুফ চাইছোঁ; কৰ্মচাৰীজনে সাত কপিকৈ ছপা কৰি গৈছে, আকৌ টাইপ কৰিছে;—এনেকৈ দুয়ো 'অ'ভাৰটাইম' কাম কৰি টাইপৰ কাম শেষ কৰিলো। কিন্তু আখৰৰ পৃষ্ঠাবোৰৰ বাহিৰেও থেছিছখনত প্ৰায় তিনিশ ছবি,— ঘাইকৈ ফটো থাকিব। সেই তিনিশ ফটোগ্ৰাফিক প্লেট,— প্ৰতিখনৰ কমেও পাঁচ কপিকৈ,— প্ৰিণ্ট কৰিব লাগিব; ছবিবোৰ সজাব লাগিব, তাৰ পাছত অন্ততঃ পাঁচ কপি থেছিছ বন্ধাবলৈ দিব লাগিব। দপ্তৰীৰ পৰা পালেই বিশ্ববিদ্যালয়ত তিনি কপি জমা দিব পাৰিম। কিন্তু এনে সময়তে ড. উইলমেনে প্ৰফেছাৰ লনছডেইলৰ পৰা খবৰ পালে,— তেখেত (প্ৰফেছাৰ লনছডেইল) ব্যক্তিগত কামত কিছুদিনৰ কাৰণে লণ্ডনৰ বাহিৰলৈ যাব, আৰু ২১ ডিছেম্বৰৰ দিনা উভতি আহিব।

২১ তাৰিখে উভতি আহিলে ২২ তাৰিখে তেখেতে মোৰ পৰীক্ষা ল'ব পাৰিব; সেই ফালৰ পৰা অসুবিধা একো নাই; কিন্তু তেখেতে মোৰ থেছিছখন পঢ়িব কেতিয়া? আচল ব্যৱস্থাটো হ'ল,— মই বিশ্ববিদ্যালয়ক তিনি কপি থেছিছ দিব লাগে, তাৰে একপি বিশ্ববিদ্যালয়ে পৰীক্ষকলৈ পঠাব; তেখেতে যাতে সেইখন পঢ়ি পৰীক্ষা ল'বলৈ সাজু হ'ব পাৰে, তালৈ লক্ষ্য ৰাখি পৰীক্ষাৰ দিন-বাৰ ঠিক কৰা হ'ব। কিন্তু এতিয়া প্ৰফেছাৰ লনছডেইলে লণ্ডন এৰাৰ আগতে তেখেতৰ হাতত মোৰ থেছিছৰ কপি এটা পৰে কেনেকৈ? ইমান আগতেতো মই থেছিছখন সাজু কৰিব নোৱাৰিম!

ড. উইলমেনে ক'লে,— তোমাৰ ফটোবোৰৰ কামহে আছে? সেইটো কাম শেষ কৰা।

মই ক'লো,— সেইটো বাৰু কৰিলো, কিন্তু দপ্তৰীয়ে বান্ধোঁতেওতো সময় ল'ব?

ড. উইলমেনে পৰামৰ্শ দিলে,— এবিধ স্প্ৰিংবেক ফাইল পোৱা যায়। তেনেকুৱা ফাইল চাৰিটা কিনি আনা। সেই ফাইলতে পাতবোৰ সুমুৱাই, তেনেকৈয়ে আমি তিনিটা কপি বিশ্ববিদ্যালয়ত জমা দিম। বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰৰ লগত মই কথা পাতিম। ক'ম,— এই তিনিখন বিধি অনুসৰি গ্ৰহণ কৰক। তাৰ পাছত আমি নিজে একপি প্ৰফেছাৰ লনছডেইলক দিম। তেখেতে লণ্ডনৰ বাহিৰত থকা দিনখিনিতে থেছিছখন পঢ়িব পাৰিব। এইখিনি দিনৰ ভিতৰতে আমি বিশ্ববিদ্যালয়ক দিবলগীয়া কপিকেইটা বন্ধাই দিম।

এদিন মই নম্বৰ দি ৰখা প্ৰায় তিনিশ ফটোগ্ৰাফিক প্লেট লৈ আবেলি তিনিমান বজাতে ডাৰ্করুমত সোমালো। প্ৰতিখন প্লেটৰ পাঁচকপিকৈ প্ৰিণ্ট কৰিবলৈ ল'লো। প্ৰত্যেকটো কপি থেছিছত লগাব পৰা, প্ৰফেছাৰ লনছডেইলক সন্তুষ্ট কৰিব পৰা হ'ব লাগিব। প্ৰিণ্ট

কৰি আছোঁ, পানীৰ পৰা ফটো তুলি আছোঁ, আৰু বাৰাণ্ডাত থকা গ্লেজাৰত শুকুৱাই আছোঁ। প্ৰায় পোন্ধৰশ কপি প্ৰিণ্ট কৰি উঠোতে পাছদিনা দিনৰ দহ বাজিল। লেবৰেটৰি কোঠালিৰ মেজখন ফটোৰে উপচি পৰিল। মেজতে মূৰ থৈ মই কিছু সময় বহি থাকিলো। অলপ পাছতে জিম, পৰ্জেছহঁতে উপযাচি মোক সহায় কৰিবলৈ ল'লে। এই পোন্ধৰশ ফটোৰ পিছফালে নম্বৰ লিখিব লাগে, চাৰিওকাষ জোখমতে মেছিনেৰে কাটিব লাগে,— বহুত সময় লগা কাম। জিমহঁতে ক্ষিপ্ৰগতিৰে কৰি সন্ধিয়াৰ আগে-আগে কামটো শেষ কৰিলে। এইখিনিতে এটা সৰু কথা উল্লেখ কৰি থওঁ। ফটোবোৰৰ পিছফালে নম্বৰ লিখা কামটো কৰিবলৈ জিমে কাঠ পেনছিলডালৰ দুয়োটা মূৰ কাটি লৈছিল। কিয় তেনেকুৱা কৰিছে বুলি সোধোঁতে তেওঁ এটা ব্যাখ্যা দিছিল। এই কামটোত অসংখ্য সংখ্যা লিখিব লাগে। এটা সংখ্যা লিখাৰ পাছত পেনছিলডাল মেজত থৈ কাটিং মেছিনটো চলাব লাগে; তাৰ পাছত অইন এখন ফটোত নম্বৰ দিবলৈ আকৌ পেনছিলডাল তুলি ল'ব লাগে, এনেকৈ তুলি লওঁতে বহুবাৰ পেনছিলডালৰ নকটা মূৰটো ফটোখনৰ ফালে পৰে। তেতিয়া পেনছিলডাল ঘূৰাই ল'ব লাগে। এই ঘূৰাই লোৱা কামটো বিৰক্তিকৰ আৰু কামটোত সময়ৰো অপব্যয় হয়। পেনছিলডালৰ দুয়োটা মূৰ কাটি ল'লে এনেকুৱা সৰহীয়া কামত বিৰক্তি আৰু সময়ৰ অপব্যয়ৰ হাত সাৰিব পাৰি।

পাছৰ জীৱনত মই দুয়োমূৰে লিখিব পৰা পেনছিল বা ডটপে'ন ব্যৱহাৰ কৰি যেতিয়া উপকাৰ পাইছোঁ, তেতিয়া সদায় জিমলৈ মনত পৰিছে।

ফটোবোৰ যথাস্থানত লগোৱাৰ পাছত পাঁচটা স্প্ৰিংবেক ফাইল কিনি সেই ফাইলতে পাতবোৰ সুমুৱাই থেছিছৰ কপি তৈয়াৰ কৰিলো। এদিন আগবেলা ড. উইলমেনে মোক থেছিছ জমা দিবলৈ লণ্ডন বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰৰ অফিছলৈ লৈ গ'ল। তাত আনুষ্ঠানিকভাৱে 'ফাইলত বন্ধা থেছিছ' জমা দিলো। তাৰ পাছত ড. উইলমেনে কৰ্তৃপক্ষৰ পৰা প্ৰফেছাৰ লনছডেইলক হাতে-হাতে থেছিছৰ কপি এটা দিয়াৰ অনুমতি ল'লে।

ড. উইলমেনে মোক পাছদিনা পুৱা ছয় বজাতে কলেজলৈ আহি তেখেতলৈ ৰৈ থাকিবলৈ ক'লে। ডিছেম্বৰ মাহৰ চেঁচা আৰু কুঁৱলীয়ে ঢকা ৰাতিপুৱা। মই যেতিয়া ঘৰৰ পৰা ওলাওঁ, তেতিয়া বাহিৰখন ৰাতিৰ নিচিনা হৈয়েই আছে। মোৰ চামৰাৰ বেগটোত থেছিছ একপি। মই কলেজৰ বাৰাণ্ডাত অলপ সময় থিয়া-থিয়ি কৰি থকাৰ পাছতে দেখিলো, কুঁৱলীৰ মাজৰ পৰা দীঘল মেকিনটছ আৰু মূৰত হেট পিন্ধা ড. উইলমেন দীঘল-দীঘল খোজেৰে ওলাই আহিছে। তেখেতৰ ঘৰ হ্ৰেম্বলিত। কলেজৰ পৰা বহু দূৰত। তেখেত চাগৈ পাঁচমান বজাতে ঘৰৰ পৰা ওলাই আহিছে।

পুৱা চাৰে সাত বজাৰ ৰে'লত প্ৰফেছাৰ লনছডেইলে লণ্ডন এৰিব। ড. উইলমেনে তেখেতৰ লগত যোগাযোগ কৰি ঠিক কৰিছিল,— যিটো ষ্টেছনৰ পৰা তেখেত যাব, সেইটো ষ্টেছনৰ প্লেটফৰ্মতে লগ ধৰি আমি থেছিছখনৰ কপিটো তেখেতক দিম।

আমি যেতিয়া ষ্টেছনৰ প্লেটফৰ্ম পাওঁগৈ, তেতিয়া তাত থকা মানুহখিনিৰ মাজত প্ৰফেছাৰ লনছডেইল নাছিল। অলপ পাছতে ৰে'লখন আহি ৰ'লহি। তাৰ অলপ পাছতে ড. উইলমেনে মোক দেখুৱাই দিলে,— "সেয়া।" সেইফালে চাই দেখিলো,— মানুহৰ মাজেৰে খৰ খোজেৰে বয়সীয়া, বগাচুলীয়া প্ৰফেছাৰগৰাকী আহি আছে। ড. উইলমেনে আগবাঢ়ি গৈ তেখেতক সম্ভাষণ জনালে, মোৰ লগত তেখেতক চিনাকি কৰাই দিলে আৰু মোৰ হাতৰ পৰা থেছিছৰ ফাইলটো লৈ তেখেতক দিলে। আমাক ধন্যবাদ জনাই প্ৰফেছাৰ লনছডেইল লৰালৰিকৈ ৰে'লৰ ডবা এটাত উঠিল। অলপ পাছতে ৰে'লখন গুচি গ'ল।

লণ্ডন বিশ্ববিদ্যালয়ৰ নিচিনা বিশ্ববিদ্যালয়ে নিযুক্ত কৰা পৰীক্ষকক, ৰে'ল ষ্টেছনৰ প্লেটফৰ্মত, 'ফাইলত বন্ধা' পি. এইচ. ডি ডিগ্ৰিৰ থেছিছ হাতে-হাতে ছাবমিট কৰা হ'ল,— এনেকুৱা ঘটনা পৃথিৱীৰ ক'ৰবাত কেতিয়াবা ঘটিছে নে?— এই কথাটো ভাবি আজিও মই পুলক অনুভৱ কৰোঁ।

ৰে'লত উভতি আহোঁতে ড. উইলমেনে মোক কৈছিল, "প্ৰফেছাৰ লনছডেইলে বোধকৰোঁ ৰে'ল এৰাৰ লগে-লগে থেছিছখন পঢ়িবলৈ আৰম্ভ কৰিব।"

বিশ্ববিদ্যালয়ত আনুষ্ঠানিকভাৱে জমা দিয়াৰ পাছত আমি থেছিছ তিনি কপি বন্ধাবলৈ বুলি লৈ আহিছিলো। মোৰ আগতে জন গডাৰ্ড আৰু জন হাৰ্ভেই যিজন দপ্তৰীৰ হতুৱাই থেছিছ বন্ধাইছিল, ময়ো তেওঁকে কামটো দিলো। কিন্তু তেওঁৰ হাতত সেই সময়ত ঢেৰ কাম আছিল। মোৰ কপিকেইটা তেওঁ ২১ ডিছেম্বৰৰ দিনাহে দিলে। ড. উইলমেনে ক'লে,— মৌখিক পৰীক্ষা আৰম্ভ হোৱাৰ আগতে বন্ধোৱা কপিকেইটা বিশ্ববিদ্যালয়ত জমা দিয়া উচিত।

বাইছ ডিছেম্বৰৰ দিনা পুৱা ৯ বজাতে ড. উইলমেন আকৌ মোৰ লগত লণ্ডন বিশ্ববিদ্যালয়লৈ গ'ল। যাওঁতে গোটেই বাটটোত তেখেতে মোক প্ৰফেছাৰ লনছডেইলে কেনেকুৱা প্ৰশ্ন সুধিব পাৰে, কি প্ৰশ্নৰ উত্তৰ কি হ'ব, সেইবোৰ কৈ গ'ল। আমি গৈ পাওঁতে বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট বিষয়াজন আহি পোৱা নাছিল। সেইযে অলপ সময় ৰ'বলগীয়া হৈছিল, সেইখিনি সময়তো ড. উইলমেনে বাৰাণ্ডাখনৰ এমূৰে থকা বেঞ্চখনত মোক বহুৱাই লৈ, জেপৰ পৰা কাগজ-পেনছিল উলিয়াই, নক্সা আঁকি-আঁকি কেইটামান কথা বুজাবলৈ চেষ্টা কৰিলে। ৰে'ল ষ্টেছনত প্ৰফেছাৰ লনছডেইলৰ হাতত থেছিছখনৰ কপি এটা দিয়াৰ দিনাৰে পৰা মই দিনে বহু সময় খৰচ কৰি পঢ়া-শুনা কৰিবলৈ লৈছিলো,

আৰু মাজে-মাজে ভয়ত কোঁচ-মোচ খোৱা যেন অনুভৱ কৰিছিলো। কিন্তু এতিয়া ড. উইলমেনৰ 'ছিৰিয়াছনে'ছ' আৰু উৎকণ্ঠা লক্ষ্য কৰিহে মই বেছি ভয় খালো। উভতি আহোঁতেও বাছত তেখেতে মোক কিছুমান কথা বুজাই আহিল।

লণ্ডনত ভৰি দিয়াৰ ছমাহমানৰ পাছতে মই সেই দেশৰ বিখ্যাত সাজ-পাৰৰ প্ৰতিষ্ঠান বাৰ্টনৰ (Burton) পৰা কিস্তি হিচাপে দাম দিয়াৰ বন্দবস্তত এযোৰ প্ৰায় ক'লা ৰঙৰ ছুট লৈছিলো। সপ্তাহে দহ ছিলিংকৈ ধাৰ মাৰিছিলো। আমি সদায় কাম কৰাৰ উপযোগী কাপোৰ পিন্ধি কলেজলৈ আহোঁ, কিন্তু সেইদিনা সেই ভাল কাপোৰযোৰ পিন্ধি আহিলো। ইউনিয়ন হলৰ কেণ্টিনত দুপৰীয়াৰ সাঁজ খাবলৈ যাওঁতে মোৰ লগত ব্ৰায়ান গৈছিল। সেইখন কেণ্টিনত নোৰা নামৰ এজনী বয়সীয়া পৰিচাৰিকাৰ লগত আমাৰ বৰ মৰমৰ সম্পৰ্ক আছিল। সেইদিনা ব্ৰায়ানে নোৰাক ক'লে,— আজি এওঁৰ মৌখিক পৰীক্ষা আছে; এওঁক ভালকৈ খাবলৈ দিয়া। নোৰাই মোৰ প্ৰিয় খাদ্য আলু ভাজিৰে (Chips) প্লে'টখন ভৰাই দিছিল; কিন্তু মোৰ ডিঙিয়েদি এটুকুৰা আলুভাজিও সৰকিব নুখুজিছিল। অণ্ঠ-কণ্ঠ শুকাই যোৱা যেন লাগিছিল।

ঠিক দুই বজাৰ লগে-লগে ড. উইলমেনে নিজে মোক লেবৰেটৰিৰ পৰা তেখেতৰ কোঠালিলৈ মাতি নিলে। প্ৰফেছাৰ লনছডেইল দূৰত, মই সোমোৱা দুৱাৰখনৰ ফালে মুখ দি বহি আছিল।

"গুড আফটাৰনুন।"— মই ক'লো।

"গুড আফটাৰনুন।"— প্ৰফেছাৰ লনছডেইলে ক'লে।

তাৰ পাছত মোৰ ভয় ভাগিবলৈ প্ৰায় দহ মিনিটমান লাগিছিল। তাৰ পাছত আৰু প্ৰায় ডেৰ ঘণ্টা কথা-বতৰা। সেই কথা-বতৰাত পৰীক্ষাৰ সুৰ নাছিল; আলোচনাৰ সুৰ আছিল। মানুহগৰাকীয়ে যেন মোৰ গৱেষণাৰ বিষয়টো সম্পৰ্কে জানিবলৈ চেষ্টা কৰিছিল আৰু নুবুজা কথাবোৰ (!) মোক বুজাই দিবলৈ কৈছিল। শেষত যেতিয়া তেখেতে সুধিলে,— "তুমি দেশলৈ কেতিয়া উভতি যাবা",— তেতিয়া মুহূৰ্তৰ ভিতৰতে মোৰ মনটো পাতল লাগি গৈছিল আৰু প্ৰশ্নটোৰ উত্তৰ দিয়াৰ আগতে মুখত হাঁহি বিৰিঙি উঠিছিল।

লেবৰেটৰিৰ মেজখনৰ চাৰিওফালে বহি ব্ৰায়ানহঁতে মোৰ পৰীক্ষা শেষ হোৱালৈ বাট চাই আছিল। জন হাৰ্ভেই তেওঁৰ কাম সম্পূৰ্ণ কৰি কিছুদিনৰ আগতে লেবৰেটৰি এৰিছিল; কিন্তু মোৰ পৰীক্ষা থকা কাৰণেই সেইদিনা তেওঁ লেবৰেটৰিলৈ আহিছিল আৰু নিজৰ পইচাৰে তিনি বটল বিয়েৰ যোগাৰ কৰি ৰাখিছিল। অলপ পাছতে ড. উইলমেন কোঠালিটোলৈ সোমাই আহি মোক অভিনন্দন জনালে। তেখেত ওলাই যোৱাৰ পাছতে জনে বটলকেইটা খুলিলে।

জনহঁতৰ আনন্দ-পৰ্ব শেষ হোৱাৰ পাছত মই ওচৰতে থকা এৰ'নটিক ইঞ্জিনিয়াৰিং ডিপাৰ্টমেণ্টলৈ গ'লো। তাত ভূপতি ডেকাই গৱেষণাৰ কাম কৰে। সি তেতিয়াও তাতে আছিল। তাকে প্ৰথমে খবৰটো দিলো,—"মোৰ ভাইভা হৈ গ'ল ভূপতি। ড. উইলমেনে পি. এইচ. ডি ডিগ্ৰি পালো বুলিয়েই ক'লে।"

ঠিক ২ বছৰ ২ মাহ ২২ দিনত মোৰ ডক্টৰেট ডিগ্ৰিৰ কাৰণে কৰা কাম শেষ হ'ল। সময়ৰ সংখ্যাকেইটাতো সামান্য হ'লেও এক নাটকীয়তা আছে বুলি মই আমোদ অনুভৱ কৰোঁ।

পাছদিনাই ইণ্ডিয়া হাউছৰ ড. ছাথায়েক লগ ধৰি ক'লো,— "মোৰ কাম শেষ হ'ল। অনুগ্ৰহ কৰি মোক ঘৰলৈ পঠিওৱাৰ ব্যৱস্থা কৰক।"

ড. উইলমেনে কোৱা কথাটো সঁচা আছিল। মনৰ ওপৰৰ পৰা এটা প্ৰকাণ্ড বোজা আঁতৰি যোৱাৰ পাছত, আগৰ দুবছৰতকৈ এই বছৰৰ বৰদিনত ৰিজেণ্টছ ষ্ট্ৰিট সজোৱা আলোকমালা বেছি উজ্জ্বল যেন লাগিল। ৩১ ডিছেম্বৰৰ ৰাতি ট্ৰাফালগাৰ স্কোৱাৰৰ জন-সমাবেশ বেছি আনন্দমুখৰ যেন লাগিল। আমাৰ কাৰণে সেইটো হাড় কঁপোৱা জাৰৰ নিশা;— কিন্তু সেইটো নিশাতে খালী গাৰে একোজন মানুহে ফোৱাৰাটোৰ স্তম্ভটোত বগাই, পানীত জুৰুলি-জুপুৰি হৈ আনন্দ প্ৰকাশ কৰিছে; পুলিছে তেওঁক ধৰি নমাই আনিছে; অলপ পাছতে আকৌ এজন উঠিছে—। বাৰ বাজিবলৈ দহ ছেকেণ্ড থাকোঁতে শ-শ কণ্ঠই সমস্বৰে 'কাউণ্ট ডাউন' কৰিছে— টে'ন, নাইন, এইট, ছেভেন। জিৰ'ৰ লগে-লগে সমগ্ৰ ট্ৰাফালগাৰ স্কোৱাৰ অঞ্চল অন্ধকাৰত ডুবি গৈছে; নাৰী-পুৰুষৰ আনন্দ-উল্লাসভৰা চিঞৰে সেই অন্ধকাৰ 'জ্যোতিৰ্ময়' কৰি তুলিছে। পোহৰ হোৱাৰ লগে-লগে যেয়ে সমুখত যাকে পাইছে তেওঁকে "নতুন বছৰটো আনন্দময় হওক" বুলি শুভেচ্ছা জনাইছে। দুজনীমান ছোৱালীয়ে মানুহৰ মাজে-মাজে অন্ধকাৰৰ সময়ছোৱাত ভৰিৰ পৰা আঁতৰি যোৱা জোতা-ছেণ্ডেল বিচাৰি ফুৰিছে।

সেই জনসমুদ্ৰৰ আনন্দৰ ঢৌৱে কোবাই থকাৰ সময়ত,— এই মহানগৰখনৰ বুকুত থাকি নতুন বছৰ এটাক আদৰ জনোৱাৰ ঘটনা এইটোৱেই বোধকৰোঁ শেষ;— এই কথাটো মনলৈ অহা কাৰণে মনটো অলপ গধুৰ-গধুৰো লাগিছিল। কাম শেষ কৰি ঘৰলৈ ওভতাৰ আনন্দ বৰ উপভোগ্য; তথাপি,— দুটা বছৰৰ বিচিত্ৰ সম্পৰ্কই আপোন কৰা মহানগৰখনৰ মায়াও কম আকৰ্ষণীয় নহয়।

সেই ৰাতি ট্ৰাফালগাৰ স্কোৱাৰৰ পৰা চেপষ্টাও প্লে'ছৰ ঘৰলৈ প্ৰায় চাৰি মাইল বাট খোজ কাঢ়িছিলো। বাটে-বাটে লগ পাইছিলো নাচি-বাগি ঘূৰি ফুৰা যুৱক-যুৱতীৰ দল। তেতিয়া ৰাতি কিমান বাজিছিল মই নাজানিছিলো। মোৰ হাতত ঘড়ি নাছিল। সেই যে ছেকেণ্ড-হেণ্ড-বজাৰৰ পৰা Oris কোম্পানিৰ হাতঘড়ি এটা কিনিছিলো, থেছিছৰ কামৰ ভিৰৰ সময়ত এদিন ৰাতি লেবৰেটৰিৰ পৰা ঘৰলৈ আহোঁতে সেইটো

হেৰাইছিল। ডাৰ্কৰুমত ঘড়িটো হাতৰ পৰা খুলি থৈছিলো; পিন্ধিবৰ সময়ত ফিটাডাল ভালকৈ নামাৰিলো; বাটত ক'ৰবাত সুলকি পৰি থাকিল। জীৱনৰ এছোৱা বৰ গুৰুত্বপূৰ্ণ সময়ৰ হিচাপ ৰাখি ঘড়িটো হেৰাই যোৱাটো মোৰ কাৰণে বিষাদজনক কথা আছিল। প্ৰসংগক্ৰমে,— তাৰ পাছত মই বহুদিনলৈ হাতঘড়ি কিনিব পৰা নাছিলো। মনত পৰে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ এম. এছ. ছি মহলাৰ ক্লাছ লওঁতে বহুদিনলৈ মই প্ৰথম বেঞ্চত বহি থকা ছাত্ৰ-ছাত্ৰীৰ ঘড়ি চাই (তেওঁলোকে গম নোপোৱাকৈ) কাম সামৰিছিলো।

সেইৰাতি কোঠালিত সোমাই টেবল ক্লকটো চাওঁতেহে গম পাইছিলো,— চাৰে তিনি বাজিছিল।

বৰদিনৰ বন্ধৰ পাছতে ইণ্ডিয়া হাউছৰ ড. ছাথায়েই খবৰ দিলে,— এংকৰ লাইনৰ আৰ. এম. এছ. কেলিডনিয়া নামৰ জাহাজত মোক ভাৰতলৈ ওভতাই পঠোৱাৰ ব্যৱস্থা কৰা হৈছে। জাহাজ-কোম্পানিৰ অফিছত খবৰ কৰি গম পালো,— লিভাৰপুৰ বন্দৰৰ পৰা জানুৱাৰিৰ ১৪ তাৰিখে আৰ. এম. এছ. কেলিডনিয়াই ইজিপ্ট, পাকিস্তান আৰু ভাৰত হৈ অষ্ট্ৰেলিয়ালৈ যাত্ৰা আৰম্ভ কৰিব। লগতে গম পালো,— সেই জাহাজখন হ'ল ফাৰ্ষ্টক্লাছ জাহাজ;— তাত ছেকেণ্ড ক্লাছ, টুৰিষ্ট ক্লাছ ইত্যাদিৰ ঠাই নাই। সেইখনৰ সকলো যাত্ৰী ফাৰ্ষ্ট ক্লাছৰ যাত্ৰী। আচলতে চৰকাৰী হিচাপত মই হ'ব লাগে ছেকেণ্ড ক্লাছৰ যাত্ৰী; কিন্তু ছেকেণ্ড ক্লাছ থকা জাহাজ বা উৰাজাহাজৰ যাত্ৰাৰ তাৰিখ, সেইবোৰত ঠাই পোৱাৰ প্ৰশ্ন, তেতিয়ালৈকে মোক লণ্ডনত খুৱাই-বুৱাই ৰখাৰ খৰচ,— এই সকলোবোৰ হিচাপ কৰি ভাৰত চৰকাৰে মোক সোনকালে ফাৰ্ষ্টক্লাছ জাহাজখনতে পঠাই দিয়াৰ সিদ্ধান্ত ল'লে বুলি ধাৰণা কৰিলো।

গৱেষণা-সংক্ৰান্ত এটা জৰুৰী কাম বাকী আছিল। থেছিছখনৰ এটা কপি ইম্পিৰিয়েল কলেজত আনুষ্ঠানিকভাৱে জমা দিব লাগে। সেইখনৰ ওপৰতে ভেটি কৰি কলেজখনে গৱেষণাকাৰীজনক Diploma of Imperial College (D.I.C) নামৰ ডিপ্লোমাটো দিয়ে। যিদিনা সেই কপিটো দিবলৈ গ'লো, সেইদিনাই ইম্পিৰিয়েল কলেজৰ লগত আনুষ্ঠানিকভাৱে মোৰ সম্পৰ্ক শেষ হ'ল। সেইদিনাই মই ড. উইলমেনৰ পৰা বিদায় ল'লো। তেখেতৰ নিচিনা মানুহ এজনৰ পৰা বিদায় লোৱাটো মোৰ কাৰণে বৰ টান কাম আছিল। মই ভাবোঁ,— আচলতে মই তেখেতৰ পৰা আজিও বিদায় লোৱা নাই।

লণ্ডনত দুটা বস্তু কিনাৰ মোৰ বৰ হেঁপাহ আছিল;— এটা ডাঙৰ টেইপ ৰেৰ্কডাৰ, আৰু এটা বলেক্স নামৰ আঠ মিলিমিটাৰৰ মুভি'কেমেৰা। বহুদিন ধৰি পইচা গোটাই-গোটাই এদিন Grunding TK 30 টেইপ ৰেকৰ্ডাৰ এটা কিনিছিলো; কিন্তু কেমেৰাটো কিনিব নোৱাৰিলো। ইম্পিৰিয়েল কলেজত থেছিছখন দিবলৈ যোৱাৰ দিনা মই টেইপ ৰেকৰ্ডাৰটো লেবৰেটৰিলৈ লৈ গৈছিলো। প্ৰায় এঘণ্টা ধৰি ব্ৰায়ান-লেভিনহঁতে

মাইক্ৰ'ফোনটোৰ আগত চিঞৰি-চিঞৰি গান গাইছিল, সিহঁতৰ ধেমেলিয়া কথাৰ নমুনা ৰেকৰ্ড কৰিছিল, আৰু মোক বিদায়-সম্ভাষণ জনাইছিল। ভাগ্যক্ৰমে সেইদিনা মোৰ আটাইতকৈ মৰম আৰু সম্ভাৱৰ পাত্ৰ জন হাৰ্ভেও উপস্থিত আছিল। দেশলৈ উভতি আহি বহু বছৰলৈ মই সেই টেইপটো বজাই শুনি আছিলো।

মই কেইবাঠাইতো যে জন হাৰ্ভেৰ কথা উল্লেখ কৰিছোঁ, তাৰ কাৰণ আছে। সেই যে ড. উইলমেনে প্ৰথম দিনা চিনাকি কৰি দিছিল, সেইদিনাৰে পৰা আৰম্ভ কৰি সেই শেষ দিনটোলৈকে,— এই গোটেই সময়ছোৱা জনে তেওঁৰ ব্যক্তিত্ব, উদাৰতা, সততা আৰু স্নেহপৰায়ণতাৰে মোক আকৃষ্ট কৰি ৰাখিছিল। লেবৰেটৰিৰ ভিতৰৰ কথাত তেওঁক মই ড. উইলমেনৰ পাছতে দ্বিতীয় অভিভাৱক বুলি গণ্য কৰিছিলো। কিন্তু জনৰ লগত সুবিধাটো আছিল,— যিবোৰ কথাত মই ড. উইলমেনৰ লগত খোলা হ'ব নোৱাৰিছিলো, সেইবোৰ কথাত তেওঁ মোৰ সহায়ক আছিল। চকু মুদিলেই, এতিয়াও, সেই ওখ-পাখ, অলপ কুঁজা, জধলা লেতেৰা জেকেট এটা পিন্ধা, মুখত পাইপ এটা লৈ থকা ডেকাজনৰ কোমল মুখখন দেখা পাওঁ। ড. উইলমেনৰ বাহিৰে লেবৰেটৰিৰ সকলোৱে মোক নাথ বুলি মাতিছিল। ভবেন্দ্ৰ নামটো তেওঁলোকৰ বাবে অনাৱশ্যকীয়ভাৱে দীঘল আৰু উচ্চাৰণৰ বাবে জটিল আছিল। সদায় মাতি থাকিবলৈ এনে জটিলতা অৰ্থহীন। আনহাতে ছুইকীয়া সম্বোধনটোত আন্তৰিকতাতকৈ আনুষ্ঠানিকতাৰ প্ৰলেপ বেছি আছিল। গতিকে নাথ। এই নামটোও জনেই উদ্ভাৱন কৰিছিল। লণ্ডনত উপস্থিত হোৱাৰ কিছুদিনৰ পাছত মই কেপষ্টান টবেকোৰ (যিটো বস্তুক আমি সাধাৰণতে মিক্সাৰ বুলি কওঁ) চেপেটা টিন এটা কিনিছিলো। পাছলৈ কাগজৰ পেকেটত থকা মিক্সাৰ কিনি সেই টেমাটোত ভৰাই লৈছিলো। টেমাটো প্ৰায়েই লেবৰেটৰিৰ কাম কৰা মেজখনতে উলিয়াই থৈছিলো আৰু সময়-সুবিধা পালেই, মন গ'লেই, 'পেপাৰে'ৰে মেৰিয়াই ছিগাৰেট তৈয়াৰ কৰি হুপিছিলো। সেই টেমাটোৰ ঢাকনিখনত এদিন জনে কাটা-কম্পাছৰ জোঙা আগটোৰে NATH বুলি লিখি তেওঁৰ নামটোও লিখি দিলে। তেওঁকে দেখি সেই সময়ত মেজখনৰ চাৰিওফালে বহি থকা এটাইকেইজনে ঢাকনিখনত নিজৰ-নিজৰ নাম লিখি দিলে। জনে ধেমালি কৰোঁতেই মোৰ কাৰণে এটা সাঁচি থ'বলগীয়া বস্তুৰ সৃষ্টি হ'ল।

এই টেমাটোৰ বিষয়ে,— অন্ততঃ মোৰ কাৰণে আমোদজনক,— কিছু কথা ক'বলগীয়া আছে। পাছলৈ এই বস্তুটোৰ কথালৈ উভতি অহাৰ সুবিধা নাপাম। দেশলৈ উভতি অহাৰ পাছতো এই টেমাটোকে মই মোৰ 'মিক্সাৰৰ টেমা' হিচাপে ব্যৱহাৰ কৰি আছিলো। টেমাটো ক'ৰবাত থৈ বিচাৰি নাপালে মই বৰ অস্থিৰ অনুভৱ কৰিছিলো। টেমাটো হেৰোৱা আৰু ঘূৰাই পোৱাৰ যিমানবোৰ ঘটনা আছে, তাৰ দুটা উল্লেখযোগ্য। প্ৰথমটো : এদিন

বিশ্ববিদ্যালয় বন্ধ কাৰণে মই গুৱাহাটীৰ পৰা নগাঁবৰ ঘৰলৈ বুলি ওলালো। তেতিয়া মই ভৰলুমুখৰ ভাৰাঘৰত থাকোঁ। এখন ৰিক্সাত ভৰলুমুখৰ পৰা পল্টন বজাৰলৈ আহিলো। জাৰৰ দিন। কিলাকুটিৰ ভাঁজত আছিল সেই লণ্ডনৰ ছেকেণ্ড হেণ্ড-বজাৰৰ পৰা কিনা অ'ভাৰকোটটো। ৰিক্সাত এটা মিক্সাৰ পকাই খালো। নগাঁও পালোঁগৈ। ঘৰ পোৱাৰ পাছত যেতিয়া ছিগাৰেট এটা খাবলৈ মন গ'ল, তেতিয়া দেখোঁ,— টেমাটো নাই। এটাইকেইটা জেপ আৰু সৰু ছুটকে'ছটোত পাত-পাতকৈ বিচাৰিলো,— নাই। লগে-লগে নগাঁৱৰ ট্ৰেন্সপ'ৰ্ট অফিছলৈ আহিলো— বাছখনত টেমাটো বিচাৰিবলৈ। বাছখন ইতিমধ্যে গুৱাহাটীলৈ উভতি গ'লেই। ছুপাৰিণ্টেণ্ডেণ্টজনক সুধিলো,— যোৱাৰ আগতে বাছখনৰ ভিতৰখন চাফা কৰা হৈছিল নে কি? তেখেতে ক'লে,— নাই হোৱা। গুৱাহাটীৰ ট্ৰেন্সপ'ৰ্ট অফিছৰ ছুপাৰিণ্টেণ্ডেণ্ট অৱনী বৰুৱালৈ ট্ৰাংক কল কৰিলো,— অলপ আগতে নগাঁৱৰ পৰা যোৱা বাছখন গুৱাহাটীৰ ষ্টেছন পালেই আপুনি মানুহ লগাই চোৱাব,— ভিতৰত গোল টেমা এটা পৰি আছে নে কি। মই নগাঁৱত দুৰাতি থকাৰ কথা আছিল, নাথাকিলো। পাছদিনা পুৱাই গুৱাহাটীলৈ আহিলো। অৱনী বৰুৱা মোৰ সেই শিৱসাগৰ কলেজৰ দিনৰে পৰা ককাইদেউৰ শাৰীৰ সুহৃদ। তেখেতে ক'লে,— তেখেতে নিজে আগত থাকি মানুহ লগাই চোৱালে, কিন্তু টেমাটো নাপালে।

ঘটনাটো মোৰ কাৰণে বৰ দুখৰ হ'ল। কিন্তু টেমাটো চিৰদিনৰ কাৰণে হেৰাল বুলি মই গ্ৰহণ নকৰিলো। নানা ধৰণে হিচাপ-পাতি কৰি মই ঠিক কৰিলো,— ভৰলুমুখৰ পৰা পল্টন বজাৰলৈ যোৱা ৰিক্সাতে টেমাটো পৰিল। এই সিদ্ধান্তত উপনীত হোৱাৰ পাছত মই সুবিধা পালেই ৰিক্সাত উঠা কৰিলো। ৰিক্সাত বহিয়েই ৰিক্সাৱালাটোক কওঁ,— মই অমুক তাৰিখে ৰাতিপুৱা অমুক ঠাইৰ পৰা অমুক ঠাইলৈ যাওঁতে ৰিক্সাত টেমা এটা পেলালো। টেমাটোৰ দাম দহ পইচাও নহয়, কিন্তু মোৰ কাৰণে সেইটো বৰ মূল্যবান। তুমি তোমাৰ লগৰ সকলো ৰিক্সাৱালাকে ক'বা। কোনোবাই যদি টেমাটো পাইছে, আৰু মোক ওভোতাই দিয়ে তেনেহ'লে মই তেওঁক পাঁচ টকা দিম। মোৰ ঘৰ...।

কথাখিনি কোৱা শেষ হোৱাৰ পাছতে মই সেইখন ৰিক্সাৰ পৰা নামো; নামি অইন এখনত উঠো। উঠিয়েই সেইটো ৰিক্সাৱালাকো সেই কথাখিনিকে কওঁ। এনেকৈ প্ৰায় দহদিন,— পঁচিছ পইচা ভাৰা দি দি মই বহু ৰিক্সাত উঠিলো। অভিযানটো চলায়েই থাকিম বুলি ভাবি আছোঁ, এনেতে এদিন পুৱাবেলা মোৰ ঘৰৰ দুৱাৰত কোনোবাই টক-টক কৰিলে। দুৱাৰ খুলি দেখোঁ,— এজন সাধাৰণ মানুহ। তেওঁ ৰিক্সাৱালা। হাতত মোৰ মিক্সাৰৰ টেমাটো। ঘৰত থকা এটাইখিনি পইচা তেওঁক দি দিম যেন লাগিছিল। পাঁচটা টকা দি সন্তুষ্ট হোৱা নাছিলো। দ্বিতীয়টো: বিশ্ববিদ্যালয় চৌহদৰ ৯২ নম্বৰ ঘৰত থাকোঁ। সেই সময়ত মোৰ পৰিবাৰ শিশুকন্যাসহ লক্ষীমপুৰ নগৰত। ঘৰত মই অকলে। সন্ধিয়া

আবুল লেইছৰ গাড়ীত উঠি সোণাৰাম স্কুলৰ পথাৰত পতা বিহু-উৎসৱ চাবলৈ আহিলো। বন্ধু-বান্ধৱ লগ পাইছোঁ, মানুহৰ মাজে-মাজে ইফালে-সিফালে ঘূৰি ফুৰিছোঁ, চাহ খাইছোঁ, মাজে-মাজে ডিঙি মেলি-মেলি মঞ্চৰ অনুষ্ঠান চাইছোঁ,— এনেকৈয়ে কেইবাঘণ্টাও পাৰ কৰিলো। লেইছৰ লগত গৈছিলো যদিও, গৈ পোৱাৰ অলপ পাছতে তেওঁৰ লগ এৰা পৰিছিল। কিন্তু অসুবিধা হ'ল,— যেতিয়া জালুকবাৰীলৈ উভতিবৰ সময় হ'ল বুলি ভাবিলো, তেতিয়াও লেইছক বিচাৰি নাপালো। ৰাতি চাৰে নমান বাজিছিল। ৰিক্সা এখনত উঠি লেইছৰ মাজখোৱাৰ পৈতৃক ঘৰলৈ গ'লো,— কিজানিবা তালৈকে গৈছে! নাই, তেওঁ তাতো নাই। কি কৰা যায়? অলপ সময় ভাবি-চিন্তি ফাঁচীবজাৰৰ টেক্সি ষ্টেণ্ডলৈকে গ'লো। দেখিলো, — এখন টেক্সিত ড্ৰাইভাৰৰ বাহিৰেও দুজন মানুহ বহি আছে; ওচৰতে থিয় হৈ হেণ্ডিমেন ল'ৰা এটাই মোৰ ফালে চাইছে। মই সুধিলো— "জালুকবাৰীৰ ফালে যাবা নে?" ল'ৰাটোৱে ক'লে,— "আমি ব্ৰহ্মপুত্ৰৰ দলঙেদি উত্তৰ পাৰলৈ যাম; আপুনি জালুকবাৰী থানাৰ ওচৰত নামি যাব পাৰিব।" মই বৰ সকাহ পালো। থানাৰ পৰা অলপ দূৰতে মোৰ ঘৰ। ড্ৰাইভাৰৰ কাষৰ ছিটতে বহিলো। বহুত পৰ ঘূৰা-ঘূৰি কৰিছোঁ, অলপ দুশ্চিন্তাতো পৰিছিলো,— গতিকে ঠিক কৰিলো,— মন-মেজাজ পাতল কৰিবলৈ এটা ছিগাৰেটকে খোৱা যাওক। টেমা উলিয়াই পকালো ছিগাৰেট এটা। গাড়ীৰ ইঞ্জিন চলাই দি ড্ৰাইভাৰজনে হেণ্ডিমেন ল'ৰাটোক সুধিলে,— "পে'ট্ৰল ল'ব লাগিব নে কি অ'?" ইতিমধ্যে পিছৰ ছিটত বহা ল'ৰাটোৱে উত্তৰ দিলে,— "অথনি যে পাঁচ লিটাৰ লৈছিলো,— তাৰ পাছত এবাৰ কামাখ্যালৈহে গৈছোঁ। হ'ব।"

গাড়ী চলিল। জালুকবাৰী থানাৰ ওচৰত মই নামিলো। গাড়ী শৰাইঘাট দলঙৰ ফালে গ'লগৈ। মই ৯২ নম্বৰ ঘৰত নোসোমাই পোনে-পোনে লেইছ থকা ৯৬ নম্বৰ ঘৰটোলৈ গ'লো। লেইছৰ ঘৰত লাইট জ্বলি আছে। কি হ'ল? ভুল বুজাবুজি হ'ল। লেইছে মোক বিহুতলিত বিচাৰি নাপাই ভাবিলে,— মই নিশ্চয় কাৰোবাৰ গাড়ী পাই ঘৰলৈ গুচি আহিলো। যি হ'ল হ'ল, দুয়ো সুকলমে ঘৰ পালোহি যেতিয়া, চব ঠিক হৈ গ'ল।

মই নিজৰ ঘৰলৈ আহিলো। ঘৰ সোমাই কাপোৰ সলাওঁতে দেখোঁ,— মিক্সাৰৰ টেমাটো নাই। অলপ সময় থৰ হৈ ৰ'লো। টেমাটো নিশ্চয় লংপেণ্টৰ জেপৰ পৰা ওলাই টেক্সিখনতে পৰিল।

আকৌ কাপোৰ পিন্ধিলো। তেতিয়া ৰাতি প্ৰায় চাৰে এঘাৰ বাজিছে। বাহিৰত অলপ জাৰ-জাৰ অনুভৱ কৰিছিলো। কোট এটাও পিন্ধি ল'লো। পোনে-পোনে থানাখনলৈ আহিলো। কৰ্তব্যৰত বিষয়াজনক টেমাটোৰ কথা ক'লো,— তেনেই সাধাৰণ, কিন্তু

মোৰ কাৰণে মহামূল্যবান টেমা। তাৰ পাছত, — ইতিমধ্যে মই মনে-মনে যিটো বিশ্লেষণ কৰিছিলো, সেইটোৰ বিষয়েও তেখেতক ক'লো। টেক্সিখন হ'ল পুৰণি এম্বেছেডৰ।ঢেৰঢেৰীয়া। এক লিটাৰ তেলেৰে আঠ কিল'মিটাৰতকৈ বেছি যাব যেন নালাগে। পাঁচ লিটাৰ তেল লোৱাৰ পাছত গাড়ীখনে কামাখ্যাৰ ভাৰা এটা মাৰিছে। বাকী থকা তেলখিনিৰে গাড়ীখন ব্ৰহ্মপুত্ৰৰ সিপাৰে বেছি দূৰলৈ কোনোমতে যাব নোৱাৰে। কিছু সময়ৰ পাছতে উভতি আহিবলৈ বাধ্য। গতিকে মই গাড়ীখনৰ কাৰণে বাটত খাপ দিম। কিন্তু হে'ডলাইট দেখিতো মই ধৰিব নোৱাৰিম— কোনখন মই বিচৰা টেক্সি! তদুপৰি মই হাত দাঙিলেতো গাড়ীবোৰ নৰব! গতিকে মোক এজন চিপাহী দি সহায় কৰক; তেওঁ যেন অন্ততঃ এম্বেছেডৰজাতীয় গাড়ীবোৰ ৰখাই দিয়ে।

বিষয়াজনে দিলে এজন চিপাহী মোৰ লগত। দুয়ো বাটৰ কাষত থিয় দিলোহি। চিপাহীজনে ট্ৰাকৰ বাহিৰে অইন গাড়ীকেইখনমান ৰখালে; মই ওচৰ চাপিয়েই নহয় বুলি সেইবোৰক যাবলৈ দিলো। অৱশেষত প্ৰায় চাৰে বাৰমান বজাত চিপাহীজনে ৰখালে এখন এম্বেছেডৰ। হয়, সেইখনেই। ড্ৰাইভাৰ-হেণ্ডিমেনে ভয় খাই বুলি মই অনুনয়ৰ সুৰত ক'লো,— "অথনি মই এইখিনিতে নামিছিলো; মোৰ টেমা এটা গাড়ীখনতে পৰিল। পাইছেনে?" ড্ৰাইভাৰে ক'লে,— "ক'তা? আমিতো দেখা নাই!"

দুৱাৰখন খুলি টেমাটো বিচাৰিলো। মই বহা ছিটটোৰ কাষতে, তলৰ চেপত টেমাটো সোমাই আছে।

ড্ৰাইভাৰ, হেণ্ডিমেন, চিপাহী, থানাৰ বিষয়া সকলোকে হিয়া উবুৰিয়াই ধন্যবাদ জনাই ঘৰলৈ উভতিলো। ঘৰত মেজৰ ওপৰত থৈ টেমাটোলৈ চাই থাকোঁতে তাৰ ওপৰত জন হাৰ্ভেৰ মুখখন জিলিকি উঠা যেন লাগিছিল। পাইপটো বেঁকাকৈ কামোৰ মাৰি ধৰি তেওঁ হাঁহি মুখেৰে মোক সুধিছে,— How are you this morning Nath?

সেইদিনাৰে পৰা মই টেমাটো লৈ ফুৰা বন্ধ কৰিলো। এইটোৰ কাৰণে মই ইমান ভুগিব লাগে যেতিয়া, এইটো হেৰালে মই ইমান অস্থিৰ হওঁ যেতিয়া, ইয়াক বাকচত সুমুৱাই থোৱাই ভাল। থৈ দিছোঁ। টেমাটোৰ ৰং উঠি গ'ল। ৰঙৰ লগতে জনহঁতৰ চহীবোৰো অদৃশ্য হ'ল; তথাপি থৈ দিছোঁ। টেমাটো দেখিলেই চকুৰ আগত জীৱনৰ এটা অধ্যায় মুকলি হোৱা যেন লাগে।

এটা প্ৰাসংগিক আৰু প্ৰয়োজনীয় কথা ঃ মিক্সাৰৰ টেমাটোৰ প্ৰতি থকা আসক্তিয়ে মোৰ ছিগাৰেটৰ প্ৰতি থকা আসক্তিৰো এটা আভাস নিশ্চয় দিয়ে। কিন্তু মই ছিগাৰেট এৰিলো। প্ৰায় পয়ত্ৰিছ বছৰৰ অভ্যাস এটাক আজি মই কুঅভ্যাস বুলি স্বীকাৰ কৰোঁ। স্বাস্থ্যবিজ্ঞানৰ কথা, বিজ্ঞাপন, পত্নীৰ পৰামৰ্শ, নিজৰ বিচাৰ আদিয়ে মোৰ ওপৰত এটা হেঁচা প্ৰয়োগ কৰি আছিলেই, কিন্তু ছিগাৰেটৰ বিৰুদ্ধে মোক জোকাৰি দিছিল কিছুমান

অনুভূতিত আঘাত কৰা ঘটনাই। যেনে ঃ প্ৰান্তিকৰ পাতৰ 'সম্পাদকৰ কোঠালিত' আৰম্ভণিৰ দিনবোৰত যিজন বন্ধুৰ আগমন ঘটিছিল, তেওঁ ছিগাৰেট খাইছিল। প্ৰতিটো লেখাতে তেওঁ হয় ছিগাৰেট, নহয় দিয়াচলাই, নহয় এছ্-ট্ৰে', নহয় ছিগাৰেটৰ ধোঁৱা আদিক লৈ কিবা নহয় কিবা এটা কৰ্ম কৰেই; আৰু কৰ্মৰ মাজে-মাজে কথা কয়। এবাৰ প্ৰান্তিকৰ কম বয়সীয়া পাঠক এজনে বন্ধুজনৰ এই ধূমপান-প্ৰৱণতাৰ বিৰুদ্ধে আমালৈ চিঠি এখন লিখিলে। কিয় ক'ব নোৱাৰোঁ, চিঠিখনে মোক বৰ আঘাত কৰিলে। তাৰ পাছৰ সংখ্যাৰ পৰা আজিলৈকে সম্পাদকৰ কোঠালিত বন্ধুৱে ছিগাৰেট খোৱা নাই।

পেৰিছত ড. মহেন্দ্ৰ গোস্বামীৰ ঘৰৰ পৰা টেক্সি এখনত এয়াৰপৰ্টৰ অভিমুখে গৈ আছোঁ। লগত মোৰ পৰিবাৰ আৰু বন্ধু প্ৰদীপ দত্তৰ পৰিবাৰ নানু দত্ত। কিছুদূৰ যোৱাৰ পাছত মই ছিগাৰেট এটা জ্বলাবলৈ দিয়াচলাই কাঠী মাৰিলো। টেক্সি চালকজন কৃষ্ণকায় আছিল। তেওঁ তৎক্ষণাৎ গাড়ীখন বাটৰ কাষলৈ নি ৰখাই দিলে। ফৰাছী ভাষাতে আৰু হাতৰ ইংগিতেৰে তেওঁ বুজালে,— গাড়ীৰ ভিতৰত ছিগাৰেট খোৱা মানা। তেওঁ গাড়ী ৰখোৱাৰ মেজাজটো দেখি এনে লাগিল যেন তেওঁ বুজাব খুজিছে,— যদি তুমি ছিগাৰেট খাবই খুজিছা, তেনেহ'লে গাড়ীৰ পৰা নামি যোৱা। বৰ লাজ পালো। I am sorry বুলি কৈ ছিগাৰেট-দিয়াচলাই সামৰি থ'লো। কিছুদূৰ যোৱাৰ পাছতহে মন কৰিলো, গাড়ীখনৰ ভিতৰত ফৰাছী ভাষাত ছিগাৰেট খাবলৈ মানা কৰি থোৱা আছে।

সেই বছৰেই লণ্ডন ফুৰিবলৈ বুলি ড. চিদা দাসৰ গাড়ীত উঠিয়েই দেখিলো, মোৰ সমুখতে লিখা আছে,— Thank you for not smoking. এই বিষয়ে চিদাৰ লগত কথা পাতি মই গম পালো,— তেওঁলোকৰ ঘৰৰ ভিতৰত গৃহস্থ, আলহী কোনেও ছিগাৰেট নাখায়। কিন্তু মই ইতিমধ্যে এদিন আৰু এৰাতি তেওঁলোকৰ ঘৰৰ ভিতৰত,— সৰু-সৰু ল'ৰা দুটাৰ আগতে, ছিগাৰেট খালোৱেই। মই বেয়া পাওঁ বুলি মোক কোনেও বাৰণ কৰা নাছিল। বৰ অনুতপ্ত হ'লো আৰু গোটেই পৰিয়ালটোৰ আগত দুখ প্ৰকাশ কৰিলো। সেয়া মই ইম্পিৰিয়েল কলেজত গৱেষণা কৰি দেশলৈ উভতি অহাৰ ছাবিছ বছৰৰ পাছৰ কথা। সেই ছাবিছ বছৰৰ ভিতৰত পশ্চিমৰ উন্নত দেশসমূহত ধূমপান সম্পৰ্কে মানুহৰ দৃষ্টিভংগীৰ বিপুল পৰিবৰ্তন ঘটিছিল।

তাৰো চাৰি বছৰমানৰ পাছত, মাদ্ৰাজৰ নেত্ৰালয় নামৰ হস্পিটেলত, চকু এটাৰ কেটেৰেক্ট অপাৰেশ্যনৰ আগে-আগে এগৰাকী মহিলা ডাক্তৰে মোৰ হৃদপিণ্ড, ৰক্তচাপ আদি পৰীক্ষা কৰিছিল। পৰীক্ষাৰ মাজতে তেখেতে সুধিলে,— আপুনি ছিগাৰেট খায়নে কি? খাওঁ। কেতিয়াৰ পৰা খাই আছে। হ'ল পয়ত্ৰিছ বছৰমান। দিনে কেইটাকৈ খায়? মই মিক্সাৰ পকাই খাওঁ। দিনে পাঁচটামান পকাওঁ; মাজতে নুমাই যায় কাৰণে দহবাৰমান খোৱা পৰে। তাৰ পাছত তেখেতে ক'লে,— এই ছিগাৰেট খোৱাৰ কাৰণেই আপোনাৰ

অপাৰেশ্যনৰ পাছত কাহ আহিব পাৰে। সেই কাহে চকুটোৰ অপকাৰ কৰিব পাৰে। তাৰ প্ৰতিষেধক হিচাপে আমি আপোনাক এটা ইনজেকশ্যন দিব লাগিব। কিন্তু আপুনি ছিগাৰেটটো এৰি নিদিয়ে কিয়? ইচ্ছা কৰিলেই এৰি দিব পাৰে। কমকৈ খাব বুলি প্ৰতিজ্ঞা কৰি লাভ নাই;— একেবাৰে এৰিয়েই দিব বুলি ভাবক। পাৰিব।

মই সুধিলো,— হয়নে কি?

তেখেতে ক'লে,— হয়।

মই ক'লো,— তেনেহ'লে এতিয়াই, এই মুহূৰ্ততে, আপোনাৰ আগতে মই ছিগাৰেট এৰি দিলো।

সঁচাকৈয়ে এৰি দিলো। এক মুহূৰ্ততে প্ৰায় পয়ত্ৰিছ বছৰীয়া অভ্যাস এটা আঁতৰি গ'ল। মাদ্ৰাজত দীঘলীয়া সময় থাকিবলগীয়া হ'ব পাৰে বুলি সৰহকৈ ছিগাৰেটৰ 'ৰেছন' লৈ গৈছিলো; সেইবোৰ তেনে চিনেই থাকি গ'ল।

চাৰি বছৰমানৰ পাছত চলচ্চিত্ৰ এখনৰ চিত্ৰগ্ৰহণৰ সময়ত হঠাতে আকৌ ছিগাৰেটত মুখ দিছিলো। সেইবাৰ দামী ৰ'ল-ছিগাৰেটত। — যেন 'ফিল্ম শুটিঙ'ৰ নিচিনা টান, কষ্টসাধ্য কাম এটাৰ মাজত 'টেনশ্যন' কমাবলৈকে ছিগাৰেটত ধৰিলো! পিছে নহয়। আচল কথা চখ, লোভ, আৰু তাৰ পাছত,— নিচা। এই নিচাটোৱেই হ'ল যত কুটৰ ঘাই। চলচ্চিত্ৰৰ চিত্ৰগ্ৰহণ শেষ হোৱাৰ পাছতো ছিগাৰেট চলি থাকিল। চাৰিওফালৰ হেঁচাত দিনে দুটাকৈ। সেই অৱস্থা চলি থাকোঁতেই কিছুদিনৰ কাৰণে আমেৰিকা যুক্তৰাষ্ট্ৰৰ হিউষ্টন নগৰলৈ গৈছিলো। কি বিড়ম্বনা! দিনটোৰ ভিতৰত সেই দুটা ছিগাৰেট খাবলৈও ঠাই বিচাৰি ফুৰিব লাগে! ঘৰৰ বাহিৰত বা দোকানৰ বাহিৰৰ মুকলি ঠাইত ছিগাৰেটটো খালেও এনেকুৱা লাগে যেন বৰ গৰ্হিত কাম এটাহে কৰিছোঁ! ৰাজহুৱা ঠাইত ছিগাৰেট খোৱাৰ কাৰণে যিকণ ঠাই আছুতীয়াকৈ ৰখা হয়, সেই ঠাইকণলৈ বেছিভাগ মানুহে যেন পুতৌৰ দৃষ্টিৰেহে চায়। সেই তাহানি, আৰম্ভণিতে, পৰিয়ালৰ, শিক্ষা-প্ৰতিষ্ঠানৰ বা সমাজৰ জ্যেষ্ঠজনৰ পৰা লুকুৱাই ছিগাৰেট খাইছিলো;— এতিয়া নাতিটোৰ পৰা লুকুৱাই ছিগাৰেট খাবলগীয়া হয়! বাহিৰৰ কোনোবা এটা চুকত সোমাই ছিগাৰেটটো খাওঁ; সি কোনোবা ফাঁকেদি দেখে; পাছত ভিতৰলৈ আহিলে সি কয়,— "ককা, তুমি বেয়া কাম কৰিছা।"

এৰি দিলো। সেই দুটাও এৰি দিলো।

**ক'ৰ জন হাৰ্ভেইতে চহী কৰা টেমা এটাৰ কথাৰে আৰম্ভ কৰিছিলো,— আৰু পালোহি কোনখিনি! অবান্তৰ, তুচ্ছ কথা যেন লাগিছে। কিন্তু সেই যে প্ৰান্তিকৰ সম্পাদকৰ কোঠালিৰ বন্ধুজনে ছিগাৰেট খোৱা কথাটো লৈ কম বয়সীয়া পাঠকজনে আপত্তি কৰিছিল,— তেওঁ বা তেনেকুৱা এজন পাঠকে অন্ততঃ মই এটা পুৰণি কু-**

অভ্যাস এৰিলো বুলি শুনি কিজানি ভালেই পায়,— সেই আশাতে কথাখিনি লিখিলো। কিছুমান তুচ্ছ কথাও লাগতিয়াল।

লণ্ডন এৰাৰ পৰ্বটোলৈ উভতি আহোঁ। নতুন বছৰটোৰ দিনকেইটা কেতিয়া কোনফালে গ'ল গমেই নাপালো। মহানগৰখনৰ পৰা বিদায় ল'বলৈ কি কি কৰিলো, বেছিভাগ কথা মনতেই নপৰে। আমাৰ ঘৰটোৰ পৰা খোজ কাঢ়ি যাব পৰা দূৰত্বতে দুখন ৰেস্তোঁৰা আছিল;— এখন নাটিংহিল গে'টৰ ফালে থকা ভাৰ্ছি; ইখন ওভোতাফালে থকা আকবৰ। ভাৰ্ছি ইটালিয়ান, আকবৰ ইণ্ডিয়ান। কেতিয়াবা ৰাতিৰ সাঁজ ঘৰত ৰান্ধিবলৈ এলাহ লাগে। তেনেকুৱা দিনত হাতত পইচা কম থাকিলে ভাৰ্ছিত; আৰু অলপ বেছিকৈ খৰচ কৰিব পৰা অৱস্থাত থাকিলে আকবৰত খাওঁ। এই ৰেস্তোঁৰা দুখনৰ লগত এই দুবছৰে এটা স্নেহ-প্ৰীতিৰ সম্পৰ্ক গঢ়ি উঠিছিল। দুয়োখন ৰেস্তোঁৰাতে এসাঁজ-এসাঁজ খাই চিনাকি মানুহখিনিৰ পৰা বিদায় ল'লো। এদিন এংকৰ কোম্পানিৰ অফিছলৈ গৈ টিকেট আৰু লগৰীয়া কাগজ-পাতিবোৰ লৈ আহিলো। এদিন ওচৰৰে হোবাইটলিজ নামৰ দোকানখনলৈ গৈ দুটা ডাঙৰ-ডাঙৰ বাকছৰ অৰ্ডাৰ দি পইচা দি আহিলো। মই বাহিৰে-বাহিৰে অইন এটা কাম কৰি ঘৰলৈ উভতি আহি দেখোঁ,— দোকানৰ মানুহে বাকছ দুটা কামিনস্কিৰ ওচৰত থৈ গৈছেহি। ৰন্ধা-বঢ়া বাচন-বৰ্তন ভূপতি ডেকাক গতালো; ৰেডিঅ'টো অনিল ৰতন বৰঠাকুৰক আধা দামত বেচিলো; টেইপ ৰেকৰ্ডাৰ আৰু অৰবিন্দ কুণ্ডুৰ পৰা কিনা ৰেকৰ্ড-চেঞ্জাৰ বাকছত সুমুৱালো,— তাৰ পাছত সংসাৰ সামৰিবলৈ বুলিবলৈ বিশেষ একো নাথাকিলেই।

শেষৰ ৰাতিটো প্ৰসূন মজুমদাৰ মোৰ লগতে থাকিবলৈ আহিল। তেওঁ মোক বয়-বস্তু সামৰা, বাকছবোৰত লেবেল লগোৱা আদি কামত সহায় কৰিব। ৰাতি খাই-বৈ উঠি দুয়ো কামত ধৰিছোঁ, এনেতে দুৱাৰত টক-টক শব্দ হ'ল। দুৱাৰ খুলি দেখোঁ,— ওপৰ মহলাত থকা ৰেষ্ট ইণ্ডিজৰ ছোৱালীজনী। এই ছোৱালীজনীক মই কেতিয়াবা কামিনস্কিৰ অফিছত, কেতিয়াবা উঠা-নমা ছিৰিত বা লিফটত লগ পাইছোঁ। হেলো-গুড মনিং-গুড ইভিনিং-হাও আৰ ইউ— ইত্যাদিৰ আদান-প্ৰদান কৰিছোঁ; পৰিচয়ৰ ভিতৰত তেওঁ ৰেষ্ট ইণ্ডিজৰ, মই ভাৰতৰ,— সিমানেই।

তেওঁ দুৱাৰৰ বাহিৰত থাকিয়েই মোক সুধিলে, তুমি এবাৰ মোৰ কোঠালিলৈ আহিবা নে?

তোমাৰ কোঠালৈ? কিয়?

এটা প্ৰয়োজন আছে।

মজুমদাৰক কামখিনি আগ বঢ়াবলৈ কৈ মই ছোৱালীজনীৰ পিছে-পিছে ওপৰলৈ উঠি গ'লো। চকী এখনত মোক বহিবলৈ দি তেওঁ ক'লে, "কামিনস্কিৰ মুখত শুনিলো,— তুমি বোলে কাইলৈ গুৱাই যাবাগৈ?"

"হয়। যামগৈ।"

"মই তোমাৰ ছবি এখন আঁকিম। বেয়া পাবা নে কি?"

মই ভিতৰি-ভিতৰি আচৰিত হ'লো। কথা নাই-বতৰা নাই,— এই ৰাতিখন এওঁ মোৰ ছবি আঁকিব? মনৰ ভাব প্ৰকাশ নকৰি ক'লো,— "আঁকা!"

মেজৰ ওপৰৰ হেলনীয়া ব'ৰ্ড এখনত বগা কাগজ এখন থৈ, নিজে থিয় হৈ থাকি ছোৱালীজনীয়ে মোৰ ফালে চাই-চাই ক'লা ক্ৰেয়ন এডালেৰে আঁক-বাঁক কৰিবলৈ ধৰিলে। অলপ পাছতে তেওঁ কথাও আৰম্ভ কৰিলে। মই যে কাইলৈ মাতৃভূমিলৈ উভতি যামগৈ, সেই কথাটো ভাবিয়েই তেওঁৰ ভাল লাগিছে। তেওঁ ছবি আঁকা শিকিবলৈ আৰু আইন পঢ়িবলৈ ইংলেণ্ডলৈ আহিছে। ঘৰলৈ উভতি যাবলৈ তেওঁৰ বৰ মন যায়। লণ্ডনত তেওঁৰ বন্ধু-বান্ধৱ বুলিবলৈ বিশেষ কোনো নাই। এইটো ঘৰতে ৱেষ্ট ইণ্ডিজৰ কেইবাজনো মানুহ থাকে; কিন্তু তেওঁ তেওঁলোকৰ কাকো ভাল নাপায়। মানুহবিলাকে তেওঁক যেনেকুৱা হোৱাটো বিচাৰে, তেওঁ তেনেকুৱা হ'ব নোৱাৰে। সেইকাৰণে মানুহবিলাকেও তেওঁক বেয়া পায়।

এঘণ্টাতকৈ বেছি সময় লৈ ছোৱালীজনীয়ে মোৰ ছবি আঁকিলে, সেইখন দেখি মই বৰ আনন্দ অনুভৱ নকৰিলো। মুখখন মোৰ নিচিনা হোৱা নাই। কিন্তু ছোৱালীজনীৰ আগ্ৰহ আৰু আন্তৰিকতাৰ প্ৰতি সন্মান জনাই মই আনন্দ প্ৰকাশ কৰিলো। ছোৱালীজনীয়ে ছবিখন মোক "ঘৰলৈ লৈ যাবাগৈ" বুলি দি দিলে। তাৰ পাছত তেওঁ বৰ হৃদ্যতাৰে, দুয়োখন হাতেৰে মোৰ সোঁহাতখন জোকাৰি মোক বিদায় দিলে। মই অভিভূত হৈছিলো। ক'ৰ মানুহ,— মুখৰ চিনাকিৰ বাহিৰে চিনাকিয়েই নাই;— অথচ তেওঁ মোক এনেকৈ বিদায় দিলে যে দুটা বছৰে আঁকোৱালি লৈ থকা লণ্ডন মহানগৰখনে তেওঁৰ হাতেৰেই মোক বিদায় দিয়া যেন লাগিল।

যেতিয়া মই নিজৰ কোঠালিলৈ উভতিলো, তেতিয়া বাৰ বাজি গৈছে। বাকছবিলাকত এংকৰ লাইনৰ লেবেল লগোৱা হৈ গৈছে। মজুমদাৰৰ টোপনি গৈছে। তেওঁৰ কাষতে যিকণ ঠাই আছিল, সেইকণতে মোৰ জীৱনৰ সেই অধ্যায়ৰ শেষ ৰাতিটো শেষ কৰোঁ বুলি দীঘল দিলো। ছোৱালীজনীয়ে যে সেই শেষ ৰাতিটোতো নাটকীয়তাৰ ৰহণ অকণমান সানিলে,— কথাটো ভাবি আমোদ পালো।

ৰাতিটোৰ বাকী থকা সময়কণত ভালকৈ টোপনি নাহিল। ইমানদিনে থকা এই কোঠালিটোত কাইলৈ-পৰহিলৈ বা কোন সোমায়হি? ওচৰৰ কোঠালিৰ বুঢ়ীজনীৰ বা কি হয়? কামিনস্কিতো সেই আধা-আন্ধাৰ কোঠালিটোতে বহিয়েই থাকিব!— টুকুৰা-

টুকুৰকৈ ঢেৰ কথা মনলৈ আহি থাকিল। আৰু,— মই যেতিয়া সেইবোৰ কথা ভাবি আছিলো, অসমত তেতিয়া মাঘৰ বিহুৰ উৰুকাৰ ৰাতিটো শেষ হওঁ-হওঁ হৈছিল। হাৰলি-ঘৰৰ অপঁহিতা বাঁহৰ পাব ফুটাৰ সময় হৈছিল।

পুৱা ছয়মান বজাতে টেক্সি এখনত বস্তু-বাহানি তুলি, কামিনস্কিক ভালে থাকিবলৈ অনুৰোধ কৰি চেপষ্টাও প্লে'ছ এৰিলো। লগত আহিল প্ৰসুন মজুমদাৰ আৰু ভূপতি ডেকা। ভিক্টোৰিয়া ষ্টেছনত মোক বিদায় জনাবলৈ আহিল জয়ন্ত মাধৱ, সুৰেন গোস্বামী আৰু বাচা দাদা। সেইখন আছিল এংকৰ লাইনে যোগাৰ কৰা বিশেষ ট্ৰেইন। সেইখনে কেৱল লণ্ডনৰ পৰা লিভাৰপুল বন্দৰলৈ কেলিডনিয়া জাহাজৰ যাত্ৰী কঢ়িয়াইছিল।

এসময়ত ৰে'ল চলিল। এক নতুন যাত্ৰা আৰম্ভ হ'ল। সেইযে ঘৰ-দুৱাৰ, গছ-গছনি, ৰাস্তা-দলং, পাহাৰ-পথাৰ আদিয়ে পিছলৈ দৌৰিবলৈ আৰম্ভ কৰিলে, সেইবোৰ যেন মোৰ পৰা বিদায় লোৱা মোৰ ইংলেণ্ডৰ জীৱনৰ একো-একোটা অধ্যায়হে!

আবেলি পৰত লিভাৰপুল বন্দৰ পালোহি। ৰে'লখন সাগৰৰ পাৰলৈকে আহিল। অলপ দূৰ খোজ কাঢ়িয়েই জাহাজত উঠা দলংখন পালো। আমাৰ বস্তু-বাহানিৰ দায়িত্ব ইতিমধ্যে জাহাজ-কোম্পানিয়ে গ্ৰহণ কৰিছিল। জাহাজত ভৰি দিয়াৰ লগে-লগে এজন বিষয়াই কাগজ-পাতি চাই মোৰ কেবিনটোৰ নম্বৰটো ক'লে আৰু ওপৰ মহলালৈ যাবলৈ অনুৰোধ কৰিলে। গ'লো। ইফালে-সিফালে অলপ ঘূৰা-ঘূৰি কৰি, কেবিনটো বিচাৰি উলিয়ালো। সৰু কোঠালিটোত সাধাৰণ এজনীয়া বিছনাতকৈ অলপ ঠেক বিছনা দুখন, আৰু শুবলৈ-থাকিবলৈ প্ৰয়োজন হোৱা বস্তুখিনি। কোঠালিটোৰ বেৰত ডেৰফুটমান ব্যাসৰ গোল কাচলগোৱা খিৰিকি এখন। বাহিৰখন তেতিয়া আন্ধাৰ হৈছে। কোঠালিটোৰ চুক-কোণ, বস্তু-বাহানিবোৰ চাই লৈ, মোৰ নামৰ বিছনাখনত বহি, ইতিমধ্যে হাতত পৰা কাগজকেইখিলাত জাহাজখনৰ ক'ত কি আছে, যাত্ৰীসকলৰ কৰ্তব্য কি, অকৰ্তব্য কি,— সেইবোৰ কথা পঢ়িছোঁ, এনেতে দুৱাৰখন টক-টক কৰি মানুহ এজন সোমাই আহিল। গাৰ বৰণ ক'লা, গুখ, চছমা পিন্ধা, নাকটো জোঙা। সাউৎকৈ কোঠালিটো আৰু খালী হৈ থকা বিছনাখনত চকু ফুৰাই লৈ মানুহজনে গুড ইভিনিং বুলি মোক সম্ভাষণ জনালে আৰু তাৰ পাছত নিজৰ পৰিচয় দিলে,— মই অসীন দাশগুপ্ত।

ৰাতিৰ সাঁজ সোনকালে খাই শুই থাকিবলৈ মন গৈছিল। ৰে'লখন বৰ আৰামৰ আছিল যদিও তাত শোৱা নাছিলো। খিৰিকিৰে ইংলেণ্ড চাইছিলো। আকৌ দেখিবলৈ পাওঁ বা নাপাওঁ! চকুত আধাৰাতিৰ টোপনি গোট খাই আছিল। আনহাতে জাহাজখনৰ ভিতৰখন চাবলৈও বৰ মন গৈছিল। জীৱনত প্ৰথম সাগৰত চলা জাহাজত উঠিছোঁ। কিন্তু এসময়ত মন কৰিলো,— নতুন ৰুমমেটজনৰ লগত কথা পাতি থাকোঁতেই বহু সময় পাৰ হৈ গ'ল। অসীন বাবুৱে কেমব্ৰিজ বিশ্ববিদ্যালয়ত গৱেষণা কৰি ডক্টৰেট

ডিগ্ৰি লৈ আহিছে। তেওঁৰ বিষয় হ'ল বুৰঞ্জী। তেওঁ মোৰ সমবয়সী; প্ৰেছিডেন্সি কলেজতে পঢ়িছিল; কিন্তু তেতিয়া আমাৰ দেখা-সাক্ষাৎ হোৱা নাছিল। তেওঁৰ গৱেষণাৰ বিষয়টো আছিল ভাৰতৰ পশ্চিম উপকূলত অষ্টাদশ শতিকাত দেশী-বিদেশী ব্যৱসায়ীসকলৰ ক্ৰিয়া-কলাপ, সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিত তেওঁলোকৰ ভূমিকা ইত্যাদি। তাৰ বাবে তেওঁ মালাবাৰ উপকূলত সেইছোৱা সময়ত ব্যৱসায় কৰিবলৈ অহা ইউৰোপীয় কোম্পানিবিলাকৰ বিষয়ে কষ্টসাধ্য, গভীৰ অধ্যয়ন কৰিছিল, আৰু সেই কোম্পানিবিলাকৰ লগত জড়িত থকা ঠাইবোৰত ভ্ৰমণ কৰিছিল। তেওঁৰ কামৰ পদ্ধতিটোৰ বৰ্ণনা শুনি মই মুগ্ধ হৈছিলো, আৰু সেই প্ৰথম ৰাতিৰ কথা-বতৰাৰ পৰাই তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধা জন্মিছিল। ভদ্ৰ, অমায়িক, মৃদুভাষী মানুহ এজনক সেই সমুদ্ৰভ্ৰমণৰ ৰুমমে'ট হিচাপে পাই সেই প্ৰথম ৰাতিয়েই স্বস্তি অনুভৱ কৰিছিলো।

কথা পাতি-পাতি দুয়ো একেলগে ডাইনিং হল পাইছিলোগৈ। সুসজ্জিত, সুদৃশ্য, আহল-বহল ডাইনিং হলটো মৃদু গুঞ্জন আৰু কাটা-চামুচ-ছুৰীৰ ক্ষীণ ঠুং-ঠাং শব্দৰে ভৰি আছিল। এংকৰ লাইনৰ নাম, সেইদিনাৰ তাৰিখ আৰু সাগৰৰ পাৰৰ ধুনীয়া ছবি ছপা কৰা খাদ্য-তালিকাখন দেখি ধাৰণা কৰিব পাৰিলো,— এইখনক ফাৰ্ষ্ট ক্লাছ জাহাজ বুলি কিয় কয়। কিছুমান নামে কি খাদ্য সূচায় ধৰিবই নোৱাৰিলো; যিবোৰ মোটামুটিভাৱে ধৰিব পাৰিলো, সেইবোৰৰ মাজৰে কি খাওঁ কি নাখাওঁ ঠিক কৰোঁতেই বহু পৰ লাগিল। ইংলেণ্ড, ইটালি, ফ্ৰান্সৰ জনপ্ৰিয় আমিষ খাদ্যৰ পৰা ডেক্কান কাৰি, বেংগল দাল, হিন্দুস্তান-ভাত, পুৰি-ৰঙালাও ভাজি, পাপৰলৈকে; বিভিন্ন ফলৰ ৰসৰ পৰা নানা ধৰণৰ পনিৰলৈকে;— ঢেৰ বস্তু। যি মন যায় খাব লাগে। ব্ৰে'কফাষ্ট, লাঞ্চ, ডিনাৰ,— সকলোতে একে ব্যৱস্থা বুলি খাদ্য-তালিকাৰ পৰাই গম পালো। বুজিলো,— এই ভ্ৰমণত অন্য ব্যৱস্থাবোৰ যেনেকুৱাই নহওক, খাদ্য-ব্যৱস্থাটো অন্ততঃ প্ৰায় ৰাজকীয়।

কোঠালিলৈ উভতি অহাৰ পাছত অসীম বাবুৰ লগত বেছি কথা পাতিবলৈ নহ'ল। তেওঁৰো শাৰীৰিক অৱস্থা প্ৰায় মোৰ দৰেই। দুয়ো দুয়োকে গুডনাইট জনাই শুই থাকিলো।

# সাত

ৰাতিপুৱা যেতিয়া চকু মেল খালে, তেতিয়া গোল খিৰিকিখনেদি উজ্জ্বল পোহৰ সোমাই আহিছে। অসীন বাবুৰ টোপনি ভগা নাই। বিছনাৰ পৰা উঠি খিৰিকিখনেদি বাহিৰলৈ চাই মই স্তব্ধ হৈ গ'লো। জীৱনত কেতিয়াও নেদেখা দৃশ্য। খিৰিকিৰ কাষৰ পৰা যিমান দূৰলৈকে দেখি সিমান দূৰলৈকে কেৱল পানী আৰু ঢৌ। পাৰৰ পৰা সাগৰ দুই-এঠাইত দেখিছোঁ, কিন্তু সাগৰৰ মাজৰ পৰা সাগৰ! অইন কোনো বস্তু দেখি ইমান পুলকিত আৰু অভিভূত হোৱাৰ কথা যেন মোৰ মনত নপৰে। লৰালৰিকৈ প্ৰাতঃক্ৰিয়া সমাপন কৰি, সাজ-পাৰ পিন্ধি ডেকলৈ ওলাই আহিলো। জাহাজখন যিমান দীঘল, প্ৰায় সিমান দীঘল এখন বহল বাৰাণ্ডা; বেৰত লগাই শাৰী-শাৰীকৈ পাৰি থোৱা ডেকচেয়াৰ; সাগৰৰ ফালে ৰে'লিং। তেতিয়া ডেকলৈ কোনো যাত্ৰী অহা নাই। ৰাতি আমাৰ টোপনি যোৱাৰ পাছত জাহাজে লিভাৰপুল বন্দৰ এৰিছিল। আমি গম পোৱা নাছিলো। এতিয়া জাহাজ সাগৰৰ মাজত । ৰেলিঙত ধৰি অবাক দৃষ্টিৰে চাই ৰলো। তেতিয়া আমি আইৰিছ উপসাগৰতেই আছোঁ নে আটলাণ্টিক মহাসাগৰতেই সোমালো ক'ব নোৱাৰোঁ, কিন্তু সমুখত যি দেখিছিলো তাক দিবলৈ মই তেতিয়া মহান আৰু উদাৰ— এই দুটা নামহে বিচাৰি পাইছিলো। সেই সময়ত মোৰ এনেকুৱা লাগিছিল যেন ৰেলঙিত ভৰ দি গোটেই জীৱন সেই মহানতা আৰু উদাৰতাৰে মুখামুখি হৈ থাকিম।

কিছু সময়ৰ পাছতে জাহাজৰ ভিতৰখনে যেন প্ৰাণ পালে। বিভিন্ন সাজ-পাৰেৰে বাৰে-বৰণীয়া যাত্ৰীসকল ডেকলৈ ওলাই আহিল। অসীন বাবুক লগত লৈ ব্ৰে'কফাষ্ট খাবলৈ গৈ দেখোঁ,— যোৱা নিশা টোপনিৰ ভৰত তলমূৰ কৰি গুণগুণাই থকা ডাইনিং হলটোৱে যেন মূৰ তুলি চাই হাঁহিছে। সাগৰৰ ঢৌ চুই অহা পোহৰ আৰু বতাহে যেন সকলো যাত্ৰীকে স্পৰ্শ কৰি উৎফুল্ল কৰি তুলিছে। যেয়ে যাকে দেখিছে তাকে হাঁহি মুখেৰে সম্ভাষণ জনাইছে,— গুড মৰ্নিং।

সঁচাকৈয়ে জাহাজখনৰ বুকুত সেই ৰাতিপুৱা এখন নতুন পৃথিৱীৰ জন্ম হ'ল। পাৰাপাৰহীন সাগৰৰ বুকুত ওপঙি গৈ থকা এখন ক্ষুদ্ৰ কিন্তু বিচিত্ৰ পৃথিৱী। সেইখন পৃথিৱীত মই ২২ দিন বাস কৰিছিলো। আমোদজনক যোগাযোগ;— ২২ দিন। লণ্ডনত গৱেষণাৰ কাম শেষ কৰোঁতে ২ বছৰ ২ মাহ ২২ দিন লাগিছিল;— এতিয়া বোম্বাইত

নমালৈকে জাহাজত ২২ দিন। মোৰ জীৱনৰ আটাইতকৈ নিৰুদ্বেগ আনন্দ আৰু সুখৰ দিনৰ কথা সুধিলে মই বোধকৰোঁ সেই ২২ টা দিনৰ কথাকে কম। তাৰ প্ৰথম কাৰণ,— যি কাম কৰিবলৈ বিদেশলৈ গৈছিলো, সেই কাম শেষ কৰি নিৰ্বিঘ্নে ঘৰলৈ উভতিছোঁ। দ্বিতীয় কাৰণ,— সাগৰৰ সান্নিধ্য। তৃতীয় কাৰণ,— দৈনন্দিন বৈষয়িক সুখ।— দিনৰ পাছত দিন তুমি নিশ্চিন্তে উৎকৃষ্ট খাদ্য খোৱা আৰু আনন্দ কৰা! চতুৰ্থ কাৰণ, — এটা উটি গৈ থকা দ্বীপত বাস কৰা এজাক মানুহৰ বিচিত্ৰ লীলা-খেলা উপভোগ কৰা!

বৃটিছ চৰকাৰৰ ডেপুটি হাই-কমিছনাৰ হ'বলৈ অষ্ট্ৰেলিয়ালৈ যাব এজন ওখ-পাখ, স্বাস্থ্যবান, আদ-বয়সীয়া মানুহ;— তেওঁ হাফপেণ্ট আৰু স্পৰ্টিং ছাৰ্ট পিন্ধি সদায় ৰাতিপুৱা জাহাজখনৰ বাৰাণ্ডাইদি দহ পাক ঘূৰে আৰু তাৰ পাছত ডেক-চেয়াৰ এখনত হাত-ভৰি মেলি বহি ওচৰত যাকে পায় তাকে ৰসাল গল্প কয়। কৰাচীলৈ উভতি অহা লণ্ডনৰ পাকিস্তানী-দূতাবাসৰ উচ্চস্থানীয় এজনৰ পত্নী আৰু গাভৰু জীয়েকে বাহিৰত থকা সময়খিনি বোৰখা পিন্ধি থাকে, কিন্তু বেছিভাগ সময় মুখখন উলিয়ায়েই ৰাখে। বিষয়াজনে একেবাৰে ওপৰৰ ডেকলৈ উঠি গৈ নিয়মীয়াকৈ নামাজ পঢ়ে। সেইটো ডেকত ছুইমিং পুল আৰু কেপ্টেইনৰ কোঠালিৰ বাহিৰে বিশেষ একো নাই। নিজপ্ৰাল। ৰাঁচীৰ কাজল নামৰ ছোৱালীজনীয়ে লাইব্ৰেৰি ছায়ন্স পঢ়ি উভতি আহিছে। সকলোৰে লগত মুকলিমনেৰে হাঁহি-মাতি তেওঁ বালিমাহী চৰাইৰ নিচিনাকৈ ঘূৰি ফুৰে। জাহাজখনত দ্বিতীয়জন অসমীয়া আছিল ড. লিখন চন্দ্ৰ কাকতি। তেওঁ ব'টেনি বিষয়ৰ ডক্টৰেট ডিগ্ৰি লৈ ঘৰলৈ উভতিছিল। আমি মাজে-মাজে কথা পাতিছিলো; কিন্তু ড. কাকতিয়ে বেছিভাগ সময় ডিগবৈত চাকৰি কৰিবলৈ অহা ইংৰাজ ডেকা এজনৰ লগত নিৰলে বহি সময় কটাইছিল। পয়ত্ৰিছ বছৰমান বয়স হোৱা যেন লগা এজন মানুহক জাহাজখনৰ এটা চুকৰ ৰেলিঙত ভৰ দি দূৰলৈ চাই থকা প্ৰায়েই দেখা পাইছিলো। এদিন সন্ধিয়া গুড ইভিনিং বুলি তেওঁৰ ওচৰ চাপিলো। — মই অমুক; ভাৰতৰ; অসমৰ। আপুনি?

তেওঁ নামটো ক'লে। পাকিস্তানৰ। লাহোৰৰ পৰা ত্ৰিছ মাইলমান আঁতৰৰ এখন গাঁৱত তেওঁৰ ঘৰ। একেবাৰে নিজৰ বুলিবলৈ ঘৰত তেওঁৰ মাকৰ বাহিৰে কোনো নাই। মাকৰ কাৰণেই তেওঁ চাৰি বছৰৰ মূৰত ঘৰলৈ উভতি আহিছে। আচলতে তেওঁ সেইখন দেশলৈ যাবই নালাগিছিল। ভুল হৈ গ'ল।

মানুহজনৰ মাতটো ভাগৰুৱা যেন লাগিল। সাগৰৰ পানীত পোহৰৰ জিলমিলনি নাইকিয়া হৈছিল। যাত্ৰীসকলৰ কোলাহলে আমাক আমনি কৰিব পৰা নাছিল। হঠাতে মোৰ ধাৰণা হ'ল,— চিনাকিৰ প্ৰথম দিন হ'লেও মানুহজনে মনৰ ভিতৰৰ কথা কওঁ-কওঁ কৰিছে। মই পুৰণি ঘনিষ্ঠ বন্ধুৰ সুৰেৰে সুধিলো,— "কিয়? কিয় ভুল বুলি ক'লে?"

মানুহজনৰ কণ্ঠৰ বাধা আঁতৰি গ'ল। দূৰলৈ চাই-চাই, নিজকে কোৱাৰ নিচিনাকৈ তেওঁ এটা কাহিনী কৈ গ'ল। লাহোৰত থকা বন্ধু-বান্ধৱ কিছুমানে তেওঁক প্ৰায়েই বুজাইছিল,— ইয়াত,— মানে পাকিস্তানত,— এনেকৈ গেবাৰি খাটি থাকিলে একো নহ'ব। ইংলেণ্ডলৈ ব'লা। অমুক অমুক অমুক ইয়াত কি আছিল? এতিয়া কি হ'ল দেখিছানে নাই? বিধবা মাকৰ সাঁচতীয়া পইচাখিনি লৈ মানুহজন এদিন ইংলেণ্ডমুখী জাহাজত উঠিল। মাকক কৈ গ'ল,— এবছৰৰ পাছতে তোকো লৈ যামহি। ইংলেণ্ডৰ গ্লাছগো নগৰত বন্ধু-বান্ধৱৰ আশ্ৰয়ত কিছুদিন কটাই এদিন তেওঁ বনুৱাৰ কাম কৰিবলৈ ল'লে, আৰু শেষত এটা চকলেট কাৰখানাত চাকৰি এটা পালে। তেওঁৰ কাম হ'ল— চকলেটবিলাক যে কাগজ এখনেৰে মেৰিউৱা থাকে, সেই কাগজখন মেৰিউৱা। তেওঁৰ দিন ভালে-ভালে যাবলৈ ধৰিলে। এদিন যেতিয়া একে কাম কৰা ছোৱালী এজনীৰ লগত তেওঁৰ প্ৰেমৰ সূত্ৰপাত হ'ল, তেতিয়া তেওঁ ভাবিলে— তেওঁৰ দিন আৰু ভাললৈ আহিল। ইংলেণ্ড ৰঙীন হৈ আহিল। পাছলৈ তেওঁ ৰঙৰ বাহিৰে ইংলেণ্ডত আৰু একো নেদেখা হৈ গ'ল। কিন্তু ছোৱালীজনী কেনেকুৱা মানুহ আছিল, সেইটো তেওঁ ঘুণাক্ষৰেও ধৰিব পৰা নাছিল।

অলপ পৰ বৈ মানুহজনে ক'লে— এদিন তেওঁ সৰ্বস্বান্ত হ'ল। আকৌ অলপ পৰ মনে-মনে থাকি, দূৰলৈ চাই তেওঁ ক'লে,— I played a game. But it was a very expensive game.

মই বুজিলো,— মানুহজনে পাছৰ কথাখিনি চমুৱালে। মই একো নুসুধিলো। যিখিনি ক'লে তাৰ পৰাই বহুত বুজিলো।

শেষত মানুহজনে ক'লে,— পৃথিৱীত যে মাকৰ বাহিৰে প্ৰকৃত আপোন মানুহ আৰু কোনো নাই, সেই কথাটো উপলব্ধি কৰি তেওঁ এতিয়া মাকৰ ওচৰলৈ উভতি আহিছে। কিন্তু তেওঁৰ চিন্তাও হৈছে। কাৰণ এতিয়া তেওঁৰ হাতো খালী, মাকৰ হাতো খালী।— "কি যে কৰিমগৈ!"

গোটেই জাহাজখনক নিস্তব্ধতাই আৱৰি ধৰা যেন লাগিল। ৰাতিৰ সাগৰখনো নিস্তৰংগ, শান্ত যেন লাগিল।

সেইদিনাৰ পৰা মানুহজনক দেখিলেই মই অস্বাভাবিক আনন্দৰে সম্ভাষণ জনাইছিলো আৰু বেছিখিনি সময় ফূৰ্তি লগা কথা কৈছিলো। তেওঁৰ পূৰ্বপ্ৰসংগৰ আঁত ধৰি যিখিনি গহীন ধৰণৰ কথা কৈছিলো, সেইখিনিৰ সাৰাংশ আছিল ঃ চিন্তা নকৰিবা। ফৰিংটোৰ কাৰণেও কচুপাত এটা থাকে। তুমি কৰ্মক্ষম, ঠেকা খোৱা ডেকা মানুহ; তোমাৰ কাৰণে এখন ডাঙৰ পৃথিৱী আছে।

আইলিন মেন নামৰ ছোৱালী এজনী আহিছিল উত্তৰ ইংলেণ্ডৰ কোনোবা এখন নগৰৰ পৰা। লাইব্ৰেৰি ছায়ন্স অধ্যয়ন কৰাৰ সূত্ৰত বাঁচীৰ কাজলৰ লগত তেওঁৰ আগৰে

পৰিচয় আছিল। বন্দোপাধ্যায় উপাধিৰ ডেকা এজনৰ লগত পঢ়ি থকা অৱস্থাতে তেওঁৰ মনৰ মিল হৈছিল। বন্দোপাধ্যায়ে ইঞ্জিনিয়াৰিঙৰ কিবা ডিগ্ৰি লৈ এবছৰৰ আগতে ভাৰতলৈ উভতি আহিছিল আৰু ভূপালত চাকৰি লৈছিল। তেতিয়া সুবিধা হোৱা নাছিল, কিন্তু এতিয়া হৈছে কাৰণে আইলিন ভূপাললৈ আহিছে বন্দোপাধ্যায়ৰ লগত ঘৰ-সংসাৰ কৰিবলৈ। গোল মুখৰ, চছমা পিন্ধা, অলপ শকত, শান্ত-শিষ্ট এই ছোৱালীজনীৰ ভাৰতীয় ডেকা এজনৰ প্ৰতি মৰম-শ্ৰদ্ধাৰ তীব্ৰতা দেখি মই অভিভূত হৈছিলো। মই যদি কাৰোবাৰ লগত তেওঁক চিনাকি কৰি দিওঁতে কওঁ,— এওঁ এতিয়া আইলিন মেন; কিন্তু ভাৰত পোৱাৰ পাছত আইলিন বানাৰ্জী হ'ব,— তেওঁ লগে-লগে শুধৰাই দিয়ে,— বানাৰ্জী নহয়, বন্দোপাধ্যায়। ইমান টান শব্দটো ছোৱালীজনীয়ে বৰ শুদ্ধকৈ, কোমলকৈ উচ্চাৰণ কৰিছিল।

ভাৰত চৰকাৰৰ এয়াৰ ফ'ৰ্চৰ বিষয়া প্ৰামাণিক আছিল লণ্ডনৰ ভাৰতীয় দূতাবাসৰ 'এটাচি'। তাত কৰ্মকাল শেষ হোৱাৰ পাছত এতিয়া তেওঁ সপৰিয়ালে ভাৰতলৈ উভতি আহিছে। তেওঁলোকৰ ল'ৰা-ছোৱালীহাল ভদ্ৰ সমাজৰ ভাষাত 'ভেৰি স্মাৰ্ট', অৰ্থাৎ বৰ উৎপতীয়া আছিল। এসপ্তাহমান ওপঙি থকাৰ পাছতে জাহাজখনত সিহঁতৰ অচিনাকি মানুহ নোহোৱাৰ নিচিনাই হৈছিল। সিহঁতৰ গালৈ দেউতাকৰ গুণ বেছি আহিছিল যেন অনুমান হৈছিল। চুটি-চাপৰ, গাঠলু মিষ্টাৰ প্ৰামাণিক প্ৰাণশক্তিৰে ভৰপূৰ, বৰ উৎসাহী মানুহ আছিল। অনবৰত কি কৰোঁ-কি কৰোঁকৈ থাকে। সাদিনমানৰ ভিতৰতে জাহাজখনত আমাৰ কেইজনমানৰ গোষ্ঠী এটাই গঢ় লৈ উঠিছিল, আৰু প্ৰামাণিক আপোনা-আপুনি সেই গোষ্ঠীটোৰ মুখপাত্ৰ বা নেতা হৈ উঠিছিল। শ্ৰীমতী প্ৰামাণিক কিন্তু ধীৰ-স্থিৰ, অল্পভাষী মহিলা আছিল। সেন্দূৰীয়া বগা ৰঙৰ, ক্ষীণ, সুন্দৰী তিৰোতাগৰাকী বেছিভাগ সময় ডেকৰ আচুতীয়া ঠাইত অকলে বহি থাকিছিল। মাজে-মাজে মোৰ ৰুমমেট অসীন বাবু তেওঁৰ ওচৰত বহিছিলগৈ আৰু দুয়ো সুদীৰ্ঘ কথোপকথনত মগ্ন হৈছিল।

অষ্ট্ৰেলিয়াগামী যাত্ৰীসকলৰ সৰহভাগেই শ্বেতকায় আছিল। ছুইমিং পুল, মদৰ দোকান আৰু নাচৰ কোঠালিত ভিৰ কৰাত তেওঁলোক আগৰণুৱা আছিল।

এদিন আচম্বিতে আটাইকেইমহলাৰ ডেক, ছুইমিং পুল, মদৰ দোকান ইত্যাদি জনশূন্য হৈ পৰিল। ৰাতিয়েই কেপ্টেইনে জাননী দিছিল,— সাৱধান, ধুমুহা আহিব। ৰাতিপুৱা বিছনাতে গম পালো,— জাহাজে টলং-ভটং কৰিছে। যথা সময়ত অ'ত ধৰি ত'ত ধৰি ডাইনিং হললৈ গ'লো। গৈ দেখোঁ,— তাত ফলৰ ৰসৰ নিচিনা জুলীয়া বস্তুৰ পৰিবেশন বন্ধ কৰা হৈছে। মাত্ৰ কেইবিধমান গোটা খাদ্যৰ যোগান ধৰা হৈছে। চাহ, কফি আদি আধাকাপতকৈও কমকৈ দিয়া হৈছে,— যাতে হোলোকনি খাই নপৰে। দুপৰীয়ালৈ সাগৰত ঢৌৰ উচ্চতা বেছি হ'ল। ডাইনিং হলৰ টেবুল-ক্লথবোৰ তিয়াই মেজত পাৰি

দিয়া হ'ল। খাদ্য-তালিকা অদৃশ্য হ'ল। মাত্র দুবিধ খাদ্য পৰিবেশন কৰা হ'ল। ইতিমধ্যে আমাৰ খাদ্যৰ প্ৰতি আগ্ৰহো কমি গৈছিল। ৰাতি অইন কোনে কি কৰিলে ক'ব নোৱাৰোঁ, মই আৰু অসীন বাবু কেবিনৰ পৰা নোলালোৱেই। পাছদিনা অৱস্থা আৰু বেয়া হ'ল। জাহাজখন এবাৰ এফলীয়া হৈ যায়, প্ৰচণ্ড ঢৌৰ ছিটিকনি ডেকলৈকে আহে, তাৰ পাছত সিটো ফাল পানীৰ ফালে নামি যায়। ইমানেই নামি যায় যে সেইফালে জাহাজখন ডুবিয়েই যাব যেন লাগে। ডাইনিং হলৰ চকী-মেজবোৰ চাৰিভাগমান কৰি প্ৰতিটো ভাগ একোডাল শকত ৰছীৰে সাঙুৰি বান্ধি থোৱা হ'ল। জাহাজখন এইফালে কাতি হ'লে কাঠৰ মজিয়াত পিছলি গৈ সেইবোৰে এইফালৰ বেৰত খুন্দা মাৰেহি; সিফালে কাতি হ'লে সিফালৰ বেৰত খুন্দা মাৰেগৈ।

আমাৰ প্ৰায় সকলোৰে এক ধৰণৰ সমুদ্ৰ-পীড়া (Sea-sickness) আৰম্ভ হ'ল। খাবলৈ মন নাযায়, বমি-বমি লাগে, মূৰটো ঘূৰোৱা যেন লাগে। মাজে-মাজে জাহাজখন ডুবি যোৱাৰ আশংকায়ো মনক বেৰি ধৰিলে। ইমান উত্তাল সমুদ্ৰত, ইমানকৈ টলং-ভটং কৰা জাহাজখন কিয় যে ডুবি যোৱা নাই, মাজে-মাজে সেইটোহে বিস্ময়জনক কথা যেন লাগিল।

পাছদিনা ৰাতিপুৱা যেতিয়া বাহিৰলৈ ওলালো, তেতিয়া সাগৰখন ক্লান্ত আৰু শান্ত। মৃদু বতাহৰ লগত খেলি থকা পাৰাপাৰহীন বিলৰ নিচিনা হৈ পৰিছে। এইখন যেন কালিৰ সাগৰখন নহয়েই! পাছত জানিলো আচলতে নহয়ো। আমি আটলাণ্টিক মহাসাগৰ এৰি, জিব্ৰাল্টৰ প্ৰণালীয়েদি ভূমধ্য সাগৰ সোমালোহি। ভূমধ্য সাগৰৰ জলৰাশি শান্ত বুলি এটা সদনাম আছে।

অনতিপলমে যাত্ৰীসকলে কেবিন এৰি নিজৰ-নিজৰ ঠাই আৰু কামলৈ উভতি আহিল। ভূমধ্য সাগৰৰ নাম শুনিয়েই যেন সকলোৱে নতুন উদ্যমেৰে যাত্ৰাৰ এটা নতুন অধ্যায় আৰম্ভ কৰিলে। এদিন সন্ধিয়া সেই হাফপেণ্ট পিন্ধি মৰ্নিংৱাক কৰা চাহাবে মোক সুধিলে, "টেবল-টেনিছ খেলিবা?"

মোৰ পৰা তিনিফুটমান দূৰতে থিয় হৈ থকা চাহাবৰ অৱয়ব দেখি মই চিন্তাতেই পৰিলো। কিন্তু নিমিষতে সেই চিন্তাক হেঁচা মাৰি ধৰি পাতল সুৰেৰে ক'লো, "এ— তোমাৰ লগত কিটো খেলিম?"

"কি? কি ক'লা তুমি? কিয় তেনেকৈ ক'লা?"

"তুমি অইনৰ লগত খেলা দেখিছোঁ নহয়। সেইকাৰণে ক'লো।"

"বেট মাৰিবা?"

মই একো ক'বলৈকে নাপালো; ওচৰতে থকা আমাৰ গোষ্ঠীটোৰ চাৰিজনমানে একেলগে চিঞৰিলে, "ঠিক। বেট।"

বন্দবস্ত হ'ল, যেয়ে জিকে তাকে আমাৰ গোষ্ঠীটোৰ উক্ত সদস্যসকলে আৰ. এম. এছ. কেলিডনিয়াৰ বাৰত পোৱা সৰ্বোৎকৃষ্ট বিয়েৰ এগিলাছ খুৱাব।

খেল আৰম্ভ হ'ল। আচলতে মই এই চাহাবৰ খেলা আগতে দেখা নাছিলো। এতিয়া দেখিলো,— মই যি টুক-টাক, তেৰোঁ সেই টুক-টাক। পিছে সেই কটন কলেজৰ ছেকেণ্ড ব্লকৰ টুক-টাক পদ্ধতিৰে, কিন্তু পৰম বিক্ৰমেৰে খেলি-খেলিয়েই এসময়ত মই একৈছ পইণ্ট পাই গ'লো। তাৰে পাঁচটামান পইণ্ট পালো মোৰ সমৰ্থকসকলৰ চিঞৰৰ জোৰত। চাহাবৰ ষোল। বিপুল হৰ্ষধ্বনিৰে মোৰ সমৰ্থকসকলে বাৰলৈ গৈ মোৰ বিয়েৰৰ বন্দবস্ত কৰিলে। অলপ পাছত হাফপেণ্ট পিন্ধা শ্বেতকায় সদস্য এজনে এফুটমান দীঘল, চুঙাৰ নিচিনা গিলাছ এটাত এগিলাছ পানীয় মোৰ হাতত তুলি দিলে।

কিছু সময়ৰ পাছত গম পালো, সমৰ্থকসকলে মোক প্ৰবঞ্চনা কৰিলে। বিয়েৰৰ লগত অন্য কিবাকিবি মিহলাই তেওঁলোকে মোৰ কাৰণে এক বিশেষ পানীয় প্ৰস্তুত কৰিছিল। সেইযে অৰবিন্দ কুণ্ডুৰ ঘৰত ঘটিছিল, তেনেকুৱা এটা ঘটনা দ্বিতীয়বাৰৰ কাৰণে আকৌ ঘটিল। লাহে-লাহে মোৰ মূৰটো পাতল-পাতল লাগিবলৈ ধৰিলে, আৰু চকু মুদ খাই-খাই আহিল। এইখন জাহাজত অসময়ত নিজৰ কেবিনলৈ সাধাৰণতে কোনো নাযায়; সেইকাৰণে মই ছুইমিং পুল থকা ডেকলৈ উঠি গ'লোগৈ আৰু তাৰে বেঞ্চ এখনত শুই থাকিলো। উঠি যাওঁতে এনেকৈ গ'লো,— যেন জাহাজখনে আকৌ ধুমুহাত টলং ভটং কৰিছে। নিশা এঘাৰমান বজাত সমৰ্থকসকলৰ দুজনে মোক জগুৱাই দিলেহি।

মিষ্টাৰ প্ৰামাণিকে ডাঙৰ কিবা এটা কৰোঁ-কৰোঁ কৰি আছিলেই;— হঠাতে তেওঁ এটা সুবিধা পাই গ'ল। ২৬ জানুৱাৰি; ভাৰতৰ গণতন্ত্ৰ দিৱস সমাগত। সেই উপলক্ষে জাহাজত এটা অনুষ্ঠানৰ আয়োজন কৰিব লাগে। ভাৰতীয়সকলৰ যাকে প্ৰামাণিকে কথাটো সুধিলে, সেয়ে মহা উচ্ছ্বাসেৰে হয়ভৰ দিলে— লাগে লাগে, কিবা এটা পাতিব লাগে। ইতিমধ্যে জাহাজখনৰ ভাৰতীয়সকলৰ মাজত আমাৰ গোষ্ঠীটোৰ অখণ্ড প্ৰতাপ প্ৰতিষ্ঠিত হৈছিল। গতিকে গণতন্ত্ৰ দিৱস অনুষ্ঠানৰ কাৰ্যসূচী এই গোষ্ঠীটোৱেই ঠিক কৰিলে। হলঘৰটোত অনুষ্ঠান পতা হ'ব। যেয়ে যি গায় গাব, যি নাচে নাচিব; কিন্তু অনুষ্ঠানৰ ঘাই আকৰ্ষণ হ'ব— ভাৰতীয় নাৰীৰ বিভিন্ন ধৰণৰ সাজ-পাৰৰ প্ৰদৰ্শন। প্ৰদৰ্শন মানে,— জাহাজত থকা মহিলাসকলৰ মাজৰ ইচ্ছুকসকলে বিভিন্ন ভাৰতীয় সাজ পিন্ধি দৰ্শকৰ সমুখত উপস্থিত হ'ব লাগিব। সকলোৱে একমুখে এই কাৰ্যসূচীৰ প্ৰতি সমৰ্থন জনালো। ঠিক হ'ল,— ২৬ জানুৱাৰিৰ সন্ধিয়া ছয় বজাৰ পৰা অনুষ্ঠান আৰম্ভ হ'ব।

পাছদিনা পুৱাৰ পৰাই প্ৰামাণিক প্ৰমুখ্যে উদ্যোগীসকলে জাতি-বৰ্ণ-নিৰ্বিশেষে যাত্ৰীসকলৰ মাজত প্ৰতিভা সন্ধান কৰাৰ কামত লাগি গ'ল। মই কাজলক সুধিলো,— তুমি অসমীয়া তিৰোতাই পিন্ধা সাজ পিন্ধি ওলাবা নে? তেওঁ মহা উৎসাহেৰে ক'লে, ওলামতো!

সন্ধিয়া প্ৰামাণিকে ঘোষণা কৰিলে,— আইটেমৰ অভাৱ নাই। লগত মিউজিক নাথাকিব পাৰে, তথাপি মুখৰ শব্দ আৰু হাত-চাপৰিৰ লগতে ভৰতনাট্যম নচা ছোৱালীও ওলাইছে। মহিলাসকলৰ সাজ-পাৰৰ প্ৰদৰ্শনী যে অতি সুন্দৰ হ'ব, তাত কোনো সন্দেহেই নাই।

আয়োজক সকলোৰে উৎসাহ-উদ্দীপনা তুংগত উঠিছে, এনেতে এটা দুঃসংবাদ আহিল। সেই যে কেপ্টেইনৰ কোঠালিৰ কাষত নিয়মীয়াকৈ নামাজ পঢ়ে পাকিস্তানী দূতাবাসৰ বিষয়াজন, তেওঁৰ নেতৃত্বত কেইজনমানে বোলে জাহাজৰ কেপ্টেইনৰ ওচৰত আপত্তি কৰিছে,— এইখন জাহাজত নানা দেশৰ মানুহ আছে; সকলো মানুহৰে ইয়াত সমান অধিকাৰ আছে; ইয়াত কেৱল এখন দেশৰ ৰাজনৈতিক অনুষ্ঠান পাতিবলৈ দিব নালাগে।

গম্ভীৰ মুখেৰে কেপ্টেইন প্ৰামাণিক প্ৰমুখ্যে উদ্যোক্তাসকলৰ সমুখত উপস্থিত হ'লহি। তেওঁৰ কথাৰ পৰা যি বুজা গ'ল,— ভাৰতৰ গণতন্ত্ৰ দিৱস পাতিবলৈ দিলে জাহাজত এক ৰাজনৈতিক অশান্তিৰ সৃষ্টি হ'ব পাৰে। এইটো জাহাজ কোম্পানিটোৰ কাৰণে বদনামৰ কথা হ'ব আৰু সেই বদনামৰ বাবে দায়ী হ'ব কেপ্টেইন নিজে। গতিকে আমি কাৰ্যসূচী পৰিত্যাগ কৰাই ভাল।

লাগিল হৈ-চৈ। আমাৰ কথা হ'ল,— জাহাজত যদি তোমালোকৰ কিবা পাতিবলগীয়া আছে, তোমালোকেও পাতা। আমি বাধা নিদিওঁ। কিন্তু আমাকো বাধা নিদিবা। জাহাজখনত সংখ্যাত আমি ভাৰতীয়সকলেই গৰিষ্ঠ। আমাক যদি গণতন্ত্ৰ দিৱস পাতিবলৈ দিয়া নহয়, তেনেহ'লে সেইটোও কোম্পানিটোৰ কাৰণে সৰু কথা হৈ নাথাকিব। আমাক ভাৰত চৰকাৰলৈ বেতাঁৰ-বাৰ্তা পঠিয়াবলৈ সুবিধা কৰি দিয়ক; এতিয়াই আমি বাৰ্তা পঠাওঁ।

কেপ্টেইনে কাৰ লগত কি আলোচনা কৰিলে ক'ব নোৱাৰোঁ; পাছদিনা তেওঁ আমাক খবৰ দিলে,— আপোনালোকে অনুষ্ঠান পাতিব পাৰে।

এই যে গণ্ডগোলটো লাগিল, তাৰ ফলত অনুষ্ঠানৰ কাৰ্যসূচীৰ প্ৰসাৰ ঘটিল। শ্বেতকায় যাত্ৰীসকলৰ এচামে ক'লে,— তোমালোকে সাজ-পাৰৰ প্ৰদৰ্শনী পাতিবাই যেতিয়া, আমিও তাৰ পাছতে মহিলাসকলৰ সৌন্দৰ্য প্ৰতিযোগিতা পাতিম। ইচ্ছা কৰিলে তোমালোকৰ মহিলাসকলেও সেই প্ৰতিযোগিতাত যোগ দিব পাৰিব।

গতিকে কাগুটো ডাঙৰেই হ'ল। ২৬ জানুৱাৰিৰ আবেলিৰে পৰা গোটেই জাহাজখনেই উৎসৱমুখৰ হৈ পৰিল। মোৰ পৰামৰ্শ অনুসৰি কাজলে কেৰালা, পঞ্জাব, ৰাজস্থান আদি কেইবাখনো ৰাজ্যৰ মানুহৰ পৰা কাপোৰ যোগাৰ কৰিলে অসমীয়া তিৰোতাৰ সাজ সৃষ্টি কৰিবলৈ। মই কাগজ এখনত ছবি আঁকি বুজালো,— এনেকৈ-এনেকৈ পিন্ধিবা। বেজি-সূতা, ছেফটি পিন এসোপাৰে আইলিনে তেওঁক সজাই-পৰাই মোৰ আগলৈ আনি সুধিলে,— হৈছে নে? মই ক'লো— হৈছে। বৰ বঢ়িয়া হৈছে। কাজলে যে ইমান আগ্ৰহেৰে মোৰ কথাটো ৰাখিলে তাৰ বাবে তেওঁৰ প্ৰতি মই কৃতজ্ঞ অনুভৱ কৰিলো।

মূল অনুষ্ঠানটোৰ নাচ, গান, বক্তৃতা সকলোতে এৰা গছেই বৰগছৰ ভূমিকা পালন কৰাটো পৰিস্ফুট হ'ল; কিন্তু সকলোৱে তাকে উপভোগ কৰিলে। অনুষ্ঠানৰ শেষত অষ্ট্ৰেলিয়াৰ নিজ ঘৰলৈ উভতি অহা ছোৱালী এজনীক আৰ. এম. এছ. কেলিডনিয়াৰ শ্ৰেষ্ঠ সুন্দৰী বুলি ঘোষণা কৰা হ'ল। পশ্চিমীয়া দেশৰ কইনাৰ নিচিনা সাজ পিন্ধা, ছোৱালীজনীক এজাক মানুহে মাজত লৈ বাৰাণ্ডাই-বাৰাণ্ডাই জাহাজখনৰ কেউফালে এপাক ঘূৰালে।

হুলস্থূল, চিঞৰ-বাখৰে আমুৱালে। ভাবিলো,— দুটামান দিন নিৰলে, লিখা-পঢ়া কৰি, বাহিৰখন চাই কটাওঁ। বাহিৰখনে নামুৱায়। বিশাল সাগৰৰ মাজত এই ক্ষুদ্ৰ জাহাজখন;— তালৈকো নো চৰাইবোৰ ক'ৰ পৰা আহে, কেনেকৈ আহে,— ভাবি বিস্মিত হওঁ। জাহাজৰ লগে-লগে সিহঁতে কিছু দূৰ উৰে, চিঞৰি-চিঞৰি মাতে, তাৰ পাছত এসময়ত নাইকিয়া হয়। দুদিনমানৰ পাছত আকৌ ওলায়হি। কোনো-কোনো যাত্ৰীয়ে ক'লে,— আকাশেদি যেনেকৈ চৰায়ে, পানীয়েদি তেনেকৈ ডলফিনে জাহাজৰ লগ লৈছে। জাহাজৰ পিছে-পিছে ঢেৰ ডলফিন আহি আছে। মাজে-মাজে সিহঁতে জঁপিয়ায়। এদিন বহু সময় ডলফিন চাবলৈ খাপ দিলো;— কিন্তু নেদেখিলো।

এই নিৰলে নিবৰ হৈ থকাৰ সময়খিনিতে এদিন এটা কথা শুনি স্তম্ভিত হৈ গ'লো। প্ৰামাণিকে মোক লগ ধৰি ক'লে,— আমাৰ গোষ্ঠীটোৰে এজন আদবয়সীয়া ভাৰতীয়ই কাজলৰ প্ৰতি অসৎ আচৰণ কৰিছে। অসৎ আচৰণ মানে? মানুহজনে ৰাতি দহমান বজাত কাজলৰ কেবিনৰ দুৱাৰত টক-টক কৰিছিল; কাজলে দুৱাৰ খুলি দিছিল; তেতিয়া মানুহজনে তেওঁৰ অসৎ অভিপ্ৰায় ব্যক্ত কৰিছিল, আৰু কাজলে কেপ্টেইনক ৰিপ'ৰ্ট দিব বুলি কওঁতে মানুহজন গুচি গৈছিল।— "ৰিপ'ৰ্ট দিলে নে কি?"— মই সুধিলো। — "নাই দিয়া। মই আগতে মানুহজনক এসেকা দিয়াৰ কথা ভাবিছোঁ।"—প্ৰামাণিকে ক'লে।

অলপ পাছত কাজলক লগ পাওঁতে ক'লো,— "কিয় এনে হ'বলৈ পালে জানা নে? তোমাৰ নিজৰ দোষত। তুমি যেনেকৈ জঁপিয়াই ফুৰা, চবৰে লগত যেনেকৈ বেলবেলাই থাকা,— সেইবোৰ দেখি মানুহে তোমাক পাতল বুলি ভাবে। তোমাৰ ফালে আগ বাঢ়িবলৈ প্ৰশ্ৰয় পায়।"

"মই যেনেকুৱা ছোৱালী, তেনেকৈ থাকিব নোৱাৰিম নে কি?"— ক্ষোভেৰে শব্দবোৰ উচ্চাৰণ কৰি কাজল অলপ সময় মনে-মনে থাকিল; তাৰ পাছত তেওঁ তলমূৰ কৰিলে। অলপ পাছত তেওঁ শাৰীৰ আগেৰে চকুপানী মচিলে।

জাহাজত দৈনন্দিন ব্যৱহাৰৰ কাৰণে আমাক যিবোৰ বস্তু লাগি থাকে, সেইবোৰ ভৰোৱা ছুটকে'ছৰ ওপৰত 'কেবিন' বুলি লিখা লেবেল মাৰিছিলো, আৰু বাকীবোৰ বস্তু ভৰোৱা ট্ৰাংক-ছুটকে'ছৰ ওপৰত হ'ল্ড (HOLD) বুলি লিখা লেবেল মাৰিছিলো। জাহাজৰ মানুহে কেবিনৰ বস্তু কেবিনে-কেবিনে দি গৈছিল আৰু হ'ল্ডৰ বস্তু হ'ল্ডত (গুদামঘৰত) থৈ দিছিল। কিন্তু হ'ল্ডত ভৰোৱা কিবা বস্তুওতো আমাক কেতিয়াবা লাগিব পাৰে! গতিকে জাহাজৰ এটা নিয়ম আছিল,— সপ্তাহৰ এটা নিৰ্দিষ্ট দিনত আমি হ'ল্ডলৈ গৈ, ট্ৰাংক-ছুটকে'ছ খুলি বস্তু উলিওৱা-সুমুউৱা কৰিব পাৰোঁ।

কাজলে চকুলো টোকাৰ দুদিনৰ পাছতে হ'ল্ডলৈ যোৱাৰ দিন এটা পৰিছিল। সেইদিনা মই হ'ল্ডলৈ গ'লো। বস্তু উলিওৱা-সুমুউৱা কৰিবলৈ নহয়, মোৰ ট্ৰাংক দুটা ক'ত আছে, কেনে অৱস্থাত আছে চাবলৈ। বিশেষকৈ টেইপ ৰেকৰ্ডাৰটো আৰু ৰেকৰ্ড চেঞ্জাৰটো কুশলে আছে নে নাই সেই বিষয়ে মোৰ চিন্তা হৈছিল। চিৰিয়েদি নামি গৈ-গৈ যেতিয়া হ'ল্ড থকা মজিয়াখন পালোগৈ, তেতিয়া মোৰ ধাৰণা হ'ল,— মই বোধকৰোঁ সমুদ্ৰপৃষ্ঠৰ পৰা ভালেমান তললৈ নামিলো। সেইখন মজিয়াৰ পৰা জাহাজৰ মূল ইঞ্জিনটো দেখি থাকি। কৰ্মী এজনক অনুৰোধ কৰিলো— ইঞ্জিনটোৰ কাণ্ড-কাৰখানাবোৰৰ আভাস এটা দিবলৈ। তেওঁ অনুৰোধটো ৰাখিলে। যিমান ওচৰলৈ, য'লৈ-য'লৈ নিব পাৰি,— তেওঁ মোক লৈ গ'ল। তীব্ৰ যান্ত্ৰিক কোলাহল। ইঞ্জিনৰ ভিতৰৰ এঠাইৰ উষ্ণতা হেনো ছশ ডিগ্ৰি ছেণ্টিগ্ৰেড। সুবিস্তীৰ্ণ সাগৰ, সাগৰৰ ঢৌ, ডেকৰ ওপৰেদি বৈ যোৱা বতাহ, ডাইনিং হলৰ সুস্বাদু খাদ্য, অষ্ট্ৰেলিয়ান সুন্দৰী,— এইবোৰৰ পৰা এই ইঞ্জিনৰ কোলাহলপূৰ্ণ, উত্তপ্ত অঞ্চলটো বহু দূৰত থকা যেন লাগিল; সেইবোৰৰ লগত এইটো অঞ্চলৰ কোনো সম্পৰ্কই নথকা যেন লাগিল।

মই হ'ল্ডলৈ সোমাই গ'লো। এটা আহল-বহল কোঠালিৰ ৰেকত যাত্ৰীসকলৰ মাল-বস্তুবোৰ সজাই থোৱা আছে। কোনো-কোনোৱে নিজৰ বাকছ খুলি কিবা উলিয়াইছে। মই মোৰ বাকছ দুটা খুলি পৰীক্ষা কৰিলো। সকলো ঠিকেই আছে। উভতিবৰ সময়ত

চকুত পৰিল,— এটা চুকত কাজলক আমনি কৰা ভদ্ৰলোকজনে তেওঁৰ বাকছ খুলিছে। মই ওচৰ চাপি গ'লো। আমাৰ গোষ্ঠীটোৰ মানুহ হিচাপে তেওঁৰ লগত মোৰ ঘনিষ্ঠতা আছিল। মোৰ সেইখিনি দিনৰ স্বভাৱ অনুসৰি মই তেওঁৰ লগত মুকলিভাৱে (খাৰাংখাচ সুৰত) কথা পাতিব পাৰিছিলো। কোনো পাতনি নেমেলাকৈ মই তেওঁক সুধিলো,— এই যে কাজল-সংক্ৰান্ত কাণ্ডটো,— তুমি এই কাণ্ডটো কিয় কৰিলা? মাত্ৰ বাইছ দিনৰ সংসাৰ; তাৰে বেছিভাগ দিন ইমান ভালকৈ পাৰ হৈ গ'ল;— এনে অৱস্থাত তুমি—?

ভদ্ৰলোকে এবাৰ মোৰ চকুলৈ গহীন দৃষ্টিৰে চালে; তাৰ পাছত তেওঁ বাকছৰ বস্তু ইফাল-সিফাল কৰাত লাগিল। অলপ পাছত বাকছৰ ফালে চাই থাকিযেই তেওঁ শাসন কৰাৰ সুৰত যিটো বাক্য ক'লে, তাৰ অৰ্থ হ'ল,— তুমিও সেই একেডাল বাজনাকে বজাবলৈ আহিলা?

বুজিলো,— ইতিমধ্যে প্ৰামাণিককে আৰম্ভ কৰি কেইবাজনেও নিশ্চয় তেওঁক এই প্ৰশ্নটো সুধিছে। মই ক'লো,— অইনে কি বাজনা বজাইছে মই ক'ব নোৱাৰোঁ; কিন্তু তোমাৰ লগত মোৰ এটা ভাল সম্পৰ্ক হৈছিল; সেইকাৰণে,— আৰু মোৰ নিজৰ জ্ঞানৰ কাৰণে জানিব খুজিছোঁ,— তোমাৰ হৈছিল কি?

ভদ্ৰলোকে এইবাৰ কাম এৰি মোৰ চকুলৈ চালে, আৰু "Look Saikia" বুলি আৰম্ভ কৰিলে। তাৰ পাছত তেওঁ ক'লে,— মোক কিবা এটাৰ প্ৰয়োজন হৈছিল। মই কাজলক সেই প্ৰয়োজনৰ ইংগিত দিছিলো। তেওঁ তেনেকুৱা কোনো প্ৰয়োজন অনুভৱ কৰা নাছিল। সেই কথাটো তেওঁৰ পৰা জনাৰ পাছত মই তেওঁৰ কোঠালিৰ পৰা ওলাই আহিছিলো। ঘটনা সিমানেই। মই কিবা জোৰ কৰিছিলোনে? মই কথাটো কওঁতে তেওঁৰ পৰা যিমান দূৰত আছিলো, পাছত তাতকৈ এক ইঞ্চি আগ বাঢ়িছিলো নে? তেনেহ'লে এই কথাটো লৈ ইমান হৈ-চৈ কিয়? মোৰ জোৰ কৰাৰ অধিকাৰ নাই; কিন্তু মোৰ মনৰ কথা প্ৰকাশ কৰাৰ অধিকাৰ আছে। ইমান দিন বিলাতত থাকি অহা ছোৱালীজনীয়ে সেই কথাটো বুজিব লাগিছিল। এই তুচ্ছ কথাটোকে লৈ ইমানকৈ পেন-পেন কৰি তেওঁ জাহাজখনৰ নায়িকা হ'ব খুজিছে নে কি?

শেষৰ ফাললৈ ভদ্ৰলোকৰ মাত, কথা আৰু মুখমণ্ডল,— সকলোতে উষ্ণতাৰ প্ৰকাশ ঘটিল। বহুদিনৰ আগৰ কথা;— ভদ্ৰলোকে উচ্চাৰণ কৰা শব্দ আৰু বাক্য মই হুবহু উদ্ধৃত কৰিব পৰা নাই; কিন্তু বৰ বেছি সালসলনি কৰা যেনো লগা নাই। মানুহজনক এৰি থৈ জাহাজৰ ইঞ্জিনৰ ওচৰেদি উভতি আহোঁতে মোৰ ধাৰণা হ'ল,— অলপ আগতে ভবা কথাটো ভুল। আচলতে সুবিস্তীৰ্ণ সাগৰ, সাগৰৰ ঢৌ, সুস্বাদু খাদ্য, গভীৰ অঞ্চলত এই কোলাহল, এই উষ্ণতা ইত্যাদি ইত্যাদি,— এই সকলো একেখন সংসাৰতে জঁট লাগি লাগি থকা বস্তু। অবিচ্ছেদ্য। বৰঞ্চ এই কোলাহলপূৰ্ণ, উষ্ণ ইঞ্জিনেহে নীলা

সাগৰেদি জাহাজখনক আগুৱাই নিছে।

লিভাৰপুলৰ পাছত প্ৰথম মাটিত ভৰি দিলো পৰ্ট চৈয়দ বন্দৰত। এই বন্দৰত দীঘলীয়া সময়ৰ কাৰণে জাহাজ ৰ'লে সাধাৰণতে যাত্ৰীসকলে বোলে গাড়ী ভাৰা কৰি পিৰামিড চাবলৈ যায়; কোনোবা-কোনোবা কাইৰোলৈও যায়। আমাৰ জাহাজ পিছে সিমান বেছি সময় নৰব। গতিকে আমি চাৰিজনমানে ওচৰৰে এটা ডাঙৰ মছজিদ চাই বন্দৰৰ কাষৰীয়া বজাৰ অঞ্চলত ঘূৰা-পকা কৰাটোকে ঠিক কৰিলো। মছজিদটোৰ বিষয়ে এটা কথা মোৰ মনত পৰে। এঠাইত আমি জোতা খুলি মছজিদ-কৰ্তৃপক্ষই যোগান ধৰা ছেণ্ডেল পিন্ধি লৈছিলো। ছেণ্ডেলযোৰৰ ভিতৰফাল আৰু তলিখন বৰ কোমল আছিল। ভিতৰফাল কোমল আছিল দৰ্শনাৰ্থীৰ আৰামৰ কাৰণে, আৰু তলিখন কোমল আছিল মছজিদটোৰ মজিয়াখনৰ সুৰক্ষাৰ কাৰণে। বিৰাট মছজিদটোৰ মজিয়াখন অতি মসৃণ আছিল আৰু গোটেই চৌহদটো অতি পৰিষ্কাৰ-পৰিচ্ছন্ন আছিল। সেই কাৰণেই মছজিদটোৰ কৰ্তৃপক্ষৰ প্ৰতি আমাৰ শ্ৰদ্ধা উপজিছিল।

বন্দৰৰ ওচৰৰ বজাৰখনৰ কাৰণে জাহাজৰ যাত্ৰীসকল আকৰ্ষণীয় গ্ৰাহক আছিল। বজাৰ মানে এটা দীঘল ৰাস্তা, তাৰ দুয়োকাষে দোকান-পোহাৰ। ফুটপাথত থিয়ৈ-থিয়ৈ বস্তু বেচা দোকানীইঁতে জাহাজৰ যাত্ৰীক আগভেটি ধৰিছিল, বেৰিও ধৰিছিল। মই সেইটো অস্বাভাৱিক কথা বুলি ধৰা নাছিলো: কিন্তু এজন দোকানীয়ে যে হাতত বস্তুখিনি লৈ এজন যাত্ৰীক বস্তু কিনিবলৈ কুতুৰি-কুতুৰি তেওঁৰ লগে-লগে আধা কিল'মিটাৰমান আহি থাকিব পাৰে, সেইটো বৰ অস্বাভাৱিক লাগিছিল। এই সৰু-সৰু ব্যৱসায়ীইঁতে বিদেশী মুদ্ৰা আৰু কেইবিধমান বিদেশী বস্তু গোটাবলৈ অহোপুৰুষাৰ্থ কৰিছিল। বিদেশী বস্তুৰ ভিতৰত প্ৰায় সকলোৱেই ছিগাৰেটৰ নাম উল্লেখ কৰিছিল। মোৰ লগে-লগে আধা কিল'মিটাৰতকৈও বেছি দূৰ আহি থকা ব্যৱসায়ী এজনৰ পৰা ৰক্ষা পাবলৈ মই ষ্টেট এক্সপ্ৰেছ ফাইভ-ফাইভ-ফাইভ ছিগাৰেট এটা দি নখ কটা যন্ত্ৰ (nail cutter) এটা লৈছিলো। সেইটো মোৰ কাৰণে বৰ লাভজনক আদান-প্ৰদান হৈছিল; কাৰণ সেই নখ কটা যন্ত্ৰটোৰে মই পাছৰ প্ৰায় ত্ৰিছ বছৰ নখ কাটিছিলো।

আমি আবেলিতে জাহাজলৈ উভতি আহিলো। ৰাতি কিমান সময়ত জাহাজ এৰিলে গম নাপালো। মাজতে এবাৰ সাৰ পাই গোল খিৰিকিখনেদি বাহিৰলৈ চাই দেখোঁ,— জাহাজখনৰ তেনেই ওচৰেদি লাইট, গছ-গছনি আদি পিছলৈ গৈ আছে। ধৰিব পাৰিলো,— জাহাজ ছুয়েজখালেদি আগুৱাইছে। ৰাতিপুৱা যেতিয়া সাৰ পালো, তেতিয়া জাহাজখন সাগৰেদি গৈ আছে। দিনৰ পোহৰত ছুয়েজখাল নেদেখিলো।

লোহিত সাগৰ আৰু তাৰ পাছত এডেন উপসাগৰ এৰি জাহাজ আৰব সাগৰত সোমোৱাৰ লগে-লগে আমাৰ চিনাকি ঠাইলৈ অহা যেন লাগিল। এইখন সাগৰৰ

পানীয়ে যে ভাৰতৰ মাটি চুইছে, সেই কাৰণে। পাকিস্তানৰ যিখিনি মানুহৰ লগত আমাৰ হৃদ্যতা হৈছিল, তেওঁলোকৰ দুই-এজনৰ কথাত বিদায়ৰ সুৰ ফুটি উঠিলেই। জাহাজখন ফেব্ৰুৱাৰিৰ দুই তাৰিখে কৰাচী পাইছিলহি। তাৰ আগৰ ৰাতিটো কৰাচীত নামিবলগীয়া যাত্ৰীসকলৰ কিছুমানে ঘৰ পোৱাৰ কাৰণে আনন্দই পাইছিল, নে জাহাজখন এৰি যাবলগীয়া হোৱাৰ কাৰণে দুখেই পাইছিল,— ধৰাটো টান হৈছিল। এজন যাত্ৰীয়ে কৈছিল,— বিদেশলৈ হয়তো আকৌ যাম; ঘৰলৈ ওভতাৰ আনন্দ আকৌ পাম; কিন্তু এইখন জাহাজৰ আনন্দ, আপোনালোকৰ সান্নিধ্যৰ আনন্দ কেতিয়াও নাপাম।

সেইটোৱেই সঁচা কথা আছিল।

কৰাচীত আমাক নামি যাবলৈ দিয়া হৈছিল। অসীন বাবু, কাজল, আইলিন আৰু মই টেক্সি এখন লৈ নগৰখনত এপাক ঘূৰিলো। প'ৰ্টচৈয়দত ফুৰোঁতে ইংলেণ্ডৰ পৰা যে বহু দূৰলৈ আহিলো, সেইটো যিফালেই চাওঁ, সেই ফালেই ধৰা পৰিছিল; কৰাচীত ফুৰি উপলব্ধি কৰিলো,— সেইখন দেশৰ পৰা আৰু বেছি দূৰলৈ, নিজৰ দেশৰ একেবাৰে ওচৰলৈ উভতি আহিলো।

এটা আহল-বহল ৰাস্তাইদি ডাঙৰ-ডাঙৰ বিদেশী গাড়ীয়ে অহা-যোৱা কৰিছে, ৰাস্তাটোৰ মাজেদি এটা-ডবাৰ-ট্ৰাম চলিছে, এইবোৰৰ মাজে-মাজে প্ৰকাণ্ড-প্ৰকাণ্ড উটে অহা-যোৱা কৰি আছে, আৰু ৰাস্তাটোৰ দুয়ো কাষ দেখাত দৰিদ্ৰ যেন লগা মানুহেৰে ভৰি আছে। এতিয়া মনত পেলালে কৰাচীৰ সেই দৃশ্যটো চকুৰ আগলৈ আহে।

আবেলি জাহাজলৈ উভতি আহিছিলো। সেই ৰাতিটো জাহাজখন নিজান-নিজান লাগিছিল। কৰাচীত কোনোবা নতুন মানুহ উঠিল নে কি— সেইটো চকুত নপৰিল; বহুতো পুৰণি মানুহ যে নামি গ'ল সেইটোহে অনুভৱ কৰিলো।

প'ৰ্টচৈয়দৰ পৰা মই কলেজ আৰু বিশ্ববিদ্যালয়ৰ সহপাঠী তুলতুল বৰুৱালৈ এখন চিঠি দিছিলো। বৰুৱাই তেতিয়া নব বৰুৱাৰ (লেখক, লোকসভাৰ সদস্য হেম বৰুৱাৰ ভায়েক আৰু শিৱসাগৰ কলেজৰ মোৰ সতীৰ্থ প্ৰফুল্ল কুমাৰ বৰুৱাৰ ককায়েক) লগত সংসাৰ পাতিছে। তেখেতসকল বোম্বাইৰ আন্ধেৰিত থাকে। তেতিয়ালৈকে বোম্বাই মহানগৰখনৰ লগত মোৰ সম্বন্ধ ঘটা নাছিল। জাহাজৰ পৰা নমাৰ পাছত তেখেতসকলৰ সহায় পোৱাৰ আশাৰেই চিঠিখন লিখিছিলো। ইংলেণ্ডত ইঞ্জিনিয়াৰিং বিভাগত ডক্টৰেট ডিগ্ৰিৰ বাবে গৱেষণা কৰি থকা প্ৰণৱানন্দ ভৰালীৰ (তুলতুল বৰুৱাৰ ভায়েক) পৰা তেখেতসকলৰ ঘৰৰ ঠিকনাটো লৈ আহিছিলো। বৰুৱা দম্পতীয়ে মই আশা কৰাতকৈ মোক বহুত বেছি সহায় কৰিলে। জাহাজৰ পৰা নমাৰ পাছত যিডোখৰ ঠাইত শুল্ক বিভাগে আমাৰ বস্তু-বাহানি পৰীক্ষা কৰে, সেই ঠাইডোখৰৰ এটা ফালে লোহাৰ জাল আছিল। সেই জালৰ মাজেদিয়েই দেখিলো,— বাহিৰত মানুহৰ মাজত তুলতুল বৰুৱা

থিয় হৈ আছে। আনন্দত মনটো পাতল-পাতল লাগি গ'ল। কিন্তু অলপ পাছতে দেখা গ'ল,— তেখেতৰ উপস্থিতি কেৱল যে অনন্দৰহে কাৰণ এনে নহয়; তেখেত বন্দৰলৈ নহা হ'লে মই বিপদতেই পৰিলোহেঁতেন। মোৰ টেইপ ৰেকৰ্ডাৰ আৰু ৰেকৰ্ড ছেঞ্জাৰটোৰ কাৰণে শুল্ক বিভাগে মোক চাৰিশ টকা দিবলৈ ক'লে। মোৰ হাতত সিমান পইচা নাছিল। লোহাৰ জালৰ কাষলৈ গৈ বৰুৱাক কথাটো ক'লো। বৰুৱাই বেগৰ পৰা টকা চাৰিশ উলিয়াই জালৰ ফুটাইদি সৰকাই দি ক'লে, "এনেকুৱা হ'ব পাৰে বুলি মই সাজু হৈয়েই আহিছিলো।"

শেষবাৰলৈ যিমান বেছি মানুহক পাৰোঁ মাত লগাই, কাৰোবাক হাত জোকাৰি, কাৰোবাক সাবটি ধৰি, কেতিয়াবা আকৌ লগ পোৱাৰ আশা প্ৰকাশ কৰি তুলতুল বৰুৱাৰ লগত তেখেতসকলৰ ঘৰলৈ আহিলো। নব বৰুৱাক সেইবাৰেই প্ৰথম দেখিলো। হেম বৰুৱা আৰু প্ৰফুল্ল কুমাৰ বৰুৱাৰ মাতৰ লগত মিল থকা মাতেৰে তেখেতে তেখেতসকলৰ ফ্লেটটোৰ দুৱাৰমুখত থিয় হৈ মোক সম্ভাষণ জনালে। মানুহজনক মই ককাইদেউ বুলি সম্বোধন কৰিলো। কিছু সময়ৰ ভিতৰতে মোৰ ধাৰণা হ'ল,— মোৰ বিষয়ে ক'বলগীয়া এটাইখিনি কথাই শ্ৰীমতী বৰুৱাই ককাইদেউক কৈ থৈছিল। দম্পতীটোৰ লগত মোৰ সম্পৰ্কটো তৎক্ষণাৎ বৰ মধুৰ হৈ উঠিল বুলি মই উপলব্ধি কৰিলো। সেই মাধুৰ্যৰ আকৰ্ষণতে পাছৰ জীৱনত বোম্বাইলৈ গৈ কেইবাবাৰো তেখেতসকলৰ আলহী হৈছিলোগৈ। এবাৰ পত্নী-কন্যা সমন্বিতে, এবাৰ ড. হীৰালাল দুৱৰাক (বৰ্তমানে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য) লগত লৈ।

নব ককাইদেউক মই বেলেগ-বেলেগ বেশত দেখিছিলো যদিও এতিয়া মনত পেলালে ধকধককৈ বগা চুৰিয়াখন লুঙিৰ নিচিনাকৈ পিন্ধা, তেনেকুৱাই বগা হাত দীঘল গেঞ্জি পিন্ধা, আধাপকা-আধাকেঁচা চুলিখিনি ওভোতাই আঁচোৰা, মুখত এমোকোৰা তামোল লৈ থকা মানুহজনহে চকুৰ আগলৈ আহে। মনত পৰে,— মই অসমলৈ আহি তেখেতলৈ ফুলগুৰিৰ বিখ্যাত 'মুখত খোৱা ধপাত' আধাকেজিমান পাৰ্ছেল কৰি পঠাই দিছিলো। পাছত তেখেতে মোক কৈছিল,— পিয়নৰ পৰা পেকেটটো ল'বলৈ দুৱাৰখন খোলোঁতেই বোলে ধপাতৰ গোন্ধটো তেখেতৰ নাকত লাগিছিল। পঞ্চাছৰ দশকতে অসম এৰি যোৱা এই মানুহজনে প্ৰায় চল্লিছ বছৰকাল প্ৰবাসত কটাই তাতে ইহলীলা সম্বৰণ কৰিছে। এই চল্লিছ বছৰৰ ভিতৰত তেখেত এদিনৰ বাবেও অসমলৈ নাহিল। আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ সংগীত বিভাগত কাম কৰা নব ককাইদেউৰ সংগীত-প্ৰতিভা সম্পৰ্কে ভালকৈ জনাৰ সুবিধা মই পোৱা নাছিলো; কিন্তু তুলতুল বৰুৱাৰ কণ্ঠত শুনা— "ফাগুনৰে পচোৱাই, আঁচলকে উৰুৱাই, ৰঙালী ঐ বিহুৰেনো বাতৰি বিলাই

যায়"— এই গীতটোকে তেখেতৰ সংগীত-প্ৰতিভাৰ চানেকী হিচাপে গ্ৰহণ কৰিছিলো।

সেইদিনা পাছবেলা বোম্বাইৰ পৰা গুৱাহাটীলৈ অহাৰ টিকেট বিচাৰি মাৰ্কাৰি ট্ৰেভেলছৰ অফিছলৈ গ'লো। একে সময়তে অসীন বাবুও তাত উপস্থিত হৈছিলগৈ। মাৰ্কাৰি ট্ৰেভেলছ হ'ল আমাৰ ভ্ৰমণৰ তদাৰক কৰিবলৈ ভাৰত চৰকাৰে নিয়োগ কৰা ট্ৰেভেল-এজেন্সি। লণ্ডনতে আমাক জনোৱা হৈছিল,— বোম্বাইত উপস্থিত হৈ এই এজেন্সিটোৰ লগত যোগাযোগ কৰিবা। কিন্তু এতিয়া এজেন্সিটোৰ কৰ্মকৰ্তাসকলৰ কথা শুনি আমি দুযো অবাক হ'লো। তেওঁলোকে কয়,—ভাৰত চৰকাৰে তেওঁলোকক বহুত পইচা দিবলৈ বাকী আছে; গতিকে এতিয়া তেওঁলোকে আমাক ঘৰলৈ ওভতাৰ টিকেট দিব নোৱাৰে। কি কাণ্ড! আমি দুয়ো মুখ চোৱা-চুই কৰিলো। আমি যে ভাৰতবৰ্ষ পালোহি, ইমান সোনকালে তাৰ এনেকুৱা প্ৰমাণ পাব লাগে নে? ক'লো,— ভাৰত চৰকাৰে যেতিয়ালৈকে আপোনালোকক পইচা নিদিয়ে তেতিয়ালৈকে আমি বোম্বাইতে বহি থাকিম নে কি? কিছু সময় ধৰি চলা ভদ্ৰজনোচিত বাক-বিতণ্ডাৰ পাছত বন্দবস্ত হ'ল,— তেওঁলোকে দুয়োজনকে কলিকতালৈকে ৰে'লৰ প্ৰথম শ্ৰেণীৰ টিকেট দিব; মোক কলিকতাৰ পৰা গুৱাহাটীলৈ প্লেনৰ টিকেট দিব;— কিন্তু সেয়া চৰকাৰৰ নামত নহয়, আমাৰ নামত বাকীকৈ দিব। আমি আমাৰ পাছপৰ্ট তেওঁলোকৰ হাতত জমা থ'ব লাগিব; ঘৰলৈ আহি টিকেটৰ দাম পঠিয়াই দিব লাগিব; সেয়া পালে তেওঁলোকে আমালৈ পাছপৰ্ট পঠিয়াই দিব। উপায় নাই কাৰণে সন্মত হ'লো।

বোম্বাই এৰাৰ সকলো কথাত তুলতুল বৰুৱাই সহায় কৰি দিলে। অসীন বাবু আৰু মই একেটা ডবাতে ঠাই পালো। বেছিভাগ সময় আমি মনে-মনে আহিছিলো, শুইছিলো, আলোচনী পঢ়িছিলো আৰু খিৰিকিৰে বাহিৰলৈ চাই বহি আছিলো। এনেকুৱা লাগিছিল,— আমি ইমান কথা পাতিলো,— এতিয়া যেন আৰু পাতিবলগীয়া কথা বিশেষ একো নাই। এতিয়া চিন্তাৰ সময় আহিল।

মাৰ্কাৰি ট্ৰেভেলছে মোক কলিকতাত মিনাৰ্ভা হোটেলত থকাৰ বন্দবস্ত কৰি দিছিল। হাওড়া ষ্টেছনত এৰা-এৰি হ'বৰ সময়ত অসীন বাবুৱে কৈছিল,—"গধূলি সময়ত এপাক গ্ৰেট ইষ্টাৰ্ন হোটেললৈ আহিবা। তাতে আইলিন, তেওঁৰ গিৰিয়েক আৰু কাজলক লগ পাম।" জাহাজৰ সহযাত্ৰীৰ মায়াৰ পৰা আমি তেতিয়াও মুক্ত হ'ব পৰা নাছিলো।

মিনাৰ্ভা হোটেলত কটন কলেজৰ সহপাঠী, ঘনিষ্ঠ বন্ধু গুৱাহাটীৰ উজান বজাৰৰ নলিনী বৰুৱাক লগ পালো। (এওঁ অসম ৰাজ্যিক পৰিবহন নিগমৰ এডিশ্যনেল জেনেৰেল মেনেজাৰ পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছে।) তেওঁ মোক ইংলেণ্ডৰ খবৰ

সুধিছিল; মই ক'লো,— থওক ইংলেণ্ডৰ খবৰ। অসমৰ খবৰ কওক। বৰুৱাৰ পৰা মই দুঘণ্টাৰ ভিতৰতে অসমৰ দুবছৰৰ নোপোৱা খবৰবোৰ গোটাবলৈ চেষ্টা কৰিছিলো।

পাছদিনা এৰোপ্লেনত মই বৰ অকলশৰীয়া অনুভৱ কৰিলো। সেই এক জাহাজ মানুহ,—বাটে-বাটে নাইকিয়া হৈ-হৈ শেষত এয়া মই অকলশৰীয়া। কোন যে ক'লৈ গ'ল! আজিও মাজে-মাজে সেই মানুহখিনিৰ কথা মনত পৰে। প্ৰামাণিক এবাৰ গুৱাহাটীৰ ওচৰৰ বায়ুসেনা বিভাগৰ ছাউনীটোলৈ আহিছিল। আহিয়েই তেওঁ মোৰ খবৰ লৈছিল। অসীন বাবুৱে এবাৰ গুৱাহাটী বিশ্ববিদ্যালয়লৈ ডক্টৰেটপ্ৰাৰ্থী গৱেষক এজনৰ মৌখিক পৰীক্ষা ল'বলৈ আহোঁতে আমাৰ ঘৰতে বহু সময় কটাইছিল। তেতিয়া তেওঁ মোক ভবেন বুলি মাতিছিল। মোৰো তেওঁক আগতকৈ বহু বেছি আপোন যেন লাগিছিল। মোৰ জীৱনৰ দীৰ্ঘতম ভ্ৰমণৰ ৰুমমেট। বহু বছৰৰ পাছত তেওঁক আকৌ এবাৰ লগ পাইছিলো কলিকতাৰ গ্ৰে'ট ইষ্টাৰ্ন হোটেলত বহা পূব মণ্ডল সাংস্কৃতিক কেন্দ্ৰৰ সভা এখনত।—"কেমন আছ ভবেন?"

তাৰ পাছত ১৯৯৮ চনত জুন মাহৰ পাঁচ তাৰিখৰ দি টেলিগ্ৰাফ কাকতত (কলিকতাৰ পৰা প্ৰকাশিত) অসীন দাশগুপ্তৰ বিষয়ে পঢ়িবলৈ পালো। প্ৰেছিডেন্সি কলেজত বুৰঞ্জীৰ অনাৰ্ছ লৈ পঢ়ি থাকোঁতেই শিক্ষকসকলে তেওঁক অতিশয় মেধাবী, বুদ্ধিমান ছাত্ৰ বুলি স্বীকাৰ কৰিছিল। বি. এ আৰু এম. এ. পৰীক্ষাত তেওঁ প্ৰথম হৈছিল। (এইবোৰ কথা অসীন বাবুৰ মুখত শুনা নাছিলো। তেওঁৰ গৱেষণাৰ পৰ্যায়টোৰ কথা মই আগতে উল্লেখ কৰিছোঁ।) বিদেশৰ পৰা উভতি আহি তেওঁ তেওঁৰ অতি প্ৰিয় প্ৰেছিডেন্সি কলেজতে শিক্ষকতা আৰম্ভ কৰিছিল। পাছলৈ তেওঁ অক্সফৰ্ড, হাইডেলবাৰ্গ বিশ্ববিদ্যালয়, ৱেষ্ট ভাৰ্জিনিয়া বিশ্ববিদ্যালয়, চাৰ্লোটভিলি আৰু বিশ্বভাৰতীত শিক্ষকতা কৰিছিল। কিছুদিনৰ কাৰণে তেওঁ বিশ্বভাৰতীৰ উপাচাৰ্যও হৈছিল। তেওঁ নেশ্যনেল লাইব্ৰেৰিৰ ডাইৰেক্টৰ, আৰু এছিয়াটিক ছ'ছাইটিৰ এডমিনিষ্ট্ৰেটৰ আছিল। মধ্যযুগৰ ভাৰতীয় সদাগৰৰ ব্যৱসায় সংক্ৰান্ত বিষয় অধ্যয়ন কৰি তেওঁ মোগলসকলৰ শাসন, পাৰ্ছিয়া আৰু য়েমেনৰ ৰাজনৈতিক অৱস্থা আদিৰ লগত প্ৰসিদ্ধ বাণিজ্য-কেন্দ্ৰ চুৰাটৰ পতনৰ সম্বন্ধ নিৰ্ণয় কৰিছিল। দাশগুপ্তই বিশ্বাস কৰিছিল,— ভাৰতক বুজিবলৈ হ'লে আমি ভাৰতৰ বাহিৰলৈ যাব লাগিব। সেইকাৰণে ভাৰতৰ বন্দৰ এৰি তেওঁ ভাৰত মহাসাগৰলৈ তেওঁৰ কৰ্মক্ষেত্ৰ বিস্তাৰ কৰিছিল আৰু সামুদ্ৰিক ইতিহাসৰ ক্ষেত্ৰত নিজকে এজন অগ্ৰগামী হিচাপে প্ৰতিষ্ঠা কৰিছিল। ছাত্ৰসকলক তেওঁ শিকাইছিল, — কেনেকৈ এটা সমস্যাৰ ফালে আগবাঢ়িব লাগে, আৰু কেনেকৈ তেওঁলোকে নিজৰ বিষয়ে চিন্তা কৰিব লাগে। তেওঁ যিসকল ছাত্ৰক শিক্ষা দিছিল, তেওঁলোকৰ সৰহভাগেই স্বীকাৰ কৰিছিল,— তেওঁতকৈ ভাল শিক্ষক আৰু কোনো নাই। কোনো-কোনো সময়ত দাশগুপ্তই মানুহৰ পৰা আঁতৰি,

নিৰলে, নিজৰ লগতে বাস কৰিছিল। যিসকলে মানুহজনক ভালকৈ জানিছিল, তেওঁলোকৰ মতে তেওঁ মৰমিয়াল মানুহ আছিল।

লেখকজনে শেষত লিখিছে,— এই সকলো কথা এতিয়া অতি স্নেহেৰে হৃদয়ত সুমুৱাই ৰখা স্মৃতিত পৰিণত হ'ল। চাৰি জুনৰ প্ৰথম পোহৰৰ লগে-লগে অসীন দাশগুপ্তই নশ্বৰতাৰ অন্ধকাৰৰ পৰা ওলাই অমৰত্বৰ পোহৰৰ মাজলৈ খোজ ল'লে।

লেখাটোৰ আৰম্ভণিতে লেখকজনে লিখিছে,— তেওঁৰ মৃত্যু অপ্ৰত্যাশিত নাছিল। মানুহে জানিছিল,— তেওঁ ওভোতাই আনিব নোৱৰা (irreversible) অসুখ এটাৰ দ্বাৰা আক্ৰান্ত হৈছিল। তথাপি,— তেওঁৰ মৃত্যুৱে এনেকুৱা এক শূন্যতাৰ সৃষ্টি কৰি গ'ল,— যাক স্মৃতিকথাই পূৰাব নোৱাৰে।

মোৰ জীৱনৰ দীৰ্ঘতম ভ্ৰমণৰ কমমেণ্ট!

এইখিনি কথা লিখাৰ পাছত মোৰ আজি আৰু একো লিখিবলৈ মন যোৱা নাই। তথাপি, কাম আগুৱাব লাগিব কাৰণে লিখি যাওঁ।

তেতিয়াৰ দিনত ইণ্ডিয়ান এয়াৰ লাইনছৰ অফিছটো আছিল পাণবজাৰৰ নাগপোতা পুখুৰীৰ প্ৰায় মুখে-মুখে। বাছখন সেই অফিছটোৰ চৌহদ সোমাওঁতে বাছৰ পৰাই দেখা পালো কুলদা ভট্টাচাৰ্যক। তেওঁলৈ, শ্বিলঙৰ নিত্যা ভূঞালৈ আৰু নেলীত চাকৰি কৰা পাঠান হাজৰিকালৈ খবৰ পঠাইছিলো। মোৰ ডাঙৰ-ডাঙৰ ট্ৰাংক দুটা ইণ্ডিয়ান এয়াৰ লাইনছে মই অহা এৰোপ্লেনখনত পঠাব নোৱাৰিলে; কাইলৈ পঠাব। গতিকে এৰাতিৰ কাৰণে কুলদা ভট্টাচাৰ্যহঁতৰ ঘৰতে আলহী হ'লো।

পাছবেলা নিত্যা ভূঞা আহিল, জীপগাড়ী লৈ পাঠান আহিল। জীপত উঠি গুৱাহাটীখনত এনেয়ে কিছু সময় ঘূৰিলো। মনত পৰে,— কটন কলেজৰ ছেকেণ্ড মেছৰ আগেদি যাওঁতে গাড়ী চলাই থকা পাঠানক কৈছিলো,— এইখিনি লাহে-লাহে।

বহুদিনৰ মূৰত কুলদা ভট্টাচাৰ্যহঁতৰ ঘৰত, বিদেশলৈ যোৱাৰ আগতে নিজৰ ঘৰত যেনেকৈ খাইছিলো, তেনেকৈ মাটিত বহি, কুলদা বাবুৰ মাকে ৰন্ধা ভাত খালো। পাছদিনা মোৰ ট্ৰাংক দুটা অহাৰ পাছতে পাঠানৰ জীপত নগাঁও অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। নেলীত তেওঁৰ চৰকাৰী বাসস্থানৰ আগত গাড়ী ৰখাই পাঠানে ক'লে,— দুপৰীয়াৰ সাঁজ ভাতৰ ব্যৱস্থা তেওঁৰ তাতে কৰা হ'ব। তাৰ পাছতহে ঘৰ। ইমান হাজাৰ মাইল ঠিকেই আহিলো, শেষৰ এই পয়সত্তৰ মাইল বাটহে টুটি নাহে-নাহে লাগিল।

আবেলি নগাঁও নগৰ সোমাই এইখিনিত এইটো ঘৰ কোনে সজালে, এইখন কাৰ দোকান, এইখিনিত থকা গছজোপা, সৌজন অমুক,— এনেকৈ-এনেকৈ নিজৰ ঘৰৰ ফালে আগবাঢ়িলো। বিশেষ একো সলনি হোৱা নাই। ঘৰ সোমাই দেখিলো,—

মানুহখিনিও,— বৌ, নবৌ, ককাইদেউহঁত,— প্ৰায় আগৰ নিচিনা হৈয়েই আছে। ভতিজাইঁতৰ কলকলনি বাঢ়িছে, বৌ অলপ খীণাইছে আৰু দুৰ্বল হৈছে।

পাঠানৰ লগত ইতিমধ্যে নগাঁও নগৰৰ সম্পৰ্ক অতি ঘনিষ্ঠ হৈছিল। মোৰ যিকেইজন ঘনিষ্ঠ বন্ধু, তেওঁলোকৰ লগত তেওঁৰ বন্ধুত্বও বেচ গভীৰ ধৰণৰ হৈছে বুলি নেলীৰ পৰা আহি থাকোঁতে তেওঁৰ মুখৰ পৰাই গম পালো। তেওঁলোকৰ কথা কওঁতে লগতে পাঠানে কৈছিল,— আমোলাপটিৰ নাট্যমন্দিৰত নাটকৰ আখৰা চলি আছে; মই আহি পোৱাৰ পাছতে মোক তালৈ লৈ যাবলৈ আমাৰ বন্ধুবৰ্গই তেওঁক অনুৰোধ কৰি থৈছে। মই বাকচ খুলি, বস্তু-বাহানি কিছুমান উলিয়াই, কোনটো কাৰ কাৰণে আনিছোঁ ক'লো; চাহ-জলপান খালো; তাৰ পাছতে পাঠানে ক'লে,— বলক, নাট্যমন্দিৰলৈ যাওঁ। মই সাজ-পাৰ সলোৱাই নাছিলো। যেনে আছিলো তেনেই আকৌ জীপগাড়ীত বহিলোগৈ। কেইদিনমানৰ পাছতে শিৱসাগৰ নগৰত সদৌ অসম ভিত্তিত এক সাংস্কৃতিক সমাৰোহ হ'ব; নগাঁৱৰ এটা দলে তাত অন্যান্য অনুষ্ঠানৰ লগতে নাটক এখনো মঞ্চস্থ কৰিব। তাৰে আয়োজন, আখৰা আদি চলি আছে। ইমান দিনৰ মূৰত আহিয়েই, তেনেকুৱা এটা পৰিবেশত ইমানবোৰ বন্ধু-বান্ধৱ আৰু জ্যেষ্ঠ লোকক লগ পাই আনন্দ পালো। সেইদিনা কাৰ লগত কি কথা পাতিলো, মনত নাই; কিন্তু এটা সৰু কথা মনত আছে। জ্যেষ্ঠসকলৰ ভিতৰত মোৰ বিদেশযাত্ৰাৰ পথটোৰ লগত জড়িত চন্দ্ৰ ফুকন ককাইদেৱো আছিল। উভতি আহি ঘৰ পোৱাৰ ডেৰ ঘণ্টামানৰ ভিতৰতে তেখেতক দেখা পাই বৰ ভাল পাইছিলো। কথা পতাৰ আগতে তেখেতে মোৰ ফালে পোন্দোৱাকৈ চাইছিল। কিয়—মই ধৰিব পৰা নাছিলো। পাছদিনা আকৌ নাট্যমন্দিৰলৈ গৈছিলো আৰু তেখেতক আকৌ লগ পাইছিলো; সেইদিনা মই চোলাটোৰ ওপৰতে হাতদীঘল ছুৱেটাৰ এটা পিন্ধি গৈছিলো। ডিঙি খোলা আছিল। মোক দেখিয়েই ফুকন ককাইদেৱে সকলোকে শুনাকৈ ক'লে,— "আজিহে ভবেনক মুকলি-মুকলি লাগিছে।" তৎক্ষণাৎ মোৰ আগদিনা পিন্ধি অহা সাজযোৰলৈ মনত পৰিল। সেই লণ্ডনৰ চেপষ্টাও প্লেছৰ পৰা ওলাই অহা সাজেৰেই নগাঁৱৰ নাট্যমন্দিৰত ওলাইছিলোহি। ডিঙি বন্ধ আছিল।

বন্ধুবৰ্গৰ অনুৰোধক্ৰমে সেইদিনা টেইপ ৰেকৰ্ডাৰটো নাট্যমন্দিৰলৈ লৈ গৈছিলো। লগে-লগে বন্ধুবৰ্গই সিদ্ধান্ত কৰিলে,— নাটকখনৰ আঁৰৰ সংগীত আৰু শব্দৰ বাবে টেইপ ৰেকৰ্ডাৰটো ব্যৱহাৰ কৰা হ'ব, গতিকে সেইটো বজাবলৈময়ো শিৱসাগৰলৈ যাব লাগিব। দুদিনমানৰ পাছতে দলটোৰ বাবে ভাৰা কৰা বাছ এখনত উঠি শিৱসাগৰ পালোগৈ। বিদেশৰ উচ্চশিক্ষাৰ নামত হঠাতে, নিৰবে এৰি থৈ যোৱা নগৰখনলৈ ইমান সোনকালে আহিবলৈ পোৱা কাৰণে ভাল পালো। সেই যাত্ৰাটোৰ কথা ভাবিলে মনত পৰা কথা কেইটামান হ'ল ঃ খগেন মহন্তই ইতিমধ্যে গায়ক হিচাপে স্বীকৃতি লাভ কৰিছে।

শিৱসাগৰৰ সেই মঞ্চত মই প্ৰথমে তেওঁৰ কণ্ঠৰ গীত শুনিলো;— কলৰে পাততে কাউৰী পৰে—। লণ্ডনৰ পৰা যে ইমৰান শ্বাহলৈ 'আবৰ্জনা' নামৰ গল্পটো পঠাইছিলো, লীলা গগৈৰ লগত কথা পাতি থাকোঁতে সেই ইমৰান শ্বাহক প্ৰথম লগ পালো। বলাই-কানাইহঁতৰ ঘৰত পিয়ানো-একৰ্ডিয়ানবাদক ৰাজেশ্বৰ বৰদলৈৰ তত্ত্বাৱধানত তেওঁৰ ভনীয়েকে মোৰ টেইপ-ৰেকৰ্ডাৰটোত গীত এটা ৰেকৰ্ড কৰিলে। লণ্ডনত কিনা মোৰ একমাত্ৰ দীঘল হাতৰ ছুৱেটাৰটো ক'ৰবাত এৰি থৈ আহিলো।

ঘৰলৈ উভতি আহি, এতিয়াহে অলপ নিৰবে সময় কটোৱাৰ, থান-থিত লগাৰ চিন্তা কৰাৰ সুবিধা পালো। থান-থিত লগা মানে— মোক এতিয়া জীৱিকা উপাৰ্জনৰ উপায় এটা লাগে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাহিৰে অন্য প্ৰতিষ্ঠানত কাম কৰাৰ কথা মনলৈ নাহিল। কেইদিনমানৰ পাছতে গুৱাহাটীলৈ আহিলো। পোনে-পোনে ড. বিৰিঞ্চি কুমাৰ বৰুৱা ছাৰৰ ঘৰলৈ গ'লো। ক'লো,— মোৰ এতিয়া বিশ্ববিদ্যালয়তে চাকৰি কৰাৰ মন। কিছু সময় কথা পতাৰ পাছত তেখেতে ক'লে, "তুমি হিৰণ্য ভূঞাকো লগ ধৰিবা।"

তেতিয়া ড. হিৰণ্য চন্দ্ৰ ভূঞা ছাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য। পাছদিনাই বিশ্ববিদ্যালয় চৌহদত তেখেত থকা ঘৰটোলৈ গ'লো। ছাৰৰ লগত কথা অলপ দীঘলীয়াকৈ পাতিলো। লণ্ডনত ৰেডিঅ'টো কিনাৰ পাছৰে পৰা বৃটিছ ব্ৰডকাষ্টিং কৰপৰেশ্যনৰ (B.B.C) এটা অনুষ্ঠানে মোক বৰ আকৰ্ষণ কৰিছিল। অনুষ্ঠানটোৰ নাম আছিল ব্ৰেইন অৱ বৃটেইন, নাইনটিন ফিফটি নাইন, ছিক্সটি ইত্যাদি। সেইটো হ'ল অতি উচ্চ খাপৰ 'কুইজ' প্ৰতিযোগিতাৰ অনুষ্ঠান। সমগ্ৰ দেশখনৰ সাধাৰণ জ্ঞান আৰু অধ্যয়নৰ ক্ষেত্ৰত চহকীসকলৰ বহুতে সেই অনুষ্ঠানত ভাগ লয়। প্ৰতিযোগীসকলে যে এই বিশ্বব্ৰহ্মাণ্ডখনৰ কেনেকুৱা প্ৰশ্নৰ উত্তৰ দিব পাৰে, নুশুনিলে বিশ্বাস কৰিব নোৱাৰি। প্ৰতিযোগিতাত হাৰি এজন-এজনকৈ আঁতৰি যায়; শেষত এদিন দুজনৰ মাজত 'ফাইনেল' হয়; জিকাজন সেই বছৰৰ 'ব্ৰেইন অৱ বৃটেইন' উপাধিৰে ভূষিত হয়। মোৰ ধাৰণা হৈছিল,— এটা জাতি গঢ়ি তোলাৰ ক্ষেত্ৰত সেই ধৰণৰ জ্ঞান আৰু অধ্যয়নৰ চৰ্চাৰ বৰ প্ৰয়োজন। অসমতো যদি স্কুলৰ পৰা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈকে এচামক এনেকুৱা এটা চৰ্চাৰ মাজলৈ আনিব পাৰি, তেনেহ'লে ভৱিষ্যতে নানা ধৰণৰ প্ৰতিযোগিতাত জিকিব পৰা বুদ্ধিমান জাতি এটা সৃষ্টি কৰিব পৰাটো সম্ভৱপৰ হ'ব পাৰে। বিশ্ববিদ্যালয়ে যদি এনেকুৱা এখন আঁচনি গ্ৰহণ কৰে, তেনেহ'লে মই সেই আঁচনি বাস্তৱত ৰূপায়িত কৰাৰ দায়িত্ব গ্ৰহণ কৰিব পাৰোঁ। সৌসিদিনা ব্ৰেইন অৱ বৃটেইন অনুষ্ঠান শুনি আহিছোঁ; কাণত এতিয়াও প্ৰশ্নকৰ্তাৰ কণ্ঠস্বৰ লাগি আছে,— স্বাভাৱিকতে ছাৰক কথাখিনি কওঁতে উচ্ছ্বসিত হৈছিলো। মই কৈ শেষ কৰাৰ পাছত ছাৰে সৰু মাতেৰে, গম্ভীৰ সুৰেৰে ক'লে, "প্ৰথমতে শিক্ষাৰ কামেৰেই আৰম্ভ কৰা।"

যি বুজিলো, বিশ্ববিদ্যালয়ৰ ফিজিক্স ডিপাৰ্টমেণ্টত গৰমৰ বন্ধৰ পাছত, আগষ্ট মাহত শিক্ষক লোৱা হ'ব পাৰে। গতিকে সেই যাত্ৰাতে দৰখাস্ত এখন দি ঘৰলৈ উভতিলো।

১৯৬১ চনৰ আগষ্ট মাহৰ এক তাৰিখে মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগত লেকচাৰাৰ চাকৰিত যোগ দিছিলো; কিন্তু বিদেশৰ পৰা আহি পোৱাৰ পৰা জুলাইৰ শেষলৈকে,— এই ছমাহ মোৰ নাযায়-নুপুৱায় লাগিছিল। কিছুমান অসুবিধাও হৈছিল। হাতত পইচা নাছিল। ককাইদেউইঁতৰ পৰা পইচা লৈ বোম্বাইৰ মাৰ্কাৰি ট্ৰেভেলছৰ পৰা পাছপ'ৰ্টখন উদ্ধাৰ কৰিলো; তুলতুল বৰুৱাৰ ধাৰো মাৰিলো। কিন্তু তাৰ পাছত? বিলাতৰ পৰা উভতি আহিনো ঘনে-ঘনে নগদ পইচাৰ কাৰণে কাৰোবাৰ ওচৰত হাত পাতিব পাৰিনে? আনহাতে সামান্য হ'লেও হাত-খৰচ বোলা বস্তু এটাতো আছে! দিনটো লিখা-পঢ়া যি পাৰোঁ কৰোঁ; আবেলি ফৌজদাৰীপটিৰে বন্ধু শচীন বৰা (এওঁ ওকালতি কৰিছিল; ঢুকাল) আৰু ফুলকণ (কুমুদ দাস; এওঁ ছে'লছ টেক্স বিভাগৰ ছুপাৰিণ্টেণ্ডেণ্ট পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছে),— ঘাইকৈ এওঁলোক দুজনৰ লগতে জুবিলি পথাৰৰ (এতিয়াৰ নুৰুল আমিন ষ্টেডিয়াম) ফালে ওলাই যাওঁ। প্ৰবীণ অভিনেতা জগত বেজবৰুৱাৰ পুত্ৰ নৰেশ বেজবৰুৱা ওৰফে দুলুৱে জুবিলি পথাৰৰ ওচৰতে ব্ৰডৱে' নামৰ ৰেস্তোঁৰা এখন খুলিছিল;— আমি তাতে গৈ বহোঁ। (দুলুৱে পাছলৈ ৰাজনীতি-ক্ষেত্ৰত প্ৰবেশ কৰিছিল। এসময়ত নগাঁও এৰি তেওঁ গুৱাহাটীলৈ আহিছিল। আৰু গুৱাহাটীতে তেওঁৰ মৃত্যু হৈছিল। মোৰ ধাৰণা,— মোৰ সহপাঠী এই বন্ধুজনক ৰাজনীতিয়ে নুশুজিছিল।) আমোলাপটিৰ ফালৰ পৰা মুকুট শৰ্মা, তৰুণ ফুকন (এওঁ ওকালতি-বৃত্তিত সুনাম অৰ্জন কৰিছিল; ঢুকাল।), ব্ৰজ ফুকন আদি আহে। সকলোৱে মিলি কথা পাতোঁ; চাহ একোকাপ খাওঁ; কেতিয়াবা চপ একোটাও খাওঁ। এই মেলখনৰ চাহ-চপৰ খৰচখিনি কেতিয়াবা ময়োতো দিব লাগে! সদায়তো লোকৰ ওপৰতে খাই থাকিব নোৱাৰি! ইফালে লগ-সং এৰি ঘৰতে সোমাই থাকিবওতো নোৱাৰি!

এই জেপ-খৰচৰ সমস্যাটো বহু পৰিমাণে পাঠানেই সমাধান কৰিছিল।

'পাঠানে'ই বুলি ক'লো কিয়? কাৰণ,— পাঠানে ইতিমধ্যে আৰু এটা সমস্যা সমাধান কৰিছিল। এই যে মই লণ্ডনৰ পৰা টেইপ ৰেকৰ্ডাৰ আৰু ৰেকৰ্ড চেঞ্জাৰ লৈ আহিছিলো, তাৰে টেইপ-ৰেকৰ্ডাৰটো,— আগতে কৈছোঁৱেই,— আমোলাপটিত আৰু শিৱসাগৰত ব্যৱহাৰ কৰিছিলো; কিন্তু ঘৰৰ ভিতৰত বস্তু দুটা নিৰৱ-নিশ্চল হৈ পৰি আছিল। কাৰণ আমাৰ ঘৰত তেতিয়াও বিজুলীশক্তি যোগানৰ ব্যৱস্থা হোৱা নাছিল। পাঠানে বোধকৰোঁ ঘাইকৈ এই যন্ত্ৰদুটাৰ মুখলৈ চায়েই আমোলাপটিৰ দেবেন শৰ্মা ওৰফে গৌৰক আমাৰ ঘৰত বিজুলীশক্তি যোগানৰ ব্যৱস্থা কৰিবলৈ ক'লে। পইচা এতিয়া তেৱেঁই দিব; পাছত মোৰ যেতিয়া পইচা হ'ব, তেতিয়া মই তেওঁক পৰিশোধ কৰিম। গৌৰ আমাতকৈ

তিনিশ্ৰেণীমান তলত পঢ়া বন্ধু। তেওঁ অতি কম সময়ৰ ভিতৰতে 'ৱায়াৰিঙ'ৰ কাম শেষ কৰিলে, আৰু তাৰ পাছত এদিন আমাৰ ঘৰত ইলেকট্ৰিক লাইট জ্বলিল। দেশে-বিদেশে কত দিন-কত ৰাতি ইলেকট্ৰিক লাইটৰ পোহৰতে কটালোঁ; কিন্তু আমাৰ ঘৰটোত ইলেকট্ৰিক লাইট জ্বলাৰ দিনাহে যেন নতুনকৈ উপলব্ধি কৰিলোঁ,— ইলেকট্ৰিক লাইটৰ পোহৰেই বেলেগ!

তাৰ পাছত ঘৰখনত টেইপ ৰেকৰ্ডাৰ বাজিল। (ৰেকৰ্ড-চেঞ্জাৰ নাবাজিল। কাৰণ সেইটো বজাবলৈ এটা ৰেডিঅ'ৰ প্ৰয়োজন; কিন্তু আমাৰ ঘৰত ৰেডিঅ' নাছিল।) মনত পৰে,— এদিন কিবা কামত নগাঁৱলৈ যাওঁতে ড. ভূপেন হাজৰিকা আমাৰ ঘৰলৈ গৈছিল। তেখেতে টেইপ ৰেকৰ্ডাৰটোৰ মাইক্ৰ'ফোনটোৰ সমুখত এটা নতুন গানৰ দুশাৰীমান গুণগুণাইছিল, আৰু তাৰ পাছত "মানুহে মানুহৰ বাবে" গানটো গাইছিল। আমাৰ ঘৰৰ ওচৰৰে, সম্পৰ্কত আমাৰ ভাগীন, চুয়েজ বৰদলৈয়ে তেতিয়া সংগীতৰ মঞ্চখনত প্ৰবেশ কৰিছে। তেওঁ এটা দিয়াচলাই বাকছ আৰু দুডালমান কাঠীক বাজনা হিচাপে লৈ এবিধ সাংগীতিক শব্দৰ সৃষ্টি কৰিব পাৰিছিল। ভূপেন দাদাই গানটো গাওঁতে তেওঁ সেই শব্দৰে তাল ধৰিছিল।

চুয়েজৰ কথা ওলাওঁতেই এটা কথা কৈ থওঁ। সেইছোৱা সময়তে চুয়েজৰ সমবয়সীয়া, আমাৰ পটিৰে সূৰ্য দাসেও আধুনিক গীত গোৱা আৰম্ভ কৰিছিল। চাৰি-পাঁচ বছৰৰ আগতে শিৱসাগৰত লগ পোৱা ফুনু গোস্বামীও তেতিয়া নগাঁৱত আছিলহি। এসময়ত ফৌজদাৰীপটিৰে যতীন বৰাই গীত লিখিবলৈ লৈছিল, আৰু এই নতুন গায়ক-গায়িকাসকলৰ দুজনমানে সেই গীত পৰিবেশন কৰিছিল। "ছাইপেমে পাইপ লাইন গঢ়ে", "চাপ্ৰা বহু দূৰ" আদি সেই সময়ৰ জনপ্ৰিয় গীত আছিল। সিমূৰে খগেন মহন্ত, ইমূৰে প্ৰণতি শইকীয়া, চুয়েজ বৰদলৈ, সূৰ্য দাস আদি, মাজতে পৰবীন চুলতানা,— দুবছৰ পাঁচ মাহমানৰ পাছত উভতি আহি নগাঁও নগৰৰ সংগীত-সমাজখনত মই এওঁলোকৰ সক্ৰিয়তা লক্ষ্য কৰিছিলোঁ।

এই যে অলপ আগতে আমাৰ ঘৰত ৰেডিঅ' নোহোৱাৰ কথা কৈছিলোঁ, সেই সম্পৰ্কীয় সৰু কথা এটা মোৰ মনত পৰি থাকে। সৰু হ'লেও মোৰ কাৰণে উল্লেখযোগ্য। মই লিখা 'ৰত্নদাহ' নামৰ গল্পটোক ডিব্ৰুগড়ৰ ডেকা এজনে অনাতাঁৰ নাটকৰ ৰূপ দিছিল; নাৰায়ণ বেজবৰুৱাই নাটকখন প্ৰযোজনা কৰিছিল, আৰু সেইখনৰ প্ৰচাৰৰ দিন ঠিক কৰা হৈছিল। মোৰ গল্পৰ প্ৰথম অনাতাঁৰ নাটক,— মই উচ্ছ্বসিত আৰু উত্তেজিত হৈছিলোঁ। ওচৰৰে খেৰী ঘৰ এটাত বাস কৰা ডেকাকেইজনৰ এটা ৰেডিঅ' আছিল। নাটকখনৰ প্ৰচাৰৰ দিনা মোৰ আগ্ৰহ আৰু প্ৰয়োজনৰ কথা কওঁতে তেওঁলোকে

ৰেডিঅ'টো আমাৰ ঘৰলৈকে লৈ আহিবলৈ দিছিল। উৎকৰ্ণ হৈ নাটকখন শুনিছিলো। আকাশবাণীৰ নাটকৰ লগত সেয়াই মোৰ প্ৰথম সম্পৰ্ক।

টেইপ ৰেকৰ্ডাৰটোৰ কথাৰ পৰা এইখিনি পালোহি। উভতি যাওঁ। সান্ধ্যভ্ৰমণ, ব্ৰডৱে'ৰ আড্ডা,— এইবোৰ চলি আছিল। অগত্যা যিখিনি হাতখৰচ নহ'লে নচলে, সেইখিনি প্ৰধানতঃ পাঠানৰ পৰা আহি আছিল। কিন্তু অসুবিধা দিনে-দিনে বাঢ়িছিল। জাৰৰ দিনকেইটা পাৰ হৈ যোৱাৰ পাছত দেখা দিয়া এটা অসুবিধাৰ কথা বৰকৈ মনত পৰে। মোৰ লংপেণ্টকেইটা লণ্ডনৰ বতৰৰ লগত খাপ খোৱা, জাৰৰ দিনৰ উপযোগী গৰম কাপোৰৰ আছিল। লণ্ডনত গৰম পৰিলেও সেইকেইটা পিন্ধি থাকিব পাৰি, কিন্তু অসমত নোৱাৰি। ইফালে অসমৰ গৰম দিনত পিন্ধা পেণ্ট মোৰ এটাও নাছিল। এপ্ৰিল মাহ সোমোৱাৰ পাছত গৰম পেণ্ট পিন্ধি লগৰীয়াৰ লগত ফুৰিবলৈ যাবলৈ অস্বস্তি আৰু অসুবিধা দুয়োটাই অনুভৱ কৰিবলৈ ধৰিলো। ঠাণ্ডা কাপোৰৰ পেণ্ট এটাৰ কাৰণে কাকো পইচা খুজিবলৈ মন নগ'ল। আনকি পাঠানকো। এদিন ঢাকাইপটিৰ মদন আগৰৱালাৰ কাপোৰৰ দোকানত উপস্থিত হ'লোগৈ। বৰ্তমানে কেইবাখনো নগৰত আৰ. ডি. ষ্ট'ৰছ নামেৰে প্ৰসিদ্ধি লাভ কৰা দোকানকেইখনৰ যিখন মূল দোকানৰ পৰা সৃষ্টি হৈছিল, সেইখন দোকানৰ ডেকা-মালিক আছিল মদন আগৰৱালা। সেই যে তাহানি দোকমোকালিতে হাতত চিকচিকীয়া পিতলৰ ঘটি একোটা লৈ আমাৰ ঘৰৰ আগেদি খনাজান অঞ্চলত বাহিৰ ফুৰিবলৈ যায় মাৰোৱাৰীসকল,— তেখেতসকলৰ মাজতে মদন আগৰৱালাৰ দেউতাকো আছিল. আৰু তেতিয়াৰ পৰা তেখেতসকলৰ লগত আমাৰ চিনা-পৰিচয় হৈছিল। মদন আগৰৱালাক মই ক'লো,— মোক গৰম দিনত পিন্ধিব পৰা ৰে'ডিমে'ড লংপেণ্ট এটা দিয়ক; পইচা পাছত দিম। মদনবাবুৱে মই বিলাতৰ পৰা উভতি আহিছোঁ বুলি জানিছিল। তেওঁ দোকানৰ কৰ্মচাৰীৰ হতুৱাই ৰঙচুৱা-খয়েৰি ৰঙৰ (ৰংটো শুদ্ধকৈ বৰ্ণনা কৰা টান) পেণ্ট এটা উলিয়াই দিয়ালে। মোৰ জোখৰ পেণ্ট বোলে একমাত্ৰ সেইটোহে আছে। নগদ পইচা দি কিনা হ'লে মই কেতিয়াও সেই পেণ্টটো নিকিনিলোহেঁতেন। মোৰ পচন্দৰ সাত ঢাপৰ বাহিৰৰ বস্তু। তথাপি পেণ্টটো লৈ আহিলো। উপায় যেতিয়া নায়েই, নানি কি কৰিম? ঘৰত পিন্ধি চাওঁ,— কঁকালটো ঢিলা; ঠেং দুটাও সোলোক-ঢোলোক। চে'পষ্টাও প্লে'ছৰ ঘৰটোত থকা ইৰাকৰ ল'ৰা এটাই দেশলৈ উভতি যাবৰ সময়ত মোক কেইটামান বস্তু দি গৈছিল। তাৰ ভিতৰত বেণীৰ নিচিনাকৈ গঁথা, টানিলে দীঘল হোৱা পেটী এডালো আছিল। বাকছৰ পৰা সেইডাল উলিয়াই ল'লো। তাৰ আগলৈকে মই কঁকালত পেটী মৰা নাছিলো।

সেই সময়তে এদিন তছদ্দুক ইউছুফে ক'লে,— 'এন ইন্সপেক্টৰ কলছ' নামৰ নাটকখন মঞ্চস্থ কৰিবলৈ তেওঁৰ প্ৰবল হেঁপাহ জন্মিছে;— মই নাটকখন অসমীয়ালৈ অনুবাদ কৰি দিব লাগে। মই ক'লো,— হ'ব, দিম। পাছদিনাই তেওঁ মোক নাটকখনৰ বাংলা অনুবাদ 'থানা থেকে আসছি' নামৰ কিতাপখন দিলে। হাতলৈ কাম এটা অহাৰ কাৰণে ভাল পালো। বাংলা কিতাপখনৰ ভাষা বৰ ভাল আছিল। সাদিনমানৰ ভিতৰতে অনুবাদৰ কাম শেষ কৰিলো। তছদ্দুকে নামটো অনুবাদ কৰিবলৈ নিদিলে; 'এন ইন্সপেক্টৰ কলছ' হৈ থকাই ভাল বুলি ক'লে।

তাৰ পাছত ব্ৰডৱে'ত বহি আমাৰ বন্ধুবৰ্গই ঠিক কৰিলে,— নাটকখন মঞ্চস্থ কৰা হওক। প্ৰবাসৰ পৰা আহি নগাঁৱত দীঘলীয়াকৈ থাকিবলগীয়া দিনখিনিত গীত-মাত-নাটক সম্পৰ্কীয় অনুষ্ঠান একোটাৰ আয়োজন কৰাটো মোৰ চখৰ কাম আছিল। তেনেকুৱা এটা উল্লেখযোগ্য অনুষ্ঠানৰ কথা যথা সময়ত ক'বলৈ নহ'ল। এতিয়া কৈ থওঁ। সেইটো আছিল 'মুক্তিৰ স্বপ্ন' নামৰ নৃত্য আৰু সংগীতৰ নাটিকা এখন মঞ্চস্থ কৰাৰ অনুষ্ঠান। প্ৰবোধ শৰ্মা তেতিয়া আছিলহি মহাদেৱেক যজ্ঞেশ্বৰ শৰ্মা ছাৰৰ ঘৰত। আমি দুয়ো তেতিয়া কলিকতাত থকা 'প্ৰবাসী'। প্ৰবোধে কাহিনী আৰু গীত ৰচনা কৰিলে, গীতবোৰৰ সুৰ দিলে, নিজেও গালে, লোককো শিকালে, আৰু ফৌজদাৰীপটিৰ 'আৰতি নৃত্য'ই আগবঢ়াই থোৱা এজাক ছোৱালীক কৃষ্ণমূৰ্তি হাজৰিকাই নাচ শিকালে। এমাহমান যেন আমাৰ খাৱন-শোৱন নাই। শেষত এদিন বেংগলী নাট্য মন্দিৰত মহা আড়ম্বৰেৰে মঞ্চস্থ কৰা হ'ল 'মুক্তিৰ স্বপ্ন'! প্ৰবোধ শৰ্মাই আঁৰৰ পৰা গম্ভীৰ কণ্ঠেৰে গালে,— "জ্বলন্ত নীহাৰিকাপুঞ্জ, মোৰ স্বপ্ন, মোৰ স্বপ্ন—।" অনুষ্ঠানটোৰ প্ৰযোজক আছিল— The Alien. Alien শব্দটো প্ৰবাসী বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। প্ৰবোধে কোৱা মতে নামটো যজ্ঞেশ্বৰ শৰ্মা ছাৰে দিছিল।

সেইবোৰ কোন পৰ্যায়ৰ শিল্পকৰ্ম আছিল, সেই বিষয়ে আমি চিন্তা কৰা নাছিলো; কিন্তু এজাক মানুহে যে এটা ভাল কামত লাগি সময় কটাব পাৰিছিলো, সেইটোৱেই আমাৰ কাৰণে আনন্দৰ কথা আছিল।

এইবাৰ 'এন ইন্সপেক্টৰ কলছ'ৰ কথা ওলাওঁতে মোৰ সেই চখে মূৰ দাঙি উঠিল। তছদ্দুক ইউছুফ, দুলু বেজবৰুৱা, অহীন্দ্ৰ শৰ্মা (এওঁ তেতিয়া ডেকা শিক্ষক আছিল; ঢুকাল।), জ্ঞানদা বৰা, দুলালী ভুঞা (জনাজাত সমাজকৰ্মী হলধৰ ভুঞাৰ কন্যা), আৰু আভা বৰুৱা (সেই সময়ৰ নগাঁৱৰ বিভিন্ন সামাজিক কামত আগৰণুৱা ছাত্ৰী; বৰ্তমানে আমেৰিকা যুক্তৰাষ্ট্ৰনিবাসী),— এইসকল হ'ল অভিনেতা-অভিনেত্ৰী। আকৌ সেই একে। এমাহমান যেন খাবলৈ-শুবলৈও সময় নাই। এদিন শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত নাটখন মঞ্চস্থ কৰা হ'ল। ৰাতিপুৱাৰে পৰা অহা পেনপেনীয়া বৰষুণে আবেলিলৈ নগৰখন গেলাই পেলালে। থিয়েটাৰ আৰু আমাৰ লগত ঘনিষ্ঠ সম্বন্ধ থকা কিছু মানুহৰ

বাহিৰে দৰ্শক হ'বলৈ বিশেষ কোনো নাহিল। নাটক অনুবাদ কৰাৰ পৰা, কুতুবুদ্দিন চাহাবৰ ঘৰৰ ড্ৰইংৰুমৰ সুদৃশ্য ছোফা ছে'টটো ষ্টেগু-লাইট সহকাৰে থিয়েটাৰৰ ছেটিংছ কৰিবলৈ ঘোঁৰাগাড়ীৰে কঢ়িয়াই অনাৰ কষ্টলৈকে,— এই সকলোৰে শতকৰা আশী ভাগ অথলে গ'ল।

প্ৰসংগক্ৰমে, এই নাটকখন কেইবাটাও কাৰণত মই ভাল পাইছিলো। বহুদিনলৈ নাটকখনৰ মোহ এৰিব পৰা নাছিলো। গুৱাহাটী বিশ্ববিদ্যালয়ত চাকৰি কৰি থকা কালত ৰাজেন শৰ্মা (নগাঁও), ঘন হাজৰিকা (উত্তৰ লক্ষীমপুৰ), শান্তনু তামুলী (গোলাঘাট), অমৰ বৰুৱা (যোৰহাট), মল্লিকা বৰপূজাৰী (পাছলৈ মল্লিকা বৰুৱা; তেজপুৰ) আৰু মণিকা বৰুৱাক (পাছলৈ মণিকা শইকীয়া; নগাওঁ) অভিনেতা-অভিনেত্ৰী হিচাপে লৈ ড. বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত নাটকখন মঞ্চস্থ কৰিছিলো। অসমৰ এটা সংবাদ-সেৱা সংস্থা আৰু পুলিছ বিভাগৰ পৃষ্ঠপোষকতাত এইটো গোষ্ঠীয়ে নাটকখন গুৱাহাটীৰ জিলা পুথিভঁৰাল আৰু শ্বিলঙৰ ৰাজ্যিক পুথিভঁৰাল প্ৰেক্ষাগৃহতো মঞ্চস্থ কৰিছিল। সেইকেইবাৰ দৰ্শকৰ অভাৱ হোৱা নাছিল। সেয়া আমাৰ নগাঁৱৰ প্ৰথম উদ্যমৰ ন-দহ বছৰৰ পাছৰ কথা। আন যিয়েই নহওক, অন্ততঃ নাটকখনৰ প্ৰতি থকা মোৰ সদ্ভাৱৰ মান ৰক্ষা পৰিল বুলি মই আশ্বস্ত হৈছিলো।

# আঠ

জুলাই মাহৰ শেষৰ ফালে ঘৰ-পৰ বিভিন্ন উৎসৱ পৰা ডেৰমাহমানৰ জোখাৰে পইচা গোটাই গুৱাহাটীলৈ আহিলো। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা চাকৰি সম্পৰ্কীয় চিঠি পাইছিলো। ষ্টেছনলৈ যোৱা বাটটোৰ কাষত এতিয়া য'ত পর্যটন বিভাগৰ ঘৰ-দুৱাৰ আছে, তাতে এটা ডাক-বঙলা আছিল। আগফালে আৰু একাষে বহল-দীঘল বাৰাণ্ডা, সেই বাৰাণ্ডাত কাঠ-বেতৰ ডাঙৰ-ডাঙৰ হেলনীয়া চকী;— ইংৰাজৰ দিনৰ আদৰ্শ নমুনাস্বৰূপ ডাকবঙলা। তাৰে এটা কোঠাত থাকিবলৈ লৈ ভাৰাঘৰ বিচৰাৰ অভিযান আৰম্ভ কৰিলো। মোৰ সেই অভিযানৰ এটা খশুৰ লগৰীয়া আছিল হীৰেন ভট্টাচাৰ্য। পিছে বাটে-বাটে ঘূৰি ফুৰা অভিযানে কাম নিদিলে। আগষ্টৰ এক তাৰিখে চাকৰিত যোগ দিয়া চিঠিখন দিবলৈ ৰেজিষ্ট্ৰাৰৰ অফিছলৈ যাওঁতে চিনাকি মানুহ এজনক ক'লো,— মোক ভাৰাঘৰ এটাৰ খবৰ দিয়ক। ক'বলৈ পালোহে, তেওঁ লগে-লগে মোক ভাৰাঘৰৰ মালিক এজনৰ মুখামুখি কৰাই দিলে ঃ কনফিডেনছিয়েল ব্ৰাঞ্চৰ ছুপাৰিণ্টেণ্ডেণ্ট মহেন্দ্ৰ চন্দ্ৰ দাস। সেইদিনাই তেখেতৰ ভৰলুমুখৰ ভাৰাঘৰটো চালো, আৰু মাহে আশী টকা ভাৰাত বন্দবস্ত কৰি পেলালো।

পদাৰ্থবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক পৱন চন্দ্ৰ মহন্ত ছাৰে মোৰ সৈতে কথা-বতৰা পাতি প্ৰথম-প্ৰথম মোক ৰিলেটিভিটিৰ স্পেছিয়েল থিয়'ৰি পঢ়াবলৈ ক'লে। পাছদিনাৰ পৰা লাইব্ৰেৰিত বহিবলৈ আৰম্ভ কৰিলো। ডাক-বঙলালৈও কিতাপ লৈ আহিলো। ছাত্ৰ অৱস্থাত এই বিষয়টো মোৰ কাৰণে আকৰ্ষণীয় আছিল। কিন্তু, তেতিয়া পৰীক্ষাৰ প্ৰশ্নৰ উত্তৰ লিখিব পৰাকৈ জ্ঞান আহৰণ কৰা কথাটোৱে গুৰুত্ব লাভ কৰিছিল। তদুপৰি, বহুত দিন অন্য ক্ষেত্ৰৰ পঢ়া-শুনা কৰি থকাৰ কাৰণে ৰিলেটিভিটি মনৰ পৰা অলপ আঁতৰি গৈছিল। গতিকে অন্যান্য ভাব-চিন্তা বিসৰ্জন দি কিছুদিন কেৱল ৰিলেটিভিটি পঢ়াত লাগিলো। মই বুজিলো,— মই পৰীক্ষাৰ বহীত কিবা লিখিম, কোনোবা পৰীক্ষকে সেই বহীত নম্বৰ দিব,— এতিয়া কথাটো তেনেকুৱা নহ'ব। এতিয়া মই পৰীক্ষা দিম, আৰু ফিজিক্সত এম. এছ. ছি পঢ়িবলৈ যোগ্যতা অৰ্জন কৰা এজাক বুদ্ধিমান পৰীক্ষক মোৰ সমুখত বহি থাকিব। এওঁলোকৰ হাতত কম নম্বৰ পোৱাটো মই সহ্য কৰিব নোৱাৰিম। গতিকে পঢ়াবলৈ লওঁতে বিষয়টো মোৰ বেছি ভালকৈ পঢ়া হ'ল।

অলপ আগৰ কথালৈ উভতি যাওঁ। চাকৰি আৰম্ভ কৰিলো, ঘৰ ভাৰালৈ ল'লো; কিন্তু ডাক-বঙলা লগে-লগে এৰিব নোৱাৰিলো। ভাৰাঘৰত ঘৰখন পাতিবলৈ মোকতো সহায়ক এজন লাগে! ৰন্ধা-বঢ়া, সৰা-মচা, পঢ়া-শুনা,— অকলে মই কেনেকৈ চম্ভালিম? এদিন বিশ্ববিদ্যালয়ৰ পৰা উভতি গৈ ডাক-বঙলাৰ বাৰাণ্ডাৰ হেলনীয়া চকীখনত বহি আছোঁ,— ৰতন শৰ্মা আহি উপস্থিত। লাইফ ইন্সিঅ'ৰেন্স কৰপৰেশ্যনৰ চাকৰিয়াল শৰ্মা সাহিত্যকৰ্মৰ প্ৰতি আগ্ৰহ থকা মানুহ। নিজৰ ভাব-চিন্তা প্ৰতিভা অনুসৰি কিছু লিখা-মেলা কৰাৰ উপৰিও তেওঁ বিভিন্ন সময়ত বিভিন্ন অসমীয়া আলোচনীৰ হৈ লেখক-লেখিকাসকলৰ লগত যোগাযোগ ৰক্ষা কৰি আহিছে। আপুনি যদি কয়,—"চাওঁচোন বাৰু। পাৰোঁ যদি...", তেওঁ মুখতে ধৰিব,—"পাৰোঁ যদি নহয়; মই অমুক তাৰিখে আহি লেখাটো লৈ যাম।" নিজে ঠিক কৰা সেই তাৰিখত তেওঁ লেখকজনৰ ঘৰত উপস্থিত হ'বহিয়েই। যদি সেইদিনা লেখকজনে লেখাটো দিব নোৱাৰিলে, আৰু কেতিয়া দিব পাৰিব ক'ব নোৱাৰিলে, তেনেহ'লে শৰ্মাই নিজেই আৰু এটা দিন ঠিক কৰিব। মোৰ বিশ্বাস,-- প্ৰায় গলধনলৈকে পৰা চুলিৰে, ক'লা ৰঙৰ, চুটি-চাপৰ, চছমা আৰু পায়জামা-পাঞ্জাবি পিন্ধা এই হাঁহিমুখীয়া মানুহজনৰ তাগিদাত সেই সময়ত গুৱাহাটী নগৰৰ বহু লেখক-লেখিকাৰ লিখা কাম আগ বাঢ়িছিল।

ওচৰৰ কাঠৰ চকীখনত বহিয়েই শৰ্মাই ক'লে,— মণিদীপৰ কাৰণে গল্প এটা লাগে। লাগে মানে লাগেই। মই সুধিলো, মই ক'ত আছোঁ আপুনি দেখিছেনে নাই? চ'থাদিনা চাকৰিত জইন কৰিছোঁ, ঘৰ এটা ভাৰালৈ লৈ ডাক-বঙলাত বহি আছোঁ। প্ৰথমে মোক ৰন্ধা-বঢ়া, ঘৰ চম্ভালিব পৰা ল'ৰা এটা দিয়ক; তাৰ লগত লাগি ভাৰাঘৰত থিতাপি লওঁগৈ; তাৰ পাছত আপোনাৰ কাৰণে গল্প লিখা আৰম্ভ কৰিম। শৰ্মাই ক'লে— ঠিক আছে। কাইলৈ মই ল'ৰা এটা আপোনাৰ ওচৰলৈ লৈ আহিম।

ইমান 'ডাঙৰ' সমস্যা এটাৰ ইমান সহজে সমাধান হ'ব বুলি মই ভবাই নাছিলো। পাছদিনা আবেলি সঁচাকৈয়ে ল'ৰা এটা লগত লৈ শৰ্মা আকৌ ডাক-বঙলাত উপস্থিত হ'লহি। সেইদিনা হেলনীয়া চকীখনৰ ওচৰত দুখন কাঠৰ চকী আছিল। এখনত ৰতন শৰ্মা বহিল, ইখনত ঠেঙৰ ওপৰত ঠেং তুলি ল'ৰাটো বহিল। শৰ্মাই ক'লে — এইটো ল'ৰা। নাম পবিন দত্ত। ঘৰ টিহুত। ঘৰুৱা কাম সকলো কৰিব পাৰিব।

প্ৰবীণ দত্ত? নহয়। ল'ৰাটোৱে পৰিষ্কাৰকৈ ক'লে— পবিন দত্ত।

সেইদিনাই পবিন দত্তক চাকৰিত মকৰল কৰিলো। ক'লো,— কাইলৈ এনেকুৱা সময়তে ইয়ালৈ আহিবা। দুয়ো লগ লাগি বজাৰ-সমাৰ কৰিম। ৰতন শৰ্মাক সুধিলো,— এওঁ অকলে আহিব পাৰিব নে? শৰ্মাই ক'লে,— পাৰিব। ই ভৰলুমুখৰ ওচৰতে আছেহি। ৰে'লৰ ৰাস্তাইদি আহি থাকিব। সেইটো ৰাস্তাৰ বাহিৰে সি অইন ৰাস্তা চিনি নাপায়।

বজাৰ-সমাৰ বৰ হিচাপ কৰি কৰিবলগীয়া হ'ল। প্ৰথম মাহৰ দৰমহা নোপোৱালৈকে কোনোমতে চলিব লাগিব। দীঘলীপুখুৰীৰ পাৰত তেতিয়াৰ দিনত ৰং-চং, বাৰ্নিছ-তাৰ্নিছ একো নকৰা বগা-বগা চকী, মেজ, তক্তাপোচ, আলনা আদিৰ বজাৰ বহিছিল। সেইবোৰক আমি ৰিফিউজিৰ ফাৰ্নিচাৰ বুলিছিলো। তাৰ পৰা পাঁচ টকা দি হেণ্ডেল থকা চকী এখন, আৰু ছটকা দি অলপ ডাঙৰ আকাৰৰ মেজ এখন কিনিলো। লাখটকীয়াৰ পৰা ত্ৰিছ টকা দি বেচিবলৈ সাজু কৰি থোৱা 'পালেং' এখন কিনিলো। সেয়াই বজাৰৰ আৰম্ভ।

আগষ্ট মাহৰ আঠ তাৰিখে ভাৰাঘৰত প্ৰথম পৱিনে ৰন্ধা ভাত খালো। নগাঁও এৰি গুৱাহাটী নিবাসী হোৱাৰ শেষ অধ্যায়টো আৰম্ভ হ'ল।

বিছনা, ৰন্ধা-বঢ়া-খোৱা,— এইবোৰৰ মোটামুটি ব্যৱস্থা এটা হ'ল, কিন্তু 'ড্ৰইংৰুম'? বন্ধু-বান্ধৱৰ সংখ্যাটো বৰ সৰু নহয়। তেওঁলোকৰ কোনোবা আহিলে অন্ততঃ বহিবলৈ দিয়াৰ সুবিধা অকণমান—! সেই সময়ৰ মোৰ জ্যেষ্ঠভ্ৰাতাপ্ৰতিম শুভাকাংক্ষী, সংবাদসেৱী, লেখক তিলক হাজৰিকাৰ ওচৰলৈ গৈ ক'লো,— মোক বহা-কোঠালিৰ ফাৰ্নিচাৰ কিনিবলৈ পইচা অলপ ধাৰলৈ লাগে। কিমান? আশী টকা। তেখেতে লগে-লগে টকা আশীটা দিলে। সেই সময়ত বেতৰ চকী-মেজৰ কাৰিকৰসকলে এটা বৰ জনপ্ৰিয় 'ছে'ট' নিৰ্মাণ কৰিছিল ঃ দুখন এজনীয়া চকী, এখন দুজনীয়া চকী, আৰু মাজতে এখন গোল মেজ। মেজখনৰ তলৰ মহলাত খবৰ-কাগজ, আলোচনী আদি থব পাৰি। দাম আশী টকা। লাখটকীয়াৰ এখন দোকানৰ পৰা তেনেকুৱা এটা ছে'ট কিনি আনি 'ড্ৰইংৰুমৰ ভেটি স্থাপন' কৰিলো।

তাৰ পাছত এই আঠত্ৰিছ বছৰে আমাৰ ঘৰত বহু ফাৰ্নিচাৰৰ প্ৰবেশ-প্ৰস্থান ঘটিল; এসময়ৰ এক নম্বৰৰ বস্তুটো কালক্ৰমে দুই নম্বৰৰ হ'ল, দুই নম্বৰৰ বস্তুটো পেলনীয়া হ'ল; কিন্তু সেই ছটকীয়া মেজখন আৰু বেতৰ চকী-মেজৰ ছে'টটোৱে আমাৰ লগ এৰা নাই। এসময়ত মোৰ লিখা-পঢ়া কামৰ বাবে উন্নত ধৰণৰ মেজৰ ব্যৱস্থা হ'ল; কিন্তু সেই ছটকীয়া মেজখনেও গেছৰ চৌকাৰ পৰা আৰম্ভ কৰি টাইপ ৰাইটাৰ, প্লাষ্টিকৰ ফাইললৈকে বিচিত্ৰ ধৰণৰ, মোৰ বাবে গুৰুত্বপূৰ্ণ বোজা বহন কৰি আহিছে। সময়ৰ লগত খোজ মিলাই এতিয়া মেজখনে কমপিউটাৰ, প্ৰিণ্টাৰ আৰু মোৰ ডায়েৰিবিলাকৰ ভাৰ বহন কৰিছে। বেতৰ ছে'টটোৰ মাজৰ মেজখন সন্ধ্যাবাগৰ শুটিঙৰ সময়ত হেৰাল। চকীকেইখন আজিও অন্দৰমহলৰ অপৰিহাৰ্য সামগ্ৰী হৈ আছে। গুৱাহটীয়া সংসাৰৰ আৰম্ভণিৰ সম্পদ!

আমাৰ ভাৰাঘৰটো মহেন্দ্ৰ চন্দ্ৰ দাসৰ মূল ঘৰটোৰ পিছফালে আছিল। ভৰলুৰ পাৰৰ পৰা এটা ঠেক কেঁচা মাটিৰ বাটেদি কিছুদূৰ খোজ কাঢ়ি গ'লে আমাৰ ঘৰত সোমোৱা চিৰিকেইটা পোৱা গৈছিল। চিৰিতে থিয় হৈ মই দুৱাৰৰ তলা খুলিছিলো, আৰু দুৱাৰখন

খুলিলেই আমাৰ 'ড্ৰইংৰুম'! চিৰি পাৰ হৈ বাটটো এখন পিটনিৰ ফালে গৈছিলগৈ। বাটটোত বোকা হ'লে সেইফালেদি অহা-যোৱা কৰা মানুহে আমাৰ ঘৰৰ চিৰিৰ ওপৰেদি খোজ কাঢ়ি বোকাৰ পৰা ভৰি বচাইছিল। সেইফালে কেইঘৰমান নেপালী মানুহ আৰু এঘৰ অসমীয়া মানুহ আছিল। সেইঘৰ মানুহৰ মূল মানুহজনৰ নাম আছিল নন্দ দাস। তেওঁ নুনমাটিৰ ৰিফাইনেৰিত ড্ৰাইভাৰৰ চাকৰি কৰিছিল। কালক্ৰমত তেওঁ মোৰ গাড়ী চলোৱা শিক্ষাৰ গুৰু হৈছিল। ৰে'লৰ আলি আৰু আমাৰ ঘৰৰ মাজৰ ঠাইডোখৰত দুটা জুপুৰি আছিল। তাত দুজনী বাই-ভনীয়ে বাস কৰিছিল। বায়েকজনী বিবাহিতা বুলি অনুমান কৰিছিলো। দিনটো মোটামুটি ঠিকেই পাৰ হৈছিল, কিন্তু ৰাতি প্ৰায়েই ঘৰ দুটাত মতা-তিৰোতাৰ দুৰ্বাদল কাজিয়া লাগিছিল। কেতিয়াবা কোনোবা এজনীয়ে বকি-বকি ওলাই আহি আমাৰ ঘৰৰ চিৰিতে বহি লৈছিল, আৰু তাৰে পৰা প্ৰতিপক্ষৰ গালি-শপনিৰ উত্তৰ দি থাকিছিল। দিনটোৰ ভিতৰত ঢেৰ ৰে'লগাড়ীয়ে উজনি-নামনি কৰি আছিল, আৰু কোনো-কোনো ৰে'লৰ শব্দত আমাৰ ঘৰটোৰ অলপ-অলপ কঁপনি উঠিছিল। ৰে'লৰ আলিটোৰ সিপাৰে নামঘৰ, পূজাঘৰ আৰু ৰেল্ট গুৱাহাটী ক্লাবৰ ঘৰ। আবেলি আইসকলে তাত নাম লয়; সন্ধিয়া ক্লাবত আবুল লেইচ, যদু বৰা (অভিনেতা), ভূপেন দাস (গুৱাহাটী বিশ্ববিদ্যালয়ৰ এসময়ৰ ডাইৰেক্টৰ, ষ্টুডেণ্টছ্ ৱেলফেয়াৰ), দীনেশ গোস্বামী (পাছলৈ ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সদস্য) আদি স্থানীয় ডেকাসকলে তাচ খেলে, ক্লাবৰ কথা আলোচনা কৰে। কেতিয়াবা ময়ো ঘাইকৈ লেইচক লগ ধৰিবলৈ গৈ তাতে বহি থাকোঁ। এইফালে নাহি ভৰলুৰ পাৰে-পাৰে ওভোতাফালে গ'লে আমাৰ ঘৰৰ পৰা তেনেই ওচৰতে ৰাজবালা দাসৰ (গুৱাহাটীৰ সন্দিকৈ কলেজৰ প্ৰিন্সিপাল হিচাপে প্ৰসিদ্ধ) পৰিয়ালৰ 'গুৱাহাটী প্ৰেছ'। সেইটো প্ৰতিষ্ঠানৰ পৰাই ড. মহেন্দ্ৰ বৰাৰ সম্পাদনাত মণিদীপ প্ৰকাশিত হয়। পাছলৈ তাৰে 'অসম বাতৰি' কাকতৰ সম্পাদক হিচাপে আহিল চন্দ্ৰপ্ৰসাদ শইকীয়া; তাৰ পাছত আহিল চাৰু মহন্ত (পাছলৈ অসম বিদ্যুৎ পৰিষদৰ তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া) আৰু প্ৰফুল্ল চন্দ্ৰ বৰুৱা (পাছলৈ দৈনিক জনমভূমি, দৈনিক অসম আদি কাকতৰ সম্পাদক)। সময়-সুবিধা পালে আৰু মন গ'লে বহিবলৈ 'অসম বাতৰি'ৰ অফিছটোত মোৰ কাৰণে এডোখৰ ভাল ঠাই ওলাইছিল। এই ঠাইডোখৰ আৰু মোৰ সাহিত্যকৰ্মৰ সম্বন্ধৰ কথা পাছত উল্লেখ কৰিবলৈ সুবিধা উলিয়াব পাৰিম। সদ্যহতে মই মোৰ নতুন চুবুৰিটোৰ ভৌগোলিক বৰ্ণনাটো দি লৈছোঁ। ভৌগোলিক দিশৰ পৰা আমাৰ ভাৰাঘৰটো বৰ আমোদজনক ঠাইত অৱস্থিত আছিল।

এইটো ঘৰতে মোৰ জীৱনৰ এটা নতুন দশক আৰম্ভ হ'ল। দশকটোৰ গুৰুত্বপূৰ্ণ কথাবোৰলৈ নিশ্চয় আহিম, কিন্তু তাৰ আগতে এই পবিন দস্তৰ অধ্যায়টো শেষ কৰি থওঁ। কথাৰ ভিৰৰ মাজত সি কেনেবাকৈ হেৰাই গ'লে মই বৰ দুখ পাম।

ৰন্ধা-বঢ়া কৰা, ঘৰখন ঠিক-ঠাককৈ ৰখা, বজাৰ-সমাৰ কৰা,— এইবোৰ কামত মোৰ যি জ্ঞান-বুদ্ধি আছিল, তাৰে পবিন দত্তক সমৃদ্ধ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিলো। কিছুদিনৰ পাছতে দেখা গ'ল,— সি সেই ডাক-বঙলাৰ বাৰাণ্ডাৰ চকীত ঠেঙৰ ওপৰত ঠেং তুলি বহা, কেৱল ৰে'লৰ আলিটো চিনি পোৱা পবিন হৈ নাথাকিল। কম সময়ৰ ভিতৰতে আমাৰ দুটাৰ মাজত এবিধ বুজাবুজি হৈ গ'ল। এদিন মই তাক ক'লো,— পুৱা মই সোনকালে উঠোঁ। উঠাৰ পাছতে মোক চাহ একাপ লাগে। কিন্তু মই উঠিয়েই শুই থকা মানুহ জগুৱাবলৈ টান পাওঁ। গতিকে তোৰ কোঠালিত কলিং বে'ল লগাম, মোৰ বিছনাৰ ওচৰত ছুইচ থাকিব; ময়ো উঠিম, তয়ো উঠিবি,—বাচ, মিলি যাব।

এদিন তাক কিতাপ-বহী আনি দি ক'লো,— ক্লাছ এইটলৈকে পঢ়িছিলি যেতিয়া বাকীখিনিও পঢ়। মেট্ৰিক পাছ কৰ।তোক পঢ়াবলৈ মোৰ সময় ওলাব। সেইমতে তাক হোমৱৰ্ক দিবলৈ ধৰিলো। কিন্তু কিছুদিনৰ ভিতৰতে মোৰ ধাৰণা হ'ল,— আমাৰ পৰিশ্ৰমে ঈপ্সিত ফল আনিব নোৱাৰিব। তাৰ মগজৰ যিটো অৱস্থা, তাৰ লগত যুঁজিবলৈ তাৰো উদ্যম নাই, মোৰো সময়-সুবিধা নহ'ব। কিন্তু মই বিশ্ববিদ্যালয়লৈ ওলাই যাম, সি আবেলিলৈকে এনেয়ে থাকিব,— এইটো ক্ষতিকৰ কথা। গুৱাহাটী প্ৰেছৰ তত্ত্বাৱধায়ক দেবেন দাসক ক'লোগৈ,— ই পুৱা দহ বজাত আহিব, আবেলি চাৰে তিনি বজাত যাব;— এইখিনি সময়ত তাক কম্পজিটৰৰ কাম শিকাই দিলে মই আপোনালোকৰ ওচৰত কৃতজ্ঞ হ'ম। তাক টকা-পইচা একো দিব নালাগে। দেবেন দাস সন্মত হ'ল। চাৰিমাহমানৰ পাছতে প্ৰেছ-কৰ্তৃপক্ষই পবিনক উপযাচি মাহে বিছ টকা দৰমহা দিবলৈ আৰম্ভ কৰিলে।

১৯৬৪ চনত মই যেতিয়া ভৰলুমুখ এৰি বিশ্ববিদ্যালয় চৌহদলৈ যাওঁ, পবিন মোৰ লগতে গ'ল। তাৰ পৰাই সি প্ৰেছৰ 'চাকৰি' কৰিবলৈ ধৰিলে। এদিন সি মোক ক'লে,— মালীগাঁৱত থকা শ্ৰীগুৰু প্ৰেছৰ কৰ্তৃপক্ষই তাক মাহে ষাঠি টকা দৰমহাৰ চাকৰি যাচিছে। মই ক'লো,— মোৰ পাৰ্মিছন ল'ব নালাগে; যিসকলে তোক কাম শিকাইছিল, তেওঁলোকৰ পাৰ্মিছন ল। গুৱাহাটী প্ৰেছে অৱশ্যে পবিনক খোলা মনেৰেই বিদায় দিলে। মালীগাঁও ওচৰ, গতিকে মোৰ লগত থাকি চাকৰি কৰিবলৈ পবিনৰ আগতকৈ সুবিধা হ'ল। মোৰ লগত থাকিয়েই পবিনে মোৰ বিয়া দেখিলে; মোৰ প্ৰথম সন্তান জিণ্টি (সংগীতা) তাৰ কোলাত উঠিল, আৰু তাৰ উপাৰ্জন মোৰ ওপৰত ভাৰসা নকৰাকৈ চলিব পৰা জোখৰ হ'ল। এদিন প্ৰেছৰ ওচৰৰে মেছ এটাত থকাৰ সুবিধা পাই সি মোক সুধিলে,— যাম নে কি? মই ক'লো,— যা, মুকলি হৈ থাকি চা। এদিন বেগটো আৰু কোলাত জিণ্টিক লৈ সি গে'টৰ বাহিৰ ওলাল। গে'টৰ বাহিৰৰ পৰা মই জিণ্টিক ওভোতাই আনিলো।

বহুত দিনৰ পাছত বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ অফিছতে আমি

এটা সৰু প্ৰেছ খুলিছিলো। খবৰ পাই পবিন মোৰ ওচৰলৈ আহিল। কনট্ৰেক্ট ছিষ্টেম হ'লেও সি এইটো প্ৰেছতে কাম কৰিব।

এসময়ত মই বিশ্ববিদ্যালয় এৰিলো। ১৯৮১ চনত দিছপুৰ-বেলতলা অঞ্চলত আমাৰ ঘৰটো সাজিবলৈ লৈ গম পালো,— আমাৰ মাটিডোখৰৰ কাষেদি যোৱা ৰাস্তাটোৰে অলপ দূৰ গ'লে ধ্ৰুৱ নাৰায়ণ বৰুৱাৰ হেমাংগ প্ৰিণ্টাৰ্ছ নামৰ প্ৰেছটো পোৱা যায়;— আজিকালি পবিনে তাতে কাম কৰে। প্ৰেছৰ কামৰ পৰা আজৰি পোৱা সময়খিনিত পবিনে আমাৰ ঘৰটো সজা কামত বহুত সহায় কৰিলে। এইটো নিশ্চয় গুৱাহাটীত আমি থকা শেষ ঘৰ। তাতো পবিনৰ হাত লাগিল। আমোদজনক কথা।

এদিন পবিনে মোক এখন ছাৰ্টিফিকেট খুজিলে,—'দি ছেণ্টিনেল' নামৰ কাকতখন প্ৰকাশ কৰিবলৈ লোৱা ওমেগা প্ৰিণ্টাৰ্ছ নামৰ প্ৰতিষ্ঠানটোত সি চাকৰি বিচাৰিব খোজে। মই ছাৰ্টিফিকেটখন দিছিলো ঃ ১৯৬১ চনৰ পৰাই মই পবিন দত্তক ঘনিষ্ঠভাৱে জানো। তেওঁ এজন...।

তাৰ পাছত বহুদিন পবিনৰ খবৰ পোৱা নাছিলো। এদিন বিশ্ববিদ্যালয়ত মই এৰি থৈ অহা অফিছটোৰ যতীন দত্তই খবৰ দিলে— পবিন ঢুকাল। সি পৰিবাৰ আৰু দুটা সন্তান এৰি থৈ গৈছে।

তাৰ কিছুদিনৰ পাছত খবৰ পাইছিলো,— পবিনক মোৰ লগ লগাই দি গুৱাহাটীত ঘৰ পতাত মোক সহায় কৰোঁতা ৰতন শৰ্মাও ঢুকাল। অকালতে।

সেই সময়ত মই পঢ়াবলগীয়া ক্লাছটোত ছাত্ৰ-ছাত্ৰী ওঠৰজনমান আছিল। ক্লাছৰুমৰ ভিতৰতে সকলোৰে লগত ব্যক্তিগত সম্পৰ্ক স্থাপন কৰিব পৰা অৱস্থা। মই সপ্তাহত, দিনে এটাকৈ, পাঁচটা থিয়'ৰি ক্লাছ ল'ব লাগিছিল, আৰু তিনিটা প্ৰেকটিকেল ক্লাছ চোৱা-চিতা কৰিব লাগিছিল। প্ৰেকটিকেল ক্লাছকেইটাৰ কাৰণে বিশেষ পৰিশ্ৰম কৰিব নালাগিছিল। সেই সময়ত গৱেষণাৰ কাম কৰাৰ প্ৰশ্ন উত্থাপিত হোৱা নাছিল;— কাৰণ মোৰ গৱেষণাৰ কাম আছিল যন্ত্ৰ-নিৰ্ভৰ, আৰু সেইবোৰ যন্ত্ৰ-পাতি আমাৰ বিভাগটোত নাছিল। মোৰ ভাগত পৰা বিভাগীয় সকলো কাম সম্পন্ন কৰাৰ পাছতো দিনটোত, সপ্তাহটোত, মাহটোত মোৰ হাতত ঢেৰ সময় থাকি গৈছিল। চাকৰিৰ লগত যিমান সময় খৰচ হৈছিল তাৰ প্ৰায় দুগুণ। শোৱা-খোৱাৰ সময় বাদ দিও। গতিকে সেইবোৰ সময়ত মনৰ ভিতৰৰ পৰা যি কামৰ বাবেই উচটনি পাইছিলো, সেই কামকে কৰিবলৈ লৈছিলো। ভৰলুমুখৰ ঘৰটোত থাকিবলৈ লৈ প্ৰথমে ৰতন শৰ্মাক দিয়া কথা ৰাখিবলৈ গল্প এটাৰে 'বাহিৰা কাম' আৰম্ভ কৰিছিলো। কিছুদিনৰ ভিতৰতে ছপা আখৰৰ মাধ্যমৰ বাহিৰেও বাহিৰা কামৰ ভিতৰলৈ ৰেডিঅ' আৰু নাটমঞ্চৰ কামো সোমাল। বিদেশত

বহুদিন বহু সময় কোঠালিটোৰ ভিতৰত ৰেডিঅ'টোৱেই একমাত্ৰ সংগী হোৱাৰ কাৰণে, আৰু বি. বি. ছিৰ অনুষ্ঠান কিছুমানৰ সাঁচ মনত বহি যোৱাৰ কাৰণে আমাৰ ইয়াতো তেনেকুৱা কিছুমান অনুষ্ঠানৰ ব্যৱস্থা কৰিবলৈ বৰ মন গৈ আছিল। ড. হিৰণ্য চন্দ্ৰ ভূঞা ছাৰৰ লগত এটা অনুষ্ঠানৰ বিষয়ে কথা পতাৰ কথা আগতে কৈছোঁৱেই। এইবাৰ আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ বিষয়া ফণী তালুকদাৰৰ লগত অইন এটা অনুষ্ঠানৰ বিষয়ে কথা পাতিলো। বি. বি. ছিয়ে প্ৰচাৰ কৰা এটা অনুষ্ঠান এনেকুৱা ঃ আপুনি এটা ৰাস্তা বাছি লওক। ধৰি লওক লণ্ডনৰ বেকাৰ ষ্ট্ৰিট। এই ৰাস্তাটোৰ ভূগোল-বুৰঞ্জীবিষয়ক যিখিনি তথ্য আছে সেইখিনি নাটকীয় সুৰত উপস্থাপন কৰক; দুয়োপাৰে থকা দোকান-পোহাৰ, কাৰ্যালয় আদিৰ মানুহৰ লগত কথা পাতি ৰাস্তাটোৰ গুৰুত্ব কি, সেই কথা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰক। কিন্তু এইবোৰ কৰাৰ মুখ্য উদ্দেশ্যটো হ'ব,— ছাৰ আৰ্থাৰ কনান ডয়লৰ জীৱন আৰু সাহিত্যকৰ্মৰ বিষয়ে শ্ৰোতাক কিছু কথা কোৱা। কাৰণ সেইজন লেখকৰ বিখ্যাত নায়ক ছাৰ্লক হোমছৰ মূল কাৰ্যালয়টোৰ ঠিকনা আছিল ২২১ বি, বেকাৰ ষ্ট্ৰিট। ছাৰ্লক হোমছ যেনেকৈ কাল্পনিক মানুহ আছিল, তেওঁৰ কাৰ্যালয়ৰ ঠিকনাও তেনেকৈয়ে কাল্পনিক আছিল। কিন্তু ছাৰ্লক হোমছৰ কাৰ্যালয়ৰ নামতেই বেকাৰ ষ্ট্ৰিটটো পাঠকৰ মানত বিখ্যাত হৈ পৰিছিল। অনুষ্ঠানটোৰ মূল উদ্দেশ্য কনান ডয়লৰ কথা কোৱা, কিন্তু ইয়াৰ জৰিয়তে গোটেই বেকাৰ ষ্ট্ৰিটটোৰ লগতে শ্ৰোতাৰ ঘনিষ্ঠ সম্পৰ্ক ঘটোৱা হয়। বৰ আমোদজনক অনুষ্ঠান। আমাৰ ইয়াত আমি বাৰু একোটা ৰাস্তা লৈ আৰম্ভ নকৰোঁ, কিন্তু একোখন নগৰ লৈতো আৰম্ভ কৰিব পাৰোঁ। নগৰখনৰ চমু ইতিবৃত্ত, ইয়াৰ বৈশিষ্ট্য, ইয়াৰ অৱদান, ইয়াৰ কিছু বিশিষ্ট নাগৰিকৰ বক্তব্য আৰু পৰিচয়,— এনেকুৱা কিছু কথাৰেতো আমি এখন শব্দৰ 'আলেখ্য' প্ৰস্তুত কৰিব পাৰোঁ!

তালুকদাৰে লগে-লগে মোৰ প্ৰস্তাৱটো সমৰ্থন কৰিলে আৰু মোকেই দুখনমান নগৰৰ আলেখ্য প্ৰস্তুত কৰিবলৈ ক'লে। অনুষ্ঠানটোৰ নাম হ'ব—'নগৰে-চহৰে'। আকাশবাণীয়ে মোক এখন গাড়ী আৰু এগৰাকী সহকাৰী (জ্যোতি বৈৰাগী— পাছলৈ জ্যোতি সেনাপতি) দিলে। মই নিজৰ টেইপ ৰেকৰ্ডাৰটো ল'লো। (কৈ থওঁ ঃ এই টেইপ ৰেকৰ্ডাৰটোৰ কামৰ মান ভাল আছিল। এইটোৱে ৰেকৰ্ড কৰা বহু শব্দ আকাশবাণীৰ জৰিয়তে প্ৰচাৰ কৰা হৈছিল। আনকি চলচ্চিত্ৰৰ sound effect- অৰ কামতো যন্ত্ৰটোৱে সুফল দিছিল।) কেইদিনমান আজৰি সময়ত আমি গুৱাহাটীৰ বিভিন্ন ঠাইত 'সাক্ষাৎকাৰ' লৈ ঘূৰি ফুৰিলো। সেই সাক্ষাৎকাৰলানিত 'বিহগী কবি' ৰঘুনাথ চৌধাৰী ডাঙৰীয়াই কোৱা কথা এষাৰ মই গুৰুত্বপূৰ্ণ বুলি ভাবিছিলো। তেখেতে কৈছিল,— তেখেতসকলৰ ল'ৰালিৰ দিনত ফাঁচিবজাৰৰ কোনোবা এঠাইত এজোপা ডাঙৰ আঁহত গছ আছিল। সেই গছৰ ডালত বন্ধা ৰছীত ওলমাই চৰকাৰে অপৰাধীক ফাঁচি দিছিল, আৰু তেখেতসকল

সেই ফাঁচি দিয়া চাবলৈ গৈছিল। তেখেতৰ মতে সেইকাৰণেই সেই অঞ্চলটোৰ নাম ফাঁচিবজাৰ হৈছিল। ফাঁচিবজাৰৰ লগত জড়িত থকা এই কাহিনীটো তেখেতৰ বাহিৰে মই অইন কাৰো মুখত শুনা নাছিলো।

সেই সময়ত বৰ্তমানৰ নেহৰু ষ্টেডিয়ামটো নিৰ্মীয়মাণ অৱস্থাত আছিল। মনত পৰে,— সেই আঁচনিখনৰ গুৰি ধৰোঁতা ৰাধাগোবিন্দ বৰুৱাৰ সাক্ষাৎকাৰ লৈছিলো জজ খেলপথাৰৰ এচুকত থকা টাউন ক্লাবৰ সৰু ঘৰটোত।

এই প্ৰসংগত এটা কথা কৈ থওঁ। ৰাধাগোবিন্দ বৰুৱাৰ লগত তাৰ পাছত উল্লেখযোগ্য বিষয় লৈ মাত্ৰ আৰু এদিন মই কথা পাতিছিলো। আছাম ট্ৰিবিউন চৌহদত থকা তেখেতৰ তেতিয়াৰ বাসভৱনৰ আগফালৰ বাৰাণ্ডাত বহি থকা দেখি মই কাষ চাপি গৈ তেখেতক কৈছিলো,— আপোনালোকে অসমীয়া দৈনিক কাকত প্ৰকাশ কৰিছে, সাপ্তাহিক কাকত প্ৰকাশ কৰিছে; লগতে মাহেকীয়া আলোচনী এখন প্ৰকাশ কৰিলে বৰ ভাল হয়। তেখেতে মোৰ কথাটোৰ ওপৰত গুৰুত্ব দিছিল বুলি ধাৰণা হৈছিল;— কাৰণ, কিছুদিনৰ পাছতে সেইটো প্ৰতিষ্ঠানৰ পৰা 'অসমী' নামৰ মাহেকীয়া আলোচনী এখন প্ৰকাশ কৰাৰ কথা বিজ্ঞাপনৰ ৰূপত প্ৰচাৰ কৰা হৈছিল। অৱশ্যে কিবা কাৰণত আলোচনীখন ওলোৱা নাছিল।

আকাশবাণীৰ কথালৈ ওভতোঁ। গুৱাহাটীৰ পাছত মই নগাঁও নগৰৰ আলেখ্যৰ দায়িত্ব লৈছিলো। প্ৰথমে গৈ নামিছিলো মহেশ চন্দ্ৰ দেৱ গোস্বামী ছাৰৰ ঘৰত, তাৰ পাছত গৈছিলো সাৰদা বৰদলৈৰ ঘৰলৈ, তাৰ পাছত তাৰিকুদ্দিন আহমদৰ ঘৰলৈ,— ইত্যাদি। আলেখ্য দুখনত অকল সাক্ষাৎকাৰেই নাছিল; বৰ্ণনা, গীত-মাত, বুৰঞ্জী-ভূগোলৰ সহায়কাৰী শব্দ আদিও আছিল। নগাঁৱৰ আলেখ্যখনৰ আৰম্ভণিতে মুড়ি বেচা মানুহ এজনীয়ে দূৰৰ পৰা 'মুৰ্হি লাগে মুৰ্হি' বুলি চিঞৰি-চিঞৰি ওচৰ চাপি আহিছিল; আৰু তেনেকৈয়ে চিঞৰি-চিঞৰি দূৰলৈ গুচি গৈছিল। আমাৰ ল'ৰালি কালত নগৰখনৰ কেইবাটাও অঞ্চলত এই 'মুড়িৱালী' কেইজনীৰ মাতটো ৰাতিপুৱাৰ প্ৰথম 'ৰাজহুৱা' মাত আছিল। নাইবা ক'ব পাৰি,— কোনো-কোনো অঞ্চলৰ দিনটোৱে মুড়িৱালীৰ মাততহে সাৰ পাইছিল। তেতিয়াৰ দিনত নগৰখনৰ ভালেমান লোকৰ বাবে মুড়ি ৰাতিপুৱাৰ প্ৰিয়, ধনৰ ফালৰ পৰা বলে পৰা আৰু সহজে পোৱা খাদ্য আছিল। আমাৰো। এইখিনিতে এই প্ৰিয় খাদ্যবিধৰ লগত থকা মোৰ সম্পৰ্কৰ বিষয়ে কিছু কথা কৈ থ'বলৈ মন গৈছে; কিন্তু থাকক; আকাশবাণীৰ লগত হোৱা সম্পৰ্কৰ যিখিনি কথা মনলৈ আহে, আৰু ক'বলৈ মন যায়, এককেলেথাৰিয়ে সেইখিনি কৈ লওঁ।

গুৱাহাটী আৰু নগাঁৱৰ পাছত 'নগৰে-চহৰে'ৰ কাম এৰিলো। অনাতাঁৰ নাটকৰ প্ৰতি আগ্ৰহ জন্মিল। অনাতাঁৰ নাটকৰ ক্ষেত্ৰত মোৰ বাবে প্ৰথম স্মৰণীয় আৰু গুৰুত্বপূৰ্ণ

ঘটনাটো হ'ল 'এজাক জোনাকীৰ জিলমিল' নাটকখনৰ ৰচনা আৰু প্ৰযোজনা। এই কামটোৰ বাবে প্ৰস্তাৱ আহিছিল সত্যপ্ৰসাদ বৰুৱা ডাঙৰীয়াৰ পৰা। আঁচনিখন আছিল অভিনৱ ধৰণৰ। নাটকখন সন্ধিয়া কোনোবা এদিন আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা হ'ব; আৰু সেইদিনা, সেই একে সময়তে কটন কলেজৰ ইউনিয়ন হলত মঞ্চস্থও কৰা হ'ব। অভিনেতা-অভিনেত্ৰীসকল আছিল সত্যপ্ৰসাদ বৰুৱা, জ্ঞীৰেশ্বৰ চক্ৰৱৰ্তী, তছদ্দুক ইউছুফ, ঈশান বৰুৱা, ইভা আচাও আৰু বীণা দাস (পাছলৈ বীণা দাস মান্না);— সেই সময়ৰ গুণী-মানী, নামী-দামী অভিনেতা-অভিনেত্ৰীৰ আদৰণীয় সমাবেশ। আকাশবাণীৰ ষ্টুডিঅ' আৰু কটন কলেজৰ মঞ্চ,— দুয়ো ঠাইৰ পৰাই নাটকখনৰ কাৰণে মই তৃপ্তি আহৰণ কৰিব পাৰিছিলো।

কিছুদিনৰ পাছত এদিন প্ৰগ্ৰেম একজিকিউটিভ দেবেন শৰ্মাই ক'লে,— আপুনি দেওবাৰে দুপৰীয়া আইদেউৰ বুলনিত প্ৰচাৰ কৰিবলৈ নাটকৰ ছিৰিজ এটা লিখি দিয়ক। ধৰি লওক— জানেকী নামৰ এজনী ছোৱালী; তাইৰ বিয়াখন নহয়হে নহয়। প্ৰস্তাৱ আহে, যোগাযোগ হয়, কথা আগ বাঢ়ে, কিন্তু শেষত কিবা নহয় কিবা কাৰণত কথাবোৰৰ গত নালাগে।— এনেকুৱা এলানি নাটক— ?

মই ক'লো— হ'ব। শৰ্মাই উল্লেখ কৰা জানেকী নামটো জোনাকী কৰি ল'লো। ঠিক কৰিলো,— তাই সাধাৰণ ছোৱালী; বি. এ. পঢ়ি আছে; অলপ গান-বাজনাও কৰে, দেখাই-শুনাই বৰ বেছি চকুত লগা নহয়; কিন্তু কান-সমনীয়া ভনীয়েকজনী তাইতকৈ দেখিবলৈ বেছি ভাল। মাক-দেউতাক শান্ত-শিষ্ট, ভদ্ৰ মানুহ। ওচৰৰে মদন খুৰা হ'ল এইখন ঘৰৰ শুভাকাংক্ষী। এওঁলোকেই হ'ল প্ৰধান চৰিত্ৰ। এতিয়া মোৰ কাম হ'ল— এঘাৰটা খণ্ডৰ প্ৰত্যেকটোৰে শেষত জোনাকীৰ বিয়া ভাঙিব লাগে; বাৰ নম্বৰ খণ্ডত বিয়াৰ বন্দবস্ত পকা কৰিব লাগে, আৰু তেৰ নম্বৰ খণ্ডত ধুমধামকৈ বিয়াখন পাতিব লাগে। পুৰণি ন'টবুক এখনত পাইছোঁ,— এঘাৰটাৰ ঠাইত মই বিয়া ভগাৰ কাৰণ পোন্ধৰটা লিখি লৈছিলো ঃ কোনোবাই জোনাকীক চাবলৈ আহি ভনীয়েককহে পচন্দ কৰিলে; কথা বহু দূৰ আগ বঢ়াৰ পাছত ধৰা পৰিল— ল'ৰাটো জোনাকীহঁতৰ বংশ লাগে; এখন বিয়া ওচৰ-চুবুৰীয়াই ভঙালে; এটা ল'ৰাৰ আঁউৰিয়া বেমাৰ আছে বুলি খবৰ পোৱা গ'ল; বন্দবস্ত খাটাং হওঁ-হওঁ, এনেতে খবৰ আহিল,— ল'ৰাটোৰ আগতে কোনোবা এজনীৰ লগত প্ৰণয়সুলভ হ'লিগলি আছিল; সকলো ফালৰ পৰা মিল খোৱা মানুহ এঘৰক আকৌ অহা মাহতে বিয়া পাতিবলৈ লাগে, জোনাকীয়ে বি. এটো পাছ কৰালৈ তেওঁলোকে বাট চাব নোৱাৰে;— ইত্যাদি ইত্যাদি ইত্যাদি।

নাটকলানি প্ৰস্তুত কৰা কাম আৰু প্ৰচাৰ হোৱাৰ পাছত শ্ৰোতাৰ প্ৰতিক্ৰিয়া,— এই দুয়োটাই মোৰ বাবে বৰ আনন্দদায়ক আছিল। মাটিৰ লগত সম্পৰ্ক থকা নিৰ্মল

মনোৰঞ্জন আৰু সৰল উপলব্ধিৰ উপাদানে এটা বস্তুক কিমান জনপ্ৰিয় কৰি তুলিব পাৰে, জোনাকীৰ বিয়াৰ জৰিয়তে মই সেই কথা প্ৰথম অনুভৱ কৰিছিলো। জনপ্ৰিয়তাৰ প্ৰসংগত মই দুটা কথা উদাহৰণ হিচাপে উল্লেখ কৰি থ'ব খোজোঁ। প্ৰথমটো কথা ঃ ৰেডিঅ' (গ্ৰাহক যন্ত্ৰ) ব্যৱসায়ৰ ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰা ভৰালী ব্ৰাদাৰ্ছ নামৰ প্ৰতিষ্ঠানটোৰ মালিকসকলৰ জ্যেষ্ঠগৰাকী ৰমানন্দ ভৰালীয়ে মোক এদিন কৈছিল,— গ্ৰাহকসকলে তেখেতসকলৰ প্ৰতিষ্ঠানত ৰেডিঅ' ভাল কৰাবলৈ আনিলে শনিবাৰে যেনে-তেনে ৰেডিঅ'টো দিবলৈ অনুনয়-বিনয় কৰিছিল,— কাৰণ দেওবাৰে দুপৰীয়া জোনাকীৰ বিয়া শুনিব লাগে। (জোনাকীৰ বিয়া এটা দেওবাৰ এৰি পাছৰ দেওবাৰে প্ৰচাৰ কৰা হৈছিল।) দ্বিতীয়টো কথা ঃ শেষৰ বিয়াৰ খণ্ডটো প্ৰচাৰ হোৱাৰ আগতে আকাশবাণীলৈ কোনোবাই জোনাকীলৈ শুভেচ্ছা জনাই গ্ৰিটিংছ কাৰ্ড পঠাইছিল। জোনাকীৰ অভিনয় কৰা কিৰণবালা দেৱীয়ে প্ৰভূত পৰিমাণে শ্ৰোতাৰ চেনেহে, সহানুভূতি আৰু প্ৰশংসা পাইছিল। সেইযে মই সৰু থাকোঁতে আমাৰ ফৌজদাৰীপটিৰ ঘৰত মুকুল বৰুৱাই হাৰমনিয়াম বজাই গানৰ চৰ্চা কৰিছিল, জোনাকীৰ বিয়া নাটকলানি প্ৰস্তুত কৰাৰ সময়ত সেই মুকুল বৰুৱাৰ এক নতুন পৰিচয় মোৰ সমুখত উদ্ভাসিত হৈছিল। তেখেত আকাশবাণীৰ সংগীত বিভাগৰ চাকৰিয়াল আছিল; কিন্তু মদনখুৰাৰ চৰিত্ৰটোৰ অভিনয়েৰে এগৰাকী ভাল অনাতাঁৰ নাটকৰ অভিনেতা বুলি তেখেতে মোৰ মনত প্ৰত্যয় জন্মাইছিল। সেইছোৱা সময়তে তেখেতৰ লগত মোৰ ব্যক্তিগত সম্পৰ্ক ঘনিষ্ঠ হৈছিল।

এতিয়া আকাশবাণীত জোনাকীৰ বিয়াৰ টেইপবোৰো নাই, নাটকলানিৰ পাণ্ডুলিপিও নাই। তিনিটামান খণ্ডৰ পাণ্ডুলিপি মোৰ হাতত থকা কাগজৰ দ'মৰ মাজত ওলাব পাৰে। কিন্তু আচল কথা ক'বলৈ গ'লে,— আখৰ আৰু কথা,— এই দুয়োফালৰ পৰাই এই নাটকলানি লুপ্ত হৈ গ'ল। সেইকাৰণেহে প্ৰায় ছয়ত্ৰিছ বছৰৰ আগৰ এই নাটকলানিৰ কথা অলপ দীঘলীয়াকৈ লিপিবদ্ধ কৰি থ'লো।

তাৰ পাছত জোনাকীৰ ঘৰ-সংসাৰক কেন্দ্ৰ কৰি 'জোনাকী বোৱাৰী হ'ল' আৰু 'জোনাকী, মায়া আৰু মণি' নামৰ দুলানি নাটক লিখিছিলো। এই তিনিওলানি নাটকৰ বাবে মই প্ৰয়াত বন্ধু দেবেন শৰ্মাৰ কথা মৰমেৰে সোঁৱৰোঁ।

আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ বিভিন্ন বিভাগৰ দায়িত্ব বহন কৰা, কিন্তু নাটক, অভিনয় আদিৰ লগত ওতপ্ৰোতভাৱে জড়িত সত্যপ্ৰসাদ বৰুৱা, নাৰায়ণ বেজবৰুৱা, ফণী তালুকদাৰ আদি বয়োজ্যেষ্ঠসকলৰ পৰা আৰম্ভ কৰি অৰুণ শৰ্মা, দুৰ্গেশ্বৰ বৰঠাকুৰ কুলদা কুমাৰ ভট্টাচাৰ্য, মহেন্দ্ৰ বৰঠাকুৰ, নীলু চক্ৰবৰ্তী, উপেন্দ্ৰজিত শৰ্মা, মীৰা দাস, বীণা দাস মান্না, আৰতি দাস বৈৰাগী আদিলৈকে— মোৰ অন্তৰংগ লোকসকলৰ সান্নিধ্যই অনাতাঁৰ নাটকৰ ক্ষেত্ৰত মোৰ বাবে এটা উৎসাহজনক পৰিবেশৰ সৃষ্টি

কৰিছিল। আনহাতে গোপাল দাস, অৱনী দাসৰ পৰা আৰম্ভ কৰি উবেদুল লতিফ বৰুৱালৈকে কেন্দ্ৰটোৰ মুখ্য কৰ্মকৰ্তাসকলেও মোৰ লগত এটা প্ৰেৰণাদায়ক, মধুৰ সম্পৰ্ক ৰক্ষা কৰিছিল। মনত পৰে,— সুদামা শৰ্মা নামৰ নাট বিভাগৰ চাকৰিয়াল এজন কেৱল নাটকৰ কাৰণেই চানমাৰিৰ পৰা আমাৰ জালুকবাৰীৰ ঘৰলৈ কেইবাদিনো ছিটিবাছেৰে অহা-যোৱা কৰিছিল। এনেকুৱা সৰু-সৰু ঘটনায়ো পৰিবেশ-সৃষ্টিত সহায় কৰিছিল। নানান কামৰ জুমুৰিত মই সময়মতে নাটক লিখি দিব নোৱাৰিম বুলি সন্দেহ কৰি আকাশবাণীৰ দুজনমানে মোৰ লগত এটা কৌশল কৰিছিল। নাটকখন যদি মাহটোৰ চতুৰ্থটো বুধবাৰে প্ৰচাৰ কৰা হ'ব বুলি ঠিক কৰা আছে, তেওঁলোকে মোক ক'ব প্ৰথমটো বুধবাৰৰ কথা। মই পিছে প্ৰায়েই তেওঁলোকৰ কৌশল ধৰিব পাৰিছিলো। কেতিয়াবা নাটকৰ পাণ্ডুলিপি প্ৰস্তুত হৈ নুঠিব বুলি লেখক-প্ৰযোজক দুয়ো পক্ষৰে যথেষ্ট উৎকণ্ঠা-উদ্বিগ্নতাৰ (tension) সৃষ্টি হৈছিল, কিন্তু শেষ পৰ্যন্ত নাটক যথা সময়ত পোৱা গৈছিল। কেতিয়াবা যিমান অভিনেতা-অভিনেত্ৰীয়ে নাটকখনত অভিনয় কৰিব, সিমানটা কপি লৈ মই নিজে ৰিহাৰ্ছেলত উপস্থিত হৈছিলোগৈ। হয় কাৰ্বন পেপাৰ ব্যৱহাৰ কৰি একেলগে কেইবাকপিও লিখি গৈছিলো, নহয় পৃষ্ঠাটো লিখি লগে-লগে কপি কৰোৱাৰ ব্যৱস্থা কৰিছিলো। মুঠতে আকাশবাণীয়ে নাটক কপি কৰাবলৈ যিখিনি সময় বিচাৰে, সেইখিনি সময় মই নাটক লিখাৰ বাবে ব্যৱহাৰ কৰিছিলো। প্ৰযোজকৰ হাতত নাটকখন দিয়েই মোৰ কাম শেষ হ'ল বুলি মই ভাবিব নোৱাৰিছিলো। ৰিহাৰ্ছেল, ৰেকৰ্ডিং,— শেষত ডাবিং,— এই এটাইকেইটা পৰ্যায়তে উপস্থিত থাকি মোৰ মনৰ কথাৰে সহায় কৰাটো প্ৰযোজকেও বিচাৰিছিল, ময়ো বিচাৰিছিলো। আকাশবাণীৰ বাহিৰৰ গিৰীশ চৌধুৰী, শৈল বৰুৱা, ঈশান বৰুৱা, গৌতম প্ৰসাদ বৰুৱা, অৰূপ চক্ৰৱৰ্তী, বিভা গোস্বামী আদিৰ বাহিৰেও উল্লিখিত ভিতৰৰ অভিনেতা-অভিনেত্ৰীসকলৰ ওপৰত মই বহু পৰিমাণে ভাৰসা কৰিছিলো। অৰুণ শৰ্মা, দুৰ্গেশ্বৰ বৰঠাকুৰ, নীলু চক্ৰৱৰ্তী, মীৰা দাস, বীণা দাস মান্না আদিক মই মোৰ কিছুমান চৰিত্ৰৰ বাবে অপৰিহাৰ্য বুলিয়েই ভাবিছিলো। ৰাৱণ, যখিনী, কোলাহল, আবেলি, মহানগৰ, দুৰ্ভিক্ষ আদি নাটক, উক্ত অভিনেতা-অভিনেত্ৰীসকল, আকাশবাণীৰ এমপেক্স মেছিনকেইটা, আঠফুট-বাৰফুটমান মজিয়াৰ দুখীয়া চেহেৰাৰ কেন্টিনখন (পাছলৈ ডাঙৰ হ'ল), চিৰি বগোৱাৰ পাছত আমাৰ সকলোৰে উঠা কোঁপনি, বাৰিষাৰ কৃষ্ণচূড়া ফুল,— মনত পেলালে এই সকলো মৰমসনা ছায়াছবিৰ নিচিনাকৈ আগেদি পাৰ হৈ গৈ থাকে। সেইকালত অনাতাঁৰ মাধ্যমটোক মই ছপা আখৰৰ মাধ্যমৰ সমানে গুৰুত্ব দিছিলো বুলি বিশ্বাস কৰোঁ।

এখনীয়া নাটকতকৈ ধাৰাবাহিক নাটকৰ ক্ষেত্ৰত আকাশবাণীৰ কৰ্তৃপক্ষই মোৰ পৰা বেছি আশা কৰিছিল বুলি মই অনুভৱ কৰিছিলো। 'অন্ধকূপ', 'আগন্তুক', 'দেউতা',

'শান্তশিষ্ট হৃষ্টপুষ্ট মহাদুষ্ট' আদি ধাৰাবাহিক নাটকবোৰ তেখেতসকলৰ আশা আৰু মোৰ ইচ্ছাৰ সমন্বয়ৰ ফল আছিল। নতুন ধৰণৰ কি অনুষ্ঠান সৃষ্টি কৰিব পৰা যায়, সেই বিষয়ে আমাৰ মাজত প্ৰায়েই আলোচনা হৈছিল। সেই সময়ত মই প্ৰায়েই নিজকে আকাশবাণীৰ ভিতৰৰ মানুহ হিচাপে গণ্য কৰিছিলো। এদিন কৰ্মকৰ্তা দুজনমানক ক'লো,— কিছু লোকক নিমন্ত্ৰণ কৰি আনি, মুকলিত বহুৱাই, পৰিবেশ, বিষয়বস্তু,—সকলো ফালৰ পৰা প্ৰকৃতাৰ্থত 'মুকলি মঞ্চ' নামৰ অনুষ্ঠান এটা ৰেকৰ্ড কৰিব নোৱাৰিনে? সকলোৱে হয়ভৰ দিলে,— নিশ্চয় পাৰি। পুৰণি কেণ্টিনখনৰ ওচৰৰ মুকলি ঠাইতে তেনেকুৱা প্ৰথম 'মুকলি মঞ্চ' অনুষ্ঠানৰ আয়োজন কৰা হ'ল। শিল্প-সংস্কৃতি, ৰাজনীতি, চাকৰি, ঘৰ-সংসাৰ,— বিভিন্ন ক্ষেত্ৰৰ মানুহক সেই অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰা হ'ল। গীত-মাত, প্ৰশ্নোত্তৰ, আকস্মিক বক্তৃতা, সাক্ষাৎকাৰ আদিৰ সংমিশ্ৰণেৰে সেইটো এটা উপভোগ্য অনুষ্ঠান হৈছিল বুলি মই বিশ্বাস কৰোঁ। প্ৰান্তিকৰ সম্পাদক প্ৰদীপ বৰুৱাৰ পৰিবাৰ মায়া বৰুৱাই সেই অনুষ্ঠানত মোৰ মনোযোগ আকৰ্ষণ কৰিছিল। কথাটো উল্লেখ কৰাৰ কাৰণ হ'ল,— সেইদিনা তেওঁৰ প্ৰতি মোৰ যিটো ধাৰণা হ'ল, একমাত্ৰ সেই ধাৰণাৰ ভেটিতে কেইবাবছৰো পাছত মই তেওঁক 'সন্ধ্যাৰাগ' নামৰ চলচ্চিত্ৰখনত অমলাৰ চৰিত্ৰত অভিনয় কৰিবলৈ নিমন্ত্ৰণ কৰি আনিছিলো। তেওঁৰ অভিনয় সম্পৰ্কীয় প্ৰতিভাৰ কথা মই আৰু একো নাজানিছিলো।

সেইখন মুকলি মঞ্চৰ পাছত মই নগাঁৱত আয়োজন কৰা মুকলি মঞ্চ পৰিচালনাৰ দায়িত্ব লৈছিলো, কিন্তু তাৰ পাছত অনুষ্ঠানটোৰ কি হ'ল,— খবৰ ৰাখিব পৰা নাছিলো।

আশীৰ দশকত মোৰ কামৰ চৰিত্ৰ ক্ৰমান্বয়ে বেলেগ হৈ আহিল। আকাশবাণীৰ পৰা অহা ফৰ্মত 'নোৱাৰিম' বুলি লিখি ওভোতাই পঠোৱাৰ দিন আহিল। নাটকৰ বাহিৰেও বিজ্ঞান, সমাজ, সাহিত্য, শিক্ষা আদি বিষয়ৰ কথিকা লিখি ৰেকৰ্ড কৰি থৈ অহাৰ ক্ষেত্ৰত ষাঠি আৰু সত্তৰৰ দশকত সময়ৰ অভাৱে মোক নিৰস্ত কৰিব নোৱাৰিছিল; কিন্তু আশীৰ দশকত তেনেকুৱা কামকো মই আঁতৰাই থবলগীয়া হ'ল। ক'বলৈ গ'লে শান্তশিষ্ট হৃষ্টপুষ্ট মহাদুষ্টৰ পাছতে মোৰ দুটা দশক জোৰা অনাতাঁৰ-যুগৰ ৰং ক্ৰমান্বয়ে অইন ৰঙৰ বুকুত লীন হ'ল।

যেতিয়া শান্তশিষ্ট হৃষ্টপুষ্ট মহাদুষ্ট লিখা-মেলাৰ কাম কৰোঁ, তেতিয়া মই সেই ভৰলুমুখৰ ভাৰাঘৰ এৰি, বিশ্ববিদ্যালয় চৌহদৰ দুটাকৈ ঘৰ এৰি, সপৰিয়ালে গুৱাহাটী ৰে'ল-ষ্টেছনৰ ওচৰৰ বঙলা এটা পাইছিলোহি। তাতে ৰুণি, বাপু, মনু, ভুলুহঁতক গোটাই কেতিয়াবা আখৰাও কৰিছিলো। কেইবাফালৰো পৰা সেই ঘৰটো ভৰলুমুখৰ ঘৰটোৰ পৰা বহুত,— বহুত দূৰত আছিল। এতিয়া আকৌ ভৰলুমুখৰ ঘৰটোলৈ উভতি যাওঁ।

ভৰলুমুখৰ ঘৰটোত থকা কালত মই দুটা প্ৰশিক্ষণৰ কাৰণে দুবাৰ অসমৰ বাহিৰলৈ যাবলগীয়া হৈছিলো। দুয়োবাৰেই বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি হিচাপে। প্ৰশিক্ষণ দুটাৰ চৰিত্ৰ বেলেগ-বেলেগ আছিল; কিন্তু দুয়োটাই মোৰ উপকাৰ সাধিছিল। ভাৰত চৰকাৰৰ পৰা বিশ্ববিদ্যালয়লৈ চিঠি আহিল,— মধ্য প্ৰদেশৰ পাঁচমাৰিত চৰকাৰে বিশ্ববিদ্যালয়ৰ শিক্ষকসকলৰ বাবে নাট সম্পৰ্কীয় প্ৰশিক্ষণ শিবিৰ এটা পাতিছে; আমাৰ বিশ্ববিদ্যালয়ৰ পৰা দুজন শিক্ষকে সেই শিবিৰত যোগ দিব লাগে। তেতিয়া হিৰণ্য চন্দ্ৰ ভূএগ ছাৰে বিশ্ববিদ্যালয় এৰিছে; ফণীধৰ দত্তই উপাচাৰ্যৰ, আৰু চিদানন্দ দাসে ৰেজিষ্ট্ৰাৰৰ আসন গ্ৰহণ কৰিছে। এখেতসকলে ঠিক কৰিলে ড. প্ৰফুল্ল দত্ত গোস্বামী ছাৰ আৰু মই পাঁচমাৰিৰ শিবিৰলৈ যাব লাগে। চল্লিছ দিনৰ শিবিৰ। গ'লো। প্ৰফুল্ল দত্ত গোস্বামী ছাৰৰ লগত মোৰ আগৰে পৰাই ভাল সম্পৰ্ক আছিল; কিন্তু সেই দীঘলীয়া ৰে'ল-যাত্ৰাত, সেই ডেৰ মাহত ছাৰে মোক অন্তৰংগ বন্ধুৰ নিচিনাকৈ ব্যৱহাৰ কৰিছিল। আবুৰত থাকিবলগীয়া তেখেতৰ জীৱনৰ এটা অধ্যায় চলন্ত ৰে'লত তেখেতে মোৰ আগত মুকলি কৰি দিছিল। এটা ষ্টেছনত খিৰিকিয়েদি আম কিনি মই পইচা দিব খোজোঁতে ছাৰে মানা কৰিছিল। পইচা তেখেতে দিব। মই জোৰ কৰোঁতে তেখেতে কৈছিল,— "ভবেন, তোমাতকৈ মই দৰমহা বেছি পাওঁ। গতিকে এতিয়া পইচা মই দিম। যেতিয়া তুমি মোতকৈ বেছি দৰমহা পাবা, তেতিয়া তুমি মোক আম কিনি খুৱাবা।"

সেই দিন কেতিয়াও নাহিল।

দৰমহাৰ প্ৰসংগত এটা সৰু কথা! আৰ. এম. এছ. কেলিডনিয়া জাহাজত আহি থাকোঁতে এদিন ডেকত বহি ড. লিখন চন্দ্ৰ কাকতীৰ লগত কথা পাতি আছিলো। দেশলৈ উভতি আহি কিমান দৰমহাৰ চাকৰি পালে ভাল লাগিব, সেই বিষয়টো ওলাওঁতে মই কৈছিলো,— সকলো মিলাই মাহে চাৰিশ টকা পালে মই বৰ ভাল পাম। গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰথম মাহত মই মুঠতে চাৰিশ ত্ৰিছ টকা পাইছিলো। আশা কৰাতকৈ ত্ৰিছ টকা বেছি। বৰ আনন্দ পাইছিলো। তেতিয়াৰ দিনত লেকচাৰাৰৰ মূল (basic) দৰমহা দুশ পঞ্চাছ টকা আছিল। মোক বিশ্ববিদ্যালয়ে initial increment কেইটামান দিছিল।

পাঁচমাৰি পৰ্বতীয়া নগৰ। হাবিৰ মাজত স্কাউট-গাইডৰ প্ৰশিক্ষণৰ বাবে এটা ধুনীয়া, আধুনিক সা-সুবিধা থকা, ডাঙৰ ঘৰ আছিল;— তাতে আমাৰ শিবিৰ পতা হৈছিল। শিবিৰৰ পৰিচালক আছিল ভাৰতৰ নাট-জগতৰ এগৰাকী শীৰ্ষস্থানীয় লোক হবিব তনবীৰ। শিক্ষাৰ্থী হিচাপে আমি প্ৰায় চল্লিছজন শিক্ষক-শিক্ষয়িত্ৰী গোট খাইছিলো। নামবোৰ পাহৰিলো। মিৰাচদাৰ, কেটকাৰ, শকুন্তলা ধৰপ, প্ৰতিভা শালীনী, হেমাংগ বিশ্বাসৰ ভায়েক, চন্দ্ৰা পৰমেশ্বৰম, পৰিতোষ শীল,— এনেকৈ কিছুমান উপাধি, নাম,

পৰিচয়, চেহেৰা আদি মনলৈ আহে, কিছুমান নাহে। নাট-শিবিৰ সম্পৰ্কে আমাৰ সকলোৰে ধাৰণা অস্পষ্ট আছিল; কিন্তু তনবীৰ চাহাবে উদ্বোধনী অনুষ্ঠানৰ পাছতে যিটো শিবিৰ আৰম্ভ কৰিলে, সেই শিবিৰৰ চেহেৰা দেখি আমাৰ পূৰ্বৰ ধাৰণা সমূলঞ্চে লুপ্ত হৈ গ'ল। ৰাতিপুৱা চাৰে চাৰি বজাত উঠিব লাগে, কাপোৰৰ জোতা পিন্ধি ওচৰৰ পথাৰখনত ব্যায়াম কৰিব লাগে; একৰ পৰা এশলৈ টেঁটুফালি চিঞৰি মাতিব লাগে,— ইত্যাদি। দুদিনমানৰ পাছতে এই শৰীৰ-চৰ্চাৰ লগতে ইম্প্ৰভাইজেশ্যনৰ (improvization) কাম আৰম্ভ হ'ল। ইম্প্ৰভাইজেশ্যন মানে,— তনবীৰ চাহাবে ক'ব,— ধৰি লওক সেইখিনিতে কেইচপৰামান ইটা আছে। আপুনি দুই হাতেৰে দুচপৰাকৈ ইটা সৌখিনিলৈ কঢ়িয়াব লাগে। এতিয়া মই কামটো কৰোঁতে তেখেতে চাব, মোৰ আঙুলিকেইটাই কাল্পনিক ইটাটো ধৰা ঠিক হৈছেনে নাই; মোৰ আঙুলিকেইটালৈ চালেই ইটাটোৰ আকাৰ ধৰিব পৰা হৈছে নে নাই; ইটা দুটা দাঙোতে মোৰ গাত সঠিক বল প্ৰয়োগৰ প্ৰকাশ ঘটিছে নে নাই, মোৰ খোজ-কাটল দেখিলেই ইটাদুটাৰ ওজনৰ ধাৰণা কৰিব পাৰিনে নোৱাৰি,— ইত্যাদি। নাইবা, —' ধৰি লওক,— এইখিনিতে ট্ৰাকৰ টায়াৰ এটা পৰি আছে; সেইটো তুলি আপুনি ঠেলি-ঠেলি চলাই-চলাই সৌখিনিলৈ নিব লাগে। নাইবা,— আপুনি ডাঙৰ ছাগলী এটা কিনি, ডিঙিত ৰছী লগাই ঘৰলৈ আনি আছে; সি মাজে-মাজে হঠাতে খোজ নকঢ়া হয়; আপুনি তাক টানি-টুনি লৈ যাব লাগে। কৰক অভিনয়।

শৰীৰ-চৰ্চা আৰু ইম্প্ৰভাইজেশ্যনৰ পাছত ধোৱা-পখলা, ব্ৰে'কফাষ্ট; তাৰ পাছত নাট-চৰ্চা। হলঘৰটোত ঘূৰণীয়াকৈ সকলো বহোঁ; এমূৰে তনবীৰ। তেখেতে এখন নাটকৰ কপি সকলোকে দিয়ে; সকলোকে অলপ-অলপ পঢ়িবলৈ দিয়ে, আৰু সেইবোৰৰ অৰ্থ কি, কোনটো শব্দৰ তাৎপৰ্য কি,— এনে ধৰণৰ কথা আলোচনা কৰা হয়। দুপৰীয়া খোৱা-বোৱাৰ পাছত আকৌ আলোচনা; সন্ধিয়াৰ পাছত আকৌ আলোচনা। তিনি দিন এনেকৈ যোৱাৰ পাছত চতুৰ্থ দিনা তনবীৰে হলঘৰত বাৰ্টল্ট ব্ৰেখটৰ Good Woman of Sezuan নামৰ নাটকখনৰ ইংৰাজী ভাষাৰ একোটাকৈ কপি আমাক হাতে-হাতে দিলে। সেইদিনাৰ পৰা সেইখন নাটক পঢ়া আৰু ব্যাখ্যা কৰাৰ কাম আৰম্ভ হ'ল। সেইটো কাম তিনিদিন চলিল। ইমান দিনে ইম্প্ৰভাইজেশ্যন, নাটক পঢ়া আৰু আলোচনাৰ জৰিয়তে তনবীৰে আমাৰ নাট্যপ্ৰতিভা সম্পৰ্কে যি ধাৰণা কৰিছিল, তাৰ ওপৰত ভেটি কৰি চতুৰ্থ দিনা তেখেতে আমাৰ মাজত নাটকখনৰ ভাও বিলাই দিলে। মোৰ ভাগত পৰিল ৱাং নামৰ পানীভাৰীৰ চৰিত্ৰ এটা। শিবিৰলৈ তনবীৰে সহকাৰী পৰিচালক আৰু অভিনেত্ৰী হিচাপে বিশেষভাৱে নিমন্ত্ৰণ কৰি আনিছিল সুষমা মেহ্‌তা নামৰ এজনী ছোৱালীক। বিবাহিতা যদিও বয়স, চেহেৰা আদিৰ ফালৰ পৰা তেওঁক বোৱাৰী বুলিলে নুশুৱায় কাৰণে ছোৱালী বুলিছোঁ। এওঁ বৰ ভাল অভিনেত্ৰী আছিল। নাটকখনৰ মূল

স্ত্রী চৰিত্ৰটোৰ অভিনয় এৱেঁই কৰিছিল। আজিকালি চলচ্চিত্ৰ আৰু টেলিভিছনৰ অনুষ্ঠানত এওঁ সুষমা শেঠ নামেৰে পৰিচিত।

এই নাটকখনৰ আখৰা আৰম্ভ হোৱাৰ লগে-লগে শিবিৰৰ কাৰ্যসূচীৰ আমূল পৰিবৰ্তন ঘটিল। অভিনয়, আলোক সম্পাত, দৃশ্য সজ্জা, মঞ্চৰ বস্তু-বাহানি (prop) আদি সকলোৰে আখৰা চলিল। চকী-মেজকে আদি কৰি নাটকখনৰ বাবে মঞ্চত লগা বস্তু আমি অভিনেতা-অভিনেত্ৰীসকলেই মঞ্চলৈ অনা-নিয়া কৰিব লাগিব;— দুটা দৃশ্যৰ মাজৰ আন্ধাৰ হৈ থকা সময়খিনিত খুন্দা-খুন্দলি নোখোৱাকৈ কেনেকৈ সেইবোৰ অনা-নিয়া কৰিব লাগিব, তাৰো আখৰা হ'ল। আমাৰ পাঁচজনক আধাঘণ্টামান সময়ৰ নাটিকা একোখন মঞ্চস্থ কৰিবলৈ দায়িত্ব দিয়া হৈছিল। মোৰ ভাগত পৰিছিল শকুন্তলা নাটকৰ দৃশ্য এটা। সেই নাটককেইখনৰ কামো চলিল। মাজে-মাজে বিভিন্ন বিষয়ৰ বক্তৃতা দিবলৈ বিশেষজ্ঞ আহিল। এই সকলো মিলি যি দেখা গ'ল,— ৰাতিপুৱা চাৰে চাৰি বজাৰ পৰা ৰাতি ডেৰ-দুই বজালৈকে খোৱা সময়খিনিৰ বাহিৰে আমাৰ আজৰিয়েই নোহোৱা হ'ল। ইমান পৰিশ্ৰম আমাৰ অসহ্য হৈ আহিল। ইফালে দিনে-দিনে তনবীৰৰ হুকুম-নিৰ্দেশো বেছি কঠোৰ হৈ আহিল। শিকোৱাৰ নামত মাজে-মাজে তেখেতে আমাক ডাবি-হুমকিও দিবলৈ ধৰিলে। এদিন ৰাতি আঠমান বজাত আখৰা শেষ হোৱাৰ পাছত আমি বাহিৰলৈ ওলাই আহি চিৰিত বহি এখন মিটিঙেই পাতিলো। আমি এলাপেচা মানুহ নে কি? আমি বিশ্ববিদ্যালয়ৰ অধ্যাপক! আমাৰ লগত এনেকুৱা ব্যৱহাৰ নচলিব। সিদ্ধান্ত কৰা হ'ল, পুৱা আমাৰ তিনিজনে পৰিচালকক এখন আপত্তিসূচক দৰখাস্ত দিম। কিন্তু কেনেকৈ কি হ'ল ক'ব নোৱাৰোঁ, দৰখাস্ত দিবলৈ পোৱাৰ আগতেই তনবীৰে আমাৰ সেই তিনিজনকে তেখেতৰ ওচৰলৈ মাতি পঠালে। গ'লো। তেখেতে চিৰাচৰিত ভংগীত ধপাতৰ পাইপডাল মুখত লৈ, মাজে-মাজে আঁতৰাই, আমাক যি কেইষাৰ কথা ক'লে, তাৰ সাৰাংশ হ'ল ঃ ইয়াৰ পৰা উভতি গৈ আপোনালোক আকৌ বিশ্ববিদ্যালয়ৰ অধ্যাপক হৈ যাবগৈ। মই তালৈ গৈ আপোনালোকক পৰিচালনা নকৰোঁ। কিন্তু যেতিয়ালৈকে আপোনালোক এই শিবিৰত থাকে, তেতিয়ালৈকে মই ইয়াৰ পৰিচালক। আপোনালোক ক'ৰ পৰা আহিছে, তাত আপোনালোক কি আছিল, সেইবোৰৰ মোৰ প্ৰয়োজন নাই। এইকেইদিন আপোনালোকেও সেইবোৰ পাহৰি থাকক।

আমাৰ বিক্ষোভ-আন্দোলন সিমানতে তল পৰিল ঃ (উল্লেখযোগ্য ঃ ড. প্ৰফুল্ল দত্ত গোস্বামী ছাৰক তনবীৰে লিখা-পঢ়া কামৰ বাহিৰে অন্যান্য কামৰ পৰা ৰেহাই দিছিল।)

আমাৰ শিবিৰটোৰ পৰা কেইমাইলমান দূৰত সৈন্য বিভাগৰ ছাউনী এটা আছিল। সেই ছাউনীৰ প্ৰেক্ষাগৃহ এটাত, প্ৰায় ত্ৰিছ দিনৰ আখৰাৰ শেষত, আমি নাটকখন দৰ্শকৰ আগত মঞ্চস্থ কৰিলো।

পাছদিনা গধূলি সৈন্য বিভাগে আমাৰ দলটোক অভিনন্দন জনাবলৈ এখন চাহ-মেলাৰ আয়োজন কৰিছিল। অভিনন্দনৰ বিৱৰণ দিয়াৰ পৰা বিৰত থাকোঁ। কেৱল এটা কথা কৈ থওঁ,— সেই সময়খিনি মোৰ কাৰণে বৰ আনন্দময় আছিল। অভিনয়ৰ বিনিময়ত ইমান আনন্দ মই জীৱনত কেতিয়াও পোৱা নাই। সেই শিবিৰে দিয়া বৰঙণি মোৰ কাৰণে মূল্যবান সম্পদ হৈ থাকিল।

ভৰলুমুখৰ ঘৰৰ পৰা দ্বিতীয়বাৰ অসমৰ বাহিৰলৈ যোৱাৰ কথালৈ আহোঁ। ১৯৬২ চনৰ ছেপ্টেম্বৰ মাহত ড. টৈইলৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হয়। অধ্যয়নৰ কালত তেখেতৰ প্ৰধান বিষয় আছিল পদাৰ্থবিজ্ঞান। তেখেতে অনতিপলমে আমাৰ বিভাগটোৰ প্ৰতি চকু দিবলৈ আৰম্ভ কৰিলে। এদিন বোম্বাইৰ Atomic Energy Establishment Trombay ৰ পৰা (পাছলৈ Bhaba Atomic Research Centre) বিশ্ববিদ্যালয়লৈ খবৰ আহিল,— সেই প্ৰতিষ্ঠানটোৱে বিশ্ববিদ্যালয়সমূহৰ কাৰণে নিউক্লিয়েৰ ফিজিক্সৰ বিশেষ শিক্ষাৰ এমহীয়া কাৰ্যসূচীৰ আয়োজন কৰিছে; বিশ্ববিদ্যালয়ে তালৈ এজন শিক্ষক পঠাব লাগে। এম. এছ. ছি পঢ়োঁতে নিউক্লিয়েৰ ফিজিক্স মোৰ 'স্পেছিয়েল ছাবজেক্ট' আছিল; গতিকে বিশ্ববিদ্যালয়ত ইতিমধ্যে মোক নিউক্লিয়েৰ ফিজিক্স সম্পৰ্কীয় কামৰ দায়িত্ব দিয়া হৈছিল। এতিয়া কৰ্তৃপক্ষই সিদ্ধান্ত কৰিলে,— মই উক্ত শিক্ষা গ্ৰহণৰ বাবে বোম্বাইলৈ যাব লাগে। গ'লো।

বোম্বাইৰ চাৰ্চগেট ষ্টেছনৰ অলপ দূৰতে তেলাং মেম'ৰিয়েল হোষ্টেল নামৰ হোষ্টেল এটাত ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা অহা 'শিক্ষক-ছাত্ৰ'সকল থকাৰ ব্যৱস্থা কৰা হৈছিল। হোষ্টেলটোৰ পৰা সিফালে আৰু অলপ দূৰ গ'লেই মেৰিন ড্ৰাইভ। ওচৰৰে এটা ঘৰত আমাৰ ক্লাছ হৈছিল। ড. এম. জি. কে মেননকে মুখ্য কৰি কেইবাগৰাকী বিশিষ্ট নিউক্লিয়েৰ-বিজ্ঞানীয়ে আমাক পঢ়াইছিল। বহুদিনৰ মূৰত বিষয়টোৰ ওপৰভাগৰ কথা কিছুমানৰ সংস্পৰ্শলৈ আহোঁতে সেই দিনখিনিত বাৰে-বাৰে মোৰ মনলৈ আহিছিল,—গভীৰভাৱে মনোনিবেশ কৰি এই বিষয়টোৰ লগত এটা ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিব পাৰিলে আনন্দ আৰু তৃপ্তিৰ অধিকাৰী হ'ব পাৰিম। সেই দিনখিনিৰ কাৰ্যসূচীয়ে মোৰ সমুখত বিষয়টোৰ বিশালতা, জটিলতা আৰু বিস্ময় সম্পৰ্কে এক নতুন দৃশ্য মুকলি কৰিছিল।

ড. টৈইলৰে মোৰ হাতত Atomic Energy Establishment Trombay ত (AEET) কাম কৰা ড. ভোহৰা নামৰ বিজ্ঞানী এজনলৈ চিঠি এখন দি পঠাইছিল। ড. ভোহৰা ড. টৈইলৰৰ প্ৰিয়পাত্ৰ লোক আছিল। চিঠিখনৰ কথা সম্পৰ্কে ড. টৈইলৰে মোক মুখেৰে কৈছিল,— আমি আমাৰ ফিজিক্স ডিপাৰ্টমেণ্টত নিউক্লিয়েৰ ফিজিক্সৰ

স্পেছিয়েল পেপাৰ আৰম্ভ কৰিব লাগিব। এই বিষয়ে মই ড. ভোহ্ৰাক তোমাক সহায় কৰিবলৈ কৈছোঁ।

আমাৰ নিয়মীয়া কাৰ্যসূচীৰ মাজৰ আহৰি সময় উলিয়াই এদিন গ'লো ট্ৰম্বেলৈ। ড. ভোহ্ৰাই চিঠিখন পঢ়ি মোক ক'লে,— তেখেতৰ বিভাগটোতে আলফা, বিটা আৰু গামা ৰেডিয়েশ্যনৰ লগত সম্পৰ্ক থকা পৰীক্ষা চলোৱা যন্ত্ৰ-পাতি আছে। সেইবোৰেৰে এম. এছ. ছি পাঠ্যক্ৰমৰ উপযোগী পৰীক্ষা কিছুমান কৰিব পৰা যাব। গতিকে তুমি আহি থাকিবা, মই তোমাক সহায় কৰিম।

ড. ভোহ্ৰাই ড. টেইলৰৰ চিঠিখনৰ ওপৰত যিমান গুৰুত্ব দিলে, আৰু মোক কাম শিকোৱাৰ প্ৰতি যিমান আগ্ৰহ প্ৰকাশ কৰিলে, মই সেই অনুপাতে তেখেতৰ ওচৰলৈ গৈ থাকিব নোৱাৰিলো। মূল কাৰ্যসূচীৰ ক্ষতি নকৰাকৈ সাত দিনমান গ'লো, আৰু তেখেতে সেইকেইদিন মোক ছাত্ৰৰ নিচিনাকৈ কামত লগালে। ইমান কম দিন যোৱাৰ কাৰণে তেখেতে শেষৰ দিনা অসন্তুষ্টিও প্ৰকাশ কৰিলে। পাছত মই উপলব্ধি কৰিছিলো,— আমাৰ বিশ্ববিদ্যালয়ৰ লাভৰ ফালৰ পৰা মূল এমহীয়া কাৰ্যসূচীতকৈ ড. ভোহ্ৰাৰ কাৰ্যসূচী বেছি লাভজনক আছিল। তদুপৰি ড. ভোহ্ৰাৰ কাৰণেই মই AEET ৰ ভিতৰখন, বিশেষকৈ অপ্সৰা, ছাইৰাছ আৰু জাৰ্লিনা নামৰ ৰিয়েক্টৰকেইটাৰ ক্ৰিয়া-কাণ্ডবোৰ ওচৰৰ পৰা চাবলৈ বিশেষ সুবিধা পাইছিলো।

এমহীয়া কাৰ্যসূচীৰ শেষৰ ফালে এদিন উদ্যোক্তাসকলে অলপ আমোদ-প্ৰমোদৰ ব্যৱস্থা কৰিছিল। সৰু জাহাজ এখনত উঠি ভ্ৰমণ কৰোঁতে প্ৰসিদ্ধ নিউক্লিয়েৰ বিজ্ঞানী ড. ৰাজা ৰমন্নাৰ লগত কিছু কথা পতাৰ সুবিধা পাইছিলো। আমাৰ বিশ্ববিদ্যালয়ত নিউক্লিয়েৰ ফিজিক্সৰ লেবৰেটৰি এটা পাতিব খুজিলে AEET ৰ পৰা কেনেকুৱা সহায় পাম, কেনেকৈ পাম, সেই বিষয়ে তেখেতে ভালেমান পৰামৰ্শ দিছিল।

মুঠৰ ওপৰত বোম্বাইত কটোৱা সেই এটা মাহে পাছলৈ মোক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফিজিক্স ডিপাৰ্টমেণ্টৰ নিউক্লিয়েৰ ফিজিক্সৰ লেবৰেটৰিটোৰ ভেটি স্থাপন কৰাত বৰ সহায় কৰিছিল।

সেই মাহটোত 'বাহিৰা' কামৰ ভিতৰত মাত্ৰ দুটা কাম কৰাৰ কথা মনত পৰে। প্ৰথমটো হ'ল ঃ ভবানীভূতি ভট্টাচাৰ্য নামে অসমীয়া চিত্ৰকৰজনৰ লগত কথা পাতি, ঘূৰা-পকা কৰি আজৰি সময়খিনিৰ কিছু সময় খৰচ কৰিছিলো। মোৰ প্ৰকাশ পাবলগীয়া 'বৃন্দাবন' নামৰ চুটিগল্পৰ সংকলনখনৰ বেটুপাতৰ ছবিখন তেওঁৰ হতুৱাই অঁকাইছিলো। মোৰ পৰামৰ্শমতে আৰ্হিটো দুবাৰ সংশোধন কৰাৰ পাছত তেওঁ বৰ আগ্ৰহেৰে ছবিখন আঁকি দিছিল। ভবানীভূতি ভট্টাচাৰ্য চলচ্চিত্ৰৰ কেমেৰামেন অপূৰ্ব ভট্টাচাৰ্যৰ ভায়েক আছিল। দ্বিতীয় কামটো হ'ল, সন্ধিয়াৰ পাছৰ বহু সময় প্ৰায়েই মেৰিন ড্ৰাইভৰ দেবালৰ পকাত বহি থাকিছিলো।

কিছুদিনৰ ভিতৰতে এফালে হবিব তনবীৰৰ শিবিৰ, আনফালে ড. ৰমন্না, ড. মেনন, ড. ভোহৰা আদিৰ শিবিৰত উপস্থিত থাকিবলগীয়া হোৱাটো মোৰ কাৰণে আমোদজনক ঘটনা আছিল। সেইকাৰণে শিবিৰ দুটাৰ কথা উল্লেখ কৰি থ'লো। মোৰ বিশ্বাস, শিবিৰ দুটাৰ চৰিত্ৰই মোৰ মনৰ চৰিত্ৰও প্ৰতিফলিত কৰিছিল।

ভৰলুমুখৰ ঘৰটোত মই প্ৰায় তিনি বছৰ আছিলো। সেই তিনিটা বছৰতে (দুপতীয়াতে!) মোৰ গুৱাহাটীয়া জীৱনৰ কিছুমান লক্ষণ পৰিষ্কাৰ হৈ উঠিছিল। যিমান কাম বলে পাৰোঁ, তাতকৈ বেছি কাম মোৰ হাতত গোট খোৱাৰ প্ৰক্ৰিয়াটো সেইখিনি দিনত আগতকৈ শক্তিশালী হৈছিল। উপেন্দ্ৰজিত শৰ্মা প্ৰমুখ্যে নিউ আৰ্ট প্লেয়াৰ্ছৰ কৰ্মকৰ্তাসকলে ধৰিলে,— প্ৰতিযোগিতাৰ কাৰণে একাংক নাটক এখন লিখি দিব লাগে। অমুক তাৰিখৰ পৰা ৰিহাৰ্ছেল; গতিকে অমুক তাৰিখে লাগেই। — চাওঁচোন। — চাওঁচোন নহয়, লাগেই। লিখিলো। নাটকৰ নাম 'পুতলা নাচ'। তাৰ পাছত কৰ্মকৰ্তসকলে ক'লে,— ৰিহাৰ্ছেলত উপস্থিত থাকি দেখুৱাই-শুনায়ো দিব লাগে। দিলো। প্ৰসংগক্ৰমে ঃ গুৱাহাটীৰ নাটমঞ্চৰ লগত মোৰ প্ৰথম সম্পৰ্ক ঘটিছিল ১৯৫৭-৫৮ চনত। কুমাৰ ভাস্কৰ নাট্য মন্দিৰত বসন্ত কুমাৰ শইকীয়াই লিখা 'চোৰ' নামৰ নাটক এখন মঞ্চস্থ কৰা হৈছিল। নাটকখনত নায়িকাৰ অভিনয় কৰিবলৈ নগাঁৱৰ পৰা সেই সময়ৰ যশস্বী অভিনেত্ৰী বকুল শইকীয়াক নিমন্ত্ৰণ কৰি অনা হৈছিল। নাটকখনত মই এটা মজলীয়া ধৰণৰ চৰিত্ৰৰ অভিনয় কৰিছিলো। সেই সময়তে হীৰেন চৌধুৰীৰ অনুৰোধক্ৰমে 'অলংকাৰ' নামৰ একাংক নাটক এখন লিখিছিলো। তাৰ পাছত বিদেশলৈ গুচি যোৱাৰ কাৰণে এই ক্ষেত্ৰখনৰ লগত থকা সম্পৰ্ক বিচ্ছিন্ন হৈছিল। সেই সম্পৰ্ক আকৌ স্থাপিত হৈছিল 'পুতলা নাচ'ৰ জৰিয়তে। আন্তৰিকতাৰে এটা নতুন অধ্যায় আৰম্ভ কৰিছিলো কাৰণেই হ'বলা,— সেই একাংক নাটকখনত প্ৰথমে অভিনয় কৰা অভিনেতা-অভিনেত্ৰীকেইজনৰ কথা মোৰ ভালকৈ মনত পৰে ঃ অশোক বৰঠাকুৰ, উপেন্দ্ৰজিত শৰ্মা, নীৰেন বৰুৱা, বাণী চক্ৰৱৰ্তী আৰু দিলীপ শৰ্মা।

একাংক নাটক লিখা আৰু মঞ্চস্থ কৰাৰ প্ৰতি থকা মোৰ আগ্ৰহটো ষাঠিৰ দশকৰ শেষলৈকে সক্ৰিয় ৰূপত বৰ্তি আছিল; তাৰ পাছত সি অন্যান্য কামৰ হেঁচাত পেপুৱা লাগিল। 'তীৰ্থ', 'বাওনা', 'তৃতীয় বন্ধু', 'অৱৰোধ' আদি নাটকৰ কথা মনত পৰে। 'তৃতীয় বন্ধু' নামৰ নাটকখনৰ বিষয়ে মোৰ এটা কথা ক'বলগীয়া আছে। অসম ইঞ্জিনিয়াৰিং ইনষ্টিটিউটৰ ছাত্ৰ দুজনমানৰ তাগিদাত মই সেই নাটকখন লিখিছিলো। মনত আছে,— নাটকখন আনিবলৈ এজন ছাত্ৰ মই তেতিয়া থকা জালুকবাৰীৰ ঘৰটোলৈ গৈছিল। মই তেওঁক কৈছিলো, — "তুমি সোনকালে আহিলা। ইমান দূৰৰ পৰা আহিলাই যেতিয়া, শুদা হাতে উভতি যাব নালাগে। ক'ৰবাত এঘণ্টামান সময় কটাই

আহাঁগে। মই শেষৰখিনি লিখি আছোঁ।" তেওঁক কোৱা মতেই লিখা কামটো শেষ কৰিছিলো। সেই ছাত্ৰকেইজনৰ বাহিৰেও অইন বহুতে সেই নাটকখন বিভিন্ন ঠাইত মঞ্চস্থ কৰিছিল; কিন্তু কোনোবাই ক'ৰবাত নামটো 'তিনি বন্ধু'লৈ সলনি কৰি লৈছিল। তদুপৰি, নাটকখনৰ শেষত থকা গুৰুত্বপূৰ্ণ টোকাটোৰ ওপৰত উদ্যোক্তাসকলে পাছলৈ গুৰুত্ব নিদিয়া হৈছিল। নাটকখনৰ মূল কাহিনীটো মোৰ নিজৰ নাছিল। কলিকতাত পঢ়ি থাকোঁতে ৰুমমেট হেমন্ত কুমাৰ ভট্টাচাৰ্যই কোনোবা বাঙালী লেখকে লিখা বুলি সেই কাহিনীটো মোক কৈছিল। কোনে লিখা, সেইটো ভট্টাচাৰ্যৰো মনত নাছিল। গতিকে মই টোকাটোত এটা বাংলা গল্পৰ নাট্যৰূপ বুলি লিখি দিছিলো। (নাটকখনৰ কপি এতিয়া মোৰ হাতত নাই। কেতিয়াবা যদি কাৰোবাৰ হাতত কপিটো ওলায়, তেনেহ'লে উক্ত টোকাটো নাটকখনৰ লেখকৰ নামৰ লগতে সন্নিবিষ্ট হোৱাটো প্ৰয়োজনীয়।)

ভাৰত চৰকাৰে দিল্লীত অনুষ্ঠিত কৰা আন্তঃবিশ্ববিদ্যালয় যুব মহোৎসৱৰ লগত জড়িত হোৱাটো মোৰ ভৰলুমুখৰ তিনিটা বছৰৰ উল্লেখযোগ্য ঘটনাবোৰৰ এটা বুলি বিবেচনা কৰোঁ। এই ঘটনাটোৱেই মোক পাছৰ প্ৰায় দুটা দশকত অসমৰ ছাত্ৰসমাজক মাজৰ পৰা আৰু তেনেই ওচৰৰ পৰা চোৱাৰ সুবিধা উলিয়াই দিছিল। দিল্লীৰ যুব মহোৎসৱলৈ ছাত্ৰ-ছাত্ৰীৰ দল পঠাবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ে কেইবাবছৰো আগৰে পৰা একোটা নিৰ্বাচন প্ৰতিযোগিতাৰ (selection trial) আয়োজন কৰিছিল। ১৯৫৬-৫৭ চনৰ প্ৰতিযোগিতালৈ শিৱসাগৰ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ দল এটা লৈ ময়ো তত্ত্বাৱধায়ক শিক্ষক হিচাপে গুৱাহাটীলৈ আহিছিলো। সেইবাৰ দীঘলীপুখুৰীৰ পূব পাৰে থকা আৰ্ল ল কলেজৰ চৌহদত (এতিয়া য'ত ছাত্ৰী নিবাসসমূহ আছে) প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। ১৯৬২ চনত বিশ্ববিদ্যালয়ৰ নিৰ্বাচিত দলটোৰ তত্ত্বাৱধায়ক শিক্ষক হিচাপে মই দিল্লীলৈ যোৱাৰ কথা। জালুকবাৰীত পূৰ্ণোদ্যমে প্ৰতিটো বিষয়ৰ আখৰা পৰিচালনা কৰা হৈছে,— এনেতে খবৰ আহিল চীন-ভাৰত যুদ্ধৰ বাবে সেই বছৰ দিল্লীৰ মহোৎসৱ বাতিল কৰা হৈছে। পাছৰ বছৰত মই প্ৰথমবাৰৰ বাবে আন্তঃবিশ্ববিদ্যালয় যুব মহোৎসৱ দেখিলো। মোৰ মনত পৰাৰ ভিতৰত সেই বছৰ আমাৰ দলটোৰ উল্লেখযোগ্য প্ৰতিযোগী আছিল শ্বিলঙৰ ছেইণ্ট এডমাণ্ডছ কলেজৰ নাটকৰ দলটো, আৰু তৰ্ক আৰু আকস্মিক বক্তৃতাৰ বাবে যোৱা প্ৰতিযোগী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰী হীৰেন ফুকন আৰু চেলিমা আহমেদ। ছেইণ্ট এডমাণ্ডছ কলেজৰ দলটোৱে এখন ইংৰাজী একাংক নাটক লৈ গৈছিল। দলটোৰ নেতৃত্ব বহন কৰিছিল মানসকমল বেজবৰুৱাই। এওঁ এতিয়া ভাৰত চৰকাৰৰ (কিছুদিনৰ আগতে পদবী সালসলনি হোৱাৰ কাৰণে বাতৰিকাকতৰ শিৰোনামা দখল কৰা) শীৰ্ষস্থানীয় বিষয়া। হীৰেন ফুকনে কিছুদিন ষ্টেটছমেন কাকতত সংবাদসেৱী হিচাপে কাম কৰিছিল; তাৰ পাছত তেওঁ সুদীৰ্ঘ

কাল ধৰি ছিংগাপুৰত সেই একে বৃত্তিতে কাৰ্যনিৰ্বাহ কৰি আছে। চেলিমা আহমেদ (এতিয়া চেলিমা হান্নান) অসম ইঞ্জিনিয়াৰিং কলেজৰ ফিজিক্সৰ অধ্যাপিকা। শিক্ষক-জীৱনৰ আৰম্ভণি কালছোৱাৰ প্ৰিয় ছাত্ৰ-ছাত্ৰীৰ কথা ভাবিলে মই এওঁলোকক দেখা পাওঁ।

যুব মহোৎসৱৰ শেষৰ ফালৰ এদিন অংশগ্ৰহণকাৰী দলবোৰে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক লগ পোৱাৰ ব্যৱস্থা কৰা হৈছিল। ব্যৱস্থাটো হ'ল,— নেহৰুৰ বাসভৱনৰ বহল বননিখনত দলবোৰে নিৰ্দিষ্ট ঠাইত জুম বান্ধি, গ্ৰুপ-ফটো তোলাৰ আয়োজনেৰে বহি-থিয় হৈ থাকে; মাজতে এখন খালী চকী থোৱা হয়; এসময়ত প্ৰধানমন্ত্ৰীগৰাকী ওলাই আহে; তেখেতে এফালৰ পৰা দলবোৰক মাত লগায়, আৰু খালী চকীখনত বহি প্ৰতিটো দলৰ লগত ফটো উঠে। দলবোৰৰ কাৰণে এইটো বৰ আনন্দৰ, স্মৰণীয় কথা আছিল। আমি সকলো ৰৈ আছোঁ; এসময়ত খবৰ আহিল,— নেহৰু আহিব, কিন্তু তেখেত শাৰীৰিকভাৱে বৰ দুৰ্বল হৈ আছে; গতিকে তেখেত দলবোৰৰ ওচৰলৈ যাব নোৱাৰিব। তেখেত এঠাইত এখন চকীত বহি থাকিব, বিশ্ববিদ্যালয়ৰ নামৰ প্ৰথম আখৰ অনুসৰি দলবোৰ এটা-এটাকৈ তেখেতৰ ওচৰত থিয় হ'বগৈ, আৰু ফটোগ্ৰাফাৰে ফটো তুলিব। মন কৰিলো, মানুহগৰাকী সঁচাকৈয়ে বৰ দুৰ্বল হৈছে; লাহে-লাহে, বৰ কষ্ট কৰিহে যেন খোজ কাঢ়ি আহিছে। সেইদিনা ১৪ নৱেম্বৰ আছিল। হীৰেন ফুকন, মই আৰু ড. হামিদ আহমেদে (এখেত দলটোৰ লগত resource person হিচাপে গৈছিল) আগদিনাই ঠিক কৰিছিলো,— আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা নেহৰুক শৰাই এখন উপহাৰ দিম। কিন্তু শৰাই পাওঁ ক'ত? আছাম হাউছলৈ গ'লো। তাৰ কৰ্তৃপক্ষই আমাৰ উদ্দেশ্যৰ কথা শুনি সজাই থোৱা শৰাই এখন আমাক ধাৰলৈ দিলে। হীৰেনৰ পৰা শৰাইখন হাতত লৈ নেহৰুৱে সৰু মাতেৰে কৈছিল,— "আসাম কা খাস চীজ হ্যেয়।"

নেহৰুৰ জন্মদিন উপলক্ষে অসমৰ পৰা দিয়া সেইটোৱেই শেষ উপহাৰ আছিল।

যুব মহোৎসৱৰ সেই বছৰৰ অভিজ্ঞতাই মোক লগে-লগে বৰ সহায় কৰিলে। মহোৎসৱটোৰ সামগ্ৰিক গঠন আৰু ৰূপ সম্পৰ্কে মোৰ এটা পৰিষ্কাৰ ধাৰণা হ'ল। আগতে তত্ত্বাৱধায়ক শিক্ষক হিচাপে অংশ গ্ৰহণ কৰা ড. মহেশ্বৰ নেওগ ছাৰৰ মুখে মহোৎসৱবোৰৰ যি বৰ্ণনা শুনিছিলো, সেই বৰ্ণনাৰ লগত এতিয়া যি দেখিলো তাৰ যথেষ্ট পাৰ্থক্য আছে। বৰ্তমানৰ ৰূপৰ মহোৎসৱত অংশ গ্ৰহণ কৰি সদনাম আৰ্জিব লাগিলে কেনেকৈ দলটোক সাজু কৰিব লাগে, সেই সম্পৰ্কে চিন্তা কৰাৰ ঢেৰ সমল পালো।

ইতিমধ্যে মোক বিশ্ববিদ্যালয়ৰ স্প'ৰ্টছ ব'ৰ্ডৰ সাংস্কৃতিক শাখাৰ জইণ্ট ছেক্ৰেটৰিৰ বাব দিয়া হৈছিল। আমি ব'ৰ্ডৰ সভাত ঠিক কৰিলো,— দিল্লীত যিটো ৰূপত আন্তঃবিশ্ববিদ্যালয় যুব মহোৎসৱ পতা হয়, ঠিক সেইটো ৰূপতে আমাৰ বিশ্ববিদ্যালয়ে

(আগৰ নিৰ্বাচন-প্ৰতিযোগিতাৰ সলনি) আন্তঃকলেজ যুৱ মহোৎসৱ পাতিব লাগে, আৰু ভালেমান সৎ উদ্দেশ্যৰ ভিতৰত এই মহোৎসৱৰ এটা উদ্দেশ্য হ'ব দিল্লীৰ মহোৎসৱৰ বাবে এটা দল নিৰ্বাচন কৰা। আৰু এটা কাৰণত মই অসমৰ কলেজসমূহৰ বাবে এনে ধৰণৰ অনুষ্ঠান এটা প্ৰয়োজনীয় বুলি ভাবিছিলো। পঞ্চাছৰ দশকত আন্তঃকলেজ সংগীত সন্মিলন নামৰ প্ৰতিযোগিতামূলক সন্মিলনখনে ছাত্ৰ সমাজত থকা সংগীত-শিল্প-সংস্কৃতিৰ অনুৰাগী আৰু চৰ্চাকাৰীসকলৰ উপকাৰ সাধিছিল বুলি মোৰ ধাৰণা জন্মিছিল। আমাৰ লগৰে নেকিব আহমেদ, নিত্যা ভূএগ আদি সংগঠকসকলে গুৰি ধৰা সেই বছৰেকীয়া সন্মিলনবোৰে জ্যোতিৰ্ময় কাকতী, মিহিৰ বৰদলৈ, জ্যেতিষ ভট্টাচাৰ্য, গুণদা দাস (পাছলৈ গুণদা কৌৰ) আদি ভালেমান গায়কক এখন প্ৰয়োজনীয় মঞ্চৰ যোগান ধৰিছিল। বিদেশলৈ যোৱাৰ আগতে মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ দলটোৰ শিক্ষক-তত্ত্বাৱধায়কৰূপে শ্বিলঙত অনুষ্ঠিত সন্মিলনলৈ গৈছিলো। মোৰ লগত সন্মিলনখনৰ সেয়ে শেষ সম্পৰ্ক আছিল। সময়ত সন্মিলনখন লুপ্ত হ'ল। (উল্লেখযোগ্য ঃ আগতেই কৈছোঁ, মই বিদেশৰ পৰা গুৱাহাটী পোৱাৰ দিনা শ্বিলঙৰ পৰা নিত্যা ভূএগ মোক লগ পাবলৈকে গুৱাহাটীলৈ আহিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাকৰিত যোগদান কৰাৰ আগৰ সময়ছোৱাত নগাঁৱৰ ঘৰত থাকোঁতে এদিন খবৰ পালো— হৃদযন্ত্ৰৰ অসুখৰ ফলত নিত্যা ভূএগৰ আচম্বিতে মৃত্যু হ'ল। সঁচা কথা ক'বলৈ গ'লে, তেতিয়াৰ পৰা শ্বিলং নগৰখনৰ লগতেই মোৰ সম্পৰ্ক নোহোৱাৰ নিচিনা হৈ আহিল।)

সেই সন্মিলনখনৰ ঠাই ল'ব পৰা এটা অনুষ্ঠান মই প্ৰয়োজনীয় বুলি ভাবিছিলো। অকল গান-বাজনাকে নহয়, চিত্ৰকলা, বৌদ্ধিক চিন্তা-চৰ্চা আদিকো সামৰা প্ৰতিযোগিতামূলক অনুষ্ঠান এটা নিয়মীয়াকৈ পাতিব পাৰিলে ছাত্ৰসমাজৰ মংগল হ'ব বুলি ধাৰণা হৈছিল।

১৯৬৪ চনত দিল্লী মহোৎসৱৰ আগে-আগে বিশ্ববিদ্যালয় চৌহদৰ পুৰণি খেলপথাৰৰ কাষত থকা Open Air Theatre-অত প্ৰথমবাৰৰ বাবে আন্তঃকলেজ যুৱ মহোৎসৱ নামেৰে এটা অনুষ্ঠানৰ আয়োজন কৰা হ'ল। দিল্লীৰ বাবে নিৰ্বাচিত দলটোক দিল্লীলৈ যোৱাৰ আগতে বিশ্ববিদ্যালয় চৌহদত গোটি খুৱাই 'প্ৰশিক্ষণ' দিয়া হ'ল। আগৰ বছৰ মই মন কৰিছিলো,— দিল্লী-মহোৎসৱত মাৰ্চ-পাষ্ট অনুষ্ঠানটোৰে মহোৎসৱ মুকলি কৰা হয়। সেই অনুষ্ঠানটোৰো নম্বৰ আছে। বিশেষকৈ,—.সেই অনুষ্ঠানটোৱেই দৰ্শক-বিচাৰক সকলোৰে মনত দলটো সম্পৰ্কে প্ৰাথমিক ধাৰণাৰ সৃষ্টি কৰে। গতিকে,— মোৰ মনত পৰে, কলেজীয়া জীৱনৰে পৰা এন. ছি. ছিৰ লগত সম্পৰ্ক থকা ড. মীনধৰ বৰঠাকুৰক অনুৰোধ কৰিলো,— আপুনি আমাৰ দলটোৰ মাৰ্চ-পাষ্ট অনুষ্ঠানটো যিমান পাৰে নিখুঁত

কৰি দিয়ক। ড. বৰঠাকুৰে বৰ কষ্ট কৰি ৰাতিপুৱা-ৰাতিপুৱা দলটোক ‘পেৰেড’ কৰাইছিল।

আমাৰ পৰিশ্ৰম আৰু আঁচনিৰ সুফল হাতে-হাতে পাইছিলো। সেই বছৰৰ দিল্লী মহোৎসবত গুৱাহাটী বিশ্ববিদ্যালয়ৰ দলটো বোম্বাই বিশ্ববিদ্যালয়ৰ লগত যুটীয়াভাৱে প্ৰথম হৈছিল। মণিপুৰৰ ধনমঞ্জৰী কলেজৰ দলটোৰ নগানৃত্যৰ পৰিবেশন ইমানেই আকৰ্ষণীয় হৈছিল যে সেইকেইদিনত প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ বাসভবনকে আদি কৰি য'তে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছিল, ত'তে সেই নৃত্যানুষ্ঠানটো অন্তৰ্ভুক্ত কৰাটো প্ৰায় অপৰিহাৰ্য হৈ পৰিছিল। পাছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ দলটোক দেখিলেই অন্যান্য দলৰ ছাত্ৰ-ছাত্ৰীয়ে “হো হাইও, অহো হাইও” বুলি সম্ভাষণ জনাইছিল। (নৃত্যানুষ্ঠানটো এইকেইটা শব্দৰে আৰম্ভ কৰা হৈছিল।)

এসময়ত দিল্লী-মহোৎসৱ বন্ধ হৈ গ'ল, কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মহোৎসৱটো চলি থাকিল। উল্লেখযোগ্য কথা, ডিব্ৰুগড়ৰ কানৈ কলেজৰ পৰা আৰম্ভ কৰি মণিপুৰৰ প্ৰসিদ্ধ কলেজকেইখন, শ্বিলঙৰ প্ৰসিদ্ধ কলেজকেইখন, ইফালে বৰপেটাৰ এম. ছি. কলেজলৈকে— এসময়ৰ ‘বৃহত্তৰ অসম’ৰ বহু কলেজৰ সন্মিলনেৰে অনুষ্ঠিত প্ৰথম কেইবছৰমানৰ মহোৎসৱকেইটাৰ চৰিত্ৰ আৰু সৌষ্ঠৱ আনন্দদায়ক আছিল। অংশগ্ৰহণকাৰী কলেজসমূহৰ পতাকা আৰু প্ৰতীকচিহ্নবোৰৰ সৌন্দৰ্যই ছাত্ৰসমাজৰ কল্যাণৰ কথা ঘোষণা কৰি থকা যেন লাগিছিল। এটা কাষৰীয়া কথা ঃ ভৰলুমুখৰ চিত্ৰকৰ ধূৰ্জটি শৰ্মাই দিনে-নিশাই পৰিশ্ৰম কৰি কলেজসমূহৰ প্ৰতীকচিহ্নবোৰ আঁকি দিয়া ঘটনাটো মোৰ কাৰণে স্মৰণীয়।

এই বিষয়টোলৈ উভতিঅহাৰ সুবিধা পাছত আকৌ পাম; সদ্যহতে ভৰলুমুখৰ ঘৰৰ দিনখিনিৰ দুটামান কথা কৈ অধ্যায়টো শেষ কৰি থওঁ। সেইটো ঘৰত থাকোঁতেই মোৰ প্ৰথম গল্প-সংকলন ‘প্ৰহৰী’ প্ৰকাশ কৰাৰ ব্যৱস্থা হয়। এদিন প্ৰফুল্ল শইকীয়াই (এসময়ৰ আকাশবাণীৰ দিল্লী কেন্দ্ৰৰ পৰা বাতৰি পঢ়োঁতা, বৰ্তমানে চলচ্চিত্ৰ নিৰ্মাতা, সম্পৰ্কত মোৰ ভাগিন) ক'লেহি,— লয়াৰ্ছ বুক ষ্টলৰ ডেকা-মালিক খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা ওৰফে ভুতোৱে মোৰ গল্পৰ সংকলন এটা প্ৰকাশ কৰিব খুজিছে। তেতিয়ালৈকে মোৰ গল্পৰ কিতাপ উলিয়াবলৈ কোনোবা প্ৰকাশক আগ বাঢ়ি আহিব,— তেনেকুৱা আত্মবিশ্বাস মোৰ মনত গোট খোৱাই নাছিল। নিজে প্ৰকাশকৰ ওচৰলৈ যোৱাৰ কথাও ভবা নাছিলো। গতিকে প্ৰফুল্লই কোৱা কথাখিনি শুনি মই আনন্দ পালো। বিশেষ বাছ-বিচাৰ কৰিবলৈ নহ'ল; কেইদিনমানৰ ভিতৰতে হাততে পোৱা গল্পকেইটামান প্ৰফুল্লক দি দিলো।

সত্তৰৰ দশকৰ আৰম্ভণিৰে পৰা আজিলৈকে,— এই সুদীৰ্ঘ কালছোৱাত প্ৰান্তিকৰ সম্পাদক প্ৰদীপ বৰুৱাৰ লগত মোৰ সম্পৰ্ক ঘনিষ্ঠ। এই সম্পৰ্কৰ সবিশেষ যথাসময়ত প্ৰকাশ কৰিব পাৰিম, কিন্তু এতিয়া কথাটো উলিওৱাৰ কাৰণ হ'ল,— ভৰলুমুখৰ সেই ঘৰটোতে প্ৰদীপৰ লগত মোৰ প্ৰথম দেখাদেখি হৈছিল। তেওঁ আহিছিল সেই সময়ৰ সক্ৰিয় সামাজিক-সাংস্কৃতিক সংগঠন 'মধুচয়নিকা'ৰ এজন কৰ্মকৰ্তা হিচাপে কথা এটা আলোচনা কৰিবলৈ। লগত আহিছিল সংগঠনটোৰ অন্য এজন কৰ্মকৰ্তা খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা ওৰফে ভুত্তো।

এদিন ক'ৰবাৰ পৰা ঘৰলৈ উভতি আহিছোঁ, দেখোঁ,— বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সিফালৰ পৰা আহি আছে। ওচৰ পোৱাৰ লগে-লগে তেখেতে ক'লে,— "আপোনাৰ ওচৰলৈকে আহিছিলো। আজিৰে সৈতে তিনি দিন হ'ল।" তিনি দিন? মই অপৰাধী বোধ কৰিলো। অপ্ৰস্তুত হ'লো। দুৱাৰৰ তলা খুলি আথেবেথে তেখেতক সমুখৰ কোঠালিটোত বহুৱালো। তেখেতে মোক গল্প এটাৰ কথা ক'বলৈ আহিছিল। আমাৰ ভাৰাঘৰটোৰ কাৰণে সেইটো এটা ভাল দিন বুলি গণ্য কৰিছিলো।

ঘৰটোৰ ইমান ওচৰতে 'অসম বাতৰি'ৰ কাৰ্যালয় আৰু প্ৰেছটো হোৱা কাৰণে মোৰ কেইবাটাও সুবিধা হৈছিল। তাৰে এটা আছিল,—'অসম বাতিৰ'ৰ সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়াক গল্প লিখি দিয়াৰ সুবিধা। শইকীয়াই গল্প এটা লাগিব বুলি কোৱা মানে লাগিবই, আৰু তেতিয়াৰ দিনত মোক তেখেতে গল্প এটাৰ কথা কোৱা মানে মই লিখি দিমেই। এই দুটা চৰ্ত পূৰণ কৰোঁতে, সময়ৰ কাৰণে, মোৰ কষ্ট হৈছিল। কেতিয়াবা শেষ সময়ত লিখিবলৈ বহি এক পৃষ্ঠা-এক পৃষ্ঠাকৈ পবিনৰ হাতত প্ৰেছলৈ দি পঠাইছিলো, আৰু কম্প'জিটৰে এক পৃষ্ঠা-এক পৃষ্ঠাকৈ কম্প'জ কৰি গৈ আছিল। কেতিয়াবা বাধ্যত পৰি আগফালৰ দুৱাৰখনত তলা মাৰি ভিতৰত সময় উলিয়াই লৈছিলো।

সেইটো ঘৰত থাকোঁতেই মই অসম বিজ্ঞান সমিতিৰ মাহেকীয়া আলোচনী বিজ্ঞান জেউতিৰ সম্পাদকৰ বাব পাইছিলো। প্ৰথম সংখ্যাৰ প্ৰবন্ধ-পাতি প্ৰেছত ছপা হৈ গ'ল; এতিয়া কেৱল বেটুপাতখন হ'লেই হয়। কোনো শিল্পীৰ ওচৰলৈ যাবলৈ সময় নাই; এসপ্তাহৰ ভিতৰতে আলোচনীখন ওলাবই লাগে। কাগজ-কলম-কৈচী-আঠা আদি লৈ বেটুপাত সৃষ্টি কৰিবলৈ বহিলো। কেঁচুবা এটাৰ মুখ এখন আলোচনী এখনৰ পৰা কাটিলো; তাৰ মুখৰ ওপৰত বিজ্ঞানৰ ফলমুলা লিখিলো। এঘণ্টামানৰ ভিতৰতে বেটুপাতৰ ছবি সম্পূৰ্ণ হ'ল। তেনেই সৰু কথা; কিন্তু মোৰ জীৱনৰ পৰা বিচ্ছিন্ন কৰিব নোৱৰা কথা।

সময়ৰ কাৰণে মই প্ৰায়েই অসুবিধাত পৰিছিলো। হিচাপ কৰি দেখিছিলো,— দিনটোৰ প্ৰায় দুঘণ্টা সময় বাছৰ কাৰণে বাটৰ কাষত থিয় হৈ থাকোঁতেই যায়, আৰু

ৰিক্সাৰ মন্থৰ গতিৰ কাৰণেও যায় পোন্ধৰ মিনিটমান। সময়ৰ এই অপচয় লাহে-লাহে অসহ্য হৈ আহিছিল। ভৰলুমুখত 'ইউনিভাৰ্ছিটি বাছ'ৰ কাৰণে ৰৈ থাকোঁ; এখন বাছ আহে, উঠিব নোৱাৰোঁ। শিক্ষক মানুহ, বেছি ঠেলা-হেঁচা কৰিবলৈও বেয়া লাগে। পিছৰখনতো যদি উঠিব নোৱাৰোঁ, তেনেহ'লে আধা ঘণ্টা খাপ পিতি থাকিব লাগিব পিছৰখনলৈ। তেনে অৱস্থাত যেতিয়া দেখোঁ,— হিন্দুস্তান ফ'ৰটিন গাড়ীখনৰ পিছৰ ছিটত বহি ড. বিৰিঞ্চি কুমাৰ বৰুৱাই একান্ত মনে কিবা পঢ়ি-পঢ়ি বিশ্ববিদ্যালয়লৈ গৈ আছে, তেতিয়া ভাবোঁ,— ছাৰে দিনটোত কিমান বেছি সময় কামৰ কাৰণে পায়! গতিকে গাড়ী এখনকে ল'ব লাগিল। গাড়ী? চাৰ্কৰিত সোমোৱা তিনি বছৰেই সম্পূৰ্ণ হোৱা নাই; ঘড়ি এটা কিনিবলৈকে কিমান দিন বাট চাবলগীয়া হৈছিল;— এতিয়া গাড়ী এখন? কিন্তু হোৱাই নট? ঘড়িটো যিমান প্ৰয়োজনীয় বস্তু আছিল, গাড়ীখনোতো সিমানেই প্ৰয়োজনীয়! মইতো চখ কৰিবলৈ, বিলাস কৰিবলৈ গাড়ীৰ কথা ভবা নাই। সময় উলিয়াবলৈ, বেছি কাম কৰিবলৈহে ভাবিছোঁ! কিন্তু পইচা? আহিব। মনৰ জোৰৰ কোচতে কোনোবা নহয় কোনোবা ফালৰ পৰা পইচা আহিবই।

এদিন ৰাধা বৰাক (ব্যৱসায়ী, পাছলৈ ৰাজনৈতিক কৰ্মী) কথাটো ক'লো। কিছুদিনৰ পাছত তেওঁ খবৰ দিলে,— পোৱা গৈছে; দামে-কামে মোৰ কাৰণে উপযোগী গাড়ী এখন পোৱা গৈছে। ইন্সিঅ'ৰেন্স কোম্পেনি এটাৰ বিষয়া এজনৰ হিন্দুস্তান ফ'ৰটিন গাড়ী; দাম চাৰি হাজাৰ পাঁচ শ একাৰণ্ন টকা। এইটো কি পদ্ধতিৰে ঠিক কৰা দাম নাজানো, কিন্তু ৰাধা বৰাৰ মতে সেই দামৰ এক পইচাও হেৰ-ফেৰ নহ'ব। তেখেতৰ পৰামৰ্শমতে এদিন লাখটকীয়াৰ এমূৰে বাটৰ কাষত থৈ দিয়া গাড়ীখন বাহিৰৰ পৰা চাই আহিলোগৈ। ক'লা ৰঙৰ, নম্বৰ ASL 5718; দেখাত টিপটপ যেনেই লাগিল। বৰাক ক'লো,— গাড়ীখন মই লম। কথা পকা। মে' মাহৰ সাতাইছ তাৰিখে মই আপোনাক অলপ এডভান্স দি যামহি। পাছদিনাই বিশ্ববিদ্যালয়ৰ অফিছত হাজাৰ টকাৰ Caradvance- অৰ কাৰণে দৰখাস্ত কৰিলো।

সাতাইছ মে'ৰ দিনা পাছবেলা কিবা কামত গৈ কণ্ট্ৰলাৰ অৱ এগজামিনেশ্যনছ ৰত্ন বৰুৱাৰ কোঠাত বহি আছোঁগৈ; এসময়ত দুৱাৰখন খুলি আবুল লেইছে বাহিৰৰ পৰাই ক'লে,— নেহৰু ঢুকাল। জৱাহৰলাল নেহৰু।

মহাত্মা গান্ধীৰ মৃত্যুৰ সময়ত মোৰ যি বয়স, আৰু সেই নেতাজনক মহামানৱ বুলি যিটো পৰ্যায়ত স্থাপন কৰিছিলো,— সেই দুয়োটা কথাই তেখেতৰ মৃত্যুক মোৰ বাবে এটা অপাৰ্থিৱ, অলৌকিক ঘটনা কৰি তুলিছিল; কিন্তু নেহৰুৰ মৃত্যুৱে মোক স্তব্ধ, ম্ৰিয়মাণ কৰিলে। সৰ্বভাৰতীয় নেতাসকলৰ মাজত এখেত মোৰ বৰ শ্ৰদ্ধাৰ পাত্ৰ আছিল।

এনে এটা দিনতো, মই ৰাধা বৰাক দিয়া কথা ৰাখিম বুলি ঠিক কৰিলো। জঁয় পৰি থকা নগৰখনৰ মাজেদি গৈ সন্ধিয়া সময়ত ৰাধা বৰাৰ ঘৰ ওলালোগৈ, আৰু তেওঁক টকা এশ দিলো। এডভান্স। আচলতে সেইদিনা মোৰ হাতত নতুন ছাইকেল এখন কিনাৰ জোখাৰেও পইচা নাছিল। সেইদিনা গাড়ীখন বৰাৰ ঘৰৰ চোতালতে আছিল। তেওঁ ক'লে, "আপুনি গাড়ীখন এতিয়াই লৈ যাওক।" মই ক'লো,—"চলাব জানিলেহে নিম!"

কেইদিনমানৰ পাছত ড. নিৰ্মলপ্ৰভা বৰদলৈৰ পৰা দুহাজাৰ আৰু বিশ্ববিদ্যালয়ৰ গণিতৰ শিক্ষক অৰবিন্দ মিশ্ৰৰ পৰা দুহাজাৰ টকা ধাৰলৈ ল'লো, আৰু আমাৰ ওচৰ-চুবুৰীয়া নন্দ দাসক লগত লৈ ৰাধা বৰাৰ ঘৰ ওলালোগৈ। নন্দ দাসে গাড়ী চলালে, মই কাষত বহি গুচি আহিলো।

কিছুদিনৰ পাছত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ এখন সভাই মোৰ ধাৰৰ দৰখাস্তখন বিবেচনা কৰাৰ কথা। সিদ্ধান্তটো জানিবলৈ মই আবেলি অফিছৰ ফালে গৈছিলো। ৰেজিষ্ট্ৰাৰ চিদানন্দ দাস ছাৰ ঘৰলৈ যাবলৈ বুলি ওলাই আহিছিল। তেখেতে ক'লে,— ল'নটো ছেংছন কৰা হৈছে। তাৰ পাছত তেখেতে তেখেতৰ স্বভাৱসুলভ সুৰেৰে সুধিলে, "ধাৰ মৰালৈকে গাড়ীখন চলি থাকিবতো?"

মই জোৰ দি ক'লো, "থাকিব ছাৰ।"

(আছিল। গাড়ীখন মই চৈধ্য বছৰ আঠ মাহ চলাইছিলো। বিচিত্ৰ ধৰণৰ কামৰ বোজা কঢ়িয়াই, মোৰ বহু সময় বচাই, গাড়ীখনে মোক এখন সংসাৰ পাতি দি গ'ল। এতিয়াও গুৱাহাটীৰ বুকুতে গাড়ীখন মাজে-মাজে দেখোঁ; দেখিলেই অকণমান ৰৈ চাই যাওঁ। মোৰ ছোৱালীহঁতে কয়,—পাৰিলে সেইখন আকৌ কিনি আনি থৈ দিয়া।)

যি বছৰ মই গাড়ী কিনিলো, সেই বছৰৰ কেইটামান মাহৰ বজাৰ হিচাপ লিখা সৰু বহী এখন পাইছোঁ। পবিনে বজাৰ কৰি আনি হিচাপ দিয়ে, মই বহীখনত লিখি থওঁ। গাড়ী কিনাৰ বিপৰীতে এদিনৰ বজাৰ হিচাপ মিলাই চাই মই নিজেই আনন্দ পাওঁ। এশ টকা এডভান্স দিয়াৰ ঠিক এমাহৰ আগৰ হিচাপ ঃ

২৭।৪।৬৪

| | |
|---|---|
| গাখীৰ | ২.২০* |
| মাংস | ১.০০ |
| আলু | ০.৬২ |
| পিয়াঁজ | ০.২৫ |
| জলকীয়া | ০.০৬ |
| অমিতা | ০.৫০ |

| | |
|---|---|
| ভেণ্ডি | ০.২৫ |
| শাক | ০.২০ |
| নেমু | ০.২৫ |
| বাছ ভাৰা | ০.০৭ |
| | ৫.৪০ |

(*বোধকৰোঁ এসপ্তাহৰ গাখীৰৰ দাম আদায় কৰি দিছিলো।)

নন্দ দাসে দোকমোকালিতে উঠি মোক গাড়ী চলাবলৈ শিকালে; আৰু এদিন মই অকলে গাড়ী চলাই ফিজিক্স ডিপার্টমেণ্ট ওলালোগৈ।

তাৰ পাছত এদিন সেইখন গাড়ীৰেই তিনি খেপ মাৰি সৰু-সুৰা সকলো বস্তু বিশ্ববিদ্যালয় চৌহদৰ বিৰান্নবৈ নম্বৰ ঘৰলৈ কঢ়িয়ালো। সেই ঘৰটো বিশ্ববিদ্যালয়ে মোক দি থৈছিল।

পাছদিনা ভৰলুমুখৰ ভাৰাঘৰ এৰিলো।

# ন

প্ৰায় ছবছৰৰ আগতে মই জালুকবাৰীৰ বিশ্ববিদ্যালয় চৌহদৰ সাত নম্বৰ ঘৰটোত এঘাৰ মাহমান থাকি গৈছিলো; কিন্তু এইবাৰ চৌহদটোত থাকিবলৈ অহা ঘটনাটোৰ চৰিত্ৰ বেলেগ আছিল। এইবাৰ মই কাৰো আলহী হৈ নাথাকোঁ; আমি থকা ঘৰটোৰ ইটো ভাগত আৰু এটা পৰিয়াল নাথাকে; আগফালে ফুলনি, পিছফালে বাৰী পাতিব পৰা মাটিৰে এইটো মোৰ 'নিজা ঘৰ'। বিদেশলৈ যোৱাৰ আয়োজন কৰাৰ কাৰণে ব্যৱহাৰ কৰা এইটো অস্থায়ী মঞ্চ নহয়; এইটো মোৰ কৰ্মজীৱনৰ নতুন অধ্যায় ৰচনা কৰাৰ বাবে চাকৰিৰ বিনিময়ত পোৱা 'নিজা ঘৰ'। বিশ্ববিদ্যালয়ৰ সম্পত্তি হ'লেও, যেতিয়াই সেই ঘৰটো নিজা বুলি অনুভৱ কৰিলো, তেতিয়াই ঘৰটোক মনৰ জোখাৰে সজাই-পৰাই ল'বলৈ মোৰ হাবিলাস জন্মিল। অধ্যাপক চাভাৰৱাল থকা ঘৰটোৰ চৌহদটোত পাতাবাহাৰ, বগানভেলিয়া আদি গছে এখন সৰু-সুৰা অৰণ্যৰেই সৃষ্টি কৰিছিল। চাভাৰৱালে ঘৰটো এৰি যোৱাৰ পাছত তালৈ আহিল ড. ইন্দুমোহন দাস। ড. দাসে চৌহদটো অলপ পোহৰাবলৈ কিছুমান গছ আঁতৰোৱাৰ কথা ভাবিলে। ইফালে মই ৰাতিটোৰ ভিতৰতে যেন আগফালৰ মুকলি ঠাইডোখৰ গছ-গছনিৰে ভৰাই পেলাম,— এনে চিন্তাত আছিলো। গতিকে ড. দাসে গছ আঁতৰাব বুলি খবৰ পায়েই মই তেখেতৰ ঘৰত উপস্থিত হ'লোগৈ, আৰু তেখেতে আঁতৰাব খোজা ওখ-ওখ পাতাবাহাৰ গছবোৰ শিপাৰে সৈতে আলফুলকৈ খনাই, ঠেলাগাড়ীৰে ঘৰলৈ অনাই, আগফালে ৰোৱাই দিলো। ৰাতিপুৱা-গধূলি বৰ আগ্ৰহেৰে মন কৰি থাকিলো,— গছকেইজোপা মৰে নে কি? নমৰিল। সেয়ে আৰম্ভ। কেইমাহমানৰ ভিতৰতে আগফালৰ শুকান, লঠঙা চেহেৰাটো আঁতৰ হ'ল। এইটো মোৰ কাৰণে প্ৰয়োজনীয় কাম আছিল।

পিছফালৰ বাৰীখন পতাৰ সময়ত মই সেই স্কুলীয়া দিনত পিতায়ে বাৰীত কাম কৰা দিনলৈ উভতি যোৱা যেন পালো। সাত লেচামান মাটিতে পিতাইৰ গোটেই বাৰীখন সামৰিবৰ মন গ'ল। কামৰ পৰা আহি পৰিবেশ কোৰ-খন্তিৰে মাটি উলিয়াই দিয়ে, মই গুটি সিচোঁ, পুলি ৰোওঁ। দুটা মানুহৰ সংসাৰ;— বাৰীৰ পাচলি খাই কিমান পইচা বচাইছিলো, সেইটো ডাঙৰ কথা নাছিল, কিন্তু বাৰীখন উলুৱনি-ফুটুকানিৰে ভৰি নাথাকক; ৰাতিপুৱা-গধূলি পিছফাললৈ গ'লে অন্ততঃ চকুটোৱে শান্তি পাওক,— সেইবোৰহে

ডাঙৰ কথা আছিল। পাছলৈ মোৰ সেই শান্তি আহৰণৰ চেষ্টাটো প্ৰবল হৈছিল। মনত পৰে,— বাৰীখনৰ এমূৰে এচমকা বালিচঁহীয়া মাটি আছিল। তাত কোনো ধৰণৰ শাক-পাচলি তুলিব নোৱাৰিছিলো। কোনোবাই ক'লে,— তেনেকুৱা মাটি বাদাম খেতিৰ বাবে উপযোগী। পবিনৰ লগ লাগি ঠাইডোখৰত পাঁচটামানকৈ দীঘল-দীঘল খলি আৰু ঢাপ কৰি, ঢাপকেইটাত বজাৰৰ পৰা বাদাম আনি ৰুই দিলো। বহুদিন বাট চালো। একোটো নহ'ল। 'কৃষিকৰ্ম'ৰ ক্ষেত্ৰত মোৰ সেই সময়ৰ উৎসাহৰ আতিশয্যৰ উদাহৰণ দিবলৈহে বাদামখেতিৰ কথাটো উল্লেখ কৰিলো। তেনেকুৱা আতিশয্যত মই এবিধ আমোদ পাইছিলো।

বিৰান্নবৈ নম্বৰ ঘৰৰ সেই বাৰীখনৰ কেইটামান কথা মই মোৰ কৃষিকৰ্মৰ ৰচনাখনত উল্লেখযোগ্য বুলি বিবেচনা কৰোঁ। চালানী আম খাই গুটিটো— "কি হয় চাওঁচোন"— বুলি পিছফালৰ চৌবাচ্চাটোৰ ওচৰতে পচাই থৈছিলো। পুলিটো গজাৰ পাছত অতি সাধাৰণভাৱে যিকণ তালাপি কৰিব লাগে সেইকণ কৰিছিলো; কিন্তু পাঁচফুটমান ওখ হওঁতেই গছজোপাত আম লাগিছিল, আৰু আমবোৰ সিহঁতৰ পূৰ্বপুৰুষৰ সমানে ডাঙৰ-ডাঙৰ হৈছিল। ব্ৰাছেলছ স্প্ৰাউটছ (Brussels Sprouts) নামৰ বন্ধাকবিবিধ বিদেশত খাই পাইছিলো। সেইবিধৰ একোটা সৰু কবি গোল নেমু বা লেটেকু একোটাৰ সমান ডাঙৰ হয়। পশ্চিমৰ লোকে সাধাৰণতে সেইবিধ বস্তু সিজাই খায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ শিক্ষক, ড. অন্নদাচৰণ ভাগৱতীয়ে (পাছলৈ অৰুণাচল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য) মোক ব্ৰাছেলছ স্প্ৰাউটৰ গুটি কেইটামান দিলে। এইবিধ পাচলি ইয়াত জানো হ'ব? যি হয় হ'ব বুলি পচালো। তিনিমাহমানৰ পাছত দেখিলো,— প্ৰতিজোপা গছতে ব্ৰাছেলছ স্প্ৰাউটছ লাগিছে। ডেৰফুট-দুফুট ওখ-ওখ গছবোৰৰ গা-গছতে থেপাথেপিকৈ কবিবোৰ লাগে; দেখিবলৈ বৰ ভাল লাগে। পিছে সেই দৃশ্য বেছিদিন উপভোগ কৰিবলৈও নাপালো, বেছি ব্ৰাছেলছ স্প্ৰাউটছ খাবলৈও নাপালো। গছবোৰ ডাঙৰ-ডাঙৰ বিছাই আবৰি ধৰিলে। যিমান ব্ৰাছেলছ স্প্ৰাউটছ, সিমান বিছা!

সেই সময়ত বিশ্ববিদ্যালয় চৌহদত থকা ড. বুধৰাজ আৰু ৰাজাৰাম নামৰ দুজন শিক্ষকৰ গছ-গছনিৰ প্ৰতি বৰ আগ্ৰহ আছিল। ৰাজাৰামে তেৰ নম্বৰ ঘৰটোৰ চৌহদটো বিভিন্ন ধৰণৰ কেকটাছেৰে ভৰাই পেলাইছিল। গছৰ আলপৈচান ধৰা নানা ধৰণৰ কেঁচী-কটাৰী-যন্ত্ৰ-পাতি মই প্ৰথম ৰাজাৰামৰ ঘৰতে দেখিছিলো। ড. বুধৰাজৰ আগ্ৰহ কেকটাছৰ প্ৰতি নাছিল; অন্যান্য গছ-গছনিৰ প্ৰতি আছিল। তেওঁলোক দুজনে মোৰো যে তেনেকুৱা চখ আছিল, সেইটো জানিছিল। সেইকাৰণে গুৱাহাটী বিশ্ববিদ্যালয় এৰি যাবৰ সময়ত তেওঁলোকে মোক কিছু গছ-গছনি দি গৈছিল। অন্যান্য গছৰ লগতে ড. বুধৰাজে মাটিৰে সৈতে খানি অনা আঙুৰ গছ এজোপা, আৰু অচিন গছ এজোপা দিছিল। অচিন গছজোপা

সম্পৰ্কে তেওঁ মোক কৈছিল,— দক্ষিণ ভাৰতৰ এজন মানুহে তেওঁক এই গছজোপাৰ পুলিটো দান দিছিল। তেওঁ আথে-বেথে পুলিটো দক্ষিণ ভাৰতৰ পৰা গুৱাহাটীলৈ লৈ আহিছিল। কি গছৰ পুলি, সেইটো দাতাজনেও নাজানিছিল। তেওঁ কেৱল কৈছিল,— এইটো এবিধ মূল্যবান, দুষ্প্ৰাপ্য গছৰ পুলি। ড. বুধৰাজে পুলিটোৰ যত্ন লৈছিল, কিন্তু তাৰ পৰিচয় উদ্ধাৰ কৰিব পৰা নাছিল। বৃত্তান্তটো দি শেষত তেওঁ মোক পুলিটোৰ ভালকৈ আপডাল কৰিবলৈ অনুৰোধ কৰিছিল। মই কৰিছিলো। মই পাওঁতে পুলিটো দুফুটমান ওখ আছিল। লহপহকৈ বাঢ়ি দুবছৰৰ ভিতৰতে পুলিটো আঠফুটমান ওখ হ'ল, আৰু তাত ফল দুটামান লাগিল। পৈণত ফলবোৰ দেখাত অমিতাৰ নিচিনা হ'ল, আৰু সেইবোৰৰ ৰং বেঙুনীয়া-সেউজীয়া ধৰণৰ হ'ল। তেনে অৱস্থাত এদিন মই এগ্ৰিকালচাৰ ব'টেনি বিভাগৰ শিক্ষক ড. ৰামেননক লগ ধৰি ক'লো,— আপুনি মোক এই গছজোপাৰ পৰিচয় উদ্ধাৰ কৰি দিয়ক। ড. ৰামেননে কিছুদিনৰ পাছত এখন কিতাপত ছবিৰে সৈতে গছজোপাৰ বৰ্ণনা বিচাৰি উলিয়ালে। গছজোপা আৰু তাৰ ফলৰ নাম হ'ল এভকেড' (Avocado)। ঘাইকৈ অষ্ট্ৰেলিয়াত এইবিধ গছ বেছিকৈ পোৱা যায়। ফলটো পকিলে তাৰ মঙহবোৰ কোমল হয়। সেইবোৰ দেখাতো মাখনৰ নিচিনা আৰু তাক ব্যৱহাৰো মাখনৰ নিচিনাকৈয়ে কৰা হয়। গুণৰ ফালৰ পৰা এভকেড'ৰ শক্তি মাখনতকৈও বোলে বেছিহে। সাধাৰণতে মানুহে ইয়াক ৰুটীত মাখনৰ নিচিনাকৈ সানি খায়। এই বৰ্ণনা পোৱাৰ পাছত আমিও এভকেড' খাবলৈ লৈছিলো। (১৯৭৮ চনত এবাৰ লণ্ডনলৈ যাওঁতে তাৰ বজাৰত এভকেড' দেখি বহুদিনৰ মূৰত বিদেশত চিনাকি বন্ধু দেখাৰ দৰে আনন্দ পাইছিলো। ওঠৰ-বিছ বছৰৰ আগতে সেইখন মহানগৰতে ইমান দিন আছিলো, কিন্তু তেতিয়া তাত কিয় এভকেড' দেখা নাছিলো ক'ব নোৱাৰোঁ।) আমি বিৰাম্নবৈ নম্বৰ ঘৰ এৰাৰ পাছত গছজোপা বৰ ওখ হৈছিল। পাছলৈ সেইজোপাৰ গতি কি হ'ল নাজানো। বহুদিনৰ পাছত খবৰ পাইছিলো,— সেইজোপা গছৰ এভকেড' নি ড. গোলোক চন্দ্ৰ গোস্বামীকে মুখ্য কৰি কোনোবা-কোনোবাই নিজৰ-নিজৰ বাৰীত ৰুইছিল। (ফলটোৰ মাজত এটা ডাঙৰ গুটি থাকে। সেইটোৰ পৰা পুলি হয়।) অইন কোনোবাই এইবিধ গছৰ কথা কি জানে মই ক'ব নোৱাৰোঁ; কিন্তু মোৰ ক'বৰ মন যায়,— অসমত যদি এইবিধ গছৰ বিস্তৃতি ঘটে,— তেনেহ'লে যেন এই বিস্তৃতিৰ কাৰণে মানুহে ড. বুধৰাজৰ নাম লয়।

ড. বুধৰাজে দিয়া আঙুৰ গছজোপাই নিৰাম্নবৈ নম্বৰ ঘৰতে শাখা-প্ৰশাখা বিস্তাৰ কৰিছিল। ১৯৬৯ চনত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই আমাক চৌৱন নম্বৰৰ আহল-বহল ঘৰ এটা দিলে। সেইটো ঘৰত আঙুৰ জোপাকো আহল-বহল হেঁদালি এখন কৰি দিছিলো। তাতে থোপাথোপে বেঙুনীয়া ৰঙৰ আঙুৰ লাগিছিল। দেখিয়েই ভাল লাগিছিল।

আঙুৰবোৰ টেঙা আছিল; কিন্তু সেইটো আমাৰ কাৰণে নধৰ্তব্য কথা আছিল। ৰে'ল-বিভাগৰ দুটা ঘৰৰ দুখন বাৰীয়েদি আনি শেষত আঙুৰজোপা ১৯৮১ চনৰ অক্টোবৰ মাহত আমাৰ এতিয়াৰ নিজাঘৰৰ এঠাইত অস্থায়ীভাৱে ৰুইছিলো। ইয়াতো দুবছৰ আঙুৰ লাগিছিল। শেষত সেই ঠাইৰ পৰা তুলি নি এদিন গছজোপা স্থায়ী ঠাইত ৰুলো, আৰু তাতে সি প্ৰায় পোন্ধৰ বছৰীয়া ইহলীলা সম্বৰণ কৰিলে। মাটিয়েই গছজোপা মাৰিলে। প্ৰসংগক্ৰমে, আমাৰ এই শেষ নিজা ঘৰৰ মাটিৰ দুৰ্গুণে মোৰ কৃষিকৰ্মৰ প্ৰতি থকা আগ্ৰহ ভোটা কৰিলে। মই তিনি দিলে মাটিয়ে মোক এক দিয়ে। এই যুদ্ধৰ বাবে মই সময় উলিয়াব নোৱৰা হ'লো। লাহে-লাহে শক্তিও।

বিৰান্নবৈ নম্বৰ ঘৰলৈ উভতি যাওঁ। সেইটো ঘৰলৈ অহাৰ কিছুদিনৰ পাছতে, ১৯৬৪ চনতে মই ফিজিক্স ডিপাৰ্টমেণ্টৰ ৰিডাৰৰ পদ পালো। বৰ সুখী হৈছিলো। আবুল লেইচক কোৱা মনত পৰে,— চাকৰি জীৱনত আৰু একো নাপালেও মোৰ আৰু একো আপত্তি নাই। মূল দৰমহা মাহে সাত শ টকা। বহুত টকা। সেই সময়ত মই নিউক্লিয়েৰ ফিজিক্সৰ স্পেছিয়েল পেপাৰৰ কাৰণে লেবৰেটৰি এটা পতাৰ কাম আৰম্ভ কৰিছোঁ। কিন্তু গৱেষণাকালত মই যি কাম কৰিছিলো, তেনেকুৱা কামৰ বাবেওতো মোক এটা ব্যৱস্থা লাগে? খা-খবৰ লৈ গম পাইছিলো,— পুনাৰ নেশ্যনেল কেমিকেল লেবৰেটৰিয়ে ইলেকট্ৰন ডিফ্ৰেকশ্যন কেমেৰা নিৰ্মাণ কৰিবলৈ লৈছে। ড. অনিল গোস্বামী নামৰ বিজ্ঞানী-বিষয়া এজনে সেই কামৰ তত্ত্বাৱধান কৰিছে। প্ৰতিষ্ঠানটোৱে এটা কেমেৰা সাজি নিজে ব্যৱহাৰ কৰি আছে, আৰু এটা সাজি কৰাইকুড়িৰ লেবৰেটৰি এটাক দিছে। আমাৰ বিভাগৰ মুৰব্বী অধ্যাপক ড. পবন চন্দ্ৰ মহন্তই লিখা-লিখি আৰু ব্যক্তিগতভাৱে যোগাযোগ কৰাৰ ফলত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই সন্মতি দিলে,— নেশ্যনেল কেমিকেল লেবৰেটৰিক আমি আমাৰ কাৰণে ইলেকট্ৰন ডিফ্ৰেকশ্যন কেমেৰা এটা নিৰ্মাণ কৰিবলৈ দিব পাৰোঁ। লগে-লগে ড. অনিল গোস্বামীৰ লগত মই যোগাযোগ আৰম্ভ কৰিলো। উল্লেখযোগ্য কথা,— ড. গোস্বামীয়েও ইম্পিৰিয়েল কলেজতে গৱেষণা কৰিছিল। তেখেতৰ পৰামৰ্শমতে আমি যেতিয়া যিমান টকা পঠাব লাগে পঠাই থাকিলো, আৰু কাম আগ বঢ়াৰ খবৰ পাবলৈ বাট চাই থাকিলো। যন্ত্ৰটো নিৰ্মাণ কৰা যে সময়সাপেক্ষ কাম, সেইটো আমি বুজিছিলো। পাছলৈ আমাৰ বিভাগৰ পৰাই এম. এছ. ছি. পাছ কৰি যোৱা ছাত্ৰ কমল বৰুৱাই নেশ্যনেল কেমিকেল লেবৰেটৰিত ড. গোস্বামীৰ তত্ত্বাৱধানতে, ইলেকট্ৰন ডিফ্ৰেকশ্যন কেমেৰা ব্যৱহাৰ কৰি গৱেষণা কৰিছিল। মই ব্যক্তিগতভাৱে তেওঁৰ লগতো যোগাযোগ ৰাখিলো। সেই যোগাযোগৰ মূল কথা হ'ল,— কেমেৰা নিৰ্মাণৰ কামটো যেন ঠিক গতিত আগ বাঢ়ে তাৰ্লৈ তুমি চকু ৰাখিবা। (ড. কমল বৰুৱা এতিয়া গুৱাহাটীত থকা এডভান্সড ছায়েন্স ইনষ্টিটিউটৰ ডাইৰেক্টৰ।)

ডিপার্টমেণ্টৰ ভিতৰত এইবোৰ, আৰু বাহিৰত ইয়'থ ফেষ্টিভেল-স্পৰ্টছ ফেষ্টিভেল, লিখা-মেলা, নাটক,— ইত্যাদি বিচিত্ৰ ধৰণৰ কাম-বন চলি আছে,— আৰু তাৰ মাজতে প্ৰায়েই বাহিৰে-ভিতৰে এটা প্ৰসংগই ভুমুকি মাৰি আছে ঃ বিয়া। বিয়া-বাৰু নকৰোৱা নে কি?

স্বাভাৱিকতে, চাকৰিত যোগ দিয়াৰ পাছৰে পৰা মাজে-মাজে এই প্ৰসংগটো উত্থাপিত হৈ আছিল; কিন্তু মই প্ৰায়েই নিজকো আৰু লোককো কৈছিলো, — এতিয়া মই কিয় বিয়া কৰিম? অৰ্থাৎ এতিয়া মই বিয়াৰ বাবে সাজু হোৱা নাই। মোৰ ঘৰ-সংসাৰ সম্পৰ্কে এটা নিৰ্দিষ্ট হিচাপ আছে; এক ধৰণৰ কল্পনা আছে; এক ধৰণৰ অংক আছে। সেইবোৰ হিচাপ, কল্পনা আৰু অংক মিলাই ল'ব নোৱাৰিলে মই ঘপহঁগৈ সংসাৰ এখন নাপাতোঁ। মোৰ যি কৰ্মপদ্ধতি, নিজৰ ওপৰত নিজে নিৰ্ভৰ কৰাৰ মোৰ যি চৰিত্ৰ, তালৈ লক্ষ্য ৰাখি মোক বিয়াৰ কথাত কোনেও হেঁচা দিবলৈও ভাল নাপাইছিল। গতিকে মই নিজৰ হিচাপ মতে আগ বাঢ়ি আছিলো। কেৱল বৌক লৈ চিন্তাত পৰিছিলো। বৌ ইতিমধ্যে ৰুগ্ন হৈ পৰিছিল; বেছিভাগ সময় তেওঁ বিছনাতে কটাইছিল। মাজে-মাজে তেওঁৰ ভ্ৰম হৈছিল। তেওঁৰ চকুলৈ চালে মোৰ ধাৰণা হৈছিল,— মোৰ বিয়াখন চাবলৈ তেওঁৰ মনত এটা হেঁপাহ আছে। কেতিয়াবা ভ্ৰম অৱস্থাত থকা মানুহজনীলৈ চাই এনেকুৱাও লাগিছিল,— মই বিয়াখন নপতাৰ বাবে তেওঁ কষ্ট পাইছে। ইফালে তেওঁৰ কষ্ট লাঘৱ কৰিব পৰা আয়োজন মই একো কৰাই নাই; আৰু সোনকালে কৰাৰো আশা নাই। তেনে অৱস্থাত এদিন মই আবেগৰ বশৱৰ্তী হৈ এটা কাম কৰিছিলো। সেই যে কটন কলেজৰ ছেকেণ্ড ব্লকৰ মুখে-মুখে থকা শুক্ৰা ৰায়হঁতৰ কথা কৈছিলো, তেওঁলোকৰ অলংকাৰ গঢ়া দোকানত উপস্থিত হ'লোগৈ। দোকানখন চলায় ঘাইকৈ ভানু ৰয়ে। মই ভানু ৰয়ক ক'লো,— আমাৰ মাৰ শাৰীৰিক-মানসিক অৱস্থা বৰ ভাল নহয়। মাই বোধকৰোঁ মোৰ বিয়াৰ কথা ভাবে। ময়ো ভাবোঁ; কিন্তু এতিয়া বিশেষ একো কৰিব নোৱাৰোঁ। কিন্তু মই বিয়াৰ আয়োজন কৰি আছোঁ বুলি মাক এটা আভাস দিব পাৰিলে মাই মনত অলপ বল পাব যেন পাওঁ। আপুনি মোক দুদিনৰ কাৰণে এক ছেট গহনা দিয়ক। পৰহিলৈ আপোনাক ওভোতাই দিমহি। ভানু ৰয়ে কাৰোবাৰ কাৰণে গঢ়ি থকা অসম্পূৰ্ণ ছেট এটা মোক দিলে। সেইদিনাই আবেলি নগাঁৱলৈ গৈ বৌৰ বিছনাৰ ওচৰত বহি গহনাখিনি দেখুৱাই ক'লো,— এয়া চা, মই বিয়াৰ আয়োজন কৰি আছোঁ। বৌৱে মাতৃসুলভ আচৰণেৰে গহনাখিনি যেনেকৈ লিৰিকি-বিদাৰি চাব লাগিছিল, তেনেকৈ নাচালে। বোধকৰোঁ তেওঁৰ মনৰ গভীৰ অঞ্চলৰ শক্তিটোৱে— মই যে ফাকি দিছোঁ— সেই কথাটো উদ্ধাৰ কৰিছিল।

পাছৰ এসময়ত,— ৰিডাৰ হোৱাৰ পাছত, মোৰ 'নিজা ঘৰ'ত দুপাহ-এপাহ ফুল ফুলাৰ পাছত,— মোৰ মনৰ প্ৰশ্নটো ওভোতা হ'ল ঃ মই এতিয়া বিয়া নকৰাওঁ কিয়? নকৰোৱাৰতো এতিয়া কোনো কাৰণ নাই!

আগতে কেইবাবাৰো কৈছোঁ,— মোৰ জীৱনৰ প্ৰত্যেকটো গুৰুত্বপূৰ্ণ ঘটনাৰ লগত নাটকীয়তাৰ সম্পৰ্ক ঘটে। বিয়াৰ ক্ষেত্ৰতো সেই সম্পৰ্ক অব্যাহত থাকিল। মোৰ হৈ কোনেও কইনা বিচৰাও নাছিল, সেই দায়িত্ব মই কাকো দিয়াও নাছিলো। কইনাৰ প্ৰসংগ ওলালে মই বন্ধু-বান্ধৱক কৈছিলো,— সকলো ফালৰ পৰা মোৰ লগত শতকৰা এশ ভাগ মিলি যোৱা ছোৱালী এইখন ৰাজ্যত নোহোৱা নহয়, আছে; কিন্তু তেওঁক বিচাৰি উলিওৱাটো, বা কেনেবাকৈ তেওঁৰ লগত যোগাযোগ স্থাপিত হৈ যোৱাটো সহজ কাম, সহজ ঘটনা নহয়। তেনেকুৱা ঘটনা ঘটাটো মই আশা নকৰোঁ। কিন্তু ছোৱালীজনী কমেও শতকৰা একাৱন্ন ভাগ মোৰ লগত মিলা হ'ব লাগিব; বাকী উনপঞ্চাছ ভাগৰ ব্যৱস্থা আমি পাছত নিজে কৰি ল'ব পাৰিম। মোৰ মানত, মোৰ বিচাৰত একাৱন্নতকৈ কমৰ মানুহ হ'লে মোৰ অসুবিধা হ'ব। তেতিয়া মই বৰ বেছি ত্যাগ কৰিব লাগিব। সিমান ত্যাগ কৰিব লগীয়া হ'লে মই কষ্ট পাম। ছোৱালীজনীৰ বেলিকাও সেই একে কথা। মই নিজেনো কিমানৰ মানুহ? কাৰোবাৰ কাৰণে মই শতকৰা এশ, কাৰোবাৰ কাৰণে শূন্য! (মোৰ মনৰ এইবোৰ কথাৰ একোটা অংশ পাছলৈ মই নাটকৰ সংলাপত ব্যৱহাৰ কৰিছোঁ।) তদুপৰি মই বিশ্বাস কৰিছিলো,— মোৰ লগত শতকৰা একাৱন্ন ভাগ মিল খোৱা ছোৱালী ৰাজ্যখনত ঢেৰ আছে। এইবোৰ কথাৰ লগতে বন্ধু-বান্ধৱক কৈছিলো,— কিন্তু এটা কথা, যেয়ে আগে-ভাগে জাত-পাতৰ কথা উলিয়াব, তেওঁৰ লগত মোৰ হৈ কথা নাপাতিবা।

বন্ধু-বান্ধৱৰ আগত ক'লো ঢেৰ কথা (অৰ্থাৎ ঢেৰ 'লেকচাৰ মাৰিলো'), কিন্তু ঘটনাটো ঘটিল আচম্বিতে। দৰং কলেজৰ প্ৰেকটিকেল পৰীক্ষা ল'বলৈ তেজপুৰলৈ গৈছিলো। সংগীত, নাটক, ফট'গ্ৰাফি আদিৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা দিলীপ সিংহ, অজিত সিংহ, সুজিত সিংহ আদিৰ পৰিয়ালটোৰ লগত সেই কালত মোৰ ভাল সম্পৰ্ক আছিল। ডাক বঙলাত আছোঁ, ওচৰতে তেওঁলোকৰ ঘৰ। এদিন কলেজৰ পৰা আহি সন্ধিয়া দিলীপ সিংহৰ লগত ৰিক্সাত উঠি নগৰ-ভ্ৰমণ কৰিবলৈ ওলালো। কিছুদূৰ যোৱাৰ পাছত বিয়াৰ কথা ওলাল। মই চমুকৈ মোৰ মাৰ্কামৰা লেকচাৰটো দি দিলো। তাৰ পাছত সিংহই ছোৱালী এজনীৰ বিষয়ে এটা কাহিনী ক'লে। ছোৱালীজনী তেওঁৰ খুলশালিয়েক। ইউনিভাৰ্ছিটিত এম. এ. পঢ়ি আছে। নাম প্ৰীতি হাজৰিকা। ঘৰত মতা নাম ছুইট।

ভ্ৰমণৰ অন্তত দিলীপ সিংহই মোক তেওঁলোকৰ ঘৰলৈ নি ছোৱালীজনীৰ ফটো এখন দেখুৱালে। লগে-লগে মোৰ মনত পৰিল,— ছোৱালীজনীক মই বিশ্ববিদ্যালয়ত দেখিছোঁ। পৰিচয় বুলিবলৈ আৰু এটা তথ্য মোৰ হাতত গোট খাইছিল ঃ ছোৱালীজনী মোৰ কটন কলেজৰ সহপাঠী শৈলেন হাজৰিকাৰ ভনীয়েক। সেই গধূলিয়েই মই দিলীপ সিংহক কৈ আহিলো,— ছোৱালীজনীৰ আপত্তি নাথাকিলে মই তেওঁক বিয়া কৰাম। নাটকীয়ভাৱে হ'লেও যি ঘটে, সকলো ভালৰ কাৰণে ঘটে,— এই কথাটোৰ প্ৰতি মোৰ প্ৰবল বিশ্বাস আছিল। সেই বিশ্বাসেৰেই পৰীক্ষা শেষ কৰি গুৱাহাটীলৈ উভতি আহিলো।

১৯৬৫ চনৰ ২০ নৱেম্বৰৰ দিনা আমাৰ বিয়া হ'ল। মোক গাড়ী চলাবলৈ শিকোৱা গুৰু নন্দ দাসে বিয়ালৈ বুলি মোৰ হিন্দুস্তান ফ'ৰটিনখনেৰে মোক নগাঁৱত থৈ আহিলগৈ। কাৰণ তেতিয়ালৈকে ইমান দূৰ (!) বাট মই অকলে গাড়ী চলাই পোৱা নাছিলো। তাতে যোৰাবাট অঞ্চলৰ পকোৱাপকি পৰ্বতীয়া ৰাস্তা! মোক ভাল পোৱা ঢেৰ মানুহৰ শুভেচ্ছা-সহযোগ,— বিয়াখনৰ আড়ম্বৰ-আনন্দৰ ভিতৰত সেয়াই আটাইতকৈ মূল্যবান উপাদান আছিল। সেইসকলৰ ভিতৰত দিল্লীত থকা এম. পি. হেম বৰুৱাৰ পৰা মোৰ লগত থকা পবিন দত্তলৈকে আছিল। বে'ইৰ তলত নোওৱা কামটো আৰম্ভ কৰাৰ নিচিনা যিবোৰ কাম বৌৱে কৰিবই লাগে, সেইবোৰ কাম কৰিবলৈ সেইকেইদিন বৌ ভালে আছিল। খোবা খুবুনীৰ ৰাতিৰ ভোজটোৰ কাৰণে মোৰ হাতত প্ৰয়োজনীয় পৰিমাণৰ পইচা নাছিল। ককাইদেউহঁতে দেহে-কেহে খাটি বিয়াখনৰ কামবোৰ সম্পন্ন কৰিছিল; কিন্তু নগদ পইচাৰ কথা মই তেখেতসকলক কোৱা নাছিলো। মনেশ ভূএগ্ৰা নামৰ মোৰ এজন প্ৰিয় ছাত্ৰই এম. কম. পাছ কৰি সেই সময়ত নগাঁৱত চাকৰি কৰি আছিল। ভোজৰ বজাৰ কৰাৰ আগে-আগে মই তেওঁৰ পৰা দুশ টকা ধাৰলৈ লৈছিলো।

এদিন নন্দ দাস বাছত উঠি আকৌ নগাঁও ওলালগৈ আৰু হিন্দুস্তান ফ'ৰটিনত তুলি 'দৰা-কইনা'ক গুৱাহাটীলৈ লৈ আহিল। সেই সময়ত নন্দ দাসে ভৰলুমুখৰ পিটনিৰ মাজৰ ঘৰ এৰি নুনমাটিৰ ৰিফাইনেৰিৰ ওচৰত থাকিবলৈ লৈছিল। গুৱাহাটী সোমাই তেওঁ গাড়ীখন পোনে-পোনে তেওঁৰ ঘৰলৈ লৈ গ'ল, তেওঁৰ পৰিবাৰক 'ছাৰ-বাইদেউ'ক দেখুৱালে, আৰু তাৰ পাছতহে আমাক জালুকবাৰীৰ বিৰাম্নবৈ নম্বৰ ঘৰলৈ আনিলে। আমি তেওঁৰ আগ্ৰহক বাধা দিয়া নাছিলো।

এটা নতুন অধ্যায় আৰম্ভ হ'ল। এইটো অধ্যায়ত ঘৰৰ ভিতৰ-বাহিৰ সকলোতে মোৰ কামৰ পৰিমাণ বহুত বাঢ়ি গ'ল। এই যে মই ডিপাৰ্টমেণ্টৰ কামৰ বাহিৰেও নানান কাম কৰিব পাৰোঁ, মোৰ যে নানা ধৰণৰ কামৰ প্ৰতি আগ্ৰহ বা নিচা আছে, সেইটো কথাই মোক দিনে-দিনে বেছি কামৰ মাজলৈ সুমুৱাই লৈ গ'ল। বহুদিনৰ পাছত মোৰ মনলৈ

প্ৰশ্ন আহিছিল,— মই নকৰিলেও পৃথিৱীখনৰ একো ক্ষতি নহ'লহেঁতেন,— এনেকুৱা কিছুমান, স্থায়ী মূল্য নথকা, Thankless কামত মই বহু সময় আৰু শক্তি খৰচ কৰিলোনে কি? কিন্তু যেতিয়া সেই প্ৰশ্ন মনলৈ আহিল, তেতিয়া হ'বলগীয়াখিনি হৈয়েই গ'ল। কাইলৈ আন্তঃকলেজ ক্ৰীড়া মহোৎসৱ আৰম্ভ হ'ব; আবুল লেইচ, সুৰেন বৰুৱা, ড. নিলয় দাস, ড. ইন্দুমোহন দাস আদি শিক্ষকসকলে খেলা-ধূলা পৰিচালনা কৰাৰ ব্যৱস্থা কৰিব, মই এদল ছাত্ৰ লগত লৈ ৰাতিটোৰ ভিতৰতে খেলপথাৰৰ সাজসজ্জা সম্পূৰ্ণ কৰিব লাগে। মেন্থল্ লাইট কেইটামান লৈ কাম কৰি আছোঁ, মাজ নিশা মনত পৰিল,— আমাৰ কোনেও ৰাতিৰ সাঁজ একো খোৱা নাই। দুজনমান ল'ৰাক লগত লৈ দোকান বিচাৰি ওলালো। কেণ্টিনলৈ গৈ লাভ নাই। ষ্টেট বেংকৰ ওচৰৰ গুমটি-দোকান এখনৰ ভিতৰত শুই থকা দোকানীক জগুৱাই ক'লো,— খোৱাবস্তু যি আছে দিয়া। দোকানীয়ে ডালমুটৰ বৈয়াম এটা আগবঢ়াই দিলে। যিখিনি ডালমুট আছিল, এটাইখিনি লৈ খেলপথাৰলৈ উভতি আহিলো, আৰু সকলোকে এমুঠি-এমুঠি ভগাই দিলো। ল'ৰাহঁতে, লগতে ময়ো আনন্দমনেৰে সেই খাদ্য চোবাবলৈ ধৰিলো। অলপ পাছত কাৰোবাৰ মুখৰ পৰা এটা শব্দ ওলাল,—তিতা! হয়, মই নিজেও মুখৰ বস্তুবোৰ তিতা-তিতা পাইছিলো। মেন্থল লাইটৰ ওচৰলৈ গৈ পৰীক্ষা কৰি দেখা গ'ল,— ডালমুটবোৰৰ মাজত ঢেৰ জীৱন্ত পোক।

ল'ৰাহঁতে তেনেকৈয়ে পুৱা পোহৰ হোৱালৈকে কাম কৰিছিল। নিচা। এক ধৰণৰ আসক্তি। তেওঁলোকৰো, মোৰো। এইবোৰ মোৰ বিয়াৰ আগৰ কথা; কিন্তু বিয়াৰ পাছতো,— গাৰ্লছ হোষ্টেলত থকা প্ৰীতিৰ সহপাঠী-বান্ধৱীক তেওঁৰ লগত থৈ গোটেই নিশা 'ডেকৰেশ্যন'ৰ কাম কৰাৰ নিচিনা দিনো ভালেমান গৈছে। ষাঠিৰ দশকটোত ল'ৰাহঁতৰ লগত সেই ধৰণে লগ লাগি কাম কৰা ঘটনাবোৰ আনন্দ, বিশ্বাস, সদ্ভাৱ আৰু শ্ৰদ্ধাৰ ওপৰত প্ৰতিষ্ঠিত আছিল। সেই ঘটনাবোৰৰ কাৰণে শিক্ষক হিচাপে মই একো হেৰুৱাবলগীয়া হোৱা নাছিল। তেওঁলোকেই মোক প্ৰচণ্ড সাহসৰ যোগান ধৰিছিল। দীঘলীপুখুৰীৰ পাৰতেই হওক বা জালুকবাৰীৰ সাতমাইলৰ বাছৰ অফিছতেই হওক;— আমি বাছত উঠি বহি আছোঁ; কণ্ডাক্টৰ আহিলেই বাছ চলিব;— এনেতে মন কৰিলো,— বাছৰ ভিতৰতে, দূৰত কোনোবাই ছিগাৰেট খাইছে। কণ্ডাক্টৰ অহাৰ লগে-লগে তেওঁক ক'লো,— "কোনোবাই বাছৰ ভিতৰত ছিগাৰেট খাইছে। আগতে সেইটো বন্ধ কৰা, তাৰ পাছত বাছ চলাবলৈ ক'বা।" মোৰ মাত প্ৰায় গোটেই বাছখনৰ মানুহে শুনিছিল। কণ্ডাক্টৰে কাকো একো ক'বলগীয়া নহৈছিল; ছিগাৰেট খোৱা আপোনা-আপুনি বন্ধ হৈছিল। মোৰ কথা আছিল,— মই শিক্ষক কাৰণে ছাত্ৰৰ পৰা সন্মান বিচাৰি তেওঁক ছিগাৰেট খাবলৈ মানা কৰা নাই। মোৰ আগত ছিগাৰেট নোখোৱাৰ বাহিৰেও মোৰ

প্ৰতি সন্মান দেখুউৱাৰ উপায় বহুত আছে। বাছৰ বাহিৰত খোজক, ছিগাৰেট মৱেই উলিয়াই দিব পাৰোঁ। কিন্তু যেতিয়ালৈকে বাছখনৰ ভিতৰত ধূমপান নিষেধ বুলি কথাষাৰ লিখা থাকিব, তেতিয়ালৈকে প্ৰত্যেকজন যাত্ৰীয়ে কথাষাৰ মানিবই লাগিব। মই উপস্থিত থকা অৱস্থাত উচ্চশিক্ষিত ডেকাৰ দ্বাৰা সেই কথাষাৰ অৱমানিত হ'বলৈ নিদিম। নিদিছিলো।

এদিন আন্তঃকলেজ ক্ৰীড়া মহোৎসৱৰ প্ৰতিযোগিতা চলি থকা অৱস্থাতে, খেলপথাৰতে দুদল ছাত্ৰৰ মাজত কাজিয়া লাগিল। অলপ পাছতে তেওঁলোকৰ মাজত দলিয়াদলি আৰম্ভ হ'ল। প্ৰথমতে পুলিছক খবৰ দিলো। তাৰ পাছত খবৰ লৈ গম পালো,— মণিপুৰৰ ধনমঞ্জৰী কলেজ আৰু খানাপাৰাৰ অসম ভেটেৰিনেৰি কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত লগা কাজিয়াৰ পৰাই গণ্ডগোলটো আৰম্ভ হ'ল। আবেলিৰ প্ৰতিযোগিতা বন্ধ হ'ল। ষ্টুডেণ্টছ ডে' হোমৰ ওচৰত বেডমিণ্টন প্ৰতিযোগিতা হোৱা ঠাইখিনি অনা-মণিপুৰী (ঘাইকৈ অসমীয়া) ছাত্ৰৰে ঠাহ খালে। মণিপুৰী ছাত্ৰ-ছাত্ৰীখিনি আৰ্টছ বিল্ডিঙৰ নিজৰ ভাগত পৰা কোঠালিবোৰত সোমাল। বাহিৰৰ ল'ৰাহঁতৰ দাবী হ'ল— মণিপুৰৰ ছাত্ৰ-ছাত্ৰী সকলোকে ক্ৰীড়া মহোৎসৱৰ পৰা উলিয়াই ঘৰলৈ পঠাই দিব লাগে। ড. ভেংকটৰাও প্ৰমুখ্যে শিক্ষক কেইগৰাকীমানে ল'ৰাহঁতক বুজাবলৈ চেষ্টা কৰিছে। এনেতে মই লক্ষ্য কৰিলো,— বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ওখ-পাখ নেতাজাতীয় ল'ৰা এজনে চিঞৰি-চিঞৰি সকলো ছাত্ৰকে মণিপুৰীৰ বিৰুদ্ধে 'বি প্লৱ' কৰিবলৈ উচটাইছে। ড. ভেংকটৰাওৰ বক্তৃতা বন্ধ কৰি মই ডেকাজনক ওচৰলৈ মাতি আনিলো। মোৰ মাত তেওঁৰ মাততকৈ বেছি ডাঙৰকৈ ওলাল।— "মই তোমাক ৰাতিপুৱাৰে পৰা ফিল্ডত দেখি আছোঁ। তুমি প'ষ্ট-গ্ৰেজুৱেট ষ্টুডেণ্টছ ইউনিয়নৰ পইচাৰে কিনা স্পৰ্টিং গেঞ্জি পিন্ধিছা, হাফপেণ্ট পিন্ধিছা, জোতা পিন্ধিছা; প'ষ্ট-গ্ৰেজুৱেট ক্লাছক ৰিপ্ৰেজেণ্ট কৰি দৌৰিবা বুলি পুৱাৰ পৰা ফিল্ডৰ কাষত বহি সুমথিৰা খাই-খাই আড্ডা মাৰিছা; এটা আইটেমতো তুমি জইন কৰা নাই;— আৰু এতিয়া গণ্ডগোলৰ সময়ত ইয়াত নেতা হ'বলৈ আহিছা? তোমাৰ লাজ লগা নাই?" তলমূৰ কৰি ডেকাজন ল'ৰাহঁতৰ মাজে-মাজে আঁতৰি গৈছিল।'বিপ্লৱ'ৰ নেতৃত্ব দিব পৰা, মোৰ কথাৰ উত্তৰ দিব পৰা নৈতিক সাহস তেওঁৰ নাছিল। তেওঁ অশান্তি সৃষ্টি কৰি ৰং চোৱা অসৎ, দুষ্ট ছাত্ৰ আছিল। অন্ততঃ উপযুক্ত সময়ত তল কৰিবলৈ তেওঁৰ এটা মূৰ আছিল। সেয়া ষাঠিৰ দশকৰ কথা।

সেই দশকত প্ৰত্যক্ষ পঢ়া-শুনাৰ বাহিৰৰ, কিন্তু ছাত্ৰ জীৱনৰ বাবে প্ৰয়োজনীয় অনুষ্ঠানসমূহৰ কামত স্প'ৰ্টছ ব'ৰ্ডৰ বিষয়ববীয়াসকলৰ বাহিৰে শিক্ষকসকলৰো বহুতে আন্তৰিকতাৰে, পৰিশ্ৰম কৰি সহায় কৰিছিল। ড. মহম্মদ তাহেৰ, ড. গিৰেশ্বৰ কোঁৱৰ (পাছলৈ ডিন অৱ ফেকাল্টি অৱ ছায়েন্স) আদি শিক্ষকসকলে একো-একোটা বিভাগৰ

দায়িত্ব ল'লে সেই বিভাগৰ কথা আমি কোনেও চিন্তা কৰিব নালাগিছিল। ক্লাছ খতি হয় কাৰণে কোনো-কোনো শিক্ষকে আৰ্টছ বিল্ডিংটো প্ৰতিযোগী থকা শিবিৰ পাতিবলৈ দিয়াত আপত্তি কৰিছিল। তেনেকুৱা ক্ষতি সম্পৰ্কে আমিও সচেতন আছিলো, আৰু ক্লাছ খতি যিমান কম হয়, তালৈ লক্ষ্য ৰাখি অনুষ্ঠানৰ দিন ধাৰ্য কৰিছিলো। ড. ভেংকটৰাৱে যুৱ মহোৎসৱৰ মাজতো পলিটিকেল ছায়ন্সৰ ক্লাছ লোৱাৰ ব্যৱস্থা কৰিছিল। মই সেইটো কথাত আপত্তি কৰিছিলো। যদি ক্লাছ হ'বই লাগে, তেনেহ'লে সকলো ডিপাৰ্টমেণ্টতে হ'ব লাগে। যদি যুৱ মহোৎসৱ অপ্ৰয়োজনীয় বস্তু, তেনেহ'লে ইয়াক সমূলঞ্চে বিসৰ্জন দিব লাগে; যদি ভাল বস্তু, তেনেহ'লে ইয়াক সকলোৱে গ্ৰহণ কৰিব লাগে। এইটো নীতিৰ কথা। অকল পলিটিকেল ছায়ন্স ডিপাৰ্টমেণ্টত এগৰাকী শিক্ষকে তিনিটা ক্লাছ লৈ ছাত্ৰ-ছাত্ৰীৰ মংগলৰ কথা ভাবিব, আৰু বিশ্ববিদ্যালয়ে কলেজসমূহৰ পৰা ছাত্ৰ-ছাত্ৰী মাতি আনি তেওঁলোকৰ অমংগল সাধিব, সেইটো বেয়া কাম। এইটো যুৱ মহোৎসৱৰ প্ৰতি অপমানজনক কথা বুলিও গণ্য কৰিছিলো।

পিছে এক শ্ৰেণী শিক্ষকৰ আচৰণ, কাণ্ড-কাৰখানা সদায় বৰ আমোদজনক আছিল। একোজনে আগৰে পৰা খবৰ লৈ থাকিব,— ফেষ্টিভেলৰ কেইদিন ক্লাছ কেনছেল কৰা হ'ব নে কি? হ'ব বুলি জানিলে তেখেতসকলে পেটে- পেটে বৰ ভাল পাইছিল। কিন্তু ফেষ্টিভেল চলি থকাকেইদিন তেখেতসকলে আলেঙে-আলেঙে গছৰ তলত, চাৰিআলিত, বজাৰত,— "এইবিলাক কি পাতিছে জ্বানো! পঢ়া-শুনাও গ'ল, ল'ৰা-ছোৱালীও নষ্ট হ'ল!"— বুলি বিৰক্তি প্ৰকাশ কৰিছিল।

যেতিয়াৰ পৰা ল'ৰা-ছোৱালীৰ সৃষ্টি হৈছে, তেতিয়াৰ পৰাই তেওঁলোকৰ কিছুমান নষ্ট হৈয়েই আছে। কিন্তু মোৰ ধাৰণা,— আন্তঃকলেজ যুৱ বা ক্ৰীড়া মহোৎসৱৰ কাৰণে যদি কোনোবা ল'ৰা-ছোৱালী নষ্ট হৈছিল, তেনেহ'লে উপৰিউক্ত শিক্ষকসকলৰ নিচিনা এচাম শিক্ষকে ওচৰ চাপি আহি ল'ৰা-ছোৱালীৰ খবৰ নৰখাৰ কাৰণেও হৈছিল। অন্ততঃ ষাঠিৰ দশকত।

সেই সময়ত পাহাৰ, টিলা, সৰু-সৰু বিলৰ নিচিনা জলাশয়, মুকলি ঠাই আদিৰে ভৰা বিশ্ববিদ্যালয় চৌহদটো প্ৰকৃতি আৰু মানুহৰ সহযোগত সৌন্দৰ্যময় হৈ উঠাৰ সম্ভাৱনা থকা অঞ্চল আছিল। দিনৰ উজ্জ্বল ৰ'দত মানুহে দিব পৰা বৰঙণিৰ অংশটোৰ দুৰ্বলতা ধৰা পৰিছিল; কিন্তু ৰাতিৰ আন্ধাৰ, জোনাক আৰু নিৰ্জনতাই আবৰি ধৰাৰ পাছত অঞ্চলটো মোহময় হৈ উঠিছিল। বিল-পাহাৰ-পথাৰৰ পৰা ভাহি অহা চিনাকি-অচিনাকি বনৰীয়া প্ৰাণীৰ মাত কেতিয়াবা ভাল গীততকৈও ভাল লাগিছিল। ৰাতিৰ জালুকবাৰীৰ নিৰ্জনতা মোৰ কাৰণে বৰ উপভোগ্য আছিল। এতিয়া সেই নিৰ্জন-নিৰৱ

বাটবোৰেদি খোজ কঢ়াৰ কথা মনত পেলালে, লগে-লগে,— কিয় ক'ব নোৱাৰোঁ,— সেই সৰুতে দেখা ৰাতিৰ ভীমৰগাঁৱৰ দৃশ্য এটা মনত পৰে।— দিনৰ কাম-বন সামৰি সকলো ঘৰ সোমাল; লাহে-লাহে চুবুৰিটো ঘন আন্ধাৰে আবৰি ধৰিছে; কাৰোবাৰ ঘৰৰ বেৰৰ জলঙাইদি চাকিৰ ক্ষীণ পোহৰ ওলাই আহিছে; ক'ৰবাত কোনোবা এজনে দুবাৰমান কাহিছে; কাৰোবাৰ ঘৰত কেঁচুৱা এটাই অকণমান সময় কান্দিছে;— তাৰ পাছত আকৌ নিৰৱতা। হঠাতে সেই নিৰৱতা আৰু আন্ধাৰ ভেদি পাৰ হৈ আহে এটা দীঘলীয়া চিঞৰ ঃ পদুলিলৈ ওলাই আহি এজনী মাকে ঘৰলৈ উভতি নহা জীয়েকজনীক মাতে,—"অ'— সৰু আইটি! সৰু আইটি অ'—! ক'ত আছ, নাহ কেলেই?" সেই চিঞৰে ইমূৰৰ পৰা সিমূৰলৈ চুবুৰিটো এনেকৈ ভেদ কৰে যে, যাৰ ঘৰতে নাথাকক, চিঞৰটো সৰু আইটিৰ কাণত নপৰাকৈ নাথাকে। মাকৰ চিঞৰ বতাহত লীন হোৱাৰ পাছতে ক'ৰবাৰ পৰা জীয়েকৰ দীঘলীয়া মাত এটা ওলাই আহে,—"গৈ— ছোঁ।" সেই ৰাতি, সেই নিৰ্জনতা আৰু সেই চিঞৰত মই এক ধৰণৰ প্ৰকাশ কৰিব নোৱৰা মাধুৰ্য অনুভৱ কৰিছিলো।

জালুকবাৰীৰ ৰাতিবোৰত সেই চিঞৰটোৰ বাহিৰে বাকী সকলো আছিল। মোৰ ধাৰণা হৈছিল,— সেই দিনবোৰত ৰাতিয়ে জালুকবাৰীক বৰ মৰম কৰিছিল।

ৰাতিৰ জালুকবাৰীৰ প্ৰসংগত এটা ঘটনাৰ কথা মনত পৰে। ১৯৬৫ চনৰ প্ৰথম ভাগ। পাকিস্তানৰ লগত ভাৰতৰ যুদ্ধ এখন লাগিছে। শৰাইঘাট সেতুৰ দুয়ো মূৰে বাটৰ কাষত, সেতুৰ ওপৰৰ দুয়োকাষৰ ফুটপাথত ভালেমান বিমানধ্বংসী কামান ফিট কৰা হৈছে। আনকি বিশ্ববিদ্যালয় চৌহদৰ কেইটামান টিলাৰ ওপৰতো। শৰাইঘাট সেতুখন শত্ৰুৰ বিমান বাহিনীয়ে যাতে বোমাবৰ্ষণ কৰি ধ্বংস কৰিব নোৱাৰে, তাৰ বাবে এই ব্যৱস্থা। ইতিমধ্যে চৰকাৰে ব্ৰেক-আউট ঘোষণা কৰিছে; গতিকে জালুকবাৰী অন্ধকাৰ। এনেতে এদিন খবৰ ওলাল,— জালুকবাৰীৰ কাষৰীয়া এটা টিলাৰ ওপৰত, মাজৰাতি, এটা ৰঙা পোহৰ-বিন্দুৱে ইফাল-সিফাল কৰি আছে। পাছদিনা চৌহদৰ বাসিন্দাসকলৰ মাজত উত্তেজনাপূৰ্ণ আলোচনা,— এই পোহৰ-বিন্দুৰ উৎস আৰু উদ্দেশ্য কি? শত্ৰুপক্ষৰ চোৰাংচোৱাই কাৰোবাক দিয়া সংকেত? লগে-লগে সিদ্ধান্ত কৰা হ'ল,— আমি ৰাতি-ৰাতি চৌহদত পহৰা দিব লাগে;— শত্ৰুসৈন্যৰ নহ'লেও অন্ততঃ চোৰাংচোৱাৰ কাৰ্যকলাপ ৰোধ কৰিব লাগে। সিদ্ধান্ত মতে কাম। ডাকঘৰৰ পৰা আমাৰ ঘৰৰ আগেদি যোৱা বাটটো আৰু সিফালে 'পাহাৰ লাইন'ৰ আধা,— এইখিনিত পহৰা দিয়াৰ দায়িত্ব পৰিল ড. অন্নদা চৰণ ভাগৱতী, জিঅ'লজি বিভাগৰ শিক্ষক ললিত কুমাৰ হাজৰিকা আৰু মোৰ ওপৰত। ৰাতি ভাত-পানী খাই হাতত পবিনে কাটি-চাঁচি দিয়া লাঠী এডাল আৰু টৰ্চলাইট এটা লৈ ওলাই যাওঁ; চৌৰান্নবৈ নম্বৰ ঘৰৰ পৰা ভাগৱতী ওলাই আহে; পাহাৰ

লাইনৰ তিনি নম্বৰ ঘৰৰ পৰা আহে হাজৰিকা; তাৰ পাছত তিনিও আমাৰ ঘৰৰ আগৰ ৰাস্তাটোৰ পুলটোত (কালভাৰ্ট) বহি শত্ৰুসৈন্য আৰু চোৰাংচোৱাৰ বিৰুদ্ধে আমাৰ চুবুৰিটোক পহৰা দি থাকোঁ। বিশ্বব্ৰহ্মাণ্ডৰ যিকোনো বিষয়ক কেন্দ্ৰ কৰি মেল মৰা,— সেয়াই হ'ল আমাৰ পহৰা-কাৰ্যৰ একমাত্ৰ কাৰ্যসূচী। কেতিয়াবা ৰাতি এক বাজে, দুই বাজে। আজি আৰু শত্ৰুসৈন্য বা চোৰাংচোৱা অহাৰ আশা নাই বুলি ধাৰণা হ'লে (অৰ্থাৎ আলোচনাই আমুবালে, বা গাটো অবশ-অবশ লাগিলে, বা পাছদিনাৰ ক্লাছৰ চিন্তাই শংকিত কৰিলে) আমি সেই ৰাতিলৈ কাৰ্যসূচী পৰিহাৰ কৰিছিলো। কিন্তু সেই কেইদিনত— মাজনিশাৰ জালুকবাৰীৰ ৰূপটো যে লক্ষ্য কৰিব পাৰিছিলো, সেইটোৱেই মোৰ কাৰণে লাভৰ কথা আছিল। পুলটোত বহি থাকোঁতে কথাৰ মাজে-মাজে প্ৰায়েই মোৰ মনলৈ আহিছিল,— দুয়োকাষৰ এই পিটনিবোৰৰ একোটা অংশক যদি আহল-বহল পুখুৰীৰ ৰূপ দিব পৰা গ'লহেঁতেন; পুখুৰীৰ পাৰে-পাৰে যদি একোটা সুবসুৰীয়া ৰাস্তা থাকিলহেঁতেন, ৰাস্তাৰ কাষে-কাষে যদি কিছুমান বেঞ্চ থাকিলহেঁতেন! এই প্ৰসংগটোলৈ অলপ পাছত উভতি আহিব পৰা যাব; সদ্যহতে যুদ্ধ সম্পৰ্কীয় দুটা কথা কৈ লওঁ। এইযে যুদ্ধ লাগিছে কাৰণে সৈন্যবাহী-কামানবাহী গাড়ীৰ আহ-যাহ, চৰকাৰী- বেচৰকাৰী মহলৰ নানা ধৰণৰ প্ৰতিৰক্ষা ব্যৱস্থা, একধৰণৰ আতংক-উত্তেজনাৰ বিস্তাৰ,— এইবোৰৰ মাজত গুৱাহাটীবাসীয়ে সঁচাকৈয়ে ভয় লগা ধৰণৰ, যুদ্ধসুলভ কিবা ঘটনা দেখা পাইছিল নে? মোৰ মতে এটা ঘটনা দেখা পাইছিল। এদিন সন্ধিয়া,— আন্ধাৰ হোৱাৰ পাছত, হঠাতে নগৰখনৰ পশ্চিম আকাশৰ বুকুলৈ মাটিৰ পৰা অসংখ্য গোলাকাৰ, ৰঙা-ৰঙা, অগ্নিপিণ্ড উঠি আহিছিল। বিভিন্ন ঠাইত পাতি থোৱা কামানবোৰে আকাশলৈ গোলা নিক্ষেপ কৰিছিল। কিছু সময়লৈ পশ্চিমৰ আকাশখন অগ্নিপিণ্ডৰে উজ্জ্বল হৈ আছিল। এনেয়ে দৃশ্যটো মনোমোহা,— কিন্তু চলি থকা যুদ্ধখনৰ পটভূমিত সেই দৃশ্যটোৱে আতংকৰ সৃষ্টি কৰিছিল। সকলোৱে নিমিষতে ধৰি লৈছিল,— শত্ৰুৰ বিমান আহিছে গুৱাহাটীত বোমাবৰ্ষণ কৰিবলৈ, আৰু আমাৰ সৈন্যই সেই বিমান বগাৰাবলৈ কামানেৰে গুলিয়াইছে। এনেয়ে ব্লেক-আউট চলিয়েই আছিল; তাৰ মাজতে কোনোবাই যদি কেনেবাকৈ লাইট এটা জ্বলাই ৰাখিছিল, আতংকত তেওঁলোকে সেইটোও নুমুৱালে। গভীৰ অন্ধকাৰত মহানগৰখন ডুব গ'ল, ইফালে আকাশ উজ্জ্বল অগ্নিপিণ্ডৰে ভৰি পৰিল। সেই সময়ত মই পাণবজাৰৰ পৰা জালুকবাৰীৰ ঘৰলৈ বুলি নৈৰ পাৰৰ বাটেদি আহি আছিলো। অগ্নিপিণ্ডৰ প্ৰথম জাউৰিটো দেখিয়েই গাড়ী ৰখাই নামি আহিলো। সেইখিনিত এজাক বনুৱাই হুৱা-দুৱা লগাই আছিল। মই চিঞৰি-চিঞৰি ক'লো,—"মাটিত দীঘল দি পৰি যোৱা।" সিহঁতে মোক জনা-শুনা কোনোবা বুলি ধৰি লৈ আখৰে-আখৰে মোৰ কথা পালন কৰিলে। ময়ো আকাশ মুকলি নোহোৱালৈকে সিহঁতৰ মাজতে বহি থাকিলো।

সেই ৰাতি মই আন্ধাৰৰ মাজে-মাজে, প্ৰায় ষ্টিম ৰ'লাৰৰ গতিৰে গাড়ী চলাই ফাঁচী বজাৰৰ পৰা জালুকবাৰী পাইছিলোহি। মাজতে বৰ বেছি অসুবিধাত পৰি মুহূৰ্তৰ বাবে গাড়ীৰ হে'ডলাইট জ্বলালেও কাষৰ আন্ধাৰৰ মাজৰ পৰা কোনোবাই চিঞৰিছিল,— "হেই হেই!"— যেন মই হে'ডলাইটৰ জৰিয়তে শত্ৰু-পক্ষক সংকেতহে দিব খুজিছোঁ।

সেই ৰাতি আচলতে কি ঘটিছিল, আমি অসামৰিক মানুহবোৰে একো গম নাপালো। সেইবোৰ কামানৰ গুলিয়েই আছিল নে কিবা সাৰশূন্য, ভয় খুউৱা বস্তু আছিল, সেইটোও নাজানিলো। এতিয়া মনত পৰিলে ধৰি লওঁ,— যুদ্ধখনৰ নামত মনত থাকি যোৱা এক ভয়ংকৰ আতচবাজী দেখিলো।

১৯৬২ চনৰ চীন-ভাৰত যুদ্ধৰ সময়ত আমাৰ, মানে গুৱাহাটী বিশ্ববিদ্যালযৰ এচাম শিক্ষকৰ কাৰ্যকলাপ বেছি ছিৰিয়াছ ধৰণৰ আছিল। চীনা সৈন্য যদি কেনেবাকৈ গুৱাহাটী পাযহি, তেনেহ'লে আমি নতশিৰে তেওঁলোকৰ ওচৰত আত্মসমৰ্পণ কৰিমনে? নকৰোঁ। দুজাঁইমান গুলিৰে হ'লেও আমাৰ প্ৰতিবাদ-প্ৰতিৰোধ সাব্যস্ত কৰিম। বন্দবস্ত হ'ল,— ইচ্ছুক, শাৰীৰিকভাৱে সক্ষম শিক্ষকসকলক চৰকাৰৰ তৰফৰ পৰা ৰাইফল চলাবলৈ প্ৰশিক্ষণ দিয়া হ'ব। এন ছি. ছিৰ বিষয়াসকলে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব; বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা তেখেতসকলক সহায় কৰিব একালৰ এন. ছি. ছিৰ নিষ্ঠাবান, কৃতী শিক্ষাৰ্থী ড. মীনধৰ বৰঠাকুৰে। অইন যি নহওক, সেই কাৰ্যসূচীৰ ফলস্বৰূপে আমি কিছু শিক্ষকে ৰাইফল চলাই পালো। এতিয়া যিটো টিলাত ৰসায়ন বিভাগৰ ঘৰটো আছে, সেইটো টিলাৰ গাত টাৰগেট বহুৱাই, ত্ৰিছ মিটাৰমান দূৰৰ মাটিত পেট পেলাই আমি গুলি চলাইছিলো। গণিত বিভাগৰ শিক্ষক ড. বিনয় কুমাৰ তামুলী (সেই বিভাগৰ মুৰব্বী অধ্যাপক পদৰ পৰা অৱসৰ গ্ৰহণ কৰি এখেতে এতিয়া মানৱসেৱাৰ কামত আত্মনিয়োগ কৰিছে) ৰাইফল-চালনা প্ৰশিক্ষণ লোৱাৰ প্ৰতি বৰ আগ্ৰহী আছিল। তেখেতে তেতিয়ালৈকে চুৰিয়া পিন্ধিছিল; কিন্তু ড. বৰঠাকুৰে ক'লে,— এই কামত চুৰিয়া পিন্ধা নচলিব। ড. তামুলীয়ে একমাত্ৰ ৰাইফলৰ প্ৰশিক্ষণ ল'বৰ বাবেই জীৱনত প্ৰথম লংপেণ্ট পিন্ধিছিল। (কেইদিনমানৰ আগতে টেলিফোনযোগে এই কথাটো উল্লেখ কৰোঁতে তেখেতে কৈছিল,— লংপেণ্টৰ প্ৰতি তেখেতৰ বিৰূপ মনোভাব নাছিল, কিন্তু তেখেতৰ দেউতাকে আঁঠুমূৰীয়াকৈ পিন্ধা চুৰিয়াখনৰ কথা মনত ৰাখি তেখেতেও চুৰিয়া পিন্ধিছিল। কিন্তু দেশসেৱাৰ স্বাৰ্থই যেতিয়া দাবী কৰিছিল, তেতিয়া তেখেতে যথোচিত সিদ্ধান্ত লৈছিল।) এইবোৰ আমাৰ কাৰণে মনত ৰাখিবলগীয়া কথা আৰু উল্লেখযোগ্য অভিজ্ঞতা আছিল।

জালুকবাৰীৰ প্ৰকৃতিৰ কথাৰ পৰা যুদ্ধৰ কথালৈ আহিছিলো;— এতিয়া আকৌ প্ৰকৃতিৰ কথালৈ উভতি যাওঁ। আমাৰ বিৰাম্নৰে নম্বৰ ঘৰটোৰ পুবসীমাৰ ৰেৰখনৰ সিফালেই পানীৰে ভৰা দ ঠাই। ঠাইডোখৰক দল, বন আদিৰে ভৰা এখন সৰু বিলেই

বুলিব পাৰি। এদিন ৰাতিপুৱা দেখিলো,— বিলখনৰ পৰা এজনী শৰালি আমাৰ বাৰীলৈ সোমাই আহিছে;— পিছে-পিছে এজাক পোৱালি। প্ৰথমতে নিজৰ চকুকে বিশ্বাস কৰিবলৈ মন নগৈছিল। অপূৰ্ব দৃশ্য। শৰালিজনী পোৱালিৰে সৈতে আমাৰ বাৰীৰ মাজেদি ৰাস্তালৈ ওলাই গ'ল; ৰাস্তা পাৰ হৈ ড. নৰেন্দ্ৰ নাথ সিদ্ধান্তৰ (পাছলৈ ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক) বাৰীৰ বাহিৰে-বাহিৰে কিছু সময় ঘূৰা-পকা কৰিলে, তাৰ পাছত আকৌ আমাৰ বাৰীয়েদি বিললৈ গুচি গ'ল। অইন এদিন পোৱালিজাক লৈ মাকজনী আমাৰ বাৰীলৈ আহিল, তাৰ পাছত পোৱালিজাকক এৰি থৈ তাই ক'ৰবালৈ গ'লগৈ। বহুত পৰ বৈ আছোঁ, তাইৰ দেখাদেখি নাই। ইফালে ঢোঁৰা কাঁউৰী দুটাই অ'ত পৰি-ত'ত পৰি ফৰক- ফৰককৈ মূৰ লৰাই আছে। আমাৰ সন্দেহ হ'ল,—কাউৰী দুটাই পোৱালিবোৰৰ দুটামান খাব। ইফালে মোৰ ক্লাছলৈ যোৱাৰ সময় হ'ল। প্ৰীতি আৰু পবিনৰ লগ লাগি পোৱালিকেইটা পিছফালৰ চৌবাচ্চাটোৰ পানীত এৰি দিলো; ডলা, চালনী, তগুা যি পালো তাৰে চৌবাচ্চাটো ঢাকিলো, আৰু প্ৰীতিক পোৱালিকেইটাৰ ওপৰত চকু ৰাখিবলৈ কৈ আমি কামলৈ গ'লোগৈ। আবেলি আহি দেখোঁ, পোৱালিকেইটা তেতিয়াও চৌবাচ্চাতে আছে। এইটোতো মহা মস্কিলৰ কথা হ'ল! কি কৰা যায় ভবা-চিন্তা কৰি আছোঁ; ওখ গছৰ আগৰ পোহৰো নাইকিয়া হ'ল;— এনেতে বিলৰ ফালৰ পৰাই থেপ-থেপকৈ খোজ পেলাই 'মহাৰাণী' সোমাই আহিল। আমি চৌবাচ্চাৰ পৰা পোৱালিকেইটা উলিয়াই দিলো। সিহঁত লগে-লগে মাকৰ ওচৰ পালেগৈ। তাৰ পাছত মাকে সেই একে খোজেৰে বেৰ পাৰ হৈ বিললৈ নামি গ'ল;— পিছে-পিছে পোৱালিকেইটাও। ওচৰতে থকা মাকৰ ঘৰত কেঁচুৱা থৈ বোৱাৰীয়ে দিনটোৰ কাৰণে চাকৰি কৰিবলৈ যোৱাৰ নিচিনা কথা।

এসময়ত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই মোক টাউন কমিটিৰ ছেক্ৰেটেৰি পাতিলে। মনত পৰে,— মোৰ প্ৰথম কামটো আছিল,— বিল, পিটনিৰ নিচিনা ঠাইবোৰত— বন্দুকেৰে চিকাৰ কৰা নিষেধ— বুলি লিখা ছাইনব'ৰ্ড লগোৱাই দিয়া। কাৰণ ৰাতিপুৱা ফুৰিবলৈ যাওঁতে মই দুই-এজন বন্দুকধাৰী চৰাই-চিকাৰী লগ পাবলৈ আৰম্ভ কৰিছিলো। তাৰ পাছত বিশ্ববিদ্যালয় কৰ্তৃপক্ষক ক'লো,— এইযে দ ঠাইবোৰ আছে, তাৰে কেইডোখৰমান চাফা কৰি সৰু-সৰু লে'কৰ (lake) নিচিনা কৰিব পাৰি। চৌহদটোত অন্ততঃ তিনিটামান জলাশয় থাকিলে কেইবাফালৰ পৰা ভাল কথা হ'ব। কামটো কৰিবলৈ যদি বিশ্ববিদ্যালয়ৰ ধন নাই, তেনেহ'লে অসম চৰকাৰৰ ফিছাৰি ডিপাৰ্টমেণ্টৰে সহায় লোৱা হওক। তেওঁলোকেই যদি আমি দেখুৱাই দিয়া ঠাইকেইডোখৰৰ উন্নয়ন সাধি লে'ক আৰু মাছ-পুঠি দুয়োটাৰে ব্যৱস্থা কৰে, তেনেহ'লে চৌহদটোৰ লাভ হ'ব। কৰ্তৃপক্ষৰ প্ৰাথমিক সম্মতি পোৱাৰ পাছত ফিছাৰি ডিপাৰ্টমেণ্টৰ লগত যোগাযোগ কৰিলো। বিষয়া-কৰ্মচাৰী

কেইজনমানে আহি তিনিদিনমান ঢেৰ জোখ-মাখ কৰিলে। তেওঁলোকৰ লগে-লগে ময়ো ঘূৰি ফুৰিলো। তাৰ পাছত তেওঁলোকে প্ৰতিবেদন, আঁচনি আদি প্ৰস্তুত কৰাৰ কথা। কিন্তু কিছুদিনৰ পাছতে কৰ্তৃপক্ষই ঠিক কৰিলে,— চৌহদৰ একাষে থকা খাল-বিলৰ কথা যেন-তেন, কিন্তু চৌহদৰ মাজৰ ঠাইৰ লগত বাহিৰৰ বিভাগ এটাক জড়িত কৰিব নোৱাৰি; কাৰণ পাছলৈ আইন, প্ৰশাসন আদি সম্পৰ্কীয় নানান সমস্যাই দেখা দিব পাৰে। কথা সিমানতে শেষ। কিন্তু মই আজিও ভাবোঁ, পানী-যুঁবলিলৈকে গৈ উপভোগ কৰিব পৰা, অন্ততঃ এডৰা আহল-বহল পানীৰ বিশ্ববিদ্যালয় চৌহদটোত বৰ প্ৰয়োজন আছিল।

টাউন কমিটিৰ ছেক্ৰেটেৰি হোৱা ঘটনাটোৰ প্ৰসংগত আৰু দুটামান সৰু কথা উল্লেখ কৰি থ'ব পাৰোঁ। প'ষ্ট গ্ৰেজুৱেট ষ্টুডেণ্টছ্ ইউনিয়নৰ সংগীত, সংস্কৃতি আদি বিভাগৰ প্ৰফেছাৰ-ইন-চাৰ্জ হোৱা, সাহিত্য সম্পৰ্কীয় সংগঠন এটাৰ সভাপতি হোৱা,— এইবোৰ ঘটনাৰ বাৰু এক ধৰণৰ যুক্তিযুক্তিতা আছিল; কিন্তু চৌহদটোৰ বজাৰখনত থকা ক'-অপাৰেটিভ ষ্ট'ৰখন পৰিচালনা কৰা ছছাইটিখনৰ ছেক্ৰেটেৰি, বিশ্ববিদ্যালয়ৰ গেষ্ট-হাউছটোৰ ইন-চাৰ্জ,— কি যুক্তিত এইবোৰ দায়িত্ব মই গ্ৰহণ কৰিছিলো তাৰ সদুত্তৰ আজিও বিচাৰি নাপাওঁ। মাহৰ এটা দেওবাৰে দোকানখনলৈ গৈ চাউল, দাইল, নিমখ, চেনি আদিৰ আগমন-নিগমনৰ হিচাপ চাই ষ্টকত কিমান বস্তু আছে তাৰ তালিকা তৈয়াৰ কৰা, চেনিৰ আকালৰ সময়ত আপত্তি জনাবলৈ ঘৰলৈ অহা বাসিন্দাসকলক সাম্প্ৰতিক নাটনিৰ অৱস্থাৰ বৰ্ণনা দি সন্তুষ্ট কৰা,— কি বিচিত্ৰ ধৰণৰ কাম! গেষ্ট-হাউছটোৰ পিছফালৰ ঘৰ এটাত অন্ধ্ৰ-উৰিষ্যাৰ ফালৰ মালী এটাই সপৰিবাৰে বাস কৰে; সিহঁতেই গেষ্ট-হাউছৰ চকীদাৰ, কেছিয়াৰ, ৰান্ধনী,— সকলো। মালীয়ে মোক আলহীৰ পৰা পোৱা পইচা দিব, মই হিচাপ পৰীক্ষা কৰি সেই পইচা বিশ্ববিদ্যালয়ত জমা দিম। ৰাজ্যৰ বাহিৰৰ আলহী আহিব,— "কিবা অসুবিধা হৈছে নে কি?"— সেইটো খবৰ ল'বলৈ মই ৰাতিপুৱা-গধূলি গেষ্ট-হাউছলৈ যাব লাগিব। অমুক নম্বৰ ৰুমৰ বাথৰুমটোৰ এটা টেইপৰ পৰা যে অনবৰত পিৰ-পিৰকৈ পানী ওলায়েই থাকে, সেই বিষয়ে ইঞ্জিনিয়াৰলৈ ইয়'ৰছ ফেইথফুলি-জাতীয় দৰখাস্ত লিখিব লাগিব।— একমাত্ৰ সান্ত্বনা, সেই বিচিত্ৰ অভিজ্ঞতাবোৰে জীৱনটোক সমৃদ্ধ কৰা ক্ষুদ্ৰ-ক্ষুদ্ৰ উপাদান হিচাপে কাম কৰিছিল।

ষাঠিৰ দশকৰ দ্বিতীয় ভাগত দুটা উল্লেখযোগ্য ঘঁৰুৱা ঘটনা ঘটিল। ১৯৬৬ চনত বৌ ঢুকাল। জীৱনৰ শেষৰ কেইমাহমান তেওঁৰ গোটেই সংসাৰখনে কোঁচ-মোচ খাই বিছনাখনতে থিতাপি লৈছিল। যিমানদূৰ বিশ্বাস, তেওঁৰ মানত আমি তেতিয়া ছায়ামূৰ্তিৰ নিচিনাকৈ তেওঁৰ ওচৰে-ওচৰে ঘূৰি ফুৰিছিলো। আমাৰ মাত-কথা চাগৈ তেওঁৰ কাৰণে

দূৰণিৰ পৰা অহা অচিনাকি শব্দৰ নিচিনা হৈ পৰিছিল। তাৰ পাছত লাহে-লাহে সেইবোৰো তেওঁৰ অনুভূতিৰ পৰা আঁতৰি গৈছিল। শেষৰ দিনটোত কেৱল উশাহটোৱেহে এইখন পৃথিৱীৰ লগত তেওঁৰ সম্পৰ্ক ৰক্ষা কৰিছিল। সেই ৰাতি আমি ওচৰৰ কোঠালি এটাত মাটিত বিছনা পাৰি শুই আছিলো। আমাৰ টোপনি যোৱা নাছিল। বৌৰ কাষত বহি থকা সম্পৰ্কীয় দদাই এজনে এসময়ত ঘোষণা কৰিলে,— "গ'ল।"

গ'ল। ভীমৰগাঁৱৰ সে-ই ঘৰটোত জন্ম লোৱা, লিখিব-পঢ়িব নজনা, কাণেৰে কম শুনা, কলহ্-বাল্টিৰে পানী কঢ়িয়াই আমাক গা ধুউৱা মানুহজনীৰ কণ্ঠৰ—"চিৰঞ্জীৱী হ, মনোবাঞ্ছা পূৰ্ণ হওক, এই নামে নাম নহয় আৰু নাম আছে"— বোলা আশীৰ্বাদৰ গুণগুণনিয়ে শব্দহীন ৰূপত নতুন জনম পালে। সেই নৱজাতকৰ আয়ুস মোৰ আয়ুসৰ সমান।

মাৰ নাম চম্পাবালা আছিল। পৰাপক্ষত মই চম্পা শব্দটো উচ্চাৰণো নকৰিছিলো, নিলিখিছিলোও।

পাছৰ বছৰত আমাৰ প্ৰথম সন্তানৰ জন্ম হ'ল। ছোৱালী। পাছলৈ তাইৰ নাম হ'ল সংগীতা। ঘৰত মতা নাম জিণ্টি। এইবোৰ চিৰাচৰিত, সাধাৰণ, স্বাভাৱিক ঘটনা; কিন্তু ছোৱালীজনীৰ জন্মদিনটোৰ ঘটনাবোৰ মোৰ কাৰণে স্মৰণীয়। বিৰক্তি, ক্ষোভ আৰু কষ্টৰে মই সেইবোৰ কথা মনত পেলাওঁ। অন্যান্য বহু ঘটনাৰ দৰে আমাৰ প্ৰথম সন্তানৰ জন্মৰ লগত সম্পৰ্কিত সকলো ঘটনা আমি দুয়ো অকলে চম্ভালিছিলো। নগৰখনত নাম-যশ থকা ডাঙৰ ডাক্তৰৰ (শ্ৰেষ্ঠ?) কাষ চাপিছোঁ, নিৰ্ভৰযোগ্য কিতাপ পঢ়ি কথা জানিবৰ চেষ্টা কৰিছোঁ, ঔষধ-ডাক্তৰৰ লগত নিয়মীয়াকৈ পইচা খৰচ কৰিছোঁ, আমাৰ ফালৰ পৰা যাতে কোনো ত্ৰুটি বা খুঁত নাথাকে, তাৰ ব্যৱস্থা কৰিছোঁ। এদিন ৰাতি প্ৰীতিয়ে মোক জগুৱাই ক'লে,— তেওঁৰ পেট বিষাইছে। তেতিয়া তিনিমান বাজিছে। কেইমিনিটমানৰ ভিতৰতে প্ৰীতিক গাড়ীত বহুৱাই, লাহে-লাহে গাড়ী চলাই, ব্ৰহ্মপুত্ৰৰ পাৰৰ গুৱাহাটী মেডিকেল কলেজৰ হস্পিটেল পালোহি। তেতিয়া প্ৰায় চাৰে তিনি বাজিছে। এটা কোঠালিত নাৰ্ছ এজনীক লগ পালো। তেওঁ ক'লে,— এতিয়া ডাক্তৰ কোনো নাই। মই তেওঁক সকলো কথা বুজাই ক'লো,— এওঁ আপোনালোকৰ ডাঙৰ ডাক্তৰজনৰ ৰোগী; যোৱা সাত মাহ তেখেতে এওঁক মাহে-মাহে পৰীক্ষা কৰি আছে; হস্পিটেলৰ ছিটৰ কাৰণে তেখেতে নিজে মোৰ আগতে তেখেতৰ ন'টবুকত এওঁৰ নাম লিখি ৰাখিছে,— ইত্যাদি ইত্যাদি। হয়ো; সেই ডাঙৰ ডাক্তৰজনৰ কাষ চপাৰ কাৰণ মাত্ৰ দুটা আছিল,— প্ৰথমটো হ'ল তেখেত ভাল ডাক্তৰ, আৰু দ্বিতীয়টো হ'ল— তেখেতৰ ৰোগীয়ে হস্পিটেলত ছিট পোৱাত অগ্ৰাধিকাৰ পায়। নাৰ্ছজনীয়ে প্ৰীতিক বহিবলৈ টুল এখন দিলে। প্ৰীতি বহিল। তাৰ পাছত কি হ'ব এতিয়া? ৰাতিপুৱালৈকে

আমি ৰ'ব লাগিব। মই বাৰাণ্ডাখনত থিয় হৈ, খোজ কাঢ়ি সময় কটাবলৈ ধৰিলো। বাৰাণ্ডাখনত গা-মূৰ ঢাকি দুটা বা দুজনী মানুহ শুই আছিল। এসময়ত লাহে-লাহে বাহিৰখন পোহৰ হৈ আহিল। মই থিয় হৈ থকা ঠাইডোখৰৰ ওচৰতে, বাৰাণ্ডাৰ নামনিত, এটা জাবৰ পেলোৱা বাচন আছিল। এজনী মানুহে মোৰ কাষেদিয়েই আগবাঢ়ি গৈ তাত এসোপা বস্তু পেলাই দিলে। কোনোবা এটা কোঠালিত সন্তান এটা জন্ম হৈছিল; সন্তান জন্মৰ পাছত পেলাবলগীয়া বস্তুখিনি তেওঁ পেলাই থৈ গ'লহি। লগে-লগে এজাক কাউৰী ওচৰ চাপি আহিল। আসন্নপ্ৰসৱা, স্বল্পবস্ত্ৰপৰিহিতা মানুহ এজনীয়ে এঙাৰেৰে দাঁত মাজি-মাজি মোৰ ফালে আগুৱাই আহিল, আৰু মোৰ ওচৰ পোৱাৰ পাছতে বাৰাণ্ডাৰ তললৈ এমোকোৰা ক'লা থুই পেলাই দিলে।

প্ৰীতি প্ৰায় চাৰি ঘণ্টা টুলখনত বহি থকাৰ পাছত এজন ডেকাই মোক এখন ফৰ্ম ফিল-আপ কৰিবলৈ দিলে। প্ৰীতি আৰু মোৰ নাম-ধাম-সবিশেষ লিখাৰ পাছত ডেকাজনে ক'লে,— "ৰোগীক মাটিত শুবলৈ দিয়াত আপত্তি নাই বুলি লিখি দিয়ক।" লিখি দিলো। এইটো বাক্য লিখিবলৈকে ইমান দিনে ইমান ডাঙৰ ডাক্তৰ এজনৰ শৰণাপন্ন হৈ আছিলো?

আঠ বজাৰ পাছত ছাত্ৰ যেন লগা ডাক্তৰ এজনে প্ৰীতিক অইন এটা কোঠালিৰ ভিতৰলৈ লৈ গ'ল। জানিব পাৰিলো,— সেইটো লেবাৰ ৰুম; তাতে কেঁচুৱা জন্ম হ'ব। মই পাণবজাৰলৈ গ'লো। গুৱাহাটী-ডায়েৰি খোলাৰ লগে-লগে এটা থাৰ্মফ্লাস্ক কিনিলো; তাত চাহ ভৰালো আৰু খোৱাবস্তু অলপ লৈ হস্পিটেললৈ আহিলো। দুয়োৰে পেটত পানী এটোপাও পৰা নাই। এইবাৰ প্ৰীতিৰ পৰা জানিব পাৰিলো,— লেবাৰ ৰুমৰ এখন ওখ, মেজৰ নিচিনা কাঠৰ বিছনাত এজনী মানুহ শুই আছিল; তেওঁক মাটিত শুবলৈ দি প্ৰীতিক তাত শুবলৈ দিয়া হৈছে, আৰু খাটখনৰ এমূৰে—এইটো প্ৰফেছাৰৰ কে'ছ— বুলি লিখা কাগজ এখন লগাই দিয়া হৈছে। খাটখনত কাপোৰ-চাপোৰ একো নাই। উদং তক্তা। প্ৰীতিয়ে আৰু এটা খবৰ দিলে,— তেওঁৰ মূৰ কামুৰিছে।

কেইদিনমানৰ পাছতে বিশ্ববিদ্যালয়ৰ সমাবৰ্তন (convocation) অনুষ্ঠিত হ'ব। এইটো অনুষ্ঠানত মোৰ ওপৰত কিছুমান দায়িত্ব থাকে। মই জালুকবাৰীলৈ গৈ, যথাযোগ্য লোকক প্ৰয়োজনীয় দিহা-পৰামৰ্শ দি, আকৌ হস্পিটেললৈ আহিলো। তেতিয়া প্ৰায় বাৰ বাজিছে। প্ৰীতি তক্তাৰ ওপৰতে পৰি আছে; প্ৰফেছাৰৰ কে'ছ বুলি লিখি থোৱা কাৰণে অইন কোনো ডাক্তৰে তেওঁক চোৱা নাই। প্ৰফেছাৰ, অৰ্থাৎ ডাঙৰ ডাক্তৰজনে এসময়ত এটা 'ৰাইণ্ড' দি গ'ল; তেখেতে প্ৰীতি সম্বন্ধে তেতিয়া কিবা কৰিবলগীয়া হৈছে বুলি নাভাবিলে। ইতিমধ্যে প্ৰীতিৰ মূৰৰ বিষ বাঢ়িছিল। কোঠালিটোৰ মাটিত শুই

থকা এজনী মানুহে প্ৰসৱ-বেদনাত চিঞৰিছিল, ছাত্ৰ যেন লগা ডেকা ডাক্তৰ এজনে তেওঁক কৈছিল,—"এতিয়াযে চিঞৰিছা, বিয়া কৰাবলৈ কোনে কৈছিল?"

দোকানৰ পৰা খোৱাবস্তু অলপ আনি দি মই আবুল লেইচৰ মাছখোৱাৰ ঘৰলৈ গ'লো। কথাবোৰ শুনি লেইচৰ মাকে ক'লে,— তেওঁক আমাৰ ঘৰলৈকে লৈ আহিবা নে কি? বিৰক্তি আৰু দুশ্চিন্তাৰ হেঁচাত এবাৰ ভাবিলো— তাকে কৰোঁ নে কি? কিন্তু ঘটনাটোত যিবোৰ চিকিৎসাশাস্ত্ৰ সম্পৰ্কীয় কথা জড়িত আছে, সেইবোৰৰ কথা ভাবি সেইটো কাম কৰিবলৈ মন নগ'ল। কি কৰা যায়, সেই বিষয়ে লেইচৰ লগত আলোচনা কৰিলো। লেইচে ছাত্ৰীবাৰী হস্পিটেলত ঠাই আছে নে খবৰ ল'বলৈ গ'ল। তিনিমান বজাত তেওঁ হস্পিটেললৈ আহি মোক খবৰ দিলে, তাত ঠাই পোৱা যাব। ঠাই মানে,— এটা কোঠালিয়ে পোৱা যাব। ইতিমধ্যে বিষত প্ৰীতিৰ মূৰ ফাটি যাওঁ-ফাটি যাওঁ লাগিছিল। তক্তাৰ ওপৰত পৰি থাকোঁতে তেওঁৰ পিঠিৰো বিষ উঠিছিল। কোঠালিটোত তেওঁৰ চকুৰ আগতে দুটা কেঁচুৱাৰ জন্ম হৈছিল। প্ৰথমবাৰৰ বাবে সন্তানৰ মাক হ'বলৈ ওলোৱা তিৰোতাক 'প্ৰাইমি' বোলা হয়, আৰু শাৰীৰিক-মানসিক সকলো দিশৰ পৰা এই প্ৰাইমিসকলৰ বিশেষ ধৰণে সাৱধান লোৱা উচিত বুলি ডাঙৰ ডাক্তৰেই মোক বুজাইছিল। এতিয়া সাতঘণ্টা তক্তাৰ ওপৰত পৰি থাকি প্ৰীতিয়ে দুটাকৈ সন্তানৰ জন্ম চাবলৈ পোৱা ঘটনাটোত মই নিজেই আতংকিত হ'লো। এজন ডেকা ডাক্তৰক লগ ধৰি ক'লো,— মই মোৰ পৰিবাৰক ইয়াৰ পৰা লৈ যাওঁ। তেওঁ নগাঁৱৰে, মোক চিনি পোৱা ডেকা। তেওঁ ক'লে,— প্ৰফেছাৰৰ অনুমতি নোহোৱাকৈ আমি আপোনাক ৰোগী লৈ যাবলৈ দিব নোৱাৰোঁ। মই ক'লো,— তুমি প্ৰফেছাৰৰ অনুমতি লোৱা, আৰু তেখেতক কোৱা,— মই ৰোগী ইয়াৰ পৰা নিমেই। মোৰ কথাৰ সুৰ শুনি ডেকাজনে মোক ফৰ্ম এখন দি ক'লে,— এইখন আপুনি ফিল-আপ কৰক; মই প্ৰফেছাৰৰ লগত ফোনত কথা পাতোঁ। প্ৰফেছাৰে তেতিয়া ঘৰত ৰোগী চাই আছে। প্ৰীতিক যেনেকৈ চাইছিল, তেনেকৈ।

অলপ পাছতে ডেকাজনে মোক ক'লেহি,— ছাৰে আপোনাৰ লগত ফোনত কথা পাতিব খুজিছে। গ'লো ফোনৰ ওচৰলৈ। প্ৰফেছাৰে মোৰ লগত কমেও দহ মিনিট কথা পাতিলে। তেখেতৰ বক্তব্য হ'ল,— ৰোগীক তেখেতসকলে অবজাৰভেশ্যনত ৰাখিছে; এই অৱস্থাত ৰোগীক হস্পিটেলৰ পৰা উলিয়াই লৈ গ'লে ৰোগীৰো বিপদ হ'ব পাৰে, গৰ্ভস্থিত সন্তানৰো বিপদ হ'ব পাৰে। এনে কাম আপুনি নকৰিব। মোৰ বক্তব্য হ'ল— কৰিম। কৰিমেই। ৰোগী-সন্তানৰ যি হয় হ'ব; কিন্তু এই যন্ত্ৰণা সহ্য কৰাটো মোৰ বাবে অসম্ভৱ হৈছে। আজিৰ দিনটোৰ কথা ভাবিয়েই যোৱা সাত মাহ,— মাহে এবাৰকৈ, কেতিয়াবা দুবাৰকৈ,— জালুকবাৰীৰ পৰা আহি-আহি আপোনাক ৰোগীক দেখুৱাই

আছোঁ,— আৰু ৰাতি তিনি বজাৰ পৰা প্ৰথম পাঁচঘণ্টা বাৰু বাদেই দিলো,— কিন্তু তাৰ পাছৰ সাত ঘণ্টা মূৰ বিষত অস্থিৰ হৈ থকা প্ৰাইমি ৰোগীক আপোনালোকে তক্তা এখনৰ ওপৰত পেলাই থৈ অবজাৰ্ভ কৰে? আপোনাৰ ছাত্ৰই প্ৰসৱবেদনাত জৰ্জৰিত হোৱা তিৰোতাক,— জীৱনৰ সেই অতি-বিশেষ মুহূৰ্তটোত অশালীন, অভদ্ৰজনোচিত কথা কয়? কিহৰ ওপৰত ভাৰসা কৰি মই এই মানুহজনীক তক্তাৰ ওপৰত থাকিবলৈ ক'ম?

টেলিফোন থৈ, প্ৰফেছাৰৰ পৰামৰ্শমতে ফৰ্মখনৰ কাষত হাতেৰে লিখি দিলো,— মই মোৰ দায়িত্বত ৰোগীক হস্পিটেলৰ পৰা লৈ গ'লো। ফৰ্মখন ডেকাৰ হাতত দি মই বাহিৰলৈ আহি দেখোঁ,— প্ৰীতি গাড়ীত বহি আছেহি। মই কি ব্যৱস্থা কৰিলো, সেইবোৰলৈ অপেক্ষা কৰাৰ তেওঁৰ শক্তি নাছিল। তেওঁ এই ঠাই এৰি অইন ক'ৰবালৈ যাবই। লেবাৰৰুমৰ পৰা গাড়ীৰ ওচৰলৈ খোজকাঢ়ি আহিবলৈ তেওঁ ক'ৰ পৰা শক্তি পালে ক'ব নোৱাৰোঁ। বোধকৰোঁ যন্ত্ৰণাই শক্তিৰো সৃষ্টি কৰে।

দুই নম্বৰ গিয়েৰত লাহে-লাহে গাড়ী চলাই চাৰে চাৰিমান বজাত আমি ছাত্ৰীবাৰী হস্পিটেল পালোগৈ। তাত নিজাকৈ এটা কোঠালি পালো। ৰোগীৰ অলপৈচান ধৰোঁতাৰ কাৰণেও এখন বেলেগ বিছনা আছে। নাৰ্ছে প্ৰীতিক লগে-লগে পৰীক্ষা কৰিবলৈ অইন এটা কোঠালৈ নিলে। প্ৰসৱৰ আগতে যিবোৰ প্ৰাথমিক কাম কৰিব লাগে, সেইবোৰ এওঁলোকে ইয়াত আকৌ এবাৰ কৰিলে। মই আছুতীয়া বিছনাখনত দীঘল দি পৰি আছোঁ; নমান বাজিছে,— এনেতে নাৰ্ছ দুজনীমানে লৰা-ঢপৰা কৰা গম পালো। বাৰাণ্ডালৈ ওলাই আহি দেখোঁ,— এজনী নাৰ্ছ পথাৰখনৰ মাজেৰে সিমূৰে থকা ঘৰবোৰৰ ফালে দৌৰিছে। অলপ পাছতে দেখিলো, হাতত টৰ্চলাইট লৈ সেই ফালৰ পৰা কোনোবা দৌৰি আহিছে। ওচৰ পাওঁতে দেখিলো এজন শ্বেতকায় লোক;— টৰ্চলাইট ধৰা হাতেৰেই চোলাৰ বুতাম মাৰি-মাৰি তেওঁ উধাতু খাই আহিছে। মোৰ কাষেদিয়েই তেওঁ প্ৰায় দৌৰাৰ নিচিনাকৈয়ে লেবাৰ ৰুমলৈ গ'ল। দহ মিনিটমানৰ পাছতে জিণ্টিৰ জন্ম হ'ল। পাছত জানিছিলো, দৌৰি অহা সেই মানুহজন আছিল ড. নৰ্টন। লগতে জানিবলৈ পাইছিলো— তেওঁ এজন ভাল ডাক্তৰ। কিন্তু ফেব্ৰুৱাৰি মাহৰ শীত আৰু আন্ধাৰে আবৰি ৰখা পথাৰখনৰ মাজেদি, চোলাটো পিন্ধি-পিন্ধি তেওঁ যিটো দৌৰ মাৰি ৰোগীৰ ওচৰলৈ আহিছিল, সেয়ে মোৰ কাৰণে তেওঁৰ সৰ্বশ্ৰেষ্ঠ পৰিচয় আছিল। তেওঁ কিমান কি পাছ কৰা ডাক্তৰ, তাৰ খবৰ মই কেতিয়াও লোৱা নাছিলো। তেওঁক মই জিণ্টিৰ ধৰ্মপিতৃ বুলি জ্ঞান কৰিছিলো।

এতিয়া ভাবোঁ,— কিমান মানুহে প্ৰীতিতকৈ কিমান বেছি দুৰ্ভোগ ভুগিছে;— গতিকে এইখন দেশত সেইবিলাক কথা লৈ উত্তেজিত নোহোৱাৰ চেষ্টা কৰাই ভাল। মোৰ

জন্মনো ক'ত, কেনে অৱস্থাত হৈছিল? ফৌজদাৰীপটিৰ পিতাইহঁতৰ পৈতৃক ঘৰতে মই জন্ম পাইছিলো; সেয়াও ফেব্ৰুৱাৰি মাহৰ নিশা আছিল, আৰু জন্ম পোৱাৰ পাছতে মাটিত আগলি কলপাত এখন পাৰি তাত মোক শুৱাই দিয়া হৈছিল।

কিন্তু যেতিয়া দুৰ্ভোগ নুভুগিবৰ বাবে যি কৰিব লাগে সকলো কাম নিষ্ঠাৰে, পৰিশ্ৰমেৰে, ধন ভাঙি কৰোঁ, আৰু তাৰ পাছতো দুৰ্ভোগ ভোগোঁ, তেতিয়া সেই দুৰ্ভোগ স্মৰণীয় কৰি ৰাখি ভাল পাওঁ।

এইখন দেশৰ কিছুমান কথাৰ লগত উন্নত দেশৰ কথা তুলনা কৰাটো সদায় শোভনীয় আৰু যুক্তিযুক্ত কাম নহয়। নিজৰ দেশৰ অৱস্থা নিজেই বুজি পাওঁ। সেই কাম মই পৰাপক্ষত নকৰোঁ। কিন্তু কিছুমান তুলনাই আমাৰ দেশৰ এচামক উপকৃত কৰিবও পাৰে,— সেই কথা মনলৈ আহিলে সেই কামটো কৰোঁ। আমাৰ দেশক সৰু কৰিবলৈ সেই কামটো নকৰোঁ, ডাঙৰ কৰাৰ আশাৰেহে কৰোঁ। চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰতে, এই গুৱাহাটী মহানগৰতে, বছৰে-বছৰে কিমান পৰিবৰ্তন ঘটিছে! আৰু পৰিবৰ্তনতো ঘটিয়েই থাকিব। এইবোৰ কথা ভাবিয়েই তুলনা এটা কৰি থওঁ।

এইজনী জিণ্টিয়েই যেতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰৰ হিউষ্টন মহানগৰত সন্তানসম্ভৱা হ'ল, তেতিয়া তাইৰ দায়িত্ব ইন্সিঅ'ৰেন্স কম্পেনিয়ে ল'লে। কম্পেনিয়ে হস্পিটেল, ডাক্তৰ সকলোৰে ব্যৱস্থা কৰি দিলে। এদিন কম্পেনিৰ মানুহে জিণ্টিহঁত থকা এপাৰ্টমেণ্টটো চাবলৈ আহিল। চাইচিতি তেওঁলোকে ক'লে,— এইটো সদ্যজাত কেঁচুৱাৰ বাবে উপযোগী নহয়; কেঁচুৱাৰ সম্ভাব্য জন্ম-তাৰিখৰ আগতে তোমালোকে এপাৰ্টমেণ্ট সলাব লাগিব। নতুন এপাৰ্টমেণ্টটোত ন্যূনতম কি-কি সুবিধা থাকিব লাগিব, সেই বিষয়ে তেওঁলোকে জিণ্টিহঁতক বুজাই দিলে। চাৰি মাহমানৰ পাছতে সন্তানটো যে ল'ৰা হ'ব সেই কথা জিণ্টিহঁতে গম পালে। তাৰ দুমাহৰ পাছতে মাকৰ পেটত কেঁচুৱাৰ হৃদপিণ্ডৰ ধপ-ধপ শব্দ ৰেকৰ্ড কৰা কেছেট এটা গুৱাহাটী পালেহি। এসময়ত ইন্সিঅ'ৰেন্স কম্পেনিৰ মানুহে হস্পিটেলৰ কোনডোখৰ ঠাইত গাড়ী ৰাখি, কোনটো বাটেদি জিণ্টি থাকিবলগীয়া কোঠালিটোলৈ যাব লাগিব, সেইবোৰ জোঁৱাই প্ৰশান্তক বুজাই দিলে (যাতে শেষ মুহূৰ্তত গাড়ী ৰখা ঠাই বিচাৰি ফুৰোঁতে, প্ৰকাণ্ড হস্পিটেলখনৰ নিৰ্দিষ্ট কোঠালিটো বিচাৰি ফুৰোঁতে সময় নষ্ট নহয়, উৎকণ্ঠা নাবাঢ়ে, ৰোগীৰ কষ্ট নহয়।) তাৰ পাছত তেওঁলোকে ক'লে,— গাড়ীখনৰ পিছৰ ছিটত এটা 'বেবি ছিট' লগাব লাগিব, তেহে হস্পিটেলৰ পৰা কেঁচুৱা ঘৰলৈ নিবলৈ দিয়া হ'ব। নিৰ্দিষ্ট দিনৰ আগে-আগে হস্পিটেল কৰ্তৃপক্ষই জিণ্টি থাকিবলগীয়া কোঠালিটো ফুল, ৰং-চঙীয়া কাগজ, শুভেচ্ছা-বাণী আদিৰে সজালে আৰু তাৰ পাছত ৰোগী ভৰ্তি কৰিলে। সন্তান জন্মৰ সমগ্ৰ প্ৰক্ৰিয়াটো প্ৰশান্তই ভিডিঅ' কেমেৰাৰে ৰেকৰ্ড কৰিলে। এইটো কাম দুটা দিশৰ পৰা প্ৰয়োজনী আছিল। প্ৰথম,—

স্মৃতিৰক্ষা। দ্বিতীয়,— যদি প্ৰক্ৰিয়াটোৰ শেষত কিবা অঘটন ঘটে, তেনেহ'লে সেই ভিডিঅ' ৰেকৰ্ডিঙেই হ'ব 'মিলিয়ন ডলাৰ'ৰ সাক্ষী!

কেঁচুৱাৰ বয়স দুদিন হওঁতে, কোঠালিটোৰ দায়িত্বত থকা নাৰ্ছসকলে কেঁচুৱাৰ উপযোগী ৰংচঙীয়া উপহাৰ এসোপাৰে পৰিয়ালটোক গাডীত তুলি দিলেহি।

সংসাৰখনৰ ভিতৰত গৃহস্থ-গৃহিণীহালে নিজে নিজৰ চাৰিওফালে (নিজৰ অক্ষৰ চাৰিওফালে) ঘূৰি থাকে; লগতে ইটোৱে সিটোৰ চাৰিওফালেও ঘূৰি থাকে; কিন্তু দুয়োৰে মাজলৈ সন্তান এটাৰ আগমনৰ পাছত এই দুই-প্ৰাণীৰ ঘূৰ্ণায়মান 'ছিষ্টেম'টোৱে সন্তানটোক কেন্দ্ৰ কৰি ঘূৰিবলৈ ধৰে। এই জটিল ঘূৰ্ণন প্ৰক্ৰিয়াটোও এক ধৰণৰ 'মহাকৰ্ষণ'ৰ ফল। সঠিকভাৱে ক্ৰিয়া কৰিলে এই মহাকৰ্ষণে সংশ্লিষ্ট প্ৰাণীকেইটাৰ প্ৰত্যেকৰে শক্তি বৃদ্ধি কৰে। মই সেই বৃদ্ধি অনুভৱ কৰিছিলো। জিণ্টি জন্ম হোৱাৰ পাছৰ কালছোৱাত মোৰ ধাৰণা হৈছিল,— জীৱনৰ এটা নতুন পৰ্যায় আৰম্ভ হ'ল। এনেকুৱা এটা পৰ্যায় আৰম্ভ হ'ল,— যিটোত মই নতুন ধৰণৰ কিবা কৰিব লাগে। এই কালছোৱাতে মই চাকৰি জীৱনৰ গতানুগতিকতাৰ পৰিবৰ্তন কামনা কৰিবলৈ আৰম্ভ কৰিলো। পঢ়িছোঁ, পঢ়াইছোঁ,— সেয়াই চাকৰি। তেনেকৈয়ে দিনবোৰ গৈ আছে। তেনেকৈয়ে গৈয়েই থাকিবনে? নিউক্লিয়েৰ ফিজিক্সৰ স্পেছিয়েল পেপাৰ আৰু লেবৰেটৰিও এটা সুস্থিৰ অৱস্থালৈ আহিল; গতিকে তাতো গতানুগতিকতাই দেখা দিলে। গৱেষণাৰ বাবে সেই পুনাৰ নেশ্যনেল কেমিকেল লেবৰেটৰিক যে ইলেকট্ৰন ডিফ্ৰেকশ্যন কেমেৰা এটা তৈয়াৰ কৰিবলৈ দিয়া হৈছিল, সেইটো কামৰ ওপৰেদি বছৰৰ পাছত বছৰ পাগৰি গৈছিল। শেষত বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা সিদ্ধান্ত কৰা হৈছিল,— বোম্বাইত যে ছায়ন্স কংগ্ৰেছৰ বছৰেকীয়া অধিবেশন বহিব, মই তালৈ যাম; অধিবেশনৰ শেষত পুনালৈ গৈ ড. অনিল গোস্বামীক লগ ধৰিম, আৰু নিজে কেমেৰাটোৰ অৱস্থা চাই আহিম। ছায়ন্স কংগ্ৰেছৰ অধিবেশনলৈ পঠাওঁতে বিশ্ববিদ্যালয়ে মোক আৰু এটা দায়িত্ব দিছিল। কেইবছৰমানৰ আগৰে পৰা গুৱাহাটী বিশ্ববিদ্যালয়ে ছায়ন্স কংগ্ৰেছৰ অধিবেশন এখন গুৱাহাটীত পতাৰ কথা আলোচনা কৰি আছিল। হয়তো দুবছৰমানৰ পাছত সেই ঘটনাটো ঘটা সম্ভৱপৰ হ'বও পাৰে;— সেই আশাৰে মোক মূল সভাঘৰ, মঞ্চ আদিৰ সবিশেষ সংগ্ৰহ কৰিবলৈ দিয়া হৈছিল। মোৰ টোকাবহীত মই মঞ্চ-মণ্ডপ সকলোৰে জোখ-মাখ লিখি আনিছিলো, কিন্তু এসময়ত গোটেই বিষয়টোৱেই তল পৰিছিল। প্ৰসংগক্ৰমে উল্লেখযোগ্য, সেই বোম্বাই অধিবেশনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড. হিতেন্দ্ৰ কুমাৰ বৰুৱা বটেনি বিভাগৰ সভাপতি আছিল। আমাৰ বিৰাম্নৰ নম্বৰ ঘৰটোৰ মুখে-মুখে তেখেতৰ ঘৰ আছিল। ৰাতিপুৱা-গধূলি বাৰাণ্ডাৰ পৰা দেখি থকা মানুহজনক বোম্বাইৰ সেই বিৰাট মঞ্চখনত প্ৰকাণ্ড বেজ এটা পিন্ধি অন্যান্য বিজ্ঞানীসকলৰ শাৰীত বহি থকা দেখি ফূৰ্তি

পাইছিলো। সেইদিনা অধিবেশন উদ্বোধন কৰিছিল তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে।

সেয়া ১৯৬৮ চনৰ শেষৰ কথা। অৰ্থাৎ আমি ইলেকট্ৰন ডিফ্ৰেকশ্যন কেমেৰাৰ অৰ্ডাৰ দিয়া প্ৰায় চাৰি বছৰ হ'ল। পুনাৰ নেশ্যনেল কেমিকেল লেবৰেটৰিৰ এটা কোঠাত ড. গোস্বামীয়ে মোক নিৰ্মীয়মাণ কেমেৰাটো দেখুৱালে। তেখেতে বুজালে,— এবাৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ পাছত যন্ত্ৰটো পৰীক্ষামূলকভাৱে চলাই দেখা গ'ল,— তাক প্ৰয়োজনীয়ভাৱে বায়ুশূন্য ($10^{-3}$mm.Hg পৰ্যায়ৰ) কৰিব পৰা নাযায়। ক'ৰবাত 'লিক' আছে। গতিকে তেওঁলোকে গোটেই যন্ত্ৰটো পুনৰ্নিৰ্মাণ কৰিবলগীয়া হ'ল। গতিকে—।

তাৰ পাছৰ দিনবোৰত কাম সম্পৰ্কে মই অস্থিৰতা অনুভৱ কৰিছিলো। 'বাহিৰা' লিখা-পঢ়া কামৰ কথা কোৱা নাই; চাকৰিৰ লগত প্ৰত্যক্ষভাৱে জড়িত কামৰ কথা কৈছোঁ। 'বাহিৰা' লিখা-মেলা কামৰ ক্ষেত্ৰত মোৰ বিশেষ দুশ্চিন্তা নাছিল। ষাঠিৰ দশকটো সেই ক্ষেত্ৰত মোৰ কাৰণে ফলপ্ৰসূ আৰু স্মৰণীয় আছিল। কিন্তু চাকৰিৰ কামৰ ক্ষেত্ৰত মোৰ মনত কিছুমান চিন্তাৰ জন্ম হৈছিল। ফিজিক্স বিষয়টোৰ লগতে দিনে-নিশাই নিবিড়ভাৱে লাগি থাকি, বিজ্ঞান আৰু বিজ্ঞানীৰ মৰ্যাদা ৰক্ষা কৰাটো মোৰ পক্ষে সম্ভৱ হ'বনে? মোৰ যি শক্তি, আৰু মোৰ চাৰিওফালে যি সুবিধা, সেইখিনি ব্যৱহাৰ কৰি মই কিবা মূৰ্ত, বাস্তৱ (concrete) বৰঙণি আগ বঢ়াব পাৰিমনে? মনত পৰে,— গৱেষণাকালত ড. উইলমেনে এদিন মোক জাৰ্মেনিয়াম ধাতুৰ ওপৰত এটা পৰীক্ষা চলাবলৈ কৈছিল। জাৰ্মেনিয়াম দুষ্প্ৰাপ্য ধাতু। ক'ত পাওঁ। ড. উইলমেনে নিজে চুকত থকা টেলিফোনটো তুলি লৈ ক'ৰবালৈ ফোন কৰিলে। পাছদিনা কলেজৰ ষ্ট'ৰ ৰুমৰ দায়িত্বত থকা মানুহ এজনে মোক জাৰ্মেনিয়াম এটুকুৰা দি গ'ল। সেইটুকুৰা কোনোবা কোম্পানি এটাই পুৰাই কলেজত দি গৈছেহি। সেই অৱস্থাৰ বিপৰীতে,— হে'ড অৱ দি ডিপাৰ্টমেণ্টৰ কোঠালিটো বন্ধ থাকিলে এটা টেলিফোন কল কৰিবলৈও আমি কেতিয়াবা আৰ্টছ বিল্ডিং বা এডমিনিষ্ট্ৰেটিভ বিল্ডিঙলৈ আহিবলগীয়া হৈছিল। কিন্তু মন কৰিলেই চন, বাকৰি মাটিতে ধন; বা কাঠৰ মেকুৰীৰেও নিগনি মাৰিব পাৰি,— এইবোৰ কথা ময়ো জানিছিলো; ময়ো উপলব্ধি কৰিছিলো; কিন্তু তাৰ পাছতো মোৰ বিশ্বাস জন্মিছিল,— ফিজিক্স ইমান দ্ৰুতগতিৰে, ইমান দূৰলৈ আগুৱাই গৈছিল যে জালুকবাৰীৰ পৰা তাৰ লগত দূৰত্ব ঠিকমতে বজাই ৰখাটো অন্ততঃ মোৰ কাৰণে সম্ভৱ নাছিল। এই বিশ্বাসৰ বাবে পুনা-জালুকবাৰীক দায়ী কৰাতকৈ মই নিজৰ 'ফিজিক্স-শক্তি'কে দায়ী কৰি বেছি ভাল পাওঁ। কিন্তু মন কৰিবলগীয়া কথা হ'ল, ফিজিক্সেই যদি মোৰ কৰ্মজীৱনৰ একমাত্ৰ আশ্ৰয়-সম্পদ হ'লহেঁতেন, তেনেহ'লে মই কি কৰিলোহেঁতেন ক'ব

নোৱাৰোঁ, কিন্তু মই নিজৰ ভিতৰতে এনেকুৱা দুটামান আশ্ৰয়-সম্পদৰ উপস্থিতি অনুভৱ কৰিছিলো,— যিকেইটাৰ অৱলম্বনত কংক্ৰিট কিবা এটা কৰা বা কিছু উল্লেখযোগ্য বৰঙণিৰ ব্যৱস্থা কৰাৰ সম্ভাৱনা আছে বুলি মোৰ বিশ্বাস জন্মিছিল। মুঠতে কেইবাটাও আশ্ৰয়-সম্পদৰ উপস্থিতি মোৰ অন্তৰ্দ্বন্দ্বৰ মূল কাৰণ আছিল।

তেনে সময়তে ভাৰত চৰকাৰে দেশখনৰ সংবিধানস্বীকৃত চৈধ্যটা ভাষাত বিশ্ববিদ্যালয় পৰ্যায়ৰ পাঠ্যপুথি প্ৰস্তুত কৰাৰ আঁচনি গ্ৰহণ কৰিলে। চৰকাৰে প্ৰতিটো ভাষাৰ কাৰণে এক কোটিকৈ টকা দিব, আৰু সংশ্লিষ্ট ৰাজ্যৰ চৰকাৰখনে আঁচনিখন বাস্তৱত ৰূপায়িত কৰাৰ কাম হাতত ল'ব। অসমীয়া ভাষাত পাঠ্যপুথি প্ৰস্তুত কৰাৰ প্ৰস্তাৱটো আহিল অসম চৰকাৰলৈ; অসম চৰকাৰে সেই দায়িত্বটো দিলে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ক। ভাৰত চৰকাৰৰ আঁচনি মতে এই কামটো কৰাৰ বাবে এজন ডাইৰেক্টৰৰ অধীনত এটা কাৰ্যালয় প্ৰতিষ্ঠা কৰিব লাগে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডাইৰেক্টৰ নিয়োগ কৰাৰ সময়ত ওপৰ মহলত মোৰ নামটো উত্থাপিত হোৱা বুলি শুনিবলৈ পালো। তাৰ পাছতে মোৰ মনৰ ভিতৰত তৰ্কাতৰ্কিৰ শেষ পৰ্যায়টো আৰম্ভ হ'ল। যদি মোক সেই পদটো দিয়া হয়, তেনেহ'লে মই লমনে? শেষত লম বুলি সিদ্ধান্ত কৰিছিলো। আগৰে পৰা চলি অহা অন্তৰ্দ্বন্দ্বৰ শেষত মই এটা যুক্তি থিয় কৰাইছিলো: ক্লাছত পঢ়াবলৈ শিক্ষক ওলাই থাকিব। ফিজিক্সৰ ক্ষেত্ৰত মোতকৈ চোকাবুদ্ধিৰ বহু লোক ওলাব। তেওঁলোকৰ বহুতে মোতকৈ ভালকৈয়ে পঢ়াব পাৰিব। কিন্তু মই এনেকুৱা কাম কেইটামান কৰিব পাৰিম,— যিকেইটা তেওঁলোকে মোৰ সমান দক্ষতাৰে কৰিব নোৱাৰিব। মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফিজিক্স ডিপাৰ্টমেণ্ট এৰিলে ৰাজ্যখনৰ, বিশ্ববিদ্যালয়ৰ একো ক্ষতি নহয়; কিন্তু অন্য এখন ক্ষেত্ৰৰ পৰা মই ৰাজ্যখন আৰু বিশ্ববিদ্যালয়ক বেছিকৈ সহায় কৰিব পাৰিম। প্ৰয়োজনীয়, উল্লেখযোগ্য, কংক্ৰিট কাম এটা কৰিব পাৰিম। কলেজৰ কাৰণে অসমীয়া ভাষাত পাঠ্যপুথি প্ৰস্তুত কৰা আঁচনিখনৰ অধীনত তেনে কাম কৰাৰ সম্ভাৱনা আছিল।

মই বিজ্ঞানৰ শিক্ষক, অসমীয়া ভাষাৰ লগত মোটামুটিভাৱে মোৰ ভাল সম্পৰ্ক এটা থকাৰ প্ৰমাণ পোৱা গৈছে, বিশ্ববিদ্যালয় চৌহদৰ অন্যান্য কিছুমান কামৰ ক্ষেত্ৰতো মোৰ কিছুমান লক্ষণ প্ৰকট হৈছে,— এই সকলো কথা বিবেচনা কৰি কৰ্তৃপক্ষই মোক আঁচনিখনৰ মুখ্য বিষয়াৰ পদত নিযুক্তি দিলে। পদবীটোৰ নাম ডাইৰেক্টৰ নহ'ল। আঁচনিখনৰ কাৰণে কৰ্তৃপক্ষই এখন সমিতি পাতিলে। সমিতিৰ নাম হ'ল,— পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় (University Coordination Committee for Production of Textbooks in the Regional Language, Gauhati University)। কৰ্তৃপক্ষই মোক সেই সমিতিৰ ছেক্ৰেটেৰি পাতিলে। সমিতিখনৰ

ইংৰাজী নামটোৰ আগত University শব্দটো ৰখাৰ কাৰণ হ'ল,— গুৱাহাটী আৰু ডিব্ৰুগড় — এই দুয়োখন বিশ্ববিদ্যালয়ৰ সমিতি দুখনৰ কাম-বন চোৱাৰ বাবে অসম চৰকাৰে এখন State Coordination Committee ও স্থাপন কৰিছিল। তিনিটা প্ৰধান কাৰণত মই এই আৰ্চনিখনৰ কামৰ কথা অলপ বহলাই লিপিবদ্ধ কৰিম ঃ প্ৰথম কাৰণ,— প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীত অসমীয়া মাধ্যম প্ৰবৰ্তন কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্ত আৰু 'মাধ্যম আন্দোলন'ৰ লগত এই আঁচনিখনৰ কাম ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। দ্বিতীয় কাৰণ,— সেই সমিতি এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত সেই নাম আৰু সেই ৰূপত নাই, গতিকে বুৰঞ্জীৰ খাতিৰতে কিছু কথা লিপিবদ্ধ কৰি থোৱাটো প্ৰয়োজনীয়। তৃতীয় কাৰণ,— আঁচনিখন কামলৈ ৰূপান্তৰিত কৰাৰ প্ৰথম পাঁচটা বছৰ শাৰীৰিক পৰিশ্ৰম, মানসিক পৰিশ্ৰম, উৎকণ্ঠা আৰু সময় খৰচৰ ফালৰ পৰা মোৰ চাকৰি-জীৱনৰ আটাইতকৈ কষ্টকৰ সময় আছিল। সেই কেইবছৰৰ কামক মই বৰ মূল্যবান কাম বুলি গণ্য কৰিছিলো।

ফিজিক্স ডিপাৰ্টমেণ্টৰ পৰা নিৰৱে, গধুৰ মনেৰে ওলাই আহিছিলো। সেইটো এটা ডিপাৰ্টমেণ্ট,— এটা বিভাগ এৰি থৈ অহাৰ কথা নাছিল; এটা ছাবজেক্ট,— এটা বিষয় এৰি থৈ অহাৰ কথা আছিল। বিষয়টো মই অন্তৰেৰে ভাল পাইছিলো। আবেগিক হৈ কল্পনা ৰাজ্যত প্ৰবেশ কৰি ল'লে কথাটো এনেকৈ প্ৰকাশ কৰিব পাৰোঁ ঃ পৰজনম বোলা কথা এটা যদি আছে, তেনেহ'লে সেই জনমত মই যেনেকৈ আকৌ মোৰ ছোৱালীহঁত জিণ্টি-ৰশ্মিৰ দেউতাক হোৱাটো বাঞ্ছা কৰিম, তেনেকৈ আকৌ ফিজিক্স মোৰ অধ্যয়নৰ মূল বিষয় হোৱাটোকে বাঞ্ছা কৰিম।

ইলেকট্ৰন ডিফ্ৰেকশ্যন কেমেৰাটো এদিন আহি পাবহি; সেইদিনা সেইটোৰ কি অৱস্থা হ'ব,— সেই সম্পৰ্কে দুশ্চিন্তাত পৰা নাছিলো; কাৰণ ইতিমধ্যে আমাৰে সতীৰ্থ কন্দৰ্প কুমাৰ কাকতীয়ে ইম্পিৰিয়েল কলেজৰ সেইটো লেবৰেটৰিতে, ড. উইলমেনৰ তত্ত্বাৱধানতে গৱেষণা কৰি, ডক্টৰেট লৈ আকৌ আমাৰ লগ লাগিছিলহি। ড. উইলমেনৰ লগত তেওঁৰ যোগাযোগ ময়েই কৰি দিছিলো। ডিপাৰ্টমেণ্টটো এৰাৰ সময়ত মই ভাবিছিলো,— যন্ত্ৰটো আহিলে ড. কাকতীয়ে সেইটো পাতি লৈ কাম আৰম্ভ কৰিব। তেনেকৈ ভাবি মই পাঠ্যপুথিৰ মাজত সোমালোহি; যন্ত্ৰটো আহিল, সময় বাগৰিল; আৰু এদিন গল-ব্লাডাৰৰ বাবে কৰা অস্ত্ৰোপচাৰৰ পাছত গুৱাহাটী মেডিকেল কলেজৰ হস্পিটেলতে ড. কাকতীৰ মৃত্যু হ'ল। সেইটো মোৰ কাৰণে অভাৱনীয়, মৰ্মান্তিক ঘটনা আছিল। ডিপাৰ্টমেণ্টৰ বাহিৰে-ভিতৰে তেওঁ মোৰ এজন পৰম সুহৃদ আছিল।

পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব হিচাপে নিযুক্তি পোৱাৰ পাছত এদিন আমাৰ ঘৰলৈ আহিছিল—দুজন ছাত্ৰ,—দীনেশ চন্দ্ৰ গোস্বামী আৰু দিলীপ কুমাৰ নেওগ।

তেওঁলোকে মোক কৈছিল,— আপুনি ফিজিক্স এৰি অহাটো আমি ভাল পোৱা নাই। আমি বিশ্ববিদ্যালয় কৰ্তৃপক্ষক তাৰ পৰা আপোনাক নানিবলৈ অনুৰোধ কৰিব খুজিছোঁ। মই কৈছিলো,— নালাগে দিয়া। তাৰ পৰা আহি মই নিজেই দুখ পাইছোঁ; কিন্তু এটা ডাঙৰ কামৰ সম্ভাৱনা দেখিছোঁ,— সেইটো কৰি চাওঁচোন। তেওঁলোক মান্তি হৈছিল। (ড. দীনেশ চন্দ্ৰ গোস্বামী বৰ্তমানে যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰৰ পৰিকল্পনা বিভাগৰ মুৰব্বী বিষয়া, আৰু দিলীপ কুমাৰ নেওগ অসমৰ কাৰাগাৰ বিভাগৰ ডেপুটি ইন্সপেক্টৰ জেনেৰেল।) মই শিক্ষক হিচাপে কেনেকুৱা আছিলো, সেইটো বিচাৰ কৰা সম্পৰ্কীয় দুটা ঘটনা মোৰ মনত পৰে। তাৰে এটা হ'ল এইটো। ইটো ঘটনা তাৰ ভালেমান দিনৰ আগৰ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন আঁচনিৰ অধীনত আমাৰ ডিপাৰ্টমেণ্টত কেইবছৰমান গৰমৰ বন্ধত Summer Institute- অৰ ব্যৱস্থা কৰা হৈছিল। সেই দেশৰ পৰা এগৰাকী শিক্ষক আহে; ড. পবন চন্দ্ৰ মহন্ত ছাৰে আমাৰ কেইজনমানকো তেখেতৰ লগ লগাই দিয়ে; আমি সকলোৱে মিলি বিশেষভাৱে নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীকেইজনমানক পঢ়াওঁ। পঢ়োৱাৰ বিষয়বস্তুও অলপ অভিনৱ, ধৰণটোও অলপ বেলেগ। বিষয়বস্তু সম্পৰ্কীয় কিতাপ-পাতি আৰু যন্ত্ৰপাতি আমেৰিকাৰ পৰাই আহে। প্ৰথম বছৰৰ ইনষ্টিটিউটৰ কাৰ্যকাল শেষ হোৱাৰ দিনা ছাত্ৰ-ছাত্ৰীসকলক একোখন ফৰ্ম ফিল-আপ কৰিবলৈ দিয়া হৈছিল। তাত ইনষ্টিটিউটৰ বিভিন্ন কাৰ্যসূচী সম্পৰ্কে অভিমত ব্যক্ত কৰাৰ লগতে তেওঁলোকক লিখিবলৈ দিয়া হৈছিল, শিক্ষকসকলৰ ভিতৰত কাক তোমালোকে প্ৰথম স্থান দিবা। তেওঁলোকে সেই ঠাইত মোৰ নাম লিখিছিল। অমায়িকতাৰ হাজাৰ দোহাই দিলেও মই এই কথাটো নোকোৱাকৈ নাথাকিলোহেঁতেন। এই কথাটো ব্যক্ত কৰাত যিকণ অহংকাৰৰ আভাস পোৱা গৈছে, সেইকণ অহংকাৰ মোৰ কাৰণে উপভোগ্য সম্পদ।

এখন সমিতি পতা হ'ল, সমিতিৰ সচিব এজন নিযুক্ত কৰা হ'ল; কিন্তু ছেক্ৰেটেৰি ক'ত বহিব সেই ব্যৱস্থাটো হোৱা নাছিল। উপাচাৰ্য ড. মথুৰানাথ গোস্বামীয়ে লাইব্ৰেৰিয়ান শ্ৰী যোগেশ্বৰ শৰ্মাৰ লগত আলোচনা কৰি ঠিক কৰিলে, লাইব্ৰেৰিৰ এটা কোঠালিত মোক বহিবলৈ দিয়া হওক। শ্ৰী শৰ্মাই উপাচাৰ্যৰ কথা পেলাব নোৱাৰি মূৰ দুপিয়ালে হয়, কিন্তু আচলতে সেই সময়ত লাইব্ৰেৰিৰ ঘৰটোত খালী কোঠালি নাছিল। এটা কোঠালিত বহুতো চকী-মেজ দ'মাই থোৱা আছিল। সেইটো কোঠালিৰ কথা ভাবিয়েই তেখেতে মূৰ দুপিয়াইছিল। এখন ডাঙৰ মেজৰ ওপৰত তুলি থোৱা চকীবোৰ দ'মটোৰ ওপৰলৈ তুলি দি মেজখন খালী কৰা হ'ল, আৰু এখন চকী বহিব পৰাকৈ পাতি দিয়া হ'ল। সেইখন চকীতে বহি মই পাঠ্যপুথি প্ৰস্তুতিৰ কাম আৰম্ভ কৰিলো। সেই সময়ত বিশ্ববিদ্যালয়ৰ গাড়ী এখন নানান ধৰণৰ বেমাৰ বাতিৰৰ বাবে গেৰেজত দিয়া হৈছিল। কিমান দিনৰ মূৰত গাড়ী গেৰেজৰ পৰা ওলাই আহে ঠিক নাই। গাড়ীখনৰ ড্ৰাইভাৰজনে

গেৰেজত গাড়ীৰ খা-খবৰ কৰাৰ নামত কিবা কৰিলেও, হেণ্ডিমেনজনৰ কোনো কাম নাছিল। কর্তৃপক্ষই তেওঁকে মোৰ পিয়ন কৰি দিলে। মই ঘৰৰ পৰা থাৰ্মফ্লাস্ক এটা আৰু কাপ-প্লে'ট এযোৰ লৈ গৈছিলো। পিয়নজনে দুপৰীয়া বৰদা শৰ্মাৰ কেণ্টিনৰ পৰা চাহ আনি দিয়ে। তেওঁৰ কামৰ ভিতৰত সেইটোৱেই আছিল ডাঙৰ কাম।

টাউন কমিটিৰ পুৰণা টাইপ-ৰাইটাৰ এটা তেতিয়াও আমাৰ ঘৰতে আছিল। সেইটো টাইপ-ৰাইটাৰত এটা আঙুলিৰে খট্-খটকৈ মাৰি-মাৰি,— আমি কেনেকৈ কাম আৰম্ভ কৰিম, তাৰ পাছত কি কৰিম,—এইবোৰ কথাৰে সাত পৃষ্ঠাৰ আঁচনি এখন টাইপ কৰি উলিয়ালো। উপাচাৰ্য ড. গোস্বামীয়ে আঁচনিখন পঢ়ি সেইমতেই আগবাঢ়িবলৈ মোক পৰামৰ্শ দিলে। দুদিনমানৰ পাছত তেখেতে শিক্ষামন্ত্ৰী জয়ভদ্ৰ হাগজেৰক শ্বিলঙত লগ পোৱাৰ কথা। শিক্ষামন্ত্ৰীক দেখুৱাবলৈ তেখেতে আঁচনিখনৰ কপি এটা লৈ গ'ল। এখন গুৰুত্বপূৰ্ণ আঁচনিৰ যাত্ৰা আৰম্ভ হ'ল।

আমাৰ সমিতিৰ ওপৰত প্ৰথম পৰ্যায়ত প্ৰাক-বিশ্ববিদ্যালয় মহলাৰ বাবে কলা, বিজ্ঞান আৰু বাণিজ্য,—এই তিনিওটা শাখাৰ সকলো কিতাপ অসমীয়া ভাষাত প্ৰকাশ কৰাৰ দায়িত্ব পৰিছিল। সেই সময়ত স্কুলৰ পাঠ্যক্ৰমৰ বাবে বিজ্ঞানৰ কেইটামান বিভাগৰ কিছুমান বিষয় লৈ অসমীয়া ভাষাত কিছু কিতাপ বা প্ৰবন্ধ লিখা হৈছিল; কিন্তু কলেজৰ পাঠ্যক্ৰমৰ বাবে কোনোবাই কিবা লিখিছে বুলি আমি জনা নাছিলো। গতিকে আমাৰ এটা ডাঙৰ কৰ্তব্য আছিল—প্ৰাক-বিশ্ববিদ্যালয় মহলাৰ সকলো বিষয়ৰ বাবে লেখক-লেখিকা আবিষ্কাৰ বা সৃষ্টি কৰা। পাঠ্যক্ৰম অনুযায়ী অসমীয়াত তৰ্কবিজ্ঞানৰ কিতাপ লিখিবলৈ লেখক-লেখিকা পোৱা যাবনে? অৰ্থনীতিৰ মুদ্ৰা (Money) বিষয়ৰ কিতাপখন? বাণিজ্যৰ হিচাপ-পৰীক্ষাৰ কিতাপখন? অজৈৱ ৰসায়ন? কলন গণিত?

ক'ত পোৱা যাব ইমানবোৰ লেখক-লেখিকা? ইয়াতে উলিয়াব লাগিব। উলিয়াবই লাগিব। অসমীয়া ভাষাত কেতিয়াও প্ৰবন্ধ এটা বা দীঘল চিঠি এখন শুদ্ধকৈ লিখি উলিয়াব নোৱৰা শিক্ষককো পাঠ্যপুথি লিখিবলৈ দিবলগীয়া হ'ব পাৰেনে? পাৰে। কিন্তু তেখেতসকলক সহায় কৰিব লাগিব।

মই এবাৰ কলিকতালৈ গ'লো। আগতেই কৈছোঁ,—ড. সত্যেন্দ্ৰ নাথ বসুৱে আমাক এম. এছ. ছি. শ্ৰেণীত বাংলা ভাষা ব্যৱহাৰ কৰি ৰিলেটিভিটি পঢ়াইছিল। কলিকতাত প্ৰথমতে মই তেখেতৰ লগত টেলিফোনেৰে যোগাযোগ কৰিলো। আচলতে মই তেখেতক ব্যক্তিগতভাৱে লগেই ধৰিব খুজিছিলো, কিন্তু তেখেত ক'ৰবালৈ যাবলৈ ওলাইছে কাৰণে সেইটো সম্ভৱ নহ'ল। তেখেতক মই সুধিছিলো,—অসমীয়া বা বাংলা ভাষাত এই আঁচনিখন বাস্তৱত ৰূপায়িত কৰাটো সম্ভৱনে? তেখেতে জোৰ দি কৈছিল,—সম্ভৱ।

মোৰ সেই যাত্ৰাৰ প্ৰধান উদ্দেশ্য আছিল— তেতিয়ালৈকে বাংলা ভাষাত উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ যিমান কিতাপ ওলাইছে সেইবোৰৰ যিমান পাৰোঁ সংগ্ৰহ কৰা। কলেজ ষ্ট্ৰিটৰ কিতাপৰ দোকানবোৰৰ প্ৰায় প্ৰতিখনতে সোমাই-সোমাই যিমান কিতাপ পালো কিনিলো। সেই কিতাপখিনি পাছলৈ কোনো-কোনো লেখক-লেখিকাৰ বাবে সহায়ক হৈছিল; কিন্তু প্ৰথম অৱস্থাত মোৰ নিজৰ ধ্যান-ধাৰণাৰ গত লগাবৰ বাবেই সেইখিনি বৰ প্ৰয়োজনীয় হৈছিল।

পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে প্ৰতিটো বিষয়ৰ বাবে একোটা প্ৰশাখা (Cell) গঠন কৰি দিছিল। বিশ্ববিদ্যালয়ৰ বিভাগীয় মুৰব্বীসকল সেই প্ৰশাখাৰ সভাপতি আছিল, আৰু শিক্ষক-শিক্ষয়িত্ৰী কেইগৰাকীমান আছিল সদস্য। বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ বাহিৰেও অন্যান্য কলেজৰ পৰাও উপযুক্ত শিক্ষক-শিক্ষয়িত্ৰীক সদস্য হিচাপে লোৱা হৈছিল। এই প্ৰশাখাসমূহৰ কাম আছিল,-- পাঠ্যক্ৰম আবৰি ল'বলৈ কেইখন আৰু কি-কি কিতাপ লিখাই উলিয়াব লাগিব, কোনে সেইবোৰ লিখিব, কোনে বিষয়বস্তুৰ সম্পাদনা কৰিব, কোনে ভাষাৰ সম্পাদনা কৰিব,— সেই সম্পৰ্কে সিদ্ধান্ত লোৱা। এই প্ৰশাখাবোৰত, বা মূল সমিতিত, বা অন্যান্য প্ৰয়োজনীয় সমিতিবোৰত কোন-কোন লোক জড়িত হৈছিল,— উনত্ৰিছ বছৰৰ পাছত আজি ভাবিলেই এক ধৰণৰ আনন্দ আৰু উত্তেজনা অনুভৱ কৰোঁ। উদাহৰণ স্বৰূপে, পদাৰ্থবিজ্ঞান প্ৰশাখাটোৰ কথাকে উল্লেখ কৰোঁ। এই প্ৰশাখাৰ সভাপতি আছিল ড. পবন চন্দ্ৰ মহন্ত, আৰু সদস্যসকল আছিল,— ড. ভূমিধৰ চৌধুৰী, ড. ইন্দুমোহন দাস, ড. হীৰালাল দুবৰা, ড. গোবিন্দ চন্দ্ৰ ডেকা, শ্ৰী হৰিদেৱ গোস্বামী, শ্ৰী সুৰেন্দ্ৰ নাথ মেধি, শ্ৰী বীৰেন্দ্ৰ নাথ বৰুৱা, ড. অনিল কুমাৰ গোস্বামী, ড. ভবেন্দ্ৰ নাথ শইকীয়া, শ্ৰী বলীন্দ্ৰ কুমাৰ শৰ্মা, ড. সূৰ্যকান্ত শৰ্মা, ড. ৰামকৃষ্ণ দাস, শ্ৰী তিলক চন্দ্ৰ শৰ্মা, ড. ত্ৰিলোচন দেৱ গোস্বামী, ড. আনন্দ কুমাৰ বৰবৰা, শ্ৰী কনক চন্দ্ৰ মেধি, শ্ৰী অমৰেন্দ্ৰ নাথ তালুকদাৰ আৰু ড. কিশোৰী মোহন পাঠক।

বাকী ষোলটা প্ৰশাসনৰ সভাপতি-সদস্যসকলৰ তালিকাবোৰো মনটো পোহৰ কৰি তুলিব পৰাকৈ উজ্জ্বল আছিল। আঁচনিখনে কি সৃষ্টি কৰিব পাৰিছিল আৰু পাছলৈ তাৰ দশা কি হ'ল, সেইটো পাছৰ কথা, কিন্তু আঁচনিখন কামত লগোৱাৰ মূল কাৰ্যকালৰ উদ্দীপনা আৰু কৰ্মপদ্ধতি স্মৰণীয় আছিল।

প্ৰশাখাসমূহে কেতিয়াবা একোখন কিতাপৰ বাবেই পাঁচ-ছজন লেখক-লেখিকাও নিযুক্ত কৰিছিল। ফলত সমগ্ৰ আঁচনিখনৰ বাবে লেখক-লেখিকাৰ সংখ্যা পাঁচশৰো অধিক হোৱাৰ সম্ভাৱনাই দেখা দিছিল। আমাৰ ভাবাটো আশাশুধীয়াভাৱে চৰ্চা কৰা লোকসকলৰ মাজতেই আখৰ-জোঁটনিৰ ক্ষেত্ৰত অমিল দেখা যায়; সাধাৰণ

লোকসকলৰতো কথাই নাই। তেনে অৱস্থাত এই পাঁচশৰো অধিক লোকৰ আখৰ-জোঁটনিক কেনেকৈ এটা নিয়মৰ মাজলৈ অনা যায়? এখন কিতাপত এজনে লিখিলে 'পাছত', অইন এখনত এজনে লিখিলে 'পাচত'; একেখন কিতাপৰে এটা অধ্যায়ত এজনে লিখিলে 'পিছত', অইন এটা অধ্যায়ত এজনে লিখিলে 'পিচত';— এটা প্রতিষ্ঠানে,— বিশেষকৈ ছাত্র-ছাত্রীৰ বাবে প্রকাশ কৰা কিতাপত এনে বেমেজালি থকা অনুচিত। পাছত, পাচত, পিছত, পিচত,— চাৰিওটা শব্দ শুদ্ধ হ'ব পাৰে; কিন্তু সেইবুলি এইটো পৃষ্ঠাত এটা শব্দ, অইন এটা পৃষ্ঠাত অইন এটা শব্দ,— এইটো বিজ্ঞানসন্মত কথা নহ'ব। যিবোৰ আখৰ-জোঁটনিৰ সমস্যাৰ ক্ষেত্রত তেতিয়ালৈকে আমাক অভিধানেও সহায় কৰিব পৰা নাছিল, মই সেইবোৰৰ এখন তালিকা প্রস্তুত কৰিছিলো। মোৰ আঁচনি আছিল,— ভাষাৰ ক্ষেত্রত কেইগৰাকীমান গুণী-জ্ঞানী লোকৰ আগত সেই তালিকাখন দাঙি ধৰোঁ; তেখেতসকলে বিচাৰ-বিবেচনা কৰি আমাক পৰামর্শ দিয়ক; আমি সেই পৰামর্শসমূহ এখন পুস্তিকাৰ আকাৰত ছপাই উলিয়াম; পুস্তিকাখন সকলো লেখক-লেখিকা-সম্পাদকক দিম; সকলোৱে তাত থকা পৰামর্শ মানি কাম কৰিব। অকল আখৰ-জোঁটনিয়েই নহয়, লিপ্যন্তৰৰ (transliteration) ক্ষেত্রতো আমি বেমেজালিৰ মাজত পৰোঁ। জিওগ্রাফী, যিওগ্রাফী, জিওগ্রাফি, যিওগ্রাফী, জিঅ'গ্রাফী, জিঅ'গ্রাফি,— কোনটো শব্দ গ্রহণ কৰিম? এনেকুৱা সমস্যাৰ ক্ষেত্রত আমাৰ উচ্চাৰণ-প্রক্রিয়াই আমাক সহায় কৰেনে?

এই কথাবোৰৰ প্রতি দৃষ্টি আকর্ষণ কৰিবলৈ মই মোৰ কার্যালয়ৰ কোঠাত এখন ব'র্ডত কিছুমান প্রতিনিধিত্বমূলক সমস্যাৰ চানেকী লিখি ৰাখিছিলো ঃ সঙ্গীত/সংগীত, পৰ্ব্বত/পর্বত, পিচ/পিছ/পাচ/পাছ, দৰকাৰী/দর্কাৰী, নেলাগে/নালাগে, এন্ধাৰ/আন্ধাৰ, কমিচনাৰ/কমিছনাৰ/কমিশ্যনাৰ, এলিজাবেথ/এলিযাবেথ, ৱাছিংটন/ৱাশ্বিংটন ইত্যাদি-ইত্যাদি। বহু চানেকী। ব'র্ডখনত ঠাই নোহোৱা হৈছিল।

কার্যালয়ৰ প্রসংগত এটা কথা কৈ থওঁ। লাইব্রেৰিৰ চকী-মেজ থোৱা গুদাম ঘৰটোত কামৰ অসুবিধা হৈছিল। এদিন ঠিক কৰা হ'ল,— ষ্টুডেণ্টছ্ ডে' হোমৰ ঘৰটোৰ পুখুৰীৰ পাৰৰ ফালৰ মূৰটোত দুটা কোঠালি আছে; সেই দুটাত এসময়ত ছাত্রসকলে ব্যায়াম কৰিছিল; এতিয়া কোনেও একো নকৰে; এনেয়ে পৰি আছে;— গতিকে সেই দুটা কোঠালিতে পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতিৰ কার্যালয় পতা হওক। কোঠালিদুটাৰ গাতে লাগি আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্রসভাৰ কার্যালয়। বাৰাণ্ডাখন জপনা আৰু দুৱাৰৰ ব্যৱস্থা কৰি, গোটেই বাৰাণ্ডাখন বাঁহৰ চিলিঙিৰে বেৰি আমি এদিন কোঠালিদুটাত আমাৰ কার্যালয় আৰম্ভ কৰিলো। এটা কোঠালিত মই, ইটো কোঠালিত তেতিয়ালৈকে নিযুক্তি পোৱা কর্মচাৰী কেইজন। উল্লেখযোগ্য, মই বহা সেই কোঠালিটোতে

পাছৰ নটা বছৰত মই অসমৰ শিক্ষা আৰু সাহিত্য-জগতৰ বহু গুণী-জ্ঞানী লোকক ঘনিষ্ঠভাৱে লগ পাইছিলো। সেইটো কোঠালিত আঁচনিৰ আৰম্ভণিৰ পৰ্যায়তে বহা গুৰুত্বপূৰ্ণ সভাখন আছিল আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সমন্বয় সমিতিয়ে ১৯৬৯ চনৰ মাৰ্চ মাহত পাতি দিয়া মূল সমিতিখনৰ সভা। সমিতিখনৰ সদস্যসকল আছিল,—শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, শ্ৰীতীৰ্থনাথ শৰ্মা, ড. মহেশ্বৰ নেওগ, ড. সত্যেন্দ্ৰ নাথ শৰ্মা আৰু ড. গোলোক চন্দ্ৰ গোস্বামী। সেই মূল সমিতিখনৰ উপৰি কামটোৰ বাবে এখন পৰামৰ্শ-সমিতিও গঠন কৰা হৈছিল। সেইখনৰ সদস্যসকল আছিল, ড. উপেন্দ্ৰ নাথ গোস্বামী, ড. মুকুন্দমাধৱ শৰ্মা, শ্ৰীৰজনীকান্ত দেৱ শৰ্মা, ড. প্ৰফুল্ল দত্ত গোস্বামী, ড. মহেন্দ্ৰ বৰা, শ্ৰীকীৰ্তিনাথ হাজৰিকা, ড. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, শ্ৰীহোমেন বৰগোহাঞি, শ্ৰীআবুল লেইচ, শ্ৰীধীৰেন্দ্ৰ নাথ বেজবৰুৱা আৰু শ্ৰীআনন্দেশ্বৰ শৰ্মা।

মূল সমিতিখনে কেইবাটাও বৈঠকত আমি আগবঢ়োৱা সমস্যাবোৰৰ কথা আলোচনা কৰি, শেষত সিদ্ধান্তসমূহ লিখি উলিয়াইছিল। এই লিখি উলিওৱা কামটোত আগ-ভাগ লৈছিল ড গোলোক চন্দ্ৰ গোস্বামীয়ে। সেই কথাখিনি পৰামৰ্শ-সমিতিৰ সভাত উত্থাপন কৰা হৈছিল, আৰু তেখেতসকলৰ পৰামৰ্শসমূহ বিবেচনা কৰাৰ পাছত প্ৰস্তুত কৰা চূড়ান্ত পাণ্ডুলিপি আমি ট্ৰিবিউন প্ৰেছলৈ পঠাইছিলো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে ছপাৰ বাবে প্ৰেছলৈ পঠোৱা সেয়াই আছিল প্ৰথম পাণ্ডুলিপি। বাহকৰ হাতেৰে নপঠিয়াই পাণ্ডুলিপিখিনি মই ৰেজিষ্টাৰ্ড ডাক হিচাপে পঠাইছিলো, আৰু পাছত ট্ৰিবিউন প্ৰেছৰ পৰা খামটো, স্মৃতিচিহ্ন হিচাপে ৰাখি থবৰ বাবে সংগ্ৰহ কৰি আনিছিলো।

১৯৭০ চনৰ আগষ্ট বা ছেপ্টেম্বৰ মাহত ওলোৱা-সেই কিতাপখনৰ পাতনিত আমি লিখিছিলো,— "বিশ্ববিদ্যালয় মহলাত শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহৃত হোৱাৰ লগে-লগে অসমীয়া ভাষাই নতুন মৰ্যাদা লাভ কৰিব, আৰু এই উদ্দেশ্যে প্ৰকাশিত পাঠ্যপুথিসমূহে ভাষাৰ ওপৰত উল্লেখযোগ্য প্ৰভাৱ পেলাব। এই ফালৰ পৰাও আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পৰ্কীয় সমস্যাৱলীক অত্যন্ত গুৰুত্বপূৰ্ণ বুলি ভবা হৈছে। .... মূলতঃ এই সূত্ৰ, নিয়ম বা সিদ্ধান্তসমূহ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ আঁচনিৰ কাৰণে যুগুত কৰা হৈছে। সমিতিৰ পাঠ্যপুথিবোৰ এই পুথিখনৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব। কিন্তু সমিতিয়ে আশা আৰু বিশ্বাস কৰে যে অসমীয়া ভাষাৰ ক্ষেত্ৰত সকলোৱে এই সিদ্ধান্তসমূহ গ্ৰহণ কৰাটো যুক্তিযুক্ত বুলি ভাবিব, আৰু তাকে কৰি ভাষাটোৰ আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পৰ্কীয় সংগতি প্ৰতিষ্ঠাৰ প্ৰতি অৰিহণা যোগাব।"

কিতাপখনত আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পৰ্কীয় সকলো আসোঁৱাহ বা খেলিমেলিৰ সমস্যা সামৰা হোৱা নাছিল। প্ৰথম পৰ্যায় হিচাপে সমন্বয় সমিতিৰ কাৰণে

সদ্যহতে প্ৰয়োজনীয় সিদ্ধান্তসমূহ তাত সন্নিবিষ্ট কৰা হৈছিল, আৰু দেখা দিব পৰা অন্যান্য সমস্যাৰ ক্ষেত্ৰত পৰামৰ্শ পোৱাৰ ব্যৱস্থা কৰি ৰখা হৈছিল। আমি কিতাপখন অসম সাহিত্য সভা, বাতৰি-কাকতৰ প্ৰতিষ্ঠান আদিলৈ পঠাইছিলো। সিদ্ধান্তসমূহ সকলোৰে বাবে গ্ৰহণযোগ্য হওক-নহওক, আমি অন্ততঃ আমাৰ কামৰ বাবে মেজত থবলৈ এখন হাতপুথিৰ ব্যৱস্থা কৰি লৈছিলো আৰু কাৰোবাৰ পৰা অহা পৰামৰ্শ, সংশোধন আদিৰ বাবে নিজকে সাজু কৰি ৰাখিছিলো। আমাৰ কথা আছিল,— যদি আমাৰ অসমীয়া শিক্ষা-সাহিত্য-জগতৰ পাঁচগৰাকী মূল সমিতিৰ সদস্য আৰু এঘাৰগৰাকী পৰামৰ্শ-সমিতিৰ সদস্যই কিবা ভুল সিদ্ধান্ত দিছে, তেনেহ'লে সকলো কিতাপতে সেই ভুল সিদ্ধান্তকে দেখা যাব; এঠাইত তেখেতসকলৰ সিদ্ধান্ত, আৰু অন্য এঠাইত অনাৰ সিদ্ধান্ত দেখা যাব;— সেইটো হ'ব নোৱাৰিব। আমি পাছলৈ উপলব্ধি কৰিছিলো,— কিতাপখনে গোটেই আঁচনিখনক প্ৰভূত পৰিমাণে সহায় কৰিছিল। কিতাপখন নথকা হ'লে শ-শ লেখক-লেখিকাৰ লেখাক লৈ আমি বিপদতেই পৰিলোহেঁতেন।

কিতাপখন প্ৰকাশ পোৱাৰ কিছুদিনৰ পাছত এগৰাকী শিক্ষকে এটা সমালোচনা-প্ৰবন্ধত মূল সমিতিৰ সদস্যসকলক 'পঞ্চপাণ্ডৱ' বুলি ইতিকিং কৰিছিল। তেখেতৰ সেই কামটোত মই বৰ আঘাত পাইছিলো। সেই পাঁচগৰাকীয়েই যদি ইতিকিঙৰ পাত্ৰ হয়, তেনেহ'লে সেই সময়ত আমি ভাষা-সাহিত্যৰ ক্ষেত্ৰত কাৰ মুখলৈ চোৱা উচিত আছিল?

আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পৰ্কীয় এই সিদ্ধান্তসমূহৰ বাবে মই নিজেও উপকৃত হৈছিলো। নিজৰ লিখা-মেলাৰ কামত কিছুমান সমস্যাৰ ক্ষেত্ৰত এটা অৱলম্বন পাইছিলো। কোনোবা কৰ্তৃত্বশীল সংগঠন, সংস্থা বা কৰ্তৃপক্ষই কেতিয়াবা নতুন নিৰ্দেশ দিব, সেই নিৰ্দেশ পালন কৰিম; কিন্তু যেতিয়ালৈকে সেই নিৰ্দেশ নাহে, তেতিয়ালৈকে এই পণ্ডিতসকলৰ সিদ্ধান্তকে মানি চলিম;— মই নিজে সেই সিদ্ধান্ত গ্ৰহণ কৰিছিলো। অন্ততঃ ভাষাৰ শৃংখলাৰ কাৰণেও কাৰোবাৰ নিৰ্দেশতো আমি মানিব লাগিব! মোৰ এই ব্যক্তিগত সিদ্ধান্তৰ ফল সুদূৰপ্ৰসাৰী আছিল। সেই ফল এই 'প্ৰান্তিক' আলোচনীৰ পাততো পৰিস্ফুট হৈছিল। আমাৰ সুপ্ৰতিষ্ঠিত সাহিত্যসেৱীসকলৰ বহুতেই কিছুমান আখৰ-জোঁটনিৰ ক্ষেত্ৰত নিজে মানি অহা নিয়মত অভ্যস্ত হৈ পৰে। উদাহৰণ স্বৰূপে, শ্ৰী যজ্ঞেশ্বৰ শৰ্মা ছাৰ বা ড. মহেশ্বৰ নেওগ ছাৰ আমাক সিদ্ধান্ত দিয়া সমিতিৰ সদস্য আছিল; কিন্তু প্ৰান্তিকত ছপাবলৈ তেখেতসকলৰ লেখাৰ কিছুমান শব্দও আমি সেই সিদ্ধান্ত অনুসৰি সলাইছিলো। তেখেতসকলে ভুল শব্দ নিলিখিছিল, কিন্তু শৃংখলাৰ খাতিৰত সেই সালসলনিৰ প্ৰয়োজন আছিল। পাঠ্যপুথি প্ৰস্তুত কৰা আঁচনিখনৰ লগত জড়িত হোৱা, আৰু পাছলৈ অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰা ভালেমান লোক (সম্ভৱৰ

দশকৰ যুবক-যুবতী) সেই আখৰ-জোঁটনি আৰু লিপ্যন্তৰ-পদ্ধতিৰ দ্বাৰা প্ৰভাৱিত হৈ আছে বুলি মই বিশ্বাস কৰোঁ।

সত্তৰৰ দশকৰ আৰম্ভণিতে অসম প্ৰকাশন পৰিষদে অসমীয়া ভাষাত বিশ্বকোষ প্ৰস্তুত কৰিবলৈ আঁচনি লোৱাৰ সময়তো আখৰ-জোঁটনি, বিশেষকৈ লিপ্যন্তৰ-পদ্ধতিয়ে গোটেই আঁচনিখনক কেনেকৈ প্ৰভাৱিত কৰিব, সেই কথাটোৰ ওপৰত মই বিশেষ গুৰুত্ব আৰোপ কৰিছিলো। বিশ্বকোষৰ শৃংখলা প্ৰায় অভিধানৰ শৃংখলাৰ নিচিনাই। Washington শব্দটো অসমীয়াত কেনেকৈ লিখা হ'ব, সেই বিষয়ে এটা সিদ্ধান্ত সকলোৱে মানি নচলিলে বিশ্বকোষৰ কাম কৰাই টান হ'ব। ওৱাছিংটন বুলি লিখিলে এই মহানগৰখনৰ বিষয়ে লিখা ৰচনাখন বিশ্বকোষৰ এক নম্বৰ খণ্ডত সোমাব, ৱাছিংটন বুলি লিখিলে শেষৰ ফালৰ কোনোবা এটা খণ্ডলৈ যাবগৈ। ৱাছিংটন বুলিলে যিটো পৃষ্ঠাত সোমাব ৱাশ্বিংটন বুলি লিখিলে সেইটো পৃষ্ঠাত নোসোমাব। ৱাশ্বিংটন শীৰ্ষক ৰচনাখনত যিটো বানান ব্যৱহাৰ কৰা হ'ব, সমগ্ৰ বিশ্বকোষখনৰ য'তে সেই নামটো ওলাব, ত'তে সেই বানানটোকে ব্যৱহাৰ কৰিব লাগিব। অৰ্থাৎ ৰাজনীতিবিজ্ঞান, ভূগোল, বুৰঞ্জী, অৰ্থনীতি, পদাৰ্থ বিজ্ঞান, ভূবিজ্ঞান, দৰ্শন ইত্যাদি ইত্যাদি সকলো বিষয়ৰ লেখকে একোটা শব্দৰ লিপ্যন্তৰৰ মূল নিয়মখিনি জানিব লাগিব; কোনোবা লেখকে নাজানিলে সম্পাদকে জানিব লাগিব; সম্পাদকৰ চকুৰ পৰা কিবা এটা ত্ৰুটি সাৰি গ'লেও সেইটো মুখ্য সম্পাদকৰ চকুত পৰিব লাগিব। মানসম্পন্ন ফল পাবলৈ হ'লে এইবোৰ গভীৰভাৱে মনোনিবেশ আৰু পৰিশ্ৰম কৰিবলগীয়া কাম।

প্ৰসংগক্ৰমে ঃ অসম প্ৰকাশন পৰিষদৰ লগত মই এছোৱা দীঘলীয়া সময়ৰ বাবে সদস্য হিচাপে জড়িত আছিলো। বিশ্বকোষ আঁচনিৰ আৰম্ভণিতে, বিশ্বকোষ প্ৰণয়নৰ পদ্ধতি সম্পৰ্কে কিছু তথ্যপাতি আহৰণৰ বাবে, তেতিয়াৰ পৰিষদৰ সচিব শ্ৰী চন্দ্ৰপ্ৰসাদ শইকীয়াৰ লগত বোম্বাই, পুনা, মাদ্ৰাজ, মহীশুৰ আদি ঠাইৰ কিছুমান প্ৰতিষ্ঠানলৈ গৈছিলো। আমাৰ বিশ্বকোষৰ প্ৰাথমিক পদ্ধতিগত পৰিকল্পনাৰ বাবে যিখিনি আহিলা (কাৰ্ড, তালিকা আদি) আৰু লিখা-মেলাৰ কাম কৰিব লাগে, সেইখিনি ড. দীনেশ চন্দ্ৰ গোস্বামী, শ্ৰীমতী তুলতুল বৰুৱা আদিৰ সহযোগত মই কৰি দিছিলো। পাঠ্যপুথি প্ৰস্তুতি সম্পৰ্কীয় নিজৰ কাম, উক্ত অসমীয়া বিশ্বকোষৰ কাম, অসম বিজ্ঞান সমিতিৰ বিজ্ঞানকোষৰ সম্পাদনাৰ কাম,— এই সকলো কামকে মই প্ৰায় একেটা উদ্দেশ্য সাধন কৰিবলৈ ওলোৱা একেখন চালিৰ তলৰ কাম বুলি গণ্য কৰিছিলো। অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ সদস্য হিচাপেও মই এটা মৌলিক কথাত জোৰ দিছিলো ঃ পাণ্ডুলিপি প্ৰস্তুত কৰি ছপাশাললৈ দিবলৈ সাজু কৰালৈকে,— এইখিনি কামৰ বাবে ভাষা, সাহিত্য, শিক্ষা আৰু জ্ঞানৰ লগত সম্পৰ্ক থকা লোকৰ এটা সুকীয়া বিভাগ থাকিব লাগে।

কিতাপ ছপা কৰা আৰু কিতাপৰ ব্যৱসায় কৰা বিভাগ বেলেগ হ'ব লাগে। প্ৰথম বিভাগটোৱে ভাষাৰ শৃংখলাৰ বাবে নিষ্ঠাৰে পৰিশ্ৰম কৰিব লাগে।

সেই সময়ত, সেই ধৰণৰ 'কচৰৎ' কৰি থকাৰ সময়ত, মই এইটোও বুজিছিলো যে যি শৃংখলাৰ কথা মই কল্পনা কৰিছিলো; সেই শৃংখলা প্ৰবৰ্তন কৰাটো বৰ দুৰূহ কাম। মই নিজেই, আজিও, সেই ১৯৬৯-৭০ চনৰ সমিতিয়ে দিয়া সিদ্ধান্তসমূহ মানি চলো আৰু কিছুমান শব্দৰ ক্ষেত্ৰত সেইবোৰৰ পৰা ফালৰি কাটি যাবলৈ বাধ্য হওঁ।

নিজৰ কামৰ কথালৈ ওভতোঁ। আমাৰ কামটোৰ ধৰণটোও বিশ্বকোষ প্ৰণয়নৰ কামৰ লগত তুলনীয় আছিল। ছাত্ৰজীৱনত (ভাষাৰ বিষয়কেইটাৰ বাহিৰে) কম-বেছি পৰিমাণে পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, উদ্ভিদবিজ্ঞান, প্ৰাণীবিজ্ঞান, গণিত, ভূগোল, বুৰঞ্জী,— এইকেইটা বিষয়ৰ লগতে সম্পৰ্ক ঘটিছিল; কিন্তু এতিয়া বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে কলেজৰ প্ৰথম স্তৰত পঢ়িব লগা সকলো বিষয়ৰ পাণ্ডুলিপিৰ লগত অতি ঘনিষ্ঠভাৱে জড়িত হোৱাৰ সময়ত মই ব্যক্তিগতভাৱে বৰ উপকৃত হ'লো। ইমানবোৰ বিষয়ৰ অন্ততঃ প্ৰাথমিক কথাবোৰ ইমান মন দি, কৰ্তব্য হিচাপে পঢ়িবলৈ পোৱাটো মোৰ কাৰণে বৰ লাভৰ কথা হ'ল। মইনো কেতিয়াবা চৰকাৰী বিত্তবিজ্ঞান (Public Finance) সম্পৰ্কে পঢ়া-শুনা কৰিলোহেঁতেন নে? সচিব প্ৰকৰণ (Secretarial Practice) সম্পৰ্কে? নিগমনাত্মক তৰ্কবিজ্ঞান (Deductive Logic) সম্পৰ্কে?— ইউৰোপৰ এখন দেশত এদিন ৰজা-ৰাণীয়ে জাহাজৰ ডেকৰ পৰা সাগৰৰ পাৰত সমবেত প্ৰজাক দৰ্শন দিয়াৰ কথা। য'ৰ পৰা ৰজা-ৰাণীক ভালকৈ দেখা যাব, সেই অঞ্চলৰ ঘৰবিলাকৰ ওপৰ মহলাৰ বেলকনিবোৰ এটা কোম্পানিয়ে মালিকসকলৰ পৰা ভাৰালৈ ল'লে; সেইবোৰত আসনৰ ব্যৱস্থা কৰিলে আৰু আসনবোৰ যথেষ্ট বেছি দামত দৰ্শকক বিক্ৰি কৰিলে। সকলো লেন-দেন সম্পূৰ্ণ; দৰ্শকৰ আগমন আৰম্ভ হ'ল; তেনেতে খবৰ আহিল,— অনিবাৰ্য কাৰণবশতঃ ৰজা-ৰাণীয়ে কাৰ্যসূচী বাতিল কৰিলে। এতিয়া দৰ্শকে কোম্পানিৰ পৰা পইচা ওভোতাই পাবনে? কিয় নাপাব? কিন্তু কিয় পাব? বেলকনিৰ মালিকে কোম্পানিক পইচা ওভোতাই দিবনে? কিয় দিব? কিয় নিদিব? ৰজা-ৰাণীয়ে ক্ষতিপূৰণ দিবনে?— কোম্পানি আইনৰ (Company Laws) সমস্যা। বৰ আমোদজনক। এইবোৰ কথা কেতিয়াবা মই জানিবলৈ পালোহেঁতেননে? এতিয়া ৰিণিকি-ৰিণিকি পাণ্ডুলিপিবোৰৰ কিছুমান পাত দেখা পাওঁ; কিন্তু ১৯৭৪-৭৫ চনত মই বোধকৰোঁ পোন্ধৰ দিনৰ সময় লৈ প্ৰাক-বিশ্ববিদ্যালয় মহলাৰ কলা-বাণিজ্য-বিজ্ঞানৰ যিকোনো বিষয়ৰ পৰীক্ষা মোটামুটি ভালকৈয়ে পাছ কৰিব পাৰিলোহেঁতেন।

আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পৰ্কীয় সিদ্ধান্তৰ লগে-লগে আঁচনিখনৰ কাৰণে অত্যন্ত প্ৰয়োজনীয় বস্তু আছিল পৰিভাষাৰ কিতাপ। তেতিয়ালৈকে বিশ্ববিদ্যালয়ৰ স্তৰৰ

পাঠ্যপুথিৰ প্ৰয়োজন পূৰাব পৰাকৈ পৰিভাষা যুগুত কৰা হোৱা নাছিল। অসম বিজ্ঞান সমিতিয়ে ১৯৬৪ চনত প্ৰায় আঠ হাজাৰ শব্দৰ প্ৰতিশব্দৰে এখন পৰিভাষাৰ কিতাপ প্ৰকাশ কৰিছিল। তেতিয়ালৈকে সেইখনেই অসমীয়া ভাষাত বিজ্ঞানৰ কথা লিখা-মেলা কৰাসকলৰ বাবে প্ৰধান অৱলম্বন আছিল। অসম বিজ্ঞান সমিতিয়ে সেই কিতাপখন পৰিবৰ্ধনৰ যি আয়োজন কৰিছিল, সেই আয়োজনক গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ হাতত অৰ্পণ কৰা হয় আৰু এই সমিতিয়ে ১৯৭২ চনত নটা বিষয়ৰ প্ৰায় উনচল্লিছ হাজাৰ শব্দৰ এখন পৰিভাষা প্ৰস্তুত কৰাৰ কাম সম্পূৰ্ণ কৰে। যিমান লোকৰ সহযোগত, যি উদ্যম আৰু পৰিশ্ৰমেৰে সম্পন্ন কৰা হৈছিল, তাৰে চাই মই শিক্ষা, ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত, এই কামটোৰ ঐতিহাসিক গুৰুত্ব আছে বুলি ভাবোঁ। ছপা হৈ ওলোৱা কিতাপখনৰ প্ৰথমৰ পৃষ্ঠাকেইটাৰ পৰাই কামটোৰ পদ্ধতি আৰু ইয়াৰ লগত জড়িত হোৱা লোকসকলৰ বিষয়ে জানিব পাৰি; তথাপি মধুৰ স্মৃতিকথা হিচাপেই মোৰ জীৱন-বৃত্তৰ মাজলৈ কিছু কথা আনিবলৈ মন যায়;— ড. হিৰণ্য চন্দ্ৰ ভূঞা ছাৰৰ পৰা আৰম্ভ কৰি শ্ৰীপৰাগধৰ চলিহালৈকে আঁচনিখনৰ লগত নামে-কামে জড়িত হোৱা সেই সময়ৰ প্ৰায় পঞ্চাছগৰাকী বিদ্বান লোকৰ প্ৰত্যেকৰে নাম শ্ৰদ্ধা, আনন্দ আৰু মৰমেৰে সুঁৱৰিবলৈ মন যায়। নটা বিষয়ৰ প্ৰতিটো বিষয়ৰে শব্দসমূহ একোজন লোকে সংগ্ৰহ কৰে; তাৰ পাছত সেই বিষয়ৰে অন্য এগৰাকী শিক্ষক আৰু ভাষাৰ ক্ষেত্ৰত ব্যুৎপত্তি থকা (সাধাৰণতে অসমীয়া আৰু সংস্কৃত বিভাগৰ) এগৰাকী শিক্ষক,— এখেতসকল দুয়ো বহি পৰিভাষাবোৰৰ সম্পাদনা কৰে। এই বৈঠকবিলাকৰ কিছুমান মোৰ কাৰ্যালয়ৰ কোঠালিটোৰ এচুকতে বহে। আলোচনা কালত ঘাইকৈ এটা প্ৰসংগ প্ৰায়েই ওপৰলৈ উঠিছিল ঃ এই যে পাৰিভাষিক শব্দবোৰ সৃষ্টি কৰা হৈছে, সেইবোৰৰ অৰ্থ অসমীয়া ছাত্ৰ-ছাত্ৰী, শিক্ষক, লেখক আদিৰ বোধগম্য হ'বনে? এইবোৰ গ্ৰহণযোগ্য হ'বনে? এইবোৰ সকলোৱে ব্যৱহাৰ কৰিবলৈ ল'বনে? ৰজনীকান্ত দেৱ শৰ্মা ছাৰে এদিন মোক বুজাইছিল ঃ আমি সংস্কৃতৰ পৰা আঁতৰি আছিলোঁ, কিন্তু এতিয়া পৰিভাষা প্ৰস্তুত কৰিবৰ সময়ত সংস্কৃত শব্দৰ ভঁৰালৰ দুৱাৰ খুলিছোঁ। গতিকে প্ৰতিশব্দবোৰ কঠিন, দুৰ্বোধ্য যেন লাগিবই। উদাহৰণ হিচাপে তুমি এই aberration শব্দটোলৈ চোৱা। বিজ্ঞানৰ কেইবাটাও বিভাগত ব্যৱহৃত হোৱা এই শব্দটোৰ মুকলি অৰ্থ হ'ল— পোনে-পোনে নগৈ বেঁকা হৈ যোৱা, বিপথগমন, ইত্যাদি। আমি উলিওৱা ইয়াৰ বৈজ্ঞানিক প্ৰতিশব্দটো হ'ল অপেৰণ। এইটোতো বহু অসমীয়া-ছাত্ৰ-ছাত্ৰীৰ বাবে আচহুৱা শব্দ! অপেৰণ,— হয়, আচহুৱা শব্দ। কিন্তু সমীৰণ শব্দটো কোনোবা অসমীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে আচহুৱা শব্দনে? নহয়। সেইটো প্ৰায় ঘৰুৱা শব্দৰ নিচিনা শব্দ। কিন্তু তুমি চোৱাচোন,— সম+ঈৰণ হ'ল সমীৰণ, আৰু অপ+ঈৰণ হ'ল অপেৰণ। সমভাৱে,

পোনে-পোনে গৈ থকা অৱস্থাটো হ'ল সমীৰণ, আৰু বেঁকাবেঁকিকৈ যোৱা অৱস্থাটো হ'ল অপেৰণ। ঈৰ মানে যোৱা, গৈ থকা, গমন। এই সংস্কৃত শব্দটোৰ লগত আমাৰ ঘনিষ্ঠতা নাই কাৰণেই অপেৰণ শব্দটো আমাৰ কাৰণে আচহুৱা।

শৰ্মা ছাৰৰ সেই উদাহৰণটো বহু দুৰ্বোধ্য যেন লগা প্ৰতিশব্দৰ ইতিহাসত প্ৰযোজ্য কাৰণে কথাটো মোৰ আজিও মনত পৰি থাকে। এইখিনিতে কৈ থওঁ,— সংস্কৃত ভাষাৰ ক্ষেত্ৰত ৰজনীকান্ত দেৱ শৰ্মা ছাৰ আৰু অসমীয়া ভাষাৰ ক্ষেত্ৰত ড. মহেশ্বৰ নেওগ ছাৰক মই অভিভাৱক হিচাপে গ্ৰহণ কৰিছিলো।

কলা আৰু বাণিজ্য বিভাগৰ দৰ্শন, তৰ্কবিজ্ঞান, অৰ্থনীতি, ইতিহাস, বাণিজ্য, ৰাজনীতি-বিজ্ঞান, মনোবিজ্ঞান আৰু শিক্ষা,— এই বিষয়কেইটাৰ পৰিভাষা প্ৰস্তুত কৰাৰ কামো সমান্তৰালভাৱে আগবাঢ়িছিল। এই কামটোতো বিষয় আৰু ভাষা— দুয়ো ক্ষেত্ৰৰ লোকে আগ্ৰহ আৰু নিষ্ঠাৰে আত্মনিয়োগ কৰিছিল। ড. মহেশ্বৰ নেওগ, ড. সত্যেন্দ্ৰ নাথ শৰ্মা, ড. গোলোক চন্দ্ৰ গোস্বামী, শ্ৰী ৰজনীকান্ত দেৱ শৰ্মা প্ৰমুখ্যে ভাষাৰ ক্ষেত্ৰৰ যিসকল লোকৰ নাম উল্লেখ কৰি আহিছোঁ, সেইসকলে এইখিনি পৰিভাষাৰ কামতো সহায় কৰিছিল। বিষয়সমূহৰ হৈ মূল প্ৰণেতা হিচাপে কামখিনি কৰি দিছিল শ্ৰী সুৰেশ চন্দ্ৰ ৰাজখোৱা, ড পদ্মেশ্বৰ গগৈ, শ্ৰী অজিত কুমাৰ শৰ্মা, ড. দেবপ্ৰসাদ বৰুৱা, শ্ৰী প্ৰবোধ চন্দ্ৰ গোস্বামী, ড. প্ৰভাস চন্দ্ৰ গোস্বামী; ড. অনিল কুমাৰ শৰ্মা, ড. বীৰেন্দ্ৰ নাথ দত্ত, ড.কালীচৰণ দাস, ড. ৰেণু দেৱী, ড. কৃষ্ণ প্ৰসাদ বৰা, ড. সিদ্ধেশ্বৰ শইকীয়া আদিয়ে। কোন পৰ্যায়ৰ লোকে সেই কালত এনেকুৱা গুৰুত্বপূৰ্ণ কাম সম্পাদন কৰি অসমীয়া জাতিটোক সহায় কৰিছিল, সেই কথা স্মৰণ কৰি মই আজিও ইমান আনন্দিত আৰু অভিভূত হওঁ যে নামৰ তালিকা দীঘল নকৰোঁ বুলি ভাবিও সংযম হেৰুৱাওঁ। কাৰ নাম মই নল'ম? আনিছ-উজ-জামানে (কবি, শিক্ষক, পাছলৈ অসম লোক সেৱা আয়োগৰ সদস্য), দ্বিজেন্দ্ৰ মোহন শৰ্মাই (এওঁ গীত-লেখক হিচাপে পৰিচিত) পৰিভাষাৰ কামৰ প্ৰাথমিক অৱস্থাৰ কাৰ্ডবোৰ লিখি সহায় কৰিছিল,— তেওঁলোকৰ নাম নোলোৱাকৈ থাকিব পাৰোঁনে? দীনেশ চন্দ্ৰ গোস্বামী তেতিয়া কটন কলেজৰ শিক্ষক। তেওঁ বৈজ্ঞানিক পৰিভাষাখনৰ সমগ্ৰ কাৰ্ড জুকিয়াই পাণ্ডুলিপি প্ৰস্তুত কৰি দিছিল; কিতাপখন ওলোৱাৰ পাছত শুদ্ধিপত্ৰখনো লিখি দিছিল;— তেওঁৰ নাম নল'মনে? পৰিভাষাৰ বাহিৰেও পাঠ্যপুথিসমূহ ৰচনা-সম্পাদনা কৰি দিয়াসকল, সমন্বয় সমিতিখনৰ সদস্য হিচাপে মোক সহায় কৰাসকল;— মনত পেলালে এই আঁচনিখনলৈ বৰঙণি আগবঢ়োৱা, সেই সময়ৰ শিক্ষাজগতৰ আগশাৰীৰ বহু লোকৰ মুখ চকুৰ আগেদি পাৰ হৈ যায়;— ড. ভগবান চন্দ্ৰ লহকৰ, ইক্ৰামুদ্দিন শইকীয়া, ড. উপেন্দ্ৰ নাথ বৰদলৈ, দিলীপ কুমাৰ বৰুৱা, মহম্মদ চাকি—। অৰ্থনীতি বিভাগৰ ড. টমাছ, শ্ৰী শাৰংগপাণি, শ্ৰী কৃষ্ণমূৰ্তি, ৰাজনীতি বিজ্ঞান

বিভাগৰ ড. ভেংকটৰাও, বাণিজ্য বিভাগৰ শ্ৰীমেহৰোত্ৰা,— এখেতসকলৰো আঁচনিখনৰ প্ৰতি বৰঙণি কম আছিলনে? মোৰ মন যায়,— সময়ৰ সোঁতত কিতাপবিলাকৰ কি হয় সেইটো বেলেগ কথা; কিন্তু সকলো কিতাপৰ নামপত্ৰখিনি (title pages) গোটাই, সম্পাদনা কৰি তাৰে এখন সুকীয়া কিতাপ ছপাই থব লাগে। এই কিতাপখন সেই সময়ছোৱাৰ, সেই আঁচনিখনৰ ইতিহাসৰ এটা অংশ হ'ব। মোৰ এই লেখাত মই সেই আঁচনিত মোক সহায় কৰা, অৰ্থাৎ জাতিটোক সহায় কৰা সকলো লোকৰ প্ৰতি কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিব পাৰোঁ, সকলোৰে নাম উল্লেখ কৰিব নোৱাৰোঁ। তাৰ বাবে মই দুঃখিত।

১৯৭২ চনৰ প্ৰথম ভাগৰে পৰা পাছৰ চাৰিটা বছৰ আমাৰ কাৰ্যালয়টো এটা কাৰখানাত পৰিণত হৈছিল। লেখকৰ পৰা পাণ্ডুলিপি আহিছে, সেয়া কপি কৰোৱা হৈছে, সম্পাদকলৈ পঠোৱা হৈছে, সম্পাদকৰ পৰা অহাৰ পাছত কাৰ্যালয়ৰ কৰ্মীসকলে ভাষা আৰু আখৰ-জোঁটনি পৰীক্ষা কৰিছে, শেষত পাণ্ডুলিপি মোৰ মেজলৈ আহিছে; পাণ্ডুলিপিয়ে দাবী কৰা মতে, নক্সা, ছবি, মানচিত্ৰ আদি অঁকোৱা হৈছে ইত্যাদি ইত্যাদি। কাৰ্যালয়ত পাণ্ডুলিপি পৰীক্ষা কৰা কামত নিত্যানন্দ তামুলী, তোষপ্ৰভা কলিতা, ধীৰেন্দ্ৰ কুমাৰ লহকৰ, শিৱনাথ হাজৰিকা, বাণী শৰ্মা, লক্ষী দাস আদি সহকাৰীসকলে ইতিমধ্যে নিজকে আঁচনিখনৰ কামৰ বাবে প্ৰশিক্ষিত কৰি তুলিছিল, আৰু কাম আগবঢ়াৰ লগে-লগে তেওঁলোকে ভাষা আৰু আখৰ-জোঁটনিৰ ক্ষেত্ৰত দক্ষতা আহৰণ কৰিছিল। কেৱল পাণ্ডুলিপি কপি কৰা কামটোৰ পৰাই সেই কালছোৱাত বহু ল'ৰা-ছোৱালীয়ে অন্ততঃ জেপ-খৰচখিনি উলিয়াই থাকিব পাৰিছিল। ছবি অঁকা কামটোত প্ৰায় বিছজনমান লোক নিয়োগ কৰা হৈছিল। বৰ্তমানে বি. বৰুৱা কলেজৰ ভূগোল বিভাগৰ শিক্ষক ভুবন চন্দ্ৰ লহকৰ, আৰু গল্পলেখক হিচাপে পৰিচয় প্ৰতিষ্ঠা কৰা আৰ্যবিদ্যাপীঠ কলেজৰ উদ্ভিদবিজ্ঞানৰ শিক্ষক ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যই মোৰ সেই কোঠালিটোতে বহি বহু দিন ধৰি দিনে-নিশাই নক্সা, মেপ, ছবি আদি আঁকিছিল। বিষয়টোও জানে, ছবিও আঁকিব পাৰে,— তেনেকুৱা যুবক-যুবতীৰ হতুৱায়েই ছবিৰ কাম কৰোৱা হৈছিল। কপি কৰা আৰু ছবি অঁকাসকল আমাৰ কৰ্মচাৰী নাছিল; তেওঁলোকে সমিতিয়ে নিৰ্ণয় কৰা হাৰত মাননি পাইছিল। কেতিয়াবা এনেকুৱাও হৈছিল : কাইলৈ এটা ছপাশাললৈ অমুক নক্সাখন পঠাবই লাগে; আজি দেওবাৰ; চিত্ৰকৰ কাকো পোৱা নাযাব;— গতিকে নিজেই অফিছলৈ গৈ গণিত বা অৰ্থনীতিৰ কিতাপৰ সৰলৰৈখিক নক্সা আঁকি, কোনোবা অলাগতিয়াল পুস্তিকাৰ পৰা অ-আ, ক-খ আদি কাটি, আঠাৰে নক্সাত লগাবলগীয়া হৈছিল। অসম আৰু কলিকতাৰ প্ৰায় চল্লিছটা ছপাশালত ছপাৰ কাম কৰোৱা হৈছিল। অংকৰ জটিল সমীকৰণ থকা কিতাপবোৰ অসমত ছপাব পৰা নগৈছিল। (কিন্তু পাছলৈ

মই কেইটামান ছপাশালৰ মালিকক তেনেকুৱা কামৰ বাবে প্ৰয়োজনীয় আখৰবোৰ আনি লবলৈ উদগাইছিলো। অন্ততঃ এটা ছপাশালৰ মালিকে মোৰ পৰামৰ্শ মতে নিজকে সাজু কৰি সমীকৰণ থকা কিতাপ ছপোৱা আৰম্ভ কৰিছিল।) কামৰ হেঁচা বৰ বেছি হোৱাৰ সময়ত নিত্যানন্দ তামুলীয়ে কলিকতাত থাকি লৈছিলগৈ। শিয়ালদহ ষ্টেছনৰ ওচৰৰ সৰস্বতী প্ৰেছৰ কেইবামহলীয়া ঘৰটোৰ ছাদৰ ওপৰত থকা সৰু কোঠালি এটাত তেওঁ থাকিবলৈ লৈছিল। মই সপ্তাহত তিনি-চাৰি দিন পুৱাই তেওঁলৈ ফোন কৰোঁ। দ্বাৰোৱানে তলত ফোন ধৰি— 'তামুলী বাবু' বুলি চিঞৰ এটা মাৰে। মই সেইটোও শুনো। তামুলী নামি আহে। মই খবৰ লওঁ, খবৰ দিওঁ। এটা গুৰুত্ব পূৰ্ণ (সংকটময়) সময়ত তামুলীয়ে অমানুষিক কষ্ট কৰি আঁচনিখনক সহায় কৰিছিল। এবাৰ মই কলিকতালৈ যাওঁতে তেওঁ থকা (প্ৰায় আঠফুট × বাৰফুট জোখৰ) কোঠালিটোলৈ গৈছিলো। ছাদৰ ওপৰত প্ৰচণ্ড গৰম। কোঠালিটোৰ এটা চুকত পুৰণি টেবল-ফেন এখন ঘূৰিব লাগে কাৰণে ঘূৰি আছে; গোটেই কোঠালিটো পাণ্ডুলিপি, ছবি, প্ৰেছৰ পৰা অহা প্ৰুফৰ পেকেটেৰে ভৰা। বিছনাৰ ওপৰতো সেইবোৰেই। তাৰ মাজতে খালী গাৰে বহি তামুলীয়ে প্ৰুফ চাই আছে।

এই যে যুদ্ধ চলি থকা সময়ৰ গতিৰে কাৰখানা চলিছিল, তাৰ কাৰণ আছিল, ১৯৭২ চনৰ শিক্ষা-বছৰত অসমৰ কলেজবোৰত অসমীয়া ভাষাতে শিক্ষা প্ৰদান কৰিব লাগিব বুলি সিদ্ধান্ত কৰা হৈছিল। (ইংৰাজী ভাষাৰে পঢ়োৱা নিষিদ্ধ কৰা হোৱা নাছিল।) সেই সিদ্ধান্ত কৰা হৈছিল মাধ্যম আন্দোলন নামে খ্যাত আন্দোলনৰ ফলস্বৰূপে। আগতেই কৈছোঁ, মোৰ কাৰ্যালয় কোঠাৰ, মোৰ পিঠিফালে থকা বেৰখনৰ সিফালৰ কোঠালিটোৱেই আছিল ছাত্ৰসভাৰ অফিছ; সেইটোৱেই সদৌ অসম ছাত্ৰ সংস্থাৰো কাৰ্যালয়ত পৰিণত হৈছিল। গতিকে মাধ্যম আন্দোলনৰ বিভিন্ন ৰূপ মোৰ চকু-কাণৰ ওপৰেদি পাৰ হৈ গৈছিল। মই অসমীয়া ভাষাত পাঠ্যপুথি প্ৰস্তুত কৰাৰ কামত ব্যস্ত আছিলো; শিক্ষায়তনিক (academic) নীতি, সিদ্ধান্ত আদি গ্ৰহণ কৰাৰ লগত মোৰ সম্পৰ্ক নাছিল। কিন্তু আমি প্ৰকাশ কৰা কিতাপবোৰৰ লগততো শিক্ষাৰ মাধ্যমৰেই সম্পৰ্ক আছে। গতিকে এদিন মাধ্যম সম্পৰ্কীয় গুৰুত্বপূৰ্ণ আলোচনা হ'ব বুলি শুনি বিশ্ববিদ্যালয়ৰ Academic Council- অৰ সভালৈ আলহী হিচাপে গ'লো। এচুকত বহি বিভিন্নজনৰ বক্তব্য শুনিলো। সেইদিনা— "বিশ্ববিদ্যালয়ৰ অধীনৰ সকলো কলেজতে একমাত্ৰ অসমীয়া ভাষাৰে পঢ়োৱা হওক"— এই ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা নহ'ল। ৰাতি শুলো, টোপনি গ'ল,—এসময়ত কোলাহল শুনি সাৰ পালো। কিহৰ কোলাহল? 'পাহাৰ লাইন'ৰ ফালৰ পৰা এজাক মানুহৰ কোলাহলটো আগবাঢ়ি আহিছে। কোলাহলৰ মাজৰ পৰা অসমীয়া ভাষা সম্পৰ্কীয় শ্লʼগানৰ শব্দ পৰিষ্কাৰ হৈ ওলাই আহিছে। বুজিলো ছাত্ৰৰ

সমদল। এসময়ত দলটো আহি আমাৰ ঘৰৰ সমুখত ৰ'লহি। (সেই সময়ত আমি চৌৱন নম্বৰ ঘৰত থাকোঁ। এই ঘৰ-সলনি কৰাৰ প্ৰসংগটোলৈ পাছত আহিম।) কোনোবাই মোৰ নাম ধৰি-ধৰি মাতিলে,—ওলাই আহিব লাগে। কথা কি বতৰা কি, একো ধৰিব পৰা নাছিলো। প্ৰীতিয়ে ভয়েই খাইছিল। মই ওলাই গ'লো। ল'ৰাজাকে মোক বেৰি ধৰিলে। কোনোবা এজনে আমাৰ বাৰাণ্ডাত থকা সৰু মেজ এখন লৈ আহিলগৈ। কোনোবাই মোক সেইখনৰ ওপৰত থিয় হ'বলৈ দিলে। হ'লো। কোনোবা এজন পদুলিমুখৰ ওচৰতে থকা টেলিফোনৰ খুঁটাটোত বগাই দহফুটমান ওপৰ পালেগৈ। সেই উচ্চতাৰ পৰা তেওঁ মিহি, 'ছোৱালী-জোকোৱা' মাত এটা উলিয়াই মোৰ নামটো উচ্চাৰণ কৰিলে। ইফালে সমুখত থকা এজনে দাবী কৰিলে,— একমাত্ৰ অসমীয়া ভাষাৰে যে কলেজত পঢ়োৱা হ'ব, সেই বিষয়ে মই একাডেমিক কাউন্সিলত জোৰ দি ক'ব লাগিব। ক'ব নে নকয়? মই ক'লো, —মই একাডেমিক কাউন্সিলৰ মেম্বাৰেই নহওঁ। তাত কথা কোৱাৰ মোৰ উপায়েই নাই। কিন্তু মই অসমীয়া ভাষাৰ কিতাপ উলিউৱাৰ কামতে লাগি আছোঁ। —সেইবোৰ আমি নাজানো। মাধ্যম যদি অসমীয়া নহয়, তেনেহ'লে কথা বেয়া হ'ব— এইজাতীয় কথা কৈ দলটোৱে অইন কোনোবা একাডেমিক কাউন্সিলৰ সদস্যৰ ঘৰ বিচাৰি যাত্ৰা আৰম্ভ কৰিলে।

পাছত, এতিয়াও মই বিশ্বাস কৰোঁ, —যুগ-যুগ ধৰি যিবোৰ মূৰ্খই একোটা আন্দোলনত কলংক সানি আহিছে, ৰাতি ভাত-পানী, মদ-পানী খাই উঠাৰ পাছত যাৰ ভাষাপ্ৰেম-দেশপ্ৰেম উত্তাল হৈ উঠে, সেইদিনাৰ দলটোত তেনেকুৱা মূৰ্খৰ সংখ্যাই বেছি আছিল।

পাছদিনা বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ শ্ৰী চিদানন্দ দাসক ফোন কৰি মোৰ মনৰ ক্ষোভৰ কথা জনালো। আমি কাৰ কাৰণে এইবোৰ কৰিছোঁ? তেখেতে ক'লে,— সান্ত্বনা দিয়াৰো উপায় নোহোৱা হৈছে। আপুনি সকলো বুজে। বৰ অশান্তি লাগিছে যদি দুদিনমান ছুটী লওক।

তাৰ অলপ পাছতে ছাত্ৰ সংস্থাৰ সাধাৰণ সম্পাদক, মাধ্যম-আন্দোলনৰ শীৰ্ষস্থানীয় নেতা প্ৰসন্ন নাৰায়ণ চৌধুৰী মোৰ কোঠালৈ আহিল। তেওঁ ৰাতিৰ দলটোৰ লগত তেওঁলোকৰ কাৰ্যপন্থাৰ সম্পৰ্ক নাই বুলি কৈ সংস্থাটোৰ হৈ মোক ক্ষমা খুজিলে আৰু বেয়া নাপাবলৈ বাৰম্বাৰ অনুৰোধ কৰিলে।

পাছত এদিন প্ৰসন্নই মোক ক'লে,— তেওঁলোকৰ টেলিফোনটোৰ বিলৰ টকা বহুত হৈ গ'ল; টকা জমা নিদিয়াৰ কাৰণেই হ'বলা, —টেলিফোন বিভাগে সেইটোৰ লাইন কাটি থৈছে। ইফালে আন্দোলনৰ কাৰণে সমগ্ৰ অসমৰ লগত যোগাযোগ কৰিবলৈ টেলিফোনটো নহ'লেই নহয়। কিছুমান টেলিফোন-কল তেওঁলোকে অইন ক'ৰবাৰ পৰা কৰিব; কিন্তু অতি জৰুৰী কিছুমান কথাৰ কাৰণে আমাৰ অফিচৰ,— মানে মোৰ মেজত

থকা ফোনটো ব্যৱহাৰ কৰিব খোজে। মই কর্তৃপক্ষৰ লগত কথা পাতিলো। তাৰ পাছত প্ৰসন্নহঁতে মোৰ পিছফালৰ বেৰখনত টেলিফোনটো সৰকাব পৰা ফুটা এটা কৰিলে। মই অফিছ এৰাৰ পাছত টেলিফোনটো তেওঁলোকে তেওঁলোকৰ ফালে লৈ যায়, আৰু পাছদিনা পুৱা পাৰ কৰি মোৰ ফালে থৈ দিয়ে। আন্দোলনৰ গুৰুত্বপূর্ণ সময় এছোৱাত সেই ব্যৱস্থাটো চলি আছিল।

এদিন ৰাতি তিনিমান বজাত ঘৰৰ ফোনটো বাজিল। নগাঁৱৰ পৰা নগাঁও কলেজৰ অধ্যক্ষ মুহিৰাম শইকীয়াই ফোন কৰিছে। তেওঁৰ মাতত চেপা খোৱা উত্তেজনা। ভবেন,— তুমি এটা কাম কৰিব লাগে। গোপনে। অনিল বৰাৰ ডেড ব'ডিটো পোৱা গৈছে। (অনিল বৰা হোজাইত নিহত হৈছিল; তেওঁৰ মৃতদেহ লগে-লগে পোৱা নগৈছিল)। সেইটো আমি টাউনলৈ লৈ আহিছোঁ। ডেপুটি কমিছনাৰ আৰু মই লগ লাগি অৱস্থাটো যিমান পাৰোঁ কণ্ট্ৰলত ৰাখিবলৈ চেষ্টা কৰিছোঁ। তুমি প্ৰসন্নক খবৰ দিয়া,— তেওঁ যেন এতিয়াই গুৱাহাটীত খবৰটো প্ৰচাৰ নকৰি,— মাত্ৰ দুজনমানক লগত লৈ নগাঁৱলৈ আহে।

প্ৰসন্নহঁত,— আন্দোলনৰ মুখিয়ালকেইজন সেই সময়ত ৰাতি সদায় একেটা হোষ্টেলতে নাথাকিছিল। আজি এইটোত, কাইলৈ সৌটোত। কি কৰা যায়? আমাৰ ঘৰৰ পিছফালৰ কোঠালি এটাত অফিছৰ পিয়ন লক্ষ্মণ কলিতা থাকে। আদহীয়া, খামি ডাঠ মানুহ। তেওঁক জগালো। ক'লো,— তুমি প্ৰথমতে দুই নম্বৰ হোষ্টেললৈ যোৱা। চকীদাৰৰ লগ লাগি যাকে পাৰা জগাবা। মোৰ নাম লৈ ক'বা,— প্ৰসন্নক দিবলৈ এটা বৰ জৰুৰী খবৰ আছে। তেওঁলোকৰ সহায় লৈ প্ৰসন্নক বিচাৰি উলিয়াবা। লগ পালে গোপনে ক'বা।

লক্ষ্মণ কলিতা খোঁচনিত দা এখন লৈ ওলাই গৈছিল। পাছত গম পাইছিলো,— আধা ঘণ্টামানৰ ভিতৰতে প্ৰসন্নহঁতে নগাঁও অভিমুখে জালুকবাৰী এৰিছিল।

স্বাভাৱিকতে, তাৰ পাছত আন্দোলনৰ তীব্ৰতা বাঢ়িছিল। প্ৰসন্নই আমাক এটা সহায় কৰিছিল। বন্ধ, হৰতাল, পিকেটিং সকলোৰে পৰা আমাৰ অফিছটোক তেওঁলোকে ৰেহাই দিছিল। তেওঁ বুজিছিল,— আমি যদি কিতাপবোৰ উলিয়াই নিদিওঁ, তেনেহ'লে তেওঁলোকে তেওঁলোকৰ আন্দোলনৰ সুফল কামত লগাবই নোৱাৰিব। (আচলতে প্ৰয়োজনীয় সকলো পাঠ্যপুথি সমুখত লৈ অসমীয়া মাধ্যমত পঢ়া-শুনা আৰম্ভ কৰা কামটো ১৯৭৫ চনত আৰম্ভ হোৱা হ'লে ভাল আছিল।) আমাৰ ওপৰত প্ৰচণ্ড হেঁচা পৰিছিল। বন্ধ, হৰতাল, পিকেটিঙক প্ৰশ্ৰয় দিয়াৰ কথাই নাছিল। মনত পৰে,— পাণ্ডুলিপিৰ কাৰণে মই আন্দোলনৰ কথাতে চৰকাৰে গ্ৰেপ্তাৰ কৰি ৰখা দেব প্ৰসাদ বৰুৱাক গুৱাহাটীৰ কাৰাগাৰত লগ ধৰিবলগীয়া হৈছিল। আন্ধাৰ হোৱাৰ পাছত ঘৰত

চাবলৈ পাণ্ডুলিপি এসোপা হাতত লৈ যেতিয়া ঘৰলৈ ওভতোঁ, তেতিয়া প্ৰীতিয়ে এদিন কৈছিল,— বিছনাখনো অফিছলৈ লৈ যাব নোৱাৰিনে? অফিছটোৰ প্ৰতিজন কৰ্মীয়ে এটা উদ্দেশ্যৰ প্ৰতি উদ্বুদ্ধ হৈ কাম কৰিছিল; কিন্তু কামৰ পৰিমাণ আৰু চৰিত্ৰই সমুখত পৰ্বতৰ ৰূপ লৈ দেখা দিছিল।

প্ৰসন্ন নাৰায়ণ চৌধুৰীৰ পাছৰ দিনবোৰৰ কথা কৈ থওঁ। তেওঁক ব্যক্তিগতভাৱে, বিশেষভাৱে মনত ৰাখিবলগীয়া সম্পৰ্ক তেওঁৰ লগত মোৰ গঢ়ি উঠা নাছিল। বেৰখনৰ সিফালে তেওঁ তেওঁৰ কাম কৰিছে, ইফালে মই মোৰ কাম কৰিছোঁ। ওপৰত যিখিনি কথা উল্লেখ কৰিলো,— সম্পৰ্ক বুলিবলৈ তেনেকুৱাই। কিন্তু আন্দোলন গ'ল;— বহুত দিন পাৰ হৈ গ'ল;— এদিন এখন চিঠি পালো,— প্ৰসন্নই তেজপুৰৰ পৰা লিখিছে। তাত তেওঁ এছ্. এছ্. বিত (Special Service Bureau) চাকৰি কৰিছে। এটা নতুন জীৱন আৰম্ভ কৰিছে। গুৱাহাটীলৈ আহিলে তেওঁ মোক লগ ধৰিব।— মাত্ৰ পাঁচশাৰীমানৰ চিঠি। কিয় তেওঁ হঠাতে মোলৈ চিঠি এখন লিখিলে মই ভাবি উলিয়াব নোৱাৰিলো। এবাৰ গুৱাহাটীলৈ আহোঁতে তেওঁ সঁচাকৈয়ে মোক লগ ধৰিলে। দুয়ো দুয়োৰে খবৰ ল'লো; কথা সিমানেই। তাৰ ভালেমান দিনৰ পাছত আকৌ এখন চিঠি পালো। সেইখনত প্ৰসন্নই লিখিছে,— তেওঁৰ কাম ভালে-ভালে চলি আছে। মোৰ কথা তেওঁৰ প্ৰায়ে মনত পৰে। নাকৰ অসুখ এটাই তেওঁক অলপ আমনি কৰি আছে। তাৰ পাছত বহু দিনলৈ যোগাযোগ নাই। বহুদিনৰ মূৰত এখন চিঠি পালো। এইখন দীঘল চিঠি। পূৰা এক পৃষ্ঠাৰ। প্ৰসন্নই তেওঁৰ নাকৰ অসুখটোৰ কথা লিখিছে। অসুখটো তেওঁ ভবাতকৈ বহু বেছি ডাঙৰ বুলি ধৰা পৰিছে। তেওঁ মনটোক সবল কৰি ৰাখিবলৈ চেষ্ট কৰিছে।

এদিন খবৰ পালো, প্ৰসন্ন ঢুকাল। আজি প্ৰসন্নৰ কথা মনত পৰিলে,— তেওঁ যে আমাৰ অফিছলৈ আহি, মোৰ সমুখৰ চকীখনত বহি অলপ খোনাই-খোনাই কথা পাতিছিল; সেই দৃশ্যটো মনত পৰে। লগতে মোৰ ককাইদেউ এজনে দিয়া বৰ্ণনা এটা মনত পৰে : মাধ্যম আন্দোলনৰ দিনৰ কথা। কলিয়াবৰ অঞ্চলৰ কোনোবা এঠাইত এখন সভা হ'ব; প্ৰসন্ন নাৰায়ণ চৌধুৰী আহিব সভাত বক্তৃতা দিবলৈ। কেইবা ঘণ্টাৰো আগৰে পৰা সৃষ্টি হৈছে এক জনসমুদ্ৰৰ। তেনেকুৱা জনসমুদ্ৰ ককাইদেউৰ মতে অভাবনীয়, অকল্পনীয়। লগতে ভাবোঁ,— কিয় এই ল'ৰাজনে মোৰ লগত নিতান্ত ব্যক্তিগত সম্পৰ্ক এটা ৰাখিছিল? অসমৰ ছাত্ৰ আৰু যুৱসমাজৰ গতিপথৰ 'টাৰ্নিং পইণ্ট' বুলিব পৰা সেই মাধ্যম আন্দোলনটোৰ নায়ক এজন ইমান সোনকালে, ইমান নিৰৱে আঁতৰি যোৱা ঘটনাটো মোৰ কাৰণে বেদনাদায়ক আছিল। মোৰ ধাৰণা,— আন্দোলনৰ নায়কজনৰ ভিতৰত অইন এজন প্ৰসন্ন নাৰায়ণ চৌধুৰী আছিল।

মাধ্যম আন্দোলন, অসমীয়া পাঠ্যপুথি, প্ৰসন্ন নাৰায়ণ চৌধুৰী,— এই সূত্ৰত মোৰ আৰু এজন মানুহৰ কথা মনলৈ আহে। ডিব্ৰুগড বিশ্ববিদ্যালয়েও গু ৱাহাটী বিশ্ববিদ্যালয়ৰ নিচিনাকৈয়ে পাঠ্যপুথি প্ৰস্তুত কৰা আঁচনি হাতত লৈছিল। সেইখন সমন্বয় সমিতিৰ সচিব আছিল হৰিপ্ৰসাদ নেওগ। তেখেতে মোৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰিছিল। আমি,— মানে গুৱাহাটী বিশ্ববিদ্যালয়, আঁচনিখনৰ কামত ডিব্ৰুগড় বিশ্ববিদ্যালয়তকৈ আগ বাঢ়িছিলো। গতিকে নেওগে গুৱাহাটীলৈ আহিলে আমাৰ কাৰ্যপন্থা, সিদ্ধান্ত আদিৰ কাগজ-পাতি লৈ গৈছিল.। আমি কামৰ কথা সবিস্তাৰে আলোচনা কৰিছিলো। যিবোৰ কাম দুয়োখন বিশ্ববিদ্যালয়ে সুকীয়া-সুকীয়াকৈ নকৰিলেও হয়, সেইবোৰ বাছি উলিয়াবলৈ যত্ন কৰিছিলো। পৰিভাষা প্ৰস্তুত কৰাৰ নিচিনা ব্যয়বহুল, সময়সাপেক্ষ কাম যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে বেলেগে কৰাৰ প্ৰয়োজন নাছিল, আমি সেই সূত্ৰ ধৰিয়েই কথাবোৰ আলোচনা কৰিছিলো। পাঠ্যপুথিৰ জৰিয়তেই নেওগৰ লগত মোৰ চিনাকি হৈছিল, আৰু সেই চিনাকি বন্ধুত্বত পৰিণত হৈছিল। এবাৰ ভাৰত চৰকাৰে পাঠ্যপুথিৰ আঁচনিখনৰ খতিয়ান ল'বলৈ দিল্লীত সৰ্বভাৰতীয় সভা এখন পাতিছিল। মই আৰু নেওগ একেখন উৰাজাহাজতে গৈছিলো। বাটত তেখেতে কৈছিল,— সভাখনত উপস্থিত থকাৰ বাহিৰেও দিল্লীত তেখেতৰ আৰু এটা কাম আছে। ডিব্ৰুগড়ত পৰীক্ষা কৰাওঁতে তেখেতৰ হাঁওফাঁওত এটা অকণমান ক'লা ফুট ধৰা পৰিছে। তাৰ ডাক্তৰে সকলো কাগজ-পাতি দি পঠাইছে; সেইবোৰ তেখেতে দিল্লীৰ ডাক্তৰ এজনক দেখুৱাব। তেখেতক অলপ চিন্তিত দেখিছিলো কাৰণে মই কথাটো পাতলাই দিছিলো। দিল্লীত সভা আৰম্ভ হোৱাৰ এঘণ্টামানৰ পাছতে তেখেতে মোক কৈছিল,— আপুনিয়েই দুয়োৰে হৈ ক'ব; মই ডাক্তৰৰ ওচৰলৈ যাওঁ। মই ক'লো,— যাওক।

তাৰ পাছত নেওগক মই গুৱাহাটীত এবাৰ নে দুবাৰ লগ পাইছিলো। ভালেই আছে। এদিন ৰাতিপুৱাই ড. নগেন শইকীয়াই ডিব্ৰুগড়ৰ পৰা ফোন কৰিলে,— কালি ৰাতি হঠাতে অসুখ বেছি হ'ল; নেওগ ঢুকাল।

মোৰ লগত খোলা মনেৰে, অত্যন্ত সহজ-সৰলভাৱে, আপোনজন হিচাপে সম্পৰ্ক ৰক্ষা কৰা এই পৰিশ্ৰমী মানুহজনক মই মৰমেৰে স্মৰণ কৰোঁ।

১৯৭২ চনৰ শিক্ষা-বছৰত প্ৰাক-বিশ্ববিদ্যালয় মহলাত অসমীয়া ভাষাৰে শিক্ষাদানৰ ব্যৱস্থা প্ৰবৰ্তিত হোৱাৰ প্ৰথম ছমাহমান আমাৰ কাৰ্যালয়টোৰ প্ৰায় সকলোৰে অষ্ঠ-কণ্ঠ শুকাই থকাৰ নিচিনা অৱস্থা হৈছিল। "মাধ্যম অসমীয়া হ'ল, কিন্তু পাঠ্যপুথি নাই"— এই জাতীয় সংবাদৰ কাৰণে আমিয়েই আটাইতকৈ ভীত-সন্ত্ৰস্ত হৈ আছিলো। কোন কেইখন কিতাপ হ'লে অন্ততঃ শ্ৰেণীত পাঠদান আৰম্ভ কৰিব পৰা যাব, তাৰ খবৰ

লৈ, সেইকেইখন কিতাপ দোকানত দিয়াৰ বাবে আমি আপ্ৰাণ চেষ্টা কৰিছিলো। কিতাপৰ ছপা কাম যে সম্পূৰ্ণ হৈছে, কেৱল ছপাশালৰ পৰা বা দপ্তৰীৰ কাৰখানাৰ পৰা বজাৰ পাবলৈহে বাকী, সেই কথা প্ৰমাণ কৰিবলৈ প্ৰায় প্ৰতিখন কিতাপৰে দুশ-তিনিশ কপি কলিকতাৰ পৰা আকাশীযানেৰে অনাই অন্ততঃ গুৱাহাটীৰ বজাৰত দিয়াৰ ব্যৱস্থা কৰিছিলো, আৰু লগে-লগে তেনে কিতাপৰ বিজ্ঞাপন প্ৰকাশ কৰি সংশ্লিষ্ট শিক্ষাসমাজখনক অৱস্থাটো জনাই থকাৰ ব্যৱস্থা কৰিছিলো। আমি, শিক্ষক, ছাত্ৰ,—এই সকলো যে শিক্ষাৰ মাধ্যম পৰিৱৰ্তন প্ৰক্ৰিয়াটোৰ সমূপৰ্যায়ৰ অংশীদাৰ, সেই কথাটো প্ৰতিষ্ঠা কৰাটো আমাৰ বাবে প্ৰয়োজনীয় কাম আছিল। এদিন আমাৰ কাৰ্যালয়লৈ সোমোৱা দুৱাৰখনৰ বাহিৰত আঠজনমান ল'ৰাৰ দল এটা গোট খাইছিল। তেওঁলোকে বাকীবোৰ কিতাপ কেতিয়া ওলাব, সেই খবৰটো লোৱাৰ 'আন্দোলন' কৰিবলৈ আহিছিল। তেওঁলোকে খবৰ ল'বলৈ অহাৰ কাৰণে কোনো এখন কিতাপ যে এক মিনিটো আগতে নোলায়, আৰু কোনো এখন কিতাপ যে আমাৰ হেমাহিৰ কাৰণে এক মিনিটো পাছত নোলায়, সেই কথাখিনি কৈ তেওঁলোকক বিদায় দিছিলো। সেই কালত, সেই পৰিস্থিতিত আমি পাঠ্যপুথি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত যি গতিত কাম কৰিছিলো, তাতকৈ বেছি গতিত এইখন ৰাজ্যত কোনেও সেই কাম কৰিব নোৱাৰিলেহেঁতেন বুলি গভীৰ বিশ্বাস আৰু উপলব্ধিয়ে আমাৰ মনত ঠাই পাইছিল কাৰণে সেই সংকটৰ সময়ছোৱাত আমি অবিচলিত হৈ থাকিব পাৰিছিলো।

কোনো ভাষাতে পাঠ্যপুথিৰ সমস্যা সহজে নাইকিয়া নহয়। এইখনতকৈ আৰু ভাল কিতাপ এখন প্ৰস্তুত কৰাৰ চেষ্টা সদায় অব্যাহত থাকে;— থাকিব লাগে। এজন ভাল ছাত্ৰক একোটা বিষয়ৰ এখন কিতাপেই সন্তুষ্ট নকৰে; তেওঁক কেইবাখনো ভাল কিতাপ লাগে। এইবোৰ মৌলিক কথা জানিও আমি তেতিয়া প্ৰতিটো বিষয়ৰ প্ৰতিটো শাখাৰ অন্ততঃ এখনকৈ কিতাপ প্ৰকাশ কৰিব পৰাটোকে প্ৰধান সমস্যা বুলি গণ্য কৰিছিলো; আৰু এসময়ত সমস্যাৰ তীব্ৰতাই শাম কাটিছিল। ভাললৈ হৈছিল নে বেয়ালৈ হৈছিল, সেই বিষয়ে তৰ্কৰ শেষ হোৱা নাছিল; আজিও হোৱা নাই; কেতিয়াবা যে হ'ব তাৰো নিশ্চয়তা নাই;— কিন্তু শিক্ষাজগতত এটা নতুন অধ্যায়ৰ আৰম্ভ হৈছিল।

মোৰ বিচাৰৰ ফালৰ পৰা পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ কথা ইমানতে এৰিব খোজোঁ। শিল ভাঙি, মাটি কাটি বাটটো মুকলি কৰাৰ কামটোত যি উত্তেজনা, উদ্বিগ্নতা, পদ্ধতি-সৃষ্টিৰ আনন্দ আৰু পৰিশ্ৰম জড়িত আছিল, লাহে-লাহে সেইবোৰৰ প্ৰশমন ঘটিল। তথাপি, এৰাৰ আগতে মনলৈ অহা দুটামান কথা কৈ থওঁ।

এদিন দোকমোকালিতে অফিছৰ ৰাতিৰ চকীদাৰ দেবেন দাসে পিছফালৰ গে'টৰ পৰা সোমাই চিঞৰিলেহি— ছাৰ! ছাৰ! কি হ'ল? অফিছৰ নতুন ঘৰটোত জুই লাগিছে।

জুই লাগিছে? এক মিনিটমানৰ ভিতৰতে গেৰেজৰ পৰা গাড়ী উলিয়াই যথাসম্ভৱ তীব্ৰ গতিৰে গাড়ী চলালো। ছোৱালী-হোষ্টেলৰ তিনি আলিটোত ঘূৰিয়েই জুইৰ শিখা দেখা পালো। ল'ৰাৰ হোষ্টেলৰ সমুখত দুজন ল'ৰা থিয় হৈ থকা দেখি— "আহাঁচোন আহাঁ, প্লিজ হে'ল্প"— ইত্যাদিকৈ চিঞৰি-চিঞৰি অফিছৰ ফালে আগবাঢ়িলো।

দুটা কোঠালি আৰু বাঁহৰ চিলিঙিৰে বেৰি লোৱা বাৰাণ্ডাখনে এসময়ত আমাক নটা হৈছিল; গতিকে ওচৰতে এটা একুঠলীয়া ঘৰ সজাই লৈছিলো। পকীবেৰ, টিনৰ চাল। সেইটোক আমি পাণ্ডুলিপিৰ ঘৰ কৰিছিলো। পাণ্ডুলিপি সম্পৰ্কীয় সকলো কাম আৰু প্ৰুফ চোৱা কাম তাতে কৰা হৈছিল। মই গৈ পোৱাৰ অলপ পাছতে অগ্নি-নিৰ্বাপক বাহিনী আহি উপস্থিত হৈছিলহি। ভিতৰলৈ সোমাব পৰা হোৱাৰ লগে-লগে সমবেত সকলোৰে সহায়ত আমি প্ৰথমে পাণ্ডুলিপিবিলাক উলিয়াই ওচৰৰ পথাৰত মেলি দিছিলো। ঢেৰ পাণ্ডুলিপি। পথাৰখন ভৰি পৰিছিল। জুই আৰু পানী দুয়ো পাণ্ডুলিপিবোৰক আক্ৰমণ কৰিছিল। কিছুমান পাত একেবাৰে ছাই হৈ গৈছিল; কিছুমানৰ কিছু অংশ ভালে আছিল; বেছিভাগৰ অন্ততঃ আখৰবোৰ পঢ়িব পৰা হৈ আছিল। যিবোৰ পাতৰ মূল পাণ্ডুলিপিও নিশ্চিহ্ন হৈছিল, সেইবোৰৰ কাৰণে আমি আকৌ লেখক-লেখিকাৰ শৰণাপন্ন হৈছিলো। আধা পোৰা ভালেমান পৃষ্ঠা তেখেতসকললৈ পঠিয়াই বাকীখিনি লিখি দিবলৈ অনুৰোধ কৰিছিলো। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অগ্নিকাণ্ডৰ কাৰণ অনুসন্ধান কৰিবলৈ ড. হৰিপ্ৰসন্ন দাসক লৈ এখন এজনীয়া সমিতি পাতি দিছিল। সমিতিৰ প্ৰতিবেদনমতে বিদ্যুৎ-বৰ্তনীৰ আসোঁৱাহৰ ফলত দুৰ্ঘটনাটো ঘটিছিল। দুৰ্ঘটনাটোৱে মোক মানসিকভাৱে বেছি ক্ষতিগ্ৰস্ত কৰিছিল।

নতুন ঘৰটোলৈ পাণ্ডুলিপিবোৰ আৰু সংশ্লিষ্ট কৰ্মচাৰীসকলক স্থানান্তৰিত কৰাৰ পাছত বাৰাণ্ডাখনত যিখিনি ঠাই ওলাইছিল, তাত আমি এটা ছপাশাল পাতিছিলো। বহু ছপাশালত কাম কৰাই আছোঁ; তাৰ পাছতো হাতত বহু পাণ্ডুলিপি ছপাবলৈ আছে; দুই-এটা ছপাশালে মন'টাইপ আৰু লাইন'টাইপ ব্যৱহাৰ কৰিছে; কিন্তু শতকৰা পঁচাম্নবৈ ভাগেই হাতেৰে আখৰ সজোৱা পদ্ধতিকে ব্যৱহাৰ কৰিছে; তেনেহ'লে আমি অংক-ছংক-জংক-পংক নোহোৱা সহজ-সৰল অসমীয়া কিতাপ কিছুমান ছপাবলৈ সৰু ছপাশাল এটা নাপাতোঁ কিয়? আমাৰ সকলোৰে মাজতে ছপাশাল এটা থাকিলে কম সুবিধা হ'বনে? সমন্বয় সমিতিৰ সভাত প্ৰস্তাৱ উত্থাপন কৰিলো। কেইগৰাকীমান সদস্যই প্ৰথমতে সন্দেহ প্ৰকাশ কৰিলে: এই জঞ্জালটো চপাই লোৱাটো ভাল কাম হ'ব জানো? ইমান কামৰ উপৰি ছপাশাল এটা চলোৱাৰ কাম অফিছটোৱে চম্ভালিব পাৰিবনে? মই ক'লো,— আপোনালোকে অনুগ্ৰহ কৰি মোক কেৱল অনুমতিটো দিয়ক। মই ক্ষতি হোৱা কাম নকৰোঁ। সমিতিয়ে অনুমতি দিলে। শশী ফুকনে ('বিস্ময়' নামৰ আলোচনীখনৰ

সম্পাদক) সেই সময়ত ছপাশালৰ মেছিনৰ ব্যৱসায় এটা কৰিছিল। তেওঁৰ পৰা আমি গ্ৰ'ভাৰ কম্পেনিৰ মেছিন এটা ল'লো। বিশ্ববিদ্যালয়ৰ ইঞ্জিনিয়াৰিং বিভাগৰ হতুৱাই বাৰাণ্ডাখনৰ লগতে চালি এখন দিয়াই ল'লো। তাতে মেছিনটো পাতিলো। কলিকতাৰ কোম্পানি এটাই কে'ছ ছখন আৰু তাৰ জোখাৰে আখৰ দিলে। 'যিমান কাম সিমান পইচা'— পদ্ধতিত কম্পজিটৰ নিয়োগ কৰা হ'ল। গেলি প্ৰুফ এবাৰ শুদ্ধ কৰাৰ পাছত কোনে কেইশাৰী কম্প'জ কৰিলে সেইটো হিচাপ কৰা হ'ব, আৰু সেইমতে তেওঁলোকক নিৰ্ধাৰিত হাৰত পইচা দিয়া হ'ব। মোৰ যে ঘৰুৱা সংগী আছিল পবিন দত্ত, সি তেতিয়া গুৱাহাটীৰ শ্ৰীগুৰু প্ৰেছত কাম কৰিছিল। খবৰ পাই সি আমাৰ ছপাশাললৈ আহিল। পাঁচজন কম্পজিটৰ গোটাই সিয়েই ছপাশাল আৰম্ভ কৰিলে। অফিছটোৰ ভিতৰতে পাণ্ডুলিপি, অফিছটোৰ ভিতৰতে কম্প'জ কৰা, অফিছটোৰ ভিতৰতে প্ৰুফ চোৱা, অফিছটোৰ ভিতৰতে ছপা কৰা;— আমাৰ সময় আৰু পইচা বহুত বাচিল। মই ১৯৭৯ চনৰ জানুৱাৰি মাহত সেই অফিছটো এৰি আহিছিলো। ছপাশালটো পাতোঁতে যিমান খৰচ হৈছিল, তেতিয়ালৈকে তাতকৈ বহু বেছি পইচাৰ কাম আমি তাৰ পৰা আদায় কৰি ল'ব পাৰিছিলো। খবৰ কৰি গম পালো— মেছিনটো এতিয়াও বিশ্ববিদ্যালয়ত আমনি নকৰাকৈ চলি আছে। সি কাম কৰিবলৈ লোৱা পঁচিছ বছৰ হৈ গ'ল।

কিতাপবিলাকৰ বেটুপাতৰ ছবিৰ কাৰণে মই মোৰ বন্ধু, চিত্ৰশিল্পী বেণু মিশ্ৰৰ কাষ চাপিছিলো। মনত পৰিবলগীয়া কথা। বেটুপাতৰ ছবি আঁকিবলৈ অনুৰোধ কৰোঁতে মই তেওঁক কৈছিলো,— আপুনি প্ৰতিটো বিষয়ৰ বাবে একোটাকৈ নক্সা ডিজাইন কৰক। মুঠতে দুটা ৰঙৰ ডিজাইন। কিতাপখনৰ নামৰ বাবে খালী ঠাই ৰাখিব; তাতে ছপাশালৰ আখৰেৰে কিতাপখনৰ নামটো ভৰাই দিম। যেনে,— পদাৰ্থবিজ্ঞানৰ মুঠতে ছখন কিতাপ হ'ব পাৰে; কিন্তু ছয়োখনৰে বেটুপাতৰ নক্সা একেই হ'ব; কেৱল নামটো আৰু ৰং দুটা বেলেগ-বেলেগ হ'ব। তদুপৰি, আমাৰ সমিতিয়ে প্ৰকাশ কৰা সকলো কিতাপৰ বেটুপাতৰ এটা বৈশিষ্ট্যপূৰ্ণ মিল থাকিব লাগিব। ৰসায়নবিজ্ঞানৰ কিতাপখিনিৰ বেটুপাতৰ ৰং আৰু নক্সাৰ লগত বাণিজ্যৰ কিতাপখিনিৰ বেটুপাতৰ ৰং আৰু নক্সা নিমিলিব পাৰে; কিন্তু কিবা এটা মিল থকা কাৰণে মানুহে দেখিয়েই ধৰিব পাৰিব লাগিব যে এইবোৰ আমাৰ সমিতিয়ে প্ৰকাশ কৰা কিতাপ।

সমকোণ আৰু সৰল ৰেখাৰ ব্যৱহাৰেৰে মিশ্ৰই আঁকি দিয়া নক্সাবোৰে আমি আশা কৰা বৈশিষ্ট্য ৰক্ষা কৰিছিল।

ভাৰত চৰকাৰৰ ধন, মাধ্যম আন্দোলন, আমাৰ বিশ্ববিদ্যালয় দুটা বা অসম চৰকাৰৰ সিদ্ধান্ত,— এই সকলোবে মাজত আমি প্ৰায়েই শুনি থকা প্ৰশ্নকেইটা আছিল,— এই

যে কলেজ-পৰ্যায়ত অসমীয়া ভাষাত শিক্ষা দিয়া, ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষাত পঢ়া-শুনা কৰা আৰু পৰীক্ষা দিয়াৰ ব্যৱস্থাটো প্ৰচলন কৰা হ'ল, এইটো টিকি থাকিব নে? ইয়াৰ ফল ভাল হ'ব নে? সেইকাৰণে ওপৰত মই "ভাললৈ হৈছিল নে বেয়ালৈ হৈছিল" বুলি এটা বাক্য আৰম্ভ কৰি তৰ্কৰ শেষ নোহোৱা অৱস্থা এটাৰ কথা উল্লেখ কৰি থৈছোঁ। আজি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বহু (প্ৰায় সকলো?) কলেজত অসমীয়া মাধ্যমত শিক্ষাদান চলি আছে; ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষাত পৰীক্ষা-বহীত উত্তৰ লিখি আছে; কিন্তু উক্ত প্ৰশ্ন দুটায়ো শিক্ষাজগতত আজিও ঘূৰা-পকা কৰি আছে। কিন্তু প্ৰত্যক্ষ অভিজ্ঞতাৰ ভেটিত, গোটেই প্ৰক্ৰিয়াটোৰ সোঁমাজত অৱস্থান কৰা মানুহ হিচাপে মই আজি এটা কথা উপলব্ধি কৰোঁ ঃ কলেজত শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া ভাষাৰ অৱস্থা ভৱিষ্যতলৈ যিয়েই নহওক, সেই সত্তৰৰ দশকৰ পাঠ্যপুথি প্ৰণয়নৰ আঁচনিখন আৰু উদ্যোগটোৰ কাৰণে অসমীয়া ভাষাটোৰ বহু উপকাৰ হ'ল। অসাধাৰণ, চিৰদিনীয়া উপকাৰ। বহু শব্দই ভাষাটোক চহকী কৰিলে আৰু ভাষাটোৰ প্ৰকাশিকা শক্তি বহু বাঢ়িল। কলেজৰ চৌহদৰ বাহিৰতো, ৰাজ্যখনৰ সৰ্বত্ৰ আজি সেই শক্তি উপলব্ধি কৰিব পাৰি। আজি অসমীয়া ভাষা শুদ্ধকৈ লিখিব নজনা লোকৰ পয়োভৰ ঘটিছে সঁচা, কিন্তু শুদ্ধকৈ লিখিবলৈ চেষ্টা কৰা মানুহৰ কাৰণে ভাষাটোৰ শক্তি বহু বাঢ়িছে। অসমীয়া ভাষাৰ প্ৰতি সত্তৰৰ দশকটোৰ এইটো এটা মহামূল্যবান বৰঙণি। কলা, বিজ্ঞান, বাণিজ্য আদিৰ যি কোনো বিষয় লৈ আজি বহু লোকে স্বচ্ছন্দে অসমীয়া ভাষাত লিখিব পাৰে;— এইটো কম গুৰুত্বপূৰ্ণ কথা নে?

পাৰিভাষিক শব্দবোৰে আমাৰ ভাষাটোক জটিল কৰি তুলিব,— এই সন্দেহে সেই সময়ত বহু লোকক চিন্তান্বিত কৰিছিল; আৰু মাজে-মাজে আমাৰ অফিছটোৱেই একোখন তৰ্কৰ ৰণথলীত পৰিণত হৈছিল। এই প্ৰসংগত মোৰ বক্তব্য আছিল ঃ নতুন বিষয়বোৰৰ লগত আমাৰ ভাষাটোৰ সম্পৰ্ক কিমান নিয়াৰিকৈ স্থাপন কৰিব পাৰি সেইটো বহু পৰিমাণে নিৰ্ভৰ কৰিব আমাৰ লেখক আৰু শিক্ষকসকলৰ প্ৰতিভা আৰু দৃষ্টিভংগীৰ ওপৰত। অৰ্থৰ ক্ষেত্ৰত ব্যাঘাত নজন্মোৱাকৈও ভাষাক পাৰিভাষিক জটিলতাৰ পৰা বহু পৰিমাণে মুক্ত কৰিব পাৰি। এটা শব্দৰ পাৰিভাষিক প্ৰতিশব্দ সৃষ্টি কৰা হৈছে কাৰণেই সেইটোক সদায় ব্যৱহাৰ কৰিবই লাগিব নে? প্ৰতিটো বিদেশী শব্দৰ অসমীয়া প্ৰতিশব্দ ব্যৱহাৰ কৰিবই লাগিব নে? এইখিনি কথাৰ মাজত মই উদাহৰণ হিচাপে এটা বাক্য ব্যৱহাৰ কৰিছিলো। বাক্যটো আছিল ঃ "ছিগনেল ডাউন নোহোৱাৰ কাৰণে ৰে'লখন লেভেল ক্ৰছিংটোৰ ওপৰতে ৰৈ গ'ল। অলপ সময়ৰ ভিতৰতে দুয়োফালে ৰাস্তাত বহুতো লাইন-বাছ, ছিটি বাছ, ট্ৰাক, ছাইকেল, মটৰ ছাইকেল আদি গোট খালে। অলপ পাছত বাছৰ পেছেঞ্জাৰ কিছুমানে নামি আহি ছিগাৰেট খাবলৈ ধৰিলে আৰু

তেওঁলোকৰ মাজৰে কোনো-কোনোৱে এইখিনিত এখন অ'ভাৰব্ৰিজ নসজাৰ কাৰণে গভৰ্নমেণ্টক গালি পাৰিবলৈ ধৰিলে।”

এইখিনি অসমীয়া ভাষাত লিখা কথা। এই সম্পৰ্কে কোনো অসমীয়া লোকে আপত্তি কৰিব নোৱাৰে। লেভেল-ক্ৰছিঙৰ লগত সম্পৰ্ক থকা কোনো অসমীয়া লোকৰ বাবে কথাখিনিত খোকোজা লাগিবলগীয়া, নুবুজিবলগীয়া একো নাই। কিন্তু কথাখিনিত দৈধ্যটা বিদেশী শব্দ আছে। পেছেঞ্জাৰ আৰু গভৰ্নমেণ্ট,— এই শব্দ দুটাৰ সলনি যাত্ৰী আৰু চৰকাৰ ব্যৱহাৰ কৰিলেও কথাখিনি খোকোজা নলগাকৈ থাকিব, কিন্তু বাকী বাৰটা শব্দৰ এটা শব্দ অসমীয়ালৈ অনুবাদ কৰিলেও কথাখিনিৰ সাবলীলতাত ব্যাঘাত জন্মিব। সেইখিনি শব্দই কালক্ৰমত অসমীয়া অভিধানত ঠাই পোৱাৰ সম্ভাৱনাই বেছি, আৰু তেনে হোৱাটো যুক্তিযুক্তও। (গভৰ্নমেণ্ট শব্দটো চন্দ্ৰকান্ত অভিধানত অসমীয়া শব্দৰ শিতানত পোৱা যায়েই। উক্ত বাক্যটো সত্তৰৰ দশকতে লিখিতভাৱে প্ৰকাশ কৰাৰ কথা মোৰ মনত পৰিছে। আজি স্মৃতিৰ সহায়ত লিখোঁতে তেতিয়াৰ ছপা-বাক্যটোৰ লগত আজি লিখা বাক্যটোৰ সামান্য পাৰ্থক্য থাকিব পাৰে; কিন্তু সেই পাৰ্থক্যই মোৰ বক্তব্যত একো অসুবিধাৰ সৃষ্টি নকৰে।)

মুঠতে মই মুক্ত মনেৰে ভাষাটোক কথাৰ আদান-প্ৰদানৰ বাবে উপযোগীকৈ গঢ় দি লোৱাৰ পক্ষপাতী আছিলো, আৰু আজিও আছোঁ। এই অসমীয়া ভাষাত পাঠ্যপুথি প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়াটোৰ মাজেদি পাৰ হৈ অহাৰ পাছত মোৰ নিজৰ ভাষাৰো পৰিবৰ্তন হোৱা নাইনে? হৈছে। এই জীৱন-বৃত্তৰ লেখাখিনিতে তাৰ প্ৰমাণ আছে। উদাহৰণ ঃ এই প্ৰক্ৰিয়াটোৰ মাজলৈ অহাৰ আগলৈকে মই মোৰ বিষয়টোক ফিজিক্স আৰু বিভাগটোক ফিজিক্স ডিপাৰ্টমেণ্ট বুলি লিখিছোঁ, আৰু পাছত পদাৰ্থবিজ্ঞান বিভাগ বুলি লিখিছোঁ। তথাপি,— কেতিয়াবা বক্তব্যৰ সুৰ আৰু পৰিবেশ-পৰিস্থিতিয়ে দাবী কৰিলে মই আকৌ ফিজিক্স শব্দটো ব্যৱহাৰ কৰিম। কেতিয়াবা এনেকুৱা পৰিবেশৰ সৃষ্টি হ'ব পাৰে— য'ত পদাৰ্থবিজ্ঞানতকৈ ফিজিক্স শব্দটো, কাৰ্যালয়তকৈ অফিছ শব্দটো মোৰ বেছি অসমীয়া যেন লাগিব।

আমি প্ৰকাশ কৰা কিতাপবিলাকৰ মান কেনেকুৱা?— এইটো আমি সঘনে মুখামুখি হোৱা প্ৰশ্নবিলাকৰ ভিতৰত আন এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন আছিল। অভিজ্ঞতাৰ ভিত্তিত যুগুত কৰা মোৰ উত্তৰটো আছিল ঃ বিভিন্ন ক্ষেত্ৰত অসমীয়া জাতিয়ে যি মান প্ৰবৰ্তন কৰিছে, আমাৰ কিতাপৰ মানো তেনেকুৱা। ৰাজনীতি-ক্ষেত্ৰত, ৰঞ্জি ট্ৰফিৰ ক্ষেত্ৰত, শাস্ত্ৰীয় সংগীতৰ ক্ষেত্ৰত বা সাহিত্যৰ ক্ষেত্ৰত আমি যি মান প্ৰদৰ্শন কৰিছোঁ, আমাৰ কিতাপেও সেই মান প্ৰদৰ্শন কৰিছে। অৱস্থা, সময় আদিৰ পৰিপ্ৰেক্ষিতত আমি যি কৰিছোঁ, সেয়া সৰ্বোৎকৃষ্ট বুলি আমি বিশ্বাস কৰোঁ। নৃতত্ত্বৰ অসমীয়া কিতাপ এখন প্ৰকাশ কৰিবলৈ

পাঁচ বছৰ সময় দিয়া হ'লে আমি কেনেকুৱা কিতাপ এখন প্ৰকাশ কৰিলোহেঁতেন সেইটো বেলেগ কথা। তেতিয়াৰ পৰিস্থিতিটো বৰ্ণাই মই কিতাপবোৰৰ পাতনিত লিখিছিলো, "... শিক্ষকসকলক আমি বিশেষভাৱে এটা অনুৰোধ কৰিছোঁ। পাঠ্যপুথি ছাত্ৰৰ কাৰণে দ্বিতীয় শিক্ষকহে। গতিকে শিক্ষকসকলে কিতাপখনৰ ভুল-ভ্ৰান্তিখিনি প্ৰথমতে ছাত্ৰ-ছাত্ৰীসকলক দেখুৱাই দি, শুধৰাই দি, লগে-লগে যেন আমাকো সেই বিষয়ে জানিবলৈ দিয়ে। শিক্ষকসকলৰ এনেকুৱা সক্ৰিয় আৰু সহানুভূতিপূৰ্ণ সহযোগিতা শিক্ষাজগতৰ এই ... সন্ধিক্ষণত অত্যন্ত আৱশ্যকীয়।" ইংৰাজী মাধ্যম এৰি অসমীয়া মাধ্যম গ্ৰহণ কৰাৰ সময়ত শিক্ষকসকলো যে নানা সমস্যাৰ সন্মুখীন হ'ব, সেই কথা উপলব্ধি কৰি আমি সমিতিৰ তৰফৰ পৰা 'অধ্যয়ন' নামৰ এখন আলোচনীও প্ৰকাশ কৰিবলৈ লৈছিলো। ভাবিছিলো,— শিক্ষকসকলৰ কোনোবাই উপলব্ধি কৰা অসুবিধাৰ কথা আমাক জনাব, আমি সেইবোৰ কথা 'অধ্যয়ন'ত প্ৰকাশ কৰিম; কোনোবা শিক্ষকে সেইবোৰ কথা সম্পৰ্কে নিজৰ মত প্ৰকাশ কৰিব,— এনেকৈয়ে 'অধ্যয়ন' আলোচনীখন শিক্ষকসকলৰ আলোচনা-বিলোচনা-মতামত প্ৰকাশৰ মঞ্চৰ নিচিনা হৈ উঠিব, আৰু সি মাধ্যম পৰিবৰ্তনৰ কালছোৱাত শিক্ষকসকলক সহায় কৰিব। পিছে আমি ভবা মতে কাম নহ'ল। আলোচনীখনৰ প্ৰথম সংখ্যাটো প্ৰকাশ হোৱাৰ পাছৰ দুমাহত আমি শিক্ষকসকলৰ পৰা যিখিনি চিঠি-পত্ৰ পালো, তাৰে আলোচনীখনৰ চাৰিটা পৃষ্ঠাও ভৰাব নোৱাৰি। অধ্যয়নৰ সপক্ষে কোনো উৎসাহজনক লক্ষণ নেদেখিলো। (মই এতিয়াও ভাবোঁ,— অকল মাধ্যম সম্পৰ্কীয় কথাৰ কাৰণেই নহয়, অন্যান্য বহু কথাৰ কাৰণে, অসমৰ কলেজসমূহৰ প্ৰত্যেকগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে বাধ্যতামূলকভাৱে কিনি লৈ পঢ়া শিক্ষা সম্পৰ্কীয় নিয়মীয়া আলোচনী এখন, অইনে নহ'লেও শিক্ষক-সংস্থাই নিজেই প্ৰকাশ কৰাটো বাঞ্ছনীয়। কথাটো হাইস্কুল পৰ্যায়ৰ শিক্ষকৰ ক্ষেত্ৰতো প্ৰযোজ্য।) আমি পাতনিত কৰা অনুৰোধৰো বিশেষ সঁহাৰি পোৱা নাছিলো। গতিকে আমি আমাৰ কিতাপবোৰ ভালেই হৈছে বুলি এক ধৰণৰ সন্তুষ্টি লভিবলৈ চেষ্টা কৰিছিলো। আচলতে কিতাপৰ ন্যূনতম মান ৰক্ষা কৰিবৰ কাৰণে যেনেকুৱা লেখকৰ প্ৰয়োজন, সকলো কিতাপৰ বাবে তেনেকুৱা লেখক আমি পোৱা নাছিলো। অধ্যক্ষ মহেশ চন্দ্ৰ দেৱ গোস্বামী, অধ্যক্ষ শৰৎ চন্দ্ৰ গোস্বামী, অধ্যক্ষ সদানন্দ চলিহাৰ নিচিনা অসমীয়া ভাষাৰ লগত সম্পৰ্ক থকা লেখকৰ পাণ্ডুলিপিয়ে আমাক সকাহ দিছিল; আনহাতে কিছুমান লেখকৰ পাণ্ডুলিপিৰ পৰা আমি বিচিত্ৰ ধৰণৰ আমোদ আহৰণ কৰিছিলো। এজন লেখকে তেওঁৰ পাণ্ডুলিপিত 'কাৰণে' বুজাবলৈ 'জন্যে' আৰু 'বিলাক' বুজাবলৈ 'গুলি' ব্যৱহাৰ কৰিছিল। সেই যে আঁচনিৰ আৰম্ভণিতে কলিকতাৰ পৰা বাংলা কিতাপ কিছুমান আনিছিলো, আৰু পাছত আৰ্হি হিচাপে কোনো-কোনো লেখকক দিছিলো, তাৰ পৰিণাম এনেকুৱা হ'ব বুলি ভবা

নাছিলো। এজন লেখকে থকা বুজাবলৈ বাস কৰা শব্দ দুটা ব্যৱহাৰ কৰিছিল; সম্পাদকজনে এটাইবোৰ 'বাস' কাটি 'বাশ' বুলি শুধৰাই দিছিল। এজন লেখকে এটা অধ্যায়ত ল'ডাইড নামৰ শব্দ এটা ব্যৱহাৰ কৰিছিল। এইটো শব্দৰ অৰ্থ কি? অলপ চিন্তা-ভাবনাৰ পাছত ধৰিব পাৰিছিলো,— সেইটো আয়'ডাইড হ'ব লাগে। কিতাপত ইংৰাজীত Iodide বুলি ছপা কৰা আছে চাগৈ; আৰু তাৰে প্ৰথম আখৰটো শিক্ষকজনে সৰুফলাৰ এল (l) বুলি পঢ়িছে। এইটো কেনেকৈ সম্ভৱ হ'ব পাৰে ভাবি অবাক হৈছিলো। (মহেশ চন্দ্ৰ দেৱ গোস্বামী ছাৰৰ নাম উল্লেখ কৰোঁতে এটা কথা মনত পৰিছে। আমাৰ নৃপেন ককাইদেউ চকুৰ ছানি কটাবলৈ গুৱাহাটীলৈ আহিছিল। ব্ৰহ্মপুত্ৰৰ পাৰত থকা মেডিকেল কলেজ হস্পিটেলত যিদিনা ড. লক্ষণ চন্দ্ৰ দত্তই তেখেতৰ চকুৰ অপাৰেশ্যন কৰিলে, সেইদিনা মই গোটেই ৰাতি তেখেতক পৰ দিবলগীয়া হৈছিল। সেই ৰাতি মই মহেশ চন্দ্ৰ দেৱ গোস্বামী ছাৰে লিখা তৰ্কবিজ্ঞানৰ পাণ্ডুলিপিৰ অধ্যায়কেইটামান পঢ়ি শেষ কৰিছিলো। তেখেতৰ গোট-গোট আখৰবোৰৰ চেহেৰা এতিয়াও মনত আছে।)

অসমীয়া মাধ্যমত শিক্ষাদানৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল যেতিয়া, লাহে-লাহে অনা-অসমীয়া শিক্ষক আৰু অন্যান্য লোককো আমাৰ আঁচনিখনৰ জৰিয়তে অসমীয়া ভাষাটো শিকাৰ সুবিধা দিব পাৰিলে ভাল হয়;— এই ভাবি আমি ড. মুকুন্দ মাধৱ শৰ্মাই প্ৰণয়ন কৰা Assamese Lessons নামৰ কিতাপ এখনো প্ৰকাশ কৰিছিলো। ড. শৰ্মাই আমাক আৰু এটা কামত সহায় কৰিছিল। ৰজনীকান্ত দেৱ শৰ্মা ছাৰৰ কথা শুনি-শুনি মোৰ ধাৰণা হৈছিল,— সংস্কৃত শব্দৰ অসমীয়া অৰ্থ থকা অভিধান এখন আমাৰ বাবে উপকাৰী হ'ব। সমন্বয় সমিতিয়ে এই কথাত হয়ভৰ দিছিল আৰু ঘাইকৈ বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ শিক্ষকসকলে প্ৰস্তুত কৰা অভিধানখনৰ পাণ্ডুলিপি ড. মুকুন্দ মাধৱ শৰ্মাই সম্পাদনা কৰিছিল। মই বিশ্ববিদ্যালয়ত থকালৈকে অভিধানখনৰ ছপা কাম আৰম্ভ হোৱা নাছিল। মোৰ হেঁপাহৰ আৰু এখন কিতাপ মই পাণ্ডুলিপিৰ অৱস্থাতে এৰি থৈ আহিছিলো। ভূগোলবিজ্ঞানত নদী, পৰ্বত, ঠাই, হ্ৰদ, সাগৰ, উপসাগৰ আদিৰ যিমানবোৰ নাম পোৱা যায়, সেইবোৰৰ কিছুমান অসমীয়াত লিখোঁতে নানা ধৰণৰ খেলিমেলি হোৱা দেখা যায়। পাঠ্যপুথি প্ৰস্তুত কৰাৰ সময়ত এই খেলিমেলিবোৰে আমাক বৰ আমনি কৰিছিল। গতিকে ভূগোলৰ অন্তৰ্ভুক্ত সকলো নাম শুদ্ধকৈ লিখা অসমীয়া কিতাপ এখন প্ৰকাশ কৰাটো প্ৰয়োজনী কাম বুলি ভাবিছিলো। ড. মহম্মদ তাহেৰে কিতাপখনৰ পাণ্ডুলিপি প্ৰস্তুত কৰি দিছিল।

হ'ব। এৰিলো। জোৰকৈ নেৰিলে পাঠ্যপুথি সম্পৰ্কীয় বিষয়টো এৰা মোৰ কাৰণে টান কাম।

বিৱাল্লিবে নম্বৰ ঘৰ এৰি চৌৱন নম্বৰ ঘৰলৈ অহাৰ কাহিনীটো পাছত ক'ম বুলি

কৈ থৈছিলো। এতিয়া কওঁ। ৰিডাৰ হোৱাৰ পাছত, বিশেষকৈ সংসাৰ পতা আৰু বঢ়াৰ পাছত, মই এটা ডাঙৰ ঘৰ বিচাৰি বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত আবেদন-নিবেদন কৰি আছিলো। সেই সময়ত বিশ্ববিদ্যালয় চৌহদত শিক্ষকৰ বাবে থকা ঘৰবোৰৰ ভিতৰত আমি থকা ঘৰটো আটাইতকৈ সৰু শ্ৰেণীৰ আছিল। পদবী অনুসৰি তাতকৈ ডাঙৰ ঘৰ এটা মোৰ প্ৰাপ্য আছিল আৰু তেনেকুবা ঘৰ এটাৰ প্ৰয়োজনো হৈছিল। কিন্তু কৰ্তৃপক্ষই হ'ব হ'ব কৰি থাকে; দুই-এটা ডাঙৰ ঘৰ খালী হয়, মোক নিদিয়েহে নিদিয়ে। এসময়ত মই পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব হ'লো, সেইটো প্ৰফেছাৰৰ পৰ্যায়ৰ চাকৰি; তথাপি কৰ্তৃপক্ষৰ মোৰ আবেদন-নিবেদনৰ প্ৰতি কাণসাৰ নাই। কিছুদিনৰ পাছত বিশ্ববিদ্যালয়ৰ সমাবৰ্তন সভাৰ দিন পৰিল। এই সভাৰ আয়োজনৰ বাবে উপাচাৰ্যৰ কোঠালিত সভা এখন আহ্বান কৰা হ'ল। এইখন সভাত মই উপস্থিত থাকিবই লাগে, আৰু মোৰ ওপৰত কি দায়িত্ব পৰিব মই জানোৱেই। ১৯৬১ চনত চাকৰিত যোগ দিয়াৰে পৰা সমাবৰ্তনৰ মণ্ডপৰ সাজ-সজ্জাৰ কাম আৰু ৰাতিৰ 'সাংস্কৃতিক সন্ধিয়া'ৰ ভাৰ মোৰ ওপৰতে পৰি আহিছিল। প্ৰথমখন সমাবৰ্তন পাতিব লগা হৈছিল নেহৰু ষ্টেডিয়ামত। পথাৰত সজা মঞ্চত মুখ্য ব্যক্তিসকল, গেলেৰিত ডিগ্ৰি ল'বলৈ অহাসকল, মাজত প্ৰচণ্ড ৰ'দ! সেই তেতিয়াৰে পৰা চলি আহিছে— সমাবৰ্তন অনুষ্ঠানৰ দুটামান বিষয়ে অইন কোনেও একো ভাবিব নালাগে; মই ভাবিলেই হ'ল। সেইবাৰ মই ঠিক কৰিলো,— মই মিটিঙলৈকে নাযাওঁ। ৰাতিপুৱাই উপাচাৰ্যলৈ এখন চিঠি লিখিলো ঃ নিজৰ কৰ্তব্যৰ বাহিৰেও মই বিশ্ববিদ্যালয়ৰ নানান কাম কঠোৰ পৰিশ্ৰমেৰে কৰি আছোঁ; কিন্তু বিশ্ববিদ্যালয়ে মোৰ সুখ-সুবিধাৰ কথা ভবা নাই। ইমান দিনে বিশ্ববিদ্যালয়ে মোক ডাঙৰ ঘৰ এটাকে নিদিলে; গতিকে মই কনভকেশ্যনৰ একো কাম নকৰোঁ। লিখি উঠি চিঠিখন কাষৰ ঘৰত থকা ইংৰাজীৰ শিক্ষক ভোলা বেনাৰ্জীক ফেন্সিঙৰ ওপৰেদি দেখুৱালো,— কেনে হৈছে? তেখেতে মুক্ত কণ্ঠে মোক উচটাই দি ক'লে,— বঢ়িয়া হৈছে। এতিয়াই পঠিয়াই দিয়ক। ধেমালি নে কি!

সভা আৰম্ভ হোৱাৰ সময়তে পোৱাকৈ চিঠিখন উপাচাৰ্য ড. মথুৰা নাথ গোস্বামীলৈ পঠাই দিলো।

সঁচাকৈয়ে সেইবাৰ মই সমাবৰ্তন অনুষ্ঠানৰ একো কাম নকৰিলো। দুখো লাগিছিল। সেই যে এৰা পৰিল, পৰিলেই। আৰু কেতিয়াও মই সেই কামলৈ নগ'লো। পাছৰ বছৰত যুব মহোৎসৱৰ কামো এৰিলো।

মোৰ চিঠিখনে কিমান কাম কৰিলে নাজানো, কিন্তু কিছুদিনৰ পাছতে অৰ্থবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড. টমাছৰ কাৰ্যকাল শেষ হ'ল; তেখেত দাক্ষিণ্যত্যৰ নিজা ঘৰলৈ উভতি গ'ল; তেখেত থকা ঘৰটো মই পালো। আগতে আমাৰ ঘৰটোৰ আগবাৰাণ্ডাত থিয় দিলে ড. হিতেন্দ্ৰ নাথ বৰুৱা, ড. পবন চন্দ্ৰ মহন্ত আৰু ড.

জ্যোতিপ্ৰসাদ মেধি ছাৰৰ ঘৰৰ আগফালবোৰ দেখোঁ; এতিয়া নতুন ঘৰটোৰ আগবাৰাণ্ডাৰ পৰা তেখেতসকলৰ ঘৰৰ পিছফালবোৰ দেখা হ'লো।

ডাঙৰ ঘৰ। আহল-বহল চৌহদ। আগৰ ঘৰটোতকৈ বহু বেছি তৎপৰতাৰে নতুন ঘৰটো সজোৱাত লাগিলো। ডবল কোৰ মৰাই খেৰ-ঘাঁহ মূঢ়াৰে সৈতে উঘলালো, মুকলি-মঞ্চৰ (Open-air Theatre) ওচৰৰ খেল-পথাৰত থকা ৰ'লাৰটো অনাই মাটি সমান কৰালো, চেপেটা ঘাঁহ ৰোৱালো, বেৰাৰ কাষে-কাষে হে'জ কৰিবলৈ জবাফুলৰ ডাল ৰোৱালো, পেপাৰ দিয়া, গাখীৰ দিয়া মানুহ, ভিখাৰী আদিয়ে গে'ট খুলি থৈ গ'লে গৰু সোমায় কাৰণে বিশেষ কৌশলেৰে স্প্ৰিং লগোৱা দুই নম্বৰ জপনা এখন দিয়ালো; পিছফালে পাছলি-বাৰী পাতিলো;—বাচ,— এবছৰৰ ভিতৰতে চৌহদ বিতোপন।

বিৰান্নবৈ নম্বৰ ঘৰটো বাৰু বিশ্ববিদ্যালয় চৌহদত মোৰ প্ৰথম ঘৰ কাৰণে সেইটোৰ কথা অলপ বহলাই লিখিছিলো;— কিন্তু এইটো ঘৰৰ কথা কিয় ইমানকৈ লিখিছোঁ? তাৰ কাৰণ হ'ল,— এইটো মোৰ জীৱনৰ প্ৰথমখন চলচ্চিত্ৰ সন্ধ্যাৰাগৰ ঘৰ আছিল, এইটো ঘৰতে মোৰ দ্বিতীয় সন্তান ৰশ্মিৰ জন্ম হৈছিল, আৰু বিশ্ববিদ্যালয় এৰি আহোঁতে এইটো ঘৰৰ পৰাই ওলাই আহিছিলো।

সেই কটন কলেজৰ দিনতে চলচ্চিত্ৰ নিৰ্মাণৰ চিন্তা মগজত সোমাইছিল; মাজতে কেতিয়াবা চিন্তাটো তল পৰিলেও কেতিয়াও মগজৰ পৰা ওলাই যোৱা নাছিল। ১৯৭৬ চনৰ বছৰটোৰ প্ৰথম দিনা পুৱা যেতিয়া এৰি অহা বছৰটোৰ হিচাপ ল'লো, তেতিয়া মন কৰিলো, চাকৰিৰ কামৰ হেঁচা সম্পূৰ্ণভাৱে নিয়ন্ত্ৰণলৈ আহিছে;— এতিয়া মই ব্যক্তিগত নতুন কামৰ কথা ভাবিব পাৰোঁ। তেতিয়াই ঠিক কৰিলো,— নতুন বছৰটোত মই হয় এখন উপন্যাস লিখিম, নহয় এখন চলচ্চিত্ৰ নিৰ্মাণৰ কাম হাতত লম। দুদিনমান ভাবি ঠিক কৰিলো, লিখা কামটো অইন কামৰ মাজে-মাজে কেনেকৈ কৰিব লাগে, সেই বিষয়ে মই ইতিমধ্যে এটা ব্যৱস্থা কৰি লৈছোঁ;— উপন্যাসো তেনেকৈয়ে লিখিম; কিন্তু মনত উদ্যম এটা অনুভৱ কৰোঁতেই চলচ্চিত্ৰ নিৰ্মাণৰ কামটো কৰা ভাল হ'ব।

ভালেমান দিনৰ আগৰ পৰা কেতিয়াবা চলচ্চিত্ৰ কৰিলে মই লিখা 'বানপ্ৰস্থ' নামৰ গল্পটো লৈয়ে কৰিম বুলি ভাবি থৈছিলো। জানুৱাৰি মাহৰ পৰাই চিত্ৰনাট্য লিখিবলৈ আৰম্ভ কৰিলো। চিত্ৰনাট্য লিখা কিয়, চলচ্চিত্ৰ নিৰ্মাণৰ কোনো বিভাগতে মোৰ আনুষ্ঠানিক বিদ্যা নাছিল। ভালেমান চলচ্চিত্ৰ মন দি চাইছিলো; দুই-এখন কিতাপ পঢ়িছিলো, পদাৰ্থবিজ্ঞান পঢ়া কালত কেমেৰা, ছাউণ্ড আদিৰ তাত্ত্বিক দিশৰ কথাবোৰ ভালকৈ জানিছিলো;— সিমানেই। পৰ্দাত মই গল্পটো কেনেকৈ ওলোৱাটো বিচাৰোঁ, সেইটো ঠিক কৰি লৈ, কোনখন ছবিৰ পাছত কোনখন ছবি,— অৰ্থাৎ কোনটো শ্বটৰ পাছত কোনটো শ্বট ওলাব, সেইটো পৰ্দাত দেখি যোৱাৰ নিচিনাকৈ কল্পনা কৰি চিত্ৰনাট্য

লিখি গ'লো। সাধাৰণতে চিত্ৰনাট্যত কাহিনীটো Scene বা Sequence-অত ভাগ কৰি লিখি যোৱা হয় আৰু দৃশ্য গ্ৰহণৰ আগে-আগে শ্বট হিচাপে ভাগ কৰি লোৱা হয়; মই কিন্তু প্ৰথমতেই যিমান পাৰোঁ শ্বট হিচাপে লিখি যোৱাৰ চেষ্টা কৰিলো। মোৰ তেতিয়াৰ জ্ঞান মতে ৯৮৯ টা শ্বটত চিত্ৰনাট্য লিখি শেষ কৰিলো। (পাছত, দৃশ্য গ্ৰহণৰ সময়ত অৱশ্যে শ্বটৰ সংখ্যা ৯৮৯ টা হৈ নাথাকিল। কোনোবাটো শ্বটক আকৌ ভাগ-ভাগ কৰিবলগীয়া হ'ল, কেতিয়াবা দুটা শ্বট লগ লগাই এটা কৰিবলগীয়া হ'ল; কোনোবাটো বিসৰ্জন দিবলগীয়া হ'ল,— ইত্যাদি নানা ধৰণৰ ঘটনা ঘটিল। কিন্তু এনেকৈ চিত্ৰনাট্যখন লিখি উলিওৱাৰ কাৰণে পাছলৈ মই কাম কৰোঁতে বহুত সুবিধা পাইছিলো। গতিকে পাছৰ চলচ্চিত্ৰবোৰৰ ক্ষেত্ৰতো মই এই পদ্ধতি এৰা নাছিলো।)

লিখি উঠাৰ পাছত ঠিক কৰিলো,— চলচ্চিত্ৰখনৰ গুৰুত্বপূৰ্ণ চৰিত্ৰৰ অভিনেতা-অভিনেত্ৰী, কেমেৰামেন, সহকাৰী পৰিচালক আদি সকলোকে চিত্ৰনাট্যখনৰ একোটা কপি আগতীয়াকৈ পঢ়িবলৈ দিম। এই ভাবি চিত্ৰনাট্যখন ষ্টেনছিলত টাইপ কৰালো, আৰু তাৰ চল্লিছটা কপি বন্ধাই উলিয়ালো।

চিত্ৰনাট্য হ'ল; এতিয়া কাম আৰম্ভ কৰিবলৈ পইচা? মনেৰে যিমানেই আগ নাবাঢ়োঁ কিয়, এই কামটোৰ কাৰণে মই অইন একো আয়োজন কৰা নাছিলো। আনকি চিত্ৰনাট্যখন লিখাৰ পৰা চল্লিছটা কপি প্ৰস্তুত কৰালৈকে এইখিনি কামৰ কাৰণেও ফাঁচীবজাৰৰ (কমাৰপটিৰ) হিন্দ ছেণ্ট্ৰেল ষ্ট'ৰছৰ মালিক শ্ৰীহাৰাণ শৰ্মাই মোক ষ্টেনছিল, ডুপ্লিকেটিং পেপাৰ আদি,— মুঠতে ৩৫৬ টকাৰ বস্তু বাকীকৈ দিছিল। লগতে তেখেতে উইং-চাং ফাউণ্টেইন পে'ন এটা দি কৈছিল,—"এইটোৰ দাম দিব নালাগে। এইটোৰে আপুনি লিখিব।"

গতিকে, চলচ্চিত্ৰ নিৰ্মাণৰ কামত পইচা খটুউৱা মানহজনক যদি প্ৰযোজক বোলে, তেনেহ'লে মোৰ চলচ্ছিত্ৰ-কৰ্মৰ প্ৰথম প্ৰযোজক হ'ল শ্ৰীশৰ্মা।

পাছলৈ কেইবাখনো চলচ্চিত্ৰ নিৰ্মাণ কৰিলো; প্ৰত্যেকখনৰে নিৰ্মাণপৰ্বৰ লগত কিছুমান বৈশিষ্ট্যপূৰ্ণ, বৈচিত্ৰ্যপূৰ্ণ কথা জড়িত আছে; কিন্তু প্ৰথম চলচ্চিত্ৰখনৰ নিৰ্মাণপৰ্বৰ কথাবোৰ বেছি মৰমৰ. অধিক স্মৰণীয় যেন লাগে; আৰু চলচ্চিত্ৰ-ক্ষেত্ৰখনৰ কথা ভাবিলে সেই কথাবোৰেই বেছিকৈ মনলৈ আহি থাকে। গতিকে ঠিক কৰিছোঁ,— সন্ধ্যাৰাগৰ কথা যি মনলৈ আহে লিখি যাওঁ।

সেই সময়ত অসম ৰাজ্যিক চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগমৰ পৰিচালন সঞ্চালক আছিল ৰুদ্ৰ বৰুৱা। তেখেত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ

সঞ্চালকো আছিল। চিত্ৰনাট্য লিখিবলৈ লওঁতেই মই তেখেতক কৈছিলো,— মই নিগমৰ পৰা ধন ধাৰলৈ বিচাৰিম; অন্ততঃ কিছু ধন নিগমৰ পৰা পালে মই সকাহ পাম। এদিন তেখেত বিশ্ববিদ্যালয়ৰ ড. বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহৰ এটা অনুষ্ঠানলৈ আহিছিল। অনুষ্ঠানৰ শেষত, তেখেতৰ গাড়ীৰ ওচৰত, মই চিত্ৰনাট্যখনৰ চাৰিটা কপি তেখেতক হাতে-হাতে দিছিলো।

১৯৭৬ চনৰ বাবে মই যিখন ডায়েৰি কিনি লৈছিলো, আগৰ কেইবা বছৰো দৰে সেইখনো ডায়েৰি হিচাপে ব্যৱহাৰ কৰিবলৈ নহ'ল; টোকা, হিচাপ আৰু ঠিকনাৰ বহী হিচাপেহে ব্যৱহাৰ কৰিলো।—'কাঁহী-বাটি ধোৱা ঠাইত চাৰু আৰু মতি। নলাত জাবৰ। মতিয়ে কোৰেৰে জাবৰ আঁতৰাইছে।"— এই ধৰণৰ টোকা। ঠিকনাৰ বহী হিচাপে সেইখন ১৯৮০ চনলৈকে ব্যৱহাৰ কৰাৰ প্ৰমাণ আছে। কিন্তু কেইটামান তাৰিখৰ ঘৰত সেইকেইদিন কি কৰিছিলো, চমুকৈ সেয়াও লিখা আছে। ডায়েৰিখনৰ মতে জুন মাহৰ ত্ৰিছ তাৰিখ বুধবাৰে মই চিত্ৰনাট্যকেইখন বৰুৱা ককাইদেউক দিছিলো; সেই সময়ত তেখেতৰ ওচৰত আছিল কৃষ্ণমূৰ্তি হাজৰিকা। তাৰ কেইদিনমানৰ পাছতে ধন ধাৰলৈ বিচৰা দৰখাস্তখন তেখেতৰ অফিছত জমা দিছিলো।

কিন্তু নিগমে বা কি কৰে! নিগমৰ মেল-মিটিঙৰ কথা আছে, সদস্যসকলৰ মতামতৰ কথা আছে;— তাতে মই চলচ্চিত্ৰৰ ক্ষেত্ৰত নতুন মানুহ,— মোক টকা ধাৰলৈ দিয়াটো নিগমেতো যুক্তিযুক্ত বুলি নাভাবিও পাৰে! নিশ্চয় পাৰে। কিন্তু নিগমে ধন নিদিলেও মইতো মোৰ কাম কৰিমেই! প্ৰভিডেণ্ট ফাণ্ডত কিমান টকা গোট খাইছে খবৰ ল'লো। প্ৰীতিৰ এজন ককায়েক নৃপেন হাজৰিকাই মণ্ডলদৈত চাকৰি কৰে; তেওঁ পাঁচ হাজাৰ টকা ধাৰলৈ দিব বুলি কৈ থৈছিল। ভাবিলো— কিবা নহয় কিবা উপায়েৰে পইচাৰ জোৰা মৰিবই মৰিব। যিটো কাম কৰিবলৈ ওলাইছোঁ, সেইটোতহে মন দিয়া দৰকাৰ। প্ৰথমতে অভিনেত্ৰীৰ কথা। সেই সময়ত ৰুদ্ৰ বৰুৱাই সাংস্কৃতিক সঞ্চালকালয়ৰ বিভিন্ন কামৰ ক্ষেত্ৰত মোৰ লগত এটা সুসম্পৰ্ক ৰক্ষা কৰিছিল। সঞ্চালকালয়ে নিজৰ নাট বিভাগ এটা প্ৰতিষ্ঠা কৰিব; তাৰ বাবে অভিনেতা-অভিনেত্ৰী নিৰ্বাচন কৰিব, আৰু মই হ'লো সেই নিৰ্বাচন সমিতিৰ এজন সদস্য। সেই নিৰ্বাচনত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকল আছিল, — প্ৰাঞ্জল শইকীয়া, ৰবীন নেওগ, খালেক চৌধুৰী, ৰুণু দেৱী, পূৰ্ণিমা পাঠক আৰু চেতনা দাস। খালেক চৌধুৰীক মই পাছৰ জীৱনত লগ পোৱা নাই; কিন্তু অভিনয়-জগতৰ লগত বাকীকেইজনৰ সম্পৰ্কটো লক্ষ্য কৰি আজিও মই সেইদিনাৰ নিৰ্বাচন-প্ৰক্ৰিয়াটোৰ কথা মনত পেলাই এক ধৰণৰ সন্তুষ্টি লাভ কৰোঁ। মনত পৰে,— ৰুণু দেৱীক মই কৈছিলো,— ধৰি লোৱা তোমাৰ কিলাকুটিৰ ভাঁজত ধুই, চেপি অনা কাপোৰ কেইটামান আছে; তাঁৰ এডালত তুমি এটা-এটাকৈ কাপোৰবোৰ মেলি দি

আছা। হঠাতে দেখিলা,-— দূৰৰ বাটেদি চিনাকি ল'ৰা এটা গৈ আছে। তাক তোমাৰ কিবা এটা ক'বলগীয়া আছে; গতিকে তুমি তাক চিঞৰি-চিঞৰি মাতিছা।— এইকণ অভিনয় কৰা।

সন্ধ্যাৰাগৰ বাবে অভিনেত্ৰী ঠিক কৰিবৰ সময়ত সেইদিনা ৰুণু আৰু পূৰ্ণিমাই কৰা অভিনয়ৰ কথা মোৰ প্ৰথমে মনলৈ আহিছিল। গঢ়-পিত, খোজ-কাটল, গা-গাৰি, অভিনয়,— এটাইকেইটা দিশৰ পৰা ৰুণু চাৰুৰ কাৰণে আৰু পূৰ্ণিমা মতি ড্ৰাইভাৰৰ ঘৈণীয়েক সাবিত্ৰীৰ কাৰণে উপযোগী হ'ব বুলি সিদ্ধান্ত কৰিছিলো। ভালেমান দিনৰ আগতে যে আকাশবাণীৰ 'মুকলি চ'ৰা' অনুষ্ঠান এটা পৰিচালনা কৰিছিলো, তেতিয়া মায়া বৰুৱাৰ (প্ৰান্তিকৰ সম্পাদক প্ৰদীপ বৰুৱাৰ পৰিবাৰ) কথাৰ সুৰ আৰু কথা কোৱাৰ ভংগীটো লক্ষ্য কৰিছিলো;— তেওঁ নন্দন দাসৰ পৰিবাৰ অমলাৰ কাৰণে উপযোগী হ'ব বুলি ভাবিছিলো। চাৰু-তৰুৰ মাকৰ কাৰণে ৰুদ্ৰ বৰুৱাৰ পৰিবাৰ আৰতি বৰুৱা, উৰ্মিলাৰ কাৰণে মোৰ বন্ধু প্ৰদীপ দত্তৰ পৰিবাৰ নানু দত্ত, তৰুৰ বাবে উত্তৰ লক্ষীমপুৰৰ (প্ৰীতিৰ ভতিজায়েক) ৰাজু বৰদলৈ, ডাঙৰ কান্তাৰ বাবে কাশ্মীৰী শইকীয়া;— মুঠতে মই লগ পোৱা মানুহখিনিৰ ভিতৰত চৰিত্ৰৰ লগত যেয়ে খাপ খাব বুলি ধাৰণা হৈছিল, তেওঁকে মই বাছি লৈছিলো। আগতে মুভি কেমেৰাৰ আগত থিয় হৈয়েই পোৱা নাই, কেতিয়াও অভিনয় কৰি পোৱা নাই,— এনেকুৱা কথাৰ ওপৰত মই গুৰুত্ব দিয়া নাছিলো। শিকালে পাৰিব,— এই ধাৰণাটো হোৱাৰ পাছত মই তেওঁলোকৰ বাকীবোৰ গুণৰ ওপৰত গুৰুত্ব দিছিলো। নাৰী চৰিত্ৰৰ বাবে মানুহখিনি গোটোৱাৰ সময়ত মই এদিন ৰুদ্ৰ বৰুৱাক কৈছিলো,— ককাইদেউ; ছিনেমা বুলিলে মানুহে নানান ধৰণৰ কথা কয় আৰু ভাবে। মই এই সম্ভ্ৰান্ত পৰিয়ালৰ মানুহখিনিৰ ক্ষেত্ৰত এটা কথা মনত ৰাখিম,— মোৰ এই ফিল্মখনত অভিনয় কৰাৰ কাৰণে প্ৰত্যেকৰে যেন অকণমান হ'লেও সন্মান বাঢ়ে;— কাৰো অকণো নকমে। প্ৰত্যেকেই যেন অধিক সন্মানেৰে নিজৰ সংসাৰখনৰ আগৰ ঠাইলৈ উভতি যাব পাৰে।

পুৰুষ চৰিত্ৰখিনিৰ বাবে ঈশান বৰুৱা, অৰুণ শৰ্মা, আনন্দমোহন ভাগৱতী, বিষ্ণু বৰুৱাৰ পৰা আৰম্ভ কৰি, অভিনয়ৰ প্ৰতি প্ৰবল আগ্ৰহ থকা মেডিকেল কলেজৰ ছাত্ৰ হেমেন বৰ্মনলৈকে,— বহু লোকে মোৰ অনুৰোধ ৰক্ষা কৰি আন্তৰিকতাৰে সহায় কৰিবলৈ আগবাঢ়ি আহিছিল। মই তেওঁলোকৰ আগ্ৰহ দেখি অভিভূত হৈছিলো আৰু তেওঁলোকৰ প্ৰতি কৃতজ্ঞ হৈছিলো।

অৱশ্যে চলচ্চিত্ৰ নিৰ্মাণৰ সিদ্ধান্তটো লোৱাৰ পাছৰে পৰা অভিনেতা-অভিনেত্ৰী বাছি উলিওৱাৰ বাবে মই চকু-মন মুকলি কৰি ৰাখিছিলো। নগাঁৱৰ অভিনেত্ৰী বকুল শইকীয়াক চলচ্চিত্ৰৰ লগত অভিনেত্ৰী হিচাপে জড়িত কৰাৰ চেষ্টা যে সেই ১৯৫৭ চনতে কৰিছিলো, সেই বিষয়ে আগতে কৈ থৈছোঁ। সন্ধ্যাৰাগৰ সময়তো তেওঁৰ কথা

মোৰ মনলৈ আহিছিল। ডায়েৰিখনত লিখি থোৱা এটা সৰু টোকা মতে ঃ জুন মাহৰ ২৭ তাৰিখ দেওবাৰে ৰাতি তেজপুৰৰ বকুল দাসৰ (আগৰ শইকীয়া) ঘৰত ভাত খালো। তেওঁ এতিয়া শকত হ'ল। মই ভবা চৰিত্ৰটোৰ অভিনয়ৰ বাবে সুবিধাজনক নহ'ব।

(অন্য এটা অপ্ৰাসংগিক, আমোদজনক কথা;— তাৰ পিছৰ তাৰিখটোৰ ঘৰত লিখা আছে ঃ আবেলি লেখকৰ সভালৈ গ'লো। শ্ৰী হিতেশ্বৰ শইকীয়াই সুধিলে, Participate কৰিব নে কি? মই "আজি" নকৰোঁ বুলি ক'লো।— এইটোনো কি ঘটনা আছিল এতিয়া মনত পেলাব পৰা নাই। "আজি" শব্দটোনো কিয় উৰ্ধ্বকমাৰ মাজত লিখিছিলো? পাছদিনা কিবা আলোচনাত অংশগ্ৰহণ কৰিছিলো নে কি? মনত নপৰে।)

এদিন বৰঝাৰ বিমান-বন্দৰত ল'ৰা এজন দেখিলো;— ভাল স্বাস্থ্যৰ, ওখ-পাখ ল'ৰা; গহীন-গম্ভীৰ খোজেৰে বিমানত উঠিবলৈ গৈ আছে। ওচৰে-ওচৰে ময়ো গৈ আছোঁ। এসময়ত তেওঁক মই সুধিলো,— তোমাৰ নাম কি, ঘৰ ক'ত? অভিনয়ৰ প্ৰতি আগ্ৰহ আছে নে কি?— ইত্যাদি। শেষত তেওঁক সুধিলো,— এদিন মোক লগ ধৰিব পাৰিবা নে?

তেওঁৰ নাম তাপস দত্ত। সন্ধ্যাৰাগত তেওঁ ইঞ্জিনিয়াৰিং পঢ়া ছাত্ৰ পিণ্টুৰ অভিনয় কৰিছিল।

ৰাহিদা খানম নামৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰী এগৰাকীক তৰুৰ চৰিত্ৰটোৰ কাৰণে,— অন্ততঃ চেহেৰা-পাতিৰ ফালৰ পৰা, পছন্দ কৰিছিলো; কিন্তু তেওঁৰ অভিভাৱকসকলে তেওঁ ছিনেমাত অভিনয় কৰা কথাটো পছন্দ নকৰিলে। তেওঁৰ দেউতাকলৈ মই চাৰি পৃষ্ঠামানৰ চিঠি এখন লিখিছিলো; লাভ নহ'ল।

মুঠতে শতকৰা পচানবৈ ভাগ সুখ আৰু আনন্দৰ মাজেদি গুৰুত্বপূৰ্ণ এটাইবোৰ চৰিত্ৰৰ কাৰণে অভিনেতা-অভিনেত্ৰী বছা কামটো শেষ কৰিলো। বাকী থাকিল সৰু চাৰুৰ অভিনয় কৰিবলৈ সৰু ছোৱালী এজনী বাছি উলিওৱা কামটো। শুটিঙৰ কাৰণে জালুকবাৰী এৰাৰ আগলৈকে উপযুক্ত ছোৱালী এজনী চকুত নপৰিল। বৰ গুৰুত্বপূৰ্ণ চৰিত্ৰ; তথাপি তেতেলীসৰাতে সেই ছোৱালীজনী বিচাৰি উলিয়ামেই বুলি মৰসাহ কৰি অন্যান্য কামত মনোনিবেশ কৰিলো।

ইন্দুকল্প হাজৰিকাক মই তেওঁ পুনাত ছিনেমেট'গ্ৰাফি পঢ়ি থকা দিনৰে পৰা চিনি পাওঁ। তেওঁক চিত্ৰগ্ৰহণৰ দায়িত্ব দি চিত্ৰনাট্যখন পঢ়িবলৈ দিলো, আৰু তেওঁৰ লগত কেইদিনমান আলোচনাও কৰিলো। শেষত এদিন তেওঁক ক'লো,— তোমাক আৰু মোক টেকনিকেল কামত সহায় কৰিব পৰা মানুহখিনি তুমি যোগাৰ কৰা আৰু ছেপ্টেম্বৰ মাহত শুটিং কৰিব লাগিব বুলি সাজু হোৱা।

মই 'ফিল্ম কৰিবলৈ' ওলাইছোঁ বুলি শুনি এদিন গুণসিন্ধু হাজৰিকা নামৰ ডেকা এজন আমাৰ ঘৰলৈ আহিল। তেওঁ ক'লে,— ইতিমধ্যে তেওঁ কেইবাখনো অসমীয়া চলচ্চিত্ৰ নিৰ্মাণৰ সময়ত সহায়কাৰী আৰু সহকাৰী হিচাপে কাম কৰিছে; এতিয়া তেওঁ মোৰ লগত সহকাৰী পৰিচালক হিচাপে কাম কৰিব খোজে। মই তেওঁৰ ঘৰ, অতীত-জীৱন ইত্যাদিৰ খা-খবৰ ল'লো। ঘৰ নগাঁও জিলাৰ তেতেলীসৰাত; অতীত-জীৱন বৈচিত্ৰ্যময়। ১৯৬০ চনত পূৰ্ণ ৰায় নাম লৈ টকলা মূৰেৰে পশ্চিম বংগৰ পুৰুলিয়াত থকা ৰামকৃষ্ণ মিছনৰ অনাথ আশ্ৰমত, পাছৰ বছৰত শেখৰ নন্দী নাম লৈ বোম্বাইৰ এটা কিশোৰ-ভৱনত!

মই তেওঁক কামত লগাবলৈ সিদ্ধান্ত ল'লো, আৰু কেমেৰা-টুল, ট্ৰলি আদি নিৰ্মাণ কৰোৱাৰ দায়িত্ব দিলো। ভৰলুমুখৰ ভাৰাঘৰত থাকোঁতেই ছাক্সেনা উপাধিৰ মানুহ এজনৰ লগত মোৰ চিনাকি হৈছিল। তেওঁ গুৱাহাটীত ৰে'লডিঙৰ কাৰখানা এটা খুলিছিল। গুণসিন্ধুক তেওঁৰ লগ লগাই দিছিলো— ট্ৰলি এখন তৈয়াৰ কৰিবলৈ। অসমৰ বাহিৰৰ পৰা ট্ৰলি অনাই কাম কৰাৰ কথাটো মোৰ সামৰ্থ্যৰ বাহিৰত আছিল। গুণসিন্ধুৱে কামখিনি নিয়াৰিকৈ কৰি দিছিল। এদিন তেওঁক লগত লৈ ল'কেশ্যন চাবলৈ গ'লো। নগাঁও জিলাৰ গাঁৱৰ বাহিৰে অইন জিলাৰ গাঁও মোৰ বাবে সুবিধাজনক নহ'ব বুলি মই আগতেই ঠিক কৰি থৈছিলো। বেবেজিয়া, ঘাঁহী, দক্ষিণপাট, বৰজহা,— এই গাঁওকেইখন ঘূৰি শেষত আমি গুণসিন্ধুৰ গাঁও তেতেলীসৰা ওলালোগৈ। কামপুৰৰ পৰা কিছুদূৰৰ এখন সৰু গাঁও। গাঁওখনৰ মাজেদি যোৱা পকী ৰাস্তাটো এৰি ভিতৰ সোমালে শিলগুটি নপৰা, ইলেকট্ৰিছিটিৰ খুঁটা আৰু তাঁৰ নথকা কেঁচা ৰাস্তা পোৱা যায়; বাঁহৰ তৰ্জাৰ পয়োভৰ নথকা ঘৰ-বাৰী পোৱা যায়। মই তেনেকুৱা এটা অঞ্চলৰে সন্ধানত আছিলো। গছ-গছনি, মানুহবোৰৰ চেহেৰা-পাতি, মাত-কথা আদিও মোৰ প্ৰয়োজনৰ ফালৰ পৰা বৰ উপযুক্ত বুলি ভাবিলো। গতিকে সেইখন গাঁৱতে চিত্ৰগ্ৰহণৰ কাম কৰিম বুলি ঠিক কৰিলো। গুণসিন্ধুৱে ক'লে,— "আমাৰ ঘৰতে আপোনালোকে কেম্প পাতিব পাৰিব।"

"ইমানবোৰ মানুহ,— তোমালোকৰ ঘৰত?" তেওঁ ক'লে, "হ'ব; মই তাৰ ব্যৱস্থা কৰিম।"

পাছত আৰু এদিন গুৱাহাটী-নগাঁও বাটটোৰ দুয়োকাষৰ গছ-গছনি চাবলৈ গ'লো। ডায়েৰিত টুকি থোৱা আছে,— তিয়াল্লিছ নম্বৰ মাইলৰ খুঁটিৰ পৰা পঞ্চল্লিছ নম্বৰ মাইলৰ খুঁটিলৈকে— এই অঞ্চলৰ দুয়ো কাষৰ গছ-গছনিৰ ৰূপটো ভাল। মোৰ বাবে প্ৰয়োজনীয় চেহেৰাৰ শুকান, লঠঙা গছ এজোপা ছয়ত্ৰিছ মাইল তিনি ফাৰ্লং নম্বৰ খুঁটাটোৰ ওচৰত আছিল।

পাছত এদিন গুণসিন্ধুক অলপ পইচা দি তেওঁৰ ঘৰলৈ পঠালো। তেওঁ মূল ঘৰটোৰ পিছফালে অস্থায়ী পাগঘৰ, খোৱাঘৰ আৰু কেইজনমানৰ বাবে শোৱাঘৰ নিৰ্মাণৰ ব্যৱস্থা কৰি উভতি আহিল।

আযোজন অইন সকলো ফালে আগ বাঢ়িল, কিন্তু ধনৰ আয়োজনৰ গতিটোহে চিন্তাৰ বিষয় হৈ থাকিল। ৰুদ্ৰ ককাইদেৱে ক'লে,— নিগমৰ যিখন সমিতিয়ে মোৰ দৰখাস্তখন বিবেচনা কৰি সিদ্ধান্ত ল'ব পাৰে, সেই সমিতিখনত চৰকাৰৰ বিত্ত বিভাগৰ পৰা এজন সদস্য থাকিব লাগে; কিন্তু এতিয়ালৈকে চৰকাৰে সেই সদস্যজন নিয়োগ কৰা নাই; গতিকে সমিতিৰ সভাও বহুৱাব পৰা নাই। ছেপ্টেম্বৰৰ সাত তাৰিখে জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ' ছছাইটিৰ সভাপতি শ্ৰীবিজয়কৃষ্ণ সন্দিকৈক লগ ধৰি ষ্টুডিঅ'ৰ লাইটবোৰ তেতেলীসৰালৈ লৈ যোৱাৰ অনুমতি ল'লো। সেইদিনাই ৰুদ্ৰ ককাইদেউক খাটিলো,— আপুনি বিত্ত বিভাগৰ সদস্যজনৰ কাৰণে চৰকাৰক কওক। পাছদিনা তেখেতে ক'লে,— বিত্ত বিভাগৰ যুটীয়া সচিব ৰাজখোৱালৈ তেখেতে ফোন কৰিছিল; সদস্যজনৰ ব্যৱস্থা বোলে সোনকালেই হ'ব। সোনকালেই মানে বা কেতিয়া! মোৰ আঁচনি মতে শ্যুটিঙৰ কাৰণে তেতেলীসৰালৈ যাত্ৰা কৰাৰ দিনতো ওচৰ চাপিলেই!

কাম এটা কৰোঁ বুলি আঁকৰা লগা দি লাগিলে ক'ৰবাৰ পৰা নহয় ক'ৰবাৰ পৰা প্ৰয়োজনীয় সহায়বোৰ আহি থাকেই বুলি মই বিশ্বাস কৰোঁ। সেইবাৰো মোৰ বিশ্বাস ফলিয়ালে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থবিজ্ঞান বিভাগৰ শিক্ষক ড. উপেন্দ্ৰ নাথ বৰদলৈ মোৰ বন্ধু। তেখেতৰ লগত এবাৰ, আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি হিচাপে মই বোম্বাইৰ ভাৰতীয় জ্ঞানপীঠ চৌহদত অনুষ্ঠিত এখন আলোচনা-চক্ৰলৈ গৈছিলো। সেই আলোচনা-চক্ৰত মই কে. এম. মুন্সী, গজেন্দ্ৰ গাডকাৰ প্ৰমুখ্যে ভাৰতৰ কেইবাগৰাকীও ব্যক্তিৰ বক্তৃতা শুনিছিলো। তাৰ পাছত ভাৰতৰ ইমানখিনি গুণী-জ্ঞানী, প্ৰসিদ্ধ ব্যক্তিক একেখন মঞ্চতে মই আৰু কেতিয়াও দেখা নাই। ওচৰৰে মুকলি পথাৰৰ অইন এখন সভাত সাঁইবাবাৰ বক্তৃতাও শুনিছিলো। এই দুটা অনুষ্ঠানৰ বিষয়ে ক'বলৈ আৰম্ভ কৰিলেই সন্ধ্যাৰাগৰ পৰা বহু দূৰ আঁতৰি যাব লাগিব। সেই কামটো এতিয়া নকৰোঁ। (সাপ্তাহিক নীলাচল নামৰ কাকতখনত মই এই বিষয়ে কিছু কথা লিখিছিলো। সময়-সুবিধা পালে সেই লেখাটোকে গোটাবলৈ চেষ্টা কৰিম। প্ৰসংগ ক্ৰমে ঃ সাপ্তাহিক নীলাচল কাকতখনৰ জীৱনৰ প্ৰথমছোৱাত তাৰ শেষ পৃষ্ঠাটোত মই কিছুদিন বিভিন্ন বিষয় লৈ একোটা লেখা লিখিছিলো। শিতানটোৰ নাম আছিল 'মুখামুখি'। লক্ষ্মীনাথ বেজবৰুৱা-সম্পৰ্কীয় তথ্যচিত্ৰ এখন প্ৰথমবাৰৰ বাবে দেখুৱাবলৈ পতা অনুষ্ঠানত নিমন্ত্ৰিত-দৰ্শকৰ দুৰৱস্থা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়নবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড. ৰোহিণী কান্ত বৰুৱাৰ মৃতদেহ আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধী

সশৰীৰে, একে সময়তে বৰঝাৰ বিমান-বন্দৰত উপস্থিত হোৱাৰ সময়ত সমবেত লোকসকলৰ আচৰণ,— এয়া হ'ল সেইলানি লেখাৰ বিষয়বস্তুৰ উদাহৰণ।)

নাযাওঁ বুলিও আঁতৰি গ'লোৱেই। আকৌ ড. উপেন্দ্ৰ নাথ বৰদলৈৰ কথালৈ উভতি আহোঁ। তেখেত পাছলৈও, পাঠ্যপুথি-সংক্ৰান্ত কথাত, বা এনেয়েও মাজে-মাজে মোৰ অফিছ-কোঠাত বহেহি। এদিন মোৰ চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰয়াস আৰু আৰ্থিক সমস্যাৰ কথা ওলাওঁতে তেখেতে ক'লে,— "আপুনি ইউকো বেংকলৈ ধাৰ খুজি দৰখাস্ত এখন দিয়কচোন।"

ড. বৰদলৈ ইউনাইটেড কমাৰ্ছিয়েল বেংকৰ ব'ৰ্ড অৱ ডাইৰেক্টৰছৰ এগৰাকী ডাইৰেক্টৰ। বেংকৰ পৰা চলচ্চিত্ৰ নিৰ্মাণৰ বাবে ধাৰ লোৱাটো মোৰ চিন্তাৰ সাত ঢাপৰ বাহিৰৰ কথা আছিল। কিন্তু ডাইৰেক্টৰ এগৰাকীয়ে নিজেই কৈছে যেতিয়া, মই অবিলম্বে দৰখাস্ত লিখি তেখেতৰ হাততে দিলো। কেইদিনমানৰ পাছতে খবৰ পালো, বেংকটোৱে মোক প্ৰথম কিস্তি হিচাপে বিছ হাজাৰ টকা দিব; তাৰ বাবে মই যথোপযুক্ত বন্ধকীৰ ব্যৱস্থা কৰিব লাগিব। কিন্তু মই বন্ধকত থওঁ কি? বেলতলাত মাটি এডোখৰ কিনি থৈছোঁ; সেইডোখৰৰ দলিল-পত্ৰতো ৰুদ্ৰ ককাইদেউক দিয়া দৰখাস্তৰ লগতে দিলোৱেই! ড. বৰদলৈৰ পৰামৰ্শমতেই হ'বলা,— বেংকে ব্যৱস্থাবোৰ অলপ শিথিল কৰি দিলে। মোৰ চাকৰি আৰু দৰমহা সম্পৰ্কে বিশ্বৱিদ্যালয়ে এখন প্ৰমাণপত্ৰ দিব লাগিব; মোৰ ইন্সিঅ'ৰেন্সৰ কাগজ-পাতি যি আছে, সেইবোৰ বেংকত জমা দিব লাগিব, আৰু এজন প্ৰতিষ্ঠা থকা লোকে গেৰাণ্টিৰ কাকতত চহী কৰিব লাগিব। একে দিনাৰ ভিতৰতে এটাইখিনি কাকত বেংকত জমা দিলো। বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ শিক্ষক, কবি, প্ৰবন্ধকাৰ, চিন্তাবিদ ভবেন বৰুৱাই গেৰাণ্টিৰ কাকতত চহী কৰিলে।

এইখিনিতে এটা কথা কৈ থওঁ। সন্ধ্যাৰাগৰ পৰা 'কালসন্ধ্যালৈ'কে,— 'কোলাহল'ৰ বাহিৰে, মোৰ এটাইকেইখন চলচ্চিত্ৰৰ নাম ভবেন বৰুৱাই দিয়া।

ইউকো বেংকৰ পৰা টকা বিছ হাজাৰ পোৱাৰ পাছত অন্ততঃ দৃশ্যগ্ৰহণ পৰ্যায়ৰ কাম শেষ কৰিব পাৰিম বুলি মোৰ ধাৰণা হ'ল। ইতিমধ্যে প্ৰভিডেণ্ট ফাণ্ডৰ পৰা উলিয়াব পৰা এটাইখিনি টকা (প্ৰায় পোন্ধৰ হাজাৰ) উলিয়াই লৈছিলো। এছোৱা সময়ৰ বাবে মই ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চাকৰিৰ নিৰ্বাচন-সমিতিৰ সদস্য আছিলো। সেই সময়ছোৱাত পৰিষদৰ মুখ্য অভিযন্তা শ্ৰীনিৰ্মল কুমাৰ দাসৰ লগত মোৰ এটা ভাল সম্বন্ধ স্থাপিত হৈছিল। তেখেতক অনুৰোধ কৰিলো,— নগাঁও আৰু কামৰূপ জিলাৰ য'তে প্ৰয়োজন, ত'তে যাতে মই মূল্যৰ বিনিময়ত বিদ্যুতৰ যোগান পাওঁ, তাৰ বাবে আপুনি সংশ্লিষ্ট বিষয়াসকলক অনুৰোধ কৰি মোৰ হাতত এখন চিঠি দিয়ক। তেখেতে চিঠিখন দিলে। সেই সময়ত মোৰ সহপাঠী শ্ৰী প্ৰবোধ শৰ্মা সেই পৰিষদৰে উচ্চ পৰ্যায়ৰ বিষয়া

হৈছিলহি। তেওঁ প্ৰায় এক ফাৰ্লং দূৰৰ খুঁটাৰ পৰা বিদ্যুৎশক্তি আনিব পৰা জোখাৰে এসোপা মোটা-মোটা তাঁৰ ক'ৰবাৰ পৰা যোগাৰ কৰি দিলে। সেই তাঁৰৰ পৰা আৰম্ভ কৰি জ্যোতি চিত্ৰবনৰ কেমেৰালৈকে,— নানা ধৰণৰ বস্তু-বাহানি লৈ ছেপ্টেম্বৰ মাহৰ দহ তাৰিখে আমি তেতেলীসৰালৈ যাত্ৰা কৰিলো। সেই বস্তু-বাহানিবোৰৰ বহুতো মই আগতে কেতিয়াও দেখাই নাছিলো। মই এম্বেছেডৰ গাড়ী এখনৰ ড্ৰাইভাৰৰ কাষত বহি লৈছিলো। ঠাইৰ অভাৱত মোৰ ভৰিৰ কাষতো এটা বস্তু সুমুৱাই দিয়া হৈছিল। সেইটো বোলে কেমেৰাৰ ল' বে'ছ (low base)!

সন্ধিয়া সময়ত আমি তেতেলীসৰা পালোগৈ। গুণসিন্ধুৱে আগে-ভাগে গৈ আমাৰ থকা-মেলাৰ ব্যৱস্থাটোৰ তদাৰক কৰিছিল। গুণসিন্ধুৰ দেউতাকে চাহ-বাগিচাত চাকৰি কৰে; তেখেত বাগিচাতে আছিল। ঘৰত থকা মাক, ভায়েক আৰু ভনীয়েকে নিজৰ থকা-মেলাৰ ব্যৱস্থা সংকুচিত কৰি আমাৰ কাৰণে ঠাই উলিয়াই দিছিল। (কিন্তু দুদিনমানৰ পাছত গুণসিন্ধুৱে মাক আৰু ভনীয়েককো পঠিয়াই দি গোটেই ঘৰটো আমাৰ ব্যৱহাৰৰ কাৰণে মুকলি কৰি দিছিল।) আমি গৈ পোৱাৰ পাছতে গাঁওখনৰ কিছু মানুহ আমাৰ ওচৰত গোট খাইছিলহি। তেওঁলোকৰ মাজত এজন শিক্ষকো আছিল। মই তেওঁক একাষৰীয়াকৈ লগ ধৰি তেতিয়ালৈকে মোক উদ্বিগ্ন কৰি ৰখা আটাইতকৈ ডাঙৰ সমস্যাটোৰ বিষয়ে কথা পাতিলো। সৰু চাৰু। মোক এনেকুৱা-এনেকুৱা ছোৱালী এজনী লাগে। তেওঁ ক'লে,— তেওঁলোকৰ স্কুলত তেনেকুৱা, অভিনয় কৰিব পৰা, তজবজীয়া ছোৱালী এজনী আছে; — কাইলৈ তেওঁ মোক ছোৱালীজনী দেখুৱাব।

পাছদিনা পুৱাহে, ইন্দুকল্প হাজৰিকাই কাক-কাক সহকাৰী বা টেকনিছিয়ান হিচাপে গুৱাহাটীৰ পৰা লৈ গৈছে, তেওঁলোকৰ লগত ভালকৈ চা-চিনাকি হ'লো। লোহিত, টিটো, আবুল, বেণু—। গুৱাহাটীত এওঁলোকৰ মুখামুখি হ'বলৈ মই সময় উলিয়াব পৰা নাছিলো।

তাৰ পাছত গাঁওখনত এপাক ফুৰি আহোঁগৈ বুলি বাটলৈ ওলাইছোঁ, এনেতে সেই শিক্ষকজনে ছোৱালীজনী লৈ সেইখিনি পালেহি। ছোৱালীজনীয়ে স্কুলত এতিয়ালৈকে কি-কি ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাইছে, তেওঁ মোক তাৰ আভাস এটা দিলে। ছোৱালীজনীৰ লগত এনেয়ে গাঁৱৰে অইন এজনী ছোৱালীও আহিছিল। তাই ওচৰতে থিয় হৈ আমাৰ কথা শুনি আছিল। শিক্ষকজনৰ লগত পতা কথাৰ মাজে-মাজে মই তাইলৈ চাই আছিলো। এসময়ত মই তাইক সুধিলো,—তোমাৰ নাম কি? মামনি। মামনি দাস। মুখখন মৰম লগা; চকুযোৰত সৰল, অসহায়-অসহায় ভাব এটা লাগি আছে; ডাঙৰ হ'লে তাইৰ চেহেৰা ডাঙৰ চাৰু, অৰ্থাৎ ৰুণু দেৱীৰ নিচিনা হ'বগৈ পাৰে বুলি চলচ্চিত্ৰীয় সুবিধা লোৱাৰ সম্ভাৱনা আছে। লগে-লগে, সেই আলিবাটতে ঠিক কৰিলো,— তাই

আমাৰ সৰু চাৰু হ'ব। অভিনয়ৰ নিচিনা কাম তাই কেতিয়াও কৰা নাই? কোনো চিন্তা নাই।

ঘৰৰ পৰা ওলাওঁতে চৈধ্য তাৰিখৰ পৰা চিত্ৰগ্ৰহণ আৰম্ভ কৰিম বুলি ভাবি গৈছিলো; কিন্তু সৰু চাৰুক পোৱাৰ পাছত মোৰ বিশেষ কামেই নোহোৱা হ'ল। ইন্দুকল্পক ক'লো,— এনেয়ে কিয় বহি থাকোঁ? কাইলৈকে শ্বুটিং আৰম্ভ কৰোঁ দিয়া।

বাৰ তাৰিখে পুৱা চাহ-জলপান খাই ওলালো দলে-বলে আগদিনাই চাই থোৱা 'লোহাই মেম্বৰ'ৰ ঘৰলৈ। আমাৰ বস্তু-বাহানি কঢ়িওৱাৰ প্ৰধান বাহন আছিল দুখন ঠেলাগাড়ী। এই লোহাই মেম্বৰক মই সৰুতে আমাৰ কীৰ্তনঘৰ ৰোডৰ চুবুৰিত বহুদিন দেখিছিলো। পালনাম, সভা সমিতি আদিৰ ক্ষেত্ৰত তেখেত আগশাৰীৰ লোক আছিল, আৰু ৰাজহুৱা কামত প্ৰায়েই আমাৰ চুবুৰিলৈ গৈ আছিল। তেখেতৰ ইতিমধ্যে মৃত্যু হৈছিল আৰু তেখেতৰ ঘৰৰ চোতালতে যে আমি প্ৰথম কেমেৰা পাতিছিলোঁগৈ, সেই কথা তেতিয়া মই জনা নাছিলো।

মেম্বৰৰ ঘৰৰ চৌহদৰ সীমাত এজোপা ওখ আমগছ আছিল। সেইজোপাতে আমি আমাৰ চিত্ৰনাট্যৰ প্ৰথম শ্বটটো লম। Shot no. 1. LS (Long Shot)। — মুকুন্দ গছত উঠিছে। সি ওপৰৰ সৰু-সৰু ডালত ভৰি দি সাৱধানে আৰু ওপৰলৈ উঠিছে। হৰকান্ত নামৰ গছত উঠিব পৰা খেতিয়ক মানুহ এজনক মুকুন্দৰ ভাও লবলৈ সাজু কৰি থৈছিলো।

মুহুৰত বা শুভাৰম্ভজাতীয় কোনো অনুষ্ঠানৰ আয়োজন মই কৰা নাছিলো। (পাছলৈও কেতিয়াও কৰা নাই।) যি সৰ্বান্তঃকৰণে মোৰ মংগল কামনা কৰে বা কৰিছিল, তেখেতসকলক স্মৰণ কৰি মই দৃশ্যগ্ৰহণ আৰম্ভ কৰাবলৈ সাজু হ'লো। ইন্দুকল্পই নিজাববীয়াকৈ এপেকেট ধূপ লৈ গৈছিল; তাৰে ধূপকেইডালমান জ্বলাই তেওঁ কেমেৰাটোৰ অ'ত-ত'ত গুজি দিলে। মই মোৰ এশ সত্তৰ পৃষ্ঠাৰ কেঁচাবন্ধা চিত্ৰনাট্যৰ বহীখন ওচৰৰে বন্ধ দুৱাৰ এখনৰ ওচৰৰ চিৰিত থৈ ইন্দুকল্পৰ ক্ৰিয়া-কলাপ চাই আছিলো। হৰকান্তই গছৰ ফেৰেঙণিত বহি আমাৰ হুকুমলৈ বাট চাই আছিল। চোতালখন শ্বুটিং চাবলৈ গোটখোৱা মানুহেৰে ভৰি পৰিছিল। তেওঁলোকৰ মাজতে থকা এজনে (তেওঁ নিশ্চয় মেম্বৰৰ ঘৰৰে নাইবা নিচেই ওচৰৰ মানুহ আছিল) মোক ক'লে, "বোপাই, সেই দুৱাৰখনত ঠেলা এটা মাৰি দিয়াচোন।" মই যিটো চিৰিত চিত্ৰনাট্যখন থৈছিলো, মানুহজনে তাৰ ওপৰ ঢাপত থকা দুৱাৰখনৰ ফালে আঙুলিয়ালে। মই লাহেকৈ ঠেলি দিওঁতেই দুৱাৰখন মেল খাই গ'ল। তেতিয়াহে মন কৰিলো,— সেইটো গোসাঁইঘৰ; ভিতৰত থাপনা আছে। তাৰ পাছত মন কৰিলো, গৃহস্থই সমবেত সকলোৰে কাৰণে কল কেইআথিমান যোগাৰ কৰি থৈছে। ইন্দুকল্পই ধূপ জ্বলাই কেমেৰাটোক প্ৰণাম কৰি

উঠিছে, এনেতে বাটৰ পৰা গুৰু-গম্ভীৰ খোজেৰে চোতাললৈ সোমাই আহিল এটা হাতী। তাৰ পিঠিত মাউত। সমবেতসকলৰ এজনে মোৰ হাতত কল দুটা দি ক'লে, "আপুনিয়েই খুৱাই দিয়ক।" মই হাতীৰ মুখৰ ইমান ওচৰলৈ আগতে কেতিয়াও আহি পোৱা নাই; ভয়ে-ভয়ে কল দুটা তাৰ মুখৰ ফালে দাঙি ধৰিলো, বাকীখিনি কাম সি নিমিষতে সমাপ্ত কৰিলে। মানুহখিনিয়ে ক'লে,— এইটো হেনো আমাৰ কামটোৰ কাৰণে বৰ মংগলজনক কথা হ'ল।

ইন্দুক কাম আৰম্ভ কৰিবলৈ ক'লো। হৰকান্তক ওপৰলৈ উঠিবলৈ ক'লো।— "হ'ব, সেইখিনিতে বৈ থাকা। মই উঠিবলৈ ক'লে লাহে-লাহে, সাৱধানে আৰু ওপৰলৈ উঠি যাবা।" তাৰ পাছত ইন্দুকল্পই মোক কেমেৰাৰ মাজেদি দৃশ্যটো চাই ল'বলৈ ক'লে। চালো। ঘৰটোৰ টিনৰ চালৰ সিপাৰে গছজোপা। গছৰ আগভাগত, হৰকান্ত আৰু ওপৰলৈ উঠিবলৈ সাজু হৈ আছে। লোহিতে জুম লেনছখন ক্লজ কৰিলে। হৰকান্তই ওচৰ চাপি আহি গোটেই পৰ্দাখন আবৰি ধৰিলে। মই পুলকিত, শিহৰিত অনুভৱ কৰিলো। কেমেৰাৰ মাজেদি মই তেনেকৈ,— জুম লেনছৰ অপাৰেশ্যনৰে সৈতে,— কেতিয়াও চাই পোৱা নাছিলো।

"শ্বটটো লৈ লওঁ দাদা?"— ইন্দুকল্পই সুধিলে। —"লৈ লোৱা"— মই ক'লো। লোহিতে কেমেৰাৰ সমুখত ক্লেপ ব'ৰ্ডখন ধৰিলে। ইন্দুকল্পই মোক কেমেৰা-ছুইচ অন কৰি ক্লেপখন ল'বলৈ ক'লে। ছুইচটো অন-অফ কৰিলেই কেইটামান ফ্ৰে'মত ক্লেপখন উঠি যায়; পাছত শ্বট-নম্বৰটো ধৰিবলৈ সেইকেইটা ফ্ৰে'মেই যথেষ্ট; কিন্তু মই ছুইচটো অন কৰি বোধকৰোঁ ছয়-সাত ছেকেণ্ডমান থৰ হৈ বৈ আছিলো। কেমেৰাত দহফুটমান ফিল্ম ঘূৰি গৈছিল। লোহিতৰ মাততহে সম্বিৎ ঘূৰাই পাইছিলো।

হৰকান্তৰ দুটা শ্বট অ'. কে. হোৱাৰ পাছত আমি অইন এজোপা গছৰ ডাঙৰ ডাল এটা কাটি আনিছিলো, আৰু সেইটো আমাৰ কেম্পৰ (মানে গুণসিন্ধুহঁতৰ ঘৰৰ) ওচৰত পুতি লৈ মুকুন্দ গছৰ পৰা পৰি যোৱা দৃশ্যটোৰ চিত্ৰগ্ৰহণ কৰিছিলো।

সেইদিনাই পাছবেলা সৰু চাৰুৱে গাঁৱৰ হাবিত সৰি পৰা ঔটেঙা বোটলাৰ দৃশ্যৰ কাম শেষ কৰিছিলো।

দুদিনমান সংলাপ নথকা দৃশ্যবোৰৰ কাম কৰি এদিন আমি সংলাপ থকা দৃশ্যত ধৰিলো। ইতিমধ্যে কলিকতাৰ পৰা ছাউণ্ড ৰেকৰ্ডিষ্ট মৃণাল গুহ ঠাকুৰতা আৰু তেওঁৰ সহকাৰী হৰেকৃষ্ণ পাণ্ডা তেতেলীসৰাত উপস্থিত হৈছিলহি। উপস্থিত হোৱাৰ সময়ত তেওঁলোকৰ অঘটন এটাও ঘটিছিল। কামপুৰ ষ্টেছনত তেওঁলোক ছাউণ্ড ৰেকৰ্ডিঙৰ যন্ত্ৰ 'নাগ্ৰা' লৈ নামিল, কিন্তু ইলেকট্ৰিছিটি জেনেৰেটৰটো নমাবলৈ পোৱাৰ আগতেই ৰে'ল চলি গ'ল। গুণসিন্ধুহঁতে গাড়ীৰে গৈ যমুনামুখ ষ্টেছনৰ পৰা যন্ত্ৰটো লৈ আহিলগৈ।

মৃণালবাবুক মোৰ লগ লগাই দিছিল টেকনিছিয়ান ষ্টুডিঅ'ৰ প্ৰবীণ ছাউণ্ড ৰেকৰ্ডিষ্ট সত্যেন চাটাৰ্জীয়ে; কৈছিল,— ভাল কাম জানে। মই গম পাইছিলো,— তেখেতে মৃণালবাবুকো আঁতৰলৈ মাতি নি মোৰ বিষয়ে কৈছিল,— আৰু সাৱধানে থাকি ভাল কাম কৰিবলৈ উপদেশ দিছিল।

মৃণালবাবুৱে নিজকে বৰ নামজ্বলা ৰেকৰ্ডিষ্ট হিচাপে প্ৰতিষ্ঠা কৰিব পৰা নাছিল; কিন্তু তেওঁ বৰ ভাল কাম জানে বুলি মোৰ বিশ্বাস জন্মিছিল। সন্ধ্যাৰাগৰ সকলো সংলাপ চিত্ৰগ্ৰহণৰ সময়তে পোনে-পোনে ৰেকৰ্ড (direct take) কৰা হৈছিল; পাছত ডাবিং কৰা নহৈছিল। মোৰ বিচাৰত সেই ৰেকৰ্ডিঙৰ মান ওপৰৰ খাপৰ আছিল। মৃণালবাবু ছাউণ্ড ৰেকৰ্ডিষ্ট, কিন্তু তেওঁ কাণেৰে কম শুনিছিল। আমি তেওঁক কথাবোৰ ওচৰৰ পৰা, অলপ ডাঙৰ-ডাঙৰকৈ ক'ব লাগিছিল। কিন্তু কাণত হে'ডফোনটো লগাই ল'লে তেওঁ আমি নুশুনা শব্দও শুনা পাইছিল। ৰাতি শ্বুটিং হৈ থাকিলে আমি শ্বট এটা ল'বলৈ সকলো ফালৰ পৰা সাজু হৈ তেওঁক ছাউণ্ড আৰম্ভ কৰিবলৈ কওঁ, তেনে অৱস্থাত কেতিয়াবা তেওঁ গম্ভীৰ মাতেৰে— "অলপ পাছত। ৰে'ল এখন আহি আছে" বুলি কয়। আমি কাণ উনাও;— ক'ত ৰে'লৰ শব্দ? নাই; এওঁ এনেয়ে কৈছে হ'বলা। কিছু সময়ৰ পাছতহে আমি ৰিণিকি-ৰিণিকি শুনো,— হয়, বহু দূৰত থকা ৰে'ল এখনৰ শব্দ শুনা গৈছে।

আমি ঘৰৰ ভিতৰত দৃশ্যগ্ৰহণ কৰোঁ; মৃণালবাবুৱে চোতালৰ একাষে বহি ছাউণ্ড ৰেকৰ্ড কৰে। এদিন তেওঁ শ্বট এটা লৈ থকাৰ মাজতে কাট-কাট বুলি চিঞৰি দিলে। কি হ'ল? ঘৰৰ ভিতৰত বোলে মাখি এটা উৰি ফুৰিছে। মাখি? এই ৰাতিখন? কিন্তু মৃণালবাবুৰ কথাই সঁচা। এটাইখনে বিচাৰোঁতে মাখিটো ধৰা পৰিল।

আজৰি সময়ত মৃণালবাবুৱে 'পথেৰ পাঁচালী'ৰ শ্বুটিঙৰ কথা কয়। তেওঁ সেইখন চলচ্চিত্ৰৰ সহকাৰী ছাউণ্ড ৰেকৰ্ডিষ্ট আছিল; কিন্তু শব্দগ্ৰহণৰ বাহিৰেও অন্যান্য ক্ষেত্ৰতো তেওঁ কিছুমান উল্লেখযোগ্য কাম কৰিছিল। মানুহজনে যদি মিছা কথা কোৱা নাছিল, তেনেহ'লে চলচ্চিত্ৰখনৰ আবহ-সংগীতৰ প্ৰতিও তেওঁৰ কিছু বৰঙণি আছিল; আৰু তেওঁ মিছা কথা কৈছিল বুলি ভাবিবলৈ মই কোনো সমল পোৱা নাছিলো। পথেৰ পাঁচলীত কাৰোবাক আঘাত কৰাৰ দৃশ্য এটা দেখি অপুৱে আঘাতৰ লগে-লগে উচপ খাব লাগে; কিন্তু ইমান সৰু ল'ৰা,— সি মুখত উচপ খোৱাৰ ভংগীটো ফুটাই তুলিব পৰা নাই। তেতিয়া মৃণালবাবুহঁতে কৰিলে কি,— এটা টিনৰ, চাপৰ ড্ৰামৰ ওপৰত অপুক থিয় কৰাই দিলে। কেমেৰাও ওখ কৰি লোৱা হ'ল। কেমেৰা চলাৰ পাছত, পিছফালৰ পৰা, ল'ৰাটোৱে নেদেখাকৈ এজনে ড্ৰামটোত ধুমকৈ, জোৰেৰে কোব এটা মাৰে, অপুৱে চঁক খাই উঠে। প্ৰয়োজনীয় শ্বটকেইটা তেনেকৈয়ে লোৱা হৈছিল।

মৃণালবাবু কিতাপৰ পোক আছিল। শ্বট লোৱাৰ বাহিৰে যিখিনি সময় বহি থাকিব লাগে, সেইখিনি সময়ত তেওঁৰ একমাত্ৰ কাম আছিল কিতাপ পঢ়া। নিজে কলিকতাৰ পৰা এজাপ ইংৰাজী কিতাপ লৈ আহিছিল; সেইখিনি পঢ়ি শেষ হোৱাৰ পাছত মই নিয়মীয়াকৈ তেওঁক কিতাপৰ যোগান ধৰিব লগীয়াত পৰিছিলো। সত্যেনবাবুৱে যে তেওঁক মোৰ লগত সাৱধানে কাম কৰিবলৈ সকীয়াই দিছিল, তাৰ কাৰণটো মই পাছত গম পাইছিলো, আৰু কেনেকৈ তেওঁ সত্যেনবাবুৰ কথামতে চলিছিল, তাৰো প্ৰমাণ পাইছিলো। তেওঁ কোনেও গম নোপোৱাকৈ সুৰাপান কৰিছিল, আৰু কৰি উঠি, কিতাপ মেলি, নিঃশব্দে বহি থাকিছিল।

পাছত কলিকতালৈ যাওঁতে কেও-কিছু নোহোৱা এই ক'লা, ওখ, খীণ (প্ৰায় অস্থি-চৰ্মসাৰ), অবিবাহিত মানুহজনক টেকনিছিয়ান ষ্টুডিঅ'ৰ পিছফালৰ তেনেই সৰু কোঠালি এটাত বাস কৰা দেখিছিলো। দাৰিদ্ৰ্য আৰু নিঃসংগতাই মানুহজনক যেন চেপি আনিছিল। কিছুদিনৰ আগতে খবৰ লৈ জানিলো,— মানুহজন নাই। সন্ধ্যাৰাগে মোৰ লগত বহুতো বিচিত্ৰ চৰিত্ৰৰ ঘনিষ্ঠ সম্পৰ্ক ঘটাই দিছিল; মৃণালবাবু মোৰ কাৰণে সেইবোৰৰ মাজৰে এটা উল্লেখযোগ্য, অবিস্মৰণীয় চৰিত্ৰ আছিল।

তেতেলীসৰা গাঁওখনৰ কাষেদি এখন নৈ বৈ গৈছে। নৈখনৰ নাম নিসাৰি। গুণসিন্ধুক কৈছিলো,— ইমান বহল নৈ; এইখনৰ কথাতো সৰুতে ভূগোলত পাব লাগিছিল! কিন্তু নিসাৰি নামটোতো কেতিয়াও শুনা নাই! কপিলী নহয়তো? নহয়। গুণসিন্ধুৱে জোৰ দি ক'লে,— নিসাৰি। বৰ ভাল নাম। নৈখনৰ ফালে চাই থাকিলে সঁচাকৈয়ে নামটো বৰ উপযুক্ত হৈছে যেন লাগে। ধীৰে-সুস্থিৰে বৈ আছে; কোনো মাত-বোল নাই। কেতিয়াবা একোজন বেপাৰীয়ে ঢেৰ বাঁহ সাঙুৰি নৈৰ বুকুৰেদি ক'ৰবাত বেচিবলৈ নিয়ে। বাঁহবিলাকৰেই তেওঁৰ ভুৰখন। সোঁতত ভুৰ উটি গৈ থাকে; তাৰ বুকুত আৰামকৈ বহি বেপাৰীয়ে বিড়ি খায় আৰু পাৰৰ মানুহৰ লগত চিঞৰি-চিঞৰি কথা পাতে। পাৰৰ মানুহক মই সোধোঁ,— তুমি যে ভুৰৰ মানুহজনৰ লগত কথা পাতিলা, চিনি পোৱা নে কি? তেওঁ কয়,— নাপাওঁ। মনত পৰিলে আজিও এক ধৰণৰ বিষাদ-মিহলি আনন্দ অনুভৱ কৰোঁ। সোঁতৰ লগত গৈ থকা মানুহ, পাৰত বহি থকা অচিনাকি মানুহ,— কিযে সম্বন্ধ!

নৈখনৰ পাৰে-পাৰে এটা কেঁচা আলি। সেই আলিটোৰে গৈ থাকিলেই লোহাই মেম্বৰৰ ঘৰ পায়। মাজতে পাই যাওঁ পগলাকাইৰ জুপুৰিটো। পগলাকাইৰ আচল নাম কি গুণসিন্ধুৱেও নাজানে। তেওঁৰ ঘৰৰ চৌহদটো আহল-বহল, জুপুৰিটো সৰু। আগফালৰ চোতালখনৰ কাষতে এটা খাল; খালটোৰ পাৰতে এজোপা বগৰী গছ। ঘৰটোৰ মুখে-

মুখে পাগলাকাঁয়ে নিসাৰি নৈত পৰঙি জাল এখন পাতি লৈছে। আজৰি সময়ত তেওঁ সেইখন পানীত নমাই দি পাৰৰ ঘাঁহনিত বহি থাকে; কিছু সময়ৰ পাছত তোলে, আকৌ পেলায়, আকৌ বহি থাকে। মই চলচ্চিত্ৰখনৰ চাৰু-তৰুহঁতৰ ঘৰ হিচাপে ব্যৱহাৰ কৰিবলৈ দৰিদ্ৰ চেহেৰাৰ ঘৰ এটা বিচাৰি ফুৰিছিলো। শ্বুটিং আৰম্ভ হোৱাৰ পাছত এদিন পগলাকাইক লগ ধৰিলো। পৰিবাৰ আৰু ল'ৰা এটাৰে তেওঁৰ পৰিয়ালটোও সৰু। জুপুৰিটোৰ পিছফাললৈ গৈ দেখিলো,— চিনাকি গছ-গছনিৰে অনাদৃত বাৰী এখন। আমাৰ কামৰ কাৰণে বৰ উপযোগী। ককাইক ক'লো,— তোমাৰ ঘৰটোত আমি শ্বুটিং কৰিম; দিবানে কৰিবলৈ? ককায়ে আনন্দৰে ক'লে,— কৰক।— মই ক'লো,— তেনেকৈ কৰক বুলি ক'লেই নহ'ব নহয়। আমি আগফাল, পিছফাল, ঘৰৰ ভিতৰ সকলোতে দিনে-নিশাই কাম কৰিম। কেইদিনমান কাম কৰাৰ পাছত ঘৰটোৰ বেৰবোৰৰ মাটি আমাৰ ইচ্ছামতে খহাম, মাজে-মাজে বেৰত ফুটা উলিয়াম; মুঠতে ঘৰটোৰ উৰলি যোৱা চেহেৰা কৰি লম। তোমাক আমি পাঁচশ টকা দিম; তাৰে তুমি ঘৰটো মেৰামতি কৰি ল'বা, বাকী যি থাকে, সেইখিনি নিজৰ কামত খৰচ কৰিবা।

ককাই মান্তি হ'ল। সেইদিনাই লাগতিয়াল বাচন-বৰ্তন আৰু কাপোৰ-কানিখিনি লৈ পগলাকাই সপৰিবাৰে গাঁৱৰে কাৰোবাৰ ঘৰত থাকিবলৈ গুচি গ'ল। তেওঁৰ ঘৰটোত সেইদিনাই আমাৰ ৰাজত্ব আৰম্ভ হ'ল: চাৰু নগৰত বনকৰা ছোৱালী হ'বলৈ যোৱাৰ আগলৈকে এইখিনিৰ দৃশ্যসমূহৰ কাৰণে ঘৰটো যেনে অৱস্থাত আছিল তেনে অৱস্থাতে ব্যৱহাৰ কৰিলো; কিন্তু দহ বছৰমানৰ মূৰত যেতিয়া লোকে দিয়া পুৰণি ফুলাম শাৰী পিন্ধি চাৰু আৰু তৰু ঘৰলৈ উভতি আহিল, তেতিয়া ঘৰটো জৰাজীৰ্ণ।

যিদিনা গধূলি টিটো, আবুল, লোহিত, বেণুহঁতে পগলাকাইৰ জুপুৰিৰ আগচোতালত প্ৰথমবাৰৰ বাবে এহেজাৰ-দুহাজাৰ-পাঁচহাজাৰ ৱাটৰ লাইটবিলাক জ্বলালে, সেইদিনা চুবুৰিটোৰ মানুহবোৰ কিয়,— মই নিজেই বিস্মিত আৰু উত্তেজিত অনুভৱ কৰিছিলো। পগলাকাইৰ জুপুৰিৰ চৌহদলৈ যেন দহোটামান নিৰুত্তাপ সূৰ্য নামি আহিছিল।

তেতেলীসৰাৰ বেছিখিনি কামৰ সময় আমি সেই ঘৰটোতে খৰচ কৰিলো। বৰ কষ্টৰ, পৰিশ্ৰমৰ, আৰু আনন্দৰ কাম। দৃশ্যসজ্জা, অংগসজ্জা, সংলাপ, অভিনয়, দৃশ্যগ্ৰহণ,— এইবোৰেই কাম নে? নহয়। শ্বুটিং বুলিলেই সেইবোৰ চিৰাচৰিত কাম। কিন্তু মই মনত ৰাখিবলগীয়াকৈ আনন্দ পাইছিলো কিছুমান আনুষংগিক কামত। ইন্দুকল্প, লোহিত, টিটোহঁতে বহুপৰ জুখি-মাখি দৃশ্যটোৰ কাৰণে লাইটবোৰ সজাই কেমেৰা সাজু কৰে; ঝিলিৰ মাতৰ কোবত শ্বট ল'ব নোৱাৰি। হাতত টৰ্চলাইট লৈ আমি কেইজনমানে ওচৰৰ জোপোহাবোৰৰ মাজত ঝিলি বিচাৰি ফুৰোঁ; আগুজতে ওখ গছৰ পাতৰ মাজলৈ দলিয়াওঁ। (দিনত কাউৰী খেদিবলৈ এযোৰ গুলটি সাজি লৈছিলো।) পাছত কোনোবাই

বুদ্ধি দিলে,—ফটকা ফুটালে ঝিলিৰ মাত বন্ধ হয়। পাছদিনাই নগাঁও নগৰৰ পৰা ডাঙৰ-ডাঙৰ ফটকা কিনি অনা হ'ল। শ্বটটোৰ কাৰণে সকলো সাজু, মৃণালবাবুও ছাউণ্ড ষ্টাৰ্ট কৰিবলৈ সাজু— ঠিক তেনে সময়তে ওচৰৰ গছ-গছনিৰ মাজত এটা ফটকা ফুটাই দিয়া হয়;— নিসাৰি নৈৰ বুকুকে আৰম্ভ কৰি গোটেই গাঁওখন কঁপি উঠা যেন লাগে; ঝিলিয়ে তাপ মাৰে। পাছ মুহূৰ্ততে ছাইণ্ড চলে, কেমেৰা চলে, অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰে।

কেতিয়াবা নৈৰ পাৰত, খালৰ পাৰত বহি ভেকুলীয়ে টোৰটোৰায়; শ্বট লোৱাৰ আগে-আগে এজনে পানীলৈ ডাঙৰ-ডাঙৰ চপৰা কেইটামান দলিয়ায়; কিছু সময়লৈ টোৰটোৰণি বন্ধ হয়, আৰু সেইখিনি সময়ৰ ভিতৰতে আমাৰ শ্বুটিং চলে।

আমি প্ৰায়েই নিশা দুইমান বজালৈকে কাম কৰিছিলো। এদিন পুৱা বেলিৰ পোহৰে আমনি নকৰালৈকে, জুপুৰিটোৰ আগ-চোতালত মতি ড্ৰাইভাৰ আৰু চাৰুৰ দীঘলীয়া দৃশ্য এটাৰ শ্বুটিং চলি আছিল। প্ৰথম ৰাতিৰে পৰা আমি মন কৰিছিলো,— চুবুৰিটোৰ দুঘৰমানত মাজনিশা কেঁচুৱাই কান্দে। সিহঁতৰ কান্দোন সহজে বন্ধ হ'ব নোখোজে। আমি মৃণালবাবুৰ মুখলৈ চাওঁ; মৃণালবাবুৱে নিৰ্বিকাৰ ভংগীৰে আমাক ধৈৰ্য ধৰাৰ ইংগিত দিয়ে। শ্বুটিং চোৱাৰ নামত চোতালত বহি থকা গাঁওবাসীৰ মাজৰ কোনোবা এজনে বিৰক্তিৰে কয়, "মাকজনীয়েনো কি কৰিছে অ'? যাচোন কোনোবা এটা,— টেঁটুতে টেপা মাৰি ধৰিবলৈ কগৈ!"

আমাৰ কামৰ প্ৰতি মানুহবোৰৰ মৰম দেখি আমি আপ্লুত হৈছিলো। তাৰ পাছত আমি সদায় বিস্কুট লগত ৰাখিছিলো। ৰাতি কাৰোবাৰ ঘৰত, আমাৰ কামৰ সময়ত, কেঁচুৱাই কান্দিলেই চোতালৰে কোনোবা এজনক বিস্কুট দি সেই ঘৰলৈ পঠাই দিছিলো। কেঁচুৱাই বিস্কুট খাবক-নাখাবক, ব্যৱস্থাটোৱে কাম দিছিল।

পগলাকাইৰ জুপুৰিত গ্ৰহণ কৰা দৃশ্য কিছুমানৰ বাবে কেমেৰাটো ট্ৰলিৰ ওপৰত বহুৱাই লোৱাটো বৰ প্ৰয়োজনীয় আছিল। ছাক্লেনাৰ কাৰখানাত গুণসিন্ধুৱে তৈয়াৰ কৰোৱা ট্ৰলিখন লৈ গৈছিলো, কিন্তু সেইখনতো ওখ-চাপৰ মাটিত চলাই শ্বট ল'ব নোৱাৰি! সেইখন চলাবলৈ ট্ৰেক লাগে। কামপুৰৰ দোকানৰ পৰা দীঘল-দীঘল কাঠ কিনি আনি আমি ট্ৰেক তৈয়াৰ কৰিবলৈ মিস্ত্ৰি লগাই দিছিলো। নিসাৰি নৈৰ পাৰত দুদিন খাটি মিস্ত্ৰিয়ে এক বিশেষ কৌশলযুক্ত ট্ৰেক তৈয়াৰ কৰি দিছিল। নব্বৈৰ দশকত যেনেকুৱা ট্ৰেক আৰু ট্ৰলি ব্যৱহাৰ কৰি পালো, সেইবোৰৰ তুলনাতহে সেই প্ৰথম ফিল্মখনৰ কুটীৰশিল্পজাত ট্ৰেক আৰু ট্ৰলিৰ কথাটো উল্লেখযোগ্য বুলি ভাবিলো। সেই ট্ৰেক জহি-খহি গ'ল; ট্ৰলিখন পেলনীয়া বস্তুৰ ৰূপত আমাৰ বাৰীৰ এচুকত এতিয়াও পৰি আছে।

এইখিনিতে এটা প্ৰাসংগিক, কিন্তু বেলেগ ধৰণৰ কথা কৈ থওঁ। চলচ্চিত্ৰ বুজাবলৈ আমি ছিনেমা, বায়স্কোপ, বোলছবি, কথাছবি, ছায়াছবি, টকি আদি শব্দ ব্যৱহাৰ কৰোঁ। পাছৰ অভিধানকেইখনৰ কথাই নকওঁ, চন্দ্ৰকান্ত অভিধানতো ফিল্ম শব্দটো অসমীয়া শব্দ হিচাপে সন্নিবিষ্ট কৰা হৈছে। লক্ষ্মীনাথ বেজবৰুৱাই ১৯৩৫ চনত 'জয়মতী'ৰ বিষয়ে লিখোঁতে সবাকচিত্ৰ আৰু ফিল্ম,— এই দুটা শব্দ ব্যৱহাৰ কৰিছে। জ্যোতিপ্ৰসাদ আগৰৱালাই তেখেতৰ ৰচনাত কথাছবি আৰু ফিল্ম,— এই দুয়োটা শব্দ অবাধে ব্যৱহাৰ কৰিছে। কালক্ৰমে অসমীয়া ভাষাত চলচ্চিত্ৰ শব্দটো,— বিশেষকৈ কাগজ-কলমৰ বাবে,— সম্ভ্ৰান্ত শব্দ হিচাপে প্ৰতিষ্ঠিত হৈছে, কিন্তু ৰচনাৰ সাবলীলতাৰ ফালৰ পৰা, আৰু কথা আৰু লেখাৰ সুসম্পৰ্কৰ ফালৰ পৰা, ফিল্ম শব্দটোৱে স্বাভাৱিকতে, যুক্তিযুক্তভাৱে প্ৰাধান্য লাভ কৰিছে। ৰচনা অধিক সাবলীল আৰু ঘৰুৱা কৰিবলৈ বাংলা ভাষাত বহু লেখকে চলচ্চিত্ৰ বুজাবলৈ 'ছবি' আৰু 'বই' শব্দ দুটা ব্যৱহাৰ কৰে। হিন্দী ভাষাভাষীসকলৰ বহুতে চলচ্চিত্ৰ বুজাবলৈ পিকচাৰ শব্দটো ব্যৱহাৰ কৰে। এইবোৰৰ ভিতৰত ছবি শব্দটোৱে বহুলভাৱে প্ৰচলিত জনপ্ৰিয় শব্দৰ ৰূপ লৈছে। (অৱশ্যে চলচ্চিত্ৰ বুজোৱা অৰ্থত এই শব্দটোৱে এতিয়াও অভিধানত ঠাই পোৱা নাই।) অসমীয়া লেখাতো এই শব্দটোৰ ব্যৱহাৰ বাঢ়িছে। যিসকলে চলচ্চিত্ৰৰ বিষয়ে সঘনাই লিখা-মেলা কৰে, তেওঁলোকৰ বহুতে উপলব্ধি কৰে যে চলচ্চিত্ৰৰ সলনি ছবি শব্দটো ব্যৱহাৰ কৰিবলৈ পালে লিখা কামটো সুচল হয়। মই ব্যক্তিগতভাৱে ভাবোঁ,— চলচ্চিত্ৰ অসংখ্য ছবিৰ সমষ্টি;— চলচ্চিত্ৰ বুজাবলৈ ছবি শব্দটোৰ ব্যৱহাৰ সময়ত শুদ্ধ কাম বুলিয়েই বিবেচিত হ'ব। ইয়াৰ আগৰ পেৰাগ্ৰাফটোৰ শেষৰ ফালে মই ফিল্ম শব্দটো লিখি কাটি চলচ্চিত্ৰ কৰিবলৈ ওলাইছিলো; কিন্তু তাৰ সলনি এই পেৰাগ্ৰাফটো লিখি থ'লো। এতিয়াৰ পৰা প্ৰয়োজন হ'লে ময়ো ফিল্ম আৰু ছবি শব্দ দুটা ব্যৱহাৰ কৰিম।

সন্ধ্যাৰাগৰ কথালৈ উভতি আহোঁ। এদিন পগলাকাইৰ ঘৰত কাম কৰি থাকোঁতে এটা নতুন ধৰণৰ ঘটনা ঘটিল। ৰাতি এঘাৰ বাজি গৈছে। সৰু-সৰু কোঠালি দুটাত টিটোইঁতে এটা দৃশ্যৰ বাবে 'লাইট' কৰিছে। যন্ত্ৰ-পাতি, লাইটৰ তাঁৰ আদিৰ কাৰণে ভিতৰত খোজ পেলাবলৈ ঠাই নোহোৱাৰ নিচিনা হৈছে। ছেপ্টেম্বৰ মাহৰ ৰাতি হ'লে কি হ'ব,— লাইটবিলাকৰ কাৰণেই হ'বলা,— গৰমত গেলেপা লাগিছোঁ। কেমেৰাৰ সমুখত থিয় হৈ মই অভিনেতা-অভিনেত্ৰীৰ লগত দৃশ্যটোৰ আখৰা কৰি আছোঁ। এনেতে ইন্দুকল্পই খবৰ দিলেহি,— পুলিছৰ বিষয়া এজনে মোক বিচাৰিছে; তেখেত বাহিৰতে ৰৈ আছে। পুলিছৰ বিষয়াই? মোক? কথাটো কি? ওলাই গৈ দেখিলো,— হয়, জিপগাড়ীৰ কাষত থিয় হৈ আছে এজন দাৰোগা, ওচৰতে থিয় হৈ আছে দুজন চিপাহী। দাৰোগাজনে মোক নমস্কাৰ জনাই সসম্মানে কাগজ এখিলা মোৰ ফালে আগবঢ়াই

দিলে। ৱায়াৰলে'ছ মেছেজ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছেক্রেটেৰিয়ে (Secrerary, University Classes) পঠিয়াইছে।

তেতেলীসৰালৈ অহাৰ আগতে মই বিশ্ববিদ্যালয়ৰ কর্তৃপক্ষক এখন দৰখাস্ত দি আহিছিলো। দৰখাস্তখনৰ সাৰমৰ্ম আছিল,— অক্টোবৰ মাহত আমি থকা চৌৰম্ন নম্বৰ ঘৰটোত মই শ্যুটিং কৰিম। বিশ্ববিদ্যালয় কর্তৃপক্ষই যেন অনুগ্রহ কৰি ঘৰটোলৈ আছুতীয়া বিদ্যুৎশক্তি সৰবৰাহৰ ব্যৱস্থা কৰি দিয়ে। তাৰ বাবে যি খৰচ লাগে মই দিম।

এতিয়া দাৰোগাৰ পৰা পোৱা বার্তাটোৰ সাৰাংশ হ'ল,— বিশ্ববিদ্যালয়ে মোক মই থকা ঘৰটোত শ্যুটিং কৰিবলৈ অনুমতি নিদিয়ে।

বিদ্যুৎশক্তি সৰবৰাহৰ কথাই নাই, মোক ঘৰটোত শ্যুটিং কৰিবলৈকে নিদিয়ে?

দাৰোগাজনক ধন্যবাদ জনাই বিদায় দিলো। ইন্দুকল্পই সুধিলে,— "কিবা বেয়া খবৰ নে কি দাদা?" মই ক'লো,— "নহয়। ব্যক্তিগত খবৰ। আহাঁ, কামত ধৰোঁ।"

বিশ্ববিদ্যালয় চৌহদৰ ঘৰ এটাত মোক থাকিবলৈ দিয়া হৈছে যদিও, ঘৰটোৰ ওপৰত বিশ্ববিদ্যালয়ৰ কিছুমান প্রশাসনিক অধিকাৰ নিশ্চয় আছে। ঘৰটোত মোক থাকিবলৈ দিলে বুলিয়েই মই তাত মদৰ দোকান খুলিব পাৰিম নে? নোৱাৰোঁ। কিন্তু ঘৰটোত মই মোৰ ফিল্মখনৰ শ্যুটিং কৰিবও নোৱাৰিম নে?

ৰাতি দুইমান বজাত বিছনাত পৰিছিলো যদিও পাঁচমান বজাতে উঠি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচার্য ড. হিতেন্দ্র কুমাৰ বৰুৱালৈ দীঘলীয়া চিঠি এখন লিখিলো। চিঠিখনৰ মূল বক্তব্য হ'ল ঃ মই মোৰ ঘৰটোৰ চৌহদৰ ভিতৰত শ্যুটিং কৰিম। এই কামে ওচৰ-চুবুৰীয়া কাকো আমনি নকৰে; বিশ্ববিদ্যালয় চৌহদৰ মর্যাদা ক্ষুণ্ণ নকৰে। সেই প্রতিশ্রুতি দিছোঁ, আৰু তাৰ দায়িত্ব মই মোৰ কান্ধত লৈছোঁ। 'ছিনেমাৰ শ্যুটিং' বোলা ঘটনাটোক বজৰুৱা ঘটনা বুলি ভাবিব নালাগে। মই এই কামটোক শিল্পকর্ম বুলি গ্রহণ কৰিছোঁ। বিশ্ববিদ্যালয়-চৌহদৰ এটা ঘৰৰ ভিতৰত ড. মহেশ্বৰ নেওগে এখন গ্রন্থ প্রণয়নৰ কাম কৰিছে; কোনোবা এটা ঘৰত এজন চিত্রশিল্পীয়ে এখন ছবি আঁকিছে,— এইবোৰ কামত যেনেকৈ বিশ্ববিদ্যালয়ে আপত্তি কৰা উচিত নহয়, তেনেকৈ মোৰ কামটোতো বাধা-নিষেধ আৰোপ কৰা উচিত নহয়।

চিঠিখন পুৱাই ল'ৰা এজনৰ হাতত দি পঠালো,—জালুকবাৰীত উপাচার্যৰ ব্যক্তিগত সহায়কক হাতে-হাতে দিবলৈ। কিন্তু মোৰ চিন্তা লাগি থাকিল,— এই কথাটো লৈ পুলিছৰ ৱায়াৰলে'ছ বিভাগৰ সহায় লৈ ইমান জৰুৰীকৈ ৱায়াৰলে'ছ-মেছেজ পঠাবলগীয়া হ'ল কিয়?

শ্যুটিঙৰ কার্যসূচীৰ সালসলনি ঘটাই এদিন জালুকবাৰী ওলালোগৈ। উপাচার্য ড. বৰুৱা আগতে আমাৰ ঘৰৰ সমুখৰ ঘৰটোতে আছিল, এতিয়া উপাচার্যৰ বাসভৱনত

থাকে। তাতে ওলালোঁগে। মোক দেখিয়েই তেখেতে ক'লে, "তুমি বৰ ক'লা পৰিছা।"

হয়, পৰিছোঁ। গোটেই দিনটো ৰ'দত কাম কৰোঁতে-কৰোঁতে এই পোন্ধৰ দিনতে গাৰ ৰং সলনি হৈ গৈছে। হাতঘড়িৰ ফিটাৰ তলত ঢাক খাই থকা ঠাইডোখৰৰ এক ৰং, হাতখনৰ বাকীডোখৰৰ এক ৰং। মই ড. বৰুৱা ছাৰক চিঠিত লিখা কথাখিনিকে আকৌ ক'লো। আচৰিত হ'বলগীয়া কথা,— তেখেতে এই বিষয়ে একো নক'লে। মোৰ চিঠিখন তেখেতে পাইছে,— তাৰ বাহিৰে যেন চৌৱন্ন নম্বৰ ঘৰত মই শ্বুটিং কৰিব পৰা-নোৱৰা সম্পৰ্কীয় একো ঘটনাই ঘটা নাই,— তেখেতৰ ভাব-ভংগী দেখি মোৰ তেনেকুৱা লাগিল। লৰালৰিকৈ তেতেলীসৰালৈ উভতি গ'লো। সময় আৰু কিছু টকা নষ্ট হোৱাৰ বাহিৰে মোৰ বিশেষ একো নহ'ল। তথাপি, ঘটনাটো মোৰ কাৰণে দুখৰ ঘটনা আছিল।

ইমানবোৰ মানুহ, ইমানবোৰ যন্ত্ৰ-পাতিৰ লগত লেনদেন, ইমান কামৰ হেঁচা;— তাৰ মাজত অনবৰতনো আনন্দ আৰু সুখেই পাই থাকিমনে? সেইটো সাধাৰণতে সম্ভৱ নহয়। মাজে-মাজে, সৰু-সৰু হ'লেও, দুখো পাব লাগে, খঙো খাব লাগে। ডাঙৰ তৰুৰ অভিনয় কৰিবলৈ লক্ষীমপুৰৰ পৰা আহিছে ৰাজু বৰদলৈ; লগত তেওঁৰ তিনিমহীয়া কেঁচুৱা। প্ৰথম কেঁচুৱা। তেওঁৰ গিৰিয়েক সাগৰ বৰদলৈ ইঞ্জিনিয়াৰ। চাকৰিৰ মাজৰ পৰা দুই-এদিনৰ কাৰণে আহি পৰিবাৰ কেঁচুৱাক চোৱা-চিতা কৰে; তাৰ পাছত যায়গৈ। অকলে-অকলে কেঁচুৱা চম্ভালি, সময় নাই, অসময় নাই,— আহাঁ বুলিলেই ওলাই আহি ফিল্মৰ শ্বুটিং কৰাটো ধেমালিৰ কামনে? কামপুৰৰ ডাক-বঙলাত এদিন মাজনিশা ৰাজুৱে উচুপি-উচুপি—"কিয়নো আহিছিলো এইবিলাক কৰিবলৈ!"— বুলি কোৱা মই নিজে শুনিছিলো। মাক, কেঁচুৱা দুয়োৰে কাৰণে বৰ দুখ লাগিছিল।

আৰু খং? সেইটো বস্তুৱে শ্বুটিঙৰ দিনখিনিত মনৰ ভিতৰত দিয়াচলাই কাঠীৰ ৰূপ ধৰি পিনপিনাই ফুৰে; ভাগ্যে খাৰ থকা বাকছটো তাৰ মুখামুখি নোহোৱাকৈ পলাই ফুৰে। কিন্তু হ'ল বুলি আৰু সি কিমান পলাব? এদিন নহয় এদিন দুয়োৰে সংঘৰ্ষ হ'বই। শ্বুটিঙৰ মাজতে দুৰ্গাপূজা পৰিল। পৰিল পৰিল; আমাৰ কিটো হ'ল? আমি কাম কৰিবলৈ আহিছোঁ, কাম কৰিম। প্ৰতি মিনিটত আমাৰ ঢেৰ ধন খৰচ হৈ থাকে;— সেইফালৰ পৰাও কাম বন্ধ কৰিব নোৱাৰি। তদুপৰি আমি এনেকুৱা এডোখৰ ঠাইত আছোঁ,— য'ত পূজাৰ বতাহে আমাক স্পৰ্শই নকৰে। গতিকে কাম। সপ্তমী গ'ল, অষ্টমী গ'ল, নৱমী গ'ল,— কামৰ বাহিৰে আমি একোৰে খবৰ নাৰাখিলো। কিন্তু দশমীৰ দিনা পুৱা কামপুৰৰ ডাক-বঙলাৰ পৰা কেম্পলৈ আহি দেখোঁ,— কেম্প খালী। গধূলি ইন্দুকল্পই সকলোৰে হৈ মোক ক'লে,— "আজি পূজা বুলি সকলোৱে ছুটী ল'লে দাদা!" মই এটা শব্দও উচ্চাৰণ নকৰিলো। পাছদিনা পগলাকাইৰ ঘৰলৈ যাওঁতে বাটত কাৰো

মুখলৈ নোচোৱাকৈ, কিন্তু সকলোৱে শুনাকৈ চিঞৰিলো,— এতিয়ালৈকে যিখিনি ফিল্ম শ্বুটিং কৰিলো, গোটেইখিনি ব্ৰহ্মপুত্ৰত পেলাই দিম। মই ফিল্মেই নকৰোঁ লাগে, কিন্তু এনেকুৱা কথা সহ্য নকৰিম। এনেকুৱা ঘটনা যেন এইটোৱেই প্ৰথম, আৰু এইটোৱেই শেষ।

সৰু চাৰুৱে পানীত নামি ভেঁটফুল ছিঙাৰ দৃশ্য এটা আছে। এদিন আবেলি গ'লো ভেঁটফুল থকা খাল-বিল বিচাৰি। চাৰি মাইলমান দূৰৰ ঠাই এডোখৰত ঠিক যেনেকুৱা ভেঁটফুল থকা বিল বিচাৰিছিলো, ঠিক তেনেকুৱা বিল এখনকে পালো। পাত, ফুল আৰু কলিৰে বিলখনৰ পাৰৰ ফালটো মনোমোহা হৈ আছে। পাছদিনা পুৱা প্ৰথম শ্বুটিং কৰিবলৈ তালৈকে ওলালো। গাড়ীত ইন্দুকল্পই সঁচা কাহিনী এটা কৈ গ'ল। পশ্চিম বংগৰ এজন পৰিচালকে শ্বুটিং কৰিবলৈ গৈ এঠাইত কেম্প পাতিছে। এটা দৃশ্যত তেওঁক বৰষুণ লাগে। বাকী কাম শেষ হ'ল, এতিয়া বৰষুণ আহিলেই সেই দৃশ্যটোৰ চিত্ৰগ্ৰহণ কৰি ঘৰলৈ উভতিব লাগে। কেম্পত বহি বাট চাই আছে,— বৰষুণ নাহে হে নাহে। মেঘে আকাশ ঢাকি ধৰে, দলটোৰ সকলোৰে মনত আশাৰ সঞ্চাৰ হয়; কিন্তু এসময়ত মেঘ ফাটি নীলা আকাশ ওলাই পৰে। এনেকৈয়ে কেইবাদিনো গ'ল। এদিন হঠাতে আকাশ ওন্দোলাই আনিলে আৰু অলপ পাছতে নামি আহিল বৰষুণ। কেম্পত হুলস্থূল লাগিল। ওলা ওলা, গাড়ীত বস্তু তোল, ল'কেশ্যনলৈ ব'ল! মুহূৰ্তৰ ভিতৰতে গাড়ী দৌৰিল ল'কেশ্যনলৈ। ল'কেশ্যন পোৱাৰ পাছতো বৰষুণ আহিয়েই আছে। যেনেকুৱা বৰষুণ লাগে ঠিক তেনেকুৱা বৰষুণ। লৰালৰিকৈ শ্বট লোৱাৰ ব্যৱস্থা কৰা হ'ল। সকলো সাজু। কিন্তু—! কি হ'ল? বেটাৰিৰ লগত কেমেৰাটো সংযুক্ত কৰা যিডাল কেবল (cable), সেইডাল কেম্পতে থাকি আহিল। আকৌ গাড়ী দৌৰিল কেম্প অভিমুখে। কেম্পৰ পৰা কেবল সমন্বিতে গাড়ী যেতিয়া উভতি আহিল, তেতিয়া বৰষুণ এৰিলে।

গল্পটো শুনি আমি আমোদ পালো। হয়, এনেকুৱা ঘটনা ঘটেই।

যথাসময়ত আমি বিলৰ পাৰ পালোগৈ। ভাল ৰ'দ ওলাইছে। সোনকালে কাম আৰম্ভ কৰাহে কথা। সকলোকে লৰালৰি কৰিবলৈ ক'লো। কিন্তু—! কি হ'ল? ইন্দুকল্পইতে গাড়ীত কেমেৰাটোকে তুলিবলৈ পাহৰিলে।

প্ৰচণ্ড খং উঠিব লগীয়া কিছুমান সময়তো যে খঙৰ সলনি হাঁহি উঠে, সেইটো আছিল তেনেকুৱা সময়। মই অইন ফালে চকু দিলো। কালি আবেলি ইমানবোৰ ভেঁট ফুলি থকা দেখি গৈছিলো; এতিয়া দেখোন দুপাহমানহে আধা মেলা খাই আছে! কি কৰা যায়? শ্বুটিং চাবলৈ ওচৰ চপা ডেকা এজনে পৰামৰ্শ দিলে,— পানীত নামি জাপ

খোৱা পাহিবোৰ হাতেৰে মেল খুৱাই দিব পৰা যায়। ভাল বুদ্ধি। তেওঁকে সহায় কৰিবলৈ অনুৰোধ কৰিলো। কেমেৰা আহি পায় মানে মই মানুহজনৰ হতুৱাই য'ত-য'ত যিমান ফুল ফুলি থাকিব লাগে, সিমান ফুলৰ পাহি মেল খুৱাই ল'লো। তাৰ পাছত সৰু চাৰুক পুৰণি ফ্ৰক এটা পিন্ধাই লৈ তাই কি কি কৰিব লাগে বুজাবলৈ ধৰিলো। পানীত নামি হাতেৰে ভেঁটফুল ফুলোৱাই লোৱাটো মোৰ কাৰণে এটা অভিনৱ ঘটনা আছিল।

তেতেলীসৰা এৰি আমি ওচৰৰে কামপুৰৰ উচ্চতৰ মাধ্যমিক স্কুলৰ চৌহদত কেইদিনমান শ্বুটিং কৰিছিলো। স্কুলখনৰ অধ্যক্ষ কুনমল আগৰৱালাই আমাক বৰ সহায় কৰিছিল। চুৰিয়া- পাঞ্জাবি পিন্ধা, ওখ-পাখ, সেই সুদৰ্শন মানুহজনক পাছত কোনোবাই গুলিয়াই হত্যা কৰিলে। কামপুৰৰ শ্বুটিংখিনিৰ কথা ভাবিলে সেই মানুহজনৰ কথাহে মোৰ প্ৰথমে মনলৈ আহে। বাকীবোৰ কথা তল পৰে।

অক্টোবৰৰ প্ৰথম সপ্তাহত তেতেলীসৰা-কামপুৰ এৰিলো। গাঁও বুলিবলৈ সেই সৰুকালতে বৌৰ জন্ম-ঠাই ভীমৰগাঁওখন ভালকৈ দেখিছিলো; -- দিহিঙে-দিপাঙে বহু ঠাই ঘূৰাৰ পাছত, বহুদিনৰ মূৰত আকৌ এখন গাঁও,— তেতেলীসৰাত দীঘলীয়াকৈ থাকি পালো। কেমেৰাৰ চকুৰে চোৱাৰ নিচিনাকৈ চাইছিলো কাৰণে গাঁওখনৰ বাট-পথ, গছ-গছনি, ঘৰ-দুৱাৰ, মানুহ-দুনুহ— সকলোকে বৰ ভালকৈ দেখিছিলো যেন ধাৰণা হয়। চলচ্চিত্ৰ সম্পৰ্কীয় কাৰ্যকলাপে মোক যিবোৰ উল্লেখযোগ্য সম্পদ দিলে, সেইবোৰৰ ভিতৰত তেতেলীসৰা গাঁওখনৰ স্মৃতিকো মই ঠাই দিছোঁ।

শেষলৈ হাতত পইচা বেছি নাছিল। ককাইদেউ নগেন শইকীয়াই তেতিয়া ওচৰৰে কঠীয়াতলী-স্বাস্থ্যকেন্দ্ৰত ডাক্তৰী কৰিছিল। তেখেতৰ পৰা দুহাজাৰ টকা লৈ, দোকান-পোহাৰ য'ত যি দিবলগীয়া আছে দি, গুৱাহাটীলৈ উভতিলো। তেতেলীসৰাত আমাক সহায় কৰা শেষ মানুহজন আছিল আমি তাত থকা দিনখিনিত ভাৰালৈ লোৱা টেক্সিখনৰ চালকজন। সেই টেক্সিখন এক বিচিত্ৰ চৰিত্ৰৰ বস্তু আছিল। বিশেষকৈ তাৰ ইঞ্জিনটোৰ পে'ট্ৰল গ্ৰাস কৰাৰ শক্তি দেখি আমি তবধ মানিছিলো। কিন্তু পে'ট্ৰল শেষ হ'ল বুলি সি আমাক মাজবাটত বিপদত নেপেলাইছিল। চালকজনে ডাঙৰ বটল এটাত এবটল পে'ট্ৰল আছুতীয়াকৈ থৈ দিছিল। ৰবৰৰ নলী এটুকুৰা আৰু কাপোৰৰ ৰছী এডালেৰে বটলটো ইঞ্জিনৰ লগত এক বিশেষ কৌশলেৰে সাঙুৰি তেওঁ গাড়ীখন কঠীয়াতলীৰ 'পে'ট্ৰল-পাম্প' পোৱাইছিলগৈ।

তিনি দিন জিৰণিৰ পাছত আমি গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ চৌৱন্ন নম্বৰ ঘৰত শ্বুটিং আৰম্ভ কৰিলো। চিত্ৰনাট্য লিখি শেষ কৰাৰ পাছৰ পৰাই মই ঘৰটোৰ কোনখিনি কি কামত লগাম সেই বিষয়ে ভবা-চিন্তা কৰিছিলো আৰু নিজৰ খৰচেৰে সজাই-পৰাই তুলিছিলো। ৰাস্তাৰ কাষৰ গে'টখনৰ পৰা পিছফালে জাবৰ পেলোৱা খালটোলৈকে,—

ঘৰটোৰ বাহিৰৰ-ভিতৰৰ সকলো ঠাই ফিল্মখনে সামৰি লৈছিল। এসময়ত মুৰগীৰ গঁৰাল থকা ঠাইত চালি এখন দিয়াই তাৰ তলতে ভাৰাতীয়া ৰান্ধনিক প্ৰায় চল্লিছজন মানুহৰ কাৰণে ৰন্ধা-বঢ়াৰ ব্যৱস্থা কৰি দিছিলো। সেই চৌকাতে কান্তাৰ বিয়াৰ কাৰণে ৰসগোল্লা তৈয়াৰ কৰাৰ দৃশ্যও গ্ৰহণ কৰিছিলো। (বিশ্ববিদ্যালয়ৰ কেণ্টিনখন তেতিয়া বৰদা শৰ্মাই চলাইছিল। তেওঁ তৈয়াৰ কৰাই থোৱা ৰসগোল্লাখিনি কেৰাহী আৰু চেনিৰ ৰসেৰে সৈতে আনি আমাৰ চৌকাৰ ওপৰত তুলি দিছিলো। কেৰাহীটো ওভোতাই দিছিলো; বাকী বস্তুখিনিৰ দাম দিছিলো।) আমাৰ ঘৰটো দিনত সন্ধ্যাৰাগৰ মুখ্য চৰিত্ৰ নন্দন দাসৰ ঘৰ, আৰু ৰাতি সৰু চাৰুৰ পৰা আৰম্ভ কৰি লাইটৰ সহকাৰী বেণু নেওগলৈকে বিভিন্নজনৰ ৰাতি থকা কেম্পত পৰিণত হৈছিল। এটা বৰ ডাঙৰ পৰিয়ালৰ নানা ঠাইত সিঁচৰতি হৈ থকা সদস্যসকল যেন তেওঁলোকৰ মাজৰে কাৰোবাৰ বিয়াৰ কাৰণে এঘৰত গোট খাইছেহি,— ঘৰখনৰ অৱস্থাটো প্ৰায় তেনেকুৱাই হৈছিল। অভিনেতা, অভিনেত্ৰী, টেকনিছিয়ান,— এখন ফিল্মৰ শ্বুটিঙৰ নামত এওঁলোকৰ আনন্দ-সন্মিলনে আমাৰ বহু কষ্ট লাঘৱ কৰিছিল। এদিন সঁচাকৈয়ে চৌহদটোত সন্ধ্যাৰাগৰ চৰিত্ৰ কান্তাৰ বিয়াৰ ৰভা দিয়া হ'ল, বেণ্ডপাৰ্টি বাজিল, শেষ ৰাতি কইনা ওলাই গ'ল, আৰু ঘৰখন নিজম পৰিল। শ্বুটিং শেষ হ'ল।

মোৰ অনভিজ্ঞতাৰ কাৰণে সন্ধ্যাৰাগৰ শ্বুটিং ষাঠি দিনত শেষ হ'ল। এতিয়া মই ভাবোঁ,— সেয়া পঁয়ত্ৰিছ দিনৰ কাম আছিল। কিন্তু সেই দিনখিনিত সময়ৰ অপচয় হৈছিল বুলি নাভাবোঁ; কামৰ বাহিৰেও মই এটা শিক্ষা-প্ৰতিষ্ঠানত সময় খৰচ কৰিছিলো বুলি ভাবোঁ। কাম শিকিছিলো। ইন্দুকল্প, মৃণালবাবু, লোহিত, টিটো,—সকলোৰে পৰা কাম শিকিছিলো। শিকিছিলো, আৰু পাছ মুহূৰ্ততে শিক্ষকৰ নিচিনাকৈ কাম কৰিছিলো। মই যি বিচাৰিছিলো, ঠিক সেইমতে কাম হোৱাটো সুনিশ্চিত কৰিছিলো। পঁয়ত্ৰিছ দিনৰ কামত ষাঠি দিন কেনেকৈ খৰচ কৰিব পাৰি, সেয়াও বুজিছিলো।

তেতিয়াৰ দিনত জ্যোতি চিত্ৰবন (ফিল্ম ষ্টুডিঅ') ছছাইটিত ক'লা-বগা ছবিৰ বাবে,— ৰি-ৰেকৰ্ডিঙৰ বাহিৰে,— সকলো সুবিধা আছিল। অনিল কুমাৰ চন্দ নামৰ এজন লোক লেবৰেটৰিটোৰ তত্ত্বাৱধানত আছিল। তেওঁ সন্ধ্যাৰাগৰ নিগেটিভ প্ৰছেছ কৰিছিল আৰু সম্পাদনাৰ বাবে প্ৰয়োজনীয় পজিটিভ প্ৰিণ্ট উলিয়াই দিছিল। লেবৰেটৰিৰ ৰাসায়নিক বস্তু ইফাল-সিফাল কৰা বুলি জ্যোতি চিত্ৰবনৰ কিছু লোকে এই মানুহজনৰ বদনাম গাইছিল। সেইবোৰৰ সত্যাসত্য নিৰ্ণয় কৰাৰ মোৰ উপায় নাছিল; কিন্তু যি ঐকান্তিকতা আৰু দক্ষতাৰে মানুহজনে সন্ধ্যাৰাগৰ কাম কৰিছিল, সেয়া মই নিজ চকুৰে দেখিছিলো। জ্যোতি চিত্ৰবন এৰি, মাদ্ৰাজলৈ গৈ, তাতে মৃত্যুবৰণ কৰা এই মানুহজনৰ বিষয়ে এই কথাষাৰ কৈ মই সুখ পাইছোঁ।

ইতিমধ্যে অসম ৰাজ্যিক চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগমৰ পৰা দুটা কিস্তিত এক লাখ টকা ধাৰলৈ পাইছিলো। ইউনাইটেড কমাৰ্ছিয়েল বেংকে আৰু বিছ হাজাৰ টকা ধাৰলৈ দিছিল। বন্ধু প্ৰদীপ দত্তৰ পৰা বিছ হাজাৰ আৰু প্ৰীতিৰ অইন এজন ককায়েক নীল হাজৰিকাৰ পৰা বিছ হাজাৰ টকা ধাৰলৈ লৈছিলো। এনেকৈয়ে পইচাৰ দুশ্চিন্তা কমালো আৰু আৰম্ভ কৰিলো দ্বিতীয় পৰ্যায়ৰ কাম। মৃণালবাবুৱে নিৰ্বাচন কৰি দিয়া সম্পাদক নিকুঞ্জ ভট্টাচাৰ্য আৰু তেওঁৰ সহকাৰী বাপী সৰকাৰ এদিন জ্যোতি চিত্ৰবনত উপস্থিত হ'লহিঁ। তেতিয়াৰ পৰা আজিলৈকে মোৰ যি অভিজ্ঞতা, তাৰ ভেটিত থিয় হৈ ক'ব পাৰোঁ, মোৰ কাৰণে শ্যুটিং বৰ কষ্টকৰ কাম, ডাবিং বিৰক্তিকৰ কাম আৰু সম্পাদনা আটাইতকৈ আনন্দৰ কাম। নিকুঞ্জবাবুৱে প্ৰথম দিনা ঘচ-ঘচকৈ ফিল্মবোৰ কাটি, জোৰা লগাই যেতিয়া মোক 'মুকুন্দ গছত উঠিছে' দৃশ্যটো মুভিৱলাত দেখুৱালে তেতিয়া মই তীব্ৰ শিহৰণ অনুভৱ কৰিছিলো। মোৰ প্ৰথম ফিল্মৰ প্ৰথম দৃশ্যটো প্ৰথম দেখিবলৈ পালো।

তাৰ পাছত, দিনৰ পাছত দিন নিকুঞ্জবাবুৰ ওচৰত, টুল এখনত বহি থাকোঁ; মোক কি লাগে তেওঁক কওঁ, আৰু তেওঁ কি কৰে তাকে চাওঁ। তেওঁ ফিল্মৰ অদৰকাৰী বুলি ভবা টুকুৰাবোৰ মোক দিয়ে, মই তাঁৰৰ হাঁকোটা এডালত ওলমাই থৈ যাওঁ। কেতিয়াবা টুলখনত বহি-বহিয়েই টোপনিয়াওঁ। ফিল্ম সম্পাদনাৰ 'টেকনিকেল' দিশটোৰ শতকৰা আশীভাগ কাম মই নিকুঞ্জবাবুৰ পৰা শিকিছোঁ। প্ৰায় একুৰি বছৰত , সাতখন পূৰ্ণদৈৰ্ঘ্যৰ অসমীয়া ফিল্ম আৰু এখন পচপন্ন মিনিটৰ হিন্দী ফিল্মৰ কামত মই সুদীৰ্ঘ সময় এই মানুহজনৰ কাষত বহি কটাইছোঁ। অত্যন্ত পৰিশ্ৰমী, অমায়িক, শান্ত স্বভাৱৰ এই মানুহজন মোৰ ব্যক্তিগত বন্ধুত পৰিণত হৈছিল। প্ৰায় ডেৰ বছৰৰ আগতে অকস্মাতে তেওঁৰ মৃত্যু হৈছে; কিন্তু মানুহজন নোহোৱা হৈ গ'ল,— এই ভাবটো মোৰ মনলৈ নাহে; দুখন ফিল্মৰ মাজৰ দীঘলীয়া সময়খিনি আমি এনেয়েও আঁতৰি থাকোঁ;— এতিয়াও তেনেকৈয়ে আছোঁ যেন লাগে।

প্ৰথমৰে পৰা চলচ্চিত্ৰ নিৰ্মাণত মোক সহায় কৰা আৰু পাছত আমাৰ পৰা চিৰদিনৰ কাৰণে দৈহিকভাৱে বিদায় লোৱা অইন এজন লোক আছিল— শব্দযন্ত্ৰী পীযূষকান্তি ৰয়। এওঁ মোৰ চাৰিখন চলচ্চিত্ৰৰ শব্দযন্ত্ৰী হিচাপে কাম কৰিছিল। সন্ধ্যাৰাগৰ সংগীত আৰু আনুষংগিক শব্দ ৰেকৰ্ড কৰাৰ সময়তে পীযূষৰ লগত মোৰ সম্পৰ্কে ঘটিছিল। মই নিজে কোনো বাদ্যযন্ত্ৰ বজাব নাজানো, গানো নাগাওঁ; কিন্তু দৃশ্য একোটাৰ পিছফালে কেনেকুৱা সংগীত বাজি থাকিব লাগে, সেই সম্পৰ্কে মোৰ এটা ধাৰণা জন্মে, আৰু সংগীত পৰিচালকক সেই ধাৰণা অনুযায়ী কাম কৰিবলৈ মই অনুৰোধ কৰোঁ। সন্ধ্যাৰাগৰ আঁৰৰ সংগীতৰ কাৰণে যোৰহাটৰ ইন্দ্ৰেশ্বৰ শৰ্মা আৰু গুৱাহাটীৰ প্ৰভাত শৰ্মা আৰু

ৰমেন চৌধুৰী,— এই তিনিওজন সংগীতশিল্পীৰে প্ৰয়োজন হ'ব বুলি ঠিক কৰিছিলো। মোৰ মন বুজি লৈ এওঁলোকে,— আৰু লগতে পীযুষে বৰ পৰিশ্ৰম কৰি কামখিনি কৰি দিছিল।

শেষ পৰ্যায়ত ফিল্মখনত হাত পৰিছিল ৰি-ৰেকৰ্ডিঙৰ কামত কলিকতাৰ টেকনিছিয়ান ষ্টুডিঅ'ৰ শব্দযন্ত্ৰী সত্যেন চাটাৰ্জীৰ, আৰু প্ৰিণ্টিঙৰ কামত বেংগল ফিল্ম লেবৰেটৰিৰ মোহিনী তৰফদাৰৰ। বেংগল ফিল্ম লেবৰেটৰিটোৰ প্ৰতি মোৰ প্ৰাচীন সম্পদৰ প্ৰতি জন্মা মোহৰ দৰে এবিধ মোহ জন্মিছিল। অযত্নপালিত এটা পুৰণি দালান, ভিতৰত পুৰণিকলীয়া যন্ত্ৰ-পাতি, নিকুঞ্জ বাবুৰ মতে মাজনিশা কেতিয়াবা তাত আবিৰ্ভাব ঘটে বগা সাজ পিন্ধা এক ৰমণীৰ ছায়ামূৰ্তিৰ, প্ৰিণ্টিঙৰ কামৰ দায়িত্বত থকা মোহিনীবাবুও বয়সৰ চেপাত ক্লান্ত, সমুখৰ অকণমান অফিছ-কোঠালিটোৰ বেৰত ওলমি থাকে ফ্ৰে'মত আবদ্ধ এখন প্ৰমাণপত্ৰ ঃ এই লেবৰেটৰিতে প্ৰিণ্ট কৰা হৈছিল পথেৰ পাঁচালী। ৰামবাবু নামৰ দুখীয়া মানুহ এজনে আমি কাম কৰি থকা মানুহকেইজনক দুপৰীয়াৰ ভাতসাঁজ খুৱায়। ঘৰত তেওঁৰ পৰিবাৰে ৰান্ধি দিয়ে, ৰামবাবুৱে কঢ়িয়াই আনি কলপাতত বাঢ়ি দি আমাক খুৱায়। দুবিধ মাছৰ আঞ্জাৰে বৰ সুস্বাদু খাদ্য। দাম গাইপতি চাৰে পাঁচ টকা। ৰামবাবুৰ পাটগাভৰু জীয়েক পুতুলে লেবৰেটৰিটোৰ ইটো কোঠালি সিটো কোঠালিত ঘূৰা-পকা কৰি ফুৰে। দেউতাকৰ আশা,— শিকে যদি ছোৱালীজনীয়ে কাৰোবাৰ পৰা ফিল্মৰ কামকে কিবা শিকক। সেয়া ১৯৭৭ চনৰ কথা। ১৯৯৭ চনত কলিকতাৰ ছল্টলে'কত থকা পশ্চিম বংগ চৰকাৰৰ চলচ্চিত্ৰ-কেন্দ্ৰ 'ৰূপায়ণ'ত কাম কৰিবলৈ গৈ দেখোঁ,—পুতুল তাৰ সম্পাদনা বিভাগৰ কেয়াৰ্-টেকাৰ। এদিন শুনিলো,— নিজৰ অফিছ-কোঠালিত বহি তেওঁ মুক্তকণ্ঠে গীত গাই আছে!

ৰামবাবুৱে আমি কাম কৰা মানুহকেইজনক ভাত খুউৱাৰ কথা যে ক'লো, সেই কেইজনৰ এজন আছিল অৰুণ গুহ ঠাকুৰতা। এওঁৰ ঘৰ মণ্ডলদৈত। এওঁ সহকাৰী পৰিচালক হিচাপে কাম কৰে বুলি জানিছিলো। সন্ধ্যাৰাগৰ বাবে মই তেওঁলৈ লিখিছিলো; তেওঁ তিনি হাজাৰ টকা পাৰিশ্ৰমিক বিচাৰিছিল; মই আঢ়ৈ হাজাৰহে দিব পাৰিম বুলি কৈছিলো। তেওঁ মান্তি নহৈছিল; গতিকে তেওঁ সন্ধ্যাৰাগৰ কামৰ বাবে অসমলৈ অহা নাছিল। কিন্তু কলিকতাত তেওঁৰ সাহায্য মোৰ বাবে অপৰিহাৰ্য আছিল। বেংগল লেবৰেটৰিত সোমোৱাৰ পৰা ছেন্সৰৰ অফিছৰ পৰা ওলাই অহালৈকে,— এই গোটেইখিনি কামত অৰুণ গুহ ঠাকুৰতা প্ৰকৃত অৰ্থত মোৰ সহকাৰী আৰু সহায়কাৰী আছিল। উল্লেখযোগ্য কথা,— তেওঁৰ লগত মোৰ সেই সম্পৰ্ক আজিও অব্যাহত আছে। গুৱাহাটীৰ কামখিনিৰ কাৰণে অৱশ্যে আৰু এজনৰ সহায় বৰকৈ অনুভৱ কৰিছিলো। সেইখিনি কামত মাণিক বড়াই মুখ্য সহকাৰী হিচাপে মোক সহায় কৰিলে। (মাণিক

বড়াই পাছলৈ উপন্যাস লিখিছে আৰু তথ্যচিত্ৰৰ কামত হাত দিছে।)

ফিল্মখনৰ ছেন্সৰ সম্পৰ্কীয় সকলো কাম অৰুণ গুহ ঠাকুৰতাই সম্পন্ন কৰি মোক খবৰ দিছিল। ছেন্সৰৰ দিনা মই কলিকতালৈ গৈছিলো। সদস্যসকলে ভিতৰত ফিল্মখন চাইছে; মই বাহিৰৰ বাৰাণ্ডাত বহি আছোঁ। ছেন্সৰ কৰ্তৃপক্ষই মোক আনকি প্ৰজেকশ্যন ৰুমৰ পৰাও ছবিখন চাবলৈ নিদিলে। মাজতে এপাক ওচৰৰে নিউ-মাৰ্কেটত ঘূৰি আহিলোগৈ।

এসময়ত সদস্যসকলৰ ছবি চোৱা শেষ হ'ল। তেখেতসকল ওলাই আহিল। গাৰ কাষেদি যাওঁতে মীনাক্ষি বসুৱে (চলিহাই) কৈ গ'ল, "বৰ ভাল ছবি কৰিছে।" তেওঁৰ পিছে-পিছে আহি থকা প্ৰসিদ্ধ অভিনয়-শিল্পী তৃপ্তি মিত্ৰই সুধিলে,—ইমানবোৰ ভাল-ভাল ছোৱালী ক'ৰ পৰা যোগাৰ কৰিলে?

তেওঁ 'মেয়ে' শব্দটো ব্যৱহাৰ কৰিছিল, আৰু সেই শব্দটোৰে মামনিৰ পৰা ৰুণু দেৱীলৈকে, সংগীতাৰ পৰা আৰতি বৰুৱালৈকে সকলোৰে কথা বুজাইছিল।.

সন্ধ্যাৰাগৰ সম্পৰ্কে দৰ্শকৰ পৰা পোৱা এই দুটাই আছিল প্ৰথম আৰু দ্বিতীয় অভিমত।

**শ্যুটিঙৰ দিনখিনিৰ কাৰণে অফিছৰ পৰা ছুটী লৈছিলো। সেইখিনি ছুটী মোৰ প্ৰাপ্য আছিল। অৱশ্যে জালুকবাৰীৰ ঘৰটোত শ্যুটিং কৰাৰ দিনখিনিত সদায় অফিছৰ খবৰ ৰাখিছিলো আৰু সুৰুঙা ওলালেই সশৰীৰে অফিছত উপস্থিত হৈছিলোগৈ। শ্যুটিং শেষ হোৱাৰ পাছত নিয়মীয়াকৈ অফিছলৈ যাবলৈ ল'লো। সেই সময়ত প্ৰাকবিশ্ববিদ্যালয় মহলাৰ কিছুমান কিতাপৰ নতুন সংস্কৰণৰ কাম, স্নাতক মহলাৰ নতুন কিতাপৰ কাম, আৰু প্ৰকাশিত কিতাপ বিক্ৰি কৰাৰ কাম চলি আছিল। এই কিতাপ বিক্ৰি কৰা কামটোৰ অন্তৰ্গত কিছুমান সৰু-সৰু ঘটনা মোৰ কাৰণে আমোদজনক আৰু স্মৰণীয়। প্ৰথমতে পৰিবেশক নিয়োগ কৰি তেওঁলোকৰ জৰিয়তে কিতাপ বিক্ৰিৰ ব্যৱস্থা কৰা হৈছিল; কিন্তু কিছুদিনৰ ভিতৰতে সেই ব্যৱস্থাত খুঁত ওলাল। তেতিয়া ব্যৱসায়টো আমি নিজৰ নিয়ন্ত্ৰণত ৰখাৰ সিদ্ধান্ত কৰিলো। সেই সিদ্ধান্ত অনুসৰি অফিছটোত এটা বিক্ৰিশাখা আৰম্ভ কৰা হ'ল, আৰু সেই শাখাৰ কৰ্মচাৰীৰ ওপৰত কিতাপৰ পাইকাৰী বিক্ৰিৰ দায়িত্ব দিয়া হ'ল। প্ৰথমতে ভাবিছিলো,— গুৱাহাটীৰ যিটো অঞ্চললৈ সাধাৰণতে কিতাপৰ গ্ৰাহক আহে, আমিও তাতে বিক্ৰিকেন্দ্ৰ খোলাটো যুগুত হ'ব। এই ভাবি আমি পাণবজাৰত ঘৰ এটা ভাৰালৈ লৈ তাত গুদাম আৰু বিক্ৰিকেন্দ্ৰ আৰম্ভ কৰিলো। কিন্তু কিছুদিনৰ পাছতে এদিন খবৰ পালো,— আমাৰ বিক্ৰিকেন্দ্ৰৰ দায়িত্বত থকা কৰ্মচাৰী আৰু ওচৰ-চুবুৰীয়া কেইজনমান ব্যৱসায়ীৰ মাজত এক অসৎ সম্পৰ্ক গঢ়ি উঠাৰ সম্ভাৱনাই দেখা**

দিছে। বুজিলো,— আমাৰ যি আয়োজন, সেই আয়োজনেৰে আমি জালুকবাৰীৰ পৰা পাণবজাৰৰ বিক্রিকেন্দ্রটো শৃংখলিত আৰু পৰিষ্কাৰ কৰি ৰখাটো কষ্টকৰ হ'ব; অসম্ভৱো হ'ব পাৰে। গতিকে বৰ্তমানে আদাবাৰী নামে জনাজাত অঞ্চলটোৰ 'পে'ট্রল পাম্প' এটাৰ পিছফালে থকা গুদাম এটাৰ এফাল আমি আমাৰ পাঠ্যপুথি থবৰ কাৰণে ভাৰালৈ ল'লো। গুদামটোৰ ইটো ফালত আছিল ছিগাৰেট। বিক্রিকেন্দ্র আৰু দুই নম্বৰ গুদামৰ কাৰণে দুৰ্গাধৰ দাসৰ মালীগাঁৱত থকা ঘৰটো ভাৰালৈ ল'লো। শ্রীদাসক মই যেতিয়া প্রথম দেখোঁ, তেতিয়া তেখেত ডেপুটি ছুপাৰিণ্টেণ্ডেণ্ট অৱ পুলিছ। 'মাধ্যম আন্দোলন'ৰ কালছোৱাত বিশ্ববিদ্যালয়-চৌহদৰ মাজেদি যোৱা বাটছোৱাত শান্তি-শৃংখলা ৰক্ষাৰ দায়িত্ব লৈ তেখেতক কেইবাদিনো কৰ্মতৎপৰ হৈ থকা দেখিছিলো। খীণ-মীন, চুটি-চাপৰ মানুহজন সেই কামটোৰ লগত খাপ খোৱা নাই বুলি মোৰ ধাৰণা হৈছিল। চিনাকি হোৱাৰ পাছত তেখেতে প্রায়েই তেখেতৰ পুতেকৰ কথা কৈছিল। ল'ৰাটোৱে পৰীক্ষাত ভাল ফল দেখুৱাই আহিছে। ভৱিষ্যতলৈ সি আৰু ভাল ফল দেখুৱাব বুলি তেওঁ আশা আৰু বিশ্বাস কৰিছিল। ময়ো তেখেতৰ কথাত হয়ভৰ দিছিলো; ল'ৰাটো উজ্জ্বল হ'ব আৰু তেখেতৰ মনোবাঞ্ছা পূৰ্ণ হ'ব বুলি আন্তৰিকতাৰে শুভেচ্ছা জনাইছিলো। বহু বছৰৰ পাছত, মই যেতিয়া 'প্রান্তিক'ৰ লগত জড়িত হ'লো, তেতিয়াহে দুৰ্গাধৰ দাসৰ সেই ল'ৰাজনৰ মুখামুখি হ'লো। পৰাগ কুমাৰ দাস। পৰাগ দাস। এতিয়া পৰাগৰ কথা ভাবিলে তেওঁৰ তিনিটা চেহেৰাৰ কথা মোৰ মনলৈ আহে। প্রথমে প্রান্তিকৰ অফিছত দেখা চেহেৰা, দ্বিতীয়তে হাতত হেলমেটটো লৈ আমাৰ ঘৰলৈ 'বুধবাৰ'ৰ কাৰণে প্রবন্ধৰ কথা ক'বলৈ আহোঁতে দেখা চেহেৰা আৰু তৃতীয়তে কান্ধত বেগ এটা লৈ এয়াৰপ'ৰ্টত ব্যস্তভাৱে নিজৰ বয়বস্তুৰ সন্ধানত ইফাল-সিফাল কৰি থকা চেহেৰা। চেহেৰাকেইটাৰ কথা মই কিবা মিলাবলৈ সজাই কোৱা যেন লাগিব পাৰে; কিন্তু নহয়। মই নিজেও এতিয়াহে মন কৰোঁ,—পৰাগৰ সেই চেহেৰা তিনিটা তাৎপৰ্যপূৰ্ণ। পৰাগৰ হাতৰ আখৰ মোৰ এতিয়াও মনত আছে। তেওঁ লিখা প্রবন্ধ মই এইখন হাতেৰে, ৰঙা ডটপেনেৰে সম্পাদনা কৰোঁতে একোটা পৃষ্ঠাৰ চেহেৰা কেনেকৈ ৰঙা হৈ উঠিছিল. সেইটোও মনত আছে। যেয়ে যিমান যি কওক, পৰাগৰ প্রথম গুৰু ধৰণৰ লেখাকেইটামানৰ লগত ঘনিষ্ঠভাৱে জড়িত মানুহ হিচাপে মোৰ উপলব্ধি হৈছিল,— পাছলৈ পৰাগৰ লেখাৰ সম্পাদক নাছিল। পৰাগৰ একমাত্র লেখাৰ ক্ষেত্রতহে মই মোৰ উপলব্ধিৰ কথা কৈছোঁ। পৰাগক হত্যা কৰাৰ খবৰটো মই বিদেশত পাইছিলো। সেইদিনা পৰাগ, আৰু জালুকবাৰীৰ আমাৰ ঘৰত পুতেকৰ কথা কৈ আনন্দ পোৱা দুৰ্গাধৰ দাসৰ মুখ একেলগে মোৰ চকুৰ আগত ভাহি উঠিছিল।

উভতি আহোঁ। দুৰ্গাধৰ দাসৰ ভাৰাঘৰত আমাৰ কিতাপৰ দোকান কিছুদিন ঠিকমতে চলিল। কিন্তু এদিন আবেলি অফিছত বহি থাকোঁতেই খবৰ আহিল,— আমাৰ দোকানত

ডকাইতিৰ নিচিনা ঘটনা এটা ঘটিছে। পইচা থোৱা লোহাৰ বাকছটোৰ পৰা কোনোবাই টকা লৈ গৈছে। যিজন বাকছটোৰ দায়িত্বত থকা কৰ্মচাৰী, তেওঁ প্ৰায় অৰ্ধচেতন, অস্বাভাৱিক হৈ পৰিছে। লগে-লগে গাড়ী দৌৰালো মালীগাঁও অভিমুখে। বাটত থানাত সোমাই কৰ্তব্যৰত বিষয়াজনক আকুলকণ্ঠে অনুৰোধ কৰিলো, — আহক, এতিয়াই, মোৰ লগে-লগে আহক। মই আগ বাঢ়িলো। পুলিছৰ মানুহ সঁচাকৈয়ে মোৰ পিছে-পিছে আহিল। কৰ্মচাৰীকেইজনে দিয়া বিৱৰণ মতে, কোনোবা গ্ৰাহক এজনে পইচাৰ দায়িত্বত থকা কৰ্মচাৰীজনক তামোল এখন খুৱালে; তামোলখন খোৱাৰ পাছত কৰ্মচাৰীজনৰ মূৰ আচন্দ্ৰাই কৰিলে; অলপ পৰৰ কাৰণে তেওঁ একো ক'ব নোৱৰা হৈ গ'ল; আৰু যেতিয়া তেওঁ ক'ব পৰা হ'ল, তেতিয়া ওচৰৰ বাকছটোৰ ঢাকোন খোল খাই আছে, বাকছৰ ভিতৰখন খালী। ন হাজাৰ আৰু কেইশমান টকা। কিছু সময়ৰ পাছত পুলিছে কুকুৰ এটাও আনিলে। লাভ একো নহ'ল। সেইদিনাও নহ'ল, পাছলৈ নহ'ল।

এবাৰ ভাবিছিলো, এই কিতাপ বেচা কাৰবাৰটো হাতত লোৱাটো চম্ভালিব নোৱৰা জঞ্জালত পৰিণত হ'ব নে কি?। কিন্তু পাছ মুহূৰ্ততে ভাবিছিলো,— নহয়, দুই-এটা দুৰ্ঘটনাৰ কথা বেলেগ; কিন্তু পদ্ধতিটোৱে কৃতকাযতাৰে কাম কৰিছে আৰু পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিক আৰ্থিকভাৱে লাভবান কৰিছে। এতিয়া আমাৰ কৰিবলগীয়া কাম হ'ল, গুদাম আৰু দোকান আমাৰ আৰু ওচৰলৈ আনিব লাগে,— যাতে অফিছৰ কৰ্মচাৰী-বিষয়াৰ সংখ্যা নবঢ়োৱাকৈ, যিখিনি আছে তাৰেই বিক্ৰিৰ ব্যৱস্থাটো পাৰ্যমানে নিখুঁত কৰিব পাৰোঁ; গোটেই ব্যৱস্থাটো চকুৰ আগত ৰাখিব পাৰোঁ। সেই দিশৰ কাম আৰম্ভ কৰিলো। বিশ্ববিদ্যালয় চৌহদৰ বজাৰখনৰ পিছফালে একালত কুকুৰা পোহাৰ উদ্দেশ্যে এটা ডাঙৰ-দীঘল, তাঁৰৰ জালেৰে বেৰ দিয়া ঘৰ সজা হৈছিল। কুকুৰা পোহা আঁচনিখন সময়ত পৰিত্যক্ত হৈছিল, আৰু ঘৰটো এনেয়ে পৰি আছিল। বিশ্ববিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ কৰিলো,— এইটোকে বেৰ-কুৰ দি আমাৰ কিতাপৰ গুদামলৈ পৰিবৰ্তিত কৰিব লাগে। বিশ্ববিদ্যালয়ে বৰ সোনকালে কামটো কৰি দিলে। ইমান দিনে এই আইডিয়াটো প্ৰকাশ নকৰাৰ কাৰণ আছিল, উদ্যোক্তাসকলে কুকুৰা পোহাৰ আঁচনিখন পুনৰ উজ্জীৱিত কৰিব পাৰে বুলি মোৰ ধাৰণা হৈছিল।

তাৰ পাছত, যোৱা সাত বছৰৰ অভিজ্ঞতাৰ ভেটিত, মই পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ বাবে সুকীয়া ঘৰৰ নক্সা এখন আঁকিলো। তাত সচিবৰ বহা-কোঠালিৰ পৰা ছপাশাললৈকে, পাণ্ডুলিপিৰ পৰা গ্ৰাহকলৈকে সকলোৰে বাবে সুবিধাজনক ঠাইৰ ব্যৱস্থা কৰিলো। এদিন নক্সাখন বিশ্ববিদ্যালয়ৰ ইঞ্জিনিয়াৰিং বিভাগৰ হাতত অৰ্পণ কৰিলো। সেই সময়ত আমাৰ সমিতিৰ আৰ্থিক অৱস্থা টনকিয়াল আছিল। মোৰ নক্সামতেই এদিন

ঘৰটো সম্পূৰ্ণ হৈ উঠিল। কিন্তু সেই ঘৰটোৰ সচিবৰ কোঠাত বহিবলৈ পোৱাৰ আগতেই মই বিশ্ববিদ্যালয় এৰিলো। পাছত, এদিন ভিতৰি-ভিতৰি বৰ উত্তেজিত, বিভ্ৰান্ত আৰু আতুৰ হৈ মই সেই কোঠালিটোলৈ গৈছিলো। তেতিয়া ড. মহম্মদ তাহেৰ সচিবৰ আসনত উপবিষ্ট আছিল। মোৰ সেই দিনটোৰ কথা অইন এটা ঘটনাৰ সূত্ৰ ধৰি ক'লেহে বুজিবলৈ সুবিধাজনক হ'ব। গতিকে সেই কথা এতিয়া এৰিলো।

সন্ধ্যাৰাগ চলচ্চিত্ৰখনে মোৰ দিনবোৰৰ ওপৰত, সময়ৰ ওপৰত হস্তক্ষেপ কৰিবলৈ আৰম্ভ কৰিছিল। মই ভাবিছিলো,— কাম এটা কৰিবলৈ বৰ চখ হৈ আছিল; কৰিলো, কথা সিমানতে শেষ হ'ল। কিন্তু নহ'ল। কাম বহুত বাঢ়িল। ভাৰত চৰকাৰৰ চলচ্চিত্ৰ মহোৎসৱ সঞ্চালকালয়ে এবাৰ মাতিলে দিল্লীলৈ। গ'লো। সেইবাৰ (জানুৱাৰি, ১৯৭৮ চন) সেই সঞ্চালকালয়ে ভাৰতৰ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত প্ৰথমবাৰৰ বাবে ইণ্ডিয়ান পেনোৰামা নামৰ শাখাটো আৰম্ভ কৰিছিল। সঞ্চালকালয়ে মোক ক'লে,— সন্ধ্যাৰাগ মাদ্ৰাজলৈ যাব; গতিকে ময়ো যাব লাগিব। গ'লো। অ'ত-ত'ত থপিয়াই-জঁপিয়াই লিখা ১৯৭৮ চনৰ ডায়েৰি এখন পাইছোঁ। তাৰ জানুৱাৰি মাহৰ প্ৰথম ভাগৰ কেইটামান পাতত কিছু কথা লিখা আছে। কেতিয়া যে কি কৰিছিলো,— এতিয়া পঢ়ি নিজেই আমোদ পাওঁ।— চাৰি তাৰিখে ড. মহেশ্বৰ নেওগে ফোনত ক'লে,— নবীন বৰদলৈ আৰু লম্বোদৰ বৰা ৰচনাৱলীৰ মূল পাণ্ডুলিপিখিনি তেখেতক দিব লাগে। প্ৰকাশন পৰিষদে বিচাৰিছে। আবেলি মাদ্ৰাজলৈ যোৱা এয়াৰ-টিকেটবোৰ সংগ্ৰহ কৰিলো। পাঁচ তাৰিখে শ্ৰী দুলাল খাউণ্ড আৰু শ্ৰী কমলেশ্বৰ বৰুৱাৰ লগত আমাৰ বিক্ৰিকেন্দ্ৰৰ টকা চুৰ হোৱা বিষয়ৰ এনকোৱাৰি মিটিং কৰিলো। অৰুণা ছিনেমাত সন্ধ্যাৰাগৰ লিফলেট দি আহিলোগৈ। ছয় তাৰিখে প্ৰীতি, জিণ্টি, ৰশ্মি আৰু ৰুণু দেৱীৰে সৈতে মাদ্ৰাজ পালোহি। ৭-৩০ বজাত। তাজ কৰমণ্ডল হোটেলত আমাৰ বাবে থকা-খোৱাৰ ব্যৱস্থা কৰা হৈছে। মই আৰু ৰুণু Filmotsav '78- অৰ ডেলিগেট। 5 Star hotel;— এটা নতুন অভিজ্ঞতা। বিলাসবহুল কাৰবাৰ। দেশী-বিদেশীৰ ভিৰ। সাত তাৰিখে সত্যজিত ৰায়ক লগ পালো। তেখেতে ক'লে— আপোনাৰ ছবিৰ খুব প্ৰশংসা শুনিছোঁ। ছবিখন মোক এবাৰ কলিকতাত দেখুৱাব নোৱাৰেনে? (সত্যজিত ৰায়ে মোক কোৱা এই কথাকেইষাৰ মই অইন ঠাইত স্মৃতিৰ পৰা অলপ বেলেগকৈ উদ্ধৃত কৰিব পাৰোঁ; কিন্তু ইয়াত কথাকেইষাৰ ডায়েৰিৰ পৰা উদ্ধৃত কৰিছোঁ।) আঠ তাৰিখে শ্যাম বেনেগাল আৰু মৃণাল সেনৰ লগত কথা পাতিলো। সন্ধিয়া ৬-৩০ বজাত Safire হলত সন্ধ্যাৰাগ প্ৰদৰ্শিত হ'ল। এঘাৰ তাৰিখে অমিতা মালিকৰ লগত কথা পাতিলো।... তেখেতে শ্ৰীলংকাৰ এগৰাকী সংবাদসেৱীৰ সন্মুখত সন্ধ্যাৰাগৰ বৰ প্ৰশংসা কৰিলে। ... গধূলি কলিকতালৈ উভতিলো।

সুবিধা পাই যাৰেই লগত কথা নাপাতোঁ কিয়, মোৰ মনত আছে,— জীৱনত প্ৰথম উপস্থিত থকা সেই চলচ্চিত্ৰ মহোৎসৱত মই আও-ভাও নোপোৱা মানুহৰ নিচিনাকৈ মিজিংমাজাংকৈ কটাইছিলো। নবকমল ভূঞা আৰু তেওঁৰ নৃত্যশিল্পী পৰিবাৰ পুষ্পা ভূঞা সমন্বিতে মাদ্ৰাজত থকা কিছু অসমীয়া লোকে আমাক সাদৰ-সম্ভাষণ জনাবলৈ সভা এখন পাতিছিল; সেইখন সভাতহে অলপ তজবজীয়া হৈ পাইছিলো।

মোৰ সময়ৰ ওপৰত সন্ধ্যাৰাগৰ হস্তক্ষেপৰ কথা কৈ আছোঁ; আৰু কিছু ক'বলগীয় আছে; কিন্তু মাজতে, অপ্ৰাসংগিক হ'লেও, ডায়েৰিখনৰ ওঠৰ জানুৱাৰিৰ ঘৰত লিখ কথাখিনি উল্লেখ কৰি থ'বলৈ মন গৈছে। কথাখিনি হ'ল ঃ "প্ৰকাশন পৰিষদৰ বছৰেকীয় সভাত মই যুক্তি দৰ্শাই জোৰ দি ক'লো— বিশ্বকোষৰ কাম বন্ধ হ'ব নোৱাৰে। ঘৰটোৰ আধা ভাৰা দি তাৰে এই কাম চলাই ৰাখিব লাগিব। শ্ৰী হিতেশ্বৰ শইকীয়া আৰু শ্ৰী মদন প্ৰসাদ বেজবৰুৱাই মোৰ যুক্তি বুজা যেন লাগিল। বিশ্বকোষৰ কাম চলি থাকিব বুলি সিদ্ধান্ত কৰা হ'ল।" (শ্ৰী হিতেশ্বৰ শইকীয়া তেতিয়া পৰিষদৰ সভাপতি আছিল আৰু শ্ৰী বেজবৰুৱা আছিল অসম চৰকাৰৰ শিক্ষা বিভাগৰ সচিব।)

এপ্ৰিল মাহৰ শেষত আকৌ দিল্লীলৈ। ফিল্মখনে অসমীয়া ভাষাৰ শ্ৰেষ্ঠ ফিল্ম হিচাপে 'ৰজত কমল' বঁটা পালে। প্ৰথম বঁটা পোৱাৰ আনন্দত দিল্লীৰ বঁটা দিয়া উৎসৱলৈ দলে-বলে ওলালো। আৰতি বৰুৱা, মায়া বৰুৱা, নানু দত্ত, ৰুণু দেৱী, ঈশান বৰুৱা আৰু আমাৰ পৰিয়ালটো। দিল্লীৰ আছাম হাউছলৈ আগতে খবৰ দিছিলো; কিন্তু ডেৰদিন দুৰাতি ৰে'লযাত্ৰাৰ মূৰত ৰাতিপুৱা আছাম হাউছত উপস্থিত হৈ দেখোঁ, আমাৰ থকাৰ ব্যৱস্থাৰ কথা চকীদাৰ-কৰ্মচাৰীয়ে একো নাজানে। কোনোবা এজনে দয়া কৰি তৃতীয় মহলাৰ 'ঢলা বিছনা'ৰ উপযোগী শূন্য কোঠালি এটা খুলি দিলে; সংশ্লিষ্ট বিষয়া অফিছলৈ নহালৈকে আমি সেইটো কোঠালিৰ মজিয়াতে, বেৰত আউজি ভৰি মেলি বহি থাকিলো।

মে' মাহৰ এক তাৰিখে আমি উভতি গুৱাহাটী পাইছিলোহি। ডায়েৰিৰ তিনি তাৰিখৰ ঘৰত লিখা আছে ঃ দিছপুৰৰ Education Secretary ৰ কোঠালিত প্ৰকাশন পৰিষদৰ Budget Preparatory Committee. (সদস্য হিচাপে মই সেই সমিতিৰ বৈঠকত উপস্থিত আছোঁ।) তাতে ফোনত খবৰ পালো,— ঘৰলৈ এখন বেনামী চিঠি আহিছে।

লৰালৰিকৈ ঘৰলৈ উভতিলো। চিঠিখনৰ সাৰমৰ্ম হ'ল,— মই পত্ৰলেখকক এক লাখ টকা দিব লাগে। নহ'লে মোৰ বিপদ হ'ব। খবৰটো পুলিছক দিলো। অলপ পাছতে ডি. আই. জি. কে. পি. এছ. গিল আৰু কামৰূপ এছ. পি. আমাৰ ঘৰত উপস্থিত হ'লহি। তেখেতসকলে আমাৰ ঘৰত ৰাতি পহৰাৰ বন্দবস্ত কৰিলে, আৰু জিণ্টিৰ (সংগীতাৰ) লগত স্কুললৈ অহা-যোৱা কৰোঁতে escort অৰ ব্যৱস্থা কৰিলে। কিছুদিন দুশ্চিন্তাত গ'ল। ৰাতি পহৰা দিবলৈ অহা পুলিছে এৰি থৈ যোৱা বেতৰ লাঠী এডাল আমাৰ ঘৰত এতিয়াও আছে।

হঠাতে এক লাখ টকা বিচাৰি মোলৈ চিঠি? কাৰণটো মই নিজেই উদ্ধাৰ কৰি লৈছিলো। সন্ধ্যাৰাগ ফিল্মখনৰ ব্যৱসায় ভাল হৈছিল। ফিল্মখনৰ পৰিবেশনৰ ব্যৱস্থা মই নিজে কৰিছিলো। প্ৰীতিৰ ভায়েক দীপু হাজৰিকা আৰু দীপুৰ বন্ধু, মৰাণৰ প্ৰদীপ ভট্টাচাৰ্য ফিল্মখনৰ নিৰ্মাণ-কাৰ্যত,— শ্যুটিঙৰ সময়ৰে পৰা,— আমাৰ প্ৰধান সহায়ক আছিল। প্ৰদীপে ফিল্মখনত অভিনয়ো কৰিছিল। পাছত 'সন্ধ্যাৰাগ ডিষ্ট্ৰিবিউটৰছ'-অৰ হৈ তেওঁলোকেই গোটেই অসমত ফিল্মখনৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছিল। পাছলৈ যেতিয়া একেলগে চাৰিটা প্ৰিণ্ট চলোৱাৰ প্ৰয়োজনে দেখা দিছিল, তেতিয়া ইন্দুভূষণ গগৈ আৰু কৰুণা চৌধুৰী এওঁলোকৰ লগ লাগিছিল। (ইন্দুভূষণ গগৈয়ে পাছলৈ চলচ্চিত্ৰ পৰিচালনা আৰু প্ৰযোজনাৰ কামত সহযোগী হৈ থাকি এতিয়া নিজে চলচ্চিত্ৰ, বিশেষকৈ ভিডিঅ'-চলচ্চিত্ৰ নিৰ্মাণত হাত দিছে। কৰুণা চৌধুৰী এতিয়া ইউনাইটেড ইণ্ডিয়া ইন্সিঅ'ৰেন্স কম্পেনিৰ বিষয়া।) এই চাৰিজন গ্ৰেজুৱেট যুৱকে প্ৰায় সাত মাহৰ ভিতৰতে অসমৰ সৰু-ডাঙৰ প্ৰায় সকলো ছিনেমা হলতে ফিল্মখনৰ প্ৰদৰ্শন সম্পূৰ্ণ কৰিছিল। এওঁলোকে ছিনেমা হলবোৰৰ কৰ্তৃপক্ষৰ লগত এনেকুৱা সম্পৰ্ক ৰক্ষা কৰিছিল যে পইচা-পাতিৰ লেনদেনৰ ক্ষেত্ৰত উল্লেখযোগ্য কোনো সমস্যাই দেখা দিয়া নাছিল। ছমাহৰ ভিতৰতে মই চলচ্চিত্ৰ নিগম আৰু ইউনাইটেড কমাৰ্ছিয়েল বেংকৰ ধাৰ সূতে-মূলে মাৰি পেলালো, আৰু আত্মীয়-স্বজন, বন্ধু-বান্ধৱ যাৰ পৰা যি লৈছিলো সকলো ওভোতাই দিলো। ইমান সোনকালে ধাৰ মৰাৰ কাৰণে বেংকটোৰ কলিকতাৰ অফিছৰ পৰা মই এখন ধন্যবাদসূচক চিঠিও পাইছিলো। কিন্তু সেইবুলি এক লাখ টকা খুজি বেনামী চিঠি? আৰ্থিক দিশত মই সিমানৰ মানুহ হোৱা নাছিলো। কিছুদিনৰ পাছত গোটেই ঘটনাটো কাৰোবাৰ ছিৰিয়াছ ধেমালি বুলি ধৰি ল'লো।

কিছুদিনৰ পাছতে যাবলগীয়া হ'ল ছেকোশ্ল'ভাকিয়াৰ কাৰলভি ভেৰি চলচ্চিত্ৰ মহোৎসৱলৈ। মাদ্ৰাজৰ মহোৎসৱত মৃণাল সেন আৰু অমিতা মালিকৰ লগত মোৰ কেৱল নামত চিনাকি হৈছিল; কাৰলভি ভেৰিত তেখেতসকলৰ লগত ভৱিষ্যতলৈ কেতিয়াও অচিনাকি হৈ পৰাৰ সম্ভাৱনা নোহোৱাকৈ এটা সম্পৰ্ক স্থাপিত হ'ল। মৃণাল সেন তালৈ গৈছিল তেখেতে পৰিচালনা কৰা 'ওকা উৰি কথা' নামৰ চলচ্চিত্ৰখনৰ পৰিচালক হিচাপে।

কাৰলভি ভেৰি নামৰ সেই চহৰখনৰ এটা ৰাস্তাৰ কথা ভাবিলে মই এতিয়াও আনন্দ অনুভৱ কৰোঁ। ৰাস্তাটোৰ দুয়োকাষে ঘাইকৈ পৰ্যটকৰ বাবে আকৰ্ষণীয় বস্তুৰ দোকান, মাজেদি ৰাস্তাটোৰ সমানেই দীঘল, দহফুটমান বহল এখন ফুলনি। তাত বিভিন্ন ধৰণৰ,— ঘাইকৈ গোলাপ ফুলৰ গছ। বিভিন্ন ৰঙৰ, বিভিন্ন আকাৰৰ গোলাপ ফুলে ৰাস্তাৰ মাজৰ

অংশটো ৰমক-জমক কৰি ৰাখিছে। ফুলগছৰ মাজে-মাজে দীঘল-দীঘল বেঞ্চ; কোনো-কোনো পথিকে তাতে বহি জিৰণি লৈছে। ৰাস্তাটোত যান-বাহনৰ চলাচল সম্পূৰ্ণ নিষেধ; পথচাৰীয়ে নিৰ্বিঘ্নে ঘূৰা-পকা কৰি আছে। (এই ৰাস্তাটোৰ কথা মনত পেলায়েই প্ৰান্তিকৰ শেষপৃষ্ঠাত মই গুৱাহাটীৰ এছোৱা ৰাস্তাত 'কিতাপৰ ফুলনি' এখন নিৰ্মাণ কৰাৰ কথা লিখিছিলো।)

কাৰলভি ভেৰিত কেইটামান গৰম পানীৰ উহ আছে। উহৰ পানীবোৰ ফোৱাৰাৰ ৰূপত ওপৰলৈ ওলাই থাকে। প্ৰতিটো উহৰ পানীৰ বেলেগ-বেলেগ ঔষধি গুণ আছে বুলি সেই দেশৰ স্বাস্থ্যবিজ্ঞানী এচামে প্ৰতিপন্ন কৰিছে। পৃথিৱীৰ নানা দেশৰ পৰা বিভিন্ন ৰোগৰ ৰোগীয়ে সেই পানী খাবলৈ কাৰলভি ভেৰিলৈ আহে। সংশ্লিষ্ট কৰ্তৃপক্ষই এটাইখিনি উহ সামৰি এটা ডাঙৰ মুকলি ঘৰ (hall) নিৰ্মাণ কৰিছে, আৰু গৰম পানীৰ ফোৱাৰাবোৰ দৰ্শক আৰু ৰোগীয়ে চোৱা আৰু তাৰ পানী সংগ্ৰহ কৰি খোৱাৰ সুবিধা কৰি দিছে। ঘৰটোলৈ সোমোৱা বাটৰ ওচৰতে চিকিৎসকৰ বহা ঠাই আছে। তেওঁ ৰোগীৰ ৰোগৰ বৰ্ণনা শুনে, আৰু ৰোগীজনে কোনটো ফোৱাৰাৰ পানী খাব লাগে সেইটো কৈ দিয়ে। (ফোৱাৰাবিলাকৰ নম্বৰ দিয়া থাকে।) ওচৰতে এবিধ চীনামাটিৰ সৰু মগ কিনিবলৈ পোৱা যায়। ৰোগীয়ে মগ এটা কিনি তাৰে নিৰ্দিষ্ট ফোৱাৰাৰ পানী ধৰি খায়। নিৰোগী লোকেও স্মৃতিচিহ্ন হিচাপে সেই মগ কিনি লৈ যায়। সেই ফোৱাৰাবোৰৰ পানী খাই কিমান মানুহে সুফল পাইছে, সেইটো কথাৰ ওপৰত মই বেছি গুৰুত্ব দিয়া নাছিলো। অলেখ মানুহে যে পানী খাইছে, সেই কথাটোৱেই সুফল-কুফলৰ এটা আভাস দিয়ে। কিন্তু, এখন সুসভ্য, উন্নত দেশৰ মানুহে প্ৰকৃতি-প্ৰদত্ত উহকেইটাৰ ৰক্ষণাবেক্ষণ আৰু ব্যৱহাৰৰ কাৰণে যি আয়োজন কৰিছে, তাকে দেখিহে মই অভিভূত হৈছিলো।

মোৰ কাৰণে কাৰলভি ভেৰিৰ মনত ৰাখিবলগীয়া দ্বিতীয়টো বস্তু আছিল— আমাক থাকিবলৈ দিয়া ঘৰটো। থাৰ্মছ (Thermos) নামৰ সেই বিশাল ঘৰটো আছিল হোটেল, সভাঘৰ, ছিনেমা হল আদিৰ সমষ্টি। মহোৎসৱটোৰ লগত জড়িত কোনো কামৰ কাৰণে আমি থাৰ্মছৰ বাহিৰলৈ যাবলগীয়া হোৱা নাছিল। ইটো ছিনেমা হলৰ পৰা সিটো ছিনেমা হললৈ যাবলৈ ঘৰটোৰ ভিতৰতে খোজ কাঢ়ি ফুৰিছিলো, আৰু প্ৰয়োজন হ'লেই নিজৰ কোঠাত সোমাইছিলোগৈ। নগৰখন দেখুৱাবলৈ বুলি এদিন কৰ্তৃপক্ষই আমাক থাৰ্মছৰ পৰা উলিয়াই নিছিল। প্ৰথমতে নিছিল এটা কাচৰ কাৰখানালৈ। সেইখন নগৰ কাচৰ বস্তুৰ কাৰণে বিখ্যাত আছিল। অন্যান্য বহু পৰ্যটকৰ নিচিনাকৈ ময়ো কাচৰ মণি আৰু সৰু-সৰু বাচন কেইটামান কিনি এদিন কাৰলভি ভেৰিৰ পৰা বিদায় ল'লো। আহোঁতে, প্ৰায় ওঠৰ বছৰৰ মূৰত, লণ্ডনখন এবাৰ চাই আহিলো।

চলচ্চিত্ৰখনে মোৰ সময় আৰু জীৱনৰ ওপৰত সৃষ্টি কৰা লহৰীবোৰ (ripples) ১৯৭৮ চনৰ শেষৰ ফালে ক্ৰমাৎ নিস্তেজ হৈ আহিল; কিন্তু সেই সময়তে, মোৰ কাৰণে অভাৱনীয় এক ধৰণৰ ঢৌৱে মোক কোবাবলৈ ধৰিলে। সেই সময়ত ফৌজদাৰীপটিৰ মোৰ ঘনিষ্ঠ বন্ধু শচীন বৰাৰ ভনী-জোঁৱাই নগেন বৰুৱা আছিল এম. এল. এ। তেখেত প্ৰথমতে দেৰগাঁও আৰু পাছত খুমটাই সমষ্টিৰ পৰা নিৰ্বাচিত হৈছিল। তেখেতে মোক কি বুলি চিনি পাইছিল মই নাজানিছিলো; কিন্তু মই তেখেতক ৰেণুৰ গিৰিয়েক, শিক্ষক আৰু ৰাজনৈতিক কৰ্মী বুলি চিনি পাইছিলো। এদিন তেখেতে মোক লগ ধৰি ক'লে,— আপোনাৰ বায়'ডেটাখিনি লাগে। সোনকালে। মই সুধিলো,— কিয়? তেখেতে প্ৰথমতে "লাগে, কাম এটা আছে"— ইত্যাদি বুলি কৈ আচল কথাটো নক'বলৈ চেষ্টা কৰিছিল; কিন্তু মই জোৰকৈ ধৰাত তেখেতে ক'লে,— আপোনাৰ নামটো আছাম পাবলিক ছাৰ্ভিছ কমিশ্যনৰ চেয়াৰমেন পদৰ বাবে বিবেচনা কৰা হৈছে। সেই কাৰণে বায়'ডেটাখিনি লাগে। তাৰ কিছুদিনৰ পাছত এদিন তেখেতে মোক দিছপুৰলৈ মাতি নি একেবাৰে মুখ্যমন্ত্ৰী শ্ৰী গোলাপ বৰবৰাৰ মুখামুখি কৰি দিলেগৈ। মুখ্যমন্ত্ৰীয়ে কিবা লিখি আছিল। বৰুৱাই মোৰ কথা কিবাকিবি কৈ গ'ল; মুখ্যমন্ত্ৰীয়ে দুবাৰমান মূৰ তুলি মোৰ ফালে চালে। পাঁচ মিনিট নহ'লৈই হ'বলা, বৰুৱাৰ কাম শেষ হ'ল। আমি ওলাই আহিলো। বৰুৱাই যদি সেয়া মোৰ লগত মুখ্যমন্ত্ৰীৰ ইণ্টাৰভিউৰ ব্যৱস্থা কৰিছিল, তেনেহ'লে,— মোৰ ধাৰণা হ'ল,— মোৰ ইণ্টাৰভিউ বেয়া হ'ল। কোনো প্ৰশ্নৰ আদান-প্ৰদান নোহোৱাকৈয়ে বেয়া হ'ল।

সময় পাৰ হ'ল। অসম লোক সেৱা আয়োগৰ সভাপতিৰ পদৰ কোনো কথা আৰু মোৰ কাণত নপৰিল। আচম্বিতে ইমান গুৰুত্বপূৰ্ণ পদবী এটাৰ কথা ওলাওঁতেই মই স্বাভাৱিকতে উত্তেজিত আৰু উৎসুক হৈছিলো আৰু সেই উত্তেজনা আৰু ঔৎসুক্যৰ মাজতে বৰুৱাৰ কথামতে কাম কৰি আছিলো; কিন্তু ঘটনাটোৰ গভীৰলৈ সোমাই তাৰ গুৰুত্ব বুজাৰ চেষ্টাই কৰা নাছিলো। মাজতে এদিন বৰুৱাই মোক ভাৰতৰ ৰাজ্যসভাৰ সদস্য পতাৰ কথাও কৈছিল। এই সকলো কথা মই এক ধৰণৰ তৰংগ বুলিয়েই গ্ৰহণ কৰিছিলো। কিন্তু এদিন কথাবোৰক তেনেকৈ পাতলকৈ গ্ৰহণ কৰাৰ মোৰ উপায় নোহোৱা হ'ল।

ৰাতি মেজত লিখা-পঢ়াৰ কাম কৰি আছোঁ, এনেতে 'দৈনিক অসম' কাকতৰ কাৰ্যালয়ৰ পৰা সংবাদসেৱী এজনে টেলিফোনত খবৰ দিলে,— মোক বোলে উত্তৰ-পূব ৰে'লৱেৰ ছাৰ্ভিছ কমিশ্যনাৰ সভাপতি পতা হৈছে। দিল্লীৰ পৰা বাতৰিকাকতৰ অফিছলৈ বাতৰি আহিছে। সংবাদসেৱীজনে মোক অভিনন্দন জনাই লগতে সুধিলে,—

মই খবৰটো পাইছোঁ নে নাই? মই ক'লো,— তোমাৰ পৰা প্ৰথম শুনিলো। কিন্তু মই কথাটো বিশ্বাস কৰা নাই। মোক অভিনন্দন জনোৱাৰ আগতে তুমি এটা কাম কৰা। নগাঁৱৰে আৰু এগৰাকী ভবেন শইকীয়া আছে। তেখেত ভালেমান দিনৰ আগৰে পৰা ৰাজনৈতিক আৰু ৰাজহুৱা ক্ষেত্ৰৰ লগত ঘনিষ্ঠভাৱে জড়িত। এই পদটো পোৱা মানুহগৰাকী আচলতে তেখেতহে নে কি, প্ৰথমতে তুমি সেই কথাৰ অনুসন্ধান কৰা। এঘণ্টামানৰ পাছত সংবাদসেৱীজনে আকৌ ফোন কৰিলে;— তেওঁ দিল্লীৰ লগত যোগাযোগ কৰি নিশ্চিত হ'ল,— মানুহজন ময়েই।

কোনো আগতীয়া যোগাযোগ নাই, আগ-জাননী নাই, সংকেত নাই, হঠাতে সংবাদসেৱী এজনৰ পৰা পোৱা এই খবৰটোৱে মোৰ জীৱনৰ এটা ডাঙৰ পৰিবৰ্তনৰ সূচনা কৰিলে।

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অধিকাংশ ৰে'লপথ অসম ৰাজ্যৰ মাজত পৰিছিল। সেই সময়ত এই ৰে'লৱেৰ বাবে ছাৰ্ভিছ কমিশ্যন নাছিল; এখন ৰিক্ৰুইটমেণ্ট বৰ্ড আছিল। ভালেমান দিনৰ আগৰে পৰা অসমীয়া প্ৰাৰ্থীয়ে ৰে'লত চাকৰি নোপোৱা সম্পৰ্কে নানান ওজৰ-আপত্তি উঠি আছিল, আৰু এই ৰে'লৱেৰ কাৰণে, অন্যান্য ৰে'লৱেত থকাৰ নিচিনাকৈ, ছাৰ্ভিছ কমিশ্যন প্ৰতিষ্ঠা কৰিব লাগে বুলি দাবী উঠি আছিল। সেই দাবীয়ে ক্ৰমাগত অধিক শক্তি আহৰণ কৰিছিল, আৰু শেষত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ছাৰ্ভিছ কমিশ্যন প্ৰতিষ্ঠা কৰিববলৈ সন্মত হৈছিল। সাধাৰণ নাগৰিক হিচাপে এইবোৰ খবৰ আমি বাতৰিকাকতৰ পৰা পাই আছিলো। কিন্তু মোকেই যে সেই কমিশ্যনৰ চেয়াৰমেন পতা হ'ল, এই কথাটোত মই চিন্তিত হৈছিলো। কেনেকৈ এইটো ঘটনা ঘটিবলৈ পালে তাৰ খবৰ লৈ তেতিয়াৰ অসমৰ মন্ত্ৰী শ্ৰী দুলাল বৰুৱাৰ পৰা গম পালো,— সেই যে অসম লোকসেৱা আয়োগৰ সভাপতি পতাৰ কথা ওলাওঁতে নগেন বৰুৱাই মোৰ পৰা বায়'ডেটা নিছিল, সেই বায়'ডেটা এসময়ত অসম চৰকাৰৰ জৰিয়তে দিল্লী পালেগৈ, আৰু শেষত ঘটিল এই ঘটনাটো।

অসম লোকসেৱা আয়োগ বাৰু যেন-তেন, কিন্তু ৰে'লসেৱা আয়োগ? বাহনৰ লগত যাত্ৰীৰ যি সম্পৰ্ক, ৰে'লৰ লগত তাতকৈ মোৰ বেছি সম্পৰ্ক একো নাছিল। কেইদিনমান অকলে-অকলে কথাবোৰ চিন্তা কৰিলো। শিক্ষাজগতখন এৰি একেবাৰে বেলেগ জগত এখনত সোমোৱাৰ কথা। ক'বলৈ গ'লেতো সেই মোক্তাব স্কুলত নাম লগোৱাৰ দিনৰ পৰা শিক্ষাজগতত বাস কৰিছোঁ! এৰিম নে এইখন জগত? শেষত এদিন ঠিক কৰিলো,— পদাৰ্থবিজ্ঞান বিভাগত মোৰ শক্তি অনুসৰি যি পাৰোঁ নতুন কিবা এটা কৰিলো; পাঠ্যপুথিৰ গুৰুত্বপূৰ্ণ আঁচনি এখন আৰম্ভ কৰি তাৰ এটা গতি লগালো; এতিয়া আৰু এখন নতুন আঁচনি সমুখত উপস্থিত হৈছেহি। যি দাবীৰ ফল হিচাপে এই ৰে'লসেৱা আয়োগ প্ৰতিষ্ঠা কৰা হৈছে, সেই দাবী পূৰণৰ বাবে প্ৰথম কাম

কৰিবলৈ লোৱাটোওতো এটা উল্লেখযোগ্য সেৱা। কেইদিনমান চিন্তা-ভাবনা কৰি সিদ্ধান্ত কৰিলো,— যদি নিযুক্তিপত্ৰ আহে, তেনেহ'লে পদটো গ্ৰহণ কৰিম।

গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ ৰাস্তাটোৱে উজানবজাৰ পাৰ হৈ যিখিনিত টিলাৰ ওপৰলৈ উঠিব খুজিছে, সেইখিনিতে বাঁওফালে নদীৰ পাৰত এটা পুৰণি, ডাঙৰ বঙলা আছে। শুনিলো, সেইটো ঘৰতে উত্তৰ-পূব সীমান্ত ৰে'লসেৱা আয়োগৰ অফিছ হ'ব। এদিন ভাৰতৰ ৰে'ল বিভাগৰ মন্ত্ৰী শ্ৰী মধু দণ্ডাৱটে আহিল ৰে'লসেৱা আয়োগ উদ্বোধন কৰিবলৈ। মই তেতিয়াও একো চিঠি-পত্ৰ পোৱা নাই; কিন্তু কথাটো মালীগাঁৱৰ সদৰ কাৰ্যালয়ে জানে। সেই কাৰ্যালয়ে মোকো উদ্বোধনী অনুষ্ঠানলৈ মাতিলে। গ'লো। বৰ্তমানে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বিশেষ কৰ্তব্যৰত বিষয়া শ্ৰী ৰত্ন ওজা তেতিয়া ৰে'ল বিভাগৰ বিষয়া আছিল। সেই সময়ছোৱাত তেখেতেই মোৰ লগত যোগাযোগ ৰাখিছিল। অন্ততঃ তেখেতে মোক চিনি পাব, সেই ভাৰসাতে উক্ত সভাখনলৈ গৈছিলো। ৰে'লমন্ত্ৰীগৰাকীয়ে তেখেতৰ ভাষণত কৈছিল ঃ এই ৰে'লসেৱা আয়োগ প্ৰতিষ্ঠিত হোৱাৰ পাছত থলুৱা মানুহৰ আশা-আকাংক্ষা পূৰণ হ'ব (-aspirations of the local people will be fulfilled).

এই বাক্যটো মই সেইদিনাৰ পৰাই সযতনে মনত ৰাখিছিলো।

১৯৭৮ চনৰ ডিছেম্বৰ মাহৰ মাজভাগত মই ভাৰত চৰকাৰৰ পৰা নিযুক্তিপত্ৰখন পালো, আৰু ১৯৭৯ চনৰ জানুৱাৰি মাহৰ আঠ তাৰিখে কাৰ্যভাৰ গ্ৰহণ কৰিলো।

যিদিনা পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সেই বাঁহৰ চিলিঙিৰে ঘেৰা অফিছটোৰ পৰা শেষবাৰৰ কাৰণে ওলাই আহোঁ, সেইদিনা মই কাৰো লগত কথা পাতিব পৰা নাছিলো। ইংগিতেৰে সকলোৰে পৰা বিদায় লৈছিলো। চালিখনৰ তললৈ গৈ প্ৰেছৰ মেচিনটোও চাই আহিছিলো। একাউণ্টেন্ট মদন ভট্টাচাৰ্য, আপাৰ ডিভিজন এছিষ্টেণ্ট হেমন্ত বৰুৱাৰ পৰা গেষ্টেটনাৰ অপাৰেটৰ দেবেন দাসলৈকে, সহকাৰী সচিব নিত্যানন্দ তামুলীৰ পৰা পিয়ন দিলাৰাম, চকীদাৰ চাটায়ালৈকে,— এওঁলোক মোৰ জীৱনৰ এছোৱা অতি কৰ্মব্যস্ত, গুৰুত্বপূৰ্ণ সময়ৰ সংগী আৰু সহকাৰী আছিল। এওঁলোকক, আৰু সেই কোঠালিকেইটা এৰি আহিবলৈ মোৰ কষ্ট হৈছিল। মই তেওঁলোকক 'বিদায় সভা' পাতিবলৈ মানা কৰিছিলো। সেইটো ঘটনা মই পদাৰ্থবিজ্ঞান বিভাগতো ঘটিবলৈ দিয়া নাছিলো। মনত পৰে,— মাত্ৰ মই সাহিত্য অকাডেমি বঁটা পোৱা উপলক্ষ্যে মই বহা কোঠালিটোতে অফিছটোৰ সকলোৱে গোট খাই এদিন এখন সভা পাতিছিল। সভাৰ মূল কথাখিনি কৈছিল ভবেন বৰুৱাই।

একেবাৰে নিঃশব্দে অফিছটোৰ পৰা ওলাই আহিছিলো। কাকো দুৱাৰমুখত আগ বঢ়াই থবলৈও দিয়া নাছিলো।

আজিও সেই অফিছটোৰ মানুহখিনিৰ মুখবোৰ আৰু নামবোৰ এফালৰ পৰা মনত পেলাই থাকিবলৈ চেষ্টা কৰোঁ ঃ ভবেন নাথ, যতীন দত্ত, বিপিন ডেকা, কবীন বৰুৱা, প্ৰফুল্ল বৰ্মন, ফুকন কলিতা, ৰমণী গগৈ, শ্ৰী ধৰ দাস, মহানন্দ কুমাৰ, নৰেন মজুমদাৰ—।

সেইদিনা সেই অফিছটো এৰিবলগীয়া হোৱা কাৰণেই মই গভীৰ দুখ অনুভৱ কৰিছিলো, কিন্তু লগে-লগে যে মই বিশ্ববিদ্যালযখনো এৰিছিলো, সেই কথা পাছত মনলৈ আহিছিল। আকৌ যে কেতিযাবা বিশ্ববিদ্যালযলৈ উভতি যাম, তেনেকুবা কোনো ব্যৱস্থা মই কৰি থৈ অহা নাছিলো। নতুন চাকৰিটো ছবছৰৰ কাৰণে আছিল, সেই ছবছৰ পাৰ হ'লে ক'লৈ যাম, কি কৰিম,— সেইবোৰ চিন্তা মোৰ মনলৈকে অহা নাছিল। গ'লো যদি গ'লোৱেই,— ওভতাৰ কথা ভবা নাছিলো। সেই ভূপতি ডেকাৰ লগত থকা দিনৰে পৰা ১৯৭৯ চনৰ জানুৱাৰিলৈকে— এই সুদীৰ্ঘ কালৰ অলেখ অকণ-অকণ স্মৃতি আজিকালি বাটৰ কাষৰ অন্ধকাৰৰ মাজত জোনাকী-পৰুৱা জ্বলি উঠাৰ নিচিনাকৈ জ্বলি উঠে, আৰু নুমাই যায়।— গুৱাহাটীলৈ আহিবলৈ বাটৰ কাষত বাছৰ কাৰণে ৰৈ আছোঁ, কাষত অসমীযাৰ অধ্যাপক অতুল চন্দ্ৰ হাজৰিকা ছাৰ। তেখেতে ক'লে, "ভবেন, তোমাৰ সেন্দূৰ নামৰ কিতাপখনৰ নামটোৰ বানানটো ভুল হৈছে। তুমি হ্ৰস্ব উ- কাৰ দিছা। দীৰ্ঘ-উ-কাৰ হ'ব লাগে।" কিয় জানো ক'ব নোৱাৰোঁ, কিতাপখনৰ বেটুপাতৰ ভুলটো আজিও শুধৰোৱা হোৱা নাই।-- বে'ল বজোৱা শুনি দুৱাৰ খুলিছোঁ,— সত্যেন্দ্ৰ নাথ শৰ্মা ছাৰ সোমাই আহিছে। তেখেতক 'পুতলা নাচ' নাটকৰ কপি এটা লাগে। — হাতত লাঠীডাল লৈ উপাচাৰ্য মথুৰা নাথ গোস্বামীযে সান্ধ্যভ্ৰমণ কৰিছে। —উপাচাৰ্য সুৰেশ চন্দ্ৰ ৰাজখোৱা ছাৰে তেখেতৰ অফিছৰ পৰা টেলিফোনত কৈছে, "শইকীয়া, ব্যস্ত হৈ আছানে কি? সময় পালে এবাৰ আহিবাচোন।" — হাতত কিতাপ দুখনমান লৈ ভবেন বৰুৱা সোমাই আহিছে। ৰাজ্যৰ কথা, সাহিত্যৰ কথা, মানুহৰ কথা। প্ৰসংগক্ৰমে এটা কথা কৈ থওঁ। বহু কথাত মোক পৰামৰ্শ দি সহায় কৰা এই মানুহজনক মোৰ ঘনিষ্ঠসকলৰ মাজত আটাইতকৈ বেছি অধ্যযনপুষ্ট আৰু চিন্তাশীল লোক বুলি মই গণ্য কৰোঁ। বুৰঞ্জী, দৰ্শন, সাহিত্য, কলা, সংগীত,— বিভিন্ন শাখাত এওঁৰ অধ্যয়ন আৰু চিন্তাৰ গভীৰতা দেখি মই মুগ্ধ হওঁ। তেখেতৰ বহু লেখা যে গড়মানৰ (average) পাঠকৰ কাৰণে জটিল, সেই কথাটো মই তেওঁক প্ৰায়েই সোঁৱৰাই দিওঁ, আৰু তেওঁৰ গভীৰ অধ্যয়নৰ সুফল বহু মানুহে উপভোগ কৰিব নোৱাৰিব বুলি শংকা প্ৰকাশ কৰোঁ।

এদিন চৌৱন্ন নম্বৰ ঘৰটো এৰিবলৈ ওলালো। সকলো বস্তু উলিয়াই নিয়াৰ পাছত শূন্য ঘৰটো কথা ক'লেই গমগমাই উঠিছিল। প্ৰীতিহঁতে গোটেই ঘৰটো সাৰি-মচি, চৌবাচ্চা দুটাত পানী ভৰ্তি কৰি থৈ আহিছিল। অলপ পাছতে যেন ঘৰটোত কোনোবা

সোমাবহিহে! পাগঘৰটো পুৱাই শাঁত পৰিছিল। শেষৰ সাঁজটো আমাক এসময়ৰ আমাৰ বিৰান্নবৈ নম্বৰ ঘৰটোত থকা ড. অৰুণ ভূষণ বৰুৱা-কবিতা বৰুৱাহঁতে খুৱাইছিল। আমাৰ আটাইৰে হৈ প্ৰীতি আৰু কবিতাই কান্দিছিল।

তাৰ পাছৰ দিনবোৰত,— যিটো চাকৰি কৰি জীৱনত মই আটাইতকৈ বেয়া পালো,— সেই চাকৰিটোৰ অভ্যন্তৰলৈ গতি কৰিলো।

# দহ

কটন কলেজৰ ফালৰ পৰা গুৱাহাটী ৰে'ল-ষ্টেছনলৈ যোৱা বাটটোৰ কাষত, বৰ্তমানৰ ৰিজাৰ্ভ বেংক আৰু অসম চৰকাৰৰ পৰ্যটন বিভাগৰ অফিছৰ মুখে-মুখে ৰে'লবিভাগৰ যি দুটা বঙলা আছে, তাৰে এটাত আমি থাকিবলৈ ল'লোহি। ইংৰাজৰ দিনত সজোৱা, আহল-বহল কোঠালিৰে, সুবিধাজনক ঘৰ। এই ঘৰটো (নম্বৰ B/6) সোমোৱাৰ সময়ত মোৰ বহুদিনৰ আগৰ কথা এটালৈ মনত পৰিছিল। তেতিয়া মই কটন কলেজত পঢ়ি আছিলো। কিছুদিনৰ মূৰে-মূৰে আবেলি ষ্টেছনৰ প্লেটফৰ্মত থকা হুইলাৰৰ দোকানৰ পৰা আলোচনী কিনিবলৈ আহোঁ। আহোঁতে-যাওঁতে দেখোঁ,— এই B/6 নম্বৰ ঘৰটোৰ ওচৰতে থকা ইটো ঘৰৰ সমুখত ডেকা দুজনমানে বেডমিণ্টন খেলে। সেই ঘৰটোত এজন অসমীয়া বিষয়া থাকে। বেডমিণ্টন খেলা ডেকা এজন সেইজন বিষয়াৰে ল'ৰা। খেলৰ কৰ্টখনৰ ওচৰত মাজে-মাজে এজনী ধুনীয়া গাভৰুকো দেখোঁ। তেওঁক ডেকাজনৰ ভনীয়েক বুলি ধৰি লৈছিলো। ইমান ডাঙৰ বঙলাত থকা, ইমান সুখী মানুহ এওঁলোক!— তেওঁলোকক দেখিলেই এই ভাবটো মনলৈ আহিছিল, আৰু বিস্ময় আৰু কৌতূহলৰ দৃষ্টিৰে তেওঁলোকলৈ চাই-চাই খোজ কাঢ়িছিলো।

সেই বঙলাটোৰ নম্বৰ আছিল T-29. কিছুদিন B/6 নম্বৰ ঘৰটোত থকাৰ পাছত আমি সেইটো বঙলাত থাকিবলৈ লৈছিলো। পাছত জানিব পাৰিছিলো,— সেই কটনত পঢ়ি থকা দিনত এই ঘৰটোত থকা বিষয়াজনৰ নাম আছি নৰেন্দ্ৰ নাথ কাকতী। এটা সৰু কথা। বিশ্ববিদ্যালয় এৰি আহোঁতে পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ অফিছত চকীদাৰৰ কাম কৰা অন্ধ্ৰ প্ৰদেশৰ চাটায়া নামৰ মানুহজন আমাৰ লগে-লগে B/6 নম্বৰ বঙলালৈ গুচি আহিছিল। তেওঁ বোলে মোৰ লগ নেৰে। মই তেওঁক ৰে'লত চাকৰি এটা দিব লাগিব, আৰু তেওঁ মোৰ লগতে থাকিম। মই তেওঁক বুজালো,— জালুকবাৰী সৌখনহে! আমিতো লগ পায়েই থাকিম! কিন্তু মইতো নতুন চাকৰিটো লৈয়েই তোমাক চাকৰি এটা দিব নোৱাৰিম!— কিছুদিনৰ পাছত চাটায়াই চকুপানী টুকি-টুকি আগৰ ঠাইলৈ গ'লগৈ।

যিমান পাৰোঁ সোনকালে ৰে'ল বিভাগৰ কৰ্মচাৰী নিয়োগৰ পদ্ধতিটোৰ বিষয়ে জানিবলগীয়া কথাখিনি জানি ল'লো, আৰু পদ্ধতিটোৰ ভিতৰৰ কামবোৰ কেনে হোৱা

উচিত সেই বিষয়ে নিজৰ আঁচনিখন ঠিক কৰি ল'লো। (উল্লেখযোগ্য, ৰে'লসেৱা আয়োগৰ হাতত কেৱল কেইটিমান নির্দিষ্ট স্তৰৰ চাকৰিৰ বাবে প্ৰাৰ্থী বাছি দিয়াৰ দায়িত্বহে ন্যস্ত কৰা হৈছিল, আৰু সেই স্তৰৰ কর্মচাৰীৰ সংখ্যাটোৱেই ৰেল-বিভাগত আটাইতকৈ ডাঙৰ আছিল।)

মই চাকৰিত যোগ দিয়াৰ পাছত মালীগাঁৱৰ মুখ্য কার্যালয়ত অনুষ্ঠিত লিখা-পৰীক্ষা এটাৰ যি ৰূপ দেখিলো, সি মোক হতভম্ব কৰিলে। পৰীক্ষাৰ্থী, নিৰীক্ষক, পৰীক্ষা চলোৱা বিষয়া সকলোৱে মিলি যেন এক ধৰণৰ প্ৰেছ কনফাৰেন্সহে পাতিছে! সুধিছে, উত্তৰ দিছে, লিখিছে! এবাৰ ডিব্ৰুগড়ত পতা পৰীক্ষা এটা চাবলৈ গ'লো;— তাতো সেই একেই। মই গোটেই সময়খিনি পৰীক্ষাঘৰত উপস্থিত থাকি ঘাইকৈ নিৰীক্ষক আৰু পৰীক্ষা চলোৱা বিষয়াসকলক 'গার্ড' দি থাকিবলগীয়া হৈছিলো। তেখেতসকলৰ কেইজনমানেই পৰীক্ষা বোলা বস্তুটোৰ মর্যাদাক সম্পূর্ণৰূপে বিধ্বস্ত কৰাৰ উপক্ৰম কৰিছিল। ল'ৰা-ছোৱালীহঁতে পৰীক্ষা দিছে; যোগ্য ল'ৰা-ছোৱালীয়ে চাকৰি পাব; কিন্তু ল'ৰা-ছোৱালীহঁতৰ ওচৰে-পাঁজৰে ঘূৰি প্ৰশ্নৰ উত্তৰ কৈ ফুৰাত তেখেতসকলৰ কি স্বাৰ্থ আছিল মই ভাবি পোৱা নাছিলো। মই পৰীক্ষাৰ্থীসকলক কৈছিলো,— এয়াতো পাছ-ফে'ল কৰা পৰীক্ষা নহয়; এয়া চাকৰি পোৱা-নোপোৱাৰ পৰীক্ষা। তুমি যে তেওঁক উত্তৰবোৰ কৈ আছা, তুমি তেওঁৰ চাকৰিৰ কাৰণে পৰীক্ষা দিবলৈ আহিছা, নে চাকৰিটো তোমাক নিজকে লাগে?

এই কথাই কথা নহয়। মোৰ ধাৰণা হ'ল— ৰে'লৱে কার্যালয় আৰু ৰে'লৰ চাকৰিয়ালৰ মাজতে আবদ্ধ ৰাখি চাকৰি-সংক্ৰান্ত বাছনি-পৰীক্ষাবোৰক এবিধ অন্যায়মূলক, অপৰিষ্কাৰ কাণ্ডত পৰিণত কৰা হৈছে। এই অৱস্থা অব্যাহত থাকিবলৈ দিব নোৱাৰি। মই শিক্ষাজগতৰ লগত জড়িত হৈ থকা মানুহ। ৰে'লৰ চাকৰিৰ বাছনি-পৰীক্ষাবোৰ পাতিবলৈ অসমৰ শিক্ষাজগতখনৰ সহায় মই সহজে পাম। ঠিক কৰিলো,— গুৱাহাটীত পাতিবলগীয়া পৰীক্ষাবোৰ কামৰূপ একাডেমি স্কুল, তাৰিণী চৌধুৰী ছোৱালী স্কুল, গুৱাহাটী কমার্ছ কলেজ, সন্দিকৈ ছোৱালী কলেজ আদি শিক্ষা-প্ৰতিষ্ঠানত পতা হ'ব। প্ৰায়োগিক বিদ্যা বা বিজ্ঞান সংক্ৰান্তয়েই হওক, বা সাধাৰণ জ্ঞান সংক্ৰান্তয়েই হওক,— পৰীক্ষাৰ প্ৰশ্ন প্ৰস্তুত কৰিবলৈ আমাৰ কলেজসমূহত বহুসংখ্যক অভিজ্ঞ শিক্ষক আছে। আমি তেখেতসকলৰ সেৱা গ্ৰহণ কৰিম। পৰীক্ষাৰ বহীও তেখেতসকলেই চাব। আমি যেনেকুৱা প্ৰাৰ্থী নির্বাচন কৰিব লাগে, তেওঁলোকক ৰে'লৰ লগত প্ৰত্যক্ষ সম্পৰ্ক থকা বিশেষ ধৰণৰ কাৰিকৰী জ্ঞানৰ প্ৰয়োজন নাই; গতিকে ৰে'ল-বিভাগৰ বিষয়াসকলেইহে যে প্ৰশ্নকাকত প্ৰস্তুত কৰিব লাগিব আৰু পৰীক্ষাৰ বহী চাব লাগিব, তেনেকুৱা ধৰা-বন্ধা কথা নাই। মৌখিক পৰীক্ষাত ৰে'লৰ বিষয়াই ৰে'ল বিভাগৰ দৃষ্টিকোণৰ পৰা

প্ৰাৰ্থীক নানা ধৰণে পৰীক্ষা কৰি চাব পাৰে; কিন্তু লিখা-পৰীক্ষাবোৰৰ লগত অসমৰ শিক্ষাজগতখনক জড়িত কৰাটো ভাল হ'ব। এনে পৰীক্ষা পৰিচালনা কৰাটো শিক্ষাজগতৰ নিয়মীয়া কৰ্ম-আঁচনিৰ অন্তৰ্গত কাম। তদুপৰি, এনে কৰিলে, ৰেল-বিভাগৰ চাকৰিৰ বাবে প্ৰাৰ্থী বছা পৰীক্ষা-পদ্ধতিটো ৰাজ্যখনৰ জনসাধাৰণৰ অধিক আস্থাভাজন হ'ব।

সেই আঁচনিমতেই কাম হ'ল। বৃহত্তৰ গুৱাহাটীৰ বিভিন্ন শিক্ষা-প্ৰতিষ্ঠানৰ কৰ্তৃপক্ষ আৰু শিক্ষকে আমাক আগ্ৰহেৰে সহায় কৰিলে। পৰীক্ষা পতাৰ খৰচৰ কথাটো যেনতেন, কিন্তু পৰীক্ষাৰ বহী চোৱা কামটো পাৰিশ্ৰমিকৰ ফালৰ পৰা বৰ আকৰ্ষণীয় নাছিল; তথাপি শিক্ষকসকলে আমাক সহায় কৰিছিল। প্ৰশ্নকাকত প্ৰস্তুত কৰা, পৰীক্ষাৰ বহী চোৱা আদি কামৰ সংক্ৰান্তত শিক্ষকসকলৰ ঘৰলৈ যোৱা কামটোৰ বেছি ভাগ মই নিজে কৰিছিলো। মনত পৰে ঃ টাইপিষ্টৰ চাকৰিৰ কাৰণে লিখা-পৰীক্ষা হৈ গ'ল; নিৰ্বাচিত কিছুমানৰ 'স্পিড টে'ষ্ট' ল'ব লাগে। মালীগাঁৱৰ কাৰ্যালয়ৰ এটা ঘৰত যোগাৰ কৰা হৈছে পোন্ধৰটা টাইপ ৰাইটাৰ। অৰ্থাৎ একেলগে পোন্ধৰজন পৰীক্ষাৰ্থীয়ে স্পিড টে'ষ্ট দিব পাৰিব। মই কিতাপ-বহী ঠিক কৰি লৈ গৈছোঁ। পোন্ধৰজনীয়া দল এটাক এটা কোঠালিত বহুৱাই ইংৰাজী লেখা এছোৱাৰ শ্ৰুতলিপি দিওঁ, শ্ৰুতলিপি শেষ হোৱাৰ পাছত কওঁ,— যোৱা, এতিয়া তোমালোকে সৌটো কোঠালিত বহি সেইখিনি টাইপ কৰাগৈ। সময় পোন্ধৰ মিনিট। টাইপিষ্টৰ প্ৰাৰ্থীক শ্ৰুতলিপিও ছাৰ্ভিছ কমিশ্যনৰ চেয়াৰমেনে নিজে দিব লাগেনে? অন্য মানুহ নাইনে? কিয় নাই? কিন্তু মই গোটেই ব্যৱস্থাটোৰ প্ৰতিটো অংগৰ লগত প্ৰত্যক্ষভাৱে জড়িত হোৱাটো প্ৰয়োজনীয় বোধ কৰিছিলো।

স্বাস্থ্য, আভিযান্ত্ৰিক, সাধাৰণ প্ৰশাসন আদি বিভিন্ন বিভাগৰ চাকৰিৰ কাৰণে ইণ্টাৰভিউ পতা হয়; ইণ্টাৰভিউ ল'বলৈ মোৰ লগলৈ ৰে'লৱেৰ মুখ্য কাৰ্যালয়ৰ পৰা সংশ্লিষ্ট বিভাগটোৰ বিশেষজ্ঞ বিষয়া এগৰাকী আহে। এই ইণ্টাৰভিউবোৰৰ সময়ত, কি উদ্দেশ্যে গুৱাহাটীত উত্তৰ-পূব (বা পূৰ্বোত্তৰ) সীমান্ত ৰে'লৱেৰ ৰে'লসেৱা আয়োগ স্থাপন কৰা হৈছিল,— ৰে'লমন্ত্ৰী মধু দণ্ডৱতেই যে— "এই ৰে'লসেৱা আয়োগ প্ৰতিষ্ঠিত হোৱাৰ পাছত থলুৱা মানুহৰ আশা-আকাংক্ষা পূৰণ হ'ব" বুলি কৈছিল,— এইবোৰ কথাৰ প্ৰতি মই সচেতন হৈ আছিলো। অন্যান্য দিশত সমান গুণৰ অধিকাৰী হ'লে অসমীয়া প্ৰাৰ্থীয়ে যাতে যথাযোগ্য স্থান লাভ কৰে, এই কথাটোৰ প্ৰতি মই দৃষ্টি ৰাখিছিলো। আমি বাছি দিয়া প্ৰাৰ্থীয়ে ৰে'লবিভাগৰ দক্ষতা কমাব নালাগিব; বঢ়াব লাগিব;—এই উদ্দেশ্যৰ প্ৰতি সচেতন হৈও মধু দণ্ডৱতেৰ কথাৰ মৰ্যাদা কিমান ৰক্ষা কৰিব পাৰি, সেই বিষয়ে মই সচেষ্ট আছিলো, আৰু মুখ্য কাৰ্যালয়ৰ পৰা ইণ্টাৰভিউ ল'বলৈ অহা বিষয়াক মই মোৰ দৃষ্টিভংগীৰ আভাস দিছিলো। মই তেখেতসকলক এটা কথা সদায় কৈছিলো ঃ এই ইণ্টাৰভিউ দিবলৈ অহা প্ৰাৰ্থীসকলৰ ভিতৰত এনেকুৱা বহু প্ৰাৰ্থী আছে যাৰ জন্ম

ৰে'লতে বুলিব পাৰি। ৰে'লত নহ'লেও ৰে'ল-নগৰীতে তেওঁলোকৰ জন্ম, তাতে তেওঁলোক ডাঙৰ-দীঘল হৈছে। কিন্তু এনেকুৱা প্ৰাৰ্থীও আপুনি পাব,— যি বি.এ. পাছ কৰিছে, কিন্তু আজিলৈকে ৰে'লত উঠিয়েই পোৱা নাই। গতিকে আজি তেওঁ ৰে'লৰ কথা কিমান জানে, সেইটো কথাৰ ওপৰত মই যিমান গুৰুত্ব দিম, কাইলৈ, নিজৰ যোগ্যতাৰ বলত চাকৰি পাই তেওঁ বিভাগটোক দক্ষতাৰে সেৱা কৰিব পাৰিবনে নোৱাৰে, তাৰ ওপৰত বেছি গুৰুত্ব দিম।

ইণ্টাৰভিউৰ সময়ত মই সেই বিষয়াসকলক মোৰ কথাৰ প্ৰমাণ দেখুৱাই দিছিলো। গুৱাহাটীৰ পশ্চিমৰ, ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ বকো, দুধনৈ আদি অঞ্চলৰ ভালেমান গ্ৰেজুৱেট ল'ৰাই ইণ্টাৰভিউৰ দিনালৈকে ৰে'লত উঠি পোৱা নাছিল, আৰু আজন্ম ৰে'লৰে কল'নিত বাস কৰা ল'ৰাই গুৱাহাটী নগৰখন ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে নে দক্ষিণ পাৰে অৱস্থিত ক'ব নোৱাৰিছিল।

ইণ্টাৰভিউ ল'বলৈ অহা বিশেষজ্ঞসকলৰ কাৰোবাক-কাৰোবাক মই এইটো কথাও কৈছিলো ঃ এইযে এই ৰাজ্যখনত মাজে-মাজে অসমীয়া আৰু অনা-অসমীয়াৰ মাজত একোটা সংঘাতৰ সৃষ্টি হৈ থাকে, ৰে'ল বিভাগ, ডাক বিভাগ আদি কেন্দ্ৰীয় চৰকাৰৰ ডাঙৰ-ডাঙৰ বিভাগবোৰত অসমীয়া আৰু অনা-অসমীয়া কৰ্মচাৰী-বিষয়াৰ সংখ্যাৰ এটা সন্তুলন (balance) প্ৰতিষ্ঠা কৰিব পাৰিলে, সেই সংঘাত লুপ্ত কৰাত বৰ ডাঙৰ সহায় কৰা হ'ব। গতিকে অসমীয়া ল'ৰা-ছোৱালীয়ে ৰে'লত চাকৰি পোৱাটোৰ লগত অকল তেওঁলোকৰ ভাত-কাপোৰৰ কথাই নহয়, ৰাজ্যখনৰ সামাজিক আৰু ৰাজনৈতিক কথা কিছুমানো জড়িত হৈ আছে।

মই মনে-মনে ভাবিছিলো,— ৰে'ল বিভাগত সুদীৰ্ঘকাল ধৰি অসমীয়া মানুহক চাকৰি দিয়াৰ ক্ষেত্ৰত যিমান কাম জমা হৈ আছে (অৰ্থাৎ যিমান back log আছে), সেই কাম ক্ৰমান্বয়ে কমাবলৈ হ'লে, যোগ্যতাৰ প্ৰশ্নটো বিসৰ্জন নিদিয়াকৈ, নতুনকৈ চাকৰি পোৱা লোকৰ প্ৰতিখন তালিকাত শতকৰা ষাঠিভাগ থলুৱা প্ৰাৰ্থী থাকিব লাগিব। এইখন দেশত অনুন্নত সম্প্ৰদায়ৰ লোকসকলৰ সামগ্ৰিক অৱস্থাটো উন্নত সম্প্ৰদায়ৰ লোকসকলৰ অৱস্থাৰ সমপৰ্যায়লৈ অনাৰ উদ্দেশ্যে চাকৰিকে আদি কৰি বিভিন্ন ক্ষেত্ৰত সংৰক্ষণৰ (reservation- অৰ) ব্যৱস্থা চৰকাৰী, অৰ্থাৎ ৰাজহুৱাভাৱেই কৰা হয়। ৰে'লৰ চাকৰিৰ ক্ষেত্ৰত অসমৰ সকলো থলুৱা লোকক অনুন্নত বুলি ধৰিব পাৰি। গতিকে তেওঁলোকৰ বাবে, সংৰক্ষণৰ ব্যৱস্থা নহ'লেও, উচিত বিচাৰৰ ব্যৱস্থা কৰিব লাগিব। তেওঁলোকক চাকৰি দিবলৈ মই বেইমানী নকৰোঁ, কিন্তু তেওঁলোকক চাকৰি নিদিবলৈও যাতে কোনেও বেইমানী কৰিব নোৱাৰে, সেইটো মই চাম। মধু দণ্ডৱতে, অৰ্থাৎ ভাৰত চৰকাৰৰ উদ্দেশ্য সফল কৰাৰ উপায়টো এনেকুৱাই বুলি মই ঠিক কৰি লৈছিলো আৰু

সেইমতে কাম কৰিবলৈ চেষ্টা কৰিছিলো। এই প্ৰসংগত এটা কথা উল্লেখ কৰি থওঁ। কোনোবা এটা চাকৰিৰ দহজনীয়া তালিকা এখনত ছজন বসুমতাৰী, ব্ৰহ্ম, স্বৰ্গীয়াৰী থাকিলেও মই মোৰ কাম ঠিকমতে কৰিছোঁ বুলি বিশ্বাস কৰিছিলো।

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৰে'ল-সেৱা আয়োগ প্ৰতিষ্ঠিত হোৱাৰ বছৰতে অসমৰ পৰা বিদেশী বহিষ্কাৰ কৰাৰ আন্দোলন আৰম্ভ হৈছিল। আমি যেতিয়া আমাৰ কাৰ্যপদ্ধতিক এটা গঢ দি লৈছোঁ, তেতিয়া আন্দোলনটোৱেও ভৰপক দিছে। এদিন গণ সংগ্ৰাম পৰিষদৰ কাৰ্যালয় এটাৰ পৰা এজন ডেকাই ফোনত ক'লে, — "ছাৰ, আমি পৰিষদৰ ফালৰ পৰা কেইজনমানে আপোনাক লগ পাব খোজোঁ।" মই সুধিলো,— "কিয় ?" তেওঁ উত্তৰ দিলে, "ৰে'লত আমাৰ ল'ৰা-ছোৱালীৰ চাকৰিৰ বিষয়ে অলপ আলোচনা কৰিবলৈ। মই ক'লো,— "আহাঁ। সৰহ মানুহৰ দল এটা লৈ নাহিবা। তোমালোকৰ মুখিয়াল কেইজনমান আহিবা।"

আধা ঘণ্টামানৰ পাছত তেওঁলোকৰ ছজন ডেকা আহিল। আৰু দুখন চকী অনাই সকলোকে বহিবলৈ দিলো। সেই সময়ত মই আন্দোলনৰ নেতাসকলৰ দুই-একৰ মুখ চিনি ৰাখিবলৈ চেষ্টা কৰিছোঁহে। এওঁলোকৰ এজনৰ বাহিৰে বাকীসকলক চিনি নাপালো। তেৱেঁই দলটোৰ নেতা আছিল। "কোৱাচোন" বুলি ময়েই আৰম্ভ কৰিলো। নেতাজনে ক'লে,— "ছাৰ্ভিছ কমিছন হ'ল যেতিয়া, এতিয়া আমাৰ ল'ৰা-ছোৱালীয়ে ৰে'লত চাকৰি পাব লাগে। আপুনি তাৰ ব্যৱস্থা ল'ব লাগে।"

মই তেওঁলোকক কোৱা কথাখিনি এতিয়াও আখৰে-আখৰে মনত আছে বুলিব পাৰোঁ; কাৰণ সেইখিনি মোৰ মনৰ কথা; প্ৰয়োজন হ'লৈ এশবাৰ ক'ম। মই ক'লো, "চোৱা; মই তোমালোক কাতোকৈ কম অসমীয়া নহওঁ। তোমালোকে এতিয়ালৈকে অসম আৰু অসমীয়াৰ ভালৰ কাৰণে যি কৰিছা, মই তাতকৈ অলপ হ'লেও বেছি কৰিছোঁ। অসমীয়া ল'ৰা-ছোৱালীয়ে যাতে ৰে'লত চাকৰি পাব পাৰে তাৰ বাবে তোমালোকে মোক সহায় কৰিব লাগিব। মোৰ ওচৰলৈ তোমালোক আৰু কেতিয়াও আহিব নালাগে। এই যে গোটেই ৰাজ্যখনৰ গাঁৱে-ভূঁয়ে, নগৰে-চহৰে অসংখ্য গণ সংগ্ৰাম পৰিষদৰ অফিছে গঢ় লৈ উঠিছে, সেই অফিছবিলাকত ৰে'লৰ চাকৰি বিচাৰি দৰখাস্ত কৰা, পৰীক্ষা দিবলৈ ওলোৱা, ইণ্টাৰভিউ দিবলৈ ওলোৱা ল'ৰা-ছোৱালীবিলাক সাজু কৰাৰ ব্যৱস্থা কৰা। ওচৰৰ শিক্ষকসকলক অনুৰোধ কৰা,— তেখেতসকলে যেন ল'ৰা-ছোৱালীহঁতক অলপ শিকাই-বুজাই সহায় কৰে। আমি টাইপিষ্টৰ কাৰণে স্পিড-টেষ্টৰ আয়োজন কৰিলে, মালীগাঁৱৰ অফিছবিলাকত থকা টাইপ ৰাইটাৰবিলাকত অফিছ ছুটীৰ পাছত প্ৰাৰ্থী কিছুমানে প্ৰেকটিছ কৰে। আমাৰ ল'ৰা-ছোৱালীহঁতে টাইপিং স্কুলৰ পৰা ওলোৱাৰ পাছত, আমাৰ ওচৰলৈ অহাৰ আগতে প্ৰেকটিছ কৰিবলৈ ক'ৰবাত

টাইপ ৰাইটাৰ এটা পায় নে? টাইপ ৰাইটিং শিকোৱা স্কুলবিলাকে যে মিনিটত চল্লিছটা শব্দ টাইপ কৰিব পাৰে বুলি ছাৰ্টিফিকেট একোখন দিয়ে, সেইবোৰৰ বেছিভাগতে মিছা কথা লিখা থাকে। আচলতে তেনেকুৱা ছাৰ্টিফিকেট পোৱা বেছিভাগ ল'ৰা-ছোৱালীৰে আচল স্পিড হ'ল মিনিটত পোন্ধৰ বা বিছটা শব্দ। কোনোবাই যদি টাইপ ৰাইটাৰৰ স্পিড টেষ্ট দিবলৈ ওলাইছে বুলি শুনা, তেনেহ'লে তোমালোকে তেওঁক কেইদিনমান প্ৰেকটিছ কৰিবলৈ টাইপ ৰাইটাৰ এটাৰ ব্যৱস্থা কৰি দিবা। মই যেতিয়া প্ৰাৰ্থীৰ ইণ্টাৰভিউ লওঁ, তেতিয়া মই যাতে তেওঁক নম্বৰ দিয়াৰ সুবিধা পাওঁ, তোমালোকে তেনেকৈ তেওঁক সাজু কৰি পঠালে ভাল হয়। ইণ্টাৰভিউ লওঁতে মোৰ ওচৰতে ৰে'ল বিভাগৰ পৰা অহা বিষয়া এজনো থাকে। তেওঁৰ আগত যাতে প্ৰাৰ্থীয়ে মোক লাজত নেপেলায়, তাৰ বাবে তোমালোকে কিবা এটা ব্যৱস্থা কৰিব লাগে। আচলতে তোমালোকে মোৰ ওচৰলৈ প্ৰাৰ্থী সাজু কৰি পঠিওৱা কামটোক তোমালোকৰ আন্দোলনৰ ভিতৰুৱা কাম বুলি গণ্য কৰিব লাগে। তোমালোকে চাকৰি লোৱাৰ ব্যৱস্থা কৰা, দিয়াৰ কামটো মোৰ ওপৰত এৰি দিয়া।

সেই সময়ত মোৰ ওচৰলৈ চাকৰিৰ কাৰণে দাবী বা অনুৰোধ জনাবলৈ অহাটো হয়তো চলি থকা আন্দোলনটোৰ ভিতৰুৱা কাম আছিল; কিন্তু মই কোৱা কথাৰ ওপৰত গুৰুত্ব দিয়াটো আন্দোলনটোৰ বাহিৰৰ কাম আছিল। মনত ৰাখিবলগীয়া কথা,— মই চেয়াৰমেন হৈ থকা কালত তেনেকুৱা কোনো সঁজাতী দল দ্বিতীয়বাৰ মোৰ ওচৰলৈ অহা নাছিল।

আন্দোলনটোৰ কাৰণে দিনে-দিনে সময়বোৰ জটিল ৰূপ ধাৰণ কৰিছিল। পৰীক্ষা, ইণ্টাৰভিউ আদি পতা কামত ব্যাঘাত জন্মিছিল। এদিন আমাৰ এফিছত এটা ইণ্টাৰভিউ শেষ কৰি ঘৰলৈ উভতি গ'লো। ঘৰ পোৱাৰ পাছত মালীগাঁৱৰ মুখ্য কাৰ্যালয়ৰ পৰা টেলিফোন আহিল,— অসমৰ বাহিৰৰ পৰা ইণ্টাৰভিউ দিবলৈ অহা দুজন প্ৰাৰ্থীক ব্ৰহ্মপুত্ৰৰ পাৰৰ ৰাস্তাটোতে এদল ল'ৰাই আগভেটা দি ধৰিলে; তেওঁলোকৰ কাগজ-পাতিবোৰ কাঢ়ি লৈ গ'ল, আৰু ইয়ালৈ চাকৰি বিচাৰি অহাৰ কাৰণে ভাবুকিও দিলে। ল'ৰা দুজন এতিয়া মুখ্য কাৰ্যালয়ত হাজিৰ হৈছেগৈ।

মই ক'লো,— তেওঁলোক দুজনক এতিয়াই মোৰ ঘৰলৈ পঠাই দিয়ক। আজিৰ ইণ্টাৰভিউত মালীগাঁৱৰ পৰা অহা বিশেষজ্ঞ বিষয়াজন আছিল অমুক;— তেখেতকো পঠাই দিয়ক। মই ঘৰতে তেওঁলোকৰ ইণ্টাৰভিউ লম আৰু তেওঁলোকৰ প্ৰাৰ্থিত্ব সম্পৰ্কে যদি যথোচিত তথ্যপাতি পাওঁ, তেনেহ'লে তেওঁলোকৰ এই সুকীয়া ইণ্টাৰভিউৰ নম্বৰ আমি গ্ৰাহ্য কৰিম। সেইমতেই কাম কৰিলো। পাছলৈ আমাৰ অফিছত ইণ্টাৰভিউ পাতিলে, এনে গৰ্হিত কাম যাতে আকৌ কোনেও কৰিব নোৱাৰে, তাৰ ব্যৱস্থা কৰা

হৈছিল। তাৰ পাছত প্ৰাৰ্থীৰ ফালৰ পৰা অসমৰ তেতিয়াৰ পৰিস্থিতিক প্ৰত্যক্ষভাৱে দোষ দিব পৰা ঘটনা ঘটা নাছিল; কিন্তু পৰোক্ষভাৱে অন্যান্য বহু কাৰ্যালয়ৰ নিচিনাকৈ আমাৰ কাৰ্যালয়ৰো কিছুমান কাম বাধাগ্ৰস্ত হোৱাত হঠাতে একোটা সমস্যাৰ সৃষ্টি হৈছিল। যেনে,— এদিন ক'ৰবাৰ পৰা ঘৰলৈ উভতি আহি দেখোঁ, পদুলিমুখত এজুম ল'ৰা। কি হ'ল? কেইটামান চাকৰিৰ কাৰণে আমি বিজ্ঞাপন প্ৰকাশ কৰিছোঁ; কিন্তু এওঁলোকে দৰখাস্ত কৰিবলৈ ফৰ্ম ক'তো বিচাৰি পোৱা নাই। চিন্তাৰ কথা। দোষ আমিয়েই কান্ধ পাতি ল'ব লাগিব। মই ল'ৰাহঁতক কথা দিলো,— সময়মতে ফৰ্ম নাপালে দৰখাস্ত দিয়াৰ শেষ তাৰিখ পিছুৱাই দিয়া হ'ব। ফৰ্মবোৰ ছপা হয় কাৰ্ছিয়াঙৰ এটা ছপাশালত, আৰু আমাক ফৰ্মৰ যোগান ধৰে মুখ্য কাৰ্যালযে। অৱস্থাটো পাছলৈ ইমানেই সংকটময় হৈ উঠিল যে মই নিজে এদিন কাৰ্ছিয়াঙৰ প্ৰেছটোত উপস্থিত হ'লোগৈ। আৰু এবাৰ ঃ এটা ডাঙৰ,— মানে বহু হাজাৰ প্ৰাৰ্থী জড়িত থকা পৰীক্ষা পাতিবই লাগে; কিন্তু প্ৰশ্নকাকত ছপাবলৈ নিৰ্ভৰযোগ্য ছপাখানা বিচাৰি পোৱা নাই। শেষত বোম্বাইত অৱস্থিত পশ্চিম ৰে'লৱেৰ ৰেলসেৱা আয়োগে আমাক সময়মতে সহায় কৰিবলৈ মান্তি হ'ল। কামটোৰ বাবে মই নিজে বোম্বাইলৈ যাবলগীয়া হ'ল; কিন্তু কামটো সুকলমে সমাধা হ'ল। ৰাজ্যখনৰ পৰিস্থিতিয়ে এনেকুৱা কিছুমান লৰা-ঢপৰা কৰিবলৈ আমাক বাধ্য কৰাইছিল; কিন্তু সেইবোৰে মোক শাৰীৰিক, মানসিক কোনো ধৰণৰ কষ্ট দিয়া নাছিল। মই মানসিক কষ্ট পাইছিলো অইন কিছুমান কথাত।

এই মানসিক কষ্ট পোৱাৰ কথালৈ অহাৰ আগতে আৰাম পোৱাৰ কথা এটা কৈ লওঁ। কাৰ্ছিয়াঙলৈ যাওঁতে, আৰু সেই আগতে ডিব্ৰুগড়ৰ পৰীক্ষা তদাৰক কৰিবলৈ যাওঁতে মই 'ছেলুন'ত গৈছিলো। অফিছৰ বিষয়া-কৰ্মচাৰীয়ে কৈছিল,— মই ইচ্ছা কৰিলে ছেলুনত যাব পাৰোঁ। ছেলুনটো কি বস্তু মই নাজানিছিলো। ভাবিলো,— উঠিয়েই পাওঁ। উঠি দেখোঁ,— এটা আৰামদায়ক ছোফা থকা বহা কোঠালি, দুটা শোৱা কোঠালি, এটা খোৱা কোঠালি, তাৰ পাছত পাগঘৰ, পাগঘৰত এজন ৰান্ধনি। গাধোৱা ঘৰ ইত্যাদিতো আছেই। আমাৰ যাত্ৰাৰ শেষ ষ্টেছনত ছেলুনখন ৰে'লৰ পৰা খুলি, ষ্টেছনটোৰ এমূৰে থৈ দিয়া হয়; তেতিয়া তাক সেইখন ঠাইৰ অতিথিশালা বা হোটেলৰ কোঠালি হিচাপেও ব্যৱহাৰ কৰিব পাৰোঁ। পাগঘৰৰ ৰান্ধনিজনক আমি কি খাম, সেই হিচাপে চাউল-দাইল, চেনি-চাহপাত, চৌকাৰ কয়লা আদি সকলো বস্তুৰ যোগাৰ দিব লাগে; তেওঁ ৰান্ধি-বাঢ়ি খুৱাই গৈ থাকে। ডিব্ৰুগড়লৈ যাওঁতে লামডিং জংছনত ৰান্ধনিজনে ক'লে, ষ্টেছনত কাম কৰা অমুক নামৰ বাবু এজনে পাগঘৰত এক কিল'গ্ৰাম ছাগলী-মাংস দি গৈছে। মই ভাবিছিলো, ছেলুন আহিলে বাটৰ কোনোবা ঠাইত এনেকৈ বস্তু-

বাহানি দিয়া নিয়মেই নে কি! কিন্তু মাংসখিনিৰ দামটো? ৰান্ধনিয়ে যেতিয়া কথাটো মোক ক'লে, তেতিয়া ষ্টেছনৰ পৰা ৰে'লখন ভালেমান দূৰ পালেগৈ।

কিছুদিনৰ পাছত লামডিঙৰ সেই অমুক বাবু গুৱাহাটীৰ আমাৰ ঘৰ ওলাইছিলহি। তেওঁৰ পুতেকে কেৰাণী কামৰ কাৰণে দৰখাস্ত কৰিছে। অলপ আগতে যে মানসিক কষ্টৰ কথা কৈছিলো, এই ঘটনাটোৰ সূত্ৰ ধৰিয়েই সেই কষ্টৰ কথালৈ উভতি আহোঁ।

এদিন আমাৰ ঘৰলৈ এজনী ছোৱালী আহিল। তেওঁ ৰে'ল বিভাগৰ টাইপিষ্ট চাকৰিৰ কাৰণে লিখা-পৰীক্ষা দিছে। ইতিমধ্যে তেওঁ এটা বেংকতো চাকৰি পোৱাৰ আশা দেখিছে; কিন্তু ৰে'লৰ চাকৰিটো পালে তেওঁৰ সুবিধা হয়। মোক লগ ধৰি কথাখিনি কোৱাৰ পৰা ছোৱালীজনীৰ একো লাভ নহ'ব; তথাপি তেওঁৰ কথাখিনি মন দি শুনি তেওঁক বিদায় দিলো। কিন্তু মন কৰিছিলো,— ছোৱালীজনীয়ে কথাখিনি চমুকৈ জুকিয়াই ক'ব পাৰিছিল। ভাল স্বাস্থ্যৰ, ওখ-পাখ, ক'লা বৰণৰ ছোৱালীজনীৰ চেহেৰাটো আজিও মোৰ ৰিণিকি-ৰিণিকি মনত পৰে।

পাছত দেখিলো ছোৱালীজনীয়ে লিখা-পৰীক্ষাত ভাল কৰিছে; স্পিড টেষ্টত তেওঁৰ নম্বৰ শীৰ্ষস্থানীয় কেইজনৰ ভিতৰতে আছে; ইণ্টাৰভিউত মোৰ লগৰজনেই স্বীকাৰ কৰিলে,— চাকৰিটোৰ বাবে উপযুক্ত ছোৱালী। চাকৰিৰ বাবে আমি অনুমোদন জনোৱা প্ৰাৰ্থীৰ প্ৰথমখন তালিকাৰ ওপৰৰ ভাগতে ছোৱালীজনীৰ নাম সোমাল। মোৰ মনলৈ আহিছিল,— এই ছোৱালীজনীয়ে বেংকৰ চাকৰিটো লৈ যদি ৰে'লৰ চাকৰিলৈ নাহে, তেনেহ'লে ৰে'ল বিভাগেহে ভাল কৰ্মী হেৰুৱাব।

কিছুদিনৰ পাছত ছোৱালীজনী আকৌ আমাৰ ঘৰলৈ আহিল। ক'লে,— আমাৰ অফিছৰ কোনোবাই তেওঁক কৈছে,— তিনি হাজাৰ টকা দিলে তেওঁ চাকৰিটো পা্ব।

ৰে'লসেৱা আয়োগৰ অফিছত যোগ দিয়াৰ পাছত মোৰ কাণত পোনে-পোনে পৰা, চাকৰি আৰু ভেটি সম্পৰ্কীয় সেইটো প্ৰথম কাহিনী। মই হতভম্ব হ'লো। নিজ হাতে ছোৱালীজনীয়ে চাকৰি পাব লাগে বুলি লিখা কাগজত চহী কৰি মুখ্য কাৰ্যালয়লৈ পঠাইছোঁ; তাৰ পাছত তিনি হাজাৰ টকা? মই তেওঁক ক'লো,— তুমি চাকৰি পাইছাই। কাকো এক পইচাও দিব নালাগে। সেইদিনাই মই অফিছৰ বিষয়া-কৰ্মচাৰী কেইবাজনকো ক'লো,— এনেকুৱা অপবাদ দিবলৈ যেন ভৱিষ্যতলৈ কোনেও সুবিধা নাপায়।

এদিন পল্টনবজাৰৰ ফালৰ পৰা এজন মানুহে দ্বিতীয়বাৰৰ কাৰণে ভায়েকৰ চাকৰিৰ কাৰণে ক'বলৈ আমাৰ ঘৰলৈ আহিল। আমনি লাগিলেও, ভিতৰি-ভিতৰি বিৰক্ত হ'লেও ঘৰলৈ অহা সকলো ধৰণৰ মানুহৰ লগত মই ভাল ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰোঁ। মানুহবোৰেতো চখত মোক আমনি কৰিবলৈ নাহে; প্ৰয়োজনত আহে। সেই সময়ত চাকৰিৰ বিষয়ে ক'বলৈ অহা মানুহক মই সাধাৰণতে এইখিনি কথাকে

কৈছিলো ঃ "তেওঁ ভালকৈ পৰীক্ষা দিয়ক, নিজৰ বলত ইণ্টাৰভিউ টেবুললৈ আহক, তেতিয়াহে মই সহায় কৰাৰ প্ৰশ্ন উঠে! মই কেতিয়াও অন্যায় কৰি তেওঁক চাকৰিৰ পৰা বঞ্চিত নকৰোঁ;— এইটো কথা আপোনাক মই জোৰ দি ক'ব পাৰোঁ।" পল্টনবজাৰৰ ফালৰ মানুহজনকো প্ৰায় সেইখিনি কথাকে ক'লো। তেওঁ নমস্কাৰ কৰি যাবলৈ ওলাল। যাবৰ সময়ত তেওঁ ক'লে, "ল'ৰাটোৰ হাতত মাছ এটা দি গ'লো ছাৰ।"

মই তেওঁক বহিবলৈ ক'লো। তাৰ পাছত মই তেওঁক যিখিনি কথা ক'লো, সেইখিনি মই পাছত কেইবাটাও প্ৰসংগত, কেইবাজনকো কৈছোঁ। দৰকাৰ হ'লে কাৰোবাক এতিয়াও ক'ম। মই ক'লো ঃ চাওক। এই দেশখনৰ মানুহে গড় হিচাপে যি উপাৰ্জন কৰে, মই এই চাকৰিটোৰ পৰা তাতকৈ বেছি উপাৰ্জন কৰোঁ। মই বহুততকৈ ধনী মানুহ। সেইখিনি পইচাৰে মই সুখে-সন্তোষে থাকিবলৈ চেষ্টা কৰোঁ, আৰু থাকোঁও। মোৰ দুজনী ছোৱালী আছে। এইটো চাকৰিৰ বিনিময়ত মই যি পাওঁ, তাৰ বাহিৰে সজ্ঞানে, অন্যায়কৈ উপাৰ্জন কৰা প্ৰতিটো পইচা মই মোৰ ছোৱালী দুজনীৰ তেজ বুলি গণ্য কৰোঁ। আপুনি এই কথাখিনি মনত ৰাখিব, আৰু মোৰ ওচৰলৈ চাকৰিৰ কাৰণে আহিব খোজা অইন মানুহকো ক'ব। পাৰিলে আপোনাৰ ভায়েকক মই নিশ্চয় সহায় কৰিম। মাছটো লৈ যাওক।"— সহায়কাৰী ল'ৰা বনমালীৰ হাতত তেওঁ মাছটো দিছিল। বনমালীয়ে সেইটো তেওঁক ওভোতাই দিলে।

কেতিয়াবা ভাবোঁ, মানুহবিলাকে যে চাকৰিৰ ক্ষেত্ৰত মোৰ সহায় বিচাৰে, ইণ্টাৰভিউৰ সময়ত মোৰ হাতত থকা নম্বৰখিনিৰ কথা ভাবিয়েই বিচাৰে নে কি? কিন্তু প্ৰাৰ্থীজনে লিখা-পৰীক্ষাটোতো পাৰ হৈ আহিব লাগিব! নে তেওঁলোকে লিখা-পৰীক্ষাৰ ক্ষেত্ৰতো মই কিবা কৰিব পাৰোঁ বুলি ভাবে? এই প্ৰশ্নৰ উত্তৰ পাছলৈ মই অফিছটোৰ ভিতৰতে পাইছিলো। এজন বিষয়াই এদিন মোক কৈছিল,— "ছাৰ, এই চাকৰি দিয়া কামটোত মানুহক সন্তুষ্ট কৰিবলৈ হ'লে আমাৰ প্ৰয়োজন বেলেগ-বেলেগ ৰঙৰ চিয়াহীৰ কেইটামান ডট পে'ন।"— মানে? মানে হ'ল,— পৰীক্ষকে যি ৰঙৰ চিয়াহীৰে পৰীক্ষাৰ বহীত নম্বৰ দিয়ে, সেই ৰঙৰ চিয়াহীৰে আপুনি নম্বৰ সলনি কৰক। সুদীৰ্ঘ কাল ৰে'লত চাকৰি কৰি অভিজ্ঞতাৰে মগজ পকা কৰা বিষয়াৰ উপদেশ!

সেইজন বিষয়ায়েই এদিন মোক ক'লে,— আগতে দিল্লীৰ ৰে'লৱে ব'ৰ্ডৰ বিষয়া কিছুমানে ৰিক্ৰুইটমেণ্ট ব'ৰ্ডৰ পৰীক্ষাৰ বহী চাইছিল। আজিকালি আমি তেওঁলোকলৈ বহী নপঠাও; সেইকাৰণে তেওঁলোকৰ কোনো-কোনোৱে আমাক বেয়া পাইছে। ভাৰতৰ ৰে'ল বিভাগৰ মুখ্য, কেন্দ্ৰীয় প্ৰশাসনিক প্ৰতিষ্ঠান হ'ল ৰে'লৱে ব'ৰ্ড। সেই ৰে'লৱে ব'ৰ্ডৰ বিষয়াই আমাৰ পৰীক্ষাৰ বহী চাই খনে ডেৰটকাকৈ উপাৰ্জন কৰিবলৈ নাপাই আমাক, মানে মোক বেয়া পাইছে। এশ বহী চাই ডেৰশ টকা উপাৰ্জন কৰিবলৈ

তেওঁলোকৰ ইমান আগ্ৰহ? কথাটো ইমানেই সৰল নে?— বিভিন্ন ৰঙৰ ডট পে'নৰ খেলাৰে এখন ডেৰটকীয়া বহীৰ পৰা কেইবাহাজাৰো টকা উপাৰ্জন কৰিব পাৰি নে কি? এনেকুৱা সম্ভাৱনাৰ কথা ভাবি মই বিভ্ৰান্ত,— আতংকিত হৈছিলো। বিষয়াজনক দৃঢ়ভাৱে কৈছিলো,— ইমান ডাঙৰ-ডাঙৰ কামৰ দায়িত্বত থকা বিষয়াই এইটো কথাত অসন্তোষ কৰা উচিত নহয়। আমি এটা ভাল পদ্ধতিৰে কাম কৰিবলৈ লৈছোঁ।

ৰে'ল সেৱা আয়োগ ধনৰ খনি,— এই ধাৰণা অমূলক বুলি প্ৰমাণ কৰিবলৈ মই লোৱা ব্যৱস্থাৰ বাবে অফিছৰ বাহিৰে-ভিতৰে যে ক্ষোভৰ সৃষ্টি হৈছিল, সেই কথা মই দিনে দিনে বেছিকৈ উপলব্ধি কৰিবলৈ লৈছিলো।

আমাৰে সমনীয়া, সহপাঠী এজনক মালীগাঁৱৰ মুখ্য কাৰ্যালয়ৰ পৰা আমাৰ অফিছলৈ এছিষ্টেণ্ট ছেক্ৰেটেৰিৰ বাব ল'বলৈ পঠোৱা হৈছিল। মই ভালেই পাইছিলো। কিন্তু এদিন দিল্লীয়ে জনালে,— হাৰিয়ানাৰ ফালৰ এজনক সেই বাবটো ল'বলৈ গুৱাহাটীলৈ পঠোৱা হ'ব। মই আপত্তি কৰিলো; কিন্তু সেই আপত্তি নৰজিল। এদিন বিষয়াজন মিঠাইৰ টোপোলা এটা লৈ আমাৰ ঘৰত উপস্থিত হ'লহি। তাৰ পাছত এদিন অফিছৰ মোৰ কোঠালিত বহি তেওঁ মোক সুধিলে,— "আপুনি মদ খায়নে কি?" মই ক'লো,— "নাখাওঁ।" তেওঁ ক'লে, "মই কিন্তু খাওঁ।" মানুহজনৰ সেই আচৰণ পাছলৈ মোৰ কাৰণে গুৰুত্বপূৰ্ণ বুলি প্ৰতিপন্ন হৈছিল।

চাকৰিৰ অভাৱৰ দিনত এই অঞ্চলৰ কোনো-কোনো মানুহে মোক লগ ধৰি দুআষাৰ কথা কোৱাটো স্বাভাৱিক বুলিয়েই ধৰি লৈছিলো। সুখৰ কথা, সেই পল্টনবজাৰৰ ফালৰ মানুহজনে মাছটো যচাৰ বাহিৰে, মোৰ দুবছৰ সাতমাহৰ কাৰ্যকালত কোনেও আৰু একো যচা নাছিল। এবাৰ আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ বন্ধু এজনে খবৰ এটা দিছিল : তেওঁৰ জনা-শুনা পিয়ন এজনে আমাৰ অফিছৰ চাকৰি এটাৰ বাবে দৰখাস্ত কৰিছে। আমাৰ অফিছৰ পিয়ন এজনে বোলে সেইজন পিয়নক কৈছে,— চেয়াৰমেনক দিবলৈ টকা পাঁচ শ লাগে, দি যাবা। খবৰটো পাই মনত বৰ কষ্ট পাইছিলো আৰু মোৰ ফালৰ পৰা সাৰ-জাবৰ নাপালে এনেকুৱা কথাই গা কৰিব নোৱাৰে বুলি নিজকে বুজনি দিছিলো। কিন্তু দিল্লীৰ ফালৰ পৰা পোৱা হেঁচা কিছুমান সহ্য কৰিবলৈ মই লাহে-লাহে বৰ টান পাই আহিছিলো। ইণ্টাৰভিউ লৈ আছোঁ, এনেতে এজন সহায়কাৰীয়ে খবৰ দিলে,— দিল্লীৰ পৰা টেলিফোন আহিছে। ওচৰৰে কোঠালি এটালৈ গৈ টেলিফোনটো ধৰিলো। ৰে'লমন্ত্ৰী দপ্তৰৰ পৰা এজনে ফোন কৰিছে। — কাণপুৰৰ অমুক, ৰোল নম্বৰ অমুক,— তেওঁ ইণ্টাৰভিউ দিবলৈ গৈছে। মিনিষ্টাৰে চাবলৈ কৈছে। মই নাম-ৰোল নম্বৰ লিখি ল'বলৈ হাতত কাগজো নিয়া নাছিলো, পেনছিলো নিয়া নাছিলো;— আৰু সেইবোৰ মনত ৰাখিবলৈ চেষ্টাও কৰা নাছিলো। সিটো কোঠালিলৈ গৈ ইণ্টাৰভিউ

ল'বলৈ আৰম্ভ কৰিছিলো। ১৯৮১ চনৰ ডায়েৰিখনৰ ফেব্ৰুৱাৰি মাহৰ উনৈছ তাৰিখৰ ঘৰত এনেকুৱা এটা ঘটনাৰ কথা লিখা আছে। ৰে'লমন্ত্ৰী দপ্তৰৰ কোনোবা সিং নামৰ এজনে ফোন কৰি ক'লে,— বাইছ তাৰিখে এজন ল'ৰা ইণ্টাৰভিউ দিবলৈ যাব। ৰোল নম্বৰ ৬৬৮ । ৰে'লমন্ত্ৰী ইণ্টাৰেষ্টেড। মানুহজনে লগতে ক'লে,— কিছুমান মানুহে তোমাৰ বিষয়ে ৰে'লমন্ত্ৰীক বেয়া impression এটা দিছে। মই নিজে তেওঁক কৈছোঁ— তুমি ভাল মানুহ। তুমি চাবা, যাতে ল'ৰাটোৱে চাকৰিটো পায়।

ডায়েৰিত এই কথাখিনিৰ শেষত মই লিখা বাক্যটো আছিল,— মোৰ যদি আজি গুৱাহাটীত নিজা ঘৰ এটা থাকিলহেঁতেন তেনেহ'লে এতিয়াই এই চাকৰিটো এৰি দিলোহেঁতেন।

প্ৰায় এনেকুৱা এটা বাক্য ইয়াৰ আগতেও মই ডায়েৰিত লিখিছিলো। কিয় লিখিছিলো, সেইটো উল্লেখযোগ্য।

এদিন এটা চাকৰিৰ কাৰণে ইণ্টাৰভিউ লৈ আমি দুজন প্ৰাৰ্থী নিঃসন্দেহে যোগ্য বুলি ঠিক কৰিলো। চাকৰি আছিল চাৰিটা। আটাইকেইটা অনুসূচিত জাতি আৰু জনজাতিৰ প্ৰাৰ্থীৰ কাৰণে। আৰু দুজন প্ৰাৰ্থী এটা পৰ্যায়লৈ উঠিছিল, কিন্তু তেওঁলোকৰ ক্ষেত্ৰত আমি (মই আৰু মুখ্য কাৰ্যালয়ৰ পৰা অহা বিষয়াজন) প্ৰথম দুজনৰ ক্ষেত্ৰত হোৱাৰ সমানে সন্তুষ্ট হ'ব নোৱাৰিলো। গতিকে চাৰিটা চাকৰিৰ দুটাৰ বাবেহে প্ৰাৰ্থী দিব পাৰিলো বুলি লিখি দুয়ো কাগজত চহী কৰিলো। কিন্তু তাৰ পাছতো আমি আলোচনা কৰিলো,— বিজ্ঞাপন প্ৰচাৰ কৰাৰ পৰা ইণ্টাৰভিউ লোৱালৈকে,— এই কামখিনি সম্পূৰ্ণ কৰিবলৈ দীঘলীয়া সময় লাগে। বাকী দুটা চাকৰিৰ বাবে আমি আকৌ সিমান সময় খৰচ কৰিব লাগিব; ইফালে ৰে'ল বিভাগে মানুহ সোনকালে লাগে বুলি তাগিদা দি থাকে। তদুপৰি, অভিজ্ঞতাৰ পৰা দেখা যায়,— আকৌ বিজ্ঞাপন দিলে অনুসূচিত জাতি আৰু জনজাতিৰ প্ৰায় এই পৰ্যায়ৰ প্ৰাৰ্থীয়েই পোৱাৰ সম্ভাৱনা বেছি। এই ধৰণৰ কথা পাতি বিষয়াজনক বিদায় দিলো আৰু মই ফাইল অফিছত দি নিজৰ কোঠাত সোমালো। পাছত মই ভাবিলো,— বাকী দুজনকো তালিকাভুক্ত কৰি এই কামটোৰ লেঠা মাৰি পেলোৱাই ভাল। প্ৰাৰ্থী দুজন আৰু ভাল হোৱা হ'লে ভাল আছিল, কিন্তু সিমান তলখাপৰো নহয়। এই ভাবি মই বিষয়াজনলৈ ফোন কৰিলো ঃ আপুনি অনুগ্ৰহ কৰি কাইলৈ আকৌ আহক; বাকী দুজনকো তালিকাত ভৰাই এই কামটো শেষ কৰি থওঁ। পাছদিনা বিষয়াজন আহিল; সচিবৰ পৰা ফাইলটো আনি আমি তালিকাখন চাৰিজনীয়া কৰিলো; চহী কৰিলো, আৰু ফাইলটো আকৌ সচিবক দিলো।

পাছদিনা ফাইলটো মুখ্য কাৰ্যালয়ৰ ভিজিলেন্স বিষয়াৰ ওচৰ পালেগৈ। আমি বোলে ৰাতিটোৰ ভিতৰতে অসৎ অভিপ্ৰায়েৰে তালিকা দীঘল কৰিলো। সেয়ে আৰম্ভ। এদিন বিষয়টো গৈ ছি. বি. আই পালেগৈ।

এদিন মোক অফিছৰ মানুহে ক'লে,— ছি. বি. আইৰ বিষয়া এজন ৰেল-ষ্টেছনৰ এটা কোঠালিত আছেহি। আপোনাক তাঁলৈ মাতিছে। মই ক'লো,— মই ক'লৈকো যাব নোৱাৰোঁ। তেওঁ যদি মোক লগ পাব খোজে, তেনেহ'লে এইটো কোঠালৈ আহক।

পাছদিনা ছি বি. আইৰ বিষয়াজন মোৰ অফিছ-কোঠালিলৈকে আহিল। তেওঁ পৰিচয় দিয়াৰ পাছতে মই কথা আৰম্ভ কৰিলো। ক'লো,— আপুনি কি অনুসন্ধান কৰিবলৈ আহিছে, মই ক'ব নোৱাৰোঁ। প্ৰথমতে মই এটা কথা কৈ লওঁ। ছি. বি. আই— এই নামটোৰ প্ৰতি মোৰ এনেকুৱাই ধাৰণা, যে আজি আপোনাৰ মুখামুখিকৈ এনেকৈ বহিবলগীয়া হোৱাটোকে মই বৰ ডাঙৰ দুৰ্ভাগ্যৰ কথা বুলি ভাবিছোঁ।

এঘণ্টামান কথা পাতি বিষয়াজন গৈছিলগৈ। পাছত মই গম পাইছিলো,— বিষয়াজনৰ অনুসন্ধানত মই জড়িত থকা কোনো দোষ আবিষ্কৃত হোৱা নাছিল। এই কাহিনীৰ আৰম্ভণি-কালৰ এদিনৰ মোৰ মনৰ কথা ডায়েৰিত এনেকৈ লিখা আছে ঃ "আজি অফিছত মোৰ ধাৰণা হ'ল,— ইমান কষ্টৰে অৰ্জন কৰা মোৰ মান-সন্মান, ইমান কষ্টৰে ৰক্ষা কৰা মোৰ সততা ... যেন ধ্বংস হৈ যাব। এনে মানুহৰ সান্নিধ্যলৈ আহিব লগীয়া হোৱাটো মোৰ কাৰণে অত্যন্ত— অত্যন্ত দুৰ্ভাগ্যৰ কথা। মই এইবিলাক অফিছৰ মানুহ নহওঁ যেন লাগিছে। আজি যদি মোৰ থাকিবলৈ এটা ঘৰ থাকিলহেঁতেন, মই কিজানি এদিনো এই মানুহৰ লগত একেখন চালিৰ তলত নাথাকিলোহেঁতেন. ক'ৰ ভবেন্দ্ৰ নাথ শইকীয়া— ক'ত আহি পৰিলোহি !"

এবাৰ ৰে'ল-দপ্তৰে দিল্লীত ভাৰতৰ সকলো ৰে'লসেৱা আয়োগৰ সভাপতিসকলৰ এখন সভা আহ্বান কৰিলে। সভাখনত ৰে'লমন্ত্ৰী শ্ৰী কমলা প্ৰসাদ ত্ৰিপাঠীয়ে নিজে আয়োগবোৰৰ কাম-বনৰ খতিয়ান ল'ব। ৰে'লমন্ত্ৰীগৰাকীক তেখেতৰ ৰাজ্যৰ বা সমষ্টিৰ কিছুমান মানুহে যে অৱতাৰ-পুৰুষহেন জ্ঞান কৰে, তেখেতক ভৰি চুই সেৱা কৰাটো যে কিছুমান মানুহৰ পৰম-আকাংক্ষিত কৰ্ম, সেইবোৰ কথা কাকতে-পত্ৰই পঢ়িবলৈ পাইছিলো। সভাখনলৈ গৈ দেখোঁ,— শকত-আৱত, ৰঙচুৱা বৰণৰ, কপালত ডাঙৰ ফোঁটেৰে, এখন ভৰি চকীত তুলি বহি থকা মানুহজনৰ চেহেৰাত সঁচাকৈয়ে এক ধৰণৰ ধৰ্মগুৰুসুলভ চৰিত্ৰ এটা বিৰাজ কৰিছে। সভা আৰম্ভ হ'ল। মন্ত্ৰীগৰাকীয়েই কথা আৰম্ভ কৰিলে,— কথা মানে ঘাইকৈ প্ৰশ্ন। তেখেতে এজন-এজনকৈ সভাপতিসকলক নানা ধৰণৰ প্ৰশ্ন সুধি গ'ল। মন্ত্ৰীগৰাকীৰ কথাৰ ধৰণ আৰু সুৰ লক্ষ্য কৰি মই বৰ বিস্মিত হ'লো। তেখেতে যেন তলতীয়া, অপৰাধী মানুহৰ কৈফিয়তহে বিচাৰিছে! অকল কৈফিয়ত বিচৰাই নহয়, যি সুৰত তেখেতে কথা কৈছে, তাক ধমকিও বুলিব পাৰি। অসমত চলি থকা আন্দোলনৰ কথা জানে কাৰণেই হ'বলা, তেখেতে মোৰ পৰা

কোনো কৈফিয়ত নিবিচাৰিলে, আৰু মোৰ লগত বিশেষ কথাও নাপাতিলে। কিন্তু এই বিশেষ কাৰণত মই তেখেতৰ বাক্যবাণৰ পৰা বাচি গ'লো বুলি স্বস্তি অনুভৱ নকৰিলো; বৰঞ্চ এই মাননীয় সভাপতিসকলে যে অবনতমস্তকে, নিঃশব্দে মন্ত্ৰীগৰাকীৰ অগ্ৰহণীয় ব্যৱহাৰ গ্ৰহণ কৰিলে, সেই কথাত দুখ পালো। ৰে'লসেবা আয়োগৰ ভিতৰৰ কাম-বন, সমস্যা আদিৰ বিষয়ে প্ৰভূত পৰিমাণৰ জ্ঞান আৰু অভিজ্ঞতা থকা প্ৰবীণ মানুহ এজনে কিবা ত্ৰুটি দেখিলে টানকৈ দুআষাৰ কোৱাটো সহ্য কৰিব পাৰি; কিন্তু এই ক্ষেত্ৰতো অলপ পাছতে মন্ত্ৰীগৰাকীৰ বিচাৰ-বুদ্ধিৰ যি পৰিচয় পালোঁ সি মোক বেছি হতভম্ব কৰিলে।

মন্ত্ৰীগৰাকীৰ প্ৰশ্নবাণ, বাক্যবাণৰ মাজে-মাজে সভাখনত আলোচিত হোৱা গুৰুত্বপূৰ্ণ বিষয়টো আছিল,— কেনেকৈ চাকৰিৰ বাবে প্ৰাৰ্থী নিৰ্বাচন প্ৰক্ৰিয়াটো দ্ৰুত কৰিব পাৰি। কোনো-কোনো ডাঙৰ ৰে'লৰ আয়োগত কেৰাণী-শ্ৰেণীৰ চাকৰিৰ কাৰণে প্ৰকাশ কৰা একোটা বিজ্ঞাপনৰ উত্তৰত দৰখাস্ত পৰে পাঁচ লাখমান। লিখা-পৰীক্ষাৰ পাছত দহ হাজাৰমান প্ৰাৰ্থীক ইণ্টাৰভিউলৈ মাতিলেও, সেই ইণ্টাৰভিউ শেষ কৰোঁতে দহ মাহমান সময় লাগে। এই সময় কেনেকৈ কমাব পৰা যায়: আলোচনাৰ মাজতে মন্ত্ৰীগৰাকীয়ে পৰামৰ্শ দিলে,—নিৰ্বাচন-পদ্ধতি দ্ৰুত কৰিবলৈ হ'লে লিখা-পৰীক্ষাটো উঠাই দিব লাগে।

অৰ্থাৎ পাঁচ লাখ প্ৰাৰ্থীক কেৱল ইণ্টাৰভিউৰ সহায়েৰেই পৰীক্ষা কৰিব লাগে। এজন প্ৰাৰ্থীক দহ মিনিটকৈ ইণ্টাৰভিউ ল'লেও, দিনে আঠ ঘণ্টাকৈ ইণ্টাৰভিউ ল'লেও, বছৰটোত তিনিশ দিন ইণ্টাৰভিউ ল'লেও— পদ্ধতিটো সম্পূৰ্ণ কৰিবলৈ প্ৰায় পয়ত্ৰিছ বছৰ লাগিব!

সভা শেষ হোৱাৰ লগে-লগে মন্ত্ৰীৰ কাষতে থকা বিষয়াজনে মোৰ ওচৰলৈ আহি মোক তেখেতৰ কোঠালিলৈ নিমন্ত্ৰণ কৰিলে। তেখেত মন্ত্ৰীৰ ব্যক্তিগত সচিব বুলি ধাৰণা কৰিলো। তেখেতৰ লগে-লগে বাৰাণ্ডাইদি আগ বাঢ়িলো। বাৰাণ্ডাখনৰ দুয়োকাষে ভালেমান মানুহ থিয় হৈ আছে। মানুহবিলাকে সচিবগৰাকীক হাতযোৰ কৰি, মূৰ চপৰাই প্ৰণাম কৰিলে। দুজনমানে তেখেতৰ ভৰিও চুলে। তেওঁলোকৰ মাজত সৃষ্টি হোৱা আলোড়ন দেখি মোৰ ধাৰণা হ'ল,— এইগৰাকীও সাধাৰণ মানুহ নহয়; এক ধৰণৰ দেৱতাই। তেখেতৰ কোঠালিত সোমাই দেখিলো,— তাতো প্ৰায় আধা-কোঠালি মানুহ বহি, থিয় হৈ আছে। সচিব ডাঙৰীয়া সোমোৱাৰ লগে-লগে বহি থকা মানুহবিলাক গিৰিসকৈ থিয় হ'ল। হাতত ফাইল, কাগজ যি আছিল, তাকে তেওঁলোকে কপাল-বুকুত লগাই ভাৱভক্তিৰে সচিবক প্ৰণাম কৰিলে। মোক বহিবলৈ কৈ সচিবে থিয় হৈ থকা মানুহবিলাকলৈ চালে, আৰু দুজনমানক ইংগিতেৰে বাহিৰলৈ যাবলৈ ক'লে। এজনক

"আপুনি কিয় আহিছে" বুলি ধমকি এটা দি বিদায় দিলে। এনেকৈও যে এজন বিষয়াই দৰ্শনাৰ্থীক বিদায় দিব পাৰে, সেইটো মোৰ কাৰণে কল্পনাতীত ঘটনা আছিল। তাৰ পাছত সচিবে মোক বহিবলৈ দিলে; পিয়ন এজন মাতি মই চাহ খাম নে, কফি খাম নে, ক'ল্ড ড্ৰিংক খাম নে গাখীৰ খাম সুধিলে, আৰু মই "একো নালাগে; ধন্যবাদ" বুলি কোৱা কথাষাৰ অগ্ৰাহ্য কৰি পিয়নজনক এগিলাছ গৰম গাখীৰ আনিবলৈ হুকুম দিলে। অভ্যাগতক অফিছ-কাছাৰীত চেঁচা পানী, চাহ, কফি, ক'কা-ক'লা আদিৰেই আপ্যায়িত কৰা হয় বুলি ইমানদিনে অভিজ্ঞতা অৰ্জন কৰি আহিছিলো; এইবাৰহে প্ৰথম-প্ৰথম গৰম গাখীৰৰ কথা শুনিলো। ইমানবোৰ মানুহৰ আগত লাজ-মান কাতি কৰি থৈ গৰম গাখীৰ খাই থাকোঁতে সচিব ডাঙৰীয়াই বাৰাণ্ডাত ৰৈ থকা ল'ৰা দুজনক ভিতৰলৈ মতাই পঠালে। সোমোৱাৰ লগে-লগে সচিবে তেওঁলোকক ক'লে, "তোমালোকৰ কি ক'বলগীয়া আছে চেয়াৰমেন চাহাবক কোৱা।" ল'ৰা দুজনে মোক তেওঁলোকৰ নাম আৰু ৰোল নম্বৰ লিখা কাগজ দুখন দি থিয় হৈ থাকিল। ইতিমধ্যে সচিব ডাঙৰীয়াই অভ্যাগতসকলৰ ফাইল চাবলৈ আৰম্ভ কৰিছিল। যিজনৰ ফাইলটো তেখেতে চাইছিল, সেইজন মানুহ সেইখিনি সময়ত হাতযোৰ কৰি থিয় হৈ আছিল। হঠাতে এবাৰ সচিব ডাঙৰীয়াই ল'ৰা দুজনক ক'লে, "আৰু কি? হৈ গ'ল। যোৱা এতিয়া।"

গাখীৰগিলাছ শেষ হোৱাৰ পাছতে মই সচিব ডাঙৰীয়াৰ পৰা বিদায় ল'লো। বাহিৰৰ দীঘল বাৰাণ্ডাখনত মানুহৰ ভিৰ বাঢ়িছে। বুজিলো,—সকলো মানুহ সচিব ডাঙৰীয়াক লগ পাবলৈ ৰৈ আছে। মোৰ এনেকুৱা লাগিল,— যেন এইজন মানুহৰ আঙুলিৰ নিৰ্দেশে সমগ্ৰ ভাৰতৰ ৰে'লৰ মানুহৰ কাৰণে ছিগনেলৰ কাম কৰে! দোৰ্দণ্ড-প্ৰতাপী মানুহ।

ঘৰলৈ উভতি আহিলো। কিছুদিনৰ পাছত এদিন গধূলিৰ পাছত দুজন ল'ৰা আমাৰ ঘৰত ওলালহি। মই চিনি পোৱা নাছিলো; তেওঁলোকেই চিনাকি দিলে,— সেই যে সচিবৰ কোঠালিত সচিবে মোৰ মুখামুখি কৰি দিছিল, সেই ল'ৰা দুজন। তেওঁলোকৰ কথাৰ পৰা যি বুজিলো, সচিবে কৈ দিছে যেতিয়া, মই এতিয়া মোৰ ভাগৰ কামখিনি কৰিব লাগে। মোৰ ভাগৰ কাম মানে,— ল'ৰা দুজনে লিখা-পৰীক্ষা দিছে। উত্তৰ-বহীত যিয়েই নিলিখক, মই তেওঁলোকক ইণ্টাৰভিউলৈ মতাৰ ব্যৱস্থা কৰিব লাগে আৰু ইণ্টাৰভিউ ভাল কৰাই দিব লাগে। মই তেওঁলোকক ক'লো, সচিবগৰাকীয়ে তেওঁৰ হিচাপত তেওঁৰ কৰ্তব্য কৰিলে; ময়ো মোৰ হিচাপত মোৰ কৰ্তব্য কৰিম। তোমালোক যোৱাগৈ। যাবৰ সময়ত ল'ৰা দুজনে আকৌ নাম-ৰোল নম্বৰ লিখা দুটুকুৰা কাগজ দিলে। সেই দুটুকুৰা মই ঘৰৰ ভিতৰলৈ নিনিলো।

সেই সচিবগৰাকীয়ে মোক দিল্লীত লগ পাওঁতে, তেখেতৰ অফিছত, দুজন ল'ৰাৰ কথা ক'লে। মই তেখেতৰ কথাৰ ওপৰত কিমান গুৰুত্ব দিলো বা নিদিলো, সেইটো

মোৰ কৰ্ম-পদ্ধতিৰ ভিতৰুৱা কথা। তেখেতকো চাগৈ কিমান হাজাৰ মানুহে চাকৰিৰ কাৰণে ধৰি থাকে! গতিকে সুবিধা পাই তেখেতে মোক কথাষাৰ ক'লে। এফালৰ পৰা চাবলৈ গ'লে সেইটো একো অভাবনীয় কথা নহয়। কিন্তু অভাবনীয় কথা কেনেকুৱা হ'ব পাৰে?

এদিন অফিছলৈ ৱায়াৰলেছ বাৰ্তা আহিল,— ৰে'ল দপ্তৰৰ ৰাজ্যিক মন্ত্ৰীগৰাকীয়ে মোক অমুক তাৰিখে দিনৰ এঘাৰ বজাত, দিল্লীৰ ৰে'ল-ভৱনত, নিজৰ অফিছ-কোঠালিত লগ পাব খোজে। বাৰ্তাটো সিমানেই। কিয় মোক লগ পাব খোজে তাৰ কোনো আভাস নাই। মাজত মাত্ৰ দুটা দিন। আমাৰ অফিছে লগে-লগে মোৰ দিল্লীযাত্ৰাৰ আয়োজন কৰিলে।

নিৰ্দিষ্ট দিনত এঘাৰ বাজিবলৈ দহ মিনিট থাকোঁতে মই দিল্লীৰ ৰে'ল-ভৱনৰ ৰাজ্যমন্ত্ৰীৰ অফিছত উপস্থিত হ'লোগৈ। প্ৰাথমিক খা-খবৰ ল'বলৈ প্ৰথমে যিটো কোঠালিত সোমালো, তাত দুজন কৰ্মচাৰীয়ে কাম কৰি আছিল। তেওঁলোকৰ এজনক মই মোৰ পৰিচয় দিলো, আৰু ৱায়াৰলেছ বাৰ্তাৰ কাগজখন দেখুৱাই ক'লো,— এঘাৰ বজাত মোক মন্ত্ৰীয়ে লগ পাবলৈ মাতি পঠিয়াইছে। মানুহজনে মোক ওচৰৰে চকী এখনত বহিবলৈ দিলে আৰু সিজন মানুহৰ ওচৰলৈ গৈ কিবা আলোচনা কৰিলে। তাৰ পাছত তেওঁ কোঠালিটোৰ পৰা ওলাই গ'ল। মই বহি থাকিলো। এবাৰ ওচৰৰ মেজখনত পাৰি থোৱা ডাঙৰ কাচখনৰ তলত সুমুৱাই থোৱা কাগজখিলালৈ মোৰ চকু গ'ল। তাৰে এখন কাগজত আছে— ৰাজ্যমন্ত্ৰীগৰাকীৰ ভ্ৰমণসূচী। সেইখন পঢ়ি দেখোঁ,— সেইদিনা মন্ত্ৰীগৰাকী বোম্বাইত থকাৰ কথা। মন্ত্ৰী উভতি দিল্লী পাবহি পাছৰ মাহৰ প্ৰথম সপ্তাহত। তেখেতে দিল্লী এৰা সাতদিন হ'ল। সাতদিনৰ আগতে তেখেতে দিল্লী এৰিছে, আৰু তাৰ পাছত তেখেতৰ নামত মোক মাতি বাৰ্তা পঠিওৱা হৈছে? তেখেত বোম্বাইত থকা দিনত দিল্লীত দেখা কৰিবলৈ? ভাবি-চিন্তি বহি আছোঁ। অলপ সময়ৰ পাছত মানুহজন উভতি আহিল। তেওঁ ক'লে, "মন্ত্ৰী এতিয়া বোম্বাইত আছে। আজি তেখেত কেবিনেটৰ সভালৈ অহাৰ কথা আছিল। সেইকাৰণে আপোনাক মাতি পঠিওৱা হৈছিল। আমি যোগাযোগ কৰিবলৈ চেষ্টা কৰি আছোঁ। আপুনি বহক।" বহি আছোঁ। কিবা পৰামৰ্শ কৰি অলপ পাছতে দুয়োজন মানুহ আকৌ ওলাই গ'ল। কেবিনেটৰ সভা অকল কেবিনেট মন্ত্ৰীৰ বাবেহে, নে তাত ৰাজ্যমন্ত্ৰীও উপস্থিত থাকে?— এই ধৰণৰ কথাকে ভাবি-চিন্তি মই বহি আছোঁ। এইবাৰ মানুহ দুজনৰ অনুপস্থিতিৰ সময়খিনি দীঘলীয়া। এসময়ত তেওঁলোক দুয়ো একেলগে উভতিল। এজনে মোক ক'লে, "আমি মন্ত্ৰীৰ লগত টেলিফোনত যোগাযোগ কৰিলো। তেখেত অহাৰ কথা আছিল; কিন্তু আহিব নোৱাৰে। গতিকে আপোনাক গুৱাহাটীলৈ উভতি যাবলৈ কৈছে।"

হতবাক হৈ মই কোঠালিটোৰ পৰা ওলাবলৈ উঠিছোঁ, এনেতে মানুহজনে মোক এটুকুৰা কাগজ দিলে। কাগজখনত পাঁচটা ৰোলনম্বৰ লিখা আছে। মানুহজন মোৰ লগত বাৰাণ্ডালৈ ওলাই আহিল। বাৰাণ্ডাত তেওঁ ফুচফুচাই কোৱাদি ক'লে,— মিনিষ্টাৰে এই নম্বৰকেইটা চাবলৈ কৈছে।

ৰায়াৰলৈ'ছ বাৰ্তা, এৰোপ্লেনত অহা-যোৱা, তিনিটা দিন খৰচ,— এইবোৰৰ বিনিময়ত পাঁচটা ৰোলনম্বৰ থকা কাগজ এটুকুৰা! গোটেই ঘটনাটো মোৰ কাৰণে অসহনীয় হৈছিল। ঘটনাটো মন্ত্ৰী দপ্তৰৰ কৰ্মচাৰীৰ ঘৃণনীয় ঔদ্ধত্য যেন লাগিছিল।

এনেকৈয়ে দিন গৈ আছিল। পৰিস্থিতিৰ বিৰুদ্ধে যুঁজি হ'লেও আয়োগৰ কাম আগ বঢ়োৱা হৈছিল। কিন্তু অফিছটোৰ ভিতৰে-বাহিৰে ভেটি খোৱা দুৰ্নীতি-চক্ৰ এটাই গা কৰি উঠিছে বুলি বিভিন্ন উৎসৰ পৰা খবৰ আহি মোৰ কাণত পৰিছিল। মই বৰ অস্বস্তি অনুভৱ কৰিছিলো। সকলো খবৰ চালি-জাৰি চোৱাৰ পাছত মোৰ ধাৰণা হৈছিল,— মই মনিব পৰা সকলো সুৰুঙা বন্ধ কৰাৰ পাছত চক্ৰটোৱে এটা নতুন কৌশল উদ্ভাৱন কৰিছিল। আমি চহী কৰি নিৰ্বাচিত প্ৰাৰ্থীৰ তালিকাখন অফিছত দিওঁ। নিয়মমতে সেই তালিকা মালীগাঁৱৰ মুখ্য কাৰ্যালয়লৈ যাব লাগে; পুলিছৰ তদন্ত, স্বাস্থ্য-পৰীক্ষা আদি বিধিগত কামবোৰ সমাপ্ত কৰি কৰ্তৃপক্ষই প্ৰাৰ্থীলৈ নিয়োগ-পত্ৰ পঠাব লাগে; কিন্তু মোৰ সন্দেহ হৈছিল,— কামবোৰ তেনেকৈ নহয়। সেইবোৰ কাম আৰম্ভ হোৱাৰ আগতে চক্ৰটোৰ মানুহে নিৰ্বাচিত প্ৰাৰ্থীৰ লগত যোগাযোগ কৰে। প্ৰাৰ্থীজনে চাকৰি পাইছেই, তথাপি তেওঁক এওঁলোকে কয়,—তুমি ইমান টকা দিলে চাকৰিটো পোৱাৰ ব্যৱস্থা কৰিব পাৰোঁ।— সেই যে আয়োগৰ আৰম্ভণি কালছোৱাতে টাইপিষ্টৰ চাকৰিৰ বাবে নিৰ্বাচিত হোৱা ছোৱালীজনীয়ে আহি মোক অফিছৰ কোনোবাই টকা খোজাৰ কথা কৈছিল, সেই পদ্ধতিটোৱেই শক্তিশালী ৰূপ ধাৰণ কৰিছে বুলি মোৰ ধাৰণা হ'ল। ধাৰণাহে! সন্দেহহে! ধাৰণা-সন্দেহৰ ওপৰত ভেটি কৰি মই কি কৰিব পাৰোঁ? আয়োগৰ চেয়াৰমেন হিচাপে মই প্ৰাৰ্থীসকলক এটা কথা জনাই থোৱাৰ প্ৰয়োজন অনুভৱ কৰিলো।

ইণ্টাৰভিউৰ সময়ত আমি প্ৰাৰ্থীসকলৰ মূল ছাৰ্টিফিকেটবিলাক চাওঁ। প্ৰায়বোৰ প্ৰাৰ্থীয়েই লেফাফা এটাত ছাৰ্টিফিকেটবিলাক ভৰাই আনে আৰু আমি যেতিয়া খোজোঁ, তেতিয়া লেফাফাটোৰ পৰা উলিয়াই এখন-এখনকৈ সেইবোৰৰ ভাঁজ খোলে। এই কামটোত কিছু সময়ৰ অপব্যয় হয়। গতিকে পাছলৈ মই অফিছক দুখন ক্লিপ লগোৱা ব'ৰ্ড যোগাৰ কৰিবলৈ ক'লো। প্ৰাৰ্থীয়ে বাহিৰত অপেক্ষা কৰি থকা সময়খিনিত ছাৰ্টিফিকেটবিলাক এখন ব'ৰ্ডৰ ক্লিপত নিয়াৰিকৈ সজাই ৰাখিব। প্ৰথম প্ৰাৰ্থীজন যেতিয়া ইণ্টাৰভিউ দিবলৈ ভিতৰলৈ সোমাব, তেতিয়া দ্বিতীয় প্ৰাৰ্থীজনে দ্বিতীয়খন ব'ৰ্ডত তেওঁৰ ছাৰ্টিফিকেটবিলাক সজাই ৰাখিব। প্ৰথমজনে ওলাই আহি ব'ৰ্ডখন তৃতীয়জনক

মিছ। এই সাধাৰণ ব্যবস্থাটোৱে ছাৰ্টিফিকেট দেখুউৱা আৰু পৰীক্ষা কৰা পদ্ধতিটো বৰ সুবিধাজনক কৰিছিল।

এদিন এটা ইণ্টাৰভিউৰ আগে-আগে মই এখন বিজ্ঞপ্তি টাইপ কৰালো, আৰু সেই ব'ৰ্ড দুখনত বিজ্ঞপ্তিখনৰ একোটাকৈ কপি আঠা লগাই দিযালো। নটিছ ব'ৰ্ডত বিজ্ঞপ্তিখন লগাই থ'লে কোনোবা প্ৰাৰ্থীযে মন নকৰিবও পাৰে, কিন্তু হাতত লৈ ইণ্টাৰভিউ দিবলৈ সোমাই যোৱা ব'ৰ্ডখনত থকা কথাখিনি প্ৰত্যেক প্ৰাৰ্থীৰ চকুত পৰিবই। বিজ্ঞপ্তিখনৰ কথাখিনিৰ সাৰাংশ আছিল ঃ আজি তোমালোকে যিটো চাকৰিৰ কাৰণে ইণ্টাৰভিউ দিলা, সেইটো চাকৰিৰ বাবে নিৰ্বাচিত প্ৰাৰ্থীৰ তালিকাখন এইটো অফিছৰে নটিছ ব'ৰ্ডত অহা . তাৰিখে প্ৰকাশ কৰা হ'ব। মাজৰ এই দিনখিনিত তোমালোকে কোনো মানুহৰ লগত তোমাৰ চাকৰিৰ বিষয লৈ যোগাযোগ কৰিব নালাগে। কোনো মানুহে তোমালোকক চাকৰি দিযাৰ ক্ষেত্ৰত কিবা সহায কৰিব পাৰিব বুলি ক'লে সেই কথা বিশ্বাস নকৰিবা।

ইন্টাৰভিউ শেষ হোৱাৰ পাছত কিমান সোনকালে নিৰ্বাচিত প্ৰাৰ্থীৰ তালিকাখন নটিছ ব'ৰ্ডত লগোৱাটো সম্ভৱ সেইটো হিচাপ কৰি বিজ্ঞপ্তিখনত তাৰিখটো ঘোষণা কৰিছিলো, আৰু সেইমতেই নিৰ্দিষ্ট দিনত কামটো সম্পন্ন কৰিছিলো। মুখ্য কাৰ্যালয়ত নিযুক্তিপত্ৰ দিয়াৰ ক্ষেত্ৰত যেযে যি কৰে কৰি থাকক. কিন্তু আযোগৰ পৰ্যায়ত প্ৰাৰ্থীক যাতে কোনেও শোষণ কৰিব নোৱাৰে তাৰ বাবে মোৰ সাধ্যমতে যি পাৰোঁ কৰিলো। গোটেই জীৱনৰ কাৰণে সংস্থান এটা হৈ গ'লে, প্ৰথম এবছৰ-দুবছৰৰ দৰমহাৰ টকা উছৰ্গা কৰিবলৈ প্ৰায সকলোৱেইতো সাজু হ'ব পাৰে! অহা এবছৰ-দুবছৰলৈ বিনা-দৰমহাৰে চাকৰি কৰিম বুলি ধৰি ল'লেই হ'ল। তাৰ পাছততো চাকৰিটো পোৱাৰ নিচিনা হ'ল। সেইখিনি ধন উছৰ্গা নকৰিলেতো দুবছৰৰ পাছতো চাকৰি পোৱাৰ সম্ভাৱনা নাই! গতিকে মাক-দেউতাকৰ সাঁচতীয়া ধন, মাটি-গহনা বেচি পোৱা ধন, আনকি কাবুলীৰ পৰা ধাৰ কৰি পোৱা ধনেৰেও ভেটি দিয়াত আপত্তি কি? ('প্ৰান্তিক'ত বহুত দিনৰ আগতে 'সুদৰ্শন' ছদ্মনামেৰে মই এই বিষয়ে কিছু কথা লিখি থৈছোঁ।) কিন্তু দুখীয়া, সৎ আৰু যোগ্য প্ৰাৰ্থীৰ কাৰণে এইটো এটা অসহনীয়, ঘৃণনীয় ব্যৱস্থা।

দিন গৈ আছে। ১৯৮১ চনৰ জুলাই মাহৰ মাজ ভাগৰ এদিন আগবেলা মই অফিছৰ মোৰ কোঠালিত বহি আছোঁ, কাষৰ কোঠালিৰ পৰা দুৱাৰখন খুলি সচিব সোমাই আহিল। তেখেতে মোক চিঠি এখন দিলে। খোলা চিঠি। মোৰ নামৰ চিঠি যদিও আহিছে নিশ্চয় সচিবৰ নামত। নহ'লে তেখেতে মোৰ নামৰ লেফাফা খুলিব কিয়?

চিঠিখনৰ মূল কথাটো হ'ল,— ভাৰত চৰকাৰে মোক উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৰে'লসেৱা আয়োগৰ চেয়াৰমেন পদৰ পৰা অব্যাহতি দিছে। অব্যাহতি ল'বলৈ মোক এমাহৰ সময় দিয়া হৈছে।

মই সচিবক সুধিলো, —এতিয়া মই কি কৰিব লাগিব? তেখেতে ক'লে—এই চিঠিখন পালো বুলি আৰু এই বিষয়ে আপুনি কি কৰে, সেই কথা লিখি উত্তৰ এটা দিব লাগে। লগে-লগে ব্যক্তিগত সহকাৰী ষ্টেন'গ্ৰাফাৰ জৰ্জক মাতি উত্তৰৰ চিঠিখন প্ৰস্তুত কৰিবলৈ দিলো। তেওঁ চিঠিখন সাজু কৰে মানে— এইখিনি সময়ত মোৰ মনলৈ আহিল, —এতিয়া কি কৰা যায়? এনেকুৱা এটা ঘটনা ঘটিব বুলি ঘূণাক্ষৰেও জানিব পৰা নাছিলো। আচম্বিতে। একেবাৰে আচম্বিতে। কি কৰা যায়? চিঠিখনত চহী কৰি সচিবক ক'লো,—সেইখন পঠাই দিবলৈ। লগতে ক'লো— এই এমাহ মই অফিছলৈ আহিবও পাৰোঁ, নাহিবও পাৰোঁ। আনুষ্ঠানিক কামখিনি যথাসময়ত সমাপ্ত কৰিম।

তাৰ পাছত অফিছৰ পৰা ওলালো। আগতে যে কৈছিলো,— এদিন মই ভিতৰি-ভিতৰি বৰ উত্তেজিত, বিভ্ৰান্ত আৰু আতুৰ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ মোৰ পাছৰজন সচিব ড.মহম্মদ তাহেৰৰ কোঠালিলৈ গৈছিলো,— এই দিনটোৰ কথা কৈছিলো। অফিছৰ পৰা ওলায়েই মই জালুকবাৰীলৈ গাড়ী চলালো। ড. তাহেৰক সুধিলো,— তেখেত ভূগোলবিজ্ঞান বিভাগৰ পৰা কিমান দিনৰ কাৰণে এই সমিতিৰ সচিব হ'বলৈ আহিছে; আকৌ সেই বিভাগলৈ উভতি যাব নে নাযাব? অৰ্থাৎ উত্তেজনাৰ মাজত মই ভাবিছিলো,— আকৌ সেই আগৰ চাকৰিটোলৈকে উভতি অহাৰ চেষ্টা কৰিম নে কি?

মই বিশ্ববিদ্যালয়ৰ চাকৰিটোলৈ উভতি যোৱাৰ কোনো বাট খোলা ৰখা নাছিলো। Lien-অৰ ব্যৱস্থা কৰা নাছিলো। ওলালো যেতিয়া ওলালোৱেই বুলি পদত্যাগ কৰি আহিছিলো। সেইদিনা ভাৰত চৰকাৰৰ চিঠিখন পঢ়াৰ পাছত তৎক্ষণাৎ আগৰ চাকৰিটোৰ কথাই মনলৈ আহিছিল; কিন্তু জালুকবাৰীৰ পৰা ঘৰলৈ উভতি অহাৰ বাটত সেই চিন্তা তল পৰিল। তেতিয়া মোৰ বয়স উনপঞ্চাছ বছৰ। মোৰ লগৰ মানুহে আৰু এঘাৰ বছৰ চাকৰি কৰিব। মই কি কৰিম? ঘৰলৈ আহি থাকোঁতেই মোৰ মনলৈ আহিছিল—কেৱল লিখা কাম কৰিম। মাহে এখনকৈ ল'ৰা-ছোৱালীৰ কাৰণে কিতাপ লিখিম। নিজে প্ৰকাশ কৰিম। তাৰে সংসাৰ চলাম।

মই সেইদিনাই প্ৰীতিক কথাটো কোৱা নাছিলো। তেওঁক মানসিকভাৱে অলপ সাজু কৰি লৈ পাছদিনাৰ পাছদিনা ক'লো। তেওঁ বৰ অসহায় অনুভৱ কৰিলে আৰু বৰ অস্থিৰ হ'ল। মই তেওঁক অভয় দিলো,—কোনো চিন্তা নকৰিবা। মোৰ সমুখত কেইবাটাও ৰাস্তা খোলা আছে। মই কেৱল এক ধৰণৰ চাকৰিৰ ওপৰত নিৰ্ভৰ কৰা মানুহ নহওঁ।

বাহিৰৰ মানুহকো মই কথাটো কোৱা নাছিলো। কিন্তু মই চিঠিখন পোৱাৰ দ্বিতীয় দিনা ৰাতি তেতিয়াৰ ৰাজ্যসভাৰ সদস্য শ্ৰী অজিত কুমাৰ শৰ্মাই ফোন কৰি সুধিলে,—এনেকুৱা এটা কথা শুনিছোঁ, হয়নে? মই ক'লো,— হয়। পাছদিনা ৰাতিপুৱাকতত ৰাতিপুৱাৰ কাকতত বাতৰিটো

ওলাল। কোনো-কোনোৱে মোক মোকৰ্দমা তৰিবলৈ ক'লে, আন্দোলনৰ কথা ক'লে,— সদৌ অসম ছাত্ৰসন্থাই ঘটনাটোৰ প্ৰতিবাদ কৰিলে, ভবেন বৰুৱাই এখন সাংবাদিক মেল পাতি মোৰ ফালৰ কথাবোৰ প্ৰকাশ কৰাৰ কথা ক'লে,— মই সেইবোৰ একো কৰাৰ উৎসাহ অনুভৱ নকৰিলো। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ শ্ৰী মহেন্দ্ৰ চন্দ্ৰ পাঠকক লগ ধৰি মোলৈ অহা নিযুক্তিপত্ৰ আৰু অব্যাহতিপত্ৰ দুয়োখন দেখুৱাই সুধিলো—মোৰ কিবা কৰণীয় আছে নে কি? তেখেতে চিঠি দুখন পঢ়ি চাই ক'লে,— নাই। ছবছৰৰ বাবে নিযুক্তি দিয়া হৈছে যদিও চৰকাৰে এমাহৰ নটিছ দি মোক অব্যাহতি দিব পাৰে, আৰু ময়ো তেনেকৈ অব্যাহতি ল'ব পাৰোঁ। গতিকে আইনমতে কৰিবলগীয়া একো নাই। মই তেখেতৰ কথা মানি ল'লো। কিন্তু বাৰে-বাৰে মোক এটা প্ৰশ্নই খুন্দিয়াই থাকিল। চৰকাৰৰ চিঠিৰ ভাষা আৰু আইনেই শেষ বস্তু নে?

তেতিয়া ৰে'লমন্ত্ৰী আছিল কেদাৰ নাথ পাণ্ডে। মই তেখেতলৈ এখন চিঠি লিখিলো আৰু তাৰ প্ৰতিলিপি লোকসভা আৰু ৰাজ্যসভাৰ ভালেমান সদস্যলৈ পঠিয়াই দিলো। চিঠিখনত মই কি পৰিস্থিতিত, কেনেকৈ এই নতুনকৈ প্ৰতিষ্ঠা কৰা আয়োগটোৰ কাম চলাইছিলো, সেই সময়ছোৱাত মই ব্যক্তিগতভাৱে কি কি কাম কৰিছিলো,— সেইবোৰ কথা উল্লেখ কৰিলো; কিন্তু শেষত মই মূল কথাটোৰ ওপৰত জোৰ দিলো ঃ মই যদি কিবা ভুল বা দোষ কৰিছিলো, তেনেহ'লে, অব্যাহতিপত্ৰখন পঠোৱাৰ আগতে, চৰকাৰে মোক এবাৰ সুধিব নোৱাৰিলেহেঁতেন নে—কিয় তুমি এনেকুৱা কৰিছা বুলি? নিয়োগপত্ৰমতে চৰকাৰৰ মোক অব্যাহতি দিয়াৰ অধিকাৰ আছে; কিন্তু কি কাৰণে অব্যাহতি দিয়া হ'ল সেই কথাটো মই জানিবলৈ নাপামনে? সেই কথাটো জনোৱাৰ যি শিষ্টাচাৰ, সেই শিষ্টাচাৰ ৰে'ল-দপ্তৰৰ নাইনে?

লোকসভা নে ৰাজ্যসভাত অসমৰ এজন সদস্যই এই ঘটনাটোৰ বিষয়ে প্ৰশ্ন উত্থাপন কৰোঁতে ৰে'ল-দপ্তৰৰ তৰফৰ পৰা 'Public interest'-অত এই কাম কৰা হ'ল বুলি উত্তৰ দিয়া হৈছিল। কি পাবলিক ইণ্টাৰেষ্ট? কেনেকুৱা পাবলিক ইণ্টাৰেষ্ট?

এইবোৰ ১৯৮১ চনৰ মাজভাগৰ কথা। আজি, ১৯৯৯ চনৰ শেষ ভাগতো, মই ৰে'ল-দপ্তৰক প্ৰত্যাহ্বান জনাই থলো, — কি পাবলিক ইণ্টাৰেষ্টত দপ্তৰটোৱে সেই কাম কৰিছিল, তাক সদৰি কৰি, নিৰ্ভুল তথ্য-পাতিৰ সহায়ত, মোক বা মোৰ পক্ষৰ মানুহক আত্মসমৰ্থনৰ সুবিধা দি, পাবলিকৰ আগত মোক যথাযোগ্য স্থানত স্থাপন কৰক। সেই স্থান যদি বহু বেছি তল খাপৰো হয়, তেনেহ'লে, মোৰ সন্তানকে আদি কৰি সকলো মানুহে সকলো সময়ৰ কাৰণে মোক সেই খাপৰ মানুহ বুলি গ্ৰহণ কৰক। অসমীয়া প্ৰাৰ্থীক যথাযোগ্য হাৰত চাকৰি দিয়াৰ বাবে চেষ্টা কৰা, আৰু চাকৰিৰ বিনিময়ত ঘোচ

খাবলৈ বন্ধ কৰাৰ চেষ্টা কৰা, যোগ্যতাৰ বাহিৰে প্ৰাৰ্থী সম্বন্ধে কাৰো অনুৰোধ-উপৰোধ গ্ৰাহ্য নকৰা,—এইবোৰ যদি মোৰ ভুল বা দোষ হয়, তেনেহ'লে তেনেকুৱা ভুল আৰু দোষ মই সুবিধা পালে বাৰম্বাৰ কৰিম।

কেদাৰ নাথ পাণ্ডেৰ পৰা মই কোনো উত্তৰ পোৱা নাছিলো। জৰ্জ ফাৰ্নাণ্ডেজে মোলৈ লিখিছিল— এইখন চৰকাৰৰ পৰা ন্যায় আশা কৰা মানে হাতেৰে চন্দ্ৰটো ঢুকি পোৱাৰ চেষ্টা কৰা। মই সেইষাৰ কথাকে সাৰোগত কৰি ল'লো।

সেই সময়ত গুৱাহাটীত লোকসভাৰ সদস্য এজনে এই ঘটনাটোৰ প্ৰসংগত মোক কৈছিল—"দাদা, এটা কথা মই আপোনাক কওঁ। ওপৰৰ মানুহে চাকৰিৰ ক্ষেত্ৰত কিবা অনুৰোধ কৰিলে যিমান পাৰে ৰাখিব লাগে।" (মই গুৱাহাটী বিশ্ববিদ্যালয়ত কাম কৰোঁতে এওঁ ছাত্ৰ আছিল। পাছলৈ এওঁ মোক দাদা বুলি মাতিছিল।) এওঁৰ সেই কথাষাৰৰ পৰা মই দিল্লীৰ এটা চক্ৰৰ মানত মোৰ ভুল আৰু দোষ কি হ'ব পাৰে তাৰ এটা আভাস পাইছিলো। মই কাগজৰ টুকুৰাত লিখি দিয়া বা টেলিফোনত দিয়া ৰোলনস্বৰবোৰক সন্মান কৰিব লাগিছিল। ওপৰৰ মানুহে যে মোক কিবা অনুৰোধ কৰিছিল, এইজন মানুহে জানিলে কেনেকৈ?

প্ৰায় ছমাহৰ পাছত, ২৪।১।৮২ তাৰিখে ডায়েৰিত মই সৰু টোকা এটা লিখি থৈছিলো ঃ

পুৱাৰ বাতৰি—ৰাষ্ট্ৰপতি ৰেড্ডিয়ে কৈছে, "নৈতিক জ্ঞান থকা এজন লোক ক্ষমতাশালী লোক এজনতকৈ ডাঙৰ।" সেই কাৰণে মই কেডাৰ পাণ্ডেতকৈ ডাঙৰ মানুহ।

সেই টোকাটোৰেই মই মোৰ জীৱনৰ অপ্ৰিয় অধ্যায়টো সামৰি থ'লো বুলিব পাৰোঁ।

ৰে'ল-মন্ত্ৰীলৈ লিখা চিঠিখনৰ খচৰাটো গুৱাহাটীত শ্ৰী অজিত কুমাৰ শৰ্মাক চাবলৈ দিছিলো। পঢ়ি চাই তেখেতে কৈছিল,—এই ফিল্ম কৰাৰ কথাটো চিঠিখনত নথকাই ভাল।

ৰে'লসেৱা আয়োগৰ চেয়াৰমেন হৈ থকা কালতে মই মোৰ দ্বিতীয় চলচ্চিত্ৰ 'অনিৰ্বাণ' নিৰ্মাণ কৰিছিলো। চিঠিখনত সেইটো কথা এটা পইণ্ট হিচাপে উল্লেখ কৰি মই জানিব খুজিছিলো,—সেইটো কাম মোৰ দোষৰ ভিতৰত পৰে নে কি? শ্ৰী শৰ্মাই এই পইণ্টটো বাদ দিবলৈ পৰামৰ্শ দিয়াত মই ভাবিলো,—এখেতে কিয় এনেকৈ ক'লে? সেইটো পদবীত থাকি চলচ্চিত্ৰ নিৰ্মাণ কৰা কামটোৱে নিজৰ চাকৰিটো ভালকৈ নকৰা বুজায় নে কি? সেইটো লুকুৱাবলগীয়া কথা নে কি? মই কিন্তু তেনেকৈ নাভাবিলো। চলচ্চিত্ৰ সম্পৰ্কীয় দফাটো চিঠিখনত ৰাখিলো। 'অনিৰ্বাণ' নিৰ্মাণ কৰাৰ ঘটনাটোত লুকুৱাবলগীয়া একো নাছিল, আৰু সি মোৰ বিবেককো আঘাত কৰা নাছিল। ৰে'লসেৱা আয়োগৰ কাম-বন ক্ষতি কৰি মই চলচ্চিত্ৰ নিৰ্মাণ কৰিছোঁ,—এই চিন্তা অন্য কাৰোবাৰ মনলৈ

অহাৰ আগতে মোৰ মনলৈহে আহিব,—তেনেকুৱা বিচাৰ-বুদ্ধিসম্পন্ন মন এটা মোৰ আছিল নে নাছিল, সেইটোহে গুৰুত্বপূৰ্ণ প্ৰশ্ন আছিল। সেইটো মোৰ নিজৰ দায়িত্বজ্ঞানৰ প্ৰশ্ন আছিল। চলচ্চিত্ৰ নিৰ্মাণৰ আঁচনিখন সেই সময়ত মই সময়ৰ যথোপযুক্ত ব্যৱহাৰৰ সমল বুলি জ্ঞান কৰিছিলো, আৰু আঁচনিখন কামত খটুৱাবলৈ অতি সাৱধানে কাৰ্যসূচী প্ৰস্তুত কৰিছিলো। এবছৰ চাকৰি কৰাৰ পাছত মোৰ নামত যিখিনি ছুটী গোট খাইছিল, মই সেইখিনি ছুটী শ্বুটিঙৰ কাৰণে লৈছিলো,— আৰু এনেকুৱা সময়ত লৈছিলো,—যি সময়ত ছুটী ন'ললেও মই অফিছৰ কাম বিশেষ একো কৰিব নোৱাৰিলোহেঁতেন। ১৯৮০ চনৰ ফেব্ৰুৱাৰি মাহৰ কথা। বিদেশী বহিষ্কৰণ সংক্ৰান্ত আন্দোলনৰ কাৰ্যসূচীয়ে আমাৰ অফিছৰ কাৰ্যসূচীক এক বিশেষ ৰূপ দিবলৈ বাধ্য কৰিছিল, আৰু সেই ৰূপে, আয়োগৰ কামৰ একো ক্ষতি নকৰাকৈ, মোৰ ব্যক্তিগত কাৰ্যসূচী প্ৰস্তুত কৰাৰ সুবিধা কৰি দিছিল। 'বন্ধ'ৰ মাজত যাতে আমি চলচ্চিত্ৰখনৰ কাম কৰিব পাৰোঁ, তাৰ বাবে মই নিজে কটন কলেজত পতা সদৌ অসম ছাত্ৰ সন্থাৰ অফিছলৈ গৈ এখন বিশেষ অনুমতিপত্ৰ লৈ আহিছিলোগৈ। বাসভৱনৰ পৰা যাতে মই বেছি দূৰলৈ যাবলগীয়া নহয়, ছুটীৰ মাজতো যাতে অফিছৰ মানুহে বিচাৰিলেই মোক পায়, তালৈ লক্ষ্য ৰাখি মই শ্বুটিঙৰ ব্যৱস্থা কৰিছিলো। আমাৰ ঘৰৰ অলপ দূৰতে, ৰে'ল বিভাগৰ এটা ক্লাবঘৰ আছিল। এমূৰে এখন মঞ্চৰে সৈতে সেইটো আগতে অনুষ্ঠান পাতিব পৰা 'হল' আছিল; পাছলৈ সেইটো সঘনে ব্যৱহাৰ কৰা নহৈছিল; কেৱল কাষৰ এটা কোঠাত কেইজনমান মানুহে তাচ খেলিছিল। মই কৰ্তৃপক্ষলৈ দৰখাস্ত কৰি এমাহৰ কাৰণে ঘৰটো ভাৰালৈ লৈছিলো আৰু তাতে ছে'ট সাজি ইনড'ৰ শ্বুটিঙৰ ব্যৱস্থা কৰিছিলো। এই ঘৰটো আৰু আমাৰ ঘৰৰ ওচৰৰে দুটা ঠেক ৰাস্তা,—ইয়াতেই আমাৰ শ্বুটিঙৰ শতকৰা প্ৰায় সত্তৰ ভাগ কাম শেষ হৈছিল। বাকী ত্ৰিছ ভাগৰ কাৰণেও আমি গুৱাহাটীৰ বাহিৰত ৰাতি খপিবলগীয়া হোৱা নাছিল। মনত পৰে,— আমাৰ শ্বুটিঙৰ মাজতে পূৰ্ণগ্ৰাস সূৰ্যগ্ৰহণ পৰিছিল। বহু মানুহে ঘৰৰ স্কাইলে'টৰ কাচতো কাগজ মাৰি ঘৰত বেলিৰ পোহৰ সোমাব নোৱৰা কৰিছিল আৰু সূৰ্যগ্ৰহণৰ দিনটোৰ বাবে শংকিত হৈছিল। সেইদিনা ৰাস্তাৰ শ্বুটিং কৰিবলৈ আমাৰ বৰ সুবিধা হৈছিল। ৰাস্তা-ঘাট মাজনিশা-শেষনিশাৰ চেহেৰা লৈছিল। আমি চানমাৰিৰ প ৰা দীঘলীপুখুৰী,— এই অঞ্চলত মহাসুখে শ্বুটিং কৰিছিলো।

সদৌ অসম ছাত্ৰ সন্থাৰ লিখিত অনুমতি লৈয়েই আমি জ্যোতি চিত্ৰবনত সম্পাদনাৰ কাম কৰিছিলো, আৰু সেই কাম কৰাৰ কাৰণে মই অফিছ খতি কৰাৰ প্ৰয়োজন নাছিল। মই সন্ধ্যাৰাগৰ ৰিৰেকৰ্ডিঙৰ কাম কলিকতাত কৰাইছিলো। কিন্তু অনিৰ্বাণৰ ৰিৰেকৰ্ডিঙৰ কাম অনিচ্ছা সত্বেও বোম্বাইত কৰাইছিলো। বোম্বাই মোৰ কাৰণে আচহুৱা, খৰচৰ ফালৰ

পৰা বলে নোৱৰা ঠাই। তথাপি কলিকতালৈ যাবলৈ মই বেলেগে অফিছৰ সময় খৰচ কৰিব খোজা নাছিলো। ডাঙৰ পৰীক্ষা এটাৰ প্ৰশ্নকাকত ছপোৱাৰ কামত যে বোম্বাইলৈ যাবলগীয়াত পৰিছিলো, সেইবাৰেই আজৰি সময়ত, বিশেষকৈ ৰাতি-ৰাতি অনিৰ্বাণৰ ৰিৰেকৰ্ডিঙৰ কাম শেষ কৰিছিলো। জাহ্নু বৰুৱা আৰু ৰঞ্জিত দাসে মোক সেই কামত সহায় কৰিছিল। ৰঞ্জিত দাসে তেতিয়া বোম্বাইলৈ গৈ, জাহ্নুৰ লগত থাকি, চলচ্চিত্ৰ সম্পৰ্কীয় কামত হাত দিছেহে। তেওঁ আমাৰ লগত এদিন গোটেই নিশা উজাগৰে আছিল।

'অসম আন্দোলন'ৰ সময়ত যেতিয়া স্কুল-কলেজ দীঘলীয়া সময়ৰ কাৰণে বন্ধ আছিল, তেতিয়া মই আমাৰ ডাঙৰ ছোৱালী সংগীতাক ওচৰৰে টাইপ-ৰাইটিং শিকোৱা স্কুল এখনত নাম লগাই দিছিলো। তেতিয়া তাই অষ্টম মানৰ ছাত্ৰী আছিল। সেই যে তাই টাইপ-ৰাইটিং শিকিলে, সি তাইক গোটেই জীৱনলৈ, আজিও প্ৰভূত পৰিমাণে সহায় কৰি আছে। তেনেকৈয়ে, অসম আন্দোলনে উলিয়াই দিয়া সময়ৰ যথোপযুক্ত ব্যৱহাৰৰ ফল আছিল অনিৰ্বাণ। এই কামৰ বাবে মই মোৰ বিবেকৰ ওচৰত দোষী অনুভৱ নকৰোঁ। গতিকে ৰে'ল-দপ্তৰৰ ওচৰত দোষী অনুভৱ কৰাৰ প্ৰশ্নই নুঠে।

প্ৰসংগক্ৰমে অনিৰ্বাণৰ কথা ওলাল, আৰু কথাখিনি কিবা কৈফিয়ত দিয়াৰ সুৰৰ হ'ল। কিন্তু এই প্ৰসংগত নিলিখি স্বাধীনভাৱে লিখা হ'লে কথাখিনিৰ সুৰ কথা ৰস বেলেগ হ'লহেঁতেন। মোৰ মনলৈ আহি থকা কিছুমান টুকুৰাটুকুৰি কথাৰ বিষয়ে লিখি মই ভাল পালোহেঁতেন। কেনেকুৱা কথা, তাৰ কেইটামান উদাহৰণ দি থওঁ।

অনিৰ্বাণৰ কাৰণেও মই অসমৰ চলচ্চিত্ৰ (বিত্ত আৰু উন্নয়ন) নিগমৰ পৰা ধন ধাৰলৈ বিচাৰি ৰুদ্ৰ বৰুৱা ককাইদেউৰ (নিগমৰ মেনেজিং ডাইৰেক্টৰ) ওচৰত দৰখাস্ত কৰিছিলো। সন্ধ্যাৰাগৰ অভিজ্ঞতাৰ ভেটিত তেখেতে মোক সহায় কৰিব বুলি কৈছিল। এসময়ত তেখেত অসুস্থ হ'ল । ১৯৮০ চনৰ জানুৱাৰি মাহৰ মাজভাগত চিকিৎসাৰ কাৰণে তেখেত ভেলোৰলৈ গ'ল। ভেলোৰলৈ বুলি বৰঝাৰ বিমান বন্দৰলৈ যাওঁতে মই তেখেতক লগ পাবলৈ ঘৰৰ পৰা ওলাই কটন কলেজ হোষ্টেলৰ ওচৰৰ পাঁচআলিত ৰৈ আছিলো। তাতে ৰৈ থাকিম বুলি টেলিফোনত তেখেতৰ লগত যোগাযোগ কৰি থৈছিলো। এসময়ত গাড়ীখন আহিল। ৰুদ্ৰ ককাইদেউৰ লগত কৃষ্ণমূৰ্তি হাজৰিকা। মই ককাইদেউক সোনকালে ভাল হৈ উভতি আহিবলৈ ক'লো। তেখেতে সেমেকা হাঁহি এটাৰে মূৰ দুপিয়ালে। ফেব্ৰুৱাৰিৰ প্ৰথম সপ্তাহত অনিৰ্বাণৰ শুটিং আৰম্ভ হ'ল। এদিন ৰাতি শুটিঙৰ পাছত ঘৰত ভাত খাবলৈ লৈছোঁ। ভাগ্যদেৱীৰ ভূমিকাত অভিনয় কৰা কমু দেৱী সেই ৰাতি আমাৰ ঘৰতে আছিল। ভাত বঢ়া-মেলা কামত প্ৰীতিক তেওঁ সহায় কৰি দিছিল। এনেতে খবৰ আহিল—ভেলোৰত ৰুদ্ৰ বৰুৱাৰ মৃত্যু হৈছে।

পুৰণিগুদামৰ ওচৰৰ ভীমৰ গাঁৱৰ পুখুৰী (মানে ডাঙৰ খাল) এটাৰ পাৰত হাফপেণ্ট পিন্ধা ৰুদ্ৰ বৰুৱাক প্ৰথম লগ পাইছিলো। কটন কলেজৰ হোষ্টেলৰ ওচৰৰ পাঁচআলিত তেওঁক শেষবাৰৰ কাৰণে লগ পালো। সেই ৰাতি দুয়োটা দৃশ্য মোৰ ঘনে-ঘনে মনত পৰি থাকিল। আজিও মনত পৰি থাকে।

ৰুদ্ৰ বৰুৱাক শেষবাৰৰ বাবে দেখাৰ আগদিনা (মোৰ টোকা মতে ১৪।১।৮০ তাৰিখে) পাণবজাৰৰ কলেজ ষ্টুডিঅ' নামৰ ফটোৰ দোকানখনৰ আগেদি যাওঁতে হঠাতে দোকানৰ কাউণ্টাৰত ল'ৰা এজন থিয় হৈ থকা দেখিলো। ল'ৰাজনে মুহূৰ্ততে মোক আকৰ্ষণ কৰিলে। দোকানলৈ সোমাই গ'লো। ইটো-সিটো চোৱাৰ চলেৰে ল'ৰাজনক মন দি চালো। অলপ পাছত তেওঁ দোকানৰ পৰা ওলাই গ'ল। কাউণ্টাৰত থকা চিনাকি মানুহজনৰ পৰা গম পালো, ল'ৰাজন ফটো নিবলৈ ১৬ তাৰিখে আকৌ দোকানলৈ আহিব। মই মানুহজনক ক'লো,—তেওঁ আহিলে অনুগ্ৰহ কৰি ক'ব,—তেওঁ যেন মোক এবাৰ লগ ধৰে। ১৬ তাৰিখে ল'ৰাজন আমাৰ ঘৰলৈ আহিল। তেওঁৰ নাম উৎপল চক্ৰৱৰ্তী। কিছু সময় কথা পতাৰ পাছত তেওঁ দিবাকৰৰ চৰিত্ৰটোত অভিনয় কৰিব বুলি সিদ্ধান্ত কৰিলো।

ৰে'লৱেৰ ক্লাব ঘৰটোত শ্বুটিঙৰ আয়োজন কৰোঁতে এদিন দেখিলো—খিৰিকিখনৰ কাষত থিয় হৈ সৰু ল'ৰা এটাই আমাৰ কাম চাই আছে। মই তাৰ ওচৰলৈ গৈ সুধিলো,—আমাৰ লগত কাম কৰিবি? এই যে দেখিছ—ঠাই সৰা, ঠাই মচা, ইঠাইৰ বস্তু সিঠাইলৈ নিয়া—সেইবোৰ কাম? সি ক'লে,—কৰিম। তাক সেই মুহূৰ্ততে ভিতৰলৈ মাতি আনি কামত লগালো। যোগালি, সহায়কাৰীৰ কাম। শ্বুটিং শেষ হোৱাৰ দিনলৈ দেখিলো,—সি লাইটৰ ছুইচ-ব'ৰ্ডত বহিছে। টিটো-আবুলহঁতে হুকুম দিছে,—তিনি নম্বৰটো দে; সি দিছে। তাৰ নাম নাৰায়ণ শীল। এতিয়া সি নিজে চলচ্চিত্ৰ পৰিচালনা কৰিবলৈ লৈছে। এতিয়াও মই তাক তই বুলিয়েই সম্বোধন কৰোঁ।

ক্লাব ঘৰটোত ছে'ট নিৰ্মাণ কৰাৰ দায়িত্বত আছিল ফটিক বৰুৱা। পাছলৈ এওঁ কলানিৰ্দেশক হিচাপে অসমীয়া চলচ্চিত্ৰ জগতত নিজকে প্ৰতিষ্ঠা কৰিছে। ক্লাবঘৰত কাম কৰিবলৈ গৈ তেওঁ প্ৰথম দিনাই আঠফুটমান ওপৰৰ পৰা মাটিত বাগৰি পৰিল। তেওঁৰ হাত এখন ভাগি থাকিল। বৰ বিপদত পৰিছিলো। সাদিনমানৰ পাছত তেওঁ ডিঙিত ওলোমাই থোৱা হাতেৰেই কাম আৰম্ভ কৰিছিল।

ৰজনী মাষ্টৰৰ চৰিত্ৰটোৰ কাৰণে মই ভোলা কটকীক মনে-মনে বাছি থৈছিলো। কিন্তু সেই সময়ত কটকীয়ে সুৰদেৱী (ভ্ৰাম্যমাণ) থিয়েটাৰত অভিনয় কৰি আছিল। খবৰ লৈ গম পালো, ২১।১।৮০ তাৰিখৰ পৰা ধূপধৰাত সুৰদেৱী থিয়েটাৰে নাট মঞ্চস্থ কৰিব। ২১তাৰিখে সৰস্বতী-পূজা। ৰাজ্যৰ পৰিস্থিতিৰ কাৰণে গুৱাহাটীত সৰস্বতী-পূজাৰ

উমঘামেই নাই। মই দুপৰীয়া ধূপধৰা পালোগৈ। এডভান্স পাৰ্টিয়ে আহি পথাৰত পেণ্ডেলৰ কাম-বন আৰম্ভ কৰিছে; কিন্তু অভিনেতা-অভিনেত্ৰীসকল অহা নাই। পথাৰৰ কাষতে ৰৈ থাকিলো। এসময়ত অভিনেতা-অভিনেত্ৰীৰ বাছখন আহিল। মোক তাত দেখি কটকী আচৰিতেই হ'ল। ৰজনী মাষ্টৰৰ ভূমিকাত অভিনয় কৰাৰ কথাটো কওঁতে তেওঁ আনন্দিত হ'ল। কিন্তু মই যেতিয়া শ্বুটিং কৰিম, তেতিয়া ভ্ৰাম্যমাণ থিয়েটাৰ চলি থাকিব। তেওঁ যদি গুচি আহে, থিয়েটাৰৰ কি হ'ব? তেওঁ ক'লে—তাৰ ব্যৱস্থা এটা তেওঁ কৰিব, কিন্তু তেওঁ মোৰ তাৰিখমতেই মোক সহায় কৰিব। মই তেওঁৰ প্ৰতি কৃতজ্ঞ হ'লো।

উদাহৰণ ইমানতে এৰিলো। আগৰ কথালৈ উভতি যাওঁ। ৰেল-দপ্তৰৰ অব্যাহতি পত্ৰখন পোৱাৰ আগতেই মোৰ কাৰণে এটা নতুন কামৰ বাট মুকলি হৈছিল। পাঠশালাৰ আৱাহন থিয়েটাৰৰ মালিক কৃষ্ণ ৰয় এদিন T/29 নম্বৰ ঘৰত উপস্থিত হৈছিলহি। লগত 'বাণী প্ৰকাশ'ৰ স্বত্বাধিকাৰী ভাই-ককাইসকলৰ এজন—মোৰ ছাত্ৰসম জ্যোতিলাল চৌধুৰী। সেইবাৰ আৱাহন থিয়েটাৰে দ্বিতীয় বছৰৰ বাবে নাট্যাভিনয়ৰ প্ৰস্তুতি আৰম্ভ কৰিছে। তেওঁলোকে মোক এখন নাটকৰ বাবে অনুৰোধ কৰিলে। অনুৰোধ কৰিলে মানে জোৰকৈয়ে ধৰিলে। ইয়াৰ আগতেও দুই-এজন লোকে মোক ভ্ৰাম্যমাণ থিয়েটাৰৰ কাৰণে নাটকৰ কথা কৈছিল; কিন্তু মই কথাটো গুৰুত্ব দি বিচাৰ কৰা নাছিলো। ভ্ৰাম্যমাণ থিয়েটাৰ সম্পূৰ্ণ ব্যৱসায়ধৰ্মী প্ৰতিষ্ঠান বুলি মোৰ মনত এটা ধাৰণা সোমাই আছিল, আৰু মই তেনেকুৱা প্ৰতিষ্ঠানক সন্তুষ্ট কৰিব পৰা ধৰণৰ নাটক লিখিব নোৱাৰিম বুলি ধৰি লৈছিলো। কিন্তু আনহাতে এই প্ৰতিষ্ঠানসমূহৰ নাট মঞ্চস্থ কৰাৰ গোটেই ব্যৱস্থাটো যি প্ৰফেশ্যনেলিজম, —যি পেছাদাৰি কাৰ্যপন্থাৰ ওপৰত প্ৰতিষ্ঠিত হৈছিল, সেইটো মোৰ বাবে আকৰ্ষণীয় আছিল। সেইদিনা কৃষ্ণ ৰয়হঁতক কোনো প্ৰতিশ্ৰুতি নিদিয়াকৈ বিদায় দিছিলো। কিন্তু পাছত এটা কথা বাৰে-বাৰে মোৰ মনলৈ আহি আছিল। অভিনেতা-অভিনেত্ৰী, লাইট, ছাউণ্ড, সংগীত, মঞ্চ, প্ৰেক্ষাগৃহ,— সকলো সাজু,—মোক এওঁলোকে কেৱল নাটক এখনৰ কাৰণে অনুৰোধ কৰিছে। এনেকুৱা বা তেনেকুৱা নাটক লিখিবই লাগিব বুলিতো তেওঁলোকে কোৱা নাই! আৰু যদি মই এই কামটো কৰি তেওঁলোকক সহায় নকৰোঁ, তেনেহ'লে বাহিৰৰ পৰা ভ্ৰাম্যমাণ থিয়েটাৰৰ বিৰূপ সমালোচনা কৰাৰ মোৰ নৈতিক বল থাকিব নে?

পাছত যেতিয়া মোৰ সুহৃদ অম্বিকাপদ চৌধুৰী, গিৰিপদ চৌধুৰী আদিয়েও মোক আৱাহন থিয়েটাৰৰ হৈ অনুৰোধ কৰিলে, আৰু নাটক আৰু পৰিচালনাৰ ক্ষেত্ৰত মোৰ কামত কোনেও হস্তক্ষেপ নকৰে বুলি সংশ্লিষ্ট সকলোৰে পৰা জানিব পাৰিলো, তেতিয়া মই তেওঁলোকক নাটক এখন লিখি আৰু পৰিচালনা কৰি দিম বুলি কথা দিলো। তেতিয়া

জুন মাহৰ শেষ ভাগ। নতুন নাটক এখনৰ কাহিনীৰ কথা ভাবিবলৈ মোৰ সময় নাছিল। আকাশবাণীয়ে প্ৰচাৰ কৰা 'কোলাহল' নামৰ নাটক এখনৰ কাহিনীটো পূৰ্ণাংগ মঞ্চ নাটক এখনৰ কাৰণে উপযোগী হ'ব বুলি মোৰ ধাৰণা হৈছিল। গতিকে সেইখন নাটককে আধাৰ হিচাপে লৈ ভ্ৰাম্যমাণ থিয়েটাৰৰ কাৰণে মোৰ প্ৰথম নাটক 'ৰামধেনু' লিখি উলিয়ালো। কৃষ্ণ ৰয়ৰ লগত বন্দবস্ত হ'ল,—শনিবাৰে আবেলি তেওঁলোকে মোক ঘৰৰ পৰা পাঠশালালৈ লৈ যাব; তাত মই শনি আৰু দেওবাৰে ৰিহাৰ্ছেল কৰিম, আৰু সোমবাৰে পুৱা মোক তেওঁলোকে সময়মতে অফিছ পোৱাকৈ ঘৰত থৈ যাবহি লাগিব। সেই বন্দবস্ত মতে জুলাই মাহৰ প্ৰথম ভাগটো পাৰ হ'ল। তাৰ পাছত যেতিয়া ৰে'ল-দপ্তৰৰ অব্যাহতি-পত্ৰখন আহিল, তেতিয়া ৰামধেনুৰ পূৰ্ণ বিকাশ ঘটিল।

আছাম ট্ৰিবিউন নামৰ প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী শ্ৰী ৰাধা গোবিন্দ বৰুৱাৰ কনিষ্ঠ পুত্ৰ প্ৰদীপ বৰুৱাৰ লগত মোৰ সেই ভৰলুমুখত থকা দিনৰে পৰা চিনাকি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ প্ৰথম কিতাপখনৰ পৰা আৰম্ভ কৰি পাছৰ ভালেমান কিতাপ ট্ৰিবিউন প্ৰেছতে ছপা হৈছিল আৰু সেই কামত আমাৰ প্ৰত্যক্ষ যোগাযোগ আছিল প্ৰদীপ বৰুৱাৰ লগত। পাছলৈ চলচ্চিত্ৰ সংক্ৰান্ত কথাতো তেওঁৰ লগত মোৰ সম্পৰ্ক ঘনিষ্ঠ হৈছিল। ১৯৮১ চনৰ মে'-জুন মানতে এবাৰ তেওঁ মোৰ লগত এখন পষেকীয়া আলোচনী প্ৰকাশ কৰাৰ বিষয়ে কথা পাতিছিল। কথাটো পাছলৈ এক ধৰণৰ আলোচনাত পৰিণত হৈছিল। ভাষা, সাহিত্য, ছপা কাম,—এইবিলাকৰ লগত মোৰ এটা সম্পৰ্ক আছে; সেই কাৰণেই সেই আলোচনা। তেওঁ এখন আলোচনী প্ৰকাশ কৰিব, মই হয়তো দিহা-পৰামৰ্শ, লিখা-মেলাৰে সহায় কৰিম,—তেতিয়া মই কথা সিমানেই বুলি বিশ্বাস কৰিছিলো।

ৰে'ল-দপ্তৰৰ অব্যাহতি-পত্ৰখন অহাৰ পাছত, মই যেতিয়া মনে-মনে ল'ৰা-ছোৱালীৰ কাৰণে মাহে এখনকৈ কিতাপ লিখাৰ কথাটো গুৰুত্ব দি চিন্তা কৰিবলৈ লৈছোঁ, তেতিয়া এদিন প্ৰদীপ বৰুৱাই ফাইল এটা মোক ঘৰতে দি গ'ল। তেওঁ ইতিমধ্যে আলোচনীখনৰ বিষয়ে যিখিনি লিখা-মেলা কৰিছিল, ফাইলটোত সেই কাগজখিনি আছিল। তেওঁৰ কথাৰ পৰা যি বুজিলো, —মই আলোচনীখনৰ সম্পাদনা বিভাগটোৰ গুৰি ধৰিব লাগিব।

মোৰ জীৱনৰ এটা নতুন অধ্যায় আৰম্ভ হ'ল।

# এঘাৰ

এই নতুন অধ্যায়টোৰ লগত আমাৰ ঘৰ-মাটিৰো সম্পৰ্ক আছে। ১৯৬৯ চনত, মই গুৱাহাটী বিশ্ববিদ্যালযৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব হোৱাৰ কিছুদিনৰ পাছতে এদিন প্ৰীতিযে আমাৰ নিজা মাটি এডোখৰৰ কথা উলিয়াইছিল। কথাটোত মই গুৰুত্ব দিযা নাছিলো। মোৰ দ্বাৰা সেইবোৰ কাম হোৱাৰ আশা নাই বুলি ধেমালি কৰি কথাটো পাতলাই দিছিলো। কিন্তু ধেমালিৰ মাজেৰেই কথাটোৱে একধৰণৰ গঢ় এটা ল'লে। এদিন পাঠান হাজৰিকাই ক'লে,—আমাৰ নগাই মাটিৰ কাৰবাৰ কৰে; আপুনি তাৰ লগত কথা পাতক। নগা মানে নগেন হাজৰিকা। পাঠানৰ লগত মোৰ যেতিয়াৰে পৰা সম্পৰ্ক, তেতিয়াৰে পৰা নগা ককাইদেউক মাজে-মাজে দেখি আছিলো, আৰু পাঠানৰ মুখত তেখেতৰ বিষযে কিছুমান কাহিনী শুনিছিলো। বৰ বিস্ময আৰু আমোদজনক কাহিনী। ১৯৬৯ চনৰে কোনোবা এটা দিনত মই যোৰপুখুৰী অঞ্চলত থকা নগা ককাইদেউৰ ঘৰ ওলালোগৈ। তেখেতক ক'লো,—মই মাটি এডোখৰৰ কথা ভাবিছোঁ। পাঠানে আপোনাৰ ওচৰলৈ পঠাইছে। তেখেতে ক'লে,—এদিন ওলাবা মোৰ লগত। মাটি দেখুৱাম।

ওলালো এদিন। আমি গৈ গৈ পাঞ্জাবাৰীৰ এতিয়া য'ত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ হৈছে, সেইটো অঞ্চল পালোগৈ। ঘৰ-দুৱাৰ বিশেষ নাই; নিজান পথাৰ। জালুকবাৰীৰ পৰা সেইখিনি পাইছিলোগৈ কাৰণে বহু দূৰলৈ যোৱা যেন লাগিছিল। নগা ককাইদেউক ক'লো,— গুৱাহাটীৰ নামত ইয়াত মাটি কিনাতকৈ ক্ষেত্ৰী-জাগীৰোডতে কিনা ভাল, নাইবা নগাঁৱৰ মানুহ, নগাঁৱলৈকে উভতি যোৱা ভাল। তাৰ পাছত ককাইদেৱে মোক নি কোকাকোলা কোম্পানিৰ ওচৰ পোৱালেগৈ। এঠাইত গাড়ী ৰাখিবলৈ কৈ তেখেতে ক'লে,—এইখিনিতে মোৰ ঢেৰ মাটি আছে বুইছা। কোনখিনি মাটি জানো! এইযে জুপুৰিবিলাক দেখিছা, সেইবিলাকেই মোৰ মাটি হ'বলা। মই ক'লো— এই গোটেই টিলাটো আপোনাৰ হ'লেও, আৰু গোটেই টিলাটো মোক এনেয়ে দিলেও মই ইয়াত নাথাকোঁ।

পাছৰ দেওবাৰ এটাত ককাইদেৱে মোক বেলতলাৰ ফালে লৈ গ'ল। বশিষ্ঠাশ্ৰমলৈ যোৱা চিনাকি বাট; বাটটোৱেদি আহিয়েই মোৰ আগৰ সপ্তাহৰ যাত্ৰাটোতকৈ ভাল লাগিল। এঠাইত, ককাইদেউৰ হুকুমমতে খেজুৰ গছ এজোপাৰ ছাঁত গাড়ীখন ৰখালো। তেখেতে

ধানৰ পথাৰ এখনৰ এটা চুকলৈ দেখুৱাই ক'লে,—এইডোখৰেই তোমাৰ কাৰণে ভাল হ'ব বুইছা।

একাষে দেৱালে আগুৰা ঘৰ-দুৱাৰ। সেয়া ভাৰত চৰকাৰৰ ৱায়াৰলেছ ছেণ্টাৰ। তালৈ বিজুলীযোগানৰ তাঁৰ আৰু টেলিফোনৰ তাঁৰ গৈছে। অৰ্থাৎ ঠাইডোখৰ ইতিমধ্যে উন্নত হৈছেই। ৰাস্তাটোৰ সিপাৰে 'বেলতলাৰ ৰাণী'ৰ ঘৰ। সেইখন ঘৰৰ দুজন ককাই-ভাই যতীন্দ্ৰ নাৰায়াণ দেৱ আৰু দ্বিজেন্দ্ৰ নাৰায়ণ দেৱৰ লগত মোৰ ১৯৬১ চনতে চিনাকি হৈছিল। পাণবজাৰত তেখেতসকলে লক্ষ্মী প্ৰিণ্টিং প্ৰেছ নামে এটা ছপাশাল পাতিছিল। সেই ছপাশালৰ পৰা শ্ৰী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত 'নৱযুগ' নামেৰে সাদিনীয়া আলোচনী এখন উলিওৱাৰ আয়োজন কৰিছিল। সেই সময়তে এদিন কবি হীৰেন ভট্টাচাৰ্যই মোক দেৱ-ভ্ৰাতৃ দুজনৰ ওচৰলৈ লৈ গৈছিল। সেইদিনাই বন্দবস্ত হৈছিল,— মই 'প্ৰহৰী' ছদ্মনামেৰে নৱযুগত 'দৃষ্টিপাত' নামৰ শিতান এটাত নিয়মীয়কৈ লিখিম। চাৰিটা সংখ্যা প্ৰকাশ হোৱাৰ পাছত শ্ৰী যতীন্দ্ৰ নাৰায়ণ দেৱে মোক মাননি বা পাৰিশ্ৰমিক হিচাপে, এমাহৰ বাবে, দুশ টকা দিছিল। মই হতবাক হৈছিলো। মই বিশ্ববিদ্যালয়ৰ মূল চাকৰিটো কৰি পাওঁ মাহে চাৰিশ টকা। কিন্তু সৰু-সৰু চাৰিটা প্ৰবন্ধ লিখিয়েই মাহে দুশ টকা? মোৰ কাৰণে সেইটো পৰিমাণ অভাৱনীয় আছিল।

নগা ককাইদেউক ক'লো,—এইডোখৰ মাটি মোৰ পছন্দ হৈছে। সেই খেজুৰ গছৰ তলতে দাম-দৰো ঠিক হ'ল। পাঁচ কঠা চাৰি লেচা মাটি;— চাৰি লেচা ৰাস্তাতে সোমাব; বাকী পাঁচ কঠাৰ দাম দহ হাজাৰ টকা। পাছৰ দেওবাৰে নগা ককাইদেউক মই ঘৰতে দুশ টকা এডভান্স দি আহিলোগৈ। পইচাৰ কাৰণে ককাইদেৱে মোক কেতিয়াও জোৰকৈ, মই অসুবিধাত পৰাকৈ, তাগিদা দিয়া নাছিল। ড. প্ৰফুল্ল দত্ত গোস্বামী ছাৰৰ লগত নগা ককাইদেউৰ যোগাযোগ আছিল। কেতিয়াবা ছাৰে এডোখৰ সৰু কাগজ আনি মোক পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ অফিছতে দিয়েহি। কাগজখনত নগা ককাইদেৱে লিখা— "ভবেন, চাবাচোন"— এই জাতীয় দুই-তিনিটামান শব্দ থাকে। যিমান সোনকালে পাৰোঁ মই তেখেতক কেইশমান টকা দি আহোঁগৈ। এনেকৈয়ে, কেতিয়াবা তেখেতৰ সাংকেতিক চিঠিৰ উত্তৰত, আৰু বেছি ভাগ সময়তে মই উপযাচি দি দি প্ৰায় তিনি বছৰত মাটিৰ দাম পৰিশোধ কৰিছিলো।

নগাঁৱৰ মানুহ, গুৱাহাটীত মাটি কিনিলো; মানে মই এইখন নগৰতে থাকি যোৱাৰ সম্ভাৱনাই দেখা দিলে, —এইটো মোৰ জীৱনৰ কাৰণে উল্লেখযোগ্য ঘটনা। গতিকেই মই এই ঘটনাটোৰ বৰ্ণনা দিবই লাগিব। কিন্তু ঘটনাটো মোৰ কাৰণে উল্লেখযোগ্য হোৱাৰ আৰু এটা কাৰণ হ'ল,—এই নগেন হাজৰিকা নামৰ মানুহজনৰ লগত,—মাটিখিনিৰ জৰিয়তে,—মোৰ লগত ঘটা সম্পৰ্কটো। মই জীৱনত যিকেইজন বিশেষ ধৰণৰ

আমোদজনক মানুহৰ সান্নিধ্যলৈ আহিছিলো, তেওঁলোকৰ ভিতৰত নগা ককাইদেৱো এজন। অসম জাতীয়তাবাদী দলৰ সভাপতি হিচাপে কিছুদিন কাৰ্যনিৰ্বাহ কৰা এইজন মানুহৰ কিতাপ পঢ়া, প্ৰবন্ধ লিখা, মাটিৰ ব্যৱসায় কৰা, কথা কোৱা, —সকলোতে মই এবিধ বিশেষত্ব লক্ষ্য কৰিছিলো। মই যাওঁ মাটিৰ পইচা দিবলৈ; গৈ দেখোঁ—তেখেতে বাচন এটাত কাজু-বাদাম এসোপা লৈ সেইবোৰ চাফা কৰি আছে; পাছবেলা তেখেতৰ ঘৰত সাহিত্যৰ আলোচনাচক্ৰ বহিব; সমাগতসকলৰ কাৰণে সেই কাজু-বাদামেৰে খাদ্য প্ৰস্তুত ক ৰা হ'ব। হাতেৰে কাজু-বাদাম চাফা কৰি-কৰি তেখেতে মোৰ আগত আকবৰ-নামাৰ পৰা আৰম্ভ কৰি একালৰ প্ৰাগজ্যোতিষপুৰ, আৰু বৰ্তমানৰ গুৱাহাটীৰ অমিতাৰ আকাৰলৈকে চাৰিটামান বিষয়ৰ বক্তব্য প্ৰকাশ কৰে। এদিন পল্টনবজাৰত থকা মূল ঘৰত তেখেতসকলৰ দেউতাক গোলাপ হাজৰিকা ঢুকাল। মাত লগাবলৈ গৈ দেখোঁ,—নগা ককাইদেউ যোৰপুখুৰীৰ ভাৰাঘৰতে সদায় থকাৰ নিচিনাকৈ বহি আছে। সুধিলো,—তালৈ যোৱা নাই ? ককাইদেৱে ক'লে,—গৈছিলো। শ্ৰাদ্ধৰ সময়ত মই চুলি কটা-নকটা লৈ তৰ্ক চলি আছে। চুলি কাটিব লাগিলে মই আৰু নাহোঁ বুলি কৈ গুচি আহিছোঁ। অসমীয়া ভাষাত সুদীৰ্ঘকাল ধৰি লিখা-মেলা নকৰা মানুহে কোৱা এষাৰ কথা নগা ককাইদেউৰ মুখত মই প্ৰথম শুনিছিলো। তেখেতে কৈছিল,—বুজিছা ভবেন, মোৰ জীৱনত এনেকুৱা এটা পিৰিয়ড গৈছে, —বাটৰ কাষৰ ছাইনব'ৰ্ডত অসমীয়া আখৰ নথকা হ'লে মই অসমীয়া আখৰেই পাহৰি গ'লোহেঁতেন।

মুঠতে, পাঠান হাজৰিকাৰ ক্ষেত্ৰত যি কৈছিলো, নগা ককাইদেউৰ ক্ষেত্ৰতো সেই ধৰণৰ কথা এষাৰকে ক'ব পাৰোঁ ঃ সময়-সুবিধা-অনুমতি পোৱা হ'লে এইজন মানুহকো কিছুমান মনোজ্ঞ কাহিনীৰ উৎস হিচাপে ব্যৱহাৰ কৰিব পাৰিলোহেঁতেন।

ঘৰ-মাটিৰ কথালৈ আহোঁ। ১৯৭২-৭৩ চনৰ কথা। অসমৰ ৰাজধানী দিছপুৰলৈ অনাৰ আয়োজন চলিছে। শিক্ষিত নিবনুৱা ডেকা কেইজনমানে গোট খাই ৰাজধানীৰ ঘৰ-সজা কামৰ ঠিকা লোৱাৰ বাবে এটা সংস্থা খুলিছে আৰু কাম আৰম্ভ কৰিছে। সেই সংস্থাৰ সভাপতি আছিল প্ৰফুল্ল মহন্ত। তেওঁ এসময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ-সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদক আছিল, আৰু মই তেওঁৰ তত্ত্বাৱধায়ক আছিলো। এদিন তেওঁক নিৰ্মীয়মাণ ৰাজধানীৰ চৌহদত লগ পাই ক'লো,—তুমিতো ঘৰ সজা, ভেটি বন্ধা ইত্যাদি কামতে ব্যস্ত হৈ আছা। সৌখিনিতে মোৰ মাটি অলপমান আছে; মাটিখিনি দখল কৰাৰ চিন হিচাপে তাতে তুমি দহ ঠাইত দহ ট্ৰাক মাটি পেলাই দিব পাৰিবানে ? প্ৰফুল্লই দুদিনমানৰ ভিতৰতে কামটো কৰি দিলে। একো ট্ৰাক মাটিৰ দাম পৰিছিল ন টকাকৈ। মাটিৰ সীমাটো ঠিক কৰি ল'বলৈ বুলি এদিন ৰাতিপুৱাই গণেশগুৰিৰ শ্ৰী ভৃগু মণ্ডলৰ ঘৰত উপস্থিত হৈছিলোহি। এটা খালৰ ওপৰত পাৰি থোৱা ঠেক তক্তা

এখনৰ ওপৰেদি সাৱধানে খোজ কাঢ়ি তেখেতৰ ঘৰৰ দুৱাৰমুখত থিয় হৈছিলো। এজনী শকত-আৱত গাভৰু ছোৱালীয়ে মোক মাত দিছিল, আৰু অলপ পাছতে পিন্ধি থকা চুৰিয়াখনৰ ইটো মূৰ গাত মেৰিয়াই লোৱা ভৃগু মণ্ডলে দাঁতোন মাৰি-মাৰি ভিতৰৰ পৰা ওলাই আহিছিল। এই দৃশ্যটোৰ কথা উল্লেখ কৰাৰ কাৰণ হ'ল,—আজিকালি ভৃগু মার্কেট নামৰ ছাইনব'ৰ্ড লগোৱা, ব্যৱসায়ী-গ্ৰাহকেৰে ঠাহ খোৱা ঘৰটোৰ সন্মুখত থিয় হৈ, কোনখিনিত সেই খালটো আৰু তক্তাখন আছিল, মই কোনোমতেই ঠিক কৰিব নোৱাৰোঁ। অথচ সেই অঞ্চলৰ জনসমুদ্ৰ আৰু কোলাহলৰ মাজত সোমালে সেইটো দৃশ্যই প্ৰায়েই মোৰ চকুৰ আগলৈ ভাহি আহে।

১৯৭৬ চনৰ শেষৰ ফালে খানাপাৰা অঞ্চলৰ জৱাহৰ নগৰত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশন বহিছিল। সন্ধ্যাৰাগৰ শ্বুটিঙত লাগি থাকোঁতে সেই অধিবেশনখন কেনি আহিল, কেনি গ'ল খবৰেই ৰাখিব পৰা নাছিলো। অধিবেশন শেষ হোৱাৰ পাছত এদিন সময় পাই জৱাহৰনগৰ অঞ্চলটো চাবলৈ আহিলো। ঘূৰি-পকি আমাৰ মাটিডোখৰৰ ফালে আহি দেখোঁ— বশিষ্ঠাশ্ৰমলৈ যোৱা ঠেক ৰাস্তাটো বহল ৰাজপথ হৈছে। খেজুৰ গছজোপা কোনখিনিত আছিল ধৰিবৰ উপায় নাই: আমাৰ মাটিডোখৰ ৰাজপথৰ কাষ চাপিল।

আৰম্ভ কৰিলে এদিন, —শেষ নহ'লেও,—মূৰটো সুমুৱাব পৰা কিবা এটা হ'বই হ'ব,— এই সূত্ৰৰ ওপৰত ভাৰসা কৰি ১৯৮১ চনৰ এপ্ৰিল মাহত ঘৰ সজোৱাৰ কাম আৰম্ভ কৰিলো। জুলাই মাহত যেতিয়া ভাৰতৰ ৰে'ল বিভাগৰ পৰা অব্যাহতিপত্ৰখন পালো, তেতিয়া মিস্ত্ৰিহঁতৰ ঠিকাদাৰ ইছাহকক ক'লো,—অক্টোবৰ মাহৰ ভিতৰত ঘৰটো থাকিব পৰা কৰি দিয়া। কথাটো কোৱাৰ কাৰণ আছিল T/29 নম্বৰ বঙলাত মই নৱেম্বৰ মাহলৈকেহে থাকিব পাৰিম বুলি খবৰ পাইছিলো।

এঘাৰ অক্টোবৰৰ দিনা ঘৰ ল'লো। আমাৰ নিচিনা মানুহৰ ঘৰনো কেতিয়াবা সম্পূৰ্ণ হয়নে? আজিও হোৱা নাই। এফালে সম্পূৰ্ণ কৰিলো বুলি ভাবোঁতে আইনফালে 'ৰিপেয়াৰ' কৰাৰ কাম ওলায়। কিন্তু, সেই এঘাৰ অক্টোবৰ তাৰিখে যেতিয়া ঘৰটোত সোমাইছিলো, তেতিয়া সেইটো মোটামুটিভাৱে অসুবিধা নোহোৱাকৈ থাকিব পৰা ঘৰ হৈ ওলাইছিল। ঘৰ সজা প্ৰক্ৰিয়াটো সম্পৰ্কে, এই প্ৰক্ৰিয়াৰ লগত সম্পৰ্ক ঘটা সকলোৰে বিচিত্ৰ অভিজ্ঞতা আছে;—সেই সম্পৰ্কে মই ইয়াত বৰ্ণনা দিয়াৰ প্ৰয়োজন নাই; কিন্তু আমাৰ প্ৰক্ৰিয়াটোত ওতপ্ৰোতভাৱে জড়িত চান মহম্মদ নামৰ মানুহ এজনৰ কথা এটা কৈ থ'বলৈ লোভ লাগিছে। কথাটোৱে গণেশগুৰিৰ ভৃগু মণ্ডলৰ তক্তাখনৰ নিচিনাকৈ এই বেলতলা অঞ্চলটোৰ ইতিহাসৰো এটা আভাস দিব। চান মহম্মদ জালুকবাৰীৰ ওচৰৰে মানুহ। ঘৰে-ঘৰে হাজিৰা কৰি ফুৰা এই মানুহজন আমাৰ প্ৰায় ঘৰুৱা মানুহৰ নিচিনাই হৈ পৰিছিল। পাঠ্যপুথি

প্ৰস্তুতি সমন্বয় সমিতিৰ বাৰাণ্ডাখন বাঁহৰ চিলিঙিৰে বেৰি দিয়াৰ কামটোও এৱেঁই কৰিছিল। কিন্তু মাজে-মাজে মানুহজন কিছুদিনৰ কাৰণে অদৃশ্য হৈছিল। সেইখিনি দিন তেওঁ বেলতলাৰ এডোখৰ মাটিত খেতি কৰিছিল। খেতিৰ দিনত বেলতলাত , বাকীখিনি দিনত জালুকবাৰীত। এদিন তেওঁ আনন্দমনেৰে আমাক ক'লেহি,—তেওঁ তিনি হাজাৰ টকা পালে। তিনি হাজাৰ? ক'ত পালা? যিডোখৰ মাটিত তেওঁ খেতি কৰিছিল, সেই মাটিৰ মালিকে দিলে। মালিকে তেওঁক কৈছিল,—তুমি এবিঘা মাটি লোৱা, নাইবা তিনি হাজাৰ টকা লোৱা, কিন্তু খেতি এৰি দিয়া। চান মহম্মদে তিনি হাজাৰ টকা লৈ, সেই বছৰৰ পৰা খেতি নকৰোঁ বুলি মাটি এৰি দি ঘৰলৈ উভতিল। নতুন কাপোৰ-কানি লৈ, জোঁৱাযেকক দোকানত খটুৱাবলৈ কিছু টকা দি, বাকীখিনিৰে চান মহম্মদে কিছুদিন সুখে-সন্তোষে খাই-বৈ থাকিল। এদিন পইচাখিনি শেষ হ'ল। আমাৰ ঘৰটো সজাবৰ সময়ত আমি চান মহম্মদক চকীদাৰ হিচাপে নিয়োগ কৰিছিলো। এদিন তেওঁ ক'লে,—আমাৰ মাটিডোখৰৰ অলপ দূৰতে এসময়ত তেওঁ খেতি কৰা মাটিখিনি আছিল। কোনখিনিত? চলচ্চিত্ৰ পৰিচালক ভবেন দাসৰ ঘৰটো যে, —তাৰ লগতে। এইখিনি ঠাইৰ এবিঘা মাটি তুমি এৰি দিছিলা? --"কি কৰিব আৰু। তেতিয়া ভাবিবলৈকে নহ'ল"—বুলি চান মহম্মদে অনুতাপ কৰিছিল।

আজিকালি সেইবিঘা মাটিৰ দাম পোন্ধৰ লাখ টকা।

তামোল, মাধুৰিআম, শিলিখা, বকুল, কামিনী আদিৰ পুলি ৰুই, চৌহদটোক বাৰী এখনৰ চেহেৰা এটা দি এদিন চান মহম্মদ গ'লগৈ। পাছৰ বছৰৰ বাৰিষাত প্ৰায়বোৰ গছ মৰি থাকিল। পানীয়ে মাৰিলে। এসময়ত ধানখেতি কৰা মাটি। পঞ্চাছ ট্ৰাকমান মাটি পেলাই ল'ব লাগিছিল। নোৱাৰিলো। প্ৰফুল্ল মহন্তৰ নটকীয়া ট্ৰাকৰ দিন কেতিয়াবাই উকলিছিল। পাছৰ বছৰত ভাবিলো,— চৌহদটোতে পুখুৰী, —মানে খাল এটা খন্দাওঁ; তাৰ মাটিৰে বাকীডোখৰ ঠাই ওখ কৰি লওঁ। মোৰ কাৰণে নতুন ধৰণৰ ঘটনা এটাৰ কথা ক'বলৈহে এই খালটোৰ কথালৈ আহিছোঁ। খাল খন্দাই বাৰীখনৰ মাটি অলপ ওখ কৰালো। জালুকবাৰীত থাকোঁতে আমাৰ ঘৰুৱা হৈ পৰা বিপিন নামৰ ল'ৰা এটাই দুকুৰিমান ভকুৱা মাছৰ পোনা আনি খালটোৰ পানীত মেলি দিলে। ভালেমান দিনৰ পাছত এদিন আবেলি মাছ-পোৱালিবিলাকে দুটা ভাগত বিভক্ত হৈ পানীৰ উপৰিভাগত ঘূৰি ফুৰা দেখি বৰ পুলকিত হ'লো। কিছুদিনলৈ আবেলি-আবেলি সিহঁতক চোৱা আৰু খাবলৈ দিয়াটোৱেই আমাৰ আনন্দৰ কামত পৰিণত হ'ল। পিছে কিয় ক'ব নোৱাৰোঁ, এসময়ত মাছবোৰক একেবাৰে নেদেখা হ'লো । খালটোৰ গৰাত ইতিমধ্যে ঢোৰাসাপৰ গাঁতে দেখা দিছিল। ভাবিলো,—সাপেই মাছবোৰ খালে হ'বলা। লাহে-লাহে সাপৰ গাঁতৰ সংখ্যা সৰহ হৈ আহিল, আৰু আমি মাছৰ কথা পাহৰি গ'লো। খালটোৰ পাৰতে এজোপা

বুঢ়া খেজুৰ গছ আছিল। গুটি নালাগে, এনেয়ে ঠাই আবৰি আছে; গতিকে এদিন গছজোপা কটাই পেলোৱাৰ ব্যবস্থা কৰিলো। কাটোঁতেগছজোপা খালটোৰ পানীতে পৰিল। উপায় নাছিল। বনুৱা দুটাই পাছবেলা টানি-আঁজুৰি গছজোপা পাৰলৈ তুলিলে; কিন্তু ইতিমধ্যে খালটোৰ পানীবোৰ ক'লা হৈ গ'ল। খেজুৰ পাত বা গছ ডুবি থাকিলে পানী ইমান ক'লা হয়,—এইটো কথা আমি জনা নাছিলো। তাতোকৈ আচৰিত ঘটনা,—গছজোপা তুলি নিযাৰ পাছতে আঠ ইঞ্চিমান্ দীঘল-দীঘল প্ৰায় দুকুৰি ভকুৱা মাছে পানীৰ উপৰি ভাগলৈ আহি কাপ-কাপ কৰিবলৈ ধৰিলে। অলপ পাছতে দুই-এটাই ঢেলপোঙাও দিলে। যেতিয়া মাছবোৰ মৰিব বুলি নিশ্চিত হ'লো, তেতিয়া ওচৰৰে নগা হাজৰিকা ককাইদেউৰ ঘৰৰ পৰা জাল এখন অনাই মাছবোৰ তোলাই পেলালো। হিচাপ কৰি দেখিলো,— এটা মাছো সাপে খোৱা নাছিল। খেজুৰ গছৰ বস মাছৰ শত্ৰু,—সেইদিনা পোনপটীয়াকৈ এই জ্ঞান লাভ কৰিলো। (অভিধানত যিটো শব্দ ঢেল-ওপঙা বুলি দিযা আছে, সেইটোক আমি সৰুৰে পৰা ঢেলপোঙা বুলি কৈ আহিছোঁ।)

নগাঁৱৰ 'নিজৰ ঘৰ'ত কটোৱা দিনখিনিত বাৰীখনৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছিলতো —সেইকাৰণে, জীৱনত যেতিয়া আকৌ 'নিজৰ ঘৰ' এখনৰ কথালৈ আহিলো,—তেতিয়া বাৰীখনৰ কথাই বেছিকৈ মনলৈ আহিল। সেইকাৰণে এই তুচ্ছ যেন লগা কথাবোৰো লিখি এক ধৰণৰ আনন্দ পাইছোঁ। তথাপি,—ইমানতে এৰিলো। আৰু এটা কথা। জীৱন-বৃত্ত সামৰিব খুজিছোঁ। আমনি লাগিছে। আৰু যেতিয়াই সামৰাৰ কথা মনলৈ আহিছে, তেতিয়াই মোৰ মনৰ অ'ত-অ'ত নিয়ৰৰ নিচিনাকৈ লাগি থকা সৰু-সৰু কথাবোৰে তিৰবিৰাই উঠাৰ প্ৰবৃত্তি এটাই গা কৰি উঠিছে।

নিজৰ মাটিত, নিজৰ ঘৰত, মোৰ কামৰ কেন্দ্ৰবিন্দু হ'ল প্ৰান্তিক। গতিকে প্ৰান্তিকৰ কথালৈ আহোঁ। আলোচনীখনৰ যেতিয়া নাম এটা ঠিক কৰিবলগীয়া হ'ল, তেতিয়া বিভিন্ন দিশৰ পৰা চিন্তা কৰাৰ উপৰিও, মই এখন অভিধানৰ পাত লুটিয়াবলৈ লৈছিলো। সেই অভিধানখনৰ শেষৰ খালী পাতটো আৰু বেটুপাতৰ তৃতীয় পৃষ্ঠাত কাঠ পেনছিলেৰে ভালেমান নাম লিখা আছেঃ পথিকৃৎ, পৰিক্ৰমা, পূৰ্বাশা, পূৰ্বশ্ৰী, সুদৰ্শন, বৰ্তমান, প্ৰজ্ঞান, অভিজ্ঞান, প্ৰতিভূ, প্ৰান্তিক, বিবৰ্তন, বীক্ষণ, প্ৰাংগণ, চিন্তন, কল্যাণ, জনপদ, নন্দন, তৰংগ, সুপ্ৰভাত, সংহিতা ইত্যাদি। নামবিলাকৰ মাজত তাৰিখ এটা লিখা আছেঃ ২৪।৮।৮১। প্ৰদীপ বৰুৱাই প্ৰান্তিক নামটো পছন্দ কৰিছিল। পত্ৰালাপৰ পৰা শেষপৃষ্ঠালৈকে কি-কি থাকিব, সেই সকলো শিতান সামৰি এটা আৰ্হি প্ৰস্তুত কৰাটো আছিল মোৰ দ্বিতীয় কাম। প্ৰদীপ বৰুৱাই এটা কথা মোক পৰিষ্কাৰকৈ কৈছিল,— ছপোৱা, বন্ধোৱা, বিতৰণ কৰা. প্ৰশাসন চলোৱা,—এই সকলো তেওঁৰ কাম; আৰু যিখিনি ছপা হয়, সেইখিনিৰ শুদ্ধতাৰ প্ৰতি লক্ষ্য ৰখাটো মোৰ কাম। প্ৰশাসনিক আৰু আইনগত কিছুমান কথাৰ দায়িত্ব থাকে

সম্পাদকৰ ওপৰত। প্ৰদীপে মোক সেইবোৰৰ পৰা আঁতৰাই ৰাখিলে। তেওঁ নিজে হ'ল সম্পাদক, আৰু মোক পাতিলে মুখ্য সম্পাদক। প্ৰান্তিকৰ জন্মৰে পৰাই যে প্ৰদীপ বৰুৱা আলোচনীখনৰ সম্পাদক, সেই কথাটো বহু পাঠক-পাঠিকাই বহু দিনলৈ মন কৰা নাছিল। পৃষ্ঠাটোৰ তলৰ ভাগত সৰু আখৰেৰে প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত বুলি ছপা কৰাৰ কাৰণেই এই ঘটনাটো ঘটিবলৈ পাইছিল। কিন্তু লেখাবোৰ সম্পাদন কৰাৰ বাহিৰেও, এখন আলোচনীক নিৰ্বিঘ্নে, স্বাস্থ্যবান ৰূপত জীয়াই ৰাখিবলৈ বহু কঠিন কাম সম্পন্ন কৰিব লাগে। প্ৰদীপ বৰুৱাই সেই কাম, প্ৰায় অকলে, এটা মগজেৰে সুচাৰুৰূপে সম্পন্ন কৰিছিল, আৰু কৰি আছে।

প্ৰদীপ বৰুৱাই মোক যি দায়িত্বই নিদিয়ক, মই মোৰ দায়িত্ব আৰু কৰ্মপন্থা সম্পৰ্কে এটা পৰিষ্কাৰ ধাৰণা লৈ কাম আৰম্ভ কৰিছিলো। আলোচনীখনৰ ভাষা, বানান যিমান বেছি সম্ভৱ শুদ্ধ হ'ব লাগিব; আলোচনীখন এটা স্তৰৰ ওপৰৰ মানসম্পন্ন হ'ব লাগিব; ই সামগ্ৰিকভাৱে অসমীয়া জাতিটোৰ প্ৰতি উপকাৰী সেৱা আগবঢ়াব লাগিব, আৰু আৰ্থিক দিশত ই সংশ্লিষ্ট আটাইকেইটা পৰিয়ালক নিৰ্বিঘ্নে পোহপাল দি নিজে সবল-সুস্থ হৈ থিয় হৈ থাকিব পাৰিব লাগিব।

মই যে মোৰ জীৱনৰ সেইছোৱা সময়ত এখন আলোচনীৰ সম্পাদনাৰ কাম হাতত ল'বলৈ পালো, তাৰ বাবে মই সুখী আছিলো। সময়খিনি মোৰ কাৰণে আৰু সেই কামটোৰ কাৰণে উপযোগী আছিল। সেই যে ১৯৫৬ চনত 'অৰুণাচল' সম্পাদনাৰ কামৰ লগত জড়িত হৈছিলো,— তেনেকুৱা কামক প্ৰকৃতাৰ্থত সম্পাদনাৰ কাম বুলি অন্ততঃ এতিয়া মই নকওঁ। প্ৰায় ত্ৰিছ বছৰ কাল লিখা-মেলা, পঢ়া-শুনাৰ লগত জড়িত থকাৰ পাছত, বিশেষকৈ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব হিচাপে বিভিন্ন বিষয়ৰ কিতাপৰ পাণ্ডুলিপিৰ লগত সুদীৰ্ঘ কাল কটোৱাৰ পাছত, অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি শ্ৰদ্ধাশীল হ'বলৈ শিকাৰ পাছত, এখন অসমীয়া পবেকীয়া আলোচনীত ছপা হ'বলগীয়া কথাখিনিৰ দায়িত্ব লোৱাটো মোৰ কাৰণে বলে পৰা 'কৰ্তব্য' হৈ উঠিছিল। এই কৰ্তব্য মই কেনেকৈ পালন কৰিছিলো, তাৰ সবিশেষ বৰ্ণনাৰ যদি কেতিয়াবা প্ৰয়োজন হয়, তেনেহ'লে সেই কাম প্ৰদীপ বৰুৱা, সমুদ্ৰগুপ্ত কাশ্যপ, ইমৰান হুছেইন, ৰবীন বৰুৱাৰ পৰা আৰম্ভ কৰি ফটোটাইপ ছেটিংছ কোঠালিৰ খগেন্দ্ৰ চহৰীয়ালৈকে সকলোৱে মিলিজুলি কৰিব পাৰিব। প্ৰান্তিকৰ লগত কটোৱা এই যোলটা বছৰৰ কথা মই এতিয়া এটা পাততে চমুৱাই থ'ব খোজোঁ। ১৯৮৩ চনৰ পাছৰ পৰা মোৰ ডায়েৰিবোৰ অলপ চিজিল লগাই থোৱা আছে। সেইবোৰ তেনেকৈয়ে থাকি গ'লে মোৰ বেয়া লাগিব। সেইবোৰৰ,— মোৰ মানত প্ৰয়োজনীয় যেন লগা কিছু কথা,—মই অইন এখন কিতাপৰ আকাৰত প্ৰকাশ কৰাৰ কথা ভাবিছোঁ। যিহেতু সেইবোৰ দিনপঞ্জী, গতিকে অকল প্ৰান্তিক সম্পৰ্কীয় কিয়,

১৯৮৩ চনৰ পাছৰ মোৰ দিনবোৰৰ বহু কথা সেইবোৰৰ পৰা জনা যাব। সেই আশাৰেই এই জীৱন-বৃত্ত সামৰাৰ আয়োজন কৰিছোঁ। কিন্তু প্ৰান্তিকে উনবিংশ বছৰটোত ভৰি দিয়াৰ দিনলৈকে,—এইখিনি দিনৰ মোৰ কামৰ অতি সংক্ষিপ্ত বৰ্ণনাৰে মই এতিয়া এই জীৱন-বৃত্তক স্বয়ংসম্পূৰ্ণ কৰাৰ চেষ্টা কৰোঁ। প্ৰান্তিকত প্ৰকাশিত লেখাসমূহৰ মান, ভাষা, বানান, তথ্য-পাতি আদিৰ শুদ্ধতাক মই মোৰ ব্যক্তিগত মান-সন্মানৰ নিৰ্ণায়ক বুলি জ্ঞান কৰিছিলো। আৰম্ভণিৰ কেইমাহমানৰ বাহিৰে পাছলৈ কবিতা মই নিৰ্বাচন নকৰিছিলো; কিন্তু মোলৈ অহা নিৰ্বাচিত কবিতাৰ লগতে, আলোচনীখনৰ প্ৰথম পৃষ্ঠাৰ পৰা শেষ পৃষ্ঠালৈকে, সমগ্ৰ গদ্য, মই মোৰ নিজৰ নামটো যিমান শুদ্ধকৈ ছপা হোৱাটো বিচাৰোঁ, সিমান শুদ্ধকৈ ছপা হোৱাটো বিচাৰিছিলো, আৰু প্ৰত্যেকটো ভুলৰ দায়িত্ব নিজে লৈ নিৰৱে মনোকষ্ট হজম কৰিছিলো। বহু অসমীয়া শব্দৰ বিষয়ে আলোচনা কৰিবলগীয়া আৰু সিদ্ধান্ত ল'বলগীয়া আছে; কিন্তু যেতিয়ালৈকে সেইবোৰ সিদ্ধান্ত আমাৰ আগলৈ নাহে, তেতিয়ালৈকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সিদ্ধান্তসমূহকে, সেই একে দৃষ্টিভংগীৰেই প্ৰান্তিকত প্ৰয়োগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলো। সুদীৰ্ঘ কালৰ প্ৰায়োগিক অভিজ্ঞতাৰ ভেটিত কিছুমান শব্দৰ ৰূপ ভাবি-চিন্তি সলনি কৰি লৈছিলো; কিন্তু মূল নিয়মবোৰ মানি চলাৰ শৃংখলাটোক সদায় গুৰুত্ব দিছিলো। মই একে সময়তে কেইবাটাও কামত লাগি থকা মানুহ; কিন্তু মোৰ কাৰণে যাতে প্ৰান্তিকৰ এটা সংখ্যাৰ বেলিকাও অসুবিধা নহয়, সেইটোলৈ লক্ষ্য কৰাৰ দায়িত্ব মই মোৰ নিজৰ কান্ধত লৈছিলো। মৰিগাঁৱত অগ্নিস্নানৰ শ্যুটিং কৰোঁ, পাঠশালাত নাটকৰ আখৰা কৰোঁ, ফ্ৰান্সৰ চলচ্চিত্ৰ মহোৎসৱলৈ যাওঁ,—য'লৈকে নাযাওঁ, যিহকে নকৰোঁ,— মই চাই দিয়াৰ পাছত কোনটো লেখা কেই তাৰিখে প্ৰান্তিকৰ অফিছত পৰিব লাগিব, সেইটো হিচাপত ভুল সাধাৰণতে নকৰিছিলো। প্ৰান্তিকৰ ফাইল লগত নিনিয়াকৈ গুৱাহাটীৰ বাহিৰলৈ মই নগৈছিলো। এবাৰ সমুখৰ পষেকটোৰ কাৰণে চাবলগীয়া নিৰ্বাচিত লেখাবোৰৰ ফাইলটো লৈ বাংগালোৰলৈ গ'লো; কিন্তু সেইখিনি পোৱাৰ পাছত মনত পৰিল, —'অহা সংখ্যাত' শিতানৰ কথাখিনি লিখি দি নগ'লো। দোকমোকালিতে ফাইল মেলি, 'অহা সংখ্যাত' লিখি, টেলিফোনত ডাঙৰ ৰশ্মিক কথাখিনিৰ শ্ৰুতলিপি দিলো। (প্ৰদীপ বৰুৱা-মায়া বৰুৱাৰ ছোৱালীজনীৰ নাম ৰশ্মি, আমাৰ দ্বিতীয়জনী ছোৱালীৰ নামো ৰশ্মি; গতিকে প্ৰদীপহঁতৰ ছোৱালীজনী আমাৰ কাৰণে ডাঙৰ ৰশ্মি। এওঁ মোৰ 'কালসন্ধ্যা' নামৰ হিন্দী চলচ্চিত্ৰখনত সহকাৰী পৰিচালক হিচাপে কাম কৰিছিল।) পাছলৈ যেতিয়া মই নিজে গাড়ী চলাব নলগীয়া হ'ল, তেতিয়া গাড়ীত মই প্ৰায়েই এটা ফাইল থৈছিলো। তাত প্ৰদীপে মোলৈ পঠিয়াই দিয়া গল্পবোৰ আছিল। গাড়ীত গৈ থকা সময়ত প্ৰান্তিকলৈ অহা গল্পবোৰ পঢ়াটো মই এটা নিয়মত পৰিণত কৰিবলৈ চেষ্টা কৰিছিলো। প্ৰতিটো গল্প

শেষলৈকে পঢ়িছিলো। কিছুমান গল্প কেইপৃষ্ঠামান পঢ়াৰ পাছতে গ্ৰহণযোগ্য নহয় বুলি ভবাৰ পাছতো শেষলৈকে পঢ়িছিলো। শেষৰ ফালে জানোচা গল্পটোৱে আমোদজনক ৰূপ এটা ধৰা পৰেই! প্ৰসংগক্ৰমে, প্ৰান্তিকৰ গল্পৰ শিতানটোৰ বাবে আমি নিৰৱে এটা গল্পলেখকৰ শিবিৰ পৰিচালনা কৰাৰ নিচিনাকৈ কাম কৰিছিলো। দুৰ্বলতা থকা, অথচ সম্ভাৱনাপূৰ্ণ একোটা গল্পক মোৰ নিজৰ জ্ঞান-বুদ্ধিৰে সালসলনি কৰি, প্ৰয়োজন হ'লে কেইশাৰীমান লিখি দি প্ৰান্তিকৰ পাতলৈ অনাটো মই মোৰ কৰ্তব্য বুলি জ্ঞান কৰিছিলো।

১৯৯৫ চনৰ শেষ ভাগৰ পৰা প্ৰদীপে বিশ্বপৰিক্ৰমা, ক্ৰীড়া আদি কেইটামান শিতানৰ লেখা সম্পাদনা কৰা কামৰ পৰা মোক ৰেহাই দিবলৈ আৰম্ভ কৰিলে। ইতিমধ্যে প্ৰকৃতি, শিক্ষা আদি নতুন শিতানৰ কাম বাঢ়িছিল। মোৰ অন্যান্য কামৰ লেঠাও বাঢ়িছিল। চৈধ্য বছৰ পূৰ হ'লে প্ৰান্তিকৰ পৰা অৱসৰ লম, পোন্ধৰ বছৰ পূৰ হ'লে অৱসৰ লম,—এই ধৰণৰ চিন্তা মাজে-মাজে মোৰ মনলৈ আহি আছিল; কিন্তু ঘটনাটো ঘটাব পৰা নাছিলো। পাছত, ১৯৯৭ চনৰ অক্টোবৰ মাহৰ চৌবিশ তাৰিখে, এটা অকল্পনীয় ঘটনাই মোৰ কাৰণে সেই ঘটনাটো অৱশ্যম্ভাৱী ৰূপত আগুৱাই আনিলে।

দুমাহমানৰ আগৰ পৰা মই পিঠিৰ বিষ এটা অনুভৱ কৰি আছিলো। প্ৰীতি সেই সময়ত আমেৰিকাত ছোৱালীহঁতৰ লগত আছিল। জিণ্টিৰ দ্বিতীয় সন্তান জন্মৰ সময়। মই তেওঁলোকক এই বিষয়ে একো কোৱা নাছিলো। সৰু কথা বুলি ভাবিছিলো, ডাক্তৰৰ লগত পৰামৰ্শ কৰিছিলো আৰু ডাক্তৰৰ বিধানমতে ব্যৱস্থা গ্ৰহণ কৰিছিলো। ডাক্তৰৰ মতে এইটো স্পণ্ডেলাইটিছ আৰু বয়সৰ কাৰণে হোৱা ৰাজহাড়ৰ স্বাভাৱিক অসুখ। বহু সময় বহি লিখা-মেলা কৰি থাকোঁ কাৰণে মই চকীখনকো সন্দেহ কৰিলো, আৰু সুবিধাজনক চকী এখন কিনি আনিলো। কিন্তু বিষটোৱে আমনি কৰিবলৈ নেৰিলে। অক্টোবৰৰ তিনি তাৰিখে প্ৰীতি আহিল। তেওঁ অহাৰ পাছতো ডাক্তৰৰ পৰামৰ্শমতে দ্বিতীয়বাৰ এক্স-ৰে' কৰালো। ডাক্তৰৰ সিদ্ধান্ত সেই একেই। কেইটামান ব্যায়াম কৰিলেই হ'ব; —ঔষধৰ প্ৰয়োজন নাই। ইতিমধ্যে প্ৰীতিয়ে জিণ্টিক বিষটোৰ কথা ক'বলৈ আৰম্ভ কৰিছিল। এদিন জিণ্টিয়ে টেলিফোনত মোক ক'লে, —তুমি নিউৰ'ল'জিকেল ৰিছাৰ্চ ছেণ্টাৰত এম. আৰ. আই (MRI: Magnetic Resonance Imaging) কৰোৱা। নিউৰ'ল'জিকেল ৰিছাৰ্চ ছেণ্টাৰৰ গৰাকী ড. নোমল বৰাৰ লগত মোৰ স্নেহ-শ্ৰদ্ধাৰ সম্পৰ্ক আছে। মোক তেওঁ ভালকৈ পৰীক্ষা কৰাৰ উপৰিও জিণ্টিৰ পৰামৰ্শৰ ওপৰত গুৰুত্ব দি এম. আৰ. আইৰ ব্যৱস্থা কৰিলে। আবেলি মই প্ৰতিষ্ঠানটোৰ মেনেজাৰলৈ টেলিফোন কৰি ক'লো,—আপুনি অনুগ্ৰহ কৰি খবৰ দিব,—মই মানুহ এজন পঠিয়াই দিম; তেওঁৰ হাতেতে এম. আৰ. আইৰ ৰিপ'ৰ্টখনৰ লগতে ডাক্তৰৰ প্ৰেছক্ৰিপশ্যনখনো পঠাই দিব। ডাক্তৰৰ প্ৰেছক্ৰিপশ্যন মতে ঔষধ খাম, ভাল হৈ যাম,—তাতকৈ বেছি একো মই ভবা নাছিলো।

কিন্তু মেনেজাৰৰ পৰা সেইদিনা একো খবৰ নাহিল। পাছদিনা তেওঁ খবৰ দিলে, ড. বৰাই মোক লগ পাব খুজিছে। গ'লো। ড. বৰাই অন্য মানুহক কোঠালিটোৰ পৰা বিদায় দিলে; দুজনমান সহকাৰী ডাক্তৰক থাকিবলৈ দিলে, আৰু "আপুনি ইয়াত বহি সুবিধা পাব" বুলি ওখ চকী এখনত মোক বহিবলৈ দিলে। তাৰ পাছত তেওঁ সুধিলে, "আপোনাৰ ভাগৰ লাগে নে কি ছাৰ?" মই ক'লো,—"মইতো কাম কৰিয়েই থাকোঁ; কিন্তু তেনেকৈ ভাগৰৰতো গম পোৱা নাই! অৱশ্যে মই তেনেকুৱা শাৰীৰিক পৰিশ্ৰমৰ কাম বেছি নকৰোঁও। কিয় সুধিলা?" মোৰ প্ৰশ্নৰ উত্তৰ নিদি তেওঁ সুধিলে,— "আপোনাৰ ডাক্তৰ ছোৱালীজনী এতিয়া ক'ত আছে?" তেওঁ জিণ্টি, মানে সংগীতাৰ কথা সুধিলে। মই উত্তৰ দিলো। তেওঁ ক'লে, —"আমি অলপ চিন্তাত পৰিছো।"

কিয়? তেওঁলোকে এম. আৰ. আই পৰীক্ষাৰ জৰিয়তে মোৰ ৰাজহাড়ত কেইটামান দাগ দেখা পাইছে। সেইকেইটাই চিন্তাজনক অসুখৰ কথা বুজায়। মুহূৰ্তৰ ভিতৰতে নানান সম্ভাৱনাৰ কথা মোৰ মগজৰ মাজেদি পাৰ হৈ গ'ল।

ড. বৰাই পুনৰ ক'লে, "আপুনি ধৈৰ্য ধৰিব লাগিব ছাৰ।"

মই ক'লো, "মই নিশ্চয় ধৈৰ্য ধৰিম। মই তোমালোকৰ কথা সহ্য কৰিব পাৰিম। গতিকে তোমালোকে মোক খুলি কোৱা,—মোৰ ব'ন কেনছাৰ হৈছে নে কি?"

তেওঁ ক'লে, "ব'ন কেনছাৰ বুলি ক'ব নোৱাৰোঁ। কিন্তু ক'ৰবাত কিবা এটা হৈছে; তাৰ পৰা বস্তুটো ৰাজহাড়লৈ আহিছে।"

কেইছেকেণ্ডমান মনে-মনে থাকি মই সহজ-সৰলভাৱে সুধিলো, "মই যিখিনি কামৰ কথা ভাবোঁ, সেইখিনি কৰিবলৈ তিনি বছৰমান লাগিব। তোমালোকে কি ভাবা? অন্ততঃ তিনি বছৰমান—?"

ড. বৰাই সেই বিষয়ে নিশ্চিতভাৱে একো ক'ব নোৱাৰে বুলি ক'লে। মই সুধিলো, "ইয়াৰ পাছত মই কি কৰিব লাগিব?" তেওঁ ক'লে, "কাইলৈ আমি আপোনাৰ গাটোৰ কেইটামান ভাগ ছি.টি. স্কেন কৰিম। তাৰ পাছত দিল্লী বা—"

মই তেওঁক সুধিলো, "তুমি এতিয়া কোনটো টেলিফোনৰ ওচৰত থাকিবা?" টেলিফোনৰ নম্বৰটো লৈ তেওঁক ক'লো, "তুমি টেলিফোনটোৰ ওচৰতে থাকা। মই ঘৰলৈ গৈ জিণ্টিক এই নম্বৰটো দিম। তুমি তেওঁক তোমালোকৰ ভাষাৰে সকলো বুজাই ক'বা। তাৰ পাছত তাই মোক যি ক'ব লাগে ক'ব।"

ওলাই আহিলো। কাঠমিস্ত্ৰি এজনক দুপদ ফাৰ্নিচাৰ সাজিবলৈ দিছিলো; আবেলি তিনি বজাত তেওঁক পইচা দিমগৈ বুলি কথা দিয়া আছিল; গতিকে নিউৰ'ল'জিকেল ৰিছাৰ্চ চেণ্টাৰৰ পৰা ওলাই কাঠমিস্ত্ৰিৰ দোকানলৈ গ'লো। ওচৰতে। তাৰ পৰা ঘৰলৈ। ঘৰ পায়েই জিণ্টিলৈ ফোন কৰিলো। তেতিয়া আমাৰ ইয়াত আবেলি চাৰে তিনি বাজি

গৈছে। জিণ্টিহঁতৰ তাত পুৱা পাঁচমান বাজিছে। জিণ্টিয়ে বিছনাতে, টোপনি-টোপনি মাতেৰে ফোন ধৰিলে। মই তাইক ক'লো,— এইটো নম্বৰ লিখি লোৱা। ড. নোমল বৰাই কিবাকিবি ক'ব। তুমি বুজি লোৱা। কিছু সময়ৰ পাছতে তাই ফোন কৰিলে। ক'লে, তৎক্ষণাৎ দিল্লী বা ক'ৰবাত ভালকৈ পৰীক্ষা কৰাবলৈ যোৱা।

প্ৰীতিয়ে সেই সময়ত দিছপুৰৰ আনন্দ একাডেমিত শিক্ষয়িত্ৰীৰ কাম কৰিছিল। স্কুলৰ পৰা আহি পাওঁতে তেওঁক মই একো নক'লো। অলপ পাছত তেওঁৰ নিজৰে মনত পৰিল,—এম.আৰ. আইৰ ৰিপ'ৰ্ট? কিবা চিন্তা কৰিবলগীয়া আছে নে কি?

মই ক'লো,—ডাক্তৰে আছে বুলি কৈছে।

প্ৰীতিৰ এটা স্থায়ী চিন্তা আৰম্ভ হ'ল।

অলপ পাছতে আকৌ জিণ্টিৰ ফোন আহিল। তাই একো নেদেখাকৈয়ে, কেৱল মোৰ আৰু ড. বৰাৰ কথা শুনিয়েই সন্দেহ কৰিছিল,— মোৰ প্ৰষ্টেট গ্লেণ্ডটো পৰীক্ষা কৰিব লাগে।

পাছদিনা পুৱা চাৰে-আঠ বজাতে নিউৰ'ল'জিকেল ৰিছাৰ্চ চেণ্টাৰত ছি.টি স্কেন কৰিবলৈ যাব লাগে। তাৰ আগতে প্ৰান্তিকৰ শেষপৃষ্ঠাটো লিখি শেষ কৰিব লাগিব। গতিকে ৰাতি সেইটো লিখাৰ চেষ্টা কৰিলো। সেইদিনাৰ ডায়েৰিৰ পাতত এই কথাবোৰৰ এটা তেনেই চমু বৰ্ণনা লিখি ৰাখিছিলো। তাৰ এটা বাক্য আছিল,—এক তীব্ৰ অশান্তিয়ে হেঁচি ধৰিলে।

পাছদিনাৰ ডায়েৰিৰ কথা ঃ "আঠ বজাত শেষপৃষ্ঠা লিখি শেষ কৰিলো। চাৰে-আঠ বজাত Neuro Centre-অলৈ। দুটা ছি.টি. স্কেন। বাৰ বজাত কাম শেষ হ'ল। আমাৰ 'কালসন্ধ্যা' ইণ্ডিয়ান পেনোৰামাৰ বাবে নিৰ্বাচিত হৈছে। মোৰ প্ৰথম (পূৰ্ণদৈৰ্ঘ্য) হিন্দী ফিল্ম;— হিন্দী ফিল্ম হিচাপে ইণ্ডিয়ান পেনোৰামাত সোমোৱাটো আনন্দৰ কথা। তদুপৰি এইবাৰ মাত্ৰ তেৰখন ছবিহে ইণ্ডিয়ান পেনোৰামাৰ বাবে নিৰ্বাচিত হৈছে। আবেলি নয়ন প্ৰসাদ আহিল আকাশবাণীৰ হৈ এটা ইণ্টাৰভিউ ল'বলৈ। সন্ধিয়া ৰণ আহিল। মোৰ স্বাস্থ্য সম্পৰ্কে আলোচনা। বোম্বাইলৈ যোৱাৰ আয়োজন।..."

আমি নগাঁও গৱৰ্ণমেণ্ট হাইস্কুলৰ ছাত্ৰ হৈ থকা সময়ৰ ছাত্ৰনেতা, মোৰ জ্যেষ্ঠ ভ্ৰাতৃসম সুহৃদ, ড. জীৱন লস্কৰৰ দ্বিতীয় পুত্ৰ ৰণ (ড. ৰঞ্জন লস্কৰ) জিণ্টিৰ সহপাঠী। তেওঁৰ ভায়েক লংকু,—ড. সিদ্ধাৰ্থ লস্কৰ মুম্বাইৰ টাটা মেম'ৰিয়েল হস্পিটেলৰ ডাক্তৰ। বন্দবস্ত হ'ল,— ৰণ আমাৰ লগত মুম্বাইলৈ যাব, আৰু লংকুৱে হস্পিটেলৰ ভিতৰৰ পৰা আমাক সহায় কৰিব।

ডায়েৰিৰ ২৬ অক্টোবৰৰ কিছু কথা ঃ প্ৰদীপ বৰুৱা আহিল। তেওঁক প্ৰান্তিকৰ কামৰ কথা ক'লো। ক'লো,—মই যিকোনো প্ৰকাৰে শেষপৃষ্ঠা আৰু প্ৰথম পৃষ্ঠা লিখিবলৈ

চেষ্টা কৰিম। মামণি ৰয়ছম গোস্বামীৰ উপন্যাসখন চাই দিম, আৰু বোধকৰোঁ একো কৰিব নোৱাৰিম। তেওঁ মোক নিশ্চিন্ত হৈ থাকিবলৈ ক'লে।

পাছদিনাৰ ডায়েৰিৰ কথা ঃ ৫-০৫। প্ৰান্তিকৰ কাম। উপন্যাসখনৰ এই খণ্ডটো চাই দিলো। প্ৰান্তিকৰ ফাইল কিছুমান কেশৱৰ হাতত অফিছলৈ দি পঠালো। এনেকৈ ফাইল দি পঠোৱাটো এই প্ৰথম। আনকি গল্পটোও বাছি দিয়াৰ সময়-সুবিধা উলিয়াব নোৱাৰিলো।

প্ৰান্তিকৰ পৰা অৱসৰ (বা অব্যাহতি) লোৱাৰ কথা কৈ আছিলো; এয়া,— কৈ-কৈ ঘৰত থকা ফাইল কিছুমান অফিছলৈ ওভোতাই পঠোৱাৰ কথাত উপনীত হ'লোহি। অৱসৰ আৰম্ভ হ'ল। আৰম্ভণিৰে পৰা তেতিয়ালৈকে আমাৰ ব্যৱস্থাটো আছিল,— মই বুধ আৰু শনিবাৰে অফিছলৈ যাম, প্ৰদীপৰ লগত প্ৰয়োজনীয় আলোচনা কৰিম; আৰু আচল কামবোৰ ঘৰত কৰিম। সেই ব্যৱস্থাত মই বহু সময় বচাব পাৰিছিলো। ঘৰতে মই এটা অফিছ পাতি লৈছিলো। সেই অক্টোবৰৰ পৰা প্ৰান্তিকৰ অফিছলৈ যোৱা বন্ধ হ'ল।

২৮ অক্টোবৰৰ দিনা বোম্বাইলৈ যাত্ৰা কৰিলো। আৱাহন থিয়েটাৰৰ গৰাকী কৃষ্ণ ৰয়ে তেওঁৰ গাড়ীৰে আমাক বিমান বন্দৰত থৈ আহিলগৈ। কলিকতা বিমান বন্দৰত সাত ঘণ্টামান ৰ'বলগীয়া হৈছিল। ড. কমলেন্দ্ৰ গায়নৰ প্ৰবন্ধ এটা মই নিজে সম্পাদনা কৰাৰ প্ৰয়োজন আছিল। সেইটো লগত লৈ গৈছিলো। বিমান বন্দৰতে সম্পাদনা কৰি তাৰ পৰাই সেইটো স্পিড প'ষ্ট যোগে প্ৰদীপ বৰুৱালৈ পঠাই দিলো। সেই বিমান বন্দৰটোত মই আগতে কেইবাদিনো প্ৰান্তিকৰ কাম কৰিছোঁ; কমলেন্দ্ৰ গায়নৰ প্ৰবন্ধটো সম্পাদনা কৰাটোৱেই তাত কৰা প্ৰান্তিকৰ শেষ কাম।

মুম্বাইত ৰোগটো নিশ্চিতভাৱে ধৰা পেলোৱা হ'ল। প্ৰষ্টেট কেন্সাৰ। চিকিৎসা আৰম্ভ হ'ল। তেতিয়াৰ কেন্দ্ৰীয় মন্ত্ৰী বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যাই এটা ডাঙৰ সহায় কৰিছিল। মুম্বাইৰ এটা চৰকাৰী গে'ষ্ট হাউছৰ এটা কোঠালিত আমাক থকাৰ সুবিধা কৰি দিছিল। তিনিমাহ পূৰ হ'বলৈ চাৰি দিন বাকী থকা কেঁচুৱা লাটুমক (ঋতুৰাগ) বুকুত বান্ধি এদিন ৰাতি দুইমান বজাত জিণ্টি ওলালহি। বুকুত বন্ধা কথাটো ভাষাৰ খাতিৰত কোৱা নাই। একধৰণৰ আহিলাৰে তাই সঁচাকৈয়ে লাটুমক বুকুত বান্ধি আনিছিল। দুয়ো হাত অন্যান্য বস্তুৰে ভৰি আছিল।

মুম্বাইৰ পৰা ঘৰ, ঘৰৰ পৰা আমেৰিকাৰ হিউষ্টনলৈ। ১৯৯৮ চনৰ ফেব্ৰুৱাৰিৰ শেষত ঘূৰি আহিলো। জুলাই মাহত আকৌ যাবলৈ ওলালো। সেইবাৰ যোৱাৰ আগতে প্ৰদীপ বৰুৱাৰ লগত প্ৰান্তিকৰ বিষয়ে কথা পাতিলো। আগৰবাৰ যাওঁতেও তেওঁক সুধিছিলো— মুখ্য সম্পাদকৰ ঠাইত মোৰ নামটো—? তেওঁ কৈছিল, যিধৰণে আজি ষোল বছৰে আমি চলি আহিছোঁ, সেই ধৰণেই আমি চলি থাকিম। এতিয়া নামটো থাকক। কিন্তু দ্বিতীয়বাৰ, অনিশ্চিত দৈৰ্ঘ্যৰ সময়ৰ কাৰণে যাবলৈ ওলাওঁতে অৱস্থাটো বেলেগ হ'ব

লাগিব বুলি মই সিদ্ধান্ত কৰিলো। মই নিজৰ নামত যি লিখিব পাৰোঁ লিখিম, কিন্তু সম্পাদনাৰ নামত মই হয়তো একো কৰিব নোৱাৰিম। আৰু সম্পাদনা মানে মই প্রতিটো শব্দ, প্রতিটো শাৰী লক্ষ্য কৰাটো বুজোঁ। সেই দিশত মই একো নকৰিম, অথচ মোৰ নামটো মুখ্য সম্পাদক বুলি ছপা হৈ থাকিব, এইটো ভাল কথা নহ'ব। আনহাতে প্রান্তিকৰ লগত (লেখক হিচাপে থকা সম্পৰ্কটোৰ বাহিৰে) মোৰ সম্পৰ্ক নাথাকিব,—সেই কথাটো সহ্য কৰিবলৈও টান পাইছিলো। সম্পৰ্কটো অতি গভীৰ আৰু আন্তৰিক আছিল কাৰণে। প্রদীপ বৰুৱাকে মুখ্য কৰি প্রান্তিকৰ কোনেও সেইটো বিচৰাও নাছিল। গতিকে ময়েই পৰামৰ্শ দিলো,—সঁচা কথা এটা ছপা কৰি থাকা; —মই প্রান্তিকৰ প্রতিষ্ঠাপক মুখ্য সম্পাদক। ১৯৯৮ চনৰ আগষ্ট মাহৰ পৰা প্রান্তিকত মোৰ নামটো প্রতিষ্ঠাপক মুখ্য সম্পাদক হিচাপে ছপা কৰা হৈছে; কিন্তু আচলতে ১৯৯৭ চনৰ ডিছেম্বৰ মাহৰ পৰাই মই সম্পাদনাৰ কাম একো কৰাই নাই বুলিব পাৰি। সকলো প্রদীপ বৰুৱা, ইমৰান হুছেইনহঁতে কৰি আছে। এতিয়া সকলো কৃতিত্ব তেওঁলোকৰ প্রাপ্য। প্রসংগক্রমে উল্লেখযোগ্য,—বহু লেখক-পাঠকে প্রান্তিকৰ লগত মোৰ সম্পৰ্ক নিজে ভবা মতে স্থাপন কৰি লৈছে। আনকি কালিও (৮।১১।৯৯ তাৰিখে) ডাকত অহা চিঠি এখন পাইছোঁ; লেফাফাৰ ওপৰৰ ঠিকনাটো হ'ল ঃ ভবেন্দ্র নাথ শইকীয়া, সম্পাদক, প্রান্তিক।

অসুখটোৰ চৰিত্র বুজাটোৱেই প্রথম অৱস্থাত মোৰ প্রধান কাম আছিল। এই কামত মোক প্রভূত পৰিমাণে, অতি কম সময়ৰ ভিতৰতে সহায় কৰিছিল আমাৰ দ্বিতীয় ছোৱালী ৰশ্মিয়ে। তাই ইণ্টাৰনেটৰ পৰা প্রষ্টেট কেনছাৰ সম্পৰ্কে জানিবলগীয়া বহু তথ্য-পাতি সংগ্রহ কৰি জিণ্টিৰ হাতত পঠাই দিছিল। তথ্য-পাতিৰ বাহিৰেও সেইবোৰৰ মাজত কিছুমান ৰোগীৰ মনৰ কথা থকা কাগজ-পাতি আছিল। সেই কথাবোৰে মোৰ মন গভীৰভাৱে স্পর্শ কৰিছিল।—"এই অসুখটোৱে মানুহৰ মৰম-চেনেহ কোঙা কৰিব নোৱাৰে, আশা চূর্ণ-বিচূর্ণ কৰিব নোৱাৰে,...শান্তি ধ্বংস কৰিব নোৱাৰে, বন্ধুত্বৰ মৃত্যু ঘটাব নোৱাৰে,... সাহসক নিস্তব্ধ কৰিব নোৱাৰে, আত্মাক আক্রমণ কৰিব নোৱাৰে, জীৱনৰ অনন্ত ৰূপটোক চুৰ কৰিব নোৱাৰে, আৰু প্রাণশক্তিক জয় কৰিব নোৱাৰে।"—"জীয়াই থকাৰ যুদ্ধখনত আমি ইমানকৈ মগ্ন হৈ পৰিব নালাগে—যাতে আমি কিয় জীয়াই আছোঁ তাকে পাহৰি যাওঁ।... বাচি থকা (survive কৰা) সময়খিনিত যেন আমি জীৱন নির্বাহ (live) কৰিবলৈ নাপাহৰোঁ।"—"মই সুপ্ত-শীতল গ্রহ হোৱাতকৈ এটা উজ্জ্বল উল্কা হ'ম, আৰু সেই উল্কাৰ প্রতিটো কণা দীপ্ত হৈ থাকিব।... মই কেৱল বাচি থাকিবলৈ সময় নষ্ট নকৰোঁ। সেইখিনি সময় মই কামত লগাম।"..."মই প্রতিজ্ঞা কৰিছোঁ,—মই হ'ম এক 'লাভ'; 'লোকচান' নহওঁ। মই হ'ম সৎ, দুষ্ট নহওঁ; মই হ'ম সফল; বিফল নহওঁ।" —ক'ব যে মানুহ এইবোৰ! ময়ো এনেকৈ ক'ব নোৱাৰো নে?

এটা বিস্ময়জনক কথা ঃ ১৯৯৬ চনৰ মে' মাহতে, অৰ্থাৎ মোৰ অসুখ ধৰা পৰাৰ প্ৰায় ডেৰ বছৰৰ আগতে, আমেৰিকাত থাকোঁতে জিণ্টিযে মোক এটুকুৰা কাগজ দিছিল। তাত লিখা আছিল ঃ

Breathe deep into your strength
to plan for tomorrow
Then, leave tomorrow
to take care of itself
and
Celebrate being alive today.

তলত তাই লিখি থৈছিল,—এই কথাখিনি MD Anderson Cancer Centre- অৰ ৰোগীৰ কোঠাত লিখা আছে। মই কাগজখন সঘনে চকুত পৰাকৈ থৈ দিছিলো।

বিস্ময়জনক কথা, এদিন মই সেই MD Anderson Cancer Centre- অতে ৰোগী হৈ উপস্থিত হ'লোগৈ।

এইখিনি কথা সন্নিবিষ্ট কৰি মই ১৯।১১।৯৭ তাৰিখে শেষপৃষ্ঠাৰ 'মনোবলৰ উৎস' শীৰ্ষক কথাখিনি লিখিছিলো। ভাবিছিলো—সেইটোৱেই মোৰ শেষ শেষপৃষ্ঠাৰ লেখা। কাৰণ, সেই সময়ত অসুখটোৰ চৰিত্ৰৰ কথা ভাবি মই প্ৰয়োজনীয় কাম কিছুমান চপাই অনাৰ কথা ভাবিছিলো; আৰু সেই কামৰ মাজৰ এটা প্ৰধান কাম আছিল মোৰ জীৱনৰ কিছু কথা লিপিবদ্ধ কৰা। কিন্তু শেষপৃষ্ঠাৰ কথা আৰু জীৱনৰ কথা, —দুয়োটা লিখাৰ সময়-সুবিধা নহ'ব বুলি মোৰ ধাৰণা হৈছিল। গতিকে ঠিক কৰিছিলো,—প্ৰান্তিকৰ শেষৰ পৃষ্ঠা দুটাতে জীৱনৰ কথা লিখিম। ভবা মতেই এদিন 'শেষপৃষ্ঠাৰ নতুন অধ্যায়' আৰম্ভ কৰিছিলো। কিন্তু ভবাতকৈ দেহাই মোক বেছি সহায় কৰা কাৰণে এদিন আকৌ শেষপৃষ্ঠাক আগৰ ৰূপলৈ ঘূৰাই আনিছিলো। কিন্তু, প্ৰকৃতাৰ্থত, শেষপৃষ্ঠাৰ সেই নতুন অধ্যায়ৰ লগতে মোৰ আৰু প্ৰান্তিকৰ নতুন অধ্যায় আৰম্ভ হৈছিল।

প্ৰান্তিকৰ কথা কৈ-কৈ একেবাৰে ১৯৯৯ চন পালোহি। আকৌ আশীৰ দশকৰ আগভাগলৈ উভতি যাওঁ। ১৯৮২ চনৰ পৰা মোৰ কামৰ যিটো ধৰণ আৰম্ভ হ'ল, তাৰ এটা বৈশিষ্ট্য আছে। আগতে কেইবাটাও কাম একেলগে কৰিছিলো যদিও, বাধ্যত পৰিলে এটা কামৰ পৰা ছুটী লৈ অন্য এটা কাম সম্পূৰ্ণ কৰিছিলো; কিন্তু এই নতুন অধ্যায়টোত কোনো কামৰ পৰা ছুটী নোলোৱাকৈ সকলো কাম কৰাৰ প্ৰক্ৰিয়া এটা আৰম্ভ কৰিলো। যি কৰিবলৈ মনত ভিতৰৰ পৰা উদগনি পাওঁ, তাকে কৰিবলৈ সম্মত হ'লো। অফিছ যেতিয়া মোৰ ঘৰতে হ'ল; মই দিনৰ দহ বজাত অফিছত কাম আৰম্ভ কৰোঁ নে ৰাতি তিনি বজাত আৰম্ভ কৰোঁ,— সেইটো যেতিয়া সম্পূৰ্ণ মোৰ নিজৰ কথা হ'ল, তেতিয়া

ছুটী লোৱাৰ অৰ্থ হ'ল মই মোৰ নিজৰ পৰা ছুটী লোৱা। বিশ্ববিদ্যালয়ৰ চাকৰিত থাকোঁতেই উপন্যাস লিখাৰ কথা ভাবিছিলো; এখন উপন্যাস আৰম্ভ কৰিছিলো, 'ৰামধেনু'ৰ তিনিটা সংখ্যাত তিনিটা খণ্ড ছপাও হৈছিল; কিন্তু তাৰ পাছত ৰামধেনুৰ প্ৰকাশ আৰু মোৰ লিখা দুযোটা বন্ধ হৈছিল। এতিয়া প্ৰদীপ বৰুৱাই ক'লে,—ছাৰ, ধাৰাবাহিকভাৱে প্ৰকাশ কৰিবলৈ আপুনি উপন্যাস এখন লিখক। মই লগে-লগে মান্তি হ'লো। সেই আগতে আৰম্ভ কৰাখনকে সম্পূৰ্ণ কৰিবলৈ ল'লো। প্ৰতিটো পষেকৰ কাৰণে নিয়মীয়া লিখা কাম এটা ওলাল। ১৯৮২ চনৰ এপ্ৰিল মাহৰ পৰা ১৯৮৪ চনৰ জানুৱাৰি মাহলৈকে কামটো চলি থাকিল। উপন্যাসখনৰ নাম আছিল অন্তৰীপ। মোৰ জীৱনৰ প্ৰথম সামাজিক উপন্যাস। (প্ৰসংগক্ৰমে ঃ ১৯৮৬ চনত উপন্যাসখন প্ৰথম কিতাপ আকাৰে ছপা হওঁতে ১৩৭ নম্বৰ পৃষ্ঠাত আৰম্ভ হোৱা পাঁচ নম্বৰ অধ্যায়টোৰ পাঁচ শাৰীৰ পাছতে প্ৰান্তিকত ছপা হোৱা বাৰ নম্বৰ খণ্ডটো (কিতাপৰ আকাৰৰ তেৰ পৃষ্ঠা) ছপা হ'ব লাগিছিল; কিন্তু সেইটো বাদ পৰিল। পাছত সেই ভুল শুধৰোৱাৰ এটা ব্যৱস্থা কৰা হৈছিল; কিন্তু ইতিমধ্যে কিছুসংখ্যক কিতাপ গ্ৰাহকৰ হাতলৈ গৈছিল। সেইখিনি কিতাপৰ পাঠক-পাঠিকাৰ কথা ভাবিলে মই অস্বস্তি অনুভৱ কৰোঁ। সেইকাৰণে কথাটো উল্লেখ কৰি থ'লো। 'শেষ ৰাতিলৈকে ভাওনা চাই টোপনি খটি কৰা মানুহবোৰ চাগে শুয়েই আছিল।'—এই বাক্যটোৰ পাছত যদি 'বাহিৰখন আন্ধাৰ' বাক্যটো থাকে, তেনেহ'লে পাঠক-পাঠিকাই বুজিব, সেইখন কিতাপত এই দুটা বাক্যৰ মাজত তেৰটা পৃষ্ঠা নাই)।

সেই ১৯৮২ চনৰ প্ৰথম ভাগতে আবাহন থিয়েটাৰৰ অধিকাৰী কৃষ্ণ ৰয়ে মোক অনুৰোধ কৰিলে, —মই নাটক লিখিবতো লাগিবই, সেই বছৰৰ আটাইকেইখন নাটক পৰিচালনাও কৰিব লাগিব। মই সন্মত হৈছিলো।

গুৱাহাটী বিশ্ববিদ্যায়লত থাকোঁতেই 'বাণী প্ৰকাশ' আৰু 'সহায়িকা' প্ৰকাশন গোষ্ঠীৰ অধিকাৰীসকলৰ জ্যেষ্ঠগৰাকী শ্ৰী অম্বিকাপদ চৌধুৰীয়ে মোক এখন শিশু-আলোচনী সম্পাদনা কৰাৰ কথা কৈছিল। মই সন্মতো হৈছিলো। আলোচনীখনৰ নামটো ভবেন বৰুৱাই দিছিল ঃ সঁফুৰা। বাতৰিকাকতত বিজ্ঞাপন এটাও প্ৰকাশ কৰা হৈছিল; কিন্তু তাৰ পাছতে মই বিশ্ববিদ্যালয়ৰ পৰা আহিব লগা হোৱাত কামটো তল পৰিল। প্ৰান্তিকৰ কাম আৰম্ভ হোৱাৰ কিছুদিনৰ পাছতে শ্ৰী অম্বিকাপদ চৌধুৰীয়ে আকৌ সঁফুৰা প্ৰকাশৰ প্ৰস্তাৱটো উত্থাপন কৰিলে, আৰু মই প্ৰস্তাৱটো গ্ৰহণ কৰিলো। বলে পাৰিমতো? কিয় নোৱাৰিম? সেই ১৯৮২ চনৰ এপ্ৰিল মাহতে সঁফুৰাৰ প্ৰথম সংখ্যাটো প্ৰকাশ হ'ল। আমি মাহেকীয়া বুলি কৈছিলো যদিও, শেষ হিচাপত আলোচনীখন দুমহীয়া বুলি প্ৰমাণিত হ'ল। ১৯৯৬ চনলৈকে আলোচনীখনৰ মুঠতে পঁচাশীটা সংখ্যা প্ৰকাশ হ'ল। মাহে-মাহে, নিয়মীয়াকৈ প্ৰকাশ কৰাৰ কাৰণে কেইবাবাৰো উঠি-পৰি লাগিছিলো; কিন্তু নোৱাৰিলো। এই বিফলতাৰ

কিছু দোষ প্ৰথমে মই মোৰ গাত দিওঁ, আৰু বাকীখিনি প্ৰকাশকৰ গাত দিওঁ। ১৯৯৬ চনৰ আগভাগত মই কিছুদিন আমেৰিকাত থাকি লিখা-মেলা কাম অলপমান কৰিলো; সেই বছৰৰে পাছৰ ভাগত 'কালসন্ধ্যা' নামৰ চলচ্চিত্ৰখন নিৰ্মাণ কৰিবলৈ ল'লো; সেই কাম সম্পূৰ্ণ হোৱাৰ কিছুদিনৰ পাছতেতো ১৯৯৭ চনৰ অক্টোবৰ আহিলেই ! এই সকলোৰে বাবে সৰ্বাধিক ক্ষতিগ্ৰস্ত হ'ল সঁফুৰা। কিন্তু মই সদায় নিজকে সুধিছিলো ঃ মোৰ কাৰণে প্ৰান্তিকৰ এটা সংখ্যাওতো এদিনো পলমকৈ ওলোৱা নাই ! ভ্ৰাম্যমাণ থিয়েটাৰৰ কামততো এবছৰো ব্যাঘাত জন্মা নাই ! 'অগ্নিস্নান' নামৰ চলচ্চিত্ৰখনৰ সম্পাদনাৰ সময় আৰু নাটকৰ আখৰাৰ সময় ওপৰা-উপৰি হোৱাত মাত্ৰ এবছৰ মই পাঠশালালৈ যাব পৰা নাছিলো; কিন্তু আগৰ বছৰ ঠিক-ঠাক কৰি দিয়া 'নীলকণ্ঠ' নামৰ নাটকখন আৱাহন থিয়েটাৰে সেই বছৰো মঞ্চস্থ কৰিবলৈ লোৱাৰ কাৰণে ভ্ৰাম্যমাণ থিয়েটাৰৰ লগত সেই ১৯৮১ চনৰ পৰা এতিয়ালৈকে মোৰ সম্পৰ্কটো অবিচ্ছিন্ন হৈয়েই থাকিল। চলচ্চিত্ৰৰ কামো মোটামুটি আঁচনি মতেই কৰিছিলো। —কেৱল সঁফুৰাখনৰ ক্ষেত্ৰতহে কিয় আঁচনিমতে কাম নহ'ল ? মোৰ মনত পৰে,— এবাৰ মই শ্ৰী অম্বিকাপদ চৌধুৰীৰ আগত "আপোনালোকে মৰিবলৈ দিলেও মই সঁফুৰাক মৰিবলৈ নিদিওঁ" বুলি দৃঢ়তা প্ৰকাশ কৰিছিলো। আনকি "মই মৰিলেও সঁফুৰা জীয়াই থাকিব" বুলিও কৈছিলো। সেই কাৰণে এতিয়াও আলোচনীখন মৰিল বুলি স্বীকাৰ কৰিবলৈ মোৰ মন নাযায়। মোৰ কি দোষৰ কাৰণে আলোচনীখনৰ জীৱন অস্থিৰ আৰু উত্থান-পতন-সমন্বিত হৈছিল, সেই কথা মই নিজেই ভাবি থাকোঁ। আলোচনীখনত যিখিনি কথা ছপা হৈছিল, সেইখিনিৰ শুদ্ধতাৰ কাৰণে মই কাৰো ওপৰত বিশ্বাস স্থাপন কৰিব পৰা নাছিলো। তেনেকুৱা নিৰ্ভৰযোগ্য সহকাৰী এজন বাছি উলিয়াব বা সৃষ্টি কৰি ল'ব পৰা নাছিলো। শিশু আৰু কিশোৰ-কিশোৰীৰ আলোচনীৰ বাবে যি ভাব, বুদ্ধি, ৰস, শব্দ, বাক্য আদিৰ প্ৰয়োজন বুলি মোৰ ধাৰণা, সেই ধাৰণাৰ সমভাগী সহযোগী বা সহায়ক নহ'লে কাম বাঢ়েহে; গতিকে মই নিজেই সকলো কাম কৰিবলৈ লৈছিলো। কেতিয়াবা প্ৰান্তিকতকৈও সঁফুৰাৰ কাৰণে মই বেছি পৰিশ্ৰম কৰা যেন লাগিছিল। অকল কলম আৰু ৰঙা ডট পে'নেই নহয়,—কেচী, আঠা, কাৰেকশ্যন ফ্লুইড, ব্ৰাছ, স্কে'ল,—এইবোৰ সঁফুৰা-সম্পাদনাৰ বাবে মোৰ অত্যাৱশ্যকীয় সামগ্ৰী আছিল। একোখন সঁফুৰাৰ আঠচল্লিছ পৃষ্ঠাৰ ষোল পৃষ্ঠামানেই মই নিজে কৰো নাম নিদিয়াকৈ বা ছদ্মনামেৰে লিখা কথাৰে ভৰাইছিলো। প্ৰতিখন সঁফুৰাৰ এক নম্বৰ পৃষ্ঠাৰ পৰা আঠচল্লিছ নম্বৰ পৃষ্ঠালৈকে প্ৰুফ মই নিজে চাইছিলো। বেটুপাতৰ চতুৰ্থ পৃষ্ঠাৰ বিজ্ঞাপনত ভাষাৰ ভুল থাকিলেও বেয়া পাইছিলো। আজিকালি পুৰণি সঁফুৰা এখন মেলি ল'লে মাজে-মাজে ভুল চকুত পৰে। সেইবোৰৰ বাবে মই নিজকে সম্পূৰ্ণভাৱে দায়ী বুলি ধৰোঁ। শ্ৰী অম্বিকাপদ চৌধুৰীক মই প্ৰায়েই কৈছিলো,—সঁফুৰাৰ

কেইটামান সংখ্যাত ব্যৱহৃত সকলো পাণ্ডুলিপিৰ একোটো ফাইল কৰি থৈ যাবচোন। আলোচনীখনৰ কাম আমি কেনেকৈ কৰিছিলো, ভৱিষ্যতলৈ সেই ফাইলকেইটাই তাৰ সাক্ষী দিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সহকাৰীসকলকো মই আমাৰ কামৰ সাক্ষী হিচাপে ছপাশালৰ পৰা উভতি অহা পাণ্ডুলিপি কিছুমান থৈ দিবলৈ কৈছিলো। মই জনাত তেওঁলোকে এটা বস্তাত কিছুমান পাণ্ডুলিপি ভৰাই থৈছিল। শ্ৰী চৌধুৰীয়ে থ'লে নে নথ'লে ক'ব নোৱাৰোঁ। মই ভাবোঁ, আমাৰ যে ভাষা-সাহিত্য-সম্পৰ্কীয় প্ৰদৰ্শনী কিছুমান হয়, তাৰ ভিতৰত সম্পাদনা কৰা পাণ্ডুলিপি আৰু বাতৰিকাকত-আলোচনী আদি প্ৰস্তুত কৰা প্ৰক্ৰিয়াটোৰো প্ৰদৰ্শনীৰ ব্যৱস্থা কৰিব লাগে। অখ্যাত ল'ৰা এটাৰ লেখা বা ড. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ লেখাত এজন সম্পাদকে কেনেকৈ হাত ফুৰালে, সি ভাষা-সাহিত্যৰ প্ৰদৰ্শনীৰ এটা দৰ্শনীয় উপাদান হ'ব পাৰে।

প্ৰান্তিকৰ পাতত 'অন্তৰীপ' উপন্যাসৰ প্ৰকাশ শেষ হোৱাৰ পাছতে মোৰ তৃতীয় চলচ্চিত্ৰখন নিৰ্মাণৰ চিন্তা মূৰত সোমাইছিল, আৰু কিছুদিন চিন্তা-ভাবনা কৰাৰ পাছত সেইখন উপন্যাসৰে প্ৰথম অংশটো চলচ্চিত্ৰখনৰ কাহিনী হ'ব বুলি ঠিক কৰিছিলো। চলচ্চিত্ৰখনৰ নিৰ্মাণপৰ্বৰ যিকেইটা কথা তৎক্ষণাৎ মোৰ মনলৈ আহিছে, সেইকেইটা উল্লেখ কৰি থওঁ। মেনকাৰ যিটো চেহেৰা আৰু ব্যক্তিত্ব উপন্যাসখন লিখিবৰ সময়ত মোৰ চকুৰ আগত ভাহি আছিল, সেই চেহেৰা আৰু ব্যক্তিত্বৰ লগত, সম্পূৰ্ণভাৱে নহ'লেও, অন্ততঃ শতকৰা সত্তৰভাগমান মিলি যোৱা অভিনেত্ৰী এগৰাকী বিচাৰি উলিওৱাটো মোৰ প্ৰথম কাম আছিল। বাটে-পথে, বিয়াই-সবাহে, সভাই-সমিতিয়ে এই কামৰ বাবে চকু মুকলি কৰি ৰাখিলো; কিন্তু বিশেষ লাভ নহ'ল। শেষত বাতৰিকাকতত বিজ্ঞাপন এখন প্ৰকাশ কৰিলো। বিজ্ঞাপনখনৰ মূল কথা আছিল ঃ যি অন্তৰীপ উপন্যাসখন পঢ়িছে, পঢ়ি উঠি চেহেৰা-পাতিৰ ফালৰ পৰা নিজকে মেনকা হোৱাৰ যোগ্য বুলি, আৰু মেনকাৰ চৰিত্ৰটো অভিনয়েৰে ফুটাই তুলিব পাৰিব বুলি ভাবিছে, তেওঁলোকে যেন তেওঁলোকৰ ফটো এখনেৰে সৈতে মোৰ লগত চিঠিৰে যোগাযোগ কৰে। উত্তৰত মই ভালেমান চিঠি পাইছিলো। প্ৰাৰ্থীসকলৰ ভিতৰত চেহেৰা-পাতিৰ ফালৰ পৰা কাকো মই পছন্দ কৰিব পৰা নাছিলো। কিন্তু সেই বিজ্ঞাপনখনে মোৰ অন্তৰক গভীৰভাৱে স্পৰ্শ কৰা এটা অভিজ্ঞতা প্ৰদান কৰিছিল। প্ৰাৰ্থীসকলৰ ভালেমানে মোলৈ লিখা কথাৰ সাৰাংশ আছিল ঃ মোৰ চেহেৰা মেনকাৰ কাৰণে উপযোগী নহয় বুলি মই নিজেই জানো; কিন্তু মোৰ জীৱনটো মেনকাৰ নিচিনা। সেই কাৰণে ভাবোঁ, —মই চৰিত্ৰটো ফুটাই তুলিব পাৰিম। (কৈ থোৱা উচিত ঃ সেই ফাইলটো মোৰ বাহিৰে আজিলৈকে কোনেও দেখা নাই। ভৱিষ্যতলৈও যাতে কোনেও নেদেখে, তাৰ ব্যৱস্থা মই কৰিম। প্ৰাৰ্থীসকলে যি বিশ্বাসৰ ভাৱেৰে কথাবোৰ মোলৈ লিখিছিল, সেই বিশ্বাসক মই শ্ৰদ্ধা কৰোঁ।)

বিজ্ঞাপনৰ জৰিয়তেও যেতিয়া সুফল নাপালো, তেতিয়া মই মোৰ ব্যক্তিগত স্মৃতিৰ ওপৰত ভাৰসা কৰিবলৈ ল'লো। এফালৰ পৰা ভাবি যাওঁতে এদিন গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনৰ অনুষ্ঠান এটাত দেখা মলয়া ৰাজখোৱাৰ কথা মনত পৰিল। সেইদিনা মই তেওঁক প্ৰথম দেখিছিলো। তেওঁৰ লগত কথাও পতা নাছিলো; দেউতাকৰ লগতহে পাতিছিলো। খবৰ লৈ জানিব পাৰিলো,—তেওঁ এতিয়া বিবাহিতা; গৃহস্থ প্ৰদীপ গোস্বামী জাগীৰোডত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ইঞ্জিনিয়াৰ। ইতিমধ্যে মই চলচ্চিত্ৰখনৰ কাৰণে প্ৰয়োজনীয় ঘোঁৰাবাগী এখনৰ ছবিৰে সৈতে বিজ্ঞাপন এখন প্ৰকাশ কৰিছিলো,—তেনেকুৱা ঘোঁৰবাগী অসমৰ ক'ৰবাত আছেনে কি জানিবলৈ। জাগীৰোডৰ পৰা মীনা বৈশ্য নামৰ ছোৱালী এজনীয়ে জনাইছিল,—তেওঁলোকে তাত তেনেকুৱা বাগী এখন দেখিছে। ৪।১১।৮৭ তাৰিখে পুৱা ছয় বজাতে ওলালো;— মলয়াকো লগ ধৰিম, ঘোঁৰাবাগীখনো চাম, আৰু জাগীৰোড ধৰমতুল-ৰহা,—এই অঞ্চলত মহীকান্তৰ ঘৰটোও বিচাৰিম। লগত মোৰ ভতিজা (পাছলৈ চলচ্চিত্ৰখনৰ ব্যৱস্থাপকসকলৰ এজন) জিতেন্দ্ৰ নাথ শইকীয়া। তেওঁ ৰহাত থাকে; সেই অঞ্চলৰ গাঁও-ভুঁই, বাট-পথ তেওঁ চিনি পায় কাৰণে তেওঁক লগত লৈছিলো। জাগীৰোডত প্ৰদীপ গোস্বামী থকা ঘৰটো উলিয়ালোগৈ। দাঁত ব্ৰাছ কৰি-কৰি প্ৰদীপ গোস্বামী ওলাই আহিল। মোৰ চিনাকিটো দিওঁতে তেওঁ লৰালৰিকৈ মুখ ধুলে। মলয়া পুৱাই গুৱাহাটীলৈ গ'ল। কি হ'ব এতিয়া? মইতো তেওঁক লগ পাবই লাগিছিল। বন্দবস্ত হ'ল, —আমি মহীকান্তৰ ঘৰ আৰু অন্যান্য 'ল'কেশ্যন' বিচাৰি ঘূৰি-পকি আবেলি আকৌ প্ৰদীপহঁতৰ ঘৰত উপস্থিত হ'মহি, এইখিনি সময়ৰ ভিতৰতে মলয়া যাতে গুৱাহাটীৰ পৰা আহি পায়হি, তাৰ ব্যৱস্থা প্ৰদীপে কৰিব। প্ৰদীপে সেই প্ৰথম দেখাদেখিতে এটা কথাৰে মোক সকাহ দিলে; —মলয়াক মোৰ ছবিত অভিনয় কৰিবলৈ দিবলৈ তেওঁ সন্মতি প্ৰকাশ কৰিলে।

বঘৰা, মৰিগাঁও, আমচৈ, গছপৰা গাঁও আদিত ঘূৰি-পকি চাৰে তিনিমান বজাত আকৌ প্ৰদীপহঁতৰ ঘৰ পালোহি। মলয়া তেতিয়া ঘৰতে আছিল। কিছু সময় কথা-বতৰা পাতি ঠিক কৰিলো,— হ'ব।

সেইদিনাই বঘৰাত শ্ৰী মহেন্দ্ৰ বৰুৱাৰ ঘৰটোকে মহীকান্তৰ ঘৰ হিচাপে ব্যৱহাৰ কৰিম বুলি ঠিক কৰিছিলো। মীনা বৈশ্যৰ ভায়েকে দেখুউৱা ঘোঁৰাবাগীখন পিছে টংগাজাতীয় গাড়ীহে, মই বিচৰা ঘোঁৰাবাগী নহয়। পাছত মই কলিকতাৰ ৰাজাবাজাৰ অঞ্চলত এখন পুৰণি ঘোঁৰাবাগী কিনি লৈছিলো; প্ৰান্তিক ছপাবৰ বাবে কাগজৰ যোগান ধৰা পাৰিজাত দাসে কাগজৰ লগতে ট্ৰাকত বাগীখন গুৱাহাটীলৈ আনি দিছিল। দিছপুৰৰ ওচৰৰ টিলা এটাৰ মাজত থকা ঘোঁৰাগাড়ীৰ চুবুৰি এটাৰ পৰা দুটা ঘোঁৰা ভাৰালৈ লৈছিলো। কলিকতাৰ পৰা বাগীখনৰ চালকজনকো মাতি আনিছিলো। তেওঁ গুৱাহাটীৰ ঘোঁৰা

দুটাক বাগীখনত জুটি শ্বুটিঙৰ এসপ্তাহমানৰ আগৰ পৰা প্ৰশিক্ষণ দিছিল। এদিন এজন অচিনাকি মানুহে মোক টেলিফোনত উত্তেজিত কণ্ঠেৰে খবৰ দিছিল,— ছাৰ, আপুনি খবৰকাগজত বিজ্ঞাপন দি বিচৰা ঘোঁৰাবাগীখনৰ নিচিনা এখন বাগী বেলতলাত ঘূৰি ফুৰা দেখিছোঁ!

অগ্নিস্নানৰ শ্বুটিঙৰ ঘটনাবিলাকৰ কথা ভাবিলে ৰাতি বঘৰাৰ হাবিৰ মাজত মলয়া আৰু মদন চোৰৰ ভাও লোৱা অৰুণ নাথৰ কষ্টৰ কথাটো প্ৰথমে মনলৈ আহে। ডিছেম্বৰ মাহৰ মাজনিশাৰ ঠেঁটুৱৈ লগা জাৰত আমি সকলোৱে তৰপে-তৰপে গৰম কাপোৰ পিন্ধি থাকোঁ; কাণ-মূৰ ঢাকি টুপী পিন্ধো, হাতমোজা পিন্ধো;—আৰু শ্বট ল'বৰ সময়ত তেওঁলোক দুজনে জুলাই মাহৰ গৰমত পিন্ধাৰ নিচিনাকৈ কাপোৰ পিন্ধিব লাগে; মুখৰ পৰা ওলোৱা শীতৰ ধোঁৱা নাইকিয়া কৰিবলৈ ঢোকে-ঢোকে চেঁচা পানী খাব লাগে! আৰু সেইখিনি সময়ত প্ৰদীপ গোস্বামীয়ে জাগীৰোডত তেওঁলোকৰ অকণ-অকণ জীয়েক দুজনীৰ আলপৈচান ধৰি ৰখি থাকিব লাগে। চলচ্চিত্ৰৰ শ্বুটিঙৰ কামত অভ্যস্ত নোহোৱা মানুহৰ কাৰণে এইবোৰ বৰ বিৰক্তিকৰ কাম। এদিন নিশা একমান বজাত মই প্ৰদীপৰ বিৰক্তিৰ প্ৰত্যক্ষ উমান পাইছিলো। বৰ অসহায় বোধ কৰিছিলো।

সেইখন মোৰ প্ৰথম ৰঙীন চলচ্চিত্ৰ আছিল; প্ৰযোজনাৰ অন্যান্য খৰচ আগৰ ছবি দুখনৰ তুলনাত বেছি আছিল; আনহাতে ধনৰ যোগাৰৰ অৱস্থাটো আগৰ নিচিনাই দুৰ্বল আছিল। সেই অৱস্থাটোৰ লগত সম্পৰ্ক থকা এটা স্মৰণীয় ঘটনা আছে। কলিকতাত কৰোৱা কাম এটাৰ বাবে চাৰি হাজাৰ টকা পাৰিজাত দাসৰ হাতত পাছদিনা আগবেলা দহ বজাত দিবই লাগে। তেওঁ দুপৰীয়াৰ প্লেনত কলিকতালৈ যাব। ইফালে আগদিনাৰ সন্ধিয়া মোৰ হাতত চাৰিশ টকাও নাই। সন্ধিয়া ঘৰত অকলে আছোঁ। ওচৰৰে হাউছিং ক'ল'নিৰ মুকলি ঠাইত ৰাজনৈতিক নেতা এজনে উদ্দাত্ত কণ্ঠে বক্তৃতা দি আছে। শব্দবোৰ বুজিব পৰা হৈ ঘৰ সোমাইছেহি যদিও মই সেইবোৰলৈ কাণ দিব পৰা নাই। মই টকা চাৰি হাজাৰৰ চিন্তাত অস্থিৰ হৈ আছোঁ। পইচাখিনিৰ লগত মান-সম্মানৰ প্ৰশ্নও জড়িত হৈ আছে। ভবা-চিন্তা কৰি থাকোঁতেই এসময়ত টেলিফোনটো বাজিল। গুণসিন্ধু হাজৰিকা,— মোৰ প্ৰথম চলচ্চিত্ৰ সন্ধ্যাৰাগৰ যে সহকাৰী পৰিচালক,— সেই গুণসিন্ধু হাজৰিকাই ফোন কৰিছে। তেওঁ এতিয়া চকুৰে একেবাৰেই নেদেখে। ল'ৰা এজনে ধৰি-ধৰি তেওঁক ফোন এটাৰ ওচৰলৈ লৈ আহিছে,—তাৰ পৰাই তেওঁ ফোন কৰিছে। তেওঁ মোৰ চলচ্চিত্ৰ সম্পৰ্কীয় কামৰ খবৰ ল'লে। শেহতীয়া খবৰখিনি তেওঁক দিলো। শেষৰ ফালে, স্বাভাৱিকতে, তেতিয়া মনক আমনি কৰি থকা কথাটো ক'লো,— পইচাৰ কাৰণে বৰ কষ্ট পাইছোঁ বুইছা? মোৰ কথাৰ সুৰ শুনি গুণসিন্ধুৱে সুধিলে, "দাদা, আপুনি যদি বেয়া নাপায়, কথা এটা কওঁনে?" মই ক'লো, "কোৱা, কিয় বেয়া পাম?" —গুণসিন্ধুৱে

ক'লে, "মোৰ হাতত অলপ পইচা আছে। আপোনাক দিব খোজোঁ। ল'বনে?" মই অলপ সময় ৰৈ সুধিলো,—"কিমান আছে?" — "চাৰি হাজাৰ টকা।" মই বিস্ময়ত হতবাক হ'লো। এনেকুৱা যোগাযোগ? ঠিক চাৰি হাজাৰ টকা? পইচাখিনি দিবলৈ অন্ধ গুণসিন্ধু সেই ৰাতিয়েই আমাৰ ঘৰলৈ আহিবলৈ ওলাইছিল; মই বাৰণ কৰিলো। পাছদিনা পুৱা মই নিজে গৈ তেওঁৰ পৰা টকা চাৰি হাজাৰ লৈ আহিলো। টকাখিনি আনিবৰ সময়ত জানিলো,—অসমীয়া চলচ্চিত্ৰৰ স্বৰ্ণজয়ন্তী বছৰত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগমৰ চেয়াৰমেন শ্ৰী হৃষীকেশ মুখাৰ্জীয়ে গুৱাহাটীৰ এখন সভাত গুণসিন্ধুক পাঁচ হাজাৰ টকা দান দিছিল; তাৰে এহেজাৰ টকা খৰচ হ'ল, বাকীখিনিয়ে সেইদিনা মোক অসুবিধাৰ পৰা উদ্ধাৰ কৰিলে। উল্লেখযোগ্য, সেই ঘটনাৰ কিছুদিনৰ আগতে এদিন ভায়েক এজনৰ হাতত ধৰি-ধৰি গুণসিন্ধু আমাৰ ঘৰলৈ আহিছিল; তেওঁ মোৰ পৰা এহেজাৰ টকা ধাৰলৈ বিচাৰিছিল। নাছিল কাৰণে মই দিব পৰা নাছিলো।

১৯৮৫ চনৰ বছৰটোৰ বহু সময় অগ্নিস্নান ছবিখনে ল'লে; কিন্তু সেই বছৰটোতে মোৰ বিশেষ সময় খৰচ নকৰা এনেকুৱা এবিধ সৰু-সৰু ঘটনা ঘটিল,— যাৰ পৰিণামে মোক পাছৰ জীৱনত কিছু কাম কৰাৰ সুবিধা দিলে। এই ঘটনাবোৰ আছিল ৰাজনীতি ক্ষেত্ৰৰ লগত জড়িত। ঘটনাবোৰৰ আৰম্ভণিৰ কালৰ কথাবোৰ এনেকুৱা ঃ জুলাই মাহৰ একত্ৰিছ তাৰিখে ইলেকট্ৰিছিটি বিলৰ পইচা জমা দিবলৈ যাওঁতে প্ৰাক্তন এম.এল. এ. নগেন বৰুৱাক লগ পালো। তেখেতসকল নিৰ্বাচনৰ কাৰণে সাজু হৈছে। বৰুৱাই মোক এবাৰ লগ পোৱাৰ কথা ক'লে। এইখিনি কথা লিখাৰ পাছত ডায়েৰিখনত মোৰ নিজৰ ফালৰ পৰা লিখি থৈছোঁ, "তেওঁলোকক চাফাকৈ ক'ম, —মই দেশৰ কাৰণে নিৰ্দিষ্ট কাম কৰিম, দলীয় ৰাজনীতি কৰিব নাজানিম।" অসম লোকসেৱা আয়োগৰ চেয়াৰমেন পদৰ কথা কোৱাৰ বাহিৰেও শ্ৰী বৰুৱাই এসময়ত মোক ৰাজ্যসভাৰ সদস্য হোৱাৰ কথাও কৈছিল,— সেই কথা মনত পেলায়েই তেনেকৈ লিখিছিলো। অক্টোবৰ মাহত ভতিজা এজনীৰ বিয়া উপলক্ষে নগাঁৱলৈ গ'লো। বিয়াঘৰত পৰিয়ালৰ সকলো মানুহ গোট খাইছেহি। আমিও পুৱাৰ পৰা নিশা দহ বজালৈকে বিয়াঘৰতে থাকিম, কিন্তু ৰাতিটো আৰু ৰাতিপুৱাৰ সময়খিনিৰ সুবিধাৰ কাৰণে ছাৰ্কিট হাউছত কোঠালি এটা লৈছিলো।

এইখিনিতে এটা কথা কৈ থওঁ। মই আলহী হিচাপে গৃহস্থক সামান্য অসুবিধাত পেলাবলৈও বেয়া পাওঁ, আৰু নিজে অসুবিধা সহ্য কৰিবলৈও বেয়া পাওঁ। পৰাপক্ষত মই দুয়োকে অসুবিধাৰ পৰা বচাই ৰাখোঁ। 'আগন্তুক' নাম দি যে আকাশবাণীৰ বাবে এখানি নাটক লিখিছিলো, তাত মোৰ মনৰ কথা ভালেমান আছিল। যি ছোৱালীয়ে মোৰ সুখ-সুবিধাৰ কাৰণে সকলো ধৰণৰ কাম কৰিবলৈ উন্মুখ হৈ থাকে, সেই ছোৱালীৰ

(আমাৰ সন্তানৰ কথা কৈছোঁ) ঘৰতো মই চিন্তা কৰি থাকোঁ, —মই থকাৰ কাৰণে তাইৰ অলপ হ'লেও সুবিধা হৈছে নে নাই? "ডাঙৰ মানুহ হ'ল, ছাৰ্কিট বঙলাতহে থাকেহি!" —কাৰোবাৰ এই ধৰণৰ মনোভাবৰ আভাস পালে মই দুখ পাওঁ; কিন্তু সেই মনোভাবক গ্ৰাহ্য নকৰোঁ। মই সুবিধা-অসুবিধাক গ্ৰাহ্য কৰোঁ।

আগৰ কথালৈ আহোঁ। ছাৰ্কিট হাউছত ৰাতি গুণেন্দ্ৰ পণ্ডিত নামৰ এগৰাকী ৰাজনৈতিক-সমাজকৰ্মী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ কৰ্মী দিলীপ কুমাৰ মহন্তই মোক সুধিলে,—আপুনি বোলে নিৰ্বাচনৰ প্ৰাৰ্থী হ'ব? বিয়াঘৰতো বিভিন্নজনে মোক সেই প্ৰশ্নটো সুধিছিল। মই বিস্মিত হৈছিলো। দুই অক্টোবৰৰ ৰাতি এতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তকো লগ পাইছিলো। তেওঁ মোক ক'লে,— জনতা পাৰ্টিৰ আলোচনাত হেনো ৰহা সমষ্টিৰ প্ৰাৰ্থী হিচাপে মোৰ নামটো ওলাইছে। পাছদিনা পুৱা কলংপাৰৰ বাটত খোজ কাঢ়িবলৈ ওলালো। অলপ দূৰ গৈয়েই গোলামক লগ পালো। মই পঢ়া পাঠশালা মোক্তাৰ স্কুলৰ ওচৰতে গোলামহঁতৰ ঘৰ; মোৰ সেই পাঠশালাৰ দিনৰে বন্ধু। পাছলৈ মই তাক ফুটবল খেলুৱৈ হিচাপেই মনত ৰাখিছিলো। মোক দেখিয়েই সি সুধিলে,—তই বোলে ইলেকছনত উঠিবি? মোৰ উত্তৰটোত গুৰুত্ব নিদি সি মোক দেবকান্ত বৰুৱাৰ ওচৰলৈ যাবলৈ লগ ধৰিলে। মই ক'লো,—ইমান পুৱাই? এয়া মানুহৰ ঘৰলৈ যোৱাৰ সময় নে কি?

অক্টোবৰ গ'ল। নৱেম্বৰত ৰহা সমষ্টিৰ বাবে অসম গণ পৰিষদৰ প্ৰাৰ্থী হ'বলৈ কোৱা মানুহৰ সংখ্যা বাঢ়িল। মই এটা হেঁচা অনুভৱ কৰিলো। শেষত এদিন ৰাতি পাঁচজন মানুহৰ সৈতে মুহিৰাম শইকীয়া আমাৰ ঘৰলৈ আহিল। তেখেতসকলৰ বক্তব্য হ'ল,—মই কেৱল সম্মতি দিব লাগে; বাকীখিনিৰ কাৰণে অকণো চিন্তা কৰিব নালাগে। মই মোৰ বক্তব্য প্ৰকাশ কৰিলো। কিন্তু তেখেতসকলে এই বক্তব্যৰ জোৰ নাই বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিলে। ভালেমান কথা কোৱাৰ পাছত শইকীয়াই ক'লে,—তোমাৰ সন্মতি নিবলৈ ৰাতি দুইমান বজাত আকৌ আহিম। ৰাতি দুইমান বজাত? মই তেখেতসকলক পাছদিনা যোগাযোগ কৰিবলৈ অনুৰোধ কৰিলো। তেখেতসকল যোৱাৰ পাছতে মই হেঁচাটোৰ পৰা মুক্ত হোৱাৰ উপায় চিন্তিলো। উপায় চিন্তৰনো প্ৰয়োজন কি? যদি তোমাৰ মন নাই, তেনেহ'লে খাবাংখাচকৈ কৈ দিলেই হ'ল!— সেইটো কথা মোৰ মনলৈও আহিছিল; কিন্তু মানুহখিনিৰ কথাৰ আগত মোৰ খাবাংখাচ হোৱাৰ উপায় নাছিল। এনেয়েও, মই যদি লগে-লগে খাবাংখাচকৈ কথা ক'ব পৰা মানুহ হ'লোহেঁতেন, তেনেহ'লে জীৱনত বহু জঞ্জাল আৰু অসুবিধাৰ হাত সাৰিব পাৰিলোহেঁতেন। সেইবোৰ কথা বাৰু বাদ। আচল কথালৈ আহোঁ। ভাবি-চিন্তি মই অসম গণ পৰিষদৰ লগত সম্পৰ্ক থকা এডভোকেট (মতিৰাম বৰাৰ পুত্ৰ) অতুল বৰালৈ ফোন কৰিলো। ক'লো,—তুমি প্ৰফুল্ল মহন্তক মোৰ লগ লগাই দিয়া। মই তেওঁক কেইটামান কথা ক'ব খোজোঁ। মোৰ

বক্তব্য হ'ল, — ভাৰতৰ ৰাজনীতি-ক্ষেত্ৰ সম্পৰ্কে মোৰ যি ধাৰণা, সেই ধাৰণাৰ বলত মই ক'ব পাৰোঁ,—মই সেইখন ক্ষেত্ৰৰ মানুহ নহওঁ। মই মোৰ প্ৰতিভা, মোৰ শক্তি, মোৰ পৰিশ্ৰমেৰে নিজৰ মঞ্চ এখন তৈয়াৰ কৰি লৈছোঁ। সেইখন মঞ্চৰ পৰাও মই এক ধৰণে দেশ আৰু ৰাইজৰ সেৱা কৰিব পাৰোঁ। কিন্তু মই যিখন মঞ্চৰ মানুহ নহওঁ, সেইখনলৈ গ'লে মই সেইখন মঞ্চৰ যোগ্যতাও প্ৰতিপন্ন কৰিব নোৱাৰিম, আৰু মোৰ নিজৰ মঞ্চখনো হেৰুৱাম।

পাছদিনা মই মোৰ কাৰ্যসূচী মতে প্ৰান্তিকৰ অফিছলৈ গ'লো। তেতিয়া প্ৰান্তিকৰ অফিছ ট্ৰিবিউন বিল্ডিংছৰ চৌহদত আছিল। প্ৰদীপ বৰুৱাৰ লগত কথা পাতি থাকোঁতে এজনে খবৰ দিলে, —প্ৰফুল্ল মহন্তই মোক লগ পাব খুজিছে। অলপ পাছতে মহন্ত সোমাই আহিল। লগত আৰু দুজনমান। তেওঁলোকৰ কথাৰ পৰা বুজিলো,—তেওঁলোক আমাৰ ঘৰলৈ যাবলৈ আহিছিল; কিন্তু ৰাস্তাত মোৰ গাড়ীখন দেখি ইয়াতে সোমাল। সেইখিনি সময়ত প্ৰফুল্ল মহন্ত-ভৃগু ফুকনক বিচৰা মানুহৰ সীমা-সংখ্যা নাই। তেওঁলোক কেতিয়া ক'ত আছে, সেই সম্পৰ্কে গোপনতা ৰক্ষা কৰিবলগীয়া অৱস্থা। গতিকে তেওঁ প্ৰান্তিকৰ অফিছলৈ আহি মোক লগ ধৰাৰ কথাটোত মই গুৰুত্ব দিলো। মই জনৰৱ, বিভিন্ন লোকৰ মনোভাব আৰু মুহিৰাম শইকীয়া প্ৰমুখ্যে লোকসকলৰ প্ৰসংগ চমুকৈ উত্থাপন কৰি মোৰ বিচাৰৰ কথা মহন্তৰ আগত প্ৰকাশ কৰিলো। লগতে ক'লো,— বিধায়ক, মন্ত্ৰী, বুৰ'ক্ৰেটৰ বাহিৰেও ৰাজ্যখনৰ ভাল কামৰ বাবে বহুত মানুহ লাগিব। মই তেনে এজন হৈ কিছু কাম কৰিম। মহন্তই মোৰ কথা বুজিলে। তেওঁ শেষত ক'লে,— আমাৰ এখন কেন্দ্ৰীয় পৰিষদ হ'ব; আপুনি সেইখনত থাকিব লাগিব। মই ক'লো,— সেয়া পাছৰ কথা; কি হয় পাছত দেখা যাব।

পাছত তেনেকুৱা কোনো পৰিষদৰ খবৰ নাপালো, কিন্তু অসম চৰকাৰৰ সাংস্কৃতিক উপদেষ্টা পৰিষদ এখনৰ মোক সদস্য কৰা হ'ল। সেই পৰিষদৰ প্ৰথম সভাখনত মই যিটো বিষয় উত্থাপন কৰিছিলো, সেইটো বিষয়ৰ পৰা উদ্ভুত ফলখিনিয়েই পৰিষদৰ সদস্য হিচাপে মোৰ উল্লেখযোগ্য বৰঙণি বুলি বিশ্বাস কৰোঁ। ভাৰত আৰু ভাৰতৰ বাহিৰৰ যিখিনি ঠাই মই দেখিছোঁ,— সেই ঠাইবোৰৰ এক ধৰণৰ প্ৰতিষ্ঠানে মোক বৰকৈ আকৰ্ষণ কৰিছিল। এটা আহল-বহল অঞ্চলত সাহিত্য, সংগীত-নৃত্য-নাটক, চিত্ৰকলা আদি চৰ্চাৰ ভৱন, মুকলি মঞ্চ, সভা, নাট্যানুষ্ঠান, চলচ্চিত্ৰ আদি সকলোৰে বাবে প্ৰেক্ষাগৃহ, মিউজিয়াম, সুশোভিত উদ্যান, বিদ্যালয় আদিৰে এটা প্ৰতিষ্ঠান এই ৰাজ্যখনত প্ৰতিষ্ঠা কৰাটো মোৰ এটা বৰ হেঁপাহৰ কাম আছিল। এদিন দিল্লীৰ পৰা বিমানত ওচৰা-উচৰিকৈ বহি আহোঁতে সুখ্যাত স্থপতি শ্ৰী যুগল চৌধুৰীক মোৰ আঁচনিখনৰ কথা বিতংভাৱে কৈছিলো, আৰু তেখেতে বিনামূল্যে স্থাপত্য সম্পৰ্কীয় সকলো নক্সা তৈয়াৰ কৰি দিম বুলি কথা দিছিল।

ৰাজ্যখনৰ পৰিস্থিতিয়ে এই বিষয়ে কাম কৰাত মোক বহুদিন বাধা দি ৰাখিছিল। এসময়ত মই এডোখৰ মাটিৰ ব্যৱস্থা কৰি নিজেই প্ৰকল্পটো আৰম্ভ কৰিম বুলি মৰসাহ কৰিছিলো। পাছত সুবিধা পাই পৰিষদৰ সভাখনত প্ৰকল্পটো প্ৰতিষ্ঠা কৰাৰ প্ৰস্তাৱ এটা উত্থাপন কৰিছিলো। সকলো সদস্যই প্ৰস্তাৱটো সমৰ্থন কৰিছিল। পাছত ড. মহেশ্বৰ নেওগ ছাৰে প্ৰতিষ্ঠানটোৰ নাম শ্ৰীশ্ৰী শংকৰদেৱৰ নামেৰে হ'ব লাগে বুলি পৰামৰ্শ আগবঢ়াইছিল। অসম চৰকাৰে ১৯৮৭ চনৰ ২৭ মাৰ্চ তাৰিখে প্ৰকাশ কৰা এক বিজ্ঞপ্তিযোগে শ্ৰীশ্ৰী শংকৰদেৱ সাংস্কৃতিক প্ৰকল্পৰ ঠাই আৰু মাটিৰ ক্ষেত্ৰত চৰকাৰক পৰামৰ্শ দিবলৈ এখন সমিতি গঠন কৰি দিছিল। অসম চৰকাৰৰ শিক্ষা আৰু সাংস্কৃতিক দপ্তৰৰ সচিব, কামৰূপৰ উপায়ুক্ত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালকৰ লগতে মোকো সেই সমিতিৰ সদস্য কৰা হৈছিল। এই প্ৰকল্পটোৰ ক্ষেত্ৰত সেইখনেই প্ৰথম চৰকাৰী সমিতি আছিল। সেই সমিতিখনে পাঞ্জাবাৰীৰ বৰ্তমানে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত থকা ঠাইডোখৰ নিৰ্বাচন কৰাৰ সময়ত প্ৰকল্পটোৰ বাবে প্ৰায় দুশ বিঘা মাটিৰ ব্যৱস্থা কৰা হৈছিল; কিন্তু পাছলৈ মাটিৰ পৰিমাণ বহুত কমি গৈছিল।

মই প্ৰতিষ্ঠানটোৰ নাম 'সাংস্কৃতিক কেন্দ্ৰ' হোৱাৰ পক্ষপাতী আছিলো; কিন্তু ড. নেওগ ছাৰে কলাক্ষেত্ৰ শব্দটোৰ ওপৰত জোৰ দিলে, আৰু সেই নামটোৱেই গৃহীত হ'ল। মই কেৱল শ্ৰী শ্ৰীৰ ঠাইত শ্ৰীমন্ত ব্যৱহাৰ কৰাৰ পৰামৰ্শটো দিছিলো। শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে প্ৰতিষ্ঠানটোৰ নামকৰণ কৰা হ'ল; কিন্তু সেই বুলি তাত কেৱল শংকৰদেৱৰ সৃষ্টি, ধৰ্ম-কৰ্ম আদিৰহে চিন্তা-চৰ্চা হ'ব,— এনে পৰিকল্পনা মোৰ তেতিয়াও নাছিল, এতিয়াও নাই। শংকৰদেৱৰ সৃষ্টি, ধৰ্ম-কৰ্মৰ উপৰিও সমগ্ৰ বিশ্বৰ বিভিন্ন ক্ষেত্ৰৰ জ্ঞান-গৰিমাৰ লগত সম্পৰ্ক ৰখাৰ বাবেও এই প্ৰতিষ্ঠানটোৱে এখন সাংস্কৃতিক মঞ্চৰ ভূমিকা পালন কৰিব বুলি মই ধাৰণা কৰিছিলো। জীৱন বৃত্তৰ এই লেখাটোৰ বিভিন্ন অধ্যায়ত সন্নিবিষ্ট কৰিব পৰা ভালেমান নথি-পত্ৰ মই সন্নিবিষ্ট কৰা নাই; কিন্তু শংকৰদেৱ কলাক্ষেত্ৰৰ যিখন আঁচনিপত্ৰ মই আলোচনাৰ বাবে লিখি উলিয়াই কাম আৰম্ভ কৰিছিলো, সেইখন ইয়াত সন্নিবিষ্ট কৰাটো প্ৰয়োজনীয় বুলি ভাবিছোঁ। সেইখন হ'ল:

## শ্ৰীমন্ত শংকৰদেৱ সাংস্কৃতিক কেন্দ্ৰ
## Shrimanta Sankardev Cultural Centre

### আঁচনিখনৰ সংক্ষিপ্ত বৰ্ণনা

প্ৰত্যেক জাতিৰ কাৰণে সাংস্কৃতিক শক্তি হ'ল এক মহান শক্তি। অন্যান্য দিশত দুৰ্বল এটা ক্ষুদ্ৰ জাতিকো সাংস্কৃতিক শক্তিয়ে গৌৰৱেৰে জীয়াই থকাত সহায় কৰে। অসমীয়া

জাতিয়ে নিজক শক্তিমান কৰিবলৈ হ'লে ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন দিশত শক্তি আহৰণ কৰাৰ লগতে সাংস্কৃতিক শক্তিৰ ওপৰতো সমানে গুৰুত্ব দিব লাগিব। আমাৰ যি সাংস্কৃতিক সম্পদ আছে, সেইবোৰক প্ৰকৃত মৰ্যাদা আৰু গৰিমাৰে উজ্জ্বল ৰূপত তুলি ধৰিব লাগিব, বৈজ্ঞানিক প্ৰণালীৰে সেইবোৰৰ চৰ্চা কৰিব লাগিব; জাতিটোৰ চৰিত্ৰত সেইবোৰক প্ৰতিফলিত কৰিব লাগিব আৰু সেইবোৰৰ ভেটিতে জাতিটোৰ বাবে এক আধুনিক সাংস্কৃতিক সৌধ স্থাপন কৰিব লাগিব।

এই কামৰ বাবে অসমত বহল দৃষ্টিভংগীৰে নিৰ্মাণ কৰা এটা সাংস্কৃতিক কেন্দ্ৰৰ প্ৰযোজন হৈছে। শংকৰী সংস্কৃতিৰ পৰা আৰম্ভ কৰি লোক-সংস্কৃতিলৈকে বিভিন্ন দিশৰ চিন্তা-চৰ্চা, গৱেষণা, প্ৰদৰ্শনী, সমন্বয় আদি কাৰ্যকলাপৰ কেন্দ্ৰস্থল হ'ব এই সাংস্কৃতিক কেন্দ্ৰ। পৃথিৱীৰ উন্নত দেশসমূহৰ কথা নকওঁৱেই, ভাৰতৰে বিভিন্ন ৰাজ্যত আজি যি ৰূপত কলা-সংস্কৃতি চৰ্চাৰ কেন্দ্ৰ গঢ়ি উঠিছে তাৰ তুলনাত অসমত বিশেষ একোৱে গঢ় লৈ উঠা নাই বুলি ক'ব পাৰি। এইটোও এটা লক্ষণীয় দিশ। আজি ভাৰতৰে অন্য প্ৰদেশৰ বা বিদেশৰ এগৰাকী অনুসন্ধিৎসু লোক অসমলৈ আহিলে, অতি কম সময়ৰ ভিতৰতে তেখেতৰ সমুখত অসমৰ কৃষ্টি-সংস্কৃতিৰ পৰিচয় দাঙি ধৰাৰ বাবেও আমাক এটি দেখনিয়াৰ আৰু সক্ৰিয় কেন্দ্ৰ লাগে। তদুপৰি যিগৰাকী মহাপুৰুষে সাহিত্য, সংগীত, নৃত্য, সমাজনীতি আদিৰ সহায়ত অসমীয়া জাতিৰ ভেটি গঢ়িলে, সেইগৰাকী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত ৰাজ্যখনৰ ভিতৰত যেনে এটি প্ৰতিষ্ঠান জাতিটোৱে গঢ়ি তুলিব লাগিছিল তেনে এটি প্ৰতিষ্ঠান এতিয়াও গঢ়া হোৱা নাই। এই সকলো কথা বিবেচনা কৰি, ৰাজ্যখনৰ বাবে সকলো দিশৰে পৰা মহামূল্যবান বুলি পৰিগণিত হ'ব পৰা এটি কেন্দ্ৰ গঢ়ি তোলাটো আমাৰ উদ্দেশ্য।

সাংস্কৃতিক কেন্দ্ৰটিৰ নিয়ন্ত্ৰক আঁচনি বা সামগ্ৰিক আঁচনিত (মাষ্টাৰ প্লেন) সন্নিবিষ্ট গৃহ বা অন্যান্য বস্তুবোৰ পৰ্যায়ক্ৰমে নিৰ্মাণ কৰা হ'ব। আঁচনি অনুযায়ী কেন্দ্ৰটি সম্পূৰ্ণ হৈ উঠিবলৈ প্ৰায় দহ বছৰ সময় লাগিব বুলি ভবা হৈছে।

**আঁচনিৰ অধীনৰ অংগসমূহৰ চমু বৰ্ণনা ঃ**

**(১) প্ৰায় এশ বিঘা মাটিৰ চাৰিওফালে দেৱাল, দেৱালৰ বাহিৰেদি চাৰিওফালে আহল-বহল পথ; তিনিফালে প্ৰবেশ পথ (প্ৰয়োজনমতে বন্ধ কৰি ৰাখিব পৰা), আৰু এফালে মূল প্ৰবেশ পথ।**

**(২) যান-বাহন ৰখাৰ ঠাই দেৱালৰ বাহিৰতো, ভিতৰতো।**

**(৩) এটা সংগ্ৰহালয় (যাদুঘৰ ঃ মিউজিয়াম)**

**এইটো মূলতঃ এটা পৰিচয়মূলক যাদুঘৰ হ'ব। এই ঘৰটোৰ এখন দুৱাৰেদি সোমাই অন্য এখন দুৱাৰেদি ওলাই গ'লে অতীতৰ পৰা এতিয়ালৈকে অসম সম্পৰ্কে দৰ্শকে**

এটা পৰিষ্কাৰ ধাৰণা কৰিব পাৰিব।

(৪) এটা আহল-বহল পাৰ বন্ধোৱা সুশোভন পুখুৰী (Lake)। ইয়াৰ চাৰিওকাষে পদপথ আৰু ঘাঁহনি। সৌন্দৰ্য হানি হ'বলৈ নিদিয়াকৈ ইয়াক খেলা-ধূলাৰ বাবে ব্যৱহাৰ কৰাৰ কথা ভবা হ'ব।

(৫) সংগীত-নাটক ভৱন ঃ শংকৰী নাট আৰু সংগীতকে মুখ্য কৰি বিভিন্ন সংগীত-নাটকৰ চৰ্চা, গৱেষণা, প্ৰদৰ্শনী আদিৰ বাবে।

(৬) সাহিত্য ভৱন ঃ প্ৰাচীন অসমীয়া সাহিত্যকে মুখ্য কৰি অসমীয়া সাহিত্য, ভাৰতীয় সাহিত্য তথা বিশ্ব সাহিত্যৰ চৰ্চা, গৱেষণা, প্ৰদৰ্শনী আদিৰ বাবে।

(৭) চাৰু-কলা ভৱন ঃ প্ৰাচীন অসমীয়া চিত্ৰ-কলা-ভাস্কৰ্যকে আদি কৰি চিত্ৰ-কলা আৰু ভাস্কৰ্যৰ বিভিন্ন অংগৰ চৰ্চা, গৱেষণা, প্ৰদৰ্শনী আদিৰ বাবে।

(৮) এটা নামঘৰ ঃ নামঘৰৰ সকলো বৈশিষ্ট্য অক্ষুণ্ণ ৰাখি, আধুনিক নিৰ্মাণ কৌশলেৰে সজা হ'ব। ভাওনা, নাম-প্ৰসংগ, ধৰ্মসভা আদি পতা আৰু বহু দৰ্শকৰ সমাগমৰ সুবিধা থকা হ'ব।

(৯) আলহীঘৰ ১ ঃ দেশ-বিদেশৰ অভ্যাগতৰ বাবে।

(১০) আলহীঘৰ ২ ঃ ধৰ্মশালা আৰ্হিৰ।

(১১) পুথিভঁৰাল ঃ শংকৰী সাহিত্যকে মুখ্য কৰি অসমীয়া সাহিত্য সংগ্ৰহ। ভাৰতীয় তথা বিশ্ব সাহিত্যৰ আভাসৰ বাবে প্ৰয়োজনীয় পুথি আৰু অন্যান্য উপকৰণ থাকিব। সমগ্ৰ পৃথিৱীৰ বিখ্যাত আলোচনীৰ ওপৰত গুৰুত্ব দিয়া হ'ব।

(১২) আহাৰ গৃহ (কেন্টিন) ঃ দৰ্শক, অতিথি সকলোৰে বাবে। লঘু আহাৰ, চাহ, কফি আৰু অন্যান্য অনুত্তেজক পানীয়ৰ ব্যৱস্থা।

(১৩) ৰাজহুৱা শৌচাগাৰ, স্নানাগাৰ।

(১৪) বিদ্যালয় ঃ কেন্দ্ৰটোৰ একাষত। সৰুৰে পৰা অসমৰ সাংস্কৃতিক জগতৰ লগত নিবিড় পৰিচয় ঘটাই এচাম ছাত্ৰ-ছাত্ৰীক প্ৰকৃত নাগৰিক, চিন্তানায়ক আৰু কৰ্মনায়ক কৰি তোলাৰ বাবে এক প্ৰকৃত আদৰ্শ বিদ্যালয়। এই বিদ্যালয় সাংস্কৃতিক কেন্দ্ৰটোৰ এটা অতি গুৰুত্বপূৰ্ণ অংগ হ'ব। লগতে খেল-পথাৰ থাকিব।

(১৫) প্ৰেক্ষাগৃহ ঃ অনুষ্ঠান, সভা-সমিতি আদিৰ বাবে। সকলোৰে বাবে মুক্ত (নিৰ্ধাৰিত ভাৰাৰ ধনৰ বিনিময়ত)।

(১৬) চলচ্চিত্ৰ প্ৰেক্ষাগৃহ ঃ মূলতঃ উচ্চমানৰ কলাসন্মত কথাছবি প্ৰদৰ্শন, আলোচনা আদিৰ বাবে। সময়সাপেক্ষে সকলো দৰ্শকৰ বাবে মুক্ত (প্ৰবেশ মূল্যৰ বিনিময়ত)।

(১৭) উদ্যান ঃ সাংস্কৃতিক কেন্দ্ৰটোৰ গোটেই চৌহদটোৱেই এখন ধুনীয়া উদ্যানৰ নিচিনা হ'ব। ইয়াত পৰিকল্পিতভাৱে অসমৰ বৈশিষ্ট্যপূৰ্ণ গছ-গছনি ৰোৱা হ'ব। নাহৰ-

আলি, বকুল-আলি আদিৰ সৃষ্টি কৰা হ'ব। শংকৰদেৱৰ ৰচনাত উল্লিখিত গছ-গছনি, ফুল আদিৰ প্ৰতি বিশেষ মনোযোগ দিয়া হ'ব। এখন বিশেষ উপ-উদ্যানত অসমৰ বিভিন্ন ঠাইত অনাদৃত হৈ পৰি থকা মূৰ্তি, খোদাই ক ৰা শিল আদি আনি সজোৱা হ'ব। দৰ্শকৰ বহা-মেলাৰ সুবিধাৰ অৰ্থে ঘাঁহনিৰ সৃষ্টি কৰা হ'ব। ঠায়ে-ঠায়ে বেঞ্চ থাকিব।

(১৮) অনাথ গৃহ ঃ কৰ্মক্ষম অনাথ লোকক সাময়িক আশ্ৰয় দিয়া হ'ব। তেওঁলোকক ঘাইকৈ কেন্দ্ৰটো চাফ-চিকুণকৈ ৰখাৰ কামত লগোৱা হ'ব আৰু জীৱনত প্ৰতিষ্ঠিত্ব কৰিবলৈ চেষ্টা কৰা হ'ব।

(১৯) চিকিৎসালয় ঃ ঘাইকৈ স্বেচ্ছাসেৱী হিচাপে ৰোগীৰ সেৱা কৰিবলৈ আগ্ৰহী চিকিৎসকক ইয়াত বিনামূলীয়াকৈ সেৱা আগবঢ়োৱাৰ সুবিধা দিয়া হ'ব। স্থায়ী চিকিৎসকে কেন্দ্ৰটোৰ লগত জড়িত লোকৰ আৰু হঠাতে অসুস্থ হৈ পৰা দৰ্শক, অতিথি আদিৰ সেৱা কৰিব।

(২০) মণ্ডপ ঃ দৰ্শকে যাতে ৰ'দ-বৰষুণৰ পৰা ৰক্ষা পৰিবলৈ আশ্ৰয় ল'ব পাৰে, তাৰ বাবে উদ্যানৰ মাজে-মাজে কেইটামান মুকলি মণ্ডপ সজা হ'ব।

(২১) কেন্দ্ৰটোৰ প্ৰয়োজনীয় ছপা কামৰ (প্ৰচাৰ পত্ৰিকা, সৰু কিতাপ, কাৰ্যালয়ৰ কাগজ-পাতি আদিৰ) বাবে এটা সৰু ছপাশাল। আশ্ৰিত অনাথসকলক জীৱিকাৰ পথ দেখুউৱাৰ বাবেই এইটো ব্যৱহাৰ কৰিব পৰা যাব।

(২২) এই সকলো ঘৰ এনেদৰে নিৰ্মাণ কৰা হ'ব যাতে সেইবোৰৰ মাজতে আপোনা-আপুনি এক মুকলি মঞ্চৰ সৃষ্টি হয়।

**টোকা ঃ**

(ক) প্ৰতিটো ঘৰৰ নিৰ্মাণ-কৌশল আৰু আৰ্হি, তাৰ ব্যৱহাৰ আৰু উদ্দেশ্যৰ বৈশিষ্ট্য অনুসৰি প্ৰস্তুত কৰা হ'ব। এই প্ৰাথমিক আঁচনি সম্পূৰ্ণ হ'লে কেন্দ্ৰটোৰ মুঠ নিৰ্মাণ ব্যয় নিৰ্ণয় কৰিব পৰা যাব।

(খ) কেন্দ্ৰটোৰ নিৰ্মাণ, পৰিচালনা আৰু প্ৰশাসনৰ বাবে এক সুচিন্তিত আঁচনি যুগুত কৰা হ'ব।

(গ) ঘৰবোৰৰ কোনো এটা যদি কোনো ব্যক্তি বা প্ৰতিষ্ঠানে, কোনো চৰ্ত আৰোপ নকৰাকৈ, কেৱল সেৱা আৰু সদনামৰ উদ্দেশ্যেৰে দান হিচাপে দিবলৈ ইচ্ছা প্ৰকাশ কৰে, তেনেহ'লে সেই অনুৰোধ যথাযথভাৱে বিবেচনা কৰা হ'ব।

(ঘ) কেন্দ্ৰটোৰ কাৰ্যসূচী পৰিচালনা সমিতিয়ে যুগুত কৰিব। প্ৰতিদিনেই প্ৰতিটো অংগ যাতে কৰ্মমুখৰ হৈ থাকে, সেই অনুযায়ী কাৰ্যসূচী প্ৰস্তুত কৰা হ'ব। দেশী-বিদেশী পণ্ডিত, শিল্পী আদিৰ আগমনৰ ওপৰত গুৰুত্ব দিয়া হ'ব।

(ঙ) শৃংখলা, সৌন্দৰ্য, সংস্কৃতি, সাধনা আৰু কৰ্ম—কেন্দ্ৰটোৰ মূলমন্ত্ৰ স্বৰূপ হ'ব।

এইখিনি মই ৭।১০।৮৬ তাৰিখে লিখা কথা।

পৰিকল্পনা আৰু নিৰ্মাণকাৰ্যৰ বাবে যিখন উপদেষ্টা সমিতি পতা হৈছিল, সেইখনৰ সদস্য আছিল, —অসম চৰকাৰৰ বিত্ত দপ্তৰৰ আয়ুক্ত, সাংস্কৃতিক দপ্তৰৰ সচিব, গড়কাপ্তানি বিভাগৰ মুখ্য অভিযন্তা, নগৰ পৰিকল্পনা বিভাগৰ মুখ্য বিষয়া, ড. মহেশ্বৰ নেওগ, যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰৰ সঞ্চালক ড. যোগেন্দ্ৰ নাথ বৰুৱা, ড. নগেন শইকীয়া, ড. কৃষ্ণগোপাল ভট্টাচাৰ্য, আৰু চেয়াৰমেন আছিলো মই। আহ্বায়ক আছিল মুখ্যমন্ত্ৰীৰ যুটীয়া সচিব শ্ৰী নীলনাথ বৰুৱা। পাছলৈ আহ্বায়ক হৈছিল সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক গিৰিজা প্ৰসাদ দাস। কলাক্ষেত্ৰত কি কি থাকিব, ইয়াৰ কৰ্ম-আঁচনি কেনেকুৱা হ'ব, ইয়াৰ নিয়ম-নীতি, সংবিধান আদি কেনেকুৱা হ'ব, সেইবোৰ এই সমিতিয়ে লিখি উলিয়াইছিল। ১৯৮৮ চনৰ ফেব্ৰুৱাৰি মাহৰ দুই তাৰিখে অসমৰ তেতিয়াৰ ৰাজ্যপাল ভীষ্ম নাৰায়ণ সিঙে কলাক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰিছিল। তাৰ কিছুদিনৰ পাছত ৰাজ্যখনৰ শাসনক্ষেত্ৰত পৰিবৰ্তন ঘটিল। এসময়ত শ্ৰী হিতেশ্বৰ শইকীয়াৰ নেতৃত্বৰ চৰকাৰ শাসনলৈ আহিল। তাৰ পাছত এদিন চিঠি এখন পালো,— কলাক্ষেত্ৰৰ সেইখন সমিতি ভাঙি দিয়া হৈছে। তাৰ পাছত কেইবাবছৰো পাৰ হৈ গ'ল। ১৯৯৮ চনৰ জুন মাহৰ দুই তাৰিখৰ এখন বিজ্ঞপ্তিযোগে চৰকাৰে মোক শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সাধাৰণ পৰিষদৰ সদস্য পাতিলে, আৰু জুলাই মাহৰ দুই তাৰিখে বহা পৰিষদৰ প্ৰথমখন সভাত সদস্যসকলে মোক উপ-সভাপতি পাতিলে। তাৰ পাছত মোক যেতিয়া দুআষাৰ ক'বলৈ কোৱা হ'ল, তেতিয়া প্ৰথমতে মোৰ বাকৰুদ্ধ হ'ল, তাৰ পাছত মোৰ কান্দোন ওলাল। সেই কান্দোন মই সহজে নিয়ন্ত্ৰণলৈ আনিব পৰা নাছিলো। কষ্ট কৰি যি কেইষাৰ কথা কৈছিলো, তাৰ সাৰাংশ হ'ল,—এই কলাক্ষেত্ৰ মোৰ এটা সপোনৰ বস্তু আছিল। প্ৰায় সাত বছৰৰ পাছত মোৰ লগত আকৌ ইয়াৰ সম্পৰ্ক ঘটোৱা হৈছে। কিন্তু এনেকুৱা সময়ত সম্পৰ্কটো ঘটোৱা হৈছে,—যেতিয়া মই এটা *irreversible* অসুখৰ দ্বাৰা আক্ৰান্ত। মাত্ৰ পোন্ধৰ দিনৰ পাছতে মই আকৌ চিকিৎসাৰ কাৰণে বিদেশলৈ যাম। তথাপি মনৰ জোৰত, আৰু কলাক্ষেত্ৰৰ প্ৰতি থকা আগ্ৰহৰ জোৰত মই আপোনালোকৰ অনুৰোধ ৰক্ষা কৰিম।

মোৰ সেইদিনাৰ দুখৰ মূল কাৰণ আছিল,—কিয় মই কলাক্ষেত্ৰখনৰ নিৰ্মাণৰ মূল সময়ছোৱাত আঁতৰি থাকিবলগীয়া হৈছিল? মোৰ কামৰ চৰিত্ৰ—অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, নে হিতেশ্বৰ শইকীয়া, তাৰ ওপৰতহে নিৰ্ভৰ কৰেনে? "এওঁ হিতেশ্বৰ শইকীয়াৰ মানুহ", এওঁ "প্ৰফুল্ল কুমাৰ মহন্তৰ মানুহ"— এই ধৰণৰ কথাই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শৈশৱৰ স্বাস্থ্য নিৰ্ণয় কৰিব লাগে নে? আজি যে মই আকৌ শ্ৰীমন্ত শংকৰদেৱ

কলাক্ষেত্ৰৰ উপ-সভাপতি হ'লো, মই মোৰ নিজৰ কৰ্ম-চিন্তাৰ বলত হ'লো, নে "প্ৰফুল্ল কুমাৰ মহন্তৰ মানুহ" কাৰণে হ'লো? যদি "প্ৰফুল্ল কুমাৰ মহন্তৰ মানুহ" কাৰণেহে হ'লো, তেনেহ'লে সেইটো মোৰ কাৰণে কম অপমানৰ কথানে? হিতেশ্বৰ শইকীয়াৰ শাসনকালত কলাক্ষেত্ৰৰ যিখিনি কাম হ'ল, মই সেইখিনি কামত মোৰ শক্তি-সামৰ্থ্য- কৰ্ম-চিন্তাৰে সম্পূৰ্ণভাৱে সহায় নকৰিলোহেঁতেন নে? দেশ গঢ়াৰ, জাতি গঢ়াৰ কিছুমান অৰাজনৈতিক কামত তুচ্ছ ৰাজনৈতিক বিচাৰ-বিবেচনাক প্ৰশ্ৰয় দিয়া উচিত নহয়। আজি আকৌ কলাক্ষেত্ৰৰ ভিতৰ সোমোৱাৰ পাছত মোৰ অহংকাৰ কৰি ক'বৰ মন যায়;— মই সাত বছৰ আঁতৰি থকাৰ কাৰণে মোৰ একো ক্ষতি হোৱা নাই; যদি হ'ল,—কলাক্ষেত্ৰৰে হ'ল।

কথাবোৰ চমুৱাই আনো।

১৯৮৬ চনৰ কথা। এদিন দোকান-পোহাৰ থকা অঞ্চল এটাত লগ পাওঁতে তেতিয়াৰ শিক্ষা বিভাগৰ আয়ুক্ত শ্ৰী কমলেশ্বৰ বৰাই ক'লে,—তুমি জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ' ছ'ছাইটি আৰু ৰাজ্যিক চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ চেয়াৰমেনৰ বাব ল'ব লাগে। মোৰ কৰ্মক্ষেত্ৰৰ লগত সম্পৰ্ক থকা আৰু কিছু কাম কৰিব পৰাৰ সম্ভাৱনা থকা বাব;— গতিকে সন্মত হ'লো। প্ৰতিষ্ঠান দুটাৰ লগত মোৰ সম্পৰ্ক ১৯৭৬ চনৰে পৰা। কামৰ জৰিয়তে প্ৰতিষ্ঠিত হোৱা সম্পৰ্ক। জ্যোতি চিত্ৰবনৰ প্ৰতিজন মানুহ, প্ৰতিটো যন্ত্ৰ চিনি পাওঁ। কিন্তু মই উক্ত বাবত থকা দিনখিনি পা-পইচাৰ ফালৰ পৰা প্ৰতিষ্ঠান দুটাৰ কাৰণে বৰ দুৰ্দিন আছিল। কৰ্মচাৰীক অনিয়মীয়াকৈ দৰমহা দিয়াৰ বাহিৰে উন্নয়নমূলক কোনো আঁচনি লোৱাৰ বাবে ধন নাছিল। নিগমৰ মানুহ মোকে ধৰি মাত্ৰ চাৰিজন; মাজতে এমাহত তেওঁলোকক দৰমহা দিবলৈও পইচা নাছিল। 'অনিৰ্বাণ' চলচ্চিত্ৰখনৰ কাৰণে মই নিগমৰ পৰা যি ধাৰ লৈছিলো, সেয়া সম্পূৰ্ণৰূপে ওভোতাই দিছিলো, কিন্তু ছবিখনৰ ব্যৱসায়িক দিশটো ভাল নাছিল কাৰণে সুত দিব পৰা নাছিলো। সুতখিনি ৰেহাই দিবলৈ নিগমক দৰখাস্ত দিম বুলি ভাবি আছিলো আৰু ৰেহাই পোৱাৰ সম্পূৰ্ণ সম্ভাৱনাও আছিল। কিন্তু পাছত মই নিজেই নিগমৰ চেয়াৰমেন হ'লো, আৰু কি কৰোঁ ভাবি আছিলো। এনেতে সেইযে দৰমহা দিবলৈ পইচা নোহোৱা হ'ল, তেতিয়া মই অনিৰ্বাণৰ সুত হিচাপে দহ হাজাৰ টকা নিগমত জমা দিলো আৰু তাৰে দৰমহা দিয়াৰ ব্যৱস্থা কৰিলো।

এনে অৱস্থাত, দুয়োটা প্ৰতিষ্ঠানৰ ক্ষেত্ৰত, পইচা নোহোৱাকৈ যিমান যি কৰিব পৰা যায়, আৰু পইচা কেনেকৈ উপাৰ্জন কৰিব পৰা যায়, তাৰ বাবে চেষ্টা কৰাটোৱেই আমাৰ প্ৰধান কাম আছিল। সেইবোৰ কথাৰ বৰ্ণনা প্ৰতিষ্ঠান দুটাৰ অফিছৰ নথি-পত্ৰত বিচাৰিলেই পোৱা যাব। কেৱল এটা কথা উল্লেখ কৰি থ'ব খোজোঁ: অসম চৰকাৰে সময়ে-সময়ে এক চলচ্চিত্ৰ-নীতিৰ কথা উত্থাপন কৰে, আৰু অসমীয়া চলচ্চিত্ৰৰ কল্যাণ চিন্তা কৰাসকলে

উদ্যোগটোৰ বিষয়ে নানা ধৰণৰ দিহা-পৰামৰ্শ আগবঢ়ায়; শেষ পৰ্যন্ত কেনে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বা হ'ব,—এই মুহূৰ্তত মই নাজানো; কিন্তু মোৰ বিশ্বাস,—এক সুচিন্তিত পদ্ধতিৰে প্ৰস্তুত কৰা এই সম্পৰ্কীয় পৰামৰ্শাৱলী প্ৰতিষ্ঠান দুটাৰ অফিছৰ ফাইলতো আছে, চৰকাৰৰ অফিছৰ ফাইলতো আছে; আৰু আশীৰ দশকৰ শেষ ভাগত প্ৰস্তুত কৰা সেই পৰামৰ্শাৱলীৰ বেছিভাগৰে অসমৰ চলচ্চিত্ৰ-নীতিৰ অন্তৰ্ভুক্ত হোৱাৰ যোগ্যতা আছে। মই ব্যক্তিগতভাৱে সৰু ছিনেমা হল নিৰ্মাণৰ পক্ষপাতী। যেতিয়া নিৰ্মাণ কৰা হয় হ'ব, কিন্তু ছিনেমা হলবোৰৰ কাৰণে ৰাজ্যখনত অন্ততঃ এশডোখৰ ঠাই আছুতীয়া কৰি ৰাখিবলৈ এখন তালিকাৰে সৈতে তেতিয়াই চৰকাৰক পৰামৰ্শ দি থৈছিলো।

নিগমৰ চেয়াৰমেন হিচাপে মোক মাহে এহেজাৰ টকা, এখন গাড়ী, আৰু মাহে পয়সত্তৰ লিটাৰ পেট্ৰল দিয়া হৈছিল। নিগমৰ টকা আৰু কাম প্ৰায় একো নাই কাৰণে এসময়ত মই সেই এহেজাৰ টকা নলওঁ বুলি ঠিক কৰিলো। পেট্ৰল মাহে চল্লিছ লিটাৰতকৈ বেছি খৰচ নহৈছিল; তথাপি এদিন গাড়ীখন চলোৱা বন্ধ কৰিলো। কোনো কাম নকৰাকৈ নিগমৰ গাড়ী চলোৱাটো অযুক্তিকৰ কাম আছিল। মোৰ নিজৰ গাড়ীৰে জ্যোতি চিত্ৰবনৰ কামলৈ গ'লেই নিগমৰ যদি কিবা কাম ওলায়, সেইখিনি কৰিব পাৰিছিলো। সেই অৱস্থাতো এদিন সুদিন আহিব বুলি আশা কৰি আছিলো, কিন্তু এদিন এটা ঘটনাই ব্যক্তিগতভাৱে মোক দুখ দিলে, আৰু মই দুয়োটা প্ৰতিষ্ঠানৰ পৰা নিজ ইচ্ছাই অব্যাহতি গ্ৰহণ কৰিলো।

ঘটনাটো ঘটাৰ দিনটো বন্ধৰ দিন আছিল। জ্যোতি চিত্ৰবনো বন্ধ আছিল। পাছবেলা জ্যোতি চিত্ৰবনৰ কৰ্মচাৰী এজনে আহি খবৰ দিলে, —অফিছৰ জ্যেষ্ঠ কৰ্মচাৰী চৌধুৰীক মানুহ এজনে মাৰিলে। মাৰিলে মানে শাৰীৰিকভাৱে আঘাত কৰিলে। কাৰণটো কি? শব্দযন্ত্ৰী পীযূষ ৰয়ৰ লগত তথ্যচিত্ৰ এখনৰ প্ৰযোজক এজনে আগদিনাই বন্দবস্ত কৰি থৈছিল,—বন্ধৰ দিনাও তেওঁলোকে ৰেকৰ্ডিঙৰ কাম কৰিব, আৰু ৰেকৰ্ডিং কৰিব পীযূষ ৰয়ে নিজে। পাছদিনা প্ৰযোজকজন লগৰীয়াসকলৰে সৈতে জ্যোতি চিত্ৰবনত বৈ আছেহি; পীযূষ ৰয় নাই। বহু সময় বাট চোৱাৰ পাছত তেওঁলোকৰ খং উঠিল, আৰু তেওঁলোকৰ এজনে চৌধুৰীকে ঘুচিয়াই দিলে। নাহিল পীযূষ ৰয়, আৰু মাৰ খালে চৌধুৰীয়ে। মই ঘটনাটোৰ বিচাৰ কৰিম বুলি কৰ্মচাৰীজনক পঠিয়াই দিয়াৰ কিছুসময়ৰ পাছতে প্ৰযোজকজন সমন্বিতে চাৰিজন মানুহ আমাৰ ঘৰলৈ আহিল। ঘৰত মই অকলে আছিলো। প্ৰযোজকজন মই বিশ্ববিদ্যালয়ত থাকোঁতে ছাত্ৰ আছিল, গতিকে তেওঁ মোক ছাৰ বুলি মাতিছিল। লগত অহা এজন আছিল কেমেৰামেন; তেওঁ মোক দাদা বুলি মাতিছিল। তৃতীয় আৰু চতুৰ্থজনক মই চিনি নাপাইছিলো। তৃতীয়জনে মোক সুধিলে, পীযূষ ৰয়ক আপুনি ছাছপেণ্ড কৰিব নে নকৰে? মই ক'লো,—সেইটো কথা এতিয়াই মই কেনেকৈ কওঁ? তৃতীয়জন

মানুহৰ আচৰণ, কথাৰ ধৰণ আৰু সুৰ মোৰ কাৰণে প্ৰথমৰ পৰাই আপত্তিজনক আছিল। সুৰামত্ত লোকৰ দৰে তেওঁ নানান কথা কৈ শেষত ক'লে,—"আপুনি ছিনেমা-তিনেমা কৰা বাদ দিয়ক। ষ্টুডিঅ'টো ঠিক কৰাত লাগক।" মোৰ ঘৰৰ বহা-কোঠালিত মানুহজন বহি আছে,— মই অতিথিৰ সন্মান ৰক্ষা কৰি তেওঁক কেৱল ক'লো,—"মই কি বাদ দিম, কি ধৰিম, সেইটো বাৰু মই নিজে ঠিক কৰিম।" প্ৰযোজকজনক সুধি মই এই অপৰিচিত মানুহজনৰ নামটো জানি লৈছিলো। এই মানুহজনেই অফিছত চৌধুৰীৰ গাত হাত দিছিল।

এই ঘটনাটোৰ পাছত মই দুয়োটা প্ৰতিষ্ঠানৰ পৰা অব্যাহতি লৈছিলো। ঘটনাটোৰ সুবিচাৰ নোহোৱাটো মোৰ কাৰণে ডাঙৰ কথা আছিল। সেই সময়তে মোৰ ধাৰণা হৈছিল,— ভাৰত চৰকাৰেই হওক, অসম চৰকাৰেই হওক, —চৰকাৰৰ লগত মোৰ ৰাহি-যোৱা নাই।

তাৰ পাছত? আৰু কিহৰ কথা লিখোঁ? লিখিলে ঢেৰ লিখিব পাৰোঁ, নিলিখিলে এইখিনিতে সামৰি থব পাৰোঁ। আগতেই কৈছোঁ, প্ৰকাশৰ যোগ্য যিখিনি কথা থাকিব, সেইখিনি ডায়েৰিৰ কিতাপখনে সামৰিব। তথাপি ভাবিছোঁ,— ঢেৰ কথাৰ মাজৰ কোনটো কথাৰে 'জীৱন-বৃত্ত' সামৰোঁ? আমোদজনক কথা, —এনেকৈ ভাবিলে সুখৰ দিনতকৈ দুখৰ দিনৰ কথাহে আগতে মনলৈ আহে। অসুখ-বিসুখৰ কথা বাদ, —কিন্তু মন বোলা বস্তুটোক গভীৰভাৱে যি দুখে আচ্ছন্ন কৰে, মই সেই দুখ পাইছিলো—জিণ্টি আৰু ৰশ্মিয়ে আমাক এৰি থৈ বিদেশলৈ গুচি যোৱাৰ সময়ত। মোৰ যিটো পঢ়া-শুনা কৰা কোঠালি, তাতে জিণ্টিৰ বিয়াত উঠা বস্তুবোৰ গোটাই থোৱা হৈছিল। কোনোমতে মোৰ মেজখনৰ ওচৰলৈ আহিব পৰা বাটটোৰ বাহিৰে মজিয়াখন পেকেটবোৰেৰে ভৰি আছিল। বিয়াৰ পাঁচদিনৰ পাছতে জিণ্টি প্ৰশান্তৰ লগত গৈছিলগৈ। সিহঁতক বিমান বন্দৰত থৈ অহাৰ পাছত কোঠালিটোত সোমাওঁতে যে মোৰ কেনেকুৱা লাগিছিল, বোধকৰোঁ সেইটোৱেই মই জীৱনত শুদ্ধ আৰু সম্পূৰ্ণকৈ বৰ্ণাব নোৱৰা অৱস্থা। হঠাৎ যেন বুকুখন অকণমান ওপৰলৈ আহিল, তাৰ পাছত বুকুৰ বস্তুবোৰ যেন চাৰিওফালে আঁতৰি গ'ল, মাজত এক শূন্যতাৰ সৃষ্টি হ'ল—!

নিজৰ ছোৱালীৰ বিয়াৰ উপহাৰৰ পেকেট খোলা যে কিমান কষ্টকৰ কাম! এটা পেকেট খোলো, আৰু কোনেও নেদেখাকৈ চকু মোহাৰোঁ। যিদিনা পেকেটবোৰ খোলা কামটো শেষ কৰি কোঠালিটো মুকলি কৰিলো, জিণ্টিহঁত সেইদিনা পৃথিৱীৰ সিটো গোলাৰ্ধত। আমাৰ ইয়াত ৰাতি, সিহঁতৰ তাত দিন. হওক, আমাৰ ৰাতি হোৱাত আপত্তি নাই;—সিহঁতৰ দিন হ'লেই হ'ল।

প্ৰায় এবছৰ চাৰি মাহৰ পাছত জিণ্টিয়ে আহি ৰশ্মিকো লৈ গ'ল। দুই ফেব্ৰুৱাৰি, ১৯৯৩ চন। "—সিহঁতে সেৱা কৰি বিদায় ল'বৰ সময়ত বৰ দুখ লাগিল। এই দুখ সহ্য কৰিবলৈ বৰ টান। বৰ টান।" —তিনি ফেব্ৰুৱাৰি। "—দুপৰীয়া ৰশ্মিৰ মেজখনৰ বস্তুবিলাক চিজিল কৰিলো। প্ৰতিটো বস্তু হাতলৈ ল'লেই মনটো গধুৰ-গধুৰ লাগে। বুকুখন যে কেনেকুৱা লাগে!"

আজি কিন্তু সেইবোৰ দুখৰ দিনক আনন্দৰ দিনৰ আগৰণুৱা বুলি স্বীকাৰ কৰোঁ।

লণ্ডনৰ ইম্পিৰিয়েল কলেজৰ বন্ধু জিম কিঙে এদিন দুপৰীয়া লেবৰেটৰিত টাইমছ কাকতৰ লিটাৰেৰি ছাপ্লিমেণ্টখন পঢ়ি আছিল। মই ধেমালি কৰি সুধিছিলো,—"জিম, মোৰ অপ্ৰকাশিত কিতাপখনৰ বিষয়ে তাত কিবা লিখিছেনে?" জিমে তৎক্ষণাৎ উত্তৰ দিছিল, —"লিখিছে। সেইখন চিৰদিন অপ্ৰকাশিত হৈ থকাই ভাল বুলি লিখিছে।" তেওঁৰ বুদ্ধিদীপ্ত উত্তৰটো শুনি মই সেইদিনা বৰ আনন্দ পাইছিলো। আজি সেইটো কথা অলপ বেলেগ ৰূপত ব্যৱহাৰ কৰিবলৈ মন গৈছে। বহুত কথা নিলিখিলো। সেইবোৰ কেতিয়াও প্ৰকাশ নোহোৱাকৈয়ে থাকি যাব। কিন্তু যিখিনি লিখিলো, সেয়াও বহুত।

আকৌ সেই আৰম্ভণিৰ বৃত্তৰ কথালৈ মনত পৰিছে। শেষ হৈ অহাৰ সময়ত বৃত্তৰেখাৰ দ্বিতীয় মূৰটোৱে প্ৰথম মূৰটো ভালকৈ দেখিবলৈ পায়। দুয়োটা মূৰ লগ লগাৰ মুহূৰ্তটোৰ কথা লিখাৰ উপায় মোৰ নাথাকিব; —কিন্তু তাৰ আগমুহূৰ্তলৈকে বাকীখিনি আকৌ লিখিম, —আজি শেষ কৰিবৰ সময়ত সেই ভাবটো মনলৈ আহিছে।

এই মুহূৰ্তত আকৌ সেই কীৰ্তনঘৰ ৰোডৰ ধূলিয়ৰি বাটত পাহিৰাম ককাইটি আৰু ৰাধাশ্যামৰ ৰাতিৰ গান, অন্ন হালদাৰৰ কলগানৰ পৰা অহা গান, লিলু ককাইটি উঠি অহা ঘোঁৰাবাগীৰ ঘোঁৰাৰ জুনুকাৰ শব্দ শুনিবলৈ পাইছোঁ। ৰাতিপুৱা চাহৰ লগত খাবলৈ লাখৰাজৰ দোকানৰ পৰা গামোচা এখনত দুপইচাৰ মুড়ি টোপোলা বান্ধি আনিছো; টোপোলাটোৰ গাঁঠিৰ কাবেদি এটা ফাঁক উলিয়াই এটা-দুটাকৈ মুড়ি খাই-খাই ঘৰলৈ খোজ লৈছোঁ; যিদিনা দোকানৰ পৰা সোনকালে উভতিব লাগে সেইদিনা বৌৱে কৈছে,— "চকাটো লৈ যা।" —ছাইকেলৰ পুৰণি ৰিম এটা মাৰি এডালেৰে চলাই দৌৰি-দৌৰি যোৱা মানে বৌৰ কাৰণে ছাইকেলত উঠি যোৱা!—দোকমোকালিতে সাৰ পাই শুনিছোঁ, —মছজিদৰ ওচৰৰ চুবুৰিটোৰ পৰা অহা ঢেঁকীৰ শব্দ; —আঁচিয়া মাকে পিঠাগুৰি খুন্দিছে। আঁচিয়া মাকে এপইচাত এটাকৈ বেচা খোলাচপৰীয়া পিঠা;—তেনেকুৱা পিঠা মই জীৱনত দ্বিতীয় ঠাইত দেখা নাই।

বৌৱে ঢেঁকী দিছে, মই ঢেঁকীৰ নেজত বহি বৌক আমনি কৰিছোঁ। তামোলৰ ঢকুৱা আৰু নাৰিকলৰ ৰছীৰে মোক ফানতি,—মানে ছেগুেল এযোৰ কৰি দিবলৈ পেনপেনাই আছোঁ।—

পিতায়ে ওচৰ-চুবুৰীয়াক সমুখত বহুৱাই লৈ পদ্য মাতিছে, —সজৰ লগত সজ সংগতি মধুক কৰিলো পান; বিক্ৰমাদিত্য ৰজাৰ শিৰত উঠি গংগাত কৰিলো স্নান।—

২২/১১/৯৯

✦ ✦ ✦